Centre for Studies in Social Sciences, Calcutta

Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

Record No: 2006/ 11	Language of work: Assamese
Author (s) / Editor (s): Dinanath Sarmah	
Title: আবাহন	
Transliterated Title: ~~Bāhā~~ Ābāhana	
Translated Title: Monthly Magazine	
Place of Publication: Calcutta (Kolkata)	Publisher: Editor
Year: 1930 (1852 Saka)	Edition:
Size: 24 cms	Genre:
Volumes: vol-2 (1930 [1852 Saka]) vol-3 (1931 [1853 Saka]) vol-4 (1932 [1854 Saka]) vol-5 - (1933 [1855 Saka]) vol-6 (1933 [1886 Saka])	Condition of the original: ~~Not bad~~. Brittle
~~Remarks~~: vol-7 (1933 [1887]) vol-9 - (1936 [1888 Saka]) vol-10 (1937 [1889 Saka]) vol-11 (1938 [1890 Saka]) ~~vol-12~~	
The magazine was first published in 1929 and continued for more than 40 years. Before 1950 upto vol.11 are available here.	
Holding institute: Assam Sahitya Sabha, Jorhat	Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006.

Microfilm Roll No:	From gate:	To gate:

শ্রীসুপ্রভা গোস্বামী
ছিকাং

২৭৭৪-১/অ:

৫ম বছর আষাঢ়—১৮৫৫ শক ২য় সংখ্যা

ভারতবর্ষ

অনাথ

শ্রীগোস্বামী মুদ্রিত
২৭৭২-১/অ:
তাং 21/8/2000
ন্যাশনাল লাইব্রেরী—শিরপদ ভৌমিক

জীর জগতব ড
অফ্ ইণ্ডিয়া প্রেসত মুদ্রিত, কলিকতা।
ভক্তি। জীর

বঙ্গসাহিত্য সভা, গোহাটী

শ্রীসুপ্রভা গোস্বামী
ছাত্রী

৫ম বছর | আষাঢ়—১৮৫৫ শক | ২য় সংখ্যা

জাগরণ

শ্রীহরেন্দ্র গোস্বামী স্মৃতিরক্ষা
নং ৯৩৭১-৯৮৯৯
তাং ২৯/৮/২০০৪
ধর্ম্ম-সাহিত্য সংস্থা, গৌহাটী

কর্ম্ম

—পণ্ডিত শ্রীযুত প্রতাপচন্দ্র গোস্বামী বিদ্যাবিনোদ

"কিং কর্ম্ম কিমকর্ম্ম কবয়োপ্যত্র মোহিতাঃ"

—গীতা

আজি কালি জগতত নিষ্কর্ম্মাৰ সমস্যাই ডাঙৰ সমস্যা হৈ পৰিছে। বিজ্ঞ, জ্ঞানী আৰু দেশ হিতৈষী সকলে সকলোকে কৰ্ম্মী হবলৈ উপদেশ দিছে, কৰ্ম্ম নহলে আমাৰ কল্যাণ নাই গতিকে কৰ্ম্ম বাদেই আজিৰ জগতৰ প্ৰধান কথা। সেই দেখি আমাৰ প্ৰাচীন শাস্ত্ৰ গ্ৰন্থাদিত কৰ্ম্মবাদ সম্বন্ধে যি কথা পোন্ধা যায় তাক ভাবি চোৱা বেয়া নহয়। আমাৰ গীতা, ভাগবত প্ৰভৃতিত কৰ্ম্ম বাদৰ বিষয়ে যি কথা আছে তাৰ অলপ চমু আভাস তলত দিবলৈ চেষ্টা কৰিলোঁ।

জীৱ জগতৰ উন্নতিৰ পথ তিনিটা, কৰ্ম্ম, জ্ঞান আৰু ভক্তি। জীৱ জগতৰ উদ্গতি কাক বোলা হৈছে সেই কথা জানিব লাগিলে জীৱ জগতৰ উদ্দেশ্যৰ বিষয় জনাৰ আৱশ্যক। সংক্ষেপে কব লাগিলে জীৱৰ উদ্দেশ্য হৈছে সুখ ভোগ কৰি পূৰ্ণত্ব লাভ কৰা। জগতত মানুহে যি কৰ্ম্ম কৰে তাক কেৱল সুখ লাভৰ নিমিত্তেহে কৰে। সুখ লাভৰ নিমিত্তে কৰিলেও সকলো কৰ্ম্ম কৰ্ম্ম নহয়। কৰ্ম্ম আৰু অকৰ্ম্ম দুবিধ আছে কৰ্ম্ম আৰু অকৰ্ম্মৰ প্ৰভেদৰ কথা পিছত কোৱা হব।

পৰিদৃশ্যমান বিশ্বৰ সকলো সসীম, অলপীয়া, অপূৰ্ণ। অলপ বা অপূৰ্ণত সুখ নাই। "যদ্ বৈ ভূমা স সুখং" যি ভূমা অৰ্থাৎ বৃহৎ, অসীম সেয়ে সুখ। পৰিপূৰ্ণ আৰু ভূমা হৈছে এক মাত্ৰ ভগৱান; গতিকে জীৱৰ ভগৱৎ প্ৰাপ্তিয়ে চৰম সুখ আৰু পৰিপূৰ্ণত্ব প্ৰাপ্তি। এই ভগৱৎ প্ৰাপ্তি, চৰম সুখ-ভোগ বা পূৰ্ণত্ব লাভৰ প্ৰধান উপায় কৰ্ম্ম। পূৰ্ণত্ব

প্রাপ্তিয়ে যদি জীবব চবম লক্ষ্য হয় তেনে হলে প্রাণী বিণাক জানিয়েই হ'ক বা নাজানিয়েই হ'ক পূর্ণতাব অভিমুখে যাই থাকিব লাগিব, যি হেতু জীবব স্বভাবেই পূর্ণত্ব প্রাপ্তি। পূর্ণ হৈছে ভগবান। ভগবানব ওচবত ধনী নির্ধন, জ্ঞানী-অজ্ঞানব, বা সাধু-অসাধুব প্রভেদ নাই। তেওঁ সকলোকে সমানে ভাল পায়। প্রাণীবিলাকে মাত্র নিজব কর্ম অনুসাবে কোনেও বা সোনকালে আৰু কোনেও বা অলপ পলমে পূর্ণত্ব লাভ কবে, কিন্তু এইটো অতি স্থিব কথা যে জীব মাত্রেই এদিন পূর্ণত্ব লাভ কবিবেই।

প্রাণী মাত্রেই ত্রিগুণময়। পবিদৃশ্যমান বিশ্ব ব্রহ্মাণ্ড সত্ব, বজঃ আৰু তম এই তিনি গুণেবেই অন্তর্ভিত হৈ আছে। এই সংসাবত সকলো গুণময়,—গুণাতীত একো নাই। সত্ব, বজ, তম গুণব ক্ষয় বৃদ্ধিব দ্বাবাই জীৱনবো ক্ষয়-বৃদ্ধি বা উন্নতি-অৱনতি সাধিত হয়।

যিমানেই সত্ব বৃদ্ধি হয়, প্রাণী সকল সিমানেই কর্মী হয় আৰু পূর্ণত্ব লাভ কবে ; গতিকে প্রাণীসকলে অহবহ সত্ব বৃদ্ধিব বাবে যত্ন কবি থাকে। বিশ্ব ব্রহ্মাণ্ডত প্রাণী থাকে মানেই এই চেষ্টা চলি থাকিবই। এই সত্ব বৃদ্ধিব চেষ্টাব নামেই অভিব্যক্তি।

প্রাণী মাত্রেই ক্রমে ক্রমে নিকৃষ্ট জড়তাময় তমঃ ভাব পবিত্যাগ কবি উৎকৃষ্টতম সত্ব ভাব পবিপূর্ণ কর্ম বহুল অৱস্থালৈ আহে। এয়ে প্রাণীব কর্ম। বান্দব মানুহ হোৱাব মূলতো এই ধর্ম বিদ্যমান। এইটো নতুন কথা নহয়। এই কথা প্রাচীন শাস্ত্রতো আছে। বিষ্ণু পুবাণত লিখিছে—

স্থাবৰং বিংশতৈলক্ষং জলজং নব লক্ষকং
কুর্ম্মাশ্চ নব লক্ষঞ্চ দশ লক্ষঞ্চ পক্ষিণঃ॥
ত্রিংশ লক্ষ পশুনাঞ্চ চতুর্লক্ষঞ্চ বানবাঃ
ততো মনুষ্যতাং প্রাপ্য ততঃ কর্ম্মানি সাধয়েৎ।
এতেষু ভ্রমণং কৃত্বা দ্বিজত্বমুপজায়তে
সর্ব্ব যোনিং পবিত্যজ্য ব্রহ্ম যোনি ততোভাগাৎ॥

কুবি লক্ষ স্থাবব, নবলক্ষ জলজ, নবলক্ষ কুর্ম্ম, দশ লক্ষ পক্ষী, ত্রিশ লক্ষ পশু, চাবিলক্ষ বান্দব জন্ম লাভ কবাব পিছত মনুষ্য জন্ম লাভ কবি কর্ম্মবোব সাধন কবে। এনেকৈ জন্ম জন্মান্তবলাভ কবি মনুষ্য জন্ম লাভব পিছত দ্বিজত্ব লাভ কবে অর্থাৎ সত্ব গুণশালী কর্ম্মী হয়, তাব পিছত সকলো জন্ম পবিত্যাগ কবি প্রাণী সকল ব্রহ্ম জন্ম লাভ কবে অর্থাৎ পূর্ণতা প্রাপ্ত হয়।

জীবব পূর্ণতা প্রাপ্তিব প্রধান হেতু কর্ম। প্রাণী মাত্রেই কর্ম্মব অধিকাবী। আগত উল্লেখ কবা নিকৃষ্টতম জন্মব পবা উৎকৃষ্টতম্ জন্মলৈ মহাৰ কাবণো কর্ম্মই। প্রাণীবিলাকে নিজে অনুভব কবিব পাবকে বা নোৱাবকেই তথাপি প্রাণীবিলাকে কর্ম্মব দ্বাবাইহে উদগতি লাভ কবিছে। কর্ম্ম নকবাকৈ কোনেও থাকিব নোৱাবে। প্রকৃতি জাত গুণব কাবণেই জগত কর্ম্মশীল।

গীতাত শ্রীকৃষ্ণ ভগবানে কৈছে—

'নহি কশ্চিত ক্ষনমপি জাতু তিষ্ঠত্যকর্ম্মকৃৎ'

গতিকে কর্ম্মহীন জীব নাই। যি জীব যিমানে কর্ম্ম হীন সি সিমানে তামস জড়। কর্ম্মই হৈছে একমাত্র সিদ্ধি লাভব উপায়, কর্ম্ম ত্যাগব দ্বাবাই সিদ্ধি লাভ কবিব নোৱাবি। মহাভাবতৰ শান্তি পর্ব্বত আছে

আবেক্ষৰ যথাস্বৈষে কর্ম্মণি ব্যাপৃতং জগত
তস্মাৎ কর্ম্মৰ কর্ত্তব্যং নাস্তি সিদ্ধিবকর্ম্মনঃ॥

"হে মহাবাজ চাওক জগৎ সিংহ নিজ নিজ কর্ম্মতে ব্যাপৃত হৈ আছে, সেই নিমিত্তে কর্ম্মহে কবিব লাগে। অকর্ম্মীব কোনো সিদ্ধি লাভ নহয়"।

পুনঃ গীতাত শ্রীকৃষ্ণই কৈছে—

নিয়তং কুরু কর্ম্মত্বং কর্ম্মজ্যায়োহকর্ম্মণঃ
শবীৰ মাত্রাপিচ তেন প্রসিদ্ধ্যেদকর্ম্মণঃ॥

"হে অর্জুন তুমি সদায় কর্ম্মশীল হোৱা, আনকি কর্ম্ম নকবিলে তুমি এই শবীবকে বক্ষা কবিব নোৱাবিবা"।

ব্রহ্মাণ্ডব প্রাণী যাতেই কর্ম্ম প্রধান। সকলো প্রাণী অহবহ কর্ম্মত প্রবৃত্ত হৈ আছে, এনেকি সুষুপ্তিব সময়তো প্রাণীবিলাকে শ্বাস প্রশ্বাস আদি কর্ম্ম কবি থাকে। অন্তত্তে প্রাণীবিলাকে নাজানে কর্ম্মব স্বৰূপ কি? কর্ম্মব লক্ষ্য কি?

সৃষ্টি কর্ত্তাব সর্ব্ব প্রধান সৃষ্ট প্রাণী মানুহব ভিতবতো অধিক ভাগেই নাজানে কর্ম্মব স্বৰূপ কি? কর্ম্মব লক্ষ্য কি? হাজাব হাজাব মানুহে কর্ম্ম কবি যাব লাগিছে কোনেও বা নিজব ভোগবিলাসব নিমিত্তে, কোনেওবা ভার্য্যা-পুত্র প্রভৃতি পবিজনবিলাকব কাবণে, কোনেওবা ধনব নিমিত্তে, কোনেওবা মানব নিমিত্তে, কোনেও বা যশব নিমিত্তে, কোনেও সুখব নিমিত্তে, কোনেও বা বাহাদাব দৃষ্টিত পবম নির্ম্মার্থভাবে স্বদেশব কাবণে। এই ক্ষণে জীব মাত্রেই অহবহঃ কর্ম্ম কবিয়েই আছে, কিন্তু তাব পবিণাম কি কোনেও থিবাংকৈ কব নোৱাবে; গতিকে এইবোব কর্ম্ম নে অকর্ম্ম তাব বিচাব কবা টান হৈ পবে। অজ্ঞানব কথাই নাই জ্ঞানী সকলেও অনেক সময়ত কর্ম্ম অকর্ম্ম ভেদ বুজিব নোৱাবিব বিষ্যুত হৈ পবে। সেই দেখিয়ে গীতাত ভগৱান শ্রীকৃষ্ণই নিজ মুখে কৈ গৈছে—

"কিং কর্ম্ম কিমকর্ম্মেতি কবয়োপ্যত্র মোহিতাঃ"

কর্ম্ম আৰু অকর্ম্মব মীমাংসা টান হলেও অসম্ভব নহয়। পণ্ডিত সকলে কর্ম্ম আৰু অকর্ম্মব মীমাংসাব এটা সুন্দব উপায় আবিষ্কাব কবিছে। এই উপায় হৈছে "হিতবাদ"। অধিকতব লোকব অধিকতম হিত বা সুখ যি কর্ম্মব দ্বাবা সাধিত হয় সেয়ে শ্রেষ্ঠ কর্ম্ম। কর্ম্মব শক্তি থকাত আৰু কর্ম্ম সম্পাদনব সম্ভাব্যমান অৱস্থাতো অধিকতব লোকব অধিকতম সুখব নিমিত্তে কর্ম্ম নকবি অল্পতম লোকব অল্পতম সুখব নিমিত্তে কর্ম্ম কবিলেই কর্ম্ম গৈ অকর্ম্মত পবিণত হয়। এটা দৃষ্টান্তব দ্বাবা কথাটো বুজাবব চেষ্টা কবা হওক।

দেশত দুর্ভিক্ষ হৈছে, দেশব মানুহে খাব নাপাই হাহাকাব কবিব লাগিছে, দুর্ভিক্ষাব অবশ্যম্ভাবী ফল মাবিমবকো উপস্থিত হৈছে, চোব ডকাইতব সংখ্যা বাঢ়িছে, মানুহব সুখ শান্তি নোহোৱা হৈছে। এনে অৱস্থাত সেই দেশব কর্ম্মশীল লোকে, যি মানুহে ইচ্ছা কবিলেই দেশ বাসীব কিঞ্চিৎ পবিমাণেও কষ্ট লাঘব কবিব পাবে, সেই মানুহে দেশব অধিকতম লোকব দুর্ভিক্ষ্য নিবাবণ কাম অধিকতম সুখব নিমিত্তে কর্ম্ম নকবি নিজব অল্পতম পুত্র পবিবাব আদিব নিমিত্তে কর্ম্মত প্রবৃত্ত থাকিলেই তেওঁব কর্ম্ম গৈ অকর্ম্মত পবিণত হ'ল। এইৰূপ কর্ম্মব ফল শেষত গৈ সিখ প্রেম বা বিশ্বমৈত্রীত পবিণত হয়।

প্রকৃত কর্ম্মী পুকষব আত্ম-পব বোধ বা স্বদেশ-পবদেশ বোধ নাথাকে। তেওঁলোকে কর্ম্মব আহ্বান অহা মাত্রেই ফলাফলব বিচাব নকবি কর্ম্মত প্রবৃত্ত হয়। কর্ম্মব পথত আত্ম-পব বিচাব নাই, সকলো বিশ্ব ব্রহ্মাণ্ডই ভগবান, আৰু সকলো কর্ম্মই ভগবন্তব। শ্রেষ্ঠ কর্ম্মীব এই পবিত্র ভাব, কর্ম্ম প্রচেষ্টাব লগে লগে বাঢ়ি যাই কর্ম্মীক পূর্ণতব কবি মুক্তিব আনন্দ দান কবে। এই ভাবকে ভগবান বেদব্যাসে ভাগবতত তলত লিখা ৰূপে প্রকাশ কবিছে :—

অথ মাং সর্ব্বভূতেষু ভূতাত্মানকৃতালয়ং।
অর্হয়েদ্দান মানাভ্যাং মৈত্রাভিন্নেন চক্ষুষা॥
মনসৈত তানি ভূতানি প্রনমেদ্বহমান স্বন্।
ঈশবো জীব কলয়া প্রবিষ্টো ভগবন্নিতি॥

ভাগবতব উপবোক্ত ভাবকে লক্ষ্য কবি মহা প্রভু শ্রীশ্রীচৈতন্য দেবে তেওঁব ভক্ত সকলে তেওঁক কর্ত্তব্য বিষয়ে উপদেশ দিবলৈ প্রার্থনা কবাত অতি সংক্ষেপে কৈছিল যে "জীবে দয়া" মনুষ্য জন্মব উৎকৃষ্টতম কর্ত্তব্য। —অকল মানুহবে নহয় বিশ্ব ব্রহ্মাণ্ডব—তৰু-তৃণ, বালি-চাহিব পবা গজ হস্তীলৈ সকলো প্রাণীব হিতব অর্থে সাধ্য অনুসাবি কর্ম্ম কবিলেহে মানুহে মানুহ নামব যোগ্য হব পাবে। এয়ে মানুহব কর্ত্তব্য, এয়ে মানুহব ধর্ম্ম। এয়ে জগতব সকলো শ্রেষ্ঠ ধর্ম্মব সাকৰা উপদেশ। সকলো মহাপুৰুষে এই কথাকে নানা ভাবে মানুহক শিক্ষা দিয়ে।

প্রকৃত কর্ম্মী পুকষে সকলো কর্ম্মতে আৰু সকলো প্রাণীতে ভগবানব স্বৰূপ উপলব্ধি কবি ভগবানব ভক্ত হৈ পবে। কর্ম্মী আৰু ভক্তব কোনো প্রভেদ নাই। ঈশ্বব ভক্ত পুকষব নিচিনা কর্ম্মীবো কেইটিমান বিশেষ গুণ থকাব আৱশ্যক, তেহে তেওঁ সকলো কর্ম্মকে ভালকপে কবিব পাবিব। প্রকৃত কর্ম্মী পুকষে নিজক তৃণতকৈও সক বুলি ভাবিব লাগিব, গছতকৈও সহিষ্ণু হব লাগিব। কতো নিজব মান বিচাবি ফুবিব নালাগিব; কিন্তু আন সকলোবে মান বক্ষা কবিব লাগিব। কিবা প্রকাবে

কৰবাৰ পৰা যশ মান আহি লগ ধৰিব খুজিলেও তাক বৰ্জ্জন কৰিব লাগিব। কিবা প্ৰকাৰে আনৰ যশ মান বা অইন হানি হব পাৰে—এনে কৰ্ম্ম কেতিয়াও কৰিব নালাগে। কৰ্ম্ম কৰি তাৰ বাবে কোনো ফলৰ আশা মনত ৰাখিব নালাগে। কেৱল যাতে কৰ্ম্ম সিদ্ধ হয় তাৰ বাবেহে যত্ন কৰিব লাগে। কৰ্ম্মৰ ফল, 'ফলাফল ফল দাতা বিভুৰ হাতত' অৰ্পণ কৰিব লাগে।

অনেক সময়ত কৰ্ম্ম পথত বিমূঢ় অৱস্থা প্ৰাপ্ত হোৱা যায়। কোনটো কৰ্ম্ম, কোনটো অকৰ্ম্ম বুজি পোৱা কঠিন হৈ পৰে, তেনে অৱস্থাত লোক হিতৰ অৰ্থে কৰ্ম্ম কৰিও অনেক সময়ত লোকৰ অহিত সাধন কৰা হয় মাত্ৰ। এনেবুৰা বিমূঢ় অৱস্থাত উদ্ধাৰৰ একমাত্ৰ উপায় সদ্‌গুৰুৰ আশ্ৰয় লোৱা, গুৰুৰ আদেশ পালন কৰা।

ধৰ্ম্ম, সমাজ, ৰাষ্ট্ৰ প্ৰত্যেকৰ বাবে অনেক সময়ত বেলেগ কৰ্ম্মৰ আৱশ্যক হৈ পৰে। এই বেলেগ বেলেগ কৰ্ম্মৰ বেলেগ বেলেগ ভেদ আৰু প্ৰণালী বুজা সাধাৰণৰ পক্ষে অতি দুৰূহ ব্যাপাৰ। সেই কাৰণেই ধৰ্ম্ম, সমাজ আৰু ৰাষ্ট্ৰৰ অৰ্থে কৰা কামত অনেক দোষ বা ত্ৰুটী থাকিব পাৰে। এনে দোষ ত্ৰুটীৰ পৰা ধৰ্ম্ম, সমাজ, ৰাষ্ট্ৰৰ অপকাৰ নোহোৱাকৈও নাথাকে। সেই দেখি এইবোৰ বিষয়ত কৰ্ম্মত প্ৰবৃত্ত হব লাগিলেই, এইবোৰ বিষয়ত যাৰ জ্ঞান বুদ্ধি পৰিমাৰ্জ্জিত, তেনেজন পুৰুষক গুৰু মানি তেনেজন পুৰুষৰ নেতৃত্বত কাম কৰা নিবাপদ। সেই কাৰণেই সকলো সভ্য জগতৰ লোকে নিজ নিজ নেতাৰ নেতৃত্বত কৰ্ম্ম কৰে। এনেকি সামান্য দশ পাঁচ জন লোকেও লগ লাগি কোনো কৰ্ম্ম কৰিব লাগিলে এজন গুৰু বা নেতাৰ আৱশ্যক হৈ পৰে। নহলে কৰ্ম্মত নানা বিশৃঙ্খলাও উপস্থিত হৈ কৰ্ম্ম গৈ অকৰ্ম্মত পৰিণত হয়।

---

* সত্য-সুন্দৰ

—শ্ৰীযুত সোণাৰাম চৌধুৰী

(তুমি) নিজে সুন্দৰ, সেইহে তোমাৰ
বিশ্ব সুন্দৰ শোভাময়।
(তুমি) উজ্জ্বল কায়া, সেইহে তোমাৰ
নিখিল বিশ্ব প্ৰভাময়।
(তুমি) সুধা সাগৰ, সেইহে তোমাৰ
পূৰ্ণচন্দ্ৰত সুধাধাৰ;
পুষ্পত গন্ধ, নিজৰাত জল,
বৃক্ষৰ ফল মনোহৰ।
(তুমি) সৃষ্টিৰ শক্তি সেইহে তোমাৰ
শৃঙ্খলা তাত কি বিপুল!

যাৰ যি কাজ সাধে নীৰৱে
তোমাৰ কাজত নাই ভুল।
(তুমি) প্ৰেম নিজৰা, সেইহে সৃষ্টিত
প্ৰাণে প্ৰাণে প্ৰেমৰ চউ';
বৃক্ষলতাই প্ৰেম কৰা কয়,
মানৱ প্ৰেমে বৰ্ষে মউ।
মাতৃৰ স্নেহ, পিতৃৰ মৰম,
সতীৰ প্ৰেম কি সুন্দৰ!
তোমাৰ প্ৰেম—ৰাজ্যত সদায়,
প্ৰেম-গীতি জয়-জোকাৰ।

* এটি ব্ৰহ্মসঙ্গীতৰ ভাব লৈ লিখা—লিখক

গীতা অনুসৰণত শ্ৰীমন্ত শঙ্কৰ আৰু মহাত্মা গান্ধী

—শ্ৰীযুত চিদানন্দ দাস

মহাত্মা গান্ধী ২০ শতিকাৰ গুজৰাটী, শ্ৰীশঙ্কৰদেৱ পঞ্চদশ শতিকাৰ অসমীয়া আৰু গীতা প্ৰায় ৪।৫ হেজাৰ বছৰৰ আগেয়ে বেদব্যাস বচিত মহাভাৰতৰ এটি গভীৰ তত্ত্ব মাত্ৰ। প্ৰকাণ্ড মহাভাৰত বচনা কৰিবৰ তত্ত্ব অনুসন্ধান কৰিলে, স্পষ্টকপে অনুমান কৰিব পাৰি যে, গীতাৰ গভীৰ তত্ত্ব বৰ্ণনা কৰিবলৈ গৈয়ে ব্যাসদেৱে বহু বছৰ ব্যাপি এই প্ৰকাণ্ড পুথি লিখিব লগীয়াত পৰিছিল। অৱশ্যে অন্য প্ৰকাৰৰ অনুমানো কৰিব পাৰি। গীতা ধৰ্ম্ম পুথি নহয়; মানুহৰ বাস্তৱ জীৱনৰ গভীৰতম নীতিৰ কঠোৰ ব্যাখ্যা মাত্ৰ। যি জন গভীৰ তত্ত্বদৰ্শী ঋষিয়ে গীতা বচনা কৰিছিল, তেওঁ কোনো ধৰ্ম্ম পন্থা অৱলম্বন কৰি গীতা লিখা নাছিল। মানুহৰ বাস্তৱ জীৱনৰ যি অপৰিহাৰ্য্য নীতি অতি কঠোৰ তপস্যাৰে আবিষ্কাৰ কৰিছিল, তাকেই মানুহ হিচাবে ব্যাখ্যা কৰিছে। এই কাৰণেই আজিৰ সভ্য জগতত গীতাৰ স্থান নিৰ্ব্বিবাদে সবাতোকৈ ওখ।

মানুহৰ আত্মা সাগৰ সম গহীন, গম্ভীৰ, সৌম্য, শান্ত আৰু নিষ্ক্ৰিয় হ'ব পাৰে, কিন্তু মানুহৰ জীৱন তেনে নহয়। মানুহৰ জীৱন ভয়াবহ, নিষ্ঠুৰ, নিৰ্ম্মম, যুদ্ধ ক্ষেত্ৰৰ ক্লান্তিহীন নিৰ্ভীক সৈন্য স্বৰূপ। যদিও শ্ৰীকৃষ্ণই অৰ্জ্জুনক নিষ্কাম বা কামনা শূন্য হবলৈ কৈছিল, তথাপি যুদ্ধ ক্ষেত্ৰৰপৰা উভতি যাবলৈ দিয়া নাছিল। দুৰ্য্যোধনে বহু চেষ্টা কৰি মহা কৌশলী শ্ৰীকৃষ্ণৰ সহায় নোপোৱা স্বত্বেও পাণ্ডৱৰ লগত সন্ধি স্থাপন কৰিবলৈ সম্মত নহৈছিল। ভীষ্মই ৰাজ্যলাভ পৰ্য্যন্ত পৰিত্যাগ কৰিলে, কিন্তু কুৰু সৈন্যৰ অধিনায়ক হৈ যুদ্ধ কৰিবলৈ কুণ্ঠিত নহল। সেই দৰে সিন্ধিয়া যুৱোপৰ আমেৰিকাত নতুন ৰাজ্য পাতি, সেই আমেৰিকাৰ লগতে যুদ্ধ কৰিব লগীয়াত পৰিছিল। ১৯১৮ চনত যি জাৰ্ম্মাণ জাতিয়ে জানি শুনিও স্বহস্তে ভাৰ্ছাইল-সন্ধি পত্ৰত চহী কৰিছিল, সেই জাৰ্ম্মাণ জাতিয়ে আজি ১৫ বছৰ পাৰ নৌ হওঁতেই সেই সন্ধি-পত্ৰ অগ্ৰাহ্য কৰি ভীম দৰ্পে তাৰ বিৰুদ্ধে থিয় হৈ উঠিছে। বুদ্ধই অহিংস নীতি অনুসন্ধান কৰিবলৈ গৈ ৰাজ্যৰ লগে লগে নিজৰ স্ত্ৰী-পুত্ৰ পৰ্য্যন্ত এৰিব লগীয়াত পৰিছিল। সেই দৰে যীশুখৃষ্টই প্ৰেমৰ ৰাজ্য স্থাপন কৰিবলৈ গৈ ক্ৰুশত বিদ্ধ হব লগীয়া হৈছিল। অইন কি একে ইংৰাজ জাতিৰ ভিতৰতে গৱৰ্ণমেণ্ট চলাবলৈ গৈ, আজিও ইদলে সিদলৰ লগত সদায় তৰ্ক বিতৰ্ক কৰিব লগীয়াত পৰিছে। আকৌ, আজি যে শ্ৰীশ্ৰীগড়মুৰীয় গোস্বামী প্ৰভুক হিন্দু মহসভাই কাৰ্য্যকৰী সমিতিৰ সভ্যপদত সম্মানৰ আসন দান কৰিছে, তাৰ মূল কাৰণ—তেখেতে নৈতিকৰ যুদ্ধ নীতি গ্ৰহণ কৰিছে। অতএব, যুদ্ধৰ নীতি মানুহ-জীৱনৰ অচ্ছেদ্য সঙ্গী। যি জাতিয়ে জাতীয় আদৰ্শবপৰা এই যুদ্ধ নীতি পৰিত্যাগ কৰিব, সেই জাতিৰ ধ্বংস অনিবাৰ্য্য। এই যুদ্ধ নীতি মানুহে কোন সময়ত কেনেকৈ গ্ৰহণ কৰিব লাগে, তাকেই গীতাই সমগ্ৰ মনুষ্য জাতিক শিকাবলৈ উদগ্ৰীৰ হৈ আছে।

গীতাত ভগবান শ্ৰীকৃষ্ণই কৈছে, "সৰ্ব্ব ধৰ্ম্মং পৰিত্যজ্য মামকং শৰণং ব্ৰজ"—সম্ভৱ এই নিগূঢ় মন্ত্ৰই শ্ৰীশঙ্কৰদেৱৰ মহাপুৰুষীয়া ধৰ্ম্মৰ মূল ভেঁটি। এই ধৰ্ম্মৰ সাৰবস্তু হৰি নামৰ বাহিৰে একোৱেই হব নোৱাৰে। এই কাৰণেই বোধ হয়, মহাপুৰুষীয়া ধৰ্ম্মক নামধৰ্ম্মও বোলা হয়। গীতাৰ সৰ্ব্বশ্ৰেষ্ঠ অধিষ্ঠাতা দেৱতা হৈছে স্বয়ং শ্ৰীকৃষ্ণ—পুৰুষোত্তম্ বা মহাপুৰুষ। শ্ৰীশঙ্কৰৰ ধৰ্ম্মক মহাপুৰুষীয়া ধৰ্ম্ম বোলাৰ মূল অৰ্থ ইয়াৰ বাহিৰে অন্য একোৱেই হ'ব

নোৱাৰে যেন লাগে। গীতাৰ এই মহান তত্ব মানুহ সমাজৰ মাজত প্ৰচাৰ কৰিবলৈ গৈ শ্ৰীশঙ্কৰদেৱে বহু যত্নেৰে নিজে আবিষ্কাৰ কৰি যি অতি সহজ অথচ গহীন, সম্পূৰ্ণ ৰূপে আড়ম্বৰহীন, অথচ মনপ্ৰাণ মুগ্ধ কৰক, গভীৰ আৰু তত্বপূৰ্ণ প্ৰথা অসমীয়াক শিকাই গৈছে, বাস্তৱিকতে সি ভাৰতত অতুলনীয়। এই অভাৱনীয় আৰু অপূৰ্ব্ব কৌশলতেই শ্ৰীশঙ্কৰদেৱৰ ব্ৰহ্মাণ্ড জয়ৰ প্ৰমাণ জগতত প্ৰতিজন মহাপুৰুষে নতশিৰে স্বীকাৰ কৰিবলৈ বাধ্য। এই প্ৰথাৰ ভিতৰে বা বাহিৰে জাতি ভেদৰ বা অস্পৃশ্যতাৰ কোনো মূৰ্ত্তি বা আকাৰ কল্পনাও কৰিব নোৱাৰি। যেতিয়ালৈকে অসমীয়া গুৰুসকলে, অসমীয়া জাত্যাভিমানী সকলে বা অসমীয়া জাতিয়ে বৰ্ণ-গৌৰৱ, মিছা অভিমান গছকি ফেনেকি শ্ৰীশঙ্কৰদেৱৰ এই ব্ৰহ্মাণ্ড জয়ী মহাঘাত আজুৰি হস্তগত কৰিব নোৱাৰিব, তেতিয়ালৈকে অসমীয়াৰ সকলো সাহিত্য উদ্ধাৰ চেষ্টা, আৰ্থিক আৰু ৰাজনৈতিক আন্দোলন বা মহিলা আৰু যুৱক জাগৰণৰ আন্দোলন পদে পদে বিফল গামী হব অৰ্থাৎ অসমীয়া জাতিয়ে তেতিয়ালৈকে মনুষ্যত্বৰ পৱিত্ৰ সিংহাসনত কোনোমতে আৰোহণ কৰিব নোৱাৰিব। ২০লাখ অসমীয়াই যদি শ্ৰীশঙ্কৰ দেৱৰ এই মহাৰত্ব কেনেবাকৈ দুনাই উদ্ধাৰ কৰিব পাৰে, আজি পৃথিবীজয়ী মহাত্মা গান্ধীয়ে প্ৰাণ দিও ভাৰতক যি বস্তু দিব পৰা নাই, অসমীয়া জাতিয়ে তাক অতি সহজে দিব পাৰিব বুলি দুন্দুভি বজাই কব পাৰি। তাৰ সৰ্ব্বশ্ৰেষ্ঠ নিৰ্দ্দুল প্ৰমাণ শ্ৰীশঙ্কৰদেৱৰেই অকলশৰীয়া জীৱন। অন্তৰে স্বীকাৰ কৰিব লাগিব, ভাৰতৰ ৰাজনৈতিক স্বাধীনতাতকৈ এই স্বাধীনতা বহু গুণে দুঃসাধ্য। কাৰণ ৰাজনৈতিক আৰু আৰ্থিক স্বাধীনতাতকৈ মনুষ্যত্ব বহুগুণে শ্ৰেষ্ঠতৰ বস্তু।

সৰ্প দংশনত বৈজ্ঞানিকে হলাহলৰ বেদনা আৰু মৃত্যুৰ ভয়াবহ মূৰ্ত্তিৰ বাহিৰে একোকে নেদেখে কিন্তু তত্ব-দৰ্শী জনে বা মনুষ্যত্বৰ পৱিত্ৰ জ্যোতি নিৰীক্ষণ কৰা জনে সৰ্প দংশনৰ সেই তীব্ৰ বেদনা আৰু ভয়াবহ মৃত্যুৰ সিপাৰে কোনোবা এক অভাৱনীয় সৌন্দৰ্য্যময় ৰাজ্যত মনুষ্য জীৱনৰ আৰু উচ্চতৰ আৰু তেজোময় আৰু সৌন্দৰ্য্যময় জ্যোতি দেখিবলৈ পায়। সেইদৰে গীতাৰ অতি পৱিত্ৰ শিতানত আৰু নিভৃত স্থানত শ্ৰীশঙ্কৰ দেৱে যি মহাশক্তিৰ অনন্ত জ্যোতি স্বচক্ষে দেখা পাইছিল, ব্ৰহ্মাণ্ডব্যাপী তাৰ অনন্ত আৰু অখণ্ড ক্ৰিয়াশক্তিও অনুভৱ কৰিছিল। এই জ্যোতিৰ দৰ্শন যি জনে লাভ কৰিব, তেওঁৰ কোনো প্ৰকাৰৰ ভেদাভেদ জ্ঞান থাকিব নোৱাৰে,—জাতিভেদ 'কোন ছাৰ?'

বলচেভিজিমে কচিঘাত আজি যি কৰ্ম্মস্ৰোতৰ ধাৰ বোৱাইছে, জগতে তাত তত্ত্ব মানিছে। সেইদৰে ইটালী আৰু জাৰ্ম্মাণীত মুচোলিনী-হিটলাৰে গীতাৰ নৈনিকৰ অস্ত্ৰধৰি মানুহৰ জীৱনৰ যি প্ৰকাণ্ড মূৰ্ত্তি ধৰিছে—তাক দেখি গোটেই যুৰোপ তলমূৰ কৰিছে। কিন্তু কচিঘাৰ বলচেভিজিম্, ইটালীৰ ফেচিজিম আৰু জাৰ্ম্মাণীৰ নাজী আন্দোলনক মহাত্মা গান্ধীৰ অহিংস আন্দোলনৰ কাষত থৈ অতি সূক্ষ্ম ভাবে তুলনা কৰিলে,—প্ৰকাণ্ড সূৰ্য্যৰ অনন্ত উত্তাপৰ কাষত কৌটি কৌটি তৰা-নক্ষত্ৰৰ লুপ্ত প্ৰায় জ্যোতিৰ বাহিৰে একোৱেই হব নোৱাৰে যেন লাগে। তাৰ কাৰণ অহিংস নীতিত মনুষ্যত্বৰ যি সৰ্ব্বশ্ৰেষ্ঠ মূৰ্ত্তি বা দাবি জগতৰ মনীষীসকলে ধৰ্ম্মজগতত বা সামাজিক জগতত আঁকি গৈ গৈছে, সেই মূৰ্ত্তিকেই মহাত্মা গান্ধীয়ে আজি ৰাজনৈতিক জগতভাৱ সিংহাসনত বহুৱাবলৈ গৈ চিন্তা জগতৰ গতি পৰ্য্যন্ত বোধ কৰি আজি সভ্যজগতক নিৰ্ব্বাক আৰু নিস্পন্দ কৰি তুলিছে। যদিও জগতে আজি মহাত্মা গান্ধীক কৰ্ম্মবীৰ উপাধিৰে ভূষিত কৰি সন্তোষ লাভ কৰিছে, কিন্তু জাৰ্ম্মাণ, ইটালীয় আৰু কছ জাতিবিলাকে কৌটি কৌটি টকা খৰচ কৰি যি একোটি ডাঙৰ কাৰ্য্য-তালিকা হাতত লৈছে, সেই দৰে মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষক কোনো কঠোৰ কাৰ্য্যভাৰ দিব পৰা নাই। কঠোৰ কাৰ্য্যভাৰ দিব পৰা নাই সঁচা কিন্তু তাতোকৈ গহীন গভীৰ আৰু বিশ্বজয়ী অহিংস যুদ্ধ নীতিৰে ভাৰতক উন্মত্ত আৰু জাগ্ৰত কৰি তুলিছে। মহাত্মা গান্ধীয়ে অহিংস ধ্বনিৰে যুধিষ্ঠিৰৰ সেই অনন্ত বিজয়ী দুন্দুভি বজাই কিহৰ বাৰ্ত্তা

শুনাইছে,—মন্ত্ৰে বুজিবলৈ যত্ন কৰক নকৰক, ৮শঙ্কৰ দেৱৰ ধৰ্ম্মাৱতাৰসকলে বিনা বাক্যব্যয়ে তাত জীৱন পৰ্য্যন্ত সমাপন কৰিবলৈ ধৰ্ম্মতঃ বাধ্য, কাৰণ অহিংসাই শ্ৰীশঙ্কৰ দেৱৰ গীতা-ধৰ্ম্ম অনুসৰণৰ ধ্ৰুব তাৰা আছিল। শ্ৰীশঙ্কৰ দেৱে যি ভেদাভেদহীন নিৰ্ম্মল পন্থা ধৰি হৰিনাম গাই গাই অসমীয়াক গীতাৰ বাজ্যত আগবঢ়াই থৈ গৈছে, সেই পথেই মহাত্মা গান্ধী অলপতে শ্ৰীশঙ্কৰভূমিত উপস্থিত হবছি। শ্ৰীশঙ্কৰৰ পৱিত্ৰ ভূমিৰ অধিবাসীসকলে তেওঁক সসম্মানে আগবঢ়াই ভিতৰলৈ নি অসমৰ সম্মান ৰাখিব লাগিব।

যি গীতাত শৰণ লৈ শ্ৰীশঙ্কৰদেৱে অসমীয়া জাতিক বিশ্বশ্ৰেষ্ঠ আৰ্য্য হিন্দুৰ সৰ্ব্বশ্ৰেষ্ঠ সম্পত্তিৰ অধিকাৰী কৰি গ'ল, সেই গীতাৰ জ্যোতিকেই লক্ষ্য কৰি আজি মহাত্মা গান্ধীয়ে হৰিজন সেৱাৰ কাৰণে যুধিষ্ঠিৰৰ দৰে স্বৰ্গৰ ৰথৰ পৰা ভবি নমাই মনুষ্য সমাজৰ সৰ্ব্বনিম্ন স্থান অস্পৃশ্য সমাজলৈ উভতি আহিছে। কবলৈ গলে মহাত্মা গান্ধীৰ এই অসম ভ্ৰমণ—হৰিজন সেৱা নহয়, স্বয়ং শুকজনৰ নিৰ্ম্মল সম্পত্তিৰ ছন্নাৱেশ অনুসন্ধান মাত্ৰ।



লুইতৰ স্মৃতি

কবিতা— —শ্ৰীযুত যোগেন্দ্ৰ নাথ ৰবদলৈ

লুইতৰ চাপৰি নিকা চকে চকি,
কাচই কনীপাবে দেখি,
সাউদৰ ডিঙ্গৰা পাৰে ভাঙি ঘোৱা
মনত ভয়ে লাগে দেখি,
ভৈয়ামৰ ৰবে নৈ দেখাত ৰবে হয়
বাৰিষাৰ আহিলে ঢল
ফেনে ফোটোকাৰে গুজৰি ঘুমৰি
ৰ'দত কৰে তলে মল,
চাপৰিৰ ঝাঁৰে গছ লিহিৰা লিহিৰি,
কোমল সেউজীয়া বন
ৰঙৰ জিলিঙনি, ডাৰৰৰ সুকন্যা
দেখাত ভালে লাগে মন।
লুইতৰ বুকুৰে টুল্ বুল্ সৰু নাও
বগা চকে ঢকি পাৰ
পশ্চিমৰ পচোৱাই কিনো খেল খেলিছে
কঁপনি উঠিছে ভাল।
গঙ্গাকৈ চিলনী লুইতৰ বাপিৰে
বই বই মাতেনো কাক,
পানীৰে জ্বলিত বঙেৰে খেলিছে
বগাকৈ বগলিৰ জাক।
কঁহৰা বনতে ডাউকে কান্দিছে
আপোনাৰ লগৰী এৰি
সকৰে ঘিণাহাঁহ ধুনীয়া ধুনীয়া
আনন্দত ঘুৰিছে চৰি।
মোৰে লগৰীৰ ভৰিৰে চিনে ঐ
বালিত পৰি পৰি থাকে
নাছৰি সাঁতুৰি খেলা বালি ঘাট
বাৰিষাই কেনিবা ঢাকে।
লগৰীও হেৰালে বালি ঘাট ভাঙিলে
নবলে চিনেচাব তাৰ
তাহানি লৰালৰি স্মৃতি গ'ল কেনিবা
লুইতৰ বুকুতে যাব।
চিক্‌মিক্ জোনাকত তোৰে ৰূপ ৰূপালী
তিৰ্‌বিৰ্ পানীৰে খেলা
আজি দেখিলে মনত বেয়া লাগে
মোৰে এই বিয়লি বেলা।

"কলিতা বজা" প্রবন্ধ সম্বন্ধে দুটি মান কথা

—শ্রীযুত বীরহরি দত্ত বরুরা

৪র্থ বছরর ফাগুন সংখ্যা 'আরাহন'ত শ্রীযুত বজনী কুমার পদ্মপতি মহাশয়ে লিখা 'কলিতা-বজা' নামেরে প্রবন্ধ এটা বাহির হৈছে। এই প্রবন্ধত পদ্মপতি মহাশয়ে কলিতা বজা আরু কলিতা-বাজ্য সম্বন্ধে প্রমান বিলাকহে উল্লেখ করা উচিত আছিল, কিন্তু তেওঁ লগে লগে কলিতা জাতি সম্বন্ধেও আলোচনা করিছে আরু কায়স্থতকৈ কলিতার সামাজিক আসন ওখ বুলিও লিখিছে। কলিতা জাতি সম্বন্ধে তেওঁ ইচ্ছা পূর্ব্বক টানি-আজুরি যি লিখে বা কল্পনা করে করিব পারে তাত আমার আপত্তি নাই। তেওঁ যদি কলিতার বজা আখিকার করিব পারে তেনেহলে ই এটা অসমরে গৌরর বস্তু হব। তেওঁর প্রবন্ধত কায়স্থ আরু কলিতার সামাজিক স্থান সম্বন্ধে আলোচনা করা একেবারেই অপ্রাসঙ্গিক, ই কলিতা-বজা আরু কলিতা বাজার প্রমাণর একো সহায় নকরে। এই সাম্যবাদর দিনত তেওঁ দুটা জাতির ভিতরত মনোমালিন্যর সৃষ্টি করা উচিত নাছিল।

প্রথমতঃ তেওঁ কলিতাক উচ্চস্থান দিব গৈ চাহাব-চুহাবক নজির উল্লেখ করি প্রকারান্তরে কলিতা জাতির অবমাননাহে করা যেন পাওঁ। কারণ চাহাববিলাকে কলিতাক আর্য্য সন্তান বুলি অনুমান হে করিছে; আর্য্যর দ্বারা এই দেশীয় স্ত্রীর গর্ভজাত সন্তান বুলিছে আরু বড়ো (কছারী) জাতির পুরোহিত পাতি প্রকারান্তরে সেই জাতির সমশ্রেণীত হে পেলাইছে। কলিতা গোলামর দাম দুগুণ আছিল আরু নট ব্যরসায়ী কলিতার উল্লেখ করি পদ্মপতি মহাশয়ে কলিতা জাতিব যি গৌরব প্রকাশ করিছে সি কিন্তু কলিতা জাতির পক্ষে অবমাননাহে।

দ্বীতিয়তঃ তেওঁ যে লিখিছে (১) "সামাজিক হিচাপে অসমত কলিতা বামুণর তলতে" (২) "অসমর জাতি মালা মতেও কলিতা কায়স্থতকৈ ওখ"। তেওঁর এই বিলাক উক্তি সম্পূর্ণ অমূলক। ঋষি-মুনিকৃত "জাতিমালা" নামে কোনো শাস্ত্র নাই; পদ্মপতি মহাশয়র নিজা কিবা আছে যদি তাক তেওঁ হে জানে। সামাজিক হিচাপে কায়স্থ বামুণর তলত তাক নকলেও হয়, কিন্তু পদ্মপতি মহাশয়ে যে তার বিপরীত কথা লিখিবলৈ লাজ নাপালে ইহে আচরিত কথা। তেওঁ তেওঁর প্রবন্ধতে লিখিছে যে বঙ্গদেশর কলিতাবিলাকে এতিয়া কায়স্থ বুলি চিনাকি দিয়ে। আমার অসমতো ভদ্রশ্রেণী ভুক্ত হোরা কলিতাবিলাকে তাকেই করে। "Kalitas who lave risen above the necessity of manual labour frequently describe themselves as Kayasthas (Assam District Gazetteers by B. C. Allen, page 84). কলিতা যদি কায়স্থতকৈ ওখ হয় তেনেহলে নিজর জাতির পরিচয় দিবলৈ লাজ করি কায়স্থ বুলি চিনাকি দিয়ে কিয়? কলিতাকুল গৌরব শ্রীযুত গৌরীকান্ত তালুকদার উকীল মহাশয়ে কলিতার ক্ষত্রিয়ত্ব প্রচার করিও ১৩২০ চনর কাতি সংখ্যা 'আসাম বান্ধব'র "অসমত ক্ষত্রিয় জাতি" নামক প্রবন্ধত "অসমত ব্রাহ্মণ সমাজর অব্যবহিত নিম্নস্তরতে কায়স্থ আরু ইয়ার পাছতেই কলিতার স্থান" এই উক্তি স্বীকার করি উদার মনর পরিচয় দিব পারে কিন্তু তেজপুরীয়া পদ্মপতি মহাশয়ে হলে ওভোতা কথা লিখিবলৈ সংকোচ বোধ নকরিলে। অতি সংক্ষেপে কওঁ, পদ্মপতি মহাশয়ে হাণ্টার চাহাবর "Statistical account of Assam" নামর কিতাপত সামাজিক পদ-মর্য্যাদার তাৰতম্য অনুসারে যি লিঙ্ক দিয়া আছে সেই লিষ্টিটো। শ্রীযুত বিষ্ণুনাথ শর্ম্মার "কামরূপর হর খোজা ক্ষত্রিয় জাতি সম্পর্কে যৎকিঞ্চিৎ" নামক পুস্তিকার ২১ আরু ২২ পৃষ্ঠা, ২য় বছরর ১২শ সংখ্যা 'আসাম বান্ধব'ৰ ২২৮ পৃষ্ঠা এবাৰ পঢ়ি চাই তেওঁর ভ্রান্তি বা ঈর্ষা দূর করা উচিত। ইয়াতো যদি তেওঁর ভ্রান্তি দূর নহয় তেনেহলে সামাজিক বন্ধনর কেন্দ্র আরু অধিক সংখ্যক কলিতার বাসস্থান কামরূপলৈ আহি কায়স্থ আরু কলিতার বসতি থকা কেইখন মান গাও ফুরি নিজ চকুরে দেখি আরু নিজ কাণেরে শুনি সামাজিক আসনর সম্যক জ্ঞান লাভ করি যাওকহি। এই ভাবে ওভোতা কথা লিখি দুটা জাতির ভিতরত মনোমালিন্যর সৃষ্টি যেন তেওঁ ভবিষ্যতে আরু নকরে এই অনুরোধ।

যোগ-বিয়োগ

গল্প—

—শ্রীযুত মহীচন্দ্র বরা, বি-এল

বংশী বাপুৰ মনত সুখ নাই

(নাৰীহীন জীৱন)

গাওঁৰ সেই ধিতিঙ্গা দৈয়ল লৰাইতে গায়—

"সুখ নাই সুখ নাই ক'তো ধৰণাৰ ;

অণুমাত্ৰ সুখ নাই বংশী বৰুৱাৰ।"

ধৰুৱাৰ—বিশেষকৈ বংশী বাপুৰ ধৰুৱাৰ সুখ নাই সঁচা, কিন্তু সমাজৰ শিৰোমণি, সুদক্ষ মূল কবি চপোৱা হাজাৰ-বিজাৰ টকাৰ মালিক, নিৰোগী, নৈষ্ঠিক পণ্ডিত বংশী বাপুৰ মনতো যে অণুমাত্ৰ সুখ নাই তাক বিশ্বাস কৰিবলৈ মন অলপ কোঁচ খালেও সত্যৰ খাতিৰত এইটো কবই লাগিব যে—কথাটো সঁচা। অৱশ্যে তাৰ কাৰণ আছিল। প্ৰেমহীনৰ সংসাৰত সুখেই বা কি শান্তিয়েই বা কি? আৰু নাৰী হৈছে প্ৰেমৰ নিজৰা। নাৰীহীন জীৱন লোণহীন ব্যঞ্জনৰ দৰেই কিবা বিস্বাদ!

দৈবী নোহোৱা ঘৰৰ আৰু জোন নোহোৱা আকাশৰ অৱস্থা বোলে একেই—আন্ধাৰ। এবাৰ নহয়, দুবাৰ নহয় তিনিবাৰকৈ বংশী বাপুৱে ঘৰ-সংসাৰ পাতিলে, কিন্তু পতাই হে যাব হ'ল। বাপুৰ পত্নীহা যোগটো এনে প্ৰৱল পৰাক্ৰমী আছিল যে মেতিয়া বিয়াৰ চাৰি-পাঁচ বছৰৰ অগাপিছাকৈ পুত্ৰ মুখদৰ্শন নকৰোৱাকৈয়ে সেই তিনিও গৰাকী তিৰোতাই তেওঁৰেই চৰণ দিয়াই পালোদক পান কৰি তেওঁৰ ঘৰ আৰু মন আন্ধাৰ কৰি এটি এটিকৈ সিপুৰীলৈ গুছি গ'ল, তেতিয়া তেওঁৰ গোটেই অন্তৰ হাহুমুনিয়াহেৰে ভৰি পৰিল। নভৰিবই বা কিয়? যদি এই সংসাৰলৈ আহি সৃষ্টি বৃদ্ধিত সহায় কৰিবৰ—পুন্নাম নৰকৰপৰা উদ্ধাৰ পাবৰ, সামৰ্থ্যকেই তেওঁ লাভ কৰিব নোৱাৰিলে, তেন্তে তেওঁৰ জন্মাধাৰণেই বা সাৰ্থকতা কি?

সংসাৰত এদিন উপজিলে এদিন মৰিবই লাগিব, এই চিৰন্তণ সত্যটো যে শাস্ত্ৰজ্ঞ পণ্ডিত বংশী বিপ্ৰই নাজানিছিল এনে নহয়। কিন্তু তেওঁৰ তিনি গৰাকী পত্নীক মাৰি নিয়াৰ লগে লগে যে কণা বিধাতাই তেওঁৰ বয়সো বঢ়াই থৈ গ'ল, সেই অন্যায় অবিচাৰতহে বাপুৰ হিয়াখন, বেছিকৈ ছাটি ফুটি কৰিবলৈ ধৰিলে। কবিবই! কেইদিনৰ লৰা তেওঁ? সিদিনা মাথোঁ তেওঁৰ জন্ম —ইয়াৰ ভিতৰতে তেওঁৰ বয়স তিনি বছৰ কম আঠে কুৰি হব পায় নে বাক?

কিন্তু অকল বিধাতা পুৰুষেই যে বাপুৰ আয়ু কাল বঢ়াই কলিজাত কামোৰ দিছিল, এনে নহয়। 'এক দেৱ, এক সেৱ, এক বিনে নাই কেও' এই মহাময়ৰ উপাসক পৰম বৈষ্ণৱ বৰুৱাক তেওঁৰপৰা কোনো পূজা-পাটল নাপাই বায়ু দেৱতাই যে তলে তলে তেওঁৰ চুলিবোৰ মৰাপাটৰ দৰে বগা কৰিব—শনি দেৱতাই "পায়োৰীয়া" লগাই তেওঁৰ তালুপৰা দাঁতবোৰ সোলকাই তেওঁৰ গাল-মুখ শোটোৰা কৰাব আৰু বেলি কাঁয়ে তেওঁৰ চকু যুবিবো জ্যোতি কমাব তাক বৰুৱাৰ মহাশত্ৰুবেও ভৱা নাছিল। এই পেট কেকণীয়া চকুচৰাই তেওঁৰেই দেহতাবোৰক এবাৰ ওপৰা পোৱা হলে....সিহঁতক পূজা-পাটল দিয়া হলে কি জানি!

বয়স নো নাবাংচে কাৰ? মনৰ বয়স হে আচল বয়স। ধনৰ লগত মনৰ বোলে সম্বন্ধ আছে। বাপুৰ ধনৰ বল আছিল, গতিকে সাৰবস্তু মনটোও তেওঁৰ আছিল তেজী,—তকণ।

বংশী বাপুৰ স্বপ্ন দৰ্শন

(প্ৰজাপতি আৰু শ্বেতহস্তী)

এবছৰৰ আগৰ কথা। বংশী বাপুৱে শয্যাত ইকাতি সিকাতিকৈ "কা তব কান্তা কস্তে পুত্ৰঃ। সংসাৰোঽয়ম্ অতীব বিচিত্ৰঃ। আৰু "অৰ্থমনৰ্থং ভাৱয়

নিত্যং। নাস্তি ততঃ সুখলেশঃ সত্যম্।৷" আওবাই নিজৰ মনকে প্ৰবোধ দি থাকোঁতেই অতৰ্কিতে তেওঁৰ ৰবণেটটো, কমাৰৰ ভাতীৰ দৰে উশাহ নিশাহৰ লগে লগে 'ফুলিবলৈ' আৰু নাকে বিবিধ ভঙ্গিমাবে তৰ্জ্জন-গৰ্জ্জন কৰি ভৈৰৱ নাদৰ অস্তিত্ব আৰু বিকাশৰ প্ৰমাণ কৰিবলৈ ধৰিলে। হঠাৎ শেহ নিশা কিবা এটা সপোন দেখি বংশী বাপু চক্ খাই উঠি "হৰে মুৰাৰে মধুকৈটভাৰে" গাবলৈ ধৰিলে। তাৰ পিছত মনতে কিবা আউট হৰিষ মনেৰে তেওঁৰ বন্ধুয়া গেৰাইক মাত দিলে—"হেৱ অ' গেৰাই, গেৰাই অ'।"



আখে-বেখে সোহাতখনি মেলি দিলে—(১৩৯ পৃষ্ঠা)

ওচৰতে গেৰাইৰ পঁজা। গেৰাইৰ ঘৈণীয়েকে গেৰাইৰ গাত হাত দি কলে—"শুনা নাইনে, এঘুমটি নৌ শুওঁতেই বাপুৱে কেনেকৈ টেটু ফালিছে?"

"আঃ, ফালক। মৰাৰ নাকৰ ঘোৰোঁৱাণিত টিপ্ মাৰিবৰ সাধ নাই। চিলনিলৈকে টোপনি আহোঁতেই সিফালে চিক্ৰ বিলেই।" বুলি কাষ কাটি গেৰায়ে নিজেও নাক আৰু মুখেৰে টোপনিহোৱাৰ সকলো লক্ষণ প্ৰকাশ কৰিবলৈ ধৰিলে।

কেবাবাৰো আঁচাই পাৰি গেৰাইৰ মাত নাপাই বংশী বাপুৱে গেৰাইৰ ঘৰৰ দুৱাৰ-মুখলৈকে গৈ মাত দিলে—"গেৰাই, অ' গেৰাই।"

তিনিটা মান কেঁকনি মাৰি গেৰায়ে শোৱাপাটীৰ-পৰাই কলে—"এই চুপৰ নিশাখন কি হেকাই হেকাই কৰি থাকে হে দেও? নিজৰ চকুত টোপনি নাই বুলি আনকো নহবনে?"

আৱহীৰ ওপৰত খং কৰি কন্দল বৰোৱা ধাতুৰ লোক বক্তা নহয়। মাতটো অলপ কোমলাই কলে—"তয়ো ভাল দে। এতিয়াও মাজনিশা হৈয়ে আছে নে? সেয়া কুকুৰাৰ ডাক শুনা নাই। উঠ, উঠ বোপাই, উঠ। আজি আমাৰ তিলিকি পথাৰৰ সেই দ মাটি ভোখৰত বাও সিচিবি নহয়?"

"দেও, কালি সেই মুচানি মাটিত হাল বোৱাৰ কাৰণে গোটেই গাটোত আছি বিষ। অৱে দহিব লাগিছে" বুলি গেৰায়ে হুঁ-উ-উহুঁ-উ-উ কৈ কেঁকাবলৈ ধৰিলে।

গেৰাইৰ বিষৰ বজা দৰব কি বাপুৱে জানে। কলে হোঁ হোঁ মৰতা। এতিয়া থিয়ে থিয়ে ইয়াৰে অলপ চোবাই শ্ৰুতিকৰ দেওক মই মাতিছোঁ বুলি তুৰন্তে কণ্ঠে। লগতে হৈয়েই আহিবি, বুজিছ। হাল-কোৰ বাই পিছতো টিকিবা পুৰিবিহি।"

গেৰাইৰ শুকান মুখত হাঁহি বিবিঙিল। এঙাঘুৰি দি দীঘলকৈ চুটামান হামি মাৰি বাপুৱপৰা বস্তুফেৰা লৈ হৰিষ মনেৰে শ্ৰুতিকৰৰ ঘৰৰ ফালে গেৰায়ে খোজ ললে। যাৱৰ সময়ত বাপুৱে দঢ়াই দঢ়াই গেৰাইক কলে—"শ্ৰুতিকৰ দেওক কবি লগতে যেন স্বপ্নচয়িত, জ্যোতিষ পঞ্জিকা আদি লৈ আহিবলৈ নাপাহৰে।"

স্বপ্নফল মাহাত্ম্য কথনং

(চতুৰ্থ বিৰাহৰ সূচনা)

সোনকালে প্ৰাতঃকৃত্য সমাপন কৰি কপালত চন্দনৰ ফোঁট লৈ ডিঙিত কন্ত্ৰাক্ষৰ মালা, টিকনিত এটি জবা ফুল আৰু বামাত্ৰলি কাপোৰখন গলত আঁৰি কুশাসনত বহি

বংশী বাপুৱে "হৰেৰ্নাম হৰেৰ্নাম হৰেৰ্নামৈব কেবলম্" বুলি মুখেৰে চিক্ঁবি আৰু বাহিৰৰ ফালে ঘনে ঘনে চকু মাৰি থাকোঁতেই শ্ৰুতিকৰ দেৱে ঠক্ ঠক্ কৈ লাখুটি কোবাই গেৰাইৰ কাঙত এবোজা পুথি-পাঁজি দি 'নাৰায়ণ নাৰায়ণ' বুলি বংশী বাপুৰ আগত উপস্থিত হল হি। বাপুৱে আখে-বেখে শ্ৰুতিকৰক বহিবলৈ দিলে। কুশল প্ৰশ্নাদিৰ পিছত শ্ৰুতিকৰে দিব-চকু মোৰ নাকত পিন্ধি বংশী বাপুলৈ চাই সুধিলে—"পিছে বকৰা বোপা, আমাক এই প্ৰাতঃকালতে মতাৰ সকাম?"

বকৰাই 'ওঁ হেঃ-ওঁ-হেঃ' কৈ তিনিটা মান গল হেঁকাৰি মাৰি কলে "দেও, মোৰ ময়াপী প্ৰভুৰ পতিত-পাৱনে আকৌ কি মায়া দেখুৱাইছে অল্প মতিয়ে বুজিব পৰা নাই। গ'ল বাতি মোৰ প্ৰভুক সুমধি থাকোতেই টোপনি আহিল। দেখিলোঁ.. ... ।"

শ্ৰুতিকৰে কলে,—"ধৰ, বকৰা বোপা, ধৰ বাত্ৰি তেতিয়া আৰু কেই দণ্ড আছিল?"

"ব্ৰাহ্ম মুহূৰ্ত বুলিয়েই ধৰক।" "ভাল, কওক"। "স্বপ্নত দেখিলো বহৰঙী এটি প্ৰজাপতি কাঁড়পতি অহাদি মোৰ ফালৈ উৰি আহিল। পিছত মোৰ সমুখত আকি মাৰি মাৰি নাচিবলৈ ধৰিলে।" গম্ভীৰ ভাবেৰে শ্ৰুতিকৰে কলে, "স্বপ্নৰ বিষয়-বস্তু অতীব গুৰুতৰ। অতীৰ জটীল। আপোনাৰ ঘৰৰ কোন দিশৰ পৰা প্ৰজাপতি আহি প্ৰৱেশ কৰা যেন আপোনাৰ অনুমান হল?"

"এই কোণৰ পৰা।"

"বুজিছোঁ নৈঋত। কওক।"

"পিছত প্ৰজাপতি আহি মোৰ বুকুত বহিল আৰু তাৰ অলপ সময়ৰ পিছতেই সেই ফালৰ পৰাই এটি হস্তী আহি ঘৰত প্ৰৱেশ কৰিলে।"

"শুক্ল, দেও শুক্ল।" "হস্তীৰ বৰণ?"

"পিছত সেই হস্তী আহি মোৰ ভৰিৰ ওচৰত লাটি পুটি কৰিবলৈ ধৰিলে। শেহত ওড়েৰে আজোৰা মাৰি মোক শয্যাৰ পৰা পেলাই দিলে। সাৰ পালোঁ।"

"সাৰ পাই?"

"মধু কৈটভাৰিৰ নাম জপিলে ধৰিলোঁ।"

"শুভ, বাক্ ধৰ বকৰা বোপা। পুথি পাঁজি মেলি চাওঁ।" এই বুলি শ্ৰুতিকৰ দেৱে একান্ত মনেৰে স্বপ্ন-চয়িত, পুৱাণ, জ্যোতিষাদি চাবলৈ ধৰিলে আৰু চিলঠ পেকিল লৈ সূত্ৰ সমন্বিতে নানাবিধ অঙ্ক পাতিবলৈ ধৰিলে। বকৰাই মুখ আৰু চকু মেলি একেবাৰে শ্ৰুতিকৰৰ মুখলৈ চাই ৰল। শ্ৰুতিকৰৰ মুখৰ বিবিধ ভঙ্গিমাত বকৰাৰ মুখতো নানাবিধৰ বিকাৰে দেখা দিলে।

প্ৰায় এঘণ্টামান পুথি-পাঁজি চাই শ্ৰুতিকৰে কলে, "চাওঁ বোপা, সোহাঁতখন অলপ আগবঢ়াই দিয়াচোন।"

"বংশী বাপুৱে ইষ্টদেৱক সুমৰি আথে বেগে ভক্তি-ভাবেৰে সোহাতখনি আগবঢ়াই দি শ্ৰুতিকৰৰ চকুলৈ একেথিৰে চাই ৰ'ল। হাত এৰি দি শ্ৰুতিকৰ কিছুপৰ মৌন হৈ ৰ'ল। তাৰ পিছত গধীনাই কলে, "ঠিক বোপা।"

"দেও" বুলি বংশী বাপুৱে সেপ ঢুকিলে।

"অৱধান কৰক। স্বপ্ন দৰ্শনৰ তিথি, ক্ষণ, বাৰ আদি সকলো শুভ। আপোনাৰ চতুৰ্থ পত্নী প্ৰজাপতিৰূপে আপোনাৰ বক্ষস্থলত আশ্ৰয় লৈছে।"

"এঁ, কি কলে দেও? চতুৰ্থ গৰাকী?" বকৰা জাপ মাৰি উঠিল।

"বহক বোপা বহক—স্থিৰোভৱ। মোৰ শাস্ত্ৰ-সমস্ত সকলো বিসৰ্জ্জন দিম যদি অনতিপলমে আপোনাৰ পত্নীলাভ নহয়।"

টিকনিত অবা জবা ফুলটো ঘুবাই অলপ আঘাণ কৰি মুখত সন্তোষৰ হাঁহি বিবিঙাই বকৰাই কলে—"মোৰ মন যে সেইবোৱৰ প্ৰতি সম্পূৰ্ণ বিৰাগী প্ৰভু। এতিয়া পতিত পাৱনম.....।"

বকৰাৰ কথাৰ শেহ নৌ হওঁতেই শ্ৰুতিকৰে কলে "তেওঁৰ মায়া বোপা তেওঁৰ মায়া, তেওঁৰ সৃষ্টি বহস্য, লীলামযৰ লীলা বুজিব ক্ষুদ্ৰাধিপি ক্ষুদ্ৰ আমাৰ কি শকতি আছে বোপা? তেওঁৰ ইচ্ছা পূৰ্ণ হওক।" শ্ৰুতিকৰে সেই অজ্ঞাত অজ্ঞেয় পুৰুষৰ প্ৰতি ভক্তিত মুৰ দোৱালে।

'ইচ্ছা পূৰ্ণ হওক' বুলি লগে লগে বংশী বাপুৱেও চকু মুজি মাথা চাপবালে।

"শুনা বোগা অহমিকা নহয়, মই দিব্য দৃষ্টিবে দেখিবলৈ পাইছোঁ। প্রজাপতিব দৰেহে দীপলিগ চতুর্থী পত্নী আপোনাব ঘৰব নৈঋত কোণত পিতৃগৃহত অপেক্ষা কবিছে।—আৰু ঘৰত শুক্লহস্তীৰ প্রবেশ ফল তিমান বেয়া নহয়, নাবায়ণ—নাবায়ণ।" শ্রুতিকবে চকু মুদিলে। "অপিচ, জন সমাগমৰ সূচনা কবিছে শুক্লহস্তীৰ প্রবেশে। কিন্তু ফল ব্যয়বাহুল্য, অর্থনাশ প্রকৃতকে।"

"অর্থনাশ?" বকরা উচাপ খাই উঠিল।

আপোনাব ধনৰ পবিমাণত তাক কিঞ্চিৎ নগণ্যব্য বুলিয়েই কব লাগিব। কিন্তু শুদ্ধবে যে আপোনাক টানি হতীয়ে উচ্চাসনব পবা পেলালে সেইটোহে হৈছে অলপ ভাবিব লগীয়া। অন্তশ্চে সময় সাপেক্ষ।"

বকরাব বুকু কঁপি উঠিল। "তাব ফল কি প্রভু!" বুলি সেপচুকি আগ্রহেবে শ্রুতিকবব মুখলৈ বকরাই চালে।

"ফলম স্বপ্নসংহিতাত আছে—'উদ্বেগং চিন্তচাঞ্চল্যং বন্ধনঞ্চ, মহদ্ভয়ম্।' কিন্তু বোগা চিন্তাব বিশেষ কাবণ নাই। যাগ যজ্ঞাদিবে সেই অনর্থ নির্ম্মূল কবিব পবা হব।"

শ্রুতিকবক বিদায় দি বংশী বাপুত্রে স্বপ্নফলব বিষয়ে মনতে আউটবলৈ ধবিলে। শ্বেত হস্তীব প্রবেশ ফলত অনর্থব সূত্রপাতত বুকুখন মাজে মাজে কঁপি উঠিছিল যদিও পত্নীলাভব আশাত মনটো উৰোঁ উৰোঁ কবিবলৈ ধবিলে। কোন কাহানিবই শুনা সেই আপদীয়া প্রেমব গানটো—'মৌ পিওঁ পিওঁ কবে প্রাণভবি" মুখব পবা নানা চেষ্টাতো আঁতবাব নোৱাবিলে বৰঞ্চ তাব ওনুওননিত তেওঁব চকুব চৌপাশ হবিল।—বিংহ-বিছাব কামোবত তেওঁব সর্ব্বশবীবত পোবণি উঠিল।

শাস্ত্র-তাস্ত্র বোবো 'লাগাচাব' হল

(পশুপতি সম্বাদ)

ছদিন দুবাতি এই ভাবেবে কটাই বংশী বাপুত্রে বিষ্ণু পুবাণ খনি মেলি ললে। কিন্তু পুথিব কলা আখববোব পুন্নাম নবকব ভীম কলেবব সেই যমদূতবোবব আকৃতি লৈ তেওঁব আগত তাণ্ডেৰেণ্ডেই নাচিবলৈ ধবিলে। ভাল নালাগিল। মেলা পুথি মেলাতে থাকিল।...মন গৈ কোনোবা ৰম্যপুবীত ভ্রমিবলৈ ধবিলে। ভাবিলে সপোন দেখা তিনদিনেই হল বুলিব লাগে। ক'ত? এতিয়াও দেখো সি ফলিয়াবব উমহাগৈহে নাই! শ্রুতিকব মানুহ জনতো অগাধ পণ্ডিত। অনতিপলমে স্বপ্নব ফল মোব মিলিব বুলি দঢ়াই ধৰাই তেওঁ নকৈছিল! তেওঁব কথা মিছা হব কিয়? ওহোঁ আজি কালি এই কলিব যুগত শাস্ত্র তাস্ত্রবোবো কিবা 'লাগাচাব' হল যেন পাইছোঁ, কিন্তু

ঘোলাপী বঙৰ পখিলীটিয়েই—(১৪২ পিঃ)

প্রজাপতি...।' চাঁত কবে তেওঁব মনত পবিল—তেওঁবে ধৰকা নিবঞ্জনবৈ আৰু তেওঁব বিয়া দিব লগীয়া বয়স ভাটী ছোৱা এঘাব বছবীয়া ছোৱালী পখিলী বালাইল। তেওঁব শবীব বোমাঞ্চিত হল। হিয়াব তন্ত্রীত কিবা এডাল তাঁব আপোনা আপুনি বাজি উঠিল। তাব তালে তালে তেওঁব প্রাণ-মন-তনু নাচিবলৈ ধবিলে।

এনেতে দেখিলে তেওঁব ওচবচুবীয়া নিবঞ্জনব শালপতি পশুপতি তেওঁব ঘৰব আগব বাটেদি ভোঁ ভোৱাই খোজ লোৱা। বকরাই মাত দিলে "পশুপতি, অ' পশুপতি—বোলো পশুপতি, শুনাচোন। ইমান বেগেবে এই দিয় দুপবখন যোৱা কলৈ?"

"নকব দিয়ক খুবা। শালপতিব পবহিবে পবা যোৱা খোৱা। আৰু যে বেছিদিন তেওঁ বাচিব তাব আশা নাই। বেমাবত তেওঁক আলপৈচান ধৰিবব কোনো নাই। বুলিয়েই ধবক। লবা হল কিবা বিজাতবীয়া। লেখা-পঢ়া শিকি সি শুক্ল গোসাঁই নমনা হল।"

নিবঞ্জনব নবিয়া টান বুলি শুনি বংশী বাপুব মুখখন কেহবাজ বটা যেন হল আৰু নিমিষতে নিবঞ্জনে দিয়া দণীলব পাতটো চকুব আগত উপস্থিত হল। নগদ কোম্পানি মবলগে সাতশ সত্তবি টকা যে এতিয়াও নিবঞ্জনব গাত তেওঁব পাওনা আছে! টকাই বোলে টকা মাতে। নগদ এশ টকাই গো-পোৱালি বঢ়াই এতিয়া সেই সংখ্যাত পবিছেগৈ।.....অন্তবব ভাব গোপন কবি বাপুত্রে কলে—"আয়স, আয়স, মই তেওঁব নবিয়া ইমান টান বুলি শুনাই নাছিলোঁ। পিছে বোগা, ছোৱালীজনীব কববাত কিবা গতি লগাব পাবিছেনে? বঢ়িয়া ছোৱালীটি দেহি।"

"সেই তাইব কাবণে হোৱা চিন্তাইহে বেমাবব প্রকোপ বঢ়াইছে খুবা। তেওঁব মবণৰ আগতে যেনে কেচা পাক কেচা তামোল কাট এই মাহতে তাইক উলিহাই দিবলৈ আমিও পাতিছোঁ।"

বকরাই পেগ চুকি ঘেঁহাই ঘেঁহাই সুধিলে—"কববাত কোনোবা জানো ওলাইছে?"

"নাযেই বুলি ধবক। আগতে অনেকে আহি টুটুবাইছিল। কিন্তু কেদাবমল কেঞাই ধাব মাবি তেওঁব বয়-বস্তু ঘব-বাবী ক্রোক কবাত এতিয়া সকলোবে পিঠি দিছে। শুনিছোঁ ডেবগাওব সেই আক্রোহী বহু বাপুৰ অলপতে তিবোতা মবিছে। তেওঁ বহু আকৌ বিয়া কবিবলৈ কুৰুকাবাং কবিছে। তেওঁকে এবাৰ ধবি চাওঁগৈ বুলিহে মই এই ওনাই আহিছোঁ।"

"কি কথা কোৱা হে পশুপতি! বহু বাপু যে 'ওগোম' গোত্রৰ! তাতে বয়সত আমাতকৈ চবিলেও পাছ নপবে" বুলি বংশী বাপুৰে নিজৰ বৰপেটটো 'ফুলাই' দীঘনকৈ উনাহ লৈ হাতেবে লেখি লেখি তিনটা তিলিকি মাবিলে।

"উপাই নাই খুবা। নিবঞ্জনেই বা কবিব কি, মইয়ে বা কবিম কি? মবতীব বয়সো হৈছে।"

"বয়সনো কাব নহয় হে পশুপতি?—শাও নিদিবা। আহা-হা মাক নাইকিয়া মাউবা ছোৱালীকণ দেহি! এস্ এস্" বুলি বংশী বাপুৱে টিকনিব ওপবত বাওঁহাতটো বুলাবলৈ ধবিলে।

"মোব টকাব কথা নিবঞ্জনে কিবা কৈছিল নে পশুপতি? বেচেবাক অনেক বিপদত তবাই আহিছোঁ।"

"কৈছিল খুবা—তেওঁব শালি তলি সি যিনি মাটি আছে তাকে বেচি আপোনাব ধাব মাবিবলৈ মোক কৈছে। কিন্তু খুবা চাব অলপ এবা ধবা কবিব লাগিব।"

"এবা ধবাটো কবিবেই থাকো" বুলি বংশী বাপুত্রে মুখ আনোলাই পেলালে। তাব পিছত পশুপতিব ফালে চাই কলে—"পিছে বোগা তোমাব খিনিও এই বিছব আগতে নিদিলে নহঁছে। জানাই মোব লেঠা কিমান।"

"দিন বব বেয়া খুবা। বাক আহক সেই গছব ছালৈকে।" তলত দুয়োবো গোপন পবামর্শ চলিল। দুয়োবো মুখত তৃপ্তিৰ ভাব ফুটি উঠিল। যাবব সময়ত বকরাই পশুপতিক কলে—"পশুপতি বোগা, নিবঞ্জনক কবা" পাবিলে মবো এই গধূলি সন্ধ্যা-আহ্নিকব পিছত পাকমাবি তেওঁক দেখা কবি আহিমগৈ। তেওঁ যেন চিকিৎসাব হেলা নকবে। তেওঁব নাই কিন্তু এই অফিঞ্চনব আছে। চিন্তা কবিব নালাগে। গাব মাল এই ধন সোণ লোকব উপকাবতেই যদি নালাগিল তেন্তে তাব প্রয়োজনেই বা কি? অসাব বোগা সকলো অসাব। যত দেখ ধন জন সবে বিষ্ণু মায়া।"

কিন্তু সেই মায়া প্রপঞ্চ ভেদ কবি এক জ্যোতির্ম্ময় ধামত পশুপতি তেতিয়া উপস্থিত হৈছিল। হাঁহি হাঁহি কলে—'ছালছিগা আছো খুবা। চিন্তাব কাবণেই নাই। যদি এই ছালছিগাব কথাব ইফাল সিফাল হয় তেন্তে আই বোপায়ে দিয়া মোব এই নাম মই সলাম। পুকুবব কথা হাতীকো দাঁত।"

"জানো। পিছে বোপা দিশ কেইটা? চবখোৱা মনে সেইবোব আক' পাহবি যায়।"

"কিয় দহোটা নহয় ?"

"ঠিক। সিহঁতৰ নাম ?"

"এই আপোনাৰ উত্তৰ, দক্ষিণ, পুৰ পশ্চিম, ঈশান, নৈঋত....."

"ৰবা পশুপতি বোপা ৰবা। নিৰঞ্জনৰ ঘৰ মোৰ ঘৰৰ কোন দিকে ?"

"ঠেঙাত পেলালে খুৱা। বাক ৰব—ভাবি চিন্তি চাওঁ" বুলি পশুপতিয়ে সোঁ হাতৰ বুঢ়া আৰু তৰ্জ্জনী আঙুলিৰে গোৰ্কত তাও দিবলৈ ধৰিলে। অলপপৰৰ পিছত কলে নৈঋত কোণত।"



বীৰ জাতীয় দুঁজাক পক্ষী হথাভ—(১৪৪ পিটি)

"কি কলা ? নৈঋত কোণত ? যোৱা বোপা যোৱা, পলম নকৰিবা। ঈশ্বৰে তোমাৰ কল্যাণ কৰক—কুশল কৰক। কিন্তু নিৰঞ্জনৰ কাণত কথাষাৰ পেলাবলৈ নাপাইবিলা দেই। তোমাৰ ধাৰৰ...বুজিছাই নহয় ?"

"বুজিছোঁ খুৱা, বিতত নহৰ" বুলি পশুপতি হাঁহি হাঁহি প্ৰস্থান কৰিলে।

ঠিক গোলাপী ৰঙৰ পখিলীটিয়েই

(লাভৰ ওৱিলে লোকচান)

সেইদিনা গধূলি পশুপতিৰ পৰা সুসন্ধাদ পাই নকুনকৈ অনা ৰামনামী কাপোৰখনেৰে ৰবলেটটো ঢাকি আৰু দাপোনত লেখি লেখি দহোটিৰাৰ পাৰৰ দৰে ডিঙি বেঁকাকৈ মুখখন ঘুৰাই ঘুৰাই চাই পতিত পাৱনক সুমৰি বংশী বাপু নিৰঞ্জনৰ চোতালত উপস্থিত হলগৈ।

বাহিৰত মানুহৰ সঁহাৰি পাই চাকিটো লৈ পখিলী বাহিৰ ওলাই বাপুক আগতে দেখি চুচুক-চামাক কৰিবলৈ ধৰিলে। লাজত তেওঁৰ মুখখনি ৰঙা পৰিল। পশুপতিয়ে নিৰঞ্জনৰ লগত কথা-বতৰা হোৱা পখিলীয়ে শুনিছিল।

বংশী বাপুয়ে একেবাহে পখিলীলৈ কেবাহিকে চাইহে থাকিল। আক কিমানপৰ বাপুয়ে সেই অন্তৰাত থাকিল হয় কব নোৱাৰোঁ, কিন্তু পখিলীয়ে "আহক, ভিতৰলৈকে সোমাই আহক" বুলি কোৱাতহে বাপুৰ গাত হুঁচ আহিল।

বাপুৰ মনত খেলালে—আগৰ তেওঁৰ তিনিও গৰাকী তিৰোতা কি কুক্ষত, আপচু আছিল। পখিলীৰ ভবিৰ আঙুলিৰ এটিৰো যোগ্য সিহঁত নাছিল। পিছে মৃতকৰ বদনাম ৰটিব নাপায়। যাওক...।

পখিলীক আগেয়েও মাজে সময়ে বংশী বাপুয়ে দেখিছিল। কিন্তু এনে ধুনীয়া দীপলিশ ৰূপে বাপুৰ চকুত কোনো দিনেই চমক লগোৱা নাছিল।..."ঠিক সাক্ষাতে গোলাপী ৰঙৰ পখিলীটিয়েই !...আহা—হা কি কলে ? আহক...।...কি সোৱাদ সুধীয়া মাত !"

পখিলীৰ পাছে পাছে থৰক্-বৰক্‌কৈ গৈ নিৰঞ্জনৰ ওচৰত বকৰা বহিল। নানা তৰহৰ কথা-বতৰা আৰম্ভ হল। কিন্তু সেইবোৰত বকৰাই ভালকৈ মনোযোগ দিব নোৱাৰিলে। আক দিবৰো অৱস্থা তেতিয়া তেওঁৰ নাছিল। তেওঁৰ মন আক চকু পখিলীৰ পাছে পাছে ঘুৰিবলৈ ধৰিলে।

এনেতে দক্ষৰাম ভিতৰ সোমাল। দক্ষৰাম নিৰঞ্জনৰ একমাত্ৰ লৰা। যোৱাবাৰ মেটিক পাছ কৰি থৰচৰ

অভাতত আক পঢ়াৰ প্ৰতি ধাউতি নথকাত ঘৰতে থাকি সময় কটায়। মাজে সময়ে গাৰ্তে-ভূৰ্ত্তে গৈ "ফিমেল ইমান ছিগেঞ্চনৰ" বিষয়ে বক্তৃতাও দিয়ে।

নিৰঞ্জনে পুত্তেকক বকৰাৰ হাতত গতাই দি কলে, "ইয়াৰ ভাল বেয়া সকলো আপোনাৰ ওপৰত।" পখিলীৰ চিন্তাত আমাৰ বকৰা বাপু ইমান তন্ময় হৈ আছিল যে তেওঁ নভবা নিচিন্তাকৈয়ে কৈ পেলালে "মোৰ ভাই মবিল কিন্তু এওঁক পাৰোঁ। কালিলৈকে কলিকতা লৈ পঢ়িবৰ কাৰণে বোপা যাওক। সকলো খৰচ মই বহন কৰিম।" তাৰ পিছত দক্ষৰ ফাললৈ চাই কলে—"বোপা লিখা-পঢ়া জনা লৰা তুমি। তোমাক নো মই কি উপদেশ দিম ? মাৰ্জ্জো মনত ৰাখিবা—ছাত্ৰানাং অধ্যয়নং তপঃ।"

ৰাটত ওলাইহে বকৰাৰ ক্ষতিৰ পৰিমাণৰ বিষয়ে হুঁচ আহিল। দাতাকৰ্ণ হোৱা দেখি নিজকে নিজেই ছিঃ ছাঃ কৰিবলৈ ধৰিলে। ক্ষতিওতো কম নহয়, দক্ষৰামৰ পঢ়াৰ খৰচ যোগাৰ লাগিব কম পক্ষেও মাহে পঞ্চাছ টকাকৈ। নিৰঞ্জনৰ ঋণৰ পৰিমাণ সাতশ সত্তৰ টকাও এবিব লাগিব। পশুপতিৰ সোপা আক বিয়াৰ ব্যয় তো আছেই। তাৰ বাহিৰে এই নিৰঞ্জনেই বা তেওঁৰ টকাবে চিকিৎসা চলাই কিমান দিন আক লেলাই-দেন্দাই জীয়াই থাকে তাবো কোনো নিৰ্দ্দিষ্টতা নাই।

কিন্তু পখিলী ! ছোৱালীৰ লগৰ এজনী ছোৱালী অৱশ্যে। বহু বিশেষ। এই অমূল্য বস্তুক এবাৰ আকোৱালি হিয়াত তুলি লব নোৱাৰিলে তেওঁৰ যে জীৱনেই মিছা। লাভৰে হেপাহ কৰিলে পোনতে এবাৰ লোকচান ভৱিবই লাগিব। লাভৰ ওৰি হল তোমাৰ লোকচান।

আঙুলিৰ মুবত বংশী বাপুয়ে বিয়াৰ দিন গণিবলৈ ধৰিলে।

ভিটামিন ভোজনত দক্ষৰামৰ দক্ষতা

(দন ঘটাইহে জানে)

নিৰঞ্জন শৰ্ম্মাই জীয়েকৰ বিয়াখন চাবলৈহে কোনো মতে কলঢোপ কলঢোপকৈ শুকান শৰীৰৰ হাড়ৰ মাজত জীৱটো ৰখাই আছিল। বিয়াৰ সাদিনৰ মুবতে চকু মুদিলে। তাৰ এমাহৰ মুবতে শান্তি বিয়া পাতি পখিলী বাণাক বংশী বাপুয়ে বুকুত সোমাই ললে।

দক্ষৰামে বন্ধুবাসী কলেজত নাম লগাই এটা মেছত থাকিবলৈ ঠাই ললে।...ছদিনমান কলেজলৈকো গৈছিল। আই সৰম্বতীবেই বোধ কৰো ইচ্ছা নহয় যে দক্ষৰামে কিতাপৰ পাত লুটিয়ায়। কি কাৰণে কব নোৱাৰোঁ কিতাপ দেখিলেই দক্ষৰ মুৰ আচন্নাই কৰিবলৈ ধৰে। বাতি ভালকৈ টোপনি নাহে। ছপাৰীয়া কৰনো মগাৰৰ টোপনিখন আহি এনেকৈ তেওঁক হেঁচা মাৰি ধৰে যে ভাতৰ পাততেই তেওঁৰ চকু জাপ খাই যায়। কিন্তু 'শৰীৰমাদ্য খলু ধৰ্ম্ম সাধনম্' শৰীৰ ভাল নাথাকিলে, স্বাস্থ্য হানি হলে লেখা-পঢ়া কৰি আদ্যন্তত হলেই বা হবকি ? গতিকে বুদ্ধিমান দক্ষৰামে বটলে বটলে অশ্বাম চেনাটোজেন, সালসা ব্যৱহাৰত একান্ত মনেৰে লাগি গল। কিন্তু দুৰ্ভগীয়া দক্ষৰামৰ তাত যে বিশেষ লাভ হল এনে নহয়।

এদিন আবেলি পাঁচ বজাত শুই উঠি চাহৰ কাপত মুখ দিওঁতেই সেই মেছৰেই তেওঁৰ বিশেষ বন্ধালী বন্ধু সেডিকেল কলেজৰ ছাত্ৰ বন্ধবিহাৰী বসু তেওঁৰ কোঠালৈ সোমাই সুধিলে—"আজি মদন থিয়েটৰত নতুন 'টিকি' কলৰবৰ আৰম্ভণ। চাবলৈ নাযায় নে দক্ষৰাম বাবু ?"

দক্ষৰামে এটা চমুনিহাহ কাঢ়ি কলে "ধাৰবতো মন আছিলেই। কিন্তু গাটো বৰ অৱশ লাগিছে। শক্তিৰ যেন অনুপৰমাণুও শৰীৰত নাই।"

"শক্তি শৰীৰত থাকিব কিয় ? পুষ্টিকৰ খাদ্যৰ আপোনাৰ নিতান্ত অভাৱ। এই চাহৰ লগত খাইছেই বা কি ?—চটুকুৰা শুকান কটি আক অকণি মাখন। নাই 'এ' ভিটামিন যুক্ত 'দেলখোস' কেবিনৰ 'হাক্ বয়েল' 'কাৰী' 'কাটলেট,' নাই ভীমনাগৰ সন্দেশ, বাগবাজাৰৰ ৰসগোল্লা, পিলেটৰ 'কেক্' 'বিস্কুট'। ইঞ্জিনত শক্তি সঞ্চাৰ কৰিব পৰা বস্তু নাখাকিলে ইঞ্জিন অচল হৈ পৰে। সেইদৰে শৰীৰত 'এ ভিটামিন' প্ৰবেশ কৰাই তাৰ ক্ৰিয়া কৰাব নোৱাৰিলে হেজাৰ-বিজাৰ ঔষধেও একো ওণ দিব নোৱাৰে।" এই বুলি বন্ধবিহাৰী বসুৱেও এটুকুৰা কটি লৈ চোবাবলৈ ধৰিলে।

ছটাপট্ ছটাপট—কক্ কক্ কক্।

ঝিকিমিকিয়ে দুয়োরো চকু অতর্কিতে সেই ফালে গল। দেখিলে ওচবত থকা ফিবিঙ্গিব ঘবব মুখত দুটা কুকুবাব তয়াময়া খুঁজ।

সেইফালে হাত মেলি বঙ্গবিহাবীয়ে কলে "নীবজাতীয় খুঁজাক পক্ষী সুখাদ্য। মন কবক দক্ষ বাবু ইহঁতব মাংস-পেশীত 'এ ভিটামিন' বোবে কেনেকৈ পিলপিলাইছে। যদি দিনে দিনে আপুনি ইহঁতব এটি এটি বংশধবক উদবত সুমাব পাবে তেন্তে 'এ' ভিটামিনব সহায়ত দুদিনতে আপোনাব চেহেবা ফুলি উঠিব। পবীক্ষা প্রার্থনীয়।"

সিদিনাবে পবা দক্ষবাম শর্মাই বঙ্গবিহাবী বাবুব পবামর্শমতে 'এ ভিটামিন' শবীবত প্রবেশ কবোৱা কার্যত পৰা-শুনাব ফালে পিঠি দি বিশেষ দক্ষতাবে লাগি গল।

প্রথম প্রণয়ব মোহ আঁতবিবলৈ বংশী বাপুৰ বেছি দিন লাগিল। পবিনীক বিয়া কবাত তেওঁব যি পুবাব নোৱাবা আর্থিক ক্ষতি হল তাব চিন্তাতেই তেওঁব বব পেটটোৰ আয়তন আদ ইঞ্চি কমিল। পবিনীব কপ! আগব তিনি গবাকীত কৈ নো পবিনীব বিশেষত্ব আছে কি? তাতে মাহে মাহে দক্ষবামলৈ তেজক পানী কবি ঘটা ধন কুবিয়ে কুবিয়ে পঠাব লগাত দুমাহ মানব পিছব পবাই তেওঁব মনটো বব তিতা হৈ পবিল। ধন ঘটাইছে জানে।

ভিটামিনব সহায় গাব তেজ বঢ়াব লগে লগে মনব তেজো দক্ষব বাঢ়িল। লগে লগে নিদ্রাবসত তেওঁব গোটেই কলেৱব জুলুবি জুপুবি হল। এদিন হঠাতে বংশী বাপুৰ পবা টানি লিখা এখনি চিঠি পাই আই সবস্বতীক গঙ্গাত বিসর্জন দি কলিকতাব হোটেলৱালা, টকি চিনেমাব মালিক সকলক কম্বুজাই আক বঙ্গবিহাবী বাবুক চৌ ঠেঙীয়া কবি দক্ষবাম 'বেক্ টু ভিণেজ' কবিলে অর্থাৎ গাঁৱলৈ উভতিল।

(১৬৯ পিঠিত চাওক)

নাই

কবিতা— —শ্রীযুতা মনোৰমা দেবী

ফুল আছে নাই তাত আগব সৌবভ
পখী আছে নাই তাব গান
বীণা আছে নাই তাব সুৰদি ঝঙ্কাব
দেহ আছে, নাই তাব প্রাণ।
নদীব সোতত নাই আগব সি সুব,—
—কুলু কুলু বিষাদব গান।
পাগলী নদীব সেই ব্যাকুলতা দেখি
হৃদযত নাচি মুঠে প্রাণ।
আকাশ বুকুত আহি জোনে দেখা দিয়ে
তাতো মাই আগব সি হাঁহি
বিষাদ-বাগিণী এটি ক'ৰবাত পবা
বতাহত আহে ভাহি ভাহি।
ব্যথা-ভবা দুখুনিয়া আছে বুকু-ভবি
ভাব আছে নাই তাব ভাষা
অন্তবত নাই আক আনন্দ উৎসাহ
মুখবো অকণো নাই আশা।
ফুলব মালাটি মোব গইছে লেবেলি
জীৱনত আজি একো নাই
অভিশপ্ত জীৱনব শেষ দিনাটৈ
আগ্রহেবে আছো বাট চাই।

বিজুলী

—শ্রীযুত শৰৎচন্দ্র কাকতী বি-এছ-ছি

ক'লা ডাৱৰব বুকুফালি ফস্তেকৈ চিক-মিকাই মাৰ যোৱা বিজুলী নহয়। আমি ইয়াত যি বিজুলীৰ কথা কবলৈ ওলাইছোঁ তাব গাত সেই চাঞ্চল্য নাই, মানুহব মনত ভীতিব সঞ্চাব কবা গুৰু-গম্ভীৰ বজ্রকণ্ঠও তাব নাই। সি ভিতবে বাহিবে পদে পদে আমাব শতেক আলহীচোন ধবা আজ্ঞাবাহী ভৃত্য—বৈদ্যুতিক শক্তি বা Electricity.



বিদ্যুৎ প্রবাহব আলোক চিত্র

বিজ্ঞানব ইতিহাসত বহুত আচবিত আচবিত আবিষ্কাব হৈছে, কিন্তু সেই এটাইবোৰব ভিতবত বৈদ্যুতিক শক্তিব আবিষ্কাবেই এটাইতকৈ ডাঙব। এই বৈদ্যুতিক শক্তি আজি মানুহব হাতত এটাইতকৈ ডাঙব অস্ত্র। এই বহুমুখ শক্তি আবিষ্কাব কবাব লগে লগে মানুহ অসীম শক্তিব অধিকাবী হৈছে। বিজ্ঞানব বলত মানুহে বহুত কথাই আবিষ্কাব কবিছে—বনব পশুক বশ কবি নিজব কামত লগাইছে আক প্রকৃতিয়ে পৃথিবীব এদ্ধাব বুকুত লুকাই থোৱা কয়লা উলিয়াই তাব পবা বাষ্পশক্তি তৈয়াব কবিছে। সেই বাষ্পশক্তিব আবিষ্কাবব ফলতেই এদিন Industrial Revolution অব সূত্রপাত হৈছিল। কিন্তু যি আবিষ্কাব এই সকলো বোৰবতকৈ বহুত বেছি মূল্যবান আক যি মানুহব সকলো কাজকর্ম্ম আক জীৱনযাত্রাব লগত মিলি গৈছে, সেয়ে হৈছে বৈদ্যুতিক শক্তি। বৈদ্যুতিক শক্তিব বহল প্রচাবে আজি পৃথিবীব ইতিহাসত Second Industrial Revolution অব সৃষ্টি কবিছে। বৈদ্যুতিক শক্তি আজি মানুহব ঘবত চাকি, বাহিবত তেওঁব চলাচলব যান, কর্ম্মশালাত তেওঁব প্রধান শক্তি, ব্যাধিত ঔষধ, মৃদুত অস্ত্র, আক তেওঁব জ্ঞান-সাধনাত বিশ্বব বহুত আবিষ্কাবব এটাইতকৈ উজ্জ্বল পোহব। সন্ধিয়া 'চুইচ' টিপিলেই আমাব এন্ধাব ঘব পোহব হৈ উঠে; সেইদবে যিসকল মনীষীয়ে এই বহস্যময় শক্তিব আবিষ্কাব কবিলে তেওঁ লোকেও পৃথিবীব মধ্যযুগব এন্ধাবব মাজত জ্ঞানব এক উজ্জ্বল প্রদীপ জ্বলাই তুলিছিল। তাব পোহবত বিজ্ঞানব নবযুগব সূচনা হয়।

বৈদ্যুতিক শক্তিব আবিষ্কাব যদিও আমি পৃথিবীব ইতিহাসত এটা আধুনিক কথা বুলি ভাবোঁ, মানুহে প্রথম বৈদ্যুতিক শক্তিব বিষয় চিন্তা আক পবীক্ষা কবা দুহেজাব বছবৰো ওপব হ'ল। খ্রীষ্টজন্মব তিনিশ বছবব আগেয়ে গ্রীক পণ্ডিত থেলছে লক্ষ্য কবিছিল যে ক্ষটিক (amber) পশমেবে ঘহিলে সি কাগজব টুকুবা আদি পাতল বস্তু দুবব পবা টানি আনে। এই ঘটনাব কাবণ আক ইয়াব লগত যে আকাশব বিজুলীব কিবা সম্বন্ধ থাকিব পাবে তাক বহু শতাব্দীলৈকে মানুহে

নাজানিছিল যদিও পিছত ইয়াৰ পৰাই বৈদ্যুতিক শক্তিৰ Electricity নামাকৰণ হয়—কাৰণ গ্ৰীক ভাষাত ফটিকক Elektron বোলে।

নিউটনে এডাল কাঁচৰ মাৰি ঘঁহি তাৰ দ্বাৰা সুচুৱাকৈকে পাতল কাগজ আঁতৰাই লৰাহোৱালীক ৰং দেখুৱাইছে।

ইটালীত বেত্তিয়া গেলিলিয়ই সৌৰজগত সম্পৰ্কে তেওঁৰ মত প্ৰচাৰ কৰিছিল সেই সময়ত ইংলণ্ডত এজন বৈজ্ঞানিকে চুম্বক শক্তি সম্বন্ধে গবেষণা কৰিছিল। তেওঁ হৈছে ডাক্তৰ গিলবাৰ্ট। ইংলণ্ডৰ ইছেক্স প্ৰদেশৰ কলচেষ্টাৰ বোলা ঠাইত তেওঁৰ জন্ম হয়। তেওঁ সম্ৰাজ্ঞী এলিজাবেথৰ ডাক্তৰ আৰু 'ৰয়েল কলেজ অব্ ফিজিচিয়ান্স' অৰ সভাপতি আছিল। ১৭০০ খ্ৰীষ্টাব্দত তেওঁ তেওঁৰ যুগান্তকাৰী কিতাপ On the Magnet, Magnetic bodies and On the great magnet our earth প্ৰকাশ কৰে। তাত দেখুৱায় যে ফটিকৰ বাহিৰেও বহুত বস্তু যেনে—গন্ধক, কাঁচ আদি ঘহিলে সিহঁতে পাতল বস্তু আকৰ্ষণ কৰে। গ্ৰীক Elektron অত পোনতে এই গুণ লক্ষ্য কৰা বুলি তেওঁ এনেকৈ আকৰ্ষণ কৰা



কাঁচ বা পৰম ঘঁহি কোনো পাতল বস্তুৰ ওচৰলৈ আনিলে সেই বস্তুটো কিবৰে টানে তাকেই দেখুৱা হৈছে।

বস্তুবোৰৰ নাম Eletrics দিয়ে আৰু সেই আকৰ্ষণী শক্তিৰ নাম দিয়ে Eletricity।

ডাঃ গিল বাৰ্ট

তাৰ পিছত ইংলণ্ডত Gracy আৰু ফ্ৰান্সত ডফে নামৰ দুজন বৈজ্ঞানিকে বৰ্ত্তমান বিদ্যুৎ তত্ত্বৰ ভেটি প্ৰতিষ্ঠা কৰে।

তেওঁলোক দুহো পৰীক্ষা কৰি দেখুৱালে যে বিদ্যুৎ আচলতে দুই ৰকমৰ, যাক আজিকালি বৈজ্ঞানিক পৰিভাষাত positive আৰু negative বোলে। এটি positive বিদ্যুত সম্পন্ন



বিজুলী উৎপাদন কৰা এটি পুৰণি যন্ত্ৰ

বস্তুৰে এটা negative বিদ্যুত বাহী বস্তুক আকৰ্ষণ কৰে, কিন্তু আন এটা positive বিদ্যুত সম্পন্ন বস্তুক আঁতৰাবলৈহে চেষ্টা কৰে। এই আকৰ্ষণ আৰু বিকৰ্ষণৰ নিয়মটো পোনতে দুফে আবিষ্কাৰ কৰে।

তাৰ পিছত ষ্টিফেন নামৰ ইংৰাজ বৈজ্ঞানিক এজনে দেখুৱালে যে কাঁচ, গন্ধক, ৰবৰ আদি কিছুমান বস্তুৰ ভিতৰেদি বিদ্যুত চলাচল কৰিব নোৱাৰে। এনেকুৱা বস্তুবোৰক অপবিচালক (non-conductor) বোলা হয়। ধাতু, জীয়ৰদেহ আদিৰ ভিতৰেদি বিদ্যুত অবাধে চলাচল কৰিব পাৰে, সেই দেখি এইবিলাকৰ নাম হ'ল পৰিচালক (conductor)। এই আবিষ্কাৰৰ পিছত আৰু এটা কথা প্ৰমাণিত হৈ'গল যে আচলতে সকলো বস্তু ঘহিলেই বিদ্যুত উৎপন্ন হয়, কিন্তু ধাতু পৰিচালক হোৱাৰ কাৰণে ধাতুখণ্ড ঘঁহিলে যি বিদ্যুৎ উৎপাদিত হয় সি সেই ধাতু আৰু আমাৰ শৰীৰৰ মাজেদি মাটিলৈ ওচি যায় আৰু সেই ধাতুখণ্ড পৰীক্ষা কৰিলে আমি তাত বিদ্যুৎ থকাৰ কোনো প্ৰমাণ নাপাওঁ। কিন্তু গন্ধক বা কাঁচ অপবিচালক হোৱাৰ কাৰণে এইবিলাক বস্তু যঁহি বিদ্যুৎ উৎপন্ন কৰিলে সি তাতে থাকি যায়।



মুখেন ব্ৰোকৰ পৰীক্ষাগাৰৰ ঐতিহাসিক মুহূৰ্ত্ত

ষ্টিফেন গ্ৰেৰ পিছত যি সকল বৈজ্ঞানিকে বিদ্যুৎ সম্পৰ্কে গবেষণা কৰিছিল তেওঁলোকৰ প্ৰধান চিন্তা হৈছিল কেনেকৈ বেছি পৰিমাণে বিদ্যুৎ উৎপাদন কৰিব পাৰি আৰু কেনেকৈ তাক ধৰি ৰাখিব পাৰি।

১৭৮৫ খৃষ্টাব্দত হলেণ্ডৰ লিডান চহৰত মুখেন ব্ৰোক নামে বৈজ্ঞানিক এজনে কেনেকৈ বিদ্যুৎ ধৰি ৰাখিব পাৰি সেই সম্পৰ্কে গবেষণা কৰিছিল। এদিন তেওঁ নথকাত কুনিয়ছ নামেৰে তেওঁৰ ছাত্ৰ এজনে বিদ্যুৎ সম্পৰ্কে পৰীক্ষা কৰি আছিল। এটা কাঁচৰ পাত্ৰত পানী ৰাখি পানী খিনি বিদ্যুৎযুক্ত কৰাই আছিল তাৰ উদ্দেশ্য। বিদ্যুৎ যন্ত্ৰ চলাই এডাল ধাতুৰ চেইনৰ ভিতৰেদি পানীলৈ বিদ্যুৎ চলাবলৈ ধৰিলে। তেতিয়া বিদ্যুৎ তৈয়াৰ কৰাৰ কোনো ভাল যন্ত্ৰ নাছিল। গন্ধক পশমেৰে ঘহি অলপ বিদ্যুৎ তৈয়াৰ কৰিছিল আৰু তাৰেই গবেষণাগাৰত কাম কৰিছিল। বিদ্যুতৰ স্বৰূপ মানুহে বেছি নাজানিছিল। সেই কাৰণে যেতিয়া লৰাটোৱে সেই ধাতুৰ শিকলি

ভাল পানীৰ পৰা তুলিবলৈ হাত দিলে হঠাৎ এটা ভীষণ 'শক' (Shock) পাই কুনিয়হে মাটিত পৰি গ'ল। ইমান যিনি বিদ্যুতৰ সংস্পৰ্শলৈ মানুহ আগেয়ে অহা নাই।

বার্লিনত ব্যবহাৰ কৰা প্ৰথম ইলেকট্ৰিক ৰেল

মুখেন ব্ৰোক উভতি আহি এই সংবাদ শুনি আনন্দত নাচি উঠিল। ইমানখিনি বিদ্যুৎ কেনেকৈ গোট খালে? তেওঁ নিজে আকৌ সেই পৰীক্ষা কৰিবলৈ ধৰিলে। কুনিয়হে ক'লে যে ফ্ৰান্সৰ সিংহাসন তাক দিলেও সি আৰু 'চেইন' নধৰে। বিজ্ঞান সাধক মুখেন ব্ৰোকে নিজে 'চেইন' ধৰিলে আৰু নিদাৰুণ 'শক' (shock) পাই মুৰ্চ্ছিত হ'ল। বুঢ়া মানুহ, সহিব নোৱাৰি তিন দিনলৈকে উঠিব নোৱাৰা হৈ আছিল।

কিন্তু মুখেন ব্ৰোকৰ 'শক' (shock) লগাৰ কথা যুৱোপৰ সকলো বৈজ্ঞানিক কেন্দ্ৰতে প্ৰচাৰ হ'ল। বিভিন্ন দেশৰ বৈজ্ঞানিকে নিজৰ গবেষণাগাৰত এই পৰীক্ষা কৰিবলৈ ধৰিলে আৰু অলপ দিনৰ ভিতৰতে বিদ্যুৎ ধৰি ৰখাৰ এবিধ যন্ত্ৰ তৈয়াৰ হ'ল। লীডান চহৰত প্ৰথমে আবিষ্কৃত হোৱা বুলি এই যন্ত্ৰৰ নাম থোৱা হ'ল 'লীডান ঝাৰ' এই 'লীডান ঝাৰ' ৰ পৰা বুজা গ'ল যে যদি তৰল ধাতু পাতৰ মাজত এচটা অপবিচালক পৈ সেই ধাতুপাত বিদ্যুৎ সম্পন্ন কৰা হয় তেনেহলে তাত বিদ্যুৎ-শক্তি ঘণীভূত হয়। লীডান ঝাৰ এনেকুৱা বিদ্যুৎ ঘণীভূত কৰা যন্ত্ৰ (Condenser)।

লীডান ঝাৰৰ সহায়েৰে বিদ্যুৎ ঘন কৰা সম্ভৱ হ'ল। কিন্তু এটা অবিচ্ছিন্ন বিদ্যুৎ প্ৰৱাহৰ সৃষ্টি কৰিব নোৱাৰাকৈকে বিদ্যুত মানুহৰ কোনো কামতে লগাব পৰা নাছিল। বিখ্যাত বৈজ্ঞানিক ভল্টাই প্ৰথমে বিদ্যুৎ প্ৰৱাহৰ সৃষ্টি কৰে। তেওঁৰ উদ্ভাৱিত যন্ত্ৰই বিদ্যুৎ-তত্ত্বত এক যুগান্তৰ আনিলে আৰু তেওঁৰ নামেই সেই যন্ত্ৰৰ নাম Voltaic Cell দিয়া হয়।

যুৱোপত যেতিয়া মাত্ৰ কেইজনমান বৈজ্ঞানিকে যন্ত্ৰৰ সহায়ত ঘৰ্ষণৰ (Friction) পৰা সামান্য বিদ্যুত উৎপাদন কৰি তাৰে পৰীক্ষা কৰিছিল সেই সময়ত এমেৰিকাত বিখ্যাত ৰাজনৈতিক আৰু বৈজ্ঞানিক বেঞ্জামিন ফ্ৰেঙ্কলিনে প্ৰমাণ

বেঞ্জামিন ফ্ৰাঙ্কলিনে বহুগঞ্জনৰ সমষ্টত ছিলা উৰাই আবিষ্কাৰ কৰিছে যে যন্ত্ৰত উৎপাদন কৰা আৰু আকাশৰ বিজুলী একেই বস্তু

কৰিলে যে যন্ত্ৰত উৎপন্ন বিদ্যুৎ আৰু আকাশৰ বিজুলী একে। আগেয়ে আকাশৰ বিজুলীক মানুহে ভুই

বুলি ভাবিছিল। ফ্ৰেঙ্কলিনৰ কিন্তু অইন ধাৰণা আছিল। তেওঁ আকাশৰ বিজুলীক মাটিলৈ আনিবলৈ চেষ্টা কৰিবলৈ ধৰিলে। তেওঁ এটা বৰ ডাঙৰ ছিলা সাজি তাৰ গাত লোহাৰ তাঁৰ লগালে। এদিন মুহূৰ্তা আহোঁতে আকাশ

আলেক্স ভেল্ত্ৰা ভল্টা

যেতিয়া মেঘেৰে ভৰি পৰিল তেওঁ পাতৰ সুতাৰে ছিলাটো উৰাই দিলে আৰু সুতা ডালৰ তল পিনে এটা লোহাৰ চাবি বান্ধি দিলে। অলপ পিছত তেওঁ দেখিলে যে আকাশত যেতিয়া বিজুলিয়ায় তেতিয়া সেই চাবিটোৰ পৰাও বিদ্যুৎ-স্ফুলিঙ্গ ওলায়। শুকান পাত (silk) এনেয়ে অপবিচালক, কিন্তু বৰষুণত তিতি সি পবিচালক হয় আৰু আকাশৰ বিজুলী ছিলাৰ গাত লগোৱা লোহাৰ তাঁৰৰ পৰা সুতা ডালেদি তলৰ চাবিটোলৈ আহে। এনেকৈ সেই চাবিটোৰ পৰা ফ্ৰেঙ্কলিনে এটা 'লীডান ঝাৰত' বিদ্যুৎ ধৰিব পাৰিছিল।

বৈজ্ঞানিক শক্তিক মানুহৰ কামত লগোৱাৰ উপায় উদ্ভাৱনৰ কাৰণে আমি আলেক্সান্দ্ৰো ভল্টাৰ ওচৰত ঋণী। এটা অবিচ্ছিন্ন বিদ্যুৎ প্ৰৱাহ সৃষ্টি কৰাৰ পদ্ধা ভল্টাই প্ৰথমে আবিষ্কাৰ কৰে। ভল্টা পাভিয়া বিশ্ববিদ্যালয়ৰ পদাৰ্থবিজ্ঞানৰ অধ্যাপক আছিল। তেওঁ দেখুৱায় যে দুবিধ বিভিন্ন ধাতু একেলগ লগালে বিদ্যুৎ প্ৰৱাহৰ সৃষ্টি হয়। এই আবিষ্কাৰৰ ফলত ভল্টাই তেওঁৰ বৈদ্যুতিক 'পাইল' (pile) উলিয়ায়। এই 'পাইল'ৰ সহায়েৰে অবিচ্ছিন্ন বিদ্যুৎ প্ৰৱাহ সৃষ্টি কৰা সম্ভৱ হল।

ভল্টাই যি ভেটি থাপিলে তাৰ ওপৰত মাইকেল ফেৰাডেই বৰ্ত্তমান বিদ্যুৎ তত্ত্বৰ বিৰাট প্ৰাসাদ সাজিলে। ভল্টাৰ অ'ৰষ্টেড্ বুলি এজন অধ্যাপকে দেখুৱালে যে বিদ্যুৎবাহী তাঁৰৰ চাৰিও পিনে এটা চুম্বক ক্ষেত্ৰ থাকে। এই আবিষ্কাৰৰ ফলত প্ৰমাণ হ'ল যে বিদ্যুৎ আৰু

ফ্ৰান্সৰ সম্ৰাট নেপোলিয়ানৰ সৈতে ভল্টা। ইংৰাজ সকলৰ ঘৰে ঘৰে ফৰাচী সকলে তাঁৰ আবিষ্কাৰত সহায় কৰা নাই বুলি অভিযোগ আনিছে।

চুম্বক বুলি যি দুটা শক্তি ইমান দিনে পৰস্পৰ সম্বন্ধ বহিত বুলি ভবা হৈছিল সিহঁত আচলতে ঘনিষ্ঠ সম্বন্ধযুক্ত। তাৰ পিছত ফেৰাডে আহি চুম্বকৰ প্ৰভাৱত বিদ্যুৎ উৎপাদনৰ নিয়মবিলাক আবিষ্কাৰ কৰি বিজ্ঞান জগতত যুগান্তৰ আনিলে। ফেৰাডেই দেখুৱালে যে যদি

এটা তাঁৰ coilকোনো চুম্বক ক্ষেত্ৰত পৰিচালনা কৰা হয় তেনেহ'লে সেই coil অত বিদ্যুৎ প্ৰৱাহৰ সৃষ্টি হয়। ফেৰাডেৰ আবিষ্কৃত এই সূত্ৰৰ ফলতেই আজি-কালি বিদ্যুৎ সঞ্চাৰী ডাইনামো সম্ভৱপৰ হয় আৰু সৰহ পৰিমাণে বিদ্যুৎ প্ৰৱাহৰ সৃষ্টি কৰি মানুহে তাক নিজৰ কামত লগাব পৰা হয়।

১৭৯১ খৃষ্টাব্দত ইংলণ্ডৰ নিউ-ইটন বোলা ঠাইত মাইকেল ফেৰাডেৰ জন্ম হয়। তেওঁৰ বাপেক আছিল দুখীয়া কমাৰ। বাপেকে কেইজনমান ভদ্ৰলোকৰ সহায়ত মাইকেলৰ বাল্যশিক্ষাৰ বন্দৰস্ত কৰিছিল। কিন্তু সংসাৰৰ অৱস্থা বৰ বেয়া হোৱাত সামান্য লিখাপঢ়া শিকিয়েই

মাইকেল ফেৰাডে

তেওঁ স্কুল এৰি কামত সোমাবলৈ বাধ্য হয়। ১৩ বছৰ বয়সত শিক্ষা এৰি তেওঁ জৰ্জ্জ বিবোৰ নামেৰে দপ্তৰীৰ দোকানত কাম লয়। জৰ্জ্জ বিবোৰ কিতাপ-পত্ৰৰ ব্যৱসায়ো আছিল। তেওঁ ফেৰাডেক ঘৰে ঘৰে থৱৰ কাগজ দিয়া কামত লগালে।

কিছুদিন এই কাম কৰাৰ পিছত ফেৰাডেই দেখিলে যে এনেকৈ ঘুৰি ঘুৰি কাগজ বেচাতকৈ বিবোৰ দপ্তৰীখানাত কাম ললে বেছি সুবিধা হব। তেতিয়া এনেকৈ ঘুৰি ফুৰিব নালাগে আৰু কামৰ অৱসৰত বহুত কিতাপ পঢ়িবলৈ পাব। এই ভাবি তেওঁ

হাম্‌ফ্ৰী ডেভী—তেওঁৰ প্ৰথম বৈজ্ঞানিক পৰীক্ষা

দপ্তৰীখানাত কাম ললে। আন দপ্তৰীয়ে কিতাপ বান্ধেহে কিন্তু ফেৰাডেই দিনত কিতাপ বান্ধে আৰু ৰাতি সেই বোৰ পঢ়ে।

ফেৰাডে তাত থাকোতেই এজন ভদ্ৰলোকে এখন Encyclopaedia Brittanica বান্ধিবলৈ দিয়ে। তাৰ পাত লুটিয়াওতে তেওঁ Electricity কথাটো পালে। নামটো দেখিয়েই তেওঁ তাৰ প্ৰতি আকৃষ্ট হ'ল আৰু তৎক্ষণাৎ বিদ্যুত সম্পৰ্কে তাত যি লিখা আছিল পঢ়ি পেলালে। তাত পোৱা মতে সাতডোখৰ দিস্তা (Zinc) আৰু সাতোটা আঠপেনী লৈ তাৰ মাজত পানীত তিওৱা ফটাকানি দি তেওঁ Voltaic pile সাজি বিদ্যুৎ সম্বন্ধে পৰীক্ষা কৰিবলৈ লাগিলে। সেইদিনাৰ পৰা তেওঁৰ বিজ্ঞান পিপাসা জাগি উঠিল।

তেতিয়া ইংলণ্ডত স্যাৰ হাম্‌ফ্ৰি ডেভীৰ নাম সকলোৰে

মুখে মুখে। ইংলণ্ডৰ সৰ্ব্বশ্ৰেষ্ঠ বৈজ্ঞানিক। ফেৰাডেৰ বক্তৃতা শুনিবলৈ তেওঁৰ বৰ ইচ্ছা। তেতিয়া ইংলণ্ডত কেৱল Royal Institution অতহে সৰ্ব্ব-সাধাৰণৰ কাৰণে বিজ্ঞানৰ বক্তৃতা দিয়া হয়। কিন্তু টিকট নহ'লে Royal Institution অত ডেভীৰ বক্তৃতা শুনিবলৈ যাব নোৱাৰি। মিঃ জোন্‌স্ বুলি এজন ভদ্ৰলোকে ফেৰাডেক এখন টিকট দিয়ে। জোন্‌সে বোধ আৰু তেওঁৰ লগত কথা পাতি বুজিলে যে যুবক সচাঁকৈয়ে এদিন ইংলণ্ডৰ গৌৰৱ হ'ব। ফেৰাডেক সপ্তাহে ২৫ ছিলিং দৰ্ম্মহাত গবেষণাগাৰত সাহায্যকাৰীৰ কাম দিয়া হ'ল। পিছত নিজৰ অসাধাৰণ প্ৰতিভাৰ গুণত তেওঁ এই বয়েল ইনষ্টিটিশ্যনবেই সভাপতি হৈছিল গৈ।

দুবছৰ পিছত ডেভীৰ লগত য়ুৰোপৰ বিভিন্ন বিজ্ঞানৰ কেন্দ্ৰ সমূহ ঘুৰি আহি ২৯ বছৰ বয়সত তেওঁ চুম্বক তত্ত্ব



কৰে
লভ
থাকি

অনুসন্ধা
গবেষণাগা
চিঠি লিখি

জীৱনৰ অতি তলখাপৰ পৰা তেওঁ নিজ সাধনাৰ বলেৰে এটাইতকৈ ওখ খাপত উঠিছিলগৈ। কিন্তু যশ আৰু গৌৰৱৰ ওখ শিখৰত উঠিও নিউটনৰ দৰে সদায় এজন আদৰ্শ মানুহ আছিল। বহুতে টকাৰ প্ৰলোভন দেখুৱাই তেওঁৰ আবিষ্কাৰ পেটেণ্ট কৰি লব খুজিছিল; কিন্তু তেওঁ সকলো প্ৰলোভন প্ৰত্যাখ্যান কৰিছিল! তেওঁৰ স্বভাৱ ইমান মধুৰ আৰু নিৰীহ আছিল যে বাটত ওলালেই সৰু সৰু লৰাবোৰে তেওঁক বেঢ়ি ধৰিছিল। পাৰ্কলৈ গৈ পৃথিবীৰ সৰ্ব্বশ্ৰেষ্ঠ বৈজ্ঞানিকে অকণ অকণ লৰাবোৰক বিজ্ঞানৰ সাধু কয়গৈ। পৰিপূৰ্ণ শান্তিৰ মাজত তেওঁৰ শেষ জীৱন অতিবাহিত হয়।

বিদ্যুৎ তত্ত্ব উৎকৰ্ষ সাধনে আজি আমাৰ সকলোবে ঘৰলৈ এনে এক বিৰাট শক্তি আনি দিছেহি যাক আগেয়ে কোনো ৰজাৰো পাবলৈ হাবিয়াস কৰিব নোৱাৰিছিল। মাত্ৰ এটা 'চুইচ' টিপিয়েই আমি সেই শক্তিক আমাৰ যেই সেই কামত নিয়োগ কৰিব পাৰোঁ—আমাৰ ঘৰত পোহৰ দিয়াব পাৰোঁ, গৰমত তাৰে বিছনি চলাই শীতল বা' ল'ব পাৰোঁ, জাৱত তাৰ পৰা তাপ উৎপাদন কৰি জুহালৰ জুইৰ কাম কৰাব পাৰোঁ, কাৰখানাৰ কল চলাই তাৰ দ্বাৰাই আমাৰ নানা আৱশ্যকীয় বস্তু কৰাই ল'ব পাৰোঁ; আকৌ মন গ'লে তাক বেডিওত লগাই বিলাতৰ পৰা শুদ্ধ 'ঈষাৰ'ৰ মাজেৰে পোহৰৰ বেগত উটি অহা গানৰ সুৰ শুনিব পাৰোঁ,—অদূৰ ভবিষ্যতত বোধকৰোঁ তাৰ সহায়ত টেলিভিশ্যনত পৃথিবীৰ সিমূৰে হোৱা ঘটনাৱলীৰ সমসাময়িক ছবিও দেখিবলৈ পাম। কিন্তু এশ বছৰৰ আগেয়ে যেতিয়া বয়েল ইন্‌ষ্টিটিউশ্যনৰ সাহায্যকাৰী এজনে এটা সামান্য তাঁৰৰ coil লৈ পৰীক্ষা কৰিছিল তেতিয়া কোনে ভাবিছিল যে এই পৰীক্ষাৰ ফলত গোটেই পৃথিবীৰ এদ্ধাৰ বাতি আলোকিত হৈ উঠিব—কোনে ভাবিছিল সি এদিন মানুহৰ জীৱন ধাৰাৰ আমূল পৰিবৰ্ত্তন কৰিব?

———

দেশৰ গীত

(কবতাল যোগে দেহ ি

শুনিবি ভাই! দেশৰ কথা কৰ
বুকু ভৰা মোৰ—

নিয়তিৰ বিধান

গল্প— —শ্ৰীযুতা লীলা দেৱী

শান্তি আছিল তাইৰ নাম। বাপেক মাকৰ বহুত সাধনাৰ ফলত তাই আহি তেওঁলোকৰ মহ দুখত শান্তিৰ নিজৰা বোৱাইছিল, সেই কাৰণেই তাইৰ নাম বখা হৈছিল শান্তি। নাম আছিল তাইৰ শান্তি সঁচা, কিন্তু হায় তাইৰ জীৱন পিয়লাটিয়ে কেৱল মাখোন অশান্তিৰেই পূৰ্ণ তাক কোনে জানিছিল। নিয়তিৰ নিষ্ঠুৰ বিধানে মনুষ্য জীৱনৰ গতি কেতিয়া কোন পিনে ঢাল খুৱায়, জানে মাথোন একমাত্ৰ অন্তর্য্যামীয়ে। এই বিচিত্ৰময় সংসাৰত কিমান অভাৱনীয় ঘটনা ঘটে তাৰ কিবা অন্ত আছেনে?

শ্ৰীযুত হৰি নাৰায়ণ শৰ্ম্মাৰ মথোন এটি কন্যা সন্তান। তেওঁ যদিও আদহীয়া বয়সৰ মানুহ আছিল, তথাপি আজি-কালিৰ নতুন ভাৱৰ সোঁতত তেও নিজক বিলাই দিব পাৰিছিল। সেই দেখি তেওঁ যদিও জাতত বামুণ আছিল, সমাজৰ কিছুমান নীচ ভাৱৰ নিকপকপীয়া বাক্কোনে তেওঁৰ উন্নতিৰ পথত ভেটা দিব নোৱাৰিছিল। সদায় তেওঁ চলিছিল যুক্তিৰ বাটত—সমাজৰ কিছুমান ভুল ধাৰণা মতে নহয়। কিন্তু তেওঁ জীৱনৰ প্ৰত্যেক খোজতে কৃতকাৰ্য্য হ'ব পৰা নাছিল। সংসাৰত প্ৰত্যেক কামতে কৃতকাৰ্য্য হলে, আদিব পৰা অন্তলৈ কেৱল মাথোন সুখ শান্তিৰ মদিৰা পান কৰিলে, প্ৰকৃত জীৱন বোলা বস্তুটোক উপলব্ধি কৰিব নোৱাৰি। জীৱন বহুময়। ইয়াক বুজিবৰ হলে সুখ-দুখ দুয়োটাকে বৰ ভালকৈ ভোগ কৰিব লাগিব আৰু ভালকৈ বুজিব লাগিব। সেই দেখি জীৱনৰ আঁসৰ-আহকাল, দুখ-কষ্ট আদি আনন্দেৰে সি জনে গ্ৰহণ কৰিব পাৰে তেওঁহে প্ৰকৃত শান্তি পাব পাৰে।

শান্তিৰ বাৰ বছৰ বয়স হওঁতেই বাপেকে তাইক কলি-কতাৰ 'গোখেল মেমৰিয়েল'' স্কুললৈ পঠিয়াবলৈ ঠিক কৰিলে। মাকে কিন্তু প্ৰথমতে একমাত্ৰ ছোৱালী শান্তিক সহজে এৰি দিবলৈ মান্তি হোৱা নাছিল। এপিনে সন্তানলৈ বুকু ভৰা চেনেহ আন পিনে কঠোৰ কৰ্ত্তব্য চিন্তাই মাকৰ মনত এটা ভাঙৰ ধুমুহাৰ সৃষ্টি কৰিলে। কিন্তু পিছত কৰ্ত্তব্য বোধবেই জয় হ'ল।

শান্তিৰ কাৰণে আৱশ্যকীয় নতুন কাপোৰ-কানি অনা হ'ল। আৰু মাকে অনবৰত শান্তিক শিকাবলৈ ধৰিলে বোৰ্ডিঙত কেনেকৈ থাকিব লাগিব, কেনেকৈ চিঠি লিখিব লাগিব ইত্যাদি।

বিদায়ৰ দিন। শান্তিয়ে মাকৰ ভৰিত ধৰি সেৱা কৰিলে। মাকে চুমা খাই আশীৰ্ব্বাদ দিলে, দুই চকুৰে দুধাৰি লোটক বৈ শান্তিৰ দুয়ো গাল উপচি পৰিল। বিদায় ব্যথাতু ছোৱালীৰ মন আকুল অধীৰ হৈ উঠিল—মাকৰ হিয়া উটিল হুম্ চুম্ কৈ কঁপি—কি অনিশ্চিত আশঙ্কাত তাক তেতিয়া তো গম পোৱা নাছিল। তেতিয়া কোনে জানিছিল মাকৰ আৰু ছোৱালীৰ এয়েই হব শেষ দেখা আৰু চিৰ বিদায়।

দুমাহ পাৰ হোৱা নাই। এদিন হঠাৎ টেলীগ্ৰাম আহিল—শান্তিৰ মাকৰ বৰ টান নৰিয়া। খবৰ পোৱা মাত্ৰকতে শান্তিয়ে ছুটি লৈ ঘৰলৈ বওনা হ'ল। কিন্তু তেওঁ মাজ বাটত ধাঁকোতেই মাকে এই সংসাৰৰ পৰা বিদায় ল'লে।

প্ৰভাত আছিল এজন ডাক্তৰৰ ল'ৰা। সেই ডাক্তৰ জনৰ হাততেই শান্তিৰ জন্ম হৈছিল, সেইদেখি তেওঁ শান্তিক নিজৰ জীয়েকৰ নিচিনা মৰম কৰিছিল। প্ৰভাতে শান্তিইতৰ ঘৰত ওচৰতে এখন স্কুলত পঢ়িছিল। মাকৰ শৰাধ আদি নোযোৱাকৈলে শান্তিক প্ৰভাতৰ দেউতাকে তেওঁলোকৰ ঘৰতে ৰাখিছিল। প্ৰভাতে শান্তিকে এক শ্ৰেণীৰ ওপৰত পঢ়িছিল। শৰাধ হৈ যোৱাৰ পিছত দেউতাকে শান্তিক আকৌ বোৰ্ডিঙত থৈ আহিল গৈ। শান্তিয়ে প্ৰায় প্ৰভাতলৈ চিঠি দিয়ে। প্ৰভাতেও সেইদৰে উত্তৰ দিয়ে। সিহঁতৰ চিঠিবোৰ এখন ডায়েৰী হে যেন।

ৰাতিপুৱা তই উঠি মুখ ধোৱাৰ পৰা আৰম্ভ কৰি ৰাতি নোশোৱালৈকে সকলো খৰৰ এজনে আন জনক জনাইছিল। কেনে সহজ আৰু সৰল ভাষৰ বন্ধুত্ব আছিল সিইতৰ। লাহে লাহে শান্তি ডাঙৰ হৈ আহিল—এইবাৰ মেট্ৰিক দিব। পৰীক্ষালৈ মাথোন ছয় মাহ আছে, এনেতে স্কুলৰ হেড্ মিষ্ট্ৰেচলৈ চিঠি আহিল—শান্তিৰ বিয়াৰ দিন ঠিক কৰা হৈছে—সেই কাৰণে শান্তিক অলপতে আনিবলৈ পঠোৱা হব। এই খৰবটো শান্তিয়ে নোশোৱাকে নাখাকিল। শান্তিয়ে মনে মনে ভাবিলে—'কি আচৰিত! মোকতো দেউতাই একো নজনালে বিয়াৰ বিষয়ে। ইয়াত তেন্তে মোৰ একো হাত নাই নেকি? হায়! মোৰ বিয়া, অথচ মই ক'ব নোৱাৰোঁ। নিজৰ বিয়াৰ বিষয়তো আনকি মতামত জনাবলৈকো আজি আমাৰ অধিকাৰ নাই।' অশান্তিৰ জুইত শান্তিৰ হিয়া দহিবলৈ ধৰিলে।—কিন্তু কি কৰিব? তাইৰ মনৰ জ্বলা জুই মনতে ঘুমাব লগীয়া হল। প্ৰতিকাৰৰ অৰ্থে তাই বহুতো চেষ্টা কৰিলে—কিন্তু কাৰোপৰা তাই সহানুভূতি নাপালে। তাইৰ ইচ্ছা আছিল লগৰীয়া ছোৱালীবোৰৰে সৈতে এটা দল গঠন কৰি সমাজৰ এনে ধৰণৰ কু প্ৰথা কিছুমান ৰুখাবৰ কাৰণে প্ৰাণ-পণে চেষ্টা কৰিব, কিন্তু সহায়ৰ অভাৱত তাইৰ চেষ্টা বিফল হ'ল।

বিবেক আৰু সমাজৰ কুসংস্কাৰে তাইৰ মনত যি ধুমুহাৰ সৃষ্টি কৰিলে, তাৰ মাজেদিয়েই তাইৰ বিয়াৰ অভিনয় শেষ হৈ গ'ল। জীৱনৰ ইমান ডাঙৰ অনুষ্ঠান এটিত মাকৰ অনুপস্থিতি তাই আজি বৰকৈ অনুভৱ কৰিলে। যি জনে দেৱীতুল্য মাতৃক অকাণতে ছেকৰায় তেওঁৰ নিচিনা দুৰ্ভগীয়া সংসাৰত কোন আছে? আজি যদি তাইৰ মাক থাকিলহেঁতেন, তেন্তে হয়তো দুখৰ সুখৰ দুটি এটি কথা কৈ দেই-পুৰি নিয়া মনটোত শান্তিৰ বা' ছাটিৰে অলপ শীতল কৰিব পাৰিলেহেঁতেন।—কিন্তু আজি যে তাৰ পৰাও তাই বঞ্চিত।

বিয়াৰ পিছত শান্তি শিবীয়েকৰ ঘৰত। তাই শিবীয়েকৰ প্ৰতি সকলো ৰকম কৰ্ত্তব্য নিয়মমতে কৰি যাব ধৰিছে। কৰ্ত্তব্যপৰায়ণতাৰ কাৰণেই তাই অলপ দিনৰ ভিতৰতে শাহুয়েকৰ বৰ মৰমৰ হৈ উঠিছে। স্বামীৰ প্ৰতি তিবোতাৰ যিখিনি কৰ্ত্তব্য তাই তাৰ অকণো ত্ৰুটী কৰা নাছিল। কিন্তু কেৱল মাথোন নীৰস কৰ্ত্তব্যইতো দাম্পত্য জীৱন শান্তিৰ পোহৰেৰে উদ্ভাসিত কৰিব নোৱাৰে। এই সত্বন্ধ যাউতি যুগীয় কবিৰ পাৰে মাথোন এটি অপাৰ্থিব বস্তুৰ বাঢ়োনেৰে। কিন্তু এঁওলোকৰ জীৱনত আছিল ইয়াৰেই অভাৱ।

শান্তিৰ শিবীয়েকৰ নাম আছিল সুবেণ। বিয়াৰ এবছৰৰ আগেয়ে এম-এ পাছ কৰিলে—কিন্তু ডাঙৰ মানুহৰ লৰা দেখি কোনো কামৰ কাৰণে চেষ্টা নকৰি এবছৰ এনেয়ে ঘৰতে বিশ্ৰাম লৈছিল। সুবেণে শান্তিৰ পৰা সকলো পাইছিল—পোন্ধা নাছিল কেৱল যি এটি বস্তু সি হৈছে ভাল পোন্ধা, সি হৈছে স্বৰ্গীয় প্ৰেম। এদিন সুবেণে শান্তিক সুধিলে "সঁচাকৈ বাক তুমি নিজক মোৰ মাজত বিলাই দিব পাৰিছানে?" শান্তি অলপ পৰ মনে মনে থাকি পিছত হুমুনিয়া এটা কাঢ়ি ক'লে "সঁচা কথা কবলৈ আপুনি কৈছে যেতিয়া তেতিয়া কপটতা দেখুৱা অন্যায় হব। ই অতি দুৰ্ভাগ্যৰ কথা যে মই কিমান চেষ্টা কৰিলোঁ—তথাপি কিন্তু আপোনাক মোৰ সৰ্ব্বস্ব উজাৰ কৰি দিব নোৱাৰিলোঁ। বাহিৰৰ মোৰ যথাসৰ্ব্বস্ব আপোনাক দিছোঁ। দিব পৰা নাই কেৱল মোৰ এই এখানি মানি অন্তৰখনি।" কথাষাৰে সুবেণৰ মনত কিমান দ' এটি দুখৰ ৰেখা আঁকি দিলে তাক শান্তিয়ে বুজিব পাৰিছিল ভালকৈয়ে, কিন্তু উপায় যে নাছিল। কপটতাৰ আভৰণেৰে নিজক ঢাকি ৰাখি অসহ্য যন্ত্ৰণা ভোগ নকৰি আজি তাই সকলো দুখৰ কথা কৈ কিমান সুখ পাইছে! সুবেণে কিন্তু তৎক্ষণাৎ নিজৰ উৰলি অহা শোকৰ ঢৌ বোৰক সামৰি লৈ ক'লে "সুখী হোৱা শান্তি তুমি, চিৰ-দিন মোৰ এই কামনা। তোমাক দুখ দি মই সুখী হবলৈ নিবিচাৰোঁ—। যদি বিয়াৰ আগত মোৰ অজ্ঞাতে তুমি কাৰবাক ভাল পাইছিলা তেওঁক লৈয়েই তুমি সুখী হোৱা। তুমি হয়তো ভাবিব পাৰা পুৰুষ জাতি কি কঠোৰ, কিন্তু যদি সেই দৰে ভাবিছা, তেন্তে তুমি মোক ভুল বুজিছা

শান্তি—। তোমাক মই নিজৰ জীৱনতকৈও বেছি ভাল পাওঁ দেখিছে আজি মুকলি মনেৰে তোমাক এই দৰে কবলৈ পাৰিছোঁ।" শান্তিক আন এজনৰ হাতত সঁপি দিবলৈ সুবেণৰ মনত কম আঘাত লগা নাছিল—কিন্তু শান্তিৰ সুখৰ কথা ভাবি তেওঁ নিজৰ সকলো দুখ পাহৰি গৈছিল।

প্ৰভাত শান্তিইতৰ ঘৰৰ ওচৰতে থাকে। ভৰ দুপৰীয়া যেতিয়া ঘৰৰ আটাইবিলাকে থাই-বই উঠি জিৰণি লয়, শান্তি সেই সময়ত প্ৰভাতৰ ওচৰলৈ যায়। এই দৰে প্ৰায় অহা যোৱা কৰে। প্ৰভাতৰ লগত শান্তিৰ এনে গুপ্ত ভাল পোন্ধাই সুবেণৰ মনত বৰ আঘাত দিছিল; কিন্তু শান্তিৰ প্ৰতি কিবা এটি অহৈতুকী প্ৰীতিয়ে সুবেণৰ বুকুৰ পোৰণি বুকুতে মাৰ নিয়াইছিল। অৱশেষত সকলো বুজনি, সকলো সহনশীলতা সুবেণৰ মনৰ পৰা আঁতৰিল। এদিন তেওঁ ওচৰলৈ মাতি নি শান্তিক ক'লে "চোৱা শান্তি, তুমি মোৰ অন্তৰত যি দাগ বহুহাই দিছা তাক মই আৰু কেতিয়াও মচিব নোৱাৰোঁ। অৱশ্যে মই তাকো সহ্য কৰিছিলোঁ তোমাৰ সুখলৈ চাই। কিন্তু দুদিন পিছত যেতিয়া এই কথা জনাজাত হৈ পৰিব তেতিয়া আৰু সহি থকা মোৰ পক্ষে অসম্ভৱ হব। সেই বাবে আজি মই অন্তৰৰ পৰা অনুৰোধ কৰিছোঁ, সোনকালেই তুমি মোৰ চকুৰ আগৰ পৰা আঁতৰি যোৱা শান্তি—অন্য জুইত আৰু ঘিউ নাঢালিবা।"

কেনেবাকৈ প্ৰভাতৰ কাণতো এই কথাষাৰ পৰিছিল গৈ। তেওঁ শান্তিক মাতি নি ক'লে "মই সকলো জানিছোঁ, সকলো শুনিব পাৰিছোঁ। মহেতো তোমাৰ সৰ্ব্বনাশৰ মূল। কিন্তু সেই বুলি মই বিশ্বাস ঘাতক নহওঁ। বলা কোনোবা ঠাইলৈ যাওঁ। এই বিশাল বিশ্ব ব্ৰহ্মাণ্ডত এই দুটি প্ৰাণীলৈ অকণমানি ঠাইৰ অভাৱ নহব, মঙ্গলময়ৰ বাজ্যত কিবা এটা উপায়েৰে চলিব পৰা যাব।" পিছদিনা শান্তি প্ৰভাতৰ লগত ওলাই গ'ল—কোন অজানা দেশলৈ কোনেও ভু কে নাপালে। সুবেণে শান্তিৰ স্মৃতিৰ জুই কুবা বুকুত লৈ গোটেই জীৱন কটালে। স্বৰ্গীয় প্ৰেমৰ সমান বাৰিষৰ কাৰণে তেওঁ আন ছোৱালী বিয়া নকৰালে।

বহুত দিনৰ পিছত হঠাৎ এদিন বাতৰি কাকতত দেখিলে প্ৰভাত দত্তই সাতোঁৰ প্ৰতিযোগিতাত যোগ দি প্ৰাণ হেৰুৱালে। সুবেণ আচৰিত হ'ল—মনে মনে শান্তিৰ দুখন্তহাৰ কথা ভাবিলে। বহুত ভাব একেলগে জুমুৰি বান্ধি তেওঁৰ মনত খলক লগাবলৈ ধৰিলে। এবাৰ তেওঁ ভাবিলে—যাম নেকি শান্তিৰ ওচৰলৈ? আকৌ ভাবিলে—উপযাচি যাম কেনৈ? তেওঁতো নিজে মোক একো জনোৱা নাই। অভিমানেৰে সুবেণৰ মন ভৰি উঠিল। ইপিনে শান্তিৰ কি দুখৰ মাজেৰে যে দীঘলীয়া দিন বোৰ পাৰ হৈছে। নিজে অকলে হলেও যি কি নহক। লগত পোনা এটি। এনেই খাবলৈ নাই—তাতে আকৌ পোনাটিৰ টান নৰীয়া। ডাক্তৰ মাতিলে। ডাক্তৰে কলে খুব ভাল পথ্য লাগিব। কেৱল মাথোন দৰব খালেই নহব। কথা শুনি শান্তিৰ মুখ কলা পৰি গ'ল। দুবেলা দুমুঠি খাবলৈ নাপায় তাই, আকৌ পথ্য যোগাব ক'ব পৰা? এবাৰ ভাবিলে ঈশ্বৰে ইমান কষ্ট দি তাক জীয়াই ৰখাতকৈ মাৰি নিলেই ভাল হয়। কিন্তু আকৌ ভাবিলে—সি মৰিলে নো কাৰ মুখ খনি চাই—কি আশা লৈ তাই জীৱন কটাব? প্ৰাণৰ প্ৰভাতে তাইক অকাণতে এৰি যৈ যোৱাৰ পিছৰ পৰা প্ৰভাতৰ তেজ মঙহৰে গঢ়া অসহ্য প্ৰতিমূৰ্ত্তি এই পোনাটি লৈয়েই তাই অন্তৰৰ অসহনীয় যন্ত্ৰণা পাহৰি পেলাইছিল। মানুহৰ মন কেতিয়াও অকলে থাকিব নোৱাৰে। ই সদায় এনেকুৱা এটা বস্তু বিচাৰে যাক ই আকোঁৱালি ধৰিব পাৰে। সেই কাৰণে শান্তিয়ে ভাবিলে পোনাটিক কেতিয়াও মৰিবলৈ দিব নোৱাৰি। নিজে তেতিয়া উপাৰ্জ্জন কৰিবলৈ ঠিক কৰিলে। বহুত ঠাইত চাকৰি বিচাৰিলে, কিন্তু পোনাটিক কাৰ হাতত থৈ যাব? অৱশেষত ঠিক কৰিলে তাত বই, কাপোৰ বেচি কেড়ুৱাটিৰ পথ্যৰ যোগাৰ কৰিব। কাপোৰ যোগাই তাইৰ বৰ প্ৰিয় কাম আছিল। তাত কেতিয়াও আমনি নাপাইছিল। আমনি লাগিবই বা কেনৈ? যি উদ্দেশ্যে ইমান পৰিশ্ৰম কৰিছে সি যে অতি উজ্জ্বল—অতি মধুৰ।

দুপৰীয়া তাত বৈ থাকোঁতে কত স্মৃতি তাইৰ মনৰ

চকুৰ আগেৰে ভাঁহি যায়—কিমান মধুৰ সেই স্মৃতিবোৰ! কিন্তু এই পৰিবৰ্ত্তনশীল সংসাৰত কেতিয়াও কোনো বস্তু একেদৰে নাথাকে। মনুষ্য জীৱনৰ গতিবো সময়ৰ লগে লগে পৰিবৰ্ত্তন হয়। শাস্তিৰ এই অলপ দিনৰ জীৱনতে কত পৰিবৰ্ত্তন ঘটিল। জীৱনৰ প্ৰথম অধ্যায় যেন সপোনৰ মাজেৰে পাৰ হৈ গ'ল। আৰু আজি? বাৱনৰ চিতাৰ দৰে জুই একুষা দিনে বাতি তাইৰ হিয়াত অলিয় ধৰিছে।

ইমান বিপদ-বিঘিনি, ক্লেশ-যাতনাকো মানুহে অকাতৰে কিমান দিন সহিব পাৰে? শান্তিৰ সেই আগৰ মনোবল আৰু নাই, ডাঠ হিয়াখনিও দোঁ খাই গৈছে। মাজে মাজে নানা দুৰ্ব্বলতাই আহি মনত ঠাই লয়।

এদিন ভাবিলে—'সুবেণৰ ওচৰলৈ গলে ক্ষমা নকৰিবনে? জীকণে মোক গ্ৰহণ নকৰিলেও তো—বন্ধু হিচাপে গ্ৰহণ কৰিব পাৰিব। এনেকি নিবাশ্ৰয় বুলি আশ্ৰয় এফেৰিতো দিব।'

এদিন আবেলি তাকেই ঠিক কৰিলে—সুবেণৰ কাষ চাপিব। পোনাটিক বুকুত সাৱটি লৈ সুবেণৰ ওচৰলৈ বুলি যাত্ৰা কৰিব।

শান্তি এবা দি যোৱা দিন ধৰি সুবেণবো ভালেখিনি পৰিবৰ্ত্তন দেখা গৈছে। সংসাৰৰ সোৱাদ লবলৈ তেওঁৰ ইচ্ছা আকাঙ্ক্ষা যেন ভালেখিনি আঁতৰি গৈছে। শাৰিক ভাল পাইছিল, কিন্তু ক'তা তাৰ প্ৰতিদান তো তেওঁ নাপালে! সেই বুলি শাৰিক তেওঁ ভাল পাবলৈ এতিয়াও এৰিব পৰা নাছিল।

শান্তিয়ে কেচুৰাটিক বকুত বৈ লৈ খোজ কাঢ়ি কাঢ়ি ভাগৰি পৰিলেও মুলনিত সুবেণক অকলে দেখি মনত বৰ বং পাইছিল। ভাবিছিল—চুখ-যাতনাৰ পৰা হাত সাৰিব পাৰিব। কিন্তু লগতে এটি লাজ আৰু সঙ্কোচৰ ভাবেও ঘনাই মনত লুকা-চুৰুকা কৰিছিল। শান্তিৰ মনত এনে ভাব আছিছিল—'কোন লাজেৰেনা সুবেণৰ আগত থিয় হওঁ, কি বুলিয়ে বা মোৰ দুখৰ কথা তেওঁক জনাওঁ' শেষত লাজ অপমান কাতি কৰি এখোজ দুখোজকৈ সুবেণৰ ওচৰ চাপিলে। শান্তিক এনে হীন বেশ দেখি বুজিবলৈ বাকী নাথাকিল এদিন তেওঁৰ ভাল পোৱাক উপেক্ষা কৰি ওলাই যোৱাৰ এয়ে পৰিণাম! কেচুৰাটিক দেখি খং আৰু বেজাৰত সুবেণে তল মুৰ কৰিলে। পিছত অলপ ধীৰ-গম্ভীৰ ভাবে কলে—"তোমাৰ চেহেৰাৰ এনে পৰিবৰ্ত্তন ঘটিছে কিয় শান্তি! তোমাৰ এনে দীনহীনা বেশ দেখি বৰ বেজাৰ লাগিছে, কোৱা মই তোমাৰ কি সহায়ত আহিব পাৰোঁ।"—

"মোক ক্ষমা কৰক—মোৰ ভুল হৈছিল" বুলি শান্তিয়ে লাহেকৈ উত্তৰ দিলে।

শান্তিৰ এনে এটি পৰিবৰ্ত্তন আহিব এনে কথা সুবেণে কেতিয়াও মনত ঠাই দিয়া নাছিল। কিন্তু হঠাৎ এনে এটি ভাব দেখি অতিকে আচৰিত হ'ল। কিছুপৰ একো নামাতি মনে মনে থাকিল। পিছত লাহেকৈ কলে "শান্তি তোমাক যে মই ভাল পাইছিলোঁ, এতিয়াও সেই ভাল-পোৱা তেনেই আঁতৰি যোৱা নাই—কিন্তু তথাপি তোমাক এনেকৈ দেখিলে একুষা দুমোৱা জুই জলি উঠে। মোক সি পুৰি মাৰে। মই তোমাক কেনেকৈ চপাই লম শান্তি? তোমাৰ এনে অৱস্থা দেখি মোৰ প্ৰাণ কান্দি উঠে" বুলি সুবেণে অলপ থমকি বল। তাৰ পিছত আৰু কবলৈ ধৰিলে "শান্তি বাৰু এটা উপায় আছে, তোমাক মই চপাই লম, কিন্তু এই কেচুৰাটিক তুমি মোৰ চকুৰ আঁতৰ কৰিব লাগিব তাৰ আগতে।"

শান্তিৰ বুকুত যেন কোনোবাই এটি ক্ষিপ্ত আঘাত কৰিলে। খণ্ডত চকু দুটি জুইৰ ফিৰিঙতিৰ দৰে হল। পোনাটিৰ মুখলৈ এবাৰ অতি চেনেহেৰে চাই সুবেণৰ কালে এনে ভাবে দৃষ্টিপাত কৰিলে যে তাতেই সুবেণৰ বুজিবলৈ বাকী নাথাকিল মাতৃত্বৰ কি মহিমা, কি অনিৰ্ব্বচনীয় গৌৰৱ। তাৰ পিছত শান্তিয়ে সুবেণলৈ চাই কলে "পোনাটিক বুকুৰ পৰা আঁতৰাই নিয়াৰ আগতে মোৰ জীৱটি যাব লাগিব—মোৰ জীউকণক এৰি মই সুখ লভিবলৈ অহা নাই। বিপদৰ সকলো ধুমুহাও সহিব পাৰিম—কিন্তু এই পোনাটিক—প্ৰাণৰ পুতলাটিক চকুৰে নেদেখিলে মই কেনেকৈ জীয়ন ধৰিম!" বুলি এটি চুমা খালে, লগে লগে চকুৰে দুধাৰ চকুলো বৈ গৈ কেচুৰাটিৰ গালখনি ভিজাই দিলে। "এৰা মই আগেয়ে জনা উচিত আছিল" বুলি কৈ শান্তিয়ে আকৌ ফিৰি বাটৰ পিনে খোজ ললে। সুবেণৰ একো উত্তৰ নোলাল—শান্তিৰ ফালে চাই ৰল। সাজ লাগি আছিছিল। লাহে লাহে আন্ধাৰে আবৰি আহিলে, শান্তি সেই আন্ধাৰৰ আবালত আঁতৰি পৰিল।

প্ৰাচীন কামৰূপ ৰাজ্য আৰু প্ৰাচীন অসমীয়া সাহিত্য

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—পণ্ডিত শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী, বিদ্যাবিনোদ

পূৰ্ব্বেই কোৱা হৈছে যে ভূঞাসকলেও এই দেশ শাসন কৰিছিল। বংপুৰ জিলাবে কোনো স্থানত ব্ৰহ্মপুত্ৰ নদৰ ওচৰতে কনৌজপুৰ নামক এখন ঠাই আছিল। তাত শিৱোমণি ভূঞাসকলৰ বাসস্থান আছিল। অসমৰ বৈষ্ণৱধৰ্ম্ম প্ৰচাৰক আৰু সুপ্ৰসিদ্ধ কবি শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ স্বৰ্গীয় চণ্ডীবৰ ভূঞা এই কনৌজ-পুৰবেই আছিল।

কোছ বংশীয় সকলেও বহুপূৰ্ব্বৰ পৰা এই দেশত ৰাজত্ব কৰিছিল। তেওঁলোকবো " বহু সক সক ৰাজ্য আছিল। লোকে এই ৰাজ্য সমূহক 'ভূঞাৰ সাহোন' বুলিছিল। শাসন শব্দৰ পৰায়ে সাহোন শব্দ আছিছে। এনেকুৱা কেইখন-মান ভূঞাৰ সাহোন মাৰি কামৰূপৰ পশ্চিম অংশত বিশ্বসিংহই এখন ৰাজ্য স্থাপন কৰে। সেয়েই বৰ্ত্তমান কোচবিহাৰ ৰাজ্য।

কামৰূপৰ পূৰ্ব্বাংশত আহোম-সকল প্ৰৱল হৈ অন্য ৰাজ্য স্থাপন কৰে। এই ৰাজ্যৰ নাম তেওঁলোকৰ নাম অনুসাৰে অসম বা আসাম হৈছে।

আহোমৰাজ স্বৰ্গনাৰায়ণৰ সময়ত অসম ৰাজ্যৰ পশ্চিম সীমা কৰতোয়া নদীয়েই নিৰ্দ্দিষ্ট হৈছিল। এই কথা বংপুৰ সাহিত্য পৰিষদত প্ৰাপ্ত "স্বৰ্গনাৰায়ণ মহাৰাজাৰ জীৱন চৰিত্ৰ" নামক এখন প্ৰাচীন অসমবুৰঞ্জীত লিখা আছে। কামৰূপ অনুসন্ধান সমিতি দ্বাৰা প্ৰকাশিত অন্য এখন অসম বুৰঞ্জীতো উক্ত কথা লিখা আছে।

"আত পাছে ১৪৫৫ সেই সময়ত গড়গওঁৰা ৰাজা বৰ গোঁহাঞি ফুলুখান, কমতেশ্বৰৰ মিত্ৰৰ অৰ্থে একলাখ হাজাৰ ঠাঁইবে—নাৱে তৰে গৈ কামৰূপ বশ কৰি ললে। তাত বাড়ি গৈ কৰতোয়াগঙ্গাত থাওঁ পথালিলে। গোঁহাঞে কৰতোয়া গঙ্গাৰ কোখৰত দৌলবান্ধি পুখুৰী খান্দি আহিলত—বিশ্বসিংহ ৰাজাৰ নামঙনি সনৈন্যে খেদি গ'ল। পাছে ৰাজা সুবৰ্ণ একচক, ৰূপ এক চক, লৈ ৰবিল। সেই সময়ত বৰ গোঁহাঞি প্ৰমুখ্যা সকলোৱে বোলে—গৌড়েশ্বৰে পঞ্চগ্ৰাম কামৰূপে সহিতে যৌতুক দিছে। তুমি জাতো আমাত ৰবিগা, আমিও তোমাক এই ঠাইত বিশ্বসিংহ নাম দি থাপিলোঁ।"

গৌড়েশ্বৰে বজনীকুমাৰী নামে এজনী কন্যা, স্বৰ্গনাৰায়ণ মহাৰাজাক দি নিম্নলিখিত গ্ৰাম বা পৰগণা যৌতুক স্বৰূপে দান কৰি স্বৰ্গনাৰায়ণ মহাৰাজাৰ লগত মিত্ৰতা স্থাপন কৰিছিল।

যৌতুকত দিয়া পৰগণাৰ নাম :—শেৰপুৰ, বাহিৰবন্দ, পাতিলাজহা, আৰু এখাৰ সিন্দুৱা। এখাৰ সিন্দুৱা এতিয়া সিন্দুৰীয়া পৰগণা নামে খ্যাত। শেৰপুৰ বগুবা জিলাত, বাকী সমস্তই বংপুৰত অৱস্থিত। বাহিৰবন্দ এতিয়া কাশীম বজাৰৰ মহাৰাজাৰ জমিদাৰী।

বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণে বিচ্ছিন্ন কামৰূপ ৰাজ্য একত্ৰিত কৰি তেওঁৰ শাসনাধীন কৰে। প্ৰায় প্ৰাচীন কামৰূপ ৰাজ্য এওঁৰ শাসনাধীন আছিল। এওঁৰ সময়ত কামৰূপৰ অনেক উন্নতি সাধিত হৈছে। কামৰূপৰ প্ৰাচীন কীৰ্ত্তিচিহ্ন-সকল, পুনঃসংস্কাৰ কৰি মহাৰাজা নৰ নাৰায়ণে ৰক্ষা কৰে। ৰাজ্যৰ ইষ্ট-পূৰ্ত্তাদি কাজৰ ভাৰ ভায়েক গোঁহাই কমলৰ হাতত নিহিত আছিল। অন্য ভায়েক শুক্লধ্বজ বা চিলাৰায় সেনাপতি আছিল। মহাৰাজ নৰনাৰায়ণে অনেক গ্ৰন্থাদি ৰচনা কৰাই সাহিত্যৰ শ্ৰীবৃদ্ধি

সম্পাদন কৰে। মহাৰাজ নৰনাৰায়ণক কামৰূপৰ বিক্ৰমাদিত্য বুলিব পাৰি।

মহাৰাজ নৰনাৰায়ণৰ জীৱিত কালতেই কামৰূপ ৰাজ্য দুই ভাগত বিভক্ত হয়। তেওঁৰ মৃত্যুৰ পিছত পুত্ৰ কামৰূপৰ ৰজা হ'ল সেনাপতি শুক্ৰধ্বজৰ পুত্ৰ ৰঘুদেব নাৰায়ণ। পশ্চিম কামৰূপৰ ৰজা হ'ল মহাৰাজ নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মীনাৰায়ণ! এওঁলোকৰ মাজত সদ্ভাৱ নাছিল। ফিক এই কাৰণেই কোচৰাজ্যৰ অধঃপতন ঘটে।

কোচবিহাৰৰ ইতিহাসৰপৰা জনা যায় সপ্তদশ শতাব্দীৰ মাজতেই বংপুৰৰ অনেক ঠাইৰ কৰ্ম্মচাৰিসকলে কোছবিহাৰৰ অধীনতা অস্বীকাৰ কৰি নিজে স্বাধীনভাবে মুছলমান সুবাদাৰক কৰ দানৰ প্ৰতিজ্ঞাত আৱদ্ধ হৈ নিজ নিজ নামে সনন্দ গ্ৰহণ কৰে। সেই সময়ৰ পৰা কামৰূপৰ এই অংশ সম্পূৰ্ণৰূপে ৰঙপাৰ লগত মিলি যায়।

কোচ ৰাজবংশী কলিতা, শালৈ প্ৰভৃতি জাতীয় লোক সকলেই কামৰূপৰ সৰ্ব্বপ্ৰাচীন অধিবাসী। এতিয়াও কামৰূপৰ সকলো ঠাইতে (বংপুৰৰ পৰা সদিয়া লৈকে) এই সকল জাতিৰ বাস দেখিবলৈ পোৱা যায়। ৰাজবংশীবিলাক ক্ষত্ৰিয়। ভ্ৰামবীতন্ত্ৰত উল্লিখিত আছে—

"নন্দীসুত ভদ্ৰাস্তিমে গৌড়দেশাং সমাগতঃ।
বৰ্দ্ধনস্ত পঞ্চপুত্ৰাঃ স্বগৰ্নৰ্জ্জাতৈৰ সহ॥
ৰত্নপীঠং বিবিশুস্তে কালাছিপ্ৰৰ সঙ্গমাং।
ক্ষাত্ৰ ধৰ্ম্মাদপক্ৰান্তাঃ ৰাজ বংশীতি বিশ্ৰুতাঃ॥

কোচসকল মহাভাৰতোক্ত নিষাত কৰচসকলৰ বংশধৰ বুলি অনেক পণ্ডিত লোকে সিদ্ধান্ত কৰিছে। অসমৰ সুপ্ৰসিদ্ধ দাৰ্শনিক পণ্ডিত শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য মহাশয়ে এই সম্বন্ধে বিশেষ গবেষণা কৰিব ধৰিছে। কলিতাবিলাক প্ৰাচীন কুলুতবিলাকৰ আৰু শালৈ জাতীয়বিলাক পুৰাণ প্ৰসিদ্ধ শৰবিলাকৰ বংশধৰ। এইটোও অনুমান কৰা যাব পাৰে যে কোনো এক সময়ত কামৰূপৰ উত্তৰ বা উত্তৰ পূৰ্ব্বাংশক কুলুত বা কোলট দেশ বুলিছিল। প্ৰায় সমগ্ৰ পুৰাণতেই এই কথাৰ উল্লেখ আছে।

কুলুত বা কোলটৰ অধিবাসীবিলাকেই কলিতা। যেনে কাবুলৰ অধিবাসী অসমীয়া ভাষাত কাবুলীয়া, তেনেকৈ কুলুত বা কোলটৰ অধিবাসী কুলুতীয়া বা কোলুতীয়া=কলিতা।

গ্ৰীক্ সাহিত্যতো কলটিচ আৰু কোল্টা নামেৰে এটি জাতি আৰু একপ্ৰকাৰ স্বৰ্ণমুদ্ৰাৰ উল্লেখ দেখিবলৈ পোৱা যায়। টীকাকাৰসকলে এই সম্বন্ধে বিশেষ একো স্থিৰ কৰি কোৱা নাই। কেৱল এই স্বৰ্ণমুদ্ৰা সম্বন্ধে কোনো কোনোৱে কৈছে যে, ই ভাৰতবৰ্ষৰ পূৰ্ব্বাংশত প্ৰচলিত হোৱা এক প্ৰকাৰ মুদ্ৰা। বোধহয় কৰতোৱা নদীৰ নামটোও এই কোলটা বা কুলুত নামেৰেই সংস্কৃত ৰূপান্তৰ। গেইট চাহাবৰ অসমৰ ইতিহাসৰ দ্বিতীয় সংস্কৰণত কৰতোৱা নৈকে প্ৰাচীন কালত 'কুলুত' বুলিছিল বুলি এটি প্ৰাচীন উক্তি উদ্ধৃত কৰিছে। মুদ্ৰাৰাক্ষস নাটকতো দেখিবলৈ পোৱা যায়, কুলুতৰ ৰজাই চন্দ্ৰগুপ্তক সহায় কৰিছিল। এই কুলুত দেশ পুৰফালেই আছিল। মহাভাৰতৰ কৰ্ণপৰ্ব্বতো আছে, কুলুতৰ ৰজা ক্ষেমধূৰ্ত্তিয়ে কৌৰৱৰ পক্ষ লৈ যুদ্ধ কৰিছিল।

কোচ, কলিতা, শালৈ প্ৰভৃতি জাতিবিলাক, সকলেই আৰ্য্যবংশে সম্ভূত। কামৰূপৰ ব্ৰাহ্মণ কায়স্থ প্ৰভৃতি অপেক্ষাকৃত আধুনিক কালৰ মানুহ।

প্ৰাচীন কামৰূপ ৰাজ্যৰ এটি স্বতন্ত্ৰ সভ্যতা আছিল। ই ভাৰতৰ অন্যান্য প্ৰদেশৰ সভ্যতাতকৈ অনেকাংশে পৃথক আছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ অধিবাসীসকলৰ মাজত আহাৰ-বিহাৰ, সাজ-পাৰ, দৈনন্দিন জীৱন যাপন আৰু সামাজিক আচাৰ-ব্যৱহাৰৰ মাজত এতিয়াও অতি অদ্ভুত সাদৃশ্য দেখিবলৈ পোৱা যায়। ইমান বাজনৈতিক পৰিবৰ্ত্তন, ইমান সামাজিক সংঘৰ্ষণৰ মাজতো কামৰূপৰ মানুহে নিজৰ বৈশিষ্ট্য, নিজৰ কৃষ্টি সম্পূৰ্ণ বিসৰ্জ্জন দিয়া নাই।

ভাষা আৰু সাহিত্যও একেই আছিল। ৰঙালীৰ সংস্কৃতলৈ অহাৰ পিছৰ পৰা প্ৰাচীন কামৰূপৰ পশ্চিমাংশৰ লিখিত ভাষা ৰঙালী হৈ গৈছে; কিন্তু কথিত ভাষা এতিয়াও ভিন্ন নহয়। এই ভাষাকে ইয়াত ৰাজবংশী ভাষা বোলে।

বাস্তৱিক পক্ষে সেইটো নহয়। এই ভাষাতে যে অকল ৰাজবংশীবিলাকেই কথা কয় এনে নহয়। এই ভাষাৰে প্ৰাচীন কামৰূপ ৰাজ্যৰ অধিবাসী মাত্ৰেই কথা কয়। সেই নিমিত্তে এই ভাষাক কামৰূপী-ভাষা বোলা উচিত। বৰ্ত্তমানে যি ভাষাক আপোনালোকে অসমীয়া ভাষা বোলে, সিয়ো এই কামৰূপী ভাষাইেই। আহোম সকলৰ লগত সংশ্ৰৱৰ হেতু আৰু অন্য নানা কাৰণে অলপ-অচৰপ্ পৰিবৰ্ত্তিত হলেও এই কামৰূপী (অসমীয়া) ভাষাৰ লগতেই ৰঙলা ভাষাত কৈ ৰাজবংশী ভাষাৰ অধিক সাদৃশ্য দেখিবলৈ পোৱা যায়। এই ৰাজবংশী ভাষাতেই বংপুৰ, জলপাইগুড়ী, দিনাজপুৰ আৰু কোচবিহাৰৰ অধিবাসীসকলে কথা কয়।

কৰ্ত্তৃকাৰকত..."এ" কৰ্ম্মকাৰকত "ক", অধিকৰণত... "ত", আৰু ক্ৰিয়াপদৰ পূৰ্ব্বে 'এ্ৰ'ৰ ব্যৱহাৰ প্ৰভৃতি—ৰাজবংশী ভাষাৰ বৈশিষ্ট্য বিলাক এতিয়াও অসমীয়া ভাষাত তেনে দৰেই প্ৰচলিত আছে।

মহাৰাজ নৰনাৰায়ণৰ অনেক পূৰ্ব্বেই কামৰূপী ভাষাৰ সুলিখিত সাহিত্য আছিল। সেই প্ৰাচীনকালৰ অনেক পুথি পোৱা গৈছে। সপ্তম-অষ্টম শতাব্দীত কামৰূপী ভাষাত লিখা বহুত সক সক পুথি-আছে; সেইবিলাকৰ কথা নহয় নকওঁৱেই, ৮ৰুদ্ৰকন্দলী, হেম সৰস্বতী, অনন্তকন্দলী প্ৰভৃতি মনীষীসকলে মহাৰাজ নৰনাৰায়ণৰ অনেক পূৰ্ব্বতেই অসমীয়া ভাষাৰ সাহিত্য ৰচনা কৰি গৈছে। মহাভাৰত, পুৰাণ প্ৰভৃতি গ্ৰন্থবো তেওঁলোকে অনুবাদ কৰিছিল; তথাপি মহাৰাজ নৰনাৰায়ণৰ সময়কেই কামৰূপী প্ৰাচীন সাহিত্যৰ অভ্যুদয়ৰ যুগ বুলিব লাগিব। অৱশ্যে তাৰ পৰৱৰ্ত্তী কোচ আৰু আহোম ৰজাসকলেও অনেক পুস্তক ৰচনা কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ উৎসাহ আৰু আনুকূল্যত যি প্ৰাচীন কামৰূপী সাহিত্য গঠিত হৈছিল, সি বৰ্ত্তমান অসমবাসীসকলৰ যেনে গৌৰৱৰ সামগ্ৰী, বংপুৰবাসীসকলৰও তেনে গৌৰৱৰ সামগ্ৰী।

দৰং ৰাজবংশাৱলীত মহাৰাজ নৰনাৰায়ণৰ সম্বন্ধে লিখা আছে :—

"গৌড় কামৰূপে যত পণ্ডিত আছিলা।
সৱাকো আনাই সভে দেৱাল পাতিলা॥
বোলে বিপ্ৰ পণ্ডিত সমস্তে শুনিয়োক।
কলিৰ যুগত বৃদ্ধি হৈব অতি শোক॥
অল্প আয়ু অল্প বুদ্ধি হৈবেক নিঃশেষ।
লোপ হৈল পূৰ্ব্ব শাস্ত্ৰ প্ৰবাহি বিশেষ॥
শুনিলো পুৰুষোত্তম ভট্টাচাৰ্য্য দ্বিজ।
কবিয়োক বহুমালা ব্যাকৰণৰ বীজ॥
শুনিয়োক আজ্ঞা মোৰ কৰ সৱস্বতী।
মহাভাৰতৰ পৰ কবিয়ো সম্প্ৰতি॥
আৰু আছে সপ্তকাণ্ড ৰামায়ণ যত।
শ্লোকক ভাঙ্গিয়া পদ কবিয়ো সাস্প্ৰত॥
অষ্টাদশ পুৰাণক কবিয়োক পদ।
আৰে শুনি নৰ-নাৰী পাইবে পৰপদ॥
শুনিলো শঙ্কৰ তুমি ভক্ত মহাজনে।
বাঢ়ন্ত অক্ষৰ পদ কৰা নিবন্ধন॥
হবিব ভক্তিক তুমি কবিয়ো প্ৰচাৰ।
হবি ভক্তি নবে হৌক সংসাৰৰ পাৰ।
শুনিয়ো শ্ৰীধৰ তুমি মোৰ বাক্য ধৰা।
জ্যোতিষক ভাঙ্গি তুমি খণ্ড সাধ্য কৰা।
বহুল কাব্য তুমি ভাঙ্গা লীলাৱতী।
অন্নতে বুজয় যেন কাহ্নেহে সন্ততি।
এহি মতে পণ্ডিত সবক বুলিলন্ত।
তেবে কলিযুগে থাক লোপ নহৈ বস্ত।"

প্ৰাচীন কামৰূপী ভাষাত গীতা, ভাগৱত, অষ্টাদশ পুৰাণ, অনেক উপ পুৰাণ আৰু তন্ত্ৰ প্ৰভৃতি অনেক অনেক তন্ত্ৰ গ্ৰন্থও অনুদিত হৈছিল। প্ৰাচীন কামৰূপী ভাষাতেই 'বৈদ্য অমৰ' নামক আয়ুৰ্ব্বেদিক গ্ৰন্থ, 'হস্তী বিদ্যামহাৰ্ণৱ' নামক সুন্দৰ চিত্ৰসংযুক্ত হস্তী চিকিৎসাৰ গ্ৰন্থ, 'অশ্ব নিদান' নামক অশ্ব চিকিৎসাৰ গ্ৰন্থসকলো ৰচিত হৈছিল। সাধু কথাৰ পুথি নামক অনেক গল্প ও উপন্যাস গ্ৰন্থও এই সময়ত ৰচিত হৈছিল। এনে কি 'লীলাৱতী' নামক প্ৰসিদ্ধ গণিত শাস্ত্ৰ আৰু সূৰ্য্যসিদ্ধান্ত প্ৰভৃতি গণিত-জ্যোতিষ সম্বন্ধীয় গ্ৰন্থও অসমীয়া ভাষাত অনুদিত হৈছিল।

যি সময়ত ভাৰতৰ প্ৰায় কোনো প্ৰাদেশিক ভাষাতেই নাটক ৰচিত হোৱা নাছিল, সেই সময়ত শ্ৰীশঙ্কৰদেৱ মাধবদেৱে প্ৰভৃতি কবিসকলে সংস্কৃত অনুকৰণে ৰুক্মিণী হৰণ, সীতা হৰণ, পত্নী প্ৰসাদ, পীণ্ডৰা ওছোৱা, চোৰ ধৰা প্ৰভৃতি নাটক ৰচনা কৰি অসমীয়া ভাষাৰ গৌৰৱ বৃদ্ধি কৰিছিল আৰু অসমৰ সাহিত্য আৰু সমাজত যুগান্তৰ আনয়ণ কৰিছিল। অসমীয়া ভাষাত সঙ্গীতৰ চৰ্চ্চাও কম

হোৱা নাছিল। বৰগীতৰ পুথি জগতৰ সাহিত্যত ভাব আৰু ভাষা সম্পদৰ এটি অমূল্য ৰত্ন। অসমত প্ৰচলিত লিখিত আৰু অলিখিত সঙ্গীতবিলাকে যি কোনো সাহিত্যকে সৌষ্ঠৱশালী কৰিব পাৰে। দুঃখৰ বিষয়

প্ৰাচীন অসমীয়া সাহিত্যৰ বিষয়ে কবলৈ গৈ বুৰঞ্জী-সাহিত্যৰ বিষয়ে অলপ নকলে অসম্পূৰ্ণ থাকি যাব। প্ৰাচীন অসমীয়া সাহিত্যত বুৰঞ্জী এটি অসাধাৰণ সামগ্ৰী। ভাৰতৰ এটি দুৰ্গম আছে যে ভাৰতবৰ্ষই ইতিহাস চৰ্চ্চা কৰা নাছিল। প্ৰাচীন অসমীয়া ভাষাৰ ইতিহাসবিলাক দেখিলে এই দুৰ্গাম যে মিছা, সেইটো প্ৰমাণিত হব। অসমীয়া ভাষাৰ নিমান প্ৰাচীন বুৰঞ্জী-ইতিহাস পুথি আছে, সিমান অন্য কোনো ভাষাতেই নাই। এই বুৰঞ্জী পুথি বিলাক আধুনিক বৈজ্ঞানিক ধৰণে লিখা। পুৰাণাদিৰ দৰে বা অন্য প্ৰকাৰ উপাখ্যান গ্ৰন্থ মাত্ৰ নহয়। বংপুৰ সাহিত্য পৰিষদত যই দুখন বুৰঞ্জী পুথি পাইছোঁ। তাৰে এখন নষ্ট হৈ গৈছে। এই অমূল্য ৰত্নৰ পুনঃ উদ্ধাৰ সাধন হয় নে নহয় তাক কব নোৱাৰোঁ। অইনখন ভাল অৱস্থাতে আছে। এই পুথি দুখনি পঢ়িলে অসমৰ ইতিহাস আৰু বংপুৰৰ লগত অসমৰ প্ৰাচীন সম্বন্ধৰ বিষয়ে বহুতো কথা জানিব পৰা যায়।

যি সময়ত ভাৰতৰ কোনো প্ৰাদেশিক ভাষাত গদ্য সাহিত্যৰ সৃষ্টি হোৱা নাছিল, সেই সময় অসমত প্ৰভু ভট্টদেৱে সমগ্ৰ শ্ৰীমদ্ভাগৱত গীতা আৰু 'কথাযোষা' নামক গ্ৰন্থ গদ্যত বচনা কৰি অসমীয়া সাহিত্যৰ গৌৰৱ বৃদ্ধি কবিছিল। এই গ্ৰন্থ এতিয়া কথা ভাগৱত আৰু কথা গীতা নামে প্ৰসিদ্ধ। কথা গীতা সম্বন্ধে বঙ্গৰ অমূল্য ৰত্ন, ভাৰতৰ মুখোজ্জলকাৰী স্যাৰ আশুতোষ মুখোপাধ্যায় ডাঙৰীয়াই কৈছিল :—

'যি জাতিয়ে ষোড়শ শতাব্দীতে গীতাৰ এনেকুৱা গদ্য বচনা কবিব পাৰিছিল, সেই জাতি ক্ষুদ্ৰ নাছিল।'

বিশ্ব-বৰেণ্য কবীন্দ্ৰ ৰবীন্দ্ৰ নাথে কৈছে :—

"বঙ্গ ভাষাত গদ্য সৃষ্টিৰ এশ বছৰ আগেয়ে যি গ্ৰন্থ-কৰ্ত্তাই এনে সুন্দৰ আৰু প্ৰসিদ্ধ গদ্য বচনা কবিব পাৰিছিল, তেওঁৰ বিষয়ে অসমবাসীয়ে যথাৰ্থ গৌৰৱ অনুভব কবিব পাৰে।"

কৰ্ম্ম, জ্ঞান আৰু ভাব জগতৰ গুৰু স্যাৰ প্ৰফুল্লচন্দ্ৰ ৰায় মহাশয়ে কৈ গৈছে :—

"কথা গীতা এখন অমূল্য ৰত্ন। যি সময়ত পৃথিবীত সাধাৰণতঃ গদ্য ৰচিত হোৱা নাছিল, সেই সময়ত অসমীয়া কথা, বা গদ্য সাহিত্যই উৎকৰ্ষ লাভ কবিছিল।"

অসমত প্ৰচলিত নথকা অসমীয়া গ্ৰন্থও বংপুৰ সাহিত্য পৰিষদ গ্ৰন্থাগাৰত আছে। সেইবিলাকৰ মাজত 'আবঞ্জেব-কথা,' আৰু স্বৰ্গ নাৰায়ণ মহাৰাজৰ জন্ম চৰিত্ৰ কথাই প্ৰধান। শ্ৰীনাথ ব্ৰাহ্মণৰ মহাভাৰতও বিশেষকপে উল্লেখযোগ্য।

বংপুৰ সাহিত্য পৰিষদৰ পৰা প্ৰকাশিত ৮কমললোচন শৰ্ম্মাৰ বিবচিত চণ্ডীকা বিজয় কাব্যৰ ভণিতাত অনেক ঠাইত শ্ৰীনাথ নামৰ উল্লেখ আছে। গ্ৰন্থৰ সুযোগ্য সম্পাদক মহাশয়ে শ্ৰীনাথৰ কোনো পৰিচয় দিব পৰা নাই। গ্ৰন্থকৰ্ত্তাৰ কুলগুৰু বুলি অনুমান কবিছে মাত্ৰ। শ্ৰীনাথ গ্ৰন্থকৰ্ত্তাৰ কুলগুৰু আছিল নে নাই সেইটো সঠিক কোৱা দুঃসাধ্য হলেও তেওঁ যে কামৰূপৰ এজন প্ৰসিদ্ধ শ্ৰেষ্ঠ কবি আছিল তাক নিঃসন্দেহে কব পাৰি। শ্ৰীনাথ মহাৰাজ প্ৰাণ নাৰায়ণৰ সময়ত কোচবিহাৰত আছিল। তেওঁৰ ৰচিত অসমীয়া ভাষাৰ বহুত গ্ৰন্থ আছে। তেওঁ "বিশ্বসিংহ চৰিতম্" নামক এখন কাব্যগ্ৰন্থ সংস্কৃত ভাষাত বচনা কবিছিল। তেওঁৰ পৰিচয়, তেওঁ নিজেই তেওঁৰ গ্ৰন্থৰ মাজত লিখি গৈছে—

"মন মহীপালৰ কনিষ্ঠ সহোদৰ।
শুক্লধ্বজ নামে দেব ভোগে পুৰন্দৰ।
তাহাৰ পাঠক মহামতা ভবানন্দ।
কামৰূপ দ্বিজ-কুল-কুমুদিনী চন্দ্ৰ।
নাৰত পণ্ডিত ৰায় তাহাৰ তনয়।
বঘুদেৱ নৃপতিৰ পাত্ৰ মহাশয়।
তাহাৰ কনিষ্ঠ বামেশ্বৰ শুদ্ধমতি।
শ্ৰীনাথ হইল জ্যেষ্ঠ তাহাৰ সন্ততি।"

বঘুদেৱ অসমৰ বিজনী ৰাজ্যৰ ৰাজবংশৰ প্ৰতিষ্ঠাতা। বৰ্ত্তমান অসম প্ৰদেশৰ অনেকাংশ বজা বঘুদেৱৰ ৰাজ্য আছিল। অসমৰ ৰাজনীতি ক্ষেত্ৰত পণ্ডিত ৰায় এজন বিখ্যাত লোক আছিল। তেওঁ অনেকবাৰ কোচ-ৰজাৰ দূত স্বৰূপে আহোম ৰাজসভালৈ যাত্ৰাত কবিছিল।*

* বংপুৰ সাহিত্য-পৰিষদৰ সাধাৰণ সভাত দিয়া বক্তৃতাৰ সাৰাংশৰ শেষ ছোৱা—লিখক।

যুৰোপৰ ৰাজনীতি

হিট্‌লাৰ আৰু মুছোলিনিৰ সংঘর্ষ ক'ত

—শ্ৰীযুত হৰেন্দ্ৰ নাথ বৰুৱা বি-এ

পৃথিবীৰ ৰাজনৈতিক ঘটনাৱলীৰ খবৰ ৰাখোতা মানুহ মাত্ৰেই ষোৱা কেইবছৰমানৰ পৰা যুৰোপত 'ফেছিজ্‌ম্' বুলি এক নতুন শাসনতন্ত্ৰবাদৰ উদ্ভৱ হোৱাৰ কথা জানে। এখালে 'ড'ছিয়েনিজ্‌ম' আৰু

হাৰ হিটলাৰ

'কমিউনিজ্‌ম'ৰ সাৰ্ব্বজনীন সাম্যভাব, দুৰ্জ্জন আদৰ্শবাদ বুলি হেয় জ্ঞান কবি বহুল গণতন্ত্ৰৰ প্ৰতিবন্ধকতা কবিছে আৰু আনফালে দুৰ্দ্দান্ত স্বেচ্ছাচাৰতন্ত্ৰ বা ৰাজতন্ত্ৰৰ বিৰুদ্ধে শিৰ দি এই 'ফেছিজ্‌ম' যুৰোপৰ কেইখনমান দেশত এক নতুন শাসনতন্ত্ৰকপে প্ৰবৰ্ত্তিত হৈছে। 'ফেছিজ্‌ম'ৰ সমালোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়; আন সময়ত অৱশ্যে সেই বিষয়ে আলোচনা কবিবৰ ইচ্ছা থাকিল। এই প্ৰবন্ধৰ উদ্দেশ্য আন এটাহে।

ষোৱা মহাযুদ্ধৰ পিছত বিজয়ী পৰাক্ৰমী শক্তি আৰু প্ৰধান মেনুৰে আমেৰিকা, যুক্ত ৰাজ্য, ইংলণ্ড আৰু ফ্ৰান্সৰ প্ৰভাৱত ভাৰ্চ্ছাইলৰ সন্ধিমতে বিজিত ৰাজ্যকেইখনৰ প্ৰতি অনুকিকৰ কঠোৰ বিধান আৰু বিজয়ী ৰাষ্ট্ৰকেইখন মানৰ প্ৰতিও অজ্ঞায় বা অন্ততঃ অসন্তোষজনক বিচাৰেই 'ফেছিজম'ৰ উৎপত্তিৰ মূল বুলিব পাৰি। ইটালী আৰু জাৰ্ম্মানিয়েই আজি যুৰোপৰ প্ৰধান ফেছিজ্‌মবাদী ৰাষ্ট্ৰ। মহাযুদ্ধৰ ইতিহাস পাঠ কবোতাসকলে জানে যে ইটালীয়ে প্ৰথমতে সেই যুদ্ধত যোগ দিছিল, নিবপেক্ষ হৈ আছিল। ইটালীৰ অবিহনে সেই যুদ্ধত ফ্ৰান্স আৰু ইংলণ্ডই জয়লাভ

মুছোলিনি

কৰাটো এসময়ত অসম্ভৱ হৈ উঠিছিল। পিছত ইংলণ্ড আৰু ফ্ৰান্সৰ সুচতুৰ ৰাজনৈতিক কৰ্ণধাৰসকলে, ইটালীয়ে সেই যুদ্ধত তেওঁলোকৰ পক্ষে যোগদিয়াৰ পৰা আৰু যুদ্ধত তেওঁলোকৰ জয়লাভৰপৰা ইটালীৰ ৰাজ্য বিস্তাৰ প্ৰভৃতি বহুত ৰাজনৈতিক সুবিধাৰ প্ৰলোভন দেখুৱাই ইটালীক তেওঁলোকৰ পক্ষে যুদ্ধত নমায়। কিন্তু মহাযুদ্ধত মিত্ৰশক্তি

বৰ্গৰ জয়লাভৰ পিছত ভাৰ্ছাইল সন্ধিমতে ইংলণ্ড আৰু ফ্ৰান্স প্ৰভৃতিয়ে অপাৰ লাভ কৰি ইটালীৰ সেই আশা পূৰ্ণ নকৰিলে।*

জাৰ্ম্মানিৰ প্ৰতি ভাৰ্ছাইল সন্ধিবিধান অতি কঠোৰ আৰু অতি অযুক্তিকৰ। সেই সন্ধিত জাৰ্ম্মানিকে যুদ্ধৰ বাবে জগৰীয়া প্ৰতিপন্ন কৰি জাৰ্ম্মানিৰ ওপৰত অজস্ৰ ক্ষতিপূৰণ দাবী কৰি যুদ্ধ ঋণৰ বোজা চপাই দিয়া হয়, জাৰ্ম্মানিৰ অস্ত্ৰ-শস্ত্ৰৰ পৰিমাণ বৰ বেছি বকমে হ্ৰাস কৰা হয় আৰু জাৰ্ম্মান বাজ্যৰ সীমাও আগুতকৈ ঠেক কৰা হয়। মুঠতে এই সন্ধিমতে জাৰ্ম্মানিৰ ধনবল, জন বল আৰু অৰ্থবল—সকলো অযুক্তিকৰ ভাবে আৰু বহুল

মহাসমৰত নিহত নিজুমান জুগো-স্লাভিয়াৰ সৈন্যৰ স্মৃতি-স্তম্ভ

পৰিমাণে খৰ্ব্ব কৰা হয়। জাৰ্ম্মানিয়ে এক যুগ—১২।১৪ বছৰ এই অন্যায় আৰু অযুক্তিকৰ বিধানৰ প্ৰতিকাৰ পাবলৈ বিজয়ী মিত্ৰশক্তিবৰ্গৰ আৰু জাতি সঙ্ঘৰ ওচৰত আবেদন নিবেদন কৰি চালে। কিন্তু তাৰ একো ফল নধৰিলে। ইফালে এনেদে অন্যায়ভাবত জুকুলা জাৰ্ম্মান প্ৰজাক যোৱা ৩.৪ বছৰৰ জগতব্যাপী অৰ্থসঙ্কটে অতি চকুল আৰু উত্তেজিত কৰি তুলিলে। এই সময়তে অন্যান্য বাজনৈতিক মনোমালিন্যৰ কাৰণেও য়ুৰোপৰ বিভিন্ন বাজ্যবিলাকৰ—ঘাইকৈ মিত্ৰশক্তি কেইটাৰ দুৰ্ব্বলতাৰ সুবিধা লৈ ডেকা জনেতা হাৰ হিটলাৰৰ নেতৃত্বত জাৰ্ম্মানিৰ ফেছিষ্ট বা 'নাজি'দলে বাষ্ট্ৰৰ শাসনভাৰ নিজৰ হাতলৈ আনি নিবস্ত্ৰীকৰণ, যুদ্ধঋণ, ক্ষতিপূৰণ আৰু জাৰ্ম্মানিৰ সীমা নিৰ্দ্ধাৰণ প্ৰভৃতি বিষয়ত জাৰ্ম্মানিৰ প্ৰতি কৰা অন্যায় ব্যৱস্থা অগ্ৰাহ্য কৰি, এক প্ৰবল পৰাক্ৰমী নব্য জাৰ্ম্মানি গঢ়িবলৈ প্ৰয়াস পালে। সিফালে বিচক্ষণ বাজনীতিবিদ ছিনৰ মুছোলিনিৰ নেতৃত্বত ফেছিষ্ট ইটালীয়েও আন শক্তিশালী বাষ্ট্ৰবিলাকৰ কুটনীতি কৌ হৈ কাৰ্চেলে ভ্ৰুক্ষেপ নকৰি নিজৰ বাষ্ট্ৰশ্বন সকলো বিষয়ত সমৃদ্ধিশালী আৰু য়ুৰোপৰ ভিতৰতৰ অধিষ্ঠিত কৰি তুলিবলৈ আজি বদ্ধপৰিকৰ।

ইটালী আৰু জাৰ্ম্মাণিৰ বাজনৈতিক সমস্যা আৰু বাজনৈতিক প্ৰচেষ্টা বহুতখিনি একে ধৰণৰ। দুয়োখন ফেছিজমবাদী বাষ্ট্ৰ, মুছোলিনি আৰু হিটলাৰৰ ভিতৰত ঘনিষ্ঠ সম্বন্ধ। জাৰ্ম্মানিৰ বেলেগ বেলেগ বাজনৈতিক দলৰ লগত প্ৰতিযোগিতা কৰি জাৰ্ম্মান পাৰ্লামেণ্টৰ নিৰ্ব্বাচনত যেতিয়া হিটলাৰৰ দলে আটাইতকৈ সৰহ সংখ্যক সভ্যপদ লাভ কৰে আৰু হিটলাৰে জাৰ্ম্মানিৰ প্ৰধান মন্ত্ৰীত্ব গ্ৰহণ কৰে, সেইদিনা ইটালীৰ ফেছিষ্ট কৰ্ণধাৰ মুছোলিনিয়ে টেলিগ্ৰাফেৰে হিটলাৰক ইটালীবাসীৰ হৈ অভিনন্দন জনায়। জাৰ্ম্মানিৰ প্ৰতি মিত্ৰশক্তিকেইটাৰ অন্যায় আচৰণৰ কাৰণে জাৰ্ম্মানিৰ যিমান বিক্ষোভ আৰু খং ঠিক সেই পৰিমাণে নহলেও ইটালীৰো তেনে খং আৰু বিক্ষোভ। জাৰ্ম্মানিক যেনেকৈ ভাৰ্ছাইল সন্ধিৰ সংশোধন লাগে আৰু জাৰ্ম্মানিৰ লুপ্ত ভূখণ্ড ঘুবাই লাগে, ইটালীয়েও সেইদৰে ভাৰ্ছাইল সন্ধিৰ সংশোধন আৰু ইটালীৰ বাজ্যবিস্তাৰ কৰিবলৈ বিচাৰে। এই কাৰণ লৈ যদি জাৰ্ম্মানিয়ে আজি ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে তেন্তে ইটালীয়ে সমূখ সংগ্ৰামত জাৰ্ম্মানিৰ সপক্ষে যুঁজ নকৰিলেও আগৰ আখেজ পূৰা বৰলৈকে যতদূৰ সম্ভৱ সেই যুদ্ধত জাৰ্ম্মানিক সহায় কৰিব। নিৰস্ত্ৰীকৰণ আৰু ঋণ বিষয়তো ইটালী আৰু জাৰ্ম্মানি প্ৰায় একমত। কিন্তু ইমান মিল থকা সত্ত্বেও ইটালী আৰু জাৰ্ম্মানিৰ ভিতৰত আমি কিছু মতভেদ নেদেখাকৈ নাথাকো। ইমান মিলা প্ৰীতি সত্ত্বেও মুছোলিনি আৰু হিটলাৰৰ ভিতৰত অলপ শকত বিধৰ ঈৰ্ষা ভাব আছে আৰু সেই কাৰণেই ফ্ৰান্স আৰু ইংলণ্ড প্ৰভৃতি জাতিয়ে অলপ শান্তিবে থাকিব পাবিছে। নহলে ইটালী আৰু জাৰ্ম্মানি নকলো বিষয়তে সম্পূৰ্ণ একমত হোৱা হলে ইমান দিনে ফ্ৰান্স আৰু ইংলণ্ডই তেওঁলোকৰ দাবীৰ এটা সন্তোষজনক মীমাংসা কৰিবলৈ বাধ্য হলহেঁতেন। আৰু অন্ততঃ উত্তৰ-পুব আৰু মধ্য য়ুৰোপৰ মানচিত্ৰৰ অন্য আকাৰ হলহেঁতেন। ইটালী আৰু জাৰ্ম্মানিৰ এই মনোমালিন্য নো ক'ত এতিয়া সেই বিষয়ে মন কৰা যাওক।

মুছোলিনিৰ ইচ্ছা যে তেওঁ ইটালীক য়ুৰোপৰ ভিতৰত সকলো বিষয়তে সৰ্ব্বপ্ৰধান বাষ্ট্ৰত পৰিণত কৰিব (He will make Italy the foremost in Europe) আন ফালে হিটলাৰৰ আকাঙ্খাও মুছোলিনিতকৈ কোনোগুণে কম নহয়। ওপোৱোক্ত দাবীবিলাকৰ উপৰিও হিটলাৰে অষ্ট্ৰিয়াক আৰু পাৰিলে হাঙ্গাৰিকো জাৰ্ম্মানিৰ লগত লগ লগাই এখন ডাঙৰ আৰু শক্তিশালী যুক্তবাষ্ট্ৰ (Federation) গঠন কৰিব খোজে। এই উদ্দেশ্যে অষ্ট্ৰিয়াৰ নাজি বা ফেছিষ্ট দলৰ আন্দোলনত হিটলাৰে সহানুভূতি প্ৰকাশ কৰি আহিছে। মাজে মাজে জাৰ্ম্মানিৰ পৰা একোজন নাজি নেতায়ো গৈ অষ্ট্ৰিয়াত জাৰ্ম্মানি আৰু অষ্ট্ৰিয়া লগ লগাৰ সপক্ষে প্ৰচাৰ কাৰ্য্য চলাইছে গৈ। মুছোলিনিয়ে জাৰ্ম্মানিক ইমান দুব অগ্ৰসৰ হবলৈ দিব নোখোজে। এই বিষয়ত মুছোলিনি জাৰ্ম্মানিৰ ঘোৰ শত্ৰু ফ্ৰান্সৰ সৈতেও একমত। হিটলাৰৰ এই চেষ্টা ব্যৰ্থ কৰিবৰ কাৰণে মুছোলিনিয়ে অষ্ট্ৰিয়াৰ সাম্যবাদী চেঞ্চেলাৰ বা প্ৰধানমন্ত্ৰী—(বৰ্ত্তমান কাৰ্য্যতঃ ডিক্টেটৰ বা অধিনায়ক) ডাঃ ডলফাছক অষ্ট্ৰিয়াৰ নাজি আন্দোলনৰ বিৰুদ্ধে পবামৰ্শ দি আহিছে। অষ্ট্ৰিয়াত 'নাজি' আন্দোলনে কি প্ৰবল আকাৰ ধাৰণ কৰিছে সিদিনা এজন নাজি দলৰ ডেকাই ডাঃ ডলফাছক পিস্তলেৰে গুলিয়াই হত্যা কৰিবলৈ কৰা চেষ্টাৰ পৰাই সেই কথা

* এই যুদ্ধত ইটালীৰ প্ৰায় ৭৫০০০ মানুহ মৰে সেই অনুপাতেই অজস্ৰ ধন বস্তু খৰচ হয়। যুদ্ধ সন্ধিমতে ফ্ৰান্সে ৬৪৩৩০০০ মানুহৰ সৈতে ২৫০০০ বৰ্গমাইল ভূমি লাভ কৰে আৰু ফুটবৈনে ৯৩২০০০০ মানুহৰ সৈতে ৯৩০০০ বৰ্গমাইল ভূমি লাভ কৰে। কিন্তু ইটালীয়ে পায় মাত্ৰ ১৬৭২০০০ মানুহৰ সৈতে ২৩৭২৯ বৰ্গমাইল ভূমি —লিখক

অনুমান কৰিব পাৰি। ইটালী আৰু জাৰ্ম্মানিৰ মনোমালিন্যৰ এইটো হল এটা প্ৰধান কাৰণ।

ইটালী আৰু জাৰ্ম্মানিৰ মনোমালিন্যৰ আন এটা কাৰণ হৈছে বৰ্ত্তান বা ডানিয়ুবীয়ান বাষ্ট্ৰ—ডানিয়ুব নৈৰ ওচৰত থকা সক সক বাজ্যবিলাক লৈ। আজি প্ৰায় দুবছৰ আমি ডানিয়ুব সমস্যাৰ কথা শুনি আহিছোহঁক। এই "ডানিয়ুব-সমস্যা" নো কি—সেই বিষয়ে এবাৰ "অসমীয়া" আৰু "বাহীত" আলোচনা কৰা গৈছে। এই সমস্যাৰ সমাধান এতিয়াও হোৱা নাই। ডানিয়ুব নৈৰ পাৰত জাৰ্ম্মানি আৰু ইটালীৰ ওচৰত অবস্থিত ৰুমানিয়া, বুলগেৰিয়া, অষ্ট্ৰিয়া, হাঙ্গেৰি, যুগো-শ্লোভিয়া, জেকো-শ্লোভাকিয়া প্ৰভৃতি বাজ্যবিলাক

নাজীদলে জাৰ্ম্মানিৰ বিৰুদ্ধে লিখা সকলো কিতাপ জাৰ্ম্মানিৰ পুথিভৰালৰ পৰা নষ্ট কৰি পেলোৱা ধৰিছে।

সৰহ অংশ এসময়ত পুবণি জাৰ্ম্মান সাম্ৰাজ্য আৰু এক অংশ তুৰ্কীৰ অন্তর্ভুক্ত আছিল। মহাযুদ্ধৰ আগতো এই ভূখণ্ডৰ সৰহ ভাগ জাৰ্ম্মানি আৰু তুৰ্কীৰ তত্বাৱধানত কেইবাখনো সক সক বাজ্যত বিভক্ত আছিল। মহাযুদ্ধৰ পিছত ফ্ৰান্স, ইংলণ্ড আৰু আমেৰিকাৰ চেষ্টাত অষ্ট্ৰিয়া, জাৰ্ম্মানি আৰু তুৰ্কীক দুৰ্ব্বল কৰিবৰ কাৰণেই পুবণি বাজ্য

কিখনৰ যোগ-বিয়োগ কৰি এই কিখন তেওঁলোকৰ নতুন মিত্ৰ ৰাজ্য পতা হৈছিল। কিন্তু এই বিষম অৰ্থ সঙ্কটৰ দিনত অৰ্থৰ নাটনিত আৰু তদুপৰি এই ৰাজ্য বিলাকৰ (অন্ততঃ কেইখনমানৰ) গঠন প্ৰণালী

চেকোস্লভ ছিটানাৰ বক্তৃতা শুনিবলৈ তেওঁৰ আগত লৈ নাজীদলে শোভাযাত্ৰা কৰি 'জেপেলীন ষ্ট্ৰিডোত' উপস্থিত হৈছে দেখা।

অস্বাভাৱিক আৰু কৃত্ৰিম হোৱাৰ কাৰণে, ভিতৰুৱা দলাদলি আৰু অশান্তিৰ কাৰণে, এই ৰাজ্যবিলাকৰ শাসন কাৰ্য্য প্ৰায় অচল হবৰ উপক্ৰম হৈছে। জুগো-শ্লাভিয়াখনলৈকে মন কৰকচোন (অষ্ট্ৰিয়াৰ বিষয় কিছু আভাস আমি আগতে পাইছোঁ)। আগৰ চাৰ্ভিয়া, বছনিয়া, মণ্টিনিগ্ৰো আৰু অষ্ট্ৰিয়া-হাঙ্গেৰিৰ এক অংশ আনি লগ লগাই এই জুগো-শ্লাভিয়া ৰাজ্য পতা হৈছিল। কিন্তু শাসন কাৰ্য্যত এই ভিন ভিন জাতিৰ অবিষাঅবি আৰু ইটোৱে সিটোৰ ওপৰত প্ৰাধান্য লাভ কৰিবলৈ চেষ্টা কৰাৰ কাৰণে জুগো-শ্লাভিয়াৰ শাসনতন্ত্ৰ সমূলি সুকলমে চলা নাই। ঘাইকৈ উত্তৰ-পূৰৰ ক্ৰট্ (Croats) আৰু ষ্লভেনবিলাকে (Slovens) এই ৰাষ্ট্ৰ নতুনকৈ গঢ়িবলৈ প্ৰবল আন্দোলন চলাই আছিছে। এনে আন্দোলনৰ ফলতে জুগো-শ্লাভিয়াত পালেমেণ্টীয়া শাসন প্ৰণালী অচল হৈ উঠে। ১৯২৮ চনত ক্ৰট নেতা ষ্টিফেন ৰেডিচ্ছ (Stephen Raditch) পাৰ্লেমেণ্টত এটা তৰ্ক প্ৰসঙ্গতে গুলীৰে নিহত হয়, আৰু সেই চনতে জুগো-শ্লাভিয়াৰ ৰজা আলেকজেণ্ডাৰ ৰাষ্ট্ৰৰ শাসনভাৰ নিজৰ হাতলৈ আনি ডিক্টেটাৰ বা অধিনায়কৰ শাসন প্ৰণালী চলাইছে ; কিন্তু সফলকাম হব পৰা নাই। ক্ৰট্ সকলৰ আন্দোলন চলিয়েই আছে ; তেওঁলোকৰ বৰ্ত্তমান নেতা ডাং মাচেক্ (Dr. Matchek) ৰাজনৈতিক অপৰাধৰ কাৰণে এতিয়াও জেলত।

আমি বোধ হয় আমাৰ আলোচ্য বিষয়বপৰা বহুত আঁতৰি গৈছোঁ ; গতিকে আকৌ সেই ফালে মন কৰোঁ। এতিয়া কথা হৈছে যে এই ৰাজ্য কেইখনৰ ওপৰত বা

আন এজন বিখ্যাত নাজী নেতা হাৰ হোফাৰ। অষ্ট্ৰিয়াৰ এটি ফ্ৰেঞ্চ পৰা ঘালাচ হৈ অহাত নাজীদলে সম্বৰ্দ্ধনা জনাইছে।

অন্ততঃ সিহঁতৰ একোখণ্ডৰ ওপৰত জাৰ্ম্মানি আৰু ইটালী দুয়োখন ৰাজ্যৰে আক্ৰোশ। মুছোলিনিয়ে এই বিষয়ে প্ৰকাশ্যে কোৱা নাই যদিও ইটালীৰ বিখ্যাত বৈদেশিক বিষয়ৰ মন্ত্ৰী ডিনৰ গ্ৰেণ্ডিয়ে (Signor Grandi) এই বিষয়ে কৈছে :—"A people with forty-two millions

who will be fifty millions in fifteen years cannot live and prosper with a territory which is half the size of France, of Spain, of Germany—which has no raw materials, no resources for vital needs, imprisoned in a sea beyond which its commerce lies."

ইংলণ্ডৰোৱক নাজীদলে জাৰ্ম্মানিত অত্যাচাৰ আৰম্ভ কৰাত বৃটিশ ইংলণ্ড সকলে লণ্ডনত মোটৰত ৱেকাৰ্ড লগাই জাৰ্ম্মানি বস্তু বৰ্জ্জনৰ আন্দোলন চলাইছে।

ইফালে জাৰ্ম্মান ৰাজনীতিক ডন হিউগেনবাৰ্গেণ্ড (Von Hugenburg) উক্ত ভূখণ্ডত জাৰ্ম্মানিৰ উপনিবেশ স্থাপন কৰাৰ অভিপ্ৰায় স্পষ্টভাবে প্ৰকাশ কৰিছে। এইখিনিতে জাৰ্ম্মানি আৰু ইটালীৰ স্বাৰ্থৰ আকৌ খুন্দা লাগে। এড্ৰিয়াটিক সাগৰৰ পাৰত জুগো-শ্লাভিয়াৰ সীমান্তত অৱস্থিত ইটালীৰ শাসনাধীন ফিউম্ (Fiume) বন্দৰটো মাজৰ জুগো-শ্লাভিয়া ৰাজ্যখনৰ অনুমতিক্ৰমে সেই ৰাজ্যৰ একখণ্ডৰ ওপৰেদি এখন বেংকেৰে ইটালীৰ লগত সংযুক্ত কৰি ৰাখিছে। কিন্তু মাজৰ জুগো-শ্লাভিয়া ৰাজ্যৰ সেই ভূখণ্ডৰ ওপৰত অপ্ৰতিহত শাসন নথকাৰ কাৰণে আৰু জুগো-শ্লাভিয়াই সেই বেল আৰু সেই পথেৰে পৰিচালিত ইটালীৰ বেহা-বেপাৰত সহায় নকৰাৰ কাৰণে ফিউম বন্দৰটো ইটালীৰ বিশেষ কামত অহা নাই। অষ্ট্ৰিয়াৰ সীমালৈকে জুগো-শ্লাভিয়াৰ অন্তৰ্গত সেই ভূখণ্ড লৈ পাৰিলে ইটালী নিজৰ ৰাজ্য বিস্তাৰৰ লগে লগে ফিউম বন্দৰটোও এটা প্ৰথম শ্ৰেণীৰ বন্দৰত পৰিণত কৰি ইটালীৰ বেহা-বেপাৰৰ বহুল উন্নতি সাধন কৰিব পাৰে। ইফালে জুগো-শ্লাভিয়াই কয় যে ফিউম বন্দৰটো তাৰ জাতিগত সামিল্য আৰু ভৌগোলিক অবস্থিতি হিছাপেও নিয়ম মতে জুগো-শ্লাভিয়াই হে পাব লাগে। এই কথা লৈ জুগো-শ্লাভিয়া আৰু ইটালীৰ মনান্তৰ। সিফালে মুছোলিনিয়ে জাৰ্ম্মানিক দেখিব নোৱাৰাৰ দৰেই জাৰ্ম্মানিয়েও বলকান ৰাজ্যবিলাকত ইটালীৰ প্ৰভুত্ব দেখিব নোৱাৰে। আৰু ইটালীয়ে জাৰ্ম্মানিৰ আকাঙ্ক্ষাৰ বিৰুদ্ধে অষ্ট্ৰিয়াৰ চেঞ্চেলাৰ ডাঃ ডলফাছক সমৰ্থন কৰাৰ দৰেই জাৰ্ম্মানিয়ে ইটালীৰ আকাঙ্ক্ষাৰ বিৰুদ্ধে জুগো-শ্লাভিয়াৰ ৰজা আলেকজেণ্ডাৰক সমৰ্থন কৰা যেন অনুমান হয়।

এতিয়া প্ৰশ্ন হৈছে—হিট্লাৰ আৰু মুছোলিনিৰ এই অবিয়া অবিয়ে কেনি ঢাল লব, ইয়াৰ পৰিণতি কি হ'ব ? ভালকৈ গমি চালে এয়েহে অনুমান হয় যে অষ্ট্ৰিয়াত নাজি আন্দোলনে যেনেকৈ শিপাইছে, হিট্লাৰে কিছুদিনৰ পিছত অষ্ট্ৰিয়াখন বিশেষ একো প্ৰতিদ্বন্দ্বিতা নোহোৱাকৈয়ে জাৰ্ম্মানিৰ লগলৈ আনি এখন যুক্তৰাষ্ট্ৰ গঠন কৰিব।

ইতিপ্ৰত ইটালীৰ ৰাজ পৰিয়াল—প্ৰিন্সেছ মেৰিয়াই আটাইতকৈ ডাঙৰ পিৰাঅিডটো চাবলৈ গৈছিল।

হয়তো হাঙ্গেৰিয়েও এই যুক্তৰাষ্ট্ৰত যোগ দিব পাৰে। সিদিনা এজন হাঙ্গেৰিয়ান ৰাজনীতিকেও এনে অভিপ্ৰায় ব্যক্ত কৰিছে। তাৰ পিছত সৰু সৰু বলকান ৰাজ্য

বিলাকত শিপোহাব বিষয়ে ইটালী আৰু জার্ম্মানিৰ ভিতৰত এটা আপোছ হব পাবে। অর্থাৎ ছুয়ো বাজ্য বিস্তাৰ কবক, ছুয়োজনেই ডাঙৰ হওক—এনে এটা ভাবত কার্য্য কবিব পাবে। সেয়ে নহলে ছুয়োখন দেশে স্বেচ্ছাচাৰী ভাবে এই কার্য্যত অগ্রসৰ হলেও হ'ব পাবে; তাব বাবে সিহঁতে ইখনে সিখনৰ বিৰুদ্ধে যুদ্ধ কবাব নিচিনা শুকতৰ কাম নকবে। কাৰণ ইটালী জার্ম্মানিৰ বা জার্ম্মানি ইটালীৰ প্রতি যিমান ঈর্ষান্বিত তাতকৈ ফ্রান্স ইংলণ্ড প্রভৃতি নিৰীহ ছুয়োখনকে ডাঙৰ শত্রুত সমুদ্দীন হ'ব লগা হ'ব পাবে বুলি ইটালী আৰু জার্ম্মানিয়ে ভালকৈ জানে আৰু তেওঁলোকৰ ভিতৰত যুদ্ধ লাগিলে সেই শত্রু পক্ষদ্বয়ৰে বেছি সুবিধা হ'ব বুলিও নজনা নহয়। কিন্তু বলকান বাজ্যবিলাকক গ্রাস কবি ইটালী আৰু জার্ম্মানি এইদৰে প্রবল আৰু সমৃদ্ধিশালী হোৱাটো সহজ কথা নহয়। প্রথমতঃ এই সৰু সৰু বাজ্যবিলাকে সহজে কাবো বশ্যতা স্বীকাৰ কবিবলৈ সৈমান নহয়। দ্বিতীয়তঃ এই বাষ্ট্রবিলাকৰ ঘাই প্রবর্ত্তক ফ্রান্স আৰু ইংলণ্ডৰ এই বাষ্ট্রবিলাক প্রতিষ্ঠা কবাত আৰু ইটালী আৰু জার্ম্মানিক তেনে পবাক্রমী হবলৈ নিদিয়াত স্বার্থ আছে। গতিকে ইটালী আৰু জার্ম্মানিয়ে সেইদৰে বাজ্য বিস্তাৰৰ কাৰণে অগ্রসৰ হলে ফ্রান্স আৰু ইংলণ্ড প্রভৃতিয়ে তাত নানান বৰম প্রতিবন্ধকতা দিবলৈ চেষ্টা কবিব। কিন্তু কথা হৈছে যে ইটালী আৰু জার্ম্মানিক আন কোনো উপায়েবে বিবত কবিব নোৱাবিলে ফ্রান্স, ইংলণ্ড প্রভৃতিয়ে সিহঁতৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কবিবনে? এই অর্থসঙ্কটৰ দিনত তেওঁলোক সিমানলৈ অগ্রসৰ হ'ব পাবিবনে? যদি তাকে কবে, তেন্তে তো আকৌ এথন ভীষণ মহাযুদ্ধই যুৰোপৰ বিভিন্ন বাষ্ট্রত, আৰু হয়তো অন্যান্য দেশবো গতি-বিধিৰ আকৌ ওলট-পালট লগাব।

ইটালী আৰু জার্ম্মানি ছুয়োখন ফ্রান্স আৰু ব্রুটেইন প্রভৃতি শক্তিশালী বাজ্যৰ বিচাৰত বিষম আঘাত পাই থকা দেশ। মুছোলিনি আৰু হিট্‌লাৰ ছুয়ো অতি কর্ম্মী আৰু বিচক্ষণ লোক। অৱশ্যে বাজনৈতিক অভিসন্ধি আৰু চাল-চুবুনিৰে (Diplomacy) বিষয়ত হিট্‌লাৰ মুছোলিনিৰ সমান পাৰ্গত নহয়। হিট্‌লাৰ বৰ স্পষ্টভাষী আৰু খোলাখুলিভাবে কাম কবা বিধৰ মানুহ; আৰু সেই অনুপাতেই বোধ হয় নিজৰ ওপৰত আস্থাবান আৰু অহঙ্কাৰীও। হিট্‌লাৰৰ এনে প্রকৃতিৰ বাবেই হিট্‌লাৰৰ বাজনৈতিক আশা আকাঙ্খাত অলপ ব্যাঘাতো পবিছে। কাৰণ বাজনীতিত কূটনীতিৰ আৱশ্যকতাও কম নহয়। কিন্তু সাহসত হিটলাৰ মুছোলিনিতকৈও একোবা চবাহে। এই দৃঢ়সঙ্কল্প হিট্‌লাৰ আৰু মুছোলিনিয়ে আন কোনো শক্তিলৈ ভয় কবি সততাই তেওঁলোকৰ উদ্দেশ্যৰ পবা বিবত হব বুলি মনে নলবে; তাব ফলাফল লাগে যি নহওক।*

* "Central European Politics : Where Hitler and Mussolini Clash"—দীৰ্ঘ ইংবাজী প্রবন্ধৰ ভাৱনি।—লিখক

পুথি-ভঁৰাল

—বায়বাহাদুৰ শ্রীযুত আনন্দচন্দ্র আগৰৱালা

"আমাৰ কাৰণে মহাত্মা সকলে
কঠোৰ তপস্যা কবি,
জ্ঞান-সিন্ধু মথি নিবোৰ অমৃত
বাখিছে ভঁৰাল ভবি;
সেই জ্ঞাননিধি ভোগ কবি আহাঁ,
কর্ম্ম-সাধনত লাগোঁ,
কর্ত্তব্য কবোঁতে ভকতি ফলিব,
বিভুৰ আশীষ মাগোঁ।"

—জিলিকনি।

সজ পুথি মানুহৰ সজ লগবীয়া—সুখ দুখা জীৱন-বীণৰ বিমোহন সুৰ। পুথি ভাল পোৱা লোকসকলে পুথি পঢ়ি আনন্দ পায়—পুথিৰ সুখত জীৱন-বীণৰ তন্ত্রী বজাই জীৱনক মহৎ আৰু পবিত্র কবিবলৈ চেষ্টা কবে।

কালে কালে যুগে যুগে দেশে দেশে অনেক মহাত্মাই জন্মগ্রহণ কবি জ্ঞান-সিন্ধু মথি যি অমৃতময় বাণী পুথিত লিখি থৈ গৈছে, সেই বাণী সমূহ সমগ্র মানৱ জাতিৰ উমৈহতীয়া সম্পত্তি। যিকণ জ্ঞান আজিলে বুদ্ধি মাজ্জিত হয়, ভ্রম আৰু কুসংস্কাৰ দূৰ হয়, জগতৰ প্রকৃত নিয়ম-প্রণালী জানি কর্ত্তব্যাকর্ত্তব্য নিৰূপণ কবি নিজৰ আৰু জনসাধাৰণৰ প্রকৃত হিতসাধন কবিব পবা যায়, তেনেকুৱা জ্ঞান-শিক্ষাৰ নিমিত্তে বাছকৈ-বনীয়া পুথিৰ ভঁৰাল স্থাপন কবা আৱশ্যক।

ভাষা-শিক্ষা প্রকৃততে জ্ঞানশিক্ষা নহয়; ই জ্ঞান-শিক্ষাৰ উপায় মাথোন। ভাষা জ্ঞান-ভঁৰালৰ চৱাব। পুথিবিলাক সেই ভঁৰালৰ মণি-বত্ন। ইংবাজী ভাষাত পৃথিবীৰ প্রায় সকলো জ্ঞানী লোকৰ পুথি পঢ়িবলৈ পোৱা যায়। সেই ভাষা জ্ঞান ৰূপ মণি-বত্নেবে ভবা। সেই ভাষাই এতিয়া আমাৰ বাজ-ভাষা। এতেকে, আমি সেই ভাষা অৱশ্যে জানিব লাগে। কিন্তু, আমি কেতিয়াও সপোনতো ভাবিব নোৱাৰোঁ যে আমাৰ দেশৰ সকলো নৰ-নাৰী প্রজা সেই ভাষাত পাৰ্গত হব। তাতে আকৌ সেইটো বিদেশী কঠিন ভাষা। তাক শিকিবলৈ ভালেখিনি সময় আৰু ধন খবচ কবিব লাগে। আমি এইটো ক'ব পাৰোঁ যে আমাৰ দেশত বাধ্যতামূলক প্রাথমিক শিক্ষাৰ বিস্তাৰ হলে কালত অসমীয়া মাত্রেই নিজৰ মাতৃ-ভাষাত লিখা-পঢ়া কবিব পাবিব। সেয়ে হলে, আমাৰ মানুহে যাতে পৃথিবীৰ কোনো দেশৰ প্রসিদ্ধ জ্ঞানীলোক সকলে লিখা অমৰ গ্রন্থবিলাকত থকা জ্ঞানামৃত মাতৃ-ভাষাৰ সহায়ত ভোগ কবি উন্নত জীৱন যাপন কবিব পাবে তাৰ দিহা এতিয়াৰ পবাই কবা আমাৰ দেশ-হিতৈষী সাহিত্যিক সকলৰ কর্ত্তব্য। আমাৰ সাহিত্যত যিবিলাক পুথি আছে আৰু ভবিষ্যতে লিখা হব, তাৰ ওপৰত আমাৰ জাতিৰ উন্নতি নির্ভৰ কবে।

"ন হি জ্ঞানেন সদৃশং পবিত্রমিহ বিদ্যতে।"

জ্ঞানতকৈ পবিত্র বস্তু এই জগতত একো নাই। আকৌ জ্ঞানতকৈ ক্ষমতাবন্ত বস্তুও একো নাই। জ্ঞান অন্ধলাৰ লাখুটি, বিপদৰ বন্ধু, বোগৰ ঔষধ, শোকাতুৰৰ সান্ত্বনা, তাপিতৰ শান্তি, অসহায়ৰ সহায়। জ্ঞানীসকলে অনেক পুৰুষার্থ কবি যি জ্ঞান-বত্ন আহৰণ কবি পুথি ৰূপ পেবাত ভবাই থৈছে, ভাষা সেই পেবাৰ সঁচাৰ-কাঠি। সেই নিমিত্তেই কৈছোঁ, পুথিবিলাক জ্ঞানৰ ভঁৰাল। জীৱন-পথৰ যাত্রীয়ে বাট হেৰুৱালে, বা অজ্ঞান-আন্ধাৰত বাট বুলিব লাগিলে, সজ পুথিয়ে তেওঁক বাট চিনাই দিব, আন্ধাৰত জোনৰ পোহৰ দেখুৱাব, ভাগৰত জিবণি দিব। পুথিবিলাক যেনিবা সময়ৰ বালিত থৈ গোৱা মহা মহা জ্ঞানী সকলৰ ভবিৰ খোজৰ সাঁচ।

বর্ণমালা আবিষ্কাৰ হোৱাৰ আগেয়ে জ্ঞানৰ কথা বিলাক মানুহে মুখে মুখে শুনি মনত বাখিছিল। আমাৰ দেশত যিবিলাক পটন্তৰ প্রচলিত আছে, তাৰ অধিকাংশই বর্ণমালা আবিষ্কাৰ হোৱাৰ আগৰ বুলি বোধ হয়। ৰাম-বতাহৰ দৰে সকলোৱে জ্ঞানৰ পোহৰ পাব লাগে। তাকে কবিবলৈ হলে প্রাথমিক শিক্ষা বাধ্যতামূলক হ'ব লাগিব, গাৱেঁ গাৱেঁ পঢ়াশালি আৰু পুথি-ভঁৰাল স্থাপন কবিব লাগিব; পুথি-পঢ়িবলৈ মানুহৰ বাপ্ বঢ়াব লাগিব, পাঠক শ্রেণী গঢ়ি তুলিব লাগিব। পঢ়াশালিত অকল শিশুপাঠ্য পুথিৰ ভঁৰাল থাকিব। গাৱঁলীয়া নামঘৰ বিগাকত সর্ব্বসাধাৰণ বাইজে পঢ়িব লগীয়া আৰু বুজিব পবা পুথিৰ ভঁৰাল পাতিব লাগিব।

সকলো সভা দেশৰ বিদ্যালয়বিলাকৰ লগত একোটা পুথি-ভঁৰাল থাকে। বিদ্যাংয়ৰ পাঠ্য পুথি কেইখনেই জ্ঞান লাভৰ নিমিত্তে যথেষ্ট নহয়। পাঠ্য পুথি পঢ়ি পৰীক্ষাত উত্তীর্ণ হব পাৰি। কিন্তু পৰীক্ষাত উত্তীর্ণ হোৱাকে মানুহ হোৱা নোৱোলে। মহা মহা পুৰুষৰ জীৱনৰ চানেকিবে চৰিত্র গঠন কবি প্রকৃত মানুহ হ'ব খুজিলে, পুথি-ভঁৰালৰ পবা যথেষ্ট সহায়তা পোৱা যায়। অৱশ্যে পুথিৰ কথাবিলাক মনত বাখি সেই মতে চলিব পাবিব লাগিব নহলে,

"বিদ্যা যাৰ আছে মাথোঁ পুথিৰ পাততে,
ধন যাৰ আছে মাথোঁ পৰৰ হাততে,
কার্য্যকালে পোৱা টান হলে প্রয়োজন,
মিছা তাৰ সেই বিদ্যা, মিছা তাৰ ধন।

আগৰ দিনত আমাৰ দেশৰ জ্ঞানীলোকসকলে ঘাইকৈ সাঁচি পাতত পুথি লিখিছিল; পুথিবিলাক কাপোৰেবে মেৰাই একো একোটা কাঠৰ পেবাত ভবাই ওপৰ-চাঙত তুলি থৈছিল; কোনো কোনো ধর্ম্ম-পুথি গোঁসাঁই-ঘৰ বা নামঘৰৰ থাপনাত থৈছিল। কোনো কোনো ধনৱন্ত লোকে তামৰ পাতত পুথি লিখাইছিল আৰু তেনেকুৱা পুথি পিতলৰ পেবাত ভবাই থৈছিল। তেনেকুৱা পুথিক ধাতু-তাম্রকৰী বোলে। কোনো কোনো ব্রাহ্মণে ভূর্জ্জ পত্রতো পুথি লিখিছিল। পুথিৰ প্রতি আমাৰ মানুহৰ

আদৰ আৰু ভক্তি আছিল। চাঙৰ পৰা পুথি নমাওঁতে, পুথি মেলোঁতে আৰু সামৰোঁতে মানুহে তামোল-পাণ দি পুথিক সেৱা-সংকাৰ কৰিছিল। গাৱঁলীয়া মেলত "কীৰ্ত্তন" পুথিত ধৰি শপত খোৱা প্ৰথা এতিয়াও লুপ্ত হোৱা নাই।

আমাৰ দেশৰ সত্ৰ আৰু দেৱালয়বিলাকত পুথি আছিল। হাজোৰ হয়গ্ৰীৱ মাধৱ দেৱালয়ত এটা ডাঙৰ পুথি-ভঁৰাল আছিল আৰু ৰীতিমতে পাঠক, গায়ন, বায়ন, ওজা-পালি আদিও আছিল। কালাপাহাড়ে হাজোৰ মন্দিৰ ভাঙি পুথি-ভঁৰাল ধ্বংস কৰিলে। উপদ্ৰুত আমাৰ দেশৰ অনেক পুথি নষ্ট পালে।

ৰাজহতা পুথি-ভঁৰালত নানা তৰহৰ পুথি সংগ্ৰহ কৰি ৰখা হয়। পুথিৰ সংখ্যা সহস্ৰ হলেই যে লাইব্ৰেৰী ভাল হয়, এনে নহয়। লাইব্ৰেৰীত থ'ব লগীয়া পুথি সাৱধানে বাছিব লাগিব। বাছকৰনীয়া পুথিছে লাইব্ৰেৰীত ঠাই পোৱা উচিত। পঢ়াশলীয়া শিশুপাঠ্য পুথি ভঁৰাল কেৱল শিশু সন্তানৰ উপযোগী পুথিছে ৰখা ভাল। ভাল আৰু ৰেয়া পুথি বছাত বৰ সাৱধান হ'ব লাগিব। "গছত গৰু উঠা, হোলোঙাৰে কাণ বিন্ধোৱা"ৰ নিচিনা আচৰিত আৰু কাল্পনিক গল্প, অবৈধ প্ৰেমৰ ফন্দি আৰু পৰিণাম থকা উপন্যাস আদিয়ে ভাব-প্ৰৱণ স্বভাৱৰ ডেকা-গাভৰুক সহজে খেয়াৰ ফালে উত্তেজিত কৰিব পাৰে। তেনেকুৱা কিতাপ কোমল বয়সীয়া লৰা-ছোৱালীৰ পুথি-ভঁৰালৰ পৰা দূৰতে বিদূৰ কৰা উচিত।

পুথি-ভঁৰালৰ পুথিবিলাক ভাগে ভাগে যথাৰীতি সুন্দৰকৈ সজাই থব লাগে। যেনে ইতিহাস, জীৱন-চৰিত্ৰ দৰ্শন, বিজ্ঞান, উপন্যাস, কবিতা, কৃষি, শিল্প, চিকিৎসা আদি যেলেগ বেলেগ বিষয়ৰ কিতাপ আলমাৰিত বেলেগে থব লাগে। পুথিৰ তালিকাখন তৈয়াৰ কৰোঁতে তাৰ সূচীপত্ৰ আৰু টিকিট লগোৱা এনে হ'ব লাগে যাতে কোনো পাঠকে কোনো এখন পুথি পঢ়িব খুজিলে ততালিকে যেন উলিয়াই দিব পাৰি। এই নিমিত্তে পুথি-ভঁৰালৰ কাম সুকলমে চলাবলৈ উপযুক্ত লোক চাই পুথি-ভঁৰালী পাতিব লাগে। পুথি-ভঁৰালত সজ পুথিৰ বাহিৰেও সাময়িক আলোচনী আৰু বাতৰি কাকত ৰখা উচিত।

আমেৰিকাৰ ৱাছিংটন নগৰত 'লাইব্ৰেৰী অব্ কংগ্ৰেছ' নামে বিটৰো পুথি-ভঁৰাল আছে, সেইটো পৃথিবীৰ ভিতৰত সকোলতকৈ বৃহত্তম পুথি-ভঁৰাল। লাখ লাখ মানচিত্ৰ আৰু হাতেলিখা পুথিৰ বাহিৰেও সেই পুথি-ভঁৰালত থকা উত্তমকৈ বন্ধোৱা মুদ্ৰিত পুথিৰ মুঠ সংখ্যা হৈছে ৪কোটি ৪০ লক্ষ ৭ হেজাৰ ৪শ ৩১ খন। এই পুথিবিলাক থাক্ থাক্ কৈ সজাই থওঁতে ৮৮ মাইল ব্যাপী ঠাইৰ আৱশ্যক। প্ৰতি বছৰে এই লাইব্ৰেৰীলৈ ৫০৫ খনকৈ পুথি কিনা হয়।

আজি কালি পুথি-ভঁৰাল স্থাপনৰ নিমিত্তে প্ৰায় সকলো দেশতে এটা আন্দোলন চলিছে। যাতে পুথি ভঁৰালৰ যোগে দি দেশত শিক্ষা বিস্তাৰ হয়, জন সমাজত জ্ঞানৰ পোহৰ পৰে, সেই উদ্দেশে নানা দেশত পুথি-ভঁৰাল সমিতি স্থাপিত হৈছে। কোনো কোনো ৰেল কোম্পানীয়ে চলন্ত ৰেলৰ যাত্ৰীসকলৰ কাৰণে নানা তৰহৰ পুথি ৰখাৰ দিহা কৰিছে আৰু মাজে সময়ে চিনেমাৰ সহায়ত অনেক শিকিব লগীয়া বিষয়ে বক্তৃতাদি দিয়াবো আয়োজন কৰিছে। য়ুৰোপ, আমেৰিকা আদি দেশত এনে কোনো স্কুল কলেজ বা বিশ্ব-বিদ্যালয় নাই, যাৰ লগত একোটা লাইব্ৰেৰী নাই। সেইবিলাক দেশৰ দুখীয়া তৰপৰ মানুহৰ কাৰণে অতি কম দামত সুলভ সংস্কৰণৰ পুথি আৰু বাতৰি কাকত প্ৰকাশ কৰা হয়; বহুতো বিলাকৰ কাৰণেও সিহঁতৰ উপযোগী পুথি-ভঁৰাল কাৰখানাবিলাকত ৰখা হয়। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত শিক্ষা আৰু সভ্যতা বিস্তাৰ কৰাই পুথি-ভঁৰালৰ ঘাই লক্ষ্য।

আমাৰ অসমত আজিলৈকে পুথি-ভঁৰাল সমিতি স্থাপিত হোৱা নাই। গাৱঁলীয়া প্ৰাইমাৰি আৰু মজলীয়া স্কুলবিলাকৰ লগত লাগতিয়াল পুথি-ভঁৰাল ৰখা হোৱা নাই; হাইস্কুলবিলাকত যি পুথি-ভৱাল আছে, সি নামতেহে সাৰ। সৰ্ব্বসাধাৰণৰ কাৰণে গাৱঁলীয়া ঠাইত পঠাগাৰ নাই বুলিলেই হয়। আমাৰ দেশত চলন্তা পুথি-ভঁৰাল (Travelling public library) আজিলৈকে স্থাপিত হোৱা নাই। আঘৰ দিনত ওজা-পালিয়ে ৰামায়ণ, মহাভাৰত আদি গাই শুনাইছিল। এতিয়া ওজা-পালি নোহোৱাৰ নিচিনা হৈছে।

আগৰ নিচিনা গাৱঁলীয়া পাঠক নাই বুলিলেই হয়। আনকি, আজি কালি বিয়া বা গোপিনী সবাহত নাম দিবলৈ ভাল নামতী পোৱা নাযায়। গাওঁৰ সত্ৰ নাম-ঘৰ আদিৰ অৱস্থা শোক-লগা। ভাওনাটৈ শিক্ষিত লোকসকলৰ শ্ৰদ্ধা কমি গৈছে। ভাওনাত ভাৰবীয়া সকলৰ নৃত্য-গীত, ভাও-ভঙ্গতি আদিয়ে যদি কিবা অঘনতি ঘটিছে, তাৰ বাবে শিক্ষিত সমাজ দায়ী নহয় নে? চাৰ্কাচৰ ক্লাউনহঁতে আমাৰ ভাওনাত কোনো কোনো বছৰাই বেছিকৈ মানুহক হঁহৱাব পাৰিছিল। বঙ্গদেশত থিয়েটাৰ, চিনেমা আদি থকা সত্ত্বেও যাত্ৰাভিনয়ৰ অবনতি হোৱা নাই। সেই দেশৰ শিক্ষিত সমাজে যাত্ৰালৈ আওহেলা কৰা নাই আন কি তেওঁলোকে লুপ্তপ্ৰায় গাৱঁলীয়া নৃত্য (Folk-dance) পুনৰ চলাবলৈ আয়োজন কৰিছে; ছাঁয়া-চিত্ৰৰ সহায়েৰে নিৰক্ষৰ গাৱঁলীয়াক নানা সজ শিক্ষা দিয়াৰ উপায় কৰিছে; লাইব্ৰেৰী সমিতি স্থাপন কৰি লাইব্ৰেৰী সম্বন্ধে গভৰ্ণমেণ্টৰ দ্বাৰাই এখন আইন পাছ কৰাইছে। বঙ্গদেশত লোকশিক্ষাৰ নিমিত্তে নানা উপায় অবলম্বন কৰা হৈছে। আমি আজিলৈকে 'সদৌ অসম লাইব্ৰেৰী সমিতি' এখনকে স্থাপন কৰিব পৰা নাই। অসমৰ লোকেল বোৰ্ড আৰু মিউনিচিপেল আইনত লাইব্ৰেৰীৰ কাৰণে দান দিবলৈ বিধান আছে। কিন্তু আমি সেই বিধানৰ সুবিধা ভোগ কৰিব পৰা নাই। তাৰ নিমিত্তে আমি দায়ী নহওঁ নে? লোক শিক্ষাৰ নিমিত্তে বঙ্গদেশত সুন্দৰ সাহিত্য ৰচিত হৈছে। আমি কৰিছোঁ কি? 'ডাক ভণিতা', কীৰ্ত্তন, আৰু নামঘোষাৰ দৰে সমূহ বাইজৰ উপযোগী কোনো অমৰ গ্ৰন্থ আমি প্ৰকাশ কৰিব পাৰিছোঁ নে? দিবা অসমীয়া ৰামায়ণ আৰু মহাভাৰত আছে, তাকো আমি নকৈ ছপাই উলিয়াব নোৱাৰাত আমাৰ মানুহে বঙলা ৰামায়ণ আৰু মহাভাৰত পঢ়িব লগাত পৰিছে। অসমীয়া পঞ্জিকাৰ অভাৱত হাজাৰ হাজাৰ বঙলা পঞ্জিকা আমাৰ দেশত বিক্ৰি হব লাগিছে। আমাৰ নো কেতিয়াটৈ চেতনা হ'ব?

যোগ-বিয়োগ

(১৪৪ পিঠিৰ পাছৰপৰা)

বামুণৰ ঘৰত কণীৰ চোকোৱা

(আভি নিকাল' নিকল)

গাঁৱটোৰ আহি বাৰীত কেৰাবমল কেঞ্চাৰ অনুগ্ৰহত ঘৰৰ চিন-মোকাম নেদেখি বংশী বাপুৰ ঘৰতেই দক্ষবামে আশ্ৰয় লব লগাত পৰিল। কিন্তু ফেতিয়া নিকপকপীয়া, আক্ৰোহী বাপু, বংশীধৰৰ ঘৰৰ মাহৰ আঞাই, কচু ঢেকিয়াৰ শাকে দক্ষৰ পেটত সঞ্চিত ভিটামিনৰৰ বংশ লোপ কৰি অনিষ্ট সাধিবৰ উপক্ৰম কৰিলে ফেতিয়া ৰাতি বিয়লি বাপুৰ পদুলিত বহিম খানচামায়ো দেখা দিলে।

পানীত নামি মাছ ধৰিবলৈ হলে ঘৰিয়ালৰ লগত যুঁজ নকৰাটোৱেই ছেচে বুদ্ধিমন্তৰ কাম।—দক্ষবামৰ হল সেইখিনিতেই ভুল। ব্ৰাহ্মণ আৰু কানীয়া বহল সমাজত মাননীয় নৈষ্ঠিক পুৰুষসকলৰ হকা-বৰা নামানি 'ফিমেল ইমানছিপেশ্যনৰ' পুৰোহিত স্বৰূপে দক্ষবামে ফেতিয়া গাঁৱে গাঁৱে গৈ অবলাৰ বল—'ৰুদ্ধাৰ বিণ', 'তিৰোতাৰ সমাধিকাৰ' আদিৰ বিষয়ে দীঘল বক্তৃতা দি তিৰোতা-সকলৰ মূৰ গৰম কৰি সমাজত চাঞ্চল্য আনিলে আৰু অনাহকতে কানীয়াই দেশ খালে বুলি কানীয়া ভকত সকলৰ প্ৰতি কটু-কাটব্য কৰিবলৈ ধৰিলে তেতিয়া সমাজ আৰু থিৰে থাকিব নোৱাৰিলে। তাৰ উপৰি দক্ষবামে সকলো বৰ্ষৰ লগতে ছুৱা-গজা কৰি একাকাৰ হৈ সনাতন ধৰ্ম্মৰ গ্লানি অনাত সমাজৰ ধৰণীসকলৰ টিকনিও থিয় হৈ পৰিল।

কিন্তু বেপৰোৱা দক্ষবামৰ শৰীৰৰ বলৰ লগে লগে মনৰ বলো অলপ আছিল। অৱশেষত দক্ষক বলে নোৱাৰি সকলোৱে সেই অনাচাৰী, সমাজ বিদ্ৰোহীক আশ্ৰয় দিয়াৰ কাৰণে তিৰোতা সেকৱা বংশী বাপুক হটবলৈ ধৰিলে। বংশী বাপুয়েও যে দক্ষক ছচকু পাৰি দেখিব পাৰিছিল এনে নহয়। কিন্তু তেওঁ কৰিব কি?—'বলে নোৱাবা শিলক পৰি নমস্কাৰ।'

সেইদিনা বাতিপুৱাবেপৰা ছপাৰীয়ালৈকে ব'দত তলো তলো কৰি ফুৰিও ধৰুৱাবপৰা ধাৰৰ কণা ছুটা কড়ি এটা চপাওক ছাৰি দক্ষৰ শিকনি মতে সকলোৱে তেওঁক লোকৰ তেজ পি পি পেটাল হোৱা বুলি কৰুণনাহে কৰা ভনিলে আৰু তাৰ ফলত ফেতা চিত্তৰ বিকাৰ আৰু পিত্তৰ উজাৰৰ উপশম কৰিবলৈ নো পাওঁতেই ঘৰৰ

চোতালত থিব দি বাপুৱে শুনিলে গেৰাযে বক বকোৱা। "তোৰ আকৌ এই থিব ছপৰথন হল কি ?'—বাপুৱে মাত দিলে।

"হব আক কি ?—আমি কাৰো নিকিনা গোলাম নহওঁ দেও—জানিব। বামুণৰ ঘৰত গেৰাৰি খাটি যদি মনৰ শাঁতিবে এটা টিকিবাও পুৰিব পাৰিলোঁহেতেন—" বুলি গেৰাযে দোঁৱাথোৱাৰ নলিচাত মুখ দি নাকে-মুখে ধোৱাবোৰ উলিয়াই কলে। তাৰ পিছত অলপ ওড় চেলেকি আপোনমনে গেৰাযে কবলৈ ধৰিলে—'হঃ—এই কলীয়া বস্তু ফেৰাত হন্থ কিবা ভিটামিন নাই। ইয়াত ভগন কৰা পা-পইচাবে বোলে মাছ, গাধীৰ, কণী থালে

এইবোৰ কি ?—কিহৰ চোকোৱা (১৭০ পিঠি

গালৈ ভাল। কেলেহৰাইচৰ কথা শুনি পেটতে আমাৰ হাত ভৰি লুকায়। কিন্তু সিহঁতে জনা উচিত সিহঁতৰ বাপেকৰ ঘৰৰ খাবলৈ আমি যোৱা নাই। বুজিছে দেও, ইমান টান কথা শুনি আমি আক আপোনাৰ ঘৰত তিষ্ঠিব নোৱাবোঁ। আমাক বিদায় দিলেই ভাল।...হেৰ অ' তাত হল নে ?—হেবিয়াৰ জীয়েকে চাউল বহাইছে নে বাপেকৰ মুৰ শিল বহাইছ ?"

"ঘৰত শুকান খৰি এডালো নাই। বৰমতাই টিকিৰা ছপি থাক মাথোঁ।—ভাত খুৱাব।" বুলি আৰণৰ-পৰা গেৰাৰ পত্নীয়ে মাত দিলে।

"দেও, হেবিয়াৰ জীয়েকৰ কথা শুনিছে ? খৰি দুডাল ফালি লৈ ভাত বান্ধিবও আজি তাই নোৱাৰা হল। দক্ষ বাপেকৰ কথা শুনি শুক-গোঁসাই নয়না হলি ? খৰি ফলাটোও ভাত বন্ধাৰ লগবে কাম নহয় বুলি হবলা দক্ষ বাপেবে বুজাই দিছে ?"

"দক্ষ বোপাক নাজুবিবি কানীয়া।—কথা ভাল নহব।" "কি কবিবি ?—কোন বাপেবে কোন দেও বিষ্টু মহেশ্বৰে আজি তোক বাধে চাওঁ—খুন্দাত তাও কবিম" বুলি হাতত এডাল খৰি লৈ যৈণীয়েকৰ ফালে চোচা ললে। পাছ ফালেদি ওলাই যৈণীয়েকে প্ৰাণ টাকি লৰি দক্ষৰ ঘৰৰ ভিতৰ সোমাল। গেৰাযে পাছে পাছে খেদি ভিতৰ সোমাওঁতেই দক্ষই একেজোপে বিছনাবপৰা উঠি "অবলাৰ গাত হাত নিদিবি পাখও" বুলি গেৰাইৰ নেলুত ধৰি এছাৰ মাৰিলে আক গেৰাযে তিনটৈলেঙনি খাই ঘৰৰ চুকত হোৱা এপাচি কণীৰ ওপৰত পৰি মূৰ্ছাৰ সকলো লক্ষণ প্ৰকাশ কৰি গোঁ-গোঁৱাবলৈ ধৰিলে।

বংশী বাপুৱে কথা বিষম দেখি দক্ষৰ খোটাৰিত সোমাল। কিন্তু বাটকৰাই আগত কণা মেলি থকা ফেটী সাপ দেখি উচাপ খোৱাৰ দৰে বংশী বাপুৱেও গেৰাইক কণীৰ ওপৰত পৰি লোটপোট হোৱা দেখি "এইবোৰ কি ?—কিহৰ চোকোৱা অ' !!" বুলি জাপমাৰি দুহাত পাছলৈ আহিল।—বাপুৰ মেলা মুখ মেলাতে থাকিল। চকু থিব পৰিল, টিকনি থিৰ হল। গা কঁপিবলৈ ধৰিলে।

গেৰাযে কেঁকাই কেঁকাই দেওৰ ফাললৈ চাই কলে "—আপোনাৰ মৰমৰ জেঠেৰীৰ কীৰ্ত্তি। থিতামিনৰ চোকোৱা দেও—থিতামিনৰ। বহিয খানচামাৰ মুগাঁৰ···ইঃ—কেচমাকেচেম—ভেকেটাভেকেট গোদ্ধ—অঁক্।"

দক্ষৰ ফালে চাই বংশী বাপুৰ মুখত পোন প্ৰথম হিন্দী মতে বাহিৰ হল—"আভি নিকালা, নিকল।"

পখিলীয়ে মাত দিলে—"দাদা যাব কিয় ?"

মুখ ভেঙুচাই বাপুৱে পখিলীলৈ টেকৰাকৈ চাই কলে

—"দাদা,—দাদা—বামুণৰ ঘৰত বাপেৰৰ কি অনাচাৰ দেখা নাই। চকুত চলিহাই ধৰিলে।"

"দাদা যাব লাগিলে আমিও বাহিৰ হম।"

"মানুহৰ সতি-সন্ততি হব যদি এতিয়াই এই মুহূর্ত্তে বাজ ওলা।"

"থাম পিশাচ পেটাল। কিন্তু মোৰ স্বৰ্গীয় পিতাক নাজুবিবি" বুলি চকুবঙাকৈ দক্ষবামে চোলাৰ আস্তিন কোঁচাবলৈ ধৰিলে।

"কি কবিবি ? গাত হাত দিবি ?—বংশী বাপুৱে তোৰ নিচিনা কেলেহৰা কুকুৰক 'কেয়াবকে' নকৰে।—বাক ছুই চা।" বুলি ভয়ত থৰক্ বৰক্ কৈ বংশী বাপুৱে পাচ হহকিবলৈ ধৰিলে।

পিছত দক্ষবামে ভগীয়েকক লৈ ঘৰবপৰা বাহিৰ হোৱা দেখি হাঁত জোকাৰি বাপুৱে কলে—"দাইক—কিন্তু যদি এই মাহৰ ভিতৰতে আকৌ এজনী মই চপাব নোৱাৰোঁ তেন্তে মোৰ নাম সেই স্বৰ্গদেও শিৱসিংহই গতা গজপুৰীয়া বকৱাৰ ঘৰৰ বংশীধৰ বকৱা দেৱশৰ্ম্মা ভাগৰডীয়েই নহয়।"

'যি ঘৰৰ যৈণী নিয়া নুবুজে'

(অনাচাৰৰ মূল নির্ণয়)

বংশী বাপুৰ পৰিবাৰ ওচি যোৱাৰ, নৈষ্ঠিক বৈষ্ণৱ বামুণৰ ঘৰত কণীৰ চোকোৱা ওলোৱাৰ আক বাপুৰ ভীষ্ম প্ৰতিজ্ঞাৰ সুসম্বাদ গাঁওত প্ৰচাৰ হবলৈ বেছি সময় নালাগিল। বংশী বাপুৰ ওচৰত টকাৰ কাৰণে আঁহি নৈবাশ হৈ উভতি যোৱা সকলৰ মুখত সন্তোষৰ হাঁহি বিবিঙি বিয়পি গল। সমাজৰ অগ্ৰণী সকলৰ শৰীৰ সনাতন আচাৰৰ অৱমাননাত কণ্টকিত হল যদিও বাপুৰ পুনৰ বিয়াৰ প্ৰতিজ্ঞাত ভূৰি ভোজনৰ আশাত তেওঁলোকৰ জিভাযেই মেল খাই কোৱাৰি চেলেকিবলৈও ধৰিলে।

ককাল ভাঁজ লগা গাবেই ঠক্ ঠক্ কৈ লাখুটি কোবাই টেঙুচিয়াই টেঙুচিয়াই প্ৰতিকবে আহি কলে—"শুনিছোঁ বকৱা বোপা—সকলো শুনিছোঁ। কিন্তু আমিয়েই বা কবিম কি, আপুনিয়েই বা কবিব কি ? অপ্ৰফল বোপা, অপ্ৰফল।

সেই যে অপ্ৰত শুক্ৰ হণ্ডীৰ প্ৰবেশ তাৰ কাৰণেই আপোনাৰ এই লঘু লাঞ্ছনা—অপায় অমঙ্গল।"

ওলোম গোত্ৰৰ বুলি বংশী বাপুৱে বহু বাপুক হাঁহিছিল। অৱৰ গাবেই কেঁকাই কেঁকাই আহি সমজুৱা সকলক সদোষি তেওঁ কলে 'বাপুৰ কৃতকার্য্যৰ ফল বাপুৱে ভুগিবই। কিন্তু ব্ৰাহ্মণৰ ঘৰত কণীৰ চোকোৱা—মুগাঁৰ মঙ্গল। ইঃ গা কিচ্ কিচাই আছে।—আক বা কি কাণ্ডই নঘটিছিল। নাৰায়ণ, নাৰায়ণ। সেই বোৰৰ কাৰণে প্ৰায়শ্চিত্তৰ এটা বিধি ব্যৱস্থা হোৱা ভাল। আমাৰ স্মৃতিবত্ন খুৱাই বা কি কয় ?"

স্মৃতিবত্নৰ লগত বংশী বাপুৰ আজি অনেক দিনৰ পৰা পেটে পেটে কাজিয়া। বহু বাপুৰ কথা শুনি অলপ পৰ চকু মুজি তেওঁ মাত লগালে—"আমাৰ বহু বোপাৰ কথাটো সমীচীন হৈছে। আমিও অৱশ্যে এখন সমাজ পাতি আছোঁ। কিন্তু এই বিষয়ে স্মৃতিৰ ব্যৱস্থা বিহাৰ আগতে ইয়াৰ কার্য্য কাৰণ নির্ণয় কৰিব লাগিব। ব্ৰাহ্মণৰ ঘৰত এনে নাভূত নাশ্ৰুত অনাচাৰৰ মূল ক'ত তাৰ তথ্য আগতে উলিয়াব লাগিব। এই অভাজনৰ মনেৰে আমাৰ বংশী বাপুৱেই ইয়াৰ ওৰিতে। নিবঞ্জনৰ—সেই অনাচাৰীৰ কন্যাক বিবাহ নকৰিবলৈ মই দঢ়াই দঢ়াই নকৈছিলোঁ নে ? শাস্ত্ৰত আছে—

"ধর্ম্মার্থ-কাম মোক্ষাণাং দাৰাঃ সংপ্ৰাপ্তি হেতবঃ।
পৰীক্ষ্যন্তে প্ৰযত্নেন পূৰ্ব্বমেব কবগ্ৰাহং॥"

বাপুৱে হুঙনিলে। তদুপৰি পত্নীৰ ওপৰত বাপুৰ শাসনৰ নিতান্ত অভাৱ। ঘোৰ কলি।"

যৈণীয়েকৰ পৰা এপেটকৈ গালি খাই খণ্ডত টিক্‌চি বিক্‌চি আহি খুমন খোনাই মুখ ভেঙুচাই কলে—ঠি ঠি ঠি ঠিক কৈছে দে দে দেও। বা বা বা বাপুৱে তি তি তি ব হু উ উ তাক যে যে যেন মু মু মুৰব প প বাই ন ন ন ন মাব। তি তি তি ব হু উ উ তা চি চি চি চি কণ কি কি...।

"কি কি কি কৈ থাক অ" ভেকাহি মাৰি ধনঞ্জয়ে মাত লগালে "বুঢ়া লোকে পাৰোতে জানো কৈছে—মাকেকে পসকে দিবা তাও। তেহে দেখিবা তিৰীৰ ভাও॥ নাই,

দেরে নবৈণী নবৈণীকৈ নবৈণীক একেবারেই টিং খোপত তুলিলে। এতিয়া নমায় কেনেকৈ? আমিও ঈশ্বৰৰ ইচ্ছাত চুজনী বাইছোঁ—কিন্তু চকুলৈ চাই কথা কবৰ সিইতৰ তাগদ আছে নে?"

—বংশী বাপুৰ ধকৰা ধনাই বায়নে বাপুৰ শুকান মুখনিলৈ চাই কলে "নহয় যেনিবা আমাৰ বাপুৰে তিবোতাক অলপ আঁচেকেই দিছিল—

হে হে হে কি কৰে? গধুলিৰ অতিথি সাক্ষাত প্ৰসঙ্গত (১৭৫ পৃষ্ঠা)

অলপ মৰমকে কবিছিল। কিন্তু তিবোতাৰ "আঞ্জেলটো কেনেকুৱা হে। যাওঁ বুলিছেই এই ভবা ঘৰ এৰি ককায়েকৰ লগত গাঁৱ পাম নে? ককায়েক ডাঙৰ নে পৰম গুৰু পতি ডাঙৰ? নি শ্ৰুতিকৰ দেও, সত্যভামাক দোপতীয়ে কি উপদেশ দিছিল এবাৰ এই ব্ৰজপুৰৰ আগত বেকত কৰা আমি ভাল দেখোঁ।"

শ্ৰুতিকৰে মুখ মেলিবলৈ নৌপাওঁতেই সিদ্ধান্ত বাবিধিয়ে গালে—

"ভৰ্ত্তা দেবো গুৰুৰ্ভৰ্ত্তা ধৰ্ম্মতীৰ্থ ব্ৰতানি চ।
তস্মাৎ সৰ্ব্বং পৰিত্যজ্য পতিমেকং সমৰ্চ্চয়েৎ॥

অৰ্থাৎ স্বামীয়েই স্ত্ৰীৰ দেৱতা গুৰু। স্বামীয়েই স্ত্ৰীৰ তপ আৰু তীৰ্থ, ব্ৰত আৰু ধৰ্ম্ম। এতেকে এই সকলো পৰিত্যাগ কৰি স্বামীৰ অৰ্চ্চনা কৰিবা। আৰু শুনক—

তীৰ্থ স্নানাৎিনী নাৰী পতি পাদোদকং পিবেৎ।
শম্বৰাদপি বিস্ফোৰ্ত্তা পতিবেকো ঠিকং স্ত্ৰিয়াঃ॥

"সিদ্ধান্ত বাবিধিৰ ব্যাখ্যাত অলপ ভুল বল"

"হিঃ হিঃ হিঃ শ্ৰুতিয়ে মোৰ ব্যাখ্যা কি চুকি পাব" বুলি অৱজ্ঞাৰে ভবিৰ ওপৰত ভবি তুলি সিদ্ধান্তবাবিধিয়ে ভবি নচুৱাবলৈ ধৰিলে।

বাঞ্ছাৰাম বায়নৰ তিবোতাৰ মুখধনি যেনিবা সৰস্বতীৰ বাণ হে। বায়নে কিবা কবলৈ মুখ মেলোতেই পত্নীৰ সেই মনোহাৰিণী চণ্ডী মূৰ্ত্তি তেওঁৰ চকুৰ আগত উপস্থিত হ'ল। সেপ ঢুকি তেওঁ কলে "বুবলৈনো যাব লাগিছে কিয় মোৰ প্ৰভু সকল। আমাৰ ডাক পুকৰৈ নভণিছে—

যি ঘৰৰ ঘৈণী নিয়া নুবুজে।
সি গৃহস্থক মৰণে মজে॥

আমাৰ ঘৰত কিন্তু এনেবোৰ অনাচাৰ নাপাৰ। পিছে আচল কথা তল পেলাই আপোনাকোকে কিবা বাৰেবাংকৰা লাকলঙ্গীয়া ফলহতা কথাত ধবিছে। বোলো মেলত থাকি নামাতে উচিত, দোষে পায় কিঞ্চিৎ কিঞ্চিৎ। বামুণৰ ঘৰত কণী ওলোৱাৰ, দফৰাৰে জাত পাত নগণি জগলি মোহন কবি সমাজক উপলক্ষ্য কবাৰ আক বংশী বাপুৰে চকু মুদি সকলো সহি থকাৰ প্ৰতিকাৰ আমাক লাগে।"

"বায়ন বোপা ববা। প্ৰভু সকল অন্তৰ্যান কবক। বেলে এখন, বেদাঙো এখন কিন্তু; ঠাৰে চিয়াঁৰে মাথো তাকেই কলোঁ।" বুলি জপবা ভকতে মালাগুটি জপিবলৈ ধবিলে।

আক বেলি বাজহৰা বৰসবাহত বংশী বাপুৰেই আগবঢ়ুৱা হৈ দেৱাই দেউবীৰ পুতেকে সকলোবে লগত বহি মাহপ্ৰসাদ গ্ৰহণ কবাৰ অপবাধত দেউবীক সাত দণ্ড পবাচিত বিহিছিল। সেই কথাৰ কোব দেউবীয়ে পাহবা নাছিল। মুখ ওলোমাই কলে—"বংশী বাপুৰ গাৰ নোম এডালো লবাবৰ শকতি কাবোবাৰ আছে নে? আমাৰ নিচিনা ছাদছিগাৰ ওপৰত হে এটাইবোৰ বৰমতা। এই বোৰ কাণ্ড আমাৰ ঘৰত হোৱা হলে ইমানদিনে আমাৰ পদুলিত বাইজে টাবচিলিঙি পুতিলেহেঁতেন।"

দেউবীৰ শাৰপতি সলিয়া শইকীয়াই ভুন ভুনাই কলে "চাই থাকোঁ কব পানী কলৈ যায়। ববৰ হলে তোমাৰ সকলো লীলা। সকক হলে বান্ধি ধবি কিলা। দিয়ন-থোৱনৰ শকতি বাপুৰ আছে যেতিয়া বাপুৰ ভয় কি?

এপেউতকৈ খাবলৈ পালে সমাজৰ শিবোমণিহ'তে কণীৰ চোকোৱা—কুকুবাৰ ককৃককনি সকলো উকৰাহেই দিব' বুলি হবলা নাজানা?"

"হঃ এতিয়াহে তাৰ গমটো পাইছা শইকীয়া? আমি কাহানিবাই তিতিলোঁ বুবিলোঁ শিকিলোঁ বুজিছা।" বুলি গেণ্ডো গায়নে মুখ বিদবালে।

"কিন্তু বাপুৰে যে এমাহৰ ভিতৰতে আকৌ এগবাকী চপাম বুলি প্ৰতিজ্ঞা কবিছে সেই প্ৰতিজ্ঞা ভঙ্গ নকবিবলৈ বাপুক সামাজিক বান্ধ দিয়া আমি ভাল দেখোঁ। প্ৰতিজ্ঞা পালনেই হৈছে পুকষৰ প্ৰধান ধৰ্ম্ম।" বুলি বিয়া দিবলৈ থকা ছোৱালীৰ বাপেক বদন শৰ্ম্মাই সমজুৱাৰ আক বংশী বাপুৰ মুখলৈ চালে।

ওঁ্যা, কানাই কৈবৰ্ত্তক কটীয়া বজৰ লবা বলাই (১৭৬ পৃষ্ঠা)

বেদান্ত বাবিধিয়ে কলে—"সেই বোৰ পিছৰ কথা পণ্ডিত আউটৰ পবা হব। সম্প্ৰতি আমি জানিব খোজো বাপুৰে সমাজক ভাতেনে, সমাজৰ বিধান মানে?"

পণ্ডপতিয়ে বেদান্ত বাবিধিৰ মুখলৈ চকুবঙাকৈ চাই কলে "গোধাই নিজৰ গোঁধ নেদেখে। সকলোবে গোঁধ উকটিব পাৰোঁ হে। মক নমকাবা।"

সভাত গিজগিজনি উঠিল। কথা বিষম দেখি দণ্ডৰ বিধান পিছলৈ থৈ সকলোটিয়ে সেই দিনাটৈ দিহাদিহি গল।

বাটত যাওঁতে গায়নে দেউবীক কলে "সা-সকাম তিথি মহেশ্বৰবোৰত কি অপমানকেই এইবোবে মোক নিদিছিল। লবা ছোৱালীৰ হাতবপবা মাহ-প্ৰসাদৰ পাত কাৰি নিয়া কথালৈ মনত পবিলে এতিয়াও আমঠু ক'লা পবি যায়—কলিজা ফাটি চিবাচিব হয় বুজিছে। এতিয়া—?।"

দেউবীৰ মুখত মণৌ ওলাল—"ধুৎ"।

সজ্জনস্য মুখাদ্বাণী নিঃসৃতা গজদন্তবৎ

(বংশী বাপুৰ ছিয়া ফলকত)

দক্ষবানে ভগীয়েকক লৈ মোমায়েকৰ ঘৰত আশ্ৰয় ললে।

বিশ্বনাথ দক্ষৰ মোমায়েকৰ পুতেক। আই সৰস্বতীৰ প্ৰতি ওপজিবেপণা বিশ্বৰ প্ৰীতি ভাব আছিল। বামুণৰ লবা। কোনোমতে বগোৱা বাই ইংবাজী স্কুলৰ ছটা শ্ৰেণী লৈ উঠি নিবক্ষৰ নামটো ঘুচাই ঘবতে বহি বহি ডাঢ়িগোঁফ গজাই আছিল। দক্ষৰ মুখে সকলো শুনি বিশ্বনাথে হাঁহি হাঁহি কলে—"বংশী বাপুৰ পঞ্চম বিবাহৰ শুকভাৰ মই কাণ পাতি ললোঁ।"

পিছদিনাই বিশ্বনাথে ভবিত ছটি জোতা, কপালত ফোট লৈ—গাত এখনি পাতব চাদব মেবাই শুদ্ধ সাত্ত্বিক ব্ৰাহ্মণ যুবকব বেশেবে গধুলি পবত বংশী বাপুৰ ঘবত উপস্থিত হল। বংশী বাপুবে সেই সৌম্য মূৰ্ত্তি ব্ৰাহ্মণ সন্তানক দেখি আথে-বেথে বহিবলৈ আসন দি পবিচয় আক অহাৰ কাবণ সুধিলে। বিশ্বই ধীবে ধীবে কবলৈ ধবিলে—"এই সমস্ত ভূমিখণ্ডত আপোনাব নাম-যশ বৈ বৈ যোৱা। বোধ কবোঁ বিদিত আছে হলধৰ অধ্যাপক পশ্চিম অঞ্চলৰ এজন প্ৰসিদ্ধ নৈয়ায়িক পণ্ডিত।—তৰ্ক-শাস্ত্ৰত অদ্বিতীয় পুৰুষ। আমি তেবাবেই অধম ভ্ৰাতৃ। আজি ছবছবে নবছীপ, কাশী বৃন্দাবনত শাস্ত্ৰ অধ্যয়নত ব্ৰত হৈ সেই দেৱোপম ভ্ৰাতৃৰ মৃত্যু সম্বাদ পাই ঘৰ চাপিছোঁহি। অহো, পিতৃবৎ ভ্ৰাতৃ শোকত হিয়া মোৰ বিগণিত প্ৰায়।"—বিশ্বনাথে আক কব নোৱাৰিলে চকুত চাদবৰ আগ দি মৌন হৈ বল।

এটা দীঘল চমুনিয়াহ কাঢ়ি বিশ্বনাথে পুনৰ মুখ মেলিলে—"সেই পূজ্যপাদ অগ্ৰজৰ একমাত্ৰ কন্যা বগলা

সুন্দৰী বিবাহযোগ্য অৱস্থাত আশ্রয়হীনা। শুনিছোঁ ব্রাহ্মণ সজ্জনৰ সঙ্কটত ত্রাণ কৰ্ত্তা আপুনি।—শত শত লোকে আপোনাৰ মুখাৰবিন্দলৈ সতৃষ্ণ নয়নে চাই থাকে।"

সন্তোষৰ হাঁহি মাৰি বংশী বাপুৰে কলে—"আমি মাগো আমাৰ কৰ্ত্তব্য কৰোঁ।"

"নিবহঙ্কাৰী অমায়িক পুৰুষৰ বাক্যই এনে। আক শুনিছোঁ এই মাহৰ ভিতৰতে পুনৰ বিবাহ কৰিবলৈ আপুনি প্রতিজ্ঞাবদ্ধ।"

অন্তৰৰ ভাব গোপন কৰি বাপুৰে চকু মুদি গহীনাই কলে—"মোৰ আক সেইবোৰ জ্বালা জঞ্জাল বঢ়োৱাৰ সমুলি ইচ্ছা নাই। আনীৰ্ব্বাদ দিয়ক যেন সেই পতিত পাবন পৰম ব্রহ্মৰ চিন্তাত জীৱনৰ বাকী ছোৱা কাল নিৰ্ব্বিবাদে কটাব পাৰোঁ।"

"তথাস্তু।—কিন্তু এই মায়া মোহৰ সংসাৰত জাল-জঞ্জাল নবঢ়াই বুলিলেও শতদ্বন্দ্ব বাৱনৰ মুৱৰ দৰে আপোনা আপুনি সেইবোৰ বাঢ়ি যায়। সংসাৰ ভগৱদ্ভক্তিৰ অপূৰ্ব্ব পৰীক্ষা ক্ষেত্ৰ। আপোনাৰ এই সুশ্রী, সুঠাম, গুণস্তৱ অৱয়বে ঘোষণা কৰিছে—পৰম পুৰুষৰ প্রতি আপোনাৰ নিষ্কাম, অহৈতুকী বসময়ী ভক্তি।—আপুনি সংসাৰত লিপ্ত থাকিও মুক্ত। কৰুণাময়ৰ কৃপা!—" বিষ্ণুনাথে পৰম পুৰুষৰ প্রতি এটি প্রণাম জনাই আকৌ কলে—"ওমকৰ; জন্ম, মৃত্যু বিবাহ সেই অজ্ঞাত অজ্ঞেয় পুৰুষৰ বাহিৰে কাৰো হাত নাই। ক্ষুদ্রাদপি ক্ষুদ্র সৃষ্ট জীৱ মহুষ্যৰ কি কণেই বা শক্তি। শুক্লবর্ণৰ চুলি এডালকো জীৱনৰ শত চেষ্টাতো সি কলা কৰিব নোৱাৰে। অথচ আমাৰ কি অহমিকা।—এই অহংকাৰেই মানৱৰ অধোগতিৰ মূল। কৈছে, বিবাহ নকৰাওঁ বুলি, কিন্তু ক'ক চোন, আলচা কথাৰ জানো কেতিয়াবা সিদ্ধি ঘটে? কথাতেই আছে আলচ্য কথাৰ নহয় সিদ্ধি, বাটত আছে কণা বিধি! সিমানেই আপুনি বিবাহ নকৰাওঁ বুলি মনতে আলচিব—সিমানেই সেই বিধাতা পুৰুষৰ অপূৰ্ব্ব বিচাৰ ফলত বিবাহৰ নিমিত্তে আপোনাৰ মন ব্যাকুল হৈ পৰিব। কি বহস্য, কি লীলা! ভাবি চাওক আপুনিয়েই বা কোন—আনিয়েই বা কোন? কোনো কৰ্ম্ম সাধন কৰাৰ গৰাকী আমি—আপুনি নহয়।—এই গভীৰ ধার্শনিক তথ্য আপোনাৰ নিশ্চয় বিদিত আছে।" বিষ্ণুনাথে চকু মুদি ভাত লগালে—

হৃদিস্থিত হয়া স্বামী যেন কৰাবাহা তুমি
হৃষীকেশ কৰিবোঁ তেনয়।—

সেই হৃষীকেশেই মোৰ হৃদয়ত স্থিতি লৈ আপোনাৰ ওচৰলৈ মোক আজি টানি আনিছে। জানো আপোনাৰ পৰা, সজ্জন শিৰোমণিৰ পৰা, নিশ্চয় সহায় পাম। বগলা-সুন্দৰীৰ পাণিগ্রহণ কৰি এই ব্রাহ্মণ সন্তানক বিপদৰ পৰা—লোক লজ্জাৰপৰা ৰক্ষা কৰক।"

বাপুৰ কাণত বিষ্ণুনাথৰ কথাই অমৃত ববষিবলৈ ধৰিলে। তেওঁৰ গোটেই শৰীৰ পুলকিত হল।—চকুত স্বস্তিৰ ভাব ফুট উঠিল। তথাপিও বাপুৰে কলে—"মোকনো এই বোৰলৈ টানে কিয়?"

"টনা-আজোৱাৰ কথা নহয়।—দয়াময়ৰ ইচ্ছা পূর্ণ হবই। বিশেষ আপুনি প্রতিজ্ঞা বদ্ধ।—সজ্জনস্তু মুখাবাণী নিঃসৃতা গজদন্তৱৎ। পৰণ্ডৱামে প্রতিজ্ঞা বদ্ধ হৈ নিজ মাতৃক দ্বিখণ্ডিত কৰিবলৈ দ্বিধা বোধ কৰা নাছিল। দশৰথে নিজ প্রতিজ্ঞা ৰক্ষাৰ কাৰণে প্রাণসম পুত্রক চতুর্দ্দশ বৎসৰব্যাপী বনবাসৰ ব্যৱস্থা দিবলৈকে কুণ্ঠিত নহৈছিল।...মই দিব্য দৃষ্টিৰে আপোনাৰ হিয়া ফলকত বগলাসুন্দৰীৰ সেই

শ্যামা সুকেশী তনুলোম বাঙ্গী।
সুভ্রূ: সুশীলা সুগতিঃ সুহস্তা।

বেলী বিমধ্যা আৰু গজগামী—মনোহাৰিণী মূর্ত্তি দেখিবলৈ পাইছোঁ। মিলাই চাওক।—

কাগজত মেৰাই অনা এখনি ফটো বাপুৰ হাতত দিলে। বাপুৰে চকু মোৰ গাৰ বামনামী কাপোৰৰ আগেৰে মছি নাকত পিন্ধি চকুৰ পাতি নেপেলোৱাকৈ তন্ময় ভাবেৰে ডিঙি বেকাকৈ ফটোখনি চাবলৈ ধৰিলে।

বিশ্বম মুখত চুষ্টালিৰ মিচিকিয়া হাঁহি বিৰিঙি পৰিল। কলে—"এহেঁই আপোনাৰ ভাবী পত্নী বগলাসুন্দৰী। জন্ম পত্রিকাত আপোনাৰ অপ্রাকাশ্য নাম কিবা আছে নে? শুনিছেনে বোলো?"

বিশ্বৰ কথা দেওৰ কাণত সোমোৱাই নাছিল। সুন্দৰীৰ প্রতিকৃতিয়ে তেওঁৰ মন আৰু প্রাণ কোনোবা কল্পলোকলৈ উকৰাই নিছিল।

বিশ্বই হাঁহি হাঁহি আকৌ সুধিলে—"সোৱঁৰণিত—দেওৰ নাম?"

"কি কৈছে?—একেই—বংশীধৰ দেৱশর্ম্মণঃ।"

"উঃ। চিন্তা দূৰ হল। বৰ শ্রীমৎ বংশীধৰ বৰুৱা দেৱশর্ম্মণঃ—কণ্যা শ্রীমতী বগলাসুন্দৰী দেবী। ৰাজ-যোটক দেও—ৰাজযোটক। এই মিলন প্রাণৰ, প্রেমৰ মিলন, মহামিলন। ভাগ্যবান পুৰুষ আপুনি।—ভাগ্যৰ ফলতি সৰ্ব্বত্র। পিছে এটা কথা। মানুহৰ গাৰ নোমেই শত্রু। আপোনাৰো শত্রুৰ অভাৱ নাই। বগলাসুন্দৰীক বিয়া কৰিবলৈ বিচাৰি বিমুখ হোৱা লোকৰো অভাৱ নাই। তদুপৰি আপোনাৰ সর্ব্বজনীয়া সেই 'দ্বৰ্দ্দাৰ' বিল।—দক্ষযজ্ঞো হিংসুক। বিবাহৰ যাৱতীয় কার্য্য অতি সংগোপনে কৰিব লাগিব। বিবাহ সুসমপন্ন হৈ নোযোৱালৈকে যেন কোনেও আপোনাৰ বিবাহ প্রচেষ্টাৰ বিষয়ে ঘুণাক্ষৰেও জানিবলৈ নাপায়। সাৱধানৰ মৰণ নাই। আক ৰবচ পাতি? অৱশ্যে অলপ লাগিব। ভাল আজি আক উঠোহে। আকৌ এদিন আহিম।' বুলি বিষ্ণুনাথে আসনৰপৰা উঠিৰ উপক্রম কৰিলে।

"হে, হে, হে, কি কৰে!—গধূলি অতিথি সাক্ষাৎ দামোদৰ। অতিথিয়েই বা বোলো কিয়?"

"আজিলৈ নৱধৈব। আপোনাৰ সন্মতিসূচক শান্তি বাৰিবে বগলা-সুন্দৰীৰ তাপিত প্রাণ শীতল কৰিবলৈ মন মোৰ উদগ্রীৱ হৈ পৰিছে। আহিয়েই তো থাকিম। তেতিয়া টান পাই, কৈকালে কিন্তু নহব।"

"কিন্তু লেহে বুলি অন্ততঃ এই অক্ষিণ্ডনৰ ঘৰত আজি জলগ্রহণ নকৰাকৈ আপোনাক যাবলৈকো নিদিওঁ।"

শর্ম্মা-কৈবর্ত্তৰ একলিঙ্গ অসবর্ণ বিবাহ

(জন্মে জন্মে তুমি হৈবা স্বামী)

বিয়াৰ দিনা বিশ্বই ববৰ বেশেৰে বংশী বাপুক সজাই ওচৰ চুবুৰীয়াহোঁ নজনাকৈ মটৰত তুলি কলে "শুনিছে দেও, অতি সংগোপনে সকলো কাম কৰা হৈছে। কাৰণ কি বুজিছেই। বিবাহ বাসৰত কেৱল চাৰি পাঁচ জন মান আপ্ত মানুহে আপোনালৈ অপেক্ষা কৰিছে।"

ভোঁ ভোঁ কৈ মটৰ আহি বিয়া ঘৰৰ পদুলি চাপিল। 'দৰা আহিল, দৰা আহিল বুলি' উপস্থিত সকলোটি উৰুলী কৃত হৈ দৰাৰ ওচৰলৈ খোজ ললে।

"আদৰি আনা, আদৰি আনা" বুলি এটা ডেকা ল'ৰাই আত লগালে—

বাম বাম পালেহি পেটুৱা।
বাম বাম দৰা ঐ বগলা।
বাম বাম পালেহি পেটুৱা দৰা॥

"লাজ লাগিছে দেও? হে হে হে মুখৰ পৰা কাপোৰ-খন ওচাওক।...সীতা চাই ৰাম বিথতাই ঠিক কৰি থৈছিল দেহি। এনে মাণিক-জোৰ নহব সুপজিব। কেৱল বাপুৰ পেটটোহে··· "আক গালখন···"

"মেৰ—তামাছা এবা সিফালে যে বিয়াৰ লগ্ন পাৰ হৈ যাওঁ যাওঁ হৈছে তাৰ খবৰ বাখিছ?"—বিশ্ব দাদা, কেইটা বজাত লগ্ন?"

"বেছি পৰ আক নাই। বাপুক ৰভাত বহোৱাগৈ।

জন্মে জন্মে তুমি হৈবা স্বামী (১৭৬ পিঠি)

"দেও মোৰ পিঠিত উঠক। ববপেটটোবে মাৰ্ণো বেছিকৈ নেহেঁচিব। আও মোৰ গোসাঁই—গধূলা গধূৰ লেদ্ লেদকৈ গধূব। গোটেই গা ভিটামিনেৰ ভৰা। তিনি মোণ পোণে উনৈশ সেৰৰ এছটাকো হেৰুৱাবে নহব।"

"বিশ্ব দা কবিছে কি? আপুনি হল কন্যা কর্ত্তা। আপুনিও ববৰ কাষতে বহক গৈ। লগ্ন পাৰ হৈ যাব চাব।"

"হেৰ পুবোহিত বাপু এতিয়াও দেখো লোলাল হৈ একা? কত মৰিম গৈ মই। এইবোৰ কেৱল ভোজ খোৱা শিয়াল।"

"গান্ধর্ব্ব বিবাহ হওক।"

"শ্রীমৎ বংশীধৰ দেৱ শর্ম্মণ ভাগৱতীৰ বিবাহ একা! আস্তিক মৌনীবৰ—গৰুণ, গৰুণ। ভাবি-চিন্তি কবি হক।"

"তেন্তে আমাৰ পুণ্ডৰীকেই পুবোহিতৰ পদত বহক।

"বাৰু ঘণ্টাটো দে।—ওঁম্ কাকুৎস্থং কৰুণা ময়ং সীতাপতি সুন্দৰং—শিবকণায় ৰবায় নমো নমঃ। দেও অগ্নিলৈ আক ঘটলৈ দুন তুলসী এপাত দি হাতযোৰ কৈ বোলক

"ঘটং ঘটং মহাঘটং ব্রহ্মাণ্ড অয়য়ে স্বাহা।"—কি কৈছে আপুনি আয়ুর্ব্বেদীয়? আমাৰ ক্রিয়াদিত 'চিকিৎসা' নথৰিব দেও। আমি অথর্ব্ববেৰৰ বিধান মতে চলোঁ। বুজিছে। যি দেশত যি দস্তৰ। ওঁ এতিয়া উকলি দিয়ক "উলু-লু-লু!"

"আনা হে, কন্যা উলিয়াই আনা।"

"বোলো পুৰোহিত বাপু সপ্তগদলৈ নাপাহৰিব।" "এতিয়া দেহে কন্যাৰ চাৰিওফালে সাতবাৰ ঘুৰক।"

"সহয় হে দুবাই কন্যাৰ আৰু কন্যাই দৰাৰ চৌপাশে ছাবে তিনিবাৰকৈ পাক দিয়ক।"

"হেৰ, তেৱা লাগি তহঁতে চাইছ কি? গোটেই অকামিলা দে তহঁত। দে লগুণ গাঁথি দে। ভালকৈ বান্ধিবি দেই।"

"ওঁ, এতিয়া কন্যাৰ—শ্রীবিষ্ণু ববৰ চৰণত কন্যাই সাষ্টাঙ্গে প্রণিপাত কৰক।—সমস্তুরা সকলে আশীৰ্ব্বাদ দিয়ক—বিধিনিত আয়ুষ্ম শুভ কৰি কন্যাৰ শৰীৰত ধৰ-গৌৰীৰ বসতি হওক।"

"শিৱৰ কণ্ঠত গৌৰীৰ মাল্যদানৰ মাহেন্দ্ৰ ক্ষণ উপস্থিত। মুবটো অলপ চাপবাওক। ববপেটৰ প্রকোপত আইকণে ববৰ ভিতিকে চুকি নাপাৰ যেন পাওঁ।

বংশী বাপুৱে মুৰ চাপবালে। কন্যাই হাতে মালা লৈ বাপুৰ ভিতত পিন্ধাওঁতেই পুৰোহিত পুণ্ডৰীকে এতিয়া দৃষ্টি বিনিময় হওক" বুলি কন্যাৰ ওবণিখন অলপ ওচাই দিলে

বংশী বাপুৱে কেবাহি কৈ চাই—"অ্যাঁ—কানাই কৈৱৰ্ত্তৰ কন্যা—কটীয়া বজক হবা বলাই—পাজি কোথাকাৰ। পুলিছ পুলিছ কৈ জপিয়াবলৈ ধৰিলে।

"ঠগ, জোৱাচোৰ, পুলিছ পুলিছ" বুলি বিশ্বনাথেও লগে লগে চিঞৰিবলৈ ধৰিলে। তাৰ পিছত দেওক প্রবোধ দি কলে "এই অধৰ্ম্মী হাঁতে মোৰো নাক কাণ কটালে, আপোনাকো ইহঁতে বান্দৰ নচুৱালে। বাক থাক ভায়াহঁত। বংশী বাপু যদি মানুহ হয় তেন্তে দেৱানী ফৌজদাৰী, কালেক্টৰী লগাই তহঁতৰ ওপৰত পুলিছ দৌবাই কলখোৱা ধাতু বাহিব কৰি হে এৰিব। দেও, বলক বেজাৰ অসন্তোষ নকৰিব। ঘৰৰ মানুহ এতিয়া ঘৰলৈ উভতি যাওঁগৈ।"

"কিন্তু মোৰ গহনা-পাতি, টকা-পইছা?"

বলাই ওবফে বগলা সুন্দৰীয়ে নাচি-বাগি অভিনয়ৰ সুবত কলে "এই বোৰ লৈ যাওক। সতী সাধ্বী তিবোতাৰ স্বামীয়েই আভৰণ সাতসবী হাৰ। স্বামীৰ চৰণেই অমূল্য সম্পদ। কেৱল এই অভাগীয়ে এই আঙঠিটিকে স্বামী প্রেমৰ নিদর্শন স্বৰূপে বুকুত সাৱটি জীয়া বাঁহী হে জীৱনৰ জাগ্রত যৌৱনৰ বাকী ছোৱা কাণ হাঁহি হাঁহি কটাম প্রাণেশ্বৰ।"

"ওচ, পিশাচ।"

"ওচ,—আহা, মোৰ জীৱন সর্ব্বস্বৰ প্রেম সম্ভাষণ কি মধুৰ! কিন্তু মোক এই নৰ পবিণিতা অবলা বালাক এৰি কলে যাব প্রাণনাথ? যদি নিতান্তই নগলে নহয় তেন্তে আপোনাৰ সুকোমল আঙুলিবে অভাগীৰ এই এবেণীতা গোফত এবাৰ তাও দি তাপিত প্রাণ শীতল কৰি য'ক প্রাণনাথ।" বুলি নিজেই গোফত তাও দি হাত মেলি বগলা সুন্দৰীয়ে বাপুৰ বাট ভেটিলে।

সমজুৱা ডেকা হ'তে কলে—"দেও, দায় দোষ নধৰিব। অলপ মতি আমি অমুবধ আমি। নাজানো মিনতি ভুকতি। আপোনাবে শপত, আপোনাৰ মুবকে চোবাই চোবাই খাওঁ আমাৰেন নাপাহৰিব। আশীৰ্ব্বাদ দিয়ক যেন—"

বংশী বাপুৰ খণ্ডে গৈ ব্রহ্মতালুত খুলা লললৈগৈ। জ্বলিত হৈ কঁপি কঁপি কলে "বসাতলৈলে যাইক—হতশ্রী হইক।

"হতশ্রী হৈ তুকাই যীগাই মবাৰ আৰু বসাতলৈলে যোৱাৰ আগতে ছাগলী সিজোৱাবে আপোনাৰ খবচেৰে কন্যাদানৰ ভোজটো খাবৰ মানাৰ একান্ত ইচ্ছা মোৰ। নহলে কথাবোৰ "ব্যক্ত" হৈ পবিব। শর্ম্মা কৈৱৰ্ত্তৰ অসবর্ণ একলিঙ্গ বিবাহ—মনত বাখিব।

বগলাই বিনালে—

"ফাট মেলা বম্বমতী পাতালে লুকাওঁ।
ববপেট বংশী বাপুৰ মুখকে নাচাওঁ॥"

তাৰ পিছত দেওৰ আগত আঁৰু লৈ হাত যোবকৈ কলে "বিদায় প্রাণনাথ, বিদায় কিন্তু

বৰ মাগোঁ অভাগীয়ে পেটকে প্রণামি!
জন্মে জন্মে বিশ্ব খুবা তুমি হৈবা স্বামী॥"

বিশ্বই মুখত কাপোৰৰ সোপা দি বংশী বাপুক পাহৰ ফালৰ পৰা হেঁচিবলৈ ধৰিলে।

লাচিতৰ-কাহিনী

(মাজভোৱা)

—শ্রীযুত ক্ষেত্রধৰ বৰ-গোহাঁই, বি-এ

একুৰি ওঁঠৰ বছৰ অতি সুখ্যাতিবে বাজত্ব কৰি স্বর্গলোক প্রতাপসিংহ স্বর্গী হোৱাৰ পিছত আৰু দুজন কোঁৱৰে ক্রমে অসমৰ বাজপাটত উঠি পাঁচ বছৰৰ কাৰণে মাথোন বাজ্য ভোগ-কৰিবলৈ পায়। তেওঁলোকৰ দিনত দেশত বহত অন্যায় উপদ্রৱ আৰু অশান্তিৰ সৃষ্টি হোৱাত ভাতৃবীয়া সকলে আলচ পাতি দুজনজনকে বজা-ভাঙি চুতামলা নামেবে আন এজন উপযুক্ত কোঁৱৰক সিংহাসনত বহুৱায়। এওঁ বজা হৈ হিন্দুমতে জয়ধ্বজ সিংহ নাম লয় আৰু দেশাচাবকৈ নিজে হিন্দু ধর্ম্ম গ্রহণ কবি অহম সমাজত বৈদিক ধর্ম্ম আৰু আচাব-নীতি প্রচলনৰ পোন-প্রথম বাট মোকলায়। তেতিয়াৰেপবা অসমত বুদ্ধ ধর্ম্মাংশী টাই আৰু হিন্দু জাতিৰ মাজত ঐক্য ভাবৰ আদান-প্রদান বৃদ্ধি হবলৈ ধৰে আৰু আর্য্য-মণ্ডলীয় সভ্যতাৰ সংমিশ্রণত অসমীয়াৰ জাতীয়তা এটি নতুন গঢ় লৈ মুব দাড়ি উঠে।

জয়ধ্বজ সিংহ শিওবিষৰত উঠি বজা হোৱাৰ কিছু দিনৰ আগতে বয়োবৃদ্ধ আৰু বিচক্ষণ মন্ত্রী * মোমাই তামুলি বৰ-বৰুৱাৰ মৃত্যু হয়। তদুপৰি সেই সময়তে তিনিজন বজাৰ ভক্তা-পতা হোৱাত মন্ত্রী বিষয়াসকলৰ মাজত অলপ মনোমালিন্য ঘটে আৰু বাজ্যৰ সামৰিক শক্তিও দুর্ব্বল হৈ পবে। নতুন বজাই বাজ্যভাৰ কান্ধত লৈ নতুনকৈ মন্ত্রী-সভা পাতি দেশত সুখ-শান্তি প্রবর্ত্তাই আৰু আয়-বৰ্দ্ধাৰ সমল গোটাই ককালত বল বান্ধি ধৰিলে নৌ পাওঁতেই দিল্লীৰ সম্রাট আওবংজেবে তেওঁৰ সেনাপতি মিৰজুম্লাক অসম দেশ আক্রমণ কৰিবলৈ পঠিয়ায়। ইয়াৰ আগতে প্রতাপসিংহ বজাৰ দিনত অসম জয় কৰিবলৈ অহা মুছলমানৰ দুটা অভিযান ব্যর্থ হোৱাত এইবাৰ মিৰজুম্লাই কেইবা জনো ফৌজদাৰৰে সৈতে অসংখ্য বগুৱা লগত লৈ অসমৰ সীমা অতিক্রম কৰি নাৰেংতবে উজাই আহে। ওভাহাটীবপবা গড়গাওঁলৈকে ব্রহ্মপুত্র নৈৰ দুযো পাৰত মুছলমানে সৈতে অসমীয়া সৈন্যৰ কেইবা ঠাইতো যুঁজ লাগে; কিন্তু সুশিক্ষিত আৰু সবহীয়া মোগল সেনাৰ আগত তাকৰীয়া বাজ-সেনা ঠাৱঁবিব নোৱাৰিবে পিছ হঁহকিবলৈ ধৰে। অৱশেষত মুছলমানে লখেট গড় অধিকাৰ কবাত ভাতৃবীয়া বিষয়াসকলেবে লগ লাগি জয়ধ্বজ সিংহ গড়গাওঁ এবি নামবপৰ চবাই-খোবাংত পর্ব্বতত উঠে গৈ। ইফালে মিৰজুম্লাই বাজ নগৰত সোমাই তাতে বাহৰ পাতি থাকিবলৈ লয় আৰু বাজ্যৰ চাবিওফালে মুছলমানৰ বিজয় ঘোষণা কবি দিয়ে।

এনেভাৱে কেইমাহমান যোৱাৰ পিছত লাহে লাহে ঘোৰ বাবিষা কাল আহি পবিল। ববনৈ দু-কুল-ডাকি বাঢ়ি উঠিল। নগৰৰ চৌ-পাশে বান-পানীয়ে ঘোৰ মূর্ত্তিবে দেখা দিলেহি। এই সময়তে চেগ বুজি জয়ধ্বজ সিংহই লগত এদল সৈন্য লৈ পর্ব্বতবপৰা নামি আহি গড়গাওঁত মুছলমানক বেড়ি ধবিলে আৰু একে বাতিতে নগৰৰ গড় কাটি ভিতবলৈ ঢল-পানী সুমুৱাই মোগল সেনাক বিষম সঙ্কটত পেলালে। তথাপি নিজৰ সৈন্যবল ক্ষীণ হৈ থকাত বজাই দেখাদেখিকৈ মোগলবে সৈতে পুনৰ যুঁজ পাতিবলৈ সাহ নকবি মিৰজুম্লাবে এটা সন্ধিৰ প্রস্তাৱ পঠিয়ালে। বাৰিষাত বহুত অসুবিধাৰ কাৰণে বৰ ঢেকেত

* আগভোৱাত মোমাই তামুলিক তুলসমে "মণ্ডুক ববৰুৱা" খোলা হ'ল। ববৰুৱাবাৰ কেইবা গৰাকীও ভাৰ্য্যা আৰু কেইবাটিও পুত্র আছিল। তেওঁৰ এগৰাকী অণুত্রা ভাৰ্য্যাই লাচিতক পো'ষুলি তুলি লৈছিল।—লিখক

পরি মিবজুয়ায়ে বজায় প্রস্তারত মান্তি হৈ গড়গাওঁ এবি ভটিয়াই যাবলৈ ওলাল। বজাই নিজব চুক্তিমতে প্রচুব সোণ-রূপ আরু অলঙ্কাবৰে সৈতে জীয়েক বমণী গাভৰুক বাদচাহব লগত বিয়া দিবলৈ মিবজুমাক গতালে। জীববীব লগত ভালমোন বন্ধী-বেটী আরু তিনি জনা ডাঙবীয়াব পুতেক তিনটেকো ওল দিলে। তদুপবি বাদচাহলৈ পিছত তিনি লাখ টকা আরু নক্সৈটা হাতী পঠাবলৈ বজাই গাত ললে। এইৰূপে উভয় পক্ষব মাজত সন্ধি হোৱাত, মিবজুমাই সসৈন্তে নিজব দেশলৈ উভটিল আরু স্বর্গদেউ জয়ধ্বজ সিংহ পুনব সিংহাসনত বহিল।

এই ঘটনাব পিছত জয়ধ্বজ সিংহই আরু সবহ দিন স্বাস্থ্যভোগ কবিবলৈ নাপালে। মুছলমানব হাতত পবাস্ত হৈ অন্তবত ববকৈ আঘাত পোৱাত এবছৰ মানব মৃততে তেওঁ স্বর্গী হয়। জয়ধ্বজ সিংহব কোনো উপযুক্ত সন্তান নথকা কাবণে তেওঁব মৃত্যুব পিছত ডাঙবীয়াসকলে আলচ কবি চাবিঙীয়া ফৈদব কোঁৱৰ চুপুমুক্ত আনি সিংহাসনত বহুৱাই বজা পাতে। তেওঁ বজা হৈ হিন্দুস্তে চক্রধ্বজ সিংহ নাম লয় আরু কেইজনমান ঘাই বিষয়াব সালসলনি কবে। এওঁব দিনতে আতন বুঢ়া-গোঁহাঞে বাজ-মন্ত্রীব বিষয় পায়; আরু এইজনা ডাঙবীয়াবো তেওঁব আগব চলা-জনা বুঢ়া-গোহাঁইব দবে আমাব প্রবন্ধব নায়ক লাচিতব ৰূপ-গুণত মুগ্ধ হৈ তেওঁক আনব দাতলৈ এবি নিদি নিজব বব তামুলি কবি বাখে। লাচিত এতিয়া চক্ষল ডেকা আরু ঢাল-তবোৱাল, ধনু-কাঁড়, হিলৈ-বান্ধদ আদি চলোৱাত এজন পাকৈত বণুৱা।

স্বর্গদেউ চক্রধ্বজ সিংহ অসমব বাজ-পাটত উঠা মাজেই পূর্ব্ব- জয়ধ্বজ সিংহই মিবজুমাব লগত কবা সন্ধি অনুসবি অসম বজাই বাদচাহক যি তিনি লাখ টকা আরু নক্সৈটা হাতী দিবলৈ বাকী আছিল আরু বছবি কুবিটাকৈ হাতী শোধাবলৈ গাত লৈছিল, সেই সকলো চয়-পেচকচ উচল কবিবব কাবণে বাদচাহে ওয়াহাটীতে থকা মোগল ফৌজদাবক আদেশ দিলে। বাদচাহব হুকুম মতে ওয়াহাটীব নবাব ফিবোজখাঁই অসমীয়া মাধৱচবণ কটকীবে সৈতে কচিংখাঁ আরু জফবখাঁক বজাব ওচবলৈ পঠিয়ালে। লগত এটা সৰু ফৌজ লে দুই ফৌজদাব সাতখন নাৱেবে ব্রহ্মপুত্রইদি উজাই দিখৌ নৈয়েদি সোমাই বাজ নগৰব ওচব চাপিল। ঘাটত নাওঁ বান্ধি হাতত তবোৱাল আরু নবাবব সন্দেশ-পত্র লৈ কচিংখাঁ আরু জফবখাঁ নগৰব বব দুৱাবব মুখত উপস্থিত হল। দুই কটকীয়ে বজাক সেৱা নকবি "তস্লিম" জনাই আরু "এমবাও" বুলি সম্বোধন কবি পূর্ব্বব চুক্তিমতে দিব লগা ধন আরু হাতী খুজিলে। অভিমানী বজা চক্রধ্বজ সিংহই কটকীৰ এনে আচবণত কষ্ট হৈ নবাবব সন্দেশ-পত্রব কোনো সমিধান নিদিলে। তাব পিছত নবাবব কটকীয়ে আকৌ ঘনে ঘনে গড়গাওঁব বব দুৱাবব মুখত গিয় হৈ চয় পেচকচ সাধি বজাক অধিক গর্ব্ব বচন বোলাত, বজাব অন্তবত অপমান অসহনি হৈ উঠিল। তেতিয়া চক্রধ্বজ সিংহই কচিংখাঁ আরু জফবখাঁক কটকী হৈ অহা বাবে বব নকবি ততালিকে নগৰবপবা উলিয়াই খেদিলে। নবাব ফিবোজখাঁলৈ বজাই এই বুলি উত্তব দিলে—"মই স্বতন্ত্র বজা; একোকালে পবব অধীন হোৱা নাই। কাকো কোনো কব-কাটল দিবলৈ মই বাধ্য নহওঁ। ইয়াকে কৈ মোগল কটকীক আঁতবাই খেদি বজা তলে তলে যুদ্ধব কাবণে সাজু হল।

চক্রধ্বজ সিংহ এজন বব সাহসী আরু তেজস্বী বাজ-পুৰুষ আছিল। বাদচাহব তলতীয়া বজা হৈ বাজ্যভোগ কবাতকৈ শত্রুব লগত যুঁজি প্রাণ এবাই ভাল; ইয়াকে ভাবি বজাই পাত্র-মন্ত্রীসকললৈ সৈতে যুদ্ধব বিষয়ে মতণা পাতিলে। তিণাম আরু চাবিওব বজা সকলো আহি এই আলোচনাত যোগ দিলে। বণব আহিলা-পাতি আরু সৈন্তবল যথেষ্ট নোহোৱা গতিকে ডাঙবীয়া বিষয়া বিলাকে বজাক সপ্তাহি যুদ্ধ ঘোষণা নকবিবলৈ পবামর্শ দিয়াতো বীব চক্রধ্বজসিংহই যুদ্ধব অর্থে দৃঢ় প্রতিজ্ঞ হৈ ওলাল। মোগলব বিৰুদ্ধে বণ দিবব কাবণে সাজু হবলৈ বাজ্যব দাঁতি-কাষবীয়া বিষয়াসকললৈকো বজাই ডুবৰে আদেশ প্রচাব কবিলে। খাব-বধীয়া ফুকন, নাওখনীয়া বৰুৱা আদিক তাগিদ দি অবিলম্বে খাব-বাকব আরু যুদ্ধ নাও তৈয়াব কবোৱা হল। নগৰব ববছৱাবব মুখতে কমাব-শাল পাতি বজাই অস্ত্র-শস্ত্র গঢ়ালে আরু নিজে

আগত থাকি কাঁড়িক কাঁড় মবাই, হিলৈদাবীক হিলৈ ধবাই, বাস্তুতীক বাক চবাই সৈনিক সমূহক শিক্ষিত আরু উৎসাহিত কবি তুলিলে।

অসম-বজাই কব-কাটল নিদি যুদ্ধ-ঘোষণা কবা বাতবি পাই সিফালে ওয়াহাটীব পবা এটি শকত ফৌজ লৈ নবাব ফিবোজ খাঁ বণব সাজেবে উজাই আহিল। এখ ন বব নাও বহুত-পাতি আরু বণুৱাবে বোজাই কবি আনি দিখৌ নৈব মুখত ফিবোজ খাঁই কোঁঠ মাবিলে। ভাটি ফালব পবা বঙালব নবাবেও ফিবোজ খাঁক সৈন্ত-বলব যোগান দিবলৈ ধবিলে। বঙালব হাই চটিত বব নৈব ছয়ো ফুলত অসমীয়া মানুহ বব নোৱাবা হল। ইফালে সৈন্ত-সামন্ত আরু সামবিক সঁজুলি গোটাই চক্রধ্বজ সিংহই যুদ্ধব কাবণে প্রস্তুত হৈ আছিল। মোগল সেনা লাহে লাহে উজাই অহাব খবব দিনক দিনে বজাব কাণত পবিল আরু বাজ নগৰত বণব আয়োজন বব বব লাগিল। কাক যাই সেনাপতি পাতি বণলৈ পঠিয়ালে মোগলক পবাজয় কবিব পাবিব, তাকে স্থিব কবিবব কাবণে বাইলুঙব হতুৱা কুকুবা ঠেঙেবে মঙল চোৱা আরু গণকব দ্বাবা গণনা কবোৱা হল। এজন এজনকৈ সকলো ডাঙবীয়া বিষয়াৰ নামত বাইলুঙ আরু গণকে মঙল চাবলৈ ধবিলে। এইদৰে মঙল চাওঁতে চাবি দিন গল; কাৰো নামত মঙল নফলিয়ালে। তেতিয়া বজা বিষয়া সকলো মহা বিমোবত পবিল। বুঢ়া গোঁহাই ডাঙবীয়াব বব তামুলি লাচিতে নিতৌ ডাঙবীয়াব লগত বাজ চবালৈ যাওতে এইবোৰ আংচোনা দেখি-শুনি আছিল। পঞ্চম দিনা বুঢ়া গোঁহাই ডাঙবীয়া চবালৈ অহাব আগতে লাচিতে অতি সন্তর্পনে ডাঙবীয়াক জনালে—"দেউতা, বন্ধীব নামেও আজি মঙল এখন মবাই চাবচোন।" এই কথা শুনি ডাঙবীয়াই স্তম্ভিত হৈ লাচিতব মুখলৈ চালে। লাচিতব সাহ-বল আরু চোকা বুদ্ধিত আগবে পবা ডাঙবীয়াব ভাল বিশ্বাস আছিল। এতিয়া লাচিতে নিজে সাহ কবি এনে কথা কোৱাত ডাঙবীয়াব অন্তবত অলপ আশাস জন্মিল। শীঘ্রে বাজ চাবলৈ গৈ লাচিতব নামত মঙল মাবিবলৈ ডাঙবীয়াই প্রস্তাব কবিলে। বজা-বিষয়া সকলোৱে সেই প্রস্তাবত সম্মতি দিলে। বান চেঙত (মঙল চোৱা অহম পুথি) কুকুবা ঠেং মবাব আগতে বাইলুঙে "ঠাম" অর্থাৎ দেৱতা সকলক স্তুতি কবিলে। মন্ত্র—মঙ্গলং বাইলুং আরু অচ্যুতানন্দ গণক উভয়ে মঙলত লাচিতব নাম ভয়-যুক্ত হৈ উঠিল। মঙ্গলতী সকলে তেতিয়া হাঁহি মাবি লাচিতব গালৈ আঙুলি তোঁৱালে আরু চাবান ডাঙবীয়া-বিষয়া সকলোৱে আচবিত আরু আনন্দিত হৈ লাচিতক চাবলৈ ধবিলে।

মঙ্গলব শুভ সম্বাদ বজাক জনোৱা হল। লাচিতব তেজ পবীক্ষা কবিবব মনেবে বজাই লাচিতক ভিতব চাবালৈ মতালে আরু ইফালে নিজব তামুলিক গুপ্তভাবে কৈ থলে যে, লাচিতে আহি সেৱা কবোঁতে, তামুলিয়ে তেওঁব মুবব পাগুবিটো থাপ মাবি আনিব। বজাব আদেশ পাই ততালিকে সাজ-পাব পিন্ধি লাচিতে বজাক দর্শন কবিবলৈ গ'ল। লাচিতে বজাব আগত আঁঠু কাঢ়ি সেৱা জনাওঁতেই আগতে শিকাই থোৱা মতে বজাব তামুলিয়ে তেওঁব মুবব পবা পাগুবিটো থাপ মাবি নিলে। লাচিতে খন্তত কদ্রমূর্ত্তি ধবি "তব কিয় মোব মুবত হাত দিবি" বুলি বজাব সাক্ষাততে তামুলিক কাটিবলৈ ওলাল। তামুলি ভয়ত আঁতুবি হৈ লৰ মাবি বজাব সিংহাসনব তলত সোমাল গৈ। লাচিতে তামুলিক তাৰৈলে খেদি যোৱাত, বজাই তৎমুহূর্ত্ততে লাচিতক হাতত ধবি শাস্বনা কবিলে—আরু তেওঁব সাহসত সন্তুষ্ট হৈ তেতিয়াই এখন হেন্দুদানেবে সৈতে এগছ টঙালি দি তেওঁক বাজ-সেনাব ঘাই সেনাপতি-ৰূপে ববিলে। চোৱব ডাঙবীয়া-বিষয়া সকলে জয়ধ্বনি কবি লাচিতক আশীর্ব্বাদ দিলে - "লাচিত পুক চিব বা তেলোই খাবৈ"—লাচিতব সকলো প্রকাবে জয় হওক! বণোন্মত্ত লাচিত বীব ততালিকে হাতত হেন্দুদান লৈ বাজ-সৈন্ত-বাহিনী পবিচালনা কবিবলৈ ওলাল।

বণলৈ যাত্রা কবাব আগতে তিনটা ক'লা পাঁঠা বলি দি বণ চণ্ডীব পূজা পাতি লাচিত সেনাপতিৰ শিবত বিজয়-মাল্য পিন্ধোৱা হল। তেওঁব শবীবব প্রতি শিবত শত্রু হত্যাব কোপানলত উদ্ভপ্ত তেজ বেগেবে ববলৈ ধবিলে। লাচিত সেনাপতিব আদেশ মতে নাওবৈবা ফুকনে ডুবস্তে

সৈন্য-সামন্ত আৰু বণৰ আহিলা-পাতিবে সজ্জিত কবি বাৰ জন পানি ফুকনেৰে সৈতে এশ কুবিখন বৰ নাও ভাটি মুলুকৈ মেলিলে। এশ জন শয়কীয়াৰ লগত তেওঁলোকৰ নিজ নিজ বণুৱা কাঁড়ী; সাত জন বাজখোৱাবে সৈতে সাত হেজাৰ গন্ধীয়া হিলেদাৰী; দহজন বকৱাৰ বাহিবেও বৰ গোঁহাই, বুঢ়া গোঁহাই, বৰ পাত্ৰ গোঁহাই, বৰ গোঁহাই ফুকন আদি সকলো বিষয়াই লাচিতৰ আদেশ অনুসবি নাৰে-তবে মোগলৰ সন্মুখলৈ যাত্ৰা কবিলে। বিষয়া সকলৰ লগে লগে দেওধাই-বাইলু, গণক-পণ্ডিত, বাৰুনি চাংমাই, চাওকৰ আদি আৱশ্যকীয় মানুহ হিচাপ কবি দিয়া হল। লাচিতে নিজৰ লগত সাত-শ বছল-ভাৰীবে এদল তেজী সৈন্য লৈ গড়খাঁও এবি দিখৌ মুখৰ ফালে বায়ু বেগেৰে খোজ ললে। এই দবে গৈ শত্ৰুৰ হাউলিৰ ওচৰ চপাৰ আগতে এজাক পহমনীয়াই হাবিৰ মাজত পহ খেদাৰ শব্দ শুনা গল। সিইতে লাচিত নামৰ কুকুৰ এটাকে শহৰ পাতত লগাই চিঞৰিছিল। সেই শব্দ কাণত পৰাত লাচিতৰ অন্তৰত শত্ৰু শোণিতৰ পিয়াহ আৰু প্ৰবল হৈ উঠিল। দিখৌ মুখতে বন্ধালৰ লগত লাচিতৰ পোন প্ৰথম ভেটা-ভেটি আৰু তুমুল যুদ্ধ হয়। এই যুঁজত লাচিতে অতুল সাহ আৰু প্ৰবল বিক্ৰমেৰে শত্ৰুক আক্ৰমণ কৰে। অহম সেনাই জুইৰ ফিবিঙটিৰ দৰে শত্ৰুৰ মাজত উফৰি পৰি শত্ৰুক এফালৰ পৰা কাটিবলৈ ধৰাত, ফিৰোজখাঁৰ ফৌজ সৰহ পৰ ঠাইবিৰ নোৱাৰি নাওমেলি ভটিয়াই যায়। এনেতে নাওবেচা ফুকনেও সসৈন্যে নাৰেৰে গৈ দিখৌ মুখৰ অলপ ভাটিত লাচিতক লগ ধৰে। তাতে লাচিতে সকলো সৈন্য আৰু সেনাধক্ষ্য আকৌ নতুনকৈ ভাগ কবি এদলক নাৰেৰে আৰু দুদলক ব্ৰহ্মপুত্ৰৰ চুমা পাৰে বামেদি আগুৱাবলৈ আদেশ কবে।

এইৰূপে নাৰে-তবে জাউবিয়ে জাউবিয়ে হিলৈ বৰটোপ উকৰাই অহম সেনা বঙালৰ পাছে পাছে খেদি গল। সিফালে ভাটিব পৰা আৰু সাত হেজাৰ মোগল সৈন্য নাৱেৰে উজাই আহি ফিবোজ খাঁৰ লগত যোগ দিয়াত, বঙালে বল পাই নেথেবি টিঙত পুনৰ ফেব পাতি যুদ্ধ ধবিলে আৰু ধন শিবি মুখত এটা শকতকৈ কোঠ মাবিলে। তাতে দুয়ো পক্ষৰ মাজত ঘোবতৰ যুঁজ লাগিল। লাচিতৰ পৰাক্ৰমৰ আগত মোগল সেনা টিকিব নোৱাবি ক্ৰমে ভটিয়াই গল। তাৰ পিছত কণ্ড আৰু কাঁজলী মুখৰ বণত আকৌ মোগল পৰাস্ত হোৱাত বিপক্ষৰ কুবিখন নাও আৰু এশ হিলৈ অহম সেনাৰ হস্তগত হয়। পৃষ্ঠত ক্ৰমাগত জয় লাভ কবি লাচিতে উৎসাহ পাই কালাগুৰু মুৰ্ত্তিবে বঙালক খেদি ভাটি মুলুকৈ আগ বাঢ়িবলৈ ধবিলে। অৱশেষত গুৱাহাটী, হাজো আৰু বঙামাটিত আহুতীয়াকৈ বখা মোগল ফৌজ আটাইবোৰ গোটখাই ইটাগুলি আৰু ভবলু মুখত কোঁঠ মাবি ফিবোজখাঁৰ সহায় হল হি। জলে স্থলে ব্ৰহ্মপুত্ৰৰ চুমা কুলত দুমাহ ধুবি ভীষণ যুঁজ লাগিল। এই বণত কেইবা জনো অহম বিষয়া আৰু ভালেমান সৈন্য মোগলৰ হাতত পবিল। তথাপি লাচিতে নিৰুৎসাহ নহৈ নেবানেপেবাকৈ যুঁজি অন্তত মোগলক বিষমৰূপে ঘটালে আৰু শত্ৰুপক্ষৰ হাতী ঘোঁবা, হিলৈ, তোপ আৰু অন্যান্য সম্পত্তি বহুত হাত কবিলে। সামৰিক শক্তি ক্ষয় হোৱাত নিতান্ত দুৰ্ব্বল হৈ ফিবোজ খাঁ গুৱাহাটীৰ কোঁঠ এবি সসৈন্যে পলাবলৈ বাধ্য হল। লাচিতে মানাহাৰ মুখলৈকে খেদি গৈ ফিবোজখাঁক সম্পূৰ্ণ ৰূপে পৰাজয় কবিলে। তাতে বহুত মোগল সৈন্য আৰু সেনাধক্ষ্য অহমৰ হাতত বন্দী হল আৰু বিছুমান পলাই যাবিল। লাচিতে বণত জয়ী হৈ লাভ কবা সকলো বস্তুবস্তু আৰু বন্দী কবা মানুহ গড়গাঁৱলৈ পঠিয়াই স্বৰ্গদেৱ চক্ৰধ্বজ সিংহক নিজৰ কুশলবার্ত্তা আৰু দণ্ডৱত জনালে। লাচিতৰ বিজয় বাতবিয়ে বাজ্যৰ বজা-প্ৰজা ডাঙৰীয়া বিষয়া সকলোবে অন্তৰত অপাৰ আনন্দ আৰু শান্তি দিলে। বণত বন্দী কবি নিয়া মুছলমানবিলাকক চক্ৰধ্বজ সিংহই গড় গাঁৱৰ ওচবতে নিজ নিজ মৰ্য্যাদা অনুসবি মাটি-ভেটী দি থাপিলে। লাচিতৰ বীৰত্ব-গুণত পৰম প্ৰীত হৈ ৰজাই তেতিয়াই ডাঙৰীয়া সকলেবে সৈতে পৰামৰ্শ কবি এদল কাহুৰা সৈন্য আৰু জনদিয়ক তলতীয়া কৰ্ম্মচাৰী দি লাচিত সেনাপতিক গুৱাহাটিত নিগাজিকৈ ববফুকন পাতি বাখিলে। লাচিতে মানাহা নৈৰ মুখকে অসম আৰু বঙ্গদেশৰ সীমা নির্দ্দিষ্ট কবিলে। সিদিনাবে পৰা বিজ্ঞ মন্ত্ৰী মোমাই তামুলি ববৰকৰাৰ সুযোগ্য পুত্ৰত মহাবীৰ ববফুকণ স্বৰ্গদেৱৰ প্ৰতিনিধি স্বৰূপে নামনি অসমৰ প্ৰধান শাসনকৰ্ত্তা হল আৰু বলধান শত্ৰুৰ আকস্মিক আক্ৰমণৰ ঘুন্না মুবপাতি লব পবাকৈ তেওঁ গুৱাহাটিত এটা শকতকৈ গড় মাবি ভবিষ্যত বিপদৰ কাবণে সতর্ক হৈ থাকিল।

লাজুকী

শিল্পী—শ্রীবিনয়

জুয়েল অফ্ ইণ্ডিয়া প্রেসত মুদ্রিত, কলিকতা।

কীর্ত্ত-মন্দিৰ

গল্প— —শ্রীযুত বিষ্ণুচৰণ বৰা বি-এল

অমৰত্ব দুই প্ৰকাৰৰ। এক প্ৰকাৰ অমৰত্ব—যিটো আত্মাই মৃত্যুৰ পিছত প্ৰকৃততে ভোগ কৰে অৰ্থাৎ মুক্তি। অন্য প্ৰকাৰৰ অমৰত্ব কীৰ্ত্তি বা যশস্যাৰ কাল্পনিক স্থিতি। পৃথিবীৰ সকলোবিলাক উৎকৃষ্ট আৰু মহৎ কাম এই দুই বিধ অভিলাষৰ পৰাই উৎপত্তি। যি সকলে একমাত্ৰ যশস্যাৰ বাবেই জীৱন উছৰ্গা কৰিছে, সেই সকলেইহে আমাৰ আজিৰ আলোচ্য বিষয়। এই কাৰণেই ধৰ্ম্মানুষ্ঠাতা আৰু ধৰ্ম্মপ্ৰাণ ভক্ত সকলক বাদ দিয়া হল। যশস্বী সকলৰ পৰিচয় বিচাৰি সকলো বিদ্বান লোকৰ সহায় বিচৰাত যি সকলে আমালৈ এওঁবিলাকৰ 'ফিবিস্তি' পঠালে সেই সকলৰ ওচৰত আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। ইজনৰ লগত সিজনৰ আৰু সিজনৰ লগত ইজনৰ তুলনা কাৰ্য্যত মোৰা কালি গোটেই ভাটিবেলা ধেৱালোঁ। অত্যাধিক মানসিক পৰিশ্ৰমৰ ফলত গোটেইটো বাতি উজাগৰে থাকি প্ৰভাতৰ পূৰ্ব্বে অলপ তন্দ্ৰাৰ ভাব হৈ এটা মনোৰম সপোন দেখিলোঁ।

স্বপ্নত দেখিলোঁ এটা দৈত্যই আহি মোক এক অতি বহল কিন্তু জনাকীৰ্ণ সমতল ঠাইলৈ লৈ গল। এই ঠাইৰ মাজত মেঘত লাগি থকা এটা পৰ্ব্বত। পৰ্ব্বতৰ দীতি অতি থিয় গৰা আৰু পিছল। এনে ধৰণেৰে ই পাঠিত যে সৃষ্টিৰ সকলো প্ৰাণীৰ ভিতৰত অকল মনুহেই হে ইয়াত বগাই ওপৰলৈ উঠিব পাৰে। সেই ঠাইত থিয় দিয়া মাত্ৰেই পৰ্ব্বতৰ শৃঙ্গৰ পৰা প্ৰাণস্পৰ্শী বাদ্যধ্বনি শুনিলোঁ। যি সকলে কাণপাতি একাগ্ৰমনে সেই মধুৰ বাদ্যধ্বনি শুনিছিল তেওঁবিলাকৰ মন আনন্দত আপ্লুত হল। সেই ধ্বনিত মানুহৰ প্ৰকৃতি অনুপ্ৰাণিত হৈ বহুত ওপৰলৈ উঠিল যেন বোধ হৈছিল। মই বৰ আচৰিত হলোঁ যে সকলোবে কাণ থকা স্বত্তেও অতি কম লোকেহে সেই ধ্বনিৰ মাধুৰ্য্য গ্ৰহণ কৰিলে। কিন্তু চাৰিওফালে ভালকৈ দৃষ্টিপাত কৰাৰ পিছত মোৰ আশ্চৰ্য্য নাথাকিল। এই পৰ্ব্বতৰ কাষতে প্ৰকৃতিৰ সৰু লতা-ফুল-নিজৰা সুশোভিত আৰু তিনটা সৰু পৰ্ব্বত। তাৰ প্ৰত্যেকটোৰ ওপৰত মুগ্ধকাৰিণী অতি কমৰতী একো গৰাকী পৰী আসীনা। পৰিচয় বিচাৰি জানিলোঁ প্ৰথমা গৰাকীৰ নাম দীৰ্ঘসূত্ৰতা, দ্বিতীয়া গৰাকীৰ নাম প্ৰমোদা আৰু তৃতীয়া গৰাকীৰ নাম অনভিজ্ঞতা। এওঁবিলাক তিনিও গৰাকীয়ে নিজ নিজ মাহাত্ম্য লৈ বক্তৃতা দিছে আৰু ভিন্ ভিন্ সমাজৰ ভিন্ ভিন্ বয়সৰ নীচ প্ৰকৃতিৰ নৰ-নাৰীসকলে বক্তৃতাত মন্ত্ৰমুগ্ধ হৈ থৰ লাগি বৈ আছে।

এনেতে দেখিলোঁ বাকীবিলাক মানুহে সেই ধ্বনিত আকৃষ্ট হৈ যুগ-বাদ্ধি পৰ্ব্বতৰ শৃঙ্গত উঠিবৰ অভিপ্ৰায়ে পৰ্ব্বতৰ কাষলৈ বেগ দিলে। ওপৰলৈ বগাই যাবলৈ অৱলম্বন স্বৰূপে প্ৰত্যেক জনে হাতত একোটাকৈ বস্তু ললে। কাৰো হাতত অস্ত্ৰ, কাৰো হাতত কাগজৰ মুবা, কাৰো হাতত কম্পাচ, কাৰো হাতত পৰিমাপক যন্ত্ৰ, কাৰো হাতত দূৰবীক্ষণ, আৰু কাৰো হাতত পেন্সিল। কেজন-মানৰ মুৰত মূলৰ মালা আৰু কিছুমানৰ ভৰিত পাদুকা। সংক্ষেপে কৰলৈ গলে প্ৰত্যেকৰে হাতত জ্ঞান বিজ্ঞান আৰু শিল্পৰ একোটাকৈ বস্তু আছিল। দৈত্যটো বৰাবৰ মোৰ সোঁহাতে আছিল। এওঁবিলাকৰ লগতে শাৰীপুৰাই পৰ্ব্বতত উঠিবলৈ মোৰ প্ৰবল ইচ্ছা হোৱাত সি মোৰ আকাঙ্ক্ষাক বৰ প্ৰশংসা কৰিলে। সমতলভূমিৰ পৰা শৃঙ্গলৈকে বাট-বুলি বাওঁতে মোক এটা মুখা পিন্ধিবলৈ কলে আৰু ময়ো আঁতিগুৰি মাৰি তাৰ কাৰণ নলৈ চকু মুখ চাকি মুখা এটা পিন্ধি ললোঁ। পৰ্ব্বতৰ কাষলৈ আহি দলটো ভাগি বেলেগ বেলেগ অসংখ্য দল হল আৰু

নিজ নিজ বাট বাছি লৈ প্রত্যেকেই ওপৰলৈ বগাবলৈ ধৰিলে। কিছুমানে ছুটি বাটেদি গৈ ওপৰলৈ আৰু বাট নাপাই যাব নোৱাৰা হ'ল। মই দৈত্যজনক সোধাত সি কলে—"এওঁলোকৰ বেছিভাগেই বাটে আৰু কাৰিকৰ।"

আমাৰ পিছত আৰু এটা দুহৰ দল আহিছিল। এই দলযোৱৰ মানুহবিলাকে শৃঙ্গলৈ যোৱাৰ অতি চমু বাট আবিষ্কাৰ কৰি পৰ্ব্বতৰ বৰ সৰু বাট বিলাকত সোমাই হাজাৰ হাজাৰ মেৰপাকত পৰি ওপৰলৈ উধাৰ নোৱাৰি তাতেই ব'ল। মোক দৈত্যজনে কলে, চতুৰ প্ৰকৃতিৰ বাজনীতিজ্ঞ আৰু বহুদৰ্শী জ্ঞানী-সকলৰ ঠাই এওঁবিলাকে দুৰ্ভতা আৰু প্ৰবঞ্চনাৰ দ্বাৰা অধিকাৰ কৰিব খোজে। এই দলৰ ভিতৰলে কিছুমানে মৰসাহ কৰি মেৰপাকৰ ভিতৰতে দুই চাৰি ছাঁ খোজ আগবাঢ়িছিল। কিন্তু পিছল খাই যি কেথোজ আগবাঢ়িছিল, তাতোকৈ কুৰিখোজমান তললৈ পৰিল। আমি চাই থাকোতে থাকোতেই এই দলৰ আটাইবিলাকে অদৃশ্য হৈ পৰিল। এতিয়া আমি পৰ্ব্বতত বহুত ওপৰলৈ উঠিলোঁ আৰু দেখিলোঁ সহস্ৰ সহস্ৰ বাটবিলাক ওপৰলৈ ক্ৰমান্বয়ে মিলি কেবল দুটা ডাঙৰ বাট হৈছেগৈ। দুয়োটা বাটৰ সংযোগ স্থলৰ অলপ কিছু নামনিত একোটাকৈ ভয়ঙ্কৰ ছাঁয়া বৈ আছে। সিহঁতে দুয়োটা দলকে শৃঙ্গলৈ যাবলৈ বাধা দিলে। এটা ছাঁয়াৰ সোঁহাতে কিছুমান জাঁঠি আছিল, আৰু সেই বাটেৰে যোৱা সকলৰ সমুখত জাঁঠিবিলাক আৰম্বৰ কৰি ঘুৰাবলৈ ধৰিলে। সেই গোটেই দলটোৱেই বৰ ভয় খাই ছাঁয়াটোকে 'মৃত্যুগৈ' 'মৃত্যুগৈ' বুলি চিৰঁবি উঙতি লৰ দিলে। সেই বাটত থকা ছাঁয়াটোৰ নাম হিংসা। আগবঢ়ো ছাঁয়াৰ দৰে এইজনীৰ হাতত কোনো ধ্বংসকাৰী অস্ত্ৰ নাছিল। কিন্তু মুখত ফিঃ ফিঃ ধিক্কাৰ শব্দ, তিৰস্কাৰৰ গোলযোগ আৰু ঠাট্টাবিদ্ৰূপৰ বিকট হাঁহিৰে মৃত্যুতকৈও ইজনী অতি ভয়ঙ্কৰী হৈ উঠিল। মোৰ নিজৰ অৱস্থা কবলৈ গলে এই ছাঁয়া দুটাক দেখি ভয়ত হিয়া উদং হৈ পেটতে হাত-ভবি লুকাল। ঠিক এই সময়তে শৃঙ্গবপৰা পুনৰাই অমৃতময় বাদ্যধ্বনি সকলোবে শ্ৰুতিকৈ কাণত পৰিল। এই মধুৰ ধ্বনিত পুনৰাই অনুপ্ৰাণিত হৈ সকলোৱে শৃঙ্গলৈ যাবলৈ দৃঢ়প্ৰতিজ্ঞ হ'ল আৰু প্ৰতিজ্ঞাৰ লগে লগে ভয়ো কমি আহিবলৈ ধৰিলে। যি সকলৰ হাতত অস্ত্ৰ আছিল, তেওঁবিলাকে অগ্ৰাহ্যভাব দেখুৱাই নিশব্দ মনে বুকু ওফন্দাই যাত্ৰা কৰি মৃত্যু-ছাঁয়া থকা বাটৰ মুখত থিয় দিলেগৈ। যি সকলৰ হাতত অস্ত্ৰ নাছিল সিবিলাকৰ মুখত কেবল গম্ভীৰ চিন্তাৰ ছাঁয়া বিবিণ্ডি উঠিছিল। তেওঁবিলাকে আৰু শান্তভাবে গম্ভীৰ গতিত যাত্ৰা কৰি হিংসা-ছাঁয়া পাৰ হৈ সেই বাটৰ মুখত থিয় দিলেগৈ। এই ছাঁয়া দুটা অতিক্ৰম কৰি সকলোৱে সমান, চিকণ আৰু মনোৰঞ্জক বাট পাই হৃষ্টমনে শৃঙ্গ পালেগৈ। সেই ঠাইৰ দৃশ্য অতি সুন্দৰ, বায়ু অতি তৃপ্তিকৰ। নীললোহিত বৰ্ণৰ চিন্তাকৰ্ষণ কৰা পথাৰবিলাক সকলোবে দৃষ্টিত পৰিল আৰু সকলোৱেই পৰ্ব্বত বগাই যোৱা পৰিশ্ৰম সাৰ্থক মানিলে। প্ৰত্যেকৰে মনত অনিৰ্ব্বচনীয় শুণ্ড আনন্দৰ প্ৰতিভাই দেখা দিলে। এই শৃঙ্গৰ ওপৰতে এটি আনন্দময় বৃহৎ মন্দিৰ। পৃথিবীৰ চাৰিও দিকলৈ মুখ কৰি চাৰিখন দুৱাৰ। এই মন্দিৰৰ চূড়াত সেই পৰ্ব্বতৰ দেবী সিংহাসনাৰূঢ়া। এওঁবিলাকৰ দেখি তেওঁ এটা মধুৰ হাঁহি মাৰি এওঁলোকক মন্দিৰৰ ভিতৰত প্ৰবেশ কৰিবলৈ সঙ্কেত কৰিলে। এওঁবিলাক ভিতৰত এতিয়া কেবাটিও ভাগ হ'ল। কিছুমান যুৱতীলৈখকে 'গাইড' স্বৰূপে এওঁবিলাকক যথাযোগ্যভাবে আগবঢ়াই নি পবিত্ৰ দিবলৈ প্ৰত্যেকখন দুৱাৰ মুখতে থিয় দি আছিল।

এতিয়া যুদ্ধ-যাত্ৰা বাদ্যধ্বনিৰ পৰিবৰ্ত্তে আহ্লাদ আৰু জয়ৰ ধ্বনি উঠিল। সেই ধ্বনিত গোটেইখন মন্দিৰ কঁপি উঠিল আৰু চাবিও দুৱাৰ মুকলি হ'ল। প্ৰথমতে এজন লাবণ্যযুক্ত কণ্ঠস্বৰ সুন্দৰ বীৰ পুৰুষ প্ৰবেশৰ উদ্দেশ্তে দুৱাৰমুখ পালেহি। মানুহবিলাকৰ ফুচফুচনিব পৰা জানিলোঁ, এওঁৰ নাম 'আলেকজেন্দাৰ দি গ্ৰেট'। এওঁক আগবঢ়াই নিবলৈ যোৱা 'গাইড'জনে এই মন্দিৰৰ বৰকৈ আওভাও নাপাই কল্পিত বীৰ পুৰুষসকলৰ নিমিত্তে বক্ষিত কোঠাটোলৈ এওঁক লৈ যাব খুজিছিল। এই অনভিজ্ঞ 'গাইড' জনৰ নাম 'কুইন্টাচ কাবতিয়াচ্'। কিন্তু সেই মন্দিৰৰ বিষয়ে সম্পূৰ্ণ অভিজ্ঞ 'গাইড' এবিয়ান্ আৰু প্লুটার্ক দুয়ো এওঁক

ডাঙৰ হলটোৰ ভিতৰলৈ নি টেবিলৰ প্ৰথম আসনত বহুৱাই দিলে। দৈত্যজনে মোক এই হলৰ ভিতৰলৈ নি এটা চুকত এনেভাবে লুকাই থলে যেন মোক কোনেও নেদেখে, কিন্তু মই হলে সকলোকে দেখা পাওঁ। ইয়াৰ পিছতে দিব্য সাজ-পাৰলৈ মনোমোহিনী কুমাৰী এগবাকীয়ে শ্ৰদ্ধেয় বৃদ্ধ আৰু অন্ধ লোক এজনক আগবঢ়াই নি ভিতৰলৈ প্ৰবেশ কৰিলে। এইজন কুমাৰীৰ মুখত ফুলৰ মালা আৰু বাৰ্ত্তাহতে এখন বীণা। দৈত্যৰজায়ে কলে, এই অন্ধজনৰ নাম হোমাৰ। কুমাৰী গবাকীৰ পবিত্ৰ সোধাত কলে, এওঁৰ আৰু আঠজনী ভনীয়েক আছে। এওঁলোক নয়োজনী কীৰ্ত্তি-দেৱীৰ পবিচাৰিকা। হোমাৰৰ সৈতে আলেকজেন্দাৰৰ ভালকৈ পবিচয় আছিল। হোমাৰক দেখিয়েই আলেকজেন্দাৰে সন্মুখে আসনবপৰা উঠি দুখোজমান আগলৈ আহি আগবঢ়াই নি তেওঁক তেওঁৰ সৌহাতে বহুৱালে। এওঁলোকে দুইবো সন্তাষণত সন্তুষ্ট হৈ কুমাৰী গবাকীয়ে মিচিকিয়াই হাঁহিমাৰি ওলাই আছিল।

ইয়াৰ পিছত জুলিয়াচ্ চিজাৰ আহি দুৱাৰমুখ পালেহি। কেবাজনো গাইডে এওঁক আগবঢ়াই নিব খোজাত এওঁ লগত কাকো যাবলৈ নিদি নিজেই ভিতৰলৈ সোমাই আছিল। এওঁৰ পিছত যি জন পুৰুষ আগবাঢ়ি আছিল, তেওঁৰ সাজপাৰ অতি গাম্ভীৰ্য্যপূৰ্ণ হলেও মুখ অতি প্ৰফুল্ল। এওঁক আগবঢ়াবলৈ গাইড সকলৰ ভিতৰত বৰ অবিয়াঅবি লাগিল। শেহত সবাতোকৈ প্ৰসিদ্ধ দুজন গাইডে যেন যোৱাই ঠিক হ'ল। এজনৰ নাম প্লেটো, এওঁ সোঁহাতে হ'ল; সিজনৰ নাম জিনফোন্ এওঁ বাওঁহাতে হ'ল। এওঁলোক দুয়ো সেই হোজা পুৰুষজনক ভিতৰলৈ নিলে। এইজনক গাইড্ সকলে সন্মান দিবলৈ ইমান ইচ্ছুক হোৱাত মই দৈত্যজনক সোধাত কলে, এওঁৰ নাম চক্ৰেটিছ। বাহিৰত থকা সকলোৱেই অনুমান কৰিলে প্লেটোই উভতি নাহি তেওঁৰ গুৰু চক্ৰেটিছৰ গুচবলে আসন লব। সঁচাকৈয়ে প্লেটোই সেই অনুমান মতে বহিব খোজাত দুৱাৰমুখত দাৰ্শনিক পণ্ডিত এবিষ্টটোলৰ নেতৃত্বত ভয়ঙ্কৰ জনকোলাহল উঠিল। এইজন দাৰ্শনিক ভিতৰলৈ প্ৰবেশ কৰি টেবিলৰ আগত থিয় দি বিবেকশক্তিৰ প্ৰাবল্য যুক্তিৰ দ্বাৰা—কিন্তু কৰ্কশভাবে—বক্তৃতা কৰি সকলোকে প্ৰত্যয় নিয়ালে যে পঞ্চম আসন প্লেটোৰ নহয়—তেওঁৰ হে আৰু তেওঁ বলেৰেই বহি পৰিল।

এবিষ্টোটোলে আসন গ্ৰহণ কৰাৰ পিছত হোমাৰক আগবঢ়াই নিয়া কুমাৰী গবাকীয়ে এজন অতি নম্ৰ আৰু লাজুকীয়া পুৰুষৰ লৈ আহিল। এইজন পুৰুষে লজ্জাত কাতৰ হৈ দুৱাৰদলি পায়েই দুয়ো হাতে দুই ফালৰ চৌকাঠত ধৰি এটা ভবি পাছলৈ দি তাতেই থত্তেক ব'ল। এওঁক দেখিয়েই ভিতৰত থকা সকলোৱে আহক বুলি মাতি নি বহুৱালে। মই দৈত্যজনক সোধাত কলে, এওঁৰ নাম ভাবজিন্। ইয়াৰ পিছত চিচিবো আহিল। দুৱাৰমুখ পায়েই এওঁৰ সুপবিত্তি লুচিয়াচ্ নামে এজন গাইডক বিচাৰিলে। এইজন গাইডক দেখা নাপাই অগত্যা অন্ধ কেজন মান গাইডক সহায় লৈ ভিতৰলৈ সোমাল, কিন্তু চেলাষ্ট নামেৰে 'গাইড' এজনে এওঁক এইদৰে আগবঢ়াই নিয়াত বৰ অসন্তোষ প্ৰকাশ কৰিলে। তাৰ পিছত কোন উপদুক্ত পুৰুষ আছে তাৰেকে চাই চাই বলো। 'গাইডৰ' দুহৰ দল এটাই এজনক লৈ আহিল। দৈত্যজনে কলে, এই অটাইবিলাক গাইড কাৰ্থেজিনিয়ান্ আৰু যি জনক আনিছে, তেওঁৰ নাম হানিবেল। হানিবেলে প্ৰবেশ কৰিয়েই বৰ বিবক্তিবে বোৰ্ডৰ আগত আপত্তি জনালে যে প্ৰবেশ কৰাৰ পূৰ্ব্বেই বোমান্ গাইডবিলাকৰ হাতত তেওঁ বৰ অপমান পাইছে। বোমান্ গাইড বিলাক একযোগ হৈ তেওঁক ভূমধ্যস্থ কোঠা এটালৈ লৈ যাব খুজিছিল তেওঁৰ নিজ দেশী গাইডবিলাক আৰু একমাত্ৰ নিৰপেক্ষ পলিবিয়াচ্ নথকা হলে এই সুখী সমাজলৈ অহা তেওঁৰ পক্ষে টানেই হৈছিল।

কাৰ্থেজিনিয়ান্ জনে আসন গ্ৰহণ কৰাৰ পিছত ব্যক্তিগত গাম্ভীৰ্য্যেৰে পম্পি আহি দুৱাৰমুখ পালেহি। কবি লিউকান আৰু 'গাইড্' কেজনমানে এওঁক আগবঢ়াই নি প্ৰবেশ কৰিলে। পম্পি বহাৰ পিছত কবি লিউকানেও হোমাৰ আৰু ভাবজিন্‌ক দেখা পাই তেওঁলোক দুইবো কাষতে বহিবলৈ বিচাৰিলে। কিন্তু

হোমাৰ আৰু ভাৰজিনে এই কবিজনক তেওঁলোকৰ লগতে ৰহিবলৈ নিদি কলে যে, যদিও পূৰ্ব্বে তেওঁৰ সেই স্বত্ব আছিলো এতিয়া বুঢ়ী লিখক স্বৰূপে ইয়াতে অহাত তেওঁৰ সেই স্বত্ব বাজেয়াপ্ত হৈছে। নিউকানে এই কথা কৈ বাহিৰলৈ ওলাই আহিলে এতিয়া তেওঁ এনেহে এজন ঙণৰত্ন পুৰুষক আনিব, যাৰ আগত তেওঁলোকে জঁই পৰিব লাগিব। ইউতিকা বাজ্যৰ কেটোক আগবঢ়াই আনি তেওঁ আকৌ তিতৰ সোমাল। এইজন পুৰুষে এনে ভাব-ভঙ্গীৰে বোৰ্ডৰ ওচৰ পালেহি যে তাতে প্ৰকাশ পাইছিল,যেন এইজনৰ দাবীকৃত নিজৰ আসন খনকো হেয়জ্ঞান কৰে। চিজাৰৰ কাষতে খালি থকা আসন এখনতে বহি সুধীমণ্ডলীৰ প্ৰাধান্য বিষয়ে এওঁ এটা বক্তৃতা দিলে। তাৰ সাৰাংশ এই—কোনো দেশত কোনো কালেই ঠাই লৈ প্ৰাধান্য নিৰ্ণয় কৰিব নোৱাৰি। প্ৰাধান্য একমাত্ৰ ঙণৰ ওপৰতহে নিৰ্ভৰ কৰে। অতি ঙণৰত্ন পুৰুষ যি ঠাইতেই বহক, যোগ্যতা অনুসাৰে টেবিলত সেইজনেই প্ৰথম হব। জ্ঞান আৰু বিদ্ৰূপশক্তিৰ অধিকাৰী চক্ৰেটিছে এই কথাত নাইহি থাকিব নোৱাৰিলে আৰু উদাহাসপূৰ্ব্বক কলে যে, বক্তাই নিজ ঙণৰ যি গৌৰব কৰিছে, সেই ঙণ তেওঁৰ ভাব-ভঙ্গীৰ দ্বাৰা এই সমাজত তৃপ্তিদায়ক হোৱা নাই। চিচিৰোই এই সুবিধা লৈ কিছুমান প্ৰশংসা কৰি জোৱেৰে এটা দীঘল বক্তৃতা দিলে। চিজাৰে যথোপযুক্ত ৰাগ দেখুৱাই তাৰ প্ৰত্যুত্তৰ কৰিলে। মই বহুত দূৰৈত থকাত এই দুয়োজনৰ বক্তৃতা শুনিবলৈ নাপালোঁ। কিন্তু এটা কথাই মোৰ দৃষ্টি বৰকৈয়ে আকৰ্ষণ কৰিছিল। এই বাদানুবাদবিলাক হোমাৰে একাধাৰ কথা কৈয়ে বা মুবদুশিয়ায়ে মীমাংসা কৰিছিল। ইয়াৰ ফন্তুক পিছতেই আগষ্টাছে প্ৰৱেশ কৰিলে। তেওঁৰ সমসাময়িক বিসকল লিখকে তেওঁক সম্মান দেখুৱাবলৈ ব্যস্ত আছিল, ভিতৰত সোমাবে তেওঁবিলাকলৈ দৃষ্টিপাত কৰিলে কিন্তু কাৰোপৰা সম্মানসূচক ব্যৱহাৰ নাপালে। একমাত্ৰ ভাৰজিনে আসন এৰি থিৰ হিয়া দেখিলোঁ। যোগ্য সৈনিক পুৰুষ কেজনৰ বাদে এওঁ সকলোৰে ওচৰত গ্ৰহণীয় হ'ল।

ইয়াৰ পিছত যিজনে প্ৰৱেশ কৰিলে তেওঁৰ উপস্থিতিৰ দ্বাৰা সকলো বিস্ময়াপন্ন হৈ পৰিল। ব্যহাৰত এওঁ ধীৰ, গম্ভীৰ আৰু মৌন। সঙ্কেতলিপি অঙ্কিত এখন কাগোৱেহে এওঁৰ পৰিচ্ছদ। হলৰ মাজ ঠাইলৈ আহিয়েই এওঁৰ কাগোৰ কৰালৰ পৰা তলৰ ভাগ দলিয়াই পেলালে আৰু সকলোৱে দেখি অবাক হ'ল এওঁৰ উৰ্ব্বাৰ্দ্ধ নিৰ্ম্মিতা এই দৃশ্য দেখি চক্ৰেটিছে বক্তমাংস দ্বাৰা গঠিত নোহোৱা কাৰো লগত এই সমাজে সংস্ৰব ৰাখিব নোৱাৰে বুলি মত প্ৰকাশ কৰিলে। কাল্পনিক আৰু সন্দেহজনক স্থিতিৰ যোগ্য পুৰুষসকলৰ নিমিত্তে ৰখা হলৈ এওঁৰ লৈ যাবৰ নিমিত্তে চক্ৰেটিছে ভাইত্তাজিনিক কলে। খণ্ডত তেওঁ বাহিৰলৈ ওলাই ঘোৱাৰ পূৰ্ব্বে বোৰ্ডক কৈ গল যে তেওঁবিলাকে অসম্মানপূৰ্ব্বক যাক খেদিলে, তেওঁৰ পৰিচয় নাজানে। এতিয়া তেওঁৰ নাম পাইথাগোৰাচ আৰু দাৰ্শনিকসকলৰ তিতৰত প্ৰথম আৰু আগেয়ে ট্ৰয় ৰাজ্য আক্ৰমণ কালৰ এজন অতি সাহসী পুৰুষ। চক্ৰেটিছে উত্তৰ দিলে যে তেওঁ যিবিলাক কথা কৈছে সেইবিলাক সত্য হলেও তেওঁ পাহৰিব নালাগে যে এক সময়ত তেওঁৰ স্বভাৱ বেশ্যাজনোচিত প্ৰকৃতিৰ আছিল। এওঁ ওলাই গলত আন এজন যোগ্যতৰ পুৰুষ অঙ্কশাস্ত্ৰ লক্ষণীয় কিছুমান বস্তু হাতত লৈ প্ৰৱেশ কৰিলে। হাতত থকা বহুত বস্তৰ ভিতৰতে কিছুমান ক্ষেত্ৰাকাৰ বস্তুও চকুত পৰিছিল। দৈত্যজনে কলে এওঁৰ নাম আৰ্কিমিডিজ।

এই ডাঙৰ হলটোৰ বাৰ খন আসন পূৰ্ণ হোৱাত বৈষম্য দৃশ্যবদাবা চকুক তৃপ্তি দিবৰ অভিপ্ৰায়ে কাল্পনিক যোগ্যপুৰুষসকলৰ হলটোলৈ গলোঁ। এই হলৰ ভিতৰৰ 'ছাঁদত' হবেক ৰকম কাল্পনিক দেবী, কদাকাৰ ব্যক্তি, জন্তু, আৰু নবনাৰী অৰ্দ্ধ ইত্যাদিৰ চিত্ৰ অঙ্কন কৰা আছে। প্ৰথমতে এই চিত্ৰবিলাকৰ একো অৰ্থ ধৰিব নোৱাৰিলোঁ। বহুত চিন্তাৰ পিছত বুজিলোঁ কল্পনাশক্তিৰ দ্বাৰা কাল্পনিক জগতত থকা বীৰসকলৰ এই চিত্ৰবিলাক পৰিচায়ক। মই গৈয়ে দেখিলোঁ প্ৰথম টেবিলৰ আসন বিলাক পূৰ্ণ হৈয়ে আছে। প্ৰথম আসনত দেখিলোঁ

হাৰকিউলিচ্ লাঠি এডালৰ ওপৰত হাত দুটাৰে ভিৰ দি বহি আছে। তেওঁৰ সৌহাতে এচিলিচ্, ইনিয়াচ্ আৰু ইউলিচিচ্, বাওঁহাতে হেক্টৰ, খিছিয়াচ্ আৰু জেচন্। এওঁবিলাকৰ পাছত আফিয়াচ্, ইচপ্, ফেলেবিচ্ আৰু মিউচিয়াচ্। গাইড জনে ষাদশ জন পুৰুষক বিচাৰি নাপাই হতবুদ্ধি হৈ বৈ থকাত পাছৰ শাৰীৰ পৰা এজনে আইজাক্ বিকাবষ্টাফ্ বুলি মোৰ নামকে উচ্চাৰণ কৰা শুনি মোৰ মন আনন্দত নাচি উঠিল। মোৰ নাম শুনি আগশাৰীৰ পৰা বিজপ বাক্য মোৰ কাণত পৰিল আৰু এজনে উঠি কলে "কোনো বিচিত্ৰ যোগ্য পুৰুষক ইয়াত যদি ঠাই দিব লাগে তেওঁ ৰবিনহুড্।" মোৰ প্ৰতিযোগী জনৰ নাম শুনি মই মৰ্ম্মাহত হলোঁ। ঠিক এই সময়তে এটা ৰবতোপৰ শব্দত মোৰ টোপনি ভাগিল। •

• ছাঁ লৈ।

বিচাৰ

(এক অঙ্কীয়া নাট)

—শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা এম-এ, বি-এল

প্ৰথম দৰ্শন

[সময় পুৱা, প্ৰায় আঠ বাজিছে। ডেকা উকীল মহেন্দ্ৰ নাথ বৰুৱাৰ উকীল থানা। এটা আলমাৰী, এখন টেবুল, খন দিয়েক চকী আৰু এখন বেঞ্চ। চুকত আৰু এখন টেবুল। চুয়ো খনত লিখাৰ সৰঞ্জাম, কাকত আদি। সক টেবুল খনত এজন মহৰীয়ে কিবা লিখিছে। ডাঙৰ টেবুল খনৰ ওচৰত উকীল বহি আছে। উকীলৰ ওচৰতে মন কৈৰৰ্ত্ত হাত জোৰ কৰি মাটিত বহি আছে। দুয়াৰ মুখৰ ওচৰত মনৰ জীয়েক লাহৰী। মনৰ গাত ফটা চুৰিয়া আৰু ফটা অচলা এখন। লাহৰীৰ ফটা মেখেলা, ফটা বিহা। তাৰ ওপৰত এখন মলিয়ন চাদৰ। লাহৰী দেখিবলৈ ভগ্নবনী। কিন্তু অনাহাৰত ক্লান্ত।]

মহেন্দ্ৰ—আগৰটো দিনত কোৰ্ট বাবুৱে তোমাকে দাগী বুলি কৈছিল। দাগী হলেই জানাইতো হাকিম সকলৰ এটা ধাৰণা হয় সেই আগামী দোষী।

মন—দেউতা, দোষ নকৰাকৈ ফাটকৈলৈ গ'লে যদি দোষী হয় তেন্তে বন্দী দাগী। বন্দীয়ে মিছামিছিকে ওপৰা ওপৰিকে তিনিবাৰ ফাটকে খাতিছে।

মহেন্দ্ৰ—কিন্তু এইবাৰ ?

মন—এই বাৰ পেটৰ ভোকত তত নাপাই পথাৰৰ পৰা ধান ভাৰ দিয়েক অনা হয়।

মহেন্দ্ৰ—পেটৰ ভোকত অনা কাৰণেই তোমাৰ অপৰাধ। তুমি যদি পেটৰ ভোকত নানি ভাল অৱস্থাত আনিলাহেঁতেন তেন্তে তোমাৰ সাৰিবৰ আশা আছিল। এতিয়া নাই।

মন—কথাটো বুজি নাপালোঁ দেউতা।

মহেন্দ্ৰ—বুজি নাপালেই ভাল। কাৰণ তোমালোকে কথা বুজি পালেই বিপদৰ আশঙ্কা। বাক, আগৰ তিনিবাৰ কিয় জেল হ'ল শুনোচোন।

মন—প্ৰথম বাৰ, আমাৰ গাওঁলৈকে মাহুহ এটাই কিছুমান কাপোৰ বেচিবলৈ আনিছিল। তেতিয়া বন্দীৰ হাতত অলপ অচৰপ ধনো আছিল। বন্দীৰ এই

ছোরালীটিব কাবণে এটা জেকেট চোলা লোরা হয় কণ এটকা দি। চোলাটো পাতব। পিছত এদিন দেখোন পুলিছে ঘব-বাবী তল-ওপব কবি চোলাটো লৈ গ'ল। শেহত চুব কবা বস্তু বাখিছোঁ বুলি, দেউতা বন্দীক চালান দিলে। ছোৱালী জনীকো দিব খুজিছিল হে, পিছে যেনিবা কোনো মতে কণ একুবি যোগাব কবি দিগতহে এবি দিলে।

মহেন্দ্র—চোলা কিনাব সাক্ষী দিছিলাঁ ?

মন—দিছিলোঁ দেউতা, আমাব গাওঁবে মানুহ দুজনক দিয়া হৈছিল। হাকিমে তথাপি মোক ফাটেকত দিলে।

মহেন্দ্র—আচল চোব ধবা পবিল নে ?

মন—নাই।

মহেন্দ্র—তাব পিছত ?

মন—তাব পিছত চুবাবো চোভাতে ধবি আনি মোক এবাব চাবি মাহ এবাব ছ মাহ ফাটেকত দিছে দেউতা। ইতি মধ্যে ঘবব অৱস্থাও বেয়া হৈ গ'ল। এটা বিপদো ঘটিল। গ'ল বাব ফাটেকব পবা আহি দেখোঁ মাহ এটা মাবিবব উপায় নাইকিয়া হ'ল। কোনোবা বঙাণীয়ে মহল ডাকি লৈছে। নৈত নামিবলৈকে নিদিয়ে। এদিন সকলো লথাণে থাকিলোঁ দেউতা। পিছবাতি উপায় নাপাই ধান চুভাব পথাবব পবা আনি ভাত এমুঠি খালোহঁক। তাব পিছত এতিয়া এয়া অৱস্থা।

মহেন্দ্র—আজি হাকিমে শুদিলে দোষ কবা নাই বুলি ক'বাঁ। চেষ্টা কবি চাম কি কবিব পাবোঁ। আৰু এটি কথা, তোমাব জেললৈ যাবলৈ আপত্তি নাইনে !

মন—আছে দেউতা। ছোৱালীটোবে আৰু মাক জনীয়ে থাবলৈ নাপাই মবিব। তাতে ছোৱালীটোব কেচুবা এটিও আছে।

মহেন্দ্র—আপত্তি নকবিবা। কাবণ আপত্তি কবিলে শুনোতা কেওঁ নাই। তোমালোকব কিছুমানে জেললৈ নগলে পুলিচ, হাকিম সকল আছে কিয় ? অন্ততঃ তেওঁলোকব কথা ভাবি তুমি জেললৈ যোৱা উচিত।

মন—দেউতা ?

মহেন্দ্র—ববা, ববহাকিমব লাঁবা প্রবোধে তোমাব ছোৱালী জনী বাখিছিল নহয় ?

মন—হৈছে দেউতা। মই ফাটেকলৈ যাওঁতে এই পাচতীয়ে এনে কাম কবিলে। ফলত এটা সন্তানো হ'ল। এতিয়া মোব ঘব খানাতলাচ কবোঁতে হাকিমব পোৱেকব ঘড়ী এটা তাইব হাতত ওলাল। পুলিছে ঘড়ী চোবত তাইকো চালান দিছে। সেয়েহে তাইকো লৈ আহিছোঁ।

মহেন্দ্র—ববহাকিমব লবাই যে তোমাব জীয়েবাক বাখিছিল আৰু ঘড়ী দিছিল তাব প্রমাণ কি ?

মন—দেউতা, জিলাব সকলোরে সেই কথা জানে।

মহেন্দ্র—কিন্তু কোনোবাই সেইকথা আদালতত ক'ব জানো ?

মন—ডাঙব মানুহব বিপক্ষে কোনে ক'ব দেউতা ?

মহেন্দ্র—লাহবী, শুনা।

[লাহবী দোখোজমান আগবাঢ়ি আহে]

মহেন্দ্র—প্রবোধব ওপবত এটা মোকর্দ্দমা কবি দিওঁ খবচব কাবণে। তোমাব সন্তানব বাপেক প্রবোধেই যেতিয়া, সি অৱশ্যে খোৱাকি দিব লাগিব। আৰু তেনে কবিলে হয়তো ইটো মোকর্দ্দমা পুলিছে তুলি লব পাবে।

লাহবী—মই মোকর্দ্দমা নকবোঁ।

মন—উকীল দেউতাই যি কথা কৈছে শুন। এনেয়েতো সর্ব্বনাশ কবিলি।

মহেন্দ্র—তোমাব ভালব কাবণেই মই এনে পবামর্শ দিছোঁ। হয়তো তেনে কবিলেও একো লাভ নহব কাবণ তাতো সাক্ষী দিব লাগিব, তথাপি—

লাহবী—মই মোকর্দ্দমা নকবোঁ।

মন— তোক সদায় পুহিব কোনে ?

মহেন্দ্র—মোকর্দ্দমা নকবাই ভাল। পিতাম্বব, ইহঁতব ওকালত নামা লিখি দিবা। মই কছাবীতে চহী কবি দিম।

পিতাম্বব—(মহবী) ভাল।

মহেন্দ্র—পিছে ফিজ। নিয়মমতে চুবীয়া মানুহ হলেও

বিনা পইছাত কাম কবা মোব পক্ষে অন্যায়।

তথাপি বাক নালাগে। এতিয়া তেনেহলে যোৱাঁ।

[সেৱাকবি খিয় হৈ লাহবীবে সৈতে মন ওলায় যায়]

পিতাম্বব—এইখন আর্জ্জি নকল কবা হ'ল। মই এতিয়া যাওঁ। চাই চহী কবি কছাবীলৈ গৈ গলে দাখিল কবি দিম।

মহেন্দ্র—বাক [পিতাম্ববে কাগজ পত্র সামবি ওলাই যায়। মহেন্দ্রই আর্জ্জিখন ওপবে ওপবে চাই চহী কবি টেবুলত থয়] চুবীয়াব প্রতি দয়া দুর্ব্বলতা অৱশ্যে। কিন্তু কেতিয়াবা চুবীয়াহে এনে দয়া প্রত্যাখ্যান কবা দেখা যায়। উদাহবণ—এই চুবীয়া নবীয়ালব ছোৱালীজনী। অৱশ্যে ডাঙব মানুহব দবে ইহঁতবো মান, সম্ভ্রম, সুখ, দুখ ইত্যাদি থকাব সম্ভব, কিন্তু ডাঙবব পক্ষে তাক মানি লোৱা নিতান্ত অপবাধব কথা। তাইক দেখিলে কিবা এটা ডাঙব আঘাতে যেন তাইক স্তব্ধ কবি দিছে এনে লাগে। কিন্তু আঘাত লবলৈকে যে এনে প্রাণীব জন্ম।

[প্রবোধ আৰু ডেকা হাকিম সীতানাথ সোমাই আহে।

মহেন্দ্র খিয় হয়]

মহেন্দ্র—আহক, বহক। আজি দেখোন পুৱাতে শুভাগমন

প্রবোধ—[পাতব পাঞ্জাবী, নাগবা জোতা, পাতল চুবীয়া, —মুঠতে বাবু] আজি বাতি দুপবত বিলব পাবত কেম্প কবিবলৈ লাগিব। নহলে কালিলৈ পুৱা হাঁহ পোৱা টান হ'ব। কছাবীবপবা ওলাই আহিয়েই তোমাক লৈ যাম। দুবো বহত। ৫ বজাত লবীবন বওনা কবি দিম, ৬ বজাত যাবই লাগিব।

মহেন্দ্র—কিন্তু প্রবোধ আজি দেখোন তোমাব এটা মোকর্দ্দমা আছে, ঘড়ী চুবিব। মোক আচামীয়ে উকীল ধবিছে।

সীতা—আপুনি হ'ল কিয় ? আপুনিতো সকলো কথা জানেই।

প্রবোধ—এক তবফা হব বুলিহে ভাবি আছোঁ। উকীল হলেও সেইবিলাক কথা আকৌ জেবাত দুহুবিবা।

মহেন্দ্র—কিন্তু কি লাভ হব এই মোকর্দ্দমাব পবা ?

ঘড়ীটো যে তুমি দিছিলা এই কথা আটায়ে বুজিব, জেবা নকবিলেও। মোকর্দ্দমাটো তুলি নোলোৱা কিয় ?

সীতা—তেনে কবিলে এই ছোটলোকবিলাকে বব লাই পাব

প্রবোধ—তাব উপবি, তুলি ললে ভবিষ্যতলৈ তাই খোৱাকীব মোকর্দ্দমা কবাব সংশয় থাকে। অৱশ্যে ঘড়ীটো নোলোৱাহেঁতেন মই মনে মনে থাকিলোঁ হেঁতেন। ওলালে যেতিয়া উপায় নাই।

মহেন্দ্র—তুমি আদালতত নিজহাতে দিয়া ঘড়ীটো তাই চুব কবিছে বুলি প্রমাণ দিবা ?

সীতা—নিশ্চয়। তাত ধর্ম্ম যুধিষ্ঠিবব দবে উপহাব দিছোঁ বুলি ক'বগৈনে ?

মহেন্দ্র—কিন্তু তুমিয়ে তাইব সন্তানব বাপেক, তোমাব সম্পর্কত অহাব বাবে তাইব জীৱনব যে বহু অনিষ্ট হৈছে সকলো কথা পাহবি যাবা কেনেকৈ ?

প্রবোধ—Humbug মহেন্দ্র, তুমি দেখিছো বব Sentimental হৈ উঠিছা ; সেইবোব সক সক কথাবৈ মনদিলে জীৱনত একো আনন্দই নাথাকে।

মহেন্দ্র—সঁচা কথা। মোব ভুল। বাক মই প্রস্তুত হৈ থাকিম। মোক ঘবব পবাই লৈ যাবা

(পট)

২য় দৰ্শন

[আদালত। এটা চিপাহী আৰু এটা চাপবাচী থিয় হৈ আছে। পেস্কাবে কিবা লিখিছে। ববহাকিম ভাবত চক্রই নখি এটা চাই বহি আছে। এনেতে ডেকা হাকিম সীতা নাথ সোমাই আহিল। ছেটটো হাতত। নমস্কাব জনোৱাব লগে লগে পেস্কাব উঠি চকীখন আগবঢ়াই দিয়ে।]

ভাবত—পেস্কাব তুমি অলপ গোঁৱাচোন। মোব কথা আছে পেস্কাব—ভাল—(আঁতবি যায়)

ভাবত—এটি পুলিছ কেচত মোব লাঁবাটি ফবিয়াদী। মই লগে দেখিবলৈ বেয়া। আপোনাব তালকৈ মোকর্দ্দমাটো দিওঁ।

সীতা—ভাল—দিয়ক ।

ভাবত—'চামাবী' কবি লব। কিবা কিবি পুবণি কথা জেবাত কোনো বইজাত উকীলে সুধিব পাবে। বেকর্ডত নথকাই ভাল।

সীতা—ভাল, 'চামাবী' তেতিয়া নিলিখিলেই হ'ল।

ভাবত—অন্তেও, তিবোতা মানুহ কিন্তু তথাপি

সীতা—আপুনি চিন্তা নকবিব। এই মানুহ বিলাকক কেনেকৈ জব্দ কবিব লাগে মই জানো।

ভাবত—Thanks. মই অর্ডাব লিখি পঠাম এতিয়াই।

সীতা—ভাল—'গুড মর্নিং' [ওলাই যায়]

ভাবত—চাপবাটী !

বাপ—(চালাম দি) হুজুব !

ভাবত—পেস্কাবকো বোলাও।

[চাপবাটীয়ে পেস্কাবক মাতি আনে]

ভাবত—এই কেচটো চেকেণ্ড ই-এ-চিবৈ পঠোৱাঁ।

[হুকুম লিখি মোকর্দ্দমা পেস্কাবৰ হাতত দিয়ে।]

পেস্কাব—চাপবাহী, এইটো সক হাকিমৰ তাত দি আহাঁ।

[চাপবাটীয়ে নথি লৈ যায়]

ভাবত—চাওঁ, বাকীবিলাক। [নথি চায়] এইটো মাতা

[এটা নথি পেলাই দিয়ে।]

পেস্কাব—চিপাহী, মাতা মন নদীয়াল।

চিপাহী—মন নদীয়াল হাজিব, মন নদীয়াল।

(চাপবাহী আহে)

পেস্কাব—কোৰ্ট বাবুক খবব দিয়া মোকর্দ্দমা উঠিছে বুলি।

[চাপবাটীৰ প্রস্থান)

[মহেন্দ্র, পাছে পাছে মন আৰু আন আন মানুহ সোমাই আছে। এজনী কুটকুবা চুলিৰ মানুহ, মযলা ফটা কাপোৰ পিন্ধা। মহেন্দ্রই ওকালতনামা দিয়ে। কোৰ্ট বাবুৰ প্রবেশ। মনক চিপাহীয়ে গড়ালত ভবায়]

ভাবত—কেচটো কি ?

কোৰ্টবাবু—ধান চুবি।

ভাবত—ধান চুবি ? দেখা সাক্ষী আছে ?

কোৰ্টবাবু—নাই। আচামীয়ে স্বীকাব কবিছে।

ভাবত—বাক কবক। কিমান ধান ?

কোৰ্টবাবু—চাবি ডাঙবী।

ভাবত—দাম কিমান হব ?

কোৰ্টবাবু—প্রায় দুটকা।

ভাবত—মিছামিছি কেচব নম্বব বঢ়ায়। কোন থানাব কেচ ?

কোৰ্টবাবু—কিন্তু দাগী আচামী। তিনবাব আগেয়ে জেল খাটিছে।

ভাবত—অঃ। আকৌ যাবব মন।

মহেন্দ্র—কিন্তু দাগী যে, সেই কথাই আদালতব মনত সংশয় উপস্থিত কবা উচিত নহয়।

ভাবত—নিশ্চয় নহয়। কবা নাই বুলিও ধবোঁক, মাত্র এইবাব অলপ সবহ দিনীয়াকৈ যাব। ইমানেই।

[হাকিমে হাঁহে লগে লগে কোৰ্টবাবুৰেও]

কোঃ বাবু—চিপাহী, মাতা মিহিবাম কোচ।

চিপাহী—মিহিবামকোচ হাজিব, মিহিবাম কোচ!

[মিহিবামৰ প্রবেশ আৰু সাক্ষীৰ গবালত সোমায়]

পেস্কাব—কোৱাঁ, যি কম সঁচা ক'ম, মিছা নকওঁ।

[হাকিমে কাগজ লৈ লিখে]

কোঃ বাঃ—এই মোকর্দ্দমাৰ বিষয়ে কি জানা কোৱাঁ।

মিহিবাম—স্বর্গদেউ ঈশ্বব, আজি এমাহ মান আগতে মোৰ পথাবত চাবি ডাঙবী মান ধানৰ মুঠি কটা আছিল। পিছদিনা পুত্রা মোৰ লাঁবাটো আহি ধান নেদেখি মোক খবব দিয়ে। মই পথাবলৈ গৈ ধান নেদেখি থানাত এজাহাৰ দিওঁ আৰু পুলিছৰ লগতে আচামীৰ ঘবলৈ গৈ তাত মোৰ ধানৰ মুঠি আৰু ধান চিনি পাওঁ। তেতিয়া পুলিছে ধান আৰু আচামী জব্দ কবে।

কোৰ্টবাবু—[এজাহাৰ আৰু এখন কাগজ দেখুৱাই] চোৱাঁ—এইখন এজাহাৰ তুমি দিছিলাঁ; এইটো তোমাৰ চহী ? আৰু ধান জব্দ কবা এই কাগজটোত তুমি এইটো চহী দিছিলাঁ।

মিহিবাম—হয়।

[হাকিমে কাগজ দুখনত চহী কবে]

ভাবত—[মহেন্দ্রক] জেবা কবিবনে ?

মহেন্দ্র—এতিয়া নহয়, চাৰ্জ্জত পিছত হে কবিম।

ভাবত—ভাল, সাক্ষী মাতক।

কোঃ বাঃ—চিপাহী, মাতা ফেদেলা গাওঁবুঢ়া।

চিনাহী—ফেদেলা গাওঁবুঢ়া হাজিব, ফেদেলা গাওঁবুঢ়া।

[ফেদেলা আহি সাক্ষীৰ গবালত উঠে।]

পেস্কাব—কোৱাঁ যি ক'ম সঁচা কম, মিছা নকওঁ।

ফেদেলা—যি ক'ম সচা ক'ম, মিছা নকওঁ।

কোঃ বাঃ—মোকর্দ্দমাৰ বিষয়ে যি জানা কোৱা।

ফেদেলা—প্রায় এমাহ মান আগতে এদিন পুত্রা আমাৰ গাওঁৰ মিহিবামে মোক পথাবৰ ধান চুবি হৈছে বুলি খবব দিয়ে আৰু মোৰ সৈতে থানালৈ যায়। থানাত এজাহাৰ দিয়াৰ পিছত পুলিছৰ সৈতে আমি আচামীৰ ঘবলৈ যাওঁহক আৰু তাত খানা তলাচ কবাত ধান ওলায়। মই মিহিবামৰ ধান চিনি পাওঁ। আচামীৰ ঘবত পোৱা ধানেবে সি একে। মই ধান জব্দ কবা কাগজত চহী দিওঁ।

কোঃ বাঃ—(কাগজ দেখুৱাই) এইটো তোমাৰ চহী হয়নে ?

ফেদেলা—হয়। [হাকিমে চহী কবে।]

ভাবত—গাওঁবুঢ়া, এই দুয়োটা মানুহ তোমাৰ লাটব ?

ফেদেলা—হয়, সর্গদেউ ঈশ্বব !

ভাবত—আচামীৰ খেতি পথাৰ আছেনে ?

ফেদেলা—দখাৰা চোৰ দেউতা—খেতি-পথাৰ একো নাই।

কোঃ বাঃ—চিপাহী, দাবোগা বাবুক বেগতে মাতি আনা।

[চিপাহী লব মাবে, হাকিমে কিবা লিখে, এজন দাবোগা সোমাই আহি সাক্ষীৰ গবালত সোমাই চালান দিয়ে।]

কোঃ বাঃ—কওক আপুনি যি ক'ব সচা ক'ব।

দাবোগা—যি ক'ম সচা ক'ম। মই এই মোকর্দ্দমাৰ এজাহাৰ ফবিয়াদী মিহিবামৰ পবা লৈ তাক এজাহাৰ পঢ়ি শুনাই চহী লৈছোঁ। এই খনেই এজাহাৰ। তাৰ পিছত মোকর্দ্দমা তদন্ত কবি ধান জব্দ কবিছোঁ। এইখনেই ধান জব্দ কবা কাগজ আৰু আচামী চালান দিছোঁ।

ভাবত—আচামীৰ ফর্দ্দ এখন দিয়া [পেস্কাবে দিয়ে] আচামী তোৰ কি কব লগা আছে ?

মন—সর্গদেউ ঈশ্বব একো, নাই। পেটৰ ভোকত, তিনিসঁজীয়াকৈ খাবলৈ নাপাই, ভুজাৰ ধান অনা হয়।

ভাবত—দোষ কবিছ ?

মন—কবিছোঁ দেউতা।

ভাবত—[মহেন্দ্রক] আপোনাৰ কিবা কব লগীয়া আছেনে?

মহেন্দ্র—বিশেষ নাই। কিন্তু অলপ দয়া দেখুৱালে ভাল হয়।

ভাবত—[হাঁহি] দাগী, পুবণা দাগী। 'জাজমেণ্ট' ধবত লিখিম। অর্ডাব টো লিখোৱেই দিয়া। (লিখে) হেব, তোৰ ১বছব ফাটেক হল।

মন—ভাল দেউতা ঈশ্বব।

(পট)

৩য় দৰ্শন

[আদালত। কোৰ্টবাবুৰ আগত এটা ঘড়ী। মহেন্দ্র আৰু দুজন মান উকীল। আচামীৰ গবালত লাহৰী, পুত্রা পিন্ধি অহা সাজেবেই। ওচবতে কুটুলা চুলিবে ফটা মলিয়ন কাপোৰ পিন্ধা তিবোতা এজনীয়ে কেচুৱা এটা লৈ আছে। কোৰ্টবাবুৰ ওচবতে এজন পুলিছ অফিচাব। কেজন মান সাক্ষী মাটত বহি আছে।]

সীতানাথ—কোৰ্টবাবু আহোঁতেই পলম কবিলে। মই আৰু বাকী মোকর্দ্দমা আজি লব নোৱাবোঁ। পেস্কাব চোৱাচোন, দিন এটা।

কোঃবাঃ—এটা মোকর্দ্দমা বব পুবণি, সাক্ষীও কেইবাবাবো আহিছে। দুবব মানুহ।

সীতা—মই চিকাবলৈ যাব লাগে। আজি নহয়। অ এই মোকর্দ্দমাব সাক্ষী কেৱল প্রবোধবাবু বাকী আছে। মাতি পঠাওক।

কোঃ বাঃ—ময়ে মাতি আনো। [ওলাই যায় আৰু প্রবোধক লৈ সোমাই আহে। প্রবোধ সাক্ষীৰ গবালত উঠে]

সীতা—নালাগে তাবপবা কলেই হ'ব।

কোঃ বাঃ—কওক যি কব সঁচা ক'ব।

প্রবোধ—যি ক'ম সচা ক'ম।

কোঃবাঃ—এই মোকর্দ্দমা সম্বন্ধে যিজানে কওঁক।

প্রবোধ—মোৰ এটা ঘড়ী আছিল। 'ৱিষ্টওৱাচ'। ওৱেষ্ট এণ্ডৰ। তাত মোৰ নাম লিখা আছে। আজি প্রায় এবছৰৰ আগতে ঘড়ীটো মোৰ টেবুলৰ পৰা হেৰায়। সিদিনা থানাত এই ঘড়ীটো চিনি পাই এজাহাৰ দিওঁ।

কোঃবাঃ—এইটো ঘড়ী হয়নে?

প্রবোধ—হয়। [সিটিৰ লকাপ খুলি] এয়া মোৰ নাম। প্রবোধ ভট্ট।

কোঃবাঃ—আচামীক আপুনি কেতিয়াবা আগেয়ে দেখি ছিলনে?

প্রবোধ—মোৰ ঘড়ী হেৰোৱা সময়তে এই মানুহ জনীয়ে আমাৰ ঘৰলৈ মাজে মাজে মাহ বেচিবলৈ আহিছিল।

সীতা—হ'ব আৰু নালাগে। (মহেন্দ্রলৈ) জেৰা কৰিবনে [মহেন্দ্রই মুৰ জোকাৰে] নকৰে, ভাল। কৰিলেও লাভ নাই।

পেস্কাৰ এখন আচামীৰ ফৰ্ম্ম দিয়া। [দিয়ে] তোৰ কিবা কব লগা আছেনে?

লাহৰী—একো নাই।

সীতা—তই দোষ কৰিছ?

(লাহৰী মনে মনে থাকে।)

কোঃ বাঃ—'মৌনং সম্মতি লক্ষণং'। দোষী বুলি লিখি থওঁক।

মহেন্দ্র—আইনে লিখিবলৈ নকয়, এয়ে যে বিপদ!

সীতা—আপুনি ওকালত নামা দিছে জানো?

মহেন্দ্র—নাই দিয়া দিম।

সীতা—নিদিয়াকৈ কথা নক'ব। দোষী গতিকেই মতা নাই। হুকুমটো আজিয়েই দিওঁ।

মহেন্দ্র—[ওকালত নামা দি] কিন্তু জেৰা কৰিবৰ দিন এটা তো পাব লাগে।

সীতা—একো লাভ নাই। ৰবং এই কেইদিন জেলত থাকিলে মেদ কমিব।

মহেন্দ্র—জেল—সেই কেচুৰাটোৰে সৈতে?

সীতা—আচামী, তোৰ প্রথম কচুৰ দেখি তিনিমাহৰ জেলৰ হুকুম দিলোঁ।

৪র্থ দৃশ্য

[ৰাজআলি। দোকানৰ খটখট। সীতানাথ আৰু প্রবোধ। দুটা এটা মানুহ অহাযোৱা কৰিছে। সময় প্রায় ছটা]

সীতা—সকলো ঠিক তো?

প্রবোধ—নিশ্চয়। কেপ্পাৰ পৰা এমাইলৰ ভিতৰতে। মোটৰেৰে গৈ লৈ আহিলে হ'ব। এই অঞ্চলত আটাইতকৈ ভাল বুলি জানিব!

সীতা—সিহঁতে মদ খায় জানো। আৰু এবটল দুইস্কি লোৱা হওক।

প্রবোধ—তিন বটলেই হ'ব। ললে আৰু এবটল ল'ব পাৰে। মহেন্দ্রটোৱে আকৌ নাখায়। ৰেৰসিক।

সীতা—গৰ্দ্দভ। আজি ভয়তে জেৰা নকৰিলে।

প্রবোধ—মহেন্দ্র দার্শনিক, সেই হে নকৰিলে, ভয়ত নহয়। তাক সুধিলেই জেৰা কৰাটো অস্বাভাৱিক বুলি কব। এতিয়া আহি পালেই হয়। মোটৰ যোৱাও (ঘড়ী চায়) ৩৫ মিনিট হ'ল।

(কেইটামান চিপাহীয়ে কিছুমান কয়দী লৈ যায়। তাৰ ভিতৰত মন। লাহৰীক নবন্ধাকৈ লৈ যায়। লাহৰীৰ কোচত কেচুৰা। ওচৰে ওচৰে মাক বুকু চপৰিয়াই যায়। চিপাহীয়ে সীতা আৰু প্রবোধক চেলাম দিয়ে। লাহৰী কোনো ফালে নাচাই গৈ থাকে, দূৰত মোটৰৰ 'হর্ণ'।)

সীতা—মোটৰ আহিছে হবলা বলক।

প্রবোধ—বলক। আজি ঘৰতো আয়ে নাৰায়ণ পূজা পাতিছে—মোকর্দ্দমাৰ ফল ভাল হোৱা দেখি।

[দূৰৰ পৰা কান্দোনৰ শব্দ আহে আৰু লাহে লাহে লাহৰীৰ মাক চকুলো মচি মচি সোমায় আহে আৰু ওলায় যায়। মৃদু করুণ সঙ্গীত]

যবনিকা পতন

বৈজ্ঞানিক জগত

জুই নুমোৱা বেলগাৰী



জুই নুমোৱা বেলগাৰী

আমেৰিকাত আজি কালি জুই নুমাবৰবাবে কিছুমান বেল গাৰী তৈয়াৰ কৰা হৈছে। সেই গাৰী জুই নুমোৱাৰ

বেল গাৰীৰে জুই নুমোৱা দৃশ্য

সকলো বকমৰ সৰঞ্জামেৰে সুসজ্জিত। গাৰীৰ ভিতৰতে পানী ছটিয়া নলী আৰু পানী ৰখা ডাঙৰ ডাঙৰ 'টেঙ্ক' ৰখা হৈছে।

মটৰ গাৰীত শুৱৰ দিহা

সাধাৰণতে মটৰ গাৰীত ঠাইৰ নাটনিত শোৱাৰ কোনো ব্যবস্থা তাত এতিয়ালৈকে হোৱা নাছিল। বৈজ্ঞানিকৰ চেষ্টাই, এতিয়া সেই অসুবিধাও দূৰ কৰিলে। বহুদূৰ বাট যোৱাত বহি আমনি লাগিলে যাতে শুই যাব পৰা যায় তাৰ বাবে মটৰৰ ওপৰত আজিকালি

শুৱৰ পৰা মটৰ গাৰী

ব্যবস্থা হব ধৰিছে। ছবিত তাৰ নমুনা দেখুৱা হ'ল।

পৃথিবীৰ আটাইতকৈ ডাঙৰ চলন্ত দূৰবীণ

কেলিফর্ণিয়াৰ বৈজ্ঞানিক এজনে এখন মটৰ গাৰীত এটি ডাঙৰ দূৰবীণ সজাই লৈছে। আকাশৰ গ্রহ-নক্ষত্র বোৰৰ বিষয় ভালকৈ জানিবলৈ তেওঁ এই উপায়

উদ্ভাবন কৰিছে। কাৰণ দুবীক্ষণটো লৈ পৰ্যবেক্ষক ওপৰৰ সুবিধাজনক ঠাইলৈ উঠি যাব পাৰে, নাইবা আৱশ্যকানুযায়ী



চলাই লৈ ফুৰা দুবীণ

আন কোনো সুবিধা জনক ঠাইলৈও সময়তে যাব পাৰে। এই টোৱেই চলাই লৈ ফুৰা আটাইতকৈ ডাঙৰ দুবীণ।

লণ্ডনত সমাগম নিয়ন্ত্ৰণৰ অভিনৱ ব্যৱস্থা

এই যান-বাহনৰ দিনত লণ্ডন বা আন আন জন বহুল চহৰত সমাগম নিয়ন্ত্ৰণ কৰাটো এটা ডাঙৰ সমস্যা। সঁৱায় দুই

লণ্ডনত সমাগম নিয়ন্ত্ৰণ

চাবিটা দুঘটনা হৈয়েই থাকে। বৈজ্ঞানিক সকলে বৈদ্যুতিক শক্তিৰ দ্বাৰা চালিত বং-বেৰঙৰ আলোক চিহ্নৰ নিৰ্দেশৰ দ্বাৰা এই সমাগম নিয়ন্ত্ৰণ কৰাৰ এতিয়া দিহা কৰিছে। 'চেইমন আৰু জেনাৰেল ইলেকট্ৰিক বেইলওৱে চিগ্‌নেল' কোম্পানীৰ কেইজনমান বিশেষজ্ঞই বৈদ্যুতিক শক্তিৰে চালিত আলোক যন্ত্ৰৰেৰে সমাগম নিয়ন্ত্ৰণ কৃতকাৰ্য্যতাৰে কৰিব ধৰিছে। লণ্ডনৰ কেবাটাও বাট মিলা 'এলিফেণ্ট এণ্ড কেচ্‌ল' নামক ঠাইত এই অভিনৱ সমাগম নিয়ন্ত্ৰণৰ চেষ্টা চলিছে।

অভিনৱ দলং

অভিনৱ দলং

পোন ভাবে একোখনি দলং সাজিবলৈ হলে ভালেখিনি ঠাই নষ্ট হয় আৰু সিমান খিনি ঠাই জন বহুল চহৰৰ মাজত পাবলৈ বৰ টান আৰু ক্ষতি জনক। সেইবাবে আমেৰিকাৰ মিচিচিপি অঞ্চলৰ ছেইচ নামক ঠাইত এনে ধৰণে ঘুৰণীয়াকৈ এখন অভিনৱ দলং সাজিছে যে সেই দলং খনিয়ে বহু ঠাই জুৰি থাকিলেও প্ৰকৃততে চহৰৰ ঠাই সেই অনুপাতে তেনেই কম নষ্ট হৈছে।

কোঁৱৰ-বিদ্রোহৰ বুৰঞ্জী

দ্বিতীয় আখ্যান

—অধ্যাপক শ্রীযুত সূর্য্যকুমাৰ ভূঞা, এম-এ, বি-এল

তিপমীয়া গোহাঁইৰ বিদ্রোহ

মোৱামৰীয়া বিদ্রোহ স্বৰ্গদেউৰ লক্ষ্মীসিংহই দমালে সঁচা, কিন্তু এমুঠি মৰাণে দমবদ্ধ হৈ বংশপুৰ অধিকাৰ কৰি ৺দেউক বন্দীশালত দৈ মাহচেৰে-কলৈ বাজপাট খাব পাৰিলে, এই কথাখাৰতে আহোম আধিপত্য আৰু পৰাক্ৰমৰ মহাধাৰ সাঁচি লৈছিল। সকৰে ৱে বুজি পাৰিলে যে আহোমৰ ৰাজক্ষমতা অচল-অটল পৰ্ব্বত নহয়, ই কাঠ-বাহনে সজা বৈৰ ভেঁটাহে; বান-বাৰিষাৰ সোঁতপানীয়ে সেই ভেঁটা যহাই উটুৱাই নিব পাৰে। "মৰাণ যদি বন্ধা হব পাৰিলে, আমি আহোমৰ ৰাজকোঁৱা কোঁৱৰ হৈ বন্ধা হব নোৱাৰিম কিয়? মৰাণৰ সামান্ত পাইকান মানুহে যদি তিনিমহা ডাঙৰীয়া আৰু ববৰুৱা আদি বিষয় খাব পাৰিলে, তেন্তে আমিনো তেনেবোৰ বিষয় খাব নোৱাৰিম কিয়?" কোঁৱৰসকলে বান্ধা কৰিলে বন্ধা হবলৈ, তেওঁলোকৰ গোত্ৰৰ মানুহে বিচাৰিলে বিষয়-বাসনা ভোগ কৰিবলৈ। এয়ে হল কোঁৱৰ-বিদ্রোহৰ মূল উৎপাদন। অসমৰ ৺দেউসকলে এই কোঁৱৰ-চুনৰ সমস্যা ভালকপে সিদ্ধান্ত নকৰাত তেওঁলোকৰ সিংহাসনৰ তলত ঠেঁচীগোম সাপে ফুৰা পাবি বহিছিল।—'কোঁৱৰ-বিদ্রোহৰ বুৰঞ্জী,' প্ৰথম আখ্যান, 'আবাহন', ৪র্থ বছৰ, ৯ম সংখ্যা, আহাৰ ১৮৫৪ শক, ১৯৬-৯৫ পিঠি।

সোণৰ ভোগজৰাত চূণৰ আঁক

অসম ৰাজ্যৰ অধিপতি মহাৰাজ লক্ষ্মীসিংহ স্বৰ্গদেউৰ মুখদোৱা সোণৰ ভোগজৰা, দেওভ্ৰাষ্টই তাক চাব-চুৰ নোৱাবে। এদিনাখন ৺দেউে সেই ভোগজৰাতে এটা চূণৰ আঁক দেখিলে। মৰাণৰ হাতত বন্দী হৈ লাঞ্ছনা-অপমান পোৱাবে দিন ধৰি স্বৰ্গদেউৰ গা চকি আছিল। ভোগজৰাত চূণৰ আঁক দেখি ৺দেউে ভাবিলে—কোনোবাই তন্ত্ৰ-মন্ত্ৰৰ সহায়েৰে তেওঁৰ অনিষ্ট সাধিবৰ মনেৰেহে এনে কুকৃত্য কৰিছে। ৺দেউৰ তামুলী-লিগিৰী লংকলী আৰু জৰাধৰা লিগিৰী মোহন এই দুয়ে মাৰ্থো ভোগজৰা ৰাজবপৰা ভিতৰলৈ অনা-নিয়া কৰিছিল। ইয়াৰ ভিতৰত লংকলী লিগিৰী স্বৰ্গদেউৰ চেঙ্গেৰালি কালৰে আশৈ পোৱা তিৰোতা। ৺দেউে নিজে আগত থাকি উজনী চাওদাঙ্গৰ চ'ৰাতে ঘটপৰীয়া কৰি চালে, পৰীণাত লংকলী লিগিৰী পৰিল। তায়ে ৰং কৰি কোনোখান কৰিছে বুলি আৰু আগৰে মন-বুদ্ধি পোৱা মানুহ দেখি ৺দেউে কুকৃত্য যেন নুবুজি একো নামাতি-নুবুলি মনে মনে থাকিল।

ৰূপহী আৰু চান্দমতী নামে ৺দেউৰ আৰু দুজনী লিগিৰী আছিল। ৰূপহীৰ বাপেক আছিল ৺দেউে দয়া কৰা লুকুমাই লৰা গন্ধাৰাম। চান্দ লিগিৰীক ৺দেউে মৰম কৰি সোণৰ খাৰু পিন্ধিবলৈ দিছিল। স্বৰ্গদেউে স্নেহ কৰি তিপমীয়া গোহাঁই কোঁৱৰক লগতে ৰাখিছিল। এই তিপমীয়া গোহাঁইৰ লগত চিগাতলীয়া চাওদাঙ্গৰ চমুৱা এটা আছিল। গোহাঁইদেউৰে চমুৰাটোৰ হাতত ফুলতামোল দি ৰূপহীৰ লগত বিয়াহৰ ওজাৰ তালৈ পঠিয়াইছিল। ৺দেউৰ পৰ্ব্বতীয়া কুঁৱৰী আছিল চটাই অলীয়া ববগোহাঁইৰ ধৰৰ খঙ্গীয়া ফুকনৰ জীয়েক। এইজনা আইকুঁৱৰীদেউ ৺দেউৰ অতি বেপাৰ কুঁৱৰী আছিল। ৺দেউৰ ফাণৰ তেওঁৰ এটি কন্যা সন্তান আছিল। পৰ্ব্বতীয়া আইকুঁৱৰীদেউৰে চান্দৰে ৰূপহীৰে একে পিত্ত, তিনিওৰে একে আপচ। চাওদাঙ্গৰ চমুৱাটোৰে গতাগত কৰা কথা তিনিও জানে। তাৰ উপৰিও পৰ্ব্বতীয়া কুঁৱৰীয়ে ভাল দ্ৰব্যগুণ পালে তিপমীয়া গোহাঁইদেউলৈ পঠিয়াই দিছিল। এইদৰে কিছুদিন চাওদাঙ্গৰ চমুৱাটোৰে গতাগত কৰি কথাবার্ত্তা চলাই আছিল। তিপমীয়া গোহাঁইদেউৰে মাজে-মাজে চমুৱাটোৰ হাতত পৰ্ব্বতীয়া কুঁৱৰী, ৰূপহী আৰু চান্দলৈ চিঠিপত্ৰও দিছিল।

এনেতে চাওদাঙৰ চমুৱাটোৰ ঘৰত গিৰিয়েক দৈণীয়েকৰ কাজিয়া লাগিল। কাৰেঙৰ কুঁৱৰী আক লিগিৰীৰ মৰম-চেনেহৰ জুতি পোৱা চমুৱা ডেকাই নিজৰ বেইতা তিৰীক কেবাহিকৈ নোচোৱা হল। চমুৱাৰ দৈণীয়েকে প্রতিহিংসা সাধিবৰ মনেৰে ৮দেৱৰ বিশ্বাসী বিষয়া কাম বকৰাক সকলো কথা অবাস্তৱ ভাঙ্গি কলে, আক কলে বোলে,—"আজি গোহাঁইদেৱে লেখা এখনো দিছে, তাকে মোৰ গিৰিহঁতে গামোচাত নিব। খাপ দি ধৰিলে লেখাও পাব।" কাম বকৰাই আহি এই কথা ৮দেৱত বিশ্বাসে কলত ৮দেৱে কাম বকৰাকে আক লাখৰ তামুলী-লিখিৱাকে খাপ দি ধৰিব দিলে। চাওদাঙৰ চমুৱাই লেখা লৈ ভিতৰলৈ সোমাই যাওঁতে খাপ দিয়া মানুহে ধৰিলত তামোলৰ গামোচা চাই লেখা পাই নি কাম বকৰা আক লাখৰ হাতত দিলত ইহঁতে নি ৮দেৱক বিশ্বাসে দেখালে। ৮দেৱেও চমুৱাটোক লোৱা দি ধৰ দিলে, পাচদিনা ৰৱবকৰাৰ সোধপোছ লৈ বাটৰ্নেচাই ৮দেৱৰ আজ্ঞাৱে তাক চাওদাঙৰ হাতত দিলে। তিপমীয়া গোহাঁইদেৱে সেই লেখাত ৮দেৱক হীৰা খুৱাই মাৰিবলৈ ইবোৰলৈ লিখিছিল, আক প্রীতি-চলোৱা কথাও লিখিছিল।

লক্ষ্মীসিংহ ৮দেৱৰ আক তিনি গৰাকী কুঁৱৰী আছিল, গড়গওঁৱা সন্ধিকৈৰ ৰৱঘৰীয়াৰ ঘৰৰ ৰৱকুঁৱৰী, লুখুৱাধনৰ জীয়াৰী ন-কুঁৱৰী নাম কৃষ্ণপুৰীয়া, আক তামুলী-কুঁৱৰী নাম কালিঞ্জী। তিপমীয়া গোহাঁইদেৱৰ হাতলেখা পঢ়ি ৮দেৱে ন-কুঁৱৰী কৃষ্ণপুৰীয়া আক তামুলী-কুঁৱৰী কালিঞ্জীকে পৰ্ব্বতীয়া কুঁৱৰীকে চান্দতে কণহাতে সুধিব দিলে। সিহঁতে সৈ নকৰোঁতে কণহাৰ গালত চৰাপা সুধিছিল, তথাপি তাই সৈ নাকাঢ়িলে। ৮দেৱে নিজে ৰৱমৰঙত থাকি কৃষ্ণপুৰীয়া আক কালিঞ্জী কুঁৱৰীৰ হতুৱাই কেবাদিনো সোধ-পোছ কৰাইছিল, তথাপিতো মুল সত্য কথা কেও স্বীকাৰ নকৰিলে। ৮দেৱে মনতে গুণাগথা কৰি থাকিল।

§ পাচে এনেতে এদিন ৮দেৱে ৰৱমৰঙৰ মিচাঁজতে তিনিপৰীয়া গা ধোঁওতে বুঢ় লিগিৰীয়ে পানী আগ বঢ়াই দিওঁতে ৮দেৱে বুলিলে বোলে,—"আজি হাতী যুঁজাবলৈ যাওঁ।"

বুঢ়ৰে হুতুনি বোলে,—"স্বৰ্গদেও, কাকনো হাতী গচকাই মাৰিবলৈ ভিতৰলৈ আনিব দিছে হাতী?"

৮দেৱে পেঙলাইকে বোলে,—"মোৰ অহিত চিন্তা তহঁতকে হাতী গচকাই মাৰিম আজি।"

পাচে বুঢ়ৰে সেই বাক্যকে স্বৰূপ মানি পৰ্ব্বতীয়া আইকুঁৱৰীবেৰত কলেগৈ বোলে,—"দেৱতা, ৮দেৱে তোমাক হাতী গচকাই মাৰিবলৈ আজি ভিতৰলৈকে হাতী আনিব খুইছে।"

পাচে আইকুঁৱৰীবেৰে অতি ভীত হৈ তামুলী-কুঁৱৰীৰ ভবিত পৰি বোলে,—"বাই, তুমি মোক বাখাঁ, মোক লহু আজি হাতী গচকাই মাৰে।"

পাচে তামুলী-কুঁৱৰীয়ে গৈ এইৰূপে ৮দেৱত সুধিলত ৮দেৱে বোলে,—"মই বোলোঁ হাতী যুজাবলৈ যাওঁ। বুঢ়ৰে বোলে,—"কাক মাৰিবলৈ হাতী আনিবলৈ দিছা?' মই বঙটকৈ বোলোঁ,—'মোৰ অহিতচিন্তা তহঁতকে মাৰিবলৈ আনিব দিছোঁ।' মই এনেকৈ বংকৈ বুলিলোঁ। কাহানি পৰ্ব্বতীয়া কুঁৱৰীক মাৰিব খুইছো বুলি তাইত কৈছোঁ!! পৰ্ব্বতীয়া কুঁৱৰীয়ে মোক কি কবিছে?"

পাচে এইৰূপে তামুলী কুঁৱৰীয়ে আহি ৮ দেৱৰ মুখৰ কথা পৰ্ব্বতীয়া কুঁৱৰীত আহি কলতহি কিছু পৰ্ব্বতীয়া আইকুঁৱৰীদেৱৰ মনটি থিৰ হল।

পাচে এদিন ন-কুঁৱৰীৰ উপায়েৰে পৰ্ব্বতীয়া কুঁৱৰীয়ে ৮দেৱ মৰঙ সোমাওঁতে ৮দেৱৰ পাৰ দুই শপত খালে বোলে,—"তুমি দেৱতা মিচা ভাবিছা মোৰ কায়-বাক্য মনেও নাই। যদিহে মিছা কৈছো জীউৰে মুৰ খাম, মোৰ তোমাক সেৱা কৰিবলৈ নেপাম, হতচিবী হম।"

পাচে ৮দেৱে বোলে,—"মইনো তোক কি বুলিছোঁ?" এনে বুলি।

তথাপি বেথাৰ কুঁৱৰী দেখি কথাটোও প্রচ্ছলিত হৈ বাঢ়ে যেন জানি একো নুবুলিলে, চান্দ লিগিৰীকো একো নুবুলিলে। কিন্তু পেটেৰে জুৱাকো সিমান ভাল নেদেখিলে, কণহীক কোৱ-কিণ-চৰ ৩০কৈ মাৰি কাণ এখন কাটি ননলীবাৰীত খেদি থলে। তেতিয়াহে ৮দেৱে ভোগৰঙাৰ চুণৰ আঁকৰ কথা বুজিলে, তিপমীয়া গোহাঁইদেৱে ৮দেৱক মাৰিবলৈ মন্ত্রকৰ্ম্ম কৰি কণহীৰ হতুৱাই চুণৰ আঁক দিয়ালে বুলি। পাচে এইকণে ভালে দিনো আছিল। §

তিপমীয়া গোহাঁইদেৱ কোন?

লক্ষীসিংহ স্বৰ্গদেউ সিংহাসনত উঠি ককায়েক ৰাজেশ্বৰ সিংহ ৮দেৱৰ পুতেক চাকসিংহ যুবৰাজ মানু গোহাঁই আক বঙ্গেশ্বৰ সৰু গোহাঁইক নামকৰণলৈ খেদিলে, আক পাটকোঁৱৰক ৰৱকোলাত থলে। প্রমত্তসিংহৰ পুতেক মলো কোঁৱৰক লক্ষীসিংহ ৮দেৱে তিপাম মেল দি লগতে ৰাখিলে। সেই অনুসাৰে মলো কোঁৱৰ তিপাম ৰজা বা তিপমীয়া গোহাঁই খিতাপেৰে প্রখ্যাতি হল।

ৰাজেশ্বৰ সিংহ ৮দেৱৰ তিনিজনা পুতেকক নামকৰণ আক ৰৱকোলালৈ খেদি তিপমীয়া গোহাঁইকে লগত ৰখাৰ উদ্দেশ্য কি তাক সঠিককৈ নির্দ্ধাৰিত কৰা টান। ৰাজেশ্বৰ সিংহৰ ৰাজত্ব কালত কীৰ্ত্তিচন্দ্র ৰৱৰকৰাৰ হত্যাৰ চেষ্টা কৰা হৈছিল। ৮দেৱে নিজে সেই কাৰ্য্যত ভিতৰি টিপ্ দিছিল বুলি কীৰ্ত্তিচন্দ্রই বিশ্বাস কৰিছিল। ৰাজেশ্বৰ সিংহ দেৱতা জীয়াই থকা কালত কীৰ্ত্তিচন্দ্রই তাৰ একো প্রতিশোধ লবলৈ সুযোগা নাপাইছিল। ৮দেৱৰ মৃত্যু হোৱাৰ অলপ পাচতে ৰৱৰকৰাই নতুন ৰজা লক্ষীসিংহৰ আজ্ঞা লৈ ৰাজেশ্বৰসিংহৰ তিনিজনা কোঁৱৰ আক তেওঁৰ কুঁৱৰী সকলক সামাজ্ঞ ৰোজৰাজ দি নামকৰণ আক ৰৱ-কোলালৈ খেদি পঠিয়ালে। ৰৱৰকৰাই পূর্ব্বে তেওঁক মাৰিবৰ চেষ্টা কৰাৰ আছোপান্ত ঘটনাৰ কথা সুধিবলৈ পুতেক উমা ঢেকিয়াল ফুকনক নামকৰণলৈ পঠিয়ালে। ঢেকিয়াল ফুকনে টানকৈ সোধপোছ কৰাত ৰঙ্গেশ্বৰ সৰুগোহাঁইদেৱে ষড়যন্ত্রকাৰীসকলৰ সৈতে সকলো কথা ভাঙ্গি পাতি কলে, আক নিজেও ৰৱৰকৰাক হত্যা কৰাৰ চেষ্টাত লিপ্ত আছিল বুলি প্রমাণিত হল। ৰৱকাই এইবোৰ কথা আগেয়ে কিছু কিছু জানিছিল। ৰাজেশ্বৰ-সিংহ জীয়াই থকাত পুতেক ৰঙ্গেশ্বৰ গোহাঁই বা আন কোঁৱৰক শাস্তি দিয়াবলৈ তেওঁ সাহ নকৰিছিল। এতিয়া পিতৃ স্বৰ্গদেউ লোকান্তৰ হোৱাত এনে কনিবিহৰ সঁচ থোৱা ভাল নহয় বুলি এটাই কিজনা কোঁৱৰকে ৰৱৰকৰাই নির্দ্ধাৰণ কৰালে।

ৰাজেশ্বৰ সিংহ জীয়াই থকাত মানুহে ভাবিছিল তেওঁৰ পুতেক চাকসিংহ যুবৰাজ আগলৈ ৰজা হব। কালশিলীয়া গোহাঁই ৰজা হোৱাৰ কোনো আগন্তুক নাছিল, কাৰণ তেওঁ দেখাত আপচু ক'লা আছিল, সেই-কাৰণে তেওঁ ৰুদ্রসিংহ ৮দেৱৰ ঔৰসজাত সন্তান নহয় বুলিও ৰহুতে অনুমান কৰিছিল। ৰাজেশ্বৰ সিংহৰ মৃত্যুত কীৰ্ত্তিচন্দ্রই ভাবিলে চাকসিংহ ৰজা হলে তেওঁ প্রজা আক বিষয়াৰ মৰম সহানুভূতি পাই বলীয়ান হৈ কীৰ্ত্তিচন্দ্রৰ ক্ষমতাৰ গতিৰোধ কৰিব পাৰিব। সেইদেখি ৰৱৰকৰাই চক্রান্ত কৰি চাকসিংহ যুবৰাজ, তেওঁৰ দুজনা ভায়েক আক তেওঁলোকৰ মাক আক বৈমাত্রসকলক দুবেৰে খেদি 'এলাগী কোঁৱৰ' 'কনীয়া বাঘ' কালশিলীয়া গোহাঁইদেৰক সিংহাসনত বহৱালে। কালশিলীয়া গোহাঁই দেৱে লক্ষীসিংহ নাম লৈ সিংহাসনত বহিল। ৮দেৱে ভাবিলে চাকসিংহ ৰঙ্গেশ্বৰ আক পাটকোঁৱৰক ৰাজদানীত ৰাখিলে আগলৈ মানুহে যোত্র হৈ তেওঁলোকৰ কোনো একনাক ৰজা পাতিবলৈ চেষ্টা কৰিব পাৰে। সেইদেখি সিংহাসনৰ কণ্টক দুৰ হব বুলি ৮দেৱে কীৰ্ত্তিচন্দ্রৰ প্রস্তাৱত সম্মতি দি তেওঁলোকক দুবেৰে খেদি অক্ষত কৰি যোগান দি থলে।

মলো কোঁৱৰ তিপমীয়া গোহাঁইক লগত ৰাখিলে লক্ষীসিংহ ৮দেৱৰ বিশেষ সঙ্কট নাছিল, কাৰণ ৰাজেশ্বৰ সিংহ লক্ষীসিংহৰ অব্যবহিত পূর্ব্বৰ ৰজা, তেওঁৰ কোঁৱৰ-সকলৰ সিংহাসনত দাবী দুৰ্ব্বামাত্রা আছে। তিপমীয়া গোহাঁই ৰাজেশ্বৰ সিংহৰ পুর্ব্বৰ ৰজা প্রমত্তসিংহৰ পুতেক, সিংহাসনৰ ওপৰত তেওঁৰ দাবী অলপ নিলগীয়া। চাক-সিংহ, ৰঙ্গেশ্বৰ আক পাটকোঁৱৰৰ প্রতি মানুহৰ যেনে মৰমবেথাৰ সোঁত সৃষ্টি হৈছিল তিপমীয়া গোহাঁইক ৰজা বিচৰা মানুহ অতি কম আছিল। তাৰ উপৰিও তিপমীয়া গোহাই জহৰা বুলি এটা অপবাদ আছিল। সেইদেখি,

তিপমীয়া গোহাঁইক লগত বাখিলে ৮দেৱে কোনো শঙ্কাৰ কাৰণ নেদেখিছিল। কিন্তু কার্য্যক্ষেত্রত স্বর্গদেৱৰ আশাৰ বিপৰীত পৰিণাম হ'ল।

স্বর্গদেৱে লক্ষীসিংহৰ ৰাজত্বৰ আৰম্ভণিত মৰাণে বিদ্রোহৰ নিচান তুলিলে। ৮দেৱৰ ককাইদেৱকে মোহন মালা বাটধৰীয়া বৰজনা গোহাঁই, চাকসিংহ গোহাঁই আৰু বঙ্গেশ্বৰ গোহাঁইক মৰাণে চপাই লৈ কলে,—"পূর্ব্বে বকতিয়াল বৰ বকৰাই (কীর্ত্তিচন্দ্রই) বিনাদোষত ৮দেৱত লগাই তোমালোকক নামকপলৈ খেদিলে, শুনো কবালে। এতেকে বকতিয়াল বৰবকৰাক মাৰোঁগৈ। তোমালোকে আমাৰ লগলৈ আহাঁ। আৰণ্ডকে তোমালোকৰ এজনাকেহে ৰজা পাতিম। ৰজা হৈ আমাকো ফুকন বকৰা পাতিবা।" পাচলৈ মৰাণে চাকসিংহ আৰু বঙ্গেশ্বৰক বহন্তে বিহ পান কৰাই মাৰিলে।

নাহৰ খোৱা মৰাণৰ পুতেক ৰমাকান্ত সিংহাসনত বহিল। লক্ষীসিংহ ৮দেৱ মৰাণৰ হাতত বন্দী হল। মৰাণে আহোমৰ বুঢ়াগোহাঁই, ৰবগোহাঁই, ৰবপাত্র গোহাঁই আৰু ৰবৰকাক হত্যা কৰিলে। ১৬৯১ শকৰ চ'ত্তৰ সংক্রান্তিৰ দিনা ৮দেৱৰ পক্ষীয়সকলে ছচৰি গোত্রা ছলেৱে মৰাণৰ ৰবৰকৰা ৰাঘ আদিক কাটি বংপুৰ উদ্ধাৰ কৰি লক্ষীসিংহক পুনৰ সিংহাসনত বহুৱালে। হেৰোজা সিংহাসন পুনৰ লাভ কৰি লক্ষীসিংহ ৮দেৱে মৰাণ-দমনৰ বিস্তৰ আয়োজন কৰিলে, এই মৰাণ বিদ্রোহ সমূলে ধ্বংস নহলেও ৮দেৱে কিছুকাললৈ তাৰ কঁকাল ভাঙ্গি থলে।

কিন্তু মৰাণৰ চানেকিবে অন্যান্য মানুহে কোঁৱৰ চপাই ৰজা পাত্র-মন্ত্রীক অপঘাত কৰি ৰাজ্য লবলৈ চেষ্টা কৰিছিল। পোনতে বিদ্রোহ কৰিলে মৰাণে হত্যা কৰা চাকসিংহ মাজুগোহাঁইৰ পুতেক ভূধৰসিংহ গোহাঁইদেৱে। তিপমীয়া গোহাঁই মলী কোঁৱৰ ৮দেৱৰ মৰমৰ পাত্র আছিল দেখি তেওঁক মাৰিবলৈ ভূধৰ গোহাঁয়ে চেষ্টা কৰিছিল। তিপমীয়া গোহাঁইৰ ভকতি নামে এজনী বিশ্বাসী লিগিৰী আছিল। ৰজা হৈ ৰবকুঁৱৰী পাতিম বুলি হাতৰ লেখা এখন দি ভূধৰ গোহাঁয়ে ভকতিৰ হকুৱাই তিপমীয়া গোহাঁইক মাৰিবলৈ ষড়যন্ত্র কৰিছিল। ভূধৰ গোহাঁইৰ বিদ্রোহত নিপ্র আছিল বকতিয়াল ৰাজনেওগৰ পুতেক ভজনেন ৰববকরা আৰু পৰ্ব্বতীয়া ভট্টাচার্য্য গোসাঁই। ভূধৰ গোহাঁয়ে ষোল হেজাৰ টকা ৰূপ আৰু কাপোৰৰ পেৰা ভট্টাচার্য্য গোসাঁইৰ ঘৰত থৈছিল। তাৰ পৰা মাজে মাজে নি ষড়যন্ত্রৰ কাৰণে খৰচ ভগন কৰিছিল। ভট্টাচার্য্য গোসাঁয়ে ভূধৰ সিংহ ৰজা হবলৈ সংকল্প কৰি নিজৰ ঘৰত জপ-হোম কৰিছিল। ১৬৯৩ শকৰ শাসনত এই ৰববকৰা ধৰা পৰাত ভূধৰ গোহাঁই আৰু ভজনেন ৰববকৰাক প্রাণে মৰা হল। সোধপোছৰ তদন্ত কৰোঁতে ভট্টাচার্য্য গোঁসায়ে কর্ম্ম-ধর্ম্ম চৰোৱা ভট্টাচার্য্যৰ হাত আথৰেও অনেক লেখা-জোখা পালে, তথাপি ভট্টাচার্য্য গোসাঁইক ৮দেৱে তেতিয়া একো দুষুলিলে। সন্দিকৈৰ দিহিঙীয়া ফুকন শিৱৰাম ৰববকরা পদত নিযুক্ত হ'ল। স্বর্গদেৱে ভতিজাক তিপমীয়া গোহাঁইকে আপোন বুলি বুকুত সাৱটি লৈ থাকিবলৈ ধৰিলে। কিন্তু গাৱ মন্ত্রহেই শত্রু হ'ল। তিপমীয়া গোহাঁইদেৱে মানুহৰ ফুচুলনিত পৰি ৮দেৱ লক্ষীসিংহক মাৰি সিংহাসন লবলৈ অভিসন্ধি কৰিলে।

সহিতাই দিয়া প্রমাণৰ লেখা।

তিপমীয়া গোহাঁইদেৱে লক্ষীসিংহ স্বর্গদেৱক বিষ খুৱাই মাৰিবলৈ পৰ্ব্বতীয়া কুঁৱৰী, চান্দ আৰু কপহী লিগিৰীলৈ দিয়া লেখাৰ ৮দেৱৰ হাতত পৰাত নিজ ঘৰৰ অপৰাধ প্রখ্যাত হয় বুলি ৮দেৱে মনে মনে থাকি সকলো আলেহলেখ চাবলৈ ধৰিলে। ৮দেৱ টলকা মাৰি খৰাং গম পাই তিপমীয়া গোহাঁইদেৱে আকৌ ন-উপায়েৰে বিদ্রোহ আচৰিবৰ চেষ্টা কৰিলে। গোহাঁইদেৱৰ সহিতা নামে এজনী লিগিৰী আছিল। সেই সময়ত খনিকৰ ভূঞাৰ লৰা কেকেক কলিতা ফুকন ৮দেৱৰ বিশ্বাসী বিষয়া আছিল। ৮দেৱে কলিতা ফুকনক আদেশ দিলে,—"তিপমীয়া গোহাঁইদেৱে কি কৰিছে নকৰিছে সহিতাৰ ঘৰা যদি পাৰা বিচাৰ লৰা।" কলিতা ফুকনে ছল-ছল কৰি সহিতাৰ ভিতৰ বিশ্বাসী হৈ পৰিল। সহিতাই কলিতাৰ হাতত ৮দেৱৰলৈ বুলি চাবিখন লেখা দি পঠালে। ফুকনে আহি লেখা চাবিখন দি ৮দেৱক সকলো কথা জনালে। এখন লেখাত সহিতাই ঠাৰে-চিহাঁৰে লিখিছিল,—

§ "শ্রীদেৱতা, মি বিচাৰিছে পাব। মই তিকতা মানুহ, কলে কি হব? অনেক কথাৰ ভু পাৰলৈ টান। দ্রোহৰ কথা যে সুধিছে, ভণ্ডাৰৰ কোঠাতে তৰোৱালৰ পেৰা দুটা আছে, হিনৈয়ো আছে, নেপাইই নাই,—পাবই। আৰু পূজা-কর্ম্ম কত কৰিছে বামুণৰ ঘৰে ঘৰে। সোণৰখন ভাল কাপোৰ এনেতো গোহাঁইৰ তাতো কিছু কিছু ভবাগেছি। এটায়ে জানে। নেজানে যে তাৰ বস্তু সামবে কিয়? তাতো মানুহে জানে, আৰু মানুহে জানে, সুধিলে কিয় কব? ইয়াতে পাবা যেন, পাবলৈ টান পবিছে। জনাখিনি কৈছোঁ। বাখিলেও দোষে পাব, মিছা কলেও লোকৰ নৰকত পৰিব লাগে। আনতো বিচাৰ কৰক যদি কিবা মিছাকৈ কওঁ।" §

আৰু এখন লেখাত সহিতাই দ্রোহৰ মেলৰ মানুহৰ নামো দিছিল। সহিতাই দিয়া আন এখন লেখাত পণ্ডিতৰ দিন চোৱা গণিতা এই দৰে আছিল,—

§ "দেৱতাৰ শুভাশুভ চাইছোঁ, আষাৰ শ্রাৱণত ডাঙৰ সংশয়কার্য্য দেখিবৰ মনেৰে। পাচে এই সময় শুচি শৰৎ কালৰ জল হেন নির্ম্মল হব, আৰু পৰম সন্তোষ পাব, সকা শত্রু ক্ষয় হব।" §

সহিতাই দিয়া প্রমাণৰ লেখাৰ পৰা ৮দেৱে তিপমীয়া গোহাঁই দেৱৰ আলহৰ সকলো কথা বুজ পালে। আৰু চবিয়াৰ মুখেও যি কথা শুনিলে তাৰ ঘাবা সহিতাৰ লেখাৰ পৰা প্রমাণ আৰু ডাঠ হল। ১৬৯৫ শকৰ শাওণত তিপমীয়া গোহাঁইৰ ষড়যন্ত্র ধৰা পৰে।

ৰবচ'ৰাত সোধ পোছৰ মেল

§ এইৰূপে প্রমাণৰ লেখা পাই আৰু চবিয়াৰ মুখে সকল মানুহ তিপমীয়া গোহাঁই দেৱৰ তালৈ অহাযোৱা কৰি আলচ কৰা বুজি ঠাৱৰ হেন জানি ১৬৯৫ শকৰ শাওণৰ ২৬ দিন যাওঁতে স্বর্গদেৱ সক মৰমত গা ধুই ওলাই আহি কোঁৱৰ ঘৰৰ আগটুপে কলিতা ফুকন ১, কাম বকৰা ১, লাখৰ ১, মজুন্দাৰৰ কার্য্যত প্রবর্ত্তা নগা ১, এই চাৰিক শিকাই দিলে,—"তহঁত ৰবচ'ৰালৈকে গৈ তিনি জনা ডাঙৰীয়াকো অনাই ৰববকরা ফুকন সকলকে ৰবচ'ৰাত চপাই একে ঠাই কৰি এই সহিতাই দিয়া লেখা কেইখনো শুনাগৈহঁক, আৰু চা-চবিয়াৰ মুখে যিখিনি শুনা গৈছে তাকো কলিতা ফুকনে সকলোকে বুজাই কওকগৈ। তহঁতে কবিহঁক, 'ই জহবা লৰা, তেনে গোহাঁয়ো নহয়। তথাপি আপোন সম্বন্ধে মাজিওজনা ককাইদেৱতৈকে চাই অতি মর্য্যাদা দি তিপমীয়া মেল দি থৈছোঁ। অনেক শুনা কথাকো শুনা ভাও ধৰি থাকোঁ। শৰীৰ মাৰিব খোজা খনিত সহিব নোৱাৰি। অ, মোক মাৰি মোৰ দিনৰ পাত্র-মন্ত্রীক বাখিব আৰু এনে এটা নাই। এতেকেও কার্য্য-কাৰণলৈ সকলেও বুজি চাওক হয় নে নহয়, বুজিব পাৰিনে নোৱাৰি। এনে শৰীৰ মৰা কথা সহিব নোৱাৰি।' §

§ এইৰূপ শিকাই দি আৰু বুলিলে বোলে, "কলিতা ফুকনে তিনিজনা ডাঙৰীয়া ৰকরা ফুকনেৰে চ'াতে কথা হৈছে থাকিব, তহঁত তিনিয়ে বোলমাত কৰা কথা মোক কৈ থাকিবিহঁক।" পাচে এইকণে ৮দেৱে শিকাই দিয়েই ৰববৰব আগটুপে ভাতৰ মেল হবলৈ আহিল। ইয়োৰ চাবি চ'াবলৈ ওলাই আহোঁতেই তিপমীয়া গোহাঁইদেৱৰ পুতকটি স্বর্গদেৱৰ ওচৰতে বহিছিল গৈ। §

§ পাচে ই বোৰ চাবিও গৈ ডাঙৰীয়া বোৰলৈ চ'াতে ভালেখিনি বৈ থাকি নেপায়হি দেখি পলম হয় যেন জানি ৰকরা ফুকনতে অথন এই সহিতাই দিয়া লেখাও শুনালে। কলিতা ফুকনেও সকলোবোৰ কথা, যেতিয়া যি আলচ কবিছিলে, গতাগত মানুহবো কথা, সকলোবোৰ বুজাই কলে, স্বর্গদেৱৰ আজ্ঞাখনিও কলে। পাছে বকরা ফুকন সকলেও বোলে,—"তিপমীয়া গোহাঁই কোন আমি সকলেও জানো। তথাপি স্বর্গদেৱ-ঈশ্বৰে ইমান মর্য্যাদা দি থৈছে। এতেকে তেওঁ যে স্বর্গদেৱক দ্রোহ এটা এইমানবোৰ মন্ত্রণা আলচ কৰে, 'এতেকে এইবোৰ কথা নহয়, অপ্রমাণ। আমি এনেকৈ বুলিব নোৱাৰোঁ। তাতে তেওঁ কোঠাৰ লিগিৰী তিকতা যেনে জানে তাৰে হাতলেখা দি থৈছে, আত কি মাত আছে? এতেকে আমি সকল মৰিব

পাৱোনে কি ? ডাঙৰীয়া সকলো পাওকহি আমাৰ মনে তিপমীয়া গোহাঁইক এইৰূপে থবলৈ ভাল নেদেখে।" §

§ পাচে কাম বকৰা, লাখৰ, নগা তিনিও গৈ এইৰূপে বকৰা ফুকনে কোৱা কথা ৺দেৱৰ বৰঘৰৰ পাচটুপে জনালত স্বৰ্গদেয়ে বুলিলে বোলে,—"বকৰা ফুকনে উত্তম বুজিছে। ডাঙৰীয়া সকলো পাওকহি, যদি সিৱাবেও এইকণে বোলে তিপমীয়া গোহাঁইকো উলিয়াই নি হাতীশালত পুতেকে সৈতে থওকনি। ভট্টাচার্য্য গোঁসাইকো এইৰূপে দায় থবিব,—বিদেশী ব্রাহ্মণ, ইঠাইতে অনেক দিন আছে। পূর্ব্বে ককাইদেৱ সকলে যিকণে শ্রেষ্ঠা-আদৰ কৰিছিল মতো সেইৰূপে কোনো দ্রব্যধনৰ থলিত নকবি সেইৰূপ শ্রেষ্ঠা আদৰ কবি আছোঁ। সি তাকে থাই পিন্ধি আমাৰ কুশল চিন্তি থাকিব পায়। তথাপি যে অনেক ডাঙৰীয়া ন'বা, কোঁৱৰ, ব্রাহ্মণ এনেলোকক তেওঁ মন্ত্র দিয়ে, কথা হৈ আমাকো কোনোথান কবিবলৈ ইচ্ছা কবে, দেশ-বাইজৰো মঙ্গলক চিন্তে, এনে কথা কবিব পাই নিকিন ? আগেও বিদায় কৰিলত মই সুবুলিলো, এতিয়া বিদায় দিছোঁ আপোনাৰ দেশলৈ যাওক। যদি থাকিব খোজে মোৰ আন ব্রাহ্মণৰ দৰে পাতি খণ্ড সেইকণে থাকক।"

§ পাচে এইৰূপে স্বৰ্গদেৱে শিকালত ইবোৰ তিনিও আতি কলিতা ফুকনে সৈতে চাৰিও তিনিজনা ডাঙৰীয়া বকৰা ফুকন সকলতো এইকণে স্বৰ্গদেৱৰ আজ্ঞা কলত, ডাঙৰীয়া সকলত সহিতাই দিয়া লেখা চোৱ-চৰিয়াৰ মুখে বুজা কথাত বুজাই কলত, তিনিজনা ডাঙৰীয়াই "বকৰা ফুকন সকলেও উত্তম বুলিছে. ৺দেৱে এনেক নকৰি থকাটো দোষেই হে" বুলিলত স্বৰ্গদেৱৰ আক্রোশে পানীফুকনৰ নাতিয়েক মিৰি সন্দিকাইৰ দোলাকাষবীয়া বকৰাক পঠাই আহিলাবে সৈতে মানুহ এঐদে, দোলাকাষবীয়া বৰা, দা-ধৰা বৰা, কুকুৰাচোৱা বৰা, পাইকে সৈতে এই বোৰ লগত দিলে। তিপমীয়া গোহাঁইক তিনিপৰ মৰাত এই-বোৰে ঘৰৰ পৰা উলিয়াই আনি বংপুৰৰ বৰছত্তাৰৰ মুখৰ হাতীশালতে কাপোৰ এখনি পাৰি দি তাতে বহুৱাই বান্ধিলে। লগত পুতেকটিয়ে গোহাঁইদেৱৰ পূজা কৰা মন্ত্রখন ডিঙিতে নিহিলে। জীয়েকটিও গৈছেলে। §

§ পাচে বন্ধুদেও কটকীক পঠাই বঙ্গাল ভট্টাচার্য্য গোসাইকো সেইজন দায় ধৰি মাটিয়ে তুলিয়াই আনি দোলাকাষবীয়া বৰা, পাইক ৪০ ; দা-ধৰা বৰা, পাইক ৪০ ; কুকুৰাচোৱা বৰা, পাইক ৪০ ; ববৰকত্তাৰ বৰা, পাইক ৪০ ; কাড়ী-মানুহ এফৈদে সৈতে এইবোৰ বৰীয়া দি বংনাথৰ চ'ৰাতে থলেনি। পাছে এইকণে কবি গৈ ডাঙৰীয়াসকলে জনোৱা কথাকো ৺দেৱত জনালত ৺দেৱে বোলে,—"সভাতে তাতে বহাতে কথা শুনাই কগৈ,—'এই ভট্টাচার্য্যৰ আৰু শিষ্য-প্রশিষ্য ক্রমে যি ইয়াৰ মন্ত্র লয় সি আপোনাৰ পূর্ব্বৰ যি গুৰুঘৰৰ ভকত এইবোৰবো দ্রোহী, মোবো দ্রোহী, বাজবো দ্রোহী তাৰ সপ্তম পুৰুষ নৰকত পৰিব, নির্ব্বংশী হব, ৺দেৱবো দণ্ডাই, এইকণে কথা শুনাই কবি। আতে কোনে কি বোলে বোলক।"§

§ পাচে এইকণে ৺দেৱৰ আজ্ঞা ইবোৰ চাবিয়ে আহি তিনিজনা ডাঙৰীয়া বকৰা ফুকনত কলেহি। তেতিয়া চতাই-অলীয়া ৺দেৱৰ বিয়ে বৰগোহাঁই ১, মবাণ-পাতবৰ বৰপাত্র-গোহাঁই ১, কুৰৈগঞা বুঢ়াগোহাঁই ১, সন্দিকৈ ববৰকত্তা ১, কুৰৈগঞা না বৈছা ফুকন ১, গাহনৰ ডেকাফুকন ১, মিৰি সন্দিকৈৰ দিহিঙীয়া ফুকন ১, কুৰৈগঞা ন-ফুকন ১, লফা-বৰীয়া বাজনেওগ ১, পৰ্ব্বতীয়া ফুকন মোহনৰ পুতেক ১, ভাণ্ডাবী বকৰা লখী ১, লেবা দা-ধৰাৰ খঙীয়া বকৰা ১, চাবিঙীয়া ফুকন ১, বামনাথ ভাণ্ডাবীৰ ভায়েক চাবিঙীয়া বকৰা ১, বকতিয়ালৰ হাতী বকৰা ১, কাম বকৰা ১, তামুলী-লিগিৰা শিবনাথ ১, লাখৰ ১, চাওদাঙৰ বুকৰৎ বকৰা ১, ঘোৰাকোঁৱৰ ডেকা মনাই ১, জালভাৰীৰ পাচনী বৰা ১, বুঢ়াগোহাঁই-পৰীয়া উজনীয়াল ডুলীয়া বকৰা ১, তিনিজনা ডাঙৰীয়াৰ লগত মানুহো, মবজি খোৱা বৰচেটিয়াৰ বংশৰ সকলো, কাকতী, কটকী, গণক-দলৈ, সভাপণ্ডিত, দেওধাই, বাইলুং, আৰু সভাত যি যি আছিল, এই সকলেও হবিধ্বনি শব্দ কবি কৈছে,—"এই ভট্টাচার্য্যৰ আৰু তেওঁৰ শিষ্যবো শিষ্যৰ আমাৰ দেশৰ প্রজাৰ সকলেও যদি মন্ত্র লব সেইবোৰ বাজদ্রোহ ও গুৰুদ্রোহ ভকতদ্রোহ সকল সিদ্ধি হব, সপ্তমপুৰুষ নৰকত পৰিব, ৺দেৱৰ দণ্ডাই হব। আৰু পো-

ভাই যেনেকৈ হয় সেইৰূপে ভাগে ভাগে ধৰি দিব।" পাচে এইৰূপ সকলোবে বাক্য ৺দেৱত জনালত এই কথাকে ফলি কৰি থব দিলে। §

নামৰূপ নে টোকোলাই

§ তিপমীয়া গোহাঁইৰ লগৰ মানুহ সকলোবোৰ বিবোৰ পালে তেতিয়াই বখা দিলে। আৰু তিপমীয়া গোহাঁইকো পূর্ব্বৰ জহবা বোলা কথা সুধিলত সকলেও জহবা বুলি কলে। পাচে বঙ্গালৰ নাওশালত ঘৰ এটি আওতাই তাতে বান্ধিব দিলে। বাতিহে নাওশাল পালেহি। তিবী-তিকতাবোৰ পাচদিনাহে নাওশাললৈ পঠালে। এই দিনায়ে ভট্টাচার্য্য গোসাঁইকো গধুলি পুনৰ ওভোতাই আকে থকাঘৰতে থলেনি। §

§ আৰু ২৭ দিন যাওঁতে 'তিপমীয়া গোহাঁইক কোন ঠাইত কেনেকৈ থবলৈ বাকু, কাৰ কি মনে চোৱে সকলেও জনাই আহিব' এইজন ৺দেৱৰ আজ্ঞা পাই নগায়ে সুধিলত ৺দেৱৰ পাইক ববগোহাঁয়ে জনাইছে,—"৺দেৱে যি সুধিছে উত্তম সুধিছে। পূর্ব্বে যেতিয়া তিপমীয়া চাবিঙীয়াৰ পুতেকটি ইতৰ কথা সোধে তেতিয়াই কৈছোঁ 'নামৰূপত পাতিলে গোহাঁই হৈ বয়। তাত পতাত অনেক দোষো। সম্প্রতিও তিপমীয়া গোহাঁইক নামৰূপত পাতিলে কোনোৱে গোহাঁই বুলি হাতত লব পাবে, এতেকে সি ঠাইলৈ নিনি বচা-টোকোলাই এনে ঠাইত পুবাচাবেক মাটী দি জীবিকা প্রবর্ত্তাবলৈ পাতি থবে ভালযেন দেখি। মনেচোৱাহে জনোৱা যায়। অ, দুজনা আপ বকৰা ফুকন সকলোবে সমালোচন হৈ ৺দেৱে ইয়াৰ যিধান বুলিব সেয়েহে হব।" §

§ এইৰূপে ৺দেৱৰ আজ্ঞা শুনি ৺দেৱৰ পাইক বৰপাত্রগোহাঁয়ে জনাইছে,—"নামৰূপক চৰবণক শুদ্ধ হোৱা নাই। সেই ঠাইত মবাণে যি মাৰিলে যি আছিল সেইবোৰ যত যত পাতিলে সিয়োজন সেই ঠাইত বিদ্বিত দিছেগৈ। তাতে বাৰ-চিবিঙৰ চিত্ত কেনে তাকো ৺দেৱে বুজিছে। এতেকে সি ঠাইলৈ নিয়া দোষহে। সম্প্রতি বচা চেউনি টোকোলাই এনে এঠাইতে পুবাচাবেক মাটি-বাবী দি প্রবর্ত্তিব পবাকৈ পাতি থলে বাক যেন দেখি। মনেচোৱাহে জনোৱা যায়। দুজনা আপ আৰু বকৰা ফুকন সকলোবে সমালোচন হৈ স্বৰ্গদেয়ে যিধান কবিব সেয়েহে হব।" §

§ এইৰূপে ৺দেৱৰ আজ্ঞা শুনি ৺দেৱৰ পাইক বুঢ়াগোহাঁয়ে বোলে,—"নামৰূপৰ ১৬০০ মবাণ ইঠাইলৈ দি পঠালোঁ। সিয়ো পুনৰ ফিৰি সিঠাই পালেগৈ। বাবে-চিবিঙৰো চিত্ত শুদ্ধ হোৱা নাই। বৰজনা গোহাঁইক দণ্ড কবি সেই ঠাইত থলেনি। তেওঁ মবাণৰ লগ পাই বোলে 'মইহে বঙা।' সেইঠাইতো আনক টান মাত দিছিলে আৰু যি চাবিঙীয়া লবাটিইতক ৺দেৱে ঠাইে ঠাইে পাতিছে, পাইকৰ মনে, সিইতকো এইকণে থোৱা ভাল যেন দেখা নাই। তিপমীয়া গোহাঁইক এইকণে এঠাইত পাতি থোৱা পৰকাণলৈ সকলোলৈকে দোষ, নেওঁৰ কাটি বাধ মেলাৰ ঠেনা হয়। সম্প্রতি ৺দেৱে কোনোৰূপ চিন দি বচা-টোকোলাই এঠাইত পাতি থলে পৰলৈকো কোনোৱে হাতত লব নোৱাবে। পৰলৈ চাবিঙীয়া গোহাঁইদেৱলৈকো (লোকনাথ গোহাঁই, পাচলৈ গৌৰীনাথ সিংহ) তেহে নিৰ্ব্বাহ হয়। ৺দেৱে যি বুলিব সেয়েহে হব। দেশত যে শত্রু বিস্তৰ হল। মনেচোৱাহে জনোৱা যায়।" §

§ পাচে এইকণে তিনিওজনা গোহাঁয়ে জনোৱাৰ কথা ৺দেৱত জনালে। ৺দেৱে বকৰা ফুকনকো এই কাকত শুনাই সুধিব দিলত বৰবকৰাকে মুখ্য কৰি সকলো ফুকনবোবে জনাইছে,—"তিনিজনা ডাঙৰীয়া যি কৈছে আমাবো কথা এয়েহে। ৺দেৱ-ঈশ্বৰে ছুয়ো বাপেক-পুতেকক চিন দি টোকলাই বা বচা এঠাইত পাতি থওকনি, তেহে পৰলৈ গোহাঁই নহয়।" §

অপবাধীৰ দণ্ড

§ পাচে এইকণে ৺দেৱত জনাল ৺দেৱে বাপেক-পুতেক ছুয়োবো কাণ একোখন নাক কাটিব দিলত নাগায়ে, লাখবে, কামে, কাকতীয়া শিবয়ে, চাবিও আহি বৰ-বকৰাৰ আগতে নবাকৌৱৰ দোলাকাষবীয়া বৰাকে, কুকুবাচোৱা মণিকে, দোলাকাষবীয়া কিনাইকে, এই

তিনিক শিকাই দিলে, "৮দেৱৰ আজ্ঞা তহঁত তিনিও গৈ তিপমীয়া গোহাঁইৰ বাপেক-পুতেক দুইবো কাণ একোখনকৈ নাকটো কাটি আমাক দেখাবিহি।" পাচে ইহঁত তিনিও গৈ নাওশালত সেইৰূপ দণ্ড কবি ৰবৰকৱাৰ আগত দেখাগেহি। পাচদিনা নাৱেৰে মঠাদাঙলৈ নি লিগিৰী-কাঁড়ীৰ ঘৰত থোৱাগে, বচাত পাতিবলৈ নিবলৈ। আৰু ভট্টাচার্য্য গোসাঁইকো নিবলৈ নাও যুগুতি কবিব দিলে, বস্তুও ভৰা দিয়াব দিলে।§

§ ৰাজ মাওদৰে তিপমীয়া গোহাঁইৰ হৈ বহুত মাতিলে,—"আগলৈ আমাৰ বংশেছেদ হল, জলপিণ্ড শুচিল, আক বাধা", ইত্যাদি অনেকৰূপে মাতিলে। পাচে ৮দেৱে বোলে,—"আইচু, মই মোৰ সকলৰ লগবছে এটা। সকলে বিবোলে তাক নকবি পাবোনেকি? আৰু মোৰ সি শৰীবকে মাবিব খুজিলে, এইবিনি সুযুজা কিয়? নকবি নোৱাবি,—নামাতিবা।" §

§ ৮দেৱে এইবুলি তিপমীয়া গোহাঁইৰ লগত মানুহক দণ্ড বিহি দিয়ে,—

কাণ একোখন কাটি খেলত দিব।—গছীয়া বকৱাৰ ভাগৰ পৰত থকা লিগিৰা মৰা ১, কমলাবীয়া হাজাৰৰ কমলা ১।

কাণ খুলিব।—চোলাধৰা ফুকনৰ ভাগৰ গতি ১, চাবিঙীয়া টেকেলা কোৱামৰীয়া ১।

এইৰিতৰ মাজু-বটাবিলয়েৰে কাণ খুলিব।—পানী তোলাৰ নিৰ্ম্মল ১, আনন্দ ১, কিবকিটি ১, ডেকা বাক ধৰাৰ মৰাণ ১, চাঙমাইৰ চন্দৰ ৮, ৰবৰকৱাৰ টেকেলা ধৰা কাম চেতিয়াৰ বঙ্গ ১, লিগিৰী লৰা আচলা ১, কলীয়া ১, বাকৱতীৰ লুখুৰাথান বাকৱতী সভানন্দ ১, গতিৰ ভায়েক দুর্গা ১, বাজুৰা দা-ধৰা এমত ১, বেতবৰীয়া চাওদাং বকৱা ফৈদৰ ৰিক ১, মৰাবে ভতিজাক মেজি ১।

কাণ কাটিব।—মৰাণক মাৰিলত সোমোৱা চাংচোৱাক লৰা মধ্যে ১, নহটীয়া চেতিয়া পুখি ১, চাংমাইৰ তলো ১, সিয়াই ১, পানী তোলাৰ কাহু ১, পেলাই ১, চাওককৰ বলো ১, লকাবৰীয়া দুৱৰা ভোগাদ ১, হবলাভ ১।

এইবোৰক কোৰ কিল চৰ মাৰি খেদিলে।—তিপমীয়া ভাগৰ মিজিং ১, হিলেদাৰী হাজৰিকাৰ পুতেক লখোদৰ ১, মাচখোৱাৰ ভতিজাক ১, নৰিয়া, লুখুৰাথোনৰ লেৰেলা ১ নৰিয়া, চৰ্দ্দা ১ নৰিয়া, বাধৰ ১, ধনা ফেদেলাৰ পুতেক বৰ্ত্তম ১, মোহন ১ নৰিয়া, চাবিঙীয়া ফুকনৰ ভায়েক ভতিজাক ২, ৰাইদঙীয়া বকৱাৰ পুতেক নাতিয়েক ২, দুখীয়া বকৱাৰ পুতেক ১ নাই।

কাণ কাটিলে।—চোলাধৰা ফুকনৰ ভাগৰ কাতিৰামৰ পুতেক চমুয়া লিগিৰা পৰাম ১ পলাইছে, মুলা বায়ন ১।

কাণ খুলিব। ভোলাই মাউতৰ ভতিজাক জুবাই ১ পলাইছে, তিপমীয়া ভাগৰ উৰ ১ পলাইছে, টপটপি ১, বেতবৰীয়া চাপদাং বকৱা ফৈদৰ পুবাই লিগিৰাৰ ভতিজাক ১।

এইৰিতৰ চমটিয়াই এবিলে।—তিপমীয়া কুকুবা-পুহীয়াৰ হাজৰিকাৰ ভকত ১ পলাইছে, সমৱত যোৱা কুকুবাচোৱা বঙ্গা কেতকী আইদেৱৰ নাতিয়েক ১, তিপমীয়াৰ কৃষ্ণ মিজিৰ ১, চক্রবর্ত্তী জাকৰ কবি ১, পবিচাৰক ৬।

এইৰিতৰ চমটা ২০ কৈ মাৰি ঘৰলৈ খেদিলে:—চমুয়াকৈ থকা দেৱগঞা বহু ১, ভুবন লিখক ১, নাৰায়ণৰ পুতেক কৃষ্ণৰাম ১, খোৱাঙীয়া ভাগৰ টিপ্‌টিপি ১ ।

এইৰিতৰ চমটিয়াই খেদিলে ।—বেঙ্গ চেৱাতলীয়াৰ পুতেক ৩, শূলপাণিৰ ভায়েক বাধা ১, বকতিয়াদৰ বাধা ১ নাই, কাকতী লৰা ৩, দিহিঙীয়া দলৈৰ পুতেক ১। §

মেলৰ কুকুবাচোৱাটোকে কোৰ কিল-চৰ ৪০ কৈ মাৰি ৰবৰটালিয়েৰে কাণ এবন খুলিলে। আৰু ওপৰত লেখি অহা মানুহবোৰ যি দণ্ড লেখা গৈছে দণ্ড সেয়ে, কিন্তু আৰু কোব-কিল-চৰ ৩০ কৈ মাৰি খেলে খেলে সোধাই দি ঘৰলৈ খেদিলে। চমুয়াকৈ থকাবোৰক ওপৰৰ লেখা দণ্ডেই, আৰু কোব-কিল-চৰ ৪০কৈ মাৰি শলা ৮টাকৈ মাৰি ঘৰে ঘৰে খেদিলে' আৰু ৮দেৱৰো তামুলী লিগিৰা সন্দিকৈৰ ডোমাই ১, তিপমীয়া ৰাজ-খোৱাৰ পুতেক বলো ১, লংচাওজাৰ পুতেক লখী ১, এই তিনিকো তিপমীয়া গোহাঁইৰ তলৈ গতাগত কৰা

জানি তামুলী লিগিৰাৰ পৰা গুচাই চমুয়াকৈ থাকিব দিলে। §

§ আৰু ৰবপাত্র গোহাঁয়ে ৮দেৱলৈ জনালে,—"ৰবৰ'ণৰ ঠাকুৰ মাটিলাকৰ হবে মোৰ আগত ৮দেৱক এনেকৈ বুলিলে বোলে, ৰঙ্গা হল গাওঁবুঢ়া, কাকো একো নোবোলে, এনেকৈ কিকণে দেশ ৰক্ষা পাব? ইত্যাদি অনেক বুলিছে বুলি। কলিতা ফুকনত কৈ ৮দেৱত কলত ৮দেৱে সুবিব দিলত কলিতা ফুকনে নগাবে তাত সুবিলত সি মিছা মাতিলত হবক লোৱা দি থলে। ১৬৯৫শকৰ শাওণৰ ৩১ দিন যাওঁতে কাকতীয়া বামুণৰ পুতেক শিবয়ে দোলা কাখবীয়া চ'ৰাৰ টুপতে কটকীবোৰক নি ৮দেৱৰ আজ্ঞা কলে বোলে, —"নগাক ৮দেৱে মজুন্দাৰৰ মর্য্যাদা দিছে! সকলেও মজুন্দাৰ বকৱা বুলিব, তোমালোকেও সেইৰূপে জানিবা।"§

হবনাথ ফুকনৰ অপৰাধ

তিপমীয়া গোহাইদেৱক শান্তি দিয়াৰ পাচত ৰঙ্গাচিলা দুৱৰাৰ ঘৰৰ হবনাথ সেনাপতি ভিতকৰাল ফুকনৰ বিচাৰ আৰম্ভ হল। ফুকনৰ অপৰাধ এই, "মৰাণৰ ৰণলৈ পাঠিত মৰাণৰ লগ লৈ দেশ ৰাজ এৰি দি ৰবজনা গোঁহাইক ৰঙ্গা পাতি দিলে আহিল।" এই হবনাথ ফুকন মান-অনা বদনচন্দ্র ৰবফুকনৰ পিতৃদেৱ, আৰু শ্রীনাথ ৰবৰকৱাৰ ককাইক। ৰাজেশ্বৰ সিংহ ৮দেৱৰ দিনত মণিপুৰীয়া ৰঙ্গা জয়সিংহৰ অনুৰোধত মানৰ খেদাৰ পৰা মণিপুৰ উদ্ধাৰ কবিবলৈ পঠোৱা অসমীয়া সৈন্তৰ সেনাপতি আছিল হবনাথ ভিতকৰাল ফুকন। তেতিয়াবে পৰা এওঁ সেনাপতি ফুকন নামে প্রখ্যাত। লক্ষীসিংহ ৮দেৱৰ দিনৰ মৰাণৰ বিৰুদ্ধে এওঁক ৰণ কবিবলৈ পঠোৱাত মৰাণে আহি এওঁৰ কোঠ ৰেবি ধৰিলে। মোহনমালা ৰবজনা গোহাঁয়ে হবনাথ ফুকনৰ কাষ চাপি বুকু উদি কবি কলে, "গেঙ্কেলাই মোৰ বুকুৰ আগমহুৰ এচোৱা থালে; দুৱৰা, তই ইডোখৰ থাঁ।" মৰাণে হবনাথক বন্দী কবি ৰংপুৰলৈ লগতে লৈ আহিল। তাবে পৰা তেওঁ পলাই গৈ ৰঙ্গদেশৰ চিলমাৰীত কিছুকাল লুকাই আছিল। মৰাণৰ বিদ্রোহ শাম কটা শুনি তেওঁ অসমলৈ উভতি আহে। থেনোৱে ভাৰিছিল তেওঁ স্ব-ইচ্ছাতে মৰানৰ লগ লৈছিলগৈ, কিন্তু ফুকনে কৈছিল যে তেওঁ বুজু কবি নোৱাবাতহে মৰাণে তেওঁক বন্দী কবিবলৈ পালে। গৌৰীনাথ সিংহ মহাৰাজৰ দিনত হবনাথ ওৱাহাটীৰ ৰবফুকন হৈছিল। তেওঁৰ আন এটা নাম অতিমন্তু।—

§ ১৬৯৫ শকৰ আষাৰৰ ২৪ দিন যাওঁতে সোমবাৰে ভিতকৰাল ফুকন পলাল। মঙ্গলবাৰে পুৱা স্বর্গদেৱে শুনি টান কবি বিচাৰবি দিলে। ২৭ দিন যাওঁতে বৃহস্পতিবাৰে তিনিপৰ মাবিলত কলিতা ফুকনব লগত থকা বচায়ে বার্ত্তা কলেহি। পাচে কলিতা ফুকনে দোলা-কাখবীয়া ৰবা ২, পাইক ৪০; কুকুবাচোৱা ৰবা ১, পাইক ২০; এইবোৰক পঠাই কাইমুনৰ আহোমৰ খেৰব মেজীৰ মাৰৰ পৰা ভিতকৰাল ফুকনক ধৰি অনাই হাতীশালত জিজিবি লোৱা দি মানুহ এশ ৰখীয়া দি বাতি বাখিলে। পুৱা তাতে ভাত খাব দিলে। ভোগকাণোৰ খাক আকো পিন্ধিব দিলে। এইকণে বন্দীতে আছিল ‡

§ শাওণৰ ২৭ দিন যাওঁতে আগেয়ে হাতীশালত লোহা দি থোৱা দুৱৰাৰ ভিতকৰাল ফুকনে, শিৱনাথে, নগায়ে আহি ৰবৰকৱাৰ আগতে তামুলী ফুকনৰ ককায়েক চাওদাঙৰ বকৱাক শিকাই দিলে,—"৮দেৱৰ আজ্ঞা ভিতকৰাল ফুকনক চাওদাঙৰ হাতত দিব দিছে।" পাচে চাওদাঙৰ বকৱাই হাতীশাললৈ গৈ ভিতকৰাল ফুকনৰ হাতীশালৰ পৰা উলিয়াইছিল। এনেতে পহমবীয়া মাজুনা গোসাঁয়ে (গঙ্গাধৰ) ঘোৰা মেলি আহি ৮দেৱত মতিলত ৮দেৱে চাওদাঙৰ হাতৰ পৰা ওভতাই আনি সকলোবোৰতে সুবিব ধৰিলে বোলে,—"ফুকনে অকণা নাচবে বুলি কোনে গা কৰে কবক।" পাচে কোনেও গা নকবিলে। §

§ পাচে ভিতকৰাল ফুকনত ৮দেৱে দাই ধৰি সুবিব দিলে বোলে,—"ইয়াৰ সপ্তমপুৰুষ আউনীআটীৰ ভকত, ই কিয় ভট্টাচার্য্যৰ মন্ত্র লয়? এতেকে সকলো মন্ত্রণা কবি মোক মাৰিবৰ নিমিত্তেহে মন্ত্র ললে। আৰু ই দুৱৰাৰ ঘৰৰ,

মোৰ এদিনীয়া বন্ধী নহয়, মৰাণৰ বৰদৈলে পাচিলত মৰাণৰ লগলৈ দেশ-বাজ এবি দি ববজনা গোহাঁইক বজা পাতি লৈ আহিল, তথাপি মই ইমান দায়কো ক্ষমা দি চ'ৰাৰ ফুকন পাতি মৰ্য্যাদা দি থৈছিলোঁ। তথাপি সেই মান-মৰ্য্যাদাত থাকিও অকথা কবিবলৈকে ইচ্ছা কবিলে এতেকেহে চাওদাঙৰ হাতত দিব দিলোঁ। তথাপি যে গোসাঁইদেৰে মাতিলে, আৰু বববকৰায়ো প্রার্থনা কবিলে, এইবাবলৈ ক্ষমা দিলোঁ। ঘৰে বাৰীয়ে গাভক হৈঠাইতে থাক, ইয়াক নি ৰধীয়া দি কংকঙৰ পামত নি থওকনি। কোনে কবে গা কৰক।" §

§ পাচে এইকপ ৮দেৱৰ আজ্ঞাবে বববকৰাৰ আগলৈকে আনি এইকপে দাই ধবিলে। তিতবকৰাল ফুকনে কলে,—"এই জেঠাইহে মই ভট্টাচার্য্যৰ মন্ত্র ললোঁ। কামৰূপী হবদত্তে বিবি ভবাই দিলেহি। পূজা-পাটল একো শিকা নাই।" এই বুলি বিবিকো দেখালে। দোলকাখবীয়াৰ ববা কিনায়ে কলিতা ফুকনক দেখালেনি। আৰু ফুকনে ৮দেৱলৈ প্রার্থনা কবি কলে,—"ছত্রবাৰ ঘৰ যাক বোলে ৮দেৱৰ এদিনীয়া বন্দী নহয়। তথাপি ৮দেৱসকলে যে বন্দীঁতৰ এনেকণা শুনিব নেপালে, এতিয়া বন্দীৰ যে ছুৰ্দ্দৈৱৰ ঘাবা শুনিলে, বন্দী দণ্ডাই হৈয়ে আছে। তথাপি গোসাঁইদেৰে মাতিলত, ঔ, দেৱতাৰ বন্দী বববকৰায়ো প্রার্থনা কবিলে, এতেকেহে বন্দীক ক্ষমা দিছে। তথাপি যি ঠাইত বন্দীক থাকিব দিছে সেই ঠাইত থাকিলত বন্দীৰ ছুৰ্দ্দিনৰ ঘাবা অকথা শুনিব পাৰিব। এতেকে সেই সেই অপবাধকো ৮দেৱে ক্ষমা দিলেহে বক্ষা পাম। বন্দীৰ হৈ যে কোনেও গা নকবিলে, দেৱতাৰ বন্দী বববকৰাৰ হাততে বন্দীক সোধাই দিবক।" পাচে বববকৰায়ো "ময়ে গা কবিছোঁ" বুলি ৮দেৱত জনালত ৮দেৱে বববকৰাকে গা কবাই পবদিনা কংকঙৰ ঘবত নগবলৈ নহাকৈ ফুকনক থেদি থব দিলে।§

তিপমীয়া গোহাঁইদেৰক শাস্তি দিয়াৰ কিছুদিনৰ মুবত বণী বাজমাও দেৱৰ মৃত্যু হল। 'এই সময়তে পর্ব্বতীয়া আইইঁবৰীদেৰৰ গাত বস্ত্র ওলাল, জোন্ধেক আইদেৰবো ওলাল। ছুইকো নি দেবীঘবত থৈছিল, ছুয়ো মৃত্যু হল। সেই সময়তে লুখুবাখুনৰ জীয়াৰী নাম কুক-পুবীয়া, তেওঁক পর্ব্বতীয়া কুঁবৰী পাতিলে। লক্ষীসিংহ ৮দেৱৰ প্রথম কন্যা বাইলু ববগোহাঁইৰ পুতেক কৃষ্ণবাম ঢেকিয়াল ফুকনে বিয়া কবাইছিল। সেই সম্বন্ধে বাইলু ববগোহাঁই ৮দেৱৰ বিয়েয়েক আছিল।

এনে সময়ত ৮দেৱে ভট্টাচার্য্য গোঁসাইক নাওখাউৰ পবা থকা ঘবলৈ আনিব দিলে। ৮দেৱৰ পক্ষা বববকৰাই মানুহ পঠিয়াই ভট্টাচার্য্য গোসাঁইত কোৱালত গোসাঁয়ে বোলে,—"মহাবাজে মোক দেশলৈ বিদায় দিছে, নাৱত উঠি আছোঁহি। নাও মেলি যাওক বুলিব মই যাম। ঘবলৈ আৰু কেলৈ নিয়ে? বাজাজ্ঞা।" এই বুলি নাহিল। সেই দিনাহে তিপমীয়া গোহাঁইক বচাইলৈ নিবলৈ আজ্ঞা কবিলে।

বচাত তিপমীয়া গোহাঁই

স্বর্গদেৱে ডাঙৰীয়া সকলেবে পবামর্শ কবি তিপমীয়া গোহাঁইক পুবাচাবেক মাটী দি বচাত পাতিলে। তাতো তেওঁ দ্রোহ আচবিবলৈ চেষ্টা কবিছিল। গোহাঁইদেৰে লগৰ ব্রাহ্মণ পঠিয়াই আন মানুহকো ভট্টাচার্য্য পর্ব্বতীয়া গোসাঁইৰ মন্ত্র লোৱাবলৈ যত্ন কবিছিল। তিপমীয়া গোহাঁইৰ এজন ব্রাহ্মণ সেই উদ্দেশ্তে ববপাত্রগোহাঁইৰ ওচবলৈ গৈছিল। পোনতে ব্রাহ্মণে কলিতা ফুকনৰ তাব পবা আহিছোঁ বুলি কৈছিল। কিন্তু পাচলৈ তিপমীয়া গোহাঁইৰ তাব পবা আহিছোঁ বুলি স্বীকাৰ কবিছিল। ববপাত্র গোহাঁইৰ ওচবলৈ ব্রাহ্মণ অহা কথা ডাঙৰীয়াই ৮দেৱক অবাক্ত ভাঙ্গি কলে, বোলে,—

§ ব্রাহ্মণে বোলে, "মোক কলিতা ফুকনে ডাঙৰীয়াৰ এবেলৈ পঠাইছে।"

পাচে মই ভিতবলৈ অনালোঁ। মানুহটো আগে পাছে নিচিনো, এতিয়া দেখিলে চিনো। পাচে মই তাত সুধিলোঁ, "ফুকনে কেলৈ পঠাইছে?"

সি বোলে,—"তিপমীয়া গোহাঁইদেৰে পঠাইছে, দেৱে বিদেশী গোসাঁইৰ তবৈ অহাযোৱা কবে নকবে?"

মই বোলোঁ,—"মই অহাযোৱা নকবোঁ। বিদেশী গোঁসাই অনেককাল ৮দেৱৰ ইঠাইতে আছে, বা-বতবাটৌ জানিবলৈ কোনো সময়ত মানুহ ছুহুহটো পঠাওঁ, আমা-লৈকো নিৰ্ম্মালি-কাবণ দি কোনো সময়ত মোৰ ব্রাহ্মণ পঠায়।"

এনেতে সি বোলে,—"দেৱে মন্ত্র লোৱা আছে নাই?"

মই বোলোঁ,—"মই আহোমৰ লবা, আমাৰ কি মন্ত্র? আমি বিষয় ববখীত পবি আছোঁ, মন্ত্র ললে অধর্ম্ম মন্ত্র জপিবলৈ ধর্ম্ম, তেনেতে লবা মাতিব, তিবতা মাতিব, বিলাতীয়াও কোনো আবাৰ কবিব, ৮দেৱৰ ঠাইৰ পবাও সীমা বাৰ দিব, এতেকে কিকৈ মন্ত্র সিদ্ধ কবিম? এতেকে আমি আহোমৰ লবা, আমাৰ বাসনা সেই সকলো ভাগবত ধর্ম্মতে প্রবর্ত্তিছোঁ। আমি একেবাৰী হৈ। আমাক আহোমৰ লবা কলেই মন্ত্র পাচে?"

এনেতে সেই বামুণে কলে বোলে,—"তিপাম গোহাঁয়ে কব দিছে বোলে আমাৰ বিদেশী গোঁসাইতে ডাঙৰীয়া মন্ত্র লক, এতেকে ভাল। সকলো ভাই ককাই যেন হওঁ। বব গোহাঁইৰ পেট পায়ে আছে, আৰু ভিতকৰাল ফুকন খাবৰীয়া ফুকন, ঢেকিয়াল বৰুৱা আমি সকলো ভাই ককাই যেন। এতেকে ডাঙৰীয়া মন্ত্র ললে সকলো ভাই ককাই যেন হওঁ, সংশয়ো দূৰ হয়।"

পাচে মোৰ খং উঠি লাগি বামুণক খেদাই পঠালোঁ। পাচে মই কোচ্চা ভট্টাগাঁত কৈ পঠালোঁ,—"বোলো বাপু, ফুকনত কবি, ওস্তাহাটীখনো ওপবঞ্চনায়ে থাকিল, মবলী খনো তেনেই থাকিল, শলীয়াও নিৰ্ম্মীল হোৱা নাই, বাবে চিবিঞ্চবো চিন্ত কেনে তাকো পাইছোঁ। তাতে বিশেষ তিপমীয়া গোহাঁইৰ তব পবা দেখো এইবোৰ কয়। এতকে ফুকনে এনে কথা বোবত শ্রেষ্ঠী নকবে কিয়? এনেবোবত যদি ফুকনে শ্রেষ্ঠী নকবে আমাৰ বিষয়ত কি কার্য্য? বিষয় এবি থব সোমাই থকাহে উচিত।"

এইকপে ফুকনলৈ কৈছোঁ, আৰু ফুকনলৈ কলোঁ বোলো, "এই বামুণটি দেখো আচল। ফুকনে আৰে কিয় কথাবার্ত্তা হয়? আনকাললৈ কথা নহব, দোষ পবিব।"

আৰু এই কথাটি বামুণে মোত কবব চবাইদেৰলৈ আমি যাবৰ দহদিন কি এপখৰ আগ।" পাচে ৮দেৱে এইকপে শুনি থাকিল।

§ পাচে ৮দেৱে তিপমীয়া গোহাঁইক অকাবণত দণ্ডবদ্ধ কবিছে বুলি কোনোসকলে ভিতবৈ বোলমাত কবে বুলি শুনি পুনৰ্ব্বাৰ ৮দেৱে সহিতাক আগলৈকে নি সভাবিদ্যমানে সুধিব দিলত বববকৰা ফুকন সকলেও সভা-বিদ্যমানে তিপমীয়া গোহাঁইদেৰে ৮দেৱক দ্রোহ কবিব খোজা কথা সহিতাই দিয়া লেখা শুনি সহিতাকো সভালৈকে আনি সুধি সকলেও কৈছে,—"পূর্ব্বাপবেও এনে কথা ঘানা-ঘুনা শুনিয়েই দণ্ড-বদ্ধ কবি থৈছে। সপ্রতি প্রমাণে সৈতে সহিতায়ে কৈছে বোলে,—"বেজৰ হাতে দবব থালে উপায় আছে, আৰু গোহাঁইদেৰটি (লোকনাথ) বাবে বছবীয়া হলেই বজা পাতে, এতেকে আমাৰ কথা শুচে। বলেৰে ই কার্য্য নকবিলে অপেক্ষা কবাত কার্য্যনইছে।' এতেকে ইমান প্রমাণতো কি সোধ আছে? যি সকলে অনাদোষত তিপমীয়া গোহাঁইদেৰক দণ্ডবদ্ধ কবি থেদিলে বুলি বোলামতা কবে, এতেকে আমাৰ মতেৰে, সেইসকলেও ৮দেৱৰ দ্রোহী।" পাচে এই কাকত আনি ৮দেৱত যোগোৱা হল। §

বচাত থকা কালত দলৈৰ নাতিয়েক তিপমীয়া ফুকনে ৮দেৱৰ ভঁবালৰ পবা দ্রব্য আদি নি তিপমীয়া গোহাঁইৰ তলৈ মানুহ পঠাইছিল। ক'লা কাপোৰ গাত লোৱা তিনিটা মানুহক তিপমীয়া গোহাঁইৰ বচাৰ ঘৰৰ কাষবত ফুবা দেখা পাই আন মানুহে ৮দেৱত গোচৰ দিলে। তিপমীয়া ফুকনক বন্দী কবি সোধাত তেওঁ আঁহে মাতিলে। ৮দেৱে চাওদাঙৰ হাতত দিম বুলি ভাবিছিল. পাচত সকলো ন গোসাঁয়ে (গজেশ্বৰ) মাতিলত তিপমীয়া ফুকনক এবি দিলে। বচাত থকাটো আপদমুক্ত নহয় যেন ভাবি ৮দেৱে তিপমীয়া গোহাঁইক মানুহ তিনি কৈদ দি হৈলেচ'বা নাৱত তুলি নামকপলৈ নি তাতে পাতিলে। বচাত থকা তিপমীয়া গোহাঁইৰ লগৰ মানুহবোৰক কোবাই বামুণবোৰক কলহ আবি থেদিলে, আৰু লিগিবাবোৰক কাণ খুলি থেদিলে। আৰু চবিয়া হৈ চাই ফুবিবলৈ দোলকাখবীয়া ছুটা, কুকুবাচোৱা ছুটা আৰু বববকৰাৰ টেকেলা ছুটা পাচিলে।

কলিতা ফুকন

স্বর্গদেৱে সহিতাক সভালৈকে আনি তাইৰ হাতব

লেখা শুনোৱাই আৰু তাইৰ মুখেৰে সকলো কথা কোৱাই ৰবৰকৱা আৰু বিষয়াসকলক বুজাবলৈ চেষ্টা কৰিছিল যে তিপমীয়া গোহাঁইসকল প্ৰকৃতপক্ষে দোষী। সভাস্থ সকলে দোষী বুলি মত দিলেও বহুতে বিশ্বাস কৰিছিল যে ৮দেৱে অনিকৰে তিপমীয়া গোহাঁইসকলক দণ্ডবদ্ধ কৰিছে, আৰু ইয়াৰ কাৰণে কলিতা ফুকন দায়ী। বিদ্রোহৰ সকলো প্ৰমাণ কলিতা ফুকনেই গোটাইছিল। সহিতাৰ লেখা কিণপিনি ফুকনে ফন্দি কৰি গুপ্তত কৰিছে, আৰু চাচৰিয়াৰ মুখৰ কথাত কলিতাৰ শিকনিৰ ফলহে,—ইয়াকে বহুতে ভিতৰি সন্দেহ কৰিছিল। তিনিজনা ডাঙৰীয়াই এবাৰ ৮দেৱক জনাইছিল,—" ৮দেৱে নজনাকৈ আমি নোবোলাকৈ কলিতাই তিপমীয়া গোহাঁইক এনেখন কৰিলে, আগলৈ ৮দেৱৰ বংশছেদ হল। বাজ্যে বোলে,—কলিতা ফুকনে এটাইকে মৰাই দেশ ভাঙিলে। তেও যে ৮দেৱে ভাল পাইছে আমাৰ কি হৈছে ?"

এই কলিতা ফুকন খনিকৰ ভূত্রাৰ লৰা আছিল, নাম কেকেক। তেওঁ ৰবগোহাঁইৰ বিলতীয়া পাইক আছিল, আৰু হাজৰিকা পদ পাইছিল। ১৬৯১ শকৰ চ'তৰ সংক্রান্তিৰ নিশা হচৰি গোৱা ছলেৰে মৰাণক উপাস্ত কৰা কাৰ্য্যত কলিতাৰ কাৰ্য্যক্ষমতা আৰু উপস্থিত বুদ্ধিৰ ভাল প্ৰমাণ পোৱা গৈছিল। ৮দেৱে এই আপাহতে ডাঙৰীয়াসকলৰ পৰামৰ্শমতে কলিতাক কাঠৰ ভবালী বৰুৱা পাতিলে। বৰুৱা হলেও কলিতাক মানুহে ফুকন বুলিহে সম্বোধন কৰিছিল। কলিতা ফুকন ৰব চতুৰ বিষয়া আছিল, অলপদিনৰ ভিতৰতে তেওঁ ৮দেৱৰ প্ৰিয়পাত্ৰ হল। ১৬৯৩ শকত ভূদৰসিংহ গোহাঁই আৰু ভদ্ৰসেন ৰবৰকৱাৰ বিদ্রোহ ধৰি দিলত তেওঁলোক দুয়োজনাক ৮দেৱে বধ কৰিলে। ভদ্ৰসেন ৰবৰকৱাৰ পুতেক চোলাধৰা ফুকনো বিদ্রোহত লিপ্ত আছিল। তেওঁকো চোলাধৰা ফুকনৰ বিষয় গুচাই শাস্তি দিয়া হল। কলিতাক এই চোলাধৰা ফুকনৰ বাৰ দিয়াৰৰ নিমিত্তে ডাঙৰীয়া ফুকন সকলে তামুলী-ফুকনক পঠিয়াই ৮দেৱক কোৱালে,—

§ "কলিতা ফুকন যাক বোলে ই হিন্দুৰ লৰা। ইহে যি যি কাৰ্য্য কৰিছে ভাল আহোমে অনেক পুৰুষ ৮দেৱৰ থাই পিন্ধি থকাতো এনে কাৰ্য্য কৰিব পৰা নাই। এতেকে আমাৰ লগৰ ইয়ো এটা। এতেকে চোলাধৰা ভাণ্ডাৰখন আৰু দিবলৈ প্ৰাৰ্থনা কৰিছোঁ। পাচে এইকণে তামুলী ফুকনে ৮দেৱক কলত ৮দেৱে কাঠ বৰুৱাৰ মেলৰ পৰা গুচাই সেই দিনাই কলিতা ফুকনক চোলাধৰা ফুকন পাতিব দিলে।

কলিতাই ডাঙৰ বিষয় পাই আৰু বজাৰ বিশেষ প্ৰিয়-পাত্ৰ হৈ পুৰাতন আহোম বিষয়াসকলক অনিষ্ট কৰিবলৈ চেষ্টা কৰিলে। ৮দেৱৰ দ্রোহী বুলি ভালেমানক কটাই মৰাই বিষয়ৰ পৰা ভাঙ্গি খেদি শাস্তি দিয়ালে, আৰু নিজেও বাৰ পয়োভৰেৰে ৰুবাচকা কৰিবলৈ ধৰিলে। তাতে বাইলুং গোহাঁই ডাঙৰীয়া অসন্তুষ্ট হৈ কলিতা ফুকনক শাস্তি দিয়াৰৰ কাৰণে ৮দেৱক কলে,—

§ "ই ৮দেৱক কিবা খুৱাই বুজাই ৮দেৱকো ভুলালে। আমাৰ বৰ গোহাঁইৰ বাহক এয়ে ৮দেৱৰ দ্রোহী যেন এটা ভাব কৰিলে, দুৱৰাৰ বাহক ৮দেৱৰ দ্রোহী কৰিলে, লেচেঙ্গিয়াল বাহক দ্রোহী কৰিলে। যি কেইখৰ অত্যন্ত আছে ইয়াকো আমি তাক মাৰিব খুজিছোঁ বুলি ৮দেৱত কৈছে, তেহে আমাক কটাৰ-মৰাব পাৰিব। আৰু ৮দেৱৰ বংশৰ ইয়েই নির্ব্বংশী কাৰী লোক। তিপমীয়া গোহাঁইক যে এনে অনিবন্ধে দণ্ড কৰায়, আগে-পাচে কাক এনেকে দণ্ড কৰায় ? এতেকে মোকে, খাৰঘৰীয়া ফুকনকে, গন্ধীয়া ৰবকাকে, এই কেইটাকে গুচাই লৰবিলেহে মঙ্গলাকৈ আমি মাৰিব খুইছোঁ বুলি ৮দেৱত কয়, তেহে আমাক গুচাই এদিন ৮দেৱক ধৰি আপুনি বজা হব, বুলিব, "নই আগৰো ভূত্রাৰ লৰা, বজা হব পাওঁ." এনে কৰিব। এতেকে ৮দেৱে আমাক গুচাই তাকে ৰাখক, অথবা ৮দেৱৰ পুৰাতন ভৃত্য একোখৰক একোটা বুলি যদি ৮দেৱে আমাক বাধিছে তাক ৮দেৱে আজিহেই আমাক দিয়ক। সি মোৰ ভাগৰ খনিকৰৰ লৰা।" খাৰঘৰীয়া ফুকনে বোলে, —"আমাক ৮দেৱে বিদায় দিয়ক, সত্র-সভা ভুৰি নিলগত মৰোঁগৈ। তেও হিন্দুত সেৱা কৰি মৰিব নোৱাৰোঁ।" §

ওপৰত কোৱাৰ দৰে ৰবগোহাঁই ডাঙৰীয়াই পুনৰ্পুন

কৰলৈ ধৰিলে,—"তিপমীয়া গোহাঁইসকলক আমি দণ্ড কৰিবলৈ কোৱা নাই।"

এইখিনিতে এটা বিষম সমস্যা উপস্থিত হল। শাওণৰ ২৬ দিন যাওঁতে ৰবচ'ৰাত তিপমীয়া গোহাঁইৰ বিচাৰ হৈছিল। ডাঙৰীয়াসকল তেতিয়ালৈকে ৰবচ'ৰালৈ মহাত কলিতা ফুকনে ৰবৰকৱা ফুকন সকলক দ্রোহৰ কথা আছো-পান্ত ভাঙি কৈছিল। ৰবকা ফুকনে তিপমীয়া গোহাঁই দোষী বুলি স্বীকাৰ কৰে। তাৰ পাচত ডাঙৰীয়াসকল চ'ৰাত আহি ৰহিছিলহি। তেওঁলোকেও দ্রোহৰ সকলো কথা শুনি ৰবকা ফুকনৰ সিদ্ধান্তক সমর্থন কৰিছিল। ডাঙৰীয়াসকলৰ সিদ্ধান্তৰ কথা কলিতা ফুকন, কাম ৰবকা, লাখৰ তামুলী-লিপিৰা আৰু নগা মজুন্দাৰে গৈ ৮দেৱক কৈছিলগৈ। ৰবচ'ৰাত হোৱা বিচাৰৰ সকলো কথা, কাৰ কি মত, কাকতত লিখি থোৱা কৈছিল। নগা মজুন্দাৰে সেই কাকত ৮দেৱৰ আগত মাতি শুনাইছিল। কলিতা ফুকনৰ বিৰুদ্ধে অভিযোগ কৰা সময়ত বাইলুং ৰবগোহাঁই ডাঙৰীয়াই কলে,—"তিপমীয়া গোহাঁইদেৰক আমি দণ্ড কৰিবলৈ কোৱা নাই।" ৰবগোহাঁই ডাঙৰীয়াৰ কথা নপতিয়াবলৈ কাৰ সাধ্য ? তেওঁৰ কথা পতিয়াবলৈ গলে ৰবচ'ৰাৰ কথা-বার্ত্তা ৮দেৱত কোৱা কলিতা ফুকন, কাম, লাখৰ, নগা, এই চাৰিজন মিছাত পৰে। এই বিষয় লৈ স্বৰ্গদেৱ বিদ্যমানে মেল বহিল।

§ ৰবগোহাঁয়ে কলে বোলে,—"ৰদেৱ, তিপমীয়া গোহাঁইদেৰৰ কথা আমি দণ্ড কৰিবলৈ কোৱা নাই। এই ৰবচ'ৰাৰ কথাকে আমি যি কওঁ তাকে ৮দেৱক নকয়। এতেকে ৮দেৱে ইয়াতে বুজিবহে লাগে। আমাক কয় বোলে, "অমুক অমুকথনি ৮দেৱৰ মনস্থ, ৮দেৱে বুলিছে"। স্বৰ্গদেৱক কয় বোলে, "ডাঙৰীয়া সকলে অমুকক কৰিবলৈ বুলিছে। ৮দেৱে কৰিব লাগে। নকৰিলেও নহয়। পূৰ্ব্বাপৰে ডাঙৰীয়াসকলে যি জনায় ৮দেৱসকলে কৰি যৈছে," ৮দেৱত কয় এইকণ। এইকণ টোটক-নাটক লগায় কটাই-মৰাই শাং কৰিলে। ৮দেৱে তিপমীয়া গোহাঁইতে প্রমাণ লওক।" §

§ পাচে ৮দেৱে মজুন্দাৰক মাতি বোলে,—"মজুন্দাৰ, গোহাঁইবোৰনো কি কৈ আছিছিল ?—কাকত মতে, যদি গোহাঁই বোৰে তিপমীয়া গোহাঁইক দণ্ড কৰিবলৈ নাই বোলা তহেনো কিয় কহি ?" §

§ পাচে মজুন্দাৰে কাকত এখন লৈ বোলে,—"ৰদেৱ বন্দীয়ে কব লগা নাই। পূৰ্ব্বাপৰ দেৱতাসকলে চা চৌখামত তিনটা-চাইটা দিয়ে, সকলো এনেহে হব লাগে। যদি এটা মুখলৈ চায় এটাকো চাব। যদি কোনোটোৱে পাহৰিয়ে ভুলি কয় সিটে সোঁৱৰাব। এনে সন্ধিগুত থাকি তিনটা চাইটা দিয়ে। * এতিয়াও ৮দেৱৰ পূৰ্ব্বাপৰৰ আদর্শক লৈ লাখৰ ১, কাম ৰবকা ১, শিৱনাথ ১, বন্দীয়ে সৈতে চাবিকো চৌখাম কৰিবলৈ বুলিছিলে। কলিতাফুকনে ডাঙৰীয়াসকলোৰে কথা হৈ ৰহি আছিল। এতেকে ৮দেৱে যিকণ আজ্ঞা কৰিছিল বন্দীহঁতে গৈ তিনি জনা ডাঙৰীয়া বৰুৱা ফুকনত কৈছিল গৈ। ডাঙৰীয়া বৰুৱা ফুকনে যি কৈছিল ৮দেৱত কৈছিলোঁহি! এতেকে যি কাকত শুনে ৮দেৱৰ বন্দীয়েহে লেখা। তথাপি তেতিয়া কোৱা বৰুৱা ফুকন সকল আছে। দেৱতাৰ বন্দী বৰুৱা কওক। §

§ পাচে ৰবৰকৱা বোলে,—"ৰবগোহাঁইদেৰ, তেতিয়া আৰু তিপমীয়া গোঁহাই দেৰক দণ্ড কৰিবলৈ কৈ পঠাইছোহক। পাচে ৰব গোহাঁয়ে বোলে,—"নহয়, বৰুৱা, আমি বোলা নাই। তোমালোকে আগেই গোটাই থৈছিলা কথা। আমি পাচেহে জানোহোঁ। পাচে আমাত সুধিলত আমি এনেয়ে বুলিলোঁ,—'ৰদেৱৰ ঘৰৰ কথা, আমি কি বুলিম ? ৮দেৱেহে বোলোঁতা।' পাচলৈকো চাব লাগে, এনেকৈহে বুলিলোঁ। পাচে ৰবৰকৱাই বোলে,— "জানোতো দেৱ।" পাচে এইকণ বোলামতা কৰিয়েই ৮দেৱৰ ওৰৰ পৰা তিনি জনা ডাঙৰীয়া বৰুৱা ফুকন উঠি আহি চ'ৰাত বহিলহি। §

পাচে ৮দেৱে ডাঙৰীয়া সকলে নোকোৱা কথা ৮দেৱক জনোৱা দাইত নগা মজুন্দাৰক বিষয়ৰ পৰা গুচাব

* এই বাক্য খীকৈ পৰা চ'ৰাত চৌখামেৰে কথা সোধাৰ কি নিয়মটো প্রকাশ পাইছে তাক ভালকৈ বুজিব পৰা নগল। কোনোবা জনা মানুহে সেই বিষয়ে বিশদ্ আলোচনা কৰিলে ভাল হয়।

খুজিছিল, কিন্তু ৱৰকৱাই মজুলাৱৰ পক্ষ সমর্থন কৰি কলে,—"আমি হিহকে কৈ পঠাইছোঁ! মজিন্দাৱে সেইৰূপে ৮দেৱত কৈছে গৈ। মজুলাৱক কোনটো দোষ হল?" ইয়াকে শুনি ৮দেৱে মজুলাৱক কলে,—"থাক যা, মই তোক মজুলাৱ ভঙা নাই। ডাঙৰীয়া সকলে যে ভাল নাপালে এতেকেহে তেনেকৈ বুলিলোঁ।"

কলিতা ফুকনৰ ব্যৱহাৰত নানান প্ৰকাৰৰ অপমান আৰু অসন্তোষ পাই ৰাইলুং ৱৰগোহাঁই ডাঙৰীয়াই কলিতাক শাস্তি দিয়াৰৰ চেষ্টা কৰিছিল। স্বৰ্গদেৱে কলিতাক ভিতৰি ৰৱ মৰম কৰিছিল, আৰু তেওঁক ৱৰ্ষা কৰিৱলৈ পাৰ্থ্যমানে চেষ্টা কৰিছিল। কিন্তু ডাঙৰীয়া সকলে ৰৱ টানকৈ ধৰাত ৮দেৱে ডাঙৰীয়া সকলৰ কথা মতে কাম কৰিবলৈ বাধ্য হল। ডাঙৰীয়া সকলৰ পৰামর্শ মতে ৮দেৱে কলিতা ফুকনক বিষয়ৰ পৰা ওচাই তামোলচাৰীলৈ খেদিলে। তাতে থাকি কলিতাই কিছু দ্রোহ আচৰিছিল। পাচে ৮দেৱে ডাঠ চাই মানুহ পঠিয়াই কলিতাক ধৰি আনিলে। ৱাটত আহোঁতে কলিতা ফুকনক চোৰে হত্যা কৰিলে। তামোলৰাবীত থাকোঁতে কলিতাফুকনে ৮দেৱলৈ এখন লেখা দি কৈছিল ৱোলে,—"তিপামীয়া গোহাঁইদেৱে ৱচাৰ পৰা পলাই ৱৰগোহাঁইৰ লগত সোমাই ৮দেৱক ধৰিৰ খুজিছে।" সঁচাকে মিছা ইয়াৰ প্ৰমাণ বুজিৱলৈ ৮দেৱে দোলাকাষৰীয়া ৱৰা এটা আৰু কুকুৱাচোৰা ৱৰা এটা ৱচাৰলৈ পঠালে। সিহঁতে আহি কলে ৱোলে, তিপামীয়া গোহাঁইদেৱ ৱচাৰ ঘৰতে আছে।"

নামৰূপৰ তিপামীয়া গোহাঁইৰ মৃত্যু

ৱচাত থাকিলে তিপামীয়া গোহাঁইদেৱে মানুহৰ কথা শুনি দ্রোহ আচৰিব পাৰে, সেইদেখি ৮দেৱে গোহাঁইদেৱক নামৰূপলৈ খেদিলে। ৱামেশ্বৰ সিংহ ৮দেৱৰ কালুগঞা আইকুঁৱৰীদেৱৰ ৱৰ কোলাত আছিল। কালুগঞা আইকুঁৱৰীদেৱৰ পুতেক, তিপামীয়া গোহাঁইদেৱৰ পুতেক আৰু ৱাটৰৱীয়া মোহনমালা গোহাঁইদেৱৰ পুতেক এই তিনিৰ মনতিত ইমান শুদ্ধ নাছিল। ৮দেৱে এই তিনি কোঁৱৰকো ১৬৯৮ শকৰ ফাগুণ মাহত নামৰূপলৈ খেদিলে।

§ ৱৰকলাত থকা ৱাজেশ্বৰ কালুগঞা আইকুঁৱৰীদেৱৰ পুতেকটিকে, তিপামীয়া গোহাঁইৰ পুতেকটিকে, দোলা দুগন দি নেহেৱে নি নামৰূকত থৈ কাণ একোখন কাটি পাতিব দিলে; ৱাটঘৰীয়া গোহাঁইদেৱৰ লিগিৰী লৰা স্বাৱলৰ পুতেকটিকো ধৰি চকিতে বন্দী কৰি থৈ তাৰ সকোলোটিহঁতে সৈতে ফাগুণৰ ৪দিন ৱাণ্ডতে নামৰূকলৈ নিলে, নাক কাণ কাটি তাৰ খাটত দিৱ দিলে। ৱাটত ৱাণ্ডতে তিপামীয়া গোহাইদেৱৰ পুতেকটৰ মাক গৌৰীমেৱে চাওদাং ৱৰকা খোৱাবোৱা কৰি পৈছিল। পাচে নামৰূপত সিহঁতক থৈ আহিলত এই কথা ৮দেৱে শুনি চাঙদাৰৰ ৱৰকাৰ দাই ধৰি সুধি তিনিদিন পালীত বন্দী কৰি থৈ থোৱে,—'ইয়াৰে পানী এনে থাকিব, ভিতৰলৈ নাহিব, ৱহাতে থাকিব।' পুতেকটিক পৰে পানীলে থাকিব দিলে।§

এই কালুগঞা আইকুঁৱৰীদেৱৰ চিত্ত লক্ষ্মীসিংহ ৮দেৱৰ প্ৰতি বিষম আছিল। লক্ষাবৰীয়া দুৱৰাৰ ৱাহত ৱাজনেওগে অনিবন্ধে খোৱালোৱা কৰিছে বুলি চাউৰে ৮দেৱত গোচৰ দিলে। ৱাজনেওগৰ দৈণীয়েকেও কালুগঞা কুঁৱৰীৰ পুতেকৰ তলৈ অহা যোৱা কৰি ৱাটিছিল। এই দুই অপৰাধত ৮দেৱে ৱাজনেওগক বন্দী কৰিলে, আৰু কতো দিনৰ পাচে বিষয় ভাজি ঘৰলৈ খেদিলে, জেঠ ১৬৯৯ শক। কালুগঞা কুঁৱৰীৰ লগত থকা লুকুমাই এটাই মোৱামৰ ৱাঘাৰে কথা আলচি দুৱা বুলি শুনি ৮দেৱে তাক কুঠাৰেৰে ফালি মাৰিলে।

নামৰূপত থকা কালত তিপামীয়া গোহাঁইদেৱে কোনোৰূপ দ্রোহত মন নিদিছিল। কিন্তু খেদি যোৱা আন কেজনমান কোঁৱৰে ৮দেৱৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল, আৰু তিপামীয়া গোহাঁইক তেওঁলোকে ৱজা পাতিব বুলি খুজিছিল। তিপামীয়া গোঁহাইৰ অকণো ইচ্ছা নাছিল, তেওঁক ৱযন্ত্ৰকাৰীসকলে ৱলেৰে নিজৰ লগলৈ নিৰৰে চেষ্টা কৰিছিল। এই ৱিদ্রোহৰ ওৱিয়াল আছিল দিহিঙীয়া ৱাঁহৰ কোঁৱৰ থাম, নামকাণীয়া ৱাহৰ কোঁৱৰ মলো; চাকসিংহ গোঁহাইৰ পুতেক ৱযমুৱা গোঁহাই, মোহনমালা ৱৰজনা গোঁহাইৰ পুতেক। তেওঁলোকে ঘৰত ৱহি মন্ত্ৰণা কৰিলে যৱত বন্দীয়েই মৰায় বুলি জানি হাতীলৈ গৈ মেল পাতিলে।

§ পোনতে ৱৰজনা গোঁহাইৰ পুতেকে বুলিলে,—"আমি ৱাজ লৱ খুজিছোঁ।"

থাম কোঁৱৰে সুধিলে,—"ই কথা যে মন দিছা আক কাক লৈছা?"

ৱৰ জনা গোহাঁইৰ পুতেক,—"আন কেও নাই, আমি তিনিও ৱাহ গোট খাইছোঁ।"

থাম কোঁৱৰ,—"ৱজানো কাক লৈছা?"

আন কোঁৱৰ সকল,—"নহঁকে অনা তিপমীয়া গোহাঁইকে ৱজা লৈছোঁ।"

থাম কোঁৱৰ,—"তিপমীয়া গোহাঁয়ে গাত লৈছেনে নহলেহে।"

ৱৰজনা গোঁহাইৰ পুতেক,—"তেওঁ গাত লোৱা নাই। তেওঁক গাৰ ৱলেৰেই নিম। তেওঁক নিলেই তিপমীয়া মানুহখিনি লগ লব। নগৱৰ পৰা আদখিনি আহিব।"

থাম কোঁৱৰ,—"কিহেৱেনো ধৰিব খুইছা?"

ৱৰজনা গোঁহাইৰ পুতেক,—"সোণ-ৰূপ ভণ্ডাৰৰ আছিলা লম। তাৰে চৰইয়া ৱৰকাক, চুহো হাজৰিকীয়াক, তিনি সইকীয়াক মাৰি নগাচকী গৈ ৱগৰী গুৱীত হিলৈ জাই কৰিব। তিপমীয়া আপুনি লগ লৱহি।"

চাকসিংহ চাৰিজীয়া গোঁহাইৰ পুতেকে থাম কোঁৱৰৰ ফালে চাই কলে,—"তিপমীয়া ৱাজখন তোকে দিম।"

ৱৰজনা গোঁহাইৰ পুতেক,—"এওঁ এখন ৱাজ পাব লাগে।"

এনেকে ৱিদ্রোহৰ আয়োজন চলি থাকোতেই ১৬৯৯ শকৰ জেঠৰ শেহ ছোৱাত তিপমীয়া গোহাইদেৱে নামৰূপত ঢুকাল। আষাৱৰ ৪ দিন যোৱাত ৮দেৱে এই ৱার্ত্তা শুনা পালে। স্বৰ্গদেৱে দোলাকাষৰীয়া, লিকচন; চেকলাং দি ৱ্রাহ্মণ এটি কিছু ৱস্তু পঠিয়াই কৰ্ম্ম কৰিব দিলে, সামাজ মানুহ দৰে। কুকুৱাচোৰা ৱৰকাই নামৰূপৰ ৱৰণ কথা সবিশেষ জনালেই। দ্রোহ কৰা কোঁৱৰ আৰু অন্যান্য মানুহক লোৱা দি ধৰি আনিছিল। আষাৱৰ ১৬ দিন ৱাণ্ডতে সেইইতকে কোৱাই নাক কাণ কাটি চকু কাঢিলে।

এইদৰে তিপমীয়া গোহাঁইৰ নামত সংগ্ৰহ থকা ৱিদ্রোহ সমাপ্ত হল। কিন্তু কোঁৱৰ ৱিদ্রোহৰ একেৱাৰে জইন নমৱিল।

টোকা।—অসমৰ স্বৰ্গদেৱৰ ডা-ডাঙৰীয়া ৱৰকা ফুকন কোঁৱৰ-কুঁৱৰী লিগিৰা-লিগিৰী সংশ্লিষ্ট থকা উপৰোক্ত আখ্যান সাঁচিপতীয়া ৱুৰঞ্জী পুথিৰ পৰা সঙ্কলিত কৰি প্ৰকাশ কৰা গল। খৃষ্টীয় অষ্টাদশ শতিকাৰ শেষ ভাগত অসমৰ ৱজাঘৰীয়া কাৰ্য্যকাৰণ আৰু মেল-দোস্তানৰ গতি-বিধি আৰু অসমীয়া সমাজৰ চিত্ৰ তাৰ পৰা পৰিষাৰকৈ ফুটি ওলাইছে। সেই কালৰ ভাষাৰ নিভাঁজ চানেকি ৱাইজৰ আগত দাঙি ধৰিৱৰ মনেৰে ৱুৰঞ্জীৰ পৰা ভালে-খিনি কথা হুবহু উদ্ধৃত কথাখিনি এনে ধৰণৰ (§) চিন এটি প্ৰত্যেক উদ্ধৃত অংশৰ আদি আৰু অন্তত দি তাক ৱৰ্ত্তমান লিখকৰ ৱৰ্ণনাৰ পৰা ভিন কৰি দেখুৱা হৈছে। ৱজাৰ কাৰেঙত আৰু ৱৰচ'ৰাত কোনোজনে কোনো কথা কোৱা মাত্ৰকে নিৰ্দ্দিষ্ট কাৰ্য্যতে আজিকাশিৰ 'ছর্ট-হেণ্ড'ৰ দৰে তাতালিকে লিখি ৱৈছিল। সেই দেখি যাৰ মুখে যি ভাষা শুৱায় তেনে ভাষা পোৱা গৈছে। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ পৰ্ক্ষতীয়া আইকুঁৱৰীদেৱে স্বৰ্গদেৱৰ পাত্ৰ চুই কৈছে,—"তুমি দেহতা দিটো ভাবিছা মোৰ কায়-ৱাক্য-মনেও নাই। যদি হে মিছা কৈছোঁ জীটাবো মুৰ থাম, ময়ো তোমাক সেৱা কৰিবলৈ নেপাম—হতচিবী যম।" এই ভাষা তিৰোতাৰ মুখৰ সৰা ওলোৱা স্বাভাৱিক মৰম-লগা কোমল ভাষা। তাক কাকতীয়ে ততালিকে লিখি খোৱা নহলে পাচলৈ লিখা হলে এনে সুৱদী ভাৱে লিপি-ৱদ্ধ নহলহেঁতেন।

ৱৰ্ত্তমান আখ্যানত এখন ৱিৰাট উপন্যাস আৰু নাটকৰ সম্পূর্ণ সঁজুলি পাৰিপাটীকণে সজোৱা আছে। সাঁচিপতীয়া অসম ৱুৰঞ্জীৰোৱৰ কটা-মৰা যুদ্ধ-ৱিগ্ৰহ আদিৰ ৱাহিৰেও এনে ধৰণৰ সক সুৰা ভিতৰলা কাহিনী ৱহুতো লিপিৱদ্ধ আছে, সেইটো অনেকে নেজানে। ৱৰঞ্চ এনে ধৰণৰ কাহিনীৰ পৰাহে সেই কালৰ পাৰিপাৰ্শ্বিক অৱস্থা ভালকৈ পৰিস্ফুট হয়। আমাৰ দেশৰ ৱজা-প্ৰজাৰ কাহিনীযোৰ উপন্যাস আৰু নাটকত খটুৱাই পৰিলেহে আমাৰ জাতীয় সাহিত্যৰ অঙ্গ পৰিপুষ্ট হয়। ৱিশেষ মন কৰিব লগীয়া কথা এই যে ভাৱতৰ আন আন ভাষাত এনে ধৰণৰ ৱুৰঞ্জীগত সত্য ঘটনাৰ সমসাময়িক লিপিৱদ্ধ ৱিৱৰণ প্ৰায় পাৱলৈ নাই। অসমীয়াৰ সোণ-কণ ধন-সম্পত্তি ওৱাদানি হৈ পৰি থকাৰ অন্তৰেও আজিৰ অসমীয়া ৱাটৰ ভিকহ—ৰজাৰ।

বোজ কিয়ামত্

গল্প— —চেখ তিতাবৰ আলি

এদিন জহকালি ৰাতি বিছনাত পৰি বাগবি ফুৰিছোঁ। কিন্তু টোপনি অহা নাই। খাজানা গাবদৰ ঘড়িত টং টং কৰি বাৰৰ কোব পৰিল, তথাপিও নিদ্রাদেৱীয়ে উলট চোৱা নাই। তেতিয়া হঠাৎ মনত পৰিল যে সকলোলত গধূলি কিতাপখন মেলি মেজৰ ওচৰত বহিলেই ক'ৰবাত পৰা টোপনি নৰি আহি হেঁচা মাৰি ধৰি মুৰেবে ৰৱণী বোৱাইছিল। এই দৰে চেচেলি টোপাওতে কেইবা দিনো আইৰ হাতৰ চেকনি পিঠিত পৰিছিল। এতিয়া কিজানি সেই দৰে কিতাপ এখন মেলি লৈ কাটি থৈ থাকিলে নিদ্রা দেবী প্রসন্ন হৰ বুলি ভাবি ইংৰাজী গল্পৰ কিতাপ এখন চকুৰ আগত থৈ এক মনে পঢ়িবলৈ লাগিলোঁ। গল্পটো পঢ়ি থাকোঁতেই সচাঁ সঁচিকৈ ঘোৰ টোপনিত পৰিলোঁ। কেতিয়ানো টোপনি আহিল গমকে ধৰিব নোৱাৰিলোঁ। মেজৰ চাকি মেজতে থাকিল; ছুমুৱাবলৈ নহল। অলপ পৰৰ পিছতে এটা অতি আচৰিত সমাজিক দেখিলোঁ। পাঠকসকলৰ জ্ঞাতার্থে সেই ঘটনাটো বিবৰি কৰোঁ আগ বাঢ়িলোঁ।

এজন মোৰ অতি পুৰণা পৰলোকগত বন্ধু আছিল মোক অতি আদৰ-সমাদৰ কৰি তেখেতৰ লগত অনা বথ এখনত বহৱাই এক অজানা দেশলৈ উকৱাই নিলে। আমি কিছুপৰ ঘোৱাৰ পিছত এখন প্রকাণ্ড পথাৰৰ এচুকত বথ খন থিয় হলগৈ। বন্ধুজনে তাতে বথৰপৰা লাহেকৈ নামিলে, ময়ো তেখেতৰ ইঙ্গিত মতে লাহে লাহে তেখেতৰ পদানুসৰণ কৰি কিছু দূৰ খোজ ললোঁ। গোটেই পথাৰ খন নিমাত নিতাল; গছ-গছনি আদি একো দেখিবলৈ নাই। ই জানিবা এখন বিৰাট মৰুভূমি; দেখিলেই ভয় লাগে। এই দৃশ্য দেখি মোৰ মনত ভয় আৰু কৌতুহল দুয়োটা উপস্থিত হল। মোৰ মনৰ কথা বুজিব পাৰি বন্ধু জনে কলে,—"তুমি একো ভয় নকৰিবা। তোমাৰ আমাৰ নিচিনা মানুহৰ ইয়াত একো ভয় নাই। এই যে প্রকাণ্ড আদি অন্ত নোহোৱা পথাৰখন দেখিছা এয়ে হজৰৰ পথাৰ থাক 'কিয়ামত' বা শেষ বিচাৰৰ ময়দানো বোলে। ইয়াতেই মানুহৰ পাপ পুণ্যৰ বিচাৰ হয়। সৌ যে বিণি বিণি কিছুমান গছৰ দৰে থিয় দি থকা বস্তু দেখিবলৈ পাইছা, সেই ঠাইতে অসংখ্য নব-নাৰী গোট খাই আছে। আজি তেওঁবিলাকৰ পাপ পুণ্যৰ বিচাৰ হব।" মই সুধিলোঁ,—"বন্ধু! ইয়াত নো কোন কোন দেশৰ মানুহ গোট খাইছেহি? আমাৰ অসমৰ কোনোবা আছে নে?" তেওঁ কলে,—"আছে। অকল অসমবে নহয়, পৃথিবীৰ সকলো দেশবে সকলো জাতি আৰু ধর্ম্মবে বিমানবিধাৰ মানুহ যোৱা কুৰি বছৰৰ ভিতৰত পৰলোকে প্রাপ্ত হৈছিল, সেই সকলোকে আজি মহা বিচাৰৰ দিন। তাতে তোমাৰ অসমৰ মুছলমানো বহুত আছে। সেই গতিকে তেওঁলোকৰ বিলায় তোমাক দেখুৱাবলৈ লৰা-লৰিকে লৈ আহিলোঁ গৈ।" মই কলোঁ,—"মই হলে বেছি পলমকৈ ইয়াত থাকিব নোৱাৰিম। যদৰ দৈনীজনাক অকলে শোৱাপাটত এৰি থৈ আহিছোঁ। পলম হলে তাই মাৰ পালে জানোচা আকৌ ৰাতি কৰবাতে কিবা বোলেগে কাৰবাৰ ওচৰলৈ গৈছিলোঁ বুলি যদত পয়মাল লগাই অশান্তিৰ সৃষ্টি কৰে। মোৰ হলে অসমীয়া মুছলমান কেইজনমানৰ বিচাৰ চাবলৈ বৰ হেপাহ আছিল' তেতিয়া তেওঁ কলে,—"তুমি কোনো চিন্তা নকৰিবা তোমাৰ ঘৰৰ মানুহ গৰাকী সাৰ পোৱাৰ আগেয়ে তোমাৰ ঘৰত থৈ আহিমগৈ। ইয়াত বেছি পলম নহয়। কাৰণ এই বিচাৰালয়ত পৃথিবীৰ এমুৱৰ পৰা বিচাৰ আৰম্ভ হয়। তোমালোকৰ অসম দেশ পৃথিবীৰ এমুৰীয়া, সেই কাৰণে

প্রথমে তাৰপৰা অনা মানুহ জাকবে বিচাৰ হব, আৰু অসমীয়া মুছলমানৰ বিচাৰ সর্ব্বপ্রথমে। তাৰ পিছত অসমীয়া হিন্দু আৰু খৃষ্টিয়ান। এই দৰে অসমৰ পৰা আৰম্ভ কৰি লাহে লাহে পশ্চিম দেশৰ মানুহৰ ফালে আগুৱাব। এতেকে তুমি নিশ্চিন্ত মনেবে মোৰ লগত আহি থাকা।" এই কথা শুনি মোৰ বুকুখন ডাঠ হল আৰু নির্ভয়ে তেওঁৰ লগত আগুৱাবলৈ ধৰিলোঁ।

প্রায় আধা ঘণ্টামানৰ পথ অতিবাহিত কৰাৰ পিছত অসংখ্য মানুহ জুম বান্ধি থকা দেখিবলৈ পালোঁ। সকলো শ্রেণীৰ মানুহে বেলেগ বেলেগ জুম বান্ধি নিমাত নিতাল হৈ থিয় হৈ আছে। প্রত্যেক জুমৰ আগতে একোজনকৈ বঙা পাগুৰি মৰা বৰকন্দাজে হাতত সৌকা লৈ থিয় দি আছে। মানুহৰ নো সাজ-পাৰ কিমান দেখিবা? কোনোৱে চুৰিয়া পিন্ধিছে, কোনোটোৱে পায়জামা, আচকন, কোনোৱে কোট-পেণ্টালুন, কোনোবাৰ মুখত টুপি, কোনোৰ বৰ পাগুৰি, কোনোৰ হেট ইত্যাদি হবেক বকমৰ পোছাক-পৰিচ্ছদেৰে তেওঁলোকৰ শৰীৰ বিভূষিত। এই মানুহ জাকৰ মাজতে এখন অতি সুন্দৰ সিংহাসন এজন অতি সুন্দৰ পুৰুষে বিচাৰকৰ আসন অধিকাৰ কৰি অতি গাম্ভীর্য্যৰে বহি আছে। তেওঁৰ কেউকাষে সভাসদ আৰু পালি-পহৰীয়ই বিছি আছে। আমি অলপ পৰ বৈ আছোঁ এনেতে বিচাৰকে গহীনাই মাত লগালে,—"সভাসদ সকল! আমি এতিয়া বিচাৰ আৰম্ভ কৰিম। পোন প্রথমে অসমীয়া মুছলমান আচামীসকলক হাজিৰ কৰা হওক।" এই আজ্ঞা শিৰোধার্য্য কৰি এটা পহৰীয়াই এজাক দীঘল চোলা পিন্ধা মুৰত মখুৰা পাগ মৰা দীঘল ডাঢ়িয়া মানুহ আনি হাজিৰ কৰিলেহি; আৰু এখন কাগজ বোধ কৰোঁ আচামীৰ 'charge sheet' বিচাৰকৰ আগত দাঙি ধৰিলে। বিচাৰকে সেই কাগজখন পঢ়ি সেই মানুহ জাকক তিনি ভাগৰ এভাগক বিনা বাক্যব্যয়ে খালাচ দি বাকীখিনিক বৈ থাকিবলৈ কলে। তেতিয়া এজন সুন্দৰ পুৰুষ আহি বিচাৰকৰ আগত এই দৰে কবলৈ ধৰে:—

"ধর্ম্মাৱতাৰ! এই লল মানুহ অসমত মৌলবী আৰু মোল্লা নামে জনাজাত। ইহঁতে মানুহক দেখুৱাই দিনো পাঁচ বাৰকৈ 'নামাজ' পঢ়িছিল, মছজিদত বাইজৰ লগত উপাসনা কৰোঁতে অতি দীঘল দীঘল 'কোৰাণ' 'চুবা' বা শ্লোকবিলাক পঢ়ি ধর্ম্মৰ প্রতি অচলা ভক্তি দেখুৱাইছিল। বাটে-ঘাটে, বিয়া-সবাহে মালা জপি ঈশ্বৰৰ নাম লৈ ঘুৰি ফুৰিছিল। গাৱঁলীয়া মুকথ মানুহৰ সমাজত নিতৌ দান-দক্ষিণা দি পাপ মোচন কৰিবলৈ বক্তৃতা দিছিল। আৰু এই দান-দক্ষিণা তেওঁবিলাকে নিজে গ্রাস কৰিছিল। অসমীয়া গোঁসাইসকলক অনুকৰণ কৰি তেওঁবিলাকেও লাখে লাখে চুবীয়া প্রজাক 'মুৰিদ' বা শিষ্য কৰি বছৰে কৰ-কাটল আদায় কৰি কোৰ্ম্মা, পোলাও, চিবিয়নি আদি নানা বকমৰ সুখাদ্য ভোজন কৰি শিষ্যসকলৰ সমুদায় পাপৰ বোজা তেওঁলোকৰ পিঠিত লদ বুলি প্রতিশ্রুতি দিছিল। এওঁলোকে হাজবোৱা, খেতিকৰা আৰু বেহা-বেপাৰ আদি কৰাত হাত নিদিছিল। সদায় পৰৰ ওপৰত খাইছিল। কোনো কোনো ঠাইত আন মুছলমান বিলাকক তেওঁলোকৰ সমানে বহিবলৈ বা একে আসনতে থাবলৈ দিয়াটো তেওঁলোকে জাতি ভ্রষ্ট হোৱাৰ নিচিনা ভাবিছিল আৰু অসমীয়া মুছলমানৰ ভিতৰত হিন্দুৰ দৰে জাতিভেদৰ সৃষ্টি কৰিছিল। মুছলমানৰ লৰা-ছোৱালী স্কুললৈ যোৱাটোক 'হাৰাম' বুলি কৈ গোটেই জাতিটোক অকর্ম্মণ্য আৰু পঙ্গু কৰি তেওঁবিলাকৰ দাস কৰি ৰাখিছিল। কোনোৱে ইয়াৰ বিষয়ে প্রশ্ন কৰিলে বা স্কুললৈ লৰা-ছোৱালী পঠালে তেওঁক 'কাফিৰ' বুলি আখ্যা দিছিল। কোনো হোজা অসমীয়াই ধর্ম্ম বিষয়ক প্রশ্ন কৰিলে তেওঁবিলাকে কৈছিল 'এইবিলাক প্রশ্ন সোধা মহা পাপ। আমি যেনেকৈ কওঁ তেনেকৈয়ে চলিবা'। মানুহৰ অব-নবিয়া হলে তেওঁলোকে তাবিজ দি আৰু কোৰাণ পঢ়ি পইছা লৈছিল। পৰিত্র কোৰাণৰ প্রত্যেক অধ্যায় তেওঁলোকৰ বেপাৰৰ সামগ্রী আছিল। ইছলাম ধর্ম্মৰ দান-দক্ষিণা ('জাকাত' poor tax) যে বাজহুৱা সম্পত্তি আৰু এই পুঁজিৰ টকা-পইছা দেশ হিতকৰ বাজহুৱা কামৰ আৰু দুখীয়াৰ দুখ মোচনৰ অর্থে হে ব্যয় কৰা উচিত আৰু সবল সুস্থ মানুহে ইয়াক গ্রহণ কৰিব নোৱাৰে, এই কথাষাৰ তেওঁবিলাকে কদাচিতো

ভকতসকলৰ আগত নকৈছিল। ইছলাম ধৰ্ম্মত ভকত আৰু পুৰোহিত নাই, জাতিভেদ নাই, সকলো মুছলমান ভাই ভাই, প্ৰত্যেক মুছলমান নৰ-নাৰীৰ বিদ্যা শিক্ষা কৰা কৰ্ত্তব্য, পৰিশ্ৰমৰ মৰ্য্যাদা, খেতি আৰু বেহা-বেপাৰ কৰা বিধিলাক কাম মহাপুণ্য হজবত মহম্মদে নিজে কৰি দেখুৱাই আছিছিল, সেই সকলোবিলাক কথা এওঁলোকে লুকুৱাই থৈ কেৱল নিজৰ পেট আৰু জেপৰ পূজা কৰি সংসাৰত অশেষ অনাচাৰ আৰু অশান্তিৰ সৃষ্টি কৰি আছিছে।" এই কথাখিনি শুনি মানুহ জাকৰ ভিতৰৰ কোনোৱে ওপৰলৈ মুখ তুলি এযাৰ মাত মাতিব নোৱাৰাকৈ তলমুৱ কৰি চকু-পানী টুকিবলৈ ধৰিলে। জোনাব চাহাব-সকলৰ এই অৱস্থা দেখি মোৰ হিয়া কপি-বলৈ ধৰিলে। কাৰণ ময়ো তেওঁবিলাকৰ নিচিনা এজন ভকত হে অলপতে মোৰ সকলো পাপ বিক্ৰি কৰিছিলোঁ। এতিয়া দেখিছো মোৰ টকা-পইছা সোপাই অথলে গ'ল।"

এনেতে বিচাৰকে মাত লগালে "তোমালোক ইছলাম দ্ৰোহৰ দোষত দোষী। আজিৰপৰা বিশ বছৰৰ কাৰণে তোমালোকক নৰকৰ কাৰাগাৰত কাৰাৱাস দিয়া হ'ল। এই আজ্ঞা শুনি বৰকান্দাজে সিহঁতক ভৰিত শিকলি লগাই নৰকৰ ফালে লৈ গ'ল। ইয়াৰ পিছত আৰু এজন মানুহক হাজিৰ কৰিলেহি। বিচাৰকে সিহঁতৰ ফালে মুৰ দাড়ি চোৱাত ওপৰত কোৱা সেই সুন্দৰ পুৰুষজনে কবলৈ ধৰিলে।

"ধৰ্ম্মাৱতাৰ! এই জাক মানুহ অসমীয়া মুছলমান ভদ্ৰলোক। এওঁবিলাকে সদায় গপতে ওফন্দি গঙ্গাটোপ হৈছিল। এওঁবিলাকৰ নিত্য-কৰ্ম্ম ওচৰ-চুবুৰীয়া আৰু আন আন মানুহৰ দোষ বিচাৰি বিচাৰি বটনা কৰা। নিজে যি কৰিছিল সেই সকলো নিৰ্দ্দোষ বুলি ভাবিছিল। লোকৰ উন্নতি হোৱা দেখিলে এওঁলোকৰ পেটলৈ ভাত আৰু চকুলৈ টোপনি নহা হৈছিল। কাৰবাৰ ভাল হোৱা গম পালেহি জিলাৰ বৰ চাহাবলৈ 'বেনামি' চিঠি দিয়া আৰু লগনীয়া টুটকীয়াৰ বেশ ধৰি চাহাব সকলৰ ভবিত সবিয়হৰ তেল মালিছ কৰি পৰৰ অপকাৰ কৰি নিজৰ আৰু নিজ লৰা-ছোৱালীৰ সুবিধা কৰাত বৰ পাকৈত আছিল। কোনো প্ৰজা বা দেশহিতকৰ কামত জুইঁ থৰ নিদিছিল। এওঁবিলাকৰ অজলা গাৰ্হলীয়া মানুহে ভাব-ভেটি নিনিয়াকৈ দেখা-সাক্ষাৎ কৰিব নোৱাৰিছিল। ভোজ সবাহত আসনৰ আগ-পাছ লৈ ঘুচিয়া ঘুচি কৰিছিল আৰু ভোজ খাই আহি বিধিহঁতক নিন্দা কৰি কাট কাটইদিল। পৰৰ স্ত্ৰীয়াৰী-বোৱাৰীৰ নিন্দা আৰ বাদ-অপবাদ দি নিজক গৌৰবান্বিত কৰিছিল।...এ কথা শুনি বিচাৰকে কেৰকেৰীয়া মাতেৰে হুকুম দিলে "এওঁবিলাকক যাৱজ্জীবনৰ কাৰণে ছয়নম্বৰি নৰকলৈ দ্বীপান্তৰ কৰা হল।" এই বল মোৱাৰে পিছত আ দুদল মানুহ অগ-পিছাকৈ থিয় দিলেহি। ইয়াৰ ভিতৰে এজাক ডেকা আৰু আন জাক বুঢ়া। ইহঁতৰ বিষয়ে এ দৰে ব্যাখ্যা কৰিলে—

"ধৰ্ম্মাৱতাৰ! এই ডেকা দল অসমীয়া মুছলমান জোৱাঁই। ইহঁত দুখীয়া মানুহৰ লৰা। কিন্তু বিদ্যা বুদ্ধিও প্ৰখৰ। ইহঁতে স্থূল আৰু কলেজত পঢ়িঁতে টক পইছাৰ অভাবত পৰি অৱস্থাপন্ন লোকৰ শৰণাপন্ন হৈ জোৱাঁই হোৱাৰ প্ৰতিশ্ৰুতি দি ভাবী-শহুৰেকসকলৰ টকাৰ ওপৰত ভৰদি লিখা-পঢ়া শিকি বি-এ, এম,-এ পাচ কৰি ডাঙৰ মানুহ হৈছিল। কিন্তু যি দিনাই এটা ডাঙ্গ বিষয়াৰ বাব পাই বৰ মানুহ হ'ল, সেই দিনাই ভাৰী শহুৰ আৰু ভাবী-পত্নিক পৰিত্যাগ কৰি আন মানুহ জোঁৱাই হৈছিল। ইহঁত বিশ্বাসঘাতকতাৰ দোষ দোষী। এই বুঢ়া দল এবিধ অসমীয়া মুছলমান শহুৰ ইহঁতো বৰ জালীয়াৎ আৰু চক্ৰান্ত-কাৰী পুৰুষ আছিল ইহঁতে জোৱাঁয়েক হ'তক খুলি খুলি খাই টোকোনা কৰি ছিল। ইহঁতৰ ঘাই কৰ্ম্ম আছিল বিবাহিতা তিবোতা অপবাদ উলিয়াই নিজৰ জীয়েকহঁতক আন এজন তিবোতাৰ ওপৰত বিয়া দিয়া। যদি কোনো ডেকা চল্লিশ পঞ্চাশ বছৰীয়া লৈকো ধন-সম্পত্তি আছে বুলি পায় তেন্তে ইহঁতে তাৰ পাছ ধৰি সেই ডেকাৰ বিবাহিত স্ত্ৰীৰ, বাদ-অপবাদ উলিয়াই এনে ধৰণৰ 'কাৰবাজি' কৰি পাছিলিদ যে সকলো কথা সাব্যস্ত কৰি সেই তিবোতা ঘৰ ভাঙ্গি নিজৰ জীয়েকহঁতক বিয়া দিছিল। ইহঁত

এই কামৰ কাৰণে তাবিজ পুতিছিল, জোৱাঁয়েকহঁতক আহদি দি আৰু নানা ধৰণৰ জৰা-ফুকা চাহপানী চৰ্ব্বত আদি খুৱাই মতলীয়া কৰিছিল। এই কুকামত কৃতকাৰ্য্য হৈ আত্ম-গৌৰৱ আৰু আত্ম-অভিমানত গঙ্গাটোপ যেন হৈ ওফন্দি পৰিছিল। জীয়েকহঁতক দি নৈ জোৱাঁয়েকৰ এলাগি তিবোতা (অৰ্থাৎ জীয়েকৰ সতিনীয়েক) আক সেই তিবোতাৰ লৰা-ছোৱালীক আগতে নৈ নিজে গোট খাই ছাগলী একোটাৰ কোৰ্ম্মা, কালিয়া আৰু পোলাও সিজাই মোকোহা মোকোহে খাই পেট ডাঙৰ কৰিছিল। অৱশ্যে সকলো খৰচ জোৱাঁয়েকৰ। ইহঁতৰ গোটা চেৰেকৰ পেট এতিয়াও ফুলি আছে। হুজুৰে নিৰীক্ষণ কৰিলেই দেখিবলৈ পাব। ইহঁতে জোৱাঁয়েকক ইমান বশ কৰিব পাৰিছিল যে যদি তাৰ আগতে তাৰ মাক বাপেকৰ সাত পুৰুষ ধৰিও গালি পাৰে, সি নিমাত নিতাল হৈ "হয় দেউতা" বুলি থাকিছিল। ইহঁতে যে কিমান সতী তিবোতাৰ মুবত টাঙোন মাৰি, ঘৰ-বাৰী ভাঙি ছাৰখাৰ কৰিলে আৰু যে কিমান পৰিয়ালত হাই-কাইছাৰ সৃষ্টি কৰিলে তাৰ লেখ-জোখ নাই। ইহঁতৰ চক্ৰান্ত জালত পৰা এতিয়াও অশেষ অসমীয়া নৰ-নাৰীয়ে দিনে বাতিয়ে চকু-লৈ টুকৰ লাগিছে। ইহঁতে কেবল তিবোতাৰ ঘৰ ভাঙিয়েই ক্ষান্ত নহয়। ভাই, কোই, বন্ধু-বান্ধৱ আদিৰ ভিতৰতো বিবাদ লগাই একোটা সযুদ্ধিশালী পৰিয়াল মবিষালিত পৰিণত কৰিছে। ন'ত চিবশান্তি বিবাজ কৰিছিল, সেই ঠাইত ইহঁতে চিব অশান্তিৰ বীজ বোপন কৰি আছিছে। ইহঁতৰ অত্যাচাৰত আজি অনেক সতী তিবোতা আৰু লৰা-ছোৱালীৰ বৰ কৰুণ আৰ্ত্তনাদত অসম-গগন ফাটি-ছিটি গৈছে। এই মহা পাপিষ্ঠ নবাধমহঁতৰ দোষৰ জোখাবে শাস্তি আছে নে নাই কব নোৱাৰোঁ। ইহঁত কেৱল ধৰ্ম্মদ্ৰোহী নহয়, ইহঁত সমাজদ্ৰোহী আৰু সতীদ্ৰোহী। ইহঁতে পৱিত্ৰ কোৰাণৰ আজ্ঞা দলিয়াই পেলাইছিল। মহামানৱ হজবত মহম্মদৰ বাণী—যি নব মনিচক শান্তি স্থাপন কবিবলৈ আৰু সতীৰ আৰু নাৰীত্বৰ মৰ্য্যাদা অক্ষুণ্ণ বাখিবলৈ দোহাই দোহাই কৈছে সেই বাণীক এই নবপিশাচহঁতে প্ৰত্যাখ্যান কবি জগতত অশান্তি স্থাপন কবি আহিছে। ইহঁতৰ দোষৰ প্ৰায়শ্চিত্ত নাই।"……

এই কথাবিলাক শুনি বিচাৰকে আজ্ঞা কবিলে। এই ডেকা দলৰ দোষ বুঢ়া দলৰ সমান গুৰুতৰ নহয়। ইহঁতক প্ৰায়শ্চিত্তৰ বাবে পাঁচ বছৰলৈ নবকত আটক বখা হওক আৰু দিনে এক ডজনকৈ বেত্ৰাঘাত দিয়া হব।" এই বুলিলত ডেকা জাকক নির্দ্দিষ্ট স্থানলৈ নিয়া হ'ল। এতিয়া বুঢ়াসহঁতৰ পাল পবিল। বিচাৰকে চকু পকাই গৰ্জ্জন কবি কলে—"এই মহা পাপীষ্ঠ নবাধমহঁত। তহঁতৰ পাপৰ প্ৰায়শ্চিত্ত কোনো জনমত নাই। আজিৰ পৰা অনন্ত কাললৈ দিনৰ বেলা তহঁতৰ মুবটো ঘোৱাব আৰু বাকী ডোখৰ মানুহৰ হৈ থাকিব আৰু তহতে যিবিলাক সতী তিবোতাৰ ওপৰত অত্যাচাৰ কবিছিলি তেওঁবিলাকে তহঁতৰ পিঠিৰ ওপৰত চোৱাব হৈ তহঁতক চেকুবাই ফুবিব। বাতি হলে তহঁতে পুনব মানুহৰ মূৰ্ত্তি পাবি আৰু ওবে নিশা নবকত পবি থাকিবি।" এই কথা শুনা মাত্ৰকে এজাক সুন্দৰী গাভৰুৱে ইহঁতৰ ওপৰত 'চোৱাব' হৈ টপিনাত সৌকাব কোব দি দৌবাবলৈ ধৰিলে। বসুবা-ইতৰ বিলাই দেখি মোৰ হিয়া ভাগি গ'ল আৰু গাব লোম-কোঁৱে শিঁবি কেটেলা পহৰ কাঁইট যেন হ'ল। কাৰণ এনে দুটা এটা প্ৰকৃত ঘটনা মোবো অবিদিত আছিল। মই ভাবিলোঁ মই লৰ মাবি গৈ এতিয়াই এই ঘটনাটো আমাৰ মনাই ককাইক বিববি কণ্ঠত যাতে তেওঁ এইবিলাইব পৰা সাবিবলৈ চেষ্টা কবে। মই লৰ মাবিব খোজতেই ধুমুৰ কবে হামখুবি খাই পবিলোঁ। উঠি দেখোঁ যে মই মোব শোৱা পাটিৰ পৰা বাগবি মাটিত পবি আছোঁ তেতিয়াহে বুজিব পাবিলোঁ যে ই দিঠক নহয়, সামাজিক হে। কিন্তু মই এনে ভয় খালোঁ যে লৰা-ৰাবিকে দৈগী জনাক জগাই দিলত হে অলপ বুকুথন ডাঠ হল। তেওঁ কি বুলি সোধাত কলো,—"এ একো নাই, শুই থাকা। কিবা সমাজিকহে দেখিছিলোঁ।"

———

শ্ৰীল শ্ৰীযুক্ত ডম্ভিচন্দ্ৰ ৰৱৰুৱা ডাঙৰীয়াৰ আত্ম-কথা

—শ্ৰীযুক্ত ডম্ভিচন্দ্ৰ ৰৱৰুৱা বি-এ

শ্ৰীল শ্ৰীযুক্ত ডম্ভিচন্দ্ৰ ৰৱৰুৱা ডাঙৰীয়াক অৰ্থাৎ মোক হেনো বহুতো অসমীয়া লোকে চিনি নাপায়। এই নিমগছাৰাম অগুণকাৰী অসমীয়া জাতিটোৰ মনুষ্য কেইটাই মোক চিনিও যে নিচিনাৰ ভাও ধৰি আজল মথাপি ধৰিব তাত একো বিচিত্ৰতা নাই। লোকৰ গুণ দেখিব নোৱাৰা, চকুচৰহা কানীয়া খনে আজি বহুত দিনবেপৰা মোৰ লগত ফেৰপাতি মৌলৈ পাছলাঠি মাৰি মোক খালত পেলাই, সিহঁতে পৰ্ব্বতৰ টিঙত উঠিবলৈ কাছি-পাৰি ধৰিছে হয়, কিন্তু পাৰিব নে? দোদৰ পছলা, সোৱোপা এই অসমীয়া কেইটাই টেঙৰালি কৰি মোক আৰু কিমান দিন ঘূৰা দি চলিব হে? মোক চিনি নোপোৱা, বা মোক ঘনে ঘনে পাহৰা ভাওধৰা এই মৰকেলেপথনক মোৰ অলপ পৰিচয় দিওঁ। মোৰ আত্ম-সোৱঁৰণীখন মহে অলপ বহলাই লেখোঁ বুলি বহুত দিনবে পৰা ভাবি আছিলোঁ, আগলৈ মই অন্তর্দ্ধান হলে সেইখিনিয়ে দিনকণা অসমীয়াৰ লাখুটি হৈ, আগলৈ বাট দেখুৱাব পাৰিব, আৰু অসমীয়াৰ শুকান বালিৰ ওপৰত মোৰ খোজখিনিয়েই তাইঁতৰ খোপনি পুতি বাটকু বিবাই চলিবলৈ উপায় হ'ব, আৰু মোৰ জীৱনৰ মই লিখি থৈ যোৱা নিভৃত আহিলাপাতিয়েই মোৰ জীৱনচৰিতৰ আগলৈ পৰম অমূল্য সম্পদ হৈ পৰিব। তাহানিখনেই যেতিয়া মোৰ খুড়াদেৱ শ্ৰীল শ্ৰীযুক্ত (এতিয়া ৺) ক্ষুপাৰৱ ৰৱৰুৱাই স্বৰ্গাৰোহণৰ দিনা কৰিছিল, তেতিয়াই মই "বাঁহী"ৰ পিঠিত আবির্ভাব হোৱা এই ঠোঙোনা পোৱাহঁতৰ মনত নাই নে? নাই যদি নাই। মই আকৌ দোহাৰিব নোৱাৰোঁ, মোৰ 'ফোৰছেদ্' নাই। সেই আধ্যা তাতে সামৰিলোঁ, এতিয়াৰ আধ্যাহে এতিয়া বেকত কৰিম। গতিকে মোৰ বাল্যলীলা বা যৌৱনলীলাৰ নিমিত্তে তেওঁলোকৰ হাবিয়াস মনতে পলাওক। কলেও তাত নকৰ লগীয়া বা হুণ্ডনিবলগীয়া মোৰ ভিতৰুৱা বহুত কথা ওলাই পৰিব পাৰে। সেইবিনি কোনেও হুণ্ডনি ভাল, কাৰণ মোৰ ভিতৰুৱা জীৱনৰ ওপৰত মোৰ বাহিৰে কাৰো হাত নাই। তাতে মই তো আৰু সত্যৰ পৰীক্ষা—Experiment with truths—কৰা নাই। গতিকে মোৰ বিদ্যা সাঙ্গ কৰিছে এতিয়া মোৰ আত্ম সোৱঁৰণী আৰম্ভ কৰিম।

১৯১৩ মে ১৪ চনত মই—মোৰ মনত নাই—কলিকতা ইউনিভাচিটিৰ "চগ্নিমেণ্টৰি" পৰীক্ষাত সুখ্যাতিৰে বি-এ পাছ কৰিলোঁ, আৰু পাছ কৰি ভাবিলোঁ, বি-এল পাছ কৰি উকীল হওঁ পিছে উকীলবোৰৰ কাণ্ড-কাৰখানাখন দেখি সেইফালে মন মেলিবলৈ নহল। কথা চোবাই, লোকৰ পইচা বুটলি এই Unproductive day-Labourerৰ ব্যৱসায় টোৰ পৰা দেশৰ কিবা লাভ হৈছে নে? লোকৰ ওপৰত ওলমা এই বঘুমণাবোৰৰ লগত আৰু মই নোলমো, ইয়াৰে সংকল্প কৰিলোঁ। দেশত নতুন বস্তু গঢ়ি-পিতি উলিয়াই দেশখন আগুৱাব নোৱাবিলে, উকীল হৈ গাওঁত মৰামৰি দন্দ-হাই লগাই কছাৰী ধৰত "মকতমা"ৰ লেখ বঢ়াবে দেশৰ উন্নতি কেনেকৈ হ'ব—মই হলে ভাবি নাপালোঁ। উকীলে হেনো জৱাব-ছৱাল কৰে, হাকিমৰ আগত আইন দেখুৱায়, লেক্‌চাৰ দিয়ে, চোব-ডকাইতক ফাটেকৰ পৰা খালাছ কৰায়, মানুহ মাৰি আহিলেও "not guilty" কৰায়, আৰু সেইবিলাক কামৰ বাবে মুঠিয়ে মুঠিয়ে আগামীইতৰ পৰা ধন লয়। আইনৰ গবাহত পৰিলে হেনো উকীলে সকলোকে বক্ষা কৰিব পাৰে। এনে বক্ষা কৰা ব্যৱসায় দেশত নহলে বা দেশৰ কি দুৰ্দ্দশা হ'ব, মই হলে তাক বুজিব নোৱাবিলোঁ। "মকতমা"ৰ দুদৰ

শ্ৰীযুত নবীনচন্দ্ৰ ৰৱদলৈ
[কলেজৰ ছাত্ৰ অৱস্থাত]

শ্ৰীযুত পদ্মনাথ বৰুৱা
[বিজুলীৰ সম্পাদক অৱস্থাত]



শ্ৰীযুত ডম্ভিচন্দ্ৰ মালিক, বিলাত যাত্ৰাৰ সময়ত

ভিতৰত এদল জিকিব, এদল হাৰিব ই ঠাৱৰ। তাত দেশৰ হানি-বিধিনি কি, আৰু তাত আকৌ জন্নাব-ছৱালৰে বা কি দৰকাৰ? হাকিমবোৰে আইন চাই ল'ব নোৱাৰেনে? তাৰেকে যে এদল নিৰ্ম্মমী অপভতা-অসুবা লগা হ'ল? উকীলৰ ব্যৱসায়টোৱেই আমাৰ মত অনৰ্থৰ মূল। বিশেষকৈ এতিয়া দেশত থাবলৈ নাইকিয়া হৈ মানুহ লুৰ্বাং-লাখুট হৈ পৰিছে। "নকতমা" লাগিলে নিজে থাৰ নে উকীলক খুৱাব? দিনৰ দিনটো টপালি কাঢ়ি, জন্নাব-ছৱাল কৰি যেতিয়া জেপত পইছা এটি নোহোৱাকৈ ঘৰলৈ উলট যাব লগাত পৰেগৈ, তেতিয়া উকীলহঁতৰ মোৰ এই কথাটৈ মনত পৰিব। এতিয়াও মই উকীলগনক ক'ব খোজোঁ যে,—হে'ৰ উকীল, এৰ, এই কথা-বেচা ব্যৱসায় এৰ। মোৰ দৰে উঠি অহা জীৱনটো ভাল ভাল কামত লগা। নহলে 'জাতো যাব আৰু পেটো নভৰিব।' এইবিলাককে দেখি শুনি মই বি-এ পাছ কৰি পোনচাতে দেশৰ কামত লাগি গলোঁ। মোক এতিয়া চিনি নোপোৱা তেংকুটীয়া এই মিধক অসমীয়াগনৰ "কিং এড্ওৱার্ড উইভিং ফেষ্টৱী"টোলৈ চকু দিবলৈ চকু কেইটা আছে নে নাই, মই তেওঁলোকক সুদিব খোজোঁ। এই ফেষ্টৱীটো যে মোৰ দ্বাৰাই প্ৰতিষ্ঠিত তাক তাইতে নাজানে নে? চকুচবহাইতৰ চকুৰ পোৱনি নাইকিয়া হৈছিল যেতিয়া মই এই "উইভিং ফেষ্টৱী" সাজি অসমীয়াৰ কামিহাৰ কেইডাল শকত কৰিবৰ যো-জা কৰি কৰকাল কাপোৰ বান্ধি কাবুলীৰ দৰে ঘৰে ঘৰে বৰষুনি তুলি হাজাৰ হাজাৰ টকা গোটাই দমাই পেলাইছিগোঁ। টকা তুলিগোঁ, ঘৰ সাজিলোঁ, আৰু ফেষ্টৱী বহুৱাই দিলোঁ, আৰু তাৰ লগে লগে মোৰ সক ভাইটোৰ নিচুধুৱা সমস্তাৰ এটা সজ মীমাংসাও কৰি দিলোঁ; কাৰণ তাৰ কাম-কাজ একো নাছিল। ফেষ্টৱীৰ ঘৰ-দুৱাৰ সজাত তাকে লগাই দিলোঁ। এতিয়া হেনো মোৰ তাত নামেই নাই—মোৰ নাম শুনিলে সিহঁতে চকুৰ নোম কাঢ়ে। মই সিহঁতৰ পানী খোৱা পুখুৰীত কিনো বিহ ঢালিলোঁ ক'ব নোৱাৰোঁ।

কিন্তু সকলোৱে কয়—"No prophet is honoured in his own country." 'কাণ্ট্রিৰ' পৰা এখোজ দুখোজ কৈ আঁতৰি গোৱাই ভাল। এই কথা বুজি মই গোটেই দেশজুৰি থকা কাৰ্য্যত লাগি যাবলৈ ততালিকে মনস্থ কৰিলোঁ। ভাবিলোঁ কংগ্ৰেচ থনতে সোমাই যাওঁ, আৰু মোৰ নিচিনা এজন বাগ্মীপ্ৰবৰ তীক্ষ্ণবুদ্ধিৰ পুৰুষ কংগ্ৰেচত সোমালে তাৰ চুক্ষান্ত নেতা হৈ পৰিম, তাবো কোনো সন্দেহ নাছিল। কিন্তু কংগ্ৰেচৰ নীতিৰ লগত যে মোৰ নীতি নিমিলে? কোনোবা দেশত বাক মানুহ হাজাৰে হাজাৰে ফাটেকলৈ গৈ দেশখন উদ্ধাৰ কৰিব পাৰিছেনে? কথা নাই বতৰা নাই, 'পিকেটিং' কৰ আৰু ফাটেকলৈ যা; অনা-অদুৱা বক্তৃতা দে আৰু ফাটেকলৈ যা; যদে-মদে কাগজত লেখ আৰু ফাটেকলৈ যা। আৰু ফাটেকলৈ গলে নো কি স্বাৰ্থত্যাগ হয়, তাকো মই হলে বুজিব নোৱাৰোঁ। দেশখনত সেই বাবেই এটা হুলস্থুল লগাই দিছে, কাৰো কথা কোনেও শুনিবলৈ নাই। কংগ্ৰেচৰ এই মহৎ ভুলে যে দেশখনত চাৰিউফালৰ পৰা হুৱা-হুৱা লগাই দি মানুহে কোনো কামত মোৰ নোপোৱা কৰিলে। কংগ্ৰেচখন নাডাঙিলে দেশত কোনো সজ কামৰ প্ৰতিষ্ঠা কৰিব নোৱাৰিম, ইয়াকে ভাবি এটা সজ আলোচনাত লাগি গলোঁ। আৰু এই কংগ্ৰেচৰ চিঞৰ-বাখৰ খন থাকে মানে শান্তিৰে কোনো কথা সিদ্ধি কৰিব নোৱাৰি আৰু কোন মানুহ কেনেকুৱা তাকো ঠাৱৰাব নোৱাৰি। মই হেন ৰবৰকৰাৰ ঘৰৰ বংশধৰ ডাঙৰীয়া পুৰুষজনে এবাৰ নহয়, দুবাৰ নহয় তিনি চাৰি বাৰকৈ অসম লেজিচ্লেটিভ কাউন্সিললৈ যাবলৈ ওলাওঁ, গাওঁত মোৰ ইকে মানুহে পিয়াঁপি দি ঘুৰি মানুহক বঢ়াই-বুজাই কয়। মই নিজেও কত টকা ভাঙো, আৰু নিজৰ ঘৰুৱা দেহাবো লটি-ঘটি কৰোঁ, তেও সেই নৰাধম খনে কিন্তু মোক ভোট নিদি ফোপোওাগলা এটাকহে ভোট দি সেই "ৰম্যাবন উপবন" লৈ পঠাই দি বং চায়। কিয়নো, মোৰ সেই কংগ্ৰেচৰ চিঞৰ-বাখৰ খন নাই। গাৱঁলীয়া ফটুৱাই ফটাধনক ককাইটি ভাইটি বুলি তইহে তয়, তয়ইহে ময় খন দেখুৱায়, সিহঁতক মই সাৱটি ধৰিবলৈ নাযাওঁ। মোক ভোট লাগে বুলি মই স্বৰগ চোৱা ঘৰৰ ভিতৰত

সোমাই, কেচুমতা তোলা মজিয়াত বহি সিহঁতৰ লগত সমানে বহি মোৰ বঙ্গাদিনীয়া খিতাপৰ মোল হেকৰাব নোৱাৰোঁ। বাহিৰত মুকলি পথাৰত সিহঁতৰ লগত এবাৰ চাব পাৰোঁ, কিন্তু তাত লো কি হ'ব? কংগ্রেচৰ ফালবপৰা কোনোবা এটাই কিবা এটা কলেই সেই কেলেহাথনে 'হয়' 'হয়' বুলি চাপৰি বজাই বিহতালি পাতে আৰু চাৰিওফালে চেবেউ-ফেবেউ কৰি হাইউকনি কৰি পেণায়, তাত আৰু ভাল কথা কবলৈ ক'ত ঠাই পাবা—কোনে শুনিব আৰু কলেও নো কি হ'ব? সিদিনা বাইদেউয়া বায়ত সভাত মই ৪৫ মিনিট গল ফুলাই একেবাহে অনৰ্গল বক্তৃতা দিওঁতে সভাত কাঁহ পৰি জিন্ গল, মানুহেও তবধ লাগি শুনিলে। তেও বাক মোৰ নামটো কোনো কাগজে-পত্রে ওলাল জানো? কাৰ নাম ওলাল জানিছাই নহয়?—কংগ্রেচৰ ফালৰ পৰা কেতবিনি ফপহতা কথা কোৱা, নোম নাইকিয়াইতৰ। সিদিনা আকৌ কুমাৰপতি ছাত্রসভা এখনত সভাপতি হৈ মই বক্তৃতা দি আহোঁতে কংগ্রেচৰ এজনে কলে—"ববৰুৱা ডাঙৰীয়া, আপুনি বাস্তবিকতে আমাৰ দেশৰ নেতা হোৱা উচিত" মই কলোঁ,—"বৰ ডাঙৰীয়া, মোৰ যে ফোঁট লগুন নাইকিয়া, মোৰ লগত ফুৰিলে অপুনি চুৱা যাব।" ববা—"ফোঁট-লণ্ডন ডালকে দেখোন এবাৰ ডিঙিত আৰু কপালত লগাই লওক—কিজানি তেতিয়া আমি আপোনাৰ লগতেই ফুৰোঁ।" মই—"ভাল কৈছা দেওহে, মই সেই ফাটেকিয়ালৰ টুপিটো মুবত পিন্ধি আৰু গাত খদ্দৰৰ ছোলাটো সুমালেহে মোৰ মুবৰ দিঁউৰ জাউঁবি উঠিব, এনেই ঘুঠীৰ? বোলো উঠিবহে ববাদেও, উঠিব। ভেশকন ধৰি মুখাপিন্ধা সেই "হিপক্রিট্" দলৰ পুলিছে-পোথ সুভালিলে আমাৰ আৰু নেতা হোৱা নহৈছে। কংগ্রেচো যাব আৰু তোমাৰ কথাও ভবিষ্যতত মিলিব, চাবা মাথোন।" ইয়াকে কলত দেহি ববাৰ মুখখন কেহেঁবাজ বতা পটাখন যেন হ'ল, আৰু একো উত্তৰ নিদি টোবোক্ টোবোক্ কৈ উভতি গ'ল। সি বপুবাই মোক মন্ধবা কবিবলৈ বুলিছে সেইদবে সম্বোধন কবিছিল হবলা? জোকৰ মুখত চুণ পবিল, কোঁহ-মোঁহ খাই বেচেবা অন্তর্ধান হল। এই বোৰ দেখি শুনিয়েই মই এতিয়া মোৰ খুবাদেৱৰ লগত লগ লাগিছোঁ। আৰু তাহানি খনৰ "সাদিনীয়া মাহিনি" বাতবি কাকত "জুগুলী"ৰ পুনৰুদ্ধাৰ কবিবৰ ব্যৱস্থা কবিছোঁ আৰু "জুগুলীৰ" যোগে দেশত কংগ্রেচৰ বিৰুদ্ধে এটা প্রকাণ্ড আন্দোলন লগাই দিম, আৰু কংগ্রেচৰ জুমুবি পুবি দেশখন বাঙলী কবি তুলিম বুলি ভাবিছোঁ, আৰু তাব লগে লগে দেশত অ-কংগ্রেচৰ যিখিনি অনুষ্ঠান আছে, তাব সমস্তখিনি মোৰ নিজা হাতত লম। "অসম এচোচিয়েশ্যন" আৰু "অসম সাহিত্য সভা" মোৰ নিজা সম্পত্তিব দবে হবই, কাৰণ এই দুইখন সভা এতিয়াই মোৰ অধীনত—মই বহ বুলিলেই বহে আৰু উঠ বুলিলেই উঠে,—মোৰ তেজস্বিনী বক্তৃতাব ওপবত কাবো মাত নাই, বোল নাই।

ইয়াৰ পিছতে মই "অল-অসম ছাত্র সভা" খন মোৰ নিজস্ব কবি লবলৈ জাল পাতিছোঁ। তাব পিছত "অল অসম গো-বক্ষিণী সভা"ত লাগিবি যাম, আৰু সর্ব্বশেষত "অল-অসম মহিলা সমিতিত" লাগি অসম প্রদেশৰ চুকে-কোণে জহন মাবি কংগ্রেচৰ আধ্যা শো কবিম বুলি প্রোগ্রেম কবি লৈছোঁ। আৰু এই প্রোগ্রেম আজি ইয়াত, কাইলৈ তাত hic et ubique হৈ ফুবিব। তেতিয়া হলে আৰু এটা মোৰ সুবিধা হব যে কোনোবাই মোৰ ওপবত ব্রাবেণ্ট আনি জাবি কবিবলৈ মোক আৰু কোনো ঠাইতে ধবা পেলাব নোৱাবে।

সিবাৰ সাহিত্য সভাৰ সম্মিলনত শ্রীযুত বেজবৰুৱা ডাঙৰীয়াক সাহিত্যিক অভিনন্দন পত্র দিওঁতে কাকতে পত্রই চাবিউফালে জম্ জমাই গ'ল। মই এইবাৰ সম্মিলনত সভাপতি হববে কথা আছিল। পাছে মোৰ বন্ধুজনে, যাক মই মোৰ নামটো প্রস্তাব কবিবলৈ বন্দবস্ত কবি দিছিলোঁ, তেওঁ হেনো কিবা এটা কথাত সভাত উপস্থিত হওঁতে অলপ পলম কবিলে; গতিকে আৰু মোৰ এইবাৰ সভাপতি হোৱাটো হ'ল। সেই দেখি এই বাৰ অভিনন্দন পত্র এখনবে ব্যৱস্থা কবোঁ বুলি ভাবিছোঁ। মাজে সময়েদে গছটো পছটো লেখোঁবেই। তাব উপবিও পঢ়াশালিত পঢ়া কিতাপ আটাইবোৰ প্রায় মোবেই। সাহিত্য বোলা,

অঙ্ক বোলা, বুবঞ্জী বোলা, ধাবাপাত বোলা, ভূগোল বোলা, সকলো শাস্ত্রতে মই সমানে পাকৈত—versatile genious. তেনে অভিনন্দন পত্র এখনো নাপাম কি কাবণত দেখা? এইবাৰ সম্মিলনত এজনত কৈ অধিক মোৰ বন্ধু ঠিককৈ কৈ থ'ম—আধাখুদা সম্পাদক জনে কেনেকৈ মোৰ নামটি লুকুবাই বাখে দেখিমচোন বাক! নহলে মোৰ "জুগুলী" আছে নহয়, পাছত জাবিদিম, সম্পাদকে জানি লব একা।

এনেকৈ দেশত মই 'পতিত পাবনী জগত জননী' হৈ কংগ্রেচক চাবিউফালব পবা টানি আজুবি দিহা লগাব নোৱাবিমনে? লাগিলে 'জুগুলী'—"বিনামূল্যে বিতবণ" কবিম। তেও দেশখন গছকি লৈ দেশৰ একাধিপত্য নেতৃত্ব মই বাহাল বাখিম। কংগ্রেচৰ ফাটোৱা "অস্পৃশ্য বর্জ্জনা"ৰ বিৰুদ্ধে চলিলে আওপাকত বেছি পার্গতালি দেখুৱাব পবা হব যেন পাওঁ। সনাতন ধর্ম্মৰ নামত দোহাই দি আমাৰ মানুহক তুবন্তে কংগ্রেচৰ বিৰুদ্ধে মতলীয়া কবি তুলিব পবা হব ই থিবাং। আমাৰ অকহি পুকুষে নকবা কাম কবি অস্পৃশ্যসকলৰ লগত একেলগে বহি আমাৰ বৈধ্য পুকুষ তলবৈ নিয়াম নে আৰু ইহকাল পবকাল দুয়োকাল ভ্রষ্ট কবিম? ই হব নোৱাবে নিশ্চয়। এই বীতিত চলিলে দুয়ো ফালব পবা জয়,—গৱর্ণমেণ্টৰ ঘবত যে খাতিৰ বৰই আমাৰ আগলৈ কাউন্সিল, এচেম্ব্লীলৈ যাবলৈকো বাট তেনেই মুকুলি হব। গতিকে "অস্পৃশ্যতা—অবর্জ্জনীয়"হেই হ'ব, "জুগুলী"ৰ দ্বিতীয় অবতাবণা।

আজিলৈ ইমানতে,—বিশেষকৈ লোকৰ কাকতত ইমান বহলকৈ লিখি ছপা কবিবলৈ সম্পাদকে ক'ত ঠাই দিব? যদি হয় পিছলৈ মোৰ নিজা কাকত "জুগুলীত"।—

আত্ম-বিবৃতি

(৭)

—শ্রীযুত চিত্রসেন যথবীয়া

সম্পাদক ডাঙৰীয়া,

আজি বহুতদিন একো বন-কাম নাই,—এনেই বহি আছোঁ। টি-প্রেমেণ্টো অসমৰ বাবে এটা 'ক্রাইছিছ' হ'ল দেখিছোঁ। কেবছবমান আগেয়ে ধাবণা হৈছিল যে চাহ খেতিয়ক নহলে ডাঙৰ মানুহ হবৰ উপায় নাই, এতিয়া এযে দেখিছোঁ তলবৈ যোৱাৰ প্রথম সোপান হ'ল। আপোনালোকে আন আন্দোলন বোৰ সম্পত্তি সামৰি থওক—আমি বৰ 'হার্ড-হিট'।" "Assam for the Assamese" হঠাৎ নহৈছে। দেশ জুৰি কান্দোনৰ বোল তুলিলেও 'পেট্রোলৰ ডিউটি' হঠাৎ আপোনালোকে নাপাইছে, এই সকলোবোৰ সমস্যা দুই চাবি বছবলৈ এনেয়া ঘুবিব, তেনেয়া ঘুবিব,—পিছতো তাব ফলাফল অনিশ্চত,—কিন্তু চাহব বঙ্গাব যদি দুই চাবি মাহতে তুলিব নোৱাবে, বা অসমীয়া চাহ খেতিয়কৰ বাবে কিবা এটা preferential scheme কবি সুযোগ এটা দিব নোৱাবে, তেনেহলে আমি গলোঁ,—right head-long into the sea অর্থাৎ তেনেই মাজ সাগবত বুবিলোঁ। জানো আপুনি অকলে একো কবিব নোৱাবে,—'সংহতিঃ কার্য্য-সাধিকা' আপোনা-লোক যিসকল কলিকতাত জুম খাই আছে, অথবা কাকত-পত্রৰ লগত যিসকলৰ যোগ আছে, আপোনালোকে গোট খাই কিবা এটা কবক। আমি চাহ খেতিয়কবোবে একো কবিব নোৱাবিম—কাৰণ আমাৰ লগ লাগি কাম কবাৰ তেনে অভ্যাস নাই। সকতে এটা কথা শুনিছিলোঁ

সঁচা নে মিছা কৰ নোৱাৰোঁ।—জঙ্গলী বিভাগত কাম কৰা সময়তো এই বিষয়ে যথেষ্ট প্ৰমাণ নাপালোঁ যে এখন বনত এহালিতকৈ বেছি সিংহ থাকিব নোৱাৰে। আমাৰ চাহ খেতিয়ক-সকলৰো তেনে। আমি প্ৰত্যেকে নিজৰ নিজৰ ঠাইত ডাঙৰ মানুহ। আমাৰ এই sense of bigness অৱ কাৰণেই হুজন অসমীয়া চাহখেতিয়কৰ হলি-গলি আৰ নাই। আমি যদি কেতিয়াবা লণ্ডনলৈ হওঁ আমাৰ নিজৰ ঘৰত—চলিত ভাষাত 'বওলা'ত নহয়,—হয় চাহাব সকলৰ খেল-মাটিত বা ক্লবত, নহলে উমৈহতীয়া মহাজন কেঞাৰ গদিত, অকস্মাৎ কেতিয়াবা কলিকতাৰ চাহাবী হোটেলত অথবা বৰ দিনৰ সময়ত কাঁণিভেলত। আজি কালি অৱশ্যে আন এখন meeting-ground ওলাইছে—'কোটা', বেচা বঙ্গাৰত। 'কোটা' ছৈছে নতুন চাহ আইনৰ পৰা উৎপন্ন হোৱা সুফল। আমি বিদেশলৈ আজি কালি ইঞ্চামতে চাহ পঠিয়াব নোৱাৰোঁ, কোন বাগিছাই কিমান চাহ পঠিয়াব, তাক এটা কমিটিয়ে নিৰ্দ্ধাৰণ কৰি দিয়ে ; সেই পৰিমাণ চাহকে সেই বাগিছাৰ 'কোটা' বোলে। মই ইচ্ছা কৰিলে মোৰ এই 'কোটা', লোকক বিকি দিব পাৰোঁ, সেই পৰিমাণে চাহ তেওঁ বপ্তানী কৰিব পাৰিব—মোৰ হাত বন্ধ। মই চাহ বিদেশলৈ নপঠিয়াওঁ—সুবিধা নহ'ল চাহ কলত নমবাওঁতেই 'কোটা'ৰ টকা কেইটা খাই বহি থাকিলোঁ। বেয়া নহয় বেপাৰখন। অৱশ্যে বাগিছাত অঙ্গল পৰিব বা ভবিষ্যতে 'কোটা' কমি যাব, that is only natural, তাৰ বাবে ভাবিলে কি হব—যি হব লগীয়া আছে হব। বাগিছা নথকাত জানো চলা নাছিলোঁ ?

আপুনি অৱশ্যে ভাবিব পাৰে যে মোৰ ৰাজ-হাড়ত ভাঁজ লাগিল, নহলে এনে নিস্তেজ কথা কোৱাৰ মোৰ অভ্যাস নাছিল। কথাষাৰ মিছা নহয়, অভাৰে পাৰি পেলাইছে। মোৰ 'ব্ৰেইন' এতিয়া আগতকৈ বেছি 'এক্‌টিভ' ছৈছে ; কেৱল টকা ঘটাৰ উপায় ভাবিছোঁ,—দিনৰ দিনটো চকীত বহি একান্ত মনে তাকেই ভাবিছোঁ, কিতাপ-পত্ৰ একো হাতত লবলে মন নাই। এদিন এনেকৈ বহি থাকোঁতে অলপতে এজন ডেকা মোৰ কাৰলৈ আহিছিল—তেওঁ কেবছৰমান কলেজত পঢ়িছিল, এতিয়া ঘৰতে আছে। তেওঁ বঙনুৱা ফেঞ্চনে প্ৰতি কথাতে 'ষ্টাৰ' বোলে। এতিয়া দেশ, সেৱাই হেনে তেওঁৰ অভিপ্ৰায় আৰু তেনেকৈয়ে কালাতিপাত কৰিব মন। মোক কলে, "ষ্টাৰ—সম্প্ৰতি মোৰ হাতত একে কাম-কাজ নাই, যদি আপুনি কিবা এটা দিহা দিব পাৰে ভাল হয়,—দেশৰ সেৱাই অৱশ্যে মোৰ ব্ৰত।" মই কলোঁ যে এটা বচনা লিখা,—তেওঁ হাঁহিবে মুখ ওপচাই কলে—"That's in my line, ষ্টাৰ।" মই কলোঁ, "লিখা,—On the Theory of Losing Credit." "মানুহে যেতিয়া ধাৰলৈ টকা নোপোনা হয়, তেতিয়া তেওঁৰ অৱস্থা কেনে হয়।" তেওঁ কলে, "তাৰ পৰা কি হব ষ্টাৰ ?" মই কলোঁ—"That will give you an insight into the affairs of men.—মানুহৰ অৱস্থা বুজা শক্তি তোমাৰ বাঢ়িব। এনেই বলকি ফুৰাতকৈ কামত আহিব।" তেওঁ কলে,—"আপুনি কেনে ভাৱে লৈছে অৱশ্যে মই বুজিব পৰা নাই, মই এটা প্ৰস্তাৱ দিবলৈ আপোনাৰ কাৰলৈ আহিছিলোঁ।" মই কলোঁ,—"বক্ষা কৰিলা, কি প্ৰস্তাৱ কোৱাচোন।" তেওঁ কলে—"আজি বহু দিনৰপৰা এটা কথা মোৰ মুবত খেলিছে ষ্টাৰ,—আমি এটা 'মিশ্চন' গঢ়োঁহক। 'লিমিটেড কোম্পানী ফর্ম' কবাত মোৰ তিমান আগ্ৰহ নাই। I was a student of Economics, তথাপি মোৰ ইচ্ছা on socials lines. দেশৰ সেৱা যেন হয়। আৰু এটা কথা ষ্টাৰ, লিমিটেড কোম্পানী কৰিবলৈ গলে 'বেজিষ্ট্ৰেশ্চন ফেজিষ্ট্ৰেশ্চন' বহুত অনাৱশ্যক জঞ্জাল ; তাৰ পিছত হিচাপ পৰীক্ষক, চালতামানি, ই বিটাৰ্ণ, সি বিটাৰ্ণ, ফাইলিং ফিজে বছৰি একশ ছকুবি, তাৰ ওপৰতো আকৌ criminal liability—সেই কাৰণেই আমাৰ দেশত কোম্পানী নহয়, ষ্টাৰ।" ডেকা-জনৰ জ্ঞানৰ গভীৰতা আৰু ভাবৰ ব্যাপকতা দেখি শলাগিবৰ একো ভাষাকে পোৱা নাছিলোঁ। মোৰ মনে জানো ইতিমধ্যে কি ভাবিলে, মই উপবাই সুধিলোঁ—"তোমাৰ বিষয়ে কিছুমান লোকে I take it amiss !" "সেইটো কথা বৰ গণ্ডগোলীয়া

অৱস্থাত আছে ষ্টাৰ।" মই কলোঁ—'ঃ', অবলা আশ্ৰম তাৰম কিবা পাতিব খোজ নে কি ?" তেওঁ কলে "শিল্প-মন্দিৰ' নাম দিয়াই ভাল হব ষ্টাৰ।" মই কলোঁ—"থেঙ্কিউ। তেনেহলে তুমি দেশৰ সকলো খবৰ নোপাৱা। ডিব্ৰুগড়ত এই 'অৱলা আশ্ৰমকে' আশ্ৰয় কৰি যিখন তয়াময়া যুদ্ধ হৈ গ'ল—হুমহুম যুজ লাগি মাজতে বিৰিণাৰ মৰণ হ'ল—কেই গৰাকী বিধবা কোন পিনে উফৰি গ'ল, এতিয়ালৈকে কিজানি তেওঁলোকৰ মাকৰ চকুৰ পানী শুকোৱা নাই। সিবাৰ কথা মোৰ ইয়াত নাপাতিবা ; মোৰ বাগিছাৰ অৱস্থা তিমান সুবিধা নহয়। বয়সেও যাঠিব দেওনা দেইছে—তুমি অলপ আনফালে বিচাৰ কৰা 'লেন্ড্ৰৈন' পাবা।"

সম্পাদক ডাঙৰীয়া, মই জানিবা কৰোঁৱ বাহত ছে হাত দিলোঁ,—ডেকা জনে হুমহুমাই উঠিল—'আপোনাৰ ইয়াকৈ অহাই মোৰ ভুল হৈছিল,—বাহিৰৰ পৰা আপোনাক ডাঙৰ-দীঘল দেখি ইয়াকৈ আহিছিলোঁ—জানে অসমৰ ইমুবৰ পৰা সিমুবলৈ আপোনাৰ ভাল নাম কোৱা কোনো নোলাব। আপুনি নিজৰ জীৱনীৰ নামত লোকৰ অপযশ বটিছে। সাহিত্য, শিল্প, সমাজ সংস্কাৰ সম্বন্ধে আপুনি নিচেই কম জানে। আপোনাৰ প্ৰকৃতি চকুচৰহা—চোচাইটত আপুনি ব্যাক্ নাম্বাৰ।" মই কলোঁ—"ইমান গালি একে লগে নাপাবি leisurely পাবিলে তোমাবো সুবিধা—মোবো গাত কেতিয়াবা লাগিব পাবে—একেলগে সকসবাই পাবিলে ডাঙৰ ববষুণৰ দৰে মোৰ মনৰ ধুলি এই গালি বোবেই ধুই নিয়ে। চাহ একপ, Would you mind ?" লবাটোৱে,—(ডেকা বোৰক মই প্ৰায় লবা বোলোঁ, সিদিনাখন আমাৰ আৰহিনৰ দেউতাক লৰ্ড হেলিফেক্সে তেওঁৰ পয়ন্তৰ বছৰীয়া বয়ত এজনক 'ডেকালবা' বোলাত দেখোঁ অসমীয়া বাইজে বৰকৈ এপ্ৰিছিয়েট কবিছে,)—অলপ লাজ পালে যেন পালোঁ। মই কলোঁ—"ডেকা লবা তোমালোক অলপ sensitive বেছি, তোমালোকৰ সেইটো ব্যক্তিগত দোষ নহয়, বয়সৰ দোষ—আক তোমালোকৰ লগত পেলাই কবা মোবো বয়সৰ দোষ, I am not serious. সিদিনাখন অলপতে এজন ডেকা কবিৰ চুলি সম্বন্ধে কিবা এটা কথা কলোঁ—He took it to heart. পিছদিনাখন দেখিলোঁ তেওঁ চুলি-কেড়াল খুবাইছে। তেওঁৰ চুলিৰ ওপৰত মোৰ একো আক্ৰোশ নাছিল। আজি ধৰা কটন কলেজৰ লবা এজনক কলো—তোমালোকৰ হিমানি ভেনড্ছাত বৰকৈ খবচ পৰে বুলি শুনো—তাৰ পিছদিনাখন যদি সেইজন লবাই গঙ্গামৃত্তিকাৰ অভাৱত লুইতৰ পাৰৰ মাটিবে কপাল বগা কবি আছে, ভাবি চোৱাচোন মই কেনে 'ছক' (shock) পাম। যিমানেই নকওঁ মই তোওঁলোকৰ মঙ্গলৰ বাটৰ বিধি পথালি নিদিওঁ—কিন্তু 'বাটিব' নামত বঙ্গাৰত বহুত 'জাল' বা 'জেঙ্গাল' বস্তুৰ চলতি আছে'—তাকে ধৰিব পাৰিলে, ওচৰ চুবুৰীয়াৰ কোৱাত দোষ নাই। সাধু লোকে কয়, 'বাছি খাবা, জাগি শুবা'—আক এই বিষয়ত যদি আনক সহায় কৰিব পাৰা—so far so good ." লবা জন যি নহ'ক সন্তুষ্ট হৈ হাঁহি-মাতি চাহ খাই উঠি ঘৰলৈ গ'ল।

অলপতে মোক এটা নতবা বিপদে লগ দিলে। 'চোপনীয়া বনত বাঘ থাকে', কথাষাৰ আপুনি জানিব পায়, মোবো তেনে ছৈছে। যোৱা বছৰব মই দাখিল কৰা 'ইনকমটেক্স, বিটার্ণখন কৰ্ত্তৃপক্ষই গ্ৰহণ কৰা নাই। 'একাউণ্ট' বিভাগত পাৰ হৈ গ'ল। আইটাযে (I.T.O.) নামজুব কবিলে, সুধিলত কলে—আপুনি এটা ঘৰ 'ফিল্-আপ' কবা নাই। বিটো ঘৰত ওপবফি পাওনা দেখুৱাব লাগে, তাত আপুনি ব্লেঙ্ক বাখিছে—অথচ মই জানো আপোনাৰ ওপবফি পাওনা আছিল।" মই কলোঁ—"কিছুমান দেখুৱাব নোৱাৰি নহয়, যেনে—।" তেখেতে হাঁহি কলে—"আপোনাৰ ঠাট্টা শুণ্ডত। অফিছত সেইবোৰ কথা হুলিয়াব, আপুনি যে কবি সম্বিলনীত নে কবি পৰীক্ষাত কিবা বাব বৈছিল—তাৰ নিশ্চয় কিবা বেমুনাবেণ্ডন আছিল। সেইটো আপুনি দেখুৱা নাই,—That comes under the definition of Profit or Gain. You can look up the Incometax manual. মই কৈছোঁ বোলোঁ "বাক কৈফিয়ৎ দিম, এতিয়া ছবাৰ ওপবতে কি কম,—কবি সকলবে কাৰবাবত লাভালাভ দেখিছে,—মই আছিলোঁ পৰীক্ষাত পানী যোগোৱা,—তথাপি ফেকুব যেতিয়া শুণ্ড পবিল, বাক এখন ছপ্লিমেণ্টবী বিটার্ণ দিম।" তেখেতে ফাইলটো মন্ত্রিয়াত ধমাইকৈ পেলাই দি কলে—'অবৰাইট, ইণ্ডব কেছ ইজ কেপ্ট পেণ্ডিং।' মোবো বুকুখন কৈফিয়ৎ নিদিয়াকৈ টিপিং টিপিংকৈ লবি আছে।

বিশ্ব-প্ৰৱাহ

অসমীয়া ডেকাৰ ব্যায়াম চৰ্চ্চা

শ্ৰীযুত নিত্যানন্দ দেউৰী কামৰূপ জিলাৰ শোৱালকুছি গাওঁৰ এজন উঠি অহা ডেকা। তেওঁৰ সকলোবে পৰা ব্যায়াম চৰ্চ্চাত ধাউতি আৰু লগে লগে শাৰীৰিক শক্তিৰ ক্ৰমোন্নতি দেখা গৈছে।

শ্ৰীযুত নিত্যানন্দ দেউৰী—চুলিৰে এখন বোজাই গৰুৰ গাৰী টানি নিছে।

এবাৰ তেওঁ চুলিত ছজন সহপাঠী বন্ধুক হেলাবঁড়ে ওলমাই বাখি তেওঁৰ চুলিৰ শক্তিৰ পৰিচয় দি সকলোকে মুগ্ধ কৰিছিল। আকৌ নৱেম্বৰ মাহৰ ষোৱা ১৪ তাৰিখে তেওঁ এখন বলদগৰুৰ গাৰীত ৯জন মানুহ তুলি লৈ গাৰীখন তেওঁৰ ছফালৰ ছকোছা চুলিত বান্ধি হেলাবঁড়ে টানি লৈ গৈছে। তেওঁৰ এনেকুৱা আচৰিতজনক চুলিৰ শক্তি আৰু অসীম সাহস বাস্তবিকে প্ৰশংসাৰ যোগ্য।

মানুহৰ দুঃসাহসিকতা

মিঃ ট্ৰেনামে এখন চলন্ত আকাশী যানৰ পাখাৰ পৰা তলদুৱৈকে জপিয়াইলৈ ওলাইছে।

আকাশী যানৰ আবিষ্কাৰৰ লগে লগে মানুহৰ দুঃসা সিকতাৰ সীমাও বহলি পৰিছে। আকাশী যানেৰে এ



মৃগত এখন চেছাৰ কামুৰি ধৰি মিঃ ট্ৰেনামে চলন্ত আকাশী যানৰ পাখাৰ ওপৰত খোজ কাঢ়িছে।

ভয় লগা দুঃসাহসিকতাৰ ক্ৰীড়া-কৌশল দুই এজনে দেখু জীৱিকা উপাৰ্জ্জনৰ বাট উলিয়াইছে যে তাক দেখিবলৈ

কণি উঠে। ২১০০০ ফুট ওপৰত প্ৰবল বেগে উৰি ঘোৱা অকাশী যান এখনৰ পৰা মিঃ ট্ৰেনাম নামে মানুহ এজনে এটি পেৰাচুট লৈ নিৰ্ভয়ে আৰু নিৰাপদে জপিয়াই পৰি দৰ্শকক চমকিত কৰিছিল। প্ৰায় ১২০ মাইল বেগে তেওঁ তলৈ পৰিছিল, অথচ মুঠেই সাঙ্ঘাহীন হোৱা নাছিল। অকল সেয়ে নহয় আকাশী যানত তেওঁ আৰু নানা অদ্ভুত ক্ৰীড়া-কৌশল দেখুৱায়। চলন্ত আকাশী যানৰ ওপৰত তেওঁ এখন পাখাৰ পৰা আনখনলৈ খোজকাঢ়ি দেখুৱাই বহুদূৰ যায়। এখন চলন্ত প্লেন এৰি আন এখন চলন্ত প্লেন লব পাৰে। চলি থকা মটৰ গৰীৰ পৰা চলি থকা আকাশী যানত জৰীৰে উঠেগৈ। চলি থকা আকাশী যানৰ পৰা চলন্ত মোটৰ বোট'ৰ ওপৰত পৰি দিয় হৈ থাকে। আৰু আচৰিত কথা এয়েই যে তেওঁ প্লেনখন তল ওপৰ বা ওলট পালট হৈ চলিলেও তাৰ পাখা এখনত সুন্দৰকৈ কেনেবাকৈ থিয় হৈ থাকে।

আচৰিত খেজুৰ গছ

মদুৰ ভগ্ন ষ্টেচৰ পাইক চাহি নামে ঠাইত এজোপা

বাতিপুৱা দহ বজাত হালি গৈ গছ জোপাই এই অৱস্থা পায়গৈ

আচৰিত খেজুৰ গছ আছে। প্ৰত্যেক দিনেই গছ জোপা উত্তৰ-পূৱ ফালে হালি গৈ তেনেই মাটিত লাগে। বাতিপুৱা ১০ বজাৰ ভিতৰত গছজোপা হালি গৈ কিমান খিনি পায় তাক আগৰ ছবি খনিত দেখুৱা হৈছে আকৌ গধুলি

গধুলি উঠি আকৌ এই অৱস্থালৈ আহে

গছ জোপা উঠি কেনে অৱস্থা পায়গৈ তাক এই ছবিটিত দেখিবলৈ পোৱা যৈছে।

'স্বস্তিকা'ৰ প্ৰভাৱ

জাৰ্ম্মানীৰ নাজীদলে তেওঁলোকৰ শক্তিৰ পৰিচায়ক চিন স্বৰূপে 'স্বস্তিকা' ব্যৱহাৰ কৰিছে। প্ৰকৃততে সূৰ্য্য উপাসক সকলে বিশেষকৈ এই চিন উলিহাইছিল। কাৰণ ইংৰাজী Sun অৰ (সূৰ্য্য) চটা S আখৰ সমকোণত কটাকটি কৰিলেই 'স্বস্তিকা'ৰ আকৃতি লয়। ইজিপ্ত, গ্ৰীচ, আদি দেশৰ অতি প্ৰাচীন পাত্ৰাদিত এই 'স্বস্তিকা' চিনৰ বহুল প্ৰচলন দেখিবলৈ পোৱা যায়। এতিয়া প্ৰায় সকলো দেশতেই ইয়াৰ ব্যৱহাৰ বিয়পি পৰিছে। সুদূৰ জাপানতো ইয়াৰ প্ৰচলন দেখিবলৈ পোৱা যায়। জাপান সাম্ৰাজ্য স্থাপনৰ ২৫৯০ তম বছৰেকীয়া

উৎসৱ পালন কৰোতে স্বস্তিকা চিনৰ পতাকাৰে সৈতে এটি ডাঙৰ শোভাযাত্ৰা ওলাইছিল।



জাপান সাম্ৰাজ্য স্থাপনৰ ২৫৯৩ তম বছৰেকীয়া উৎসৱত 'স্বস্তিকা'ৰে সৈতে এটি শোভাযাত্ৰা

ভিয়েনাত আত্মৰক্ষাৰ আধুনিক উপায়

শত্ৰুৱে এটি ওপৰৰ পৰা বোমা পেলাই দিয়াত অট্টালিকাৰ কেজনমান সৈতেই এটি গাঁতত সোমাই বৈ আছে।

বৰ্ত্তমানে ভিয়েনা আৰু অষ্ট্ৰিয়াৰ নানা ঠাইত অনা এটি যুদ্ধৰ আগন্তুক দেখা গৈছে। আজি কালিৰ যুদ্ধ আকাশীযানেৰে ওপৰৰ বোমা পেলাই শই শই মানুহৰ প্ৰাণ নাশ কৰা হয় গতিকে শত্ৰুক্ষেত্ৰ এইদৰে আক্ৰমণ কৰিলে কেনেকৈ প্ৰাণ ৰক্ষা কৰিব পৰা যায় তাকে দিহা কৰিবলৈ ভিয়েনাত আৰু অষ্ট্ৰিয়াত ঠাই ঠাইত মাটিৰ তলত প্ৰকাণ্ড গাঁত কৰি লৈছে ওপৰৰ পৰা বোমা পৰা গম পালেই তাত সোমাই আত্মৰক্ষা কৰিব।

'ৰেকৰ্ডৰ' চেষ্টাত মিঃ নিকোলাচ বুনিন

মিঃ নিকোলাচ বুনিন কোচাৰ্ছ ৰেজিমেণ্টৰ



মিঃ নিকোলাচ বুনিন

এজন ভূতপূৰ্ব্ব কৰ্ম্মচাৰী আছিল। কামৰ পৰা অৱসৰ লৈ তেওঁ মটৰ চলাই বেগত পৃথিবীৰ আটাইকে দ্ৰুতগামী এটি ৰেকৰ্ড ৰাখিবৰ সঙ্কল্প লৈ ওলাইছে।

নিবনুৱা ডেকাৰ আৰ্জ্জনৰ উপায়

—ডাঃ শ্ৰীযুত ঘনশ্যাম দাস

অসম দৰিদ্ৰতাৰ চৰম সীমাত কেনেকৈ উপনীত হৈছে সৈ তাক সকলো অসমীয়াই, ঘাইকৈ শিক্ষিত সমাজে ভালকৈ বু পাইছে। এই বিষয় দুই চাৰি জনৰ গাত চেকা লগাত প্ৰকিকাৰৰ বিষয়ে ভবাচিন্তা কৰিছে সঁচা, কিন্তু দৰিদ্ৰতা আৰু অভাৱ যি সকলৰ দ্বাৰা সহজে অঁতিৰিব পাৰে সেই সকলৰ দ্বাৰা কোনো কাৰ্য্যকৰী চেষ্টা হোৱা দেখা নাযায়। অসমৰ দৰিদ্ৰতা, অভাৱ, ৰোগ-ব্যাধি আদিৰ ঘাই কাৰণ অসমীয়াৰ সবোপালি, সুখপ্ৰিয়তা আৰু কাজকুৰীয়া স্বভাৱ। এই বোৰৰ দোষতেই অসমীয়াৰ অস্তিত্ব নোহোৱাৰ দৰে হৈছে হি।

নিবনুৱা সমস্যাৰ বাবে সভাসমিতি বা কোনো অনুষ্ঠান পাতিলেই অচিৰে তাৰ সমাধান হব বুলি আশা কৰা নাযায়। অসমীয়াই দেখাক দেখি সভা সমিতি বা অনুষ্ঠানাদি পাতে হয় কিন্তু কোনো এটা অনুষ্ঠান চিৰস্থাৰী বা কাৰ্য্যকৰী হোৱা দেখা নাযায়। দুই এজন অসমীয়াই দেখাক দেখি বেহা-বেপাৰ ঠিকাদাৰী আৰম্ভ কৰিছে বা কৰিবলৈ চেষ্টা কৰিছে সঁচা, কিন্তু তেওঁলোকে পোনে পোনেই বা এবছৰতেই মাৰোৱাৰী লাখপতিৰ দৰে বা পাঞ্জাবী ঠিকাদাৰৰ দৰে লাভবান হব খোজে। সেই কাৰণে বেছি লাভ হোৱা নেদেখিলে বা অলপ লোকচান হোৱা দেখিলেই নিৰুৎসাহ হৈ সেই ব্যৱসায় বা ঠিকাদাৰী এৰি দিব খোজে। মুঠতে অসমীয়াৰ মনৰ বল বঢ়াবৰ আৱশ্যক, আৰু আৱশ্যক বেছি সৎসাহ, বেছি অধ্যৱসায়, আৰু বেছি শ্ৰমশীলতা।

শিক্ষিত সকলৰ ভিতৰতে ৯৯ জনেই চাকৰিৰ আশাত লিখা পঢ়া শিকে। চাকৰিৰ আকাঙ্ক্ষা আৰু ইউনিভাৰ্চিটিৰ ডিগ্ৰীৰ মোহতে ছাত্ৰ সকলে বছৰে বছৰে ফেল হৈ থাকিলেও অনাহকত সময়, অৰ্থ, উৎসাহ, স্বাস্থ্য সকলো নষ্ট কৰি পঢ়িয়েই থাকে। অন্তঃত মেধাৰী আৰু কমবয়সীয়া লৰাই সেই দৰে ঘনে ২ ফেল হৈ থাকিলেও পঢ়িব পাৰে। কিন্তু পঢ়াশুনাত প্ৰগাঢ় ইচ্ছা নোহোৱা ছাত্ৰ সকলক অধ্যাপক, শিক্ষক আৰু অভিভাৱক সকলে ছাত্ৰসকলৰ কচিমনে ব্যৱসায়-বাণিজ্য, শিল্প বিভাগ লগাই দিবলৈ চেষ্টা কৰিব লাগে বা সেই বিভাগবিলাকৰ আৱশ্যকতা আৰু উপকাৰিতাৰ বিষয়ে বুজাই তেওঁলোকক উৎসাহ দিব লাগে। উন্নত পাশ্চাত্য দেশৰ ছাত্ৰসকলৰ বাবে অধ্যাপক, অভিভাবক, শিক্ষক, বাইজ আৰু গৱৰ্ণমেণ্টৰ সকলোৱেই এইদৰে কচি অনুসৰি বেলেগ বেলেগ শিক্ষা বিভাগত লগাই দিয়াৰ বাবেই আজি সেইবোৰ দেশ ইমান উন্নত। এনে ব্যৱস্থা আমাৰ দেশত কৰিব নোৱাৰিলে শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈয়েই থাকিব। ছাত্ৰ সকলৰ ভবিষ্যত জীৱনৰ পথ দেখুৱাই দিয়া আচলতে শিক্ষক আৰু অধ্যাপক সকলৰ ওপৰতহে নিৰ্ভৰ কৰে।

বৰ্ত্তমান যিসকল শিক্ষিত, বা অল্পশিক্ষিত নিবনুৱাই চাকৰি বা অৰ্থোপাৰ্জ্জনৰ উপায় চিন্তি হাবাথুৰি খাব লাগিছে সেইসকলে অইন অইন প্ৰদেশৰ নিবনুৱা সমস্যাৰ সমাধানৰ ফলাফল লৈ বাটচাই থাকে মানে, নাইবা সভাই-সমিতিয়ে, কাউন্সিলে, কাগজে-পত্ৰই আস্ফালন কৰি নিবনুৱা সমস্যাৰ বাবে শিল্প বিষয়ক স্থূল আৰু খেতি-বাতিৰ ব্যৱস্থা কল কাৰখানা আদি অসমত ব্যৱস্থা কৰে মানে দুই চাৰি পইছা আজ্জি পেটৰ ভাত কেনেকৈ সহুপায়ে মোকোলাব পাৰে তাকৈকে চেষ্টা কৰা ভাল।

সুমখিয়া, মাটি কঠাল, নেমুটেঙা, নাচপতি, বিলাহী বেঙেনা, নাৰিকল, বেল, কল, কুঁহিয়াৰ, মৌ ইত্যাদি বস্তুবোৰ থাম্বৰ ভিতৰত বহুমূলীয়া উপাদেয় বস্তু। শাৰীৰিক বলবীৰ্য্যৰ কাৰণেও এইবোৰ বৰ লাগতিয়াল

আৰু উপকাৰী খাদ্য। যি ঠাইত এই বস্তুবোৰ উৎপন্ন হয় সেই ঠাইৰ মানুহ স্বাস্থ্যহীন আৰু দৰিদ্ৰ হোৱা ৰব আচৰিত। অসমত এই বস্তুবোৰ যথেষ্ট পৰিমাণে উৎপন্ন হয়। এইবোৰ বস্তুৰ আদৰ আৰু উপকাৰিতাৰ বিষয়ে জানিব পাৰিলে আৰু ভাল চেষ্টা হলে এই বোৰৰ উৎপন্ন আৰু গাদ মূল্য (Food value) বহুত বৃদ্ধি হব পাৰে। মুমখিৰা, মাটিকঁঠাল, নেমুটেঙা, নাচপতি, বেল ইত্যাদি বছৰে বছৰে অসমৰ পৰা কিমান বপ্তানি হয় কেৱল গুৱাহাটী, পাণ্ডু বা আমিনগাওঁলৈ মুৰিব গলেই তাৰ আভাস পোৱা যায়। খাচিয়া পাহাৰৰ পৰা বেছিভাগ মুমখিৰা, নাচপতি, মৌ, আলু ইত্যাদি বস্তুবোৰ গুৱাহাটীতকৈ খাচিয়া পাহাড়ৰ নামনি আৰু ছিলেটৰ দ্ৰাক্তি ঠাইৰ মাজেদি যথেষ্ট পৰিমাণে বপ্তানি হোৱা দেখিছোঁ। অকল মুমখিৰা টেঙাৰ বেপাৰ কৰিয়েই মৌপাদাং নামে গাওঁৰ ফ্লোবিদিয়ান নামে ছোৱালী এজনীৰ ধন ঘটা দেখিয়ে আচৰিত হৈছোঁ। কেৱল দালালি কৰিয়েই তেওঁ বছৰে ১৫০০৲ডেৰ হাজাৰ টকা আৰ্জ্জে।

অসমৰ মাটিত ফুলকপি, পটল, আদি পাচলিবোৰ ভালকৈয়ে উৎপন্ন হব পাৰে। সেইবোৰ সুদূৰ চাপৰা জিলা আদিৰ পৰা অসমলৈ আমদানি হৈ অহা লাজৰ কথা নহয় নে? তাতোকৈ লাজৰ বিষয় যে সেইবোৰ চালান আনি অসমত বিদেশীয়েহে বেছি পইছা লৈ যায়।

এইবোৰৰ বাহিৰেও মাছ, কপি, পাৰ, কুকুৰা চৰাই, হাঁহ, ছাগলী ইত্যাদিবোৰেও মানুহৰ দৈনন্দিন বস্তুৰ ভিতৰত সকলোতকৈ বেছি লাগতিয়াল আৰু খাদ্য হিচাবে সকলোতকৈ বেছি শক্তিদায়ক আৰু মূল্যবান। এইবোৰ খুব লাভজনক ব্যৱসায় কিন্তু অসমীয়া শিক্ষিত ডেকাসকলে সেইফালে একেবাৰেই মন নকৰে। মাছ আৰু কুকুৰা যি সকল জাতিয়ে খায় সেই সকল জাতিৰ ডেকাই মাছ আৰু কুকুৰাৰ ব্যৱসায় কৰা একো দোষ বা লাজৰ কথা হব নোৱাৰে।

এই দবে গাখীৰ, আৰু ঘিৰ ব্যৱসায়ো বৰ লাভজনক। কেৱল গুৱাহাটীৰ ঘাটতেই নেপালী আৰু ছিলেটী গুৱালৰ কাৰবাৰ দেখিলে আচৰিত হব লাগে। ইমান লাভজনক ব্যৱসায় কৰা গুৱালবোৰৰ ভিতৰত শতকৰা এজন অসমীয়াকো গুৱালৰ ব্যৱসায় কৰা নেদেখা বব চৰণ বিষয়। এইবোৰ ব্যৱসায় শিক্ষিত ডেকাসকলে হাতত লৈ শুদ্ধ (hygienic) আৰু বৈজ্ঞানিক (scientific) উপায়ে চলালে নিজৰ আৰ্থিক উন্নতি হোৱাৰ লগে লগে বাইজৰ আৰু দেশবো উপকাৰ হয়।

সোণৰ অসমত হাবিয়ে বননিয়ে সোণ সিচৰতি হৈ আছে। সোবোপা স্বভাৱ সুলভ অসমীয়াই হাবিৰ পৰা সোণ বুটলি লব নাজানে। অগৰু, চন্দন, শাল, সোণাৰু সৰল গছ আদিৰ কথা নকওঁয়েই দেশীয় দৰবজাতিৰ ভিতৰত ভালেমান বহুমূলীয়া গছ-গছনি আৰু লাগতিয়াল দৰব জাতিৰ গছ অসমৰ হাবিয়ে বননিয়ে আৰু বাটে ঘাটে ভৰি আছে। সেইবোৰ গছ যত্ন কৰি তুলি নিলে দৰব-জাতি ৰূপে ব্যৱহাৰ কৰিব নোৱাৰিলেও কলিকতাৰ 'বেঙ্গল কেমিকেল' বা অইন দেশীয় কোম্পানীক যোগাই থাকিলে তাৰপৰা ভালেমান ধন উপাৰ্জ্জন কৰিব পৰা একো অসম্ভৱ নহয়। সাধাৰণ দৰব-জাতিৰ ভিতৰত অৰ্জ্জুন, কুৰ্চি আইপোত কালমেঘ, অশ্বগন্ধা, অশোক, আদি সদায় প্ৰচলিত হোৱা ভালেমান দৰবজাতিৰ গছ যথেষ্ট পৰিমাণে পোৱা যায়। সেইবোৰৰ উপকাৰ আৰু ব্যৱহাৰ জানি ব্যৱসায় আৰম্ভ কৰিলে সেইবোৰ উদ্ভিদ বেছি উৎপন্ন কৰিবলৈও চেষ্টা হব।

মাৰোৱাৰীৰ কথা নকওঁয়েই বিদেশী অশিক্ষিত হিন্দুস্থানী সকলে অসমলৈ আহি কিদৰে ধন ঘটিছে অসমীয়া মাজেই জানে। কুলীখটাৰ কথা এৰিলেও সিইতে গাওঁৰ মাজত সোমাই মাটি কটাৰ ঠিকা লৈ কত গাৱৰীয়াৰ ঘৰৰ ভেটি তুলি দি, গাওঁৰ পুখুৰী, নাদ খনি আৰু আলি বান্ধি যথেষ্ট টকা নিয়ে। নিমন্ত্ৰা ডেকাই নিজে মাটি নাকাটিলেও মাটি কটাৰ ঠিকা লৈ ধন ঘটাই নোৱাৰে নে?

খাচিয়া পাহাৰৰ ভালেমান গাওঁত ছিলেট আৰু ঢাকা ফালৰ ডেকাই সোণাবীৰ কাম কৰি যথেষ্ট ধন আৰ্জ্জি লাগিছে। সেই সোণাবী সকলৰ ভিতৰত বহুতে উচ্চশিক্ষিত। মৌছেনৰাম্ ছেতত আই-এ আৰু বি-এ পাছ ২।৩ জন ডেকাই সোণাৰী কাম কৰি বছৰে যি হাজাৰ হাজাৰ টকা ঘটি নিব লাগিছে দেখিলে হিংসা ওপজে। অসমৰ গাৱেঁ-ভূৱে পেটেণ্ট দৰৱ, চাবোন, ক্ৰত্তিম কেমিকেল সোণৰ বস্তু বেচি বঙালী ডেকাইতো ধন চুচি নিব লাগিছেই, এতিয়া খাচিয়া পাহাৰৰ ভিতৰুৱা গাওঁবোৰতো খুবি ২ যথেষ্ট ধন ঘটি নিব লাগিছে। চেলা, লাইটকেনচাও আদি খাচিয়া পাহাৰৰ উদ্ভত ধৰণৰ ঠাই বোৰৰ মাজত বঙালী ডেকা সোমাই কোনেওবা কেৱল গান বাজনা শিকাইছে বছৰে ২।৩ হাজাৰ টকা নিছে, কোনেও বা বঙালী ভাষা আৰু ইংৰাজী শিকাইছে দুহস্তৰ বাংলাৰ বাট মুকলি কৰাৰ লগে লগে ধনো নঘটাকৈ থকা নাই।

অসমৰ শালকাঠ ব্যৱসায়ী প্ৰায়বোৰ ঠিকাদাৰ বিদেশী। সেই ঠিকাদাৰবোৰ অসমৰ ধনেৰে লাখপতি হৈ উঠিছে। তেওঁলোকৰ তলত কাম কৰা সকলোবোৰ কৰ্ম্মচাৰী যেনে —মেনেজাৰ, কেৰাণী, মহৰী উচ্চশিক্ষিত বঙালী ডেকা। বি-এ পাছ কৰিও ধন ঘটা আৰু ব্যৱসায় শিকাৰ উদ্দেশ্যে ঠিকাদাৰৰ তলত কাম কৰি হাবিৰ ভিতৰত সোমাই যথেষ্ট ব্যৱসায়ী শিক্ষা লাভ কৰিছে, আৰু ধনো পাইছে।

কিছুমান মুলধন নথকা শিক্ষিত ডেকাই পোনতে কম দৰমহাতে এইদৰে সোমাই লৈ ২।৪ বছৰৰ ভিতৰতে নিজে কাঠৰ ঠিকা লৈ স্বাধীনভাবে কাঠৰ ব্যৱসায় কৰিব ধৰিছে। আমাৰ অসমীয়া ডেকাৰ এই বিলাকলৈ চকু নপৰে। কামৰূপৰ পলাশ বাৰী, কুকুৰমৰা, বকো আৰু গুৱাল পাৰাৰ ডামৰা, কচুগাও, ছাপটগ্ৰাম আদি বিখ্যাত ঠাইবোৰৰ কাঠৰ ব্যৱসায় অসমীয়া শিক্ষিত নিবন্ধুৱা সকলে এবাৰকৈ চাই অহা উচিত।

এইদৰে বিদেশী ডেকাই অসমৰ নানা ঠাইৰ পৰা নানা উপায়ে ধন ঘটি নিব লাগিছে। অসমীয়া ডেকাই সেই-বোৰ কিয় এতিয়ালৈ হাতত নোলোৱাকৈ আছে তাৰ কাৰণ একো ভাবি পোৱা নাযায়।

ইচ্ছা আৰু চেষ্টা কৰিলেই অসমীয়া ডেকাই এতিয়াও নানা উপায় অবলম্বন কৰি অলপ মুলধনেৰে ব্যৱসায় আৰম্ভ কৰি প্ৰৰ্ত্তিত পাৰে আৰু কেৱল সেয়ে নহয় বহুত উন্নতি কৰিব পাৰে। আগৰ কথা দিহক এতিয়াও অসমীয়া ডেকা সকলে এইবিলাক বিষয়ত ধৈর্য্য, উদ্যম, উৎসাহ, আত্মনিৰ্ভৰতা, আদি গুণৰ প্ৰধান সম্বল লৈ আগবাঢ়িলে তেওঁলোকৰ নিজ জীৱন গৌৰৱময় কৰি তোলাৰ লগে লগে জাতীয় সম্মান বঢ়াব বুলি বিশ্বাস।

নিমন্ত্ৰণী

—কবিতা

—শ্ৰীযুত দেৱকান্ত বৰুৱা

চঞ্চলা! তুমি আঁচল পাতি
কোন তৰুণ কবিক মাতি
কি গান আজি গাইছা মনে মনে?
কাৰ সপোনৰ তুমি বাণী
পুন্না-ছবিকচুমা দানি,
অশ্ৰু পুলক লগায় বণে বনে!

কবিৰ গানৰ তালে তালে,
উলুৱনি আজি হালে জালে,
উতলা তোমাৰ আঁচল-পৰশ লাগি;
সোণাগী মেঘত কিহৰ নীলা,
আকাশত আজি কঁপিছে নীলা,
এই ধৰণীৰ মৌন মদিৰ পৰশ মাগি!

বতাহে কাৰ বাতৰি আনে?
কোননো আছে কোননো জানে,
নতুন দিনৰ নাচৰ বানত উট';
চঞ্চলা! তুমি বজোৱা বাঁহী,
ফুলনি ভৰি ফুলক হাঁহি,
গোলাপ কলিৰ সপোন উঠক ফুটি'!

বিবিধ

৩৬০টা 'ফ্লেট'ৰ ঘৰ

হেমাংমিখ ডৱনৰে ওচৰত হেমাংমিখ বোডত অহা চেপেম্বৰ মাহৰপৰা এটি ঘৰ সাজিবলৈ যোজা চলিছে। এই ঘৰটিত ৩৬০টা ফ্লেট থাকিব আৰু ৩০খন দোকান থাকিব। দুবোৰ এইটোৱেই আটাইতকৈ ডাঙৰ ঘৰ হব। ঘৰটিৰ নাম দিয়া হব 'লেডিমাৰ কোৰ্ট' আৰু তাক সাৱোতে প্ৰায় ৫০০,০০০ পাউণ্ড খৰচ পৰিব।

আটাইতকৈ ওখ মহাদেশ

এচিয়া মহাদেশ আটাইতকৈ ডাঙৰ বুলি সকলোরে জানে ১৬, ৩১,০০০ ব: মাঃ। গড় হিচাবে উচ্চতাতো ই আটাইতকৈ বেছি—২২০০ ফুট; অষ্ট্ৰেলীয়া আটাইতকৈ সৰু মহাদেশ ৩,০১৭,০০০ বৰ্গমাইল। উচ্চতাতো ই আটাইতকৈ কম, মুঠে গড়ে ৮০০ ফুট। অষ্ট্ৰেলীয়াক এবি য়ুৰোপে আটাইতকৈ সৰু আৰু চাপৰ দেশ—৩,৬৭০,০০০ বৰ্গমাইল আৰু গড়ে ১৪০ ফুট ওখ

কেজনমান ছায়াচিত্ৰাভিনেতা আৰু অভিনেত্ৰীৰ এবছৰৰ দৰমহা

ব্ৰাণ্ট ডিলে-মিকি মাউচৰ অভিনেতা	৪০,০০০ ডলাৰ
উইল বোজাৰছ্	৩৭৫,০০০ ডলাৰ
এন, হার্ডিং	৩৩০,০০০ "
মৰিচ চেভেলীয়াৰ গ্ৰেটা গার্বো কনষ্ট্ৰেন্স বেনেট জেনেট গেনৰ	৩০০,০০০ "
কে ফ্রান্সিছ	২৫০,০০০ "
জেনেট মেকডোনাল্ড	২০০,০০০

* * * * *

হেৱৰ্ড লয়েড আৰু চার্লি চেপ্লিনে একোখন ফিল্ডত অভিনয় কৰোঁতে ১,০০০,০০০ ডলাৰকৈ লয়।

* * * * *

একোজন সুকৰ পৰিচালক আৰু আন দুই এজন কৰ্মচাৰীবো ৪০০,০০০ ডলাৰৰ পৰা ৮০০,০০০, ডলাৰলৈ বৰমহা আছে

চিকিৎসা-বিজ্ঞানৰ নোবেল পুৰস্কাৰ

এইবাৰ আমেৰিকাৰ ডাঃ টমাচ হাণ্ট মৰগ্যান চিকিৎসা বিজ্ঞানত নোবেল পুৰস্কাৰ পাইছে। কেনেকৈ বংশানুক্ৰমে দোষ-গুণাদি সংক্ৰমিত হয় তাক আলি প্ৰাং ৩০ বছৰৰ গবেষণাৰ ফলত আবিষ্কাৰ কৰি তেওঁ এই পুৰস্কাৰ পাইছে।

ভাৰতত 'বয়েজ স্কাউটৰ' মুঠ সংখ্যা

গোটেই ভাৰতত (ভাৰতীয় ষ্টেটবোৰ লৈ) এতিয়ালৈকে মুঠ 'বয়েজ স্কাউটৰ' সংখ্যা ১১৮০০০, কিন্তু এই বাৰৰ নতুন ভর্ত্তি সংখ্যা লৈ বছৰৰ শেষলৈ ২০০,০০০ হব বুলি আশা কৰা হৈছে।

৩৩ ইঞ্চি ওখ কন্যাৰ লগত ৫ফুঃ ৮ইঃ ওখ দৰাৰ বিয়া

বাৰ্মিংহামত অলপতে ৫ফুঃ ৮ইঃ ওখ মানুহ এজনে ২ফুঃ ৯ইঃ ওখ ছোৱালী এজনী বিয়া কৰালে। ছোৱালী জনীৰ নাম ফ্লি নাগী আৰুবাৰ আৰু এখবাকী নামজদা ধাঁয়াছিত্ৰাভিনেত্ৰী। তেওঁ আছলতে "মেডাম টাইনী" বুলি হে জনাজাত। দৰাজনৰ নাম ফ্ৰেড্ৰেল বৰিনহ্। তেৱোঁ এখন ছায়াচিত্ৰভিনেতা।

প্ৰথম ডাক টিকিট

১৯৩৪ চনত বৃটিশ গৱৰ্ণমেণ্টে এক নতুন ধৰণৰ ডাকটিকিট উলিয়াব। কৱলৈ গলে ই নতুন নহয়, কাৰণ ১১৪ বছৰ আগেয়ে ফ্ৰিট ষ্ট্ৰীটত (লণ্ডন) প্ৰথমে এই ডাক টিকিট উলিয়া হৈছিল

বৃটিশৰ প্ৰথম ডাকটিকিট ক'লা আছিল। এই ডাকটিকিট ১৮৪১ চনত প্ৰচলিত হৈছিল। তাত মহাৰাণীৰ মুখটো খঁৰা আছিল। হেনবী কৱবণ্ডে মুখটো আঁকিছিল আৰু ক্ৰিডাৰিক হিল খোদিত কৰিছিল।

সাহিত্য চচ্চাত ধৈর্য্য

একালে পোৱা যায় এজাৰ ৱালেছে সুন্দৰ পদিব লগীয়া কিতাপ এখন এনপাইছ ভিতৰতে লিখি উলিয়াইছিল আৰু গাৱ বুধীয়ে বহুত বহত কিতাপ লিখিছিল আৰু ৱাটাৰ্লুৰ পৰা বোণাপাৰ্টিক গাৰীত যাওঁতে তেওঁ কিতাপৰ জকা বা আঁচনি এখন কৰি পেলাইছিল কিন্তু আন কালে আকৌ তাৰ জন কপটচ কিউটেল চালে ওলোটাই দেখা যায়। তেওঁ বৃটিশ সৈন্য বাহিনীৰ বুধত্ৰী খনি লিখোতে কৈৰ আধা সময় কটাইছিল। অথচ এই পৰিশ্ৰমৰ ফল ফলে তেওঁ এটা চিগাবেটৰ বনো নাপালে। আৰু দুই এটা এনে উদাহৰণ পোৱা যায়। টিকিওৰ অধ্যাপক এজনে চেক্সপিয়াৰ আগাবীৰ অনুবাদ কৰোতে ৪০ বছৰ লাগিছিল।

জীৱনৰ ৰূপ

(আগৰ সংখ্যাৰ পাছৰ পৰা)

উপন্যাস—

—শ্ৰীযুত চিত্ৰভানু চৌধুৰী

—ওঠৰ—

বন্দুকটোৰে হঠাৎ কি কামটো কৰি পেলালোঁ,—এতিয়া সৰ অনুতাপ হৈছে, বলিয়াৰ দৰে কাম কৰিছোঁ। তাৰপৰা কিটো লাভ হ'ল; মাথোঁ এতিয়া কেবা সপ্তাহো ধৰি পঁজাৰ ভিতৰতে সোমাই থাকিব লগা হ'ল। কিমান অসুবিধা আৰু বিৰক্তিৰ মাজেদি দিন কটাব লগা হৈছিল, মোৰ এতিয়াও সুন্দৰকৈ মনত পৰে। মোৰ ধুনুৱাজনীয়ে নিতৌ আহি বজাৰ-সমাৰ কৰি দি যায়, ঘৰ-দুৱাৰ যতনাই বাখে। তাই বেছি ভাগ সময় মোৰ ওচৰতেই আছিল। তেনেকৈয়ে কত দিন গ'ল! তাৰ পিছত.....

ডাক্তৰে এদিন এডৱার্ডাৰ কথা উলিয়ালে। তেওঁৰ নামটো শুনিলোঁ, তেওঁ কি কৈছে, কি কৰিছে তাকো শুনিলোঁ; কাম মনত এতিয়া এইবোৰ একো দৰকাৰী কথা নহয়,—ডাক্তৰে কেতবোৰ পুৰণি অৰ্থহীন কথা কৱলৈ ধৰা যেন মোৰ বোধ হ'ল। মানুহে ইমান সোন-কালে পাহৰি যাব পাৰে,—মই ভাবি আচৰিত হওঁ।

"বাৰু, এইবোৰ কথা উলিয়ালা যেতিয়া তোমাক কথা এটা সোধোঁ,—এডৱার্ডাৰ সম্বন্ধে তোমাৰ কেনে ধাৰণা? সঁচাকৈ কবব হলে, মই তেওঁৰ কথা আজি বহুদিন ভবা নাই। ব'বা, তোমাৰ আৰু তেওঁৰ মাজত কিবা এটা হৈছে যেন মোৰ অনুমান হয়,—তোমালোক প্ৰায়েই এনেদৰে একেলগে থাকা। এদিন সেই দ্বীপটোত বন-ভাত খাওঁতে তুমি আলহী সোধাৰ ভাৰ লৈছিলা আৰু তেওঁ তোমাৰ লগৰী হৈ তোমাৰ লগত কাম কৰিছিল। অস্বীকাৰ নকৰিবা ডাক্তৰ,—তোমালোকৰ ভিতৰত কিবা বিষয়ে কথা-বতৰা হৈ গৈছে। নহয়, থাওক বাৰু, মোৰ কথাৰ উত্তৰ দিব নালাগে। মোৰ কথাৰ উত্তৰ দিবলৈ তুমি বাধ্যও নহয়। আন কথা পাতোঁ আঁহা। বাৰু, কিমান দিনৰ মুবত আকৌ মই ঘুৰি ফুৰিব পাৰিম?"

কি কলোঁ তাকেই বহি বহি ভাবিছিলোঁ। ডাক্তৰে কিবা কৈ পেলাব বুলি মই মনে মনে ইমান ভয় কৰিছিলোঁ কিয়? এডৱার্ডা মোৰ কোন? মই তেওঁক পাহৰি গৈছোঁ।

আকৌ ঘুৰি-পকি এডৱার্ডাৰ কথাহে ওলাল। মই তেওঁক আকৌ বাধা দিলোঁ। কি কথাটো শুনিবলৈ মোৰ ইমান ভয় লাগিছিল,—গোসাঁয়েহে জানে।

"তুমি এনেকৈ কথা ঘুবাইছা কেলেই? মই তেওঁৰ নাম কোৱাটো তোমাৰ সহ্য নহয় নেকি?"

"কোৱাঁ বাৰু, জোমফ্রু এডৱার্ডাৰ বিষয়ে তোমাৰ প্ৰকৃত ধাৰণা কি? মোৰ শুনিবলৈ আগ্ৰহ ছৈছে।"

তেওঁ অলপ সন্দিহান হৈ মোৰ পিনে চালে।

"মোৰ প্ৰকৃত মত?"

"বোধ কৰোঁ তোমাৰ মুখবপৰা বহুতো নতুন কথা শুনিম। বোধকৰোঁ তুমি তেওঁৰ ওচৰত বিয়াৰ প্ৰস্তাৱ কৰিছা, তেওঁ প্ৰস্তাৱত সম্মতি দিছে। তোমাক অভিনন্দন জনাব পাৰোঁ নে? নোৱাৰোঁ! কিয়? হাঃ হাঃ, কোন গোট-খকই তোমাৰ কথা বিশ্বাস কৰিবহে?"

"অ' তুমি তাকেইহে ভয় কৰিছিলা নেকি?"

"ভয়? নহয়, ডাক্তৰ—"

নীৰৱ।

"নাই, মই প্ৰস্তাৱো কৰা নাই, মোক তেওঁ গ্ৰহণো কৰা নাই। তুমিয়েহে কৰিছা হবলা! এডৱার্ডাৰ ওচৰত

প্রস্তাবেব কোনো কাম নহয়,—তেওঁ যাকে লওঁ বুলি ভাবে, তেওঁকেই আৰবি লয়। তেওঁক তুমি গাৰ্নীয়া বুলি ভাবিছা নেকি? তুমি তেওঁক নৰ্ডলেণ্ডত লগ পাইছাহি আৰু তুমি নিজেই সকলো দেখিছা। সককালত চেকনিব আগত তেওঁব শিকা ছোৱা নাহিল। ডাঙব হৈয়ো তেওঁ যি মন যায় তাকে কবা বিষব ছোৱালী হৈ আছে। উদাসীন? মুঠেই নহয়। উগুপ? মই কওঁ, বৰফ। তেওঁ কি তেনেহলে? এজনী ছোৱালী, বয়স ষোল্ল কি সোতব,—আৰু নো কি? সেই ছোৱালীজনীক তুমি বুজিবলৈ চেষ্টা কবাগৈ, তোমাব বিফল চেষ্টাক তেওঁ হাঁহি উবাই দিব। আনকি দেউতাকেও তেওঁক বশলৈ আনিব পবা নাই; বাহিবত দেউতাকব কথা অলপ-অচবপ শুনে সঁচা, কিন্তু আচল কথাখিনিত হলে তেৱেঁ হৈছে সকলো। তেওঁ কয়, তোমাব চকু ঠিক পণ্ডব দবে।.....”

“তোমাব ভুল হৈছে। আন কোনোবাইহে মোক তেনেকৈ কৈছিল। তেওঁ নহয়।”

“আন কোনোবাই? কোনে?”

“মই নাজানোঁ। তেওঁব কোনোবা ছোৱালী-বন্ধুবে। এডৱার্ডাই নহয়। বাক ৰ’বা, এডৱার্ডাই বোধ কবোঁ.....”

“তুমি যেতিয়া তেওঁব পিনে চোৱা তেওঁ তেনেকুবাই ভাবে, তেৱেঁ মোক কৈছিল। কিন্তু তাবপবা তুমি এচুলিও তেওঁব পিনে আওৱাইছা বুলি ভাবিছা নেকি? নহয়। তেওঁব পিনে চোৱা, মিমান ইচ্ছা তিমান চকু মাবা,—তেওঁ তাকে দেখি মাথোঁ আপোন মনে কব,—‘সৌ মানুহজনে মোলৈ খুব চকু মাবিছে, ভাবিছে তাবেই মোক ফান্দত পেলাব!’ ইয়াকে ভাবি, মাথোঁ এটা চাৱনি বা কথাবে তোমাক কুবি মাইল দুবৈলে ঠেলি আঁতব কবি দিব। মই তেওঁব প্রতি ডাল নাজীব খবব জানোঁ;—তুমি নো ভাবিছা কি? তেওঁব বয়স কিমান হৈছে বুলি ভাবা?”

“—‘৩৮ চনত তেওঁ উপজিছিল,—তেৱেঁ মোক এদিন কৈছিল।”

“মিছা কথা। এদিন মন মোৱা দেখি মই তেওঁব বয়স হিছাপ কবি চাইছিলোঁ, তেওঁব বয়স কুবি বছব, যদিও তেওঁক এতিয়াও পোন্ধব বছবীয়া যেন হে দেখি। তে সুখী নহয়; তেওঁব সেই অকণমান মুবটোব ভিতৰ বহুতো চিন্তাই তোলপাৰ লগাব দিছে। সৌ পাহা আৰু-সাগবৰ মুখামুখিকৈ থিয় হৈ যেতিয়া মাজে মাজে তেওঁ মুখখন অলপ বিকটাই পেলায়—তেতিয়া, তাক তেওঁব অন্তবব দুখ মুখত ফুট ওলায়। কিন্তু বব অহঙ্কা তেওঁ,—আজিলৈকে তেওঁব চকুত চকুলো এটাও নেদেখিলোঁ। তেওঁ বব ভাবপ্রৱণ,—অলপ বেছি কল্প প্রিয়—কোনোবা বাজকোঁবব পবশলৈ প্রতীক্ষা ক আছে। তুমি হেনো কাবোবাক পাঁচ ডেলাবব নোট এ দিছিলাহে? কথাটো কি?”

“মোক ঠাট্টা কবিছিল, আন একো নহয়.....”

“ঠাট্টা হলেও তাত কিবা কথা আছিল। এবা তেওঁ মোবো লগত ঠিক তেনেকুবা ঠাট্টা কবিছিল; এবছ আগেয়ে। ডাক-জাহাজখন ঘাটত চাপিছিলহি, আমি তাত উঠিলোঁ। তেতিয়া ববষুণ দিছিল আৰু বব ঠাণ্ড লাগিছিল। তিবোতা এগবাকীয়ে ডেকত বহি কপিবে ধবিছিল, তেওঁব কোলাত এটি কেচুৱা। এডৱার্ডাই তেওঁ সুধিলে,—“তোমাব জাব লগা নাইনে?” “এবা লাগিছে। “কেচুৱাটোবো?” “হয়, কেচুৱাটোবো জাব লাগিছে। “কেবিনব ভিতবলৈ নোযোৱা কেলেই?” “মই এ ডেকব বাহিবব পিনব টিকটহে লৈছোঁ,”—তিবো জনীয়ে কলে। এডৱার্ডাই মোব পিনে চালে, আৰু কয় “এই তিবোতাগবাকীব ডেকব টিকটহে আছে।” মনতে ভাবিলোঁ—‘এবা বুজিছোঁ, পিছে কি কবিব লাগে কিন্তু মই তেওঁব চাৱনিব অর্থটো বুজিলোঁ। মই মানুহ নহওঁ, তেজক পানী কবি চুপইছা উপার্জ্জন কবে পইছাটো খবচ কবিবব আগেয়ে চুবাবকৈ ভাবোঁ;— লাহেকৈ তাবপবা আঁতবি গলোঁ। তিবোতাগবাকী তেওঁব পিনে চাই থাকে, তেওঁব কথা কোৱাব ধবণক নিন্দা কবোঁ, ভাবিছে, তেন্তে তেওঁ নিজে সহায় নকবে কিয়? আৰু তেওঁব দেউতাকে খুব সহজেই সেইখিনি পাবে। আৰু সঁচাকৈয়ে এডৱার্ডায়ে দিলে। ‘সেইটো বিষয়ত তেওঁব আচবণ দেখি মুগ্ধ হব লাগে,—কোনে

কব নোৱাবিব যে তেওঁ হৃদয়হীনা। তেওঁ আশা কবিছিল যে মই সেই তিবোতাগবাকী আৰু কেচুৱাটোব বাবে ছেলুন এটা ভাবা কবি দিম, তেওঁব চকুজুবিবে চাই মই তাকেই বুজিছিলোঁ। তাব পিছত কি হৈছিল বুলি ভাবিছা? তিবোতাগবাকী উঠি আহি বদাহতাব কাবণে এডৱার্ডাক ধন্যবাদ জনালে। মোব পিনে আঙুলিয়াই এডৱার্ডাই কলে;—“মোক ধন্যবাদ নিদিবা, সৌ ভদ্রলোকজনকহে ধন্যবাদ দিয়া উচিত।” দেখিলানে? তিবোতাগবাকীয়ে মোকো ধন্যবাদ দিলে।—কি কম মই, একো নামাতি মনে মনে থাকিলোঁ। তেওঁ তেনেকুবাই। তেওঁব বিষয়ে তোমাক বহুতো কথা কব পাবে। নাওবীয়াটোক সেই পাঁচোটা ডেলাব—তাকো তেৱেঁই দিছিল। তুমি দিয়াইনেঁ, তোমাক ছুগোহাতেবে সাৱাট লৈ তাতেই চুমা খালেহেঁতেন। এপাত ফটা জোতাব কাবণে ইমান খিনি ধন খবচ কবাইছেনে তুমি তেওঁব মনত এজন বাজ-কোঁবব হৈ থাকিলাহেঁতেন। তেনে কবাটোৱে তেওঁব মনোমত হলহেঁতেন,—তেৱেঁ তাকেই বিচাবিছিল; তাকে তুমি নকবিলা দেখি তোমাব নাম কবি তেৱেঁই সেইটো কবিলে। তেনেকুবাই তেওঁব কথা-বতবা—বব উত্তমৰা কিন্তু খুব ভাবি-শুনি চলে।” মই সুধিলোঁ,—“তেন্তে তেওঁক জয় কবিব পবা এনে কোনো মানুহ নাইনে?” ডাক্তবে মোব প্রশ্নটো একবাই গৈ কলে,—“তেওঁক এতিয়া শাসন দবকাব। তেওঁ বব মুকলিমুবীয়া, যি ইচ্ছা তাকে কবে আৰু সদায় তেওঁহে জিকে। আটায়ে তেওঁক মানুহ কবি চলে, আজিলৈকে কোনেও তেওঁব ওপবত কথা এবাব কোৱা নাই, সদায় কিবা নহয় কিবা এটা তেওঁব হাতত আছেই। দেখিছানে মই তেওঁক লগত কেনেকুবা ব্যবহাব কবোঁ। স্কুলত পঢ়া এটা সৰু ছোৱালীব দবে, আদেশ দিওঁ, তেওঁব কথা কোৱাব ধবণক নিন্দা কবোঁ, চুলি চকুলে চকুলে বাখোঁ। তেওঁ এইবোব এঁকোক তুমি ভাবা নেকি? তেওঁ বব অহঙ্কাবী, টাও যথেষ্ট ডাঠ, এইবোব কথাই প্রত্যেকবাব তেওঁক ঘাত কবে, কিন্তু সকলো আঘাত সহ্য কবি তেওঁব শিব ত বৈ থাকে, অহঙ্কাবব বাবে তেওঁব মুখ দোঁ খাই নাযায়। কিন্তু তেওঁব লগত এবছব ধবি ঠিক তেনেকুবা ব্যবহাব কবি আহিছিলোঁ,—তেওঁবো লাহে লাহে মতি গতি ফিবিবলৈ ধবিছিল। মনত কষ্ট পাই আৰু বিবক্তি লাগি তেওঁ কান্দি পেলাইছিল; লাহে লাহে আগতকৈ বেছি বুজন হৈ আহিবলৈ ধবিছিল, তুমি আহি সকলো তল ওপব কবি দিলা। এনেদবেই চলিব ধবিছে, এজনে তেওঁক এবি দিয়ে, আন এজনে আহি আদবি তুলি লয়। তোমাব পিছত তৃতীয় মানুহ এজন আহিব, যাক বোধকবোঁ তুমি কাহানিও চিনি নোপোৱা।”

মনতে ভাবিলোঁ,—“অ’, ডাক্তবে কিহবাব প্রতিশোধ লৈছে।” তাব পিছত ফুটাই কলোঁ,—“ইমান দীঘলীয়া গল্প এটা এনেকৈ কষ্ট কবি মোক কবলৈ তোমাব কি প্রয়োজন হৈছিল, ডাক্তব? কি কাবণে? তুমি তেওঁক শিকা দিয়া বিষয়ত ময়ো তোমাক সহায় কবিব লাগিব নেকি?”

আৰু তাব পিছত তেওঁ জুই ওলাই থকা আগ্নেয়গিবি-টোহে যেনিবা—মোব কথাটোলৈ সমূলি কাণ নকবি তেওঁ কৈ যাবলৈ ধবিলে,—“তেওঁক কোনোবাই নিজব কবি লব পাবিব নে নোৱাবে সুধিছিলা, নহয় নে? নোৱাবিব কেলেই? তেওঁ তেওঁব ৰূপহে কোৱঁবব কাবণে প্রতীক্ষা কবি আছে, তেওঁ এতিয়াটেকে আহি পোৱাহি নাই। বাবে বাবে তেওঁ ভাবে, এয়া তেওঁক পাৰোঁ, বাবে বাবে তেওঁব ভুল ভাঙে। তোমাকো তেওঁ তাকেই ভাবিছিল, বিশেষকৈ তোমাব চকুজোব পণ্ডব চকুব নিচিনা কাবণে। হাঃ হাঃ! হেবা লেফ্‌টেনাণ্ট তুমি অন্ততঃ তোমাব ইউনিফর্মটো তোমাব লগতেলৈ আহিব লাগিছিল। এতিয়া সেইটোকে কাম হলহেঁতেন। তেওঁক জয় কবিব নোৱাবি কিয়? মই মন কবিছোঁ, তেওঁ সদায় কাব’বাব প্রতীক্ষা কবি থাকে। তেওঁ ভাবে কোনোবাই আহি তেওঁক লৈ যাবহি—তেওঁব দেহ আৰু অন্তবব ওপবত বাজত্ব কবিব, এই অপূর্ণ তীব্র আকাঙ্ক্ষাটোৱে তেওঁব মনত ব্যথা দিয়ে। এবা,...তেওঁ কব’বাব পবা আহিব, এদিন আচম্বিতে আহি দেখা দিবহি—সম্পূর্ণ অসাধাৰণ ভাবে। মোব মনত এটা ভাব খেলিছে,—ম্যাক এটা অভিমানত বাহিব হৈছে,

এই ভ্রমণৰ নিশ্চয় কিবা এটা উদ্দেশ্য আছে। আৰু এবাৰ আগেয়ে এনেকৈ ওলাই গৈ লগত এজন মানুহ লৈ আহিছিল।"

"পিছে সি কোনো কামৰ মানুহ নহয়।" ডাক্তৰে মলিন ভাবে হাঁহি কলে,—"তাৰ মোৰ সমান বয়স, আৰু মোৰ দৰেই খোঁৰা। সি ৰাজ কোঁৱৰ হব নোৱাৰিলে।" তাৰ পিছত সি আকৌ ওছি গ'ল? কলৈ গ'লগৈ?"—মই তেওঁৰ ফালে ৰ' লাগি চাই ৰ'লো।

"কলৈ? ওছি গ'লগৈ? মই একো নাজানো।" কথা কওঁতে ডাক্তৰৰ থোতামোজা লাগিছে। আৰু কলে,—"হেৰা আমি বহত পৰ এইবিষয়ে কথা হলোঁ। এতিয়া আৰু সেইবোৰ যাৱলৈ দিয়া। তোমাৰ ভবিষ্যত চাওঁ, আৰু এসপ্তাহৰ ভিতৰতে তুমি লৰি-চৰি ফুৰিব পাৰিবা। বাৰু, এতিয়া আহিলোঁ দেই।"

—উনৈশ—

পঁজাটোৰ বাহিৰত তিৱোতা মানুহৰ মাত—শৰীৰৰ সকলোখিনি তেজ গৈ মুৰত উঠিছে—এড্‌ৱার্ডী।

"গ্লান, গ্লান,—গ্লানৰ হেনো অসুখ!"

মোৰ ধুবুনীজনী বাহিৰতে বহি আছিল, তাই কলে, —"এতিয়া বাক পাইছে।"

তেওঁৰ মুখৰ সেই ছটা শব্দ,—"গ্লান, গ্লান"—মোৰ মজ্জাৰ ভিতৰ পালেগৈ। তেওঁ দুবাৰ মোক নাম ধৰি মাতিছে,—তেওঁৰ সেই মাতে মোৰ অন্তৰ পৰশি গৈছে। তেওঁৰ মাতৰাৰ কেনে মিঠা আৰু স্পষ্ট!

ধুবুলিওৱাকৈয়ে দুৱাৰখন মেলি তেওঁ থৰদৰকৈ ভিতৰলৈ সোমাই আছিল আৰু মোৰ পিনে চালে। অতীত দিনবোৰলৈ মনত পৰিল। হঠাৎ মনত খেলালে আজি যেন সেই পুৰণি দিন এটাছে—সেই বং দিয়া জেকেট ছোলা, কঁকালখন বেছিকৈ সৰু কৰি দেখুৱাবলৈ তললৈ নমাই পিন্ধা সেই ঘাগৰাটো। তেওঁৰ চাৱনি, কপালৰ ওপৰলৈ উঠি যোৱা চেলাউৰি জুৰিবে সৈতে সেই লনি মুখখন, সুন্দৰ লাহি হাত দুখন—সকলোবোৰ একেলগে মনত পৰি মনটো খেলিমেলি লগাই দিলে; মোৰ মুৰ ঘুৰি গ'ল। মই ভাবিলোঁ—মই তেওঁক চুমা খাইছোঁ।

মই উঠি থিয় দি থাকিলোঁ।

"মই আহিলেই তুমি উঠি থিয় হোৱা! কেলেই? নহয় তুমি বহা, ভবিষ্যত দুখ পাবা। বাৰু বন্দুকটোৱে গুলিয়াইছিলা কিয় কোৱাচোন? মই কথাটো শুনা নাছিলোঁ। তুলি নোযোৱা দেখি ভাবিছিলোঁ,—গ্লান বাৰু হ'ল কি? আজিকালি আৰু নাহে কেলেই? মই এইবোৰ কথা সমুলি গম পোৱা নাছিলোঁ। সিহঁতে কয়, তুমি হেনো নিজে গুলিয়াইছা, আজি কেবা সপ্তাহ হ'ল, তথাপি মই ঘুণাক্ষৰেও এই কথা জনা নাছিলোঁ। এতিয়া কেনে আছা? তুমি বৰ দেঁতা পৰিছা—চিনিবেই নোৱাৰা হৈছে। অ' তোমাৰ ভবিষ্যন,—তুমি খোঁৰা হবা নেকি? ডাক্তৰে কৈছে, তুমি খোঁৰা নোহোৱা—এই কথাটো জানি মোৰ ইমান ভাল লাগিছে! ঈশ্বৰক মোৰ কৃতজ্ঞতা জনাইছোঁ। তোমাক একো নোকোৱা নিমিহাকৈ এনেদৰে অহা দেখি আশা কৰোঁ তুমি মোক ক্ষমা কৰিছা;—মই গোটেইটো বাট উদাস্থ খাই লৰি আহিছোঁ।..."

তেওঁ মোৰ ওচৰলৈ আহিল,—মোৰ মুখৰ ওচৰলৈ তেওঁৰ মুখটো দোঁ খাই আহিল—তেওঁৰ তপত নিশ্বাস মোৰ মুখৰ ওপৰত অনুভৱ কৰিছোঁ। তেওঁক ধৰিবলৈ হাত দুখন মেলি দিলোঁ। তেওঁ অলপমান আঁতৰি গ'ল —তেওঁৰ চকুযুৰি ছলছলীয়া।...

মই কলোঁ,—"কি হৈছিল জানা নে? সৌ কোণটোলৈ বন্দুকটো থৱলৈ গৈছিলোঁ। লাঠিডালৰ দৰে এযাৰ ওপৰলৈ এবাৰ তললৈ এনেদৰে বন্দুকটো লৈ হৈ আছিলো। তাৰ পিছত হঠাৎ মই বন্দুকৰ শব্দটো শুনিলোঁ। কি কৰিবা—দুৰ্ঘটনা।"

চিন্তাকুল ভাবে মুখটো জোকাৰি এড্‌ৱার্ডাই কলে,— "হঠাৎ! চাওঁ বাৰু, বাওঁ ভবিষ্যন;—কিন্তু সৌ ভবিষ্যৎৰ নালাগি বাওঁ ভবিষ্যনত লাগিলগৈ কেনেকৈ? হয়নে— তুমি কব নোৱাৰাকৈ হঠাৎ..."

"এবা, হঠাৎ অতর্কিতভাৱে হৈ গ'ল। পিছে বাওঁ ভবিষ্যনত কেলেই লাগিল কেনেকৈ ক'ম? বাৰু চোৱাচোঁন বন্দুকটো যদি এনেকৈ থাকে তেন্তে কোনদিন

ভৰিত লাগে? তেনেকৈ আছিল দেখি সৌ ভবিষ্যনত লাগিবৰ উপায় নাছিল। অৱশ্যে তেনেকৈ বন্দুকটো ধৰাত মোৰ যথেষ্ট মূর্খামি হৈছিল।"

তেওঁ বৰ আগ্রহান্বিত হৈ মোৰ পিনে চায়। পঁজাটোৰ কেউফিনে ঘুৰি চালে আৰু কলে,—"হ, তোমাৰ দিনকাল ভালকৈ চলিছে তেনেহলে, নহয় জানো। তোমাৰ খোৱা-বোৱাধিনিৰ যোগাৰ কৰিবৰ কাৰণে সৌ তিৱোতাজনীক আমাৰ তালৈ পঠাই দিয়া নাছিলা কেলেই? এই কেদিন কি খাই আছা?"

তেওঁ বহুতো কথা কৈ যাবহৈ ধৰিলে। মই সুধিলো,—"তুমি যেতিয়া আহিলা, তোমাৰ মুখখনত চাঞ্চল্য ফুটি উঠিছিল, চকুলো-ভৰা চকুযুৰি অপূর্ব জ্যোতিষ্মতী হৈ পৰিছিল, মোলৈ তোমাৰ হাতখন মেলি দিছিলা। কিন্তু এতিয়া তোমাৰ চকুযুৰি নিষ্প্রভ,— নিষ্পন্দ। এইদৰে ভবাত মোৰ ভুল হৈছে নেকি?"

নীৰৱ।

"মানুহ সদায় একেদৰে থাকিব নোৱাৰে..."

"মোক মাৰোঁ এইটো কথা কোৱা,—মই কি কবিছোঁ বা কৈছোঁ যাৰ পৰা তুমি এনে আঘাত পাইছা? তেতিয়া হলে আগলৈ বোধকৰোঁ বুজি-শুনি চলিব পাৰিম। কোৱা।"

তেওঁ বিবিকীখনেৰে দিগন্তত বিলীন হৈ যোৱা অসীম নীলাকাশৰ পিনে চাই কলে,—"একো নহয়, গ্লান্। এনেয়ে কিবা খেলিমেলি ভাবোবোৰ মনলৈ আহে। হেৰা তোমাৰ খৎ উঠিছে নেকি? বুজিছানে, কোনোৱে অকণমান দিয়ে—কিন্তু সেই কথা দিয়াই তেওঁলোকৰ পক্ষে কিমান দুঃসাধ্য;—আকৌ কোনোৱে উজাৰ কবি দিয়ে, তেনেকৈ দিয়াটো তেওঁলোকৰ মনত কথাৰ কথাই নহয়, হবগো নাই ভগনো নাই;—এওঁলোকৰ ভিতৰত বেছি দিয়ে কোনে? অসুখত ভোগা কাৰণে তোমাৰ মুখখন বৰ ম্লান হৈ গৈছে। ক'ৰপৰা যে কি কথাবোৰ আহি পৰে!" হঠাৎ তেওঁ মোৰ পিনে চালে, তেওঁৰ মুখখন আনন্দত উজলি উঠিছে। "তুমি কিন্তু খুব সোনকালে ভাল হৈ উঠিব লাগিব, বুজিছানে? আকৌ লগ পাম দেই।"

তেওঁ মোলৈ হাতখন বঢ়াই দিলে।

কিবা ভাবি মই তেওঁৰ হাতখন তুলি ললোঁ। মই থিয় দিলোঁ, হাত দুখন পাছপিনে লৈ মই মুৰ দোঁৱাই নমস্কাৰ জনালোঁ। দয়া কবি মোক চাবলৈ অহাৰ বাবে তেনেকৈয়ে মই তেওঁক ধন্যবাদ জনালোঁ।

"তোমাক ঘৰলৈকে আগবঢ়াই থৈ আহিব নোৱাৰাৰ বাবে মোক ক্ষমা কৰিবা।"

তেওঁ ওছি গ'ল। বিছনাখনতে বহি কথাবোৰ আকৌ মনৰ ভিতৰতে পাওলিবলৈ ধৰিছোঁ। মোৰ ইউনিফর্মটো পঠাই দিবৰ কাৰণে চিঠি এখন লিখিলোঁ।

বগীতবা

(আগব সংখ্যাব পাছব পবা)

গল্প—

—শ্রীযুত নগেন্দ্রনাবায়ণ চৌধুবী

—১৫—

ধনীবামে চোব কেইজনব পাছে পাছে গৈ গাওঁব মাজত সোমাল। তেওঁ নিজেও যে এজন চোব সেই কথা তেওঁ সমুলি পাহবি গ'ল। অৱস্থাব হেচাত পবিও আজি তেওঁ চুব কবিবলৈ আহিছিল। তথাপি আগব সব প্রবৃত্তিবোব তেতিয়াও একেবাবে লোপ পোৱা নাছিল।

তেওঁ দেখিলে সেই কেইজন চোবব ভিতববে এজনে মুদৈব বব ঘবব ছৱাব মুখত টাঙোন এডাল লৈ থিয় হৈ ব'ল, কোনোবাই ঘবৰপবা ওলালে মুব ফালিব বুলি। এজনে মাজ চোতালত থিয় হ'ল আৰু আন জনে ঘবব পাছ পিনে গৈ সিদ্ধি খানিবলৈ ধবিলে।

কাণ্ড দেখি ধনীবামে ছিপ্রাংপাত হাতত লৈ লাহে লাহে এখোজ দুখোজকৈ আগ বাঢ়ি গৈ সেই সিদ্ধিখনা মানুহ জনব ওচব পালে গৈ। সিও গম পালে কোনোবা এজন অহা বুলি; পিছে নিজব দলবে মানুহ বুলি ব'ব বেছি মন নকবিলে। কিয়নো এই দোভাগ নিশা যে কোনোবাই তেওলোকক ধবিবলৈ আহিব—ধাবণাই নহল। ধনীবামে ওচব পায়ে ছিপ্রাংপাতেবে মুবটে চাই একোব ভালকৈ শোধালে। কেনেবাকৈ কোবটো মুবত নালাগি হাতত লাগিল গৈ। সি 'বোপাই ঔ' বুলি চিঞব এটা মাবি মাটিত বাগবি পবিল। লগে লগে ধনীবামেও তাক সাবট মাবি ধবি "চোব ধবিছোঁ, চোব ধবিছোঁ। আহ ঐ কোন ক'ত আছ ওলাই" বুলি পাবে মানে চিঞবিবলৈ ধবিলে। লগব চোব দুজন চিঞব-বাখব শুনি পলাই পতং দিলে। ঘবব মানুহ সাব পাই উঠিল। চাকি জলাই ঘবব পাছ পিনে আহি চোবক বান্ধি ধবি নি গাওঁব মুখীয়াল দুজন মানক সাক্ষী কবি বাতিটোব কাবণে বান্ধি থলে। বাতিপুৱা ধনীবাম মুদৈ আৰু তেওঁৰে দুজনমান মানুহ লগত লৈ চহৰব থানালৈ খোজ ললে।

—১৬—

বামেশ্বৰীয়ে মণিবামক হেমপ্রভাইতব ঘবত ভাত খাবলৈ মুমুহাই দি বাহিবত লুকাই আছিল। লাজে দুখে, অপমানে তেওঁ নিজে নিজেই মবা যেন পাইছিল; কিন্তু কি কবিব উপায় যে নাছিল। লবা কণব আজি দুদিন নিৰ্জ্জলা উপবাস! তাব পিছত যেতিয়া হেমপ্রভাই ডবিয়াই-হুকিয়াই মণিব হাতত ধবি খাবলৈ বহা পাতত পবা তুলি খেদালে তেতিয়া তেওঁব অন্তবত যি পুহুবা উঠিছিল—একমাত্র ভগৱানব বাহিবে আন কোনে বুজিব! তেওঁ তথাপি বাহিবত আক কিছুপব থিয় হৈ ব'ল—বগীতবাক আকৌ কি কবে বুলি। কিন্তু বেছিপব ব'ব নোৱাবিলে। একমাত্র নেদেখা জনব ওপবত সকলো বক্ষাব ভাব অৰ্পণ কবি তেওঁ মিমান নীয়ে পাবে ঘববুলি বেগ দিলে। যেন ঘব পালেই তেওঁব ইহ জনমব সকলো কাম শেষ হৈ যাব। পলম হলে জানোঁচা মণিবামকো ঘব পোৱাই দিব নোৱাবিব।

তেওঁ ভোক পিয়াহব কথা পাহবি গ'ল। নগলেই বা উপায় কি? বাটতে তেওঁ দেখিবলৈ পালে এখন ত্রিপালব তথু তবি কেজনমান শিষায়ে সৈতে এজন সন্ন্যাসী বহি আছে। ওচব পাওঁতেই সন্ন্যাসীজনে নিজেই মাত লগালে—"খাড়া হো বেটী"

মাত শুনি বামেশ্বৰীয়ে তেওঁব মুখলৈ চালে আৰু দেখিলে তেওঁব আগতে প্রকাণ্ড এটি জুইব ধুনি। তাব আশে-পাশে মহদা, আটা, ঘি, আলু আৰু নানান বকম ফল-মূলে ভবি আছে। বামেশ্বৰীয়ে খস্তেক পব ব'ল।

সন্ন্যাসীজনে কলে যে তেওঁ সংসাব তিয়াগী মানুহ। ইমানবোব বস্তুবাহানিব কোনো দবকাব নাই। যদি লাগে তেওঁব যিমান ইচ্ছা তাবে বস্তু লৈ যাব পাবে। বামেশ্বৰীব অন্তব ভবি উঠিল। এই অযাচিত দানব কাবণে তেওঁ ভগৱানক স্মবি সাধুক সাষ্টাঙ্গে প্রণিপাত জনালে। সাধুৱেও ধুনিব পবা ভস্ম অকণমান তুলি লৈ মাক-পুতেকব মুব চুবাই আশীৰ্ব্বাদ জনালে। মাক-পুতেকে পাবে মানে বস্তু লৈ ঘবমুখে বওনা হল।

* * *

মিঠে পুবী আদি ভাল ভাল খোৱাব বস্তু পাই দুয়োবে মহা আনন্দ হ'ল। বামেশ্বৰীয়ে ভগৱানব অসীম কৰুণাব কথা ভাবি তন্ময় হ'ল আৰু দুচকুবে দুধাব চকুলো বাগবি আহিল। লবাই দুদিনব মুবত খাবলৈ পাই তাব যে কি আনন্দ! কিন্তু বামেশ্বৰীয়ে অকণমান মিছিবিব পানী মুখত দিয়াত বাহিবে অহন একোকে নাখালে। কিয়নো গিবীয়েক ঘবত নাই। পাঠকসকলব বোধকবোঁ ভালকৈ মনত আছে যে ধনীবাম তেতিয়া চোব ধবাত ব্যস্ত।

—১৭—

চন্দ্র প্রভাই বগীতবাক তাইব মাকব ওচবলৈ পঠিয়াই দিব খুজিছিল। পিছে গিবীয়েকব চব ভুকু খাই তাই পুবা বিছনাব পবা উঠিব নোৱাবা হ'ল। গোটেই গাতে বিষ তছপবী মাক বাপেক ঘবত আছে নে নাই—নে ক'ববাতে গৈছেই সঠিক খবব আনিবব কাবণে চন্দ্র প্রভাই মানুহ এজন পঠালে। তাব হাতত এমোণ চাউল আৰু টকা পাঁচোটাও দি পঠালে।

চন্দ্রপ্রভাইতব অৱস্থা ভাল বুলি যে মস্ত ধনী মানুহ তেনে নহয়। ইচ্ছা থাকিলে এনে সাহায্য বহুতে কবিব পাবে। আচলতে লাগে মন, সং শিকা।

* * * *

টকা পাঁচোটা আৰু চাউল মোণ পাই ধনীবাম আৰু বামেশ্বৰীব অন্তব কৃতজ্ঞতাত ভবি উঠিল। আৰু বগীতবাক আশ্রয় দানব বাবে ধন্যবাদ জনালে। আবেলি ঘবব লবলৈ মাক, পুতেক, গিবীয়েক আটাইবে কেইজনে চন্দ্রপ্রভাব ঘবলৈ আহিল। মাক-পিতাক আৰু ভায়েক পাই বগীতবাব বুকু সুখ পবিল, লগে লগে দুচকুবেদি দুধাব চকুলো ধীবে ধীবে বাই আহিল। জীয়েকব অৱস্থা দেখি মাকে কান্দি পেলালে। চন্দ্রপ্রভাই সকলোকে সান্ত্বনা দি বুজাবলৈ ধবিলে। কলে—নাকান্দিবাহক; এইবোব যে হৈছে কপালব ওণত—ইয়াত মানুহব কোনো হাত নাই।"

আজি ধনীবামে আৰু বামেশ্বৰীয়ে নিশ্চয়কৈ বুজিলে যে এইবোব যে প্রমাৰ ঘটিছে অকল অদৃষ্টব দোষত। আকৌ ই ঘুবিবলৈকো বেছিপব নালাগে—যদি সিজনব কৃপাদৃষ্টি হয়। নহলে বাটতে এনেকৈ চেনি, মিঠে আদি পালেহেঁতেন কেনেকৈ? ই কাবো দান নহয় তেৱেঁই এইবোব যতমানে কবিছে। সন্ন্যাসীজনো সিজনেই! ইতিমধ্যে ধনীবামে মুদৈব পবা 'কবছিছ', ফিচাগে টকা ২০৲ পালে। ইও যে তেওঁব দান সিবিলাকব জানিবলৈ বাকী নাথাকিল। চন্দ্রপ্রভাই বগীতবাক আশ্রয় দিয়াব বাবিবও টকা ৫০টা আৰু চাউল মোণ দিছিল, সিও তেওঁবে ইচ্ছা।

কিন্তু এই অসীম দয়াব ভিতবতো ভগৱানে কিয় অকণমান ত্রুটী বাখিছে কব নোৱাবোঁ। হেমপ্রভাই ধনীবামক কলে—"সকলো কাজিয়া-পেচালব মূল যেতিয়া অলঙ্কাব খিনিয়ে, তাক যিমান সোনকালে পবা যায় মোকোলাই আনিব লাগে। সেই-খিনি পালেহি যদি বোৱাবীয়েকক শাহৰেকে ঘবত ঠাই দিয়ে।"

ধনীবাম কেঁচুৱা লবা নহয়—তেওঁ এইবোব সকলো বুজে, কিন্তু কবে কি? অত চেষ্টা যত্নতো একোকে কবিব পবা নাই সকলোবে তেওঁক উপদেশহে দিয়ে কিন্তু প্রতিকাব কবোঁতা কোনো নোলায়। এক মুহূর্ত্তব কাবণ তেওঁব অন্তব বিদ্রোহী হৈ উঠিল, কিন্তু তেতিয়াই মনব খং মনতে মাব নিয়াই কলে,—"সকলো যে অদৃষ্টব ফল মই সকলো বুজো, মোক কব নালাগে। অলপমান সুবিধা পালেই মই মোকোলাই আনিম। জীয়েকব বস্ত মই কেতিয়াও নাখাওঁ।"

* * * *

ঠিক হ'ল সম্প্রতি বগীতবাক ঘবলৈ নিয়া নহব। কিয়নো ধনীবামে যত আছে তাত ঠাইব নাটনি। তাব উপবিও হাতত কাম-কাজ নাই। তাইক নিয়া মানে

লঘোণে বাধি মাবি পেণোত্তা। এটা লবাকে ভাত মুঠি ভালকৈ দিব পবা নাই। আৰু এটা কথা, মাকৰ ঘবলৈ নিলে জানোচা তাইক আৰু ওভোতাই পঠাব নোৱাৰেই। তেতিয়া তাইৰ কি দশা হব ?

—১৮—

মুদৈৰ ঘবত চুৰ কবিবলৈ যোৱা চোৰটোৰ বিচাৰ শেষ হৈ গ'ল। ধনীবামে চবকাবৰ পক্ষৰ পবা সাক্ষী দিলে—"তেওঁ হাট কবিবলৈ গৈছিল, উভতি আহোঁতে পলম হল। বাটতে তিনি জন মানুহ দেখি তেওঁৰ সন্দেহ হৈছিল। সিইতে নেদেখাকৈ মনে মনে পাছে পাছে গৈ যেতিয়া দেখিলে মুদৈ ডাঙবীয়াৰ ঘবত সোমাই সিন্ধি দিব ধবিছে, তেতিয়া তেওঁ টাঙোনেবে একোবা মাবি চোৰটোক বগবাই পেলাই হেঁচি ধবি চিৰ্ বিছিল।"

আন আন সাক্ষীবিলাকে তেওঁ চিৰ্ বাৰ পিছবপবা সেই কথাৰ প্ৰমাণ দিলে। চোৰৰ সোঁহাতৰ হাৰডাল ভাগি গৈছিল। তাৰ কথা মতে বাকী দুজন চোবকো ধবা হৈছিল। তিনো জনবে ফাটেক হ'ল। বীবত্ব দেখুৱাই চোৰ ধবাৰ কাৰণে চবকাবে ধনীবামক দুশ' টকা আৰু মুদৈ জনে তেওঁৰ ধন-প্ৰাণ বক্ষা কবাৰ কাৰণে তিনি শ' টকা পুৰস্কাৰ দিয়া হ'ল।

* * * *

ধনীবামৰ মনত আজি আনন্দ অপাব। কিন্তু আদালতত অলপমান মিছা কথা কব লগা হোৱাত হে তেওঁৰ মনত যি অকণমান ধুক্-ধাক্! যি হওক, তেওঁ ভাবিলে এই টকাবে আগেয়ে নিজৰ পেটৰ ভাত কেইটাৰ বন্দবস্ত কবিব তাৰ পিছত হে যাব ন'ত যি দিব লগা আছে দিব। কিন্তু এই কথাত তেওঁ মাস্তি নহ'ল। তেওঁ কলে—"আগেয়ে যাৰ ন'ত যি বস্তু দিব লগীয়া আছে ঘুবাই দিয়ক, তাৰ পিছতহে আমাৰ ব্যৱস্থা হব। ইমান বিপদতো আমি নমনিলোঁ—এতিয়া আৰু নমৰোঁ। ঈশ্বৰে এটা উপায় দিব! তেওঁৰ ওপবত সবল বিশ্বাস থাকিলে কোনো বিপদে পীড়িব নোৱাবে। নহলে চাওক তেওঁৰ যদি কৃপা নহলহেঁতেন, তেন্তে এই টকা নো ক'ত পালেহেঁতেন ? চন্দ্ৰপ্ৰভাৰ সাহায্য, সন্ন্যাসীৰ দান ক'ব পবা আহিলহেঁতেন ? গিৰীয়েকেও যৌগীয়েকৰ কথাত মাস্তি হ'ল ; ভাবি চাই কথাবিলাক সঁচাও। ভগৱানৰ কৃপাদৃষ্টি নহলে বিদ্যা-বুদ্ধি পবিশ্ৰম সকলো মিছা।

ধনীবামে পলম নকবি তেতিয়াই গৈ জীয়েকা গহনাবিলাক আৰু ন'ত যি বস্তু বন্ধকী দিছিল, আটাইবোৰ মেকোলাই আনিলে। সুদে আচলে মুঠতে সাবে তিনি টকা গ'ল—বাকী থাকিল হাতত ডেৰ শ' টকা।

লোকৰ বস্তুবিলাক আগেয়ে ওভোতাই দি বগীতবা অলঙাবখিনি লৈ হলিবামৰ ঘব বুলি বওনা হ'ল।

—১৯—

হলিবামে দেখিলে বোৱাবীয়েকক যেতিয়া বিদায় দিয়া হ'ল, তেতিয়া আৰু পলম নকবি লবাক ন'কৈ বিচাৰ কবাই দিয়াই ভাল। আগবে পবা এজন ভাল মানুহ ছোৱালীৰ প্ৰতি তেওঁৰ নজৰ আছিল। অৱস্থাও ভাল, কাজেই ববপণ হিচাপেও কিছু পালে পাব পাৰে। বোৱাবীক উলিয়াই দিয়া কথাষাৰ প্ৰচাৰ হলে জানোচা কোনোবে ছোৱালী নিদিয়ে—সেই কাৰণে তেওঁবিলাকে মতলব কবি এটা ওজৰ তুলি দিলে যে বোৱাবীয়ে মাকৰ পবামৰ্শ মতে ওলাই গৈছে। কথাষাৰ বিশ্বাস নহববো কোনো কাৰণ নাই। এনেকুবা ঘটনা একো নতুন নহয়।

* * * *

ছোৱালীৰ দেউতাকে আবেলি কেজনমান তেওঁৰ বন্ধু-বান্ধৱবে সৈতে দবা চাবলৈ আহিছে। হলিবামেও ২।৪ জন ওচৰ চুবুবীয়াক মাতিছে। হেমপ্ৰভাইও তেওঁৰ মনোমত কেজনমান তিবোতাক মাতিছে ; কিন্তু ইমান কবিহেই তেওঁ চন্দ্ৰপ্ৰভাক বাদ দিলে। তেওঁক নামাতিলে একেকি বগীতবাবক আশ্ৰয় দিয়া দিনবে পবা তেওঁলোকে তালৈ যোৱা অহা কবা তো দূবৰ কথা, মাত বোল পৰ্য্যন্ত দিবলৈ এবিছে। চন্দ্ৰপ্ৰভাইও ইবিলাকৰ ঘবলৈ নাযায় আৰু নামাতেও।

* * * *

দুয়ো পক্ষবে নানান কথা-বতবা চলিব ধবিছে। ভিতববপবা তিবোতাবিলাক সিবিলাকৰ কথা শুনি ধবিছে। এনেতে হঠাৎ ধনীবাম আহি উপস্থিত হ'ল।

—২০—

ধনীবামে গোন প্ৰথমে হলিবামহঁতৰ ঘবলৈ যোৱা নাছিল। আগেয়ে চন্দ্ৰপ্ৰভাৰ ঘবত সোমাল। সোমায়ে দেখে যে বগীতবা আৰু চন্দ্ৰপ্ৰভাই বেৰৰ ফুটা এটাবে হলিবামহঁতৰ ঘবৰ ফালে কিবা বুলি চাই আছে। ছোৱালীৰ মুখখন নবা মানুহৰ মুখৰ দবে সেঁতাপবা। তেওঁ কাৰণ কি একোকে ঠাহৰ কবিব নোৱাবিলে। আজিকালি তো দুদিনে চাবিদিনে তাইৰ ধবৰ-বাতবি লোৱা হয় ; বেমাৰ-পাতিওতো হোৱা নাই। তেন্তে হ'ল কি ? ইত্যাদি বোৰ ভাবে তেওঁৰ মনত তোলপাৰ লগালে। * *

চন্দ্ৰপ্ৰভাই চকুৰ ঠাৰেৰে ধনীবামক বেৰৰ ওচৰলৈ মাতি নিলে—আৰু দেখুৱালে যে ধনীবামে কেজনমান মানুহবে সৈতে পিৰালিত বহি মেল কবিব লাগিছে। কিন্তু তেওঁ আচল কথাৰ একোকে ভু-ভা নাপালে। তাৰ পিছত চন্দ্ৰপ্ৰভাই তেওঁৰ ঘবৰ ভিতৰলৈ মাতি নি যেতিয়া কথা ভাঙি কলে—তেতিয়া ধনীবামৰ মুবত আকাশী স্বৰগ ভাগি পবাৰ দবে হ'ল। তেওঁ মুবে কপালে হাত দি বহিল। এই বিলাকৰ একমাত্ৰ মূল যে তেৱেঁই সেই ভাবি তেওঁ এবাৰ ছোৱালীৰ মুখৰ পিনে চাই, আকৌ মুখ ঘুবাই ললে। তেওঁ চকুৰে চকুৰে চাবলৈ সাহ নকবিলে। জানোচা তাইৰ দৃষ্টিত সকলো পুৰি ছাই হয়। মনে মনে খুন্দা খালে শিলো ফাটে—কিন্তু তিবোতাৰ বুহবিলাক কিহেৰে বন্ধোৱা, কোনে কব যে অত আগ-বঢ়িয়া নহ কবিব লাগে ?

* * * *

কাৰো মুখত মাত-বোল নাই। শেহত চন্দ্ৰপ্ৰভাই এই মৌনতা ভঙ্গ কবিলে। ধনীবামে সুধিলে—"হাতত সোটো কিহৰ টোপোলা ?"

ধনীবামে কলে—"এইবিলাক বন্ধকী দিয়া অলঙাৰ আজি মোকোলাই আনিছোঁ।"

গহনা সোপা দেখি চন্দ্ৰপ্ৰভাই পবামৰ্শ দিলে যে সেই সোপা ওলোটাই দিবৰ কোনো দবকাৰ নাই—ইয়াত সইতৰ কোনো স্বত্ব নাই। ই বগীতবাৰ সম্পত্তি।

ধনীবামেও কথাষাৰ গমি-পিতি চালে—কথাবিলাক সঁচা ; কিন্তু ইয়াৰ নিমিত্তেই যেতিয়া অত অনৰ্থৰ মূল, তেনেস্থলত ওলোটাই দিলে জানোচা সকলো মোঠাৰ মীমাংসা হয়েই, কিজানি গহনা সোপা পালে বগীতবাক আকৌ ঘবত ঠাই দিয়েই। অৱশেহত চন্দ্ৰপ্ৰভাইও এই কথাত হয়ভৰ দিলে। ঠিক হ'ল, গহনা সোপা ঘুবাই দিয়াৰ লগে লগে তেওঁ বিয়ে বিয়েয়নী হালবে হাতে-ভবিয়ে ধবি ক্ষমা বিচাবিব। তাৰ পিছত ছোৱালীৰ অদৃষ্ট !

বগীতবাইও এবাৰ দেউতাকৰ মুখৰ পিনে সকৰুণ দৃষ্টিবে চালে। তাইৰ চকু যুগীয়েও যেন কৈ উঠিল "মোক যেন এবাবৈলে ক্ষমা কবে।"

—২১—

হলিবামে ধনীবামক এনে অসময়ত দেখি খণ্ডে তেওঁৰ চুলিৰ আগ পালেগৈ। আন মানুহবিলাকে ভদ্ৰতাৰ খাতিবে নেকি তেওঁক মাতি বহিবলৈ কলে। তেওঁ আজি মান-সম্ভ্ৰম বিচাৰি অহা নাই। ছোৱালীৰ ভবিষ্যত চিবকালৰ নিমিত্তে নষ্ট হৈ যাব ধবিছে। অকল মনৰ খেয়াল নাইবা অহংকাবতে এজনী সবলা অবলাৰ প্ৰাণ বাহি ফুলৰ মালাৰ নিচিনা অযতনত অকালতে শুকাই যাব ; তাবে প্ৰতিকাৰ হয় নে নহয়, এবাৰ শেষ চেষ্টা কবিবৰ কাৰণে অহা। কেনেকৈ নো আনক বুজাব যে ছোৱালী মাক-বাপেকৰ কিমান মৰমৰ বস্তু ! তাইৰ প্ৰাণত আঘাত দিলে মাক-বাপেকে যে কিমান কষ্ট পায়! উস্ কি নিদাৰুণ !

ধনীবামে আগে-বেখে বিয়েয়েকক কলে—"বিয়ে, অলঙাবখিনি আনিছোঁ, এয়া চাই ল'ক।"

হলিবামে দেখিলে ঠিক সময়তে বস্তুখিনি আহি পাইছে। ভগাবনে বক্ষা কবিলে। তাব পিছত অলঙাৰ খিনি হাতত লৈ দেখিলে যে আটাইখিনি ঠিকেই আছে। তেওঁ সেই সোপা নি যৈগীয়েকৰ হাতত দিলে গৈ। তেওঁ আকৌ এবাৰ ভালকৈ চাই-চিতি ললে। দুয়োবো মনত তেতিয়া কি অপাৰ আনন্দ !

তাৰ পিছত ধনীবামে লাহেকৈ কাহ এটা মাবি

কবলৈ ধবিলে,—'বিষ্টে, মই ছবীয়া হব পাবোঁ সঁচা—হব পাবোঁ কিন্তু মোব দবে ছবীয়া আছে নে নাই সন্দেহ ; কিন্তু ফাকি বাজ মই নহওঁ। মানুহে মিতিব-কুটুম কবে বিপদ-আপদত সহায় পাব বুলি ; আৰু এই কাবণেই লবা-ছোৱালীক ভাল ঘব চাই বিয়া-বাক দিয়ে ."

ধনীবামে দীঘলকৈ পাতনি মেলা দেখি হলিবামে বিৰক্ত হৈ কলে—"বুজিছোঁ, এতিয়া—আপোনাব কি কব লগা আছে সঙ্ক্ষেপে কওকচোন ; মোব বাজে কথা শুনিবব সময়ো নাই অখন ."

ধমক খাই ধনীবামে এবাব সকলোবে মুখলৈ চালে ; তাব পিছত কলে—"আপোনাব বোৱাৰীব অলঙ্কাবখিনি যদি মই বন্ধকী নিদিলোঁ হেঁতেন, তেনেহলে বোধকবোঁ মোক আজি ইয়াত দেখিবলৈ নাপালে হেঁতেন। মই—।"

হলিবামে আকৌ মুখ কোঁচাই কলে—"বুজিছোঁ। পিছে ?" ধনীবামে হাতযোব কবি তেতিয়া কলে—"অলঙ্কাবখিনি পালে যেতিয়া এতিয়া মোব ছোৱালীজনীক ক্ষমা কবক। তাইবতো কোনো অপবাধ নাই।"

"অ, এই কথা ; বাৰু এতিয়া আপুনি যাব পাবে বুলি হলিবামে কৃত্রিম খঙ দেখুৱাই ধনীবামক কথাষাৰ কলে।

ধনীবামে আকৌ সেই দবে মিনতিব স্বৰেবে কলে—"যাব বিয়ে, কিন্তু তাইক গ্রহণ কবক ."

হলীবামে দেখিলে কথাত কথা বাঢ়িছে গৈছে ;—তদুপবি সময়খিনি হ'ল বেয়া। এইবোৰ কথা ইবিমাজে শুনিলে জানোচা ! গতিকে তেওঁ অলপ জোবেবে ধমকি দি কলে—"আপুনি এতিয়া ইয়াব পবা যাব নে নাযায় মই সেই 'সামান্য লোক' ছোৱালীক ঘবত ঠাই দিব নোৱাবোঁ—মোব স্পষ্ট কথা ! তাইৰ কিছু তেজ সবহ তাইক যদি গ্রহণ কবিবই লাগে, তেন্তে নোকোৱা নেমেলাকৈ কিয় আপোন ইচ্ছাবে ঘববপবা ওলা গৈছিল ?"

ইম্ফাল নগবত চাবি দিন

ভ্রমণ কাহিনী— —শ্রীযুত শ্রীবামচন্দ্র দাস

ওপকবাকৈ হলেও ঠাই চাবলৈ বব হেপাহ। ইফালে কিন্তু হাতত ধন নাই, জেপ শুদা। ধনব কাবণেই কেতিয়াবা মনব আশা মনতে মাব নিয়াব লগীয়া হয়। নানা ঠাই ফুবি দহ দেশব দহ কথা শিকাটো আগেয়ে অসমীয়া মানুহব স্বভাব আছিল। তাব প্রমাণ ছেছে শ্রীমন্ত শঙ্কবদেব আৰু মাধবদেব আদি অৱতাবী পুৰুষসকল। তেবাসকলে ভাবতব নানা তীর্থ, নানা ঠাই ভ্রমণ কবি আহিছে অসম-ভূমিত শুদ্ধ সনাতন নাম-ধর্ম্ম প্রচাব কবি গৈছে। এয়ে অসমীয়াব আদর্শ।

মিষ্টাব বামনাথ বিশ্বাস নামব ৩৯ বছব বয়সব হবিগঞ্জব ভদ্রলোক এজনে ১৯৩১ চনব ৭ জুলাই পবা চিডাপুবৰপবা অকলে চাইকেলেবে পৃথিবী ভ্রমণ কবিবলৈ বাহিব ছেছে। তেখেতে জাপান, চীন, কোবিয়া, জাপান, সুমাত্রা, বোনিও, জাভা, বালি দ্বীপ আদিত খুব সূক্ষ্ম ভাবে চাই আহি ৩১।১০।৩৩ তাবিখে শিৱসাগব 'বিডিং ক্লবত' এটা সাৰ্ব্বজনীন বক্তৃতা দিছিল। মিষ্টাব বিশ্বাসব উদ্যম সঁচাকৈয়ে প্রশংসনীয়। আমাব কোনো অসমীয়া লবাই এইদবে ভ্রমণ কবি জ্ঞান আহৰণ কবক বুলি আমি আশা কবিলোঁ।

বহুত দিন আগতে শ্রীযুত জ্ঞানানন্দ জগতী দে

"মণিপুব যাত্রা," নগাওঁব শ্রীযুত তোবেশ্বব শর্ম্মা দেবব 'প্রভাত'ত প্রকাশ হোৱা "মণিপুব" আৰু ১৮৫৪ শকত পুহ সংখ্যা "আবাহন"ব শ্রীযুত দীনেশ্বব ভট্টাচার্য্য বি-এ, দেবব "মণিপুব ভ্রমণব টোকা" পঢ়িছোঁ। এই প্রবন্ধ কেইটাত মণিপুব সম্পর্কীয় কবা বহুত পবিমাণে আলোচনা কবা হৈছে। এইবিলাক পঢ়িয়েই মোবো মণিপুব চাবলৈ মন হ'ল। এই খিনিতে কৈ থওঁ যে শ্রীযুত জগতীব দিনব সেই ভীষণ কষ্টকব "মণিপুব যাত্রা" এতিয়া নাই। এতিয়া ডিমাপুবৰপবা ১১২ ঘণ্টাব ভিতবতে মণিপুব পাবগৈ পাবি। কষ্টকব হলেও মোব বোধেবে আগব প্রকাবব যাত্রাটোহে বেছি শিক্ষাপ্রদ আছিল যেন লাগে। এতিয়া হলে বাটত পাই যোৱা নগা-কুকি আদি নানা জাতিব লোকব বিষয়ে জানিবব উপায় নাই, —মাথোঁ চকুবেহে দেখা পাব পাবে।

এখন পুবনি দেশ বা এটা পুবাণ প্রসিদ্ধ জাতিব বিষয়ে সকলো কথাকে বিস্তাবৈ লিখি এনে বিধব প্রবন্ধ এটাত প্রকাশ কবা বৰ টান কথা। বিশেষতঃ মণিপুব বাজ্য আৰু মণিপুবী লোকব বিষয়ে বিশদ ভাবে লিখিব পাবিলে এখন প্রকাণ্ড কিতাপ হৈ পবিব। আন হাতে, মু-তত্ত্ব, ভূ-তত্ত্ব আৰু সমাজ-তত্ত্ব নাজানিলে তেনে প্রবন্ধ আৰু কিতাপ লিখা টান। মই ইম্ফাল নগবত মুঠতে চাবিদিনহে আছিলোঁ। এই কম সময়ব ভিতবতে চকুকে টোকা কবি অনা কথাখিনি ইয়াত প্রকাশ কবা হ'ল।

মই প্রথমতে ২৫।৯।৩৩ তাবিখে বাতিপুৱাৰ গাবীত শিৱসাগবব পবা ডিমাপুব বুলি যাত্রা কবিলোঁ। মণিপুবত যাত্রা বা ডিমাপুবত কাব ঘবত থকা-মেলা কবিম, তাকে কাৰোকো লিখা নাই—আৰু সেই বিষয়ে ভবাও নাই। মাথোঁ 'হব মুব যাত্রা, যি কবে বিধাতা' এই নীতিকেই অন্তবত লৈ অকলে অকলে যাত্রা কবিলোঁ। বাতি চমান বজাত ডিমাপুব পালোঁ গৈ। সিদিনা বাতি একাপ চাহ-পানী খাই দোকান এখনব কাঠিতেই কোনোমতে দেহাটো পেলাই থলোঁ। বাতিপুৱা ৭ মান বজাত ॥০ অনা পইছা দি পুলিছ ষ্টেশনব পবা পাছ লৈ ইম্ফাল বুলি যাত্রা কবিলোঁ। মটব বহুত পোৱা যায়। মোব ভাবা এটাকলে। সময়ত হেনো মটবব ভাবা ॥৵০ অনা আৰু ৸০ অনাও হয়। বাটত নম্বাল স্কুলব চবিজন ছাত্রবদ্ধু আৰু তিনচুকীয়া স্কুলব শিক্ষক শ্রীযুত মিহিৰচন্দ্র ববা আৰু তাব মিউনিচিপাল বোর্ডব ক্লার্ক শ্রীযুত জীৱন চন্দ্র চেতিয়াকো লগ পাওঁ। ডিমাপুৱবপবা প্রায় ১০০ মাইল মটবত যাব লাগে। কোনোমতে গৈ ইম্ফাল নোপোৱা যেন লাগে। বেঁকা-বেঁকি বাট কাবণেই কিছুমান যাত্রীব মুব ঘুবায়, কিছুমান বেতিয়ায়। মোবো ববঁকে মুব ঘুবাই ছিল ; সেইবাবে মই কিছু ঠাই ওই গৈছিলোঁ। সেই কাবণে ডিমাপুবত একো নোখোৱাকৈ মটবত উঠা ভাল বোলে। ভোক লাগিলে বাটত মাও নামব ঠাইত খাব পাবি। আমি ১৬।৯।৩৩ তাবিখে গধুলি ৭ মান বজাত ইম্ফাল নগব পালোঁগৈ। ইমান পৰ্ব্বত-পাহাৰ, ডুবি-জান পাব হৈ গৈ এনে সুন্দৰ নগবখন সমতল ভূমিত পোৱাটো আচৰিত যেন লাগে। সিদিনা বাতি হোটেলত খাই ধৰমশালাটৈ যোৱা হল।

অকল চকুবে ওপবে ওপবে বস্তু চালেই সম্পূর্ণ শিক্ষা হব নোৱাবে, মনবেও চিন্তা কবি বস্তু চাব জানিব লাগে। ই অনুসন্ধিৎসুসকলব বাণী। ইয়াকে ভাবি ঘবব পবা যাত্রা কবাব ছদিনমান আগতে মোব সুবিধাব অর্থে মণিপুব সম্পর্কে টোকা-বহীত কেইটামান প্রশ্ন কবি লৈছিলোঁ। ইম্ফাল নগবব চাবিও ফালে থকা দৃশ্যবোব চোৱাব লগে লগে মোব প্রশ্নবোবব উত্তব আদায় কবা কামত লাগি গলোঁ। ছটামান কথা শিকিব পাবিলেও এই হেন অর্থ সঙ্কটব দিনত টকা খবচ কবাব ঢেপ উঠে,—এয়ে মনত ভাব।

ডাক্তব শ্রীযুত লৈবেণ সিংহ ডাঙবীয়া মণিপুবব লোক। যি অসমীয়াই এবাব মণিপুবলৈ গৈ ডাক্তবক লগ ধবিছে, তেৱেঁই তেওঁব মবম-চেনেহব কথা পাহবিব নোৱাবে। শ্রীযুত ডাক্তবে ভাল অসমীয়া জানে আৰু অসমীয়া মানুহক

ডাঃ শ্রীযুত লৈবেণ সিংহ

আপোন বুলি ভাবে। তেওঁব কর্ম্ম-শক্তি দেখি মই আচবিত হৈ আছিছোঁ। নিজব ঘবকৰা কাম-কাজব বাহিবেও বাজহুৱা সকলো

কামবেই পবিচালক ডাক্তব। তাবে ভিতবতে সময় উলিয়াই আকৌ নিজব লবা-ছোৱালীকো ঘবত নিজে পঢ়ায়। 'সময় নাই' কথাযাব যে ভুল, তাক তেওঁব কর্ম্ম-জীৱনবপবাই পোন্ধা যায়। বর্ত্তমানে তেওঁব বয়স ৩৯ বছব।

ডাক্তব এজন সাহিত্যিক লোক। তেওঁ এটা পুথি-ভঁবাল স্থাপন কবিছে; তাব নাম দিয়া হৈছে—"মণিপুব চিত্রাঙ্গদা পাব্লিক লাইব্রেবী"। এই পুথি-ভঁবালত বঙালী আৰু ইংবাজী কিতাপ যিমান আছে, অসমীয়া কিতাপ সিমান নাই। অতি সন্তোষব কথা যে, তাত অসমীয়া,

বঙ্গা বাহাদুবে নাও খেলিবলৈ হুকুম দিবলৈ গৈছে

বাতবি, অকণ, আৱাহন, অকণ আদি কেইখনমান অসমীয়া কাকত দেখা পালোঁ। ওৱাহাটী কটন কলেজব মুণিপুবী ছাত্রসকলব হাতে লিখা আলোচনী 'পলেম' (মাহু) আৰু ছিলেট মুবাবি চাঁদ কলেজত পঢ়া ছাত্রসকলব "মৈতৈ" (প্রৱাসী) নামব কাকত দুখন চাই সন্তোষ পালোঁ। ছাত্রসকলে আজবি সময়ত এই দবে সাহিত্য চর্চ্চা কবাটো ভাল কথা। সজ উদ্দেশ্য লৈ একনিষ্ঠাবে চলালে হাতে লিখা কাকতেই হয়তো সময়ত জগতে দেখা কাকত হৈ উঠিব পাবে। এতিয়া গোটেই মণিপুব বাজ্যতেই এটা শিক্ষাব জাগবণ হৈছে; আৰু মণিপুবী মানুহব অসমীয়াব প্রতি প্রীতি ভাবো প্রবল হব ধবিছে। প্রজাসকলব শিক্ষা আৰু উন্নতিব কাবণে মহাৰাজ বহাদুবেও অহো পুৰুষার্থ কবা বুলি শুনিলোঁ।

শ্রীযুত ডাক্তবে 'আৱাহন' কাকতখন বিশেষকৈ ভাল পায়। এদিন তেওঁ মোব আগতেই তাবে প্রৱাসী অসমীয়া ভদ্রলোক এজনক এই দবে কলে—"বন্ধুবা, আপুনি 'আৱাহন' খন লবই লাগিব, অসমীয়া হৈ অসমীয়া ভাষাব শ্রেষ্ঠ কাকত 'আৱাহন'খন নোলোৱাটো বব দুখব কথা।" ভদ্রলোক জনে লব বুলি প্রতিশ্রুতি দিলে।

ডাক্তবে 'হাকাইবোল' (জাগবণ) নামব মাহেকীয়া আলোচনী এখনব সম্পাদক আৰু 'মণিপুবী শিক্ষা' নামব কিতাপ এখনব বচক। 'মণিপুবী শিক্ষা'খন পঢ়িলে মণিপুবী ভাষা নজনা অসমীয়া মানুহে সেই ভাষা শিকিব পাবিব। 'হাকাইবোলত' ইৱাহিম ধর্ম্ম নামব এটি প্রবন্ধ ছপা হৈছে; তাব লিখক ডাক্তব নিজেই। তেওঁ প্রবন্ধটো পঢ়ি মোক বুজাই কলে। তাব সাব মর্ম্ম এই—ই=ইংবাজ, ব্রা=ব্রাহ্ম, হি=হিন্দু আৰু ম=মছলমান। অর্থাৎ যিটো ধর্ম্মক খৃষ্টিয়ান, ব্রহ্ম, হিন্দু আৰু মুছলমান ধর্ম্ম সকলো মানুহেই ধবিব পাবে, যাব ভিতবত বিশ্ব-মানবব একতা আছে, সত্য আছে, নেযে হৈছে (এই প্রবন্ধব মত অনুযায়ী) ইৱাহিম ধর্ম্ম। তেওঁব লিখা অনুসবি বুজা গ'ল যে পৃথিবীব সকলো দেশব ছাবই এই ইৱাহিম ধর্ম্মব দেহব। এনে যুক্তিপুর্ণ প্রবন্ধ খুব কমে পঢ়িবলৈ পাইছোঁ।

ডাক্তবব বিষয়ে লিখিব লগা কথা বহুত। তেওঁ মোব একেবাবে আপোন বুলি ভাবি যেনেকৈ নগব-গাঁওঁ ঘুবাই লৈ ফুবালে, তাক পাহবিব পবা টান। তেওঁবে আৰু ইম্ফাল নগবব দৃশ্যবাজিবে মনত পবিলে আকৌ তাকে যাবলৈ মন হয়। কৰ্ম্মী ডাক্তবক মণিপুবব মুখ্যোমন্ত্রি বুলিলেও অত্যুক্তি নহয়।

ইয়াত যিখিনি কথা লিখা হৈছে, প্রায় সকলো খিনিকেই তেওঁব মুখব পবা শুনা; দুর্ভাগ্যক্রমে যদি ইয়াত কিবা ভুল কথা সোমাইছে, তেন্তে তাব বাবে মইহে দায়ী। ডাক্তবব আৰু এটা গুণ আছে যে তেওঁ

নভবা-নিচিন্তাকৈ যুক্তিহীন কথা নকয়। এই কথাব প্রমাণ বহুতো পাই আহিছোঁ।

তেওঁক মই তলত লিখা প্রবন্ধ কেইটা অসমীয়া ভাষাত লিখিবলৈ অনুবোধ কবি এখন লিষ্টি দি আহিছোঁ। তেওঁ সময় মতে লিখিব বুলি সম্মতি প্রকাশ কবিছে।

১। উলুপী আৰু চিত্রাঙ্গদাব বিবৰণ।
২। বীব বভ্রু-বাহন।
৩। মণিপুবী সাকুকথা সংগ্রহ।
৪। মণিপুবী সমাজব বীতি-নীতি।
৫। মণিপুবী পুবণি গীত-পদ আৰু পুবণি পুথি-পাজি আদি সংগ্রহ।
৬। মণিপুবী শিল্প।
৭। মণিপুবব প্রাচীন কীর্ত্তি বাশি।

মণিপুব বাজ্যব সকলো প্রকাব কথাকেই বিশদ

নাও খেলিবলৈ সাজু হৈছে

বিবৰণ থকা অসমীয়া কিতাপ এখনব অতি আৱশ্যক হৈ পবিছে। শ্রীযুত ডাক্তব বা আন অসমীয়া জনা সদাশয় মণিপুবী ভদ্রলোকব দ্বাবা এই অভাব সোনকালে দুব হব বুলি আশা কবিলোঁ।

মণিপুব বাজ্যব কেইবাটাও নাম আছে বোলে। তাব ভিতবত এটা নাম হৈছে 'হিঙ্গুলি দেশ' (Hingulides)। যেতিয়া বভ্রুবাহনে পাতালব পবা সঞ্জীৱনী মণি আনি পিতাক পার্থক জীয়ায়, তেতিয়াবেপবা বা সেই মণিব নাম অনুসবিয়েই দেশব নাম মণিপুব হয়। মণিপুব নামব আৰু কিবা বেলেগ অর্থ আছে যদি কব নোৱাবোঁ। এতিয়া মণিপুবাঞ্চ ১১৪৫।

মণিপুব



নাও খেলিছে

ভাবত প্রসিদ্ধ এই মণিপুব বাজ্যত অনুসন্ধান কবি উলিয়াব লগীয়া কথা নিশ্চয় অনেক আছে। এই হেন মনোবম ঠাই ভোখব যে এসময়ত শিক্ষা আৰু সভ্যতাব উচ্চ শিখবত উঠিছিল, তাক এনেই অনুমান কবিব পাবি। ইয়াত এটা 'মণিপুব অনুসন্ধান সমিতি' স্থাপন হলে সকলো কামকে কবাত সুবিধা হব। এই বিষয়ে তাব কৃতবিদ্য লোকসকলব দৃষ্টি আকর্ষণ কবিলোঁ। নাইবা, তাত এটা 'মণিপুব অনুসন্ধান সমিতি' খুলি তাক 'কামকপ অনুসন্ধান সমিতি'ব শাখা সমিতিও কবি লব পাবি।

ই=তেজ, ফাল=পীবা বা বহা আসন=ইম্ফাল; ইয়াত 'ন'ব আগম হৈছে। ইয়াব চমু অর্থ হৈছে, যি দেশত বাজ-তন্ত্র চলে। তাকেই মণিপুবী ভাষাত ইম্ফাল বোলে। আৰু ঘবব বব ঘন বস্তিব সমষ্টিকো হেনো ইম্ফাল বোলে। ইম্ফাল অতি সুন্দব নগব। ইয়াক শ্রীযুত ভট্টাচার্য্য দেৱে 'মনোহব পুব' বোলাটো অতি উপযুক্ত হৈছে। নগবব দুই ফালে ইম্ফাল আৰু হুম্ বুল্ নামব দুখন সক নৈ আছে। গছ-গছনিবোব শৃঙ্খলা লগাই বোৱা। লোক সংখ্যা হিচাপে অসমব

ইম্ফাল

ভিতৰত এই নগৰেই প্ৰথম' নগৰত পানীৰ কল আৰু বিজুলী চাকি আছে।

নগৰৰ মাটি-কাণি ১৬ বৰ্গ মাইল মান হয়। ইয়াত বুটিছৰ ৮০০ চিপাহী থাকে। মণিপুৰত কলেজ হোৱা নাই। সেই বাবে মণিপুৰৰ দুখীয়া ছাত্ৰবিলাকে দুবৰৈ গৈ পঢ়া টান। ইয়াত কলেজ হলে মোৰ বোধেৰে তাক 'মণিপুৰ ৰক্ষৱাহন কলেজ' নাম দিলেহে নিজৰ জাতীয় বীৰৰ নামৰ লগত খাপ খাই পৰিব।

অসমৰ কোনো নগৰতেই ইম্ফালৰ সদৰ ৰজাৰৰ সমান

স্বাস্থ্যৱতী মণিপুৰী ছোৱালী

ডাঙৰ ৰজাৰ নাই। আৰু এখন ৰেলেগ ৰজাৰ হৈছে।

হাট-ৰজাৰ আদি

সদৰ ৰজাৰত নিতৌ ৮।১০ হেজাৰ মানুহ গোট খায়। অথচ তাত সিমান খেলি-মেলি বা কোঢ়াল নাই। ৰজাৰত মাইকীৰ সংখ্যা সৰহ হোৱা বাবেই বোধহয় তেনেকুৱা; কাৰণ বই-বস্তু শুঋলা লগাই থোৱাটো তেওঁলোকৰ স্বভাৰ আৰু পুকুৰৰ মাততকৈ তেওঁলোকৰ মাত কোমল। ৰজাৰত বস্তু সৰহ কিন্তু সিমান পইছা নাই। বেলি মাৰ যোৱালৈ পিছত যেতিয়া সকলোৱে তেলাল কাঠকে (সম্ভৱ ধুপ কাঠ) চাকিৰ পৰিবৰ্ত্তে লগাব, তেতিয়া ৰজাৰৰ দৃশ্য অতি সুন্দৰ হৈ পৰে। তাত ৪৮ সেৰ চাউলে এমোণ হয় (আন ৰ নহয়)। তাৰ মাইকীয়ে আগলি গ্ৰহণ নকৰে। মই ১৯ অনাৰে এখন লেপ কিনিছিলোঁ। সেই পইছাৰ ভিতৰত ভাল আগলি এটাও আছিল। মাইকীজনীয়ে তাক নগ মই আন পইছা দিবলৈ বাধ্য হলোঁ। তাত পাইৰ চলি বেছি। মই২ পাইবে এডাল মস্ত ভৰালী কুঁহিয়া খাইছিলোঁ। মণিপুৰত সিমান পইছা নহলেও থোৱা লোৱা বস্তু যথেষ্ট বকমে পোৱা যায়। মাছ সিমান নাই, ৰজাৰখনত দিহকে বিভৰা যায়, তাকেই কোনো এ নিৰ্দ্দিষ্ট ভাগত পোৱা যায়। বেছি ভাগ বস্তুৱেই মণিপুৰী তৈয়াৰ হোৱা। মণিপুৰী ভাষা নাজানিলে ৰজাৰত ব কিনা বৰ মস্কিল, মুখলৈ ভেৰা লাগি চাই থাকিব লাগে। "বাবু-ভায়া" দেখিলে মাইকীবিলাকে বস্তুৰ দাম বৰ বেছি কৰে।

মণিপুৰীয়া বাইজৰ পেটৰ ভাত মুঠিৰ অভাৱ নাই। এইবিলাক কাৰণেই হব পায় তেওঁলোক সদায় প্ৰফুল্ল মনেবে থাকে; প্ৰফুল্লতাই মণিপুৰীয়া ভাই-সকলক প্ৰা বুলিব লাগে।

তাত মাটিৰ খাজনা কম আৰু গৰুব-গাৰীবিলাক টেকছ নাই। বস্তু অনা নিয়া কৰিবৰ কাৰণে তাত বে জাহাজ আদি একো নাই। তেনে কৃষি প্ৰধান মণিপুৰত গৰুব গাৰীত টেকছ নলগোৱাটো অতি সুবিবেচনাৰ কা ছেছ। বিলাসিতাৰ সামগ্ৰী বুলিয়েই হব পায়, নগৰ ভিতৰত বছৰত প্ৰতিখন চাইকেলৰ বাবে ১৷৷ অনাৰে টেকছ দিব লাগে।

নগৰ বা ৰাজ্যৰ কেউফালে সেউজীয়া, নীলা মনোম দৃশ্য। পৰ্ব্বতৰ কোনো কোনো ঠাইত ক'লা বণা ডাৱৰ লুকা-ভাকু খেলা সদায় বিবাজে। নগৰৰ ওচৰতে পৰ্ব্বত সৰু সৰু টিলা আছে। তাত উঠি অগ্নি কোণটৈ চাই মুকলি বহল পথাৰ দেখা যায়। অসম উপত্যকাত বোধহ এনে ডাঙৰ পথাৰ আৰু ক'তো নাই।

এইবিলিতে এটা মন কৰিব লগীয়া কথা আছে পৰ্ব্বতীয়া বা পৰ্ব্বতৰ ওচৰে-পাজৰে থকা মানুহবিলাক

চকুৰ বেমাৰ খুব কম হোৱা দেখা যায়। তেওঁলোকৰ দৃষ্টি-শক্তি প্ৰায় বেয়া নহয়। তাৰ কাৰণ বোধহয়, তেওঁলোকে সদায় সেউজীয়া, নীলা আদি প্ৰকৃতিৰ দান দৃশ্যবাশি দেখি থকাটোৱেই হয়। প্ৰকৃতিৰ বিপকে চলিলেই মানুহৰ পদে পদে বিপদ।

মণিপুৰী মতাতকৈ মাইকীবিলাক বেছি পৰিশ্ৰমী। ঘৰখন ভালকৈ চলিবৰ কাৰণে মাইকীবিলাকে অহো পুৰুষাৰ্থ কৰে। বন্ধা-বঢ়া কৰা, কাপোৰ বোৱাকে আদি কৰি বজাৰ কৰালৈকে সকলো কামকে মাইকীয়ে কৰে।

অসমীয়া বন্ধু ডাক্তৰ শ্ৰীযুত লৈৱেন সিংহ

মাইকীবিলাকৰ ভিতৰত পৰিশ্ৰমৰ এনে মৰ্য্যদা দেখি ভাল লাগে। আগেয়ে মাইকীবিলাকৰ ভিতৰত নাচ-গানৰ প্ৰাদুৰ্ভাৱ বৰ বেছি আছিল, এতিয়া কিছু কমিছে। সকলো মাইকীয়ে শিক্ষাধন পথবা।

মানুহৰ কথা

মণিপুৰৰ লৰা-ডেকা-বুঢ়া সকলোৱে গা-পা ধুই উঠি চন্দনৰ ফোট লয়, তাৰ পিছতহে আহাৰ কৰে। তেওঁলোকে 'দেহাই বেহা' বুলি ভাবি নিজৰ শৰীৰটো ভালকৈ বাখিবলৈ সদায় চেষ্টা কৰে গাওঁৰ বয়সীয়া মানুহৰ পিন্ধন-উৰণ, চলন-ফুৰণ আদি অসমৰ ইয়াৰ গাওঁৰ মানুহৰ লগত খুব মিলে।

আমাৰ ইয়াৰ বয়স ধৰে সন্তান ভূমিষ্ঠ হবৰ দিনৰ পৰা, কিন্তু তেওঁলোকে বয়স ধৰে, সন্তান গৰ্ভস্থ হবৰ দিনৰ পৰা। সেইমতে তিনি বছৰ বা তাতকৈ অধিক বয়স হৈ মৰা সকলোকে তেওঁলোকে দস্তৰ মতে খৰি দিয়ে।

এদিন মই ডাক্তৰৰ লগত গাওঁ ফুৰিবলৈ গৈছিলোঁ। সঁচা কথা কবলৈ হলে, মই সেই চাবি দিন যেন তেওঁক চিনা জোকে ধৰা দিহে ধৰিছিলোঁ। চুহো কেৱল ঘুৰি ছোহে ঘুৰিছোঁ। আমাৰ ইয়াৰ গাওঁৰ তুলনাত তাৰ মই দেখি অহা গাওঁ ভাল যেন লাগে। তাত টিন পাতৰ ঘৰ খুব কম। বেছিভাগ মানুহৰ ঘৰৰ নমুথতেই একোটা চাফ চিকোণ নাম-ঘৰ, তাৰ ওচৰতে একো জোপা তুলসী। প্ৰায়বোৰ মানুহবেই ঘৰৰ কম্পাউণ্ডটোত বেৰ দিয়া; কিছুমানে আকৌ সেই বেৰৰ ওচৰতে এনে বিধৰ সক ঘৰ কৰি দিছে। তেনেকৈ দিয়া বাবে কম্পাউণ্ডটো দেখিবলৈ ধুনীয়া হৈ পৰে। ঘৰবিলাকৰ দুৱাৰ মুখৰ ফালে কৰা।

ডাক্তৰৰ লগত এজন ভদ্ৰলোকৰ ঘৰলৈ গৈছিলোঁ। তেতিয়া তেখেতৰ বেমাৰ। ঘৰৰ গৰাকীয়ে মোক বৰ আদৰ কৰি বহুৱাই তামোল-চালি খুৱালে। দুখৰ বিষয় তেওঁলোকৰ কথাও মই নুবুজোঁ, আৰু মোৰ কথাও তেওঁলোকে নুবুজে। মাজে সময়ে ডাক্তৰে সকলো কথাকে বুঝাই কৈ মোক বিপদবপৰা ৰক্ষা কৰিছিল।

"ঘৰাৰ ঘৰত তৰাৰ গাঁথি, বৰা থাকিব কেই ৰাতি?" —মণিপুৰী বাইজে থকা-খোৱা সম্পৰ্কে এই কথাষাৰ মানি চলিবলৈ বৰ টান পায়; তাত ফুৰি মোৰ এহেই ধাৰণা হ'ল। কোনো এঠাইত ছদিনমান থাকিব লগীয়া হলেও তেওঁলোকে ভালদৰে থাকে। মানুহৰ জীৱনত ছদিন কিয়, এক মুহূর্ত্তৰ মূল্যও কম নহয়। এক মুহূর্ত্তৰ ভিতৰতে জীৱনৰ গতিৰ ভীষণ পৰিবৰ্ত্তন হব পাৰে। এনে উদাহৰণ পৃথিবীৰ বুৰঞ্জীৰ পাততে বহুত আছে।

আগৰ দিনত তাৰ মতাবিলাকে যুদ্ধৰ কামত ববকৈ লিপ্ত থাকিব লগীয়া হৈছিল। কোনে কেতিয়া ক'লৈ যুদ্ধ

কৰিবলৈ যাব লগীয়া হয়, তাৰ একো ঠিকনা নাছিল সেইবাবে যৱৰ সকলো কাম-কাজ মাইকীয়ে কৰিব লগীয়া হৈছিল। সেই বাবেই হেনো তাৰ মাইকীবিলাক বেছি কৰ্ম্ম দক্ষ আৰু মুকলিমুৰীয়া। মণিপুৰত মতাতকৈ মাইকী ১০৮৫০ বেছি।

ৰবপেটা নগৰৰ উত্তৰে মৰা নৈ। এতিয়া সি বোৱতী নৈ হৈ পৰিছে। বাৰিষা হলে নৈখন পানীৰে ভৰি পৰে। সেই নৈত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ

নাওৰ খেল প্ৰভুৰ কীৰ্ত্তনত খুব ভাল নাওৰ খেল হয়। কেউফালে মানুহ আৰু মাজতে চিত্ৰ-বিচিত্ৰ খেল-নাও থকা দৃশ্যটো চাব লগীয়া। অসম উপত্যকাৰ কোনো ঠাইতে এনে খেল নহয়।

মণিপুৰতো দুর্গাপূজাৰ সময়ত খুব ভাল নাওৰ খেল হয়। তালৈ যে কিমান মানুহৰ সমাগম হয়, তাক ইয়াত দিয়া হবিৰ পৰাই বুজিব পাবি। নাওবোৰ বৰ দীঘল, কিন্তু ঠেক। বঙ্গা বাহাদুৰেও হাতীবে এই খেল চাবলৈ আছে।

পৃথিবীৰ প্ৰায় সকলো সভ্য দেশতে প'লো খেল চলে। এই খেল পোন প্ৰথমে আমাৰ মণিপুৰতেই ওলায় হেনো।

দিগিজয়ী পাৰ্থ বীৰৰ যজ্ঞৰ ঘোৰাটো তেওঁৰ পুতেক বভ্ৰুবাহনে ধ'ত বান্ধিছিল, সেই ঠাই ডোখৰৰ নাম ছগল-

ছগল-বুন্দ বুন্দ। মণিপুৰী ভাষাত 'ছগল' মানে ঘোৰা। সদৰ বজাৰৰ পৰা অলপমান গলেই এই সুপ্ৰসিদ্ধ ঠাই ডোখৰ পোৱা যায়। পুতেকে সংগ্ৰাহ্য আৰু শক্তিৰে প্ৰকৃত পিতৃ-পূজা কৰা নিদৰ্শন ভূমি এই ছগল-বুন্দ। অৰ্জ্জুনে প্ৰথমতে গৈ যি পুষুৰীত গা ধুইছিল, তাৰ নাম মুং জেং। তাত মানুহে দেৱতা থকা বুলি ভাবে। বভ্ৰুবাহনে পিতাকক জীয়াবৰ কাৰণে,—সঞ্জীৱনী মণি আনিবলৈ পাতাললৈ ঘোৱা বাটৰ মুখত এতিয়া এডোখৰ শিল দিয়া আছে। এই শিল ডোখৰ পুৰণি বাজ-ভৱনৰ ওচৰত।

লক্ টাক্ হ্ৰদ ইম্ফাল নগৰৰপৰা ২৮ মাইল দক্ষিণ-পুৱে। হ্ৰদৰ চাবিওফালে পৰ্ব্বত-শ্ৰেণী। তাত চিকাৰ কৰাৰ ভাল সুবিধা আছে। মণিপুৰী ভাষাত লক্ টাক্ হ্ৰদ 'লক্' মানে জুবি বা জান আৰু টাক্ মানে 'শেষ'; য'ত সকলোবিলাক জুবিয়েই গৈ মিলিছে, তাকে লক্ টাক বোলে। হ্ৰদৰ মাজতো মানুহৰ বসতি আছে। এই হ্ৰদ চাবলৈ গলে বাটত 'মৈবাণ' নামৰ এডোখৰ ঠাই পোৱা যায়। অসম উপত্যকাৰ 'মৰাণ' সকলৰ লগত এই 'মৈবাণ' নামৰ ঐতিহাসিক সম্পৰ্ক থকা বুলি শুনা যায়। লক্ টাক্ হ্ৰদৰ ওচৰৰ কোনো এজন মানুহৰ ঘৰত বোলে এহেজাৰ বছৰৰো আগৰ পুৰণি পুথি এখন আছে। এসময়ত কিছুমান পুৰণি পুথি কোনো পছিমীয়া লোক এজনে নষ্ট কৰি পেলোৱা বুলি শুনিবলৈ পালোঁ। মণিপুৰত আগেয়ে সংস্কৃতৰ খুব ভাল চৰ্চ্চা হোৱা অনুমান হয়।

মণিপুৰত খুব ভাল ধান খেতি হয়। তাৰ চাউলৰ ভাৰতৰ সকলো ঠাইতে আদৰ আছে। এবাৰ যোৰহাট

অঞ্চলত আকাল হোৱাত মণিপুৰৰ সদাশয় খেতি আদি মহামান্য বঙ্গা বাহাদুৰে বাঙ্গ্যৰপৰা বহুত চাউল দি অসমীয়া প্ৰজাক সহায় কৰিছিল।

তাৰ মাটিৰ সাৰ বৰ বেছি। ইয়াৰ এটা কাৰণ আছে। গোটেই মণিপুৰ বাঙ্গ্যখন পৰ্ব্বতেৰে ঘেৰা। পৰ্ব্বতত বৰষুণ পৰিলে তাত থকা সাৰ-জাৰবোৰ বৰষুণৰ পানীৰে উটাই আনি উপত্যকাত জমা কৰি থয়। তাত বাৰিষেৰ তাৰ মাটিত তেনৰ ভাগ বেছি আছে হেনো। সেই বাবেই তাৰ খেতি ভাল আৰু চাউলবিলাকো চাই থাকে চাই থাকে কৰে।

তাৰ গৰু-ছাগলীবিলাকো ডাঙৰ আৰু সুশ্ৰী। তাৰ কাৰণ, তাৰ হাৱা পানী ভাল আৰু ঘাঁহত তেনৰ ভাগ বেছি। এই খিনিতে মণিপুৰৰ উঠি অহা ডেকা বা সকলৰ ওচৰত এটি নিবেদন জনালোঁ। তাত (গৰু, মহ, গাহৰি, ছাগলী,) হাঁহ, পাৰ, কুকুৰা আৰু আন আন বিবিধ চৰাইৰ এখন "প'লট্রী ফার্ম্ম" খুলি ভাৰতৰ (শেহত গোটেই পৃথিবীৰ) আন আন প্ৰদেশৰ লগত ব্যৱসায়ৰ সম্পৰ্ক ৰাখিলে খুব ভাল হব। বীৰ বভ্ৰুবাহনৰ বংশধৰ মণিপুৰী ভাইসকলে মন কৰিলে এনেবোৰ কামত হাত দি নিশ্চয় অজস্ৰ ধন ঘটিব পাৰিব।

আৰু সুখ্যাতিও লাভ কৰিব পাৰিব। মণিপুৰৰ উন্নতি হোৱা মানেই অসমৰ এটা অংশৰ উন্নতি হোৱা। অসম উপত্যকাৰ ওই থকা অসমীয়াসকলক মণিপুৰী ভাইসকলে এইদৰে জগাই দিব নোৱাৰিব নে?

মই ১৩ী অক্টোবৰ তাৰিখে ডাক্তৰবপৰা বিদায় লৈ কহিমা বুলি যাত্ৰা কৰিলোঁ। বাটতে মাওত শ্ৰদ্ধেয়

শেষ-কথা শ্ৰীযুত নীলমণি ফুকন, বি-এ আৰু মোৰ স্নেহাস্পদ উত্তোগী বন্ধু শ্ৰীযুত মাধৱচন্দ্ৰ বেজবৰুৱা দেৱক লগ পালোঁ। এই সময়ত শ্ৰীযুত ফুকন ডাঙৰীয়াৰ মণিপুৰ আৰু মণিপুৰীয়া ভাইসকলৰ প্ৰতি বিশেষ দৃষ্টি পৰাটো আতি সন্তোষৰ কথা হৈছে। সিদিনা আহি কহিমা প্ৰত্নাসী শ্ৰীযুত আনন্দৰাম বেজবৰুৱা দেৱৰ ঘৰত আশ্ৰয় হলোঁহি। বেজবৰুৱা দেৱে অতি কষ্টেৰে নিজে বান্ধি-বাঢ়ি খুৱাইছিল। মৰমৰ শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা দেৱে মোক কহিমাৰ চাবলগীয়া ঠাইবোৰ দেখুৱাই ফুৰিছিল। কহিমাও অতি মনোৰম ঠাই; কেউ ফালে চকু বোৱা দৃশ্যৰাশি।

ইম্ফালত শ্ৰীযুত বলীৱাম দাস ডাঙৰীয়াৰ ঘৰত খোৱা-লোৱা কৰিছিলোঁ। তেখেতৰ আতিথ্য পৰায়ণতাত মই পৰম সন্তোষিত হৈ আছিছোঁ।

কহিমাৰ পৰা ২ অক্টোবৰ তাৰিখে আহি সিদিনা ৰাতি প্ৰায় ১২ বজাত যোৰহাট পাওঁ। যোৰহাট সন্মিল স্কুলখন মোৰ মনত কাশী-তীৰ্থ সদৃশ। তাত বৰ্ত্তমানে পঢ়া ছাত্ৰ বন্ধুসকলৰ লগত দুবাতি বৰ আনন্দেৰে কটালোঁ। শেহত মই ৩।১০।৩৩ তাৰিখে ৰাতিপুৱা শিৱসাগৰ দীঘৌ নৈৰ পাৰত থকা পঁজা পাওঁহি। এয়ে মোৰ পুঞ্জাৰ ভ্ৰমণৰ চমু ডাযেৰি।

ইয়াত প্ৰকাশ কৰা নাও খেলৰ ছবি দুখন শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা দেৱে আনি দিছে আৰু আন তিনি খন ছবি ইম্ফালৰ শ্ৰীযুত যোগেশ্বৰ সিংহ দেৱে দিছে। ইম্ফাল নগৰৰ আধুনাতিক মেপখন ডাক্তৰে বৰ লৰালৰিকৈ আঁকি দিছিল; তাকে মোৰ সহপাঠী বন্ধু শ্ৰীযুত গহীনচন্দ্ৰ দাস দেৱে ভালকৈ আঁকি দিছে। এই সামান্য ভ্ৰমণত মই যি সকলৰ পৰা সহায় সহানুভূতি পাইছোঁ, সেই সকলো লৈকে মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। (ক)

(ক) শিৱসাগৰ নগৰৰ পৰা ৩ মাইল মান দক্ষিণে হাঁহচৰা গাঁৱৰ ওচৰত ৩০ ধনমান মণিপুৰীয়া মানুহ আছে। মোৰা ২৯।১।৩৩ তাৰিখে দেওধাৰে মোৰ ছাত্ৰ শ্ৰীমান সকলগঁৰে আৰু শ্ৰীমান নিৰ্ম্মলচন্দ্ৰ গগৈৰ লগত লৈ তাৰ শ্ৰীযুত লালা ঠাকুৰ দেৱৰ ঘৰত উপস্থিত হলোঁগৈ। তেওঁৰ লগত মই আধা ঘণ্টা মান সময় কথা হলোঁ। তেওঁলোক ইয়াতে উটা আহিবৰ ১৭।১৮ বছৰমান হ'ল। তাৰ সকলো মানুহে অসমীয়া কব পাৰে আৰু লৰা-ছোৱালীবিলাকেও সুন্দৰ অসমীয়া পঢ়ে। কিন্তু বিয়া-বাৰু মণিপুৰীয়াৰ ভিতৰতহে চলায়। অসমীয়াৰ লগত "ইণ্টাৰ মেৰেজ্" চলোৱাৰ কথা শোধাত তেওঁ এই দুটা কাৰণ দেখুৱাই আপত্তি কৰিলে—

(১) কিছুমান অসমীয়াৰ মাজত লাও পানী চলে।

(২) কিছুমান অসমীয়া মানুহে ককায়েক টুকালে বাৰী বৌৰেকক স্ত্ৰী ৰখলে গ্ৰহণ কৰে।

ওপৰৰ কথা দুটাত মই সম্মতি প্ৰকাশ কৰা নাছিলোঁ। যদিও, ঠাকুৰৰ লগত কথা হৈ সন্তোষ পাই আহিছোঁ। মানুহ জন সদাশয়ী। সমাজত দুশিক্ষা প্ৰচাৰ হলে এনে সকলো প্ৰকাৰৰ ভেদ-ভাবেই নাইকিয়া হব বুলি বিশ্বাস।

মহিলা জগত

মিচৰ প্ৰথম আইনব্যৱসায়ী মহিলা

মিচৰ তিনগৰাকী মহিলা গ্ৰেজুয়েট

সম্পাদকীয়

অসমৰ লগত আন্তৰ্প্ৰাদেশিক বৈবাহিক সম্বন্ধ

কোনো সমাজ বা দেশৰ লগত আন কোনো সমাজ বা দেশৰ সম্বন্ধ স্থাপনৰ মিমানবিলাক উপায় আছে তাৰ ভিতৰত বৈবাহিক সম্বন্ধই সকলোতেকৈ শ্ৰেষ্ঠ আৰু স্থায়ী। ভাৰতৰ প্ৰদেশবিলাকৰ মাজত এনে বৈবাহিক সম্বন্ধই প্ৰীতিৰ ভাব দৃঢ় কৰি ভাৰতীয় মহাজাতিক সৱল কৰি তুলিব পাৰে।

ৰ আনন্দৰ কথা যে অসমীয়া জাতিৰ বৈবাহিক সম্বন্ধ ওচৰৰ বঙ্গ দেশৰ লগতে সীমাবদ্ধ নাথাকি দূৰৰ নেপাল, মাদ্ৰাজ, পাঞ্জাব আদি ঠাইলৈকে বিয়পি পৰিছে। লক্ষীপুৰৰ (মেচপাড়া) অন্যতম জমীদাৰ শ্ৰীযুত প্ৰভাত চন্দ্ৰ চৌধুৰী ডাঙৰীয়াই নেপালৰ প্ৰধান মন্ত্ৰীৰ ভায়েক (Cousin) ৺ৰাণা অম্বৰ জং বাহাদুৰৰ জীয়েকক বিয়া কৰাই পোন প্ৰথমতে নেপালৰ লগত অসমৰ বৈবাহিক যোগসূত্ৰ স্থাপন কৰে। তাৰ পিছত লক্ষীপুৰৰে আন এগৰাকী জমীদাৰ ৺ জিতেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ লগত নেপালৰ আন এগৰাকী ৰাণাৰ ছোৱালীৰ বিয়া হয়। আকৌ'মোৱা ২৭ নবেম্বৰ তাৰিখে ৺ ৰাজেন্দ্ৰ নাৰায়ণ চৌধুৰী বাৰ-এট-ল ডাঙৰীয়াৰ পুত্ৰ শ্ৰীমান সৌৰীন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে নেপালৰ মহামান্য প্ৰধান মন্ত্ৰী মহাৰাজা যুদ্ধ সমশেৰ জং ৰাণা বাহাদুৰৰ কন্যা শ্ৰীমতী মেঘ ৰাজ কুমাৰীৰ পাণিগ্ৰহণ কৰি ভাৰতৰ একমাত্ৰ স্বাধীন হিন্দুৰাজ্য নেপালৰ লগত অসমৰ মিলন বন্ধন আৰু দৃঢ় কৰি তুলিছে। আৰু স্বাধীন দেশৰ সৰ্ব্বময় কৰ্ত্তা এগৰাকীৰ কন্যা এজনীৰ বিয়া অসমীয়া জমীদাৰ এঘৰৰ লগত হোৱা এয়ে প্ৰথম। আমি এই দম্পতিৰ সুখ-সম্ভোগ কামনা কৰিছোঁ।

ঢিলীৰ বন্যা অভয় নাৰায়ণ দেৱ বাহাদুৰৰ ১ম পুত্ৰ কুমাৰ শ্ৰীযুত অজিত নাৰায়ণ দেৱৰ বিয়া মাদ্ৰাজৰ পিঠাপুৰমৰ মহাৰাজাৰ প্ৰথম কন্যাৰ লগত হৈ মাদ্ৰাজৰ লগতো অসমৰ বৈবাহিক সম্বন্ধ প্ৰথমে স্থাপিত হ'ল।

লক্ষীপুৰৰ ৺নবেন্দ্ৰ নাৰায়ণ চৌধুৰী ডাঙৰীয়াৰ জীয়েকৰ বিয়া পাঞ্জাবৰ ৰাউৱালপিণ্ডি জিলাৰ শ্ৰীযুত বিক্ৰমজিৎ কাপুৰৰ লগত হৈছে। শিৱসাগৰৰ শ্ৰীযুত ৰমাকান্ত ৰৰকাকতী ডাঙৰীয়াৰ সুমলীয়া কন্যা শ্ৰীমতী সুখলতা ছৱৰা এম-এ ৰ বিয়া দিল্লীৰ ডাক্তৰ এগৰাকীৰ লগত হৈছে। আকৌ ষোৱা ২ ডিচেম্বৰ তাৰিখে মতিজন চাহ বাগিছাৰ মিঃ তফজুল হোচেন হাজৰিকাৰ ছোৱালী ছামছুন্নিচাৰ বিয়া লাহোৰৰ মিঃ মহম্মদ হাদি হুচেন এম-এ, আই-চি-এচৰ লগত সমাধা হোৱাত সেই বিয়াই পাঞ্জাবত পৰা অসমীয়া ছোৱালীৰ ৩য় বিয়া হ'ল।

এনেবিলাক আন্তৰ্প্ৰাদেশিক বৈবাহিক সম্বন্ধ স্থাপিত হোৱা বাবে আমি ৰং পাইছোঁ। অৱশ্যে ইয়াৰ আগেয়েও বঙ্গদেশৰ লগত আন্তৰ্প্ৰাদেশিক আৰু যুৰোপৰ লগতো আন্তৰ্জাতিক বিবাহ বহুত হৈ গৈছে। কিন্তু দুখৰ বিষয় সিবিলাক বিয়াৰ বহুক্ষেত্ৰতে আমাৰ অসমীয়া সভ্যতাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন নহৈ আন সভ্যতাৰ বুকত অসমীয়া সভ্যতা ক্ষীণ যোৱাহে দেখা গৈছে।

অসমীয়া জাতিৰ সভ্যতাৰ গৌৰৱ ভাৰতৰ আন কোনো প্ৰদেশৰ নাইবা আন পাশ্চাত্য জাতিৰ কোনো সভ্যতাৰ তুলিতকৈ হীন নহয় ৰবং চৰাহে—বৰ্ত্তমানে যদিও পাশ্চাত্য শিক্ষাত অসমে ৰৰ ওখ ঠাই অধিকাৰ কৰিবলৈ সুচল পোৱা নাই। তেনে অৱস্থাত অসমীয়া সভ্যতাৰ উজ্জ্বল কিৰণ আন সভ্যতাৰ সংস্ৰৱত হীন প্ৰভ নহৈ উজ্জ্বলতৰহে হোৱা দেখিবলৈ আমি আশা কৰোঁ।

অসমত কুঁহিয়াব-খেতি আৰু অসমীয়া ব্যৱসায়

আজি ভাৰতৰ আন আন প্ৰদেশত কিছুমান চেনিৰ কাৰখানা স্থাপিত হোৱাত সেইবিলাক প্ৰদেশত নতুন উৎসাহেৰে কুঁহিয়াৰ খেতি কৰিবলৈ ধৰা দেখা গৈছে। আন সাধাৰণ খেতিতকৈ কুঁহিয়াৰ খেতিৰ লাভ বহু বেছি। তাতে আকৌ কুঁহিয়াৰ পেৰি ৰস উলিয়াই পণাই গুৰ কৰা যি কামটো ইমান দিনে বহু সহজ নাছিল সেইটো এই চেনিৰ কাৰখানাবিলাক স্থাপিত হবলে পৰা বহুখিনি সহজ হৈ পৰিছে আৰু কুঁহিয়াৰ খেতিৰ পৰা লাভো আগতকৈও বহুত বাঢ়িছে। সেই দেখি ভাৰতৰ আন আন প্ৰদেশ বিলাকৰ প্ৰায় বহু ঠাইতে কুঁহিয়াৰ খেতি বাঢ়ি গৈছে—লগতে দেশত দেশী চেনিলৈ মানুহৰ হাবিয়াস হৈছে।

অসমৰ মাটিও কুঁহিয়াৰ খেতিৰ বৰ উপযোগী। কুঁহিয়াৰৰ আৱশ্যকীয় সকলো উপাদান অসমৰ মাটিত আছে বুলি বিশেষজ্ঞ সকলৰ পৰা জনা গৈছে—বৰং অসমৰ জলবায়ু আনপ্ৰদেশতকৈ কুঁহিয়াৰৰ পক্ষে বেছি উপযোগী হে বোলে। তাতে আকৌ দেশী চেনিলৈ মানুহে আগ্ৰহ আছে। তেনে অৱস্থাতো অসমীয়া মানুহৰ কুঁহিয়াৰ ব্যৱসায়লৈ আগ নবঢ়াৰ কাৰণ অসমীয়া মানুহৰ ব্যৱসায়-বুদ্ধিৰ অভাৱ বুলি ধাৰৱ পাৰি। এনেই অসম ব্যৱসায়ৰ বিষয়ত পাছ পৰা, তাতে আকৌ কিবা ব্যৱসায় আমাৰ মানুহে কৰিলেও সি সেই গতানুগতিক ভাবৰ হে—আমাৰ দেশত আন দেশীয় মানুহে কিবা ব্যৱসায় কৰি ধন ঘটি শেষ কৰিলেহে আমাৰ দেশৰ মানুহৰ তালৈ চকু পৰে। আজি অসমীয়া মানুহৰ ব্যৱসায় বুলিবলৈ কিবা যদি আছে তেনেহলে এক চাহে। আৰু তাতো বা কেইজন অসমীয়া! যি কেইজনে এই ব্যৱসায়লৈ আগবাঢ়িছিল সেই কেইজনবো সৰহভাগেই একেবাৰে শেষ অৱস্থাত গৈ যোগ দিয়া। কিন্তু দুৰ্ভাগ্যবশতঃ চাহৰ বজাৰ পৰি যোৱাত নতুন ব্যৱসায়ীয়ে এতিয়া আৰু এই ব্যৱসায়লৈ আগবঢ়া দূৰৰ কথা আগৰ সেই সকলৰ ভিতৰতে বহুতৰ অৱস্থা তলমল।

কাৰবাৰৰ মোল পোন্ধা যুবোপীয় নাইবা আন দেশী নালাগে ভাৰতৰে আন প্ৰদেশৰ কাৰবাৰী সকলেও কিন্তু সময়ৰ শৰ সময়তে মাৰি দোপত দোপে কাৰবাৰৰ উন্নতি কৰিব লাগিছে। ভাৰতত দেশী বস্তুলৈ আগ্ৰহ বৃদ্ধি পোন্ধাৰ সুযোগ আন সকলো প্ৰদেশে লৱলৈ চেষ্টা কৰিছে—নাই কেৱল আমাৰ দেশত তেনে চেষ্টা একো। স্বদেশী ভাৱৰ সুফল পাই আন প্ৰদেশত বহুত কল কাৰখানা, বহুত ব্যৱসায়-বাণিজ্য মুৰ দাণ্ডি উঠিল। ব্যৱসায় বৃদ্ধি অভাৱত আমাৰ দেশত এই মহাসুযোগ অপলে যাবলৈ ওলাইছে। এতিয়াও চেষ্টা কৰিলে এই সময়তে আৰু কিবা হক নহক কুঁহিয়াৰৰ ব্যৱসায় ধৰি অসমীয়া মানুহে ধন ঘটিবৰ ডাঙৰ সম্ভাৱনা আছে।

অসমত চেনি শিল্প

অসমৰ কুঁহিয়াৰ খেতিৰ কথা ওপৰত আলোচনা কৰা হৈছে। এই কুঁহিয়াৰ খেতি আমাৰ দেশত যি অৱস্থা আছে তাক কেৱল খেতিয়ক সকলেহে আৰু বহু ক্ষেত্ৰত নিজ নিজ ব্যৱহাৰৰ নিমিত্তেহে কৰি আহিছে—বিক্ৰী ব্যৱসায়ৰ উদ্দেশ্যত তাক কৰা নহয়। কিন্তু বৰ্ত্তমান সময়ত অকল খেতিক সকলৰ ওপৰতে নিৰ্ভৰ নকৰি ব্যৱসায় হিচাবে আৰু লাভজনক ব্যৱসায় হিচাবেই কুঁহিয়াৰ খেতি কৰি চেনি কাৰখানা বহুতাবলৈ অসমীয়া ব্যৱসায়ী সকলে আগবঢ়া উচিত। ব্যৱসায় কৰিবলৈ যি সকল অসমীয়া ইচ্ছুক সেই সকলে অকল চাহৰ কথাকে ভাবি নাথাকি এতিয়া এনেবিলাক কাৰবাৰলৈকেও মন যোৱা উচিত। চেনি কাৰখানা স্থাপন কৰি অসমীয়া খেতিয়ক বিছুমানকো সুবিধা দিব পৰা সম্ভৱ হব।

১৯৩১চনত অসমৰ বাহিৰে আন আন ঠাইত ১১টা চেনিৰ কাৰখানা আছিল। তাৰ পিছত ১৯৩২চনত ভাৰতৰ চেনি শিল্প সংক্ৰান্তীয় বিল পাছ হোৱাত বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষা পাই সেই বছৰতে চেনি কাৰখানা বাঢ়ি গৈ ১৬৯টি হ'ল। ভাৰতত চেনি কাৰখানা ইমান বঢ়াৰ কাৰণ, সম্প্ৰতি এই চেনিৰ কাৰবাৰত বহুত লাভ জনক দেখা গৈছে। কলিকতাত জাভা চেনি

মোন ১৷৷—১৷৷৷৵ লৈকে। তাৰ ভিতৰত চেনি শিল্প সংৰক্ষণী বিল অনুসাৰে এই চেনিৰ বাবে আমদানী শুল্ককে দিব লাগে ৶৷৷৵০ আনা। বাকী যি ৪৲ টকা থাকিল তাৰ পৰাও জাভাৰ পৰা ভাৰতলৈ আনা খৰচ আৰু লাভৰ অংশ বাদ দিলে প্ৰতিমোণত ৪ টকাতকৈ কম হে দাম হয়। ভাৰতীয় কাৰখানা বিলাকৰ ভাল চেনিও প্ৰায় জাভা চেনিৰ সমান দামতে বিক্ৰি হয়। গতিকে চেনিৰ ব্যৱসায় কিমান লাভজনক সেইটো সহজে বুজিব পাৰি।

অৱশ্যে এনে কাৰখানা পাতিবলৈ বহু টকাৰ আৱশ্যক। এজনৰ ধাৰা নহলে দুটাইটকৈ হলেও এই লাভজনক ব্যৱসায়লৈ অসমীয়া ব্যৱসায়ী আগবাঢ়িব লাগে। নহলে বিদেশী আহি আমাৰ দেশত এই কাৰবাৰ চলাব। কাৰণ অসমলৈ প্ৰতি বছৰত প্ৰায় এক কোটিকৈ টকাৰ চেনি আমদানী হয়। আকৌ অসমত যি কুঁহিয়াৰ খেতি হয় আৰু তাৰপৰা যি গুৰ হয় তাৰে আমাৰ দেশৰ গুৰৰ অভাৱৰে দূৰ নহয়—আকৌ বহুখিনি টকাৰ গুৰ আমাৰ দেশলৈ আছে।

এই কথালৈ মন কৰিলে অসমত চেনিৰ কাৰখানা স্থাপন কৰিবলৈ উপযুক্ত সময়ৰ সুবিধা আমাৰ অসমীয়া মানুহে লৱলৈ আগবাঢ়িব বুলি আশা কৰিব পাৰি।

অসমীয়া চাহ ব্যৱসায়ী আৰু 'ইণ্ডিয়ান টি কনট্ৰোল বিল'

বৰ্ত্তমান পৃথিবী জুৰি বাণিজ্যৰ অৱসাদ। এনে দিনতো চাহৰ খেতি ক্ৰমাৎ বাঢ়ি গৈ চাহৰ দাম ক্ৰমে কমি গৈছিল। চাহ ব্যৱসায়ী সকলৰ মাজত সেইবাবে এটা মহা সঙ্কটজনক অৱস্থা আহি দেখা দিছিল। তাৰ সমাধানৰ নিমিত্তে চাহ উৎপন্ন হোৱা ভাভা, সিংহল, আৰু ভাৰতবৰ্ষ এই তিনিও ঠাইৰ ডাঙৰ ডাঙৰ চাহৰ ব্যৱসায়ী সকলে এটা চুক্তি কৰিলে। সেই চুক্তি মতে এই ঠাই তিনিখনৰ য'ত যিমানখিনি চাহৰ বজাৰ আছে তাত কেৱল তিমান যিনিহে চাহ বপ্তানী কৰিব পৰা যাব।

সেই অনুসাৰে ভাৰতৰ চাহৰ উৎপন্ন আৰু বপ্তানী নিয়ন্ত্ৰণ কৰিবৰ নিমিত্তে ভাৰতীয় ব্যৱস্থা পৰিষদত ষোল্লা চেণ্টেম্বৰত এখন বিল পাছ হৈছে। বিলখনৰ নাম 'দি ইণ্ডিয়ান টি কণ্ট্ৰোল বিল'।

এই বিল মতে কোন বাগিছাই বছৰি কিমান চাহ উৎপন্ন কৰিব পাৰিব তাৰ নিয়ম বান্ধি দিয়া হৈছে। সেই নিয়ম মতে পাঁচ বছৰলৈ চলিব লাগিব। বিলত বাগিছা বিলাকৰ উৎপন্ন নিয়ন্ত্ৰণৰ যি নিয়ম কৰা হৈছে তাৰ পৰা ১৯২৫।২৬ চনৰ পিছত খোলা বাগিছাবিলাকৰ যথেষ্ট ক্ষতি হব—এই কথা আমাৰ প্ৰসিদ্ধ চাহ ব্যৱসায়ী শ্ৰীযুত যাদৰ প্ৰসাদ চলিহাই ভালকৈ দেখুৱাই দিছে। সঁচাকৈ ভাৰতীয় বহু ব্যৱসায়ীৰ বাগিছা ওপৰত উল্লেখ কৰা চনৰ পিছতহে খোলা। সেইবিলাক বাগিছাৰ চাহ এতিয়াও ভালকৈ উৎপন্ন হোৱা নাই। কিন্তু বৰ্ত্তমান উৎপন্ন চাহৰ পৰিমাণটিলৈ চাই নিয়ম বান্ধিলে সেইবিলাক নতুন বাগিছাৰ ক্ষতি অনিবাৰ্য্য।

যিকি নহক বিলৰ আলোচনাৰ সময়ত পৰিষদৰ জন দিয়েক সদস্যৰ চেষ্টাত এনে বিধৰ ভাৰতীয় ব্যৱসায়ী সকল যাতে ক্ষতিগ্ৰস্ত নহয় তালৈ লক্ষ্য ৰখা হব বুলি গৱৰ্ণমেণ্টৰ ফালৰ প্ৰতিশ্ৰুতি পোন্ধা গৈছে।

আমি আশাকৰোঁ এই বিলৰ ধাৰা যাতে দেশীয় চালুকীয়া চাহৰ ব্যৱসায়ৰ অনুষ্ঠানবিলাকৰ কোনো ক্ষতি নহই সিবিলাকেও যাতে আত্মৰক্ষা কৰিব পাৰে তালৈ বিশেষ দৃষ্টি ৰখা হব।

বৰোদাত মহাপুৰুষীয়া ধৰ্ম্ম বিষয়ৰ বক্তৃতা

ভাৰতীয় ৰাজ্য বিলাকৰ ভিতৰত বৰোদা শিক্ষা আদি বিষয়ত উন্নত এখন দেশী ৰাজ্য। ভাৰতৰ ভিতৰতে পাঠাগাৰ বিষয়তো বৰোদা বৰ আগবঢ়া। এই ৰাজ্যলৈ ভাৰতৰ বিখ্যাত মনীষী সকলক নিমন্ত্ৰণ কৰি যথোচিত সন্মান দেখুৱা হয়—ওলীৰ সমাধিবেৰে গুৰৰ পূজা কৰিবৰ উদ্দেশ্যে।

ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা মাজে মাজে একোজন ডাঙৰ মানুহ মাতি নি তাত শ্ৰদ্ধা দেখুৱা হৈছে। ইয়াৰ আগেয়ে ৰবীন্দ্ৰ নাথ ঠাকুৰ, ৰাধাকৃষ্ণণ, ৰমণ, ভাণ্ডাৰকাৰ প্ৰমুখ ভাৰতীয় মনীষী সকলেই সেই সন্মান

আগ বঢ়োৱা হৈ গৈছে। সম্প্রতি সেই সম্মান ৰাচিছে—অসম মাতৃৰ কৃতী সন্তান অসমৰ সাহিত্যৰথী লক্ষীনাথ বেজ-বৰুৱাটোৱে। বেজবৰুৱা ডাঙৰীয়াই বৰোদাটো গৈ তাত বক্তৃতা দিবলৈ বিষয় ঠিক কৰিছে "ভাৰতৰ বৈধৰ ধৰ্ম্ম আৰু অসমত তাৰ বিস্তৃতি।"

বেজবৰুৱা ডাঙৰীয়াটোৱে আগ বঢ়োৱা এই সম্মান যেনেকৈ অসমীয়া জাতিৰ পক্ষে এটা গৌৰৱৰ বিষয় তেনেকৈ তেখেতে তাত দিবলৈ বাছি লোৱা বক্তৃতাৰ বিষয়ো অসমীয়া বৈশিষ্ট্য ভাবতত আৰু বহির্জগতত প্রচাৰ পাবৰ উপযুক্ত হৈছে। উপযুক্ত সময়ত যোগ্য জনৰ হাতত যোগ্য বিষয়ৰ ভাৰ অৰ্পিত হোৱা দেখি আমি আশান্বিত হৈছোঁ। বেজবৰুৱা ডাঙৰীয়াই যেনেকৈ অসমীয়া ভাষাক আন্তৰ্জাতিক বিদেশী ভাষাই আৰু আকোৱালি নোপোৱা স্থলকায় কৰি তুলিবলৈ সক্ষম হৈছে তেনেকৈ অসমীয়া ভাষা আৰু জাতিৰ মেৰুদণ্ড যি মহাপুৰুষীয়া ধৰ্ম্ম সেই ধৰ্ম্মৰো বৈশিষ্ট্য বহির্জগতত প্রচাৰ কৰি অসমীয়া জাতিৰ গৌৰৱ বঢ়াব পাৰিব বুলি আমি আশা কৰিছোঁ।

নৰিয়াৰ কোলাত দেশকৰ্ম্মী সাহিত্যিক

সুচতুৰ কৰ্ম্মী লব্ধপ্রতিষ্ঠ তৰুণ সাহিত্যিক শ্রীযুত লক্ষীধৰ শৰ্ম্মা এম-এ, বি-এল দেৱ সকলো অসমীয়াৰে সুপৰিচিত। তেখেতৰ পত্নী বিয়োগ হবৰ আজি প্রায় ১৷৷বছৰ মান হ'ল। পত্নী শোকত বিহ্বল অৱস্থাতে নিজে নৰিয়াত পৰে। সেই নৰিয়া আজি প্রায় এবছৰ ধৰি। মাজতে কিছুদিন তেখেতক ভাল অৱস্থাত দেখি আমি বৰ বং পইছিলোঁ, কিন্তু আকৌ তেখেত শয্যাশায়ী হোৱাত চিকিৎসাধীন অৱস্থাত কলিকতাৰ ৩৷৷A দিনখোলা ষ্ট্রীট, পার্ক চাৰ্কাচত আছে। আমি তেখেতৰ বাবে বৰ উদ্বিগ্ন হৈ পৰিছোঁ আৰু তেখেতৰ স্বাস্থ্য ঘুবাই পাবলৈ ভবতাৰৰ ওচৰত প্রার্থনা জনাইছোঁ।

দেশ সেৱক শ্রীযুত শৰ্ম্মা ডাঙৰীয়াই বোগ শয্যাত পৰিও দেশৰ হিত চিন্তাতে ব্যাকুল। বোগ শয্যাত পৰাই তেখেতে ইয়াৰ ভিতৰতে কেখাখনো এক অঙ্কীয়া নাট, কেবাটিও গল্প, আৰু দুখনমান উপন্যাস লিখি শেষ কৰিছে। এনে এজন সাহিত্যিক কৰ্ম্মী নৰিয়াত পৰি কষ্টা লগা'হোৱা দেশৰ পক্ষে বৰ দুর্ভাগ্যৰ কথা। অসমীয়া বাইজৰ শুভ আশীৰ্ব্বাদত তেখেতে সোনকালে বোগমুক্ত হৈ দেশ আৰু সাহিত্য সেৱাৰ যোগ্য হৈ উঠিব পাৰিব বুলি আশা কৰিলোঁ।

টকাৰ বেচ বঢ়া-টুটাৰ বহস্য

টকাৰ মূল্য কেনেকৈ বঢ়া-টুটা হয় সি এটা ডাঙ্গ বিষয় হলেও নজনাসকলৰে কথাটো এটা কৌতূহলৰ বস্তু।

মৰা পাট আৰু কপাহ আদিৰ পৰা যেনেকৈ টকা আ তেনেকৈ ৰূপো এটা উৎপন্ন পদার্থ। সেইদেখি মৰা পা আৰু কপাহৰ নিচিনাকৈ ৰূপবো এটা স্বাভাবি বজাৰ দৰ আছে। আন বস্তুৰ বজাৰ দৰ উঠা নম কৰাৰ দৰে এই ৰূপৰ বজাৰ দৰ ৰূপৰ 'চাহিদা'ৰ ওপৰ নির্ভৰ কৰে। এই 'চাহিদা' যদি উৎপন্ন ৰূপতকৈ বে হয় তেনেহলে ৰূপৰ দৰ বাঢ়ে। আৰু তেনেকৈ 'চাহিদা যদি ৰূপৰ মূল্যতকৈ কম হয় তেনেহলে ৰূপৰ বেচ কমি যাবলৈ বাধ্য।

এই বজাৰ দৰ অনুসাৰে ৰূপৰ টকাৰ দৰ যদি বহু থাকে তেনেহলে টকাৰ দৰো উঠা-নমা কৰিব পাৰে। কিন্তু এনে কৰিলে সকলো কাৰবাৰ জুৰাথেলৰ দৰে হয়। সেই নিমিত্তে গৱৰ্ণমেণ্টৰ পৰা টকাৰ এটা নির্দ্দিষ্ট মূ নির্দ্ধাৰণ কৰি দিয়া হয় আৰু এতিয়া ভাৰতত টকা দৰ বিলাতৰ ১৬ পেন্সৰ সমান আছে দেখি ভাৰত ব্যৱসায়ী সকলে জানে যে ইমান টকাৰ বস্তু বিলাতত বপ্তানী কৰিলে ইমান টকা পাব, আকৌ বিলাতৰ ব্যৱসায়ী সকলেও জানে যে ইমান টকাৰ মূল্যৰ বস্তু বপ্তানী কৰি তেওঁলোকে ইমান পাউণ্ড পাব।

কেবছৰ মান আগতে টকাৰ হাৰ নির্ণয় কৰিবৰ এটি কমিশ্চন বহিছিল। এই কমিশ্চনৰ আগত বোম্বে কলৰাগা সকলে টকাৰ হাৰ ১৮ পেন্স কৰিবলৈ খাটিছিল, আকৌ কলিকতাৰ ব্যৱসায়ী সকলে টকাৰ হাৰ ১৬ পেন্স কৰি বাৰিষেঁলৈকে টানি ধৰিছিল।

বোম্বে আৰু কলিকতাৰ কাৰবাৰী সকলে কিয় টকা মূল্য বিষয়ত বেলেগ বেলেগ মত প্রকাশ কৰিছিল সেই কথা জানিব পাৰিলেই বিষয়টো বহুখিনি উজু হৈ পৰিব।

বোম্বেত ব্যৱসায়ী সকলে বপ্তানীৰ কার্য্যকে বেছিকৈ কৰেআৰু কলিকতাৰ বোৰে আমদানীৰ ব্যৱসায়কে বেছিকৈ। কৰে টকাৰ মূল্য ১৮ পেন্স হলে যি সকলে বপ্তানী ব্যৱসায় কৰে সেই সকলে টকা প্রতি ২ পেন্স কৈ বেছি পাব পাবে। সেই নিমিত্তে বোম্বেৰ ব্যৱসায়ী সকলেৰে টকাৰ মূল্য ১৮ পেন্স হলে সুবিধা। কিন্তু কলিকতাৰ ব্যৱসায়ী সকলে আমদানী বেছিকৈ কৰে দেখি টকাৰ হাৰ ১৮ পেন্স হলে সিবিলাকে প্রতি টকাত দুই পেন্স বেছি দিব লগীয়া হয়, এই নিমিত্তে টকাৰ হাৰ ১৬ পেন্স হলে কলিকতাৰ ব্যৱসায়ী সকলৰ সুবিধা আছে।

কথাটো মূলতঃ এয়ে হলেও আন্তর্জ্জাতিক ব্যৱসায় বাণিজ্যৰ ঘাত-প্রতিঘাতৰ ওপৰতো বহুখিনি নির্ভৰ কৰে।

মহাত্মাজীৰ ভাবী অসম ভ্রমণ উপলক্ষে

মহাত্মা গান্ধী হৰিজন সেৱা প্রসঙ্গত অহা মার্চ্চ মাহত অসমলৈ আহিব। ই অসম বাসীৰ পক্ষে বৰ আশাৰ কথা। আকৌ সন্তোষৰ কথা যে অসমীয়া লাইজৰ আগ্রহ লক্ষ্য কৰি আগেয়ে ঘোষণা কৰা মতে ৩ দিনৰ সলনি মহাত্মাজী ১০ মার্চ্চৰ পৰা ২৫ মার্চ্চলৈকে ১৫ দিন অসমত থাকিব। এই ১৫ দিন অসমলৈ অতি মূল্যৱান দিন আহি পৰিব। অসম বাসীয়ে এই দিন কেইটিৰ সুযোগ লবলৈ হলে এতিয়াৰ পৰাই তাৰ বাবে বিশেষ আয়োজন কৰিবলৈ আৰম্ভ কৰা কৰ্ত্তব্য।

বৰ সুখৰ কথা যে ইয়াৰ ভিতৰতে অসমৰ অশ্পৃশ্যতা বর্জ্জনৰ নেতা শ্রীযুত গড়ুৰধ্বজ সত্রাধিকাৰী গোস্বামী প্রভুয়ে "মহাত্মাজীক কেনেকৈ অভ্যর্থনা কৰিব লাগিব" তাৰে বিবৃতি এটা 'অসমীয়া' কাকতত প্রকাশ কৰিছে। গোস্বামী প্রভুৰ বিবৃতি সমযোপযোগী, সাৰগুৰ্ণ আৰু হৃদয়গ্রাহী হৈছে। তেখেতে মহাত্মা গান্ধীৰ আগমন উপলক্ষে অসমীয়া জাতিক চিৰন্তন কপাহৰ শিল্পলৈ নতুন উৎসাহেৰে আগবাঢ়িবলৈ আহ্বান জনাইছে। আৰু মহাত্মাজীক হৰিজন সেৱাৰ বাবে উপঢৌকন দিবলৈ অকল অসমীয়াকে নহয় অসমত বাস কৰা সকলো বিদেশীলৈকেও অনুৰোধ জনাইছে। আমি আশা কৰোঁ অসমত বাস কৰা মানুহ মাত্রেই দেশী বিদেশী নির্ব্বিশেষে সকলোৱে চেষ্টা কৰিব যাতে মহাত্মাৰ বহুমূল্যা সময়ৰ সকলো ফালেদি সদ্ব্যৱহাৰ হয়। আমি আৰু আশা কৰিছো শ্রীযুত গোস্বামী প্রভুৱে বা মহাত্মাক আদৰিবলৈ গঠিত কমিটিয়ে মহাত্মাক কোন কোন ঠাইলৈ নিয়া হব সেই বিলাক সম্বন্ধে বিবৃতি ঠিক সময়তেপ্রোচাৰ কৰিব, আৰু অস্পৃশ্যতা বর্জ্জন আৰু গাঁৱি আহিব নোৱাৰা বাধা-বিঘিনি ভবা প্রধান ঠাইবিলাক যাতে মহাত্মাজীৰ পদার্পণেৰে পবিত্র হয় তালৈ লক্ষ্য বাখিব।

মহাত্মাজীৰ শুভ পদার্পণৰ সুযোগ আমাৰ দেশৰ অস্পৃশ্যতা বর্জ্জন আদি আন আন পাপ দূৰ কৰা কার্য্যত খটোৱাৰ বাহিবেও সেই সুযোগৰ আন এটি পুণ্য লাভ কৰা সম্ভৱ হব পাবে। ১৯২১ চনত মহাত্মাজী যেতিয়া অসমলৈ আহিছিল সেই সময়ত তেখেতৰ পুণ্যপূত বাহাই লাগি অসমীয়া জাতিক অকর্ম্মণ্য কৰা কানি বহুখিনি কমি গৈছিল। এই বাবো তেনে ধৰণে বহুতো নিশ্চয় বলিব। তাৰ পুণ্য বা' লাগি অসমীয়া জাতিৰ কানি-বিহৰ পাপ বহুখিনি আঁতৰিব পাবে।

সমালোচনা

সঞ্চিয়াৰ সুৰ

শ্রীযুতা নলিনীবালা দেৱীৰ কোমল লেখনীৰ পৰা ওলোৱা কবিতাৰ কিতাপ। তেওঁ বিধৱা। এই বিধৱা গৰাকীয়ে তেওঁৰ অন্তঃস্থলৰ ভাৱ ৰাশিৰ যি অপ্রপম চিত্র আঁকি তুলিছে তাৰ বাবে তেওঁ ধন্যবাদৰ পাত্র। তেওঁৰ প্রত্যেক কবিতাই তেওঁৰ অন্তৰৰ কৰুণ বিননি আৰু ভক্তি-অশ্রুৰে ফল্গু অমিয়া ধাৰা বোৱাইছে। তেওঁ 'জীৱন সন্ধ্যাৰ' আৱর্ত্তিত যি ব্যাকুলতা দেখুৱাইছে আৰু চিন্তায়িক হোমাগ্নি আৰু সমীৰণক চন্দন কৰি অর্ঘ্যাঞ্জলি দিবলৈ কাতৰোক্তিৰে যি নিবেদন জনাইছে সি অতি কৰুণ হৈছে। তেওঁৰ এই ভক্তি প্রণোদিত চিত্র অতি সুন্দৰ। কোনো কোনো কবিতাত বিশ্বপ্রেমৰ ভাৱো ফুটি উঠিছে। অসমীয়া মহিলা কবিৰ কোমল হাতত যে এনে ছন্দ-গন্ধে মণ্ডিত হৃদয় সুৰ-লহৰী উঠিব পাবে তেনে কথা আমি আগেয়ে ভাবিব পৰা নাছিলোঁ। বোধ হয় কবিৰ সুকোমল হৃদি তন্ত্রিত অসীমৰ গীতি মঞ্জৰী বহু দিনৰ পৰাই গোপনে বাজি আছিল, সেয়ে এতিয়া বাহিৰত প্রকাশ পালে। তেওঁৰ শোক তপ্ত হৃদয়ৰ আবেগ তেওঁৰ 'সত্য পথিক' কবিতাৰ 'সত্য তুমি, শাশ্বত তুমি, কিহত মৃত্যু কিহত ভয় ?' কথা কেষাৰি যেন সংসাৰী মানৱৰ প্রতি অভয় বাণীহে। এই কবি গৰাকীৰ দীর্ঘ জীৱন কামনা কৰোঁ আৰু তেওঁৰ পৰা এনে সুন্দৰ মুকুতা মণ্ডিত মালা আৰু দুখাৰিমান পাবলৈ আশা কৰোঁ।

শ্রীনগেন্দ্র নাৰয়ণ চৌধুৰী

বিলাতৰ কথা—বিখ্যাত স্বদেশ কৰ্ম্মী শ্রীযুতঅমিয় কুমাৰ দাস বি-এ দেৱৰ দ্বাৰা ৰচিত আৰু শ্রীযুত হেমচন্দ্র বৰুৱা বি-এল, দেৱৰ দ্বাৰা প্রকাশিত—৯৪ পিঠিৰ কিতাপ, বেচ ।০। আমাৰ মনেৰে আকাৰ আদিলৈ চাই এই কিতাপৰ বেচ বিশেষ বিবেচনাৰে কৰা হৈছে।

ভাৰতীয় ৰাজনৈতিক সাহিত্য আৰু গান্ধী সাহিত্য লিখোতা আৰু প্রকাশ কৰোতা এই দুজন দেশ সেৱকৰ ওচৰত অসমীয়া মানুহ ঋণী। কাৰণ তেখেত সকলে সহজ ভাষাত দেশৰ বিষয়ে জানিব লগীয়া ভালেমান কথা কম মূল্যৰ আৰু কেতিয়াবা বিনা মূল্যৰ কিতাপৰ আকাৰত প্রকাশ কৰি এফালে যেনেকৈ দেশৰ ৰাজনৈতিক সাহিত্যৰ অভাৰ আঁতৰাইছে আনফালে তেনেকৈ বহুত আৱশ্যকীয় কথাবে দেশ বাসীক শিক্ষিত কৰি তুলিবলৈ চেষ্টা কৰিছে।

তেখেতৰ 'মেজ মেলত মহাত্মা' কিতাপেৰে বহু আৱশ্যকীয় কথা দেশৰ সৰ্ব্বসাধাৰণক জানিবলৈ সুযোগ দিয়া হলেও 'বিলাতৰ কথা'ৰ দৰে কিতাপ এখনৰ বৰ অভাৱ আছিল। বিভিন্ন দেশত মহাত্মাক কি চকুৰে চোৱা ছিল আৰু মেজ মেলৰ বাহিৰত মহাত্মাই ভাৰতৰ হকে কি কি কাম কৰিছিল—এই সকলো বিষয় 'বিলাতৰ কথা'ৰে অসমীয়া জনসাধাৰণকো জানিবলৈ সুবিধা কৰি দিয়া বাবে দাস ডাঙৰীয়া সকলোৰে ধন্যবাদ পাত্র। 'বিলাতৰ কথা'ত এই ছয়ো বিষয়ে পৰিপাটিকৈ লিখা হৈছে। কিতাপ খনৰ ভাষা বৰ সুৰলা হৈছে। আৰু তাৰ বহু ঘটনা গল্পৰ আকাৰে ঠাই দিয়াত ইয়াক পঢ়ি আনন্দ নোপোৱাকৈ কোনেও থাকিব নোৱাৰে। বৰ্ত্তমান জগতৰ শ্রেষ্ঠ মানৱ মহাত্মা গান্ধীৰ জীৱনৰ সৌতৰ লগত অসমীয়াৰ জাতীয় জীৱনৰ সংশ্রৱ ঘটিবৰ আজি ২২।২৩ বছৰ হ'ল। কিন্তু অসমীয়া সাহিত্যত এই মিলনৰ কেৱল কেইটিমান গান, কবিতা আৰু গল্প-প্রবন্ধৰ বাহিৰে আন একো দেখিবলৈ নোপোৱাটো এটা বৰ দুখৰ কথা আছিল। শ্রীযুত অমিয় কুমাৰ দাস ডাঙৰীয়াই আমাৰ ভাষাত গান্ধী-সাহিত্য প্রচাৰ কৰি জাতীয় ভাণ্ডাৰখন সকলো অসমীয়া মানুহৰে ধন্যবাদৰ পাত্র হৈছে। তেখেতৰ এই কিতাপৰ বহুল প্রচাৰ কামনা কৰোঁ।

বেউলা—সুপৰিচিত আৰু কেইবাখনো নাটক ৰচোঁতা কবি ডেকা সাহিত্যিক শ্রীযুত অতুলচন্দ্র হাজৰিকা, বি-এ দেৱৰ কাপৰ পৰা ওলোৱা পাঁচ অঙ্কীয়া পৌৰাণিক নাটক। এই নাটকৰ প্রকাশক ওভাহাটীৰ বৰুৱা এজেন্সিৰ শ্রীযুত গোপালচন্দ্র বৰুৱা। কিতাপ খনৰ মূল্য ৸০ আনা ধাৰ্য্য কৰা হৈছে। কিতাপৰ আকাৰলৈ চাই বেচ নিচেই কম হৈছে বুলি কব লাগিব। অসমৰ বিভিন্ন ৰঙ্গমঞ্চত এই নাটকৰ অভিনয় হৈ গৈছে।

অসমত প্রচলিত এটি সুন্দৰ পুৰাবৃত্তক নাটক আকাৰলৈ অনাৰ কাৰণে লিখক অসমীয়া মানুহৰ কৃতজ্ঞতাৰ পাত্র। যি যুগৰ কথা অবলম্বন কৰি এই নাটক লিখা হৈছে সেই যুগত অসমীয়া মানুহ বাণিজ্য বিষয়ত বৰ উন্নত আছিল। আৰু তেতিয়া অসমত দুটা বিণবীত সৌতৰ সংঘৰ্ষ উপস্থিত হৈছিল বুলি অনুমান হয়। গ্রন্থকাৰে নিবেদনত তেখেতৰ 'প্রথম নাট বুলি কব পাৰা যায়' বুলি লিখিছে আৰু তাক প্রবেশিকা পৰীক্ষাৰ শিক্ষক পোৱা আশাৰ্ক্ষিত লিখা বুলি প্রকাশ কৰিছে।

নাট খনিত ঠাঁয়ে ঠাঁয়ে অমিত্রাক্ষৰ ছন্দ ব্যৱহাৰ কৰা হৈছে। নাটকখনিৰ ভাষা যদিও ক্রমেই মধুৰ হৈছে তথাপি ঠাঁয়ে ঠাঁয়ে সি বৰ দুৰ্ব্বল হৈছে যেন লাগে। আৰো ঠাঁয়ে ঠাঁয়ে অপ্রত্যাশিত ভাবে সংস্কৃতীয়া হৈছে। মুঠতে ভাষাৰ ফালৰ পৰা ইয়াৰ কিছিৎ উন্নতি বিধান সম্ভৱ।

চৰিত্র অঙ্কন আৰু নাটকীয় বস্তুৰ পৰিকল্পনাতো ঠাঁয়ে ঠাঁয়ে খুট নাই এনে নহয়। কেইটামান শব্দ অৰ্থ প্রতি দৃষ্টি নৰখাকে ব্যৱহাৰ কৰা হৈছে, যেনে ১৯ পিঠিৰ ১২ লাইনত ব্যৱহাৰ কৰা "নুসিংহ", ১১২ পিঠি ১২লাইনত "পেটুৱা" ৭৫ পিঠিৰ ১১ লাইনত "ভুৱা" শব্দ ইত্যাদি।

যদিও এই নাটক ওপৰত উদ্ধৃকিৰা দোষত সামান্যকণে খুট থকা তথাপি অভিনয়ৰ পক্ষে ইযে এখন সুন্দৰ নাটক হৈছে তাত অকণো সন্দেহ নাই। লিখকৰ এইটোৱেই প্রথম চেষ্টা হোৱাত ইয়াত স্বাভাবিকতে অপৈনত হাজাৰ পৰিচয় দু ঠাইতে প্রকাশ হৈ পৰিছে। তথাপি কল্পনা বসৰ অনুভূতি আৰু ভাৱ প্রকাশত লিখকে বিশেষ পাৰদৰ্শিতা দেখুৱাইছে। এই নাটকখনি চাই ভবিষ্যতে লিখকৰ পৰা পৈনত আৰু শক্তিশালী নাটকীয় সাহিত্য অসমীয়া বাইজে আশা কৰিব পাৰে বুলি আমাৰ দৃঢ় বিশ্বাস হৈছে।

১৪, জগন্নাথ দত্ত লেন, লক্ষ্মীবিলাস প্রেছ লিঃত ডাঃ শ্রীদীননাথ শর্ম্মাৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।



আবাহন

(ডেকা সকিয়ৰ নগাৰ - কামিখ্যা)

ডাঙৰ ফৰ ইণ্ডিয়া প্রেছ, কলিকতা

৫ম বছৰ, ৬ষ্ঠ সংখ্যা]　　চ'ত　　[১৮৫৫ শক

জার্ম্মাণ সাহিত্যৰ সপোন নাটক

—অধ্যাপক শ্রীযুত কৃষ্ণকান্ত সন্দিকৈ এম্-এ (কলিকতা—অক্সফোর্ড)

উনৈশ শতিকাৰ জার্ম্মাণ সাহিত্য নাটকৰ বিষয়ত অতি সমৃদ্ধিশালী। জার্ম্মেণি আৰু অষ্ট্রিয়া এই দুয়ো দেশতে জার্ম্মাণ নাটকৰ উৎকর্ষ আৰু পয়োভৰ দেখা যায়। ফ্রান্জ্ গ্রিলপার্চ্চাৰ (Franz Grillparzer) জার্ম্মাণ সাহিত্যৰ সর্ব্বশ্রেষ্ঠ নাট্যকাৰ সকলৰ অন্যতম। তেওঁৰ জীৱনকাল ১৭৯১—১৮৭২। নাট্যকলাৰ বিখ্যাত কেন্দ্র ভিয়েনা ৰাজধানীত তেওঁৰ নাটকবিলাকৰ প্রথম অভিনয় হয়। গ্রিলপার্চ্চাৰে ঐতিহাসিক, পৌৰাণিক আৰু কাল্পনিক অনেক নাটক লিখি গৈছে। "সাগৰৰ আৰু প্রেমৰ ঢৌ" তেওঁৰ নাটকবিলাকৰ ভিতৰত আটাইতকৈ ভাল বুলি অনেকে ভাবে, কিন্তু "সপোন জীৱন" তেওঁৰ আটাইতকৈ লোকপ্রিয় নাটক। ১৮৩৪ চনত মহাসমাৰোহেৰে ইয়াৰ অভিনয় হয় আৰু তেতিয়াৰেপৰা ই জার্ম্মাণ সাহিত্য আৰু নাট্যশালাৰ আদৰৰ বস্তু হৈ আছে।

সপোন মানুহৰ জীৱনৰ এটা বিচিত্র অভিজ্ঞতা। অনেক সপোন দিঠকৰ ঘটনাৰ দৰে স্পষ্ট আৰু সতেজ। কোনো কোনো সপোন ইমান ফটফটীয়া আৰু আমাৰ অনুভূতিৰ ওপৰত ইমান প্রভাৱ বিস্তাৰ কৰে যে আমাৰ বোধ হয় যেন সি বাস্তৱ জীৱনৰে এটা জীৱন্ত ছবি। ষোল শতিকাৰ ফৰাজী মনীষী মন্টেইনে এখন বচনাত কৈছে যে আমি টোপনিত জাগি থাকোঁ আৰু জাগ্রত অৱস্থাত টোপনি যাওঁ। সি যি হক, গ্রিলপার্চ্চাৰে 'সপোনজীৱন' নাটকত আমাৰ টোপনি জীৱনৰ এটা বৈচিত্র্যপূর্ণ দৃশ্য দর্শকৰ চকুৰ আগত দাঙি ধৰি দিঠকৰ ঘটনাৰ লগত তাৰ সামঞ্জস্য দেখুৱাইছে। "সপোন জীৱন" নাটকত সপোন আৰু দিঠকৰ অপূর্ব্ব সংমিশ্রণ দেখা যায়। এই শ্রেণীৰ নাটকৰ ভিতৰত ইয়াৰ সমকক্ষ নাট সাহিত্যত পাবলৈ নাই। তলত নাটক খনৰ চমু আভাস দিয়া হল।

প্রথম অঙ্ক

পর্ব্বতীয়া ভৈয়ামব এটা পজাব আগত কুমারী মিজ্জাই কাববাবৈ ব্যগ্রভাবে বাট চাই আছে। গধূলি হৈ আহিছে, দূবৈত শিঙাব ধ্বনি শুনা গৈছে। এটা এটাকৈ চিকাবী বিলাক পর্ব্বতবপবা ঘবলৈ ফিবি আহিছে। কিন্তু বন্তানক ক'তো দেখিবলৈ নাই। মিজ্জাই বন্তানক ভাল পায়, বন্তান তাইব বাপেক মাছুদব দূব সম্বন্ধীয়া ভাগিন। বন্তানে এইদবে সদায় বেলি কবে আৰু মিজ্জাব মন বেজাব আৰু উদ্বেগত ব্যাকুল হয়। লাহে লাহে বাতি হৈ আহিল। চিকাবী কালেবক যুবি অহা দেখা গৈছে, কিন্তু বন্তান নাই।

পজাব ভিতবব পবা মাছুদ ওলাই আহিছে আৰু জীয়েক মিজ্জাৰ লগত বন্তানব কথা পাতিছে। আজি কিছুমান দিনব পবা বন্তানব আচবণত এটা ডাঙব পবিবর্ত্তন দেখা গৈছে। ঘবত তাব মন নবহে। ওবে দিনটো পর্ব্বতে ভৈয়ামে বনাই ফুবে। তাব মুখত সদায় যুদ্ধবিগ্রহ, জয়বিজয় আৰু সামবিক সাজসজ্জাব কথা। তদুপবি এজন চিনাকি ফকীবে খবব দিছে যে আজি পর্ব্বতত চিকাব কবোঁতে আমীবব লবা অহুমিনব লগত বন্তানব এখন ডাঙব কাজিয়া লাগিছিল, আনেহে একেবাই দিছে। মাছুদে এই বিষয়ে বন্তানক ভালকৈয়ে কিছুমান কথা শুনাবব মন কবিছে, কিন্তু মিজ্জাই কয় যে বন্তানব এই পবিবর্ত্তনব কাবণে দায়ী কোন? দায়ী তাব চিবসঙ্গী সেই কাফ্রী ক্রীতদাসটো, সিহে খুঁজ-বাগবব কথা কৈ বন্তানক মতলীয়া কবিছে।

বন্তান আৰু তাব লগবীয়া কাফ্রী দাসটো লাহে লাহে ওলাইছেহি। বন্তানে নিজব বিফল আশা আকাঙ্ক্ষাব কথা কৈ আক্ষেপ কবিছে। তাব বাপেক, পূর্ব্বপুৰুষ সকলোবিলাক বীব আছিল, কিন্তু সি কবিছে কি? মহত্ত্বব গৌবব মাথোন চিবস্থায়ী, বাকীবিলাক অনিত্য আৰু অথিব।

ঢউব পাছত ঢউ আহে আৰু যায়।
ববনৈব সোত মাৰ্গে। চিবকাল বয়॥ *

এই কথা শুনি কাফ্রীটোৱে কৈছে, "ঠিক কথা। ববনৈব সোত মাৰ্গে। চিবকাল বয়।" বন্তানো কৰ্ম্মক্ষেত্ৰ নামক, বিজয়ী বীব হব। বন্তান হতাশ হব খুজিলেও কাফ্রীটোৱে তাক তেনে হবলৈ নিদিয়ে।

মাছুদ, মিজ্জা, বন্তান আৰু কাফ্রীদাস জাঙ্গাব ভিতবত কথোপকথন চলিছে। বন্তান আৰু অহুমিনব কাজিয়াব কথা ওলাল জাঙ্গাই বন্তানব পক্ষ জোবেবে সমর্থন কবি কৈছে, "অহুমিনটো কি? সি এটা ধুন মবা গোসিনী ববা। সি প্রথমে বন্তানক অপমান কবি ললে। সি কবে বোলে চমবকন্দব বজাব বব বিপদ, শত্রুবে আক্রমণ কবিব খুজিছে। যেয়ে তেওঁক এই বিপদব পবা বক্ষা কবে তাকে জীয়েক দিব আৰু বাজ্য ভাগো দিব। এই কথা শুনি বন্তান চমবকন্দলৈ যাব খুজিলত অহুমিনে ঠাট্টা বিদ্রূপ কবি কলে, 'আহা! কেনে গৰাকী বীব সহায় কবিবলৈ ওলাইছে! নালাগে মাব দেও, ঘবত থাকি নাঙলব ফুটত বীবত্ব দেখুওঁ।" সি যিহঁক ইয়াক পিছত বন্তানে ঘোষণা, কবিলে যে সি আৰু তাত অলস জীবন যাপন নকবে। নিষ্কর্ম্মা জীবন তাব পক্ষে অসহ্য হৈ উঠিছে। তাব হৃদয়ত যি শক্তি আৰু উৎসাহব ফুলি উঠিছে তাক সি কোনো উপযুক্ত প্রতিদ্বন্দ্বীব লগত তুমুল সংগ্রাম কবি দুমুহাব। গৌবব আৰু সৌভাগ্যব মুকুট পিন্ধিহে সি আকৌ ঘবলৈ উভতিব। মাছুদে বুজনি আৰু মিজ্জাব কথণ অনুবোধলৈ কাণ নিদি দি পিছদিনা বাতিপুৱাই জয়যাত্রা কবিবলৈ সংকল্প কবিলে। জাঙ্গাক ঘোবা ঠিক কবি ঘবলৈ আদেশ দি উত্তেজিত মনে বন্তান শুবলৈ গল। পবা হলে সি সেই বাত্তিয়েই যাত্রা কবিলেহেঁতেন।

বিছনাত বহি বন্তানে ভবিষ্যৎ গৌবৱব মোহিনী ছবি কল্পনা কবিছে—

"শুই থকা অভিলাষ অতদিন মোব
জাগি উঠে আজি আহা! চকুব আগত
মাননমোহিনী ছবি! আহাঁ আহাঁ মোব,
যাচিছোঁ সাদবে মই উলাহব মাত॥"

* পদ্য অংশ বিলাক মূল আঙ্গীবব আজনি।—লিঃ

বাহিবত বীণব মধুব ধ্বনি শুনা গৈছে। চিনাকি ফকীব জনে বীণ বজাই গাইছে—

"জীবনব সুখবাণী ছাঁয়া মাথো হাঁয়,
ছাঁয়া মাথো জীবনব উলাহ লহব,
হেপাহ, কবম, বাণী—ছাঁয়া মাথো সাব;
অন্তবব ভাব মাথো চিব সত্য ময়।
আৰু সাব হৃদয়ব অহুভূত প্রেম,
জীবনত সাধুসজ কবা যিবা কাম।
মবিশালি শয়নত কবিলে শয়ন
টোপনিব দবে জানা নাই জাগবণ॥"

বীণব মাত আৰু ফকীবব গীত শুনি শুনি বন্তান টোপনি যায়। ধীবে ধীবে সঙ্গীতব কোমল সুব বাজি থাকে।

[এই খিনিতে বঙ্গমঞ্চত গোটাদিয়েক দৃশ্য দেখুৱাব লাগে। বন্তানব শিতানত আৰু ভবি পঁচানত দুটা লবাব আবির্ভাব হয়। এটাব গাত নানা বৰণীয়া কাপোব-কানি, হাতত এডাল দুমাই থকা জোব। ইটোব গাত ধোঁৱা বৰণীয়া কাপোব কানি, হাতত এডাল জলি থকা জোব। লবা দুটাই জোব দুডাল বন্তানব বিছনাব ওপবলৈ লগ লগায়। নানা বৰণীয়া কাপোব পিন্ধা লবাটোব জোব ডাল জলি উঠে। ধোঁৱাবৰণীয়া কাপোব পিন্ধাটোৰে তাব জোব ডাল মাটিত কোবাই দুমাই পেলায়।—বঙ্গমঞ্চব পাছফালখন ধুঁৱলি কুঁৱলি হয়, কিন্তু লাহে লাহে আকৌ ফবকাল হৈ উঠে। দ্বিতীয় অঙ্কব দৃশ্যটো দূবৈত দেখা গৈছে, কিন্তু পাতল আঁব কাপোবেবে ঢকা আছে। লাহে লাহে আঁব কাপোববিলাক এখন এখন কৈ আঁতবি যায়। এজোপা ডাল গছব তলত এটা ডাঙব সাপ ফেট তুলি ফোঁ দিয়া দেখা যায়। বন্তানে টোপনিত এটা বাগব মাবে। সপোনব আবম্ভ হল। ইবাব পাছব অঙ্কবিলাকত প্রায় শেহতীয়েকে বন্তানে সপোনত দেখা দৃশ্যবিলাক দেখুৱা হৈছে।]

দ্বিতীয় অঙ্ক

(সপোন)

এখন পর্ব্বতীয়া নৈব পাবত জাঙ্গা আৰু বন্তানক দেখা গৈছে। বন্তানে তাব নতুন মুকলি মুবীয়া জীবনব উলাহত অধীব হৈ স্বাধীনতা দেৱীক আহ্বান কবিছে।

"প্রভাতব কিবণব অৰুণ আভাত
দেখোঁ আজি উৰি থকা তোমাব নিচান।
পর্ব্বত পাহাব আৰু আকাশ পথত,
দশো দিশ উজ্বাই কবিলা ধাবণ!
আদি ভূমি সিংহাসন তুমি গবিমাব,
তুলি লোঁবা নৱজাত শিশুক তোমাব!
সেই অফুট গদ্গদ বাণী শুনা আজি মোব,
জনম দায়িনী আই বিশ্বজগতব!"

এই বোল কাব্য কয়না শুনি কাফ্রীটোৱে কৈছে, "প্রভু, এতিয়া উচ্চাসব সময় নহয়। কামব কথা গতা যক।" বন্তান আকৌ কবিতাত মগ্ন হল—

"বগাই ফুবিম যেন পর্ব্বতে পর্ব্বতে,
পলাম পিয়াহ যেন প্রতি নিজবাতে,
উলাহে মাতিম যেন গছলতা বন,
মাহুহ জনম পালোঁ এতিয়াহে যেন!"

ইয়াব পিছত বন্তান আৰু জাঙ্গাই থিব কবিলে যে চমবকন্দলৈ যোৱা যক, তাত বজাব হকে যুদ্ধ কবি পুবস্কাব লোৱা যাব। এই দবে কথন মথন কবি থাকোতে হঠাৎ এটা আর্ত্তনাদ শুনা গল, "বক্ষা কবাঁ, বক্ষা কবাঁ।" যুবি চাই দেখে, এজন সুসজ্জিত মাহুহ উধাতু খাই নবি আছিছে, পাছত এটা ডাঙব সাপ। জাঙ্গাই তৎক্ষণাৎ বন্তানক যাঠি মাবি দিবলৈ কলে। বন্তানে যাঠি মাবি পঠিয়ালে, কিন্তু সাপব গাত নালাগিল। ইতিমধ্যতে এটা ডাঙব শিলব ওপবত এটা কলা কাপোব পিন্ধা মাহুহ ওলাই তাব পবা যাঠিব একে খোচতে সাপটো বিন্ধি পেলালে, তাব পিছতে মাহুহটো অদৃশ্য হল। ভয়ার্ত্ত মাহুহজন মুহুকহু গৈ মাটিত পবি আছিল। বন্তান আৰু জাঙ্গা গৈ মুবত মুকুট দেখি তৎক্ষণাৎ জানিব পাবিলে যে স্বয়ং চমবকন্দব বজা চিকাবলৈ আহোঁতে বিপদত পবিছিল। জাঙ্গাই তত্তা-লিকে কলে, সাপটো বন্তানেহে মাবিলে, তাত আৰু কোনো নাছিল। বন্তানে নিজে কথাটো মিছা মিছা বুলি প্রতিবাদ কবি থাকোঁতেই বজাব চেতনা আহিল আৰু তেওঁ ভাবিলে যে বন্তান আৰু জাঙ্গাইহে তেওঁক বক্ষা কবিলে। সুবিধা পাই জাঙ্গাই ভালকৈ বুজাই দিলে যে বন্তানে যাঠিবে খুচি কালটো বধিলে। অলপ পবব পিছতে দূবৈত শিঙাব ধ্বনি শুনা গল আৰু অহচব বর্গেবে সৈতে বাজকুমাবী ওলনাব ওলাহি। সকলোবে বন্তানব ওচবত কৃতজ্ঞতা জনালে আৰু বজাব জীয়েকে কলে বোলে অভিনাকি বীবজনব সাহব কথা ভাবিলে প্রাচীন পাবম্ভব জাতীয় বীব বন্তানলৈ মনত পবে। জাঙ্গাই লাহেকৈ কৈথলে যে এওঁব নামো বন্তান। বজাব কিন্তু এটা ধাবণা হৈছিল যে শিলব ওপবব পবাহে কোনোবাই যাঠি মাবি পঠাই-ছিল। তেওঁ অহচব বিলাকক কলে যে প্রথমে জাঙ্গাব যাঠি সাপব গাত নালাগিল, পিছত বন্তানে শিলব ওপবব পব যাঠি মাবি তেওঁক বক্ষা কবিলে। বজাই বন্তানক বাজধানীলৈ নিমন্ত্রণ কবি জীয়েক আৰু অহচববর্গেবে সৈতে তাব পবা গুচি গল।

বজ্রা যোরার পিছত বন্তান আক জাঙ্গাই শিলব ওপরব মানুহটো বাস্তুতে কৈল গল সেই বিষয়ে আলোচনা কবোতেই মানুহটো কববাব পবা আগতে ওলাল হি। সি কলে বোলে সি বজাব ওবলৈ যুগুত্বাব বিচাবি যাবলৈ আহিছে। বন্তানে তাক বজাব ওচবলৈ নাযাবলৈ বহকৈ খাটিলে, নানা ধন সোণব লোভ দেখুবালে, কিন্তু সি কোনোমতেই মাস্তি নহল। তাব মুখত এটা বিজ্রুপব হাঁহি, যেন প্রথম অঙ্কত উল্লেখ কবা অছ,মিন হে আকৌ বন্তানক ইতিকিং কবিবলৈ আহিছে। ফলত বন্তান আক অচিনাকি মানুহটোব ভয়ানক কাজিয়া লাগিল। সিহঁত দুযো কাজিয়া কবি কবি নৈব দলং পালেগৈ। অবশেষত বন্তানে খণ্ডত মতলীয়া হৈ মানুহটোব বুকত তবোৱাল বহুবাই দিলে। তাব মবাশ পানীত বাগবি পবিল। সকলো বাধা বিঘিনি অতিক্রম কবি জাঙ্গাই উপদেশ মতে বন্তানে ভাগ্যব পুবস্কাব লবলৈ চমবকন্দব বাজধানীব ফালে খোজ ললে।

তৃতীয় অঙ্ক

(সপোন)

চমব কন্দব বাজধানীব মুকলি প্রাঙ্গনত আজি মানুহব দলদোপ, হেন্দোলোপ্, সকলোব বন্তানব জয়ধ্বনি কবিছে। বিজয়ী বীব বন্তান বজাব শত্রুক মুক্ত পবাজয় কবি ফিবি আহিছে, চমবকন্দ শত্রুব গ্রাসব পবা মুক্ত হল। জাঙ্গাই বন্তানব বীবত্ব বখানিছে। বন্তান আজি চমবকন্দব সেনানায়ক।

মুকলি প্রাঙ্গনব এফালে এটা মণ্ডপাকাব তাম্বু সুন্দবকৈ সজোৱা হৈছে। মেজত সুবাপাত্র। এহাতে বন্তানক আক ইহাতে ওলনাবক লৈ বজা সোমাই আহিছে। বন্তান তেওঁব সেনাপতি আক ভবিষ্যৎ জোঁৱাই। বজাই বন্তানব ওচবত হৃদয়ব গভীব কৃতজ্ঞতা জ্ঞাপন কবিছে। বাহিবত কিছুমান মানুহব উত্তেজিত কথোপকথন শুনা গৈছে। এজন সভাসদ আহি খবব দিলে যে কিছু দিনব আগেয়ে বজাই নির্ব্বাসিত কবা বিষয়া জনব মবাশটো নৈব সোতে উটুবাই আনি পাবত পেলাইছে। তেওঁব বুঢ়া বাপেক কালেব আক আত্মীয় কাবখান গোচব কবিবলৈ আহিছে। কালেব বোবা, মাত মাতিব নোৱাবে। কাবখানে বজাব আগত জনালে যে মবাশটোব বুকত এখন মণিমুকুতা খচিত তবোৱাল বহুবাই দিয়া ভাগেই পোৱা গৈছে, যিখন তবোৱাল বজাই চিকাবলৈ নিছিল। বজাব তৎক্ষণাৎ মনত পবিল যে তেওঁ সেই তবোৱালখন সাপব মুখব পবা বক্ষা পবাব পিছতে বন্তানক উপহাব দিছিল। তেওঁব মনত নানা সন্দেহে ঠাই ললে। আকৌ মনা পবিল শিলব ওপবব মানুহটোব কথা। বজাই বন্তানব সেই তবোৱাল খন আকৌ তেওঁক ঘুবাই দিবলৈ মবাশটো চাবলৈ গল।

বন্তান এতিয়া মহা বিমোবত পবিল। ইতিমধ্যে এজনী বুঢ়ী ডাইনী জাঙ্গাব লগত তাম্বুব ভিতবলৈ সোমাই আহিল। তাই বন্তানক কলে বোলে তেওঁব এটা মাবাত্মক ব্যাধি হৈছে, তাই এটা দবত আনিছে। এই বুলি তেঁ তাই এটা মদব গিলাচ মেজব ওপবত থলে। বন্তা "তোব দবব মোক নালাগে" বুলি গিলাচটো ডাইনী জনী হাতত ঘুবাই দিলে, কিন্তু ভুলক্রমে তাইব গিলাচটো নিদি বজাব গিলাচটো দিলে। ডাইনী জনীয়ে বজা গিলাচক মদখনি একে চোকাতে গিলি এটা বিক হাঁহি মাবি কববাটলৈ লব মাবিলে। বন্তানে কি কবি উপায় নাপাই ডাইনীয়ে এবি যোৱা মদগিলাচ এ কাপোবেবে ঢাকি থৈ উৎকণ্ঠিত ভাবে বজাবলৈ বা চাবলৈ ধবিলে।

কিছু পবব পিছত বজা ফিবি আহিল। লগ কালেব, কাবখান আক অন্যান্য মানুহ। বজাই তেওঁবোৰ কথা সুধিলত বন্তানে হেবাল বুলি কলে। বজাব সন্দে আক বাঢ়িল। তেওঁ বন্তানক কলে যে তেওঁ বন্তা ওচবত কৃতজ্ঞ, কিন্তু ন্যায় বিচাব কবা কর্ত্তব্য। কাবে যিখন অভিযোগ পত্র দাখিল কবিছে তাত বন্তানব বিৰু অনেক কথা আছে। বন্তানে ইয়াব উত্তবত ইয়াকে মাত্রে কলে যে বজাই অভিযোগৰলৈ কাণ দিলে যেন তেওঁ বন্ত কাবণে দিবিলাক কাম কবিছে তালৈ মনত লেপাগ।

উদ্বেগ আক উত্তেজনাব পবা হোৱা পিয়াহ মাবিবলৈ বজাই মদ বিচাবিলে। বন্তানে ডাইনীয়ে এবি যোৱা গিলাচটোব ওপবব পবা কাপোবখন আঁতবাই দিলে বজাই বন্তানক সকলো কথা স্বীকাব কবি অনুতাপ কবিবলৈ কৈ চেই বিষাক্ত মদ খাবলৈ ধবিলে। আততাযীব হাতত নিহত হোৱা নির্ব্বাসিত বিষয়া জনে প্রবাসব পৰা বাপেকলৈ লিখা কিছুমান চিঠি বজাই ভাণ্ডব ভাঙ্গবলৈ পচিবলৈ ধবিলে। নির্ব্বাসিত মানুহজন মাজুদ আক মির্জ্জা ঘবব ওচবতে কববাত আছিল। চিঠিত মির্জ্জাব কথা আছে, বন্তানব কথাও আছে। বজাই পঢ়িলে,

"বন্তান! বন্তান! বনব চিকাবী!
কিয় দুখ দিয় প্রেমিক হিয়াত ?
অচিন পখত কিয় ফুব দুবি
অনিশ্চিত সুখব শূন্য আশাত ?"

বন্তানে নিজব আক মির্জ্জাব নাম শুনি শিঁহবি উঠিল হঠাৎ তাম্বুব পর্দ্দাখন স্বচ্ছ হৈ পবিল আক বন্তানে দুবৈত মির্জ্জাক দেখিবলৈ পালে। বন্তানে "মির্জ্জা! মির্জ্জা!" বুলি চিঞবি উঠিল, কিন্তু দুষ্টটো তৎক্ষণাৎ নাইকিয়া হল। বজাই পচি গৈ আছে, অলপ পবব পিছত এইবাব সেই তাম্বুব পর্দ্দাখন আকৌ স্বচ্ছ হল আক এইবাব সেই শিলব ওপবব মানুহটোক বন্তানে দুবৈত দেখিবলৈ পালে। এই দৃশ্য দেখি বন্তান স্তম্ভিত কৈ মাটিত পবি গল, কিন্তু দৃশ্যটো তৎক্ষণিকে নাইকিয়া হল।

লাহে লাহে বজাব শবীব অবশ হৈ আহিবলৈ ধবিলে। মুখ তপত হৈ উঠিল, চকুবে নেদেখা হল আক গোটেই গা পুবিবলৈ ধবিলে। বজাই মদত কি আছিল বুলি বন্তানক সুধিলে। বন্তানে কব নোৱাবেঁ বুলিলত বজাই "কোন আছা ? বফা কবাঁ" বুলি বাহিবলৈ বেগেবে ওলাই গল।

বন্তানে কি কবিব ভাবি চিন্তি বিমোব হৈ থাকোঁতেই বাজকুমাবী ওলনাব ব্যাকুল বেগে উবাতু খাই সোমাই আহিল। তেওঁ কলেহি যে পিতাক বজাব মৃত্যু হৈছে, কিন্তু মৃত্যুব সময়তো তেওঁ বন্তানব নাম লৈছিল। বজাব ওচবত সেই বোবা কালেব বোলা মানুহটো আছিল, নিশ্চয় সিয়েই পুতেকব নির্ব্বাসন দণ্ডব প্রতিশোধ লবব মনেবে বন্তাক বিহ দি মাবিছে! কেঙফালে বিশ্বাসঘাতকতা আক মড়যন্ত্রব সৃষ্টি হৈছে, এই বিপদত ওলনাবক বন্তানে বক্ষা নকবিলে আক উপায় নাই। ঘটনাব সোঁতব এই অদ্ভুত গতি দেখি বন্তানে আখাস পালে আক আকৌ উৎসাহিত হল। কিছুমান চিপাইবিয়ে বুঢ়া কালেবক বন্দী কবি আনিলে আক কাঞ্চ্রীটোৱে তেওঁকৈ তাক বধ কবিবলৈ বন্তানক পবামর্শ দিলে। কিন্তু বন্তানে কালেবক বধ নকবি কাবাগাবত বান্ধিবলৈ হুকুম দিলে আক উত্তেজিত সৈন্যৰক শান্ত কবি ওলনাবক সিহঁতব সপোন বহুবালে। বাহিবত প্রজাবিলাকে চিঞবিছে, "জয় ওলনাব আক বন্তানব জয়!"

চতুর্থ অঙ্ক

(সপোন—দ্বিতীয়—জাগবণ)

কালেবক বন্দীশালত থোৱা হল যদিও বন্তানব বিপদ নকমিল। কাবখান আক তাব লগবীয়াবিলাকে বন্তানব বিৰুদ্ধে আন্দোলন কবিবলৈ ধবিলে। বাজকাৰেঙব সমুখতে কাবখানে উত্তেজিত ভাবে কবলৈ-ধবিলে যে এটা অচিনাকি বিদেশী আহি চমবকন্দব বাজক্ষমতা অধিকাব কবিছে। স্বয় বাণী তাব তলতীয়া। সিয়েই বিনা বিচাবে বুঢ়া কালেবক বন্দীশালত আবদ্ধ কবি বাখিছে। এইবিলাক কথা বন্তানে শুনি আছিল আক আচম্বিতে দেখা দি আন্দোলনকাবী বিলাকক বন্দী কবালে। বাহিবত গোলমাল শুনি বাণী ওলাই আছিল। বন্দীবিলাকৰ কালেবব ন্যায় বিচাব ছোৱা নাই বুলি অভিযোগ কবিবলৈ ধবিলে। বন্তানে বাধা দিয়া স্বত্বেও কালেবক বন্দীশালব পবা পবীক্ষাব কাবণে আনিবলৈ বাণীয়ে হুকুম দিলে। বন্তানব উদ্ধত ক্ষমতা বাণীবো অসহ্য হৈ উঠিছিল।

কালেব বোবা, মাতিব নোৱাবে, কিন্তু লিখিব পাবে। তাক কাকত কলম দিয়াত সি বন্তানক হত্যাকাৰী বুলি লিখিবলৈ আবম্ভ কবিলে। সকলো কথা ওলাই পবাব ভয়ত কাঞ্চ্রীটোৱে বিদ্যুৎ বেগেবে কালেবব ওবলৈ গৈ তাব সোঁহাত খনত তবোৱালেবে ঘাপ মাবি দিলে। এই নতুন উদ্ভও অত্যাচাৰ দেখি বহা প্রজা সকলো জ্বলি উঠিল, কিন্তু বন্তানব বিৰুদ্ধে কোনেও কিবা কবিবলৈ সাহ নকবিলে। ইয়াব পিছত বন্তানে নিজে কালেবব আগতেই তেঁ কঠোব ভাবে ভয় দেখুৱাই সুধিলে "দোষী কোন ?" কালেবব বাক্‌শক্তি নাই, লিখাব শক্তিও গল। কিন্তু সি জীৱনত প্রথম আক শেষবাব মাতিবব কাবণে শবীবব প্রত্যেক বিন্দু শক্তি গোটাই লৈ এটা অস্পষ্টিক বল প্রয়োগ কবিবলৈ ধবিলে। এই চেষ্টাত যেন তাব প্রত্যেক ভাল শিব ছিগি ভাগি যাবব উপক্রম হল। অৱশেষত কালেবব মাত ওলাল—"হ-ত্যা-কা-বী ব-ন্তা-ন।" লগে লগে কালেবব প্রাণহীন দেহ মাটিত ঢলি পবিল। এই অপৌকিক ঘটনা দেখি বন্তানব শত্রু বিলাকব সাহ বাঢ়িল আক বাণীয়ে বন্তানক বন্দী কবিবলৈ আদেশ দিলে। কিন্তু বন্তান তবোৱালে লৈ আক্রমণ কবিবলৈ সাজু হল আক ইতিমধ্যে ছই কাঞ্চ্রীটোৱে বাজ কাবেঙত ফুই লগাই দিলে। বন্তান আক জাঙ্গা পলাই লব মাবিছে আক পাছত সৈন্য বিলাক দেখি গৈছে।

(অলপ সময়ব কাবণে দিঠকব দৃশ্যটে ফিবি অহা যক। মাজুদব ঘব দেখা গৈছে। বাতিব আঁকাবত মির্জ্জা এটা চাকি লৈ ওলাই আছিছে। তাই বন্তানক টোপনিত চিঞবি উঠা শুনিছিল। কিবা বিপদব আশঙ্কা কবি তাই বাপেকক জগাব খুজিছে আক মাতিছে।)

বন্তান আক জাঙ্গা লবি লনি নৈব পাব পালেহি। জাঙ্গাই কথাবার্ত্তাব পবা বন্তানে বুজিলে যে সি বিশ্বাস-ঘাতকতা কবি বন্তানক ধবি দি নিজে সাবিবলৈকো যত্ন কবিব পাবে। কিন্তু উপায় নাপাই বন্তান কাঞ্চ্রীটোৱে শবণাগত হল আক এই বিপদত নেবিবলৈ তাক কাকুতি মিনতি কবি কলে। জোব বস্তি লৈ কেউফালবপবা সৈন্যবিলাকে বন্তান আক কাঞ্চ্রীটোক বেঢ়ি ধবিলে।

পলোরাব উপায় নেদেখি সিহত ছুয়ো নৈত জাপ দিলে। লগে লগে সপোনখো অন্ত পৰিল।

বঙ্গমঞ্চৰ সমুখত থকা নৈৰ পাৰৰ ডাঙৰ শিলটো ফুহাল হৈ ফাটিছে। কেউপিনে ধুৱঁলি কুঁৱলিৰ। মাছুদৰ ঘৰত বিছনাৰ ওপৰত বস্তানক শুই থকা দেখা গৈছে। প্ৰথম অঙ্কত উল্লেখ কৰা লৰা দুটা আগৰ ঠাইতে থিয় হৈ আছে। এতিয়া ধোৱাঁ বৰণীয়া কাপোৰে পিন্ধা লৰা টোৰে * তাৰ হাতত থকা জোৰ ডাল জলাইছে আৰু নানাবৰণীয়া কাপোৰ পিন্ধা লৰাটোৱে তাৰ হাতত থকা জোৰ ডাল দুমাই পেলালে। বস্তানে সাৰ পাইছে। লৰা দুটা অদৃশ্য হল। ধুঁৱলি কুঁৱলি ওচি ফৰকাল হৈ আহিছে।

বস্তানে বিছনাৰ পৰা ধপবাই উঠি কেউফালে বিমুঢ় হৈ চাইছে। সপোনৰ ভাবটো এতিয়াও ধোৱা নাই। এনেতে আগদিনা ৰাতিকৈ ধোৱা মতে কাফ্ৰীটো আহি কলে "ধোৱা সাজু হৈ আছে।" বস্তানে কিন্তু দেখিলে যেন কাফ্ৰীটো এটা পিশাচ, তাৰ মুখৰ চুলিবোৰ যেন এনোৱা সাপ। সি কাফ্ৰীটোক আক্ৰমণ কৰিবৰ মনেৰে তৰোৱাল লৈ খেদি গল কাফ্ৰীটো "এণ্ড বলিয়া হল" বুলি চিঞৰি চিঞৰি লৰ মাৰিলে। মাছুদ আৰু মিৰ্জ্জা সোমাই আছিল, কিন্তু বস্তানে সিহঁতক পোনতে বজা আৰু গুলনাব বুলি ভাবিছিল। অলপ পৰৰ পিছতহে মাছুদ আৰু মিৰ্জ্জাই বুজাই দিব পাৰিলে যে ধোৱা ৰাতিৰ পৰা বস্তান বিছনাত একেবাহে শুই আছে আৰু সি বিবিলাক দৃশ্যৰ কথা কৈছে সেইবিলাক সপোন মাণোন। এই ভৱাবহ সপোন দেখি বস্তানে চমৰকন্দ মাত্ৰা আৰু যশস্তা গৌৰৱৰ বাসনা একেবাৰে এৰি পেলালে আৰু লগে লগে তাৰ জীৱনৰ এটা নতুন অধ্যায় আৰম্ভ হল। উঠি অহা সূৰ্য্যৰ ফালে চাই বস্তানে আঁঠু কাঢ়ি কৈছে—

"আজি বন্দিছোঁ তোমাক উষা সুবিমল!
সুগমীয়া দিবাকৰ! জ্যোতিৰ্ময় দিন!
কৰিলে বিদূৰ আন্ধাৰ কুঁৱলি যেন,
হৃদয়ৰ অন্ধকাৰ কিৰণে তোমাৰ।
সাৰ মাগোঁ জীৱনত প্ৰশান্ত অন্তৰ,
পাপৰ কালিমাহীন হৃদয় সবল।
বিপদ সঙ্কুল অতি পথ গৌৰৱৰ,
যশস্তা কীৰ্ত্তিত মিছা সপোনৰ খেল॥"

মিৰ্জ্জা আৰু মাছুদৰ মনত ইমান দিন কষ্ট দিয়া ৰাবে বস্তানে ক্ষমা খুজিলে। নানা প্ৰবোচনা দেখুৱাই অশান্তি সৃষ্টি কৰোঁতা কাফ্ৰী দাস জাহাক ঘৰৰ পৰা উলিয়াই দিবলৈ বস্তানে মাছুদক অনুৰোধ কৰিলে। মাছুদে তাক বিদায় দিলত সি তাৰ চিৰ বাঞ্ছিত মুক্তি পাই উলাহত জপিয়াই দৰ মাৰিলে। অৱশেষত বস্তানে মিৰ্জ্জাক তাৰ হাতত সমৰ্পণ কৰিবলৈ মাছুদক খাটিলে। মাছুদে খাজা কৈ কোনো উত্তৰ নিদি সন্দেহ আৰু আশঙ্কা প্ৰকাশ কৰিবলৈ ধৰিলে। এনেতে সেই চিনাকি ফকীৰৰ বীণৰ সুৰ আকৌ বাজি উঠিল। বিবিকীয়েসি চাই দেখে, সেই ফকীৰে প্ৰথম অঙ্কৰ শেহত গোৱা গানটোৰ সুৰত বীণ বজাইছে আৰু লগত কাফ্ৰীটোৱে বাঁহী বজাইছে। মাছুদ তন্ময় হৈ সেই অপূর্ব্ব সঙ্গীত শুনিছে আৰু ধীৰে ধীৰে বস্তানৰ প্ৰস্তাৱত সমতি প্ৰকাশ কৰিছে। বস্তান আৰু মিৰ্জ্জাই আঠু কাঢ়ি পৰস্পৰক আৰু মাছুদক সাৱটি ধৰিলে। সঙ্গীতৰ সুৰ বতাহত ভাহি যাবলৈ ধৰিলে।

সমালোচনা

ওপৰৰ বিবৰণৰ পৰা পাঠকে দেখিব যে "সপোন জীৱন" এখন বৈচিত্র্যপূর্ণ ঘটনাময় নাটক। কলকৌশল থকা উন্নত বঙ্গমঞ্চত ইয়াৰ অভিনয় এটা চাবলগীয়া বস্তু। কিন্তু সাহিত্য হিচাবেও ইয়াৰ বিশেষত্ব আছে আৰু বাস্তৱতে সাহিত্যিক মূল্য নাথাকিলে কোনো নাটক স্থায়ী হব নোৱাৰে। "সপোনজীৱন" এখন গদ্য নাটক। শ্রিলপাৰ্চাইৱে ইয়াক শ্লেগিলি Trochaic Tetrameter ছন্দত লিখা ছন্দোবদ্ধ নাটক। শ্রিলপাৰ্চাইৱে ইয়াক শ্লেগিলি নাট্য সাহিত্যৰ Trochaic Tetrameter ছন্দৰ ঝঙ্কাৰ তুলিছে তাৰ সমকুল জার্ম্মাণ নাট্য সাহিত্যত অতি বিৰল। ভাষাৰ মাধুৰ্য্য আৰু মনমোহা বৰ্ণনাই 'সপোন জীৱনক' কবিত্বপূর্ণ পদ্য নাটকৰ ভিতৰত ওখ ঠাইত থিয় কৰাইছে। নাটকখনত সপোনদৃশ্য উজলিমুহলিৰ আগত আছে পাছত স্বভাৱজীৱনৰ দুটা শান্তিপূর্ণ দৃশ্য, মেন ধুমুহা আগত আৰু পাছত প্ৰকৃতিৰ প্ৰশান্ত মুখতি। নিশাৰ নিস্তব্ধতা আৰু উষাৰ নীৰৱ সৌন্দর্য্য ভেদি উঠা বীণবাদ্যৰ কোমল সঙ্গীতে এই প্ৰশান্ত ছবি আৰু গহীন কৰি তুলিছে। এজন বিখ্যাত জার্ম্মাণ সমালোচকে ভেইনৰ শতিকাৰ জার্ম্মাণ সাহিত্যৰ বুৰঞ্জীত লিখিছে যে ৰচনা কৌশলৰ ফালৰ পৰা চালে শ্রিলপাৰ্চাইৱে ইয়াতকৈ সুন্দৰ একো লিখা নাই আৰু জগতৰ আন কোনো নাট্যকাৰেও লিখা নাই। এই কথাত বিশেষ অত্যুক্তি হোৱা নাই। বঙ্গমঞ্চত অনেকে সপোনৰ অৱতাৰণা কৰিছে, কিন্তু ঘটনাৰ বেগ বৈচিত্র্য, কল্পনাৰ সৌষ্ঠৱ আৰু ভাষাৰ মাধুৰ্য্যৰ এনে সমাবেশ অতি বিৰল। নাটকখনৰ দৃশ্যবিলাক ছাঁয়াচিত্ৰৰ দৰে ইটোৱ পাছত সিটো যেনেকৈ যাব লাগিছে, যেন আটাইবিলাক অংশৰ অবিৰ। ছন্দৰ ঝঙ্কাৰ আৰু ভাষাৰ লয়লাসে এই অনির্দ্দিষ্ট ভাব আৰু বঢ়াইছে।

"সপোনজীৱন" নাটকত অনেক সুন্দৰ বৰ্ণনা আছে। নাটকখনৰ আৰম্ভণতে মিৰ্জ্জাৰ মুখত সন্ধিয়াৰ বৰ্ণনা কোনল আৰু সুৱলা। বস্তানৰ আগত কাফ্ৰীটোৱে যুদ্ধৰ যি বৰ্ণনা দিছে তাত প্ৰচণ্ড বেগ আৰু ওজস্বিতা আছে। দ্বিতীয় অঙ্কৰ আৰম্ভণত বস্তানে স্বাধীনতাৰ যি আৱাহন গাধা পাইছে তাত কবিৰ নিজৰ হৃদয়ৰ হেপাহ জড়িত হৈ আছে। সেই সময়ৰ অষ্ট্রিয়াৰ বাজনৈতিক অৱস্থা ব্যক্তিগত স্বাধীনতাৰ অনুকূল নাছিল, আমোলাতৱৰ হেঁচাৰ কোৰ বৰ বেছি আছিল। শ্রিলপাৰ্চাইৱৰ সম সাময়িক প্ৰতিভাশালী গীতি কবি লেনাও আমেৰিকাৰে পৰা সেই দেশৰ স্বাধীন জীৱন দেখি আনন্দত মতলীয়া হৈ তেওঁৰ এটি কবিতাত আমেৰিকাকহে নিজৰ মাতৃ ভূমি বুলি সম্বোধন কৰিছিল।

"সপোনজীৱন" নাটকৰ আখ্যান ভাগ শ্রিলপাৰ্চাইৱে নিজে উদ্ভাবন কৰা নহয়। এটা পুৰণি পাৰশ্য উপাখ্যান অৱলম্বন কৰি বিখ্যাত ফৰাছী লেখক ভলটেয়াৰে "বগা আৰু কাল" বুলি এটা দীঘলীয়া গল্প লিখে। ইয়াকে ভেটি কৰি শ্রিলপাৰ্চাইৱে তেওঁৰ নাটকখন লিখিছে, ৰচনাৰ পৰিপাটী আৰু কল্পনাৰ বলেৰে কবিয়ে বিষয়টো নিজৰ কৰি লৈছে। পুৰণি সম্বুলি কল্পনাৰ সজীৱনী শক্তিৰে নতুন কৰি লৰ পৰাটো কবিপ্রতিভাৰ পৰিচায়ক। বঙ্গমঞ্চত সপোনটো স্বাভাৱিক আৰু বাস্তৱ কৰি দেখুৱাবৰে কবিয়ে বিশেষ যত্ন কৰিছে। প্রায়বিলাক সপোনেই দিহঁকৰ ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত। অলপ মন কৰিলেই দেখা যায় যে মাছুদ আৰু মিৰ্জ্জা সপোনত বগা আৰু ওলনাৰ হৈছে গৈ। সপোনত দেখা শিলৰ ওপৰৰ মানুহটো হৈছে অছমিন, সি সপোনতো বস্তানৰ লগত কাজিয়া কৰিবলৈ এবা নাই। দিহঁকৰ কাণেৰ বোলা চিকাবীটোৱেহে সপোনৰ কালেৱ। দিহঁকৰ দৃশ্য আৰু বস্তানৰ উত্তপ্ত কল্পনা মিলি সপোনটো সৃষ্টি কৰিছে। বঙ্গমঞ্চত যিদৰে আমি অলপ সময়ৰ ভিতৰতে এটা যুগৰ ঘটনা দেখো, সেইদৰে সপোনতো এটা জীৱনৰ ঘটনা দেখা একো আচৰিত নহয়। সপোনত এটা জীৱনৰ অভিজ্ঞতা আমাৰ দৃষ্টিগোচৰ হব পাৰে। জার্ম্মাণ নাটক খনৰ প্ৰকৃত নাম হৈছে "সপোন—এটি জীৱন।"

"সপোনজীৱন" নাটকৰ লগত শ্রিলপাৰ্চাইৱৰ মানস জীৱনৰ অভিজ্ঞতা জড়িত হৈ আছে। তেওঁ দিনে ৰাতিয়ে সপোন দেখিছিল, তেওঁৰ জীৱনৰ এভাগ সপোনত অতিবাহিত হৈছিল বুলিলে অত্যুক্তি নহব। তেওঁৰ আত্মজীৱন চৰিত সম্পৰ্কীয় ৰচনাবিলাকত তেওঁৰ এই সপোন অভিজ্ঞতাৰ বিষয়ে বহুত কথা পোৱা যায়। এঠাইত তেওঁ কৈছে "মোৰ জীৱন সদায়েই এটা সপোন, দিনৰ সপোন নহয়, টোপনিৰ সপোন।" কোনো কোনো সপোনৰ বিষয়ে তেওঁ কৈছে যে সি দিহঁকতকৈও বেছি স্পষ্ট, দিহঁকৰ অৱস্থাটো যেন কুঁৱলিৰে ঢকা, সপোনটো যেন বেলিৰ পোহৰত উজল দীপ্তিময়। মুঠতে শ্রিলপাৰ্চাইৱে সপোনৰ দৃশ্যবিলাক দিহঁকৰ দৰে উপলব্ধি কৰিছিল আৰু দিহঁকৰ দৃশ্যবিলাক তেওঁৰ মনত সপোন যেন লাগিছিল। এই অভিজ্ঞতাৰ দার্শনিক ভেটি নোহোৱা নহয়। প্লেটই "থেয়াইটেটাছ" গ্রন্থত কৈছে যে বাস্তৱতে সপোন আৰু দিহঁকৰ পার্থক্য কি তাক কোৱা টান। দিহঁকৰ ঘটনাবিলাক দিদৰে আমাৰ সঁচা বুলি বোধ হয়, সেইদৰে সপোনৰ ঘটনাবিলাক সপোনত সঁচা বুলি বোধ হয়। মানসিক অভিজ্ঞতা হিচাবে দিহঁকৰ কথোপকথন এটাৰ আৰু সপোনৰ কথোপকথন এটাৰ পার্থক্য কি? সি যি হক, শ্রিলপাৰ্চাইৱৰ সপোন-প্রেৰণা স্বভাৱৰ এটা প্রধান কাৰণ তেওঁৰ কল্পনাশীল মন আৰু তেওঁৰ অকলশৰীয়া বিষাদময় জীৱন। তেওঁ গোটেই জীৱন অবিৰাহিত হৈ আছিল। নিজৰ ব্যক্তিগত অভিজ্ঞতাই কবিক "সপোনজীৱন" নাটকৰ কণ কল্পনা কৰোঁতে সহায় কৰিছিল। ইংৰাজ কবি বৰ্ন্সবৰণ "They leave a weight upon our waking thoughts They take a weight from off our waking toils"

সপোন সম্পৰ্কীয় এই কথাবিলাকৰ্ নিদর্শন শ্রিলপাৰ্চাইৱৰ নিজৰ জীৱনত আৰু তেওঁৰ কল্পিত ৰস্তানৰ চৰিত্রত পোৱা যায়।

* এই লৰা দুটা ক্রমে দিহঁক আৰু সপোনৰ প্রতিমূর্ত্তি।

"সপোনজীবন" নাটকত গ্রিল পার্ক্কাবে সপোন সম্পর্কে আৰু এটা প্রশ্ন তুলিছে। বক্তাবৰ মুখত সপোনটোৰ বিবৰণ শুনি মাছুৱে কৈছে, "সপোনে অভিলাষ সৃষ্টি নকৰে, কিন্তু তই থকা অভিলাষ জগাই তোলে। সপোনত দেখা যিবিলাক দৃশ্য সাৰ পালত তোমাৰ ভয়ৰ বুলি বোধ হৈছে তাৰ বীজ হয়তো তোমাৰ মনত লুকাই আছিল।" ইয়াৰ মৰ্ম্ম এই যে আমাৰ এনে অনেক সুপ্ত প্রবৃত্তি আছে যিবিলাকৰ কথা আমি দিঠকত গম নাপাওঁ, কিন্তু সপোনত পাওঁ। দার্শনিক ষ্ট্রেচই তেওঁৰ 'বাট্' গ্রন্থৰ এঠাইতে কৈছে যে সকলো মানুহৰ মনতে, আন কি যিবিলাকৰ স্বভাৱ সাধু সজ বুলি বোধ হয় তেওঁবিলাকৰ মনতো, কিছুমান অসংযত আৰু উচ্ছৃঙ্খল হাবিবাস থাকে। সপোনত এইবিলাকৰ সন্ধান পোৱা যায়। মনোবিজ্ঞানৰ ভাষাত কবলৈ গলে আমাৰ অনেক প্রবৃত্তি আৰু ইচ্ছা আমাৰ মনৰ তলৰ খাপত বা মগজুৰ (subconscious) স্তবত লুকাই থাকে। দিঠকৰ বিচাৰ শক্তি আৰু নৈতিক বাধাৰ প্রভাবত এই বিলাকে জাগ্রত অৱস্থাত সাধাৰণতে দেখা দিব নোৱাৰে, কিন্তু সপোনত বিচাৰশক্তি লোপ পালে দেখা দিয়ে। কিন্তু জাগ্রত অৱস্থাতো যে এইবিলাকৰ আভাস পোৱা যায় তাৰ প্রমাণ দিবাসপোন (Day-dreaming)। কাৰণ, দিবাসপোনত আমি অনেক সময়ত এনেবিলাক কথাৰ কল্পনা কৰোঁ। যিবিলাক আমাৰ বিবেকৰ বিৰোধী আৰু যিবিলাক আমি দবাচলতে কেতিয়াও কার্য্যত পৰিণত নকৰোঁ।। কিন্তু ঘনাই দিবাসপোনৰ অভ্যাস কৰিলে যে এইবিলাক সুপ্ত প্রবৃত্তি জাগি উঠি আমাক অনেক সময়ত পাপৰ পথলৈ নি বিপদত পেলাব পাৰে তাকো মনোবিজ্ঞান বিদ্ সকলে স্বীকাৰ কৰে।*

আমি আলোচনা কৰা নাটখনত গ্রিলপার্ক্কাবে তেওঁৰ জীৱন দৃষ্টিৰো আভাস দিছে। সেইগুণৰ অভ্যস্ত কোনো কোনো জার্ম্মাণ কবিৰ দৰে গ্রিলপার্ক্কাবো ছখবাদী আছিল। পার্থিব ভোগবিলাস গৌৰৱ আৰু যশস্যা সকলো মিছা, কেৱল আত্মতুষ্টি, বৈৰাগ্য আৰু বিশুদ্ধ নির্ম্মল অন্তৰতহে প্রকৃত সুখ পোৱা যায়—এনে মত তেওঁ তেওঁৰ কবি আৰু নাটক উভয়তে প্রকাশ কবিছে। সপোনৰ ব বক্তাবে "সাৰ মাথো জীৱনত প্রশান্ত অন্তৰ' যিবিলাক কথা কৈছে তাত গ্রিলপার্ক্কাবৰ নিজৰ অনুভূ আৰু দৃঢ় বিশ্বাস প্রকাশ পাইছে। কবিয়ে তেওঁৰ এখন নাটকতো কৈছে,

"পার্থিব সৌভাগ্য ছাঁয়াৰ সমান।
পার্থিব গৌৰৱ সপোন সমান॥"

গ্রিলপার্ক্কাবৰ এই কথাবিলাকত এটা গভীৰ ম লুকাই থাকিলেও জীৱনৰ আদর্শ হিচাবে তাৰ ব সকলোবে সহানুভূতি নোহোৱাটো স্বাভাৱিক। কিন্তু বক্তব্য অকল এয়ে নহয়। বক্তাবৰ চৰিত্রৰ ফালে মন কবিলেই দেখা যায় যে বক্তাবৰ আকাঙ্ক্ষাব মনৰ বল নাই। সকলো কথাতে সি কাঞ্চীটো অনুসৰণ কৰিছে আৰু কাঞ্চীটোৱে ঘোৰ কাম এটা কৰিবলৈ কলেও তাৰ প্রতিবাদ বা প্রতি কৰিবলৈ তাৰ শক্তি নাই। আত্মনির্ভৰ আৰু শক্তিৰ বিষয়ত বক্তাব বৰ দুর্ব্বল বুলি বোধ হয়। সম্পূর্ণৰূপে প্রবৃত্তি আৰু কল্পনাৰ বশবর্ত্তী। বক্তাবৰ নি মানুহৰ পক্ষে সমবক্ষেত্রৰ জয় গৌৰৱ আৰু বিপদ ক্ষমতা লাভতকৈ স্বভাৱ জীৱনৰ শান্তিভোগহে উপযোগী। অন্তৰা আৰু শক্তি অনুসৰি আকাঙ্ক্ষা কৰিব লাগে—এই শিকনি বক্তাবে সপোনৰ পৰা গ্রীক কবি ইউৰিপিদিছৰ এখন নাটকত এযাৰ কথা যে "গৌৰৱপূর্ণ মৰণতকৈ নিষ্কট জীৱন ভাল।" সময়তে এই কথা কাপুরুষালিৰ পৰিচায়ক নহয়। জীৱন সঙ্কটাপন্ন কৰাটো বীৰত্ব নহয় আৰু গৌৰৱ সকলোবে উপযোগী নহয়। তছপৰি এটা কথা ভাবি লাগে যে বক্তাবৰ গৌৰৱ আকাঙ্ক্ষা আৰু মহত্ব স্বার্থ সাধনৰ হাবিয়াস মাথোন। তাত কোনো আদর্শৰ প্রেৰণা নাই। কাঞ্চীদাস জাঙ্গা পাপপ্রবৃত্তি প্রতিনিধি আৰু তৃতীয় অঙ্কৰ ডাইনীজনী বক্তাবৰ বিবেকৰ প্রতিমূর্ত্তি। শক্তিৰ অতীত আৰু অনি ফলদায়ক স্বার্থপৰ গৌৰৱ অভিযানত জীৱন অর্পণ কৰি

* Stout অৰAnalytic Psychology (vol. II) আদি গ্রন্থত এই বিষয়ক কথাৰ আলোচনা আছে—লিখক

কাৰণে মিৰ্জ্জাৰ সৰল প্রেম আৰু প্রকৃতিৰ কোলাত শান্তিময় জীৱনৰ সুখ ত্যাগ কৰিবলৈ ওলোৱাটো বক্তাবৰ পক্ষে মায়া মৰীচিকাৰ পাছ লোৱাৰ নিচিনা হৈছিল। আন পক্ষে কিন্তু মহৎ আদর্শৰ খাটিত জীৱনৰ সুখ শান্তি সকলো বিসর্জ্জন কবাটোও যে মনুষ্যত্বৰ লক্ষণ সেই বিষয়েও সন্দেহ নাই আৰু তাৰো চিত্র নাট্য সাহিত্যত অনেক পোৱা যায়। বিখ্যাত আইৰিছ কবি ইয়েট্ছৰ Cathleen Ni Houlihan নামক ইংৰাজী নাটকাৰ নায়ক মাইকেলৰ লগত বক্তাবৰ বিজাই চাব পাবি। পাশ্চিমৰ পার্ব্বত্য দৃশ্যৰ মাজত যিদৰে বক্তাব আৰু মিৰ্জ্জাৰ মিলনৰ সূত্রপাত হৈছিল, সেই দৰে গাঁৱলীয়া জীৱনৰ দৃশ্যৰ মাজত মাইকেল আৰু ডেলিয়াৰ বিৰাহৰ আয়োজন হৈছিল। এনেতে জাঙ্গাই বক্তাবক প্রলোভন দেখুৱাব দৰে এজনী অদ্ভুত বুঢ়ী আহি এটা মনমোহা গীতেৰে অনন্ত গৌৰৱৰ প্রলোভন দেখুৱাই মাইকেলক কবাবলৈ বৈ গল। বক্তাবৰ ওচৰত মিৰ্জ্জাৰ ককণ মিনতিৰ দৰে ডেলিয়াৰ কান্দোন নিষ্ফল হল। কিন্তু এই খিনিতে এটা ডাঙৰ পার্থক্য দেখা যায়। সেই অদ্ভুত বুঢ়ী জনীক আৰু দেখা নগল, কিন্তু তাইৰ ঠাইত বাণীৰ দৰে খোজ কঢ়া এগবাকী নবীন কিশোৰীক দেখা গৈছিল। তেওঁ আইৰিছ জন্মভূমিৰ অমৰ প্রতিমূর্ত্তি, জন্মভূমিৰ কাৰণে আত্মবলিদান বিচাৰি আছিল। মাইকেলৰ প্রলোভন আৰু বক্তাব, মেকবেথ আদিৰ প্রলোভন যে একে নহয় তাক কোৱা অনাবশ্যক মাথোন।

বঙ্গমঞ্চত সপোনৰ দৃশ্য দেখুৱাটো এটা বহুকষ্টীয়া কৌশল। এই বিষয়ত নাট্য সাহিত্যত দুটা প্রণালী দেখা যায়। এটা প্রণালী মতে কোনো এজন মানুহক আবু হোচেনৰ দৰে টোপনিতে আন এঠাইলৈ নি তাত সাৰ পাবলৈ দিয়া হয় আৰু তেওঁ তাৰ দৃশ্যবিলাক সপোন বুলি ভাবে। এই প্রণালীত লিখা নাটকৰ তিতৰত সোতৰ শতিকাৰ বিখ্যাত স্পেনিছ নাটক কেল্ডেৰ প্রণীত "জীৱন সপোন" প্রধান। গ্রিলপার্ক্কাবে স্পেনিছ নাট্য সাহিত্য ভালকৈ অধ্যয়ন কবিছিল আৰু সেই সময়ত ভিয়েনাত উক্ত স্পেনিছ নাটকখনৰ জার্ম্মান ভাঙনিৰ অনেকবাৰ অভিনয় হৈছিল। ছেক্ছপীয়েবৰ 'Taming of the Shrew'ৰ পাতনিতআৰ বিশেষকৈ তাৰ মূল 'Taming of a Shrew' নাটকতো এই নিচিনা প্রণালী ব্যবহাৰ কবা হৈছে। দ্বিতীয়টো প্রণালী মতে বঙ্গমঞ্চত এটা সম্পূর্ণ সপোন দেখুৱা হয়। "সপোন জীৱন" নাটকেই ইয়াৰ আটাইতকৈ উৎকৃষ্ট উদাহবণ। বর্ত্তমান জার্ম্মাণ সাহিত্যৰ প্রধান নাট্যকাৰ হাউপ্তমানৰ "হানেলে" নাটকতো এই প্রণালী খটোৱা হৈছে। ইংৰাজী সাহিত্যত এলিজাবেথ যুগৰ পীল প্রণীত "বুটাৰ সাধু" নাটক আৰু বিশেষকৈ ছেক্ছপীয়েবৰ "মাজ নিশাৰ সপোন" সপোন আৰু সাধুকথাৰ সুন্দৰ সংমিশ্রণ। আংশিক ভাবে অনেক নাটকত সপোনৰ ব্যবহাৰ কবা হৈছে। এই বিষয়ত সংস্কৃত নাটক ভাসৰ "স্বপ্নবাসবদত্ত" অতি প্রাচীন। সমসাময়িক ইংৰাজী সাহিত্যত বার্ণার্ড খৱ "চেইণ্ট জোৱান" নাটকৰ এটা অঙ্কতো এটা আচবিত সপোনৰ অৱতাবণা কবা হৈছে। আৰু উদাহবণ দিবাৰ আৱশ্যক নাই।

সপোনৰ দৰে বঙ্গমঞ্চত Somnambulism বা সপোন ভ্রমণবো অৱতাবণা কবা হৈছে। জার্ম্মাণ নাট্যকাৰ ক্লাইষ্টৰ কোনো কোনো নাটকত এনে দৃশ্য দেখুৱা হৈছে। সপোন ভ্রমণৰ দৃশ্য অৱশ্যে বঙ্গমঞ্চত বেছি দেখা নাযায়। আধ্যান সাহিত্যত আধুনিক ইংৰাজী সাহিত্যৰ বিখ্যাত উপন্যাস ৰমাক হাডি প্রণীত "টেচ'ৰ এঠাইত সপোন ভ্রমণৰ এটা কৰুণ আৰু ভয়াৱহ দৃশ্য বর্ণেয়া হৈছে।

সপোন নাটকৰ সজাতীয় আৰু এবিধ বচনা গ্রীক সাহিত্যত পোৱা যায়। তাক সপোন বক্তৃতা বুলিব পাবি। কথিত আছে যে এসময়ত হাবকিউলাচৰ আগত পাপ আৰু পুণ্যই তিবোতাৰ বেশেৰে আহি তেওঁক বশ কবিবৰ মনেৰে নিজৰ নিজৰ গুণ বখানিছিল। গ্রীক ঐতিহাসিক জেনফোনৰ এখন গ্রন্থত এই গুণকীর্ত্তন পোৱা যায় আৰু তাত গ্রীক মনীষী প্রডিকাচে তাক উদ্ধাবন কবিছিল বুলি উল্লেখ কবা হৈছে। ইয়াকে অবলম্বন কবি গ্রীক লেখক লুকিয়ানে তেওঁৰ বিখ্যাত "সপোন" বচনা কবে। ইয়াত প্রস্তবশিল্প আৰু সাহিত্য বিদ্যাই তিবোতাৰ বেশ ধবি লুকিয়ানক আকর্ষণ কবিবৰ মনেবে সপোনতে নিজৰ নিজৰ গুণ বর্ণাই ওজবী বক্তৃতা দিছে। সপোন বক্তৃতা সপোন নাটকৰ দুব প্রতিনিধি।

কামরূপৰ তীৰ্থ-বিবৰণ

—ৰায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

(১)

আমি সাধাৰণতঃ পুণ্য স্থানাদিক তীৰ্থ বোলোঁ। কিন্তু হিন্দুশাস্ত্ৰ মতে তীৰ্থ তিনি বিধ। যথা—(১) জঙ্গম বা তীৰ্থ অন্তৰ্ৱৰ, (২) মানস আৰু (৩) স্থাৱৰ বা ভৌম তীৰ্থ।

যাৰ বাক্যামৃত পান কৰিলে মানুহৰ মনৰ মলিনতা ঘুচে, মন শুদ্ধ হয়, এনে ব্ৰহ্ম পৰায়ণ সাধু মহাজনৰ বা জঙ্গম তীৰ্থ গুৰুৰ সঙ্গপ্ৰদেশপূর্ণ বাক্য শুনা আৰু ধৰ্মশাস্ত্ৰ পঢ়াকে জঙ্গম তীৰ্থ বোলে। এতেকে সৎ সঙ্গ, শ্ৰৱণ, কীৰ্ত্তন, অধ্যয়ণ, অধ্যাপন, সদালাপ আৰু সজ চিন্তাৰ দ্বাৰা জঙ্গম তীৰ্থত স্নান কৰা উচিত।

মানস তীৰ্থ কি? এই প্ৰশ্নৰ উত্তৰত অগস্তি ঋষিয়ে কৈছিল,—

"সত্যং তীৰ্থং ক্ষমা তীৰ্থং তীৰ্থমিন্দ্ৰিয় নিগ্ৰহঃ।
সৰ্ব্বভূত দয়া তীৰ্থং সৰ্ব্বত্ৰাৰ্জ্জৱমেৱ চ॥
দানং তীৰ্থং দমস্তীৰ্থং সন্তোষতীৰ্থমুচ্যতে।
ব্ৰহ্মচৰ্য্যং পৰং তীৰ্থং তীৰ্থঞ্চ প্ৰিয়ৱাদিতা॥
জ্ঞানং তীৰ্থং ধৃতিস্তীৰ্থং পুণ্যং তীৰ্থমুদাহৃতম্।
তীৰ্থানামপি তত্তীৰ্থং বিশুদ্ধি র্মনসঃ পৰা॥

এতত্তে কথিতং দেৱি মানসং তীৰ্থ লক্ষণং।"

সত্য, ক্ষমা, ইন্দ্ৰিয় নিগ্ৰহ, সকলো প্ৰাণীলৈ দয়া, সকলো ঠাইতে সৰলতা, দান, দম বা আত্ম-সংযম, সন্তোষ, ব্ৰহ্মচৰ্য্য, প্ৰিয়ৱাদিতা, জ্ঞান, ধৃতি, আৰু পুণ্য,—এই বিলাক মানস তীৰ্থ। এই সকলোবে ভিতৰত মনৰ বিশুদ্ধতাই শ্ৰেষ্ঠ তীৰ্থ। কিয়নো, চিত্ত শুদ্ধি নহলে বিষয়াসক্তি ঘুচুকে; বিষয় বাসনাত ডুব দৈ থাকিলে শান্তি লাভ কৰিব নোৱাৰি। সুকাৰ্য্য কৰি মনত যি আত্ম-প্ৰসাদ পোৱা যায়, তাকে পুণ্য বোলে।

মানস তীৰ্থ

জঙ্গম আৰু মানস তীৰ্থৰ নিমিত্তে সাধুসঙ্গ আৰশ্যক। সাধুসঙ্গৰ গুণত অন্তৰৰ মলিনতা দূৰ হয়, চিত্ত বৃত্তি বিলাক নিৰ্ম্মল হয়। গীতাৰ ১৬ অধ্যায়ত বিবিলাক দৈৱী সম্পদৰ কথা লিখা আছে, সেই বিলাকৰ অধিকাৰী হব পাৰিলে মানস তীৰ্থত স্নান কৰা হব। সেই সম্পদ পাবলৈ হলে গীতাৰ ১৭ অধ্যায়ত লিখা মতে শাৰীৰিক, বাচিক আৰু মানসিক তপস্যা কৰিব লাগিব। কাম, ক্ৰোধ আৰু লোভ, এই তিনিওটা বিপুক দমন কৰিব লাগিব।

সিদ্ধ মহাপুৰুষ সকলৰ লীলাভূমি, পুণ্যাত্মা ঋষি, মুনি, সন্ত, সাধু সকলৰ আশ্ৰম বা সত্ৰ, প্ৰসিদ্ধ দেৱালয়, মঠ বা মন্দিৰ, কৰ্ম্মবীৰ বা বীৰাঙ্গনা সকলৰ কৰ্ম্মক্ষেত্ৰ বা তেওঁৰ স্থাৱৰ বা ভৌম লোকৰ ওপজা বা মৰা ঠাই, প্ৰসিদ্ধ নদ-নদী, কুণ্ড-সৰোৱৰ, আদিক স্থাৱৰ বা ভৌম তীৰ্থ বোলে। সেইবিলাক ঠাই দৰ্শন কৰিলে তাৰ পৰিত্ৰ প্ৰভাৱ অনুভৱ কৰিব পাৰি। কোনো কোনো তীৰ্থ স্নানৰ নৈসৰ্গিক শোভাই দৰ্শকৰ মনত অনিৰ্ব্ৱচনীয় আনন্দ দিয়ে। ভগৱদ্ভক্তি ৰসত মন আপ্লুত হয়। কোনো কোনো ঠাইৰ অতীত কীৰ্ত্তিৰ চিনবিলাকে পুৰণি স্মৃতি জগাই দিয়ে। স্থাৱৰ বা ভৌম তীৰ্থবিলাক অতীত গৌৰৱৰ জীৱন্ত ইতিহাস। কৰ্ম্মবীৰ আৰু ধৰ্ম্মবীৰ সকলৰ যুগমীয়া স্মৃতিস্তম্ভ।

স্থাৱৰ বা ভৌম তীৰ্থ

পুণ্য ভূমি ভাৰতৱৰ্ষত অনেক ভৌমতীৰ্থ আছে। সেই সকলোবিলাক চাব খুজিলে গোটেইখন ভাৰত ৰেল কৰিব লাগিব। উত্তৰে মানস সৰোৱৰৰ পৰা দক্ষিণে ৰামেশ্বৰ সেতুৰন্ধনৈকে, পূৱে পৰশুৰাম কুণ্ডৰ পৰা পশ্চিমে দ্বাৰাৱতী বা দ্বাৰকাপুৰীলৈকে গোটেইখন ভাৰতৱৰ্ষ ভৌম তীৰ্থেৰে ভৰা। এই বিলাক তীৰ্থ দৰ্শনৰ কাৰণে ভাৰত ভ্ৰমণ কৰিলে নানা বিষয়ৰ অভিজ্ঞতা আৰ্জ্জিব পাৰি আৰু ভাৰতৱ নানা প্ৰদেশৰ লোকবিলাকৰ লগত দেখা সাক্ষাৎ আৰু আলাপ কৰি পৰস্পৰৰ ভিতৰত ভ্ৰাতৃভাৱ বঢ়াব পাৰি।

আমাৰ শাস্ত্ৰই এই বিলাক কাৰণতে কৈছে,—

"তস্মাত্তৌষেষু তীৰ্থেষু মানসেষু চ নিত্যশঃ।
উভয়েষ্বপি যঃ স্নাতি স যাতি পৰমাং গতিম্॥

অৰ্থাৎ ভৌম আৰু মানস এই উভয় বিধ তীৰ্থতে যি নিতৌ স্নান কৰে তেওঁ পৰম গতি লাভ কৰে।

"ব্ৰহ্ম পুৰাণ" আৰু আন কেবাখনো পুৰাণ শাস্ত্ৰত তীৰ্থ যাত্ৰাৰ বিধান আছে।

এজন বঙ্গালী কবিয়ে লিখিছে,—

"ভাৰত আমাৰ, ভাৰত আমাৰ,
যেখানে মানৱ মেলিল নেত্ৰ;
ভাৰত আমাৰ, ভাৰত আমাৰ,
তুমি এশ্ৰিয়াৰ তীৰ্থক্ষেত্ৰ।"

এই পৃথিবীৰ ভিতৰত ভাৰতৱৰ্ষ শ্ৰেষ্ঠ ভূমি। যি সুবিস্তৃত ব্ৰিটিছ্ সাম্ৰাজ্যত সূৰ্য্য অস্ত নাযায়, সেই ব্ৰিটিছ সাম্ৰাজ্যৰ মুকুটৰ ই উজ্জ্বলতম মণি। অনেক পুণ্যৰ ফলত হে ভাৰতত মনুষ্য জন্ম লাভ কৰা যায়। জেকোলিয়ট্ নামে ফ্ৰান্স দেশৰ এজন পণ্ডিতে "Bible in India" নামে পুথি লিখিছে,—

"পৃথিবীৰ সকলো জাতিৰেই আদি থকা ঠাই ভাৰতৱৰ্ষই পৃথিবীৰ সকলো জাতিৰ সাধাৰণ জননী। ভাৰত মাতৃকেই তেওঁৰ সন্তানবিলাকক পাশ্চাত্য দেশৰ প্ৰান্ত সীমা পৰ্য্যন্ত পঠাইছিল। ভাৰতেই আমাৰ ভাষা, সাহিত্য, আইন, নীতি আৰু ধৰ্ম্ম প্ৰদান কৰি, আমি যে কাদিতে ক'ত উৎপন্ন হৈছিলোঁ, আমাৰ নো গুৰি ডাল ক'ত তাৰ অবিনশ্বৰ প্ৰমাণ ৰাখি দিছে। হে পুৰণি ভাৰতৱৰ্ষ, সকলো মানৱ জাতিৰ আদি জন্মভূমি, মই তোমাক বন্দনা কৰোঁ, বাৰম্বাৰ অভিবাদন কৰোঁ। তুমিয়েই পুৰণি গুৰু, চেনেহী ধাত্ৰী। শ শ শতিকাৰ পাশৱিক আক্ৰমণেও তোমাক পাহৰণিৰ মৈদামত পুতিবলৈ সমৰ্থ হোৱা নাই। ধৰ্ম্ম, বিশ্বাস, প্ৰেম, কবিতা, আৰু জ্ঞানৰ জন্মভূমি, মই তোমাক নমস্কাৰ কৰোঁ।"

আমাৰ মহাপুৰুষ মাধৱদেৱে "নামঘোষা" পুথিত ভাৰতক বৰ্ষৰ ৰীণ বুলিছে। যথা,—

"ভাৰত বৰ্ষৰ ৰীণ, মনুষ্য শৰীৰ নৌকা,
ৰাম নাম মহাৰত্ন সাৰ।
হেনয় বাণিজ পাই, মিটো জনে নকৰয়,
তাত পৰে দুঃখী নাহি আৰ॥"

ভাৰতৱৰ্ষ ভিতৰত প্ৰাগ্‌জ্যোতিষ বা কামৰূপ আৰু কাশীৰ শ্ৰেষ্ঠ ঠাই। কামৰূপ ভাৰতৱৰ্ষ উত্তৰ-পূৱে, কাশীৰ উত্তৰ-পশ্চিমে। এই দুই প্ৰদেশৰ ভিতৰত মাহাত্ম্য আৰু প্ৰাচীনতাত কামৰূপ কাশ্মীৰতকৈ শ্ৰেষ্ঠ। কামৰূপ আদি ভূমি আদিম্বৰ্গ, সুৰালয় বা দেৱভূমি। কামৰূপৰ কামাখ্যা পীঠৰ মনোভৱ গুহাতে আদি মানৱ-দম্পতিৰ জন্ম হৈছিল। কামখ্যা পীঠেই যোনিৰ "দেৱকৃতং যোনি" আৰু পুৰাণৰ "যোনি পীঠ"।

প্ৰাগ্‌জ্যোতিষ বা কামৰূপ

স্বৰ্গীয় দুৰ্গাদাস লাহিড়ী প্ৰণীত "পৃথিবীৰ ইতিহাস" পুথিৰ দ্বিতীয় ভাগত কামৰূপৰ সম্বন্ধে অনেক জানিব লগীয়া কথা আছে। তেওঁ লিখিছে,—"ত্ৰেতাযুগ হইতে আৰম্ভ কৰিয়া যুগে যুগে কামৰূপ বা প্ৰাগ্‌জ্যোতিষ ৰাজ্যেৰ মাহাত্ম্য-তত্ত্ব পৰিকীৰ্ত্তিত হইয়া আসিতেছে।" "কালিকা পুৰাণত" লিখা আছে,—

"অস্ত মধ্যে স্থিতো ব্ৰহ্মা প্ৰাগ্ নক্ষত্ৰং সসর্জ্জহ।"

অৰ্থাৎ এই কামাখ্যা পীঠতে ব্ৰহ্মাই নক্ষত্ৰ এটি সৃষ্টি কৰিছিল। সেই বাবে ইয়াৰ নাম "প্ৰাগ্‌জ্যোতিষ" হয়।

"যোগিনী তন্ত্ৰ" (পূৰ্ব্বখণ্ড, পঞ্চদশ পটল) পুথিৰ পৰা জনা যায় যে ব্ৰহ্মশক্তি কালীয়ে সৃষ্টিকৰ্ত্তা ব্ৰহ্মাক কৈছিল :—

"এই যোনিমণ্ডল মোৰ তেজৰ পৰা উৎপন্ন হৈছে; ই সকলোবে উত্তৰ স্থান বুলি জানিবা; তাত কোনো সংশয় নকৰিবা; মোৰ যি প্ৰকৃতি সেয়ে এই দেৱযোনি; এই যোনিমণ্ডলৰ পূজা কৰি তুমি যথার্থতে নৱনাৰী সৃষ্টি

করা। হে পিতামহ, তোমার ক'তো ভয় নাই; এই পীঠত মোর অধিষ্ঠান আছে, কোনো সন্দেহ নাই; সেই অধিষ্ঠাতৃ স্বরূপ মোর সুশোভন রূপ এই যোনিমণ্ডল।
* * * তোমার আর অন্য সকলোরে হিতর নিমিত্তে এই যোনিমণ্ডল স্থাপিত হৈছে। এই মহাস্থান কামরূপ নামে পৃথিবী মণ্ডলর ভাবতবর্ষত অবস্থিত। এই মহাপীঠ নরযোনি সমাকীর্ণ আরু মহামুক্তি ফলদায়ক। হে ব্রহ্মণ, নরযোনি যুক্ত কামরূপ কামাখ্যার তেজত সেই মনোহর যোনিমণ্ডল দীপ্ত হৈ আছে। নক্ষত্রলোকর পরা ধ্যান যোগত এটি নক্ষত্র তাত পেলাই লৈ যোনিপীঠ উত্তম জ্যোতির্ম্ময় দেখি সেই জ্যোতির ফালে চাই তুমি তাত তপস্যা করা। যি পর্য্যন্ত যোনিতেজত সেই জ্যোতি মিলি যোৱা নেদেখিবা সেই পর্য্যন্ত ঘোর তপস্যা করা।"

কামরূপ যে মানুহজাতির আদি জন্মভূমি সেই কথা "কালিকা পুরাণর" পরা জনা যায়। "কামরূপ," এই নামটোর উৎপত্তির বিষয়ে উক্ত পুরাণত লিখা আছে,—

"শম্ভুনেত্রাগ্নিদগ্ধঃ কামঃ শম্ভোরনুগ্রহাৎ।
তত্র রূপং যতঃ প্রাপ কামরূপং ততোঽভবৎ॥"

কামে হবর কোপানলত দগ্ধ হৈ আকৌ যেতিয়া হবর অনুগ্রহত এই পীঠত নিজর রূপ পালে তেতিয়র পরা ইয়ার নাম কামরূপ হ'ল।

"India and Jambu Island" পুথির পরা জনা যায়, এসময়ত কামরূপক কাশ্মীর বুলিও কোরা হৈছিল। কামরূপর কাশ্মীর এতিয়ার খাচিয়া পর্ব্বত। কাশ্মীর শুকিয়ে আদিতে তাত উপনিবেশ স্থাপন করি তার মানুহ বিলাক কাশ্মিয়া বুলিছিল। (ব্রহ্মপুরাণর ৫৪ অধ্যা চাওক।) এই কামরূপতে বহাই অতাবত বিষ্ণুরে ভূমি উদ্ধার কবিছিল বুলি পুরাণত লিখা আছে।

কামরূপ বাজ্যর সীমা আদির বিষয়ে "কালিকা পুরাণত লিখা আছে,—

"করতোয়াং সমারভ্য যাবদ্ভিরুববাসিনীম্।
ত্রিংশদ যোজন বিস্তীর্ণং দীর্ঘেন শত যোজনম্॥
ত্রিকোণং কুব্জবর্ণঞ্চ প্রাক্তনাচল পুবিতম্।
নদী শত সমাযুক্তং কামরূপং প্রকীর্ত্তিতম্॥"
—কাং পুঃ ৫১ আধ্যা।

কামরূপর পশ্চিম সীমাত করতোয়া গঙ্গা, পুবদিয়ার দিক্ববাসিনী বা দিক্ষৰং নৈ, ই দীঘে এশ যোজন, পথালিয়ে ৩০ যোজন; ই ত্রিকোণাকার; কুব্জ বা শ্যাম বরণীয়া; অনেক পর্ব্বত পাহাড় ইয়াত আছে, আরু ইয়ার চারিফালে শৰ নদী বৈ আছে।

"যোগিনী তন্ত্রত" আছে,—

কামরূপ মহাপুজা সর্ব্বসিদ্ধি ফলপ্রদা।
নেপালস্ত কাঞ্চাদ্রিং ব্রহ্মপুত্রস্ত সঙ্গমং॥
করতোয়াং সমাশ্রিত্য যাবদ্দিক্ষর বাসিনী।
উত্তরস্যাং কঞ্জগিরিঃ করতোয়াস্তু পশ্চিমে॥
তীর্থশ্রেষ্ঠা দিক্ষু নদী পূর্ব্বস্যাং গিরিকন্যকে।
দক্ষিণে ব্রহ্মপুত্রেণ লাক্ষায়াঃ সঙ্গমাবধি।
কামরূপ ইতিখ্যাতঃ সর্ব্বশাস্ত্রেষু নিশ্চিতঃ॥
গুণানি ত্রিগুণ্যপাকর্ত্তুং যস্য চিত্তং প্রসীদতি।
স গচ্ছেৎ পরমা ভক্ত্যা কামাখ্যা যোনি সন্নিধিং।
তীর্থ যাত্রাং সমাসাদ্য যজ্ঞেকোহপ্যত্র গচ্ছতি।
পদে পদেঽশ্বমেধস্য ফলং প্রাপ্নোতি মানবঃ
ত্রিংশদ যোজন বিস্তীর্ণং দীর্ঘেন শতযোজনং।
কামরূপং বিজানীহি ত্রিকোণাকার মুত্তমং।
ঈশানে চৈব কৈলাবো বায়ব্যাং গজশাসনঃ
দক্ষিণে নঙ্গমে দেবি লাক্ষায়াঃ ব্রহ্মবৈতসঃ॥
ত্রিকোণমেবং জানীহি সুবাসুব নমস্কৃতঃ।
তত্র যে মানবাঃ সন্তি তে দেবাঃ নাত্র সংশয়ঃ॥
তত্র যদ্ জলং দেবি তৎ সর্ব্বং তীর্থ মেব হি।"

কামরূপত মহা পূজা কৰিলে সর্ব্ববিধ সিদ্ধি আরু সর্ব্বফল লাভ হয়। উত্তরে নেপালর কাঞ্চনগিরি (কাঞ্চনজঙ্ঘা) আরু দক্ষিণে ব্রহ্মপুত্র নদর সঙ্গম পর্য্যন্ত, পশ্চিমে করতোয়া নদীর পরা পুবে দিক্ববাসিনী (দিবর নৈ পর্য্যন্ত; উত্তরে কঞ্জ গিরিবপরা পশ্চিমে করতোয়ালৈকে; পুবফালে গিরিকন্যা তীর্থ শ্রেষ্ঠা নদী (দিখৌ) নৈলৈকে। আরু দক্ষিণে লাক্ষা (নীতাখ্যা) নদীর লগত ব্রহ্মপুত্রর সঙ্গম পর্য্যন্ত; এই সীমার ভিতর ভূখণ্ড কামরূপ বুলি সকলো শাস্ত্রই নিশ্চয় করিছে। পিতৃ ঋণ, ঋষিঋণ, আরু দেব ঋণ, এই তিনি ঋণ পরিশো

করি চিত্তর প্রসন্নতা লাভ করিব খুজিলে, পরম ভক্তিরে সেতে কামাখ্যা পীঠলৈ যাব লাগে। তীর্থযাত্রা অরণ্যত করি যি কোনো মানুহ এই মহাতীর্থলৈ যায়, তেওঁ পদে পদে অশ্বমেধ যজ্ঞর ফল লাভ করে। কামরূপ ত্রিকোণাকার, দীর্ঘে এশ যোজন আরু পথালিয়ে ত্রিশ যোজন জানিব। ঈশানত কৈলাব, বায়ুকোণত গজ শাসন, দক্ষিণত শীতলাক্ষা নদীর লগত ব্রহ্মপুত্রর সঙ্গম। এই তিনি কুণীয়া কামরূপ সুবাসুর সকলোরে নমস্কৃত। তাত যি সকল মানুহ আছে, তেওঁলোক দেৱতা, তাত কোনো সংশয় নাই, তাত যি যি জল আছে, সেই সকলোবোৰেই তীর্থ।

"কালিকা পুরাণর" ৩৮ অধ্যাত লিখা আছে যে ভগবান বিষ্ণুরে তেওঁর পুতেক নবকাসুবক কৈছিল, "হে পুত্র, করতোয়া গঙ্গাব পরা আৰম্ভ করি যি ঠাইত ললিতকান্তা, তীক্ষ্ণ কান্তা (বৰকালিকা) দেবী আছে, সেই পর্য্যন্ত তোমার বাজ্য। ইয়াত দেবী মহামায়া জগৎপ্রসবিনী যোগনিদ্রাই কামাখ্যারূপ ধাবণ করি সদায় বিবাজ করিছে, আরু নদবাজ ব্রহ্মপুত্র লৌহিত্য ইয়ার মাজেদি বৈ আছে; ইয়াত স্বয়ং মহাদেবে ও ব্রহ্মাবে সৈতে মই সদায় অৱস্থান করো; এই পুণ্যভূমিত দশ দিক্‌পাল নিজর নিজর ঠাইত আছে; চন্দ্রসূর্য্যও নিবন্তর ইয়াত বাস কবিছে। এই উত্তম বহস্থময় দেশখনলৈ সকলো দেৱতা ক্রীড়া কবিবলৈ আছে। ইয়াত সর্ব্বতোভদ্রা নামে লক্ষ্মী আছে। ই অতি গোপনীয় ভোগব স্থান। এই পুণীত ব্রহ্মই পূর্ব্বে এটি নক্ষত্র সৃজন করি ইয়াত পেলাইছিল। সেই কাবণে ইন্দ্রপুবীব নিচিনা এই পুবীব নাম প্রাগ্‌জ্যোতিষ হ'ল। ভদ্র, নবক, ভূমি ইয়াত দাবগবিগ্রহ করি বাজা হৈ অন্যান্য সকলেবে সৈতে কুলে বাস করো। মই তোমাক এই বাজ্যত অভিষেক কবিলো।

বিষ্ণুরে পুত্তেকক এইবিলাক কথা কৈ মহাদেবব আজ্ঞানুসাবে পুব সাগবব ওচবব ভূমিত কিবাতবিলাকক থাকিবলৈ ঠাই দিলে। ললিতকান্তাব পুব ফালব পরা আৰম্ভ করি সাগব পর্য্যন্ত কামরূপব পুব ফালব ভূমিখণ্ড কিবাত বিলাকব থকা ঠাই হল। ললিতকান্তাব পশ্চিম ফালব পরা সীমা ধরি করতোয়া গঙ্গাব পুব পাবলৈকে এই ছোৱা ভূমি কামাখ্যা দেবীব আবাস হ'ল। কিবাত বিলাকক এই দবে দুব করি বেদাদি শাস্ত্রত পণ্ডিত বহুত ব্রাহ্মণাদি শ্রেষ্ঠবর্ণব মানুহক বিষ্ণুরে কামরূপত থাপিলে। নাবায়ণে মুনিসকলব বাসস্থান উপযুক্ত ব্যৱস্থা করি যিকপে এই বাজ্যত বেদাধ্যয়ন দান ধর্ম্ম আদি নিবন্তবে বৃদ্ধি পায় সেই বিষয়ে যথাবিহিত চেষ্টা করিলে, কামরূপব সকলো-বিলাক ব্রাহ্মণ বেদজ্ঞ, দানশীল, দর্শপূর্ণমাস ছোৱা বাবে দেৱতা সকলেও কামরূপ এবি আন ঠাইলৈ নযেগৈছিল।—
(কাং পুঃ ৩৮ অধ্যা।)

করতোয়া নদী এতিয়া বঙ্গদেশব ভিতবত পবিছে। এই নদীখন আগেয়ে গঙ্গা নদীতকৈও বহল আছিল।

করতোয়া

গেইট ছাহাবব অসমব ইতিহাসব ১০ পিঠিত লিখা আছে,—

"This Karotoya was then a river of the first order and united in its bed the streams which now go to form the Tista, the Kosi and the Mahananda."

অর্থাৎ করতোয়া আগেয়ে এখন প্রথম শ্রেণীব নৈ আছিল; এতিয়াব তিস্তা, কুশী আরু মহানন্দা, এই তিনিখন নৈ পুর্ণ্ণে করতোয়াব লগত মিলি একে স্রুতী হৈ বৈছিল; পিছত করতোয়াব পরা ফাটি বেলেগ বেলেগ নৈ হৈ বৈছে।

হবগৌবীব বিয়াত হবব কবতল অর্থাৎ হাতব তলুৱাব পরা সংগ্রদানব পানী পবি বৈ গৈ এই নৈখনব উৎপত্তি ছোৱা বাবে ইয়াব নাম করতোয়া হৈছে। বাবিষা সকলো নদী বজস্বলা হয়, কিন্তু এইখন নৈ কেতিয়াও বজস্বলা নহয়, সেই কাবণে ইয়াক সদানীবা বোলে। করতোয়াব স্নানমন্ত্র করতোয়া আরু সদানীবা এই দুযোটা নামকে গোৱা যায়। যথা,—

"করতোয়ে সদানীরে সবিৎশ্রেষ্ঠে সুবিশ্রুতে।
পৌণ্ড্রান্ প্রাবয়সে নিত্যং পাপং হর করোদ্ভবে॥"

কুশী আরু মহানন্দাব লগত মিলি একে স্রুতী হৈ

যেতিয়া কবতোয়া বৈছিল, তেতিয়া কবতোয়াৰ পশ্চিম পাৰে মিথিলা ৰাজ্য আৰু পূব পাৰে কামৰূপ ৰাজ্যৰ সীমা আছিল। ই বহু পূৰ্ব্বৰ কথা। "শতপথ ব্ৰাহ্মণ" পুথিত এই নৈখনৰ উল্লেখ আছে। সেই পুথি যি সময়ত ৰচিত হৈছিল, তেতিয়াও কবতোয়া মিথিলাৰ পুব সীমাই দি বৈ লোহিত্যগৰত পৰিছিল। মহাভাৰতৰ সময়ত কবতোয়া পুণ্ড্ৰ বা পৌণ্ড্ৰবৰ্দ্ধন আৰু কামৰূপ ৰাজ্যৰ সীমাই দি বৈছিল। এতিয়াৰ কবতোয়া এখন সৰু নৈ—দিনাজপুৰ, ৰংপুৰ আৰু বগুড়া জিলাৰ মাজেদি বৈ আছে।

লৌহিত্য বা ব্ৰহ্মপুত্ৰ নদ অতীজত ইমান বহল আছিল যে পুৰাণ আৰু তন্ত্ৰই ইয়াক লৌহিত্য সাগৰ বুলিছিল। মহাভাৰতৰ মহাগ্ৰন্থান পৰ্ব্বত লিখা আছে যে অৰ্জ্জুনে লৌহিত্য সাগৰত নিজৰ অস্ত্ৰশস্ত্ৰ বিসৰ্জ্জন কৰি স্বৰ্গলৈ গৈছিল। তেতিয়াৰ স্বৰ্গৰাজ্যখন কামৰূপৰ উত্তৰ-পুব প্ৰান্তত আছিল বুলি বোধ হয়। মহাভাৰতৰ ৰাজসূয় আৰু অশ্বমেধ যজ্ঞৰ সময়ত পাণ্ডৱ সকলে লোহিত সাগৰৰ পাৰে পাৰে হেৰম্ব, মণিপুৰ আদি ৰাজ্যলৈ গৈছিল। অসম-পৰ্ব্বতমালা আৰু অসমৰ উত্তৰে থকা হিমালয় পৰ্ব্বতমালা মানুহৰ গতাগতৰ বাবে বাট আছিল। হিমালয়ৰ কাণে কাণে যি বাট আছিল তাকে উত্তৰা পথ বোলে।

ওপৰত কামৰূপ ৰাজ্যৰ যি সীমাৰ কথা লিখা হল, সময়ে সময়ে সেই সীমাৰ বঢ়া-টুটা ঘটিছিল।

"কামাখ্যা তন্ত্ৰত" লিখা আছে,—

"ত্ৰিপুৰা কৌকিকাচৈব জয়ন্তী মণিচন্দ্ৰিকা।
কাছাড়ী মাগধী দেবি অষ্টাসি সপ্তপৰ্ব্বতাঃ॥

অৰ্থাৎ ত্ৰিপুৰা, কুকি (লুচাই পৰ্ব্বত), জয়ন্তী (খাচিয়া ও জয়ন্তীয়া পৰ্ব্বত), মণিপুৰ, চন্দ্ৰিকা বা চন্দ্ৰনাথ (চট্টল বা চট্টগ্ৰামত চন্দ্ৰনাথ, চন্দ্ৰিকা বা চন্দ্ৰশেখৰ পৰ্ব্বত আছে), কাছাৰ বা হেৰম্ব আৰু মাগধী (আৰাকান) এই সাতখন পৰ্ব্বতীয়া ঠাইও কামকপ-কামাখ্যাৰ অধীনত আছিল।

ত্ৰিপুৰা যে কামৰূপৰ ভিতৰত আছিল, সেই কথা "তাৰাতন্ত্ৰত" লিখা আছে। কুমিল্লাৰ নাম আগেয়ে কমলাঙ্ক আৰু চট্টগ্ৰামৰ নাম চট্টল আছিল। ভোট, ভোটাঙ্গ, ভোটান্ত বা ভোটান চিৰকাল কামৰূপৰে অংশ আছিল। হিমালয়ৰ উত্তৰে থকা তিব্বত দেশখনক আগে ভোটৰ ভিতৰত ধৰা হৈছিল। মানস সৰোবৰ আৰু কাৰণৰদ ভিতৰত আছিল বুলি বোধ হয়। তিব্বতী মানুহে বৰ্ত্তমান ভোটানক ধৰ্ম্মাদেশ বোলে। ধৰ্ম্মাদেশ আগৰ ধৰ্ম্মাৰণ্য। এসময়ৰ কামৰূপ এখন প্ৰবল প্ৰতাপী সাম্ৰাজ্য স্বৰূপে পূৰণ্ডাবতত জিলিকি আছিল। তপ্তৰ বংশীয় ভৌম নৃপতি সকলে বহুকাল ইয়াত ৰাজত্ব কৰিছিল। সেই বংশৰ শ্ৰীহৰ্ষ বৰ্ম্মাদেৱৰ ৰাজত্ব কালত অঙ্গ, বঙ্গ, কলিঙ্গ, ওড্ৰ (উৰিষ্যা) আৰু দক্ষিণ কোশল (বেৰাৰ) কামৰূপৰ অধীনত আছিল। সেই বংশৰে সমুদ্ৰ বৰ্ম্মাদেৱে ব্ৰহ্মদেশত ৰাজত্ব কৰিছিল। এতিয়াৰ কামৰূপ বা অসম আয়তনত সৰু। এই প্ৰৱন্ধত পূবে পৰশুৰাম কুণ্ড পৰা পশ্চিমে কবতোয়া নদী পৰ্য্যন্ত এই ভূখণ্ডত যি যি ভৌম তীৰ্থ আছে তাৰ সংক্ষিপ্ত বিবৰণ লিখা হব। যদি আমাৰ অজ্ঞতাৰ বাবে বা ভুল বশতঃ কোনো তীৰ্থৰ নাম বাদ পৰি যায়, তেন্তে জ্ঞানী সকলে আমাক ক্ষমা কৰি জানিবলৈ দিলে সেই ভুল বা ত্ৰুটী আনন্দ মনেৰে সংশোধন কৰা হ'ব।

কামৰূপৰ মাহাত্ম্য আৰু প্ৰাচীনতাৰ কথা প্ৰায় সকলো পুৰাণ আৰু তন্ত্ৰত পোৱা যায়। "কালিকা কামৰূপমাহাত্ম্য পুৰাণত" কামৰূপৰ কথাই খাইকৈ আছে। উক্ত পুৰাণত লিখা আছে :—

"কামৰূপ চতুৰ্ব্বৰ্গ-ফলপ্ৰদ, চিৰপূজিত ; ইয়াত হৰ-গৌৰী সদায় বাস কৰে ; ইয়াত তপস্যা কৰিলে শীঘ্ৰে মুক্তি লাভ কৰা যায় ; এই নিমিত্তে এই পুণ্য জনক ক্ষেত্ৰ পীঠস্থান অনন্তিপলমে ফলদায়ক বুলি কোৱা হৈছে, মহাদেৱে চিৰফলপ্ৰদ হলেও তেওঁ যদি ইয়াত অতি শীঘ্ৰে বৰ প্ৰদান কৰে, ঋষি সকলে এই পীঠতকৈ অন্য আৰু উত্তম পীঠস্থান ক'তো নাই বুলি কৈ গৈছে। মহাদেৱে পাৰ্ব্বতীৰে তৈতে এই গুহ্যাদপি গুহ্যতম কামৰূপ মহাপীঠত নিতৌ বাস কৰে, তেওঁ এই পীঠত পূজিত হলে দেবীয়ে প্ৰসন্ন হয়, পাৰ্ব্বতীয়েও ইয়াতে শিৱভক্তক অনুগ্ৰহ কৰে আৰু পৰমেশ্বৰেও ভক্ত সকলৰ মনোবাঞ্ছা পূৰ্ণ কৰে, কামৰূপৰ জলতে হওক বা থলতে হওক য'তে পুণ্য

কৰা যায় তাতে অন্ত ঠাইতকৈ চতুগুণ ফল পোৱা যায়।

"সৰ্ব্বশ্ৰেষ্ঠা যথা বিষ্ণুৰ্ম্মীঃ সৰ্ব্বোত্তমা যথা,
দেৱীপূজা তথা শস্তা কামৰূপে সুবাণয়ে॥
দেৱীক্ষেত্ৰে কামৰূপং বিদ্ধতেঽন্যত্ৰ তৎসমম্,
অন্যত্ৰ বিবলা দেবী কামৰূপে গৃহে গৃহে॥"

বিষ্ণু যেনে সকলোতকৈ শ্ৰেষ্ঠ, লক্ষ্মী যেনে সকলোতকৈ উত্তমা, সুবাণয়, কামৰূপত দেবীপূজাও সেই দৰে প্ৰশস্তা, কামৰূপ দেবীৰ সাক্ষাৎ ক্ষেত্ৰ, তাৰ নিচিনা ঠাই আৰু ক'তো নাই ; অন্য ঠাইত দেবী দুৰ্ল্লভা, কিন্তু কামৰূপত প্ৰতি ঘৰতে দেবী বিৰাজ কৰিছে।

এই কামৰূপৰ ভিতৰবে পাঁচ ক্ৰোশ ঠাই পৰিত্ৰ। সেই পৰম পৰিত্ৰ ঠাইতোপৰ যোনি পীঠ, কামাখ্যা পীঠ বা কুব্জিকা পীঠ বোলে। এই পীঠতে প্ৰজাপতি দক্ষৰ যজ্ঞাহুতি দিছিল। ইয়াতে প্ৰাগ্‌জ্যোতিষপুৰ নগৰ প্ৰতিষ্ঠিত হৈছিল।

"প্ৰাগ্‌জ্যোতিষ পুৰং খ্যাতং কামাখ্যা
যোনিমণ্ডলম্,"—যোগিনী তন্ত্ৰ

"যোনিঃ :—প্ৰাণিনাম্নুৎপত্তিস্থানম্।" ইতি ত্ৰিকাণ্ড শেষঃ।

"যোনি" বুলিলে নৰনাৰী প্ৰাণীৰ উৎপত্তি স্থান বুজায়। কামাখ্যা পীঠৰ নীলাচল পৰ্ব্বতত মনোভৱ নামে এটা গুহা আছে। এই গুহাৰ ভিতৰত এটি হ্ৰদ বা কুণ্ড আছে। সেই কুণ্ডৰ পানীক কামৰাৰ বোলে। "কামৰ" বুলিলে যোনি বুজায়। মনোভৱ গুহাত আদি মানৱ দম্পতিৰ জন্ম হৈছিল।

যোনি-পীঠৰ বিষয়ে "যোগিনী তন্ত্ৰত" লিখা আছে,—

"আসীদ্ মণি পৰ্য্যন্তমাচিত্ৰাদ্ৰ গন্ধমাদনম্।
পঞ্চক্ৰোশ মিদং দেবি সৰ্ব্বেষামেব দুৰ্ল্লভং।
ব্ৰহ্মা বিষ্ণু সুবেশাদ্যৈঃ সেবিতং পৰমাদ্ভুতং।
যোনি পীঠং মহেশানি পঞ্চক্ৰোশ মিতে শিবে।
যে গচ্ছন্তি শিবাকাৰা যে নৃতাস্তেঽপুনৰ্ভৱা॥

* * *

তন্মধ্যে চ মহাদেবি গিৰিনীলাচলোজ্জ্বলঃ।
ব্ৰহ্মবিষ্ণু শিবাকাৰঃ সৰ্ব্বশক্তিময়ঃ পুনঃ॥
মনোভৱ গুহা তন্মধ্যে পৰমেশানি মনোভৱ গুহা শৰা।
মনোভৱ গুহা মধ্যে বক্ৰ পানীয় কপিনী॥
কোটিলিঙ্গ সমাকীৰ্ণা কামাখ্যা কল্পবল্লবী।
তত্তেজসা তু সংদীপ্তা মনোভৱ গুহা সদা॥
অস্তা স্পৰ্শন মাত্ৰেন লৌহা যাতি সুবৰ্ণতা।
চতুৰ্হস্ত প্ৰমাণানি স্বয়ম্ভাৎ সৰ্ব্বতাঙ্গে॥
অস্তাঃ স্পৰ্শন মাত্ৰেন শিৱত্বমিতি মানৱ।
নিষ্পাপো জায়তে দেবি তৎক্ষণাত্ন ন সংশয়ঃ॥

* * *

তন্মধ্যে পৰমেশানি সমস্তাদ্বদাপ্লুতং।
আপাতাৰাৎ হ্ৰদং দেবি প্ৰোজ্জ্বলোজ্জ্বলমণ্ডলং॥
তজ্জলং পৰমেশানি ব্ৰহ্মাবিষ্ণু শিৱাত্মকং।
ঐশ্বৰং তজ্জলং দেবি কাৰণাৰ্ণব সংজ্ঞকম্॥
বহু কিং কথাতে দেবি তজ্জলং পৰমামৃতং।
শক্তিতেনৈব কথিতং নাত জানীহি সুন্দৰি॥
কাঙ্ক্ষন্তি সততং দেবি তজ্জলং সচৰাচৰং।
তজ্জল স্পৰ্শমাত্ৰেন তৎহ্ৰদ স্পৰ্শনেন চ॥
তৎক্ষণাত্মানবাদি দেবোভবতি নিশ্চিতং।
পুণ্য পাপো বিনিমুক্তো জীবন্মুক্তো ভবেদ্ ধ্ৰুবং॥
তদ্হ্ৰদে পুজয়েদ্ যোহি তজ্জলেন মহেশ্বৰি।
জিহ্বাকোটি সহস্ৰেন্দ্ৰ বক্তুকোটি শতৈৰপি
বৰ্ণিতং নৈব শক্যোমি তৎফলং গিৰিনন্দিনি॥"

* * *

—যোগিনী তন্ত্ৰ।

অৰ্থাৎ মহাদেৱে পাৰ্ব্বতীক কৈছিল,—"হাজোৰ মণিকূটৰ পৰা উত্তৰ গুৱাহাটীৰ মণিকৰ্ণলৈকে, নৰগ্ৰহ দেৱালয় থকা চিত্ৰাচল পৰ্ব্বতৰ পৰা ভুবেশ্বৰ দেৱালয় থকা গন্ধমাদন পৰ্ব্বতলৈকে এই পাঁচ ক্ৰোশ ঠাই সকলোৰে পক্ষে দুৰ্ল্লভ। এই পৰম অদ্ভুত ঠাই ভোৰকৈ ব্ৰহ্মা বিষ্ণু সুৰেশ আদিয়ে সেৱা কৰি থাকে। মানুহৰ কথা নো কি ক'ম, দেৱতাসকলেই এই ঠাইত মৰিবলৈ কামনা কৰে। হে মহেশানি, এই পঞ্চক্ৰোশ পৰিমিত যোনি পীঠলৈ যি

মানুষ যায়, সি শিৱতুল্য হয়; মৰণৰ পিছত সি আকৌ জন্মগ্ৰহণ কৰিব নেলাগে।

* * * *

'হে মহাদেবি, সেই যোনিপীঠৰ ভিতৰত ব্ৰহ্মা বিষ্ণু শিৱাকাৰ সৰ্ব্বশক্তিময় নীলাচল নামে বিটো পৰ্ব্বত আছে তাত উত্তম মনোভৱ গুহা আছে। মনোভৱ গুহাৰ ভিতৰত ৰক্তপানীয়ৰূপিনী কোটি লিঙ্গ সমাকীর্ণ কামাখ্যা কল্পবল্লৰী আছে। তাৰ তেজত সেই গুহাটি সদায় দীপ্ত হৈ থাকে। তাক স্পর্শ কৰিলে লো সোণ হয়। হে পার্ব্বতি, তাৰ চাৰিওফালৰ পৰা জুখিলে পৰিধি ৪ হাত পৰিমিত হ'ব। তাক স্পর্শ কৰা মাত্ৰেই মানুহ শিৱতুল্য হয়, আৰু ততালিকে নিষ্পাপ হয় তাত কোনো সংশয় নাই।

* * * *

"হে পৰমেশানি, এই গুহাটোৰ ভিতৰত চাৰিওফালে বাৰ আঙ্গুলী পৰিমিত পাতাল পৰ্য্যন্ত বিস্তৃত পানী উথলি থকা এটি হ্ৰদ আছে। সেই পানী ব্ৰহ্মাবিষ্ণুশিৱাত্মক; সেই পানী ঈশ্বৰীয় আৰু কাৰণাৰ্ণৱ নামে বিখ্যাত। হে দেবি, বহুত কথা কোৱাৰ আৱশ্যক নাই; তোমাক সংক্ষেপতে মাণোন কৈ থওঁ যে সেই পানী পৰমামৃত; চৰাচৰ অখিল ব্ৰহ্মাণ্ড মণ্ডলে সেই পানী আকাঙ্খা কৰে। সেই হ্ৰদ আৰু সেই জল স্পর্শ কৰা মাত্ৰেই মানুহ দেৱতা হয় আৰু পাপ পুণ্যৰ পৰা নিৰ্মুক্ত হৈ জীবন্মুক্ত হয়, তাত সংশয় নাই। যি মানুহে সেই হ্ৰদত বা তাৰ পানীৰে পূজা কৰে, তাৰ যে কি ফল মই কৌট সহস্ৰ জিভাৰে বা কৌটিশত মুখেৰেও তাক বৰ্ণনা কৰিব নোৱাৰো"

"পদ্মপুৰাণৰ ভূমিখণ্ডত লিখা আছে,—

"অযোধ্যা, মথুৰা, মায়া' কাশী, কাঞ্চী, অৱন্তিকা,
পুৰী দ্বাৰাৱতী চৈব সপ্তৈতা মোক্ষদায়িকা।"

মায়াপুৰী। অযোধ্যা, মথুৰা, মায়া, কাশী, কাঞ্চী, অৱন্তিকা আৰু দ্বাৰাৱতী, এই সাতখন পুৰী মোক্ষদায়িকা।

"তাসু বাসং প্ৰকুৰ্ব্বন্তি যে মৃতা বা নৰাঃ পৰম্।
লভন্তে ন পুনর্জ্জন্ম মাতৃগর্ভেষু কুত্রচিৎ॥"

এই সাতখন পুৰীৰ যি কোনো এখনত যি লোক বাস কৰে, বা যি লোকৰ তাত মৃত্যু হয়, তেওঁ আকৌ মাতৃ গর্ভত জন্ম গ্ৰহণ কৰিব নালাগে।

মায়াপুৰীত প্ৰজাপতি দক্ষই পুৰাণ প্ৰসিদ্ধ দক্ষযজ্ঞ পাতিছিল; তেওঁৰ কন্যা সতীয়ে শিৱৰ অপমান সহি নোৱাৰি সেই যজ্ঞস্থলতে প্ৰাণত্যাগ কৰিছিল। এই ঘটনাৰ বিস্তাৰিত বিৱৰণ 'কুৰ্ম্ম পুৰাণত' লিখা আছে। কালিকা পুৰাণতো ইয়াৰ বিৱৰণ আছে। এই মায়াপুৰী যে কামৰূপৰ কামাখ্যা পীঠত আছিল, সেই কথা বৃহৎ শিব পুৰাণৰ ১৬ অধ্যায়ৰ পৰা জনা যায়। আমাৰ গৱৰ্ণমেণ্টে প্ৰকাশ কৰা "কামৰূপৰ বুৰঞ্জী" পুথিতেও সেই কথা লিখা আছে।

হৰিদ্বাৰৰ পৰা ২ মাইল দূৰত কনখল নামে এখন ঠাই আছে। হৰিদ্বাৰ আৰু কনখলৰ মাজত মায়াপুৰী আছিল বুলি কোনো কোনো পণ্ডিতে অনুমান কৰে কিন্তু সেই অনুমান ঠিক নহয়। "যোগিনী তন্ত্ৰৰ" পৰা জনা যায় যে গাণ্ডুনাথৰ বায়ু কোণত ৰাজশ ধনু পৰিমি ব্ৰহ্মকুণ্ড সৰোবৰৰ আছিল, অতীজত ব্ৰহ্মা ইয়াৰ পাৱ প্ৰথমে বাস কৰিছিল। ইয়াৰ দক্ষিণে মৌহিত্য তী ব্ৰহ্ম গিৰি বা ভুবনেশ্বৰী দেৱালয় থকা পৰ্ব্বতৰ উ শ্ৰীকুণ্ড; তাৰ পূবে কনখল তীৰ্থ; তাৰ পূবে ব্ৰহ্ম পুষ্কৰ নামে তীৰ্থ।

(ক্ৰমশঃ)

প্ৰাচীন যুগৰ ভাৰতীয় বিদুষী মহিলা

—শ্ৰীযুত সোণাৰাম চৌধুৰী

ভাৰতৰ প্ৰাচীন যুগৰ ধাৰাবাহিক কোনো ইতিহাস নাই। গতিকে সেই যুগত কিমান বিদুষী ৰমণী জন্মগ্ৰহণ কৰি ভাৰতৰ মুখ উজলাই বিদ্যুতিৰ গৰ্ভত বিলীন হৈ গল তাক কোনে কব? যি অলপ সংখ্যক কেইগৰাকীৰ নাম আৰু গুণ-গৰিমা বেদ, উপনিষদ, পুৰাণ আদিত কোনো কাহনীৰ ভিতৰত প্ৰসঙ্গক্ৰমে উল্লেখ পোৱা যায়, সিও নিচেই তাকৰ, তাৰ পৰা তেওঁলোকৰ সম্পূৰ্ণ জীৱনৰ বিৱৰণ জনা অসম্ভৱ। তথাপি আমি হতাশ নহৈ সেই সামান্য উপাদানকে লৈ তেওঁলোকৰ পৱিত্ৰ জীৱনৰ যৎকিঞ্চিৎ আভাস আমাৰ পাঠক পাঠিকা সকলক উপহাৰ দিবলৈ আগ বাঢ়িলোঁ। ইয়াৰ পৰাই তেওঁলোকে বুজিব পাৰিব, প্ৰাচীন যুগ কেনে সৰল, উজ্জ্বল আৰু উন্নাৰ আছিল—সেই যুগ আজি কালিৰ দৰে মলিন স্বাৰ্থৰ বা কপটতাপূর্ণ নাছিল। সেই যুগৰ নাৰীসমাজ আধুনিক যুগৰ দৰে বহির্জগতৰ দু নোপোৱা, অশিক্ষিতা ঘৰৰ চুকত সোমাই থকা নাছিল। তেওঁলোক স্বাধীন, মুক্ত আকাশ দেখা, মুকলি বতাহ পোৱা শিক্ষিতা,—সতী ভক্তিমতী জ্ঞানৱতী বুদ্ধিমতী—সুগৃহিণী পাতিব্ৰত্যৰ আদৰ্শস্থানীয়া আছিল। বৰ্ত্তমান যুগৰ নাৰী - বিশেষকৈ আমাৰ দেশৰ নাৰী—শিক্ষা জ্ঞানৰ পৰা বঞ্চিতা,—বেদ উপনিষদৰ গোন্ধ নোপোৱা, নামকে নজনা সুশুনা—এনে কি দ্বিজাতিয়ে বেদ পঢ়িলে, সেই বেদজ্ঞানোৱা অনধিকাৰিণী। কিন্তু সকলোৱে শুনি আচৰিত মানিব যে প্ৰাচীন যুগৰ মহিলাই বেদৰ স্তোত্ৰ মন্ত্ৰ আদি ৰচিছিল—পতিৰ ওচৰত, পতিৰ লগত অগ্নিত ঘৃতাহুতিৰ লগে ২ বেদময় উচ্চাৰণ কৰিছিল। বিদুষী মহিলাই প্ৰকাশ্যে সভাত বহি, মহা মহা পণ্ডিত সকলে সৈতে উপনিষদৰ গভীৰ তৰ আলোচনা কৰিছিল, দৰ্শনৰ জটিল ২ প্ৰশ্ন সমাধান কৰিছিল ৰাজনীতি সমাজনীতিৰ কূটচক্ৰ ভেদ কৰিছিল আৰু পুত্ৰ কন্যাক সেইবোৰ শাস্ত্ৰ শিক্ষা দিছিল;—গণিত, জ্যোতিষ, বিজ্ঞানৰ নানা তত্ত্ব আবিষ্কাৰ কৰিছিল—আৰু নানা শাস্ত্ৰৰ যুক্তিত তৰ্কবাগেৰে শাস্ত্ৰজ্ঞ পণ্ডিতবোৰৰ মত খণ্ডন কৰিছিল। বিচাৰ কৰি চালে, তেওঁলোক কোনোকণে, কোনো বিষয়তে উপেক্ষিতা নাছিল। তেওঁলোকে বিদ্যায়, কৰ্ম্মে, জ্ঞানে পুৰুষৰ সমকক্ষতা লাভ কৰিছিল; তেওঁলোকৰ প্ৰচেষ্টা—তেওঁলোকৰ উচ্চ আকাঙ্ক্ষা দেখি কোনেও ইতিকিং নকৰিছিল; তেওঁলোকে পুৰুষে সৈতে সমানে ফেৰ মাৰি বিদ্যা, জ্ঞান সভ্যতাৰ উচ্চশিখৰত উঠিছিল। পুৰুষ যেনেকৈ জ্ঞান-গৰিষ্ঠ বুলি পূজিত হৈছিল, নাৰী সমাজেও তেনেকৈ সেই অৰ্য্যৰ ভাগ পাইছিল। তলত এইবোৰ কথাৰ প্ৰমাণ স্বৰূপে যুগ অনুসৰি সেই কীর্ত্তিমতী মহীয়সী মহিলাসকলৰ সংক্ষিপ্ত পৰিচয় দিয়া হল।

(১) বৈদিক যুগৰ মহিলা

ৰাক দেবী

এওঁ অঙ্গৰ ঋষিৰ কন্যা। এওঁ ঋগ্বেদৰ ১০ মণ্ডলৰ ১৫৫ সুক্তৰ ৮টা ঋক্ মন্ত্ৰ ৰচিছিল। সেই আঠোটা সুক্ত দেবী-সুক্ত নামে প্ৰসিদ্ধ। আজিকালি যেনেকৈ মাৰ্কণ্ডেয় চণ্ডী পাঠ হয়, প্ৰাচীন কালতো তেনেকৈ দেবীসুক্ত পাঠ নিয়ম আছিল। এই আঠোটা ঋকৰ ভিতৰত অদ্বৈতবাদৰ মূলতত্ব প্ৰচাৰিত। ৮ম শতাব্দীত শঙ্কৰাচার্য্যই সেই মতৰ ওপৰতে নির্ভৰ কৰি ব্ৰহ্মতত্ব নিৰূপণ আৰু ব্ৰাহ্মণ্য ধৰ্ম্মৰ উদ্ধাৰ কৰিছিল। গতিকে অদ্বৈতমতৰ সৃষ্টিকৰ্ত্তা প্ৰথম

তিবোতাইহে আৰু এই বাক্‌দেৱীয়েই সেই গৌৰৱৰ পাত্ৰী। তেওঁৰ ৰচিত মন্ত্ৰৰ অংশ সাৰাংশ :—

"মই (ব্ৰহ্মশক্তিয়ে) স্বৰ্গত, পৃথিবীত প্ৰবিষ্ট হৈ ৰ'ছোঁ। এই ভূলোকৰ ওপৰত থকা আকাশ মই উৎপাদন কৰোঁ। বায়ু যেনেকৈ অবাধে চলে, সেইৰূপে সমস্ত ভুবনৰ প্ৰসৱ কাৰিণী মই স্বয়ং নিজ ইচ্ছা অনুসাৰে সকলো কাৰ্য্য কৰোঁ। মোৰ নিজৰ মাহাত্ম্য-বলতে সমস্ত উৎপন্ন হৈছে।"

বিশ্ববাৰা

এওঁ অত্ৰি মুনিৰ গোত্ৰত জন্মে। ঋগ্‌বেদৰ ৫ম মণ্ডলৰ ২য় অনুবাকৰ ২৮ সূক্তৰ ৬টা স্তোত্ৰ এওঁৰে ৰচনা। ইয়াৰ প্ৰত্যেকটিতে অবলা হৃদয়ৰ কোমলতা আৰু মধুৰতা ফুটি ওলাইছে। এওঁৰ ভাৱ আৰু ভাষাও বৰ চমৎকাৰ। তেওঁৰ ছটি ঋকৰ ভাবাৰ্থ যেনে :—

"হে অগ্নি! তুমি প্ৰজ্বলিত হৈ অমৃতৰ ওপৰত আধিপত্য কৰা আৰু হব্যদাতাৰ মঙ্গল বিধানৰ নিমিত্তে তেওঁৰ ওচৰত প্ৰকাশিত হোৱা।"

"হে অগ্নি! তুমি আমাৰ প্ৰতি প্ৰসন্ন হোৱাঁ, আমাক সৌভাগ্য দান কৰাঁ, আমাৰ শত্ৰুক শাসন কৰা আৰু দাম্পত্য প্ৰেম নিবীড়িত কৰি তোলা।"

অদিতি

এওঁ কশ্যপ ঋষিৰ পত্নী, দক্ষৰাজৰ কন্যা। এওঁৰে দেৱ আৰ্য্যবিলাকৰ ভিতৰত দ্বাদশ আদিত্য ভ্ৰাতৃৰ জন্মদাত্ৰী। এওঁ ঋগ্‌বেদ সংহিতাৰ ১০ম মণ্ডলৰ ১৫৩ সূক্তৰ ৫টা ঋক্ আৰু ৪র্থ মণ্ডলৰ ১৮ সূক্তৰ ৫ম, ৬ষ্ঠ, ৭ম ঋক্ ৰচয়িত্ৰী। এওঁৰ মন্ত্ৰ বিলাকত সুন্দৰ কবিত্ব আছে। তেওঁ এটা শ্লোকত কৈছে—

"জলৱতী নৈ বিলাকে অ-ন-লা এইকণ আনন্দ শব্দ কৰি ৰৈছে। হে ঋষি, তুমি সিইতক সোধা সিইতে কি কৰ লাগিছে।"

এনেকে অপূৰ্ণ কথাতে এজন ঋষিক অনন্তৰ মহিমা গানৰ সন্ধেত দিয়াৰ পৰাই বুজিব পাৰি অদিতি সাধাৰণ জ্ঞানৱতী নাছিল।

অপালা

অপালা বিশ্ববাৰাৰ দৰে অত্ৰিৰ বংশত জন্মগ্ৰহণ ক
এওঁ ঋগ্‌বেদৰ ৮ম মণ্ডলৰ ৯১ সূক্তৰ ৮টা ঋক্ মন্ত্ৰ ৰচ
কৰিছিল। এওঁৰ জীৱন দুখেৰে ভৰা। এওঁৰ শৰী
ছালত বোগ হোৱাত, এওঁ স্বামীৰ পৰিত্যক্তা হৈ পোৱে
জীৱন পিতাকৰ তপোবনত ঈশ্বৰ চিন্তাত কটাইছি
তেওঁ ইন্দ্ৰক স্তুতিকৰি নিজৰ সেই বোগ ভাল
আৰু পিতাকৰ পথাৰ শস্যদায়িনী কৰিছিল। তেওঁ এ
স্তোত্ৰৰ সাৰাংশ :—

"ইন্দ্ৰে আমাক শক্তি দিয়ক বহুত বস্তু দিয়ক, ই
কৰোক মই ভালেবাৰ পতিৰ স্বাৰ্থত পৰিছোঁ, তেওঁৰ গ
আঁতৰি দুৰিছো ; এতিয়া যেন ইন্দ্ৰতে মিলি যাওঁ
"হে শত্ৰু মোৰ মৃৱত প্ৰচুৰ চুলি গজাই দিয়া, নখি
অস্ত্ৰ আৰু সুন্দৰ চৰ্ম্ম কবি দিয়া।"

যমী

এই গৰাকী মহিলাৰ বিশেষ পৰিচয় পোৱা নাযা
সম্ভৱতঃ তেওঁ কোনো যম ঋষিৰ পত্নী কি ভগিনী। এ
ঋগ্‌বেদৰ ১০ম মণ্ডলৰ প্ৰথম, তৃতীয়, সপ্তম, একা
ঋক্ আৰু ১৫৪ সূক্তৰ ৫টা ঋক্ ৰচনা কৰিছিল।
ঋকৰ সামান্য আভাস :—

"যি সকলে তপস্যাৰ বলত বলীয়ান হৈছে, যি সক
তপস্যাৰ বলত স্বৰ্গ লৈ গৈছে। যি সকলে অগ্নি কৰ্
তপস্যা কবিছে, হে প্ৰেত! তুমি তেওঁলোকৰ ওচ
যোৱাঁ।"

উৰ্ব্বশী

উৰ্ব্বশী অপ্সৰা কন্যা। এওঁ ঋগ্‌বেদৰ ১০ মণ্ড
৯৫ সূক্তৰ ৭টা ঋক্ ৰচনা কৰিছিল। এওঁৰ পুৰূ
ৰজাৰ লগত কেনেকৈ মিলন আৰু বিচ্ছেদ হল, সে
তাৰ বৰ্ণনা দিয়া আছে।

সেই বৰ্ণনাৰ অপূৰ্ণ আভাস যেনে :—

"পুৰূৰা তুমি নিজ ঘৰলৈ উলটি যোৱাঁ। ম
উষাৰ নিচিনা তোমাৰ কাৰণে আহিছিলোঁ, যা

যেনেকৈ ধৰিব নোৱাৰি, মোকো তেনেকৈ ধৰিব নোৱাৰিবা। মোৰ লগত প্ৰেম আলাপ কৰি কি হব?

লোপামুদ্ৰা

এওঁ বিদৰ্ভ ৰজাৰ কন্যা, অগস্ত্যমুনিৰ পত্নী। এওঁৰ চৰিত্ৰ বৰ সুন্দৰ। এওঁ বিদুষী আৰু পাতিব্ৰত্যৰ আদৰ্শ স্বামীনী মহিলা। এওঁ সদায় পতিৰ অনুগামিনী হৈ চলিছিল। তেওঁৰ পতিয়ে ধ্যান, পতিয়ে জ্ঞানৰ বিষয় আছিল। স্বামীয়ে কোনো কথাত খং কৰিলেও অসন্তুষ্ট নহৈছিল। স্বামীৰ মন যোগাবলৈ সদায় তৎপৰ আছিল। স্বামীৰ আজ্ঞা নোলোৱাকৈ কোনো কামকে নকৰিছিল।

তেওঁ বৰ নিপুনা সুগৃহিণী আছিল। দেৱতা, অতিথি গো-সেৱাত কেতিয়াও তেওঁ বিমুখ নহৈছিল।

তেওঁ ঋগ্‌বেদৰ প্ৰথম মণ্ডল ১৭৯ সূক্তৰ ১ম আৰু ২য় ঋক্ মন্ত্ৰৰ ৰচয়িত্ৰী। এই ঋকত লোপামুদ্ৰাই স্বামীক কৈছে :—

"হে প্ৰভো! গোটেই জীৱন আপোনাৰ সেৱাত কটাই মই এতিয়া শ্ৰান্ত হলোঁ। এতিয়া মোৰ দেহ পৰিল, শৰীৰ অবা সবা, তথাপিতো আপোনাৰ সেৱাতে মোৰ জীৱনৰ আনন্দ আৰু সেয়ে মোৰ পৰম তপস্যা। আপুনি মোৰ একমাত্ৰ গতি। প্ৰভো, মোৰ প্ৰতি যেন আপোনাৰ অনুগ্ৰহ চিৰদিনলৈকে অটুট থাকে।

শশ্বতী

এওঁ অঙ্গিৰা ঋষিৰ কন্যা, যাদব আসঙ্গ নামে ৰজাৰ বহিনী। এওঁ ঋগ্‌বেদৰ অষ্টম মণ্ডলৰ প্ৰথম সূক্তৰ ৩৪ সংখ্যক মন্ত্ৰটি ৰচিছিল। বেদত এওঁক প্ৰকৃত নাৰী বুলি গণা হৈছে। 'নীতিমঞ্জৰী' মতে নাৰীৰ সংজ্ঞা যেনে :—

সেয়ে নাৰী যি নাৰী পতিৰ দুখত দুখী আৰু পতিৰ সুখত সুখী হয়।

শশতীৰ স্বামী দেৱতাৰ শাপত বিকলাঙ্গ হয়। শশতীৰ কঠোৰ তপস্যাবে দেৱতা সন্তুষ্ট কৰি স্বামীক আৰোগ্য কৰিছিল। স্বামীৰ আৰোগ্যত শশতীৰ আনন্দৰ সীমা নোহোৱা হৈছিল। ওপৰত উল্লেখ কৰা মন্ত্ৰটি তেওঁৰ স্বামীস্তৱ।

ঘোষা

এওঁ কক্ষীবাণ ঋষিৰ কন্যা। এওঁৰ পিতামহ দীৰ্ঘতমা ঋষি যাৰ গুণ গান বেদেই কৰিছে। বেদত এই জনা মহিলাবে অবদান বেছি। এওঁ ঋগ্‌বেদৰ ১০ম মণ্ডলৰ ৩৯ আৰু ৪০ সূক্তৰ বচয়িত্ৰী এই ব্ৰহ্মবাদিনীয়ে নাসত্য বা অশ্বিনীকুমাৰ যুগলক সম্বোধন কৰি উক্ত সূক্ত দুটি বচিছিল। সূক্তৰ সাৰাংশ :—

"হে অশ্বিনীকুমাৰদ্বয়——আপোনালোকে মোক সুমধুৰ বাক্যবিন্যাস কৰিবৰ প্ৰবৃত্তি দিয়ক——আপোনা লোকৰ অনুগ্ৰহত আমাৰ শুভকৰ্ম্ম সুসম্পন্ন হওক—আপোনালোকে আমাক সুবুদ্ধি দান কৰোক। যজ্ঞত সোমৰসে যেনেকুৱা আনন্দ দিয়ে আমিও যেন লোকৰ সেইৰূপ আনন্দদায়িনী হওঁ।...

আপোনালোকৰ সৎকাৰ্য্যৰ ইয়ত্তা নাই, সেই কাৰণে মই আপোনালোকৰ আশ্ৰয় ভিক্ষা কৰিছো। মই আপোনালোকক বন্দনা কৰিছোঁ—মোৰ আহ্বানত কাণ দিয়ক। পিতাই পুত্ৰক যেনেকৈ শিক্ষা দিয়ে আপোনালোকে মোক সেইৰূপ শিক্ষা দান কৰোক। মই জ্ঞান বুদ্ধিহীনা মোৰ যেন দুৰ্বুদ্ধি কেতিয়াও নঘটে।

হে অশ্বিনীদ্বয়, আপোনালোকে মোৰ প্ৰতি কৃপা বৰ্ষণ কৰোক—মোৰ অভিলাস পূৰ্ণ হওক। আপোনালোক আমাৰ কল্যাণ বিধাতা এতেকে আপোনালোক মোৰ ৰক্ষক হওক, মই যেন স্বামীৰ ঘৰলৈ গৈ পতিৰ প্ৰিয়পাত্ৰী হব পাৰো, এই আশীৰ্ব্বাদ কৰোক।"

সূর্য্যা

এই বৈদিক মহিলা জনাৰ মহৎ মনা আছিল। তেওঁ ঋগ্‌বেদৰ ১০ম মণ্ডলৰ ৮৫ সংখ্যক সূক্তটি ৰচিছিল। এই সূক্ত নতুন বৰ-কন্যাৰ প্ৰাৰ্থনা আৰু আশীৰ্ব্বাদ বিষয়ে। সেই সূক্তৰ কিছিৎ সাৰাংশ তলত দিয়া গল :—

"আমাৰ মিত্ৰবিলাক বিবাহৰ পাত্ৰী বিচাৰি যি বাটে

যায়, সেই বাট নিরাপদ হওক। হে ইন্দ্রাদিদেরগণ! পতি পত্নীর মিলন যেন অক্ষয় হয়।"

"এই কন্যারূপ পাত্রত্র কুলপাহি পিতৃকুলরূপ গহর পরা তুলি আনি পতির হাতত সপি দিলে। হে ইন্দ্র! এই কন্যা যেন পতিগৃহত সৌভাগ্যরতী হয়।.....কন্যা তুমি পতিগৃহত প্রশংসনীয় হৈ গৃহকর্ত্রী হোৱা।"

"যি বিলাকে শত্রুতা আচরিবলৈ এই দম্পতির কাষলৈ আহিব সিহঁত বিনষ্ট হওক। এই দম্পতি পুণ্যেরে বিপদক দূর করোক—হইতর কাষর পরা শত্রুবোর পলাওক।"

"এই নরবিবাহিতা কন্যাটি বর সুলক্ষণীয়া। তোমালোকা সকলোরে মিলি আহি এই কন্যাটি চোৱাহি। এই কন্যাটী সৌভাগ্যবতী হওক, স্বামীর প্রিয় হওক,—এই আশীর্ব্বাদ করি তোমালোক ঘরলৈ উভতি যোৱা।"

"হে দম্পতি, তোমালোক দুজনেই সদায় একত্রে থাকিবা,—তোমালোকর মিলন যেন কেতিয়াও ভঙ্গ নহয়।"

"প্রজাপতির আশীর্ব্বাদত আমার পুত্র-নাতি আদি উৎপত্তি হওক। অর্য্যমাই (দেবতা) আমাক বৃদ্ধ অবস্থালৈকে সম্মিলিত করি রাখক। হে কন্যা! তুমি কল্যাণ ভাগিনী হৈ চিরকাল পতির গৃহত থাকা। দাস, দাসী, পশু প্রভৃতির প্রতি মরম রাখিবা—সিহঁতক পুত্রর দরে পালন করিবা।"

"ইন্দ্রাদি দেৱতা সকল! পতি আরু পত্নীর হৃদয় এক করি দিয়ক; বায়ু ধাতা আরু বাগ্দেৱীয়ে তেওঁলোকক ভালরূপে সম্মিলিত করি দিয়ক—এই প্রার্থনা।"

এই মহিলাটির হৃদয় কেনে মহান্ সেই কথা এই সূক্তটিত প্রকাশ পাইছে। নতুন দৰা-কন্যাৰ এনে আশীর্ব্বাদ ভিক্ষা কোন অতীত যুগতে এই মহিলা গৰাকীৰ মুখত ধ্বনিত হৈছিল, সেয়ে আজিও বিয়াৰ মন্ত্ৰ বিলাকত প্রতিধ্বনিত হয়।

ৰোমশা

এওঁ প্রধান ঋষি বৃহস্পতিৰ কন্যা। ঘোষাৰ সময়ৰ। এওঁৰ স্বামী ভৰ্য-স্বাধ্বয় সিন্ধুদেশৰ কোনো ৰাজাৰ বজা আছিল। এই বজাই ৰোমশাক নিচেই কোমল ৰয়সীয়ে অপৌণতা দেখি বিদ্রূপ কৰিছিল, তেতিয়া তেওঁ নাৰিয় সুলভ উদ্ধত ভাষাৰে তাত উত্তৰ দিছিল। ঋগ্বেদৰ ১ম মণ্ডল ১২৬ সূক্ত ৭ম ঋক সেই উত্তৰ লৈ ৰচিত।

গোধা

এই নামৰ মহিলাটিয়ে ঋগ্বেদৰ ১০ মণ্ডলৰ ১৩৪ সূক্তৰ ৬ষ্ঠ আৰু ৭ম ঋক্ দেড়টি শ্লোকত ৰচিছিল। সেই দুটা মন্ত্ৰ মঘবান্ (ইন্দ্ৰ) আৰু বিশ্বদেৱক সম্বোধন কৰি ৰচিয়া হৈছিল।

জুহু

এওঁ বৃহস্পতি ঋষিৰ ভাৰ্য্যা। এওঁ ঋগ্বেদৰ ১ম মণ্ডলৰ ১০৯ সূক্ত ৰচিছিল। এই সূক্তত সাতটি মন্ত্ৰ মাথোন।

ইন্দ্রাণী

এওঁ ঋগ্বেদৰ ১০ম মণ্ডলৰ ১৪৫ সূক্তটি ৰচিছিল। সেই সূক্তত ছয়টি মন্ত্ৰ আছে।

সচী

এওঁ ঋগ্বেদৰ ১০ম মণ্ডলৰ ১৫৯ সূক্তটি ৰচিছিল। তাতো ছয়টিতে মন্ত্ৰ দেখা যায়।

ইন্দ্রাণী

এই ব্রহ্মবাদিনীয়ে ঋগ্বেদৰ পাঁচটি মন্ত্ৰ ৰচিছিল। সেই মন্ত্ৰত দান আৰু কাৰ্য্যৰ মহিমা ঘোষিত হৈছে।

এই সকলত ৰাজে অগস্ত্য ভগিনীৰ কি নাম আছিল জনা নাযায়। তেওঁৰ পুত্ৰবিলাক ইক্ষ্বাকু বংশৰ পুৰোহিত আছিল। এই জন মহিলাই ঋক্বেদৰ ৮ম মণ্ডলৰ ১ সূক্তৰ ৭ম ঋকটি ৰচিছিল। ইন্দ্ৰঋষিৰ পিতাকে অনেক তিৰোতা বিয়া কৰাইছিল, তেওঁলোককে ইন্দ্ৰ মাতৃগণ বোলে। তেওঁলোকৰ এজনৰ নাম দেৱযানি। তেওঁলোকে লগলাগি ঋগ্বেদ সংহিতাৰ ১০ মণ্ডলৰ ১৪৩ সূক্তৰ এটি ঋক্ ৰচিছিল। ইয়াৰ পৰাই বুজিব পাৰি তেওঁলোক

সকলো সময়তে ভিতৰত বৰ মিল আছিল আৰু বেদ-তথা সাহিত্য চৰ্চ্চা কৰিছিল।

(২) উপনিষদ্ যুগৰ মহিলা

মৈত্রেয়ী

এওঁ মিত্রৰ কন্যা। এওঁক পিতাকে সৰবে পৰা সকলো শাস্ত্ৰতে শিকিতা কৈ তুলিছিল আৰু মুনিশ্রেষ্ঠ যাজ্ঞবল্ক্যক বিয়া দিছিল। এওঁ সেই উপযুক্ত স্বামীৰ লগত বহুত জটিল তত্ত্বৰ আলোচনা কৰিছিল। যাজ্ঞবল্ক্যে যেতিয়া তেওঁৰ দুই ভাৰ্য্যা মৈত্রেয়ী আৰু কাত্যায়নীৰ ভিতৰত ধন-সম্পত্তি ভগাই দি সন্ন্যাস গ্রহণ কৰিবলৈ গুলায়, তেতিয়া মৈত্রেয়ীয়ে কলে,—'যেনাহং নামৃতা স্যাং কিমহং তেন কুর্য্যাং'—"যাৰ দ্বাৰা অমৃতত্ব (ব্রহ্ম) লাভ নহয়, সেই বিত্ত লৈ মই কি কৰিম? তাক মোক নাযাগে। তাতকৈ আপুনি যাক মোক্ষসাধন বুলি জানে, তাকে মোক কওক।' যাজ্ঞবল্ক্যে তেতিয়া বৰ আনন্দেৰে তেওঁক উপযুক্ত উত্তৰ দিছিল। ইয়াত সেইবোৰ বহলাই পৰা নগল।

ইয়াৰ পৰাই বুজা যায়, মৈত্রেয়ী কেনে তীক্ষ্ণবুদ্ধি সম্পন্না বিদুষী আছিল। তেওঁ গৃহস্থালী কামতো বৰ পাকৈত আছিল। তেওঁৰ যেনে স্বামী তেনেই তেনে উপযুক্তা সঙ্গিনী আৰু গৃহিণী। যোগ্যৰ লগত যোগ্যাৰ মিলন বৰ মধুৰ!

গার্গী

এওঁ মৈত্রেয়ীৰ আত্মীয়া, বচক্নু মুনিৰ কন্যা। গার্গীও এজনা বৰ পণ্ডিতা বমণী। আগৰ দিনত ৰাজসি জনকৰ শাস্ত্ৰৰ গূঢ় জটিল প্রশ্নাদি সমাধান কৰা এখন পণ্ডিত সভা আছিল। সেই সভাত কেৱল পুৰুষবোৰে স্থান আছিল এনে নহয়, অনেক বিদুষী স্ত্রীৰত্নয়ো, সেই সভা উজ্জ্বল কৰিছিল। তাৰে ভিতৰত গার্গী প্রধান। সভাত যেয়ে সকলোতকৈ শ্রেষ্ঠ ব্রহ্মিষ্ঠ বুলি প্রমাণিত হব ৰাজাই তেওঁকে সোণৰ চুলাৰে শিং বন্ধোৱা এহেজাৰ ধেনু দান কৰিব বুলি ঘোষণা কৰিছিল। যাজ্ঞবল্ক্যে সেই দেৱুবোৰ তেওঁৰ শিষ্যবিলাকক খেদি লৈ যাবলৈ দিছিল। যাজ্ঞবল্ক্যৰ এনে উদ্ধতালি দেখি জনক ৰজাৰ পুৰোহিত অশ্বলে সহিব নোৱাৰি যাজ্ঞবল্ক্যৰ লগত নানা তর্কযুদ্ধত লাগিলে, কিন্তু অৱশেষত অশ্বল পৰাস্ত হল। তেতিয়া আৰু কোনো পণ্ডিতে উঠি যাজ্ঞবল্ক্যৰ লগত তর্ক কৰিবৰ সাহ নকৰিলে। কিন্তু গার্গীয়ে সকলোকে স্তম্ভিত কৰি অচল অটল ভাবে যাজ্ঞবল্ক্যৰ নিচিনা ব্রহ্মিষ্ঠ পুৰুষৰ লগত তর্কযুদ্ধ পাতি দিবোৱে তীক্ষ্ণ প্রশ্নবাণ মাৰিব ধৰিলে, তাক দেখি সভাৰ সকলোৱে তেওঁৰ পাণ্ডিত্য আৰু তীক্ষ্ণবুদ্ধিৰ ভূয়সী প্রশংসা নকৰাকৈ থাকিব নোৱাৰিলে। অৱশেষত কি হল জনা নাযায়। কিন্তু পৰাস্ত যে হোৱা নাছিল—এইটো নিশ্চয়।

(৩) পৌৰাণিক যুগৰ মহিলা

দেবহুতি

এওঁ স্বায়ম্ভুৱ মনুৰ কন্যা। এওঁৰ মাৰ শতৰূপা। এই বিদুষী জনাই তেতিয়াৰ দিনৰ বিদ্যা বুদ্ধিত শ্রেষ্ঠ কর্দ্দম ঋষিক স্বামী বৰণ কৰিছিল। এওঁ শিক্ষাৰ বৰ অনুৰাগিণী আছিল বুলিয়ে ৰাজকন্যা হৈও দরিদ্র ঋষিৰ সৈতে বিবাহ পাশত বদ্ধ হৈছিল। কন্যা দুটিৰ এটিৰ নাম অৰুন্ধতী আনটিৰ নাম অনসূয়া। অৰুন্ধতীক বশিষ্ঠ ঋষিক আৰু অনসূয়াক অত্রি মুনিক বিবাহ দিয়া হয়। পুত্রটি শাঙ্খপনিন্ন জন্মদাতা মহাত্মা কপিল। কপিলেই দ্বিতীয় বীজ ক'ত আৰু শান্তি ক'ত এই তত্ত্ব আবিষ্কাৰ কৰিছিল। এই পুত্র কন্যা কিটিৰ শিক্ষাদাত্রী আছিল তেওঁলোকৰ মাতৃদেবী দেবহুতি। মাতৃ শিক্ষিতা হলে যে সন্তান শিক্ষিত হয়, তাৰে তেওঁ উদাহৰণ।

মদালসা

এওঁ গন্ধর্ব্ব কন্যা; ঋতধ্বজ নামে ৰজাৰ লগত এওঁৰ বিবাহ হয়। মদালসা পণ্ডিতা, ভক্তিমতী, আৰু জ্ঞানতী মহিলা আছিল। তেওঁৰ চাৰিটি পুত্র আছিল, নাম—বিক্রান্ত, সুবাহু, শত্রুমর্দ্দন আৰু অলর্ক। এই পুত্র বিলাকক তেওঁ নিজে শিক্ষা দিছিল। তেওঁৰ শিক্ষাতে প্রথম তিনপুত্রে সংসাৰ এৰি সন্ন্যাসত গ্রহণ কৰি গৈছিল। তেতিয়া স্বামীৰ আজ্ঞাত কনিষ্ঠ অলর্ক কেৱল ৰাজনীতি

বিষয়ে শিক্ষা দি যবতে বাধিছিল। পূৰ্ব্বত তিবোতা সকলে যে ৰাজনীতিজ্ঞও আছিল, তাক তেওঁৰ উপদেশ বোৱৰ পৰাই বুজিব পাৰি।

আত্ৰেয়ী

এৰোঁ এজনা প্ৰাচীন ভাৰতৰ বিদুষী। এওঁৰ জ্ঞানতৃষ্ণা বৰ প্ৰবল আছিল। তেওঁ প্ৰথমতে ব্ৰাহ্মীকৰ ওচৰত বেদ বেদাঙ্গ, উপনিষদ আদি শিক্ষা কৰিছিল। তাৰ পাছে আনশাস্ত্ৰ পঢ়িবলৈ ধৰিছিল। যেতিয়া মুনিয়ে লব কুশক শিক্ষা দিবলগীয়া হ'ল তেতিয়া তেওঁৰ অনেক অসুবিধা হল আৰু সেইবাবে তেওঁ বাল্মীকিৰ আশ্ৰমৰ পৰা ওলাই দণ্ডকাৰণ্য পাৰ হৈ, অনেক দূৰত থকা অগস্ত্য ঋষিৰ আশ্ৰম পায়গৈ। অগস্ত্যে এই মহিলাটিৰ এনেকুৱা জ্ঞানপিপাসা আৰু অদম্য অধ্যৱসায় দেখি আচৰিত হৈছিল আৰু তেওঁক আশ্ৰমতে ৰাখি নিজ কন্যাৰ দৰে শিক্ষাদান কৰিছিল। শিক্ষাৰ বলত আত্ৰেয়ীয়ে নিজ অভীষ্ট লাভ কৰিবলৈ সমৰ্থ হৈছিল। 'যত্ন কৰিলে বত্ন মিলে' এই কথা আত্ৰেয়ীৰ চৰিত্ৰতে খাটে।

(৪) পৰবৰ্ত্তী যুগৰ মহিলা

(৬ষ্ঠ পৰা ৮ম শতাব্দী)

লীলাৱতী

এওঁ পণ্ডিত ভাস্কৰাচাৰ্য্যৰ কন্যা। এওঁ কম বয়সতে বিধবা হয়। ভাস্কৰাচাৰ্য্যে তেতিয়া তেওঁক যবতে ৰাখি নানা বিদ্যা শিক্ষা দিছিল। লীলাৱতী গণিত, জ্যোতিষ আদি বিদ্যাত ইমান জ্ঞান লাভ কৰিছিল যে, তেওঁ গণনা কৰি গছত কিমান পাত আছে তাকো কব পৰা হৈছিল। তেওঁৰ সমস্ত জীৱন কেৱল শিক্ষাকাৰ্য্যতে গল। তেওঁ আজি নাই, কিন্তু তেওঁৰ গণিত বিষয় শ্ৰেষ্ঠ গ্ৰন্থ 'লীলাৱতী'য়েই তেওঁক জগতৰ ভিতৰত চিৰস্মৰণীয় কৰি ৰাখিছে।

খনা

এৰোঁ এজনা বিদুষী ৰমণী। এওঁৰ স্বামী মিহিৰ, শহুৰেক বৰাহ। খনা জ্যোতিষ শাস্ত্ৰত বৰ পণ্ডিতা আছিল, তেওঁ অনেক বৈজ্ঞানিক তত্ত্বও আবিষ্কাৰ কৰিছিল। এই মহিলা গৰাকীৰ মৃত্যু বৰ শোচনীয়। বিদ্যাৰ প্ৰতিদ্বন্দ্বিতা লৈ তেওঁৰ শহুৰ আৰু স্বামীয়ে এই বিদুষীৰ অকাল মৃত্যুৰ কাৰণ। এই সতী-বধৰ পাপ ফলতে ভাৰতৰ স্ত্ৰী শিক্ষাৰ অৱনতি!

ভাৰতী

এওঁ প্ৰসিদ্ধ পণ্ডিত মণ্ডনমিশ্ৰৰ স্ত্ৰী। এওঁক মহাবিদুষী বুলিব পাৰি। তেওঁ ষোলবছৰতে চাৰিবেদ, শিক্ষা কল্প ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ এই বেদাঙ্গ—ন্যায়, শাঙ্খ আদি ছয়দৰ্শন, ধৰ্ম্মশাস্ত্ৰ, পুৰাণ, কাব্য, নাটক, অলঙ্কাৰ, ইতিহাস প্ৰভৃতি নানা বিষয়ত অসাধাৰণ ব্যুৎপত্তি লাভ কৰিছিল। তেওঁৰ বিদ্যা দেখি, সকলোৱে তেওঁক সাক্ষাৎ সৰস্বতী বুলি জ্ঞান কৰিছিল।

এই মণ্ডনমিশ্ৰক কামৰূপৰ পণ্ডিত বুলি অনেকে অনুমান কৰে। এসময়ত এই মণ্ডনমিশ্ৰৰ গুৰু শঙ্কৰাচাৰ্য্যৰ এটা শাস্ত্ৰীয়ৰতৰ্ক হৈছিল। দুজন মহাপণ্ডিতৰ তৰ্ক। তাত বিচাৰৰ ভাৰ লব পৰা কোন্? ইয়াৰ অগাধ পাণ্ডিত্য কাৰ? সেই শক্তি সেই পাণ্ডিত্য আছিল একমাত্ৰ ভাৰতীৰ। তৰ্কত মণ্ডনমিশ্ৰ পৰাস্ত হৈ আছিল, ভাৰতীয়ে স্বামীৰ হৈ তৰ্কযুদ্ধত লাগিল। এই তৰ্ক এসপ্তাহ ধৰি চলিল, একোতে শেষ নহয়। শঙ্কৰাচাৰ্য্যই ভাৰতীৰ পাণ্ডিত্য দেখি আচৰিত মানিলে—কোনোৰকলে পৰাস্ত কৰিব নোৱাৰে। ভাৰতীয়েও শাস্ত্ৰত শঙ্কৰক একো পৰাস্ত কৰিব নোৱাৰে। অৱশেষত শঙ্কৰৰ অজ্ঞাত কামশাস্ত্ৰৰ তৰ্ক তোলাত শঙ্কৰ পৰাস্ত হল আৰু সেই শাস্ত্ৰ শিকিবৰ নিমিত্তে তেওঁ কিছুদিনৰ সময় ললে। সেই শাস্ত্ৰ শিকি আহিহে শঙ্কৰে ভাৰতীৰ সমকক্ষতা ওজিৰিল আৰু সেই ভাৰতী আৰু মণ্ডনমিশ্ৰক লগত লৈহে তেওঁ লোকৰ সহায়ত বৌদ্ধধৰ্ম্মৰ গৰাহৰ পৰা হিন্দুধৰ্ম্ম উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতী নহলে, বোধ হয় শঙ্কৰাচাৰ্য্যৰ বহুত কাম অসম্পূৰ্ণ হৈ গল হেঁতেন।

ইমানতে আমি প্ৰাচীন যুগৰ দেবী প্ৰতিম বিদুষী সকলৰ পুণ্য চৰিত শেষ কৰিলোঁ। ইমানলৈ তেওঁলোকৰ

পুণ্য-কাহিনী আলোচনা কৰা যায়, সিমানে আমাৰ মনলৈ এটি আনন্দ প্ৰবাহ আহি হৃদয় বুৱাই পেলায় আৰু নিজক গৌৰান্বিত বোধ কৰোঁ। মনত স্বতঃই এটা প্ৰশ্ন আহে, পৰবৰ্ত্তী যুগত পত্ৰিত্ৰ শিক্ষা জ্ঞানত নাৰী সকলক বঞ্চিত কৰি কি লাভ হল? আমাৰ বোধেৰে এই যুগত শিক্ষা বিৰোধিতা আৰু অবৰোধ প্ৰথাৰ লগে লগে নাৰী প্ৰতিভা তিৰোহিত হৈ ভাৰত গৌৰৱ হীনপ্ৰভ হৈ উঠিছিল। ভাৰত সভ্যতাৰ এক চৰম বিকল হৈছিল। কিন্তু এতিয়া আকৌ সেই প্ৰতিভা পূৰ্ণমাত্ৰায় জাগ্ৰত হৈ উঠিবৰ লক্ষণ দেখা গৈছে। যাৰ অতীত উজ্জ্বল, তাৰ ভবিষ্যৎ অন্ধকাৰ থাকিব নোৱাৰে। এই সত্য আজি নাৰী প্ৰাণত উদ্দীপিত হৈছে। আকৌ সেই প্ৰাচীন উজ্জ্বল যুগ ঘুৰি আহিছে যেন লাগিছে; আকৌ নাৰী জাতি সমাজত গৰিষ্ঠ হৈ বিদ্যা, জ্ঞান, ধৰ্ম্মেৰে ভাৰতক অতুলনীয় কৰিব বুলি আশা কৰা যায়।•

* এই প্ৰবন্ধত Sir Ashutosh Memorial Volume,—A.K, Mazumdar's Hindu History আৰু বাবু মনিলাল গঙ্গোপাধ্যায়ৰ 'ভাৰতীয় বিদুষী' কিতাপৰ সহায় লোৱা হৈছে।— লেখক।

ৰবৰকৰাৰ ভাৰৰ বুৰুঁণি

—কৃপাৰৰ বৰকৰকৰা

মহাপুৰুষ মাধৱদেৱে ঘোষাত লেখিছে :—

"সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেহ
জানিবা বিষ্ণুযে সমস্ত জগতে সাৰ।"

আকৌ :—

"সৃষ্টি স্থিতি প্ৰলয়ৰ যিটো পৰম কাৰণ নাৰায়ণ
হেন ঈশ্বৰক নভজয় কোন কামে॥"

তেওঁ সৃষ্টি কৰে, স্থিতি কৰায়, আৰু সৃষ্টিৰ অন্তও কৰে। তেওঁ কোন? তেওঁ পৰম কাৰণ নাৰায়ণ। আমি তেওঁৰ মহিমা আনাৰ ক্ষুদ্ৰ বুদ্ধিৰে কি বুজিম? বুজি ওৰ পাবলৈ নোৱাটো সাগৰত কাঠিজাল বোৱা। বামকৃষ্ণ পৰমহংস দেৱে কোৱাৰ নিচিনা—লোণৰ পুতলাই সাগৰৰ পানী ছুবিবলৈ বোৱা। আমাৰ সক তজু খনত তেওঁক তুলি আমি তেওঁক জুখি তেওঁৰ মূল্য ঠিক কৰিবলৈ যাওঁহক। আমাৰ আস্পৰ্দ্ধা দেখি কোনোবাই যদি পুতোৰ ব্যৱস্থা কৰে, তাৰ ওপৰত আমাৰ কথা কবলৈ নাই। ঈশ্বৰৰ ওপৰত আমাৰ গোচৰ অনেক আৰু পাবিলে, তেওঁৰ গাত খোচবো অনেক, আমাৰ বিচাৰ আৰু সিদ্ধান্তৰ বাহ-দুখীও হবি বোল! ৰাম বোল! ব্যাপাৰে। আমি তেওঁৰ ওপৰত "ডিগ্ৰি-ডিড্ মিচ" মাৰিবই লাগিছোঁ। হে বাইজ, কোৱাঁ আমি কোন? দহোকুবি তোমাক সুধিছোঁ কোৱাঁ? আমি বলিয়া নে মূৰ্খ? বোলোঁ দুইটা। আমাৰ বলিয়াণি আৰু মূৰ্খালি দেখি তুমি নাহি-হিলেও তেওঁ হাঁহিছে, আমি ডাংকোপ মাৰি কওঁ, ভুইকঁপ প্ৰাকৃতিক ঘটনা, স্বভাৱৰ বিপ্লৱ-বিকাশ। তাত ঈশ্বৰৰ হাত নাই। তোমাক সুধিছোঁ, বোলোঁ প্ৰকৃতি কোন হে? তেওঁ তোমাৰ শাহু আই নে মোৰ শাহু আই? —যে তুমি হিহকে কৰা বা নকৰা, তোমাক মোক তেওঁ জোঁহাইকৰা বুলি জলপাত এটা খুৱাই পঠিয়াব?

কোনো আকস্মিক বিপদৰ পৰা যদি কোনো সাবে, আমি কওঁ Providential escape অৰ্থাৎ দৈবাৎ বা ঈশ্বৰৰ ইচ্ছাত সাবিল। ইস্কাবেই বা মানে কি?

কোনো কোনোৱে কয় "চায়েন্স" (Science) বা

বিজ্ঞানে ঈশ্বরক বগবালে। চায়েন্স আরু ঈশ্বরব মাল
যুজত

"হাতক হাতে মাল-বন্ধে বান্ধি।
দুই পারে দুই পারক ছান্দি॥
আজোরে অন্তো অন্তে বলে ধরি।
মুষ্টিক মুষ্টি মারে দৃঢ় করি॥
শ্রমে ছুয়ো দুই জান্তুত হানে।
মুণ্ডত মুণ্ড ঠেকা মারে টানে॥
হিয়াত হিয়ে মারে ঠাট করি।
আজুবি নেয় কতো হাতে ধরি॥
মারে গলদাঙ্গা হুঁ-হুঁ-হুঁ বুলি।
বাস্তরে আটিয়া আছারে তুলি॥
ছাছিয়া হাতে পারে পরি ছই।
বাগর পারে এক পিণ্ড হই।
বান্ধর চোটে ভাগে কলেরর।
এবায়া কতোহো হোরে অন্তর॥
ক্রোধে চক্ষু পকাই সঘনে চান্ত।
তর্জ্জন্ত গর্জ্জন্ত কামুরি দন্ত॥"

এনে ব্যাপার, এনে কাণ্ড বুলি তুমি ভাবিছা। কিন্তু নহয়। চায়েন্সেরে সৈতে ঈশ্বরব খরিয়াল নাই মল্লযুদ্ধও নাই। চায়েন্সো ঈশ্বরব আইন বা "জুবিচ প্রুডেন্সব" সংশ্লেষণ বা বিশ্লেষণ। চায়েন্সে ব্যাখ্যা দিলে; কিন্তু মানুহৰ মনৰ পৰা ভয় নগল। জ্যোতিষীয়ে গণি-পাড়ি খণ্ড প্রলয় আগমনৰ পূর্ব্ব বার্ত্তা দিলে; কেতিয়াবা জ্যোতিষীৰ কথা ফলিয়ালে, কেতিয়াবা নফলিয়ালে; কিন্তু মানুহৰ মনত সন্দেহ বৈ গল। আগন্তুক বিপদৰ পূর্ব্বাভাস তুমি পালা; কোনোৱে বুজিলে কোনোৱে হুবুজিলে; আৰু কোনোৱে বুজিও বুজন-নির্গতৰ দৰে চেলেউৰ হোপামৰা ধোৱাঁ উৰাই দিয়াৰ দৰে উৰাই দিলে। তোমাৰ কলা কুকুৰটো তোমাৰ ঘৰৰ আগ-চোতালত কুকুৰ-বহনা দি বহি আছিল। হঠাৎ সি তাৰ পাছ-ফাল ডোখৰ তিনি হাত মান মাটিত চোঁচোৱাই নিলে। তোমাৰ বঙা কুকুৰটোৱে বাতি এদ্ধাৰত ওপৰলৈ চাই দীঘলকৈ বাউচি টানিলে, আৰু কাষৰে-পাজৰে যত কুকুৰ আছিল, এটাইবোৰে সেই বাউচিত যোগদান কৰি লগ লাগি বিকট ঐক্যতান বাদ্য সৃষ্টি কৰিলে। চৰাকী শিয়াল সমূহে দিন দুপৰতে বাহ হৰাকৈ দীঘলীয়া হোৱা-হোৱাৰ বৰ গীত টানিলে তোমাৰ ঘৰৰ বোন্ধাটোৱে বা জাঁই মেকুৰীজনীয়ে কা নাই বার্ত্তা নাই মাও! মাও! ফোঁচ! ফোঁচ কৰি তোমাৰ টোল থলক লগালে; চোতালৰ পকৰাবোৰ লালী লাগি গৈ কৰবাৰ গাতত সোমাল; বাঁহৰ চাঙ থকা সাপ গাতৰ পৰা ওলাই গৈ নিৰাপদ ঠাইৰ সন্ধান নিযুক্ত হল। "কাউৰী, কাউৰী, অজাতি কাউৰীয়ে তোমাৰ মুখলৈ চাই বটৰবৈলে ধৰিলে। গছৰ পাত লৰ লাগিল; পাত জাপবোৱা গছৰ পাত জাপ খাই তোমাৰ ঘৰৰ সমুখতে আলিবাটৰ সিপাৰে দুজনী দাইহ তিৰোতাই সামান্য কথাতে দন্ত কুকলি পিটিলে, তোমাবো মনটো গধুৰ লাগিল; অথচ তোমাৰ মন এবাবো নেখেলালে সেইবোৰ কোনো আগন্তুক বিপদ আগজাননী। "চায়েন্স" বা বিজ্ঞানক তোমাৰ হেটি-বাই কৰি লোৱা সবজান তুমি নিকত্তৰ। কত শ বছৰ আগেয়ে চেক্সপিয়েৰৰ হেম্‌লেটে হৰেচিয়ক কৈছি "There are more things in heaven and earth than are dreamt of in your philosophy. আজিও সেই কথা শিলৰ বেখ। তোমাৰ চকু দুটাৰ ওপৰতে তোমাৰ সর্ব্বভাৰসা। আন নালাগে তোমা চায়েন্সেই প্রমাণ দি কৈছে যে সেই দুটা ইমান নিশ্চকীয় যে সিহঁতক কণা বেন্দেলা বুলিলেও মথেষ্ট গালি পা নহয়। সেই দুটাই দেখিব লগীয়া সবহ খিনি বস্তুক নেদেখে। আন নালাগে সেই দুটাতকৈ artificial eye অর্থাৎ হাতেৰে বা যন্ত্ৰেৰে প্রস্তুত কৰা চকুৱেই সবহবে দেখে। তোমাৰ কাণবো তেনে দুর্দ্দশাই। note ধ্বনিৰ সবহ ভাগকে তোমাৰ কাণে শুনিবলৈ নাপায় তেন্তে তোমাৰ কাণ ধুম কণা নহয় নো কি? তথাপি নিজৰ চকু আৰু কাণৰ ওপৰতে ভৰ দি তুমি সর্ব্বজ্ঞা হোৱাৰ ভমক চায় কোনে? অলৌকিক ঘটনা পৃথিবীত আগেয়েও অনেক ঘটি গৈছে আজিও ঘটব লাগিছে। তুমি

তাৰ কাৰণ নাজানা, একো মোৰ উলিয়াব নোৱাৰা। তুমি জনা প্রাকৃতিক ঘটনাৰ কার্য্য-কাৰণ সম্বন্ধ পৰস্পৰৰ নিয়ম সেই বোৰত নাখাটে, তথাপি নাবিকলৰ হোকা এটাৰ সন্ধান তোমাৰ মুৰটোৰ ভিতৰত থকা জ্ঞান বা অজ্ঞানৰ দপ্‌দপনিত ৰক্ষা নাই। বিপদ আহিল, তুমি টান পাই বাম বুলিলা। মানুহে ইটোৱে সিটোক সাৱধি ধৰিলে। বিপদ গল, ছদিনতে মানুহে তাৰো পাহৰিলে, বানৰে পাহৰিলে, বহিমলৈ পাহৰিলে, আৰু বিপদৰ কাৰণ আকোৱালি মাৰি ধৰা ভাই-ককায়ে পৰস্পৰৰ

উদ্ভিদ জগত

—শ্রীযুত তাৰাচৰণ চৌধুৰী

এই বিৰাট বিশ্বৰ বিশিনেই চাওঁ সেই পিনেই আমি সুন্দৰ সুন্দৰ গছগছনি, সেউজীয়া পথাৰ, ফল-ফুলে জকমক হৈ থকা বননি আৰু গছগছনিবে ভূশোভিত পাহাড়, পর্ব্বত আদি দেখিবলৈ পাওঁ। এইবিলাক দেখি আমাৰ মনত কেনে অপাৰ আনন্দ আছে! যাঁহনি আদি নথকা টপাখুৱা পাহাড় নাইবা বালিৰে পৰিপূর্ণ মৰুভূমি দেখিলে খুউৰাতে আমাৰ মনত এটা নিৰাশ ভাব ওপজে। যদি এই জগতৰ পৰা গছ-গছনি, যাঁহনি-বননি আদি নোহোৱা হয় তেন্তে এই পৃথিবীৰ অৱস্থা কেনে হব? আমাবেই বা ইয়াত থাকিবলৈ কেনে লাগিব? কবি সকলে তেওঁ লোকৰ ভাবৰ আহিলাপাতি ক'ৰ পৰা যোগাব কৰিব? যি কি নহক মানুহ আৰু উদ্ভিদৰ মাজৰ সম্বন্ধটি বিশেষ বহুতখিনি পূর্ব্ব। ইয়াক জানিবলৈ সকলোৱে হাবিয়াস জন্মে।

ইতৰ প্রাণীৰ নিচিনাকৈ উদ্ভিদৰ মাজতো লৰচৰ কৰি ফুৰিব পৰা শক্তিৰ বিশেষ প্রমাণ পোৱা যায়। আনকিনে ফুৰিজনাবিদ্ পণ্ডিত সকলে প্রথাণ কৰি কয় যে, জঙ্গম জীৱৰ ভিতৰতো কিছুমান লৰচৰ কৰিব নোৱাৰা প্রাণী আছে; যেনে 'স্পঞ্জ', ই সাগৰৰ তলিত থাকে আৰু জন্তুৰ নিচিনাকৈ এঠাইৰ পৰা আন ঠাইলৈ চলাচল

সাগৰৰ স্পঞ্জ

কৰিব নোৱাৰে। কিন্তু ইহঁতে নিয়মিত ৰূপে আহাৰাদি খায় আৰু ক্রমাণ্বয়ে বাঢ়ে। আকৌ লৰচৰ কৰিব পৰা নেলু টিপিবলৈ লাগিল। এনে কথা, এনে বতৰা।

বিশ্বাস অন্তৰৰ নিকুট বাণী। সেই বাণী কৰপৰা আহিল, কোনে পঠিয়ালে তুমিও নাজানা ময়ো নাজানো। তুমি তাক কণা বোলা, অন্তলা বোলা, বি মন যায় বোলা; কিন্তু সি নাযায়। সঁচাকৈ কবলৈ গলে, সিয়েই আমাক ধৰি বাখিছে, সিয়েই আমাক তুলিতালি ভাঙৰ-দীঘল কৰিছে; আৰু সৃষ্টিৰ অন্তলৈকে কৰি থাকিব। এতেকে শান্তি-পানী ছটিয়াই হবি বোলা!

প্রাণীৰ নিচিনাকৈ কিছুমান উদ্ভিদৰো চলাচলৰ শক্তি দেখিবলৈ পোৱা যায়। এই বিষয়ত স্থাবৰ আৰু জঙ্গমৰ মাজত বিশেষ অমিল নাই।

অপৰিমিত আৰু অস্বাস্থ্যকৰ আহাৰ উদ্ভিদ আৰু জন্তু দুইৰো পক্ষে অহিতকৰ। অতিচাৰকৈ নাইবা অসিদ্ধ বস্তু খালে আমাৰ সাধাৰণতে অজীৰ্ণ হৈ ভেদ, বিসূচিকা আদি ৰোগ হয়। উদ্ভিদেও ইয়াৰ পৰা এই একে ফলকে ভোগ কৰিব লাগে। গছগছনি এই ধৰণে নষ্ট হলে আমাৰ ধৰকৰা ভাষাতে সাৰকুটি মৰা বুলি কৈ বুজনি দিয়ে। শস্য কৰাৰ কিমান দিন আগতে আৰু কি পৰিমাণে সাৰ দিব লাগে, তাৰ বিশেষ নিয়ম আছে। শস্য বিশেষে সাৰ দিয়াৰ সময়ৰ হীন-দেড়ি ঘটে। নিয়মাহুযায়ী আহাৰ পানী যোগালেহে ভাল ফল-ফুল আৰু মনোৰম গছৰ আশা কৰিব পাৰি। আমাৰ খেতিয়ক সকলে এইবিলাক কথাটৈ কাণসাৰ নাৰাখি ইচ্ছাহুযায়ী কাম কৰে। তাৰ ফলত তেওঁলোকে আৱদ্ধ কৰা মাটিৰ পৰা যিমান ফল পাব লাগিছিল সিমান নাপায়। দুঃখৰ বিষয় বেচেবা খেতিয়ক সকলক এই বিষয়ে কার্য্যকৰী হিচাবে বুজাই দিওঁতা কোনো নাই। নাইবা, থাকিলেও তেওঁলোকৰ এই বোবলৈ কাণসাৰ নাই। পাশ্চাত্য দেশবিলাক এই বিষয়ে আমাতকৈ বহুত ওপৰত। তেওঁলোকৰ খেতিলৈ মৰম আৰু ইয়াৰ নিয়ম কাহুনৰ কথা শুনিলে আমাৰ আচৰিত যেন লাগে। সেইবিলাক দেশৰ প্ৰত্যেকজন খেতিয়কেই কিমান সাৰ দিব লাগে তাক জানে আৰু সেই দৰে কাম কৰি আশাহুযায়ী ফল পায়।

নিউয়র্ক উদ্ভিদ্ বিদ্যাৰ বাগিছাৰ বক্তা জে, এইচ, নিকোলাচ মহোদয়ে উদ্ভিদৰ জীৰ্ণশক্তিৰ বিষয়ে নানা বকম তথ্য আবিষ্কাৰ কৰিছে।

জঙ্গমৰ নিচিনাকৈ উদ্ভিদৰ ভিতৰতো সাময়িক চেতনাৰ ভাবটি দেখিবলৈ পোৱা যায়। আমাক যদি আমাৰ বন্ধু এজনে অকস্মাৎ চিকুটে, নাইবা কাঁইট এটিবে খোঁচাবলি দিয়ে, তেন্তে আমাৰ মনত আন্তৰিক উত্তেজনাৰ ভাব এটি আহি দেখা দিয়েহি আৰু তেতিয়া আমাৰ গোটেই গাটো জোকাৰি উঠে। গৰু-মহ আদিক প্ৰেৰণা দিবলৈয়ে খেতিয়ক সকলে হাল বাঁওতে লক্ষ আগত পাচান ব্যহাৰ কৰে। আৰু দৈনন্দিন এ কামকে কৰি আমনি লাগি খোজকঢ়াত ঢিলা দেখি নিজ কৰ্ত্তব্যত চেতনা আনিবলৈ তলিনাত খোঁচমাহি দিয়ে। উদ্ভিদেও সুচল পালে এই সাময়িক ভাবটি ধৰা পৰিচয় দিয়ে। লাজুকীলতা সকলোৱে দেখিছে; ইয়ান আলহুৱা যে ইয়াৰ গাত অলপ আঘাত লাগিলে নিজৰ লাজুকী ভাৱটিৰ চিনাকি দিয়ে আৰু তেতিয়া পাত বোৰ মুজি যায়। আচার্য্য জগদীশ-চন্দ্ৰ বসুৰ এ বিষয়টি নানা পৰীক্ষাবে জগতৰ আগত দাঙি ধৰিছে।

উদ্ভিদৰো আমাৰ দৰে ইন্দ্ৰিয় অর্থাৎ চকু, জিভা, আদি আছে। এই কথাষাৰ শুনিলে বহুতেই আচৰি মানিব। দৰাচলতে উদ্ভিদে এই ইন্দ্ৰিয়ৰ সহায়তে অবিৰ গতিকবি আছে। আমাক আমাৰ প্ৰিয়জনে পদুমফু এটি দিলে আমি তাক নাকৰ ওচৰলৈ নি গোন্ধ ল চাৱাবলৈ শুঙি চাওঁ; পাছিবোৰ জঁপত গৈছেনে না তাক ধৰিবলৈ মৰমেৰে আঙুলি ঘুৰাওঁ আৰু তাৰ অপূ সৌন্দৰ্য্য চকুৰে চাই তৃপ্তি উপলব্ধি কৰোঁ। পাখাদি পৰা আহি হাত-মুখ ধুই উঠিলে দেৱবালা আইটিয়ে গা বাটটিত বোকাচাউল-দৈ, কাঁহিখনিত পিঠাপনা আ আৰু বাটটিত লোন-তেল, জলকীয়া সানি ভজাই ককাই বাৰীৰ পৰা পাৰি অনা আম সুন্দৰকৈ সজাই মৰমে সৈতে হাঁহিমুখে আগবঢ়াই দিয়েহি। এই প্ৰত্যেক বিষ বেলেগ সোৱাদ জিভাৰে জানিব পৰা যায়। আমি আমা পঞ্চেন্দ্ৰিয়ৰ সহায়ত এই বিলাকৰ বুজ লৈ আহ্লাদিত পাৰিছোঁ। সেইদৰে উদ্ভিদৰো এই ধৰণৰ ইন্দ্ৰিয় ধৰ আৰু জঙ্গম জীৱৰ কামৰ অনুকৰণ কৰাৰ আভাস পো যায়। আমি যেনেকৈ চকুৰে চাই জগতৰ সৌন্দ উপলব্ধ কৰিব পাৰোঁ নাইবা দিন-ৰাতিৰ গম ধৰি পাৰোঁ; উদ্ভিদেও চকুৰ কার্য্য সততে পালন কৰি থাকে তলত লিখা প্ৰমাণটিৰ দ্বাৰা এই বিষয়টি সুন্দৰকৈ প্ৰমা কৰিব পাৰি।

আৱশ্যকাহুযায়ী মাটি, পানী, তাপ আৰু বায়ু পোৱাৰে কুঠৰী এটিৰ পাত্ৰ এটাত ধান নাইবা শাক-পাচলিৰ ব

জন্তুৰ লাগে। তাত বতাহ আৰু পোহৰ সোমাব পৰাকৈ এটা মাপোন বাট এবি বাকীবোৰ বন্ধ কৰিব লাগে। খেতিয়া গুটিবোৰ গজি পুলিবোৰ ক্ৰমান্বয়ে বাঢ়িবলৈ ধৰে খেতিয়া পুলিবোৰ পোনাই ওপৰৰ পিনে নগৈ হেলনীয়া



এটি সুঠনীত গজিবলৈ দিয়া ধানৰ পুলিবোৰে বতাহ আৰু পোহৰ অহা ফাললৈ ঢাল খাইছে।

ভাবে পোহৰ অহা জানালাৰ পিনে ঢাল খোৱা দেখা যায় ইয়াৰ কাৰণ এই যে গজালিবোৰক অজান্তে খাদ্য দৰে পোহৰবো বিশেষ আৱশ্যক। কিন্তু এই পোহৰ যে জানালাখনৰ ভিতৰেদি আহে, এই কথাষাৰ পুলিবোৰে জানিলে কেনেকৈ? আমি এতিয়া এই ঘটনাটো চাই গছ-গছনিৰ ইন্দ্ৰিয় থকাৰ কথা দুই কৰিব নোৱাৰোঁ। গজালিবোৰক কোনোবা অজান ইন্দ্ৰিয়ই পোহৰ দেখাই দিলে; গতিকে সেই পোহৰব পিনে ইইত ঢাল ল'লে। এই খোটালীটিতেই ডাঙৰ বোটল এটাত পানী ভৰাই কচু গছ এজোপা ফলে কিছুদিন পিছত যি বোৰ নতুন নতুন পাত ওলাব, সেই এটাই বোবেই পোহৰৰ ফালে ঢালখোৱা দেখা যায়। আকৌ উদ্ভিদৰ কার্য্যকলাপ লক্ষ্য কৰিলে ইয়াৰ এটা আচৰিত শক্তিৰ পৰিচয় পোৱা যায়। পুলিৰ মূলশিপাটিয়ে ওপৰত থকা আগটিৰ সততে বিপৰীত কার্য্য কৰি থাকে। ই সদায় পোহৰৰ বিপৰীত ফালেহে গতি কৰে।

পিঠা-পনা, বোকাচাউল-দৈ আদিৰ সোৱাদ আমি যেনেকৈ জিভাৰে উপলব্ধি কৰিব পাৰোঁ সেই দৰে উদ্ভিদবো এই সোৱাদ গ্ৰহণৰ ক্ষমতা থকাৰ গম ধৰিব পাৰি। কিছুমান নীৰস কাঠৰ গুৰি লৈ সেই গুৰিবোৰৰ একলীয়াকৈ এক অংশ সেমেকা অন্তস্থাত বাখি গুটি গজিবলৈ দিলে, গজালিবোৰৰ শিপাবোৰে শুকান কাঠগুৰি থকাৰ কাৰণে তলৰ পিনে পোনাই নগৈ হেলনীয়াকৈ পানী বিচাৰি সেমেকা কাঠগুৰিৰ পিনে ঢাল খোৱা দেখা যায়। দৰাচলতে পৃথিবীৰ আকর্ষণৰ গুণত তলৰ পিনে পোনাই যাব লাগিছিল। উদ্ভিদৰ সোৱাদ গ্ৰহণৰ কাৰণে বিশেষ ইন্দ্ৰিয় থকা বুলিহে আনপিনে গৈও পানী ভক্ষণ কৰিব পাৰিছে।

অঙ্ক এজনৰ হাততে যদি আমি আমাৰ পদুম কলিটি নাইবা বৰফ এডোখৰ দিওঁ, তেওঁ হাতেৰে লাৰি চাইহে তাৰ ধৰণ আৰু গঠনৰ বিষয়ে সঠিক উত্তৰ দিব পাৰে।

গজিবলৈ ধৰা আন এটি কচু পুলিৰ পাতবোৰ পোহৰৰ ফাললৈ ঢাল মৈছে—, শিপাবোৰে কিন্তু তাৰ ওলটা পিনে এজাৰ ফালেহে মৈছে।

এই অঙ্কজনে যিদৰে চকুৰে নেদেখাকৈ নাইবা কাণেৰে শুণ্ডনাকৈ স্পর্শজ্ঞানেৰেই জীৱন পথত আগুৱান হব

পারিছে সেই দবে উদ্ভিবো এই স্পর্শজ্ঞান হাডব যথেষ্ট শক্তি থকা দেখা যায়। লাও, কোমোৱা, জিকা, কেবেলা আদিব গাত থকা চুলিবোৱ (টেণ্টেক্‌ল্‌) সকলোৱে দেখিছে। এই চুলিবোবে অন্ধ গছক জীৱন অথণ্ডাত আওড়াই লৈ যায়। এই বিলাক উদ্ভিদ কোনো অংশ কঠিন বস্তুব সংযোগলৈ আহিলে ইহঁতে স্পর্শজ্ঞান অনুভব কবি লাঠাজোপা বগাই থোৱাত মেবাই ধবি সহায় কবিবলৈ চুলিবোৱক বেঁকাভাবে আখবাড়ি যাবলৈ উটাই দিয়ে। চুলিবোবেও এই সুযোগটি লৈয়ে বেঁকাকৈ অগবাড়ি গৈ কঠিন বস্তুত খামোচ মাবি ধবেগৈ। তদুপবিও গছগছনিব মাতৃভূল্য ভাব এটিব বিণি বিণি ঝজাব তুনিবলৈ পোৱা যায়। ইয়াব ওচব চুবুীয়া আক বংশ পবিয়াললৈ সহাঃভূতিব ভাব বিশেষ প্রবল। মাতৃয়ে যেনেকৈ নিজ সন্তান-সন্ততি বিলাকব ভিতবত যি জন নিঃকিন সেইজনক সততে বেছিকৈ মবম কবে আক নিজে কষ্টভোগ কবিও যথা সর্ব্বস্ব দান কবিবলৈ কুণ্ঠিত নহয়, সেইদবে ডাঠ হাবিবনিব ছাঁত গজা বহুত গছব আগব পাতবোবে নুমলীয়া পাতবোবক যথেষ্ট পবিমাণে সহায় কবে আক বাঁদব তাপ ভোগ কবিবলৈ নিজে নানান লঘু লাঞ্ছনা সহ্য কবিও নাইবা নিজব আকৃতি আক সৌন্দর্য্য বদলায়ো বিশেষ সুবিধা দিয়ে। তেতিয়া দুবৈব পবা ক্রমাগয়ে গছজোপাত এটা মাপোন পাত থকা যেন দেখি। এয়েই উদ্ভিদব 'ফিক্‌মোজেইক্'।

জঙ্গম আক স্থাবব, উভয়বেই জীয়াই থাকিবলৈ প্রধান বস্তু এটা; যাব অভাবত ইহঁতে এমুহূর্ত্ত সময়ো জীৱন ধাবণ কবিব নোৱাবে। সেইটি হৈছে বায়ু,—আক উশাহ নিশাহ ইয়াব প্রধান আহিলা। জীৱমাত্রেই নাক আক হাওঁফাওঁ আদিব সহায়ত উশাহ-নিশাহ লয়। এই

প্রথাটি উদ্ভিদব মাজতো প্রচলন আছে। গছ গছনিয়েও পাত আক সেউজীয়া ছালব বিন্ধাবে (ষ্টোমেটা, লেণ্টিচেল আদিবে) অম্লজান বায়ু শুহি নিয়ে আক অঙ্গাবাম্লক বায়ু এবি দিয়ে। পবীক্ষা এটিবে এই বিষয়টি ভালকৈ প্রমাণ কবিব পাবি।

গজিবলৈ আবম্ভ হোৱা কিছুমান বুট বা মাহ পবিষ্কাব পানীত দুই পবীক্ষাটিব কাবণে বখা হয় এমুবে ভাজথোৱা আক ওফন্দা বেলোৱাবী দুটা এটাব ভিতবত এই গুটিবোৱ ভাজথোৱা মুবব পিছ লোৱা হয়। যন্ত্রটিব ভিতবলৈ কিছু পনীয়া 'কষ্টিক চ'দা' গজালিবিলাকত লাগিব নোৱাবাকৈ সাৱধানেবে সোমা



পাৱা থকা (মার্কাবি) পাত্র এটাব ওপবত এনেভাবে ধবা হয় যে, চুঙাটোব তলব কাণটো পাৱাব ভিতবত আক 'কষ্টিক চ'দা' খিনি পাৱাব ওপবত থাকে। অলপ বেলিব পিছত, পাৱা ক্রমাগয়ে চুঙাব ভিতবলৈ সোমাই যোৱা দেখিবলৈ পোৱা যায়। ইয়াব কাৰণ যে, গজালি কেইটিয়ে উশাহ লওতে অঙ্গাবাম্লয় বায় এবি দিছিল। এই বায়ুখিনি 'কষ্টিক চ'দাই' শুহি লোৱাত পাৱাই তাব ঠাই পুব কবিল। ('কষ্টিক চ'দাব' বিশেষ গুণ—ই অঙ্গাবাম্ল বায়ু পালেই শুহি লয়)। পতিকে পাৱাই গৈ সেই খালি ঠাই পুব কবে। যি বিন্ধাবে (ষ্টোমেটা) বতাহ ওলোৱা সোমোৱা বন্ধ সেই বিন্ধাবোব অনুবীক্ষণ যন্ত্রেবে পবীক্ষা কবি চালে

বেছিকৈ পাতব তলব ফালেহে দেখা যায়। পাণ এপাতব দুইপিনব আঁহ এবাই যন্ত্রেবে পবীক্ষা কবি চালে ইয়াব প্রমাণ ভালদবে পোৱা যায়।

উশাহ-নিশাহব লগত জঙ্গম জীৱব কায়-উত্তাপব বিশেষ সম্বন্ধ থকা সকলোবে জানে। ইয়াব হীন দেড়ি ঘটিলে আমাব শবীব যয়ত আলি লাগে। যন্ত্রেবে পবীক্ষা কবি চালে উদ্ভিদবো প্রায় ২ ডিগ্রীলৈ তাপ বঢ়া দেখা যায়। বিশুদ্ধ বায়ুয়ে মনুষ্য শবীবব নিচিনাকৈ উদ্ভিদলো নতুন জীৱন দিয়ে।



উদ্ভিদব উশাহ নিশাহ লবলৈ পাতব ছালত থকা বিন্ধা

বর্ত্তমান যুগত বৈজ্ঞানিক সকলব আবিষ্কাব, ভাবব ঠোব লগত গতি কবিব পাবিছে। ফলেবে যি ভাব ভাবিছে, তাকেই আবিষ্কাব কবি বিশ্বব নতুনত্ব আনিছে। তেওঁলোকে আনকি নিৰ্জ্জু গছ লতাকো কাটি-ছিণ্ডি ডোখব ডোখব কবিবলৈ বাকী এবা নাই। এওঁলোকে মানুহব নিচিনাকৈ মাছ-মাংস খোৱা গছগছনিও বাছিব কবিলে। আমাক জীয়াই থাকিবলৈ আক শবীব ক্রমাগয়ে সুষ্টপুষ্ট হবলৈ বায়ু আক পানীত বাহিবেও অন্যান্য বহুবিধ আহাবব আৱশ্যক। এই বিলাকেই শেষত গৈ তেজ-মাংস আদিত পবিণত হৈ শবীবব শোভা বঢ়ায়। সেই দবে উদ্ভিদেও বতাহব পবা অম্লজান আক অঙ্গাবাম্লক, মাটিব পবা চাকলিয়া শিপাবে পানী আক তাব লগতে অন্যান্য খনিজ বস্তু যোগাব কবি লয়। ইয়াব লগতে উদ্ভিদক জীৱন ধাবণব কাবণে বাঁদ আক তাপব বিশেষ আৱশ্যক। এই বিলাকেই পবিপাক শক্তিব সহায়ত গছ বাঢ়নত সহায় কবে। আমাব ভিতবব কিছুমান শাকাৱভোজী আক কিছুমান মাংসভোজী। এদলব মতে মাছ মাংস নাখালে শবীব শকত-আবত হৈ নিজ উদ্দেশ্য পালন কবা টান। আনদলে কয় যে, এইবিলাক খোৱাব কোনো আৱশ্যক নাই। ইয়াব উপবিও আন এদলে বায়ু-পানী,



মাংস ভোজী গছ—ইউট্রিকুলেবিয়া আক পিচাব প্লেণ্ট

ফল মূল আদি খাবেই অৰ্দ্ধউলঙ্গ বেশেবে জগতব ডাঙৰ সমস্যাবোব সমাধা কবিবলৈ হাত দৈছে। উদ্ভিদব মাজতো বিবিধ প্রকাবব গছলতা দেখিবলৈ পোৱা যায়। ইহঁতব কিছুমান মাংসভোজী আক এইবোবে মাংস খাই বিশেষ তৃপ্তি পায়। 'ডুচেবা,' 'পিচ্‌চাব,' 'ইউট্রিকুলেবিয়া' আদি এই ধবণব মাংসভোজী গছ। এইবোব উদ্ভিদে কোনো এক শক্তিব বলত ইহঁতব ওপবত পবা পোক-পকৰা আদি জীৱব মাংস ক্রমাগয়ে জীর্ণ কবি তাব বস ভক্ষণ কবে। আচবিত কথা এই যে পোক-পকৰাবোবে বস

খাবলৈ ইয়াৰ পিটচাৰৰ ভিতৰ সোমালেই চুৱাৰ বন্ধ হয় আৰু তেতিয়া ইহঁত ওলাব নোৱাৰে। ক্ৰমাগতে এই সুযোগতে উদ্ভিদ বোৰে পোক পকৰা বিষাক্ত ভক্ষণ কৰে।

ইতৰ প্ৰাণীবদৰে উদ্ভিদবো খোৱা আহাৰৰ অৱশিষ্ট আৰু অকামিলা ভাগ শৰীৰৰ পৰা বাজ উলিয়াই দিবৰ শক্তি আছে। আমাৰ খোৱা পানীৰ অৱশিষ্ট ভাগ মল-মূত্ৰ আৰু ঘাম আদি ৰূপ ধাৰণ কৰি শৰীৰৰ পৰা ওলাই যায়। সাগৰ, নদী, বিল আদিৰ পৰা সূৰ্য্যৰ তাপত নাইবা শুকান বতাহৰ গুণত পানী বাষ্প আকাৰে আকাশলৈ উৰি যায়। গছ-গছনিয়ে মাটিৰ পৰা শিপাবে বহুল পৰিমাণে পানী শুহি লয়। এই পানীৰ অকামিলা অংশটো গছৰ কেঁচা সেউজীয়া ভাগেৰে আৰু বিশেষকৈ পাতৰ-বিন্ধাৰে (ষ্টোমেটাৰে) বাহি বাষ্পৰূপে বাহিৰ হয়। এই প্ৰণালী উদ্ভিদবো বিশেষ আৱশ্যকীয়; ই অবিৰাম আমাৰ অলক্ষিত ভাবে চলিয়ই লাগিছে। সাধাৰণ পৰীক্ষা এটিৰে উদ্ভিদৰ এই অসাধাৰণ শক্তিটি হুবহু প্ৰমাণ কৰিব পাৰি। এই প্ৰমাণটি সমাধা কৰিবলৈ তিনিটা এক ধৰণৰ আৰু সমান ওজনৰ পানীধৰা দীঘল গলৰ বোটল লোৱা হয়। ইহঁতৰ এটাত নতুন সেউজীয়া পাত থকা গছৰ ডাল এটি, আন এটাত পাত নোহোৱা ঠিক আগৰ টোৰ সমান পাত নোহোৱা এটি ডাল, তৃতীয়টো বোটলখালি ৰখা হয়। তাৰ পিছত পাত্ৰ কেইটাত সমান পৰিমাণে আৰু সমান দুবছৰৰ পানী ভৰাই প্ৰত্যেক বোটলতে পানীৰ ওপৰ পাৰত একোটাকৈ দাগ দিয়া হয়। পৰীক্ষাটি এই অৱস্থাতে এদিন বা দুদিন ৰখা হয়। তাৰ পিছত দেখা যায় যে, পাত নোহোৱা ডালটি থকা বোটলটৰ পৰা খালি বোটলটিতকৈ অধিক পানী নোহোৱা হৈছে। আকৌ পাতপূৰ্ণ ডালটি থকা বোটলটৰ পৰা খালি-ডালটি থকা বোটলটিতকৈ ততোধিক পানী অন্তৰ্ধ্যান হৈছে। এই পানী বোজা কেইটাৰ পৰা ক'লৈ গ'ল? এই পানী নিশ্চয় ডাল আৰু পাতে শুহি লৈছিল। আৰু ডাল নাইবা পাতৰ পৰা পানী বাষ্প আকাৰেৰে বাজ হৈ ওলাই বতাহৰ লগত মিলি গল। এই প্ৰমাণটিৰ পৰা ইয়াকো ঠাহৰাব পাৰি যে, পাতেল আটাইতকৈ বেছি অনাৱশ্যকীয় পানী বাষ্পাকৃতিলে বাহি



গছেও পানী শুহি পাতেৰে বাষ্পৰূপে উলিয়াই দিয়াৰ এটি প্ৰমান

ওলাই যায়। সেউজীয়া ডালেও এই কামত সহায় কৰে। কোনো কোনো সময়ত উদ্ভিদৰ শিপাই ইমান অধিক পানী মাটিৰ পৰাওহি লয় যে, এই পানীৰ অকামিলা অংশৰ গোটেই খিনি ওপৰৰ প্ৰথাৰে উলিয়াই দিব নোৱাৰে। এই ঘোৰ বিপদৰ সময়ত গছগছনিয়ে এক উপায় এটি অবলম্বন কৰিবলৈ বাধ্য হয়। তেঁহি অকামিলা পানীখিনি পানীওলোৱা বিশেষ বিন্ধাৰে (ষ্টোমা) বাহিৰ হৈ পাতৰ আগবোৱত টোপাটোপ গোট খায়। সাধাৰণতে দুৱনী-কুৱলী পূৰ্ণ বাহিৰ মোকালিতে এই দাঁহ-বন, কচু আদি গছৰ পাতৰ বিলাকত নিয়ৰৰ টোপৰ নিচিনাকৈ গোট খাই থকা দেখা যায়।

যাৰ যেতিয়া, তাৰ তেতিয়া

কথা— —শ্ৰীযুত মহীচন্দ্ৰ বৰা বি-এল

পুকুস-পৰ্ব্ব

ডিকৰৰ বহা বহা গণ্য মান্য লোক সকলৰ—বিশেষকৈ বয়স ভাটী মোৰা হাকিম, উকীল, ডাক্তৰ পেস্কাৰ, চিবস্তাদাৰ আদি সজ্জন সকলৰ গধূলিৰ মেলথন বহে টপামুবা মুঞ্চুপ মুকুন্দ ফুকনৰ ঘৰত। তাচ, পাশা ডবা খেল বাতি দুই বজাইকেই পূৰ্ণ মাত্ৰাই তাত চলে। ৰাজনীতি, সমাজনীতি, দৰ্শন, বিজ্ঞান, বেদ, বেদান্ত শ্ৰুতি-স্মৃতিৰ বিষয়ে বকৃতাবো তাত বিৰাম নাই;—লগে লগে তামোল, ধপাত চাহ জলপানবো সপিগীকৰণ মুঞ্চুপৰ যোগ্যতাৰে সুসম্পন্ন হয়।

মুঞ্চুপৰ ঘৰত নিতৌ সেইদৰে বৈঠক বহাৰ অৱশ্যে এটি ঐতিহাসিক গুঢ় কাৰণ আছিল। তাৰ আগতে কেবা ঠাইতো বৈঠক বহাবৰ বুথা চেষ্টা যে নহৈছিল এনে নহয়—। যেতিয়া বৈঠক বিদ্ৰোহিনী গৃহিনী সকলৰ কটু কাটব্যত—কেটেৰা-জেজেৰা সুমাতত উত্তোক্তা সকল অতিষ্ঠ আৰু উপায়ন্তৰ হৈ নাৰী প্ৰগতিৰ প্ৰতি বক্ৰ দৃষ্টি কৰি আহি আহি বৰে ডলাৰ বগৰিৰ দৰে বাগৰি ফুৰিছিল —ঠিক সেই সময়তে পৰম কাৰুণিক পৰমেশ্বৰ কৃপা কটাক্ষত ডিকৰত মুঞ্চুপ মুকুন্দ ফুকনৰ আবিৰ্ভাব হয়।

ফুকনৰ পেঞ্চন পাবলৈ মাথোঁ এবছৰ এমাহ আছিল —তেওঁ তেওঁ এজন "সৌখীন" ৰসিক লোক। বৰলা মানুহ—গতিকে তেওঁৰ "লেঠা পেঠাও" নাই। হুঁ, হেঃ— বুলি খেচখেচোই চুকথা শুনাওতাও তেওঁৰ নাই। দৰমহা পায় ছাবে ছশ। গতিকে "মজলিছৰ"—এনে উপযুক্ত নিবাপদ ঠাই তেওঁৰ ঘৰৰ বাহিৰে আৰু ক'ত হব পাৰে? চাৰৰ নাকৰ বোৰে আলেঙে আলেঙে ভুনভুনাই চুকথা শুনালেইবা। চাৰিবৰ আঁৰত বজাকো চৰ্চ্চে—নহয় জানো?

মেলৰ প্ৰধান মেলুৱৈৰ অন্যতম, কদম ফুলীয়া ডাক্তৰ গৰাকী কামিনী ৰঞ্জন কটকী পাৰৰ দৰে গল ফুলাই ফুলাই কথা ফৰ পৰা বুদ্ধিমন্ত উকীল। কাউন্সিলৰো এজন সুদক্ষ সভ্য বুলি তেওঁৰ নাম আছে। ৰায় বাহাদুৰ হবলো ভাৰসা বাখে—। কেৱল মহিলা সমিতিয়ে আৰু নাৰী প্ৰগতিৰ প্ৰতি সহানুভূতিত বিচলিত হোৱা পুকুস সকলে মাজে সময়ে মুখ বিদবাই কয়—"নামৰ লগত কামৰ এনে অমিল দু ভাৰতততো দেখা নাযায়। মাক বাপেকে নিশ্চয় কামিনী সকলক ভাবুকি দিবৰ কাৰণেই তেওঁৰ নাম কামিনী ৰঞ্জন বাখিছিল।"...এনে কুহুজ প্ৰকৃতি লৈও মানুহৰ জন্ম হয়! কবাইছ কামিনী উকীলে কামিনী সকলক ৰঞ্জন কবিব কি—এদিনলৈকে হাঁহিমুখেবে যৈনীয়েকক মতা মুখনিলৌ! এনে নিকৰুণ নাৰী বিদ্ৰোহীয়েও বিয়া কবায়। উকীলনীলে বিয়া নিদিলে যেনিবা উকীলনীৰ মাক বাপেকে উকীলনীক পুৰিবে খালে।—দেহি, লওৱা লিগচৌ নোহোৱাকৈ সাতোটি সতি-সন্ততিৰ মাক উকীলনীয়ে দোক মোকালিবে পৰা বাতি চুপবৈলৈকে গেৰাবি খাটি, লেদেৰা উকচি শুকান শৰীৰটি শুকোৱা দেখিলে কলিজা ফাটি যায়!...বাক ভাতৰ তিতা খাব পাবি, কিন্তু উকীলনীয়ে দিনে বাতিয়ে উকীলৰ হুতা মাতৰ তিতা সহিছে কেনেকৈহে? ঈশ্বৰে নকবক—কোনোবা দিনা শুনোহে লাগে বেজাবত উকীলনীয়ে ডিঙ্গিত চিপ জৰী লগোৱা। অত্যাচাৰ, উৎপীড়ন সহনবো এটা সীমা আছে।

উকীলৰ আঁহে পোৱা কোনোজনে কেতিয়াবা এই

বিষয়ে উকীলক সুধিলে, উকীলে নির্ব্বিকাৰ চিত্তে মাথো মাত্ত দিয়ে—মোৰ ঘৰৰ নিজৰ ভাল বেয়া মই নিজে বুজোঁ। পৰৰ কথা কৈ অনধিকাৰ চৰ্চ্চা কৰি মণ্ডুজ ঘোলা কৰা বোৰক মই মাৰোঁ পুতো কৰোঁ। কংগ্ৰেছীদলৰ, 'লইন ক্লপ মেণ্টেলিটী'ৰ নাৰী-পুকষৰ কথাত নাচিবলৈ তিবোতাক নচুৱাবলৈ মই আছুৱা কেচুৱা নহয়। এই সীতা সাবিত্ৰীৰ দেশত—নাৰীক উচটাই জোল খাবলৈ—টিংখোপত তুলিবলৈ তিবোতাৰ সমাধিকাৰ,—অবলাৰ-বল—বিষয়ে টেটু ফালি চিঞৰিবলৈ মোৰ 'ফুবচৎ' নাই। আৰে বাপু, তিবোতাক লাই দি দি সমাজ ওলট-পালট কৰাৰ প্ৰতিফল অচিৰে পাবি।—নাৰী জাগ্ৰতি—? ফুঃ—!

য'ক সেইবোৰ কথা।

সেইদিনা কাউন্সিলৰ পৰা আহিয়েই নাকে মুখে ঘৰত ছটমান গুজি গোন ছাটেই কামিনী উকীল মুকুণৰ ঘৰৰ বৈঠকত উপস্থিত।···তেওঁৰ উপস্থিতিত বাতৰি পাইছে ককাল লগা গাবেই চেঁচুচ চেঁচুচকৈ লাগুটী কোবাই কুজা চিবন্তাৰ আহি সুধিলে—দবমহাৰ ফাইভ্ পাবচেণ্ট বিত্তাকঞ্চন উঠাই লোৱা হলনে নাই। কাইজাৰী গোঁফত তাঙ দি দি মহৰ শিগৰ দবে গোঁফৰ আগ জোঙা কবি ছিনিয়ৰ হাকিম ৰবিকান্তই সুধিলে—তেওঁৰ ছবুজ বিষয়ে খিলং ছেক্ৰেটেৰীয়েটত গুহক-থানক কিবা বা-বাতবি ওলাইছেনে নাই। বাৰ বাহাদৰ বলভদ্ৰ বৰকটাৰ তৃতীয় পক্ষৰ ককায়েক চন্দ্ৰকান্তই হাকিম পদৰ প্ৰাৰ্থী হৈ দবখাস্ত দিছিল—পৰীক্ষাতো বোলে ভালেই কবিছিল। তেওঁ সুধিলে—জেঠেবিৰ কিবা 'চান্স' আছেনে নাই? পুলিচৰ বৰদাবোগা বিশ্বম্ভৰ কাকতীয়ে প্ৰশ্ন কবিলে—পুলিচ ডিপাৰ্টমেণ্টৰ কাৰণে এইবাৰ অতিৰিক্ত টকা "বাজেটত" মঞ্জুৰ কবিছেনে নাই! লবাৰ চাকবিৰ কাৰণে মন্ত্ৰীৰ ওচৰ চাপি নিবাশ হৈ ঘুবি অহা বাঘ চাহেৰ চিদানন্দ শৰ্ম্মাই কাউন্সিলৰ কটকীৰ মুখে মন্ত্ৰীৰ দবমহা এইবাবো নকমিল বুলি জনিব পাবি, মুখ ওফোন্দাই ঘুমুনি লাগি বহিল। হাইস্কুলৰ হেড মাষ্টৰ ছাত্ৰ বঞ্জন সেনগুপ্তই তেওঁৰ এইবাবো ছিলেকঞ্চন গ্ৰেডলৈ উঠিবৰ আশা নাই বুলি জানিব পাবি "আসামে আৰ শিক্ষকতা কবা দায় হল" বুলি মন বেজাৰত এটা বক্তৃতাকেই জাবিলে। কটকীৰ লগৰ প্ৰতিদ্বন্দী হৈ ছেজাৰ ছেজাৰ টকা ভবিও নিৰ্ব্বাচনত উঠি নোৱাবা সৰ্ব্বজয় ছবৰা ওবকে সদাগবে গহীনাই মন্তব্য প্ৰকাশ কবিলে—এই কাউন্সিল ফাউন্সিল বোৰ একা ফাৰ্চ্চ মাথোন— ভেঁকো-ভাঙনা। দেশ হিতকৰ কোনে কামেই ওচৰ ঘাবা নহয়। মেম্বাৰ বোৰ হল—কি ভোজ খোৱা শিয়াল। সিইতে জানে মাৰোঁ টী, টিফিন খাব—ক্ৰাবত গা ঢেলাব,—হিজ একচেলেন্সিৰ লগত—মন্ত্ৰী আদিব লগত—হেণ্ডশেক কবিব। খবেৰ বী যো-ছকুম, আপকাত্তাস্তেব দল!—

সদাগবৰ কথা শুনি সদস্ত উকীলৰ গোঁফ ডাৰি শিঞৰি উঠিল—সমুখত থকা টেবোলত ভুক্ত মাবি মাবি কিবা কবলৈ মুখ মেলোতেই মুকুণে মাত দিলে—কটকীদেও, এইবাব ফিমেল ফ্ৰেঞ্চাইজৰ বিষয়ে কাউন্সিলত কি সাব্যস্ত হল—ক'কোন।—আপোনাবো বোলে বহু বিপদ ঘটিছিল ?—

"নাৰীৰ কীৰ্ত্তি ডাঙবীয়া নাৰীৰ কীৰ্ত্তি। জানি এই দবে তিবোতা সকলক প্ৰশ্ৰয় দিলে পুকষৰ পক্ষে অনিবাৰ্য্য। আপোনাৰ ফিমেল ফ্ৰেঞ্চাইজৰ বিষয় আলোচনা হব লগা দিনৰ আগবে পবা দলে দলে মহিলা সকল গৈ মোক অনুবোধ, অনুনয়, বিনয় বয়কাত কৰ আদি দেখাই—হুবি হাব একচেলেন্সিৰ ওচৰ চাপিল আগদিনাই হাব একচেলেন্সিয়ে মতাই নি মোক কলে,—"কটকী; ফিমেল ফ্ৰেঞ্চাইজৰ বোলে আপুনি ব বিবোধী ?"—মই কলোঁ—"মিছা—কেৱল আপোনা দবে—ইংবাজ মহিলা সকলৰ দবে কাৰ্য্য নিপুণা, স্বাশিক্ষি মহিলা নোহোৱাকৈলৈকে মই আমাৰ সমাজৰ বিবোধ সকলক ভোটৰ অধিকাৰ দি তেওঁলোকৰ মুৰ খা নোৱাবোঁ। আপোনাসকলৰ দবে হবলৈ এত্তিয়া তেওঁলোকৰ এথুন লাগিব। আগেয়ে উপযুক্ত হওক— পিছত 'ভোট ভোট'কৈ তেওঁলোকে চিঞৰিব। তেতিয়া তেওঁলোকক অধিকাৰ দিয়াত মোৰ কোনো আপত্তি নাথাকিব। আমাৰ এই অশিক্ষিত সমাজত আমাৰ

সেইবোৰ কেলেই? এইবাব নিৰ্ব্বাচনতেই ভোট বিচাৰি ই মি বিপাকত পৰিছিলোঁ, হাব একচেলেন্সিয়ে জানিলে কেতিয়াও তিবোতাৰ ভোটাধিকাৰ সমৰ্থন কবিবলৈ মোক নকব বুলি মোৰ বিশ্বাস।—আমাৰ পুকষেই ভাল বেয়া বিচাৰি উপযুক্ত লোকক ভোট দিবলৈ এতিয়াও শিকা নাই। বৰ্ত্তমান অৱস্থাত পুকষৰ ভোটৰ অধিকাৰেই উটাই লোৱা নিতান্ত কৰ্ত্তব্য, এনেস্থলত মহিলা সকলৰ ভোটৰ অধিকাৰৰ প্ৰশ্নই উঠিব নোৱাৰে।" হিজ একচেলেন্সিয়ে ওচবত বহি মোৰ কথা শুনি আছিল, হাঁহি হাঁহি পিঠিত চপবিয়াই মোক তেখেতে—"বাইট্, বাইট্" বুলি বিদায় দিলে।

পিছদিনা কাউন্সিললৈ যাবলৈ ওলাই দেখোঁ যে মোৰ গোটাপিটোৱে ছুবাৰ বন্ধ। চিঞৰিবলৈ—আঁহ্ যাবিলো—তয় দেখুৱালৈ।—কোনেও ভুমুহিলে। ওবিয়াই ছুবাৰ ভাঙ্গি কোনোমতে ওলাই বাট পাওঁতেই দেখা মহিলাই মোলৈ টোৱাঁহি কলা কলা নিচান উবাই চিঞৰিলে—"গ' বেক্, গ' বেক কামিনী-কণ্টক।"—

"কামিনী কণ্টক ?—হিঃ হিঃ হিঃ—নামাকৰণ যাবিণী কামিনী ছকলব বাতুল চবণত মোৰ শত সহস্ৰ পীট কৌটি দণ্ডৱত প্ৰণাম—।"

"আঁঃ—কি গৈলোহে কবাহে হাজবিকা ? পিছে সেই বোৰলৈ ক্ৰূপেক্ষ নকবি লবালবিকৈ কাউন্সিল হলত সোমাই বহি বেখিলোঁ যে ফিমেল ফ্ৰেন্চাইজৰ বিষয়ে তাত বক্তৃতা আবম্ভ হলেই। বধুবা ডেকা আদহীয়া তা সকলব মুখত তিবোতাৰ গুণ—তিবোতাৰ প্ৰশংসা ৰাবৈ কুটাদি কুটি উটিছিল বুজিছে ? ফিমেল গেলেবীলৈ ই আৰু সেইকালৰ পবা হাত চাপবি পাই তেওঁলোকৰ ই ডেঙোডিবি! আমাৰ চুলীয়া চৌধুৰীয়ে হাতমুৰ জোকাবি কলে,—"মোৰ ধ্ৰুব বিশ্বাস, মহিলাসকলৰ ন্যায্য দাবীত, বধ অধিকাবত আপত্তি কবোতা কোনো নাবী বিদ্রোহী াই। মহিলাৰ মুক্তিয়ে দাগিত্ব জ্ঞানহীন পুকষ সমাজবো ক্তিব পথ প্ৰশস্ত কবিব।" গোঁসাই সভাই নাবীৰ াপবত পুকষৰ অত্যাচাৰ বৰ্ণনা কবিবলৈ গৈ আবেগত নেকে অভিভূত হৈ পবিছিল যে তেওঁৰ মুখত মাৰোঁ

খোকা থুকিকৈ ওলাল—"এই নত্তজাগবণৰ যুগত—সাম্য মৈত্ৰী স্বাধীনতাৰ যুগত—আই সকলক ঘৰৰ চুকত বন্দিনীকৈ বখা দুখই মোৰ অন্তৰত অশান্তিৰ জুই জলায়।"...বৰলা বকৰাৰ মুখত আই সকলৰ গুণানুকীৰ্ত্তনে স্বয়ং চকুমুখকো চেৰ পেলালে। "হিয়াৰ'-হিয়াৰ'-ধ্বনিৰ আৰু হাত চাপবিৰ মাজত তেওঁ বিনালে—"নাৰী-দেৱী, নাৰী-লক্ষ্মী,—নাৰী—কৃষিত মৰ্ম্মৰ বসাল নন্দন। নাৰীৰ মহিমাময় নাৰীত্ব নিষ্পেষিত কবিবলৈ যদি কোনো ওলায়— তেন্তে তেওঁৰ—সেই অধম পুকষৰ ঘৰৰ বেৰত মচিব নোৱাৰা আখবেৰে লিখি থব লাগে—এই নিকক্ত নিৰ্গত পাষণ্ডক ঠাই সমাজত নাই—আনকি নবকতো। নাৰীৰ হিয়াভবা হমুনিয়াহৰ স্বয়ং সৃষ্টিকৰ্ত্তাৰ আসনো টলিছে। কাৰ সাধ্য নাৰীৰ ন্যায্য অধিকাবত হস্তক্ষেপ কবিব পাবে? মুক্তিশঙ্খ অহৰত প্ৰবল নিনাদে বাজি উঠিছে—মুক্তিৰ বিজয় কেতন সগৌৰবে উবিছে। অন্ধকাৰ যুগৰ সীতা সাবিত্ৰীৰ দোহাই দিওতা সকলক—অযোধ্যাত বৰ্ত্তমানে বামৰ বাজ্য নেদেখি—কলিকতাত বশিষ্ঠ ঋষিৰ আশ্ৰম নেদেখি উচুপি উচুপি চকুলো টোকা সকলক মাৰোঁ কওঁ—সেই দিন আৰু নাই। নাৰী প্ৰশংসাৰ সংক্ৰামক দোষত আনকি আমাৰ বুঢ়া বাখী খান বাহাদৰো এনেকৈ 'লবেজান' হৈ পবিছিল যে তেওঁ প্ৰায় পাঁচ মিনিট বোলোৱা ডাড়ি হাত বুলাই থাকি, শেষত মাত দিলে।—"হদিছব হুকুম—নাৰীক ভোটৰ অধিকাৰ দিয়া আমাৰ "ফবজ"।—মই সমর্থন কবোঁ।" তেওঁৰ ওপবত মোৰ অগাধ ভবসা আছিল। পিছে নিবাশ হৈ মই কবলৈ ধবিলোঁ :—"আমাৰ চৌধুৰী, গোসাঁই, বৰকায়ৰ দবে ভাবত উপাড়ি ছুবা বিধৰ লোক মই' নহয়—তেওঁলোকে নাৰীক দেবী বুলি পূজা কবাত নাৰীৰ বাতুল চবণত তেওঁলোকৰ প্ৰশংসা-অঞ্জলী পবাত অৱশ্যে মোৰ হবিষো নাই—বিষাদো নাই। বয়সত আদহীয়া হলেও তেওঁলোকৰ মনৰ তেজ আছে। বিশেষকৈ আজি যুবকৰ তপত শোণিত তেওঁলোকৰ শবীবত টগ্ৰবগ্ কবিব লাগিছে। কিন্তু এই বুঢ়াই তেওঁলোকক মাৰোঁ ইয়াকে কওঁ যে তেওলোকে আমাৰ সমাজত চলন্তি এবাৰ বাক্য নিশ্চয়

শুনিছে।—কটাবী চিকুণ শিলে, তিবোতো চিকুণ কিলে। মই জানো, বহু কাবণে তেওঁলোকে এই বহু মূলীয়া বচনব সার্থকতা আজি উপলব্ধি কবিব নোৱাবিব। আই সকলব অতি বাহিক সহানুভূতিব তেওঁলোকব যে অভাব নাই তাক তেওঁলোকব ডাঁচি গোঁফ নোহোৱা মুখ মণ্ডলেই বিশেষকৈ প্রমাণ কবিছে। সংসর্গ দোষত বা ঘকৱা ঠেলাত আজি আমাব খাঁবাহাৱবো মতি বিভ্রম দেখি মই তেওঁক পুতৌ কবিছোঁ। নাৰীব মুক্তিব বিবোধী মই নহওঁ, কিন্তু মই জানিব খোজো, মুক্তি কোন পথত? নাৰী সদায় নাৰী হৈয়েই থাকিব লাগে।—পুকষব কার্য্যত নাৰীব অধিকাব কি? পতি সেৱা, সন্তান জনন, সতি সন্ততিব লালন পালনতেই নাৰীব নাৰীত্ব। শাস্ত্র সাব শূন্য নহয়—সমাজ অবিবেকী নহয়। সেই দেখি নাৰীব এই অবৈধ আন্দোলনত যোগদান কবোঁতা সকলব প্রতি মোব অলপো সহানুভূতি নাই।—মোব যদি ক্ষমতা থাকিলহেঁতেন আজিবপবা অন্ততঃ এশ বছবলৈকে বালিকা বিদ্যালয়বোব বন্ধ কবি, সভায় সমিতিয়ে মহিলাই বক্তৃতা দিয়াহে নালাগে—তেওঁলোকব মুখত সভাব নাম ওলালেই আইন প্রণয়ন কবি দণ্ডব কঠোব বিধান কবিলোঁ হেতেন। তাব পিছত চাহাব সভা সকলব ফাললৈ চাই কলোঁ—ভাবত, ইংলণ্ড বা যুবোপ নহয়। আমি এতিয়াও উন্নতি অৱলাৰ নিচেই তলব থাপত। মহিলা সকলক ভোটব অধিকাব দি আমাব সনাতন সমাজব—আমাব ঘবব, বিশেষকৈ বান্ধনি ঘবব শৃঙ্খলতা নুগুচাব। পুকষ ভূতব উপদ্রৱতেই আমাব বক্ষা নাই—নাৰী ভূতে আমাক লস্তিব লাগিলে আমাব গৃহবাস যে বনবাসত পবিণত হব তাক মই দিব্য দৃষ্টিবে দেখিবলৈ পাইছোঁ। তদুপবি মনত বাখিব—গান্ধীব আন্দোলনতেই মহিলা সমিতিব জন্ম।"—

হিঃ হিঃ হিঃ কৈ হাজবিকাই হাঁহি কলে—"আমাব কটকীব বুদ্ধিব তাবিফ নকবি নোৱাবোঁ। কথাটো কেনেকৈ মুখিলে দেখিলে? হুঁ এজন ফুটফাল পুকষ।"

বুজিছা হাজবীকা, পলিটিক্সান হবলৈ গলে ডিপ্লোমেটি লাগে—ভোট সংগ্রহব কিটিপ বা টেক্‌টিক্‌ছ লাগে"—ই কটকীয়ে ডাড়িত হাত বোলাবলৈ ধবিলে।

"ঐ, পাঞ্জা, চোক" বুলি পাশা খেলত চিএঁবি ম তদ্গয় হৈ থকা তদ্ভৱাম দত্তই লগৰ খেলুৰৈ কটকী ব কিবা কবলৈ মুখ মেলোঁতেই কলে—"সেইবোব হাত পলিটিক্স ভায়া—। খেলত মনোযোগ দে—। তাব পি তেওঁব ঘৰৰ পৰা আহি তেওঁক নিবলৈ বৈ থকা চাকিনা নোচোৱাটৈকৈয়ে কলে—অ' কি কৈছিল? বাক্ আযেষক ববলৈ কবি—।"

দত্তব তন্ময়তা দেখি উপস্থিত সকলোটিয়ে হাঁ ভেক্‌ভোবাবলৈ ধবিলে। হাজবিকাই দত্তব পিঠিত গেমেহা ভুকু শোধাই কলে—"ভায়া মোব—পাশা খে সমাহিত চিত্ত—একলব্য।—সাধনা ধন্য!—ইফালে ভা দৈনীয়েকৰ প্রসৱ বেদনা উপস্থিত—চাকিবাম আহি এ বৈ থাকে, ভায়াই কয়—বাক যা—ববলৈ দে। চাপবাবে উদ্বুদ্ধ, আশীর্ব্বাদ দিছোঁ—আৰু এটি কন্যা জনক হৈ ভাবন্তত পঞ্চদতীব আবির্ভাব দেখাই আমাক অচিবে যেন চবিতার্থ কব।"

হাজবিকাৰ কিন্তু বব সৰুব জ্ঞান এতিয়াও দেখিছোঁ। ভায়াৰ পাশাখেল ভাঙ্গব নে, দৈনীয়ে প্রসৱ বেদনা ডঙ্গব? প্রসৱ বেদনা ভায়াৰ ভাগত বছবি এবাৰ মাথোঁ ঘটে, কিন্তু এনে পাশাখেল এ কাচিং কেতিয়াবাহে পকি উঠে। যা যা চাহিল কগৈ আৰু অন্ততঃ এঘণ্টা ববলৈ। এতিয়াও বাতি বাজিবলৈ পঞ্চাশ মিনিট বাকী।

চাকিবামেও হাঁহিলে।—

মেলৰ পৰা বাতি দুটা বজাত ঘৰ পাই ভাতৰ পা বহি উকীল কটকীয়ে ওচবতে ভাত বখি বহি দৈনীয়েকৰ ফাললৈ টেক্‌বাকৈ চাই কলে—"এই ভাতবোব খাই নিমোনীয়া বেমাৰত পবি মই মবিম সকলোবে ভাল—আপদ আতবোঁ তেও।—বাতি ভাত এমুঠি খোৱা মনত নলব হ'ল। নিজৰ ভবিলেই হ'ল—আনলৈ চাব লাগিছে কেলেই?

সেইদিনা উকীলনীব মেজাজটোও বৰ ভাল নাহি

মাজুৰবাটোৱে পেটৰ কামোৰত আবেলিবে পবা চটফটাই আছিল; সক ছোৱালী জনীৰ অৱ, লগতে বুহুব ঘোট ঘেটনি। তাতে আবেলি মহিলা সমিতিব সহকাবী সম্পাদিকা এগবাকীব পবা কাউন্সিলত গিৰীয়েকৰ কীর্ত্তি কাহিনীব বিষয়ে তেওঁ দু আষাব টান কথাও শুনিব লগা হৈছিল। চকুলো টুকি তেওঁ কলে—"বাতি ছভাগৈলেকে থাপ পিতি থকাব ফল মোক ভগৱন্তে প্রভূবে দিছে। মোক মাবি নিয়া প্রভু—আৰু কিমান দিন এই দৰে নিকাব ভুজাবা।—মোব লেবেলা শবীবে আৰু কিমান টানিব? ঈমানকৈ কবি মেলিও কাৰো মনত সোমাব নোৱাবিলোঁ।"

"হুঁ, যাক" বুলি কটকীয়ে একাগ্র মনে জীয়ৰ সমাপন কবি শব্যাত লীয়ন দি নাকেবে ভৈবব নাদব অস্তিত্ব ঘোষণা কবিবলৈ ধবিলে।

প্রমীলা পর্ব্ব

পিছদিনা আকৌ যথা সময়ত মুখুপব ঘবত মজলিছ বহিল—আজি দিনাতকৈ মেলুৱৈৰ সংখ্যা অলপ বেছি আছিল, সেয়েজ ব্যৱস্থাব কাবণে। তদ্ভদত্তব পঞ্চম কন্যা সন্তানব জন্ম বাতবি দি হাজবিকাই কলে—বাতিপুৱাই উঠি মনত পবিল ভায়াৰ দৈনীয়েকৰ প্রসৱ বেদনাব কথাবে। বৈ দেখিলোঁ, ভায়াই চক্ চকৈকে এই পুহ মহীয়া জাবতো একগ্রহ পানী পি শেষ কবি মুবত তেল টৈয়ামাখিবব উপক্রম কবা। ভায়াব অৱস্থা দেখি বুজিলোঁ—কথা শুকতব। তথাপি শেঁতা মুখ খনিলে চাই মুদিলোঁ—ঘবব কি ভায়া? কেনে?"—ভায়াই বুকু ফাটি ঘোৱা দুমুনিয়াহ কাঢ়ি কলে—বাতিপুৱাই আহিলা আক!—ঘবব ভালো নহয় বেয়াও নহয় মাজতে।

অর্থাৎ?

অর্থাৎ মোব ঘবত চোব সোমাই আজি নগদ মবলগে চাবিছেহাব টকা চুব কবিলে বুলি ধবা।

ভায়াব বিপদ বাতবিত মোব চকু খিব পবিল। তথাপিও শুধিলোঁ—"কি কোৱাছে?—নগদ চাবি হাজাব টকা উবিল?—কেনেকৈ কি হ'ল?—কোন ফালে চোব সোমাল? থানাত এজাহাব দিয়া হৈছেনে নাই? চোব ধবা পবিছেনে নাই?—

ভায়াই শুকান মুখখনিত শুকান হাঁহি ফুটাই কলে—হাতে লুটে চোব ধবিব নোৱাবিলে,—এজাহাব ফেজাহাব দিয়াব লাভ নাই ভায়া—তুমিও দেখিছোঁ। এটা মস্ত জবদস্ত। ঈশ্বৰে নকবক, ছোৱালীব বাপেক হৈ জন্ম নধবিবা।—যিহে দিনকলে—মান মর্য্যাদা নাথাকে—তদুপবি যৌতুকে-ফৌতুকে চাবি পাঁচ হাজাব তোমাব কন্যা বইই সামবিবই। চৰ্ত্তাগাকে বোলা চুকণী ধবা পবিল, সেয়া টেহেঁ টেহেঁ কৈ টেটু ফালিব লাগিছে। চুকণী ধবা পবিল—কিন্তু চাবি হেজাব টকা তদ্ভদত্তব-উবিল বা উবিব "ঠিক কথা—তদুদত্ত খামিডাঠ মানুহ দেখিছে চন্ডালিব পাবিছে। আমাব নিচিনা অলপ ধতুৰা মানুহ ছোৱা হলে পাঁচজনী নালাগে এজনী ছোৱালীয়েই হাৰ্ট ফেল কবালেহেঁতেন।" "এই কথা মই ন দি কব পাৰোঁ।" বুলি ডাক্তব মাত দিলে।

ধবণীধৰ অলপ কথাব গম্ভীৰ প্রকৃতিব বয়সীয়াল লোক। গতিকে পেছিষ্টিক। "আমি যাব লাগিছোঁ। কেনে? সমাজেই বা গৈছে কোন ফালে? দেশ ওছিল" বুলি তেওঁ নাক মুখ সিকটাই হেলনি চকিত বিবাট কলেবব বিস্তাব কবি চকু মুদিলে।...

হাকিম দৰ্শনাথক মহিলা সমিতিব বাযুয়ে অলপ কোবাইছিল। তাতে আজি দুবছেবে পুতেকক হাকিম-তাকিম কিবা এটা কবিব নোৱাবি তেওঁব মনত সুখ শান্তি নাছিল—। মুখত বিবিধ বিকাবব সৃষ্টি কবি তেওঁ মাত দিলে—"আমি দিনে দিনে যে জহন্নামে যাব লাগিছোঁ তাত অনুমাত্রও সন্দেহ নাই। যিহে দিনকাল! —হাকিমব লবাই যে চাকবি-বাকবি এটাত সোমাব পাবিব—তাবো ভিকচান ভাগিছে। গাবে গাবে চুবুবিয়ে বি-এ এম-এ, পাছ কবা লবাব উজান উঠিছে। সেই দেখি মই কব খোজো যে আমাব তদ্ভদত্তব কপাল এক প্রকাব ভালেই। আমাব সমাজত শিক্ষিতা ছোৱালীব সংখ্যা নিচেই কম—ছোৱালী কি জনীক লিখাপঢ়া শিকাওক মাথোন—এঠাইত নহয় এঠাইত কাম কাজত সিহঁতে মুব

সোমাৰ পাৰিব। লৰাইতৰ দিন উকলিল, সিইত সমাজৰ, মাক বাপেকৰ গলগ্ৰহ !"

"লৰাইতৰ দিন উকলিল নালাগে—ভালকৈয়ে উকলিল। আমাৰে—এই বৈঠকৰ আয়ুস কাল দিনে দিনে টুটি আহিছে মোৰ প্ৰভু সকল। ভাল কথা মনত পৰিছে—এনে সমাজিকো মানুহে দেখে ! মনত পৰিলেই গাৰ নোম ভৰবি উঠে। ঈস্—" বুলি হাজৰিকাই আসনৰ পৰা জাপ মাৰি উঠি মুখত আৰু চকুত ত্ৰাসৰ সকলো লক্ষণ প্ৰকাশ কৰিবলৈ ধৰিলে।

মঞ্চুপে মাত দিলে—"হাজৰিকাৰ সকলো কথাতেই হাইপৰবল—," হাজৰিকাই মঞ্চুপৰ মুখৰ মাত কাঢ়ি কলে—" কি কৈছে—হাইপাৰ বল ?—শুনিলে আপোনাৰ পেটতে যদি হাত ভৰি দুলুকায়—তেন্তে মই পুৰন্দৰ সিংহ স্বৰ্গদেৱে পাতা হয়বৰ হাজৰিকাৰ বংশধৰেই নহয়। এনে সমাজিক এনে অঘটন সপোন অঘাসুৰ, বঘাসুৰ কুম্ভকৰ্ণই নালাগে—ককা কৃপাবৰেও নেদেখক। উস্—কি "তাজ্যৱ" ব্যাপাৰ" !—কি অভাবনীয় অলৌকিক কাণ্ড !"

কটকী উকীলে ডাড়ি থামোচি কলে—"হাজৰিকাৰ মুখত এতিয়া উনপঞ্চাশ বায়ু যে বলিছে তাক মই নিঃসন্দেহে কব পাৰোঁ।—আজি নিশ্চয় হাজৰিকাই হাজৰিকানীৰ পৰা"—

"সাবধান সভ্য ডাঙৰীয়া—হাজৰিকানীক নাজুবিব—বপুৰীৰ গাত দোষৰ ভাগ অলপো নাই। আপুনিয়েই যিমান অনিষ্টৰ মূল—আপোনাৰ পাপৰ ফলতে আমাৰ এই মস্ত ভব্য গব্য পুকৰ সকলৰ পতন !—বাক কণ্ঠ শুনক" বুলি তিনটামান গল হেকাৰি মাৰি হাজৰিকাই মুখ মেলিয়াই মৌন হৈ বল।

"দেখিছোঁ আজি হাজৰিকাৰ মুখত হাজৰিকানীয়ে ভালকৈয়ে সোপাদি পঠাইছে।"

—মিছা কথা, এই ব্ৰহ্ম মূলৰ আগত সকলো বেকত কৰিম বুলিয়েই আহিছিলোঁ। কিন্তু মুখ মেলিলেই ত্ৰাসত—ভয়ত—জিভা-তালু শুকাই খৰখৰীয়া মাৰে। কৰিম কি ? হেৰ আঘোনা, সেই বৰ বাটিটোৰে ঢৰাটিমান চাহ কিবা বোলেনে একাঁহি পিঠা তুবস্তে লৈ আ ছিষ্টৈমত বস সঞ্চাৰ কৰি দিওঁ। আৰু মোৰ বু ডাঙৰীয়া আজিয়ে ভোজ পৰ্ব্বটো ভিটামিন ভৰা কো প্ৰাণ পাঁচোটি ভোবোলাবে সমাধা কৰক—সোনকা আজিৰ পৰা আপোনা সকলো নাথাকে এই আঠ কো বৈঠকো বসাতললৈ বহিব—হাজৰিকানীক বিধবা ক আপোনা সকলৰ এই হাজৰিকাও অকালতে মৰিল ধৰিব।—হায় হাজৰিকানী !—"

"কি আপদীয়া অমঙ্গলীয়া কথা কোৱাহে ভা কৰবাত "বটলবাজি" কৰি এটুপি পি অহা নাইয়ে দায় দোষ নধৰিবা, কিন্তু কথাৰ ঠাঁচত আমাৰ মন হোৱাতো স্বাভাৱিক।"

"তথাস্তু"—বুলি হাজৰিকাই দুবাটি চাহ পিঠা নিধি মনে পেটত সুমাই লেখি লেখি পাচোঁটি উগাৰ কৰলৈ ধৰিলে "কালি দোভাগ ৰাতি হাতত সাবে ভ সাবে আখলত সজাই থোৱা ভাত ধ্বংস কৰি হা কানীৰ থং নৌ উঠোঁতেই তাৰ আগতে তেওঁৰ মুখ যো ভাল বুলি ভাবি ডাইল ভাজিত লোণৰ প্ৰাচুৰ্য ছিন্ন ধৰি ভালকৈয়ে তেওঁক ছটামান ঢেবেকনি দিলোঁ।"

গেণ্ডাৰে হাঁহি হাঁহি কলে—"মিছা কথা হাজৰিকানী ঢেবেকনি দিবলৈ আপোনাৰ যে তাগজ নাই তাক আ সকলোৱে বুজোঁ। হাজৰিকানীৰ আগত আমাৰ হাজৰি নিমাথিত বুঢ় অৱতাৰ !"

"হাজৰিকাক নাকত ধৰি চাকত ঘুৰাৰ পৰা হাজৰি কানীৰ অদ্ভুত শক্তি ক্ষমতাৰ বিষয়ে লৰাৰ পৰা বুজাহৈ ওবিপকৰাৰ পৰা গজ হস্তীলৈকে সকলোকে জানে এনেস্থলত হাজৰিকানীক ঢেবেকনি দিয়া—অকল বিপ যোগাই নহয়—অসম্ভবো"।

হাজৰিকাই কলে—"কিন্তু এইটো নিতান্তই সম্ভৱ হাজাৰিকানীৰ ভয়ত মাত বোল নোহোৱাকৈ টোপনি গছৱা হাজৰিকাই হাতত সাবে ভৰিত সা ধৰত সোমাই শুদা পেটেৰেই শয়াত পৰি নাক অ মুখেৰে বিবিধ বাক্যৰ সমাবেশ কৰিছিল। ম'ক— মহাপুৰুষৰ টোপনি গল—দেখিলোঁ।—কি কৈছে ?—

অসমীয়া চিত্ৰাভিনেত্ৰী

[সোৱনশিৰীৰ ভাৰত—শ্ৰীযুতা উপা কটকী]

জুয়েল অফ ইণ্ডিয়া প্ৰেছ, কলিকতা



মেলা আছিলনে জপোৱা আছিল? বুজিছো—আপোনা-লোকৰ কঠুৱা বুকুত কুঠাৰ মাৰিলেও কল্পনাৰ ক'টোও নোলাব। সপোনত দেখিলো—এই বৈঠকত সমূহ সভ্যৰ ৰূপান্তৰ।—এশ বছৰৰ পিছৰ কথা।—দেখিলো, স্কুল কলেজত ছোৱালী, অফিচ আদালত তিৰোতা, হাকিম, উকীল,—নাৰী, কাউন্সিলত, মন্ত্ৰীপদত মহিলা—আনকি অসমৰ শাসন কাৰ্য্যৰ ভাৰ এগৰাকী তিৰোতাৰ হাতত। মুঠতে নাৰী প্ৰগতিৰ অৱশ্যম্ভাবী সুফলত অসমত নাৰী বাহাৰ প্ৰৱৰ্ত্তন!"

"প্ৰমীলাৰ ৰাজ্য"

ৰমা, দেখিলো—বাটে ঘাটে ছোৱালী, গাভৰু, বুঢ়ীয়ে বেপৰোৱা ভাবে টিফিল ঘিলাব লাগিছে! লৰা, ডেকা, বুঢ়াবোৰ অৱশ্যে, পৰ্দাৰ ভিতৰত—আখণৰ—চুকত। কিন্তু এটাইতকৈ দুখ লাগিল—আমাৰ কটকীৰ ভাগ্য বিপৰ্য্যয় দেখি। বপুৱাৰ যিদিনা জন্ম হয়, সেই দিনা দেউতাকৰ কান্দোনত মাকৰ বিননিত গছৰ পাত সৰিল। নপতিয়াৰ—বৰ্ত্তমানৰ পুত্ৰ শোকতকৈ সি গুৰুতৰ। এটা নহয়, দুটা নহয়, তিনি বছৰৰ মূৰত তিনটাকৈ লৰা জন্ম হোৱাটো সেই কালত বিধাতাৰ অভিশাপ। আমাৰ কটকী তৃতীয় সন্তান স্বৰূপে আবিৰ্ভাব হৈ মাক বাপেকৰ কলিজা ফালি ছিবাছিব কৰি দিলে। আগৰ দুটিক কোনোমতে দুখৰাকী তিৰোতাৰ হাতত গতাই দিলে—কিন্তু কটকী বোপাৰ বিয়াৰ বয়স যিমানেই ওচৰ চাপি আহিল সিমানেই বিশেষকৈ মাকৰ বুকু চিন্তা ভাৱনাত ধান বনাদি বামিনৈ ধৰিলে। তাৰ কাৰণো আছিল—দেখাত কটকী বোপা নৈ লৰ মৰা সুন্দৰ নহলেও একেবাৰেই পেলাই দিব লগীয়াও নাছিল। ধান বনাৰ পৰা কাপোৰ বোৱালৈকে ভাত বন্ধাৰ পৰা চুৰা দোৱালৈকে ঘৰোৱাহী কামত -টাকুৰি ঘুৰাই ঘুৰিছিল। মনে মনে চুটা ক থ ম ম ও শিকিছিল গতিকে যাৰে তাৰে হাতত গতাবলৈকো মাকৰ সত নগল। কটকী বোপা উপজিছিল বধূবৰণ নাম লৈ।"

"মাক আপোনাৰ নাম?"

"মোৰ নাম পত্নীপ্ৰসাদ, তোমাৰ—ৰামাচৰণ ৰায় বাহাদুৰ বলভদ্ৰ বৰুৱা দেওৱ—বগলাবান্ধৱ—চিৰন্তাদাৰৰ শক্তিসেৱক, মুদ্গৰ মায়াহৰণ, তহুদ্দৰ তপ্তকাঞ্চন—হাকিমৰ আকিঞ্চন, ডাক্তৰৰ বাতুল চৰণ গেস্তাৰৰ গুঞ্জৰণ আৰু সদাগৰৰ শোভনাশৰণ। বোপাৰ মাকে বি-এ, এম-এ, পাছ কৰা কামে কাজে সোমাবৰ সম্ভাৱনা থকা আইদেউইতক ঘৰলৈ নিমন্ত্ৰণ কৰি বোপাৰ হতুৱাই জা জলপান কৰাই আগৌ উৰোকৈ ঘুৱা, ঘুৰিয়া তামোল দিয়া কাৰ্য্যত অলপো ত্ৰুটী কৰা নাছিল। দুই এগৰাকীয়ে বোপাৰ ডাঢ়ি গোঁফ ঠুটিয়া বদনমণ্ডল নিৰীক্ষণো কৰিছিল, ঘৰোৱাহী কামৰ বিষয়ে বোপাৰ অভিজ্ঞতাৰ পৰীক্ষাও লৈছিল। কিন্তু সকলো মিছা হ'ল। কোনোৱেই বোপাৰ মুখৰ আগতে স্পষ্টকৈ কৈ গল—"ডেকাৰ বৰণটি মাগুৰ বৰণীয়া,—সুৰিধাৰ নহয়।" কোনোৱে কণ্ঠ নকণ্ডইকৈ কলে—শৰীৰত লালিত্যৰ অভাব। কোনোৱে আকৌ বোপাৰ চকুযুৰিলৈ চাই অৱজ্ঞাৰ ভাৱত ভৰিৰ ওপৰত ভৰি তুলি নচুৱাই কৈ গল—"চকুত জ্যোতিৰ টিনছাপ নাই—এনিমিক?" নতুনকৈ হাকিমৰ গাদীত বহিছিল—মিছ বজমাণি ফাকন। আকৌ পিতৌকৈ বধূৱৰণ বোপাৰ মাকে তেওঁক ঘৰলৈ মাতি নি আতোলতোলকৈ খুৱাই-বুৱাই যেতিয়া সজাই-পৰাই বোপাক তেওঁৰ আগত উপস্থিত কৰিলে—হাকিমাই মুখ বিৰবাই পোন ছাটেই কৈ উঠিল—"ডাঢ়ি গোঁফ ঠুটিয়াদেই, বয়স কুৰিৰ নিশ্চয় ওচৰ চাপিছে। আজি কালি লৰাৰ বয়স কুৰি হলেই দে বুঢ়া হয়।" মাকে এই মাহত মাথো বোপাই ওঠৰ বছৰত ভৰি দিছে বুলি দহোকুৰি শগত থালে, জন্ম পত্ৰিকাও দেখুৱালে—নপতিয়ালে। শেহত উঠিবৰ সময়ত বোপাৰ ফাললৈ চাই সুধিলে—"তোমাৰ নামতো কিহে? ডেকাৰ হাত ভৰি কঁপি উঠিল—মাত থোকা থুকি হল—কোনোমতে সেপচুকি কলে—"বধূ-বৰ-ণ।—

"বধূবৰণ?—নামত পুৰুষৰ আত্মস্তৰিতা আছে। আনফালে চেষ্টা কৰিলেই ভাল। ওড্‌ৰাই।"

বোপাৰ মাকৰ মুৰ ঘুৰণিয়ে আকৌ উক্ দিলে। বধূবৰণৰ বয়সলৈ আঙুলিয়াই লৰাবপৰা বুঢ়ালৈকে ওচৰ

চুবুরীয়া পুকুর সকলে বু-বু-বাবা করিবলৈ ধরিলে। মুখৰ আগতে দহে দহ কথা বটিলেও।

সহিব নোৱাৰি মুখৰ মাত নোহোৱা বোপাৰ দেউতাকেও চকুলো টুকি টুকি এদিন বোপাৰ মাকক কৰলৈ বাধ্য হল—"পুকৰ সমাজত মোৰ আক মুখ উলিয়া কঠিন হৈ পৰিছে। যদি এতিয়াকৈ বোপাৰ বিয়াখনেই গোপাৰ কৰিব নোৱাৰিলে তেন্তে লৰাক জন্ম দিব নালাগিছিল। সাত শতৰু মুখৰু কৰবৰ মোৰ আক শকতি নাই। লৰাৰ মুখলৈ চালেই মোৰ আমঠু কলা পৰি আছে। লগৰ তাগুৰীয়া লৰাৰ বিয়া বাক কোন কাহানিবাই হৈ গল। এতিয়া সিইতে শহৰী খাটি লৰা ছোৱালীৰ বাপেক হৈছেগৈ। মোৰ খনেই কপাল।"

বুলি কটকীনীৰ চকু জলি উঠিল—গিৰিয়েকৰ ফাললৈ চাই কলে—"তুমি কপাল কপালকে ধুম বুলি বাই নাথাকিবা। মই এই—আজিয়েই ওলালোঁ। চেতিয়াকৈকে বোপাৰ উপযুক্ত কন্যা যোগাৰ কৰিব নোৱাৰোঁ, তেতিয়াকৈকে আক ঘৰমুৱা নহওঁ—জানিবা। আনা জা-জলপান কি আছে—বেগতে আনা।" কটকীয়ে লৰালৰিকৈ আথে বেথে জা-জলপান গুৱাই গৃহিনীক বিদায় দি গোঁসাইঘৰত বস্তি জলাই প্ৰজাপতিৰ উদ্দেশে প্ৰণাম কৰি জনালে—"এইবাৰ মনোবাঞ্ছা যেন পূৰ্ণ হয় প্ৰভু।—বেৰত থকা জেঠীটোৱে গালে—ঠিক্—ঠিক্—ঠিক্। "সত্যৱ জেঠী" বুলি কটকী গোঁসাই ঘৰৰ পৰা ওলাই বোপাক বুকুত সুমাই পাৰেমানে ফেকুৰিলে।

"হাঁহিছে? একেবাৰেই সঁচ:—আখৰে আখৰে সঁচা। এতিয়াৰ পুকৰৰ কাম তেতিয়াৰ তিবোতাৰ ভাগত—তিবোতাৰ কাম পুকৰৰ ওপৰত। দেশ, সমাজ, আচাৰ ব্যৱহাৰ সকলো উলটিছিল। মুঠতে এতিয়াৰ পুকৰ কাৰ্য্যক্ষেত্ৰত তেতিয়াৰ তিবোতা—'ভাইচ্ ভার্চ্চ'—বুজিছে, ওলট-পালট ৰৰ—ক্ষস্কেক।" এইবুলি দীঘলকৈ ওৰণিৰে দোহোপা দি ধোৱাঁবোৰ নাকে মুখে উলিয়াই হাজৰিকাই আকৌ বকলা মেলিলে- -।

মিছ মাতঙ্গিনী ব্যৱহাৰ জীৱিনী—এম-ল-ই অৰ্থাৎ 'মাষ্টাৰ অব লাইফেন্সিয়েট এক্সপ্ৰইটেঞ্চান' উপাধিৰে ভূষিতা উকীলা। আমাৰ ঘৰৰ ওচৰতে ঘৰ কেৰেয়াকৈ লৈ এই ডিবকতে তেতিয়া ব্যৱসায় আৰম্ভ কৰিছে। ঘৰা অৱস্থা তিমান সুচল নাছিল। নিতৌ পুৱা গধূলি আমা গৃহস্থনী তেওঁৰ অৰ্থাৎ মোৰ পত্নী প্ৰসাদৰ পৰমেশ্বৰী লগত কথাৰ মহলা মাৰে আক ন কাই বুলি কুহিয়াই মোৰ পৰা চাহ জলপান আদায় কৰে। ঘৰত দেউতাক বাহিৰে তেওঁৰ নিজৰ কোনো নাই। অহংকাৰে পহৰা বধূবৰণ বোপাৰ মাকে বোধ কৰো শুনিছিল যে মি মাতঙ্গিনীৰ লগত আমাৰ তেওঁৰ মনে মনে ৰৰ মিল এদিন তেওঁ কছাৰীলৈ যোৱাৰ অলপ পিছতেই হাত হেওঁ বেগ এটা লৈ কটকীনী ভিতৰ সোমাই মাত দিলে "বোপা আছানে?"

আখৰৰ পৰা ওলাই চুলিকোছাৰ জোটটো ভাঙ্গি বুলি ফণিধৰ হাতত মৈছিলো মাথোন—মাত শুনি ওলাই আহি আথে বেথে বহিবলৈ দি কলো—"এ আই—পেহী দেউ দেখোন, কেতিয়াও নহা মানুহ ওলালছি এক ?"

"এবা বোপা, ইমান দিনে আহোঁ আহোঁকৈও অহিলা কামৰ হেচোত আহিব পৰা নছিলোঁ। গোলামীত সুখ নাই বোপা,—কোনোমতে মেম ছাহাবৰ পৰা সাদিন ছুটীলে যোৱহাট, গোলাঘাটত অনাই বনাই এচি এইবিনি ওলাইছোঁহি। মোৰ ৰৰ বিপদ বোপা—এ বিপদত তুমি নতবালে মোৰ মৰণেই মঙ্গল।"

"এনে কথা কয় কিয় পেহীদেউ। এবা, আমা হাকীমাবো কামৰপাৰা আধানো আজবি নাই নহয়। পিছে সক বোপাৰ বিয়া ?—।"

"তাৰ চিন্তাই মোৰ কুম এহাতলৈ সুমালে। তোমা ওচৰতে নতুন উকীলা মাতঙ্গিনী আইটী আছে। মই জানো, তোমাৰ কথা তেওঁ পেলাব নোৱাৰে। তোমা হাত লীযন বোপা—তুমি আক হাকীমা আইজেৰে ইজ কৰিলে এই জংকটৰ পৰা মোক ৰক্ষা কৰিব পাবা। উ লৰাৰ বিয়া পতাৰ নিচিনা কঠিন কাম আক নাই—।

"কেনে কৰ লাগিছে পেহী? আমাৰ গাতে পাইছে নহয়। পিছে মাতঙ্গিনী আইটি হ'ল—পইছা চিনা তাৰ উপৰিও তেওঁৰ দেউতাক দিহে মাথিব মুখৰ মত

কাচিৰ জনা, মুখ চলা লোক—এনাপেচা লৰাই যে তেওঁৰ লগত তিষ্ঠি ঘৰ সংসাৰ পাতি শহৰী খাটিব পাৰিব, —মোৰ বোধে নধৰে।

"আগৰ ছটাক জুইত পুৰি থাকোঁ বোপা। বেচেবা-হঁতৰ বিনাই বিপত্তি দেখি পানীতো হাঁহ নচৰে। আমাৰ ঘৰৰ পৰা মাহেকে পঁচেকে টকা সিকা কাপোৰ কানি বয়স্থ গৈয়েই থাকে। তাৰে কেতিয়াবা হেৰ ফেৰ হলে গৃহস্থনীইতৰ গোমেহা কিলত বপুৰাইতৰ পিঠিত টেমুনা বান্ধে। মোৰ গাতেই দোষ, জানি শুনিও সেই বাওমুই কিজনীলৈ সিইতক দিব নালাগিছিল। মোক লৰাইতে চৰাব পাৰ।" মিছেছ কটকীনীয়ে চমুনিয়াহ কাঢ়িলে।

"কিন্তু এই মাতঙ্গিনীৰ দেউতাকো কম পাত্ৰ নহয় পেহী। অন্ততঃ তিনি চাৰি হাজাৰ নগদ চিকাকণ তেওঁৰ হাতত নপৰিলে তেওঁ যে মাস্তি হব সম্ভৱ নহয়।"

"দিন বোপা ধাৰে ঋণে মাটি বাৰী বেচি, বন্ধক দিও দিম বোপা। তাৰ মাথো সুখ হ'ক।"

ভাল পেহী, কৈ মেলি চাওঁ—আমাৰ হাকীমাও আহক। আপুনি জা জলপান খাই অলপ জিবাওক।" আৰেলি জলপান দিবৰ সময়ত কেহেলিয়াই কেহেলিয়াই আমাৰ তেওঁক সকলো কথা কলোঁ। অলপ পিছতে মাতঙ্গিনীও ওলালহি। বিয়াৰ নামত মিছ উকীলা বেঁকা হৈ বহিল, কলে—"সকতে আই মৰিল—পিতাই তুমি তাতি ডাঙৰ দীঘল কৰিছে তেওঁৰ লগত পবামর্শ কৰক।"

হাঁহি হাঁহি হাকিমাইনে চাই কলো—"পুকৰৰ ইমান ভক হোৱা আজি কালিৰ দিন মুওৱাৰ আইটি!"

"ন-কয়ে আক ভাল কথাখন কয়" বুলি মাতঙ্গিনীয়ে চাহ জলপানত একাস্ত মনোযোগেৰে লাগি গল।

আমাৰ হাকিমাই চকুৰে মোক ইঙ্গিত দি বুজালে যে, বিয়াৰ বৰণীত পৰিবৰ সকলো লক্ষণ আইটাৰ চকুমুখত জিলিকি উঠিছে। কলো—"আইটী বিয়াটো কৰাবাই জানো। বয়সতো তুমি নিচেই গাভৰুজনী হে থকা নাই। মোলৈ যদি এফেৰি তোমাৰ মৰম আছে তেন্তে মোৰ দেহীৰ পুতেকক সামৰিবই লাগিব। বিশেষ হাকিমৰ যশস্তাত মই হাকিম। হাকিমৰ হুকুম উকীলাই কেনেকৈ অমান্য কৰে চাওঁ।"

"হাকিমৰ হুকুম শিৰোধার্য্য, কিন্তু পিতাৰ সম্মতি লোৱাটো বোধ কৰোঁ ভাল।"

ৰাতি ৮ ৮ কৈ বাৰটা বাজিল। হাজৰিকাই হাই তুলি হামিয়াই 'নাৰায়ণ, নাৰায়ণ'কৈ বুঢ়া আক মাজৰ আঙুলিবে লেখি লেখি তিনটা টিলিকি মাৰি কলে—"আজিলৈ আক ইমানতে সপোনৰ কথা সামৰা, কি বোলে ইফালে আথলত ভোবোলা মঙ্গহৰ ছাগলা সিজোৱাৰ গন্ধই মোৰ প্ৰাণ মন তন্থ বলিয়া কৰিছে।"

"নহয় হাজৰিকা, বসভঙ্গ নকৰিব। এতিয়াও সকলো তৈয়াৰ হবলৈ এপাঁচী লাগিব—বৌ মাছৰ মুবিধন এখোন বহোৱাই নাই। ক'ক ক'ক।"—মুবিধনৰ নামত হাজৰিকাই কোৱাৰি চেলেকিবলৈ ধৰিলে। কলে "কোৱাত মোৰ আপত্তি অলপো নাই। কিন্তু এই গেৰেলা পেট টোৱেছে মাজে মাজে কল মলনি লগাই বৈজাত কৰে। বাক শুনক সেই গুণত আমাৰ এই মেলৰ পুকৰ সকলৰ আৰে আপদ বিত্তংকৈ কবলৈ গলে কিবা বেলেগ অষ্টাদশ পৰ্ব্ব মহাভাৰত নহলেও সপ্ত কাণ্ড ৰামায়ণ যে হব সেই বিষয়ে আপানালোকে সন্দেহ কৰিবৰ কোনো কাৰণ নাই। বাক বান্ধনি ঘৰৰ ফালেও অলপ চকু দিব—যাতে সোনকালে সকলো সমাধা হয় মন্ত্ৰো স্বপ্নৰ বিষয় বস্তুৰ বিষয়ে চমুকৈ বৰ্ণাও।—

আমাৰ উকীল কটকীৰ শ্ৰীবিষ্ণু বধূবৰণ বোপাৰ বিয়াখন হৈ গল। অৱশ্যে মিছ্ মাতঙ্গিনীৰ লগতেই শহৰী খাটিবলৈ আহিবৰ দিনা বোপাৰ চকুমুখত লাজ আক মুবত ওবণিৰ প্ৰকোপ দেখি মোৰ আক লৰা চাবলৈ অহা ওচৰ চুবুৰীয়া পুকৰ সকলৰ হাঁহিত পেটৰ নাড়ী ডাল ডাল হবৰ উপক্ৰম হৈছিল। আমাৰ অফিচ্ন বোপাটিয়ে তেওঁৰ গৃহস্থনীৰ পৰা আদৰ সাদৰ অলপ পাইছিল গতিকে মুখত হাঁহি প্ৰাণত স্ফূৰ্ত্তি আছিল। বধূবৰণ বোপাৰ মুখৰ পৰা এহাঁহা ওবণিখন ওচাই ডাঢ়ি চুটীয়া থুতবিত ধৰি জাত লগালে—

গালত গোলাপ লাজত ফুলে,
মুখত মিচিকি হাঁহি জলে,

বধূবরণর সখা আমার প্রিয় আমার মাতঙ্গিনীর প্রাণর ধন। একেজাপেই চকীর পরা উঠি সদাগরে হাজরিকার মুখত হাত দি করে দোহাই কোম্পানীর শরণ, এই বাসত বিনিন্দিত কণ্ঠবরর পরা সঙ্গীতক মুক্তি দিয়ক। নহলে—

"নহলে—সঙ্গীতর মূর্চ্ছনাত সকলোটিরে মূর্চ্ছা অরশ্য ম্ভাবী" বুলি মুকুলপ প্রমুখে সকলোটি মেলরৈয়ে হাহিঁত চেকঢেকাবৈলৈ ধরিলে।

"ভাল।—কর্ত্তার ইচ্ছাই কর্ম্ম। আমার বাতুল চরণে বর আশা করিছিলা—মিছ মাতঙ্গিনীর লগত তেওঁর বর লবাটোক বিয়ার জরীবে সাজু বিবলৈ। নোরাবিলে।— বধূবরণক চাইচিতি শহরেকর আগত নাক সিঙহাই কৈ গল "ভবেহা জকুরামুখা ন লবার বয়স একুরি পাঁচর এদিনো হেবফের নহয়—। ডাড়িরে গোঁকে ভোবোকার— বাঢৌতে বাঢৌতে গেলা বৰালিতহে হাত পৰিলগৈ। লগত যৌতুকর বয়বস্তুকেই বা আনিছে কি সোপা? গুঃ!—"

দুলশয্যার বাতি আমার বধূবরণ বোপার যি বিলৈ তাকে বিবরি আক নকওঁ। পিছদিনাই দোকমোকালিতে শুনিলোঁ—বধূবরণ বোপার শব্দকরর তর্জ্জন গর্জ্জন।— "ভাল আলাই বাদুক, টোকোনার সঁচক মোর এই ভরা ঘরখনত সুমালোঁহি... । বেলি দুপরবৈলে কাৰ ন লবাই বিছনাত পরি যৌটদৌঁটায়? বুজিলোঁ—মোর ঘর গুচি বাঁহল হবলৈ আক বেছি দিন নাই। আজি বাহী চোতালত মোর ভরি পবিলেই। ছোৱালীক নকৈছিলো —বোলো নকৈছিলো।—সেই ক থ ম ম জনা লবা মোক নালাগে—তাইর গাতেই বা দোষ কি? হাকিম হাকিমাই মোর কালক থালে! আমার আমঠুত এনেকৈ কামোর দিব কিন্তু নালাগিছিলা—ভগবন্তই দেখিছে।"

চকু মুর মোহাৰি ন-লবা বধূবরণ ওলাই আহি বাহী চোতাল সাৰিবলৈ হাতত বাঢ়নি ললে।

বুঢ়ার গাদিৰ প্রকোপ এইবার সপ্তমত চৰিল। কলে —"কোন ক'ত আছ চাই যাহি হ'ক। তেতিয়া মোক ছুবিবি—বৰমাহুহৰ লবাই বাঢ়নি ধৰিছে কেনেকৈ চাহি ইক—। হুঁ—বোলো নলবা অগিয়ানীৰ সঁচ— কাৰৈ এই দৰে বাঢ়নি টোৱাঁইছ? কি কৰিবি কোবাবি?"

"এনে কথা কয় কিয় দেউতা! বাম বাম"—বধূবরণ কোমলাই মাত দিলে।—"হেৰ' আইটী—এতিয়াও ন টোপনিত আছ—উঠ তোৰ ন লবাৰ কীর্ত্তি চা :—ছদিনত কুকুৰে আঁসে পাই গলৈলে জপিয়ালেই। আৰু বা মোৰ ভাগ্যতু বিধাতাই কি লিখিছে। হুঁ-উঁ-উঁ। কামত ধন্ মদন গোপাল। মাত শুন, ইফালে বৰমাহুহৰ লবা কাণত এজোৰ মীনাকৰা গুৰীয়া—ডিঙিত মুকুতাৰ চিগাঁ এবাৰ, দহতোলীয়া এডালি সোণৰ হাৰ, হাতত আংঠীয়ে সোণৰ থাকও লাগি নাহিল। ইমান তেজ কাক লো রাৱ?"

প্রথম প্রণয়—সম্ভাষণ স্বরূপে মিছেছু মাতঙ্গিনী গেমেহা ভুকু আৰু বোন্দা চৰ বধূবরণৰ পিঠিত আ গালত পৰিল।

"কি বাবে বাঙ্কবা ফলহতা কথাবে উপলুঙা ৰবাহে এই ফাজিলৰ সমাজত ভদ্রলোকৰ ঠাই নাই" বুলি কটাঁ খণ্ডত একো নাই হে যাবলৈ উঠিল।

"হে, হে, হে, কি কবে? কি কবে? অন্ততঃ তোৰ ভোৱোলাই কি ভাবিব বহক—বহক" বুলি হাজরিকাই কটকীর বাট ভেটিলে।

তোমাৰ লগত চুপতি মাৰিবলৈ মই অহা নাই। পেটুরাৰ গেবেলা পেটেই ভবক। চাওঁ—অগৰ গা ভালে ভালে আঁতৰ হোৱা।"—"আপোনাৰ ভোজ ভাগ্যে কষ্টস্বীকাৰ কৰি ভক্ষণ কৰিবলৈ মোৰ বিন্দুমাত্র আপত্তি নাই। কিন্তু আপুনি শুদা পেটে ঘৰ শয্যাত দীঘ দিয়ার দৃশ্যইহে মোক বলিয়া কৰিব।

ডাক্তৰে কলে—"হাজরিকাৰ মুখৰ ষ্টেবিলাইজ নকৰিলে নহয় দেখিছোঁ।"

শুনক। সেই সময় আখলৰ চুকৰপৰা ঘৰৰ ভিতৰ পৰা গোটেই কলেৰ ঢাকি বোৰ্ণা নোলোৱাকৈ ওলাব সাধ্য বিবাহিত ডেকাৰ কথা নকোৱেই পাঁচ বছৰীয়া নল ষাঠি বছৰীয়া বুঢ়াবোৱৰো নাছিল। পৰ্দাৰ প্রকোপ আমার সকলোটিবে কণ্ঠাগত প্রাণ। এদিন আইৰ নবিদ্য

বাতরি পাই আমার হাকিমারে সৈতে স্ত্রীনেবে ঢকা এৰাপ্লেনত উঠি ঘৰলৈ বাওনা হলো। ঘৰৰ পৰা এমাইলমান থাকোতেই এৰাপ্লেন অচল হল। মোপালপিতা বধূৰণ। আমার হাকিমার হিয়াধনি তিৰোতাৰ প্রতি সেই যুগতো অলপ কোমল আছিল যেই। মৰম কৰি তেওঁৰ ছাতিত তলত মোকো সোমাই ললে। উঃ—তাৰ ফলত তেখেতে কি কি যাতনা ভুগিব লগা হৈছিল! হোম কণাৰ আইটী সকলে তেওঁক বয়কট কৰিলে—আমার ঘৰলৈ—আনকি মাতঙ্গিনীয়েও ভুমুকি মাৰিবলৈ এবিলে। হাকিমার আদালতো উকীলা সকলে, পুলিচ ফুলিচে বর্জ্জন কৰিলে। কাউন্সিলত প্রশ্ন হল—পুকৰৰ প্রতি এনে সহানুভূতিৰ কাৰণ কি তেওঁৰ কৈফিয়ৎ বিচাৰিলে। শেষত উপায় নাপাই সেই ওকতৰ অপৰাধৰ বাবে ক্ষমা প্রার্থনা খোজাত আৰু ভবিষ্যতলৈ ভুলতো তেনে কৰা নহব বুলি প্রতিশ্রুতি দিয়াহতে সেই যাত্রাত কোনোমতে তেওঁ ৰক্ষা পবিল।

ঘৰে ঘৰে পুকৰৰ কান্দোনৰ বোল। নির্য্যাতনৰ প্রকোপত ঐতিয়াৰ শক্তিৰ পুকৰ পুঞ্জৰ সকলৰ ত্রাহি ত্রাহি ৰব। ই ও, গা কিচ্ কিচাই যায় বোপাই!"

ডাঙৰীয়া সকল উচাপ নেখাব। সপোনৰ শেষো হুই হওঁ হৈছে। এদিন গৃহস্থলী সকলক খুৱাই বুৱাই সন্তিকীলে গাঁইই আনি অর্থাৎ পত্নীপ্রসাদ, অকিঞ্চন, গুৰুবন, গোলকনাথৰ আদি ওচৰ চুবুৰীয়া সকলে বধূবরণ বোপাৰ ঘৰলৈ গলোঁ। হুর্ভগীয়া তেওঁ সাতোটি লবাৰ মাকে তেতিয়া—চিন্তাত বধূৰাৰ ডাঁড়ি গোঁফ চুলি পকি বোপাবক দৰে তকুলা আৰু হাত ভবিবোৰ শুকাই খীনাই গাখুটৰ দৰে হৈছিল। ভাতৰ তিতা খাই মাতৰ তিতা হি বধূরা অভ্যস্ত।—বধূবরী অবর গাবেই কৈকাই কৈকাই এমহীয়া কেঁচুৱাটোক দুধ দানিবে গাধীৰ খুৱাই থাছিল। বেচেবাৰ বিলৈ দেখি আমি হা-হুমুনিয়াহ দিবোঁগে। তাৰ গিহুত তামোলৰ বটা আগত লৈ কোনে কহেবে হাকিমা সকলক খুৱালে, কাৰ বিয়াদিব লগীয়া বাটোৰে কাক দেখি কেনেকৈ হাঁহিলে, কাৰ শহুৰ ঘৰেকে কাক কি চকুৰে চায়, তাৰ লানি নিছিগা মোচোনাত যোগ দিলোঁ। মেলখন বাকৈকেয়ে পকি

উঠিল। এনেতে আমার মাতঙ্গিনী আইটী ভিতৰত সোমাই চকু পকাবলৈ ধৰিলে—তেওঁৰ আগত নোলোৱা আমার বোপাটিইহঁত ফৰিং ছিটিকাদি ছিটিকিল। মই এটা কাঁঠ হাহি মাৰি সুধিলো—"আইটী দেখোন আজি কাছাৰীবপৰা সোনকালে আহিলা? মামলা-মোকর্দ্দমা নাছিল জানো?"

"আছিল ন কাইট। কিন্তু আজি আমার হোম কণাবৰ হিষ্টীৰ বে'ড্লেটাৰ দে'। কাউন্সিলত পুকৰৰ পর্দ্দা বিল সর্ব্বসম্মতি ক্রমে গৃহীত হৈ গল। তদুপলক্ষে আজি আমার ঘৰত বান্ধবী সকলক চাহ আৰু ভোজৰ নিমন্ত্রণ জনাই আহিছোঁ। আমার ঘৰৰ এণ্ড চাহকে কৰিব—আপুনিও আয়োজনত চকু দিব লাগিব—কলো।"

নকলেও হব যে মাতঙ্গিনী আইটী তেতিয়া এজন নামঞ্জলা পলিটিগ্যান, ডিবকৰ হোম কলাৰ পার্টৰ ডিক্টেটৰ।

মোৰ তাদু শুকাল—সেপ চুকি কোনোমতে কলো "পুকৰৰ বর্ত্তমানৰ বিলাই বিপত্তিয়েই জুবিছে। আকৌ সিহঁতক তপত খোলাত পেলাই ভাজি ভাজি জীয়াহু ভোগাবৰ বাবহা কিয়?"—

বিজ্রপৰ হাঁহি মাৰি মাতঙ্গিনীয়ে মাত দিলে—পর্দ্দা-ভঙ্গকাৰী পুকৰৰ প্রাণদণ্ডৰ ব্যবস্থা নহলে শত শত যুগৰ লাঞ্ছিতা নাৰী শক্তিৰ অপমান নির্য্যাতনৰ প্রায়শ্চিত্ত নহয়। নাৰী বিদ্রোহৰ আগস্ত্রপাত ব্যবস্থা বঙ্গেৰে ধ্বংস নকৰিলে—পুকৰৰ দম্ভ, দর্প চূর্ণ নকৰিলে জাগ্রত নাৰীৰ শক্তিৰ প্রতিহিংসা চৰিতার্থ নহয়। নাৰীৰ করুণ ক্রন্দনত—মুক্তির প্রার্থনাত এগুণৰ আগত মাথো পুকৰৰ বীভৎস ব্যঙ্গ—সেই ঐতিহাসিক উদারতাৰ আজি পুনৰ অভিনয়।—বিদ্রোহী হিয়াৰ অশান্ত আত্মাই চিঞৰিছে —প্রতিশোধ—প্রতিহিংসা।—"

মাতঙ্গিনীৰ চকু বজুলাৰ ছেৰে ছেৰে জলি উঠিল! বধূবা বধূবরণৰ হাতৰ পৰা দুখানি সৰি পৰিব। ভয়ত তেওঁৰ হাত ভৰি কঁপিবলৈ ধৰিলে। "আৰু আপোনাৰ— হাজরিকাৰ?"

অরশ্যে মোবো গাৰ কঁপনি উঠিছিল—ভয়ত নহয়— খণ্ডত। তথাপিও নিজকে চম্ভালি কলো, "জানো আইটি,—তোমাৰ বাক্যত বজ্র আছে—পুকৰৰ প্রতি প্রণয়

প্রহারের আক্রোশ হয়কলাবের আছে—কিন্তু তোমালোকের হিয়াতো কেতিয়াও এনে কঠিন হোরা নাছিল। সেয়া-ভপ্রথা স্নেহ-মমতাই যে তোমালোকৰ আভৰণ আছিল। মানো,—পুৰুষে কাহানিও পৰ্দা ভঙ্গকাৰী নাৰীৰ প্ৰাণদণ্ডৰ ব্যৱস্থা কৰা নাছিল।"

অঞ্জলি হৈ হাত জোকাৰি মাতঙ্গিনীয়ে বক্তৃতা জাৰিলে—"পুৰুষৰ স্তোক বাক্যত, কথাৰ কৌশলত ভোল গৈ পতি ধৰ্ম্ম পতি স্বৰ্গ জপি মোৰ সেই অবলা অভাগিনী মাতৃভগ্নি সকলে যি অখ্যাতি বাৰিছিল—যি কলঙ্ক আনিছিল—তাৰ কালিমা বৰ্ত্তমান যুগৰ নাৰীৰ অন্তৰবপৰা এতিয়াও আঁতৰ হোৱা নাই সঁচা—কিন্তু সেই স্বাৰ্থপৰ পৰম শুষ্ক পতিসকলৰ প্ৰতি ঐকান্তিক সেৱা কাৰ্য্যৰ বিনিময়ত মোৰ সেই চিৰ চেনেহী মাতৃজাতীয়ে পাইছিল—অকথনীয় লাঞ্ছনা—অবৰ্ণনীয় অপমান—অভাৱনীয় অত্যাচাৰ।"

"অকল অত্যাচাৰেই নহয়। পুৰুষৰ নিলাজ নিৰ্য্যাতনত—প্ৰবল আক্ৰমণত—নাৰী শক্তিৰ সেই লজ্জাকৰ পৰাজয়ে আমাৰ বৰ্ত্তমানৰ কৰ্ত্তব্য নিৰ্দ্দেশ কৰিছে। আমাৰ শৰীৰত একবিন্দু তেজ থাকেমানে পুৰুষৰ সেই আততায়িতা—পুৰুষৰ সেই বিজয় উল্লাস কথা পাহৰিব নোৱাৰোঁ। আজিৰ নাৰী-ললনা নহয়—বমণী নহয়—অবলা নহয়—শক্তি-ৰূপিনী ভীমা ভৈৰবী—ছিন্নমস্তা চণ্ডী"—বুলি হয়কলাব সদস্যাসকল তেওঁলোকৰ ডিক্টেটৰৰ ঘৰলৈ সোমাই আহিল।

মন নথকাতো আথলত সোমাই সদস্যাসকলৰ কাৰণে চাহ জলপানৰ যোগাৰ দিয়াত বধূবৰ্গৰ সহায় কৰিলোঁ। বেচেবাক অৱে দহিব লাগিছে—তাতে পানী কেঁচুৱা কোচত। উপায় নাই। পেৰাৰি খাটিবই লেদেনা উকটিবই লাগিব।

বাতিলৈ ভোজৰ ব্যৱস্থা!.....

মিছ ভৈৰবীয়ে টেবুলত ডুকুমাৰি কলে—"আমাৰ আইন সচিবা মেডম মুমুণ্ডালিনীৰ কৰ্ত্তব্য পৰায়ণাতাত আমি মুগ্ধা। পৰ্দাভঙ্গকাৰীৰ প্ৰাণদণ্ড। তাত সহায়কাৰী পুৰুষৰ যাবজ্জীৱন দীপান্তৰ। এশ বছৰৰ কাৰ লবাইতৰ শিক্ষা বন্ধ। আমাৰ আজ্ঞা—পুৰুষৰ আইন-বঢ়িয়া ব্যৱস্থা—মেনে কুকুৰ তেনে টাঙোন এইত পৰিল"—। "আমাৰ শাসন কৰ্ত্তাৰ, আইন সচিবাৰ কাউন্সিলৰ সদস্যাসকলৰ স্বাস্থ্য পিয়া হ'ক।" বুলি কদ্রাক্ষীয়ে প্ৰস্তাৱ তুলিলে।

সকলোবে মুখত সন্তোষৰ তৃপ্তি প্ৰাণৰম্ভ হৈ পুৰুষৰ প্ৰতি বিদ্রূপৰ বজ্র নিনাদত বৈঠক কঁপি গ মিছ বজ্রস্বৰাৰ গান বাজনাত অলপ ৰাপ আছিল—ত সুৰবধি গালে—

জাগ্রত আজি জননী শক্তি তপ্ত রক্ত নাচে—
শিবাই শিবাই ধমনী চৌরাই—।

"এই আকৌ কিখনত ধৰিলাহে হাতৰিহা বজ্রস্বৰাৰ মধুৰস্বৰ তোমাৰ কোকিল কণ্ঠৰ সংযোগ সঙ্গীত সুধা বিতৰণৰ পৰা আমাক বঞ্চিত কৰা—দেহাপ হাজৰিকানীৰ শপত।"—

আদেশ শিৰোধাৰ্য্য! কিন্তু এই হুকুম নিদিয়া হ হলহেঁতন। সুকুমাৰ কলাৰ-সঙ্গীতৰ চৰ্চ্চা কৰি কোমল কৰা নিতান্ত অন্যায় বুলি সদস্যাসকলেই বজ্রস্ব কণ্ঠৰোধ কৰিছিল।

আমাৰ এই বৈঠক বহি তাত পুনৰ অভিনয় আ হ'ল। এবাৰ আমাৰ তেখেতে কি কৰিছে জানি কৌতুহল জন্মাত বান্ধনি ধৰৰ দুৱাৰৰ পৰ্দাখনি আ কোঁচাই এবেগেতীয়া ওৰণিখন কাতিকৰি 'ডিক্ট জুমি চোৱা মাজেই হাকিমাই চকু চেলাই মোৰ এইদৰেই চোঁচা ললে—বুলি হাজৰিকাই আসনৰ জাপ মাৰি পোন ছাটেই মুকুপৰ আথলৰ মজিয়াত উগ হৈ বান্ধনি সুপকাৰ পাড়েক জনালে—

"শুনিয়ে মহাৰাজ জি, গৰম জিঞ্জ বাটমান ভোৱাগা ঝোল পি—কে—ঔৰ হেজাৰ চক্কল মছৰ চোৱাহে চোৱাইকে পেটকা কলমলনি নাহি মাৰনেসে হা বিলকুল প্ৰাণ বহেগা নাহি। আপ্‌ভি ব্ৰাহ্মণ—হা গৌতম গোত্ৰীয়া—মাউৰা ব্ৰাহ্মণ হেয় মহাৰাজ।—"

নাট্যজগতত ভুমুকি

—নটৰাজ—

ছোভিয়েট বাছিয়াৰ চলচ্চিত্ৰ

প্ৰায়সোৱাৰ দেশতেই দেখা যায় 'আৰ্ট' বা সুকুমাৰ কলাৰ চৰ্চ্চা, ধনী আৰু মধ্যবিত্ত মানুহৰ মাজতেই সীমাবদ্ধ। অন্নচিন্তাতে কাতৰ চিন্তা নাই। পেটত বান্ধ দি, আৰ্টৰ' চৰ্চ্চা কৰা মনলে, সেইদেখি সমাজৰ দুখীয়া শ্ৰেণীৰ মানুহৰ মাজত 'আৰ্টে' প্ৰসাৰ লাভ কৰিব নোৱাৰে। খৰিকটীয়া খেতিয়ক, কুলী, বস্তুৱা আদিয়ে এইবোৰ একো ভুমুকেও আৰু এইবোৰৰ পৰা একো উপকাৰো নাপায়। কিন্তু নিঃ ষ্ট্ৰাট্‌ভি বাচেলে কয় যে দুখন দেশক ওপৰত লেখা এই সাধাৰণ নিয়মৰ পৰা বাদ দিব পাৰি, তাবে ভিতৰত এখন হৈছে চীনদেশ আৰু আনখন হৈছে ৰাছিয়া। যুৱোপ আৰু আমেৰিকাৰ মানুহৰ ধাৰণা যে দেশৰ বস্তুৱা আৰু খেতিয়কৰ দ্বাৰা আৰ্টৰ সৃষ্টি হব নোৱাৰে, আৰ্ট সৃষ্টিৰ কাৰণে ধনী আৰু আজৰি সময় পোৱা মধ্যবিত্ত শ্ৰেণী এটাৰ প্ৰয়োজন। বিপ্লবী ৰাছিয়াই প্ৰমাণ কৰিছে যে এই মতটো ভুল। আজি জগতত যিবোৰ উৎকৃষ্টতম ছাঁয়াচিত্ৰ গঢ়ি উঠিছে তাৰ কেবাখনো হৈছে ৰাছিয়ান। আমেৰিকা আৰু যুৱোপত যিমানবোৰ চলচ্চিত্ৰ তৈয়াৰী হৈছে, তাৰ ভিতৰত কুড়িয়া দেশৰ Potemkin নামৰ চিত্ৰখনেই হেনো সৰ্ব্বশ্ৰেষ্ঠ। আমাৰ দুৰ্ভাগ্য যে ভাৰতত কছ দেশৰ চলচ্চিত্ৰ দেখুৱা নহয়, তাৰ কাৰণ, ভাৰত চৰকাৰৰ বলশেভিক মতবাদলৈ ভয়। এইবাবেই আমি আজিও জগতৰ কেতবোৰ সৰ্ব্বোৎকৃষ্ট চলচ্চিত্ৰ দেখাৰ সৌভাগ্যৰ পৰা বঞ্চিত হৈ আছোঁ। ৰাছিয়ান চিত্ৰবোৰৰ গল্পাংশই যে বিপ্লবপূৰ্ণ এনে নহয়, আৰ্টৰ ফালৰ পৰাও এই চিত্ৰবোৰ বিপ্লবী। বিপ্লবী ৰাছিয়াই 'আৰ্টক এটা বিশিষ্ট আৰু উন্নত ৰূপ দিলে। আৰ্টৰ এই অভিনব ৰূপে মাৰ্কিন আৰু যুৱোপীয় আৰ্টৰ জগতত এটা ভূমিকম্পৰ সৃষ্টি কৰিলে। আমেৰিকা আৰু যুৱোপে ৰাছিয়াৰ এই নতুন আদৰ্শৰ হেচাত পৰি নিজৰ নিজৰ মত বদলাবলৈ বাধ্য হ'ল। দুখীয়া জনসাধাৰণৰ বস্তু সিহঁতে নিজে গঢ়ি তুলিলে যেনেকুৱা ৰূপ ধৰে, ধনী আৰু ব্যৱসায়ীয়ে তাক কেতিয়াও তেনেকুৱা ৰূপ দিব নোৱাৰে। মুখ ভেঙুচালি ঠিক হয়, কিন্তু প্ৰাণ নাথাকে।

ৰাছিয়াৰ বিপ্লবে ৰাছিয়াৰ সকলো বস্তুকে বিপ্লবৰ নতুন ৰূপ দি গঢ়ি তুলিছে। ৰাষ্ট্ৰ, সমাজ, অৰ্থনীতি, আদি সকলোতে বিপ্লবৰ ৰঙা ৰূপ উজলি উঠিছে। থিয়েটাৰ আৰু ছিনেমায়ো এই বিপ্লবৰ হাতৰ পৰা নিস্তাৰ নাপালে! ১৯০৯ চনলৈকে ৰাছিয়াৰ থিয়েটাৰ আৰু ছিনেমাই 'বুৰ্জ্জোয়া' লাহ বিলাহকেই সৰল কৰি চলিছিল। কিন্তু সেই বছৰৰ পিছৰ পৰাই 'বুৰ্জ্জোয়া' ভাব চিন্তা আদিৰ গতি সলাই নতুন ভাব প্ৰচাৰৰ বাহন স্বৰূপে ৰাছিয়াৰ নাট্য জগত নতুন ৰূপত সৃষ্ট হ'ল।

১৯১৭ চনৰ বিপ্লবৰ পিছতেই ৰাছিয়াৰ সাময়িক বিভাগৰ পৰা আদেশ জাৰি কৰা হ'ল যে 'বুৰ্জ্জোয়া' শিল্প আৰু অবাস্তনৈতিক যিমানবোৰ ছিনেমা আৰু থিয়েটাৰ আছে, আটাইকে ধ্বংস কৰি পেলোৱা। এই বৈপ্লবিক নাটাজগত গঢ়ি তোলাৰ নেতৃত্বৰ ভাৰ পৰিল মেয়াৰহোল্ড নামে নাট্যশিল্পত বিশেষজ্ঞ মানুহ এজনৰ হাতত। লাহে লাহে 'বুৰ্জ্জোয়া' থিয়টাৰবোৰ ভাঙি যাবলৈ ধৰিলে। মেয়াৰ হোল্ডৰ plan অনুযায়ী বৈপ্লবিক নাট্যশিক্ষাৰ কাৰণে Theatre Octobrists (থিয়েটাৰ অক্টোব্ৰিষ্টছ) নাম লৈ এটা বিশিষ্ট বৈপ্লবিক নাট্যশিল্পীৰ দল গঢ়ি উঠিল। এই নাট্যশিল্পী দলটাৰ প্ৰধানতম উদ্দেশ্য হ'ল অভিনয়ৰ মাজেদি বলছেভিক মতবাদ প্ৰচাৰ কৰা আৰু 'বুৰ্জ্জোয়া' মনোবৃত্তি ধ্বংস কৰা।

ৰাছিয়া দেশৰ বহুৱাই চলচ্চিত্ৰক নিজৰ বস্তু কৰি গঢ়ি লৈছে। বহুৱাৰ সমগ্ৰ জীৱনৰ প্ৰকৃত ৰূপ চলচ্চিত্ৰৰ মাজেদি গোটেই জগতৰ চকুৰ আগত ফুটি উঠিছে। ৰাছিয়াৰ মহাবিদ্ৰোহৰ পিছত ৰাছিয়াৰ ছিনেমা 'কমিউনিষ্ট আৰু বহুৱাবোৰৰ হাতত পৰে যৈ: ১৯১২ চনত কছ গৱৰ্ণমেণ্টে কোনো বিশিষ্ট বিশিষ্ট মানুহ বা কোম্পানীকো চৰকাৰৰ কৰ্ত্তৃত্বাধীনত 'ছিনেমা হাউছ' খুলিবলৈ অনুমতি দিলে। বৰ্ত্তমান কালত ৰাছিয়াত চলচ্চিত্ৰশিল্পক চাৰিটা প্ৰধান বিভাগত ভাগ কৰিব পৰা যায়।

(১) গছকিনো (Goskino) অৰ্থাৎ চৰকাৰী ছিনেমা।

(২) প্ৰোলেটকাল্ট কিনো (Proletcult kino) অৰ্থাৎ বহুৱা সঙ্ঘৰ বিশেষ ছিনেমা।

এই গৰাকী কোনো Star অভিনেত্ৰী নহয়, এগৰী সাধাৰণ ছোৱালীৰ দ্বাৰা এনেকুৱা সুন্দৰ অভিনয় কৰাব লাগিছে Type৮ চানেকী

(৩) ৰিভলিউছনাৰী কিনো (Revolutionary kino) অৰ্থাৎ ৰাষ্ট্ৰ কথা সম্ক্ৰান্ত ছিনেমা।

(৪) বুৰ্জ্জোয়া কিনো (Bourgeois kino) অৰ্থাৎ ব্যৱসায়ীবোৰৰ ছিনেমা (Commercial)।

এইবোৰৰ প্ৰত্যেকটোকে এটা বিশেষ প্ৰতিষ্ঠান হিচাপে ধৰিব পাৰি আৰু প্ৰত্যেকটোৰ আদৰ্শও বেলেগ বেলেগ প্ৰকাৰৰ।

গছকিনোৱে বিশেষ ভাৱে শিক্ষা আৰু আন আন জনহিতকৰ বিষয়ৰ প্ৰচাৰ কাৰ্য্য কৰে। ছোভিয়েট ৰাছিয়াৰ আদৰ্শ প্ৰচাৰ ইয়াৰ এটি প্ৰধান অঙ্গ। গছকিনো কেন্দ্ৰ হৈছে মস্কো আৰু লেলিন গ্ৰাড চহৰ। এই দুটা কেন্দ্ৰৰ পৰা ৰাছিয়াৰ সকলো ঠাইলৈ ছিনেমা প্ৰতিষ্ঠানৰ কাৰ্য্যাবলী পৰিচালিত হয়। ৰাছিয়াত যিবোৰ ফিল্ম দেখুৱা হয় বা প্ৰস্তুত হয়, সেই সকলোবোৰেই লেলিন গ্ৰাড কেন্দ্ৰত পৰীক্ষিত হয় আৰু প্ৰয়োজন হলে আৱশ্যকীয় সাঁ-সলনি কৰা নহয়। ছিনেমা সংক্ৰান্ত সকলো বিষয়ৰে এই কেন্দ্ৰৰ পৰা নিয়ন্ত্ৰণ কৰা হয়।

প্ৰোলেট কিনো ৰাছিয়াৰ নিজস্ব বস্তু। বহুৱাবোৰৰ বৰ্ত্তমান জীৱন প্ৰণালী সিহঁতৰ আদৰ্শ, অভাব অভিযোগ শিক্ষা' ধৰ্ম্মকা জীৱন ইত্যাদি সকলো কথাৰে সঙ্ঘৰ এ বিশেষ চলচ্চিত্ৰ বোৰত পোৱা যায়। মহাবিদ্ৰোহৰ পিছ কছ বহুৱাবোৰৰ জীৱনৰ পূৰ্ণ ৰূপ প্ৰোলেট কিনোত পোৱা যায়। ১৯১৮ চনত এই বিশেষ চলচ্চিত্ৰই জন্মগ্ৰহণ কৰে কছ বহুৱাই প্ৰলেট কিনোৰ সহায়ত পৃথিবীৰ আন আন দেশৰ বহুৱাবোৰলৈ সিহঁতৰ বাতৰি পঠাবলৈ চেষ্টা কৰে আৰু এইদৰে সমগ্ৰ পৃথিবীৰ বহুৱাবোৰক সঙ্ঘবদ্ধ কৰিবলৈ বিচাৰে। লেনিন প্ৰোলেট কিনোৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল। জনহিতকৰ সকলোপ্ৰকাৰ চিত্ৰকে প্ৰোলেট কিনোত দেখুৱা হয়।

ৰিভলিউছনাৰী কিনো :—সকলো দেশৰে সকলো প্ৰকাৰ বিদ্ৰোহৰ চিত্ৰ দেখুৱাই ইয়াৰ প্ৰধান কাম। বিশেষকৈ ৰাছিয়াৰ বঙা সৈন্য দলৰ (Red army) কাৰ্য্যাবলীৰ প্ৰচাৰ ইয়াৰ এটি প্ৰধান কৰ্ত্তব্য। আমেৰিকা, জাৰ্ম্মাণি, ইত্যাদি দেশবোৰৰ পৰাও নানাপ্ৰকাৰ বিদ্ৰোহৰ ছবি আমদানী কৰা হয় আৰু ইয়াত দেখুৱা হয়। ছোভিয়েট মত বিৰোধী কোনো ছবি দেখুৱা নহয়। বোলছেভিক মতবাদ প্ৰচাৰ যিবোৰ বিদ্ৰোহী চিত্ৰৰ দ্বাৰা সম্ভৱপৰ মাথোন সেইবোৰ ছবিহে বিশেষভাবে প্ৰদৰ্শিত হয়। বঙ্গা নবাব জমিদাৰ আদিৰ দুষ্কৃতীয়াবোৰৰ, গণৰ অত্যাচাৰ আৰু তেজশোহনৰ যিবোৰ ফিল্ম আন দেশত দেখুউৱা অসম্ভৱ, 'ৰিভলিউছনাৰী কিনো'ৰ সাহায্যে সেইবোৰ ফিল্ম ৰাছিয়াৰ সকলো ঠাইতে প্ৰদৰ্শিত হয়ে ধৰিছে। প্ৰত্যেক ৰাছিয়ান যাতে বিদ্ৰোহৰ চিৰ ভক্ত হৈ

থাকে, 'ৰিভলিউছনাৰী কিনো'ৰে সদায় তাৰেই চেষ্টা কৰিবলৈ থাকে।

বুৰ্জ্জোয়া কিনো বা কমাৰ্ছিয়েল কিনো :—কমাৰ্ছিয়েল কিনো বিভাগৰ প্ৰধান কাম হৈছে ভিন ভিন দেশৰ ফিল্ম আদিবে কাৰবাৰ কৰা। প্ৰধান উদ্দেশ্য ব্যৱসায় হলেও তাৰ লগে লগে বোলছেভিক মতবাদৰ প্ৰচাৰ কাৰ্য্যও চলে। ৰাছিয়াৰ ফিল্ম বিদেশলৈ পঠোৱা আৰু সেই উদ্দেশ্য প্ৰচাৰ কাৰ্য্য চলাবলৈ চেষ্টা হবলৈ ধৰিছে। আন আন দেশলৈ পঠোৱা ফিল্মবোৰ সম্পূৰ্ণ ৰাছিয়ান আদৰ্শত প্ৰস্তুত কৰিলে নচলিব, আন আন দেশৰ বাবে কেনেকুৱা ফিল্মৰ demand হয় তালৈ চকু ৰাখি চিত্ৰ তৈয়াৰ কৰিব লাগিব। টলষ্টয়, ডষ্টয়ভস্কি আদিৰ উপন্যাসবোৰৰ পৰা উপাদান লৈ ফিল্ম তৈয়াৰ কৰিবলৈ ধৰিছে। সংঘৰ Motion picture Co-operative Society য়ে টলষ্টয়ৰ উপন্যাস এখনৰ পৰা 'পলিকুস্কা' নামে এখন ফিল্ম তুলিছিল। গল্পৰ নায়ক 'পলিকুস্কা' চোৰ, বৰ দুখীয়া আৰু দোপাট মদপী। গোটেই জীৱনটো তাৰ সামান্য আহাৰৰ যোগাৰৰ কাৰণে চেষ্টা কৰোতেই অতিবাহিত হল। কতদিন, কতবাতি তাৰ অনাহাৰে কটাৰ লগীয়া হৈছে। ফটাকাপোৰ এডোখৰ গাত লৈ বৰফৰ ওপৰত শুই সময় কটাবলগীয়া হৈছে। এদিন প্ৰভুপত্নীয়ে তাৰ হাতত বহুতো ধন দি তাক অকলে এঠাইলৈ যাবলৈ কলে। পলিকুস্কাই প্ৰভুপত্নীৰ তাৰ নিচিনা মানুহটোৰ ওতৰত এনেকুৱা অগাধ বিশ্বাস দেখি আচৰিত হ'ল। সি সকলো প্ৰকাৰৰ প্ৰলোভন জয় কৰি সেই টকা নিৰ্দ্দিষ্ট ঠাইত পোৱাই দিবলৈ প্ৰতিজ্ঞা কৰিলে। বাটৰ মাজত কেনেবাকৈ ধনৰ মোনাটো কোনোবাই চুৰ কৰি লৈ গ'ল। পলিকুস্কাই মনৰ দুখতে আত্মহত্যা কৰিলে। এই চিত্ৰটোত মহাবিদ্ৰোহৰ আগেয়ে ৰাছিয়ান খেতিয়ক আৰু বহুৱাবোৰৰ জীৱন কেনে ভীষণ দুখময় আছিল তাক ফটফটীয়াকৈ দেখুউৱা হৈছে। এই চিত্ৰ-টোকে কডিয়াৰ নতুন ধৰণৰ প্ৰথম চিত্ৰ বুলিব পাৰি। ৰ দুখৰ কথা এই ধৰণৰ ৰাছিয়ান চলচ্চিত্ৰবোৰ আমি দেখিবলে পোৱাৰ উপায় নাই। টলষ্টয়ৰ উপন্যাসবোৰৰ, যেনে, "ৰিভাৰেক্সন্ 'দি হোৱাইট ডেভিল' ইত্যাদিৰ চলচ্চিত্ৰ আমি হলিউডৰ 'মেট্ৰোগোল্ডুইন মেয়াৰ' বা জাৰ্ম্মাণিৰ 'ইউফা' কোম্পানীৰ অনুগ্ৰহতে মাজে সময়ে দেখিবলৈ পাওঁ।

চিত্ৰজগতৰ যেয়ে অলপ অচৰপ খবৰ ৰাখে, তেৱেঁই ৰাছিয়ান ফিলমৰ উৎকৰ্ষতাৰ বিষয়ে জানে। ছোভিয়েট ৰাছিয়াৰ ডাঙৰ ডাঙৰ প্ৰযোজন ফেক্টৰীবোৰৰ (Production units) আৰু ভিতৰত Sovkeno, Mezhrobopm, Gosveen kino আৰু Wufker নামৰ ষ্টুডিওবোৰ

অভিনেতা আৰু অভিনেত্ৰীৰ নমনি type৮ ব্যৱহাৰ। এখন ৰাছিয়ান ফিল্মৰ চানেকী।

আটাইতকৈ প্ৰসিদ্ধ। ৮৯ হাজাৰতকৈও ওপৰ মানুহে ৰাছিয়াৰ ফিল্মশিল্পত কাম কৰে। ১৯২৯ চনৰ পৰা ৰাছিয়াৰ চিত্ৰজগতে দ্ৰোপতদ্ৰোপে উন্নতিৰ পথত আগুৱাই যাবলৈ ধৰিছে। "Last days of Petrograd", "Ten Day that storke the world", "Polemkin" "Mother" ইত্যাদি ফিল্মবোৰ বিশ্ববিখ্যাত। পিছে এই ফিল্মবোৰ উৎকৰ্ষতাৰ বিষয়ে কাগজে কলমেহে পঢ়া যায়, ৰাছিয়াৰ বাহিৰত এই ফিল্মবোৰ দেখুৱাবলৈ সকলো দেশৰে প্ৰদৰ্শনী ঘৰ বন্ধ। আনকি লণ্ডনৰ ফিল্ম ছোছাইটিত

যিদিনা গৰীব 'মাতৃ' ('Mother' directed by Eisenstein) দেখুৱা হল সিদিনাৰ পৰা এসপ্তাহলৈকে লণ্ডনৰ সকলোবোৰ বাতৰি কাকতে প্ৰচাৰ কৰিবলৈ ধৰিলে "বন্ধ কৰা, বাহিৰ কৰি দিয়া এই বোৰ চলচ্চিত্ৰ। আমাৰ আৰ্ট নহলে নষ্ট হৈ যাব।" প্ৰকৃত কথা ইংৰাজ জাতিৰ আৰ্ট নষ্ট হোৱাটো নহয়, বৰং এনেকুৱা সৰ্ব্বাঙ্গীন সুন্দৰ চিত্ৰ এখন চাই বৰং তেওঁলোকৰ আৰ্ট উন্নতহে হলহেঁতেন। এওঁলোকৰ ভয়ৰ মূল কাৰণ হৈছে ফিল্মধনৰ শক্তি।

বাছিয়ান চলচ্চিত্ৰবোৰৰ ইমান উন্নত ধৰণৰ হোৱাৰ মূল কাৰণ কি ?—মূল সূত্ৰ হৈছে, চিত্ৰৰ বিস্তাৰ আৰু গতিছন্দৰ সুন্দৰ সামঞ্জস্য। ক্যামেৰা আৰু সৰল মনস্তত্ত্ব দুয়োটাকে বাছিয়ানবোৰে সমানে প্ৰাধান্য দিয়ে। এওঁলোকে গতিক মহত্ত্ব দিয়ে আটাইতকৈ বেছি। বাছিয়ান চলচ্চিত্ৰ কেতবোৰ এটা দোষত দুষ্ট। বাছিয়ানবোৰে নিজৰ মত প্ৰকাশৰ বাবে ইমান ব্যস্ত যে, তাৰ বাবে আৰ্টক হত্যা কৰিবলৈকো কুণ্ঠা বোধ নকৰে। বহুতো ক্ষেত্ৰত তেনেকুৱা কৰিছেও। গতিকে এওঁলোকৰ উপাদান সুন্দৰ হলেও ভাৰটো বহুত সময়ত ধঁবা।

কিন্তু বাছিয়ান বোৰৰ এটা প্ৰধান গুণ আছে এইটোৱেই যে, তেওঁলোকে অভিনেতা, অভিনেত্ৰী আদিৰ ৰপ খাতিৰ নকৰে। তেওঁলোকে এগৰাকী সুন্দৰী, প্ৰাণশূন্য অভিনেত্ৰীক লাখ লাখ টকা দি বছৰটোত এবাৰকৈ বিয়া আৰু তিনি মাহৰ মুৰত 'ডিভোৰ্চ' কৰিবলৈ প্ৰবৃত্ত নকৰে। এওঁলোকৰ মতে অভিনয়ৰ অৰ্থই হৈছে জীৱনৰ প্ৰতিবিম্ব। যদি আচল জীৱনতেই সেই ছাঁ বা প্ৰতিবিম্ব আমি পাব পাৰোঁ, তেনেহলে লাখ লাখ টকা খৰচ কৰি 'star' এটা গঢ়ি তুলি তেওঁক পুতলা সজাই লাভ কি ? অৰ্থাৎ ফিল্মৰ অভিনয় 'type'য়ে যিমান সুন্দৰকৈ কৰিব পাৰে, অভিনেতা বা অভিনেত্ৰীয়ে তিমান সুন্দৰকৈ নোৱাৰে। বাছিয়ান ডাইৰেক্টৰ বা চিত্ৰ-প্ৰযোজকবোৰো একো গৰাকী প্ৰতিভাশালী মানুহ। এওঁৰ শ্ৰদ্ধা সত্য আৰু জীৱনৰ কাৰণে, 'star' নাইবা 'studio'ৰ কাৰণে নহয়। এওঁলোকৰ সৃষ্টিশক্তি ইমান অসাধাৰণ যে তেওঁলোকে কেতবোৰ চিত্ৰৰ মকুলি পথাৰত ফটো তোলে আ সাধাৰণ নৰ-নাৰীলৈ অভিনয় কৰায়। চলচ্চিত্ৰ জগতৰ এই চিত্ৰবোৰেই একোখন বিশ্ববিখ্যাত চিত্ৰ বুলি প্ৰতি লাভ কৰে। আমাৰ ভাৰতবৰ্ষলো এনেকুৱা Polit ললে ভাল হব বুলি আশা কৰোঁ। ভাৰতীয়ৰ ইমান টা নাই যে বছৰি লাখ লাখ টকা খৰচ কৰি একোখন 'star' গঢ়ি তুলিব। ভাৰতত প্ৰতিভাশালী অভিনে অভিনেত্ৰীৰ অভাৱ, কিন্তু তাতোকৈ বেছি অভাৱ হৈ প্ৰতিভাশালী ডিৰেক্টৰৰ। গতিকে আমি নিৰ্ভয় ক লাগিব 'type'ৰ ওপৰত, আৰু আমাৰ ডিৰেক্টৰ বো প্ৰধান কৰ্ত্তব্য হৈছে উপযুক্ত 'type' বিচাৰি উলিয়া এজন অভিনেতাকে, আজি ৰাম, কাইলৈ পানীত পৰহিলৈ চন্দ্ৰকান্ত সিংহ কৰিলে নহব। সকলো অ নেতাই প্ৰতিভান্বিত হৈ জন্মগ্ৰহণ নকৰে। আমেৰিকানবোৰে ঠিক তাকেই কৰে। আজি Charl Farell এ "Seventh Heaven" ত মনোমোহা অভি কৰিলে এজন সাধাৰণ মানুহৰ ভাও লৈ ; অভিনয় নাম কৰিলে যেতিয়া কাইলৈ তেওঁ 'Fazil' ত পাহি ছাৰ হ'ল, পৰহিলৈ হ'ল "Street Angel" ত ইটালীয়া চিত্ৰকৰ, তাৰ পিছদিনা "High Society Blues" হ'ল এজন আভিজাত্য গৰ্ব্বী ডেকা। লাভৰ তিন হ'ল গৈ তেওঁ কোনো এটা বিশিষ্ট ভাওলৈ যেন্দে সৰ্ব্বাঙ্গসুন্দৰ অভিনয় কৰিছিল, অভিনয়ৰ তেন্দে আনবোৰত ফুটাই তুলিব নোৱাৰিলে। 'ক্লাৰা বো 'গ্ৰেটা গাৰ্ব্বো'ৰ নিচিনা অভিনয় কৰিব নোৱা 'মৰিচ ছাভালে'ই 'এমিল জেনিংছন'ৰ নিচিনা অভি কৰা অসম্ভৱ। কিন্তু বহুত ক্ষেত্ৰতেই দেখা যা আমেৰিকান প্ৰযোজকে Charles Farrell ব বেছি কৰাব দৰে যথেচ্ছাচাৰিতা কৰে অভিনেতা অভিনেত্ৰীবোৰৰ শক্তি আৰু সামৰ্থ্যৰ ওপৰত।

অভিনেতাৰ চৰম গুণ হৈছে আভাস বা suggestio দিয়া। এই suggestion আমাকোৰক দেখত যা 'type' যেহে দিব পাৰে, ব্যৱসায়ী নেতা বা অভিনে নহয়।

কৃত্তিবাস (১)

—শ্ৰীযুত প্ৰভাত চন্দ্ৰ অধিকাৰী

ঘোৱা মাঘ মাহৰ মাহেকীয়া বসুমতী পত্ৰিকাত শ্ৰীযুক্ত বাজেন্দ্ৰনাথ বিদ্যাভূষণ ভাঙৰীয়াই তেওঁৰ 'ভাৰতীয় সাহিত্যৰ ইতিহাস' নামেৰে প্ৰৱন্ধত কৃত্তিবাসৰ ৰামায়ণ আলচ কৰোঁতে কৈছে—

"খাঁটি বাঙ্গালা ভাষায় আমৰা একখানি সম্পূৰ্ণ গ্ৰন্থ পাইতেছি—কৃত্তিবাস ওঝাৰ ৰামায়ণ। ইহাৰ পূৰ্ব্বে আৰ কেহ ভাষায় ৰামায়ণ লিখিয়াছেন বলিয়া এখনও জানিতে পাৰা যায় নাই।"

কৃত্তিবাসৰ বহু আগেয়ে লিখা ৰামায়ণ গ্ৰন্থ আমি প্ৰাচীন অসমীয়া ভাষাত * দেখিবলৈ পাওঁহক। ৰংচোৱা মাধৱ কন্দলি। সেই বাবে কৃত্তিবাসৰ আগেয়ে আন কেৰে ভাষাত ৰামায়ণ লিখা নাই—এই বুলি কোৱা উচিত নহয়। বিদ্যাভূষণ মহাশয়ৰ অৱগতিৰ বাবে আমি তলত মাধৱ কন্দলিৰ ৰামায়ণ ৰচনাৰ কাল সম্বন্ধে আলচ কৰিলোঁ।

কবি কৃত্তিবাসৰ কাল নিৰূপণ কৰা উজু নহয়। ৰায় বাহাদুৰ শ্ৰীযুক্ত দীনেশচন্দ্ৰ সেন মহাশয়ে এই বিষয়ে বহু দিগ্ পাইছে আৰু ক্ৰমে এটা মত এৰি মতান্তৰলৈ যাব লগাত পৰিছে। তেওঁ বহু কষ্ট কৰাতো তেখেতে তেওঁৰ 'বঙ্গভাষা ও সাহিত্য' পুথিত যি কাল থিৰ কৰিছে সি সৰ্ব্ববাদী সম্মত নহয়। সি যি হওক, মতভেদ থকাতো বিদ্যাভূষণ ভাঙৰীয়াৰ নিচিনা আমিও সম্প্ৰতি কৃত্তিবাসৰ পঞ্চদশ শতিকাৰ মানুহ বুলি ধৰি লওঁ।

১২৮৮ খৃষ্টাব্দৰ পৰা অসমত (প্ৰাচীন কামৰূপত) আহোম ৰাজত্ব আৰম্ভ হয়। আহোম সকলৰ আগেয়ে আজিকালিৰ সদিয়াৰ দাঁতিত থকা সোণাপুৰ নামৰ ঠাইত ৰাজধানী থাপি কছাৰী বংশৰ ৰজাসকলে ব্ৰহ্মপুত্ৰ নদৰ দক্ষিণ পাৰৰ ভূমি খণ্ডত ৰাজত্ব কৰিছিল। এই সকল কছাৰী ৰজাই হিন্দু ধৰ্ম্মত শৰণ লৈছিল। এই বংশৰে এজন ৰজাৰ অতিপাত আগ্ৰহত মাধৱ কন্দলিয়ে গোটেই খন ৰামায়ণ অসমীয়া ভাষালৈ ভাঙিছিল। গতিকে দেখিবলৈ পোৱা যায় যে ১২২৮ খৃষ্টাব্দৰ আগেয়ে অসমীয়া ভাষাত সম্পূৰ্ণ ৰামায়ণ খনি লিখা হৈছিল। কিন্তু অলপ-মান মতভেদ আছে। পণ্ডিত হেমচন্দ্ৰ গোস্বামী ভাঙৰীয়াই মাধৱ কন্দলিক ১৩৪৭ খৃষ্টাব্দলৈ টানি লৈছে। তেওঁ কয়—

"Author—Madhab Kandali alias Kaviraja Kandali, He acknowledges to have translated the 7 cantos of Ramayana into metrical Assamese under the patronage of the Barahi king Mahamanikya. The Barahis constituted a branch of the Hinduised Kacharis. Before the advent of the Ahoms, the Barahi kings were ruling over the whole of the south bank of the Brahmaputra with their capital at sonapur, Somewhere near Sadia.

Date—His probable date is 1347 A. D. and so his writings Belong to the Pre-Vaishnavite period of Assamese literature"

(Descriptive Catalogue of Assamese Manuscripts by Hem Chandra Goswami pp. 139)

গোঁসাইদেৱৰ কাল নিৰ্ণয় কৰা কথাখিনি বুজিবলৈ টান পাইছোঁ। কাৰণ ১২২৮ খ্ৰীষ্টাব্দত আহোম ৰাজত্ব আৰম্ভ হোৱাৰ আগেয়ে ৰবাহী ৰজা সকলে ৰাজত্ব

* আজিকালিৰ অসমীয়া ভাষা আৰি আৰু মধ্য-যুগত কামৰূপী ভাষা নামেৰে অনাজাত আছিল।

(১) এই প্ৰৱন্ধৰ বঙলা ভাঙনি "বসুমতী" পত্ৰিকাত প্ৰকাশৰ বাবে আমি সেই কাকতৰ সম্পাদকলৈ পঠাইছোঁ।

কবিছিল। গতিকে গোঁসাইদেরৰ গণনাৰ কৰবাত অলপ বেমেজালি আছে বুলি সন্দেহ কৰোঁ। সি যি হওক মাধৱ কন্দলিক ১৩৮৭ খৃষ্টাব্দৰ লোক বুলি ধৰি ললেও তেওঁৰ ৰামায়ণ কৃত্তিবাসৰ ৰামায়ণৰ কিমান পূৰ্ব্বে লিখা ছেছিল সেইটো সহজে ওলাই পৰে।

মাধৱ কন্দলিয়ে লিখা ৰামায়ণৰ প্ৰত্যেক কাণ্ডৰ বিবৰণ বাহুল্য ভয়ত ইয়াত দিয়া নহল; মাথোন অবণ্য কাণ্ড পুথিখনিৰ বিবৰণ হে তলত উদ্ধৃত কৰিলোঁ:—

"Description—This Puthi is written on Sanchi bark and contains 36 folios. The size of the puthi is 12 × 2½ inches. Each page of a folio contains 13 lines and there are 773 stazas in the puthi. The present copy was made in Saka 1658 and it naturally looks old and in some places the letters have become quite undecipherable. The characters are of the Kaithali type and the puthi is fairly free from ortho graphical mistakes.

The opening lines—

জয় নমো ৰামচন্দ্ৰ প্ৰভু ভগৱন্ত।
যাহাৰ লীলাৰ কেহ নপাৱন্ত অন্ত॥
ইচ্ছামাত্ৰে হোৱে সৃষ্টি পালন সংহাৰ।
হেন ৰাম পদে কৰো কোটি নমস্কাৰ॥

The closing lines—

হেন জানি জন্ম জীৱন সাফলি
ধৰা মাধৱৰ নাম।
ডাকি মুখ ভৰি বলা উচ্চ কৰি
নিৰন্তৰে ৰাম ৰাম॥ ৭৭৩॥

Colophon—

এতেকে অৱণ্য কাণ্ড ভৈল সমাপতি।
মাধৱে ভনন্ত মহানান্যিক্যে শুনন্তি;

Contents—This forms the 3rd canto of the epic and it begins with an account of Ram's going away to Dandaka forest from Chitrakut to avoid Bharat and others. From there he went to the forest of Panchabati, where they met with Surpanakha, the sister of Ravan. Lakshman punished Surpanakha by cutting her nose and ears for her audacity to make overtures of love to him and his brother. She feeling mortified at this went to Ravana and told him of her humiliation at the hands of Lakshman and described to him the unparalleled beauty of Sita. Ravan was highly enraged to see the mutilated figure of Surpanakha resolved to punish Ram by Stealing away his beautiful wife. He took the help of his maternal uncle Marich to accomplish his design. Marich took the shape of a golden dear and appeared before Sita, who taking a fancy for the animal asked Ram to capture it for her. Ram went after the animal and did not return for a long time. Sita grew anxious for him and sent out Lakshman to inquire after him. In the meantime Ravan took Sita away by force. Ram and Lakshman on there return found that there was no Sita. Ram became quite unconsolable and both the brothers resolved to find out Sita,

Owner—The late Shyam Lal Choudhuri, Subdeputy collector was the owner of this puthi and his wife has kindly made it a present to the collection.

Place of deposit—The library of K. A. Samiti. (Kamrup Anusandhan Samiti) (Discriptive Catalogue of Assamese Manuscripts, page 141—143)

ইয়াৰ বাহিৰে, এই ছেগতে অনন্ত কন্দলিৰ বিষয়ে কিঞ্চিৎ কব লগীয়া আছে। এওঁ গোটেই খন ৰামায়ণ পুথি অসমীয়ালৈ ভাঙিছিল। এই অনন্ত কন্দলিকেই ৰা শ্ৰীযুক্ত দীনেশ চন্দ্ৰ সেন মহাশয়ে তেওঁৰ 'বঙ্গভাষা ও সাহিত্য'ত কৃত্তিবাসৰ ঠিক পাছতে ঠাই দিছে। সৰাচলতে অনন্ত কন্দলি বঙালী নহয় নাইবা তেওঁ যি ভাষাত ৰচিছিল সিও বঙ্গলা নহয়। কিন্তু দুখৰ বিষয় এই শ্ৰদ্ধেয় পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য মহাশয়ে ৰাহাদুৰ ডাঙৰীয়াৰ এই ভুলটি আঙুলিয়াই দিলত তেওঁ ভা

দুখৰবাই দম্ভেৱে কৈছে যে প্ৰাচীন অসমীয়া ভাষা বঙ্গ ভাষাৰেই প্ৰাদেশিক ভেদ মাথোন আৰু জানিব পাৰিলে প্ৰাচীন অসমীয়া কবি সকলৰ বিবৰণো তেওঁ তেওঁৰ পুথিত (বঙ্গ ভাষা ও সাহিত্যত) লিপিবদ্ধ কৰিবলৈ প্ৰস্তুত আছে! * 'বঙ্গ ভাষা ও সাহিত্য' নিতান্ত ক্ষুদ্ৰ গ্ৰন্থ নহয়; এই পুথি লিখাৰ আগেয়ে ইয়াৰ সমুহ বিষয় বস্তু গ্ৰন্থকাৰৰ জনা নথকাৰেই কথা। এই বোৰ তেওঁ বিশেষ কষ্টেৰে শুণ্ডত কৰিবলৈ সক্ষম হৈছিল আৰু তাৰ পিছত হে কিতাপত লিখিবলৈ সমর্থ হইছিল—এই কথা বিনি তেওঁৰ নিজৰ উক্তি। সেই বাবে আমি সোধোঁ, বায়ৰাহাদুৰে এই গ্ৰন্থ প্ৰণয়ন কৰা কালত আৰু অশেষমান কষ্ট স্বীকাৰ কৰি প্ৰাচীন অসমীয়া কবি সকলৰ বিবৰণ সংগ্ৰহ কৰাৰ পিছত তাক তেওঁ তেওঁৰ 'বঙ্গ ভাষা ও সাহিত্য' গ্ৰন্থত ঠাই দিব নোৱাৰিলেনে? এওঁ সকলৰ বিবৰণ পাৱলৈ এতিয়াৰো তেওঁ কাৰ ওচৰত হাত পাতিছে? আচলতে 'বঙ্গভাষা ও সাহিত্য' পুথি ৰচনা কৰা কালত বায় বাহাদুৰ ডাঙৰীয়াই প্ৰাচীন অসমীয়া কবি সকলক তাত ঠাই দিবাৰ কথা কল্পনাতো ভবা নাছিল। নাইবা অন্ততঃ পক্ষে কেইজন মান কবিৰ বিবৰণ গুণ্ডত কৰা তেওঁৰ পক্ষে অসম্ভৱ নহলহেঁতেন। ভট্টাচাৰ্য্য মহাশয়ে তেওঁৰ এই ত্ৰুটী দেখুৱাব পিছতো তেওঁ তাক কৰিব পাৰিলেহেঁতেন, কিন্তু কৰা নাই। তেওঁৰ এনেবিধৰ চেষ্টাহীনতাৰ দ্বাৰা কেৱল এয়েই প্ৰমাণিত হয় যে অনন্ত আৰু তেওঁৰ ৰামায়ণক 'বঙ্গভাষা ও সাহিত্য'ত ঠাই দি তেওঁ যি ভুল কৰিছে তাকেই বাক-চাতুৰ্য্যেৰে ঢাকিবলৈ তেওঁ এই যুক্তি হীন ওজুহাতৰ সৃষ্টি কৰিছে। কোনো প্ৰাচীন অসমীয়া কবিৰ তেওঁ তেওঁৰ পুথিত ঠাই দিয়ে এনেকণ সদ্ৰদ্ধেশ্য তেওঁৰ আগেও নাছিল পিছতো হোৱা নাই, কাৰণ তেওঁৰ ভালদৰে জনা আছিল যে অসমীয়া আৰু বঙলা এই দুটি সম্পূৰ্ণ ভিন্ ভাষা—যদিও দুয়ো ভাষাৰেই মূল অনেক ঠাইত এক আৰু অভিন্। মাধৱ কন্দলি আৰু তেওঁৰ ৰামায়ণক এতিয়া তেওঁ 'বঙ্গ ভাষা ও সাহিত্য'ৰ অন্তৰ্ভুক্ত সংস্কৰণত ঠাই দিবলৈ মাজি হবনে? তেওঁৰ কিতাপৰ ৫ম তাঙৰণৰ ১০৫ পৃষ্ঠাৰ পাদটীকাত তেওঁ কথাৰ জাল বই বিনা প্ৰমাণে মাথোন কথাৰ জোৰেৰে অসমীয়া ভাষাক বঙ্গ ভাষাৰ অন্তৰ্বিশেষ বুলি প্ৰমাণ কৰিবলৈ বিফল চেষ্টা কৰিছে। কিন্তু ভাল কথা নাই; ভুল নকৰে এনে মানুহ পৃথিবীত নাই। যি সকলে মহৎ তেওঁ সকলে ভুল ত্ৰুটী স্বীকাৰ কৰি থাকে।

১৮৫৫ শকৰ জেঠ সংখ্যা 'আৱাহন' পত্ৰিকাত 'অনন্ত আৰু কৃত্তিবাস' বোলা আলোচনাত আমি দেখুৱাইছোঁ যে অনন্ত কন্দলি বঙালী নহয় নাইবা তেওঁৰ ৰামায়ণ খনিও বঙলা ভাষাত ৰচিত হোৱা নাই। তেওঁ লিখা ৰামায়ণ ভাষা আচল প্ৰাচীন অসমীয়া ভাষা যাক কামৰূপী ভাষাও বোলা হয়। উল্লেখ কৰা আলোচনাত আমি ইয়াকো দেখুৱাইছোঁ যে অনন্ত কন্দলি কৃত্তিবাসৰ পূৰ্ব্ববৰ্ত্তী নহলেও অন্ততঃ পক্ষে দুয়ো সমসাময়িক আৰু দুয়োবে ৰামায়ণ প্ৰায় একে সময়তে লিখা ছেছিল। এই বিষয়ে আৰো নতুনকৈ আলচ্ কৰা নহল। কাৰণবাৰ মনত কিবা খুজুবিয়ে ভূমুকি মাৰিলে তেওঁ যেন কৃপা কৰি আমাৰ উক্ত প্ৰৱন্ধ এবাৰ চকু বুলাই চাই লয়। তাত এই বিষয়ৰ বহল আলোচনা দেখিবলৈ পাব।

* বঙ্গ ভাষা ও সাহিত্য—৫ম সংস্কৰণ, ১০৫ পৃষ্ঠাৰ পাদটীকা দ্ৰষ্টব্য—

প্রণয়িনী

গল্প— —শ্রীযুত বমা দাশ বি-এ

গল্পটো ঠিক এইদৰে বন্ধু এজনৰ মুখৰ পৰা শুনিছিলোঁ।

* * * *

মই তেতিয়া কলিকাতত কলেজত পঢ়োঁ। শ্যামবজাৰৰ ফালে নিজা ধৰণে ৰুম এটা ভাড়া কৰি আছিলোঁ। মোৰ থকা ঠাইৰ ঠিক মুখে মুখে, ছিবীৰ সিমূৰে, আন এটা ৰুমত সন্দেহজনক ভাবে মাইকী মানুহ এজনী আছিল। জাতিত কি ঠিক ক'ব নোৱাৰোঁ, বোধকৰোঁ বঙালী, নাম শুনিছিলোঁ,—তাৰা। প্ৰকাণ্ড শকত, দীঘল চেহেৰা। মোটোহা মোটোহা হাত ভৰি। গাৰ বং ক'লা। চকুৰ চেলাউৰীৰ নোমবোৰ ঠৰড়া আৰু দীঘল। চকুৰ দৃষ্টিটো ভীষণ কপট আৰু কুৎসিৎ। ডিডিৰ মাত কথাবোৰো অত্যন্ত কঠোৰ আৰু কৰ্কশ। মুঠতে দুবৰ পৰা দেখিলেই এটা ঘোৰ অশ্ৰদ্ধা আৰু বিতৃষ্ণাৰ ভাব ওপজে। আমাৰ দুয়োবে ৰুম একে মহলাতে আছিল। গতিকে তেওঁ ঘৰত থকা বুলি জানিলেই মই প্ৰায়ে মোৰ দুৱাৰ খন জপাই ৰাখিছিলোঁ। কিন্তু তেওঁ ঘৰতকৈ বেছি ভাগ বাহিৰতে কটাইছিল। কেতিয়াবা ছিবীৰে ওপৰলৈ উঠি আহোঁতে, নাইবা নামি যাওঁতে, তেওঁৰ লগত মোৰ দেখাদেখি হয়। চকুৱে চকুৱে পৰিলেই তেওঁ হাঁহি খিনি কেনে কপট আৰু চেঁচা। প্ৰায়ে, কেতিয়াবা দেখোঁ। বেছি ৰাতি, তেওঁ খিৰিকীৰে মুখ উলিয়াই ছিগাৰেট হুপি থাকে। শুকান শুকান, আউলি জাউলি চুলিবোৰ, ৰঙা ধেলা ধেলা চকু, কেনে বিকৃত মুখৰ ভঙ্গী। তথাপি দেখিলেই হাঁহি মাতে, "বকৰা বাবু কেনে আছে?" হাঁহিটো শুনিলেই মোৰ গোটেই গাটো বিৰক্তিত তিতা পৰি আহে। কেতিয়াবা ভাবোঁ, এনে আপদৰ পৰা আঁতৰি যোৱাই ভাল। কিন্তু ঠাই ডোখৰ হলে আন ফালবপৰা এৰি যাবলৈ ইচ্ছা নহইছিল। সুন্দৰ খোলা ঠাই, সমুখত ওচৰতে পাৰ্ক খনো পোৱা যায়। কলেজলৈও নিচেই কম বাট। গতিকে কোন ৰকমে সকলো সহ্য কৰি পৈছিলোঁ।

এদিন ৰাতিপুৱা। সুন্দৰ জাৰ পৰিছে। গাৰ কাপোৰ-কানিবোৰ ভালকৈ মুৰি লৈ বিছনাতে বাগৰি আছোঁ। মনতে ভাবিছো, কলেজলৈ নোযোৱাৰ কি উপায় উদ্ভাবন কৰা যায়। এনেতে মোৰ সমুখৰ দুৱাৰ খন মেল খালে। আৰু লগে লগে তেওঁৰ সেই অশ্বাভাৱিক বিকৃত কৰ্কশ স্বৰ কাণত পৰিল,

"বকৰা বাবু ঘৰত আছেনে?"

মই বিৰক্তিৰ সুৰে সুধিলো, "কেলৈ?" সুৰটো দেখিলো কিবা বিপদ আৰু অসহায়ৰ চিন এটি ফুটি ওলাইছে। .....অন্ততঃ তেওঁৰ চকুত তেনেকুৱা ভাব কোনো দিনে দেখা নাছিলোঁ।

"আপোনাক কিবা এটি সহায় খুজিবলৈ আহিছিলোঁ, দয়াকৰি কৰিবনে?"

মই উত্তৰ নিদি মনে মনে কিবা ভাবি আছিলোঁ। তেওঁ কলে, "বিশেষ তেনে ভয়ৰ কথা একো নহয়। আপুনি ডেকা ল'ৰা ইমান ভয় কৰিছে কেলৈ? * * মোৰ ঘৰলৈ এখন চিঠি লিখি দিব লাগে, অকল সেয়ে। দেখিলোঁ, মাতষাৰ সিদিনা যথেষ্ট কোমল, মিহি আৰু কৰুণ।

মনতে ভাবিলো, কি বিপদ, ঘুনীয়াত আৰু চিঠি লিখাবলৈ মানুহ নাপালে।" তথাপি উঠিলো, আৰু টেবুলত বহি কাগজ এডোখৰ লৈ কলোঁ,

"ভাল বহক, কৈ ৰ'ক, মই লিখি যাম।"

তেওঁ ওচৰ চাপি আহিল, চেয়াৰ খনত কুচিমুচি

বহিলে আৰু মোৰ মুখৰ ফালে বেয়াকৈ চাবলৈ ধৰিলে,

"আপোনাৰ চিঠি কালৈ লিখা হ'ব?"

"শ্ৰীযুত অমিয় চৌধাৰীলৈ, ঠিকানা সিউৰী, বোলপুৰ * *।"

"তাৰ পিছত। অলপ বেগাবেগিকৈ ক'ৰ্ক।"

"ৰবন্দৰ অমিয় মোৰ * * সোণটি মোৰ * * মোৰ চিৰ জীৱনৰ দৰদী তুমি। ঈশ্বৰে তোমাক সদায় কুশলে ৰাখক। কিন্তু কি নিষ্ঠুৰ তুমি, এদিনলৈ বুলি এখনো চিঠি নিলিখা। কোৱাচোন এই চিৰদুখী ক্ষুদ্ৰ লাহৰীকণক সদায় কষ্ট দি তুমি কি সুখ পোৱা?"

মই প্ৰায় হাঁহি চেপি ৰাখিব নোৱাৰা হৈছিলো। "ক্ষুদ্ৰ লাহৰীকণ," এই পাঁচ ফিট দীঘল মহিষমৰ্দ্দিনী কালাপাহাৰ চেহাৰা! তাই হেনো আকৌ "ক্ষুদ্ৰ" হ'ল। মুখৰ কিচ্ কিচীয়া এলাহু-লিপা বং! "লাহৰী" জানিবা কৰবাত দহবছৰে ধোৱাচাঙত থাকিছে এতিয়া ওলাই আছিছে। তথাপি কোনো ৰকমে হাঁহি সামৰি ধুবিলোঁ।

"আপোনাৰ এই অমিয়নে অমিয়া কোন?"

মোৰ দুখত তেওঁ যেন যথেষ্ট কষ্ট প্ৰকাশ কৰি উত্তৰ দিলে, "অমিয়া নহয়, অমিয়।—তেওঁ মোৰ প্ৰাণৰ প্ৰণয়ী।"

"প্ৰণয়ী!"

"কেলৈ? আপুনি আচৰিত হোৱা যেন দেখুৱাইছে কিয়? মোৰ নিচিনা এজনী গাভৰুৰ তেনেকুৱা প্ৰণয়ী এজন থাকিব নোৱাৰে জানো?"

গাভৰু? এইজনী? হা, ভগবান্।

শুনাই কলো, "কেলৈ নোৱাৰিব * * জগতৰ একোৱে অসম্ভৱ নহয়। * * কিমান দিনৰ পৰা তেওঁ আপোনাৰ প্ৰণয়ী ৰূপে আছে?"

"আজি ছয় বছৰে।"

"হুঁ! * * ভাল। এতিয়া আমাৰ চিঠিৰ কথালৈ আহক।"

চিঠি লিখা হল। মোৰ সমুখত থকা মাইকী মানুহ জনী যদি নহঁই অইন কোনোবাই এই চিঠি খন লিখিলে হেতেন, তেনেহলে মোৰ নিজৰে চিঠিখন নিয়াত কোনো আপত্তি নাছিল।

ৰব সন্ত্ৰমেৰে উঠি তেওঁ কলে, "আপোনাৰ উপকাৰ মই নাপাহৰোঁ। কিবা প্ৰতিদান অলপ দিব পাৰিলে বেয়া নাছিল।"

"সেই বিষয়ে আপুনি সমূলি নাভাবিব।"

"ধৰক। এই শুদা টেবিলখনৰ কাৰণে যদি মই আপোনাক কাপোৰ এখন শি দিওঁ?"

লাজত, খণ্ডত, অস্থিৰতাত মোৰ চকু মুখ ৰঙা পৰি আহিছিল। মই কঢ় ভাবে তেওঁক কৈ দিলোঁ, তেওঁৰ কোনো দান মই কেতিয়াও গ্ৰহণ নকৰিম।

তেওঁ ওলাই ওছি গল।

এ সপ্তাহ নে দুসপ্তাহ পিছত। এদিন সন্ধিয়া। মই শুণ্ শুণাই গান গাই খিৰিকীৰে বাহিৰলৈ চাই আছোঁ। ৰতনটোও লেতেৰা, মনটোও বৰ গধুৰ। গতিকে বাহিৰলৈ কলৈকো ওলাই নগৈ, নিজৰ চিন্তাৰ সোঁতত নিমজ্ক উটুৱাই দিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু তথাপি ভাল লগা নাছিল। কোনোবাকৈ এলাহ ভৰত অইন একো নাপাই তেনেকৈয়ে থিয় দি আছিলোঁ। এনেতে দুৱাৰ খন মেল খালে। ভাবিলোঁ, ৰক্ষা পৰিলোঁ, কোনোবা এজন আহি ওলাল।

"বকৰা বাবু! বোধকৰো আপোনাৰ তেনে বিশেষ কোনো কাম নাই?"

দেখিলো, তেওঁ। কি যন্ত্ৰণা!

"নাই। * * কেলৈ?"

"মোক আৰু এখন চিঠি লিখি দিব লাগিছিল।"

"কালৈ? * অমিয়লৈ নিশ্চয়?"

"নহয়, ইবেলি অমিয়ৰ পৰা মোলৈ?"

"কি—ই?"

"ও, বাম নহয়। মোৰ ভুল হৈছিল। বকৰা বাবু ক্ষমা কৰিব। চিঠিখন মোৰ নহয় এজন বন্ধুৰ কাৰণে,—ধৰক মোৰ এজন পৰিচিতৰ কাৰণে—পৰিচিত পুৰুষৰ

কারণে। তেওঁবো মোবে নিচিনা এজনী প্রণয়িনী আছে, নামো সেই তাবাই। বুজিছে নহয়, এতিয়া? লিখি দিবনে বকরা বাবু, সেই তাবাই লিখা চিঠিখন?"

বহুপব তেওঁব মুখলৈ চাই আছিলো। দেখিলো। মুখখন অত্যন্ত অস্থিব দেখা গৈছে। হাতব আঙুলিবোবো ভীষণকৈ কঁপিছে। প্রথমে অলপ বিমোবত পবিছিলো। তাব পিছত অলপ দম লৈ, গম্ভীব ভাবে কলোঁ,—

"দেখক, আপুনি মোব ইয়ালৈ দিনে দিনে ফাকি দিবলৈ নাহিব। আপোনাক কোনো অমিয়ও নাই, তাবাও নাই। সকলোবোব মিছা কথা। আপুনি এনেই মোক সদায় বিবক্তি কবা মই পছন্দ নকবোঁ। আপোনাব লগত মোব পবিচয়ব যেতিয়া কোনো প্রয়োজন নাই, আপুনি দয়া কবি ঘবব পবা ওলাই যাব পাবে।"

মোব কথাবোব শুনা মাত্রকে তেওঁব মুখব চেহাবা ভয়ত আৰু কষ্টত অসম্ভব বকমে সলনি হৈ গল। তেওঁ লহচব নকবাকৈ, একে ঠাইতে থিয় দি থাকি ভীষণ ভাবে কঁপিবলৈ ধবিলে। কিবা এটা কবলৈ বহুবাব চেষ্টা কবি, নোৱাবি, শেপ চুকিবলৈ ধবিলে।

তেওঁব অৱস্থা দেখি বুজিলোঁ মোব সন্দেহ নিতান্ত অমূলক। বোধকবো প্রকৃত ঘটনা অইন কিবাহে। "বকৰা বাবু," বুলি এবেলি কিবা কবলৈ চেষ্টা কবি, তেওঁ হঠাতে মুখত কাপোবখন দি ক্ষমব পবা ওলাই গল। মই এটা প্রকাণ্ড ভুল কবাব দবে বিষন্নমনে একেবকমে থিয় দি বলো। শব্দ হল, তেওঁ ভীষণ জোবেৰ তেওঁব দুৱাবখন বন্ধ কবিলে। ** ভাবিলোঁ, বেচেবী মিছাকৈ মনত ব্যথা পালে। ** মনতে ভাবি চালো বোধকবো আকৌ তেওঁক মাতি চিঠিখন লিখি দিবাই ভাল হ'ব।

তেওঁব খোটাদিলৈ সোমাই গলোঁ। চাবিও ফালে বিচাবি চালোঁ। দেখিলো, তেওঁ বিছনাত শুই গাকব তলত মুব গুজি আছে।

মাতিলোঁ, "শুনিছে?"

গল্পটোব ঠিক এই ঠাই খিনি পালেহ মই কোৱাত ভীষণ মুষ্কিলত পবোঁ, কিবা যেন কেনেবা কেনেবা লাগে। বাক য'ক।

আকৌ মাতিলোঁ, "শুনিছে?"

তেওঁ বিছানাবপবা নামি থিয় দিলে। ওচবলৈ আহি আৰু মোব কান্ধত হাতখন থৈ কিবা অদ্ভুত এটা ন উলিয়াই কলে,—"শুনক। কথাষাব ঠিক এ প্রকৃততে অমিয় বুলিও কোনো নাই তাবা বুলি কোনো নাই। কিন্তু আপোনাব তাত আপত্তি কি কাগজব ওপবত দুটা আখব লিখি দিব, তাতে আপো ইমান ওজব কৈলৈ? বিশেষকৈ এই সুন্দব চে চেহেবা লৈ? শুনক, আকৌ এবেলি কণ্ঠ, অমি নাই তাবাও নাই। কথাষাব ভালকৈ মনত বা ভবিষ্যতত উপকাবত আহিব পাবে।"

মই একো বুজিব নোৱাবি কলোঁ, "মোক ক কবিব। ** তেনে হলে আপুনি কব খোজে নেকি অমিয় নাই?"

"নাই, সচাঁকৈ নাই।"

"তেন্তে কোনো তাবাও নাই?"

"নাই, অইন কোনো তাবা নাই। তাবা অ মই।"

মই তথাপি একো বুজিলোঁ। আমাব দুৰ্ভা কোনোবা এজনব বুদ্ধিব ভ্রম হোৱা বুলি মোব ভয় হ' একেথবে তেওঁব চকুব ফালে চাই আছিলো। তেওঁ গাকবব তলব পবা কিবা এখন বিচাবি আনি অ অভিমানব সুবত কলে,—

"নিয়ক, আপুনি যদি সচাঁকৈ অমিয়লৈ চিঠি লি আমনি পায়, মই আপোনাব চিঠি ওভতাই দিলোঁ। আনব হতুৱাই অনাহ্যসে লিখাই লব পাবিম।"

চাই দেখিলো, ঠিক সিদিনাখন লিখি দিয়া চি চিঠিখন তেওঁব হাতত আছে। মোব সন্দেহব মাত্রা অ অলপ বাঢ়িল। সুধিলো, "ই আপোনাব কেনে কব যদি মই লিখি দিয়া চিঠিখন আপুনি নপঠাগেই, তে আকৌ তাক আনব হতুৱাই লিখাই লোৱাব প্রয়োজন আছে?"

"কালৈ নপঠাংলো?"

"কেলৈ, সেই অমিয়লৈ?"

"অমিয় যে পৃথিবীত সঁচাকৈয়ে ক'তো নাই।"

মই তথাপি একো বুজিলোঁ। ভাবিলো গুছি যোৱাব বাহিবে আৰু অইন একো উপায় নাই। তেওঁ অলপ বুজোৱাব চেষ্টা কবিলে।

"অমিয় যে সচাঁকৈ নাই, তাক কেবাবাবো আপোনাক কৈছোঁ। *** কিন্তু সোধে যদি কৈলৈ নাই, বোধকবো মই নিজেও কব নোৱাবিম। *** কিন্তু মোব ইচ্ছা মোব হেঁপাহ, তেনেকুবা কোনোবা এজন অমিয় মোব থাকে। *** আপোনালোকব দহনব নিচিনা মহা তো এজন তেজ মঙহব মানুহ? কিন্তু তথাপি মই *** অবশ্যে *** মই নিজে ঘুবুজা নহয়। কিন্তু, সেই বুলি, চিঠিখন লিখিলেই যে মানুহ এজন ছুবা যাব মই কেতিয়াও নাভাবোঁ।"

"কিন্তু আপুনি চিঠি লিখিব কালৈ?"

"কেলৈ, সেই মোব অমিয়লৈ?"

"কিন্তু, তেওঁ যে কতো নাই?"

"আকৌ সেই কথা। তেওঁ নাথাকিলেই বা তাতে কি? তেওঁ নাই সঁচা, কিন্তু তেওঁ থাকিবও তো পাবিলেহেঁতেন? মই নিজব মনতে তেওঁলৈ চিঠি লিখোঁ। মই ভাবো তেওঁ সঁচাকৈয়ে আছে। আৰু তাবা,—এই মই তাবাণে তেওঁ চিঠি দিব। মই পঢ়ি ভাবিম, ঠিক তেৱেঁই মোলৈ চিঠি দিছে। আকৌ মই উত্তব দিম ** ঠিক এই দবে ** "

অবশেষত সকলো কথা মোব মনত পবিষ্কাব হৈ আছিল। লাজত, সহানুভূতিত আৰু দুখত মোব অন্তৰখন ভাঙি পবা যেন পালোঁ। বুজিলোঁ, মোব নিচেই কাষত, তিনি হাত দুবত, এনেকুবা এটি প্রাণী থাকে যাক ভালপাবিলে, সহানুভূতি দেখুৱাবলৈ, আনকি এবাব মবমব মাত মাতিবলৈ এই গোটেই পৃথিবীত কোনো নাই। আৰু সেয়ে এই নিঃসঙ্গ জীৱনব গধুবতা ওজাবলৈ বেচেবীয়ে এই অভিনব কাল্পনিক আত্মবিকতাব আদান-প্রদানব উদ্ভাবনা কবিছে।

শুনক সিদিনাখন আপুনি যে মোক অমিয়লৈ বুলি চিঠিখন লিখি দিছিল, ইয়াতে কোনোবা এজন আহোঁতে মই সেই চিঠি খন পঢ়ি শুনাব দিছিলোঁ। তেওঁ যেতিয়া মোব ওচবত বহি পঢ়িছিলে, মই মনতে ভাবিছিলোঁ ঠিক জানিবা অমিয়হেঁহে বহি মোব ওচবত চিঠি খন পঢ়িব লাগিছে, আৰু ভাবোঁতে ভাবোঁতে অমিয়ব ছবিখন মোব চকুব আগত ভাহি উঠিছিল। আজি যদি আপুনি অমিয়ই মোলৈ লিখা চিঠিখন লিখি দিলেহেঁতেন। মই আকৌ আন কোনোবা এজনক পঢ়িব দিলোহেঁতেন। আৰু মনতে ভাবিলোহেঁতেন অমিয়হেঁহে জানিবা মোব আগত সেই মবমব কথাবোব কব লাগিছে। আৰু এই দবেই মোব জীৱনব দুর্ভাহতা ভালেখিনি পাতলি গলহেঁতেন।"

কিবা অজ্ঞাত এটি কাবণত সিদিনাৰ পবা মোব অন্তৰখন ভালেখিনি কুমলি গ'ল। সিদিনাখনব পবা প্রায় সপ্তাহত দুবেলি গৈ তেওঁক দুখন চিঠি লিখি দি আহিছিলো। উত্তবলৈ সাধাবণতে মোব অলপ বেছি আন্তবিকতাপূর্ণ হৈছিল ** মই নিজেই চিঠিবোব পঢ়ি শুনাইছিলো, তেওঁ ওচবত বহি কাণ-পাতি শুনিছিল আৰু শুনি শুনি ভীষণ কপে উচুপি উচুপি কান্দিছিল। এইদবে বহুদিন তেওঁক কাল্পনিক অমিয়ব নাম দি মোব সঁচা চিঠিবোব পঢ়ি শুনাই কদ্দুৱাইছিলো, আৰু তাব এ তিনাম স্বকলে তেওঁ প্রায়ে মোক সুন্দব বেজিব কামকবা টেবুলব কাপোব, কমাল, আৰু গাকব চ'কবোব উপহাব দিছিল।

এনেকৈয়ে প্রায় তিনিমাহ মান একে বকমে চলে, তাব পিছত হঠাতে এদিন দেখিলোঁ, পুলিছে আহি তেওঁব ঘব ঘেবাও কবি তেওঁক ধবি লৈ গল। তাব পিছত আৰু কোনো খবব তেওঁব নাপাওঁ। বোধকবোঁ ইমান দিনে তেওঁ ইহ জগতবপবা বিদায় লৈছে।

বন্ধুবে এইখিনিতে ছিগাবেটব আধাপোবা ছাইখিনি টেবুলব চুকত লগাই জেকাবি পেলাই, এবেলি আকাশব ফালে উদাস দৃষ্টিবে চাই, এইদবে গল্পব সামবণি মাবিলে।

"মানুহে যিমানেই জীৱনব কদর্য্যব আৰু কুৎসিৎ বস্তুবিলাকব আস্বাদ পায়, সিমানেই সিহঁতব অন্তৰত জীৱনব সুন্দব আৰু মধুব বস্তুবোবব সোৱাদ লবলৈ হাবিয়াস জন্মে। কিন্তু আমি আমাব সংস্কাবব মিছা

আরণ গাত মেরিয়াই লৈ, আমার নৈষ্টিকতার অহংকার ওফন্দি, এই সামান্য কথাবার বুজিবলৈ টান পাওঁ।

"আৰু সেই কাৰণেই এনেবোৰ কথাত আমি প্রকাণ্ড মূর্খৰ দৰে কাম কৰো আৰু ভীষণ নিষ্ঠুৰ হওঁ। সিইতক পণ্ডিত বুলি আমি কওঁ, ভাল কথা। কিন্তু প্রকৃত পণ্ডিত কোন মই জানিব খোজো? সিইতো আমাৰ দৰে একে হাঁড়, একে তেজ মঙহ, একে স্নায়ুমণ্ডলিৰে গঠিত, এই কথাষাৰেই আমি প্রথমতে বুজিব লাগিব। আৰু এই একে কথাষাৰকে আমি অনাদি কালৰ পৰা যুগে যুগে শুনি আহিছোঁ আৰু সদায় কাণ-পাতি শুনিছোঁ। কিন্তু একো প্রতিকাৰ কৰা নাই—কি ভীষণ কথা! আমাৰ আড়ম্বৰ পূর্ণ উদাৰ নৰনাৰায়ণৰ সেৱাৰ উপদেশবোৰ মোৰ মনেৰে আমাক বেছি তলৈহে নমাই নিছে। প্রকৃত পক্ষে চাবলৈ গলে, আমি আটাইবোৰেহে বেছি পণ্ডিত। মই কবলৈ হলে, আমি আমাৰ আত্মম্ভৰিতা আৰু নিজৰ নৈষ্টিকতাৰ উচ্চতা বিশ্বাসত ইমান তললৈ পণ্ডিত বৈয়ে যে তাৰ পৰা পুনৰ উদ্ধাৰ অসম্ভৱ। য'ক, সেই বিষয়ে কোৱাৰ কোনো প্রয়োজন নাই। কাৰণ পৃথিবীৰ ধুলি-মাকটিৰ লগৰে এইবোৰ কথা ইমান প্রাচীন যে আমি কবলৈ লাজহে লাগে। এবা, ঠিক সিমানেই প্রাচীন—ঠিক সিমানেই।"*

* মেক্সিম্ গৰ্কি।

মই স্বাধীননে?

—শ্রীযুত ভোলাই শর্ম্মা

এই প্রশ্নটোৱে আজি ভালেমান দিনৰ পৰা মোৰ মনত এটা উত্তল থুওল লগাইছে। নিজৰ জীৱনৰ অতীত ঘটনাবিলাক ফঁহিয়াই চাই পাঁও:—

লৰাকালৰ সময় ডোখৰত লৰি ধাপৰি ধেমালি কৰি ফুৰোঁতে আই বোপাই, মাহী, পেহী এই সকলৰ এজনে নহয় এজনে "বাছা! ইফালে নাযাবি। বাছা! সিফালে না যাবি" এই দৰে মোৰ প্রায় সকলো কামতে হকা বধা কৰি মোৰ স্বাধীনতা হৰণ কৰিছিল। সিবিলাকে "বেয়া পাব, খং কৰিব, মাৰিব" এনেকুৱাবিলাক ভয়ত তেওঁবিলাকৰ শাসন মানিবলৈ বাধ্য হৈছিলোঁ। নিজা ইচ্ছামতে সকলো কাম কৰিব নোৱাৰিছিলোঁ।

ইয়াৰ পিছত যেতিয়াৰ পৰা বিদ্যাৰম্ভ হল, তেতিয়াৰ পৰা নিজৰ ইচ্ছাক আৰু কোচ্-মোচ্ 'থুৱাৰ লগাত পৰিছিলোঁ। ঘৰত আই বোপায়ে "পঢ় পঢ়কৈ" খেদালত কৰিছিল। পঢ়াশালিত শিক্ষকে তাড়ণা কৰিছিল। পঢ়া দিব নোৱাৰিলে প্রহাৰ বা বেঞ্চৰ ওপৰত ন মাটিত থিয় হৈ থকা বা বেঞ্চৰ ওপৰত থিয় হৈ থ ইত্যাদি বিধৰ দণ্ড পোৱা হৈছিল। নিজ ইচ্ছামতে সময় সময়তে খাব-শুব বা যতে-ততে ফুৰি ফুৰিবও নোৱাৰি ছিলোঁ। কাপোৰ এযোৰৰৰ নিমিত্তে, খোৱা আহাৰ নিমিত্তে আই বোপাই ইত্যাদি সকলৰ মুখলৈ-হাতলৈ চা লাগিছিল।

এই দৰে সুখে-দুখে বাৰ বছৰ কাল কটাই দুখে পঢ়া সাঙ্গ কৰি যেতিয়া নিজৰ জীৱিকা উপার্জ্জনৰ অর্থে অহো পুরুষার্থ কৰি এটা কামত সোমাইছিলোঁ তেতিয়াও পোনতে ভাবিছিলো "এই বেলি মই স্বাধী হলোঁ। নিজে আৰ্জিম, নিজে খাম, কাৰো হাতলৈ আ মুখলৈ চাব নালাগিব। এজনী ভাল ছোৱালী বিয়া কৰা সুখী হম। কিন্তু দুখীয়াৰ কপালত এই বিলাক আশা কুসুমতহে পৰিণত হৈছিল। কামত সোমাইছিলো জীৱিকা উপার্জ্জনৰ অর্থে। সেই কামত অলপ-অচৰপ ভুল-চুক হলেই ওপৰঞ্চালাৰ গালি শপনি, ডাংি-হকিৰ উপৰিও মাজে মাজে জৰিমনাও ভৰিব লগীয়া হৈছিলোঁ। বিয়া কৰাই গৃহিণীক ঘৰলৈ আনি ভাবিছিলোঁ "এই বেলি মই স্বাধীন হ'ম। গৃহিণীয়ে বান্ধি-বাঢ়ি দিব, আউল দিব অন্ততঃ ঘৰত থকা সময় কেৱাতে স্বাধীন ভাবে থাকিম।" কিন্তু অ হৰি! ইও আশা মোৰ বৃথা হৈছিল। গৃহিণীৰ মন যোগাই তেওঁক কাপোৰ-কানি, অলঙ্কাৰ পাতি দিবলৈ বাধ্য হৈছিলোঁ। তেওঁৰ মন যোগাব নোৱাৰিলে, তেওঁৰ আৱদাৰ (অর্ডাৰ?) ৰক্ষা কৰিব নোৱাৰিলেই তেওঁৰ পৰা সাদৰ সম্ভাষণৰ অলপ ক্রটী যে পাইছিলোঁহেই তদুপৰি মাজে মাজে আঠুরাৰ ভিতৰৰ কম্পুচাও শুনিবলৈ পাইছিলোঁ। বিয়াত আয়তী সকলে বোৱা নাম এফাঁকি গাইছিল:—"বিধৰ কি লিখনা পুরুষৰ বাসনা তিবোতাৰ গোলাম হৈ মৰে" মোৰ গাতেই এই গীত ফাকি বঢ়িয়াকৈ ফলিয়াইছিল। লাহে লাহেকৈ আজিকালিকে মোৰ লৰা-ছোৱালী এটি এটিকৈ ওপজিব ধৰিছিল। সিইত ওপজাৰ লগে লগে আৰু অলপ অলপকৈ ডাঙৰ হোৱাৰ লগে লগে অলপ মনত সুখৰ ভাব হলেও স্বাধীনতাৰ ভাব মোৰ বাঢ়িছিল। সিইতৰ সময়ে অসময়ে পুনপুনেনি, যেন যেননিয়ে কেতিয়াবা ৰাতি চাৰিভাঁৰ স্বাধীন ভাবে শোৱাতো বাধা-বিঘিনি জন্মাইছিল। সিইতক পুৰোৱা পিন্ধোৱাৰ চিন্তা, অফিছৰ কামৰ চিন্তা, গৃহিণীক তুষ্ট বাখিবলৈ কৰা চিন্তা এইবিলাকতো আছিলেই তদুপৰি কেতিয়াবা লৰা-ছোৱালীৰ অসুখ-বিসুখ হলেই ডাক্তৰ মাতি সিইতক চিকিৎসা কৰোৱা, পথ্যাদি গোটোৱা ইত্যাদি কামে নিজৰ স্বাধীনতাক আৰু লোণ কৰিছিল।

ইয়াৰ পিছত যেতিয়া এজনী এজনীকৈ ছোৱালী বিলাকৰ বিয়া দিবলৈ হৈছিল, তেতিয়া সিইতলৈ দবা বিচাৰোঁতে দবাৰ ভৰিত ধৰোঁতে হাতৰ এ মোট ছাল ছিয়াৰ উপৰিও, বিয়াৰ খৰচ গোটাওতে জোয়াইৰ সেৱা সুশ্রূষা কৰোঁতে জীউটোৰ তবণি নোহোৱা হৈছিল। বাবিবাকৰ পছাঁতেও তনাওতে, পিছাওতে-খুৱাঁওতে নিজৰ মনৰ কম লাট-ঘাট হোৱা নাছিল।

এই দৰে ডেৰ কুৰি বছৰ চাকৰিত জীৱনটো কটাই, বৃদ্ধ বয়সত চাকৰিৰ পৰা অৱসৰ লৈ পেঞ্চন ললোঁ। যিদিনাখন পেঞ্চন ললো সেই দিনাখনো ভাবিছিলোঁ "এইবাৰ স্বাধীন হলোঁ। এতিয়া আৰু মোক কোনে কি কব। মই যিহকে ইচ্ছা তাকে কৰিব পাৰিম। "আইৰ ঘৰলৈ যাম ডুয়ো হাতে খাম"; কিন্তু হৰি হৰি! ইয়াতো বিধাতাই মোৰ পাছ নেৰিলে। মই নিজ ইচ্ছামতে অলৈ তলৈ যাব খুজিলেই হয় গৃহিণীয়ে নহয় পুত্রে, নহয় নাতি লৰা ছোৱালীয়ে বাধা বিঘিনি জন্মায়।

নিঃকিনৰ এটা কিতাপ লেখা বোগো আছে। এই বোগে দুই চাৰিখন কিতাপ লিখাই ছপোৱাই উলিয়াই ছিল। কিন্তু কিতাপ ছপা হলত কেৱে কেৱে সেই কিতাপ কিনিবেই হওক এনেই খুজিয়েই হওক পঢ়ি, ভাবৰ ওপৰত, বিশেষকৈ এই নিঃকিনৰ ভাবাৰ ওপৰত এনেহে দোষ ধৰিছিল যে এই নিঃকিনে শ্রীবিষ্ণু শ্রীৰামক স্মৰণ কৰিব লগা হৈছিল। কোনো ব্যক্তি বিশেষলৈ বা সমাজ বিশেষলৈ লক্ষ্য নাৰাখি লেখাৰ বাবে, অথবা সাহিত্যৰ মৌ-চেপি উলিয়াবৰ ইচ্ছাত অজানিতে যদি কোনোবা জাতি বা সমাজৰ ওপৰত আচ্ পৰিছিল তেতিয়া সেই সমাজৰ ভব্য-গব্য দুই এজনে হুমিয়াইছিলোঁ। ব্যক্তি বিশেষৰ গাত অজানিতে হেঁচা পৰিলেতো "আদালতৰ আশ্রয় লম" বুলি ভয় দেখুৱাতো আছিলেই। স্বৰাজৰ বিষয়ে একোকেতো লেখিব নোৱাৰিছিলোঁহেই, কিয়নো লেখিলেই আমাৰ চকটো কাতি হবৰ ভয়। তাতে স্বৰাজ স্বৰাজ কৰি চিএৰ-বাঁৰৰ কৰা সকলক, আৰু ধোকানৰ আগত পিকেটিং কৰা সকলক সন্ত্রাটৰ আগহী খানাত জাকে জাকে সোমোৱা দেখি 'মাহৰ মাৰ দেখি মচুৰে বেত মেলাৰ' দৰে, এই নিঃকিনে সেই বিলাক বিষয় লেখিব-লৈকো নোৱাৰিছিলোঁ।

এই বিলাকৰ উপৰিও এই বেলি উত্তৰ লক্ষীৰ পুৰৰ সাহিত্য সভাত নিজে দান-মান নিবিচৰা দুজন আজিকালৰ সাহিত্য সেৱী বৃদ্ধৰ যি দুর্দ্দশা হৈছিল সেইটো দেখি এই নিঃকিনে কাগজ-কলমে সৈতে সম্পর্ক এবি তাহ-পাশা-দৰা ইত্যাদি খেলিয়েই সময় অর্থাৎ জীৱনৰ বাকী

চোরা কটাণ্ড বুলি ভাবিলোঁ। পিছত এই নিঃকিন গি ঠাইত আছে সেই ঠাইত পাশা খেল নাযেই। দবা খেলোৱাবো মুঠেই একেজনহে। তেওঁবে সৈতেই এদিন ৬ ঘণ্টা একে লেঠাবিয়ে দবা খেলোঁতে এই নিচলাব বহুমূত্র ৰোগটোৱে ভাগকৈয়ে হেঁচা নাবি ধবিছিল। সেই দেখি দবা খেলটো ভালমান দিনলৈ এবি দিছিলোঁ। পিছত নিলাজ মনে নামানাত আকৌ এদিন খেলিবলৈ বহি শত্রু-পক্ষক কোনো ৰকমে এটা কিস্তি দিছোঁ মাথোন—এনেতে কি আপদ! লণ্ডৰা লবাটোৱে লবি গৈ কলে :—"দেউতা! আপোনাক আহে নীজে মাতিছে। নাতি ছোৱালীজনীয়ে চোতালত পিছল খাই পবিছে"। মই হেনো কৈছিলোঁ "কাব নাতি? এই কিস্তি"। চাকব টোৱে ঘবলৈ আহি গৃহিনীক হেনো কৈছিল "আই আই! দেউতাই সুধি পঠিয়াইছে—'কাব নাতি? এই কিস্তি।" চাকবে এই দবে আহি কোৱাত গৃহিনী খণ্ডতে একো নাইকিয়া হৈ আছিল। পিছত দেউতা অপব পক্ষব হাতত কিস্তি খাই মাঠ হৈ ঘবলৈ আহিলোঁ। গৃহিনীয়ে পোনেই মোবেধবা ধবি কলে "নেদেখিছা ইফালে ঘবত নাতিনী জনী চোতালত পিছলি পবি মুচ্‌কুচ্‌ গল সিফালে তেবাই খেলেছে খেলে"। অ হবি! এই বুঢ়া বয়সত এখেল দবা খেলিবলৈকো স্বাধীন হব নোৱাবিলোঁ। দবা খেলটোক সেই দিনাবে পবা সাতোটা মান চালাম দি আজি কিছুমান দিনব পবা জনাই নজনাই তাহব কিবা বোলে সেই 'ব্রিজ' খেলাটোত ধবি ছিলোঁ। মই আগলৈ উঠি অহা, মোব নাতিব বয়স হবা ডাক্তব এজনে সৈতেই প্রায় খৈয়া হৈ বহোঁ। বয়সত স্মবণ শক্তি হ্রাস কাবণে মাজে সময়ে তাহ মই অলপ ভুল হয়। ভুল হলেই মোব খৈয়া ডাক্তব জনে চিঞ ধবে "আপুনি আমায় বধ কবলেন। খেলাটা মাটি কবলে কিছুই জানেনন না। আপনি চিৰ্ত্তনটা নিদিলেন কেন?" ইত্যাদি ইত্যাদি। ডেকাজন অৱশ্যে বৰ প্রাণৰ, খোলা মনব বৰ ভাল খেলোৱাব—ডাক্তব ওপ একেবাবে ধবি লয় কাব হাতত কি পাত আছে খেলত বহিলে তেওঁ গোটেই সংসাবকে পাহবে থাকে সময়ত তেওঁ 'Respector of no person' হৈ বৃদ্ধ বয়সব বৈয়াব এফেবা ভুলকো সহিব নোৱাবে। নিঃকিনবতো খং মুঠেই ববং পেটে পেটে আত্যন্তিকতাত হাঁহি উঠে। বৃদ্ধই পাওঁ আনন্দ। এদিন দৈবাৎ এই ডাক্তব জনে এই নিঃকিনক বাহাবাব কথা ঘবব বুঢ়ী ঘৈনী আক লবাহঁতে কেনেযা শুনিলে। বোধ কবোঁ কোনোবা টেটোনে লগাই দিছে ফুলত এদিন খেলিবলৈ ওলাই যাব খোজোতেই নি জনাই গজল দি কলে 'নাতি বয়সব লবাব লগত গালি খাবলৈ লাজো নালাগে নে?" লবাইতে ক "দেউতা! তই নো সক লবাব লগত খেলিবলৈ পাব নে? নাযাবি আক তাহ খেলিবলৈ" হবি! এখেল তাহ খেলিবলৈকো স্বাধীন নহলোঁ।



মুক্তি-দূত

কবিতা— —শ্রীযুতা নলিনী বালা দেবী

বিশ্ব খণকি আহিছে বাতবি
অভিনব অদভূত,
সত্য সাম্য প্রেমব দেৱতা
আহিছে মুকুতি দূত।

হেবোৱা স্বত্ব বিচাবা মানব!
জনমব অধিকাব,
সাম্য মৈত্রী, সত্য পথেবে
স্বাধীনতা আপোনাব।

যুগব আদিতে প্রজিলে বিধিয়ে
মানুহ পূর্ণ কবি।
দিলে জ্ঞান, দিলে প্রেমময় হিয়া
মনত ভকতি ভবি।

কোনে কবিবনো বিশ্ব জগতত
মানুহক পবাভব?
অজেয় শকতি পূর্ণ মানব
সৃষ্টিব গৌবব।

বৈকুণ্ঠ ভেদি মুকুতিব দূতে
দিছেহি বাতবি আনি,
জীব প্রেম আৰু আত্ম শক্তি
শান্তি অহিংসা বাণী।

মানুহব স্বত্ব হবিছে মানুহে
পীড়িছে মানুহ প্রাণ
মানুহ দেৱতা পাহবি কবিছে
জড়ত দেৱতা জ্ঞান।

উৎপীড়নব নিষ্ঠুব যাতনা
মানুহে নোৱাবে সব,
মানুহে সবজা অন্যায় নীতি
মানুহে নোৱাবে ব'ব।

বিবেক সাগব উথলি বাজিছে
গীতাব সাম্য ভেবি,
সুপ্ত প্রাণব দেৱতা জাগিছে
অমৃত পবশ কবি।

মানুহ প্রাণব আকুল মিনতি
সপ্ত সবগ ভেদি
কোন ত্রিদিবব আসন কপাই
দিলেহি সংশয় ছেদি।

মর্ম্মহীন যত অনীকতা এবি
ধবা অভিনব পথ,
নষ্ঠা ফকীবে তিয়াগ তপেবে
শিকালে অমব ব্রত।

ভাবতব আজি মিলন দ'লত
বাজে আনন্দব ধ্বনি
বৈকুণ্ঠব পবা মুকুতিব দূতে
আনিছে মুকুতি বাণী॥

বৈজ্ঞানিক জগত

সবাকচিত্ৰ তোলা নতুন যন্ত্ৰ

টকীওৰ এটি সবাকচিত্ৰৰ কাৰখানাত কামকৰা মিঃ চিউমো চয়াটো নামক মানুহ এজনে এটি নতুন সবাক চিত্ৰ তোলা যন্ত্ৰ উলিয়াইছে। সেই যন্ত্ৰটিবে একে লগে একে সময়তে

কথাও ৰেকৰ্ড কৰিব পাৰি আৰু ছবিও তুলিব পাৰি। ইয়াৰ আগতে এনে যন্ত্ৰ কোনেও আবিষ্কাৰ কৰা নাছিল।

টেলিপ্ৰিণ্টাৰ

আজি কালি বেডিওত একপ্ৰকাৰ নতুন যন্ত্ৰ ব্যৱহাৰ কৰা হয়। বেডিওত কথা বা বাতৰি পঠোৱাৰ লগে লগে বাতৰি ছপা হৈ ওলায়। এই উপায় উদ্ভাৱনৰ ফলত কথা কোৱা আৰু শুনাত সময়ত ভুল বুজাৰ পৰা ৰক্ষা পাৰিব পৰা হৈছে।

অভিনৱ ট্ৰামগাৰী

জহকালি ব্যৱহাৰ কৰিবলৈ ৰেকপুলত একপ্ৰকাৰ অভিনৱ ট্ৰামগাৰী উলিয়াইছে। ইয়াৰ ওপৰখন দেখা



অহকালি ব্যৱহাৰ কৰা ট্ৰাম গাৰী

আৰু গাৰীৰ গাৰ চাৰিওফালে ভিতৰে ভিতৰে পানী চলাচল কৰা (Stream lined) উপায় উদ্ভাৱন কৰিছে। তেনেকৈ পানী ভিতৰত চলাচল কৰি থাকিলে গতি কেতিয়াও গধৰ হৈ উঠিব নোৱাৰে। ভিতৰ ফালৰ অতি মনোমোহা আৰু বহাৰ ঠাইও সুন্দৰ আৰু সুখ কৰ। এই গাৰীবোৰ সাধাৰণতে 'দি টোষ্টাষ্ট্ৰেক' বোলে।

বিবিধ

সুদীৰ্ঘ জীৱন

বালকান ষ্টেটৰ ভাৰবাসৰ গাওঁত প্ৰায় ৪শ মানুহ বাস কৰে। ৰুছ লিপাকৰ ভিতৰত বৰ্ত্তমানে ২০ জনৰ বয়স ১০০ শতকৈও বেছি।

বাতিৰ ৰামধনু

হাৱাই দ্বীপত নিতৌ বাতি আকাশত ৰামধনু উঠে। সেই ৰামধনুৰ ৰং বেলেহুৱা বৈচিত্ৰ্য পূৰ্ণ তেনেহুৱা সুন্দৰ আৰু সুন্দৰ।

আটাইতকৈ ডাঙৰ ফুল

হুবাত্ৰা দ্বীপত, পৃথিবীৰ ভিতৰত আটাইতকৈ ডাঙৰ ফুল পোৱা যায়। সেই ফুলৰ নাম 'এচোৰ গোগালাচ' ইয়াৰ পাহী ৩ হাততকৈও বহি হয়।

পৃথিবীত বৰ্ত্তমান বাতৰি কাকতৰ সংখ্যা

১০০ বছৰৰ আগেয়ে পৃথিবীৰ ভিতৰত সংবাদ আৰু সাময়িক কাকতৰ সংখ্যা আছিল মুঠে ৪০০০ হেজাৰ। এতিয়া ৯০০০০ হেজাৰ হৈছে।

ফাটেকীয়ালৰ দৰমহা

মহিষাঞ্চ দ্বীপৰ ফাটেকীয়াল সকলক যি কাম কৰিবলৈ দিয়ে তাৰ বাবে নিৰ্দ্দিষ্ট দৰমহা দিয়া হয়। জেলৰ পৰা নিষ্কৃতে বেছ টকা পইচা উপাৰ্জ্জন কৰি সৰলৈ ওভোতে।

বিয়াৰ বয়স

ইংলণ্ডত বয়সৰ লগত বিয়াৰ কোনো সম্বন্ধ নাই। ১৯৩২ চনত আঠ জন বুঢ়ে ৮০ বছৰ আৰু এগৰাকী ৯০ বছৰতকৈ বেছি বয়সৰ পিছত হে বিয়া কৰাইছিল।

ইন্‌ফ্ৰা-ৰেড বশ্মিৰ নতুন ব্যৱহাৰ

ইন্‌ফ্ৰা-ৰেড কটো গ্ৰাফৰ সহায়ত মিচৰৰ প্ৰায় ৫০০০ হাজাৰ বছৰৰ পুৰণি অস্পষ্ট হাতৰ লেখাক বেছ স্পষ্টকৈ তুলিব পাৰিছে। এতিয়া সেই কটো গ্ৰাফেৰে বহু হেজাৰ হেজাৰ বছৰৰ পুৰণি পুথি আদি উদ্ধাৰ কৰিলৈ সমৰ্থবান হৈছে।

অদ্ভুত মাছ

ইংলণ্ডৰ এজন নামেৰে ঠাইত এটি মাছ ধৰিছে। তাৰ চকু তিনিটা। আৰু Solent নামৰ এগন ঠাইত এটি মাছৰ দুটা মুখ দেখিবলৈ পোৱা গৈছে।

জাৰ্ম্মাণীত বিয়াৰ আয়োজন

হাৰ হিটলাৰে স্থিৰ কৰিছে যে জাৰ্ম্মাণ চৰকাৰে এইবাৰ তিনি লাখ অবিবাহিত জাৰ্ম্মান ছোৱালীৰ বিয়া পাতিব। সেই বিয়াৰ ব্যয় স্বৰূপ পন্ধৰ কোটি মুদ্ৰা মঞ্জুৰ কৰা হৈছে? ইয়াৰ বাহিৰেও বহুত ভাল ভাল কাম কৰা হব। তাৰ বাবেও এক কোটী মুদ্ৰা মঞ্জুৰ হৈছে।

জাৰ্ম্মাণীত ভবিষ্যৎ গণনা নিষেধ

বাৰিনত এখনি অলপতে অদ্ভুত আইন জাৰি কৰা হৈছে। সেই আইন মতে কোনেও নিজৰ ভবিষ্যৎ গণনা কৰিব নোৱাৰে। জাৰ্ম্মান সকল অদৃষ্টবাদৰ ঘোৰ বিৰোধী হৈ উঠিছে।

চীনা মহিলাৰ খোজকাঢ়ি পৃথিবী ভ্ৰমণ

দুগৰাকী চীনা মহিলা আৰু ৩ জন পুৰুষে খোজ কাঢ়ি পৃথিবী ভ্ৰমণ কৰিবলৈ সঙ্কল্প কৰিছে। তেওঁলোকে এই মাহতেই সিঙ্গাপুৰৰ পৰা যাত্ৰা কৰিব।

অদ্ভুত সন্তান

আমেদেপুৰৰ ওচৰত গোনাবী নামক ঠাইত এজনী কুলীৰ তিৰোতাই এটি অতি অদ্ভুত সন্তান প্ৰসৱ কৰিছে। সন্তানটিৰ আধা মুখ আৰু আধা পুৰুষৰ আকৃতি। ২টা দুখ, ৪ খন হাত ৩ খন ভৰি। ২ঘণ্টা পিছতেই সন্তানটি মৰে।

অভিনৱ বৈজ্ঞানিক আবিষ্কাৰ

আমেৰিকাৰ এজন বৈজ্ঞানিকে তেওঁৰ কেচুৱা লৰা এটিৰ কাৰণে এটি অভিনৱ 'দোলনা' আবিষ্কাৰ কৰিছে। কেচুৱাটি কান্দিব ধৰিলে দোলনাটিয়ে নৰিবলৈ ধৰে, কান্দিব এৰিলেই আকৌ আপোনাআপুনি বন্ধ হৈ যায়।

এগৰাকী গাৱে পোহৰ দিয়া তিৰোতা

ইটালীৰ পাইবেনো বোলা ঠাইত এগৰাকী তিৰোতাই বৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। তেওঁৰ গাৱ পৰা বিদ্যুতীয় ৰবে উজ্জ্বল পোহৰ ওলায়। বৈজ্ঞানিক সকলেও ইয়াৰ কাৰণ কি কৰলৈ নোৱাৰিব ৰব বিমোহত পৰিছে। তেওঁ যি ঠাইত থাকে তাত আন পোহৰৰ কোনো আৱশ্যক নাই।

অসম ভ্রমণত মহাত্মা গান্ধী

(বাওঁফালে) ৰূপসী অঞ্চলৰ যি ঘৰত মহাত্মাজী বাতি টোপনি যৈছিল।
(সোঁফালে) ৰূপসী নাচ-মন্দিৰত সমবেত মহিলা সভাত মহাত্মা।

ধুবুৰীৰ জন-সভাত মহাত্মাই বক্তৃতা দিছে ধুবুৰীৰ জন-সভা।

(বাওঁফালে) হবিজনৰ বাবে জন-সভাত দান সংগ্ৰহৰ সময়ত মহাত্মাজী—ধুবুৰী
(সোঁফালে) অস্পৃশ্যতা নিঃ সভাৰ সম্পাদক শ্ৰীযুত এ, তি, ঠকৰ

ট্ৰেইন আহি বাসবাৰী ষ্টেচন পোৱাত টোপনিৰ পৰা উঠি মহাত্মাজী বেল গাৰীলৈ যাব ধৰিছে।

গতিৰ টোপনিত মহাত্মাজী—ট্ৰেইন অহালৈকে বাসবাৰী ষ্টেচনলৈ অহা মোটৰ গাৰীত। বাওঁফালে মোটৰৰ ফুট বোৰ্ডত থিয় দি জমিদাৰ শ্ৰীযুত জগদিন্দ্ৰ নাৰায়ণ চৌধুৰী।

(বাওঁফালে) বাসবাড়ী ষ্টেশনত বেল পাৰীত উঠি সমবেত জন মণ্ডলীৰ ওচৰত হৰিজনৰ বাবে মহাত্মাজী দান বিচাৰিছে।
(সোফালে) বাসবাড়ী ষ্টেশনত ট্ৰেইণ খনিবলৈ—মহাত্মাজী



জুৱাহাটীত মহাত্মাজীক আপযচাই অনাৰ সময়ত—

'ছিখ' (Sikh) জাহাজত মহাত্মাই জুৱাহাটী চাপিছেহি

(ওপৰত) মহাত্মাজী জাহাজৰ পথা নামি অহাৰ সময়ত—জুৱাহাটী
(তলত) জুৱাহাটীত মহাত্মাজীক আদৰি অনাৰ সময়ত [আগত দেশভক্ত ফুকন, মহাত্মাৰ ওচৰত দিহ পেটেল]

(ওপৰত) মহাত্মাৰ অভ্যৰ্থনাৰ বাবে মহিলা সমিতিৰ সভা—জুৱাহাটী
(তলত) মহিলা সভাত মহাত্মা গান্ধী—ওচৰত থিয় হৈ দেশভক্ত ফুকন

দক্ষিণ ভাৰতত মহাত্মা গান্ধী এটি মিটিঙত অস্পৃশ্যতা বৰ্জনৰ বক্তৃতা দিছে

তিলোত্তমা

কবিতা— —শ্রীযুত দেৱকান্ত বৰুৱা

কোন ৰূপদক্ষ ভাস্কৰৰ তিলে-তিলে গঢ়া তুমি ৰূপৰ প্ৰতিমা
চিৰ নিকপমা ?
তোমাৰ কাৰণে ৰাণী, সদা অবিৰাম দেৱাসুৰে কৰিছে সংগ্ৰাম
হেৰা তিলোত্তমা।
তোমাৰ কাৰণে সই অন্তহীন অকাশত জ্বলে জোন, গ্ৰহ, তৰা,
জ্বলিছে সবিতা।
তোমাৰ কাৰণে আজি দিকে দিকে মুখৰিছে বাণীহীন বন্দনাৰ
কৰুণ কবিতা।
হেজাৰ শিল্পীয়ে লেখে তোমাৰ ৰূপৰ কাব্য বেথাৰ ভাষাৰে সখি !
সহস্ৰ ভাস্কৰে
শিলত ফুটাই তোলে তোমাৰ সৌন্দৰ্য্য ফুল শিলে শিলে শেৱালীৰ
লাৱণ্য বাগবে।
বুদুক্ষু দেৱতা মোৰ গৰজিছে বিশ্বজুৰি ৰূপদীপ্সা ! তুমি তাৰ
পূজাৰ গোলাপ,
সন্ধ্যাৰ কোমল ছাঁত প্ৰিয়াৰ হাতৰ তুমি চেতাৰব গুঞ্জৰণ,
অপূৰ্ব্ব আলাপ।
বননিৰ তলে তলে জোনাকীৰ হিয়াজ্বলে, আকাশত কৌটি কৌটি
তৰাৰ দীপালি,
সুমাই অলিছা তুমি তৰাৰ জেউতি সতে সীমাহীন নীলিমাত
হেৰা বাংঢালী।
দুগ্ধফণা কালনাগ বিহ উগাৰত যাৰ, নীলকণ্ঠ ভোলানাথ
তুমি তাৰ মণি,
উৎপীড়িত বেদনাৰ চিৰন্তন বিদ্ৰোহৰ গগন উতলা কৰা
তুমি তূর্য্যধ্বনি।
মিলনৰ স্বপ্ন সানি ক্ষণে ক্ষণে চিৰদিন অশ্ৰু ভৰা বিবহক
কবিছা সোণালী,
হিংসাতুৰা বাঘিনীৰ বুকুৰ পোৱালী কাঢ়ি উমলিছা হেলাবঙে,
পাতিছা ধেমালি !
স্থিতি আৰু সময়ৰ সোণৰ শিকলি ছিণ্ডি কৰিছা বিলীন এই
সীমা ধৰিত্ৰীৰ ;
উষা আৰু সন্ধিয়াৰ এদ্ধাৰ পোহৰ সানি আঁকিছা নিতউ ছবি
নতুন সৃষ্টিৰ।

পুৰাণ কাহিনী

—শ্রীযুত সুৰেন্দ্ৰ মোহন দাস

মানুহ মাত্ৰেই একে প্ৰকৃতি লৈ ওপজে। সকলো মানুহ, সকলো জাতি আচলতে একে। প্ৰকৃতি পৰিচালনা কৰাৰ সম্বন্ধি মাথোন বেলেগ। শিক্ষা-দীক্ষাৰ ধৰণ আৰু সুযোগ সুবিধা ভেদে মানুহ মাত্ৰেই বেলেগ আৰু সেই কাৰণেই দেশে দেশে বেলেগ ধৰণৰ সভ্যতা গঢ়ি উঠিছে। শিশুৰ অঙ্গ-প্ৰত্যঙ্গ যেতিয়া সবল হৈ উঠে, গাত যেতিয়া শক্তিৰ সঞ্চাৰ হয়, তেতিয়া সি ৰং-ধেমালিবে, নাচি-বাগি, খেলিয়াই জপিয়াই শৰীৰৰ শক্তি প্ৰকাশ কৰিবলৈ প্ৰয়াস পায়। আদিম মানুহৰ মন যেতিয়া ভাবেৰে ভৰপুৰ হৈছিল তেতিয়া সেই ভাববোৰ প্ৰকাশ পাইছিল গানেৰে, কবিতাবে। এইদৰে পৃথিবীৰ মহাকাব্য বিলাকৰ সৃষ্টি। মানুহৰ যি সাধাৰণ প্ৰকৃতি তাক একোৱেই সমূলি বিনাশ কৰিব নোৱাৰে। সেইকাৰণে আদিম অসভ্য যুগৰ মানুহৰ চিৰপ্ৰকৃতি বৰ্ত্তমান সভ্যযুগৰ মানুহৰ ভিতৰতো দেখিবলৈ পোৱা যায়। আদিম মানুহে যি ভাবে ভয়, ৰং, মৰম আদি মনৰ ভাব প্ৰকাশ কৰিছিল আজিও মানুহে ইবোৰ মনৰ অন্তস্থাক প্ৰায় একে দৰেই প্ৰকাশ কৰে।

সৰাছোৱালীয়ে সাধু শুনিবলৈ ভাল পায়। পণ্ডিত লোকে কয় যে সৰাছোৱালীক সাধু কথাৰ কিতাপ পঢ়াৰ আগে। সকলো কথা গল্পৰ সহায়েৰে শিকাৰ লাগে, কাৰণ মানুহে সাধু শুনিব ভাল পায়। পাঠ্যবস্তু যদি সুৰলা আৰু সুখদায়ক হয় তেন্তে শব্দ আৰু অৰ্থ শিকাৰবলৈ উজু হয়। বহুতে কয় যে সৰাছোৱালীৰ এই সাধুপ্ৰিয়তাও পূৰ্ব্ব পুৰুষৰ পৰা পোৱা প্ৰকৃতি। শিশু আদিম মানৱৰ প্ৰতিকৃতি মাথোন। যিয়ে নহওক এইটো ঠিক যে ধৰা-পৰা সৃষ্টিৰ আগৰে পৰা বহুতো আখ্যান উপাখ্যান সভ্য কি অসভ্য সকলো জাতিৰ মানুহৰ ভিতৰত ক্ৰমানুক্ৰমে মুখে মুখে চলি আহিছে। এই উপাখ্যান বোৰ কোনে বচিছিল তাক খিবাংকৈ কব নোৱাৰি কিন্তু যুগ যুগ ধৰি ই মানুহৰ মনত আৰু সমাজত বিশেষ আধিপত্য বিস্তাৰ কৰিছে তাত কোনো সন্দেহ নাই। কিছুমান পণ্ডিতৰ মতে এই উপাখ্যান বোৰ সত্য ঘটনাৰ বিবৃতি মাথোন। আৰু সভ্যতাৰ প্ৰথম খাপত এনে ধৰণৰ উজু সাহিত্যহে সম্ভৱ। ইয়াত মনৰ জটিল ভাবৰ প্ৰকাশ নাই। ই সৰল মনৰ সৰল কথা। আদিম বাস-স্থানত আৰ্য্য সকলৰ ভিতৰত এনে ধৰণৰ বহুতো কাহিনী প্ৰচাৰ লাভ কৰিছিল। অনাৰ্য্য জাতিবোৰৰ ভিতৰতো বহুতো পুৰণি কাহিনীৰ প্ৰচাৰ আছিল। কিন্তু সমাজৰ সভ্যতা আৰু আদৰ্শলৈ ইবোৰে বেলেগ ৰূপ লৈছিল। ক্ৰমাৎ সভ্যতা বিস্তাৰৰ লগে লগে ইবোৰ কাহিনী লোকশিক্ষাৰ প্ৰধান আহিলা হল। কাৰণ লোকশিক্ষাৰ ইয়াৰ নিচিনা আৰু কোনো উজু উপায় নাই। প্ৰত্যেক কাহিনীয়ে একোটা সদুপদেশ শিক্ষা দিয়ে। অতীত যুগৰ পৰা মানুহৰ মুখে মুখে যিবোৰ কাহিনী পুৰুষানুক্ৰমে চলি আহিছে তাকেই পুৰাণ আখ্যা দিয়া হৈছে।

পুৰাণ বুলিলে আমি বুজোঁ অষ্টাদশ পুৰাণ আৰু উপ-পুৰাণ বোৰ। ধৰ্ম্মগ্ৰন্থ হিচাবে পুৰাণৰ ঠাই বেদ উপনিষদৰ পাছতেই। বহুতো বেলেগ বেলেগ জাতিৰ সংমিশ্ৰণত ভাৰতীয় হিন্দু জাতিৰ উৎপত্তি হৈছে। আৰ্য্য জাতি অহাৰ আগত এই দেশত দ্ৰাবিড়ু আৰু বহুতো অনাৰ্য্য জাতি বাস কৰিছিল। এই অনাৰ্য্য জাতিবোৰৰ বেলেগ বেলেগ ধৰ্ম্মানুষ্ঠান আৰু পুৰাণ কথা আছিল। সেই সময়ত দ্ৰাবিড় বিলাক বৰ উন্নত আছিল। ভাৰতীয় সভ্যতা গঠনত দ্ৰাবিড় বিলাকৰ দান বহুমূলীয়া। ভাৰতৰ বাহিৰৰ পৰা আৰ্য্য জাতিয়ে তেওঁলোকৰ আদিম বাস স্থানৰ পুৰাণ কথাবোৰ লৈ এই দেশলৈ আহে।

ক্রমশঃ আর্য্য আৰু অনার্য্য জাতি বোৰৰ সংমিশ্রণ হলত আর্য্য-অনার্য্য সকলো জাতিৰ আচাৰ ব্যৱহাৰ ধর্ম্মানুষ্ঠান সাননিহলি হল। সেই কাৰণেই পুৰাণত কিছুমান আচাৰ ব্যৱহাৰ, হোম-পুজা, আৰু আন্ আন্ ধর্ম্মানুষ্ঠানৰ উল্লেখ আছে, যিবোৰৰ বেদউপনিষদত কোনো উল্লেখ নাই বুলি জনা যায়। অৱশ্যে দ্রাবিড়ী সভ্যতাৰ পৰাই ইয়াৰ সৰহখিনি লোৱা হৈছে। শিব, উমা আদি বেদৰ নগণ্য দেবদেবীয়ে পুৰাণত প্রাধান্য লাভ কৰিলে। মনসা পূজা আৰম্ভ হল। এই বিলাক দেবদেবীৰ অনন্ত মহিমা বর্ণোৱাত পুৰাণ পঞ্চমুখ। পুৰাণ হল ভাৰতবর্ষৰ সাৰাবণ ধর্ম্মগ্রন্থ। আগতে পুৰাণ কাহিনীবোৰ প্রাকৃতত দ্রাবিড়ী আদি স্থানীয় ভাষাত বর্ণোৱা আছিল! বোধ কৰো এই পুৰাণ কাহিনী বোৰ গোটাই সাধাৰণৰ ভাষাত লিখিবৰ উদ্দেশ্যে আৰু পুৰাণ কাহিনী বোৰৰ গৌৰৱ আৰু সভ্যতা বঢ়াবৰ কাৰণে এই লৌকিক সাহিত্যক দেবভাষাত লিখা হয়। বামায়ণ মহাভাৰতৰ পৰবর্ত্তী যুগৰ সংস্কৃত ভাষাত ইবোৰ বচা হৈছে।

সমাধিগম্য, লৌকিকী আৰু পৰকীয় এই তিনিবিধ ভাষাবে বর্ণোৱা প্রথা বেদত আছে বুলি জনা যায়। পুৰাণতো এই তিনি বিধ ভাষা বর্ণোৱা আছে। ঋষি সকলে সমাধিবে বেদৰ গহীন আধ্যাত্মিক তত্ত্ব জানি সুজ্ঞভাবে যি ভাষাবে সেই দুর্জ্ঞেয় তত্ত্ব প্রকাশ কৰিছে তাৰ নাম সমাধি ভাষা। বিষ্ণুপুৰাণৰ প্রথম অধ্যায়ত যি ভাষাবে সৃষ্টিতত্ত্ব বর্ণোৱা হৈছে সি সমাধি-ভাষা। প্রকৃতি আৰু পুৰুষৰ সংযোগৰ পৰা মহতত্ত্ব, অহংতত্ত্ব মন আদিৰ সৃষ্টি ইত্যাদি। দেবীভাগৱততত সৃষ্টিতত্ত্ব সম্বন্ধে বর্ণোৱা আছে যে পৰমাত্মাৰ যেতিয়া ব্রহ্মন কৰিবৰ ইচ্ছা হল—পৰমাত্মাই নিজ ইচ্ছাবে নিজকে দুভাগ কৰিলে। সো অঙ্গ হল পুৰুষ আৰু বাওঁ অঙ্গ হল স্ত্রী ইত্যাদি। ই লৌকিকী ভাষাত বর্ণোৱা। সমাধিগম বিষয়কে জীৱৰ উপকাৰৰ কাৰণে লৌকিকী ভাষাত বর্ণোৱা হৈছে। পুৰাণে ভাৰতৰ ঋষি সকলৰ বাণী সকলোৰে সহজবোধ্য আৰু সহজলভ্য কৰি দিছে। লৌকিক ভাৰৰ মহাত্মেৰে লৌকিক ৰীতি অনুসৰি জনসাধাৰণক বুজাবৰ কাৰণে কণক অলঙ্কাৰেৰে উজু কৰি যি ভাষাবে সমাধিগম্য তত্ত্ব বর্ণোৱা হৈছে তাৰ নাম লৌকিকী ভাষা। পৌৰাণিক ইতিহ্যত্তবে যি ভাষাৰ সহায়ত ধর্ম্মতত্ত্ব প্রকাশ কৰা যায় তাৰ নাম পৰকীয় ভাষা। "এইটো কৰিব সেইটো নকৰিবা"—এনে ধৰণৰ নীৰস উপদেশ সকলোক্ষেত্রত কার্য্যকৰী নহয়। কিন্তু যদি গল্পৰ সহায়ত আৰু সুন্দৰ সুন্দৰ দৃষ্টান্তবে এই উপদেশ মুখক দিয়া যায় তেন্তে বহুতবে কল্যাণ হয়। মানুহ সহজে আকৃষ্ট হয়। এই উদ্দেশ্যে পৰকীয় ভাষাৰ প্রচলন।

পুৰাণ বেদৰ ব্যাখ্যা আৰু লোক শিক্ষাৰ প্রধান আছিলা। বেদৰ টান টান কথাবোৰ বেলেগ বেলেগে পুৰাণ সৰল আৰু সুৱলা উপাখ্যানেবে বুজোৱা হৈছে। বহু কোনো অঙ্গ বুজোৱা হৈছে। সত্যৰ মহিমা প্রচাৰৰ কাৰণে মহাৰাজ হৰিশ্চন্দ্রৰ কল্যাণ, ভক্তৰ মহিমা প্রচাৰৰ কাৰণে ধ্রুৱ আখ্যান, সতীধর্ম্ম প্রচাৰৰ কাৰণে সীতা সাৱিত্রী কথা ইত্যাদি। মহাভাৰত-বামায়ণ পুৰাণৰ ভিত্তি লুকাই আছে। পুৰাণক বুৰঞ্জী বুলিব পাৰি, যদিও বুৰঞ্জীত সৃষ্টিতত্ত্বৰ কথা নাই। আমাৰ প্রাচীন পুৰাণ বুৰঞ্জী জানিবৰ কাৰণে পুৰাণেই একমাত্র সম্বল। জ্যোতিষ, বাজনীতি, শিল্প, বিজ্ঞান আদি হিন্দুৰ জ্ঞান সম্বন্ধে যি পোৱা যায় পুৰাণৰ পৰা। পুৰাণ হিন্দু সভ্যতা বিষয়ক বুৰঞ্জী। পুৰাণে হিন্দু সভ্যতাক দেশে দেশে প্রচাৰ কৰিছে। চীন, জাপান বর্ম্মা, আন্দামান দ্বীপ আদি বিদেশ ভাৰতীয় সভ্যতাই প্রবেশ লাভ কৰিছে সেই সেই ঠাইত পুৰাণেও আধিপত্য বিস্তাৰ কৰিছে—পুৰাণৰ দেবীয়ে পূজা পাইছে। বৌদ্ধ ধর্ম্মৰ লগে লগে বহুত পুৰাণকাহিনী দেশ বিদেশে প্রচাৰ লাভ কৰিছে। দিনে নিচিনা আন আন ধর্ম্মতো পুৰাণ কাহিনী আছে—এই ধৰণৰ গ্রন্থ আছে। সাধাৰণৰ ভিতৰত ধর্ম্ম প্রচাৰৰ কাৰণে পুৰাণেই ঘাই উপায়। মহাপুৰুষ সকলে ধর্ম্মৰ সূক্ষ্ম বোধ প্রকাশ কৰে, পিছত পুৰাণে সেইবোৰ তত্ত্ব সাধাৰণৰ সহজ বোধ্য আৰু সহজ লভ্য কৰি দিয়ে। জটিল তত্ত্ব জানিব কাৰণে সৰু সাধাৰণে এনে গ্রন্থ বিচাৰে। পুৰাণ কোনো বিশেষ সম্প্রদায়ৰ গ্রন্থ নহয়

ই সর্ব্বসাধাৰণৰ গ্রন্থ। সেই কাৰণে এতিয়াও আন্ গ্রন্থতকৈ ভাৰতত পুৰাণৰ প্রচাৰ বেছি। পুৰাণ ভাৰতবাসী হিন্দুৰ প্রিয় বস্তু।

তাহানি পৌৰাণিক ঘটনা বোৰহে বঙ্গমঞ্চত অভিনীত হৈছিল। বঙ্গমঞ্চ লোক শিক্ষাৰ এটা ডাঙৰ উপায়। বর্ত্তমানে যদিও সামাজিক ঘটনাই বঙ্গমঞ্চ অধিকাৰ কৰিছে তথাপি পৌৰাণিক ঘটনাই হে সর্ব্বসাধাৰণক মোহিত কৰে, কাৰণ ই মানুহৰ আদিম প্রকৃতিক জগাই তোলে। অন্তৰৰ সুখ-দুখ প্রকাশ কৰে। যি মানুহৰ হৃদ্যে প্রাণত আঘাত কৰে সি হে প্রকৃত ৰস।

কিছুমানে কয় যে সভ্যতা বঢ়াবৰ কাৰণেহে পুৰাণবোৰ বেদব্যাসে লিখা বুলি কোৱা হৈছে। ব্যাসদেৱৰে বচিত হওক নাইবা বোপদেৱ দ্বাৰাই বচিত হওক—আৰু পুৰাণত বহুতো প্রক্ষিপ্ত আছে বুলি প্রমাণ কৰাত যদিও পুৰাণৰ প্রতি মানুহৰ বিশ্বাস কমিছে, তথাপি গদ্য পদ্য ময়ী ভাষাত লিখা অষ্টাদশ পুৰাণ আৰু উপপুৰাণ বোৰ যে হিন্দু জাতিৰ একাধাৰে বুৰঞ্জী, ভূগোল, লৌকিক সাহিত্য, ধর্ম্মশাস্ত্র, আধ্যাত্মিকতৰ আৰু জ্ঞানৰ ভৰাল এই বিষয়ে সন্দেহ নাই।

'ৰৰগঙা'

—শ্রীযুত অতুলচন্দ্র হাজৰিকা বি-এ

কবিতা—

[১]

ফুলু কুলু শব্দ কৰি পর্ব্বতে পর্ব্বতে লৰি
নামিছাহি ভৈয়ামত
ফটিকৰ শুভ্র বাৰিধাৰা!
আজিও যে হেঁপাহেৰে আকাশী গঙাৰ সোঁত
নমায় ইয়াতে যেন
ওখ সউ আকাশৰ পৰা।

[২]

সমাধিস্থে শিলা হই ইয়াতেই আছে বই
পানকৰি তোমাৰেই
কণবাশি অমিয়াসাধুৰী ;
নিউট পথাসি পাৰ পুলিছা জাহৰী মাৰ
কল কল নিনাদেৰে
সুমধুৰ শঙ্খধ্বনি কৰি।

[৩]

ঠাইনি-বননি ভাঙি কিনো এনে কথা পাঙি
উদুৰনি আৰে আলে
বই আছা তুমি ধীৰে ধীৰে,
প্রকৃতিৰ সহচৰ আদিবাসী মানৱৰ
দুবত জুপুৰি ঘৰ
ঠাৰে ঠাৰে আছে ছুৱো পাৰে।

[৪]

কঁহৰাই বই বই হাতত চোঁৱৰ লই
মলয়াত ঢউ খেলি
তোমাৰেই সেৱিছে চৰণ ;
শাল তক যত মানে সকলোৱে প্রাণপণে
তোমাকেই আছে বধি
সুশোভন বিচিত্র কানন।

[৫]

মাধবীৰ ফুহাৰ মধুময়ী মল্লিকাৰ
হই অতি জাতিস্কাৰ
শোভা কৰে গিৰিপাদমূল ;
আৰু যত বন পুষ্প মনোহৰ লতাগুচ্ছ
তোমাৰেই ক্রীড়াকুঞ্জ
সাজি দিয়ে কণহ অতুল।

(৪)

নিশাৰ এন্ধাৰ খেলি পুৱাতে ওলাই বেলি
দিনমান প্ৰকৃতিক
নানা সাজে সজাইপৰাই,
ৰঙা হৈ উঠি অলি সন্ধ্যাবেলা পৰে ঢলি
সৌন্দুৰেৰে তোমাৰেই
চৰণৰ জেউতি বঢ়াই।

[৭]

নিশাৰ আকাশী পথ শশমুগে টানি ৰথ
উজলায় জোনে পুছ
দৃষ্টি কৰি তোমাৰেই ফালে
ঝলমল জেউতিত ৰূপোৱালি হাঁহিটিত
তোমাৰ বুকুত আই,
হীৰা কি মুকুতা মণি জলে।

[৮]

যেতিয়া এন্ধাৰ ৰাতি নজলে জোনৰ ভাতি
জ্বলায় জোনবায়ে
আকাশৰ অন্তেষ পুৱত
ঝিকিমিকি জোনাকীয়ে নাচি নাচি পৰ দিয়ে
টিমিক টিমিক জ্বলি
তোমাৰেই পুণ্য প্ৰাণনত।

[৯]

প্ৰকৃতিৰ প্ৰিয় অতি বৃক্ষ লতা নানা জাতি
যোগান ধৰিছে সবে
তোমাৰেই পূজাৰ সম্ভাৰ ;
গাই সুললিত গীত পুন্না সন্ধ্যা আৰৃতিত
নানাজাতি বিহঙ্গমে
খলকি লগায় ছয়ো পাৰ।

[১০]

বনৰ চৰাই পহু বনচৰ আহি বহু
দাপোনত মুখ চায়,
শান্তি পায় জলকেলি কৰি
সকলো প্ৰকৃতি পুষ্প তোমাৰো যে প্ৰিয়পাত্ৰ
বুজিছোঁ নিশ্চিত আজি
দেখি প্ৰকৃতিৰ বশ্যপুৰি।

[১১]

কপোত কপোতী মিলি ফুৰে নানা খেলা কে
তাকে চাই তৃপ্তি পোন্না,
আহা কিমে স্বৰ্গীয় প্ৰণয় !
মাৰি মিচিকিয়া হাঁহি বনদেবী সৰে আহি
আবাৰিছে তোমাকেই
হাতে হাতে পুষ্পপাত্ৰ লই

[১২]

আৰু যত যান ভুৰি শিলনিত ঘুৰি ঘুৰি
যেন যুকুতাৰ মালা
প্ৰকৃতিৰ ৰূপহ গলত
তোমাৰে মহিমা গাই আশে পাশে বই যা
জিৰ জিৰ গীত গাই
নাচি বাগি অতি উলাহত।

[১৩]

যদিওবা ধীৰ অতি মৃদুমন্দাকান্তা গতি
লেশমানো চিন নাই
উলাহত গৰবী হিয়াৰ
বাৰিষা খৰালি তুমি শোভা কৰি বনদুৰি
একেভাবে বই থাকা
সাম্য মূৰ্ত্তি সদায় তোমাৰ।

[১৪]

যেতিয়া ফাগুন চ'ত অষ্ঠকৰ্ণ পিণাল
তেনেই শুকাই যায়,
চতুৰ্দ্দিকে উঠে হাঁহাকাৰ
প্ৰতি পৰ্ব্বতৰ হায় হিয়া ডেই পুৰি যা
জ্বলি উঠে দাবানল !
প্ৰকৃতিয়ে পিছে অগ্নিহাৰ।

[১৫]

ভালেমান গিৰিজাই শুকাই বীগাই যা
দেখা পাই ওচৰতে
প্ৰলয়ৰ তাণ্ডৱ নৰ্ত্তন ;
তেতিয়াও তুমি আই শান্তি-জল চ
নিবাশাত আশা দিয়া
ধৰি কি যে মুকুতি মোহন।

[১৬]

'ভয় নাই ৰাচাইত আছোঁ মই ওচৰত'
দিয়া সান্ত্বনাৰ বাণী
অমৃতৰ সৰগী সন্ধান ;
দগ্ধ হিয়া যত মানে শীতলাই সমতনে
বয় চেঁচা পানীধাৰি
তোমাৰেই ককণাৰ দান।

(১৭)

কি জানি সন্তাপী নৰে কলুষেৰে পূৰ্ণ কৰে
স্নান কৰি দিনে ৰাতি
সুপৰিত্ৰ শৰীৰ তোমাৰ
কৰি তুমি সেই ভয় নিৰিচাৰি লোকালয়
এৰি মাতৃ প্ৰকৃতিক
কৰা নাই অকলে বিহাৰ।

(১৮)

নহু বহু যুগ ধৰি দয়া বিতৰণ কৰি
দান কৰি একে ৰাহে
জগতক মুক্তিৰ অমিয়া ;
ভাগৰত ক্লান্ত প্ৰাণ— গাই জুবণিৰ গান
হ'লা তুমি গঙা আই
এনে ভাবে ছবণি বটায়া।

(১৯)

'মহামায়া পৰ্ব্বত'ত যিবাদৰে মহামায়া
হই আছে অন্তৰ্হিতা
দেখি সউ পাপী 'গককটা' ;
ভুবিও সিদৰে নেকি একে ছুখতেই আই
হই আছা জৰ্জ্জৰিতা
মৃদু মন্দ ভাবে প্ৰৱাহিতা ?

[২০]

পাপ মুখ দেখুৱাই
কিয় ৰাক আছ থিয় হই ?

'ৰৰ গঙা, সৰু হই লুকাই লুকাই বয়
তোৰ পাপতেই আজি
আনবো যে হ'ল পুণ্য ক্ষয়

[২১]

তোমাৰে ককণা পোন্না কাষৰে 'যমুনা' চোন্না
কেনে হৰষিতা আই
উল্লাসতে পূৰ্ণ কলেৱৰ,
তোমাৰ মাথোন হায় মনত উগাহ নাই
বিষাদিতা ক্ষীণতৰা
পাপৰাশি দেখি জগতৰ !

[২২]

তলে তলে পাতালেদি যদিও বইছে সোঁত
মহিমাৰ পুণ্যপাত্ৰ
এতিয়াও শুষ্ক হোৱা নাই
আহিলে ওচৰ চাপি সৰ্ব্ব পাপ তাপ নাশি
এতিয়াও সকলোৰে
দিয়া তুমি হিয়া শীতলাই।

[২৩]

'উৰ্দ্ধগঙা', 'বুঢ়ী গঙা' তোমাৰেই ভিন্ন ৰূপ
বই আছে নিৰন্তৰ
তোমাৰেই দুটি পুণ্য স্থিতি
তোমাৰ ককণাৰাশি বনবাঞ্ছা অধিবাসী
আছে আই সৰ্ব্বদায়
সিসৰৰ প্ৰতি দয়া অতি।

[২৪]

আজি মোৰো মহাপুণ্য জীৱন মানিছো ধন্য
ৰৰ পাৰি এখন্তেক
সুপৰিত্ৰ তোমাৰ তীৰত
সুনিৰ্ম্মল, সুশীতল পান কৰি গঙা জল
হৃদয় পৰিছে শাঁত
মহানন্দ মিলিছে মনত।*

* আমিৰ লখিমা—নগাঁও জিলাৰ 'মিকিৰ হিল্‌ছ' এলেকাত 'বুঢ়ী গঙা', 'ৰৰ গঙা' আৰু 'উৰ্দ্ধগঙা' নামেৰে সৰু নৈৰ নিচিনা তিনি খনি সুৰী পোন্না যায়। ভালেমান পৰ্ব্বত বগাই বহু ওপৰৰ পৰা দিঠকৈ 'ৰৰগঙা' তলৰে নামিছে সেই ঠাইৰ দৃশ্য অতি মনোৰম। তাত বহু শিলিজ, কণিজা গছ, আন দেৱ দেৱীৰ শিলামূৰ্ত্তি পৰি আছে। 'মহামায়া পৰ্ব্বত' আৰু 'গককটা পৰ্ব্বতো' এই অঞ্চলতেই 'বুঢ়ী গঙা' যদুনা নৈত গাঁথিছে। এই ঠাইবোৰৰ ঐতিহাসিক ইতিবৃত্ত বিজ্ঞজনে পোহৰ পেলাব বুলি আশা কৰিলোঁ।—লিখক।

জীৱনৰ ৰূপ

(আগৰ সংখ্যাৰ পাছৰ পৰা)

—শ্ৰীযুত চিত্ৰভানু চৌধুৰী

—চৰিবশ—

শীতকালৰ প্ৰথম প্ৰাণহীণ ৰাতি।

নৰজাত বেলি মাৰ যায়। নিঃসাড় অন্ধকাৰে পৃথিবী আবৰি ৰোলায়, আকাশত ক ৰবাত ছটা এটা তৰাই দেখা দিয়ে, দুখণ্টা পিছত জোনৰ কপোহালি আভা ফুটি ওলায়। লগত মোৰ বন্ধুকেটা আৰু কুকুৰটোক লৈ হাবিৰ মাজত ঘুৰি ফুৰোঁ, অলপ পৰ পিছতে ভুই একুবা ধৰোঁ, সৰল গছবোৰৰ মাজে মাজে জুইশিখাৰ লিখিলনি পৰি ঠাইখিনি উজলি উঠিছে। কুৱলী হোৱা নাই।

"প্ৰথম পাষাণী নিশা !"—মই নিজকে নিজে কওঁ। প্ৰাণ মতলীয়া কৰা পুলক শিহৰণ এটা মোৰ অন্তৰত অনুভত কৰোঁ.....

"হেৰা মানুহ, পশু আৰু চৰাই, তোমালোকৰ জীৱন আতন্দময় হওক, ৰননিৰ এই নিৰ্জ্জন ৰাতিটোৰ কাৰণে তোমালোকৰ শুভ হওক। এই অন্ধকাৰ, গছে গছে ৰনদেৱতাৰ গুণগুনি, মোৰ কাণত মৌৰবষা নিঃশব্দতাৰ মৃদু সঙ্গীত, মোৰ কেউ পাশে পৰি থকা গছৰ সেউজীয়া আৰু হালধীয়া পাতবোৰ,—আটাইকে মোৰ ধন্যবাদ জনাইছোঁ। পশুবোৰে ঘাঁহনি গুডি ফুৰে,—কুকুৰটোৱে মাটিৰ ওপৰত নিশাহ পেলায়,—ঘনচিৰিকাটো ধৰিবলৈ বনৰীয়া মেচুৰীটোৱে এঙ্কাৰত খোপনি পুতি বহি থাকে,—এই যে প্ৰাণৰ স্পন্দন তাক মই ধন্যবাদ জনাইছোঁ। পৃথিবীৰ এই মধুৰ নিঃশব্দতাৰ কাৰণে,—সৌ তাবোৰৰ আৰু আধ খিনি জোনৰ বাবে,—ধন্যবাদ, আটাইকে শত শত ধন্যবাদ !"...

উঠি থিয় হওঁ আৰু কাণ পাতি শুনোঁ। কোনেও মোৰ কথা শুনা নাই। আকৌ বহোঁ।

নিৰ্জ্জন ৰাতি, পাহাৰ, সাগৰ আৰু অন্ধকাৰৰ এটা লানি নিছিগা সোঁত মোৰ অন্তৰৰ মাজেদি বৈ যা লাগিছে,—আটাইকে ধন্যবাদ জনাইছোঁ। মোৰ জীৱন মোৰ উশাহ নিশাহ, আজি ৰাতিটোৰ কাৰণে জীয়াই থকাৰ আনন্দ,—সকলোকে মোৰ অন্তৰৰ পৰা ধন্যবাদ জনাইছোঁ। হেৰা পুব, হেৰা পশ্চিম, তোমালোকেও শুনাঃ—এয়াই অনাদি অনন্ত ভগৱানৰ কপ। প্ৰকৃতি অন্তৰৰ শোণিত উতলিব লাগিছে, মোৰ কাণৰ ওচৰত এই তাবেই নিঃশব্দ গুণগুনি। পৃথিবী আৰু মোৰ মাজত ভগৱানে এখন মোহৰ ইন্দ্ৰজাল সৃষ্টি কৰিছে। মৰমৰ এটাই জাল বৰ লাগিছে, ভুইৰ পোহৰ পৰি মৰমৰ জালখন চিকমিকাই উঠিছে। উত্তৰৰ পিনে মুখ কৰি কোনোবাই ঘাটৰ পৰা নাও মেলি দিছে ;—অন্তৰৰ আনন্দেৰে পূৰ্ণ হৈ উঠে,—কৃতজ্ঞতাত মোৰ মূৰ দোঁ খাই পৰে,—নাওখনত যাত্ৰী মাৰোঁ মই !"

নীৰৱতা। নিজৰ ভাব সহিব নোৱাৰি অন্তৰস্থ সৰল গছৰ ডাল এডাল ভাঙি পৰিল। এডাল সৰলগছৰ ডাল !—তাকেই ভাবিছোঁ। জোন মুৱৰ ওপৰ গাখিৰে— আধাপোৱা কাঠডোখৰত ভুইকুৰাৰ শেষ শিখাটো এটাই ধিমিকধামাক্কৈ অলি আছে। শেষ নিশা ঘৰলৈ ঢুকি খোজ লওঁ।

শীতকালৰ দ্বিতীয় প্ৰাণহীন ৰাতি ;—সেই এক নীৰৱতা, মৃদু ফৰকাল বতৰ। মোৰ আত্মা গভীৰ শান্তি চিন্তামগন হৈ আছে। টুপিটো অলপমান কপালৰ আগলৈ টানি লওঁ আৰু হাত দুখনত মুখটো ঢেকা দিও এডালৰ ওৰলৈ গৈ পিঠি দি আউজি থিয় হৈ থাকোঁ। সমুখলৈ চাই পঢ়িয়াওঁ আৰু ভাবোঁহে ভাবোঁ,—মই যে ভুই কুৰাৰ শিখাই চকুত জলকতবক লগায়, তথাপি মই নিৰ্ব্বিকাৰ হৈ চাই আছোঁ,—অলপপৰ পিছত তাপে

নাগে, ভৰি দুখন অৱশ হৈ আছে, মই বহোঁ। তেতিয়াহে মোৰ ভাৱ হ'ল,—মই তাত কি কৰিছোঁ ? ভুইকুৰাৰ পিনে ইমানপৰ ব' লাগি চাই আছোঁ কিয় ?

ইছপে মুখটো দাঢি কিবা শুনে,—কাৰোবাৰ ভৰিৰ খোজ শুনিছে। গছবোৰৰ মাজেৰে ইভাই দেখা দিয়েহি।

মই কলোঁ,—"আজি গধুলি মোৰ মনটো বৰ চিন্তান্বিত আৰু দুখময় হৈ আছে।"

ভাই মুখেৰে একো নকয়,—চকুৰে মুখে সহানুভূতিৰ চিন ফুটি ওলায়।

মই কৈ যাবলৈ ধৰিলো,—"তিনটা বস্তু মই ভাল পাওঁ। মোৰ হেৰোৱা প্ৰেমৰ সপোনটোক ভাল পাওঁ ; মোমাক ভালপাওঁ ; আৰু ভালপাওঁ এই ঠাইডোখৰক।"

"আটাইতকৈ বেছি ভাল পোৱা কাক ?"

"সেই সপোনটোক।"

আকৌ নীৰৱতা। ইছপে ইভাক চিনি পায়, সি এবতীয়াকৈ দুহাতে দাঢি ইভাৰ মুখলৈ চাই থাকে।

মই আৰে আৰে কলোঁ,—"আজি আলিবাটত এজনী ছোৱালীক তেওঁৰ প্ৰেমিকৰ লগত দেখিছিলোঁ,—এজনৰ বাহুত আনজনৰ বাহুটো মেৰাই ধৰি লৈ ফুৰি ফুৰিছিল। চকুৰে ইঙ্গিত কৰি মোক দেখুৱাই দিলে, আৰু তেওঁলোকৰ কাষেদি যাওঁতে মোৰ পিনে চাই হাঁহিলে।"

"কিয় হাঁহিলে ?"

"কব নোৱাৰোঁ। বোধকৰোঁ মোক দেখিয়েই। হেনেই সুধিছা ?"

"তুমি তেওঁক চিনি পোৱানে ?"

"এবা। মই নমস্কাৰ কৰিছিলোঁ।"

"আৰু তেওঁ তোক চিনি নাপায় নেকি ?"

"তেওঁ মোক দেখি চিনি নোপোৱাৰ ভাও ভুবিলে।... কিন্তু তুমি এনেকৈ জেৰা কৰি কৰি মোৰ মনৰ কথা বাৰ উলিয়াবলৈ চেষ্টা কৰিছা কিয় ? তেনে কৰাটো ভাল জানোঁ ? মই তোমাকে কোনোপধ্যে তেওঁৰ নামটো নকওঁ।"

নীৰৱ।

আকৌ কবলৈ ধৰিলোঁ,—"তেওঁ হাঁহিলে কিয় ? তেওঁ এজনী চঞ্চলা কথাচহকী ছোৱালী। মই তেওঁৰ কি অন্যায় কৰিছোঁ ?"

ইভাই কলে,—"তোমাক দেখি হাঁহিছিল ?—তেওঁ বৰ নিষ্ঠুৰা।"

"নহয়, তেওঁ নিষ্ঠুৰা নহয়। তুমি তেওঁৰ নিন্দা কৰিছা কেলেই ? তেওঁ একো অন্যায় কাম কৰা নাই, তেওঁ মোলৈ চাই হাঁহি ভালেই কৰিছিল,—তেওঁৰ তেনে কৰিবৰ অধিকাৰ আছে। মনে মনে থাকা,—মোৱা ইয়াৰ পৰা, মোক অলপ শাস্তিবে থাকিবলৈ দিয়া, শুনিছানে ?"

ইভাৰ চকুৰে মুখে ভীতৰে চিন ফুটি ওলায়,—একো নোকোৱাকৈ তাই লাহে লাহে গুচি যাবলৈ ধৰে। তাইৰ মুখলৈ চালোঁ, মণ্ডেষ্ট কঠুৱা মাত মাতি তাইৰ মনত এনেদৰে আঘাত দিয়া বাবে মোৰ অনুতাপ হয়। মই তাইৰ সমুখতে আঠুকাড়ি বহি কবলৈ ধৰিলোঁ,—"ঘৰলৈ মোৱা ইভা। তোমাকেই,—তোমাকেই মাগোঁ মই ভালপাওঁ। সপোন এটাকনো ভালপাম কেনেকৈ ? মই ধেমালিছে কৰিছিলোঁ ; তোমাকহে মই ভালপাওঁ। বাক, এতিয়া ঘৰলৈ মোৱা দেই, কালিলৈ মঙ্গেই তোমাক তালৈ যাম। মই তোমাৰ—নাপাহৰিবা দেই,—বিদায়।"

ইভা ঘৰলৈ যায়।

শীতকালৰ তৃতীয় প্ৰাণহীন ৰাতি ;—গভীৰ ব্যথাময় ৰাতি। ক'ৰবাত যদি অকণমানো কুঁৱলী দেখিবলৈ পোৱা গ'লহেঁতেন ! বেলি কেতিয়াবা মাৰ গ'ল, তথাপি দিনৰ উত্তাপ এতিয়াও অনুভৱ কৰিব পাৰি। ভুই একুবা ধৰিলোঁ।...

"ইভা, কোনোবাই চুলিত ধৰি যদি চোচোৱাই টানি লৈ যায়, তেনেহলে কেতিয়াবা মাজে সময়ে বৰ ভাল লাগে নহয়নে ? মানুহৰ মনটো কেতিয়াবা এনেদৰে ভাৱমগ্ন হৈ থাকে ! মানুহ এজনক চুলিত ধৰি পথাৰে পাহাৰে টানি লৈ ফুৰিব পাৰি, যদি কোনোবাই কি হৈছে বুলি সোধে, তেন্তে সি আনন্দতে চিঞৰি কব 'মোক চুলিত ধৰি টানি লৈ যাবলৈ ধৰিছে !' আকৌ যদি সোধেঃ—'তোমাক বন্ধা কৰিম নে, তোমাৰ বান্ধোন মুকলি কৰি দিম নে ?'

সি কয় ; 'নেলাগে।' পুনৰ যদি কোনোই সোধে—'তুমি এই কষ্ট সহ্য কৰিছা কেনেকৈ ?' সি উত্তৰ দিয়ে ; 'মই সহ্য কৰিব পাৰোঁ, যি খন হাতে মোক চুলিত ধৰি টানি লৈ ফুৰিছে সেই হাতখন মই ভালপাওঁ।' আশা কৰি থকাৰ পৰা যে কি অমহা সুখ তুমি জানানে, ইভা ?"

"এৱা, জানোঁ, বোধকৰোঁ।"

"বুজিছানে ইভা, আশা বৰ আচৰিত বস্তু,—এৱা বৰ আচৰিত বস্তু। তুমি হয়তো এদিন বাতিপুৱা আলিবাট-টোৱে অকলে গৈ আছা,—মনত আশা, যাক তুমি ভালপোৱা তেওঁৰ লগত দেখাদেখি হব। তেওঁৰ লগত তোমাৰ দেখা হয়নে ? নহয়। কেলেই নহয় ? কাৰণ তুমি যাক লগ পাবলৈ আশা কৰিছা তেওঁ হয়তো সিদিনা বাতিপুৱা আন কিবা কামত ব্যস্ত হৈ আছে।.....এবেলি পাহাৰৰ ওপৰত বুঢ়া অন্ধ লাপ্ এজনৰ লগত মোৰ চিনাকি হৈছিল। আঠাৱৰ বছৰ ধৰি তেওঁ একো দেখা নাই, এতিয়া তেওঁৰ বয়স সত্তৰ বছৰ পাৰ হৈ গৈছে। তেওঁৰ মনত এটা ধাৰণা হৈছে যে তেওঁ ধীৰে ধীৰে অলপ অলপকৈ দৃষ্টি-শক্তি ফিৰাই পাবলৈ ধৰিছে আৰু যদি এনেদৰে চকুৰ উন্নতি হৈ থাকিবলৈ ধৰে, তেন্তে আৰু কেছৱৰমানৰ ভিতৰতেই তেওঁ বেচিটো আবিষ্কাৰ কৰি পেলাব। তেওঁৰ চুলিবোৰ এতিয়াও ক'লা হৈ আছে, কিন্তু চকু দুটা তেনেই বগা হৈ পৰিছে। তেওঁৰ ঘৰটোলৈ গৈ ছুয়ো বহি থলাত থাই থাই কথা বতৰা পাতি থাকোঁ। আৰু তেওঁ অন্ধ হোৱাৰ আগেয়ে যতবোৰ বস্তুবাহানি দেখিছিল, সেই আটাইবোৰৰে কথা কবলৈ ধৰে। তেওঁৰ সুন্দৰ স্বাস্থ্য, মন আনন্দময়,—আজিও তেওঁৰ আশা অটুট হৈ আছে। মই যেতিয়া আহিবলৈ উঠিলোঁ তেতিয়া মোৰ লগে লগে বাহিৰলৈ ওলাই আহিল আৰু কেউপিনে আঙুলিয়াই কবলৈ ধৰিলে,—এই পিনে দক্ষিণ, এইপিনে উত্তৰ। এতিয়া তুমি এই বাটটোৰে ঘোৱা আৰু অলপ দূৰ গৈছেই এইফালে ঘুৰিবা। মই কলোঁ, —'ঠিক হৈছে।' মোৰ কথা শুনি বুঢ়াই আনন্দতে হাঁহি হাঁহি কলে, 'দেখিলানে এতিয়া ! চল্লিশ-পঞ্চাশ বছৰ আগেয়ে একোকে ঠিক কৰিব নোৱাৰিছিলোঁ, গতিকে মই এতিয়া আগতকৈ বহুত ভালকৈ দেখা পোৱা হৈছোঁ। এৱা, এৱা, দিনকে দিনে দৃষ্টিশক্তি অলপ অলপকৈ উভটি আহিবলৈ ধৰিছে।' তাৰ পাছত তেওঁ মুখটো ৰৌদা লাহে লাহে সেই ঘৰটোত সোমাপগৈ,—মুখটো ওজিয়াই বাবে পৃথিবীৰ বুকুৰ ওপৰত তেওঁৰ একমাত্ৰ আশ্ৰয়স্থল সেই ঘৰটো। আকৌ আগৰ দৰে জুই কুৰাৰ ওজা বহিলগৈ,—মনত তেওঁৰ অন্তহীন আশা, অন্ধচকু আৰু পোহৰেৰে পূৰ্ণ হৈ পৰিব।..... ইভা, দেখিছানে আশা কেনে মোহিনী আকৰ্ষণ ! বাক মোৰ কথাটোকে নকয় কিয়, মই এতিয়া ইয়াতে বহি আছোঁ আৰু সকলো সময়ত আশা কৰি আছোঁ যে বাতিপুৱা আলিবাটত যাক আমি মই লগ পাবলৈ তেওঁক যেন পাহৰি যাব পাৰোঁ।"

"তুমি যে কেনে আচৰিত কথাবোৰ কোৱা !"

"আজি তৃতীয় প্ৰাণহীন বাতি। বাক তোমাক কথা দিলোঁ ইভা, চাবা কালিৰ পৰা মই একেবাৰে নগমি যাম। আজি মোক অকলে থাকিবলৈ দিয়া। কালি দুটি মোক চিনিবই নোৱাৰিবা,—মই হাঁহিম, তোমাক চুমা খাম। আজিৰ এই বাতিটো, আৰু মাথোঁ কেণ্ডেলাৰ পিছতে মই সম্পূৰ্ণ বেলেগ মানুহ এজন হৈ যাম। বিদায় ইভা।"

"বিদায়।"

জুইকুবাৰ ওচৰতে ভবিষ্যত মেলি আউঁসি থহিয়া শিখাবোৰ চাই আছোঁ। গছৰ গুকান ডাল এটা জুই পৰিল। তলি নোপোৱা গভীৰ সাগৰৰ দৰে আন্ধাৰে এই বাতিটো। চকু মুদিলোঁ।

এঘণ্টা হৈ গ'ল ; মোৰ সকলো ভাৱ, অনুভূতি, নাচোনৰ ছন্দত লীলায়িত হৈ উঠিছে,—এটা বিহ্যুৎ তন্ত্ৰতাৰ সুৰৰ লগত মোৰ প্ৰাণৰ সুৰ এক হৈ মিহি গৈছে। দ্বিতীয়াৰ জোনটোলৈ চাই পঠিয়াওঁ,—এঘণ্টা যেন বগা বেঁকা বেখা। জোনটোলৈ চাওঁ, মনৰ ভিতৰত এটা মোহ জাগে,—জোনটোক ভালপাওঁ, অলপ যেন ভয় লাগে। মই লাহেকৈ আয়েগতে কওঁ,—'সেইটো জোন —মোৰ জোন।'—অন্তৰখন কঁপিবলৈ ধৰে, প্ৰাণৰ মাজত এটা আকৰ্ষণ অনুভৱ কৰোঁ। এনেকৈয়ে অলপ সময় যায়। অনিমাকী বাটকৰা বতাহ এছাটিয়ে মোক পৰশ কৰি যায়। কোন ? কেউপিনে ঘুৰি চালোঁ, কেও নাই। বতাহে মোক মাতে, মোৰ আত্মাই বতাহৰ আহ্বান আদৰি লয়। মোৰ মনটো কোনো অজান দেশত উৰি ফুৰে, এখনি অদৃশ্য বুকুৰে মোক সাৱটি লয়, মোৰ চকু চলচলীয়া হয়, কঁপিবলৈ ধৰোঁ,—ঈশ্বৰে মোৰ সম্মুখত থিয় হৈ থাকি মোকেই চাবলৈ ধৰিছে। আৰু অলপ সময় গ'লা। অনিমাকী বতাহৰাটি ক'ৰবালৈ উৰি গুচি গ'ল। মুখটো ঘুৰাই চালোঁ, কিহবাৰ আত্মা এটাই যেন বননিৰ মাজত নিঃশব্দে ঘুৰি ফুৰিবলৈ ধৰিছে.....

মনটোক যেন কোনোবাই গধুৰ বোজা এটাৰে হেঁচা মাৰি থৈ দিছে,—অন্তৰৰ ভিতৰৰ ভাৱ আৰু অনুভূতিৰ বিস্ফোৰহত মোৰ শৰীৰ শ্ৰান্ত হৈ পৰে,—মোৰ টোপনি আহে।

মাৰ পাই উঠি দেখোঁ বাতি পুৱাইছে। গাটো বৰ বেয়া লাগিছে, বোধকৰোঁ শৰীৰ অসুখ কৰিছে। চকু দুটা ঘুৰিবলৈ ধৰিছে, মোৰ চকুৰ আগত সকলো বস্তু যেন ছেদেলি-ছেদেলি হৈ গৈছে,—মনটো মোৰ গভীৰ বেদনাৱে পূৰ্ণ।

কোনোমতে সময়খিনি কাটি গ'ল।

—পঁচিশ—

শৰৎকাল। জহকালি যেনেকৈ আহিছিল তেনেকৈ নাই। ইয়াৰ সোনকালে গ'ল, একো ততকে কৰিব নোৱাৰিলোঁ। শীত পৰিছে,—চিকাৰ কৰিবলৈ যাওঁ, মাছ মাৰোঁ, ঘাৰিৰ মাজত গান গাই ফুৰোঁ। কোনো কোনো দিনা সাগৰৰ পৰা ঘন কুৱলী ভাহি আহে,— দিক্‌বিদিক্ এৰাব কৰি পেলায়। এদিন এটা ঘটনা হ'ল, ঘাৰিৰ মাজত বাট হেৰুৱাই ঘুৰি পকি আহি ডাক্তৰৰ ঘৰত উঠিলোঁহি। তেওঁৰ ঘৰত ঢেৰ আলহী আছিল। আগেয়ে দেখা গাভৰু কেগ্ৰাকীমান আৰু ডেকা কেজনমানে বলিয়া ঘোৰা-পোৱালি বোৱৰ দৰে নাচিবলৈ ধৰিছে।

গাৰী এখন আহি পদুলিতে ৰ'ল ; গাৰীখনৰ ভিতৰত এডৱার্ডাে। মোক দেখিয়েই উচপ খাই উঠিল। মই লাহেকৈ কলোঁ,—"বিদায়" ; কিন্তু ডাক্তৰে মোক আহিবলৈ নিদিলে। তাত মোৰ উপস্থিতিৰ বাবে এডৱার্ডাই পোনতে অস্বস্তি বোধ কৰিছিল, মই কথা কওঁতে চকু তললৈ নমাইছিল, কিন্তু অলপ পিছতে তেওঁ মোৰ লগত দুই এযাৰ কথাও পাতিলে। তেওঁ বৰ শোঁতা হৈ গৈছে,—ঘোৰা বৰষীয়া কুৰলি এছাটই যেন তেওঁৰ মুখখন আবৰি আছে। তেওঁ গাৰীৰ পৰা নামানিল।

তেওঁ কলে,—"খৰৰ এটা দিবলৈ আহিছোঁ। মই গীৰ্জ্জাটৈ গৈছিলোঁ, তাত আজি তোমালোকক কাকো দেখা নাপালোঁ। তাত খৰৰ পালোঁ যে তোমালোক ইয়াতেই আছা। ইমান পৰ ধৰি তোমালোকে বিচাৰি সুৰিছোঁ। অহা সপ্তাহত বেৰণ ওচি যাবগৈ, সেই উপলক্ষে আমাৰ তাত এটা সৰু-সুৰা 'পার্টি' হব—তোমালোকক আটাইকে নিমন্ত্ৰণ কৰাৰ ভাৰ পৰিছে মোৰ ওপৰত। তাত নাচোঁ হব ;—কালিলৈ, গধূলি।"

আটায়ে তেওঁক মুৰ দোঁৱাই ধন্যবাদ জনালে।

মোৰ পিনে চাই কবলৈ ধৰিলে ;—"তুমি কিন্তু নহাকৈ নেথাকিবা, বুজিছানে ? শেষ মুহূৰ্ত্তত যেন চিঠি এখন লেখি নপঠোৱা যে মই যাব নোৱাৰিলোঁ, যেন ক্ষমা কৰা হয়।"—এনে কথা তেওঁ আৰু আন কাকো নকলে। অলপপৰ পিছতে তেওঁ গাৰী চলাই গুচি গ'ল।

তেওঁৰ লগত হঠাৎ এনেদৰে দেখাদেখি হোৱা বাবে মোৰ মন বিমল আনন্দেৰে ভৰি উঠে। ডাক্তৰ আৰু তেওঁৰ আলহীবোৰৰ পৰা বিদায় লৈ ঘৰলৈ খোজ ললোঁ। মোৰ প্ৰতি তেওঁৰ কেনে সুদৃষ্টি ব্যৱহাৰ,—কেনে মিঠা মাত ! ইয়াৰ প্ৰতিদান মই কি দিম ? মোৰ হাত দুখন বৰ অসহায় যেন লাগে,—এটা মধুৰ অন্তৰাদহ পূৰ্ণ হৈ উঠিছে। নিজকে নিজে ভাবোঁ, ইয়াত মই থিৰ হৈ আছোঁ, —আনন্দত মোৰ সকলো অঙ্গ শিথিল হৈ আছিছে, মই বৰ নিঃসহায়,—চকুত মোৰ লোঙ্ক উপচি পৰে। মই কি কৰিব পাৰোঁ ? ঘৰ আহি পাওঁতে সন্ধিয়া হ'ল। ঘাটৰ কাষেৰে ঘুৰিগলোঁগৈ, জালোৱা এটাক সুধিলোঁ, কালি গধূলি ডাক জাহাজ আহিব নে নাহে। সি কলে,

অহা সপ্তাহৰ আগেয়ে হেনো ডাক জাহাজ আহিবৰ সম্ভাৱনা নাই। খৰধৰকৈ ঘৰৰ পিনে যাবলৈ ধৰিলো। ঘৰ পাই মোৰ আটাইতকৈ ভাল সাজ-পাৰ জোৰ উলিয়াই লৈ জাৰি-জোকাৰি পৰিষ্কাৰ কৰি ললোঁ। কাপোৰ জোৰৰ মাজে মাজে দুটা হৈ গৈছে, মনত বৰ দুখ লাগিল, দুটা হোৱা ঠাই চিলাই কৰিবলৈ ধৰিলোঁ।

চিলাই শেষ হোৱাত বিছনাখনতে শুলোঁগৈ। অলপ সময় জিৰণি লৈছোঁ মাথোন, হঠাৎ মনত এটা ভাৱ খেলালে, মই জাপ মাৰি উঠি মজিয়াখনৰ মাজতে থিয় হলোঁহি চক্ৰান্ত,—সকলো চক্ৰান্ত! মই যদি তালৈ নগলোঁহেঁতেন, মোক কেতিয়াও নিমন্ত্ৰণ নকৰিলেহেঁতেন। আনবোৰক নিমন্ত্ৰণ কৰোঁতে লগত থকা বাবেহে মোক নিমন্ত্ৰণ কৰিছে। আৰু তেঁওহেঁতো মোক কিবা এটা চেলু লৈ শেষ মুহূৰ্ত্তত চিঠি এখন পঠিয়াই ক্ষমা খুজি আঁতৰি থাকিব বাবে ইঙ্গিত দিছে.....

গোটেই ৰাতি মই উজাগৰে থাকিলোঁ,—টোপনি নাহিল। ৰাতিপুৱা হাবিত সোমালোঁহি, জাৱ লাগিছে, ৰাতি টোপনি নাই, গাটো অৱ অৱ লাগিছে। ছঁ:, আকৌ ছিবিনাওঁ! আকৌ 'পাৰ্টি'! কি হ'ল তাৰ পবা? মই নাযাওঁ, ক্ষমা খুজি চিঠিও পঠিওঁ। ম্যাক বৰ বুদ্ধিমক,—বেৰণৰ বাবে এইটো 'পাৰ্টি'। মই কিন্তু কেতিয়াও নাযাওঁ,—ঠিক জানিবা।...

দিক্‌বিদিক জুবি ঘন কুঁৱলীৰ আবৰণ এখনে ছাটি ধৰিছে। মোৰ পিন্ধা কাপোৰজোৰ নিয়ৰৰ কণিকা লাগি সেমেকি গৈছে আৰু গধুৰ হৈ পৰিছে, মুখখনো তিতিছে আৰু ঠাণ্ডা লাগিছে। মাজে মাজে একোছাটি বয়ু শুই থকা কুঁৱলীক একোটা চুলনি দি যায়।

সন্ধিয়া হ'ল, এন্ধাৰ হৈ আহিবলৈ ধৰিছে, কুঁৱলী সকলো বস্তুকে ঢাকি থৈ দিছে, কতো অকণ ৰঙা বাটটোকে বিচাৰি উলিয়াবৰ উপায় নোহোৱা হৈ ঘৰঘৰ, কৰিব লগীয়া একো নাছিল, গতিকে শুই ঘৰমুৱা হৈ খোজ ললোঁ। বাট হেকৱাই হাবিত অচিনাকী ঠাই এডোখৰত ওলালোঁহি। গছ এজা গাতে বন্দুকটো থিয় কৰি থৈ কপাছটো চাবলৈ ধৰিলোঁ। আচল বাটটো ঠিক কৰি উলিয়ালোঁ আৰু সেইদিনে যাত্ৰা ধৰিলোঁ। তেতিয়া আঠ কি ন' বাজিছে।

ভাল কথাটো, হ'ল,—

কুঁৱলীৰ মাজেৰে গান-বাজনা শুনিবলৈ পালোঁ, অলপ পৰ পিছতে মই বুজিবলৈ পাৰিলোঁ মই কোনদিশ পাইছোঁহি।—ছিবিনাওঁৰ তেওঁলোকৰ ঘৰৰ দিশ ওচৰতে ওলালোঁহি। বিডোখৰ ঠাই ইমান চেষ্টা কৰি এবাই ফুৰিছিলোঁ, মোৰ কপাছটোৱেই শেষত যে সেই ঠাইডোখৰতেই উপস্থিত কৰালেহি নেকি? কেনেন চিনাকী মাতেৰে মোক মাতিছে,—অ' ডাক্তৰ! যে ভিতৰলৈ লৈ গ'ল।

বোধকৰোঁ বন্দুকটোৰ নলীডালৰ ওচৰত ধৰা বা কপাছটোৱে মোক ঠগিলে। আৰু এদিনাখন ঠিক এনেহ হৈছিল। মই কি কৰিম, একোকে ভাবিব পৰা নাই বোধকৰোঁ ই মোৰ কপালতে লিখন।

—আগৈ—

দ্ৰাবিড় দেশত চাৰিমাহ

—শ্ৰীযুত মাধৱ চন্দ্ৰ বেজবৰুৱা

(৪)

এদিন দুদিনকৈ মই পুলিপকম্ গাওঁত প্ৰায় ১৫ দিন মান কটাব লগাত পৰিলোঁ। এফালে ঘৰলৈ যাবলৈ অপেক্ষা কৰিব লগা আৰু ইফালে মোৰ সহযাত্ৰী আচাৰ্য্যদেৱৰ যাত্ৰাৰ সুবিধা অসুবিধাটোৱে চাব লগা হোৱাই তাৰ কাৰণ আছিল। যদিও সেই গাওঁত থকা কাল ডোখৰত মোৰ বৃদ্ধ লগৰীয়া আয়েঙ্গাৰ দেৱৰ লগত পৰি মাজালী গাৱলীয়া সমজুৱা জীৱনৰ বিষয়ে অশেষ কথা জানিবলৈ সুবিধা পাইছিলোঁ তথাপি একে ঠাইতে ইমান দিন কটাৰ লগা হোৱাত এফাকৈ ঘৰৰ ককাইদেউৰ প্ৰতি যং উঠিছিল আৰু ইফালে আচাৰ্য্যদেৱৰ

হাবিৰ মাজত মাত্ৰাহৰ অপৃথুসকলৰ পূজা কৰা দেৱতাৰ ইটাৰ মূৰ্ত্তি

ওচৰতো তিতা লাগিছিল। কেতিয়াবা মন গৈছিল খোজ কাঢ়িবলৈ তাৰপৰা উলটি ঘৰমুৱা হওঁ। দিন চাৰি যোৱাৰ লগে লগে মোৰ এই ভাব বেছিহৈ এনে হৈছিলগৈ যে এদিন মই আচাৰ্য্যদেৱৰ আগত বেজাৰেৰে কৈ উঠিলো।—"যেহেতু অতদিনে ঘৰবপৰা টকা নাহিল, মই এতিয়া ঘৰৰ পিনে খোজ কাঢ়িয়েই থাওনা হওঁ।" মোৰ তেনে আষাৰ বাক্য যদিও অসম্ভৱজনক যেন দেখা গৈছিল তথাপি তাকে কাৰ্য্যত পৰিণত কৰিবলৈ মনো ওলাইছিলোঁ। ভাবিছিলোঁ, বাট্ট অনেক ঠাই চাই তাতে সন্তুষ্ট থাকিম। আচাৰ্য্যদেৱৰ আগত সেই প্ৰায় দুহেজাৰ মাইল বাট খোজ কাঢ়ি অহাৰ কথা কওঁতেও মই আন্তৰিক হিচাবেই কৈছিলোঁ। আচাৰ্য্যদেৱে কথাবাৰ শুনি মৰমৈ হাঁহিলে আৰু তেওঁৰ বাৰ বছৰীয়া পত্নীয়ে শুনি আচৰিত হৈ মোক অনেক পুতৌ কৰিলে। আচাৰ্য্যদেৱে মোক উত্তৰ দিলে যে ই মোৰ মস্তিষ্কৰ বিভ্ৰমৰ নিদৰ্শন। মনো অন্তৰে অন্তৰে ভাবিলে তেওঁৰ ওপৰত প্ৰতিশোধ ললোঁ। এই বুলি যে তেওঁ নিজেও আঁচেকুৰি বছৰীয়া বুঢ়া হৈ বাৰ বছৰীয়া কেচুৱা ছোৱালী এজনী বিয়া কৰোৱাও মস্তিষ্ক বিভ্ৰমৰ অন্য এটা নিদৰ্শন আৰু ই বেছি গধুৰ ধৰণৰ। বাস্তৱিকতে আচাৰ্য্যদেৱৰ সকলো সজ্ঞণৰ মাজত এই কালিমা ৰূপ দোষটি জাকত জিলিকা হৈ আছিল আৰু সেই কাৰ্য্যটিয়ে তেওঁৰ ওপৰত এটা ঘৃণনীয় ধাৰণাৰ বহণ সানিছিল। এই কালিমাৰূপ দোষটিয়েই তেওঁৰ সকলোগুণ ঢাকি পেলাইছিল। বিশুওক মোক শান্তনা দিবৰ নিমিত্তেই হওক নাইবা বৃদ্ধত্ব-তৰুণী ভাৰ্য্যা'ক সন্তোষ দিবৰ কাৰণেই হওক সনাতনপন্থী আচাৰ্য্যদেৱে পিছদিনাখন অৰ্থাৎ ১৯ মাৰ্চ্চ তাৰিখে ওচৰৰ ঠাই এডোখৰলৈ—অন্তঃপুৰে তেওঁ নিজৰ কামত আৰু লগতে মোকো—ঠাই দেখুৱাবলৈ বুলি লৈ গ'ল।

ঠাইডোখৰৰ নাম হৈছে মথুৰান্তকম্ বা মদুৰান্তকম্।

ই চিঙ্গেলপট নগৰৰ পৰা ১৪ মাইল দূৰৈত। আমি সেইদিনা পুৱাতেই বেলেৰে দুটা ষ্টেছন গৈছেই সেই নামৰ ষ্টেশ্ৰনটো পালোগৈ বাটত। তিৰুমানী (Tirumani) নামৰ ষ্টেছনটোৰ ওচৰতে The Lady Willington Leper Settlement নামৰ কুষ্ঠবোগীৰ আশ্ৰমখন দেখিবলৈ পালোঁ। বৰ্ত্তমান গুৱাহাটীৰ কামাখ্যা ষ্টেশ্ৰনৰ ওচৰত পতা কুষ্ঠবোগীৰ আশ্ৰমখনৰ দৰেই এই আশ্ৰমখন বেলৰ আলিৰ ওচৰতে স্থাপিত। ৯ বজাত মথুৰান্তকম (Mathurantakam) ষ্টেছন পাহেই আমি ওচৰৰ বিষ্ণু মন্দিৰটোত সোমাই ভিতৰ খন চাই ললোঁ। দাক্ষিণাত্যৰ সকলো বস্তুৰ ভিতৰত যে পার্থক্য বা বিভিন্নতাৰ চিন্ দেখা পোৱা যায় তাক আগেয়ে উল্লেখ কৰি অহা হৈছে। মানুহবে মানুহবে মাজত যে বিভিন্নতা ভাব আছেই মানুহে কৰি পোৱা অন্য বস্তুৰ ভিতৰতো বিভিন্নতাৰ ভাব দেখিবলৈ পোৱা যায়। শিৱমন্দিৰ আৰু বিষ্ণুমন্দিৰ দুবৈৰ পৰা দেখিয়েই চিনিব পাৰি। সাধাৰণতে শিৱমন্দিৰৰ আগ চোতালত এটা শিলৰে কটা নন্দী বা গৰু আৰু বিষ্ণুমন্দিৰৰ আগত সোণপাতেৰে মেৰোৱা ওখ স্তম্ভ দেখিবলৈ পোৱা যায়। ইয়াৰ বাহিৰে কাক কাৰ্য্যতো আৰু মূৰ্ত্তি স্থাপন আদিত অন্য বহুত প্ৰভেদ আছে। গধূলি হলে এই নন্দী বা স্তম্ভৰ ওচৰত ঢোল পেপা বজাই আৰতি কৰে। আমি বিষ্ণুমন্দিৰৰ পৰা গৈয়েই মথুৰান্তকম নগৰৰ ডাঙৰ মিচদাৰ বা মৌজাদাৰ জনৰ ওচৰলৈ গলোঁ। তাত তেওঁ আমাক বেছ আদৰ সাদৰ কৰি জা-জলপান খুৱালে। ইয়াৰ আগতে বেলত আহোঁতে আচার্য্য দেৱৰ শ্ৰীমান ক, বঙ্গনাথ চাৰী নামৰ এজন পুৱণি ছাত্ৰক লগ পাই তেওঁকো আমাৰ লগতে লৈ অহা হ'ল। তেওঁ মাদ্ৰাজৰ সাপ ছাল বিক্ৰেতা আৰু বগ্ধানীৰ কাৰবাৰ কৰোঁতো বিখ্যাত ওমাৰ কৰিম্ এণ্ড কোং (Omer Karim & co) দোকানৰ মাল-কেৰাণীৰ কাম কৰে। তেওঁৰ লগত মোৰ চিনা জনা হৈ বন্ধুত্ব স্থাপন হ'ল আৰু তেওঁ মোক সেই নগৰৰ সকলো চাবল বস্তু দেখুৱাই ফুৰালে। তেওঁ মোক সেই দোকা এডাল দীঘল আৰু বহল সাপৰ ছাল উপহাৰ দিছি সেই ছাল মই অতি সাৱধানেৰে বাৰি লৈ আছিছি আৰু এতিয়া সেই ছাল গুৱাহাটীৰ 'ফুকন ষ্টুডি (Phooquon studio) বখা হৈছে।

মথুৰান্তকম্ এখন সৰু নগৰ। ইয়াৰ নামটো নগৰৰ পৰা আছিছে। ইয়াক দাক্ষিণাত্যৰ মথুৰা লোক-কথিত বিশ্বাস যে শ্ৰীৰামচন্দ্ৰ, লক্ষ্মণ আৰু সী

দাক্ষিণাত্যৰ বৈষ্ণৱ মন্দিৰৰ ভিতৰ চাবৰ দুৱাৰ মুখ—আগচোতালৰ ওখ সোণপাতেৰে মেৰোৱা স্তম্ভ।

লঙ্কাৰ পৰা উভতি আহোঁতে ইয়াত এবাতি কা থাকি গৈছিল। সেইবিষয়ে এটা উপকথাও আ নগৰৰ বিষ্ণুমন্দিৰটোৰ ভিতৰত শ্ৰীৰামচন্দ্ৰৰ এটা চ কলা শিলৰ মূৰ্ত্তি আছে। মূৰ্ত্তিটো দুটা মানুহ কৰালে বিমান ওখ হ'ব তাতকৈ ওখ। মন্দিৰৰ গ কলচীটো সোণৰ কিন্তু আমাৰ শিল্পসাগৰৰ শিৱ সোণৰ কলচীৰ সমান ডাঙৰ আৰু গড়লগা ধুনীয়া মন্দিৰৰ ওচৰতে এটা ডাঙৰ পানী পোখোৰা পু আছে। আচার্য্য দেৱক মিৰাচদাৰ জনৰ ঘৰত মই মিঃ কে, বঙ্গনাথচাৰী দেৱৰ লগত এইবোৰ

চাই ফুৰিছিল। মিঃ কে, বঙ্গনাথচাৰীয়ে এইবোৰ দেখুৱাই নিলি ওচৰৰ হাইস্কুলটৈ লৈ গৈ ছেড্ মাষ্টৰজনৰ লগত চিনাকি কৰি দিলে। স্কুলটো দেখি বৰ ভাল লাগিল। আৰু মাদ্ৰাজৰ স্কুল দেখা মোৰ ভ্ৰমণত সেইই প্ৰথম। তাত দৈনিক ১০॥ বজাৰ পৰা ১১ বজালৈকে প্ৰাৰ্থনা শ্ৰেণী এটা বহে। তাত সকলোৱে যোগ দিয়ে। প্ৰাৰ্থনা শ্ৰেণীত মহলমান ছাত্ৰৰ বাহিৰে সকলো ছাত্ৰ-ছাত্ৰীয়েই উপস্থিত থাকিব লাগে। প্ৰাৰ্থনা কৰি আতাই সকলোৰে খাৰী পাতি নিজ নিজ শ্ৰেণীত সোমায়গৈ। ছাত্ৰসকল অত্যন্ত 'ডিচিপ্লিন্ (discipline) বাৰি

দাক্ষিণাত্যত মন্দিৰৰ গধূলি মুখ বা গোপুৰম্

চলিবলৈ শিকা দিয়া হয়। প্ৰাৰ্থনা কৰি আতাই ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেকেই নমস্কাৰ জনাই শ্ৰেণীলৈ গোমোৱা দৃশ্য বৰ মনোৰম। মই তেনে ধৰণৰ 'ডিচিপ্লিন' দেখি আচৰিত নহৈ নোৱাৰিছিলোঁ।

মূলবপৰা আহি ওচৰৰ সকলো বস্তু বাহানি চাই আমি অলপ জিৰণি লৈ ঘৰমুৱা হলোঁ। আমাক আকৌ সেই ঠাইলৈ নিমন্ত্ৰণ কৰিছিল। পুন্নিপক্কমলৈ ঘুৰি আহি আৰু কিছুদিন কটাব লগাত পৰিলোঁ। ঘৰৰ পৰা চিঠি পালোঁ হয় টকা নাই—টকা কিছু দিনৰ পিছতহে পঠাব বুলি লিখিছে। সাতে পাঁচে টকাৰ কাৰণে আৰু কিছুদিন অপেক্ষা কৰিব লগাত পৰিলোঁ। আচার্য্যদেৱৰ চাউল ভাত খাইয়ে দিন কটাব ধৰিলোঁ। লগত পালোঁ বৃদ্ধ লগৰীয়া শ্ৰীমান ভি, কে, কুপু স্বামী আয়েঙ্গাৰ আৰু তাৰে The student নামৰ মাহেকীয়া আলোচনী এখনৰ সম্পাদক শ্ৰীমান টি, ই বীৰ বাঘৱ শৰ্ম্মা। তেওঁৰ নিজাকৈ The Magazine press নামৰ এটা ছাপা-খানাও আছে। তাৰ পৰাই আচার্য্যদেৱৰ The Student নামৰ পত্ৰিকাও কাকত খন প্ৰকাশ হয়। শৰ্ম্মাদেও এজন বেছ ভদ্ৰলোক। তেওঁৰ লগত মোৰ বহুত আলাপ হৈছিল। আগেয়ে তেওঁ হাইস্কুলৰ শিক্ষক আছিল। তাৰ পিছতহে তেওঁ আলোচনা খন সম্পাদন কৰিবলৈ ধৰে। স্কুলীয়া ছাত্ৰৰ উপযোগী কৰি তেওঁ এখন পদাৰ্থ বিজ্ঞানৰ (physics) কিতাপো লিখিছে। সেই কিতাপ খনৰ আমাৰ কলিকতা বিশ্ববিদ্যালয়ৰ আই-এচ-চি I.Sc. শ্ৰেণীৰ ছাত্ৰৰ উপযোগী হিচাবে অনায়াসে ব্যৱহৃত হব পাৰে। ইয়াৰ পৰাই বুজা যায় মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ স্তৰ কলিকাতা বিশ্ববিদ্যালয়তকৈ কিমান ওখত। উল্লেখ কৰা বাহুল্য মাণোন যে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ স্কুলবে পৰা বিজ্ঞান, তৰ্ক শাস্ত্ৰ আদিৰ শিক্ষা দিয়া হয়—যিবোৰ শিক্ষা কলিকতা বিশ্ববিদ্যালয়ৰ কলেজীয়া উচ্চ শিক্ষাতকৈ বখা হৈছে। কাজে কাজেই মাদ্ৰাজী ছাত্ৰ অল্প ছাত্ৰতকৈ বেছি ওখত হ'ব।

মিঃ শৰ্ম্মা আৰু বৃদ্ধ লগৰীয়াৰ বাহিৰেও মোৰ বন্ধু হিচাবে আৰু এজন ডেকা উকীলক পাইছিলোঁ; তেখেতৰ নাম মিঃ বি, চক্ৰবৰ্ত্তী বি-এ, বি-এল্। তেওঁ এজন ডাঙৰ গণিতজ্ঞও। তেওঁ মোৰ আগত কেবাটাও গণিতৰ সাঁৰৰ কৰি তাক ভাঙ্গি দেখুৱালে। তেওঁ চিঙ্গেলপট নগৰত থাকে আৰু মাজে মাজে মোক মাতি নি ভুৰু চকা কৰে। এই কেইজনেই মোৰ লগৰীয়া বা সহকাৰী হ'ল। তেখেত সকলৰ পৰা যিখিনি কথা মই জানিবলৈ সুবিধা পাইছিলোঁ আৰু নিজেও যিখিনি দেখি শুনি অভিজ্ঞতা

পাইছিলোঁ তাৰ এটি চহু আভাষ দি থোৱাৰ দৰকাৰ যেন দেখিলোঁ।

দ্রাবিড়বিলাক সাধাৰণতে ক'লা বৰণৰ। তাৰ কাৰণ তেওঁলোকৰ দেশৰ হাৱা পানীৰ অন্তৰ্ভাই। মাদ্রাজত গৰম কালি ইমান গৰম হয় যে দুপৰীয়া দৰৰ ভিতৰৰ পৰাই ওলাব নোৱাৰি।—গাততো কাপোৰ লবই নোৱাৰি। সেই কাৰণেই ধনীৰ পৰা দুখীয়ালৈকে, খেতিয়ক পৰা জজ হাকিমলৈকে সকলোৱে ওদা গাৰে আলি বাটত ফুৰা-চকা কৰে। কেৱল এখন চাদৰ ডিঙিত পেলাই লয়। আলিৰ গৰমে অৰি মুপুৰিবৰ কাৰণে এজোৰ 'চেণ্ডেল' দৰকাৰ মাথোন। মাদ্রাজৰ প্রায়বোৰ মানুহেই প্রায়ভাগী। তেওঁলোকৰ খেতি বাৰমাহেই আছে। খেতিৰ প্রধান শস্য হৈছে ধান, মাহ আৰু তিল। আগেয়ে উল্লেখ কৰা হৈছে যে চাউলেই তেওঁলোকৰ খাদ্য আৰু তাৰ লগত তেতেলী আৰু জলকীয়াই অনুপান। সেই কাৰণে জলকীয়াৰ খেতিও বেছি পৰিমাণে কৰে। তেতেলীহেঁটো বাৰী ভৰা থাকে। কৰমণ্ডল উপকূলত সৰিয়হৰ তেলৰ সলনি তিলৰ তেল খাদ্যত ব্যৱহাৰ কৰে। কিন্তু মালবাৰ উপকূলত তাৰ সলনি নাৰিকলৰ তেল ব্যৱহৃত হয়। তেওঁলোকৰ ধান খেতিও আমাৰ খেতিৰ দৰে নহয়। আমাৰ বছৰেকত এবাৰ বা দুবাৰ ধানৰ খেতি কৰে। কিন্তু তেওঁলোকৰ বাৰমাহে খেতি চলিয়েই থাকে। এবাৰ ধান দাই শেষ কৰিলে আকৌ নকৈ সিচি একে ঠাইতে খেতি আৰম্ভ কৰে—আমাৰ দৰে এঠাইত সিচি এঠাইত ভূই বোৱাৰ (transplantation) দৰে নকৰে। যি ঠাইত গুটি সিঁচে সেই ঠাইতে গুটি আদি চহাই ঠিক কৰি দি জোপা পাতি দিয়ে। সেই কাৰণে যদিও কম সময়ৰ ভিতৰতে খেতি নামৰিব পাৰে তথাপি শস্যৰ পৰিমাণ নিচেই কম ওলায়। আমাৰ বছৰেকত দুটা খেতিত যিমান ধান পোৱা যায় তেওঁলোকৰ বছৰেকত ৪৫ টা খেতিতহে সিমান ধান পোৱা যায়। এতেকে মূল্য বস্তু দুয়ো দেশৰে একে কিন্তু মাদ্রাজৰ খেতিত পৰিশ্রম বেছি লাগে। খেতি পানী যোগোৱাই এটা ডাঙৰ সমস্যা। দুমাইল আঠুৰ মাজ দুবৈত থকা নৈ বা পানী যোগোৱা পুখুৰীৰ পৰা নালি পথাৰত কুৱা খনি তাৰ পৰা লোৰ কাটি পানী দিব লাগে। কুঁৱাৰ পৰা পানী তোলা বেছি কষ্টকৰ। কোনো কোনো ঠাইত গৰু লগাই কুঁৱাৰ পৰা পানী তোলে। সেই পানী তোলা শাল যদিও দেখিবলৈ ভাল তথাপি গৰুৰ ভালদৰেই পৰিশ্রম আৰু কষ্ট হয়—এবাৰ আগুৰি আৰু এবাৰ পাছলৈ পাছ হুহকি আহিব লগা হোৱা কাৰণে।

ঠাইহিচাবে মাদ্রাজ দেশখন বৰ গৰম দেশ। দে

মাদ্রাজী কুমাৰশাল

কাৰণে সেইফালৰে সাধাৰণতে জাৰকালি অ বিশেষকৈ নবেম্বৰ, ডিচেম্বৰ, জানুৱাৰী আৰু ফেব্রুৱা এই চাৰিমাহতে যাব লাগে। তেতিয়া ই বেছ ঠা আৰু উপভোগ্য হৈ পৰে। সাধাৰণতে এই সময়ত গৰম ৬৯° ডিগ্রীৰ পৰা ৭৯° ডিগ্রীৰ ভিতৰতে থাকে কিন্তু মেই (May) মাহটোৱেই বছৰেকৰ ভিতৰত আটা তকৈ গৰম মাহ। তেতিয়া তাৰ ১১০ ডিগ্রী পৰ্য গৰম হয়। মই সেই আপদীয়া মেই মাহটোও আ কটাৰ লগাত পথাৰ কাৰণে সেই গা পুৰি চো উঠা গৰ আভাস ভালদৰেই পাইছিলোঁ। দুপৰীয়া দৰৰ ভিত থাকিব বা শুব নোৱাৰি? পথাৰৰ মানুহ বা

পুখুৰীৰ পানত গছৰ তলত জিবণি লৈ পৰি থাকিব লাগে। গাওঁবিলাক দুপৰীতে মই তাকেই কৰিছিলোঁ। সেই দৰেই আটাইতকৈ বেছি বৰষুণ হয় অক্টোবৰ আৰু নবেম্বৰ মাহত। বেলেগ বেলেগ ঠাই হিচাবে বৰষুণ কম বেছি পৰিমাণে পৰে। অনিয়মিত ভাবে বৰষুণ পৰাৰ কাৰণেই খেতিৰ পৰা বৰ ভুগিব লগাত পৰে। সেই কাৰণে নানা ঠাইত পানী যোগোৱা ডাঙৰ পুখুৰী আৰু খাল খন্দাই দিব লগা হৈছে। তাৰ নিমিত্তে গৱর্ণমেণ্টৰ বাজেটেৰে টকা খৰচ কৰিব লাগে।

মাদ্রাজৰ দ্রাবিড়ী ছোৱালী

কৰমণ্ডল উপকূলত পূৰ ঘাট পৰ্ব্বত শ্রেণীয়েই আবৰি আছে। সেই পৰ্ব্বত শ্রেণী মাজে মাজে ছিগা আৰু অনিয়মিত ভাবে বণ্ডিত। সেই কাৰণে তাৰ পৰা যিবোৰ নৈ ওলাই সেইবোৰো অকা বেকাকৈ বহুত দূৰ গৈছে সাধৰণ পৰেগৈ! সাধাৰণতে সেইবোৰ নৈৰ পানী বৰষুণেই যোগান ধৰিব লগাত পৰে। সেইকাৰণে বছৰেকৰ ভিতৰত প্রায়বোৰ নৈ পানী নথকা অৱস্থাত থাকিব লগাত পৰে। কিছুমান নৈত বছৰেকৰ ৮।১০ মাহ বালিয়ে পানীৰ ঠাই পুৰায় লয়। তাত কেৱল ২।৪ মাহৰ কাৰণেহে পানী পোৱা যায়। তেনে নৈ কৰমণ্ডল উপকূলত বহুত পোৱা যায়। এই নৈবোৰ যদিও দেখাত আহল বহল তথাপি বাইজৰ উপকাৰৰ অৰ্থে কোনো কামত নাহে। তাৰ পৰা বালি খান্দি পানী উলিয়াব লাগে। অৱশ্যে এই নৈবোৰৰ বাহিৰেও তাৰ দুখনমান বাৰ মাহে পানী থকা নৈয়ো আছে। সেইকেইখনৰ ভিতৰত গোদাবৰী, কৃষ্ণা, পনেৰী আৰু কাবেৰীয়েই প্রধান। গোদাবৰীৰ বিষয়ে আগেয়ে উল্লেখ কৰা হৈ গৈছে! বাকী কিখনৰ বিষয়ে ঠাই বুজি উল্লেখ কৰা হ'ব। এই ডাঙৰ সক নৈবোৰৰ বাহিৰেও মাদ্রাজত অনেক হ্রদৰ নিচিনা ডাঙৰ ডাঙৰ পানী যোগোৱা পুখুৰী আছে। তাৰ বিষয়েও আগেয়ে উল্লেখ কৰা হৈছে। এই পুখুৰীবোৰত বাৰ মাহেও পানী পোৱা যায়। এই পুখুৰীবোৰেই আমাৰ নৈৰ কাম দিয়ে। ইয়াৰ বাহিৰেও গাৱে গাৱে সক বৰ বহুত পুখুৰী নাক কুঁৱা আছে। সেইবোৰ খকরা কামত আৰু পথাৰৰ পানী যোগোৱাত ব্যৱহাৰ কৰে। এনেদৰেই মাদ্রাজী সকলে পানীৰ ব্যৱস্থা কৰি লয়।

নগৰৰ ঘৰ বাৰীবিলাক সাধাৰণতে ইটা আৰু খাপৰীৰে তৈয়াৰী। বিন্ধ্য পর্ব্বতৰ দক্ষিণৰ পিনে সাধাৰণতে ভূমিকম্পৰ অত্যাচাৰৰ পৰা ৰক্ষিত বুলিয়েই তাত খাপৰীৰ ঘৰে কাম চলাব পাৰিছে। ভূমিকম্পপীড়িত ঠাই হোৱাহেঁতেন সেই ঘৰবোৰৰ অৱস্থা কেনে হ'লতেন তাক অনুমান কৰিব নোৱাৰি। বিহাৰৰ বৰ্ত্তমান অৱস্থা কেনে দাৰুণ! কেতিয়াবা মাদ্রাজৰ ফালেও সাধাৰণ ৰূপেই ভূমিকম্প হলেই নগৰ আৰু গাওঁৰ অৱস্থা কেনে হ'ব তাক ভাবিলেই ভয়ত পেটত হাত ভৰি লুকায়। বিহাৰৰ ঘটনাই মাদ্রাজী সকলৰ চকু গঞ্জাই তোলা উচিত—নহলে কেতিয়াবা বিহাৰৰ দৰে পস্তাব লাগিব। গাওঁৰ ঘৰবোৰ সাধাৰণতে তালপাত আৰু নাৰিকল পাতেৰে তৈয়াৰী। তাত খেৰ পাৰলৈ বৰ কঠিন। খেৰৰ নিচিনা এবিধ বন পোৱা যায় যদিও সি ঘৰ ছোৱা কামত নাহে,—

কঠ গোঁবাৰ কামতহে আছে। সাধাৰণতে ঘৰবোৰ দীঘলীয়া আৰু আগফালে এডোখৰ পিৰালি মুকলি কৰি ৰাখে। তাতে দিনত লিখা পঢ়া কৰে নাইবা কথা-বাৰ্তা পাতি থাকে। আৰু ৰাতিহ'লে তাত ঘৰৰ ঘৰুৱালে বিছনা পাৰি শোৱে। মোৰ চাৰিমাহ দ্ৰাবিড় দেশৰ "ডিহিঙে—ডিপাঙে" ঘুৰি কটোৱা কালৰ ভিতৰত কেতিয়াও মই ঘৰৰ ভিতৰত শোৱা মনত নপৰে আৰু সেইদৰেই কোনো মানুহকো ভিতৰত শোৱা দেখা মনত নপৰে। মতা-মাইকী, লৰা-ছোৱালী, শহুৰ-বোৱাৰী, জোঁৱাই-শাহু, জেঠেৰিয়েক নন্দেক সকলোৱেই মুকলি ভাবে বাহিৰত শোৱে। তাৰ প্ৰধান কাৰণ হৈছে গৰম। মোৰ বোধেৰে সেই গৰমৰ দিন কেটাহে তেনেদৰে বাহিৰত কটায়। ঘৰৰ ভিতৰৰ বিছনা সেইদিন কেটা এনেয়ে পৰি থাকে। ঘৰৰ ভিতৰ-বাহিৰ বস্ত্ৰ-বাহানি আৰু কাপোৰ-কানি ৰাখিবৰ কাৰণেহে ব্যৱহাৰ হৈছে যেন লাগে। ভূমিকম্পৰ পৰা ভয়ৰ কাৰণ নথকাৰ কাৰণে ঘৰৰ খুটাবোৰো বেছি দঁলৈ মুখুটি পিৰালিৰ ওপৰতেই সাধাৰণতে লগাই থয়। ইয়ো এটা ডাঙৰ ভয়ৰ কাৰণ। ভূমিকম্পৰ গতি ঠাৱৰ কৰা মানুহৰ পক্ষে সম্পূৰ্ণ হৈ উঠা নাই এখোন। সিদিনা অলপতে মাদ্ৰাজৰ ফালেও ভূমিকম্পই ভূমুকি এটা মৰা বুলি কাগজত দেখা পাইছিলোঁ। যদি সেই ভূমিকম্পয়েই সময়ত কদ্ৰমূৰ্ত্তি ধাৰণ কৰেগৈ তেতিয়া মাদ্ৰাজী ভাইহঁতৰ অৱস্থা কি হব তাক ঈশ্বৰেহে জানে। সেই কাৰণে তেওঁলোক এতিয়াই সতৰ্কিত হৈ থকা বিধেয়। তাৰ গাওঁৰ ঘৰবোৰ সাধাৰণ আলি এটাৰ দুফোপাৰে একেশাৰীতে সজা। আমাৰ গাওঁৰ নিচিনা ঘতে ততে দেনে তেনে ৰূপে তেওঁলোকে ঘৰবোৰ নাসাজে। এটা আলিৰ দুফোপাৰে ইখৰত লগাকৈ সিঘৰে পেপা-পেপিকে ঘৰবোৰ সাজে আৰু পাছফালে বাৰী ৰাখে। সেই কাৰণে গাওঁবোৰ দেখিবলৈ ধুনীয়া হৈ পৰে। গাওঁবনত সাধাৰণতে নিজৰ বংশৰ বা স্বজাতিৰ মানুহহে থাকে; সেই কাৰণে বেলেগ গ অন্যসবি বেলেগ জাতি বা বৰ্ণৰ মানুহ পোৱা যায়। এ মাদ্ৰাজীৰ জাতি-ভেদ, বৰ্ণ-ভেদ আদি প্ৰভেদৰ অন্ত নিদৰ্শন।

মাদ্ৰাজী মানুহৰ নামবোৰৰ এটা বিশেষত্ব আ মাৰোৱাৰী সকলৰ দৰে তেওঁলোকৰ নিজৰ নামৰ আগ পিতৃদেৱকৰ নামৰ প্ৰথম আখৰটো আৰু তাৰো আগ নিজৰ ওপজা ঠাইৰ নামৰ প্ৰথম আখৰটো বহুতা উদাহৰণ যেনে :—ভি, কে, কুপ্পুস্বামী আয়েঙ্গাৰ অ ভিন্নপুৰমৰ কৃষ্ণস্বামীৰ পুত্ৰ কুপ্পুস্বামী আয়েঙ্গাৰ। সে দৰেই ইউ, পি, কৃষ্ণস্বামী আয়েঙ্গাৰ ইত্যাদি। ই উপৰিও আমাৰ শ্ৰীমান্, শ্ৰীযুতৰ ঠাইত কেৱল শ্ৰী

বেকলা গাধী—এটা গৰুৱে টানিছে

শব্দহে বহুতায়। মাদ্ৰাজীবোৰৰ এয়েই বিশেষত্ব ৰ এই বিশেষত্ব ওপৰতহে তেওঁলোকে বেছি প্ৰাধান্য দিয়ে—নিজৰ উপাধিৰ ওপৰত বেছি প্ৰাধান্যতা দি দেখা নাযায়। সাধাৰণতে শেহৰ আমাৰ, আয়েঙ্গা শাস্ত্ৰী আদি উপাধিবোৰ নিদিয়াকেও নামটো লিখা যায়।

সমাজ হিচাবে মাদ্ৰাজী গাওঁৰ সমজুৱা নিয়ম-বান্ধ ৰ কটকটীয়া। গাওঁৰ মুৰী বা গাওঁবুঢ়াজনক সকলো মান কৰে আৰু গাওঁৰ মামলা মকৰ্দ্দমাৰ আপোচ তেওঁ কৰি দিয়ে। প্ৰত্যেক গাওঁতে আমাৰ গাৱঁ

নামঘৰবৰে সৰু মন্দিৰ থাকে। সেই মন্দিৰ কেৱল একপদ্বীলোকৰ কাৰণেহে মুকলি। ওপৰত উল্লেখ কৰি অহা হৈছে যে এখন গাওঁত এটা নিৰ্দ্দিষ্ট জাতি বা বৰ্ণৰ

তাবীৰাগাই তাবী পাৰিছে

মানুহহে বসতি কৰিব পাৰে। সেই হেতুকে সেই মন্দিৰো সেই জাতি বৰ্ণৰ মানুহৰ কাৰণেহে মুকলি। দিনে ৰাতিয়ে তাত পূজা দেৱা চলি থাকে। বিহাৰে উৎসৱে তাত নানা ধৰণৰ বংশেৰালিৰ আয়োজন হয়। মুঠতে সমজুৱা হিচাবে তেওঁলোকৰ অৱস্থা বহুত উন্নত; কিন্তু অস্পৃশ্যসকলৰ অৱস্থা দেখিলে বৰ বেজাৰ লাগে। তেওঁলোকৰ কাৰণে হাবিৰ মাজত নাইবা পথাৰৰ মাজত বেলেগ পট্টী থাকে—যেনে আমাৰ মেতোৰৰ পট্টী। কিন্তু আমাৰ মেতোৰে ৰাজ আলিত বা মানুহৰ চোতালে পদুলিয়ে ঘুৰি ফুৰিব পাৰে। কিন্তু তাৰ অস্পৃশ্য জাতিয়ে তাকো কৰিব নোৱাৰে। অন্য নাগাগে উচ্চ জাতিৰ ব্ৰাহ্মণ এলেহে তেনে জাতিৰ মানুহক দেখিলে চুৱা হৈ গা ধুব লগাত পৰে। অৱশ্যে যদিও সেই জাতিৰ মানুহবোৰে কিছুমান নাথাৰ লগীয়া খাদ্য আৰু অখদ্য হিচাবে বাস কৰে, তথাপি তেওঁলোকক যেনে অৱস্থাত উচ্চ হিন্দুৱে পেলাই থৈছে তাক দেখিলে তেওঁলোকৰ প্ৰতি পুতৌ নহৈ নাথাকে। অস্পৃশ্য জাতিৰ কাৰণে মন্দিৰততো প্ৰবেশ কৰা ভাগ্য নাহেই গাওঁৰ ওচৰতো তেওঁলোকে মন্দিৰ সাজিব নোৱাৰে। সেই কাৰণে পথাৰৰ বা হাবিৰ মাজত তেওঁলোকে কিছুমান ইটা বা মাটিৰ দেৱতাৰ মূৰ্ত্তি সাজি পূজা কৰে। আজি হিন্দুৰ মাজতে কেনে ঘৃণাৰ ভাৱ বৰ্ত্তমান। এই কাৰণেই হিন্দু জাতি আজি পতিত নহয়নে? সেই মহাপাপ ৰূপ অস্পৃশ্যতাৰ কিবা প্ৰায়শ্চিত্ত আছেনে?—বৰ্ত্তমানলৈ ইয়াতেই থোৱা যাওক। ইতি মধ্যতে মোৰ ঘৰৰ পৰা অলপ টকা গৈ পোৱাত আৰু তাৰ লগে লগেই আচাৰ্য্যদেৱে নিজে সাজু হোৱাত আমি ১লা এপ্ৰিলৰ দিনা ওচৰৰ কাঞ্চিপুৰম্ বা কাঞ্জিবৰম্ (Canjeebaram) নগৰলৈ ৰাওনা হলোঁ।

কবিৰ জীৱন

নাটক— —শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা, এম-এ, বি-এল

প্ৰথম অঙ্ক

প্ৰথম দৃশ্য

[এখনি সক নৈ মৃদুধ্বনি কবি বৈ গৈছে। তাৰ পাৰত এখনি সক ফুলনি। গোলাপ, তগৰ, ধৰিকাজোঁই, দেৱালী আদি নানা ফুল। মাজে মাজে বহিবৰ বাবে আসন পতা আছে। দুবত এটা কুটীৰ। আৰু দুবত সোনাৰু, কৃষ্ণচূড়া আদি গছ। মউপিয়া চৰাই এটাৰ মাত বতাহত আঁতৰৰ পৰা ওপজি আহিছে। ফুলনিত এজন মানুহ। তেওঁৰ গাত মোটা এখন ধুতি আৰু মোটা কাপোৰৰ এটি গাজাৰী চোলা, ডিঙিৰ বোতাম খোলা, অবিন্যস্ত, ভৰিত জোতা নাই। চেহেৰা সাধাৰণ, কেৱল মুখত এটি লাৱণ্যৰ ভাবে খেলা কৰি আছে। চকু দুটা উজ্জ্বল অথচ তাত এটা স্নিগ্ধতা বিৰাজ কৰিছে। মাত মিঠা। তেৱেই কবি। সময় পুৱা।]

কবি—মোৰ অকণমান হিয়া খনিৰে এই বিশ্বজোৰা বিষাদৰ অনুভূতিৰ উপলব্ধি কৰিম কেনেকৈ সুন্দৰ? সি যে বেদনাৰ ভৰত ভাগি যাওঁ যাওঁ হৈছে। আজি কিয় এই ৰূপত মোৰ ওচৰত ধৰা দিছা দেৱতা? আনন্দৰ তীব্ৰ উচ্ছ্বসিত মোক অমৰালৈ উকৰাই নিনি আজি দুখৰ আবেগত মাটিৰ লগত কিয় মিহলাই দিছা? মোৰ জীৱন বীণৰ এই কৰুণ সুৰৰ লগতে মিনাই স্বৰ্গ বেথাবোৰা শোকৰ সঙ্গীত গাবলৈ আৰম্ভ কৰিছে। কত সুন্দৰীৰ তেওঁৰ পাৰত অতীত মিলনৰ স্মৃতি যেন তেওঁৰ বুকুত উথলি উঠিছে। কত বিজৰী বীৰ তেওঁৰ পাৰত গোৱা কীৰ্ত্তি গাথাই যেন আজি তেওঁৰ কণ্ঠত পুনৰ সঞ্জীবিত হৈ উঠিছে। আৰু নলয়, তুমিও তাতে যোগ দিছা। কোন প্ৰেমিকাৰ কেতিয়া বুকুৰ বসন ঈষৎ আঁতবাই দি প্ৰেমিকক উন্মাদ কৰি তুলিছিলা, কোন বিৰহীৰ তপত নিশাহেৰে নিজৰ বুকু কেতিয়া উত্তপ্ত কৰিছিলা, আজি সেই কথা মনত পেলাই যেন হুমুনিয়াহ কাঢ়িছে। আন মোৰ হিয়াত বাজিছে অনাহাৰ, মৃত্যু, ৰোগ যন্ত্ৰণাত আহু সহস্ৰ সহস্ৰ মানৱৰ দুখৰ চিৎকাৰৰ তীব্ৰ ঝঙ্কাৰণ। মুখ ইওঘে তোমাৰে প্ৰকাশ। এই মহাদুখৰ মহা সৌন্দৰ্য্য যদিও মোৰ হিয়া-ভাঙি চুৰমাৰ কৰি দিে গৈছে তথাপি মই তাৰ অপূৰ্ব্ব ৰূপত মুগ্ধ হৈছোঁ, সৃষ্টিৰ পাততিৰ পৰা এই মহা ক্ৰন্দনে আকাশ মুখৰিত কৰি ৰাখিছে, সৃষ্টিৰ অন্তলৈকে ৰাখিব। ইয়াৰ বিৰাট বিভৎসতাৰ ওপৰত সুন্দৰৰ সোণৰ সিহাসন স্থাপিত।

[এটি ভিখাৰীৰ প্ৰবেশ]

ভিখাৰী—মোক এটি গোলাপ ফুল দিবানে কবি?

কবি—নিশ্চয় দিম। কিন্তু তুমি ফুলেৰে কি কৰিব ভিখাৰী?

ভিখাৰী—গাওঁৰ মুবত সোঁৱে এঘৰ মানুহ আছে। তাইৰ হাতত ফুল এটা দিলে তাইৰ মুখত হাঁহি ফুটি উঠে আৰু আনন্দত তাই নাচি ফুৰে। দেখি বৰ ভাল লাগে কবি।

কবি—ভিখাৰী! কি অপূৰ্ণ কথা শুনালা (ভিখাৰীৰ সাৱটি ধৰি) মিছাই মানুহে মোক কবি বোলে। আচল—আচল কবি তুমিহে। শিশুৰ সৰল প্ৰাণত আনন্দৰ ঢৌ খেলোৱা তোমাৰ কাম। তোমাক নমস্কাৰ।

ভিখাৰী—(আচৰিত হৈ) কবি, মোক ফুল দিবানে?

কবি—যিমান লাগে, যেতিয়া লাগে লৈ যাবা। মোৰ অনুমতিৰ অপেক্ষা নাৰাখিবা।

(ভিখাৰীয়ে এটা ভাল গোলাপ ফুল ছিঙিবলৈ যাবলৈ ধৰে) কবি—ভিখাৰী এটা কথা সুধিব খোজা, যদি দেয়া নোপোৱা।

ভিখাৰী—সোধা কবি। দেয়া অকনো নাপাওঁ।

কবি—তুমি ভিক্ষা কৰা কিয়?

ভিখাৰী—কাম কবি পেটৰ ভাত মোকোলাব নোৱাৰো দেখি আৰু কেও কিছু নাইকিয়া দেখি।

কবি- এনে জীৱন তুমি ভাল পোৱানে?

ভিখাৰী—ঘিণ কৰোঁ। যেতিয়া ধনীয়ে নিজ অট্টালিকাত পৰম সুখে থকাৰ কথা ভাবোঁ, যেতিয়া স্বাস্থ্যবানে নিজৰ স্বাস্থ্যৰ গৌৰবত ইচ্ছামতে কামকৰা দেখো। যেতিয়া—।

কবি— ভিখাৰীক আকৌ বুকুত সোমাই লৈ) ভিখাৰী, মুখ তোমাৰ সকলো ভুল। ধনী, অট্টালিকাত থাকিব পাৰে, তেওঁ কিন্তু অকন মানি ছোৱালীৰ মুখত হাঁহি দেখা এটি ফুটাৰৰ কাৰণে গোলাপ ফুল বিচাৰি নাহে। এই বিষয়ে তুমি ধনী তেওঁ ভিখাৰী কেনেকৈ জানিছা?—হয়তো এই হাঁহিকণৰ সমলেই ধনীৰ আচল সম্বল। আৰু এই যে বিচিত্ৰ অনুভূতিয়ে সন্তোষ সুন্দৰ জীৱন তাক যি দান কৰিছে তেওঁৰ প্ৰতি অকৃত্ৰজ্ঞ হবা কিয় ভিখাৰী? এই সৌন্দৰ্য্যৰ খনি অপূৰ্ণ বিশ্ব তোমালো, ধনীবো। এনে অনাত্মীয় কাৰ দুটা পইছা সহ আৰু কাৰ কম তাৰ হিচাব যে নিচেই তুচ্ছ হৈ পৰে। আৰু তুমি সোমাৰ মঙ্গল হাতখনিবে যেতিয়া দাতাৰ ওচৰত হাত পাতি তেওঁৰ হিয়াক সঙ্কীৰ্ণ কোমল কবি তোলা তেতিয়া ভগবানে নিশ্চয় তোমাৰ মুবত অজস্ৰ তেওঁৰ আশীৰ্ব্বাদ বৰ্ষণ কৰে। ভিখাৰী তোমাৰ জীৱন বৰং সুন্দৰ। মিছাতে তাক কুৎসিং বুলি কল্পনা নকৰিবা।

ভিখাৰী—কবি, পুৱাৰ কিবলে যেনেকৈ পৃথিবীৰ আন্ধাৰ নাহে নাহে আঁতৰায় তেনেকৈ তোমাৰ কথা বিনাকে মোৰ মনৰ ওপৰৰ পৰা যেন কিবা আঁতৰাই দি তাত গোহৰৰ ঢেলা পাতিছে। তোমাক ধন্যবাদ।

[ভিখাৰী ওলাই যায়]

কবি—দুখৰ বুকুতে সুখৰ বিকাশ। গতিকে দুখৰ আৱশ্যকতা অনিবাৰ্য্য (ঘুৰি চাই পথিলা এটা দেখি) এই এতিয়াহে মনত পৰিল হবলা। দেখিবলৈ শুভনি মুলিয়েই তোমাৰ ভেম, ইফালে ফুল বেচেৰীহঁত বেজাৰত শুকাই মৰক। [মুখত মৃদু হাঁহি. একেখৰে পথিলাৰ নাচ চাই থাকে, অলপ পিছত ডাঙৰীয়া, ডাঙৰীয়ানী আৰু ন' বটাত তামোলপাণ সৈ এটা চাকৰৰ প্ৰবেশ।]

কবি—(আথেবেথে) আহক আহক এই ফালে এই আসন খনতে বহক, দুখীয়া মানুহ আপনালোকৰ সংবৰ্দ্ধনাৰ লায়েক একো বস্তুৱেই নাই। আজি মোৰ বৰ সৌভাগ্য। ডাঙৰীয়ানী স্বয়ং উপস্থিত।

[ডাঙৰীয়া, ডাঙৰীয়ানী বহে]

ডাঙৰীয়া—কবি মোৰ ডাঙৰ ছোৱালীটোৰ বিয়া, এই ৫ তাৰিখে। তাতৈকে আপোনাক নিমন্ত্ৰণ জনাবলৈ আমি দুয়ো আহিলোঁ।

কবি—আপোনালোকৰ বৰ অনুগ্ৰহ।

ডাঙৰীয়া—নানা ঠাইৰ নানা সুধী সজ্জন বিয়াত উপস্থিত থাকিব। আপুনি বিয়াৰ দিনা পুৱাৰ পৰা উপস্থিত থাকি সভাৰ শোভা বৰ্দ্ধন কৰিলে বৰ কৃতাৰ্থ হম।

কবি—এনে শুভকাৰ্য্যত নিশ্চয় সকলোৰে যোগ দিয়া উচিত। পিছে মই ভাবিছিলোঁ আজি কিছুদিনৰ পৰা মোৰ গা অসুখ কাৰণে আৰেলি সৈ আপোনাৰ নিমন্ত্ৰণ ৰক্ষা কৰিম বুলি। তাতে আপোনাৰ আগলী সকলক সুবিধৰ কাৰণে মানুহৰ অভাৱ নাই।

ডাঙৰীয়ানী—পুৱাৰ পৰা উপস্থিত নাথাকিলে বৰ বেয়া পাম।

কবি—ভাল, পুৱাই যাম।

ডাঙৰীয়া—গাড়ী পঠাই দিম। কিমান সময়ত সুবিধা হব?

কবি—নালাগে, খোজ কাঢ়িয়েই যাম। গাড়ীত গলে বাটৰ কাষৰ বহুত সজীৱ নিৰ্জ্জীৱ বন্ধুবে সৈতে গল্প কৰাৰ সুবিধা নাপাওঁ গতিকেই মোৰ আপত্তি।

ডাঙৰীয়া—ভাল, আপোনাৰ যেনে অভিৰুচি।

ডাঙৰীয়ানী—আপুনি সৌ পজাটোতে থাকে হবলা?

কবি—হয় সেইটোৱেই মোৰ ৰাজ কাৱেং।

ডাঙৰীয়ানী—এটা ভাল বঙলা সজাই নলয় কিয়?

কবি—তেনে নকবাৰ প্ৰথম কাৰণ ধনৰ অভাৱ, দ্বিতীয় কাৰণ ইচ্ছাৰ অভাৱ। দেশৰ যেতিয়া সকলোৱেই গঞ্জাত থাকে ময়ো গঞ্জাতে থকা ভাল বুলি ভাবোঁ।

ডাঙৰীয়াৰী—আপোনাৰ কচি অদ্ভুত। (ডাঙৰীয়াৰ ফালে ঘুৰি) বিয়াৰ দিনা বঙা সজাবলৈ ইয়াৰ পৰা ভালেমান ফুল, গছপাত আদি নিব পৰা যাব।

কবি—(শেঁতা পৰি গৈ) ভাল যি পাবোঁ পঠাই দিম।

[পট]

দ্বিতীয় অঙ্ক

প্ৰথম দৃশ্য

[সুন্দৰকৈ সজোৱা ডাঙৰীয়াৰ বৈঠকখানা। বাহিৰত বেণুৰ শব্দ, ডাঙৰ বিয়াৰ আয়োজনৰ আনুসঙ্গিক আন আন শব্দ। কোঠাত গুকগুৰি মুখত লৈ ৰায় বাহাদুৰ, তেখেতৰ ওচৰতে খাঁ বাহাদুৰ, ইফালে ৰায় চাহেব, সিফালে, খাঁচাহেব সমুখত ডেকা বাগিছাৰ মালিক, তেওঁৰ ওচৰতে বাগিছাৰালা বুঢ়া সাহিত্যিক। চিগাৰেট, তামোল, চাহ আদি পালে পালে মানুহে দি গৈছে]

ৰায়বাহাদুৰ—বিয়াৰ বন্দোবস্ত সকলো ভাল হৈছে। পিছে মোৰ ছোৱালীৰ বিয়াত চাহাব সকলক যেনে এটা ডাঙৰ ডিনাৰ পাৰ্টি দিছিলোঁ তেনে এটা পাৰ্টি দিয়া হলে সৰ্ব্বাঙ্গ সুন্দৰ হলহেঁতেন।

ডেকাবাগিছা—ইউ ৰয়।

নেপথ্যে—হুজুৰ।

ডেকাবাগিছা—ডেম, ইউ, চিগাৰেট লে আও।

(এটা মুৰত পাগুৰীমৰা কুলীৰ লৰাই,—চিগাৰেটৰ টিন আৰু দিয়াচলাই ডেকাবাগিছাক দি যায়। তেওঁ চিগাৰেট এটা জ্বলায়)

খাঁ বাহাদুৰ, ব্লেক এণ্ড হোৱাইট নহলে মই স্মোক্ কৰিবই নোৱাৰোঁ। এইখন দেশত বোলে সেই চিগাৰেট নাই। গতিকে মই এক গ্ৰোচ্ লৈ আহিছোঁ। এটা খাই চাওঁকচোন।

খাঁবাহাদুৰ—এ আমাৰ বুঢ়া মানুহৰ সেই তাহানি খনৰ নেভিকাট মিডিয়মেৰেই কাম চলে। বাৰু এটা দিয়ক। (চিগাৰেট লগাই) ৰায় বাহাদুৰ ডাঙৰীয়া মই আৰু আমাৰ ৰায় চাহাবে ডাঙৰীয়াক তেনে পাৰ্টি দিবলৈ কৈছিলোঁ, পিছে কাম কৰা ডেকাইতে যেন তেনে কৰিলে বিয়াৰ কামকে নকৰোঁ বুলি জনাব দিয়ে গতিকে হৈ যুঠিল।

ৰায়চাহাব—এই ডেকা বিলাকৰ মইমতালি দিনে দিনে বাঢ়িছেহে। শেঃত দেখিছোঁ। দেশত তিষ্ঠিই হব।

খাঁচাহেব—কলি কাল নো বোলে কাক। ডেকাইতকে নধৰিবছোন। সকলো বিষয়েই পালট। ধানৰ দৰ নাই, চাহৰ দৰ নাই, মৰা পাটৰ নাই, গৱৰ্ণমেণ্ট, বাইঙ সকলো অচল। মুঠতে দিন হ'ল।

ৰায় বাহাদুৰ—এই গান্ধীডাল ওলায় হে—লৰাবোৰে বলিয়া কবি এনে কৰিলে। আজি কালি আমাক নমাই চাহাব সকলকো গাঁওৰ মানুহেও চালাম এটাকে দিছি হ'ল। দিন সঁচাকৈয়ে ৰৰ বেয়া হল।

[কবিক লগত লৈ ডাঙৰীয়াৰ প্ৰবেশ। কবিৰ আগৰ সাজেই, কেবল গাত এখন অধিক চেলেং]

ডাঙৰীয়া—আপোনাসকলৰ লগত আমাৰ বিখ্যাত কবিৰ পৰিচয় কবি দিবলৈ তেখেতক নিয়ে কবি আনিছোঁ। কবি! এখেত আমাৰ দেশৰ বিখ্যা ব্যৱসায়ী ৰায় বাহাদুৰ। এখেত গৱৰ্ণমেণ্টৰ উচ্চ প কৰ্ম্মচাৰী খাঁ বাহাদুৰ। এখেত চৰকাৰী বিষয়া চাহেব। এখেত আগৰ দিনৰ পুৰণি কলীয়া মানুহ খাঁ চাহেব। এখেত বিখ্যাত ধনী, চাহ বাগি মালিক। আৰু এখেত লক্ষ্মী আৰু সৰস্বতীৰ বৰ চাহ বাগিছাৰ মালিক আৰু সাহিত্যিক।

[কবিয়ে প্ৰত্যেককে নমস্কাৰ সম্বৰ্দ্ধনা জনায়। বাহাদুৰ আদিয়ে হুঁ হাঁ কবি মনে মনে থাকে। চাহেব আৰু সাহিত্যিক বাগিছাই মাথোন কবিৰ সাৰ কৰে। কবিক এখন আসনত বহুৱাই ডাঙৰীয়া যায়]

সাহিত্যিক বাগিছা—আপোনাৰ নাম বহুত



মনিপুৰৰ এটি দৃশ্য

[ষ্টীট নেগেটিভ চেম্ব কৰ্ত্তৃক গৃহীত]

পরা শুনি আছিছোঁ। কিন্তু সাক্ষাতৰ হলে সুবিধা পোন্না নাই। আজি মোৰ বৰ গৌৰৱৰ দিন যে আপোনাৰ সৈতে আলাপ হল।

খাঁচাহাৰ—হয় হয়, ডাঙৰীয়াই ঠিক কৈছে। ভাগ্যবানৰ হে এনে পুকৰৰ লগত সাক্ষাত হয়।

কবি—(লাজুকীয়া ভাবে) ওবিত প্রশংসাৰ তাপেৰে পৰিচৰ কোমল পুলিটি মাৰি নেপেলাব। সৌভাগ্য আপোনা লোকৰ নহয়, মোৰহে আপোনা লোকৰ দৰে সুধী সজ্জনৰ সঙ্গলাভ কবিবলৈ পাইছোঁ বুলি।

ৰায় বাহাদুৰ—এওঁ কিতাপ লেখে হবলা? এটা ৰাজসায় নকৰি কিতাপবোৰ লিখি কি বৰ কামটো কৰিছা বুলি ভাবিছা? এইয়া চ'ক খাঁ বাহাদুৰ, এই মোৰ ডেকাসবাই ক'ত দুটা পইছা উপার্জ্জন কবিব তাকে নকৰি সিহঁতে লেখে কিতাপ। বোলো কিতাপ লিখি কিবা পোৱানে?

কবি—পাওঁ কাৰণেহে লিখোঁ।

ডেকা বাগিছা—কিমান পায়? বাক আপুনি কেইখন কিতাপ লিখিছে আৰু প্রত্যেক কিতাপতেই লাভ কেনেকৈ থাকে?

কবি—হিচাপ নাই। কিন্তু লাভ যথেষ্ট।

ডেকাবাগিছা—তেন্তে আপোনাৰ নিশ্চয় 'কাৰ' আছে। যদি নাই ঠিক মোৰ ধনৰ দৰে এখন অগ্রীন গাৰী কিনিব। অসমত কিজানি মোৰ ধনেই আটাইতকৈ ভাল গাৰী। এখন ভাল গাৰী নহলে আপোনাক এৰিষ্টক্রেট্ বুলি কোনেও নামানে। কওক আপোনাৰ গাৰী আছে?

কবি—নাই।

ডেকাবাগিছা—তেন্তে এখন শীঘ্রে কিনক।

কবি—নিকিনো।

ডেকাবাগিছা—কিয়?

কবি—এটা কথা সোধোঁ, যদি দোষ নধৰে। মটৰ গাৰীতকৈও বিশ্বময় সৌন্দর্য্যৰ অনন্ত খেলাৰ মূল্য মোৰ চকত বহুত বেছি। মোৰ চকুৰ আগত এখন মটৰ লৈ তাৰে এই সৌন্দর্য্যৰ এটা আবৰণ সৃষ্টি কবিবৰ মোৰ ইচ্ছা নাই। আপুনিও যদি আপোনাৰ সুন্দৰ গাৰীখনৰ সিপাৰেও আৰু কিবা সুন্দৰ আছে বুলি অনুভৱ কবিবলৈ চেষ্টা কৰে তেন্তে মই সঁচাকৈয়ে আনন্দ পাম।

ৰায় বাহাদুৰ—সেইখন কথা থোৱা। কোৱাচোন অনুমান তোমাৰ বছৰৰ লাভ কিমান হয়? কিজানি মগ্যো সেই ব্যৱসায়ত কিছু ধন খৰচ কৰোঁহেই।

কবি—লাভৰ যে সীমা নাই। তাক যে জানিব নোৱাৰি।

ৰায় বাহাদুৰ—মানে?

কবি—মোৰ লাভ সৃষ্টিৰ বিমল আনন্দ। সৌন্দর্য্যই তাৰ অমিয় গীতি মোৰ জীৱন তন্ত্রীবসুৰত গাই যায়, মই তাকে কথাকপে প্রকাশ কবিবৰ চেষ্টা কৰোঁ। এই দীপ্ত অনুভূতিয়েই মোৰ লাভ। এই সৌন্দর্য্য চর্চ্চাই মোৰ সাধনা। মোৰ জীৱন।

ৰায় বাহাদুৰ—(খঙত জ্বলি উঠি) তেন্তে তুমি আমাৰ লগত ইমান পৰ তামাচাহে কবিছিলা?

খাঁ বাহাদুৰ—ৰায় বাহাদুৰ ডাঙৰীয়া, আৰু এটা খৰৰ আপোনা লোকক দি থওঁ। এওঁৰ ওপৰত গৱর্ণমেণ্টৰ চকু আছে। বিদ্রোহী গান আৰু কবিতা লিখি এওঁ লৰাবোৰ গুছালে। কোনোবা দিনা এওঁৰ বগা দৰত বাস হয় হে। মই পালেহে ভালকৈয়ে দিম।

ডেকা বাগিছা—অ, তেন্তে তুমি দুখীয়া, তুমি এৰিষ্টক্রেটৰ কথা কি বুজিবা? মোটৰৰ বিষয়ে তোমাৰ তেনে ধাৰণা হোৱা স্বাভাৱিক।

ৰায় চাহাৰ—বলক, এই বলিয়াটোৰ লগত থকাতকৈ আমি বিয়াৰ কামেৰ অলপ তদ্বিৰ কৰোঁগৈ।

[সাহিত্যিক বাগিছা, খাঁচাহাৰ, আৰু কবিৰ বাহিৰে সকলোৰে প্রস্থান। লগে লগে সমালোচকৰ প্রবেশ। সমালোচকৰ বয়স কবিৰ সমানেই ; চকুত তীক্ষ্ণ দৃষ্টি আৰু এটা অবজ্ঞাৰ ভাব]

খাঁচাহাৰ—আহক, আহক, সমালোচক ডাঙৰীয়া বহক। কবিৰ দুটা কথা ধীৰে সুস্থে শুনা যাওক।

সমালোচক—(ওচৰৰ থালৰ পৰা পান আৰু চিগাৰেট লৈ অগায়) কবি তোমাৰ লগত সাক্ষাৎ হ'ল ভালেই



মন্ত্রী স্কেটোকী চাহেবৰ উদ্যোগত ফলিদপুৰত স্থাপিত ফার্স্ট ক্যাব পি, টি, ৰাজে শিক্ষিত নিবন্ধুৰা ডেকা সকলৰ লগত হালত ধৰিছে।

পালো। তুমি মোর তোমার শেষ কিতাপর সমালোচনা পঢ়িছানে ?

কবি—নাই পঢ়া।

সমালোচক—কিয় ?

কবি—নাই পোরা।

সমালোচক—বাঁহীত বাহির হৈছে। তোমার ছন্দর ভুল গোটাচেকেক মই দেখুরাই দিছোঁ। আৰু ভাৱর ঠাইে ঠাইে যে খেলি মেলি লাগিছে তালৈকো আঙুলিয়াইছোঁ। মুঠতে তুমি মোর নির্দেশমতে চলিলে এসময়ত এজন ভাল লিখাক হবা।

কবি—ধন্যবাদ। কিন্তু তুমি কেতিয়াবা কবিতা লিখিছানে ?

সমালোচক—নাই লিখা।

কবি—তেন্তে সেই লিখাৰ বেদনা তুমি কেনেকৈ বুজিবা ভাই। সমালোচনাৰ আৱশ্যকতা আৰু মূল্য দুয়োটা আছে বুলি মানো কিন্তু এটা কথা পাহৰিলে নহব যে কবি আৰু সমালোচক দুয়ো দুই বেলেগ ক্ষেত্রৰ জীৱ। সমালোচনাই নিজ পাণ্ডিত্যৰ গৰ্ব্বত জ্ঞানৰ অদ্বিতীক্ষণেৰে সৌন্দর্য্যৰ মহিমা চাই আনন্দ পায়। কিন্তু কবিয়ে যে সুন্দৰৰ সৃষ্টিত আত্মহাৰা হৈ তেওঁৰ হৃদয়ৰ ছন্দময়ী কাব্যক মূর্ত্ত কবি তোলে। কবি হৃদয়ত অনন্ত সুন্দৰে রূপ লৈ কবিৰ লগত যেতিয়া লুকা ভুকা খেলি শেহত কবিৰ শব্দবাণীৰ মাজেদি ছন্দময় হৈ নাচি নাচি প্রকাশ পায় সেই অপূর্ব্ব বিকাশৰ বেথাময় আনন্দৰ খবৰটো সমালোচকে নাপায় ভাই। কবিতা কবিয়ে লিখিলে। কবিতাইহে কবিক লিখে। সুন্দৰৰ কোনৰূপে কেতিয়া কি সুৰত আপোনাক প্রকাশ কৰে তাক কবিয়ে কব নোৱাৰে। তেওঁ সুন্দৰৰ একান্ত উপাসক। তাৰ সকলো প্রকাশেই তেওঁৰ ওচৰত মধুৰ। তেওঁৰ অপূর্ব্ব সৌন্দর্য্য তেওঁ জগতৰ মানুহৰ হৃদয়ক সুন্দৰ কবি তুলিবৰ প্রয়াস পায় দেখিয়েই তেওঁৰ কণ্ঠই সেই সুন্দৰৰ আভাসক ধৰি শব্দময়ী কবি তোলে।

সাহিত্যিক কাগিছা—কিন্তু কবিতাৰ ভাব সাধাৰণক সমালোচকে বুজালে কোনে বুজাব কবি ?

কবি—সেই বিধ সমালোচক কবিৰ দৰেই সৌন্দর্য্যৰ উপাসক। তেওঁলোকৰ কৃপাতে জগতৰ কবিতাৰ আদ বাঢ়িছে আৰু বাঢ়িব।

[কেজনমান কিশোৰৰ প্রবেশ]

১ম কিশোৰ—কবি তোমাৰ গানে আমাৰ প্রাণ কবিছে। তুমি আমাৰ নমস্কাৰ গ্রহণ কৰা।

[আটাই কেইজনে নমস্কাৰ কৰে। কবিয়ে নমস্কাৰ কৰি আনন্দতে উজন হৈ উঠে।]

২য় কিশোৰ—কবি, তোমাৰ জীৱনৰ স্বপ্ন কি ?

কবি—জগতত সুন্দৰৰ বাজ্য স্থাপন।

৩য় কিশোৰ—আমি তোমাৰ এই মহৎ কার্য্যত দিও সাহায্য কৰিম।

কবি—মঙ্গলময়ে তোমালোকৰ এই সজ উদ্দেশ্য সিদ্ধ কৰক।

[কেইটি মান সক সক ল'ৰাছোৱালী লৰি আহি কোলাত আৰু চাৰিওফালে বহে।]

১ম বালিকা—কবি, তোমাক দেখিলেই ভাল লা কিয় ?

১ম বালক—কবি, তোমাৰ জেপত নিশ্চয় সুন্দৰ আ নহলে গোলাপ ফুলৰ গোন্ধ আহিব ক'ৰ পৰা ?

২য় বালিকা—(কবিৰ মুখখন নিজৰ ফালে ঘুৰা মোকো এটা দিবা কবি।

[কবিয়ে জেপৰ পৰা লাহে লাহে কল পাতত থোৱা ফুল উলিয়াই গাইপতি বিলাই দিয়ে, লৰা ছোৱা বিলাকে আনন্দত হাত চাপৰি বজাই কবিৰ চাৰিওফা নাচে। কবিৰ মুখত অপূর্ব্ব আনন্দৰ বিকাশ যায়।

—পট—

দ্বিতীয় দৃশ্য

[বাতি। বিয়াৰ ধুম ধামৰ শব্দ শুনা যৈছে। আদি বাদ্যৰ আৰু মোটৰ গাৰীৰ খলকনি। মণ্ডপৰ পৰা দুৰত অলপ আন্ধাৰত কবিয়ে খুটা এটাত থিয় হৈ আছে। তেওঁৰ মুখখন ম্লান। দুটা এটা বেগেৰে অহা যোৱা কৰিছে। টোপোলা লৈ ভিখা প্রবেশ]

ভিখাৰী—কবি তুমি ইয়াত কি কৰিছা ? তোমাৰ বন তুকান কিয় ? তুমি একো খোৱা নাই হবলা ?

কবি—এৰা মোৰ গাটো বেয়া লগাত এইখিনিত বলত অকণ বিশ্রাম কৰিছোঁ।

ভিখাৰী—[হাঁহি] যি দৰবাৰ বহিছে তাত তোমাৰ ব মানুহ সোমাই খাবলৈ পোৱাটো সহজ নহয়। শ্রাম কৰাই তোমাৰ সাৰ হব। কবি! মই অলপ লৈ বুলিও সৰকাইছোঁ। তাৰে তোমাক অলপ দিওঁ।

কবি—নালাগে। মোৰ মুৰটো বৰ ঘুৰাইছে। সৌ টোৰ পৰা অলপ পানী তুলি যদি মুৰত ঢালি দিয়া হেঁতে বৰ উপকাৰ হয়।

ভিখাৰী—বলা, তাৰ পিছত তোমাক ঘৰত থৈ হিলে মোৰ মনে শান্তি নাপাব।

[কবিক ধৰি ভিখাৰীৰ লাহে লাহে প্রস্থান।

পট—

তৃতীয় অঙ্ক

প্রথম দৃশ্য

[কবি দুখনি। কবি অকলে বহি আছে। তেওঁক খলেই তেওঁৰ যে অসুখ হৈছে তাক বুজা যায়। তেওঁ মুখে এযোৰ কপৌ চবাইলৈ চাই আছে। তেওঁৰ ত অপূর্ব্ব আনন্দৰ আভাস।]

কবি—(নাহে নাহে) চিৰন্তন এই অপূর্ব্ব সৌন্দর্য্যৰ া। নিষ্ঠুৰ প্রকৃতিৰ বুকুত এই প্রেমৰ বিকাশ কৰত হীৰাৰ দীপ্তিৰ দৰেই সুন্দৰ। সৃষ্টিৰ পিছত ষ্ট হৈ যাব লাগিছে। কিন্তু এই আনন্দ আৰু ৰ বিকাশৰ চেষ্টাত অন্ত নাই। হে সুন্দৰ অসুন্দৰক কবি বিশ্বত তোমাৰ বাজ্য স্থাপনৰ মহতী চেষ্টাক বাৰে নমস্কাৰ কৰোঁ।

[ভাঙবীয়া আৰু ভাঙবীয়ানীৰ প্রবেশ]

কবি—(উঠি) আহক। আপোনালোকৰ শুভ ন মোৰ সৌভাগ্য সূচক। এই আসনতে বহক।

[ছয়ো বহে]

ভাঙবীয়া—কবি, সিদিনা আপোনাৰ উপস্থিতিৰে আমাক কৃতার্থ কৰা দেখি আপোনাৰ ওচৰত আমাৰ হৃদয়ৰ সকলো কৃতজ্ঞতা জনাবলৈ আহিছোঁ।

ভাঙবীয়ানী—আৰু লগে লগে আৰু এটা অনুৰোধ কবিবলৈ আহিছোঁ !

কবি—(বিনীত ভাবে) আদেশ কৰক।

ভাঙবীয়ানী—আজি উৎসৱত আপুনি উপস্থিত নহলে উৎসব অঙ্গহীন হব।

কবি—এই অনুগ্রহ নিমন্ত্রণৰ বাবে ধন্যবাদ। কিন্তু বর্ত্তমান মোৰ শৰীৰ কিঞ্চিৎ অসুখ, গতিকে যদি ক্ষমা কৰিব পাৰেঁ—।

ভাঙবীয়া—এখন্তেকলৈ কবি, নগলে বৰ বেজাৰ পাম।

কবি—ভাল যাম। ভাঙবীয়ানীক এটা ফুল ছিণ্ডি দিয়ে।

—পট—

দ্বিতীয় দৃশ্য

[ফুলৰ মালা আদিবে সজোৱা এটি কক্ষ। চপচপীয়া বৰ্ণা কাপোৰৰ আহল বহল ফৰাশ। ভাঙৰ ভাঙৰ গাঁক চিগাৰেট তামোল গন্ধদ্রব্য। বায় বাহাদুৰ আদি আৰু কবি বহি গল্প কৰিছে।]

সাহিত্যিকবাগিছা—আপোনাৰ লগত আলাপ কৰি মুগ্ধ হৈ গৈছোঁ কবি! আপোনাৰ দৰে কোমল প্রাণৰ স্পর্শতে আজিও মানুহৰ হিয়াত দয়া মায়াই স্থান পাই আছিছে। কবি ঈশ্বৰে আপোনাৰ স্বাস্থ্য শীঘ্রে ভাল কৰক, এয়ে তেখেতৰ ওচৰত প্রার্থনা।

খাঁচাহেৰ—হয় ভাল কৈছে। খোৱা তাম্রাই আপোনাৰ কল্যাণ কৰক।

কবি—আপোনালোকৰ দয়া অসীম। আপোনা লোকৰ শুভ ইচ্ছাৰ বাবে কৃতজ্ঞতা জনাবলৈ মই ভাষা বিচাৰি পোৱা নাই।

ডেকাবাগিছা—কবিয়ে ভাষা হেকৰাইছে, আচবিত। (হাঁহি)

[এজন ডেকা সোমাই আহি সকলোৰে ওচৰলৈ গৈ উঠিব হল বুলি কয়। কবি বাদ পৰে।]

খাঁচাহেৰ—কবি, কবিওতো উঠিব লাগিছিল।

ডেকাবাগিছা—তেখেতৰ অলপ পিছত হব।

খাঁছাহাৰ—ভাল বলক। (কবিৰ বাহিৰে সকলো উঠি যায়)

[কবিয়ে শ্ৰান্ত ভাবে গাঁক এটাত ভৰ দি কিছুপৰ মনে মনে থকাৰ পিছত ভিখাৰী সোমাই আহে]

ভিখাৰী—আজি পুৰ্ণৰং কুৰুক্ষেত্ৰ। যুদ্ধ কৰিছে তিনটা মান সৰকাই খাই আহিছোঁ। ৰাতিও ভালে মান হ'ল। ৰবযুণো দিছে। কৰবাত পৰি থাকিব পাৰিলেই ভাল। (কবিক দেখি) কবি তোমাক এনে বিমৰ্ষ দেখিছোঁ কিয়? তোমাৰ গা বেয়া লাগিছে নেকি?

কবি—বিমৰ্ষ নহয় শ্ৰান্ত। গাটো ৰব বেয়া লাগিছে

ভিখাৰী—আক তোমাক অকলে পেলাই থৈ সকলো খাবলৈ গ'ল নহয়নে?

কবি—মইতো খাবলৈ অহা নাই। উৎসৱত যোগ দিবলৈহে আহিছিলোঁ।

ভিখাৰী—কবি, ইইঁতৰ মনবোৰ মানুহৰ মন গুবিতে থাকিলেও, এতিয়া তাত লো, টিং ৰূপ, সোণ আদি বস্তু পৈ বৰ টান হৈ পৰিছে যেন লাগে।

কবি—নহয়, কিবা অসুবিধা। ৰাক যেতিয়া উৎসৱ শেষ হল এতিয়া যোৱাই ভাল। (উঠে)

ভিখাৰী—বাট বহুত। তোমাৰ গাও বেয়া গতিকে—

কবি—নহয় বাবই লাগিব।

ভিখাৰী—ৰাতি ভালেমান হৈছে। ৰবযুণ ধাৰাসাৰে আহিছে—বতাহো। এনে দুৰ্য্যোগত—

কবি—নহয় দুৰ্য্যোগ হলেও যাব লাগিব।

ভিখাৰী—কবি হলে মানুহ অলপ বলিয়া হয়। তোমাক পিছে অকলৈ এবি নিদিছোঁ। বলা তোমাক ঘৰত থৈ আহোঁগৈ।

কবি—ভিখাৰী, ইমান দুখ খাবৰ প্ৰয়োজন নাই।

ভিখাৰী—ৰাক সেইটো মই বুজিম বলা।

কবি—(ভিখাৰীৰ হাতত ধৰি) বলা ভাই। তোমাৰ হিয়াৰ সজীৱ স্নেহৰ স্পৰ্শত যেন মোৰ জীৱনৰ কালিমা কাটি যায়। [দুয়ো ওলাই যায়]

—পট—

চতুৰ্থ অঙ্ক

—১ম দৃশ্য—

[কবিৰ কুটীৰৰ এটা খোটালি, এখন চাদৰ কবি শুই আছে। চাৰিওফালে আবৰ্জ্জনা। কবি চেহেৰা হাড় ছাল ওলোৱা। কেৱল দুহাৰ মুখত গোলাপৰ ডাল এটাত এ পোপা গোলাপ ফুল আছে।]

কবি—(লাহে লাহে) হে সুন্দৰ! ইকি অদ্ভুত খেলা মোৰ লগত খেলিছ? তোমাৰ এই নিষ্ঠুৰ পূজাৰীৰ লগত এই নিষ্ঠুৰ খেমালি নকৰা হলেই তোমাৰ কি ক্ষতি হ'ল হেঁতেন? নে ইয়াৰ পৰীক্ষা? ক্ষুধা তৃষ্ণা, ৰোগৰ যন্ত্ৰণাৰ মাজত তোমাৰ অনন্ত, মোহন মূৰ্ত্তিক পাহৰোনে নাই তাকে চাব খুজিছা নেকি দেৱতা? কিন্তু তোমাৰ কণ, তোমাৰ সাধনাই মোৰ হৃদয় অধিকাৰ কৰি বহি আছে। সকলোক অতিক্ৰম কৰি তাৰ মহিমাই যে মোক মুগ্ধ কৰি ৰাখিছে (অলপ বৈ) সেয়া তোমাৰ মোহন বীণা কাণত বাজি উঠিছে। তোমাৰ ৰূপৰ আভাস চকুৱে যেন দেখিবলৈ পাইছে। তোমাৰ দেহৰ স্বৰ্গীয় গোন্ধত নাক যেন ভৰি গ'ল। তোমাৰ স্পৰ্শত সমস্ত শৰীৰ আনন্দত বোমাঞ্চিত হৈ উঠিছে। তোমাৰ ৰসে মোৰ দেহত প্ৰত্যেক শিৰা কবিছে। আঃ কি আনন্দ! কি আনন্দ! কি আনন্দৰ সমুদ্ৰত সাঁতুৰি মই যে পাৰ পোৱা নাই।

[ভিখাৰীৰ প্ৰৱেশ]

ভিখাৰী—কবি, কবি, তোমাৰ ইকি হ'ল? তোমাৰ চাৰিওফালে ইমান আবৰ্জ্জনা কিয়? তোমাক ইমান দুৰ্ব্বল, বীণ দেখিছোঁ কেনৈ? (গাত হাত দি) কি তোমাৰ ইমান অসুখ হৈছে বুলিতো মই খবৰ পোৱা নাই।

কবি—অলপ অসুখ হলেও মই মুঠেতে বেছ ভালে আছোঁ।

ভিখাৰী—খোৱা বোৱাৰ কি দিহা কবিছা?

কবি—একো নাই।

ভিখাৰী—নিবাহাৰে আছা?

কবি—(হাঁহি) তেনেকুৱাই

ভিখাৰী—তোমাৰ কোনেও খবৰ লবলৈ অহা নাই?

কবি—প্ৰায় সকলোৱেই আহিছে।

ভিখাৰী—মানে?

কবি—শুনা বাহিৰত এটা কুলিয়ে মাতিছে। এই কুলিটিয়ে সদায় মোৰ খবৰ লৈ যায়। স্বৰ্ণবৰ্ণাৰ মধুৰ সঙ্গীত ইয়াৰ পৰা বেছ কাণত পৰে। ফুলৰ গোন্ধে অনবৰত মোক আবৰি থাকে আৰু সেই গোলাপ জুপিয়ে মোক বাহিৰত নেদেখি দুহাৰ মুখলৈকে আহি জুমি চাই মোৰ বাতৰি লৈছে, পুৱা সন্ধিয়া মলয়াই একোবাৰ আহি কেনে আছা বুলি সুধি যায়। দুটা এটা পখিলা, মৌমাখি ভোমোৱায়ো খবৰ লয়। সূর্য্যৰ কিৰণ, জোনৰ পোহৰেও মোক পাহৰা নাই।

ভিখাৰী—কবি, অলপ ক্ষান্ত হোৱা। মানুহ কোনোবা আহিছে নে নাই সেইটো খবৰ মোক দিয়া।

কবি—লোকালয়ৰ পৰা দূৰৈত আধা পগনা এটা মানুহ, তাৰ পজাটোত বেমাৰত পৰি আছে, হয়তো এই খবৰ লবৰ মানুহৰ সময় নাই।

ভিখাৰী—তোমাৰ প্ৰতি মানুহৰ ব্যৱহাৰে মোক মানুহ আতিচোঁৱৰ প্ৰতি ঘৃণাত বলিয়া কবি তুলিছে।

কবি—আক সেই সৰ্ব্বনাশৰ পৰা তোমাক ৰক্ষা কৰিব মোৰ প্ৰতি তোমাৰ ব্যৱহাৰে।

[ভিখাৰীৰ চকুৰেদি দুধাৰি চকুলো বৈ যায়। কবিৰ চকুতো অশ্ৰু। ভিখাৰীয়ে আঠুকাড়ি কবিৰ হাতত চুমা এটা খায়।]

ভিখাৰী—তোমাৰ কাৰণে কিবা অলপ কবি আনো।

[ওলায় যায়]

—পট—

৫ম অঙ্ক

১ম দৃশ্য

[ফুলেৰে সুসজ্জিত কবিৰ মৃতদেহ লৈ শোভাযাত্ৰা। আগত সংকীৰ্ত্তন, শোভাযাত্ৰাত বহুত মানুহ, ডেকা বয়হ। এটা বাটেদি যাওঁতে দুমহলীয়া পৰা মহিলা সকলে আৰু আৰু ফুল কবিৰ শৰ ওপৰত ছটিয়াই দি নমস্কাৰ কৰে। লাহে লাহে শোভাযাত্ৰা ওলাই যায়। সংকীৰ্ত্তনৰ শব্দ ক্ৰমে দূৰৰ পৰা আছে]

২য় দৃশ্য

[বাটৰ কাষত শুদা ডবিৰে ডাঙীয়া ডাঙীয়ানী থিয় হৈ আছে। তেওঁলোকৰ ওচৰত শবাই এখনত এখাৰ বৰ ডাঙৰ বগা ফুলৰ মালা।]

ডাঙীয়া—মই মালাধাৰ তোমাৰ হাতত তুলি দিম, তুমি শটোৰ বুকুত দিবা, তাৰ পিছত দুয়ো সেৱা কৰিম।

ডাঙীয়ানী—ঘিণো লাগে, কি বেমাৰত বা মৰিল?

ডাঙীয়া—সংক্ৰামক একো নহয়, খাবলৈ নাপাই। ডেকাইতে যেতিয়া এনে হল মূল লগাইছে, আমি পাছ পৰি থকা উচিত নহয়। পিছত ভালকৈ গা পা দুই পেলালেই হব।

ডাঙীয়ানী—ফটোগ্ৰাফাৰ?

ডাঙীয়া—সেী গছডাল৷ত তলতে অপেক্ষা কৰি আছে। তুমি মালাধাৰ দিওঁতেই ফটো লবলৈ কৈছোঁ।

[শোভাযাত্ৰা সোমাই আছে। প্ৰথমতে নিচান লৈ কিছুমান সক লৰা, তাৰ পিছত সংকীৰ্ত্তনৰ দল, তাৰ পিছত কবিৰ মৃতদেহ, তাৰ পিছত আৰু মানুহ। মৃতদেহ বিছনাৰে সৈতে ডাঙীয়াৰ আগত নমাই থোৱা হয়। এনেতে সুন্দৰ এটা গোলাপ হাতত লৈ ভিখাৰী উধাতু খাই লৰি আহি ফুলটো কবিৰ ভৰিত দি কবিক সেৱা কৰে। ডেকা লৰাবোৰে ভিখাৰীক ভিন্তিত ধৰি বাহিৰ কৰি দিয়ে। কবিৰ মুখত শান্তি আৰু মিচিকিয়া হাঁহি। ফটোগ্ৰাফাৰে কেমেৰা ঠিক কৰে। ডাঙীয়া ডাঙীয়ানী কবিৰ মৃত দেহটিক দুই হাত তুলি নমস্কাৰ কৰে। তাৰ পিছত ডাঙীয়াই মালাধাৰ ডাঙীয়ানীৰ হাতত তুলি দিয়ে। ডাঙীয়ানীয়ে তাক কবিৰ বুকুত দিয়ে। এনেতে ফটো-গ্ৰাফাৰে ফটো লয়। তাৰ পিছত দুয়ো আকৌ হাত তুলি কবিক নমস্কাৰ কৰে। বাহক সকলে কবিৰ দেহ কান্ধত দাঙি লয়। সংকীৰ্ত্তন আৰম্ভ হয়। বহুকণ্ঠৰ পৰা 'জয় কবিৰ জয়, ডাঙীয়া ডাঙীয়ানীৰ জয়' শব্দ বাৰে বাৰে উত্থিত হয়। ডাঙীয়া ডাঙীয়ানীয়ে জনতাক যোৰহাত মুৰত লৈ নমস্কাৰ জনায়। শোভাযাত্ৰা জয় ধ্বনিৰে মাজত আগবাঢ়ে।]

—পট—

বিশ্ব-প্ৰবাহ

পেৰিচত দুজন ভাৰতীয়ৰ অদ্ভুত ক্ৰীড়া-কৌশল প্ৰদৰ্শন

দুজন ভাৰতীয় মানুহ গৈ য়ুবোপৰ নানা ঠাইত ক্ৰীড়া কৌশল দেখুৱাই সকলোকে চমক খুৱাই ফুৰিছে। প্ৰায় ১২ ফুট ওখ এটা বোলৰ ওপৰত লগোৱা এছটা কাঠৰ এমূৰে এজন মানুহ থিয় হয় আৰু তাৰ মুৰৰ ওপৰত

এজনী ছোৱালী অঙ্গ-প্ৰত্যঙ্গৰ নানা ভঙ্গীৰে এনে কিছুমান ক্ৰীড়া কৌশল দেখুৱায় যে দেখিলে গাৰ নোম শিয়ৰি উঠে।

খেতিপথাৰত বঙালী শিক্ষিত নিবনুৱা ডেকা

বঙ্গদেশৰ শিক্ষিত ডেকা সকলৰ নিবনুৱা সমস্যা অঁতিৱাবলৈ নানা ৰকমৰ দিহা কৰা হৈছে। বিশেষকৈ কৃষি আৰু শিল্পৰ প্ৰতি ডেকা সকলৰ দৃষ্টি আকৰ্ষণ কৰা হৈছে। গভৰ্ণমেণ্টেও এই বিষয়ে উৎসাহ দেখুৱা দিবলৈ গৈছে। নানা ঠাইত খেতিপথাৰ খুলি ডেকা সকলক উন্নত ধৰণৰ খেতিৰ প্ৰণালী শিকাবলৈ যোজা কৰিছে। ফৰিদপুৰত এখন ফাৰ্ম্ম খুলি কৃষি বিভাগৰ মন্ত্ৰী নবাব ছৈয়দ এম্ হেবোকীয়ে নিজে গৈ ডেকা সকলক নানা



নবাব ফেবোকীয়ে নিজে গৈ ডেকা সকলক ফৰিদপুৰ ফাৰ্ম্মত খেতিকাযত উৎসাহ দিছে।

ৰকমৰ উৎসাহ দিছে। কিন্তু আটাইতকৈ মন কৰিবলগীয়া কথা পি, চি, ৰায়ৰ উৎসাহ আৰু সহযোগিতা। তেওঁ নিজে গৈ ডেকা সকলৰ লগত হাল বাই খেতিৰ কাম যে কেতিয়াও নীহ নহয় আৰু হালবাললে কেতিয়াও মান সম্ভ্ৰম নষ্ট নহয় তাৰেই উদাহৰণ দেখুৱাই ডেকা সকলক অনুপ্ৰাণীত কৰিছে। এই বিষয় এইবাৰৰ 'আল্লাহৰ আন ঠাইত তেওঁৰ এটি ছবি প্ৰকাশ কৰা হৈছে।

পানীত ওপঙা ডাক্তৰখানা

ত্ৰিৰাঙ্কুৰ আৰু কচিন উপকূলৰ ভিমবানদ নামক ফি

মাজত থকা মানুহবোৰৰ পানীৰ মাজত বাস কৰিব লগা হোৱাৰ ওপৰেই চিকিৎসাদিৰ কোনো ৰকমৰ সুবন্দোবস্ত নাছিল আৰু তাৰবাবে অসীম অসুবিধা ভোগ কৰিব লগা হৈছিল। বৰ্ত্তমানে সেই অঞ্চলৰ ধৰ্ম্মযাজক বেভাৰেণ্ড ই, এ আই মোৰৰ উদ্যম আৰু চেষ্টাত তাত



পানীত ওপঙা ডাক্তৰখানা

এই পানীত ওপঙি ঘুৰা ডাক্তৰখানা খোলা হৈছে। নাওত দৰে দৰে নানা ঠাইলৈ গৈ তাৰ চিকিৎসক সকলে মানুহৰ বেমাৰ পাতি চাই-চিতি ঔষধ আদি দিয়ে গৈ।

অদ্ভুত অঙ্গ পৰিচালনা শক্তি

মিচ বেণ্ডী জলিফি—গোটেই গোটো য়ুৰাই মুগ্ধ হৈছে

মিচ বেণ্ডী জলিফি নামক এগৰাকী ইংৰাজ মহিলাৰ আছুৰ অদ্ভুত পৰিচালনা শক্তি অতি চমক প্ৰদ। নামা অঙ্গী-ভঙ্গীৰে তেওঁ অঙ্গপ্ৰত্যঙ্গ সেই সেই অৱস্থালৈ আনিব পাৰে। দেখিলেই মনে হয় যেন তেওঁৰ গাটি হাড় নাইকিয়া মাংস পিণ্ডহে। ছবিত অলপ তাৰ আভাস পোৱা যাব।

আমেৰিকাৰ 'মহাত্মা'

এজন পুলিছে গডলক আইন অমান্য আন্দোলন চলোৱাত এনেই কৰিছে।

ভাৰতৰ মহাত্মা গান্ধীৰ আন্দোলন সুদূৰ আমেৰিকা-লৈকো বিস্তাৰিত হৈছে। উলিয়াম হাৰিশ্চন গডলে নামে মহাত্মা গান্ধীৰ শিষ্য এজনে সকলো প্ৰকাৰে মহাত্মা গান্ধীক অনুকৰণ কৰিছে। আনকি তেওঁ সাজপাৰো গান্ধীৰ দৰেই পিন্ধে। তেওঁ গৈ আমেৰিকাতো প্ৰেচিডেণ্ট কলভেণ্টৰ কাৰ্য্যপদ্ধতিৰ বিৰুদ্ধে আইন অমান্য আন্দোলন চলাইছে।

গোলাঘাটত অস্পৃশ্যতা বৰ্জ্জন

শ্ৰীশ্ৰীযুত গড়মুৰীয় গোস্বামী সন্ন্যাধিকাৰ প্ৰভুৰ চেষ্টাত অস্পৃশ্যতা বৰ্জ্জন আন্দোলনৰ প্ৰচাৰ কাৰ্য্য গোটেই অসমতে বিয়পি পৰিছে।' সিদিনা 'গোলাঘাট হৰিজন সেৱক সঙ্ঘ'ৰ তত্ত্বাৱধানত থকা ফুলবিলাকৰ অনুন্নত ছাত্ৰ সকলক

লৈ সাৰ্ব্বজনীন ভোজ পতাত এই আন্দোলনৰ সফলতা অস্পৃশ্যতা ৰূপ পাপ অচিৰতে অসমৰ পৰা আঁতৰিব
ভালে খিনিআগবাঢ়িছে। এনেবোৰ উদাহৰণৰ পৰা আশা কৰিব পাৰি।

গোলাঘাটত অস্পৃশ্যতা বৰ্জ্জনৰ বাবে পতা সাৰ্ব্বজনীন ভোজৰ দৃশ্য

জীৱনৰ প্ৰয়োজন

কবিতা—

—শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী

যাৰ হৃদয়ত
দেশ-সেৱনত
আত্মাহুতিৰ অনল শিখা নাই,
তাৰ জীৱনত
নাই অধাৰত
প্ৰয়োজনৰ উচ্চ দাবী ভাই।

দেশৰ মাটিৰ
ৰস-অপেৰে
নৱন-নৱন পুষ্ট হোৱা প্ৰাণ,
নিকৰ্ম্মাৰ
নহয় কেৱল
লক্ষ্য-বিহীন ভাহিফুৰা গান।

মাতৃ তুমিৰ
বুকু জালি
শক্তি খাবাৰ অমৰ হথা পি,

মাতৃ সেৱাত—
প্ৰাণ নিদিলে
জীৱন যথাৰ ফলটো বা হ'ল কি?

মাতৃভূমি
তিলে তিলে
দহিত্ৰতাত—গৈ যে আছে তল,
মূল্য কিহৰ
তেন্তে তোমাৰ
ভুলি ইমান লাস-বিলাসৰ চল?

দেশ বিদেশৰ
বিচাৰ সভাত
নহবা নে মূঢ় ভূষিত জন
কৱা, আহা,
তেনে হলে
মাতৃ সেৱাত জীৱন মৰণ পণ।

সন্দেহ-ভঞ্জন

গল্প—

—শ্ৰীযুত কমলচন্দ্ৰ সন্দিকৈ

সিদিনা শনিবাৰ। ডুমডুনাৰ পৰা আবেলি পৰত ঘৰলৈ যৈ বাইচাইকেলেৰে ঘুৰি আহিছোঁ। ৰবহাপজান ষ্টেচন পাওঁতে নৌপাওঁতেই বেলি মাৰ গল। লগত আৰু কোনো নাছিল। কাৰবাইড্ লাইটটো জ্বলাই অকণমানৰে বাইক কৰি আহি আছোঁ। বাটত এটিও জনপ্ৰাণী লগ পাবলৈ নাই। ৰাতি যিমানেই বেছি হৈ আহিছে সিমানেই গহীন হৈ উঠি মনটো কেনেবা কেনেবা কৰি তুলিছে। কিছু দূৰ অন্তৰ পিছত দুবৈত ছোটছাপজান ৰাগিছাৰ লাইনৰ কুলীৰ মাত যেতিয়া ৰিণিকি ৰিণিকি শুনিবলৈ পালোঁ তেতিয়াহে মনটো কিছু ভাল লাগিল। সিমানেই ৰাগিছাৰ ওচৰ চাপি আহিছোঁ। সিমানেই সিহঁতৰ হাইটকমি, কোঁহাল বেছিকৈ শুনিছোঁ। বুজিবলৈ বাকী নথাকিল যে সিদিনা শনিবাৰ বুলিয়েই ইমান গণ্ডগোল ঘোৰ হয় চাহ ৰাগিছাৰ কুলীবোৰে নিজ-ঘৰত প্ৰস্তুত কৰা "লাউ-পানী" খাই অনেক বকমৰ হাই-কাজিয়া কৰি গোটেই লাইন খলক লগায়। সম্ভৱতঃ ৰাতি পুন্নাৰে পৰা গধুলিলৈকে কৰা কঠোৰ পৰিশ্ৰমৰ মাত্ৰা কমাবলৈ বুলি আৰু অগত্য থকা দেওবাৰৰ ছুটিৰ দিনটোলৈ মন কৰি মনৰ উণাহতে সবহকৈ 'লাউ-পানী' খাই মতলীয়া হোৱাই এনে হাই-কাজিয়াৰ কাৰণ। ছোট হাপজান ৰাগিছাতো সিদিনা তেনে কাৰণতেই হওক, কিম্বা অইন কাৰণতেই হওক কিছুমান কুলীয়ে ৰং-দেমালি কৰি আৰু হয়তো কিছুমানে হাই-কাজিয়াকে কৰি গোটেই লাইন খলক লগাইছে। নিচেই আগিৰ দাঁতিতে থকা কেইটা ঘৰ কুলীয়ে জাত লগাই গোৱা শুনিবলৈ পালোঁ :—

"হা-য়-ৰে ফাকি দিয়ে আনিল অসম।
চাহ পানী চাউল ভঁজা,
বাখিল পৰাণ—গো,
ফাকি দিয়ে, আনিল অসম॥"

মনতে ভাবিলোঁ ফাঁকি দি অসমলৈ অনা হৈছে নে —নাই সিহঁতৰ দেশত পেট ভৰাই খাবলৈ নাপাই নিহঁতে নিজে কমাই খাবলৈ অসমলৈ আহিছে। কমাই খাবলৈ আহিছে যদি ফাঁকি দি অনাৰ 'ঝুমুৰ' গায় কিয়। এই চিন্তাকে কেন্দ্ৰ কৰি মনৰ অনেক খেলি মেলি ভাবত ৰাতি ঘৰ পালোঁহি।

পিছ দিনা পুৱাতে আগ বেবান্দাতে আৰামী চকী এখনত বহি "বাতৰি" কাগজ চাই আছোঁ। এনেতে ভিতৰৰ পৰা ওলমাই ৰাখি থোৱা এটা বাকচ আৰু তাৰ ভিতৰত কিছুমান বিড়ি আৰু জুই শলাবে সৈতে এটা বিড়িৰাখিবৰ ওপৰত হঠাতে চকু পৰিল। হাট বজাৰৰ নিচেই কাষতে মোৰ ঘৰ। হাটকৰা বাটকৰা প্ৰায়বোৰেই মোৰ চিনাকি। এই বিড়িৰাখনাক কিন্তু সেই দিনা একে-বাৰে নতুন যেন লাগিছে। তাৰ আগেয়ে যেন মই তাক কেতিয়াও দেখা পোৱা নাই। বিড়ি এপেটি কিনিবলৈ বুলি তাক হাত বাউল দি ওচৰলৈ মাতিলোঁ। অৱশ্যে ওৰণ্ডবিটোও সেই দিনা সপ্তাহ 'ৰুভাৰ' হোৱাৰ বাবে ধপাতৰ অভাৱত নিষ্কৰ্ম্মা হৈ পৰি আছিল। বিড়িৰাখ-টোক লক্ষ্য কৰি দেখিলোঁ, তাৰ মুখৰ চেহেৰাত প্ৰস্ফুৰ-তাই বিৰাজ কৰিলেও অন্তৰত যেন কোনো এক অপ্ৰ-কাশিত গধুৰ বোজাই পীড়িৱ লাগিছে এনে অনুমান হয়। প্ৰত্যেক মুহূৰ্ত্ততে যেন সি কোনো বিশেষ কাৰণত মনতে ভয় খাই আছে। আকৌ যেন সি নিজক নিজে মনতে প্ৰবোধ দিছে ভয়ৰ কোনো কাৰণ নাই। মিছাতে ভয়ক লাই দি জীৱনটো বিণদগ্ৰস্ত কৰি তুলিবি।

পৰিধেয় বস্ত্ৰৰ ভিতৰ দেখিলোঁ গাত মুঠেই এখনি ধুতি আৰু এখনি পাতল কথল, সিও মলিয়ে টাটৰি বাঢ়িছে। তাৰ গাৰ বৰণ, মাত-কথা আৰু মুখৰ চেহেৰা আদিলৈ

লক্ষ্য কৰিলে বেছ অনুমান কৰিব পাৰি যে সি ভাটী ফালৰ কোনো এক কুলী শ্ৰেণীৰ মানুহ।

বিড়ি এপেটি লৈ তাক কেই পইচা লাগে বুলি সোধাত সি এপইচা দিয়ক বুলি কোৱাত স্বাভাৱিকতে তাৰ প্ৰতি সদয় ভাব জন্মিল আৰু তাকো এই অঞ্চলত নতুন যেন দেখি তাৰ পৰিচয় লবলৈ ইচ্ছা কৰি সুধিলোঁ যে সি কোন আৰু ইয়াৰ পূৰ্ব্বে সি কত আছিল, ইয়ালৈকে বা সি কেনেকৈ আহি এতিয়া ক'ত আছেহি। মোৰ প্ৰশ্ন শুনিয়েই যেন তাৰ মনত অকণ সাহ জন্মিল, অন্তৰৰ নিভৃত কোণত গুপুতে লুকাই থকা কথা যেন প্ৰকাশ হবলৈ তাৰ মনত খুন্দিয়া খুন্দি কৰিছে। ইফালে মহা তাৰ অন্তৰৰ গুপুত কাহিনীৰ ইঙ্গিত পাই তাক শুনিবলৈ একান্ত মনে তাৰ ফাললৈ চকুৰ দৃষ্টি ৰাখি ৰ লাগি চাই থাকিলোঁ। কণ্ঠ নকণ্ঠকৈ ভয়ে ভয়ে সি কবলৈ ধৰিলে "বাবুজী, মোৰ দুখৰ কথা কি শুনিব! কবলৈ গলে ভালেখিনি, আৰু এনে মানুহৰ সমাগমত (সেইদিনা দেওবাৰ আছিল) মই কবলৈ ভাল নেদেখোঁ, বিশেষতঃ মোৰ ভয়ো হয়। আপুনি যদি নিতান্তই শুনিবলৈ ইচ্ছা কৰে তেন্তে মই ইয়াৰ নিচেই ওচৰতে থাকোঁ, এদিন আনবাৰে আহি মোৰ জীৱনৰ কাহিনী আপোনাক কমহি।" এই বুলিয়েই সি বজাৰলৈ ওছি গল।

সোণামুখী বাগিছাৰ মেনেজাৰ চাহাবৰ অত্যাচাৰত স্থানীয় গাৰ্ডলীয়া বাইজৰ দুখৰ সীমা নোহোৱা হৈছে। গ্ৰেজিং বিজ্ঞাৰ্ভৰ ওচৰতে বাগিছাৰো সীমনা পৰাত বাইজৰ হোৱাটো নোহোৱাটোতো গৰু, ম'হ আদি বাগিছাৰ চৌকিদাৰৰ হতুৱাই ধৰোৱাই নিয়াই পাউণ্ডত দিয়াই অযথা ভৰণি কৰি বাইজক দুৰ্গীয়া জুলুম কৰিও লোকেল বোৰ্ডৰ নিৰ্দ্ধাৰিত জৰিমানৰ বাহিৰেও বাগিছাৰ ভিতৰত সোমাই খাঁহ খোৱাৰ বাবদ খাঁহ-কৰ বুলি ওপৰঞ্চি জৰিমনা আদায় কৰিছে গৰু বা ম'হ মুকলি কৰি দিয়ে। তাৰোপৰি এক গুৰুতৰ বিষয় হৈছে বাগিছাৰ কুলিৰ খেতিৰ সমস্যা লৈ। সিইতে বাগিছাৰ কাষে কাষে অ'ত এচমকা ত'ত এচমকা কৰি খেতি কৰে, গৰু ম'হৰ পৰা ৰক্ষা কৰিবৰ কোনো উপায় নকৰি এনেই মুকলি ৰাখি দিয়ে, কোনো গৰু ম'হ খেতিত সোমাই ন কৰিলেতো কথাই নাই, ওচৰত চৰি থকা দেখিলেও খেতি মালিকে গৰবীয়া নৰাৱ পৰা কাঢ়ি নিও বাগিছা পাউণ্ডত জন্ম কৰি থয়গৈ। গৰু মুকলাবলৈ পাউণ্ড মাচুল দিয়াৰ উপৰিও খেতিৰ ক্ষতি পুৰণৰ বাবদ গৰুটোৱে প্ৰতি ২১—২৷৷ হিঃ আদায় কৰি দিলেহে ৰক্ষা এই বোৰ অসহ্য অত্যাচাৰৰ প্ৰতিবাদ কৰিবলৈ এদি স্থানীয় বাইজ সকলে মিলি এখন প্ৰতিবাদ মূলক পাতিছে। শ্ৰীযুত কেৰকন বৰাই সভাৰ উদ্দেশ্য বাইজ আগত অতি পৰিষ্কাটকৈ বুজাই দিয়াত উপস্থিত বাইজ চাহাবৰ অত্যাচাৰৰ বাবে অগ্নিশৰ্ম্মা হৈ তৰ্জ্জন গৰ্জ্জন কৰিবলৈ ধৰিলে। তাৰে ভিতৰত যদিও শ্ৰীভোলাই, পানী গধিয়ে খুন্দাই আৰু ভবপকৈ আদি কৰি কেইজ মান স্বাৰ্থপৰ লোকে তেওঁবিলাকৰ দৈনিক হাজিরা বোজগাৰ চলোৱাত কিবা ব্যাঘাত জন্মে বুলি চাহাবৰ বিৰুদ্ধে যাবলৈ প্ৰথমতে সম্মতি প্ৰকাশ নকৰিছিল, তথা লোকনিন্দা আৰু সমাজচ্যুতৰ ভয়ত সৰ্ব্বসম্মতি ক্ৰমে প্ৰস্তাৱ গৃহীত হল যে "সোনামুখী বাগিছাৰ মেনেজা চাহাবৰ পাউণ্ড সম্পৰ্কীয় কাৰ্য্যত স্থানীয় বাইজৰ প্ৰতি নিষ্ঠুৰ অত্যাচাৰ কৰা হয় আৰু বাইজৰ গৰু, ম'হ গাভী জন্ম, কৰি অতিৰিক্ত মাচুল নিদিলে মুকলাই নিদি যেতি বাতি কৰাত যি ব্যাঘাত জন্মোৱা হয় তাৰ প্ৰতিকাৰ অৰ্থে লোকেল বোৰ্ডৰ চেৰাম্যেন মহোদয়লৈ এখন আবেদন পত্ৰ দিব লাগে আৰু তাৰ একোখন নকল জিলাৰ ডেপুটি কমিশ্বনাৰ বাহাদুৰলৈ আৰু স্থানীয় বাতৰি কাগজত পঠিয়াব লাগে।" আৰু এই কাৰ্য্যৰ ভাৰ পৰিল ৰে ওপৰত।

তিনিদিনৰ পিছৰ কথা। উল্লিখিত প্ৰতিবাদ সভাৰ কাৰ্য্যভাৰ গ্ৰহণৰ অনুযায়ী লোকেলবো চেৰাম্যেন মহোদয়লৈ বুলি প্ৰতিবাদ স্বৰূপে আবেদন এখনি মচা-বিদা কৰি আছোঁ এনেতে মাকণে ভিতৰৰ ওলাই আহি মাত লগালে "দেউতা, ৯ বজাৰ গাৰী পাবনহি হল। মাষ্টৰ বাবু আহিব বুলিছিল নহয় আ

াড়ি যক।" কথাটো চালোঁ হয়, একাগ্ৰমনে পুৱাৰে বা লিখা পঢ়াত ব্যস্ত থকাৰ নিমিত্তেই মাষ্টৰ বাবুৰ আগমনৰ কথা একেবাৰে পাহৰি আছিলোঁ। কাগজপত্ৰ সাগ মেজৰ দেৱাজটো টান মাৰি তাতে সোমাই থৈ ষ্টেশ্বন ফালে খোজ ললোঁ। ষ্টেশ্বন পাই দেখিলোঁ মাষ্টৰ বাবু নাহিল। মদনলাল মহাজনৰ দোকানত উঠনাকৈ াল খোৱাৰ হিচাব খিনি কৰি যাওঁ বুলি তেওঁৰ দোকানলৈ গ প্ৰায় দেৰ ঘণ্টা মানৰ পিছত ঘৰলৈ উলাট গৈ পদুলি ৰ পাইহোঁগৈ মাত্ৰ, ভিতৰৰ পৰা মাকণে লৰি আহি াৰ হাতত সেইদিনাই ডাকত অহা দুখনি খামত অহা চিঠি দি কলেহি "দেউতা, ইয়াৰ এখন জৰুল ককাই দেউৰ বা অহা হব।" এনে অৰ্থ সঙ্কটৰ দিনত লেহিকৈ চিঠি াধি পালে মনত বৰ ভাল নালাগে। কাৰণ বেছি াগ চিঠিতেই বিবিধ কাৰণ দেখুৱাই টকা-পইছা খুজি ঠিওয়া কথা আৰু লেখীয়া সকলৰ ভিতৰত কোনো াৰণে লোক বাদ নপবে। আইৰ ফালৰ হওক, বোপাইৰ াৰণ হওক তাৰ পৰা কিবা বোলেনে তাহানি খনতে একে পে পঢ়া বৰা, বকৰা, শইকীয়া, হাজৰীকা ইত্যাদি। ন আৰু আনন্দ চুমোৱে সংমিশ্ৰণৰ অন্তস্থাত এখনি চিঠি লি প্ৰথমেই কৰ পৰা কোনে দিছে নামটি চাই দেখিছোঁ যেন দেবেন বোপাই বাগিছাৰ পৰা লিখিছে :—

"শ্ৰীচৰণেষু,

মই যোৱাবাৰ লিখামতেই কাম হ'ল। চাহ বাগিছাত াল বিচাৰ পাবলৈ আশা কৰিব নোৱাৰি। মই আজি ৰ বছৰ যি অশেষ কষ্ট স্বীকাৰ কৰি নিজৰ শৰীৰৰ সুখ, ান শান্তি সকলো জলাঞ্জলি দি আশা ভৰীয়া ভাবে কাম ৰি নিষৰ কৰ্ত্তব্য বজাই বথাৰ উপৰিও কুলী মালিৰ তে ঐক্য স্থাপন কৰি মৰম স্নেহৰ বান্ধ কটকটীয়া ৰিবলৈ সক্ষম হৈছিলোঁ সেই আটাইবোৰকে নেওচা দি ৰিব পৰা এক সপ্তাহৰ ভিতৰতে মই ইয়াৰ কোম্পানীৰ াখি কৰি দিব লাগিব।

সময় অভাৱত পুৱা গধুলি চুবেলা হাজিৰ ভাত দেখি ুগোৱা দুৰ্ঘটাগ্ৰস্ত কুলিৰ প্ৰতি কৰা দুখুৰ সকলৰ ন দুখুন মানি কুলি চলাই কাম লব নোৱাৰোঁ। বুলি

আৰু সিইতৰ নৈতে একেলগ হৈ কুলী দুখুলাই পলাই যাবলৈ সুবিধা দিয়াত কিবা গুপ্ত অভিসন্ধি থকাৰ সন্দেহ কৰি বিনা যুক্তি, প্ৰমাণত মোৰ ওপৰত এক সপ্তাহৰ নোটীশ দিয়া হৈছে। মোৰ বোধেৰে এনে অন্যায়, অমাহুষিক অত্যাচাৰ কৰি নিচলা কুলীৰ পৰা চেপি খুন্দি কাম লৈ চাহ বাগিছাৰ গৰাকী সকলৰ পুঁজি টনকিয়াল কৰি দিয়াতকৈ ওছি যাব লগীয়া হোৱাত একো বেয়া হোৱা নাই। সিইতৰ দুখ কষ্ট দেখিলে একেবাৰে কাঠচিতীয়া জনবো নিশ্চয় অলপ নহয় অলপ হিয়া নগলাকৈ নাথাকে।

এই চিঠি পোৱা মাত্ৰেই ঘৰৰ নছবাক পঠাই দিব। ইতি

অপোনাৰ মৰমৰ

দেবেন"

চিঠি খনিয়ে বৰ অস্থিৰ কৰি তুলিলে। মনৰ অস্থিৰতা ক্ষণেক দমাই দ্বিতীয় চিঠি খুলি দেখিছোঁ, মাষ্টৰ বাবুৱে লিখিছে :—

"প্ৰিয় ফুকন,

কালিযেই আপুনি মোৰ নিমিত্তে ষ্টেশ্বনত অপেক্ষা কৰি মোক নেদেখি উলাট যাব লগীয়া হোৱাত মই এই চিঠিবেই তাৰ বাবে দুখ প্ৰকাশ কৰি ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। শ্ৰীমান বাপকণৰ জ্বৰ হঠাতে বেছি হোৱাত তাৰ পৰা গাকে এবা দিব নোৱাৰাত পৰিছোঁ। মোৰ বিশেষ লগ পোৱাৰ কাৰণ মই চিঠিবেই জনাওঁ :—

আপুনি জানেই Assam Educational Department অৰ circular জাৰি হোৱাৰ ফলত আমালোকৰ নিচিনা ডাল-দৰিদ্ৰ শিক্ষক সকলৰ কি দুৰ্গতি হৈছে। মাহিলি বেতনৰ লগত Private tution কৰি যি দুই চাৰি টকা পাইছিলোঁ তাবে সৈতে কোনো মতে ঘৰখন পৰবস্তি কৰিছিলোঁ। এতিয়া শিক্ষা বিভাগৰ এই পাত অজুই তাবো ভিকাচল ভাঙিলে। সেই নিমিত্তে ইচ্ছা কৰিছিলোঁ যে ভাইটোও এনেয়ে নিষ্কৰ্ম্মা হৈ বহি আছে, সুবিধা হয় যদি শ্ৰীমান দেবেন বোপা বাগিছাত বৰ যশস্বাৰে বহুত দিন কাম কৰি আছে, তেওঁৰে জৰীয়তে বাগিছাৰ কিবা ঠিকা ফিকা এটাৰে যোগাৰ কৰি দিওঁ।

তেওঁ বাগিছাৰ এজন পুৰণি মানুহ, তেওঁৰ এই বিষয়ে নিশ্চয় বহুত হাত থাকিব পায়। আশা কৰোঁ আপুনি এই বিষয়ে শ্ৰীমানলৈ লিখি মতামত আনিব। সুবিধা বুজি পিছত নিজেও অৱশ্যে এপাক মাৰিবলৈ আশা কৰিছোঁ। নমস্কাৰ জানিব ; পত্ৰোত্তৰ দিব। ইতি—

আপোনাৰ
শ্ৰীসিন্ধ।"

হায়! বিধিৰ কি বিড়ম্বনা! হে ঈশ্বৰ, তুমি এই সংসাৰত কতজনক কন্দুৱাইছা আৰু কত জনক ইহোৱাইছা তাৰ একো ইয়ত্তা নাই। মাষ্টাৰ বাবুৱে তোমাক সাৰথি কৰি চাৰেঁ আশাত মজিছে, দেবেনে তোমাৰ ওপৰত কিছু বিশ্বাস কৰিছে যদিও মই তাক বুজাই কোৱাত ধৈৰ্য্য ধৰিবলৈ সাহস পালোঁ। কিন্তু দিনৰ আগতে বিড়িয়াগাঁৱৰ সেই অন্ত্যজ দেখিছিলোঁ আজি তাৰ ভালেখিনি বিপৰীত। তাৰ পিছন উৰণ বেছ চাফ চিকুন, মনত আনন্দৰ ৰেখা চেহেৰাও সগনি। মই কলো "মোৰ মনটো আজি ভাল নহয়, বাগিছাত থকা মোৰ ৰবটো বেটাই থিতি যে তাৰ পৰা তাক খেদিছে।" মোৰ দুখত দুখী সহানুভূতি প্ৰকাশ কৰি বিড়িয়াগাই উপৰাই মাত লগাল "মোৰ নিচিনাকৈ মুকলি মনেৰে থাকি নিজ মনত চলালে বৰ ভাল হব।" মই সুধিলো "তোৰ নিচিনাৰ ইয়াৰ অৰ্থ কি?" তেতিয়া সি কলে "আপুনি কিছি আগতে মোৰ পৰিচয় পাবলৈ ইচ্ছা কৰা মতে তাকেই কবলৈ বুলি আহিছোঁ" মনোভাবিলৈ হবলৈ বুলি ওৰণুৱৈ হুকুম জাৰি কৰিলোঁ।

সি আৰম্ভ কৰিলে :—

"মই ভাটী দেশৰ মানুহ। অসম দেশৰ এখন চাহ ছাৰ এক চৰ্দ্দাবৰ ফুলুনিতে পৰি এক ভীগোৱ জন্মিছিলোঁ। তাৰ বাগিছাটোলে মই আৰু মোৰ মাইকী দুজনী চাপৰা হৈ আছিছিলোঁ। আহি এক সপ্তাহ কাল এনেয়ে থাকিয়েই বিনা কামতে খোৱাকী খাবলৈ পাইছিলোঁ তাৰ পিছত কামলৈ যাবৰ হুকুম হ'ল। নিয়ৰিত কাম কৰিবলৈ ধৰিলোঁ। চৰ্দ্দাবে দেশত চৈছিল বাগি পোৱা মাজেই ১০, টকাকৈ দুয়োকে বৰফিচ দিব। মতে বৰফিচৰ কথা ভাবি মনতে বৰ আনন্দ পাইছিলো ভালে কেইদিনৰ পিছত বৰফিচৰ আশা নেদেখি এ

মেনেজাৰ চাহাবক বৰফিচৰ কথা ফলত বৰফিচ দিয়াৰ দস্তুৰ উঠি গৈছে। তাৰ বদলি আমাক যে কাম দিছে সেইেই যথেষ্ট। কাম কৰোঁৱাবিলাকে বুলি চালানী কৰি অনাৰ সত্বেও "আমাক যে কাম দিছে সেয়েই যথেষ্ট" বুলি কোৱা চাহাবৰ এইবাৰ কথা একো বুজিব নোৱাৰিলোঁ। বৰফিচৰ আশা এৰি চৰ্দ্দাবে মিছাকৈ কোৱা বাবৰ তালৈ মনতে খং হল আৰু সি দেখৰ পৰা ঘুৰিলে ভালকৈ এসেকা দিম বুলি মুঠিয়াই ধৰোঁ। দিনে দিনে দেখিবলৈ পালোঁ চৰ্দ্দাবে দেশত কোৱা কথা বাগিছাত অকণো মিল নহয়। খৰি পাত গোটাবলৈ এদিন ছুটী বিচাৰিলে বহুত গালি শপনি খাই কামলৈহে যাব লগীয়া হয়। কামৰ পৰা ঘুৰি আহি খৰি-পাত গোটাবলৈকো সময় পোৱা নাযায়। বাতি মুহাঁৰ বৰ সোনকালে কামলৈ ওলাব লাগে। সোনকালে ওলাব নোৱাৰিলে চৌকিদাৰৰ মাৰ খোৱা ধৰা-বন্ধা কথা। এদিন খৰি আনিবলৈ বুলি ছুটি বিচৰাত ছুটি নাপাই বেয়াৰ হৈছে বুলি ডাক্তৰ বাবুৰ ওচৰলৈ গলোঁ। ডাক্তৰে বেমাৰী বুলি নাম লিখি দেৱায় খোৱাই ১২ বজাতেকৈ বহাই থলে। লাইনত গৈ তই থাকিবলৈ বুলি যাব খোৱাত ১২ বজাৰ আগেয়ে যাবলৈ হুকুম নাই বুলি যাবলৈ দিলেনে। ১২বজাত ছুটি পাই খৰি এমুঠা গোটাই হাবিৰ পৰা ঘুৰি আহিছোঁ এনেতে বাটত কামজাৰি চাহাবে লগ পাই সুধিলে "তোক ছুটি কোনে দিলে।" মই "বেমাৰী দেছিলো" বুলি কোৱাত আক ফাকিবাৰ বুলি বহুত অকথ্য কথাবে গালি শপনি পাৰি তেতিয়াই কামলৈ পঠিয়াই দিলে। আক তাৰ শাস্তিৰ বাবৰ সেই সপ্তাহৰ পাৰ লগীয়া দৰ্শহাখিনি বন্ধ কৰা হ'ল।" এনেতে মই কলোঁ "প্ৰকৃততে ঘটনাটো সম্পূৰ্ণ ফাকিয়েই আছিল। কাৰণ ছুটী নাপাই বেমাৰীৰ ভাও জুৰি ফাকি কবি ডাক্তৰ ওচৰলৈ যোৱা হৈছিল। ডাক্তৰেও ফাকি বেমাৰীক বুজিব নোৱাৰি কিম্বা তেওঁ নিজে জনা অহেন কোনো কাৰণত "বেমাৰী" বুলি নাম লিখি দিওঁতা ফাকি সাহস কাম কৰিলে। বুদ্ধি সম্পন্ন, চতুৰ ইংৰাজ যুৱকে এই ফাকি অতি সহজে ধৰি পেলালে।" বিড়িয়াগাই

কলে "কথাটো বাবুজী ঠিকেই হৈছে, কাৰণ এনে ফাকতি নকৰিলে অইন উপায় নাছিল।" মই কলো "বাক কৈ যোৱা" "আক এদিনৰ কথা কওঁ শুনক—এদিন গধূলি বেলিকা কামজাৰিৰ পৰা ঘুৰি আহি মাটিৰ কলহুটো লৈ পানী আনিবলৈ বুলি কলকুঁৱাৰলৈ গৈছোঁ। কুঁৱাত ইমান মানুহৰ ভিৰ যে তাত ভালেখিনি পৰ অপেক্ষা নকৰিলে সহজতে পানী পাব নোৱাৰি। মানুহৰ মাজেদি জোৰ কৰি ঠেলা ঠেলি কৰি পানী নললে পানী পোৱাতো নহয়, ইফালে টেঙ্কত পানী আদায় হলেই আক পানী পোৱা বন্ধ। নতুন মানুহ বুলি ভেবা লাগি চাই থাকিলে পানীৰ আশা নেবেখি আনৰ নিচিনাকৈ ঠেলা ঠেলি কৰি পানীৰ ওচৰলৈ যাবলৈ লওঁতেই ওচৰতে থিয় হৈ থকা মাইকী এজনীৰ কলহ এটা মোৰটোৰে সৈতে যুজ খাই ভাগি থাকিল। তেতিয়া তাই মোক পাবে মানে গালি পাৰিবলৈ ধৰিলে, তাৰোপৰি তাইৰ মতাটো আহি মোক গতাটে, চুকুটো, চবটো দিবলৈ আৰম্ভ কৰিলে। মোৰ সেই দিনা পানী নিয়াও নহল, একোকে বান্ধি থোৱাও নহল। পিছদিনা সিহঁতে মতা, মাইকী দুয়ো আহি চাহাবৰ ওচৰত কলহ ভঙাৰ গোচৰ দিলেহি। বিচাৰত মোৰ ১২টকা জৰিমনা আৰু কলহৰ দাম ভৰণি-এয়েই হুকুম হ'ল। এনে ধৰণৰ ব্যৱহাৰত সন্তুষ্ট হব মোত্তাৰিব দিনে বাতিয়ে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰিবলৈ ধৰিলোঁ, হে ঈশ্বৰ! কেনেকৈ পাবা এই বাগিছাৰ পৰা পৰিত্ৰাণ কৰা। কিয় এই দুখময় জীৱন যাপন কৰিবলৈ জনম দিছিলা? নিজৰ দেশত যি অলপ অচৰপ খেতি পথাৰ কৰি পেটৰ ভাত মোকলাই দুবেলা দুমাজি ভাতৰ মুখ দেখিবলৈ পাইছিলোঁ, বন্ধুবৰ্গ, নিতিব, কুটুম নিজ পৰিয়াল বৰ্গৰ সৈতে সদা সৰ্ব্বদায় দেখা শুনা কৰি যি মনত সুখ পাইছিলোঁ, কিয় সেই সুখৰ পৰা বঞ্চিত কৰিলা? মনৰ এনে চঞ্চল অৱস্থাত দিন দিয়েকৰ পিছতে মোৰ মাইকীৰ হঠাতে গ্ৰহনী বোগত মৃত্যু হয়। তেতিয়া মোৰ হিয়া দুফাল হোৱা যেন লাগিল। এনেয়ে নতুন মানুহ, চা-চিনাকি বেছিকৈ নাই, পাই সইছাব তো দুবৰ কথা। কি হব ভাবি একো উৱাদিহ

পোৱা নাই। কাম বন কৰিবলৈ মন নাযায়, কামলৈ নগলেও গড়-হাজিৱা হোৱাৰ বাবদ চৌকিদাৰৰ টনা-আঁজোৱ, মাৰ-পিট, বাবুৰ ধমকী, চাহাবৰ বাইডাং বেতৰ কোৰ—কোনটো নহিবা। এই দৰে দুখে বেজাবে দিনটো কোম্পানীৰ কাম কৰি বাতিটো অনেক ভাবনা চিন্তাত কটাই কোনোমতে দেশৰ চলিত ৰীতি অনুযায়ী মাহিলি কাম ফেৰি কৰি লেঠা মাৰিবলৈ বুলি "লাউ-পানী" একলহ কৰিছিলোঁ। আমালোকৰ কোনো মৰা জীয়াৰ উপলক্ষে কৰা কামত এই বস্তু নহলে নহয়েই। ই'য়েই এইবোৰ কামৰ নিমিত্তে আচল বস্তু। হায় এনে দুর্ভাগ্য মোৰ! এই "লাউ-পানী" খোৱাৰ মহা বিপদহে চপাই লব লগীয়া হ'ল। এদিন হঠাতে আৰুকাৰী দাৰোগা বাবু এজন, লগত তিনিটা ছাপ্‌ৰাছি আৰু বাগিছাৰে বাবু এজনক লৈ আমালোকৰ লাইনত সোমাই যাৰ যিমান "লাউ-পানীৰ" কলহ পালে আটাইবোৰেকে আটক কৰি লৈ মাদুহটোৱে প্ৰতি "লাউ-পানীৰ" পৰিমাণ অনুসৰি ১০৲ টকাৰ পৰা ৩০৲ টকালৈকে জৰিমনাৰ দাবী কৰিলে। টকা দিবলৈ সমর্থ হোৱাই জৰিমনা আদায় কৰি ৰক্ষা পালে, মই কিন্তু বৰ বিপদত পৰিব লগীয়া হল। জৰিমনা অনাদায়ত গোনেই তিনি মাহ ফাটক। কি কৰিম, কলৈ যাম, কাৰ ওচৰত হাত পাতিম, নতুন কুলী, হাতত পাই-পইচাহে নালাগে খাবলৈকে একো নাই—আকৌ জৰিমানাৰ টকা! কি অসম্ভৱ বিষম সমস্যা!

মেনেজাৰ চাহাবৰ ভৰিত দীঘল দি পৰি উপায় বিচাৰিলোঁ। আশা নিৰাশাৰ ভাব মনত আৰু দুখ বেজাৰৰ বোজা বুকুত লৈ, চকুৰ পানীৰে তেওঁৰ ভ তিয়াই উত্তৰলৈ ব্যগ্ৰ ভাবে অপেক্ষা কৰিবলৈ লাগিলোঁ। উত্তৰ পাই অন্তৰৰ আগুন নুগুণে বাঢ়িবলৈ ধৰিলে। ঘ ঘনাই সেই চৰ্দাৰৰ কথা মনত পৰিবলৈ ধৰিলে যে কেনেকে মিহি মিহি কথাৰে সি মন ভুলাইছিল, কেনেকে অসমৰ চাহ বাগিচাৰ বৃত্তান্ত মধুৰ সুৰেৰি কথাৰে সোৱাদ লগাইছিল আৰু সেই সোৱাদৰ তৃপ্তি ল কেনেকে আগ পাছ নুগুণি অসম পাবলৈ ম খুজনি লাগিছিল—এই আটাইবোৰ কথাই ইটোৰ পি সিটোকৈ লানি পতা পকৱাৰ নিচিনাকৈ মনলৈ আহি ধৰিলে। শেহত মই ক'ত আছোঁ কি কৰিছোঁ একো কৰ নোৱাৰা হলোঁ। তিনি মাহ ফাটক খাটি পু বাগিছালৈ আহিলোঁ। যি দিন ধৰি পুনৰ বাগিছা আহিলোঁ সেই দিনৰ পৰা মোৰ ওপৰত সুকীয়া দৈ বখা হ'ল। বাগিছাৰ সাধাৰণ দস্তুৰ মানি চলিবলৈ মোৰ পক্ষে কষ্টকৰ হৈ উঠিল। সেই সকলো দুখ কষ্ট, অপমান ভাবনা-চিন্তাৰ পৰা অব্যাহতি পাবলৈ বুলি এদি সুবিধা বুজি সেইদিনা আপুনি দেখা গাত এখন দুতিয়া এখন কম্বল মাত্ৰ—এই দুখন কাপোৰ লৈ পলাই আহিলোঁ। তেতিয়াৰে পৰা এই অঞ্চলৰ উত্তৰ পাৰাত থকা বঙালী মহাজনৰ আশ্ৰয়ত এটি ব্যৱসায়ত হাত দিছোঁ।"

এনেতে ভিতৰৰ পৰা খবৰ আহিল যে ভাত বঢ়া হ'ল। বিড়িয়ালাই বিদায় লৈ গুছি গল—মনত পৰি সেই ছোট ছাপন্নাল বাগিছাৰ স্মুমুৰ :—

'হায়ৰে ফাকি দিয়ে আনিল অসম'—ইত্যাদি।

জানিব লগীয়া কেইটামান কথা*

—শ্ৰীযুত অমিয় কুমাৰ দাস বি-এ

লোক সংখ্যা

অসম	... ...	৯২ লাখ
অসম উপত্যকা	...	৫৮ "
সুৰমা উপত্যকা	...	৩৮ "
সুৰমা উপত্যকা—পার্ব্বত্য অংশ বাদ দি		৩২ "

অসমত অসমীয়া ভাষা কিমানে কয়?

১৯২১ চনৰ সংখ্যা	...	১৭ লাখ ২৬ হেজাৰ
১৯০১ " ... "	...	১৯ " ৯৫ "

অসম প্ৰদেশত শতকৰা অৰ্থাৎ ২১ ৹৬ জনৰ অসমীয়া ভাষা মাতৃভাষা, শতকৰা ৪২ জনৰ বঙালী ভাষা মাতৃভাষা।

অসম উপত্যকাত বঙালী ভাষা কিমানে কয়?

১৯২১ সন ...	...	৮ লাখ ৫২ হেজাৰ
১৯০১ " ...	...	১০ " ৮৬ "

কেৱলমাত্ৰ নগাওঁ, কামৰূপ আৰু গুৱালপাৰা জিলাতেই বঙালী ভাষা কোৱা

১৯২১ সন ...	...	৫ লাখ ২৯ হেজাৰ
১৯৩১ " ...	...	৮ " ৪০ "

অসমৰ আদিম অধিবাসী ঃ

কছাৰী	... ...	২ লাখ ৫১ হেজাৰ
লালুং	... ...	৪২ "
ৰাভা	... ...	৬৮ "
মিৰি	... ...	৮৪ "
মিকিৰ	... ...	১ " ২৯ "
গাৰো	... ...	১ " ৯২ "
মুঠ	... ...	৭ লাখ ৬৬ হেজাৰ

এই ৭ লাখ ৬৮ হেজাৰ লোকক সামৰি লৈ শক্তিশালী অসমীয়া জাতিৰ সৃষ্টি কৰিবলৈ মন নিদিয়া কিয়?

অসমত "বঙালে"

"বঙাল" বুলি ঘিণোৱা লোকৰ সংখ্যা কিমান?

কেৱল মাত্ৰ লক্ষীমপুৰ, শিৱসাগৰ, নগাওঁ, দৰঙ্গ, কামৰূপতেই—

৩ লাখ ৯০ হেজাৰ

কামৰূপত	১৭ হেজাৰ
দৰঙ্গত ...	১ লাখ
নগাওঁত	২৪ "
শিৱসাগৰত	১ " ৯ "
লক্ষীমপুৰত	১ " ৪০ "

এওঁলোকক অক কিমান দিন ঘিণাই আঁতৰ কৰি থবা? ডেকা অসমে কৰ্ম্মক্ষেত্ৰত নামিবৰ কি দিহা কৰিছে?

ধৰ্ম্ম হিচাপে লোক সংখ্যা

	হিন্দু	মুছলমান	খৃষ্টিয়ান
অসমত	৫২ লাখ	২৭ লাখ	২৷৷ (প্ৰায়) লাখ,
অ: উপত্যকা	৩১ "	১৷৷ "	৭৩ হেজাৰ
সুৰমা "	১৪ (প্ৰায়)	১৮ "	৫ "
পার্ব্বত্য অংশত	৩ "	৩৮হেজাৰ	১ লাখ ৬৯ হেজাৰ

হিন্দুৰ লোক সংখ্যা (শতকৰা হিচাবে)

	১৯৩১	১৯২১	১৯১১	১৯০১	১৮৯১
গুৱালপাৰা	৪৩	৪৮	৬৫	৪৪	৪৬
কামৰূপ	৭২	৭১	৬৮	৬৯	৭০
দৰঙ্গ	৭৭	৭০	৬৫	৭০	৬৩
নগাওঁ	৫৭	৫৫	৫৮	৬৪	৬২
শিৱসাগৰ	৯০	৮৪	৮৬	৮৮	৯১
লক্ষীমপুৰ	৯১	৭৮	৭৮	৮৯	৮৯

* লিখকে এইবৰ পুস্তিকা আকাৰত প্ৰকাশ কৰি অসমীয়া ৰাইজৰ ওচৰত বিলাবলৈ দিহা কৰিছিল কিন্তু নানান্ অসুবিধাত বেৰোৱাৰ দৈ দুখীত আমিয়েই প্ৰকাশ কৰিলোঁ—সঃ আঃ



মুছলমান লোক সংখ্যা (শতকৰা হিচাবে)

	১৯৩১	১৯২১	১৯১১	১৯০১	১৮৯১
ওৱালপাৰা	৪৩	৪১	৩৫	২৭	২৭
কামৰূপ	২৪	১৪	৯'৬	৯১	৮'৭
দৰঙ্গ	১১	৭	৫৩	৫'১	৫'৯
নগাওঁ	৩১	১৭	৫	৪'৮	৪১
শিৱসাগৰ	৪'৭	৪২	৪৩	৪১	৪'৩
লক্ষীমপুৰ	৩৬	২'৬	২'৮	৩২	৩১

লিখা পঢ়াত অসম (শতকৰা হিচাবে)

অসম	১৫
মাদ্ৰাজ	১৮৮
বঙ্গদেশ	১৮
বিহাৰ উৰিষ্যা	৯
মধ্যপ্ৰদেশ	১১
যুক্তপ্ৰদেশ	৯

পাঁচ বছৰ বা তাতকৈ ওপৰৰ মুনিহ।

চিঠি লিখা নাইবা পঢ়িব পৰা লোককেই শিক্ষিত ধৰা হৈছে।

অসমীয়া, অশিক্ষিত বুলি নিজক ভাবি আত্মবিশ্বাস নেহেৰুৱাবা। তোমাৰ ঠাই ক'ত জানি ভবিষ্যত কৰ্ম্ম পদ্ধতিৰ দিহা কৰা মাথোন।

জিলা হিচাবে শিক্ষাৰ অৱস্থা

১০ বছৰৰ নাইবা তাৰ ওপৰৰ : (হাজাৰত)

১	২	৩	৪	৫	৬	৭	৮	৯

খাছিয়া পাহাৰ, লুছাই পাহাৰ, সমতল কাছাৰত সৰহ সংখ্যাৰ কাৰণ খ্ৰীষ্টান মিশ্বনেৰী সকলৰ কাৰ্য্যৰ ফল।

ধৰ্ম্ম-হিছাপে শিক্ষাৰ অৱস্থা

(হাজাৰ কৰা)

	হিন্দু	মুছলমান
ওৱালপৰা	১৮৭	৭৬
কামৰূপ	২০১	৯৮
দৰঙ্গ	১১৮	১০২
নগাওঁ	১৭৬	৮১
শিৱসাগৰ	১৫৬	২৮৬
লক্ষীমপুৰ	১৩৪	২৮৩

দৰঙ্গ, শিৱসাগৰ, লক্ষীমপুৰ জিলাত হিন্দুৰ সংখ্যাত বাগিচাৰ বহুৱা আৰু বস্তীয়ালা সোমোৱাত শিক্ষাত হিন্দু পাছ পৰা দেখা গৈছে।

শিক্ষাবিস্তাৰৰ গতি :

(হাজাৰত)

১০ বছৰ নাইবা তাৰ ওপৰৰ।

	১৯১১	১৯২১	১৯৩১
অসম প্ৰদেশ	১১৭	১৪৪	১৬৯
অসম উপত্যকা	১১৬	১৪০	১৬১
সুৰমা উপত্যকা	১৩৫	১৬৯	২০৩
পাৰ্ব্বত্য অংশ	৬৫	৯১	১১৫

১। দৰঙ্গ—১২১ ২। ওৱালপাৰা—১৪৫ ৩। নগাওঁ—১৫২ ৪। লক্ষীমপুৰ—১৫৮ ৫। শিৱসাগৰ—১৭৮ ৬। কামৰূপ—১৯৫
৭। খিলঞ্জ—১৯৮ ৮। সমতল কাছাৰ—২১০ ৯। লুছাই পাহাৰ—২৮৩ ১০। খাছিয়া পাহাৰ—১০৯।

'বৃত্তমালা'

—অধ্যাপক শ্রীযুত যজ্ঞেশ্বৰ শৰ্ম্মা এম-এ,

'বৃত্তমালা' ৮কবি কৰ্ণপুৰ বিৰচিত। ৮কবি পঞ্চাননৰ লিখিত বালমুবোধিনী টীকা শ্রীযুত শশিধৰ দেব গোস্বামী কাব্য ব্যাকৰণতীৰ্থৰ অসমীয়া অনুবাদ। ৮৪ পৃষ্ঠা। শ্রীযুত শৰচ্চন্দ্ৰ গোস্বামী বি-এ, বি-টি দেৱৰ অৰ্থ-সাহায্যত কামৰূপ সংস্কৃত-সঞ্জীৱনী সভাৱপৰা প্ৰকাশিত। সংস্কৃত ছন্দশাস্ত্ৰৰ কিতাপ।

পঞ্চদশ আৰু ষোড়শ শতাব্দীয়েই অসমীয়া ভাষা আৰু সাহিত্যৰ অতি ফলন্ত যুগ। অসমীয়া ভাষাই প্ৰাকৃতৰ পৰা আঁতৰি সুকীয়া গঢ় লোৱাবে পৰা বোধকৰো এই যুগতেই অসমীয়া সাহিত্যৰ সমাক্ প্ৰকাশ। তেতিয়া অসমত প্ৰাচীন ভাৰতীয় সংস্কৃত সাহিত্য আৰু প্ৰাদেশিক সাহিত্যৰ চৰ্চ্চা সমান্তৰাল হৈ চলিছিল আৰু প্ৰাচীন ভাবধাৰাৰ বসেৰে অসমীয়া সাহিত্য পৰিপুষ্ট হৈছিল। তেওঁ লোক আদিতে ভাৰতীয় হৈছে শিহুত প্ৰাদেশিক। তেওঁ লোকৰ অসমীয়া সাহিত্যৰ সাধনা মানে সংস্কৃত সাহিত্যৰ অজস্ৰতা নহয়। সেই কাৰণ প্ৰধান কবিপুত্ৰ এজনে লিখিছিল,

শ্লোকে সংস্কৃতে আমি লিখিবাক ভাল জানি
তথাপি কবিহোঁ পদবন্ধ।

.....

বৰ্ত্তমান আলোচ্য বৃত্তমালাৰ গ্ৰন্থকাৰ ষোড়শ শতাব্দীৰ লোক, তেওঁ মহাৰাজা নৰনাৰায়ণৰ ৰাজসভাৰ পণ্ডিত আছিল। 'অৱহেলিত ভীমবিক্ৰম' 'ওপৈকসিদ্ধ' মহাকাব্য নিৰ্দ্দেশ মতেই মহামহোপাধ্যায় পুৰুষোত্তম বিদ্যাবাগীশে বৃত্তমালা ব্যাকৰণ বিষয়ৰ সংস্কৃত পুথি আৰু সাহিত্যৰ অনুবাদবিলাক সংগ্ৰহ কৰিলে (সম্ভৱ ই প্ৰকাশ কৰিলে) অসমীয়া বুৰঞ্জীবো এটি নাগৰিক অধ্যায়ন উপকৰণ পোৱা যাব।

আলোচ্য গ্ৰন্থত প্ৰায় চাৰিকুৰি ছন্দৰ উদাহৰণ দিয়া আছে! লগে লগে অতি সৰল সংস্কৃতত লিখা ব্যাখ্যা আৰু অসমীয়া অনুবাদে কিতাপখনৰ উপযোগিতা বঢ়াইছে। সংস্কৃত কাব্যৰ পৰীক্ষাৰ্থী সকলৰ কাৰণে যে এই গ্ৰন্থ লাগতিয়াল হৈছেই, কাব্য-পিপাসু শিক্ষিত সজ্জনসমাজ ইয়াৰ পৰা সাহায্য পাব।

দেশৰ এই পুৰণি সম্পদ প্ৰকাশ কৰা বাবে শিক্ষা বিভাগৰ ওবিয়াণ শ্রীযুত গোস্বামীদেৱ তথা কামৰূপ সাহিত্য সঞ্জীৱনী সভা দেশ হিতৈষী শিক্ষিত অসমীয়া মাত্ৰৰে অশেষ কৃতজ্ঞতাৰ পাত্ৰ।

গীত

—শ্রীযুত সোণাৰাম চৌধুৰী

মিশ্ৰ দেশপিলু—কাওালী (ত্ৰিতালী)

পুবৰ কোণে কোনে বাজিলে ?
হেঙুলি ৰবণে কোনে হাঁহিলে ?
মধুৰ গানে
শূন্য পৰাণে
অজান বাতৰি কোনে আনিলে ?
কাৰ পৰশত
হাঁহি উলাহত
নাচে কুসুমে উদলৈ চাই ?
কাৰ বা পুলাত
মধুৰ পুৱাত
সমীৰে ধীৰে বিচি যায় ?
আহাঁ হে সখে,
মাতোঁ সেই শিৰে
লব প্ৰেমাঞ্জলি যাচিলে।





* বঙ্গদেশস্থ সাধারণতে তিনি তাল আর এক ফাঁক থকা তালক 'কাহালী তাল' বুলি কয়, কিন্তু সঙ্গীত বহুব্যাপক শ্রীযুত গোপ বন্দ্যোপাধ্যায়ে আৰু হিন্দুস্থানৰ ওস্তাহসকলে সেই তালক 'ত্রিতালী বা তেতালা' বোলে। তেওঁলোকৰ মতে কাহালী এটি আঠ মাত্ৰাৰ তাল।

স্বৰলিপিৰ চিন—আৰম্ভনিত (।) দুই হাত অৰ্থে অস্থায়ী আৰম্ভ। তাৰ পৰা গীতৰ এটা কলিৰ শেষত দুইহাতলৈকে (।) দৈ আ আস্থায়ী ধৰিব লাগিব। (২ ।) এই চিনৰ পৰা (২ ।) এই চিনলৈকে পুনৰাবৃত্তি অৰ্থাৎ দুবাৰ গাব লাগে। স্বৰলিপিৰ ওপৰত (১) চিন থা আস্থায়ীটো পুনৰাবৃত্তি কৰি সেইবিনিলৈকৈ গৈ, বাকী অংশ এবি দি অন্তৰা ধৰিব লাগে। (iii) এই চিনে গীতৰ শেষ বুজায়।

(।) এটা দাড়ি অৰ্থে এক মাত্ৰাত কোনো সুৰ নাই। (-) এই চিনলে পূৰ্ব্ববৰ্ত্তী সুৰবে আন একমাত্ৰা কালদীঘলী হয়। এইদৰে সি কেইটা চিন থাকিব, পূৰ্ব্বৰ সৰটো সিমান মাত্ৰা কালদীঘলী হব। সা, ৰ, গ, ম, প্ৰভৃতি কোনো চিন নথকা প্ৰতি সুৰে একমাত্ৰা কালী

ওকাৰ (৫) কোমলৰ চিন, যেনে 'গো'=কোমল 'গ,' 'নো'=কোমল 'নি'। কিছুমান ডাঙৰ আখৰৰ আগত সৰু সৰু আখৰ লিখা আ বেনে ৰূপা, পম ইত্যাদি। ইয়াৰ নাম ভূমিকা। অৰ্থ ডাঙৰটোৱেই প্ৰধান সুৰ। সেই সুৰটো বজাবৰ সময়ত সৰু সুৰটি এবাৰ স্পৰ্শ ক লাগিব মাত্ৰোন। তাৰ মাত্ৰা ইমান সূক্ষ্ম যে, তাক কোনো হিচাবতে ধৰা নহয়। গীতৰ শাৰীত হাইফেন (-) চিন লিখাকৈ তাৰ অক্ষৰটোৰ ওপৰে টানি লিখা বুজায়। কিন্তু ওপৰত সুৰৰ ঠাইত যদি হাইফেন লিখা অকল দাড়ি (।) থাকে, তেনেহলে সুৰৰ একমাত্ৰা ম বিৰাম বুজিব লাগিব।

এনেকুৱা সংযোগ চিন সৰৰ ওপৰত থাকিলে তাৰ অৰ্থ 'আশ' অৰ্থাৎ প্ৰথম সুৰটো এবি দিবৰ আগেয়ে, আনটো ধৰিহে এবি দিব লাগে।

স্বৰৰ ওপৰৰ (০)=ফাক, (১)=১ম তাল, (+)=সম, (৩) তৃতীয় তাল। সুৰৰ ওপৰত ফুট যেনে (সা, ঋ) =তাৰা, তলত ফুট (নি প.)=উকাৰা। একো চিন নথকা সুৰক মুখাৰা গ্ৰাম বুলি বুজিব লাগিব।

শ্ৰীনগেন্দ্ৰ নাৰায়ণ চৌধুৰী।

সঙ্গীত

—শ্ৰীযুত নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

কত যুগ যুগান্তৰ ধৰি সঙ্গীতৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন হৈ আহিছে তাক নিৰ্ণয় কৰা কঠিন। যি যুগতে বৈদিক ঋচাবলি ৰচিত হৈছিল, তাৰো কত আগে কি ভাবে সঙ্গীত ঋষি আৰ্য্য সকলৰ প্ৰাণত জাগ্ৰত হৈ উঠি, সমগ্ৰত সেই-বোৰেই তেওঁলোকৰ ৰচিত স্তব-স্তোত্ৰত মূৰ্ত্তিমন্ত হৈ উঠিছিল। তাৰ ফলত, শুভময়ী উষাৰ, সুখদাতা কিৰণময়ী সবিতাৰ, ধৰা সুশীতল কৰা ছোঁস বা বৰুণৰ, শস্য-শ্যামলা পৃথিবী, ঘুৰুৰুৰ বজ্ৰধ্বনি নিবাৰণ কৰা ইন্দ্ৰৰ স্তুতি-গীতি কতবিধ ছন্দ লয়ে উদ্গীত হৈছিল, তাক আজি আমাক কোনে কৈ দিব? সেই বহুসময়ী ভাবোচ্ছ্বাসকাৰী, সুৰ-ঋষি প্ৰথমে দেৱাদিদেৱ মহাদেৱৰ শ্ৰীমুখৰ পৰা ব্যক্ত হৈ দেৱলোকত ব্যাপ্ত হৈ পৰিছিল। সেই শ্ৰুতি মধুৰ সুৰ স্বপনে দেৱৰ্ষি নাৰদৰ বীণাত ঝঙ্কৃত হৈ ছালোক ভূলোক উদ্ভাসিত কৰি তুলিছিল। সেই সুৰ, সেই সঙ্গীত অবলম্বন কৰি ভৰত হনুমন্ত আদিয়ে শূঙ্খলা লগাই ললিত কলাৰ সঙ্গীত শাস্ত্ৰ প্ৰণয়ন কৰিলে। তাৰে পৰাই প্ৰজ্ঞাহিত আৰ্য্যসঙ্গীতৰ সদুৰ ধাৰাৰ লগত পাৰশিক, দ্ৰাবিড়ী, য়ুনোনীয় প্ৰভৃতি সঙ্গীত স্ৰোতৰ সংমিশ্ৰণতেই বৰ্ত্তমান সঙ্গীতৰ ৰূপ।

আজি সেই সঙ্গীতৰ সংজ্ঞা, সুৰ আদি কাকো বুজাবৰ দৰকাৰ নহলেও ইয়াৰ সম্বন্ধে দু-আষাৰ কোৱা বোধকৰো অসংগতি নহব। এজন বিখ্যাত ইংৰাজ লেখকে কৈ গৈছে।

"See deep enough, and you see musically; the heart of nature being everywhere music, if you can only reach it"—

অৰ্থাৎ জগতৰ যি আছে, তাক উপলব্ধি কৰিব পাৰিলে এটা বিশেষ শিক্ষাৰ (Culture) মাজেদি আগবাঢ়িব লাগে। এজোপা গছৰ প্ৰতি লক্ষ্য কৰিলে সাধাৰণ মানুহে ঠাহৰ এবিধ, পাতৰ এবিধ—মূঠে ছবিধ বৰণ মাত্ৰ দেখিবলৈ পায়। আকৌ তাৰ ফুল থাকিলে, সেই ফুলবো এটা বৰণ চকুত পৰে। কিন্তু এজন চিত্ৰকৰক সেই গছ জোপা চাই ছবি আঁকিবলৈ দিলে, সি যে তাত কিমান বিধৰ বৰণ ব্যৱহাৰ কৰিব, তাক এটা ভাল চিত্ৰৰ ফালে চালেই অনুমান কৰিব পাৰি। ঠিক তেনেকৈয়ে মেঘ গৰ্জ্জন বা ৰবতোপৰ ভীষণ শব্দত যে কি সঙ্গীত মিশ্ৰিত থাকে, তাক সেই ৰসৰ ৰসিক নহলে আনে বুজা টান। 'Pleasures of life' বোলা কিতাপ এখনত লিখা আছে 'হাউণ্ড' বোলা এবিধ কুকুৰৰ মাতত যে কি সঙ্গীত নিহিত আছে, তাক সেই জাতীয় কুকুৰ লৈ ঘৰা চিকাৰী মানুহ নহলে বুজিব নোৱাৰে। আহাৰ মাহৰ আকাশত মেঘমালা দেখি মহাকবি কালিদাসৰ অন্তৰত যি সঙ্গীতৰ হেন্দোলনি লাগিছিল, তাবে প্ৰতিধ্বনি বিৰহী যক্ষৰ মুখেদি প্ৰকাশিত হৈছিল। বহাগ মাহৰ শুকান খবাং মাটি ফাটি চেচিব হৈ গৈছে, এনে কি শীতল বতাহো তপত হৈ উঠি প্ৰাণীবিগাকক আকুল কৰি তুলিছে, খেতিয়কে আকাশৰ ফালে চাই হতাশৰ হুমুনিয়াহ কাঢ়িছে, এনে সময়ত হৰ্ হৰ্ ওড়্ ওড়্ কৰি ডাৰৰ গৰ্জ্জি উঠা দেখি খেতিয়কৰ মন যে আনন্দত নাচি উঠিব তাত কোনো সন্দেহ নাই। সেই মেঘাড়ম্বৰত সেই সময়ৰ সঙ্গীত তাৰ কাণৰ ভিতৰেদি গৈ যি মৰমত পশিব, সেই মৰমেহে ঠিক সেইভাবে তাক বুজে, আনে তাক কেনেকৈ বুজিব? শুনা যায়, বেলগ্ৰেৰ কৰ্ম্মচাৰীবিলাকে ছুট লই ঘৰলৈ গলে, তেওঁলোকৰ ভালকৈ টোপনি নাহে, তাত তেওঁলোকে অশান্তিহে ভোগ কৰে;—দিনে বাতিয়ে ঘৰ ঘৰ মৰ মৰ, পোঁ-পোঁ, টং টং চাপ্-চুপ্ শব্দ নথকাৰ কাৰণে। কিন্তু

আনব পক্ষে সেই শব্দ, সেই গোলমাল এটা মহা অশান্তিব হে কাবণ। (সেই অভিজ্ঞতা ঘটনাক্রমে লেখকব অদৃষ্টত ঘটছিল)!

এইবোব হল স্বভাব সঙ্গীত। কিন্তু মানব জাতিব চিব স্বভাব—প্রকৃতিক আয়ত্ত কবি নিজব কাজত নিয়োগ কবা। এই কাবণেই মানুহে সাধাবণ চিবঁব-বাবব তীব্র, মধ্যম, গম্ভীব নানা সুব হ্রস্ব, দীর্ঘ, প্লুত প্রভৃতি সময় দ্বাবা তাল মান বিচাব কবি সঙ্গীতব গতি নির্দেশ কবিলে। ইয়াব ভিতবত সাধাবণতঃ তীব্র সুব কৰুণ ভাব উত্তেজক,—যেনে চবাই আদিব মাত; মধ্যম সুব শান্ত ভাবব উদ্যেক, যেনে প্রিয় সম্বোধনাদি; গম্ভীব সুব ভীতিব্যঞ্জক—যেনে ব্যাঘ্র গর্জ্জন আদি। কিন্তু সঙ্গীত মূলতে সুললিত স্বব-লহবি হলেও গুড় বা চেনি খোৱাব দবে অকল সুবে মানুহক বেছি পব তৃপ্তি দিব নেৱাবে। গুড় বা চেনব সোৱাদব লগত ছানা, খিবছা মিহলাই নানা তবহব মিঠাই কবাব নিচিনাকৈ নানা লয়ব বাগ-ৰাগিণীব লগত ভাষা আক ছন্দ দি তাক ৰসাশ্রিত কবি লবব প্রয়োজন। সেই কাবণে মানুহে অকল যন্ত্র সঙ্গীত বেছি পব শুনিবব ইচ্ছা নকবে। অথচ, গান হলে তাক আগ্রহেবে বহুত পব শুনিব পাবে। গতিকে, সঙ্গীত সম্বন্ধে তিনটা বিষয়ব প্রতি বিশেষ লক্ষ্য কবিব লাগে। যেনে, প্রথম স্বভাব সংশ্লিষ্ট বিষয়, ২য় ভাষা, ৩য় সুব। আজি যদি কোনো গায়কে এই সুজলা-সুফলা, অকণ কিবণ জ্যোৎস্নোজ্জ্বলা অসমত বহি ছাহাবা বা পাবশ্য মকভূমিব নাইবা লাপলেণ্ডব ববফাবৃত দেশব সম্বন্ধ জড়িত গীত গায়, তাত এটা নতুনত্ব থাকিব পাবে, কিন্তু শ্রোতাব প্রকৃতি বিৰুদ্ধ হোৱাত সি কেতিয়াও সুখভাব জগাই তুলিব নোৱাবে। গতিকে সি ব্যর্থ হব। ঠিক সেইদবে নিভাজ অসমীয়া ভাষাব সলনি যদি কোনোবাই 'শ্যামলীয়া,' বংগীয়া, বাঙ্গলা, 'ও ইয়া,' আদি শব্দ নাইবা আৰব, মহৰৎ পেয়াবে ইত্যাদি লগাই, 'তেবি-মেবি' কবি হিন্দী, উর্দ্দু নাইবা মাদ্রাজী শব্দ যোগে গীত গায়, তাব ভাব বুজিব কেইজনে? আকো সুব সম্বন্ধেও সেই কথাই খাটে। পিছে অভ্যাসব পবা আক নিতৌ নতুন বিচবা স্বভাব ওপত নতুন সুব বা কায়দাব প্রচলন কিছু পবিমাণে সম্ভব কিন্তু তাব নিমিত্তে এটা বেলেগ প্রচাব প্রয়োজন বঙ্গলা দেশত হিন্দুস্থানী গায়কব আমদানি আজি নতুন নহলেও ঠুংবি আক গজলব প্রচলন হোৱা বব বেছি দিন হোৱা নাই। এইবোব বাগব প্রচলনব ক্ষেত্র প্রস্তুত কবি হৈছে গ্রামোফনব সহায়ত। এতিয়া কেৱল বঙ্গলা নহয়, অসমব নগৰ বিলাকতো সকলোৱে অকল শুনি বিচবা হৈছে। এইদবে দাক্ষিণিত্যতো ইংবাজী বেজ সুব সকলোবে মুখে মুখে শুনিবলৈ পোৱা যায়। যি হওক, এইবিলাক বাগ অর্থাৎ সুবত লালিতা থাকিলে কলা হিচাবত বিশেষ একো নাই বুলি হিন্দুস্থানী ওস্তাদ সকলে বা বাইজী সকলে ভাঙব সমাজত প্রথম অন্তৰা গাব নোখোজে, এনে কি কোনো কোনোৱে সমূলি নাগায় বিশেষকৈ সঙ্গীত সঙ্ঘ বা সমাজ বিলাকত উপস্থিত হলে কিন্তু জগতব সৃষ্টি যেতিয়া ক্রমবিকাশব পবা, তেতিয়া এ নতুন সৃষ্টি বিলাকব উদ্ভবিতে এটা অঙ্গ বুলি ধবি লাগিব। পিছে ভাব অনুযায়ী ভাষা আক বাগিণী অর্থ তাব সুব সংযোগ কবা উচিত। মুঠকথা, আমাক এ খেয়াল, টপ্পা, ছোবি, ঠুংবি, গজল প্রভৃতি সকলো কবিব লাগিব। বর্ত্তমানে ভাটিয়ালী সুবব বিশেষ প্রচা দেখা গৈছে। এই ৰাগিনী, বাঙ্গালা, বিহাব, যু পঞ্জাবত এনে কি অসমব গোৱালপাৰা জিলাকৈ আ পবা প্রচলিত থকা প্রমাণ পোৱা যায়। কিন্তু বঙ্গদে 'ভাসান যাত্রা' আদি কোনো কোনো গানত ব্যবহ হলেও, ইয়াব ইমান ব্যবহাব নাছিল। গ্রামোফো 'মাঝিব গান' বা 'বাঙ্গালেব গান' প্রভৃতি নাম দি সঙ্গীতজ্ঞপেই গান কবা হৈছিল। বর্ত্তমানে এতিয়া গানব কাবণে নিতৌ নতুন দবকাব হৈ উঠিল, তেতিয়া পবা কিছুমান গায়কে এই সুবত অলপ অদল-বদল ক এনে প্রচলন কবি দিলে যে সক-সুবা মজলিচ্ বিলাক ই এটা গজলব প্রতিদ্বন্দী হৈ উঠিছে। ঐকতান-বাদ্য বিলাক ইংবাজীব বাদন ধাবাব ফালে ঢাল খাব ধবিছে একালে যেনেকৈ পঞ্জাব আদি ঠাইব কায়দাব অনুক চলিছে, আনফালে তেনেকৈ ঠাইতে তাত্র, ঠাইতে উ

প্রকৃতি ক্রমে উচ্চ মাদ কবি প্রাচ্য সঙ্গীতত ইংবাজী 'হাৰমনি' যিমান দূব সম্ভব লগাবব চেষ্টা চলিল। পশ্চিম ভাবতক যেনেকৈ পূর্ব্বভাবতে অনুকবণ কবিছে, তেনেকৈ পশ্চিমভাবতেও পূর্ব্বভাবতব অনুকবণ চলিছে। আকৌ দিল্লীব 'টপ্পি' ছবিব গীত-বাদ্যব ভিতবত "বেক গ্রাউণ্ড মিউজিক" অর্থাৎ গীতব সময়ত বাদে যি সুব অবিবত বাজি থাকে—সেইটো প্রায় ইংবাজীব হু-বহু নকলব চেষ্টা চলিছে। এইবোব দেখি শুনি এদলে যেনেকৈ আর্য্য-সঙ্গীত ধ্বংস হবব আশঙ্কা কবিছে, তেনেকৈ আন এটা দলে ইমান দিনব মুবত বক্ষণশীল ভাব আঁতবি যোৱা সঙ্গীতব উন্নতিব লক্ষণ বুলি আশাম্বিত হৈছে।

এই বিষয়ত আন এটা কথা কবলগীয়া যে, অসমত সঙ্গীত চর্চ্চা কি কাবণে স্থগিত হৈছিল, তাক ঠিককৈ কব নোৱাবি। কিন্তু এসময়ত যে ইয়াত বিশেষ চর্চ্চা আছিল, তাক বড়ুয়ীত আদিত বাগব নামাকবণব ফালে চালেই কব পাবি। কোৱা বাহুল্য যে বাগ আক বাগিণী একে অর্থবোধক। কেৱল যে গীতব সুবব নামকবণ এনেও নহয়। নৃত্য আক নৃত্তব সম্বন্ধেও যে শাস্ত্রীয় আলোচনা চলিছিল, তাব যথেষ্ট প্রমাণ আছে। আউনীআটীব সত্রব পবা গুৱাহাটী অনুসন্ধান সমিতিব দ্বাবা সংগৃহীত 'হস্ত মুক্তাবলী' নামব এখন পুথি দেখা যায়। সেই পুথিত নৃত্য আক নৃত্তব কালত হস্তমুদ্রা, আক হস্তভঙ্গী সম্বন্ধে অসমীয়া ব্যাখ্যাবে বিস্তাবিত বর্ণনা দিয়া আছে। আন প্রদেশতো অর্থাৎ নেপালত উক্ত কলা সম্বন্ধে পুথি এখন বর্ণীয় মহামহোপাধ্যায় হব প্রসাদ শাস্ত্রীয়ে সংগ্রহ কবিছিল বুলি শুনা যায়। কোনো কোনো প্রদেশত সেইবোব কলা সম্বন্ধে পুস্তক ছপাইছে হয়, কিন্তু তাত হস্ত মুদ্রাদি সম্বন্ধে ইমান বিশদ বিবৰণ পোৱা নাযায়। হাতব ভঙ্গীব বাজে আন নৃত্য বা নৃত্ত সম্বন্ধে আজিলৈকে অসমত কোনো পুথি প্রকাশ হৈও ওলোৱা নাই। কিন্তু দেখিলে আচবিত হব লাগে যে, ওজাপালিব আক দেওধনীব নাচব সময়ত যি মুদ্রা আক অঙ্গচালনা দেখুৱায়, শিক্ষাব অভাবত সিবিলাকব কোনো অর্থ কবিব নোৱাবে। অথচ সেই বিলাকব কিছু অনুকবণ কবি দেশ বিদেশত 'ওবিয়েণ্টেল ডান্চ্' অর্থাৎ প্রাচ্য নৃত্য নাম দি কোনো কোনো মানুহে দেখুৱাই ফুবি সেইবোবব আবিষ্কাবক বুলি যশস্বী লব লাগিছে। এতিয়া সময় আহিছে, আমাব কি আছে নাই তাক বিদেশীব দ্বাবা আবিষ্কৃত হবব আগেয়েই দম্ভব মত ইয়াব এটা অনুসন্ধান কবা।

আন এটা কথা এই যে, দাক্ষিণাত্যব গীতব বাগ-ৰাগিণী বা তানব ভঙ্গীবিলাক অসমীয়া বড়ুগীতব তানব কায়দাব লগত বহুলাংশে মিলে। কোনোৱে যেন নাভাবে যে দাক্ষিণাত্যব ফালে সঙ্গীত চর্চ্চা নাই বা নাছিল। সেইবোব ঠাইতো ডাঙ্গব ডাঙ্গব গায়ক-গায়িকা বিদ্যমান। আমাব মনেবে বর্ত্তমানে আমাব যি সকলে পশ্চিমব ঠাট অনুকবণ কবিব ধবিছে, নতুনত্ব হিচাবে সেইবোবত এটা মূল্য আছে অৱশ্যে। কিন্তু দেশব সুবব ঠাটব লগত যিমান মিল বাখিব পবা যায়, সিমানে প্রচাবব পথো সহজ হৈ পবিব। সেই ফালেও সঙ্গীতপিপাসু সকলব মন কবা উচিত। অৱশেষত এই কথা কব খোজো যে আজি ভাবতময় 'যি নটবাজ' মূর্ত্তি বা চিত্র—কি নাট্যশালা, কি সঙ্গীত সঙ্ঘ প্রভৃতি ঠাইব আদর্শ চিহ্ন বুলি পূজিত, সেই নটবাজব নৃত্য ক্রিয়াস্থলী আছিল আমাব দেশব নাট-কাচনত। এই কথা প্রসিদ্ধ কালিকাপুবাণ পুথিত বিশেষকৈ উল্লেখ কবা আছে। গতিকে যি আমাব একালত আছিল, সেইডাব জাগ্রত কবি তুলিব পাবিলে এসময়ত সঙ্গীতব সকলো অঙ্গতে পূর্ণতা লভি শ্রেষ্ঠ হৈ উঠিব বুলি কোনে কব পাবে। *

* ওৱাহাটী 'সাহিত্য সম্মিলনীত' পঠিত—লেখক

নিয়তি

কবিতা—

—শ্রীযুত শৈলধৰ ৰাজখোৱা বি-এ

[জনপ্রিয় ৮ভগৱতী বৰুৱা আদিৰ শোচনীয় ঘটনা উপলক্ষে ৰচনা]

আজি নিশা সোণ, নালাগে ওলাব
নালাগে জলাব বিজুলী বাতি;
লখিমী বোৱাৰী নাযাবা লগত,
নালাগে ভেদিব পিশাচী বাতি।

নিজান নিতাল সন্ধ্যা গগন,
তেজেৰে ৰঙ্গলী ৰবিৰ কিৰণ;
বিনামেঘে আজি চমকে বিজুলী,
কাল অজগৰে ধৰিছে ছাতি।"

আজি নিশা সোণ নিনিবা লগত
বংশ প্ৰদীপ পোনাটি মোৰ,
চউ পাশে শুনো অমঙ্গল ধ্বনি,
উঠিছে প্ৰাণত বিননি সুৰ!

তবাই তবাই কিনো কথা কয়,
জলিছে পুবিছে জননী হৃদয়!
আজি নিশা যেন নালাগে ওলাব
নামানে বুজনি পবাণে মোৰ!

কোন মায়াবিনী মেঘৰ আঁৰত
মিচিকি হাঁহিবে দেখালে পথ?
'ক্ষমা কৰা আই? নোৱাৰোঁ থাকিব,
আপুনি চলিছে বিজুলী ৰথ।"

আকাশে বতাহে উঠে হাহাকাৰ,
চকুপানী বয় ৰূপহী তবাৰ,
সজল নয়না অসম জননী,
নোৱাবে কোনেও বোধিব পথ।

কি খেলা খেলিলি নিঠুৰ নিয়তি!
তোৰ কথা দেখো নহয় লৰ;
তোৰ ইঙ্গিতত নাচে গ্ৰহ তৰা,
তযেনে আপোনা সকলো পৰ?

ভায়ে ভায়ে মিলি সাৱটা সাৱটি,
কাযতে আছিলি কঠুৱা নিয়তি!
তোৰ লীলা খেলা তয়েই বুজিলি
ভাইৰে অতিথি ভাইবে ঘৰ

তই তুলি দিলি ভাইবে হাততে
বিজুলী ৰথৰ ভাগ্য চকা
ভাইকে কৰিলি নিমিত্তৰ ভাগী
তোৰেই মায়াতে সকলো ঢকা।

ভাই মোৰ সাৰথি নালাগে নামিব,
ভায়ে অনায়াসে দিগাং তবাব,
কুহকী নিয়তি মিচিকি হাঁহিবে
ভাইৰে হাততে ঘুবালি চকা।

মুখ মেলি আছ পাখাল জীয়ৰী,
নোৱাবিলি তই উলটি বব?
কাক খাবলই জনম ধৰিলি!
জগততে তোৰ খিয়াতি ৰ'ব।

ডুবিলে জোনাই নীল আকাশত,
সোনোৱালী তৰা লুকোৱা মেঘত,
দিগাঙ্গে গিলিলে সোণৰ পুতলা,
নোৱাবা সহিব নালাগে চাব।

ক'বে নাৱৰীয়া! লখিমী বিচাৰি
সন্ধিয়া বেলিকা চাপিলি ঘাট?

চকুৰ আগতে লখিমী ডুবিলে,
দেখিও নিদিলি আযাৰি মাত!
শুন নাৱৰীয়া! চিৰজীবী হই,
ৰবি চিৰকাল পৃথিবীত তই—
নিতউ সন্ধিয়া শুনিবি এবাৰ,
মৃত্যুকাতৰ কিশোৰী মাত।

ধনকে চিনিলি, ধনতে মজিলি!
নালাগে মেলিব জুকলা হাত:
তেজেৰে বাঙ্গলী দিগাং পানীবে
খাই যা এযাজি সন্ধিয়া ভাত!

তেজকে দেখিবি, তেজকে বাঞ্ছিবি,
তেজৰ পানীবে পিয়াহ গুছাবি;
যতদিন জীবি দেখিবি সপোন
পোনাটিৰ সেই মুকুতা দাঁত!

শুন নাৱৰীয়া! নিয়তি আদেশ,—
ধনেৰে ভবাবি দুখনি নাও,
ধান ৰূপে তই নাপাবি বিচাৰি,
ৰ'ব চিৰকাল লখিমী মাও
পতাল ধানেৰে ভবাল ভবাবি,
কাকনো খুৱাবি, কাকনো তুমিবি?

পাবিনে সহায় দেৱতা-মানৱ,
যেতিয়া আহিব ধুমুহা বাও?
মেঘে আবি গ'ল বিজুলীৰ হাব,
গগনে পিন্ধালে মুকুতামালা,
কোন সবগত খিতাতে লুকাল
লক্ষ্মী কপিণী অসম-বালা!

আকাশী বতাহে কাণে কাণে কয়,
নোৱাবোঁ বুজিব কিবাটো জনায়!

কোন নন্দনত পাতিলে আসন,
আদৰি নিলেহি ত্ৰিদিব বালা!

শান্ত, সৌম্য, সুকোমল তনু,
তুমি বলোৱাম অথবা শিব,
কিম্বা পুণ্যশ্লোক নল অন্নতাব,
প্ৰিয়ম্বদ তুমি সবাবে প্ৰিয়।

আঘ-পৰ ভেদ খিয়লা-খিয়লি,
নাছিল তোমাৰ ক্ষুদ্ৰ দলাদলি;
ৰোগ-শোক তাপে তাপিতা ধৰাত
চিবকাল তুমি থাকিবা কিয়!

মোৱা তুমি ভাই! মাচিছোঁ বিদায়
চকুৰ পানীবে আঁজলি ভবি;
মোৱা পতিপ্ৰাণা লখিমী বোৱাৰী
সীতা-সাৱিত্ৰীৰ পুবোৱা শাবী।

মোৱা দেৱদূত জননী কোলাত,
হাঁহিবা যিদবে হাঁহিলা ধৰাত;
মোৱা পুণ্যপ্ৰভা অসম-কিশোৰী
স্মৰণবালাৰ যুবতি ধৰি।

গ্ৰহ-তৰা আজ সুনীল আকাশ,
শুনি মোৱা মোৰ আযাৰি কথা,—
মালাধাৰি মোৰ নহল পুৰণ,
বনফুল পাহি নহল গথা!

'সক' এটি ফুল তুলিলে বনত,
মবহি পবিলে কাৰ চেনেহত?
নিবলে ফুলিলে, নিবলে সবিলে,
কোনে বাক তাৰ বুজিব বেথা।

ভদীয়াৰ সপোন

গল্প— —শ্রীযুত অচ্যুতানন্দ দাস বি-এ

সকৰ পৰাই সদায় স্থূলত প্ৰথম বটা লৈ ১৯১৫ চনত মেট্ৰিকুলেচন্ পৰীক্ষাত এটি বৃত্তি ধৰি বিনোদে কলেজত পঢ়িবলৈ মন কৰিলে। গাৱঁত আছিল তাৰ ঘৰ। অতি দুখীয়া আছিল তাৰ বাপেক,—কমাৰ ভদীয়া। এসময়ত ভদীয়াৰ ভাল দিন আছিল, কিন্তু ভাগ্যক নবেদে বঞ্চনা কৰি ভদীয়াক দৰিদ্ৰতাত পেলাইছে। তথাপি ভদীয়া স্থিৰ হৈ আছিল। তাৰ আশা ভৱষাৰ স্থল আছিল বিনোদ। সি আশা কৰিছিল, বিনোদে নিশ্চয় এদিন ডাঙৰ মানুহ হৈ তাৰ দুখ ওচাব।

সিদিনা আকাশ আছিল নিৰ্মল। বতাহ জুৱকৈ বলিছিল। খাই-বৈ উঠি বিনোদে গৌহাটীলৈ যাবলৈ ওলাল। ডাঙৰ মানুহৰ লৰা প্ৰথম কলেজত পঢ়িবলৈ ওলালে, বয়স্থ, বিচনা, ট্ৰাংক চুটকেচ্ পৰ্য্যন্তাকাৰ হৈ পৰে; আকৌ টকা পইছাতো অজস্ৰ! ইফালে চাকৰ বাকৰ আত্মীয় স্বজন, বন্ধু বান্ধৱ, সকলোৱে আহি ভিৰ পৰে; এটা কেনে প্ৰকাণ্ড হৈ চৈ লাগি পৰে! কিন্তু বিনোদ দুখীয়া লৰা। দুখীয়া বাপেকৰ কিয়েই আছে, কিকেই বা দিব! অথাপি আড়ম্বৰ মুঠেই নোহোৱা বুলিবও নেৱোৱি। বিনোদ যাবৰ আগবাতি মাকে মাজ নিশালৈকে টোপনি যটি কবি নানা বিষৰ গাৰলীয়া পিঠা তৈয়াৰ কৰিলে, কেইটামান চিৰাও তৈয়াৰ কৰিলে।

ৰাতি পুৱা মাক বাপেক হাঁহৰ মনতেই দুখ আৰু সুখে ইটোৰ পিছত সিটো আহি ঢৌ খেলাই যাব ধৰিলে; দুখ হৈছে, কাৰণ বিনোদে মাক বাপেকক এৰি অচিনা অজানা দুদিনৰ বাট গৌহাটীলৈকে যাবলৈ ওলাল; আকৌ সুখ হৈছে, কাৰণ বিনোদে কলেজত পঢ়িবলৈ ওলাইছে,—বি-এ, এম-এ পাছ কৰি ডাঙৰ মানুহ হৈ মাক বাপেকৰ মুখ উজ্জ্বল কৰিব। বাপেক ভদীয়াৰ এই দুখৰ আৰু সুখৰ নাথাকিব, প্ৰবঞ্চক দৰ্দায়েক নবেশৰ মুখত ছাই পৰি এটি ভাল ধৰণৰ পুৱনি ট্ৰাঙ্ক উলিয়াই আনি বিনোদক কলে, "বোপা এইটি মোৰ বিবাত পোৱা, ই দিন টিকিব, মই ইয়াৰ ভিতৰত এখন দহ টকীয়া সাঁচি বাখিচিলোঁ। আজি প্ৰায় বহদিন হল, তাৰ পাহবিছিলোঁহেই। তোমাক ইখন দিলোঁ। খৰচ নকৰিবা বোপা।" বিনোদে কৃতজ্ঞতাৰ চকুলো নোটখন তুলি ললে। মাকে ঘৰতে থোৱা দুখন মুগোচা, দুখন ধুতি, চোলা সিবলৈ এডোখৰ ঘৰতে বোৱা খৰবৰ কাপোৰো জাপি জুপি ট্ৰাঙ্কত ভৰাই দিলে। বিনোদেও দুই এটা যি কামিজ পিন্ধাত বাহিবে নৈ তাকো ভৰাই ললে। দুই চাৰিখন পুৱনি বিষয় মৌজাৰাবৰ লৰাৰ পৰা গোটাই ললে। সাঁহাৰি দি বিছনা, তাকো বান্ধি এটা টোপোলা কৰি ললে। এই বাপেকে আহি বিনোদৰ হাতত দুখন দহ টকীয়া নোট কলে, "বোপা বৰ কষ্ট কৰি এই দুখনি নোট সাচিছিলো কিমান দিন যে কিমান অসুবিধা, কিমান অভাৱ অভি যোগৰ যাতনা সহিও ইয়াক মই খৰচ কৰা নাছিলো কেৱল তোমাৰ নিমিত্তেই। তাকে আজি তোমাক দি পাই, পৰম তৃপ্তি পাইছোঁ।" বিনোদে নিজেও বুজি কুবি টকা মান সাঁচিছিল। আটাইখিনি মিলি হল আ ওলাল।

বাপেকৰ ভৰিত পৰি প্ৰণাম কৰি বিনোদে বিদ মাগিলে। বাপেকে আশীৰ্ব্বাদ কৰি কলে,—"বো এতিয়া তুমি ডাঙৰ হৈছা, মোৰ অৱস্থাৰ কথাতো সকা বুজি পাইছা; অচিনা ঠাই বুজিশুনি চলিবা; শু শুনা অতি মনোযোগেৰে কৰিবা। কেতিয়াও কা

সেতে হাই কাজিয়া নকৰিবা, স্বভাৱ চৰিত্ৰ সদায় পৱিত্ৰ ৰাখিবা। ঈশ্বৰত বিশ্বাস ৰাখিবা, তেওঁক বাজে তোমাৰ আৰু ডাঙৰ সহায় কোন হব পাৰে? তেওঁ তোমাৰ সদায় সাথিহে হৈ থাকিব। খৰচ পাতিলৈ চকু ৰাখিবা। অথলত এপইচাও খৰচ নকৰিবা। সেই বুলি শৰীৰক কষ্ট নিদিবা। তাকে শুনিলে বুঢ়া বাপেকাই মনত বৰ দুখ পাব।"

বিনোদে আকৌ এটি প্ৰণাম কৰি মাকৰ ভৰিত গৈ ধৰণ দি পৰিল। মাকে কেৱল কান্দিলে আৰু একো কথা কব নোৱাৰি বিনোদক দুবাহুত ধৰি তুলিলে। তাৰ পিছত বিনোদে সৰু ভায়েক ভনীয়েক কেইটিক একোটি মৰা ৰাই, গাঁৱৰ সকলোবে পৰা বিদায় লৈ, গৌহাটীলৈ যাত্ৰা কৰিলে।

ষ্টেচন গাঁওৰ পৰা তিনি মাইল দুৰত। গাঁওৰ মুৰব্বীসকলে মাক ভনীয়েকহঁতে আৰু গাঁওৰ দুই চাৰিটা মানুহে বিনোদক আগবঢ়াই থলে। বুঢ়া বাপেকে কিন্তু বিনোদৰ গৈ লগে লগে তিনি মাইল দুৰ খোজ কাঢ়ি ষ্টেচনলৈকে গৈছিল। গাৰী অহাৰ আগতে বিনোদে বাপেকক কলে, "পিতা, মিটোৰ ঘৰ আৰা বন্ধা হৈছে, সেইটোত এতিয়া আপুনি নবৰিবা, অকলে বৰ কষ্ট পাব। তিনিমাহ পিছত দুগাঁ পূজিতো মই ঘৰলৈ আহিমেই। প্ৰায় এমাহ হব। সেই সময়ৰ ভিতৰতেই কাম যিনি শেষ কৰিব পৰা যাব।" বাপেকে একো নকলে, কেৱল দুধাৰি চকুলো বাকিলে। তাৰ পিছত গাৰী আহি ষ্টেচন পালত বিনোদে গাৰীত উঠিল গৈ। গাৰী এৰি দিয়াতো বাপেকৰ ফালে বিনোদে ডিঙি মেলি চাই গ'ল। বাপেকেও গাৰীখন দেখাকৈলে চাই আছিল।

বিনোদে গৌহাটী কলেজৰ এটা মেচত গৈ উঠিল আৰু চাপাবিষ্টেণ্ডেণ্টৰ আগত নিজৰ দুখৰস্থাৰ কথা সকলো কাহি পাতি কলে; অসম ভেলিৰ ভিতৰত প্ৰথম ইণ্ট্ৰি পোৱা কথাটোও জনালে। চুপাবিষ্টেণ্ডেণ্ট দুখীয়াৰ প্ৰতি সহানুভূতি সম্পন্ন আছিল। বিনোদক পাই তেওঁ বৰ সুখী হৈ, বিনা মাচুলে তেওঁৰ ৰুমতে থাকিবলৈ দিলে আৰু হেঁতো খোৱা খৰচ আধা কৰি দিলে আৰু পাবে মানে বিনোদক লেখা পঢ়াত উৎসাহ দিবলৈ ধৰিলে। ফুৰি টকা বৃত্তিৰেই বিনোদে কোনো ৰকমে চলিব ধৰিলে। সি দুগুণ উৎসাহেৰে কলেজৰ পাঠ্য পঢ়িবলৈ ধৰিলে।

কিন্তু দুখীয়া গাৰলীয়া বিনোদে এটি ভয়ানক অশান্তি ভোগ কৰিব লগীয়া হৈছিল। বিনোদে গাওঁৰ পৰা গৈ টপ্ কৈ হোষ্টেলৰ 'হাল' বুজি উঠিব পৰা নাছিল, বা বুজিবলৈকো চেষ্টা কৰা নাছিল, বা বুজিলেও নিজৰ অসামৰ্থ্য হেতুকে সেই মতে চলিবলৈ কেতিয়াও মন কৰা নাছিল। বিনোদৰ মনত যদি কোনো বস্তুৰে দৰে সোমাব পাৰিছিল, সেইটো তেওঁৰ কৰ্ত্তব্য। এটি মাত্ৰ ভাবে বিনোদক সকলো কামতেই পৰিচালিত কৰিছিল—সি হৈছে কলেজত সুখ্যাতিৰে পাছ কৰি ডাঙৰ মানুহ হৈ, বাপেক মাকৰ দুখৰস্থা ওচাব লাগিব; খুবাকক তাৰ মনুষ্যত্ব দেখুৱাই লাজ দিব লাগিব। সেইহেতে বিনোদে যেমালি ঠাট্টা-তামচা আদিত আনৰ লগত মুঠেই যোগ দিছিলে। অকলেই ফুৰিছিল, অকলেই ভাবিছিল, অকলেই মনক দৃঢ় কৰি তুলিছিল আৰু মাজে মাজে মৰমীয়াল চুপাবিষ্টেণ্ডেণ্টৰ উৎসাহ আৰু সদউপদেশ গ্ৰহণ কৰিছিল। কিন্তু, অকল বিনোদৰ বাবেই হোষ্টেলটো নহয় আৰু শ শ ছাত্ৰ তাত আছে। সকলোবে চকুত, বিনোদে, তাৰ পিন্ধন উৰণ,তাৰ আচাৰ-ব্যৱহাৰৰ বাবেই এটি অদ্ভুত প্ৰাণী যেন হৈ পৰিল। বিনোদে জুতা নিপিন্ধে, পিন্ধে খৰস; আঠুৰ অলপ তলতনমা ধৰবৰ লালচা ধুতি আৰু চুটি পিৰণ, চুটিকৈ কটা চুলি; নাই বনিকতা, নাই কথা বতৰা, নাই তামচা, কেৱল এটি যন্ত্ৰৰ দৰে সকল সময়তে পঢ়িছেহে পঢ়িছে। বহুতৰ চকু পিটুপিটাব ধৰিলে। অনেক বুদ্ধি-খাৰী লৰা 'মেচত' আছে, সিবিলাকেওতো পঢ়ে, কিন্তু এওঁৰ দৰেতো কেতিয়াও নহয়! হুই কেইজন মান লগ লাগি বিনোদৰ নাম দিলে 'ভূত'। কিয়নো, তাবে কেবা জনেও হেনো বিনোদৰ লগত কথা কওঁতে তাত অপমান বোধ কৰিছে। বিনোদে হেনো ভদ্ৰতা বাৰি কথা কব নাজানে। এই কেইজনে যাঁতে বিনোদক লগ পায়, তাতেই কিবা এটি ভূতৰ কথা উলিয়ায়। থোৱা যৱত, যাবলৈ বহিলে, এজনে হযতো বিনোদৰ

৩চবত বহি ভূতব বিষয় গল্প কবলৈ ধবে, আক বিনোদে ডালি বেছিকৈ খোৱা দেখিলে—'ভূতে চেনো আজিকালি ডালিও পাকঘবব পবা নোহোৱা কবিব ধবিছে' ইত্যাদি কিবা কিবি কয়। তাকে শুনি অইন কেইজনে আহিব ধবে। আকৌ এজনে হয়তো মিছাকৈয়েই চুপাবিণ্টেণ্ডেণ্টব ঘবত দেখা কবিবলৈ গৈ, বিনোদ থকা অফিচ কমত চুপাবিণ্টেণ্ডেণ্টব আগত কব, "স্যাব, আজিকালি ভূতব উপদ্রবত হোষ্টেলত টিকিই টান হৈছে। বাতি হলেই গোটেই ঘবটোতেই দাপ্, চুপ্, হাপ হুপ লাগি পবে।" বিনোদে আগেয়ে এই বিদ্রূপ বিলাক যে তেওঁক লৈয়েই কবে বুজিব পবা নাছিল বা বুজিবলৈকো চেষ্টা কবা নাছিল। পিছত ভূ পাই এদিন চুপাবিণ্টেণ্ডেণ্টব আগত সকলো কথা ভাঙ্গি কলে।

তাব পিছত চুপাবিণ্টেণ্ডেণ্টে বিনোদব অন্তস্থাব কথা বুজাই কোৱাত ছাত্রকেইজনে অতি সাধু হৈ অফিচকমলৈ গৈ ভূতব কথা নকওঁ বুলি প্রতিজ্ঞাও কবিলে। কিন্তু, তাব পিছতো যেতিয়া বিনোদে সেই দুষ্ট কেইজনব লগত হাহি তামচা আদি নকবা হল, তেতিয়া সিহঁতে এদিন বিনোদব কেইখন মান কিতাপ নি লুকাই থলে। বিনোদে কিন্তু এই কথাৰ গম পাই, খঙত অগ্নিশর্ম্মা হৈ উঠিল। চুপাবিণ্টেণ্ডেণ্টব আগত সকলো কথা বুজাই কৈ সন্দেহ জনক লবাকেইজনব নামো কৈ পেলালে। চুপাবিণ্টেণ্ডেণ্টে অতি সৎ ভাবেবে লবা কেইজনমানক আনি এনেকুৱা অন্যায় জনক তামচা ভবিষ্যতে নকবিবলৈ উপদেশ দি কিতাপবোব উলিয়াই দিবলৈ কলে। কিন্তু দুষ্ট লবাকেইজনে বব লাজ পাই তেখেতব আগত সকলো মিছা মাতিলে, আৰু বিনোদে তামচা কবা কথাটোকেই চুপাবিটেণ্ডেণ্টব আগত জনোৱা বাবে বিনোদব ওপবত সিহঁতব ভয়ানক খং উঠিল। সিবিলাকে বিনোদব কিতাপবোব নিদি বাতিয়েই ব্রহ্মপুত্রত উটাই দিলে। লাইব্রেবীব পবা কিতাপ আনি অনেক বেমেজালি সহ্য কবিও বহুবেকীয়া পবীক্ষা দি অথ্যাতিকে "ডিপ্লোমা" লৈ দ্বিতীয় বাৰিক শ্রেণীলৈ প্রমোচন পালে।

* * * *

এই বছব বিনোদে কিতাপ-পত্র নতুনকৈ কিনি নৈ মনযোগেবে পঢ়িবলৈ ধবিলে। সদায় মনত হবলৈ ধবিছে বুদ্ধি লব নোৱাবিলেতো বি-এ পঢ়া অসম্ভব হব। বিনোদে পাবে মানে দিনে বাতিয়ে পঢ়িবলৈ ধবিছে বিনোদে আজিকালি বাহিবলৈ খুব কম কৈছে যায় বাহিবলৈ গলেও দুঘণ্টাত তালা মাবি যায়। ইতিমধ্যে দুষ্ট কেইজনে বিনোদব ওপবত বং কবি বিনো দুই এটা বস্তু মনে মনে নি পাইখানাত বা নদীত পে দিছে।

* * * *

জানুৱাবী মাহ—পবীক্ষাকৈ আক এমাহ আছে, সিহঁ বিনোদে ভাটবেলা বিছনাত পবি লেপ উবি কিতাপ প আছিল। আথব চিনিব নোৱাবা আন্ধাব বোৱা কিতাপ জপাই লেপব তলত মুব সোমাই সি মনব ভিতব পঢ়া কথাবোব পুনব আবত্ত কবিবলৈ ধবিলে। লাহে লাহে আন্ধাব হৈ আহিল। হোষ্টেল এবকম নিজ হৈ পবিছে; সকলো লবা ঘুবিবলৈ গৈছে। এনে বিনোদে কিবা এটি ফিচ্ ফাচ শব্দ শুনিবলৈ পাল তাব মনোযোগ সেই ফালে গ'ল আক কোনোবাই ক মনে মেল কবা শুনিবলৈ পালে, "এইটোহেই হৈ ঘুবিধাব সময়, ভূতে আজি তালা মাবিবলৈ পাৰি গৈছে।" তাব পিছত কোনোবা এজনে মনে মনে হা সাবে ভবিত সাবে ভিতবলৈ সোমাই আহি বিনো টেবিলব পবা কিতাপ কেইখন মান কাপোবব তলত ন এনেতে বিনোদে লেপব তলব পবা ওলাই কোনোবা এজ হাতত থাপ মাবি ধবিলে আক অইন হাতেবে চুটৈ চিঁ কিন্তু ইলেক্ট্রিক লাইটে জ্বলি দুষ্টলি। বিনো শবীবত যথেষ্ট বল আছিল। কিন্তু চোবব বল যেন লাগিল। বিনোদব হাতব পবা যেতিয়া চোবে উ মাবিলে, তেতিয়া সি চোবক দুই হাতেবে আৰোহি ধবি চৌকীদাবক মাতিলে। কিন্তু চোবে বহুত কৌ জানিছিল আক এনেকুৱা এটা উজাব মাবিলে যে বিনো ধাৰ্চ্চ কৈ সি দুহাতমান আঁতবত ছিটকি পবিল মুবটো পকীত পবি ফালি গ'ল। বৌ বৌ কৈ

ওলাব ধবিলে। চোব পলাল। চকীদাব আহি দেখিলে অফিচকম তেজেবে বাঙলি হৈ গৈছে। বিনোদ পকিত পবি আছে। চকীদাবব চিএব-বাখবত অনেক ছাত্র গুচি আহিল। ডাক্তব আহিল কিন্তু ঘটনাব তং-সূত্র কোনোৱে ধবিব নোৱাবিলে। বিনোদক হস্পিটেললৈ নিয়া হল। অনেক ছাত্র গৈ তাক শুশ্রূষা কবিব ধবিলে। জ্ঞান আহাতো বিনোদক কথা কবলৈ ডাক্তবে বাধা কবিলে। Brain Concussion হোৱা বুলি ডাক্তবে সন্দেহ কবিলে। এগাঁ মানব পিছত বিনোদে অলপ সুস্থ হৈ উঠিল। ডাক্তবে একেবাবেই পঢ়া-শুনা নিষেধ কবিছে, আনকি পবীক্ষা দিবলৈকো বাধা দিছিল কিন্তু, আগে যি অলপ পঢ়িছিল তাবেই পবীক্ষা দি থবলৈ কৈছিল।

যেতিয়া পবীক্ষালৈ আক এগাঁ তেতিয়া বিনোদব মুবব বাণ্ডু খুলিছে আক সি পঢ়িবলৈ বব অস্থিব হৈ উঠিল। বিনোদে আগব পঢ়া কথা আটাইবোব পাহবা যেন পালে। কিন্তু বুদ্ধিতো লব লাগিব, বি-এ তো পঢ়িব লাগিব। শেষে বিনোদে বাতি মোশোৱাকৈয়েই ডাক্তবব কথা আওকাণ কবিও পঢ়িবলৈ আবম্ভ কবিলে। এইদবে তিনিবাতিমান কটোৱাব পিছত, বিনোদব দুর্ব্বল শবীব আৰু নাজুৱে ইমান পবিশ্রম সহিব নোৱাবিলে। চতুর্থ দিনা বিনোদব পানী লগাব তাব হৈ অব আহিল। ডাক্তবে আহি কলে যে অব বব বেয়া ধবণব হব পাবে। ডাক্তবব কথাটোবেই মিলিল। পিছদিনাখন বিনোদব তাপ ১০৫° লৈকে উঠিল। বিনোদক আকৌ হস্পিটেললৈ নিয়া হল। তাপব পবিমাণ ১০১° ডিগ্রীব কম নহয় আক তাব পবা বাঢ়ি গৈ ১০৫° লৈ উঠে। লগতে পেটফুলা, জিভা ঘটা আদি উপসর্গও আছে। ডাক্তবে কলে যে বিনোদব টাইফয়েড হৈছে। মাক বাপেকক খবব দিয়া হ'ল। ডাক্তবে এনে টান নবিয়াব কথা শুনি লবি আছিল। আহি দেখিলে বিনোদক বিছনাত ছটফটাই থকা। সেই ডাঙৰ-দীঘল, ছাপ-পৰা, ছটা-ফুটা-বলিচ বিনোদ, মাক-বাপেকৰ চকুৰ মণিক একমাত্র আশা ভবষাব স্থল আজি বিছনাত লীন হৈ পবি আছে। তাব বোগক্লিষ্ট শেতা মুখ খনি দেখি, মাক বাপেক হালেই চিঞঁবি উঠিল। অনেক সদাশয় ছাত্র লগ লাগি চুবোকো সান্ত্বনা দিবলৈ ধবিলে, কলে বিনোদ ভাল হব।

ইফালে বিনোদে টাইফয়েড্ বোগত ছয় ফুট কবি থাকোতে ইণ্টাব মিডিয়েট পবীক্ষা শেষ হৈ গল। লাহে লাহে বিনোদব অন্তস্থা বেয়া হৈ ছে আহিল। শৌচ বব বেছি দবে হবলৈ ধবিলে। তাপ কেতিয়াবা হঠাৎ ১০৫° লৈ যায়, কেতিয়াবা ১০১°, কেতিয়াবা ১০২°; তাব একো নিয়ম নোহোৱা হল। পেট ফুলাটো নুগুচাই হল। ইপিনে ওঠ জিভা তেনেই ফাটি গ'ল। বিনোদে শেষত বৰকৈ প্রলাপ বকিব ধবিলে। মাক বাপেকক বিনোদে চিনি পাই কঁপা হাতেবে হাতজোৰ কৈ সেৱা কবিলে। বৃদ্ধা বুঢ়িয়ে চকুলো টুকি টুকি দুয়ো তাব দুফালে বহি পাবে মানে শুশ্রূষা কবিবলৈ ধবিলে। ভাদীয়াই ঈশ্বৰক প্রার্থনা কবিব ধবিলে, "হে প্রভু, নাতাগে মোক লেখাপঢ়া, নাতাগে মোব ডাঙৰ মানুহ হব, মোব কমাবব লবাই কমাব হৈছেই জীয়াই থ'ক। ইবাবলৈ মোব সোণক বচোৱা প্রভু।" ইপিনে বিনোদব প্রলাপ বেছিহে হব ধবিলে। মাজে মাজে সি চিঞবি উঠে, "দেউতা, ইবাব পবীক্ষা বব ভাল হৈছে দেউতা, ইবাজীতো ভাল কবিছো, বুদ্ধিতো পামেহে।" পবীক্ষাব নামত ভাদীয়াব অন্তৰ হা হা কবি উঠিল। কত বাপেকে কব ধবিলে, "বোপা, মোব বিন্থ, কথা নকবা সোণ।" আকৌ বেছিকৈহে বিনোদে চিঞঁবি উঠে,—"বি-এ পঢ়িবলৈ ভয় নাই দেউতা, পবীক্ষা ভাল হৈছে, বুদ্ধি পামেহে।" মাকে ইফালে চকুলো টুকি কব ধবে, "বোপা, বিনোদ, কথা নকবা সোণ, ডাক্তবে হাক দিছে।" বিনোদে কিন্তু কবলৈ ধবে "কেলেই কান্দিছা আই, মই পবীক্ষাত দেখো ভাল কবিছোঁ।" ডাক্তবে কলে, "আজি খুব সাৱধানে থাকিব লাগিব।" তাব পিছত সিদিনাই সন্ধিয়া পবত মাক বাপেকৰ দুবস্থাবলৈ আওকাণ কবি, সকলোকে কন্দুৱাই বিনোদ চিবকালেলৈ চকু মুদিলে। দুখী ভাদীয়াই পৃথিবী ভবিব তলব পবা থহি যোৱা যেন পালে।

ব্রহ্মপুত্রব পাবত শ্মশানত যেতিয়া বিনোদক চিতাত

তুলি দিয়া হল, তেতিয়া ভদীয়াই তাত জাপ মাৰি পৰিব ধৰিছিল। তিনি চাৰি জনে ধৰিছে ভদীয়াক "মেচনৈ" লৈ আহিব পাৰিলে। গোটেই ৰাতিটো ভদীয়াই, "বিনো, পিতা মোৰ, তই কলৈ গলি" বুলি চিঞৰি চিঞৰি আছিল। তাৰ পিছত তিনি চাৰি জনে লগ হৈ পিছ দিনা ভদীয়া আক বিনোদৰ মাকক নি ঘৰত লৈ আহিল। তেতিয়া সন্ধিয়া হৈছে। ভদীয়া ঘৰ পাই পগলাৰ দৰে মিটো ঘৰত বিনোদে আহিলে থাকিছিল, তাৰ ভিতৰলৈ লৈ যাচু,কৈ ৰাগৰি পৰি "বিনোদ বিনোদ" কৈ চিঞৰিবলৈ ধৰিলে। কলেজৰ পৰা আহিলে, এদিন এই ঘৰটো জাক্ জমক হৈ উঠিছিল। এতিয়া এখন টেবিল, এখন চকী আক এটি আলমিৰা ৰ ভিতৰত আছে। যহা ভিন্নানী এখন এতিয়া টেবিলত পৰি আছে। বিনোদৰ ফটো এখন এতিয়া বেৰত অৱা আছে। ওচৰতে বিনোদে এখন ফট পাতিছিল। সন্ধিয়াৰ বতাহে তাৰ সুগন্ধ আনি বিনো ঘৰটি ভৰাই পেলায়। কিন্তু সেই সুগন্ধ লৰলৈ ম বিনোদ এই জগতত নাই।

আধা বন্ধা ঘৰটি আধা বন্ধা হৈয়েই ৰল। ভদীয়া আক তাক নালাৰিলে। কাৰ নিমিত্তে সি এতিয়া ৰান্ধিব ?

অতৃপ্ত

—শ্রীযুত ৰঘুনাথ চৌধুৰী

কবিতা—

গধূলিৰ ৰঙা মেঘে
পাতিলে প্রেমৰ হাট,
সুন্দৰ এখনি যেন
অপূর্ব্ব ৰূপক নাট !

নীলিমৰ বুকু ৰাঁজি
দিছে গন্ধ ফাঁকু ওৰি ;
মৃদু মলয়ত ফুৰে
দিক্ চক্ৰৱাল জুৰি।

পলাশ বনত দিলে
সপোন মাধুৰী ঢালি
জনাই ব্যাকুল বাথা
বতাহত হালিজালি !

নাজানো বোলালে কোনে
তটিনীৰ বুকুখনি
ধীৰ তৰঙ্গত জলে
সহস্র হীৰাৰ মণি।

উদ্দাম প্রাণৰ তৃষা
অফুৰন্ত আশা লই
ফুৰে কাৰ সন্ধানত
ভাৱত বিভোল হই !

পুৱৰী ছন্দত গালে
আৱতিৰ স্তুতি গীত
সুগম্ভীৰ নিনাদত
গিৰি বন মুখৰিত।

অসীমৰ কোলা জুৰি
বলাকাৰ পংক্তি বেগা
লেখি থই উৰি গল
বিদায়ৰ শেষ লেখা।

উঠে নীৰৱতা ভাঙি
নিয়তীৰ ৰিঙা মাত,
হৃদয় অধীৰ হল
বিচ্ছেদৰ ভাৱনাত।

আন্ধাৰৰ সিপাৰত
জোনাকীৰ মৰীচিকা,
ধীৰে ধীৰে পৰি গল
প্রকৃতিৰ যৱনিকা।

বাসনা ব্যাকুল মুগ্ধ
মধুখতু অস্ত হল ?
প্রাণৰ উন্মাদ গতি
পচোৱাত মিলি গল।

সম্পাদকীয়

অসমীয়া সবাক চিত্র

সবাক চিত্রৰ আবিষ্কাৰৰ লগে লগে তাৰ প্রভাৱ আক প্রচাৰ সকলো দেশতে ইমান বেগেৰে বিয়পি পৰিছে যে তাক ভাবিলে আচৰিত হব লাগে। জনসমাজত ইয়াৰ বহল প্রচাৰ আক আদৰৰ বাবেই চিত্রাভিনেতা আক অভিনেত্রী সকলে অসাধাৰণ ৰূপে ধন উপার্জ্জনো কৰিছে। খুলি উঠা একো একোজন অভিনেতা আক অভিনেত্রীক দিয়া টকাৰ পৰিমাণৰ কথা শুনিলে আমাৰ মানত ৰূপকথা যেন হে ধাৰণা হয়,—কিন্তু ই সঁচা কথা। পৃথিবীত আন কোনো শিল্প নাই বা ব্যৱসায়ত এনেদৰে অর্থাগম হোৱা দেখিবলৈ পোৱা নাযায়।

শ্রীযুত জ্যোতি প্রসাদ আগৰৱালা

ভাৰততো সবাক চিত্রৰ প্রচাৰ লাহে লাহে বাঢ়িব লাহে লাগিছে ক হাজাৰ হাজাৰ শিক্ষিত নিবহুৱা ডেকাৰ আয়ৰ বাট ৰূপ কৰিছে কিন্তু এতিয়া লৈকে এই ক্ষেত্রত আগ টি ওলোৱা নাডিল কোনো অসমীয়া হে। অৱশ্যে ই ডি সহজ সাধ্য কাম নহয় যে ইচ্ছা কৰিলেই হব পাৰে ; খন ছবি কৰি উলিয়াওতে ভালেখিনি অর্থব্যয় হয় কে অকল সেই, যিনি টকা ঘুৰাই পোৱাদেই তাৰ উপৰিও লাভৰ পৰিমাণ কিছু থাকিব লাগিব ক সেয়ে হবলৈ হলে ছবিখনৰ প্রচাৰৰ কাৰণে লাগিব ন তেনে বজাৰ। ইংলণ্ড আক আমেৰিকাৰ সবাক ত অসাধাৰণ অর্থাগমৰ কাৰণ এই যে সেই দেশৰ ৰাবোৰ অকল সেই দেশতেই নহয় পৃথিবীৰ ইংৰাজী প্রচলিত সকলো দেশতেই প্রচাৰ লাভ কৰে কিন্তু আমাৰ দেশৰ সবাক চিত্রৰ বজাৰ সেই অনুপাতে ঠেক—অসমীয়াৰ আক ঠেক। এই এটি অসুবিধা আগত নৈও আমাৰ অক্লান্ত কর্ম্মী অসমীয়া ডেকা শ্রীযুত জ্যোতিপ্রসাদ আগৰ ৱালা দেৱে 'চিত্রলেখা মুভিটোন কোম্পানী, স্থাপন কৰি অসমীয়া ডেকা-গাভৰু সকলক হাতত লৈ অসমীয়া সবাক চিত্র উলিয়াবলৈ আয়োজন কৰি সকলোৰে মনত আশাৰ বিজুলী চমকাইছে। প্রথম চিত্রৰ কাৰণে জয়মতী নাটৰ বাছনি অতি সুন্দৰ হৈছে। যি শুনা এই ছবি লৈছে অসমীয়া ঠাচত প্রাকৃতিক ৰূপ দিবলৈ সকলো ৰকমৰ চেষ্টা আক যো-জা চলিছে। বীৰ গদাপাণি আক সতীবাণী জয়মতীৰ তপত চকুলো বোওৱা কৰুণ কাহিনী ভৰা নাটখনিয়ে নতুন ৰূপলৈ সকলোৰে মাজত সমাদৃত হৈ শ্রীযুত আগৰৱালা দেৱৰ চেষ্টা আক আয়োজন সাফল্য মণ্ডিত কৰক—এয়ে আমাৰো আশা। ছবিখনি বহুল প্রচাৰৰ উপযোগী কৰিবলৈ লগে লগে এটি হিন্দী 'ডাহ'ন' উলিয়াব দিহা কৰাটো ভাল কথা হৈছে

হৰিজনৰ উন্নতি বিষয়ত ডেকা জমিদাৰ

ৰৰ সুখৰ কথা ৰূপসী ষ্টেটৰ অন্যতম জমিদাৰ শ্রীযুত

জমিদাৰ শ্রীযুত ৰূপেন্দ্র নাৰায়ণ চৌধুৰী

জগদিন্দ্র নারায়ণ চৌধুরী ডাঙবীয়াই হবিজনব বিষয়ত আগ্রহ দেখুয়াই ঘোরা এপ্রিল মাহত মহাত্মাজীক এখনি অভিনন্দন পত্র আৰু হেজাৰ টকাৰ মোনা এটি অর্পণ কবিছে। অভিনন্দন খনি এই—

পৰমাৰাধ্যতম মহাত্মা—

মোহনদাস কবমচাঁদ গান্ধীজীৰ

শ্রীচৰণকমলেষু

জগতপূজ্য মহাত্মা—

দুখীয়াৰ দুবত বিগলিত অন্তৰ, ত্যাগৰ চৰম আৰৰ্শত উপনীত হে সত্যসন্ধী মহাপুৰুষ! আজি তোমাৰ পবিত্ৰ পদবেণুৰ পৰশ পাই আমাৰ জীবন ধন্য, বেশ পবিত্ৰ! তোমাৰ মৃত্যু মণোৰাপিৰ গৌৰৱৰ পৰিষাই আজি আমাবো অন্তৰ আহ্লাদত আপ্লুত কবি, ভক্তি-বিহ্বল চিতে তোমাৰ উদ্দেশে নিখ, নিচলাই একমাত্ৰ সম্বল এই কুতজ্ঞতাৰ শবাই আগ বঢ়াবলৈ অনুপ্রেবণা আনি দিছে।

তোমাৰ স্নাত্ৰ আৰু সত্যানুবাগৰ প্রভাৱত, তোমাৰ প্রাণ-পাত পবিশ্রমৰ ফলত কথাদেশৰ ভাবতৰ মৃতপ্রায় পত্রবতো আজি প্রাণৰ স্পন্দন বেখা গৈছে, কালৰ আবর্ত্তনাময় বীতি-নীতি আজি তোমাৰ জীবনবাণী সাধনাত আগত নিজেই হৈ আহিছে। তোমাৰ অপবিসীম মানব-প্রীতি, অযাচিত কৰুণা আৰু আত্মনিয়োগৰ মহত্বী শক্তিবে তুমি নিবাশৰ বুকুত আশাৰ সঞ্চাৰ কবিবা, নিমকিন নিসম্বলৰ মৃথত হাঁহিব বেখা বিবিহাইছা। নবনাবীবণৰ সেৱাত, সমাজৰ জাতি-অজাতিৰ হীনমন্যতাৰ বাবণাক আঁতবাবলৈ 'হবিজনৰ' পূজাত আত্মোৎসৰ্গ কবি আজি তুমি জগতৰ সম্মানৰ সৰাতো উচ্চ আসনৰ অধিকাৰী হৈছা।

হে সর্বত্যাগী মহাপুৰুষ, তোমাৰ মহান আৰৰ্শ, তোমাৰ ত্যাগৰ দৈবিক জ্বলা, তোমাৰ প্রাণৰ সবলতাই আজি জগতবাসীৰ অন্তৰত অভিনব প্রেবণাৰ সঞ্চাৰ কবিছে। তুমি শান্তিৰ দীপ্ত মূর্ত্তি, সবলতাৰ জীবন্ত আৰৰ্শ। তোমাৰ মহতী চেষ্টা জয়যুক্ত হওক, ভগৱানৰ শুভৰত এতে আমাৰ কবপুট প্রার্থনা।

লেহক

২৮ চ'ত, ১৮৫৫ শক
কপনী, অসম

শ্রীজগদিন্দ্র নাবায়ণ চৌধুৰী
—বাইজৰ হৈ—
কপনী, গোৱালপাৰা।

হবিজনৰ বাবে মহাত্মা গান্ধীৰ অসম আগমন

ভাবতৰ হিন্দু জাতিৰ ভিতৰত জাতিভেদ এটা প্রধান সমস্যা। এই সমস্যা দেশৰ বাজনৈতিক কাবণত ক্রমে জটিলতৰ হৈ আহিছে। এই জটিলতা ইমান খিনিলৈকে বাঢ়িছে যে ইয়াৰ কাবণে ভাবতৰ বাজনৈতিক অধিকাৰ ক্ষুণ্ণ হোৱাৰ বিষেৰ আশঙ্কা নেতা সকলে অনুমান কবিছে। মহাত্মা গান্ধীয়ে অহিংস উপায়ে ভাবতৰ মুক্তিৰ বাবে চেষ্টা কবি সে বাটত ভালে খিনি আগবাঢ়িছিল। কিন্তু জাতিভেদৰ বাধাই তাত আগভেটা দিয়াত তাক দূৰ কবিবলৈ দৃঢ়সংকল্প হৈ হবিজনৰ উন্নতিৰ অর্থে মহাত্মাই শক্তি নিয়োগ কবিছে।

এই জাতিভেদৰ সপক্ষে বিপক্ষে, কাকতে-পত্রে, সভা সমিতিত, কাউন্সিলে-দৰবাবে নানা তর্ক বিতর্ক চলিছে। জাতিভেদ প্রথা সৃষ্টি হোৱাৰ সময়ত তাৰ উদ্দেশ্য ভাল আছিল বুলি ধবি লোৱা হলেও পিছত ই যেনেকৈ নিম্ন সমাজত জন্মগত বিভেদকপে দেখা দি আহিছে তাৰ ফলত সমাজৰ হিতৰ পবিবর্ত্তে বিপৰীতহে সাধন হৈছে। আজি সেই দেখিয়ে বৌদ্ধ যুগৰ দৰে আন অনেক সময়তো এই বর্ণ বৈষম্যৰ বিৰুদ্ধে বহু আন্দোলন আলোচনা চলি আহিছে। তাৰ ফলত কোনো কোনো সময়ত সমাজৰ ফালে কিছুদূৰ আগ বঢ়া দেখা গৈছে; কিন্তু চোৰ চাই আকৌ বর্ণবিভেদ নীতিয়ে মুৰ তুলি থিয় হৈছে। কিছুমানৰ মতে গৌৰৱৰ বিষয়ে যে এনে জাতি ভেদ প্রথা বাবেই নানা ধর্ম্মৰ বিদেশী আহি শ শ বছৰ ভাবতবাসীক অধীনত বাখিবলৈ সক্ষম হলেও হিন্দুৰ হিন্দুৰ ভেদ কবিব পবা নাই। কিন্তু সেই সকলে বুজিব পবা নাই যেন লাগে যে হিন্দুত্বৰ চৰম সার্থকতা অকল তাতে নিহিত নহয়। আনফালে ববং এনে জাতিভেদৰ পবাই ভাবতৰ এটা জাতি (nation) গঢ়ি উঠিব পৰা নাই বুলি বহুতে আপেক্ষ কবে। আৰু এই কাবণেই হিন্দু সমাজৰ বাহিৰ ওলাই বাজনীতত মনোযোগ দিব পাৰে নাই। হিন্দুৰ আজি একো নাই, যি আছে সি হিন্দুত্বৰ কঙ্কালহে মাথোন। অকল সেয়ে নহয় যুগুত বিহীন ব্যৱহাৰৰ পবা ইতৰ হিন্দু সমাজ হীনৰ পবা হীনতৰ হৈ পবিছে—কেৱল সেইসকলেই উচ্চ হিন্দুৰ অবজ্ঞাৰ ব্যৱহাৰ যি কি নহক সেই সকলৰ শিক্ষা দিক্ষা, আচাৰ নীতি আদি সকলো বিষয়ৰ উন্নতিৰ নিমিত্তে, সেই সকলক এ অখণ্ড হিন্দু জাতিৰ অক্ষত পুষ্ট অঙ্গ কবি তুলিবৰ নিমিত্ত আজি মহা মানব মহাত্মা গান্ধীয়ে সমগ্র ভাবত ভ্রমণ আৰম্ভ কবিছে। আৰু সম্প্রতি কংগ্রেচ আদিব সময়ত কাম স্থগিত বাখি গোটেই ভাবততে এটি নতুন জাগৰণ আৰু নব যুগৰ প্রবর্ত্তনত লাগি পবিছে। আৰু যেনে লৈ এই পাপ ধনিষ্ঠামানো সমাজত থাকিব তেতিয়ালৈ মহাত্মাজী নিৰস্ত নহয়। তেওঁৰ এই ইচ্ছা সফল হব বুলি আশা কবা গৈছে। এই অভিজ্ঞানত দেখাই আন্তৰিকতা যি প্রকাশ পাব লাগিছে সেয়ে তাৰ প্রমাণ। মহাত্মাজীৰ উদ্দেশ্যটো অসমীয়াই যেনে সহানুভূতি দেখুৱাব পাবিছে সি বৰ গৌৰৱৰ কথা হৈছে।

আমাৰ ত্রুটী

শাৰীৰিক সুস্থতা নথকাত এই সংখ্যাও ঠিক সময়ত উলিয়াব পবা নগল। যিকি নহ'ক আবাহন নিয়মিত কবিবলৈ আশা এবা নাই।

আবাহন

'অর্কিড'

লক্ষ্মীবিলাস প্রেস লিঃ, কলিকাতা।

ভারতবর্ষ

৫ম বছর, ১১শ সংখ্যা]　　ভাদ্র　　[১৮৫৬ শক

শ্রীচৈতন্যদের কোন সম্প্রদায়ের ?

—শ্রীযুত লক্ষ্মীনাথ বেজবরুয়া

চৈতন্যদেবের বিষয়ে তেওঁর শিষ্যসকলর গ্রন্থ পঢ়ি আমি
দি আহিছিলোঁ যে তেওঁ মাধ্বী-সম্প্রদায়র অন্তর্গত—

"মাধ্বী সম্প্রদায় আদি সর্ব্বশিরোমণি।
এবে সম্প্রদায় শিষ্য হইলা আপনি॥"

—বঙ্গলা ভক্তমালা

ইয়াত মাধ্বী-সম্প্রদায়ক "আদি আৰু সর্ব্বশিরোমণি"
দি চৈতন্যপন্থী লালদাসে তেওঁৰ বঙ্গলা ভক্তমালা গ্রন্থত
খিছে। চৈতন্যৰ মন্ত্র-গুৰু ঈশ্বৰপুৰী, সন্ন্যাস-গুৰু
শ্বৰ ভাৰতী। মাধ্বী-সম্প্রদায় সর্ব্বশিরোমণি হলেও
য় চৈতন্য-চৰিতামৃত গ্রন্থতে আছে যে চৈতন্যই সন্ন্যাস
হণ কৰা ভাৰতী সম্প্রদায় সর্ব্বশিরোমণি নহয়, মধ্যম হে।
চৈতন্য চিনাকি লওঁতে পুৰীত সার্ব্বভৌম ভট্টাচার্য্যই
গোপীনাথ আচার্য্যক সুধিছিল—

"কোন সম্প্রদায় সন্ন্যাস কৰিয়াছেন গ্রহণ।
কিবা নাম ইহাঁৰ শুনিতে হয় মন॥"

গোপীনাথে উত্তৰ দিলে—

"গোপীনাথ কহে ইহাঁৰ নাম শ্রীকৃষ্ণচৈতন্য।
গুৰু ইহাঁৰ কেশৱ ভাৰতী মহাধন্য॥"

সার্ব্বভৌমে কলে :—

"সার্ব্বভৌম কহে এই নাম সর্ব্বোত্তম।
ভাৰতী-সম্প্রদায় ইহোঁ হয়েন মধ্যম॥"

গোপীনাথে উত্তৰ দিলে :—

"গোপীনাথ কহেন ইহাঁৰ নাহি বাহ্যাপেক্ষা।
অতএব বড় সম্প্রদায় কৰিল উপেক্ষা॥"

সার্ব্বভৌমে কলে :—

"ভট্টাচার্য্য কহে ইহাৰ প্রৌঢ় যৌবন।
কেমনে সন্ন্যাস ধর্ম্ম হইবে রক্ষণ॥

নিৰন্তৰ ইহাঁৰে আমি বেদান্ত শুনাইব।
বৈৰাগ্য অদ্বৈত মার্গে প্রবেশ কৰাইব॥
কহেন যদি পুনৰপি যোগপট্ট দিয়া।
সংঘাৰ কৰিয়ে উত্তম সম্প্রদায়ে আনিয়া॥"

ভক্তমালাৰ "সর্ব্বসিৱোমনি" সম্প্রদায় তো এই! যাওক। চৈতন্যপন্থীয়া সকলৰ ধাৰাই ৰচিত গ্রন্থ পড়ি আৰু তেওঁলোকৰ বক্তৃতা শুনি ইমান দিন আমি জানি আহিছিলোঁ যে চৈতন্যদেৱ, আৰু তেওঁৰ সন্ন্যাস-গুৰু কেশৱ ভাৰতী, মন্ত্র-গুৰু ঈশ্বৰপুৰী মধ্ব-সম্প্রদায়ভুক্ত। আৰু সেই জ্ঞানকে লৈ সিদিনাও আমি ৰৱদা বাঞ্জাত দিয়া বক্তৃতাত কৈছিলো যে চৈতন্য মাধ্বী-সম্প্রদায়ৰ। এতিয়া দেখিছোঁ যে "Journal of the Assam Research Society", July 1934. Vol. II অত বায় বাহাদুৰ অমৰনাথ বায় নামেৰে এজনে অনেক যুক্তি-প্রমাণ দি এটা প্রবন্ধ লিখিছে যে চৈতন্যদেৱ মাধ্বা-সম্প্রদায়ৰ নহয়; তেওঁ অনেক কাৰণ পিছত তেওঁৰ শিষ্যসকলৰ দ্বাৰাই এই অসত্য প্রচাৰিত হৈছে। আমি সেই লেখকৰ কথা এইখিনিতে সংক্ষেপকৈ তুলি দিম। আৰু তাৰ লগতে আমাৰো চাৰাব-এষাৰ কথা থাকিব। আমাৰ উদ্দেশ্য সত্য উদ্ঘাটন হে। চৈতন্য মাধ্বী-সম্প্রদায়ৰে হওক বা শ্রী সম্প্রদায়ৰে হওক, তাত আমাৰ লাভ-লোকচান একো নাই। কিন্তু সেই প্রবন্ধ-লেখকে প্রমাণ কৰিছে যে চৈতন্য কোনো সম্প্রদায়ৰে নহয়। এনে হলে দেখোন তয়ানক কথা। কাৰণ চৈতন্যীয়া নিমাইচান্দ সেৰাতীর্থ মহোপদেশকে কিতাপ লেখি, বক্তৃতা কৰি নামনি অসমৰ ফালে কৈ ঘুৰিছে যে শ্রীশঙ্কৰদেৱে অবৈফৱ আৰু তেওঁ আৰু তেওঁৰ সম্প্রদায়ে দিয়া শৱণ-ভজন নিষ্ফল; কাৰণ শঙ্কৰদেৱ চাৰিটা মার্কা-মৰা সম্প্রদায়ৰ ভিতৰুৱা নহয়। সেই চাৰিটা সম্প্রদায় হৈছে—"অনাদি কালৰে পৰা শ্রী, ব্রহ্ম, ৰুদ্র আৰু সনক নামে চাৰিটি বৈষ্ণৱ সম্প্রদায় চলি আহিছে। এই চাৰিটি সম্প্রদায়তেই মন্ত্রৰ আম্নায় ৰক্ষিত হৈ আহিছে। এই চাৰিটিত বাজে আন সকলো সম্প্রদায় অসৎ।" (মহা মহা উপদেশক কিবা তীর্থ এজনৰ লেখাৰ পৰা এই কথা উদ্ধৃত)। এতিয়া যদি চৈতন্যদেৱ এই চাৰিটা সম্প্রদায়ৰ বাহিৰ প্রমাণ হয়, তেন্তে তেওঁ ক তেওঁৰ সম্প্রদায়ে শিষ্যক দিয়া মন্ত্র বা দীকাও ফে নিষ্ফল। কাৰণ—

"সম্প্রদায়বিহীনা যে মন্ত্রাস্তে নিষ্ফলা মতাঃ।
সাধনৌঘৈৰপি সিদ্ধ্যন্তি কোটিকল্প শতৈৰপি॥"

—(পাদ্মে তথা গৌতমীয়ে তথা নাৰদ পঞ্চৰা

অর্থাৎ যিবোৰ মন্ত্র সম্প্রদায়বিহীন, সেইবোৰ নিষ্ফল। বহু সাধনা কৰি শত কোটি কল্প কাললৈ ম মন্ত্র সিদ্ধি নহয়। ম-ম-সে তীর্থই নে কা-তীর্থই "কিন্তু শঙ্কৰদেৱক চৈতন্যদেৱৰ লগত একেশাৰীকৈ নোৱাৰি।" এতিয়া দেখিছোঁ, যদি অমৰনাথ বায় ঠিক হয়, সম্প্রদায়বিহীন, অথচ চৈতন্য অমুক সম্প্রদা বুলি কোৱা অসার্থক কথাৰ নিমিত্তে চৈতন্যক শঙ্কৰ শাৰীতো বহুৱাব নোৱাৰি।

আমি এতিয়া চমুকৈ শ্রীযুত অমৰনাথ বায়ৰ উল্লেখ কৰিম।—

বঙ্গৰ বৈষ্ণৱধর্ম্মৰ বিষয়ে সবহভাগ লেখকে চৈত মধ্বাচার্য্যৰ সম্প্রদায়ৰ বুলি ভালকৈ বিচাৰ-বিবে নকৰাকৈয়ে ধৰি লৈছে। আনকি, এজনে চৈত মন্ত্রগুৰু ঈশ্বৰপুৰীক আৰু সন্ন্যাস গুৰু কেশৱভাৰ মাধ্বী সম্প্রদায়ৰ বুলি কৈছে। এই কথা সম্পূর্ণ ভুল এই কথাৰ প্রতিবাদ কৰোতা এজনে যদি সৈ বাধ্য হৈছে যে চৈতন্য মায়াবাদী সন্ন্যাসী, তথাপি কার্য্য চৈতন্যৰ লীলা বুলি তেওঁ পাতলাই দিছে। "চ চৰিতামৃত" গ্রন্থতে তিনি ঠাইত চৈতন্যক মায়াবাদী বুলি কোৱা হৈছে— মধ্যলীলা খণ্ডৰ অষ্টম অধ্যায়ত আৰু অন্ত্যলীলাৰ সপ্তম অধ্যায়ত এষাৰ। চৈতন্যই বাৰ বাৰক নিজেই কৈছে—

(১) "আনেৰ কা কথা মায়াবাদী সন্ন্যাসী।
আমিহ তোমাৰ স্পর্শে কৃষ্ণপ্রেমে ভাসি॥"

(২) "প্রভু কহে মায়াবাদী আমি ত সন্ন্যাসী।
ভক্তিতত্ত্ব নাহি জানি মায়াবাদে ভাসি॥"

(৩) "মহাপ্রভু কহে শুন ভট্ট মহামতি।
মায়াবাদী সন্ন্যাসী আমি না জানি কৃষ্ণভ

কবি কর্ণপুৰৰ চৈতন্যচন্দ্রোদয় নাটকত বর্ণনা কৰা, তেতন্যই সন্ন্যাস লোৱাৰ ঠিক পিছত উল্লেখ কৰা শ্রীচৈতন্য াৰু অদ্বৈতাচার্য্যৰ কথা-বার্ত্তাবোৰো বেছকৈ প্রমাণ হয় ৰ চৈতন্যৰ সন্ন্যাস-গুৰু কেশৱভাৰতী শঙ্কৰাচার্য্যৰ প্রদায়ৰ সন্ন্যাসী গুৰু।

প্রায় দুশ বছৰৰপৰা চৈতন্যক মাধ্বী-সম্প্রদায়ভুক্ত বুলি চাৰ কৰাৰ চেষ্টা চলিছে, আৰু তাৰ ওৰি বলদেৱ বিদ্যা-ষণ। বঙ্গলা ভক্তমালাত চৈতন্যৰ গুৰুপৰম্পৰাত দিয়া ৰ্ষে—





ব্যাসতীর্থ এই পৰম্পৰামতে মাধবেন্দ্র পুৰীৰ গুৰুৰ গুৰু। এই তালিকাত ভক্তি-ৰত্নাৱলীৰ গ্রন্থকাৰ বিষ্ণুপুৰীক জয়ধর্ম্মৰ শিষ্য বোলা হৈছে। এই তালিকা কবোতাই নাজানিছিল যে পদ্মনাভ, নৰহৰি আৰু মাধৱ এই তিনিও মধ্বাচার্য্যৰ শিষ্য। বলদেৱৰ তালিকাতো এনেকুৱাই।

এই তালিকাত দিয়া গুৰুসকলৰ বিষয়ে প্রবন্ধ-লিখক ৰায়ে তেওঁৰ ইংৰাজী প্রবন্ধত অনেক যুক্তিৰে তাৰ ভুল দেখুৱাই দিছে। অনুসন্ধিৎসু পাঠকে সেই প্রবন্ধ পঢ়িলে জানিব। আমি মাথোন ওপৰে ওপৰে তাৰপৰা দুই চাৰিটা কথা কম।

শঙ্কৰাচার্য্যই তেওঁৰ সম্প্রদায়ত পুৰী, ভাৰতী ইত্যাদি দশনামী সন্ন্যাসীৰ প্রথা সৃষ্টি কৰে। মাধ্বী-সম্প্রদায়ত কোনো সন্ন্যাসী নাই, যাৰ উপাধি পুৰী। সেইদেখি ওপৰত দিয়া গুৰুপৰম্পৰা ৰচনা কৰা বুদ্ধিয়কজনে ভক্তি-ৰত্নাৱলীৰ গ্রন্থকাৰ বিষ্ণুপুৰীকো সেই তালিকাৰ ভিতৰত সুমাই লৈ মাধবেন্দ্র পুৰীক মাধ্বী-সম্প্রদায়ভুক্ত কৰি দেখুৱাবলৈ আহি উলিয়ালে। বিষ্ণুপুৰীৰ ভক্তি-ৰত্নাৱলীত মাধ্বী-সম্প্রদায়ৰ সম্পর্কে কোনো নাম-গোন্ধেই নাই। শ্রীমদ্ভাগৱতৰ টীকাকাৰ শ্রীধৰ স্বামী ভক্ত-অদ্বৈতী; বিষ্ণুপুৰীও তেনেকুৱাই। বলদেৱৰ তালিকাত বিষ্ণুপুৰীৰ নাম নাই।

চৈতন্যই মাধ্বী-সম্প্রদায়ৰ প্রধান স্থান উদীপিলৈ য'ত্তে মাধ্বী মঠৰ আচার্য্যৰে সৈতে কথা-বতৰা পাতোতে কৈছিল—

"প্রভু কহে জ্ঞান কর্ম্ম দুই হয় হীন।
তোমার সম্প্রদায়ে দেখি সেই দুই চিহ্ন॥"
—(চৈতন্য চরিতামৃত)

যদি কৃষ্ণদাস কবিরাজ (চৈ, চ) আর কবি কর্ণপুরে জানিলেইতেন যে চৈতন্য মাধ্বী-সম্প্রদায়, তেন্থে তেঁও মুখত এনে কথা কেতিয়াও তেওঁলোকে আবোণ নকবিলে হেঁতেন। চৈতন্যই রামানন্দ রায়, যি পিছত সদায় চৈতন্যব লগবীয়া হৈছিল, মত হে ববকৈ আদব কবিছিল। রামানন্দ রায় সহজীয়া সম্প্রদায়ব।

মাধবেন্দ্র পুবীব শিষ্য অদ্বৈতাচার্য্য আক ঈশ্ববপুবী। ঈশ্ববপুবী চৈতন্যব মন্ত্র-গুরু। অদ্বৈতই যোগবাশিষ্ঠ পঢ়াই থকা কথা অনেক বাব উল্লিখিত হৈছে। আচলতে অদ্বৈতও শ্রীধবব দবে ভক্ত-অদ্বৈতী আছিল; পিছত চৈতন্যব সঙ্গত থাকি তেওঁ ভক্তিব ফালে বেছি ঢাল লয়। চৈতন্যই পুবীত বসতি কবাব পিছত অদ্বৈতই আকৌ আগব দবে জ্ঞান-মার্গব শিকাব ফালে ঢাল ললে। অদ্বৈতব আচল নাম কমলাক্ষ বেদপঞ্চানন। তেওঁব নাম পিছত অদ্বৈতাচার্য্য হোৱাব পবাই বুজিব পাবি তেওঁ কোন সম্প্রদায়ব। মাধবেন্দ্র পুবীব আক এজন শিষ্যব নাম আছিল বামচন্দ্র পুবী। এইজন নাম-জলা অদ্বৈতবাদী আছিল। চৈতন্যই এদিন বব সমাদব কবিছিল, তেওঁব গুৰু ঈশ্ববপুবীব গুৰু-ভাই দেখি। যদি মাধবেন্দ্র পুবী মাধ্বী-সম্প্রদায়ব, তেন্থে তেওঁব এই দুজন বিখ্যাত শিষ্য অদ্বৈতবাদী হল কেনেকৈ? আচল কথা, মাধবেন্দ্র পুবী আক ঈশ্ববপুবী শ্রীধব স্বামীব দবে ভক্ত-অদ্বৈতী আছিল।

জয়ানন্দই তেওঁব "চৈতন্যমঙ্গলত" লেখিছে যে নিত্যানন্দক ঈশ্ববপুবীয়ে প্রয়াগত মন্ত্র দি শিষ্য কবিছিল; যদিও জয়ানন্দই কোনো উল্লেখ কবা নাই যে ঈশ্ববপুবী মাধ্বী-সম্প্রদায়ভুক্ত। "ভক্তিবত্নাকব" কিতাপে কয় যে নিত্যানন্দ মাধবেন্দ্র পুবীব গুৰু লক্ষ্মীপতিব শিষ্য আক পদ্মবপুবত লক্ষ্মীপতিয়ে নিত্যানন্দক মন্ত্র দিয়ে। এইবোব অমিলবপবাই বুজিব পাবি গোলমাল ক'ত। আচলতে নিত্যানন্দ এজন তান্ত্রিক অবধুত আছিল; আক সেই দেখি তেওঁ নিজক প্রচলিত আচাব-বিচাবব ওপবত চলিছিল। অবশ্যে নিত্যানন্দ এজন যে ডাঙব কৃষ্ণ প্রচাবক আছিল, তাত সন্দেহ নাই। কিন্তু মধ্যযুগ সম্প্রদায়ত নিত্যানন্দব দবে আচাব-বিচাব ভাঙি কোনো লোক থকাব কথা ভাবিবই নোৱাবি। "প্রেমবিলাস" নামব গ্রন্থত আচল কথা কোৱা হৈছে। "প্রেমবিলাস" ভক্তমালা আক ভক্তি-বত্নাকবব পুবণি। তাত লিখিছে, নিত্যানন্দক এজন বৃদ্ধা সন্ন্যাসিনী দীক্ষা দিয়ে, আক সেই সন্ন্যাসীব লগতে নিত্যানন্দই এবি যায়।

এইখিনিতে চৈতন্যদেবব মন্ত্র-গুৰু ঈশ্ববপুবীব বিষয়ে একাষাব কথা কোৱা যাওক। "চৈতন্যভাগবত" গ্রন্থ ঈশ্ববপুবীয়ে কেইবাবাবো নিজক "শূদ্রাধম" বুলি দিয়া পোৱা যায়; অর্থাৎ শূদ্রব ভিতবত মই অধম। অৱশ্য কয়, ঈশ্ববপুবী ব্রাহ্মণ আছিল; এইবাব কথা তেওঁ নিজে প্রকাশ কবি কৈছে। বায় বাহাদুব দীনেশচন্দ্র সেন ঘাই "অমিয় নিমাই চবিত" "গৰ্ভ গৌবাঙ্গ" বঙোৱা বিষ্ণু শিশিব কুমাব ঘোষে কয় যে বাস্তবিকতে ঈশ্ববপুবী আছিল। যদি এই কথা সঁচা, তেন্থে মাধ্বী-সম্প্রদায় ঈশ্ববপুবীব ঠাই হবই নোৱাবে; কাবণ ব্রাহ্মণব বাহি আনক সন্ন্যাস দিয়া তাত নিয়ম নাই।

আমিও এইখিনিতে আক এবাব কথা কওঁ। আমি অসমব শ্রীশঙ্কবদেব খুদিব বুলি শঙ্কবব টোলবপবা গুৰু গৈ যিসকল ব্রাহ্মণ আক ব্রাহ্মণ-মহন্তই চৈতন্যপবা বা মন্ত্র পোৱা বুলি কয়, তেওঁলোক দেখিছোঁ আকৌ গুৰু গুৰুক হাতেত পবিল গৈ; কাবণ ঈশ্ববপুবী টোলব মন্ত্র-গুৰু। ইয়াকে বোলে "নিয়তি কেন বাধ্যতে" সিফালে কপ, সনাতন, জীব, কৃষ্ণদাস আক বাকি চৈতন্যব বুকুব বান্ধ সহজীয়া বামানন্দ বায় ৰো নহয়েই। আজিও অসমব এচুকে একঠা মাটিত কিয়ো শূদ্র এজনে চৈতন্যব ধর্ম্মব ভোকোন্দা ভোকোন্দা জাবি শঙ্কবদেবক গালি পাবিবই লাগিছে। যাওক।

আমি আকৌ অমবনাথ বায়ব প্রবন্ধলৈ যাওঁ। কয়;—বঙ্গদেব বিদ্যাভূষণব আগলৈকে, চৈতন্যব

মাধ্বী-সম্প্রদায়ব সম্পর্কব কথা বঙ্গদেশীয় কোনো বৈষ্ণব গ্রন্থত নাই। বঙ্গলা ভক্তমালা আক ভক্তি-বত্নাকব বঙ্গদেবব গ্রন্থব পিছত লিখা। চৈতন্যচবিতামৃত, কপ, সনাতন আক জীবব গ্রন্থবোবত স্পষ্টকৈ দেখা যায় কি গভীব শ্রদ্ধা শ্রীধব স্বামীব প্রতি দেখুৱা হৈছে। চৈতন্যই শ্রীধবক জগদ্গুৰু বুলিছে কাবণ যাব অনুগ্রহত শ্রীমদ্ভাগবত বুজিব পাবি; আক শ্রীধবক ননমানজনক বেশ্যা বুলি তেওঁ অভিহিত কবিছে। জীব গোস্বামীব "অচিন্ত্যভেদাভেদ"ব ব্যাখ্যা মধ্বাচার্য্যব মততকৈ বল্লভাচার্য্যব মতবহে ওববীয়া। বঙ্গীয় বৈষ্ণব সম্প্রদায় প্রাচীন লেখকসকলব কোনো গ্রন্থতে মধ্বাচার্য্যক এই সম্প্রদায়ব প্রতিষ্ঠাতা বোলা নাই। সেইবকলে ভাবিছিল, শ্রীচৈতন্য দেহেই তেওঁব সম্প্রদায় ওবি। আক শ্রী, কদ্র, ব্রহ্ম, আক চতুঃসন যদি একো একোটা সম্প্রদায়ব প্রতিষ্ঠাতা হব পাবে, তেন্থে ঈশ্ববব অন্তত চৈতন্যই বা নোৱাবিব কেনে? "চৈতন্যচন্দ্রোদয়" নাটকত আনন্দিয়ে স্পষ্টকৈ চঠাইকে কৈছে যে চৈতন্য দেহেই তেওঁব সম্প্রদায়ব আদি আক চৈতন্যই কোনো গুৰুব ধাব নাধাৰ; কাবণ তেওঁ নিজেই তেওঁব সম্প্রদায়ব গুৰু।

এইখিনিতে আমি আমাব টীকা দিওঁ—শ্রীশঙ্কব দেবব গুৰু বিচাবি নোপোৱা বাবে, যত নিন্দা শ্রীশঙ্কবদেবব গাত। এতিয়া শ্রীচৈতন্যব বেলিকা কি হব? "Anandi says in two places that Srichaitanya deva was the founder of his sect, which owned no gurus except him and his associates. God incarnate could have certainly founded a fifth sect". বোলো অসমীয়াযে শ্রীশঙ্কবদেবক ঈশ্ববব অন্তত বুলি ভাবে, আক সেইদেখি তেওঁলো এটা বৈষ্ণব সম্প্রদায় প্রতিষ্ঠাপক হব পাবে বুলি জানে। সেইদেখি শ্রীশঙ্কবদেবব গুৰু নোলোৱাত আক তেওঁ শ্রী, কদ্র আদি চাবিটা সম্প্রদায়ব ভিতবকৈ নোহোৱাত কোনেও আহকাল নাপায়।

পিছব কালব বঙ্গীয় বৈষ্ণবসকলে ভাবিলে যে চৈতন্যক চাবিটা সম্প্রদায়ব এটাত সুমাই নললে, ভাল নেদেখুৱাব। সেইদেখি বঙ্গদেব বিদ্যাভূষণে দিলে তেওঁক ঠেলি মাধ্বী-সম্প্রদায়ব ভিতবলৈ। ফল হল, আচল কথাবে সৈতে থাপ নোখোৱা গুকপবম্পবাব সৃষ্টি। বঙ্গদেব বিদ্যাভূষণ উড়িয়া; আক জাতত খণ্ডায়েৎ। তেওঁ বব পণ্ডিত আছিল, আক তেওঁব সময়ত উড়িষ্যাত মাধ্বী-সম্প্রদায়ব প্রাদুর্ভাব আছিল।

চৈতন্যব আগব কাংত সহজীয়া পন্থব বৈষ্ণবব জয়-জয় ময়-ময় অৱস্থা আছিল। মৈথিলী বিদ্যাপতি, বঙ্গালী চণ্ডীদাস, গোদাবৰীব তীবব বামানন্দ বায় সহজীয়া বৈষ্ণব।

মাধ্বী সম্প্রদায়ভুক্তই যুগল মূর্ত্তি বাধা-কৃষ্ণব উপাসনা নকবে। চৈতন্যদেবব প্রিয় গ্রন্থ আছিল জয়দেবব গীতগোবিন্দ, বিষ্ণুস্বামীব কৃষ্ণকর্ণামৃত, বাধা-কৃষ্ণব বিষয়ে দুই সহজীয়া কবি বিদ্যাপতি আক চণ্ডীদাসব গীতি-কবিতা আক সহজীয়া বায় বামানন্দব জগন্নাথ বল্লভ নাটক। আজিকালিব নৈষ্ঠিক কোনো মাধ্বীয়ে যদি বঙ্গব বৈষ্ণব সম্প্রদায়ব মাধুর্য্য-সাধনাব সকলো কথাব ভালকৈ ভু পায় তেন্থে তৎক্ষণাৎ তেওঁলোকক তেওঁ কটা-ছিঙা কবি এবিব।

মুঠতে বল্লভাচার্য্যব সম্প্রদায়ব সৈতে বঙ্গীয় বৈষ্ণবব সাধনাব সাদৃশ্য আছে। বল্লভাচাবী বিষ্ণুস্বামী সম্প্রদায়ব ভিতবকৰা। গদাধব ভিবেদীয়ে তেওঁব সম্প্রদায়-প্রদীপত চৈতন্য-সম্প্রদায়ক বিষ্ণুস্বামী-সম্প্রদায়ব উপ-সম্প্রদায় বুলি লেখিছে। বাস্তবিকতে চৈতন্য-সম্প্রদায়ব মিল বল্লভাচাবী সম্প্রদায়বে সৈতেহে বেছি।

শেহত কওঁ, চৈতন্যব ধর্ম্ম যেই সম্প্রদায়বে ভিতবকৰা হওক, তাত আমাব মাত-লোকচান একো নাই। কিন্তু আমাব শ্রীশঙ্কবদেবব প্রচাবিত ধর্ম্মব ফালে শিলগুটি দলিওৱাব আগতে তেওঁলোকব ভিতবব বৈষ্ণব নামধাবী-বোবে নিজব গাব ফালে ভালকৈ চকু দি লোৱা ভাল।

———

সাহিত্য-সেৱা

—শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস, এম-এ, বি-টি

বুদ্ধি আৰু অনুভূতিৰ ঘাত-প্ৰতিঘাতৰ দ্বাৰাই যি আনন্দৰ উদ্ভৱ হয় তাকেই নাম ললিত-কলা। এই আনন্দক যি মানুহে হাতুৰী, বটালীৰে ইটা, শিল, মাটিত ৰূপান্বিত কৰে তেওঁক আমি ভাস্কৰ বুলি কওঁ। যি ইয়াক তুলি আৰু ৰঙৰ সহায়ত ফুটাই তোলে তেওঁক চিত্ৰকৰ আৰু যি ইয়াক ভাষাৰে প্ৰকাশ কৰে তেওঁক আমি কবি বোলো। শিশুৰ হাঁহিমুখ বা ফুলৰ সৌন্দৰ্য্যই যেনেকৈ মানুহৰ মনত আনন্দ দান কৰে সাহিত্যয়ো অন্তৰত তেনেকৈ বিমল আনন্দ জন্মায়। বিষয়-বস্তু আৰু তাৰ প্ৰকাশ ভঙ্গী সাহিত্যৰ প্ৰধান উপাদান। এই দুটা বস্তুৰ উৎকৰ্ষ সাধন কৰিব পাৰিলেই সাহিত্য-চৰ্চ্চাত সফলকাম হব পাৰি। বিষয়-বস্তু হব লাগে সকলো সমযতে সকলো দেশৰ উপযোগী আৰু প্ৰকাশ-ভঙ্গী হব লাগে অবাধে পবিত্ৰ ৰসৰ নিজৰা পাঠকৰ মনত বোৱাই দিব পাৰা।

সাহিত্য লিখিবলৈ হলে আগতে ভাল ভাল সাহিত্যৰ কিতাপ পঢ়ি মনটোক সেই সাহিত্যৰ ঠাঁচত গঢ়ি তুলিব লাগে। মনটো তেনেকৈ সুদৃঢ়ভাবে গঠিত হলে ছে লিখিবলৈ প্ৰয়াস পাব লাগে। লবাছোৱালীক সাহিত্য শিকাবলৈ হলে সাহিত্যৰ পাঠলৈ বিশেষ লক্ষ্য ৰাখা উচিত। ভালকৈ পঢ়িব নোৱাৰিলে, ছন্দবোধ নহলে অৰ্থবোধ হোৱা টান। আবৃত্তি সাহিত্যবোধৰ সহায়ক। যাতে লবাছোৱালীয়ে বেয়া বা ভুল শিকিবলৈ সুযোগ নাপায় তাৰ কাৰণে পাঠটোৰ আদর্শ আবৃত্তি কৰি দেখুৱাব লাগে আৰু ভাবাৰ্থ শিকাব লাগে। পাঠ্য কিতাপৰ বিষয়-বস্তু আৰু বচনা ভাল হব লাগে যাতে লবাছোৱালীৰ মনত সহজে আনন্দ ওপজে। যি আনন্দ দিব পাৰে মানুহে তাক সহজে শিকিব বা মনত ৰাখিব পাৰে আৰু সকতে যি আহি আগত দাঙি ধৰা হয় অতঁকতভাৱে তাকেহে অনুকৰণ কৰে। পাৰিপাৰ্শ্বিক অৱস্থা আৰু লো সমাজৰ অভিৰুচি অনুসাৰে বেলেগ বেলেগ দেশত বেলেগ বিষয়-বস্তুই বয়সভেদে আনন্দ দান কৰে। সাহিত্য পীঠৰ কিতাপ নিৰ্ব্বাচনৰ সময়ত এই বিষয়ে চকু ৰখিব লাগে। একে পাঠ্যবস্তুই সকলো দেশৰ সমবয়সৰ লৰা-ছোৱালীক সমানে আনন্দ দিব নোৱাৰে। কিতাপ পাঠ্যবস্তুবোৰ লবাৰ বয়সৰ উপযোগী হব লাগে অর্থাৎ বয়সত যি ধৰণৰ কথা লবাছোৱালীয়ে ভাল পায়।

সাহিত্য-চৰ্চ্চাৰ প্ৰথম সোপান বচনা। বচনা শব্দ অর্থ সজোৱা। ঘৰৰ বস্ত্ৰ-বেহানিবোৰ সজোৱা থাকিয়ে যেনেকৈ দৰ্শকৰ মন আকৰ্ষণ কৰে তেনেকৈ মনৰ ভাৱবোৰ ভাষাৰে সাজিপৰি প্ৰকাশ কৰিব পাৰিলে বচনা হয়। অৱশ্যে বচনা মাত্ৰেই সাহিত্য নহয় যদিও সাহিত্য এটি বচনা। সকৰে পৰা এই বচনা শক্তিৰ চৰ্চ্চা কৰা যুগুত। দেখা বা শুনা কোনো ঘটনা বা বস্তুৰ বিষয় লিখিবলৈ লবাছোৱালীক শিকাব লাগে। দীঘল বিষয়ৰ চমুকৈ লিখিবলৈ শিকাব লাগে। এহে বচনা শিকাব চেষ্টা পাছত জ্ঞানোন্নতি আৰু বয়সবৃদ্ধিৰ লগে লগে জটিল বিষয় বচনা কৰিব। আগতে ডাঙৰ ডাঙৰ বিষয় লিখিবলৈ চেষ্টা কৰা বেয়া। আগতে সদায় লাগতিয়াল আৰু ব্যৱহাৰিক বিষয়ে লিখিবলৈ শিকিব লাগে। বচনা নিচিনা দৰ্কাৰী বিষয় সংসাৰত নিচেই কমকৈ আছে। বচনা সাহিত্যাদি বিবিধ জ্ঞানসাগৰৰ উৎপন্ন অনুভূতি সুখত জীৱন নিয়াৰবৈলে এনে বিদ্যা আৰু নাই। বিদ্যা যত্নৰ দ্বাৰাই ইয়াৰ উন্নতি সম্ভৱ হলেও বিদ্যা অন্মোৱা অসম্ভৱ। চেষ্টাৰ দ্বাৰাই নিজৰ বচনাক আগতে ভালতো ভাল কৰিব পাৰি। কিন্তু সকলোতে প্ৰতিভাৱান সাহিত্যিক হব নোৱাৰে। ইংৰাজীত কয় যে, A poet is born not made। সকলোতে লিখিব পাৰে কিন্তু বাল্মিকী, কালিদাস বা চেক্সপিয়ৰৰ নিচিনা কবি সকলোতে হব নোৱাৰে। গুৰণি ভাব অবলম্বন কৰি বহুতে লিখিব পাৰে কিন্তু নতুন সাহিত্য সৃষ্টি কৰিব পাৰে অকল প্ৰতিভাৱান মানুহে হে। মানুহে কয় যে শিক্ষাদীক্ষাৰ দ্বাৰাই প্ৰতিভা লাভ কৰিব নোৱাৰি। শিক্ষাদীক্ষাৰ দ্বাৰাই মানুহে পণ্ডিত হব পাৰে, পাৰদর্শিতা লাভ কৰিব পাৰে, বুদ্ধিবৃত্তি চোকা কৰিব পাৰে কিন্তু প্ৰতিভা এটা ঈশ্বৰত গুণ। কথাটো সঁচা হব পাৰে কিন্তু শিক্ষাদীক্ষা ব্যতিৰেকে প্ৰতিভাৰ সম্পূর্ণ বিকাশ নহয়। বহুতো প্ৰতিভাশালী মানুহৰ প্ৰতিভা শিক্ষাদীক্ষা সুযোগ-সুবিধাৰ অভাৱত জগতত প্ৰকাশ পোৱা নাই। প্ৰতিভা বিকাশৰ কাৰণে যে সাধ্য-সাধনাৰ বিশেষ প্ৰয়োজন জ্ঞানীসকলৰ জীৱনী পাঠ কৰিলেই জানা যায়। কালিদাস, চেক্সপিয়ৰ, ৰবীন্দ্ৰনাথ আদি প্ৰতিভাশালী সাহিত্যিকসকলৰ জীৱনী আলোচনা কৰিলে দেখা যায় যে তেওঁলোকে বহুতো শাস্ত্ৰ অধ্যয়ন কৰিছিল। সৌন্দৰ্য্য-উপাসক ইংৰাজ কবি কীটছে লবাকালৰ পৰাই সাহিত্য সাধনাত ব্যস্ত আছিল। তেওঁ নিতৌ অলপ অচৰপ লিখিছিল। যেতিয়াই মনত এটা নতুন ভাব খেলিছিল বা সুন্দৰ দৃশ্য দেখিছিল তেতিয়াই তাক লিখি থৈছিল। এনেকৈ বহুতো কথা লিখিছিল কিন্তু লাজতে সেইবোৰ প্ৰকাশ কৰা নাছিল। কিছুদিন পাছত আগৰ লিখাবোৰ বেয়া হোৱা বুলি নষ্ট কবি আৰো নতৈ লিখিছিল। এইদৰে তেওঁ বহুতো লিখা নষ্ট কৰি পেলাইছিল ; কিন্তু অসীম ধৈর্য্য আৰু অধ্যৱসায়ৰ গুণত তেওঁৰ প্ৰতিভাৰ বিকাশ পাইছিল আৰু সাহিত্য জগতত অমৰত্ব লাভ কৰিব পাৰিছিল। সকলোতে প্ৰতিভাশালী সাহিত্যিক হব নোৱাৰে সঁচা কিন্তু অভ্যাসৰ দ্বাৰাই মানুহে লিখা শক্তি লাভ কৰিব পাৰে আৰু সাহিত্যৰ সোৱাদ লাভ কৰিব পাৰে। অকল লিখিলেই নহয় পঢ়িলেও জাতীয় সাহিত্যৰ শ্ৰীবৃদ্ধি কৰা হয়। আৰু ভাষায় সাহিত্যই সমাজৰ মানুহ মাত্ৰৰ ওপৰতে এইটো ধাৰী কৰে। ইয়াৰ দ্বাৰাই নিজৰো কল্যাণ হয় আৰু সমাজৰ মঙ্গল হয়।

সাহিত্য সাধনা কৰিবলৈ অধ্যয়ন, চেষ্টা আৰু উপদেশ গ্ৰহণৰ প্ৰয়োজন। ছাত্ৰাৱস্থাতেই সাহিত্য চৰ্চ্চা কৰা যুগুত। সেইবুলি পঢ়াশুনাত ব্যাঘাত জন্মাব নালাগে। কাৰণ কল্পনা, জ্ঞান আৰু মনোবৃত্তি বিকাশৰ কাৰণে শিক্ষাৰ দৰ্কাৰ। নিতৌ অলপ অচৰপ লিখিবলৈ অভ্যাস কৰিব লাগে। নিজৰ কল্পনা শক্তি দুৰ্ব্বল হলেও সকলো কথা নিজৰ মনৰ পৰা লিখিব লাগে। এটা সুন্দৰ দৃশ্য দেখিলে বা কোনো নতুন ঠাইলৈ গলে, কিবা এটা সাধু ভাবি উলিয়াব পাৰিলে সি বেয়া বা অসম্পূর্ণ হলেও তাক লিখি থব লাগে। এনেকৈ সদায় লিখোতে লিখোতে লিখাৰ ধৰণ আৰু ভাষা ভাল হৈ আহিব আৰু ক্ৰমাৎ উন্নতি লাভ কৰিব। আগৰ লিখাবোৰ বেয়া যেন লাগিলে আকৌ নতুনকৈ লিখিব লাগে। কিন্তু সহজে নিজৰ লিখা প্ৰকাশ কৰিব নালাগে। কাৰণ বেয়া বা সাধাৰণ এটা কথা প্ৰকাশ হোৱাতকৈ নোহোৱাটোৱেই ভাল। অনেকে বহুতো ধৰমৰ কিতাপ প্ৰকাশ কৰিছে, এনেস্থলত যেই সেই কথা লিখি সাহিত্যক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰি। নিজৰ লিখা প্ৰকাশ কৰিবৰ কাৰণে ব্যস্ত হব নালাগে। নতুনত্ব একো নাথাকিলে কিতাপৰ আদৰ নাই। অৱশ্যে বৰ অশ্লীল কিতাপ লিখিও কিছুমানে ক্ষণস্থৰৰ কাৰণে মানুহৰ মন আকৰ্ষণ কৰিছে আৰু সেইবোৰ কিতাপ বেচি টকাও পাইছে কিন্তু তেনে ধৰণৰ কিতাপ প্ৰকাশ হোৱা সমূলি বাঞ্ছনীয় নহয়। কাৰণ সাহিত্যৰ অর্থই হৈছে সমাজক সৎশিক্ষা দিয়া। সাধাৰণ মানুহৰ মনত দৈহিক ভোগটোৱেই ডাঙৰ হব পাৰে কিন্তু আচলতে মানুহৰ মস্তৰ চিন্তাত, আদর্শত—ভোগত নহয়। ভোগৰ ফল লালসাৰ তৃপ্তি। ভোগৰ দ্বাৰাই আমি বস্তুৰ ভিতৰৰ সৌন্দর্য্য নষ্ট কৰোঁ। ভোগত লগা বস্তুৰ শ্ৰেষ্ঠ সাহিত্য নহয়। শুকা ফুলটো সুন্দৰ হলেও দেৱপূজাত নালাগে। মানুহৰ নীচ প্ৰবৃত্তি আৰু দৈহিক ভোগৰ বস্তু সাহিত্যত প্ৰকাশ পোৱা অনুচিত। এই ধৰণৰ সাহিত্যৰ দ্বাৰাই মনুষ্যত্ব বিকাশ সম্ভৱ নহয়। জীৱন ধাৰণৰ কাৰণে খাদ্য অপৰিহার্য্য হলেও চকৰ সমুখত চাঁবাঘৰটো নানাজি বান্ধনীঘৰটো সজা সভ্যসমাজৰ কটিবিগর্হিত। ভোগতৃষ্ণাই

মানুহক বিষাকুল কৰে। অসংযত প্রেমক সংযত কৰাই বিবাহ ব্যৱস্থাৰ এটা প্রধান কাৰণ। সেই সেই লিখিলেই সাহিত্য নহয়, লিখাৰ ভিতৰত কিছুমান গুণ থাকিলেহে তাক সাহিত্য বুলিব পাৰি। সাহিত্যৰ উদ্দেশ্য ৰস সৃষ্টি—যি ৰসে মানুহৰ মনৰ পাপ দূৰ কৰি তাত অপূর্ব্ব পবিত্রতা থাপনা কৰে। পবিত্রতাই প্রকৃত আনন্দ দান কৰে। সত্যই আনন্দ। যি সত্যৰ আভাস দিয়ে সেয়েই আনন্দ দিয়ে। এই আনন্দ ক্ষন্তেকীয়া নহয়, চিৰন্তন। Art for art's sake কথাটো আজিকালি বহুতে স্বীকাৰ নকৰে।

সাহিত্যই সমাজৰ শিক্ষক; গতিকে সমাজৰ শিক্ষাৰ কাৰণে সাহিত্যিকসকল বহুতো পৰিমাণে দায়ী। এই গুৰু দায়িত্ব-জ্ঞান লৈ লিখকসকলে কিতাপ প্রকাশ কৰা উচিত। সমাজৰ চিত্র তেনেকৈ সাহিত্যত প্রতিফলিত হয় তেনেকৈ সমাজৰ ওপৰতো সাহিত্যৰ দোষগুণে প্রভাৱ বিস্তাৰ কৰে। যদি সংসাৰত বাস কৰিবলৈ হেঁপাহ থাকে তেন্তে ভাল কাম কৰিহে নাম কৰা উচিত। *

* "পদ্মন" ত আংশিকভাৱে প্রকাশিত হৈছিল।—লিখক।

মুক্তি

—শ্রীযুত মহীচন্দ্র বৰা বি এল

কথা—

অজলা আভুৰা মাউৰা মিকিৰৰ লৰা সি।

পৰ্ব্বতৰ নামনিত এজোপা বৰগছৰ ঠাল-ঠেঙুলিৰ ওপৰত সক এখনি টঙি। তাতেই অকলে অকলে সি চৰাই-চিৰিকতি পহু-বান্দৰৰ লগত দেমালি জুবি গছৰ ফল মূল নিজৰাৰ পানী খাই দিন নিয়ায়। বতাহৰ দৰেই বন্ধনহীন তাৰ অকণি প্রাণ।

হঠাৎ এদিন তাৰ চকুত দৃষ্টিৰ ৰূপে চমক লগালে। বসন্তৰ কঁপনিত তাৰ প্রাণ পুলকিত হল। হৰিণীৰ চকুত কিবা এটি মোহিনী শক্তি দেখি সি তৰধ লাগিল। ওচৰতে ফুলি থকা নাহৰ জোপাৰ ফুলবোৰৰ ওচৰত ভোমোৰাৰ গুণগুণনিয়ে প্রাণলৈ তাৰ নতুন জগতৰ কিবা এটি বাৰ্ত্তবি আনিলে। কেতেকীৰ ককণ মাতে, সখিয়তীৰ বুকু ভঙা বিননিয়ে তাৰ হিয়াৰ কোনোবা এঠাল তাঁৰ জোকাৰি তাক বণিয়া কৰিলে। হিয়া তাৰ উকণ্ডা উকণ্ডা লাগিল!

ভাবিব নাজানে, কান্দিব নাজানে সি। মাথোন বহি হাঁহে—পখিলাৰ পাছে পাছে লৰে। কোনোবা অমাতৰ মাতত কেতিয়াবা সি চকু খাই উঠে।

এদিন তাৰ প্রাণে বিনালে—হৈ হৈ বাং, হৈ হৈ বাং—আহ মোৰ···আহ। কিয় বিনায়, কাক ক্ষ কোনে জানে!

খোৱা-বোৱাত, কাম-কাজত মন নলবা হল তাৰ।

* * * * *

"মই আছোঁ, মই আছোঁ।"

সমুখত দেখিলে সি কোন কাহানিবাই দেখা বুঢ়া চৰে জীকৈ লংচিক।···ইমান ধুনীয়া! ইমান শুৱনী! গাৰ গোলাপৰ আভা, চকুত আনন্দৰ আকৰ, খোঁহত গুজ ফুল!

"আহ মোৰ জীওলাউ আহ। বুকুত মোৰ তোকেই বিচাৰি বিচাৰি···"

"জানো; চাতকৰে তোলৈ মোৰ মনত পৰিল। পলাই আহিলোঁ।"

ছুমোৱা মুখত আৰু চকুত তৃপ্তিৰ বিজুলী খেলাই গ'ল।

* *

সেই বৰগছ জোপাৰ তলত এচপৰা শিলৰ ওপৰত লংচি আৰু বংহাং।

লংচিৰ চুঁটৰিত ধৰি বংহাঙে কয়—"তই মোৰ কলিজা লাচি।"

—"তই মোৰ জীও।"

ছুমো হাঁহে। হাঁহিৰ অন্তৰি নাই...প্রাণৰ হাঁহি।

লংচিয়ে বংহাঙৰ ভিতিত ধৰি তাৰ মুখৰ ওচৰলৈ মুখখনি নি কয়—"তই চকুৰ আগৰ পৰা আতৰ হলেই মোৰ জীৱটোৱে হাওফাও কৰে অ'।"...

—"তই নহলে মই মৰিম লংচি...।"

প্রণয়-আৱেশত বিভোৰ দুটি সৰল প্রাণ।

* * * *

এবছৰৰ পিছৰ কথা।

লংচি কোলাত ধুনীয়া ছোৱালী অকণি। হাত-মুখ, নাক-কাণ লংচিৰ দৰেই—লংচিৰেই প্রতিকৃতি।

বংহাঙে হাঁহি হাঁহি কয়—"তই বৰ নিককণ আপোন-চেনীয়া অ' লংচি! চাচোন, মোৰ চিন-চাৰ অকণো এই-কণৰ গাত বাক থাকিব নাপায় নে? তয়েই মইনীক আটাইবোৰ দিলি।"

"ৰ, তয়ো আৰু ভাল দে বংহাং! মইনীৰ মুখৰ হাঁহিটো, চকুৰ মণিটো বাক কাঁৰ, কচোন? গালৰ এই তিলটো? গাৰ বৰণ একো?"

ছুমোৱা চুমাৰ জাউৰি অকণি মইনীৰ অকণমান গাত গৰি তাইৰ গাল গোলাপী হয়। নতুন আলহীৰ শুশ্রূষাত ছুমো তন্ময়।

* * * *

আহাৰ মাহৰ বলিয়া বতৰ। কাল সন্ধ্যা। মেঘৰ ঢেৰেকনি, বিজুলীৰ চকমকনি।

গছৰ তলৰ সেই শিলছটাত বহি নতুন আলহীক মহাযত্নৰ বুকুত সুমাই লংচিয়ে কলে—"আজি মোৰ বৰ ভয় লাগিছে অ' জীও! বুকুখনিৰ ঢপঢপনি—গাৰ কঁপনি বাঢ়িছে। ধৰ মোক—সাৱটি ধৰ।"

বংহাঙে এখনি হাতেৰে ছোৱালীটীক বুকুত সামৰি লংচিক চপাই লবলৈ হাত মেলিলে।...

পতাল-ফটা ঢেৰেকনিত কি হল কব নোৱাৰিলে।...

* * * *

উঃ, পিছদিনা পুৱাৰ সেই দৃশ্যটো! বংহাঙৰ জান আছিল। চকু মেলি ইফালে সিফালে সি চালে। গা অৱশ। দেখিলে শিলছটাৰ ওপৰত লংচিয়ে তাৰ ফাললৈ ছুমোৱনি হাত মেলি বহি থকা। মুখত তাইৰ মাত বোল নাই,—গাত কঁপনি নাই—চকুত পচাৰ নাই।

আৰু এধানমানি ছোৱালীকণ?—তাইক কি হে কেনেকৈ তাৰ বুকুপৰা টানি নিলে সি কবই নোৱাৰিলে। সি মাথো দেখিলে মাকৰ বুকুত সোমাই তাই পিয়াহ চুপি চুপি থকা!

কঁপি কঁপি থকা-বৰকৈক উঠি সি লংচিক আৰু প্রাণৰ পোনাটিক ধৰিলে। কোনোবাই তাক বুকু কঁপি যোৱা অমাত মাতেৰে কলে—"তোৰ লংচি আৰু নাই! দেৱতাই হানি মাৰিলে।"

তাৰ দেহলাউ লংচি আৰু নাই! দেৱতাই মানুহ মাৰে? বিশ্বাস নহল।...

লংচি ঢলি গল—মইনীক বুকুত লৈদেই।...মুখত পৰি থকা লংচিৰ চুলি কিডাল সামৰি সি কলে—উঠ মোৰ সোণাই, উঠ। হুঠ? মোৰ ওপৰত ৰং উঠিছে? কবই নোৱাৰিলো অ' কি হল? পোনাটিলৈ চাচোন—তোৰ মুখত মুখ দি তই কেনেকৈ কিৰিলিয়াইছে।

লংচি আৰু হুঠিল। সি ফেঁকুৰিলে, উচুপিলে। আপোনা-আপুনি তাৰ কলিজা ফাটি ওলোৱা বুকুৰ তেজ চকুৰ পানী হৈ ছুমোগালেদি বাগৰি গল।

* * *

তাৰ জীৱনৰ বীণখনিয়ে সুৰ তুলিলে। পোনাকণিক বলিয়াৰ দৰে সি লংচিৰ কত কথা সোধে। কথাৰ আদি অন্ত নাই।...তথাপি তাৰ হেপাহ নপলায়।

শিলছটার ওচরত বহি সি চকুলো টুকে !...লংচিব সাঁচত উঠা মইনীৰ মুখখনিলৈ সি ভেবা লাগি চায়েই থাকে।...

এদিন শিলৰ কুঠাৰ এখন সি ওচৰতে পালে। ইন্দ্ৰৰ বজ্ৰ, দেৱতাৰ সংহাৰ কুঠাৰ যাৰ নিৰ্ম্মম আঘাতত তাৰ হিয়া চিৰাচিৰ হৈছিল !

কুঠাৰখনেৰে সি শিলত আঁকে।...বুকুৰ কথা শিলত জিলিকি উঠে। হিয়াৰ হেপাহ আঁকত মূৰ্ত্তিমান হয় !

কত আহাৰৰ বলিয়া বতৰ তাৰ মুখৰ ওপৰেদি পাৰ হৈ গল !

* * *

আকৌ এদিন আহাৰৰ কাল সন্ধ্যা ঘুৰি আহিল। আকৌ সেই চপলাৰ চমকনি—মেঘৰ গাজনি !

হায় লংচি ! হৈ হৈ বাং মুখৰ পৰা তাৰ ওলাল। বিজুলীৰ পোহৰত দেখিলে সি শিলৰ ওপৰত কটা ৰেখাৰ আকৰ মাজেদি তাৰ জীৱন-মৰণৰ লগৰী লংচিক—ঠিক তাৰ সেই লংচিক।

বলিয়াৰ দৰে আকৌবোৰক সি আকোৱালি ধৰিলে। লংচিৰ পৰশৰ সোৱাদ সি পালে। লংচিৰ ওঁৰৰ অমিয়া সি চুহিলে। তাৰ পিছত জীয়েকক টানি নি সি শিলৰ আঁকত কিবা দেখুৱালে।

তাই ৰ লাগি চায়েই থাকিল। একো নুবুজিলে—একো নেদেখিলে।...

তাৰ খং উঠিল। কলে, "ক'ৰ আঁকৰী ছোৱালী অ' তই ! সেয়া তোৰ মাৰ নহয় ? চিন পাহৰিলি ? মই যাওঁ দেই—মোক সোঁৱা মাতিছে মাৰে—মোৰ লংচিয়ে।"

গল সি, একেবাৰেই চিৰকাললৈ গল।...তাৰ মইনীৰ কি হল কোনে জানে।...

* * *

অনেক দিনৰ—কত শত যুগৰ পিছৰ কথা।

ব্ৰহ্মাণ্ডৰ সেই ৰবগছ জোপাৰ—তাৰ উটুৱৈ চিন চাব নাই। আছে মাথোন শিলৰ ওপৰত আঁকা তাৰ বুকুৰ ৰেখা আৰু দেৱতাৰ বজ্ৰ সই শিলৰ কুঠাৰ। ৰবযুগত তিতি নিয়ৰত ভিজি ৰেখাবোৰ নিমজ হয়—ৰঙ জিলিঙনিত তিৰবিৰাই জিলিকি নাচে।

পহৰে আকবোৰ ওঢ়তি কিবা ভাবি আঁতৰি যায় সৌ ভোমোৱাই তাৰ ওচৰতে আহি নিতৌ ভনভনায় পখিলা—পাখিলাই বহুবাৰী পখিলাই জাকি মাখিয়ে আঁকবোৰক চুমা খায়। কণৌৰে ওচৰতে কুকলিয়া কেতেকীয়ে শিলছটালৈকে চাই ৰাতিয়ে দিনে বিনা বতাহে ইকৰা খাগৰিৰ লগত মিলি হুমুনিয়াহ কঢ়া নিচেই ওচৰতে বৈ যোৱা নিজবাটিয়ে কুলকুকুকে সেঁ আঁকবোৰক কিবা কৈ যায়। কি জানিবা বহাগ্ৰাহী প্ৰাণৰ অফুট কথা ! কেউিয়াবা ছটা এটা মিকৈ আহি তাতেই ছটোপা চকুলো পেলায়।...কিয় পেলায় বা নোৱাৰো। সিহঁতে মাথোন জানে কিহবাই সিহঁতক কেউিয়াবা তাৰে টানে।

* * *

"মহাৰাজ ! প্ৰকৃতিৰ নন্দন কাননৰ—ঊৰ্ব্বশী কেৰেঙনি ৰাজাৰ ভিতৰলৈ আনি নিজৰ বাহুবল আত্মপ্ৰশ্বাস পৰিচয় দিয়ক।"—সেনাপতিয়ে কয়। সাধু, সাধু বুদ্ধি পাত্ৰ-মন্ত্ৰীয়ে সেনাপতিৰ শৌৰ্য্যৰ পলাগ দৈ হাত ঘুৰি যায়

"ৰাজ্যবিস্তাৰ আত্মবিকাশৰ আত্মপ্ৰসাৰৰ প্ৰধান আহিল স্বৰ্গদেও ! ৰাজাবিষাজৰ সুশাসনৰ মহিমাত—গা গৰিমাৰ কীৰ্ত্তনত সেই জনপদৰ অসভ্য জাতিৰ দুৰিত জীৱন ধন্য হ'ক।"

ৰজাৰ শ্ৰীমুখত সন্তোষৰ মহিমাময় প্ৰাণৰ হাঁহি।

দেশজয়ৰ বিৰাট অভিযান। সভ্যতাৰ শিখৰ উন্নতিৰ উপকৰণত প্ৰাণনাশী অস্ত্ৰ-শস্ত্ৰৰ বিজুলী চমক অসভ্যৰ গবাজয়। জ্ঞান বিজ্ঞানৰ মহিমামণ্ডিত সুফল স্বৰ্গদেওৰ বাহুবলৰ—বলবীৰ্য্যৰ বিজয়কেতন উৰি উৰি অসভ্য শত্ৰুৰ হিয়াত ভীতিৰ সঞ্চাৰ কৰে—ত্ৰাস জন্মায়। মহাৰাজৰ জয়-জয় মন্ত্ৰ-মন্ত্ৰ।

এই নিজৰাৰ পাৰত প্ৰকৃতিৰ বন্য স্থানত নন্দন প্ৰতিষ্ঠিত হ'ক নৱেশ্বৰ !

অধীন অসভ্য প্ৰজাই দেখিলে—যাদুমন্ত্ৰৰ সহায়ত

মাটি কাটি ওলোৱা সুবন্ম উদ্যান ! ৰাজকাৰেং চিত্ৰ বিচিত্ৰ, অট্টালিকাৰ অবধি নাই। কৰ্ত্তাৰ ইচ্ছা !

ৰাজ-পুৰোহিতৰ চকুত পৰিল—সেই শিলৰ ওপৰত আঁকা ৰংহাঙৰ বুকুৰ ৰেখা-ৰেখা। আৰু তাৰ ওচৰতে পৰি থকা শিলৰ সেই কুঠাৰ।

"ধৰ্ম্মাৰতাৰ ! সোণৰ কলচীৰে দেৱীৰ বিৰাট মণ্ডিৰ মজাৰৰ আদেশ দিয়ক। শীতলা দেৱীৰ জাগ্ৰত মূৰ্ত্তি আগোনাৰ ৰাজ্যৰ ভিতৰত। আইৰ অশেষ কৃপা। স্বয়ং বিশ্বকৰ্ম্মাৰ নিৰ্ম্মিত বিগ্ৰহ।"

"ঠিক ঠিক মহাৰাজ ! মহানাম্না শীতলা দেৱীৰ সকলো মুনক্ষণ মূৰ্ত্তিৰ অঙ্গত ৰাজাক কৰিছে। বিশ্বকৰ্ম্মাৰ অঙ্গ মূৰ্ত্তি ওচৰতে। জগজ্জননীৰ যোগ্য মন্দিৰ ধৰ্ম্মৰাজৰ যোগাতাৰে প্ৰতিষ্ঠিত হ'ক—দেৱীৰ চৰণত ভক্তবৃন্দৰ পূজা পাৰ্ব্বণৰ পুষ্পাঞ্জলি পৰক।"

"সাজ, সাজ শীতলা দেৱীৰ বিৰাট মন্দিৰ সাজ। আইৰ কৃপা- কটাক্ষত লক্ষ লক্ষ প্ৰবাসীৰ কল্যাণ হক—মুক্তিৰ পথ সুগম হ'ক।"

মিকিৰৰ মাকড়শালিত অধম অস্পৃশ্যই ছেজাবে হেহাৰে ইটা গাঢ়িলে। অস্পৃশ্য—দলিতৰ পৰিশ্ৰমত বাঢ়েৰ ধুনিধুৰ কাৰ্য্য-কৌশলত কাৰুকাৰ্য্যময় শীতলা দেৱীৰ মন্দিৰ নিৰ্ম্মাণ হল। অভ্ৰভেদী সোণৰ কলচীয়ে মন্দিৰৰ শোভা সৌন্দৰ্য্য বঢ়ালে।

ৰংহাঙৰ বুকুৰ লেখা পুৰোহিতৰ শীতলা দেবীৰ মূৰ্ত্তিৰে মন্দিৰত মহা ধুমধাঁৰেৰে প্ৰতিষ্ঠিত হল। এটি হাহাকাৰ—এটি হুমুনিয়াহ মাথোন ৰতাহত নিয়ৰি গল।

* * *

ধূপ-দীপ, পূজা ভোগ নৈবেদ্যৰ অৱধি নাই। লক্ষ লক্ষ দৰ্শনাৰ্থী যাত্ৰীৰ সেৱা মূৰ্ত্তিৰ চৰণত। পুৰোহিতৰ প্ৰসাদ সিঞ্চিত মুকুত দেৱীৰ আশীৰ্ব্বাদপুত ফুল তুলসীৰ নিৰ্ম্মাল্য পৰে। অস্পৃশ্যৰ সেই পবিত্ৰ মন্দিৰ প্ৰবেশৰ অধিকাৰ নাই—আনকি মন্দিৰ সাজোতা-সজাওতা সেই অস্পৃশ্যবোৰেই ! সিহঁতে আঁতৰে আঁতৰে আলেউে আগেউে মাগোন দেৱীৰ মাহাত্ম্য পূজাৰীৰ মুখত শুনি ভক্তিত মুখ দোৱায় ! বিৰাট মন্দিৰৰ মৌন গাম্ভীৰ্য্যই সিহঁতৰ প্ৰাণক ভীতিৰ সঞ্চাৰ কৰে।

শাস্ত্ৰৰ শত সহস্ৰ বান্ধনিয়ে মুক্তিৰ আৱৰি বাৰে। মুক্তিয়ে বিনায় হৈ হৈ বাং—হৈ হৈ বাং। গোটেই মন্দিৰ ছানি বিননিৰ কঁপনি উঠে। আলোঢ়নত মন্দিৰৰ সোণৰ কলচী কঁপে।

পুৰোহিতে দেৱীৰ আগত প্ৰণিপাত কৰি স্তুতি জনায়—"আমি জীৱ। আমি সেৱা চুৰ কৰিছোঁ। নিজঞ্চণে ক্ষমা কৰা জগৰতী !" পূজাৰ ভোগৰ পৰিমাণ বাঢ়ে বজাৰ অনুগ্ৰহত, ভক্তৰ দান-দক্ষিণাৰ অজস্ৰ অৰ্থত। তথাপিও মুক্তিয়ে কান্দে। মন্দিৰৰ প্ৰতি ধূলিকণাই হুমুনিয়াহ কাঢ়ে। কিয় কান্দে, কিয় কাঢ়ে হুমুনিয়াহ কোনেও নুবুজে।

* * *

বৰ্ষৰ ভিকহু মিকিৰ সি। কোনোবা অমাতে তাক কাণে কাণে কয়—"তোৰ গাত ৰংহাঙৰ তেজ। তোৰ মাৰক—আদিম জননীক মুক্ত কৰ—ৰজাৰ সেই মন্দিৰত মাৰে বাঞ্ছোন-বিচাৰ কামোৰত নিকাৰ ভূমিছে।"

বলিয়া হয় সি। মন্দিৰে তাক টানে। সোমাবলৈ সি কাকুতি কৰে, বুকুত চুকুৱাই বিনায়। পানী-প্ৰহৰীয়ে তাক কিলায় গতিয়ায়। পূজাৰীয়ে পুৰোহিতে তাক ছেই ছেই কৰি খেদে। সি কিবা কয়—বিং বিং বাং বাং কৰে। কোনেও শুনুনে।

* * *

আকৌ আহাৰৰ সেই বলিয়া বতৰ। আউসীৰ ঘোপমষা আন্ধাৰ। পানী প্ৰহৰী টোপনিত অচেতন।

হাতত মাৰে ভৰিত মাৰে বলিয়া মিকিৰ মন্দিৰৰ ভিতৰ সোমাল। তাৰ চকুত জিলিকি উঠিল মূৰ্ত্তি-ৰেখাত তাৰ জননীৰ বিষাদ মলিন মাতৃমূৰ্ত্তি। আঁকৰ অন্তৰালত শত-শতাব্দীৰ পুঞ্জীকৃত হাহাকাৰে তাক ব্যাকুল কৰিলে।

মই আহিছোঁ—মই আহিছোঁ আই বুলি বলিয়াই মূৰ্ত্তিক সাৱটি ধৰিলে। জননীৰ স্নেহশীতল পৰশত বলিয়াৰ হিয়াৰ পোৱনি টুটিল। মূৰ্ত্তিক আকোৱালি লৈ সি আঁতৰিল।

মন্দিৰত শীতলা দেৱীৰ বিগ্ৰহ নাই ! ইমান সাহ ইমান কলিজা কাৰ ? অপহৰণকাৰীৰ নৰকতো ঠাই নাই ! কি জানিবা সেৱাৰ ত্ৰুটীত জগজ্জননীৰ অন্তৰ্দ্ধান !

মন্দিৰে হাঁহিলে। লগে লগে সেই বলিয়া বৰ্ব্বৰ মিকিৰবোৰেও। তাৰ মুখৰ হাঁহি মৰণতো নাতবিল। ওঁঠত স্বস্তিৰ ৰেশ তাৰ লাগিয়েই থাকিল।

কামৰূপৰ বুৰঞ্জীৰ আহিলা পাতি

—শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ

মুবা দেৱালয়

মঙ্গলদৈ মহকুমাৰ শিল-পুতা মৌজাৰ দখিণ কুৱা-বিল গাওঁত "মুবা দেৱালয়" বুলি এখন দেৱালয় আছে। মুবা দেৱালয় নাম হোৱাৰ কাৰণ মন্দিৰটোৰ মুৰডোখৰ নাই। ওখৰ ফালে পকী মন্দিৰ আছে। আগ ডোখৰত খেৰৰ চাল দি ঢাকি থোৱা। আন মন্দিৰতকৈ ইয়াৰ বিশেষত্ব এই যে, আন মন্দিৰ গোলাকৃতি, কিন্তু এই মন্দিৰটো চাৰিকোণীয়া। মন্দিৰৰ ইটাবোৰ পুৰণি ধৰণৰ চেপেটা আৰু পাতল। তথাপি বহু কালৰ প্ৰাচীন বুলি বোধ নহয়।

দেৱালয়ৰ দলৈ এজন মদাহী কোঁচ; নাম ছৈছে শ্ৰীযুত লেলুৱা কোঁচ। দৰঙত মদাহী কোঁচ আৰু মদ নোখোৱা কোঁচ বুলি দুই শ্ৰেণীৰ কোঁচ আছে। দেৱালয়ৰ অধীনত সেৱা পূজা চলাবৰ কাৰণে ৫২৯৶৩ লেছা নিষ্কিংখোৱাজ মাটি আছে। দেৱালয়ৰ তবকে শ্ৰীযুত লেলুৱা কোঁচ দলৈৰ নামজাৰী আছে।

দৈনিক সেৱা পূজা উক্ত দলৈয়ে চলায়। নিজে গোঁসাই ধুত্ৰাই পূজা কৰে, ভোগ ভাত দিয়ে। দুৰ্গোৎসৱৰ সময়ত বামুণে গৈ পূজা কৰে আৰু ভোগ ভাত দিয়ে।

দেৱালয়ত কি মূৰ্ত্তি আছে কব নোৱাৰিলোঁ। মন্দিৰৰ ভিতৰত পানী আছে। দলৈয়ে সেই পানী সিঁচি পেলাবৰ কল্পনাকে কৰিব নোৱাৰে। তেনে কৰিলে তেওঁৰ বংশ নাথাকিব বুলি ভাবে। পূজা সেৱাৰ কথা-বাৰ্ত্তা আৰু বলি বিধানৰ বিষয় অনুসন্ধান কৰি শক্তি মন্দিৰ বুলি ধাৰণা হ'ল। সম্ভবতঃ দুৰ্গা দেবীৰ মন্দিৰ।

মন্দিৰত প্ৰাচীন বস্তুৰ ভিতৰত এখন দিধাৰ অসি আছে। দীঘল ২॥ হাতমান, বহল আগৰ ফালে ৫ আঙুলমান ওখৰ ফালে ৩ আঙুলমান হব। দুয়ো ফালেদি বলি কাটিব পাৰি। "মুইহ" কাটাত ব্যৱহাৰ হৈছিল। এতিয়া এনেই পৰি আছে। আৰু এখন অতি প্ৰাচীন কলহ আছে। কলহটো বহু পুৰণিকলীয়া অনুমান হ'ল। এনেকুৱা গঢ়ন পুৰণি মাটিৰ কলহ বৌদ্ধ গধাৰ মিউজিয়মত আৰু সাৰনাথৰ মিউজিয়ামত দেখা যেন মনত পৰে।

দিধাৰ অসিৰ কথা ৰাজস্থানত পঢ়িছিলোঁ। মেৱাৰৰ ৰাণাসকলৰ পূৰ্ব্বপুৰুষ বাপ্পাৰাওৱে তেওঁৰ দেৱীৰ অনুগ্ৰহত এখন দিধাৰ অসি লাভ কৰিছিল আৰু এখন দিধাৰ অসি কোঁচবিহাৰৰ গোসানী মন্দিৰত অৰ্থাৎ প্ৰাচীন কমতাৰ অধীশ্বৰী কমতেশ্বৰীৰ মন্দিৰত দেখিছিলোঁ। সম্প্ৰতি বেংবাৰী মৌজাৰ শ্ৰীমান নবীন চন্দ্ৰ মেধিৰ ঘৰতো এনেকুৱা দিধাৰ অসি এখন থকাৰ কথা জনা গৈছে। এই অসি তেওঁলোকৰ ঘৰত পুৰুষৰ পৰা আছে, ক'ত কেনেকৈ পাইছিল কব নোৱাৰে। মই দেখা এই তিনিওখন অসিৰ ঠাঁৰে গঢ় দুখনৰ সামঞ্জস্য আছে। কেৱল আকাৰৰ মাত্ৰ সৰু-দীঘল আছে।

শিলপোতা মৌজাৰে বকৰা-হাউলিয়া পুঠিয়েৰীয়া বকৰাই মুবা দেৱালয়ৰ সংস্কাৰ কৰিবলৈ এবাৰ চেষ্টা কৰা বুলি তাৰ ওচৰৰ বুঢ়া মানুহৰ মুখত শুনিছিলোঁ। কিন্তু দেৱতাৰ অনিচ্ছাত তেওঁ দেৱালয়ৰ মূল বান্ধি নোৱাৰিলে।

দেৱালয়ৰ সংলগ্ন এটি প্ৰাচীন পুখুৰী আছে। পুখুৰীৰ সৈতে পুখুৰীৰ পৰিমাণ ৫ পুৱামান মাটি হব পাৰে। পুখুৰীৰ পানী ভাল; কিন্তু দিনৰে তাত গৰু মহিষ আৰু মানুহে অত্যাচাৰ কৰে তাক দেখিলে পুখুৰীৰ বেছি দিন ভালে নাথাকিব তাক ডাঠি কব পাৰি।

কোঁচ কচাৰীয়ে দেৱ দেবীৰ পূজা কৰা বিষয়ে দৰঙ ৰাজ-বংশাৱলীৰ ৬৫ পৃষ্ঠাত এইদৰে আছে—

গোসাই কমল আলি মধ্য সীমা কৰি
উত্তৰৰ ফালে আছে যতেক কছাৰি॥
সেহি ফালে দেৱালয় আছে যত যত।
কোচে মেছে পুজিবেক মোহৰ বাক্যত॥
দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব।
এই নিবন্ধনে সবে ধৰ্ম্ম প্ৰবৰ্ত্তিব॥

হয়গ্ৰীৱ মাধৱ

হয়গ্ৰীৱ মাধৱ বুলিলেই পঞ্চতীৰ্থ-সমন্বিত সুপ্ৰসিদ্ধ ঠাঞৰ হয়গ্ৰীৱ মাধৱৰ কথাই মনত পৰে। সম্প্ৰতি আমি সেই হয়গ্ৰীৱ মাধৱৰ কথা কব খোজা নাই। ঠাঞৰ হয়গ্ৰীৱ মাধৱৰ আদি বাসস্থানৰ কথাহে কব খুজিছোঁ।

হয়গ্ৰীৱ মাধৱ বোলা ঠাইডোখৰ মঙ্গলদৈ মহকুমাৰ বৰবিশিঙা মৌজাৰ ভিতৰত। এইডোখৰ ঠাই মাজুলী গড় নামে জনাজাত গড় চাহ বাগিছাৰ পৰা উত্তৰ ফালে ৯ মাইল মান দূৰৈত অটব্য অৱস্থানীৰ মাজত। ইয়াৰ মাজুলী বৰ্ণনা দিয়াৰ আগতে এই ডোখৰ ঠাই সম্বন্ধে যি বিষয়বস্তি প্ৰচলিত আছে আগে তাকে কোৱা হ'ক।

সৰ্ব্বপ্ৰথমে হয়গ্ৰীৱ মাধৱ আছি ইয়াতে বাসস্থান কৰিব খুজিছিল আৰু সেই বাবে মন্দিৰৰ শিল আদি সংগ্ৰহ কৰা হৈছিল, মূৰ্ত্তি কটা হৈছিল, গড় মৰা হৈছিল আনকি পুখুৰীও খন্দা হৈছিল। পিছত পুখুৰীত পানী নোহোৱা দেখি পানীৰ কষ্ট হব আৰু পানী নহলে মনুষ্যৰ লোকে দুখ পাব ভাবি হয়গ্ৰীৱ মাধৱ তাৰ পৰা ওটাইহে আহি ব্ৰহ্মপুত্ৰৰ ওচৰত ঠাইৰ নিৰ্ম্মল পানী আৰু মাছ পোৱা যাব বুলি হাজোতে তেওঁৰ বাসস্থান স্থিৰ কৰিলে। সেই অবধি হয়গ্ৰীৱ মাধৱ হাজোতে আছে। তাত হয়গ্ৰীৱ মাধৱৰ আধকৰা কীৰ্ত্তি চিনৰোৱা আজিও বিস্তমান থাকি ২.৪ জন চিকাৰী মানুহৰ মাজত কৌতুহল জন্মাইছে।

মাজুলী গড় বাগানৰ সীমাৰ পৰা ১॥ মাইল মান উত্তৰলৈ গৈ প্ৰথম এটা গড় পোৱা যায়। এই গড়টো পাৰ হৈ ½ মাইল মান গলে ২য় গড়টো পোৱা যায়। দ্বিতীয় গড়টোৰ পৰা ½ মাইল মান গৈ এডাল ওখ গছে সৈতে এডোখৰ টিলাৰ নিচিনা ওখ ঠাই। তাত অনেক শিল আছে আৰু সেই শিল বোৰত মূৰ্ত্তি কটা আছে। মই ১৪ বছৰ মান আগেয়ে তাত গৈ যিবোৰ মূৰ্ত্তি দেখিছিলোঁ এই বাৰ (১৯৩৪) গৈ তাত সিমান মূৰ্ত্তি দেখা নাপালোঁ। শ্ৰীমান নবীন চন্দ্ৰ মেধি মৌজাদাৰ আৰু শ্ৰীমান লক্ষীৰাম চৌধুৰীৰ মুখত শুনিলোঁ তাৰ অনেক মূৰ্ত্তি পোত গল, কিছু মূৰ্ত্তি বাগানলৈও নিলে

মূৰ্ত্তি থকা ঠাইৰ ওচৰতে এটি সৰু পুখুৰী আছে। তাৰ পৰা কিছু দূৰৈত ২য় গড়ৰ আধা মাইল মান তাকাতত দুটা ডাঙৰ পুখুৰী আছে। তাত পানী নাই। পুখুৰী দুটা দেখিলে এটি কোডাল ধোৱা আৰু আনটি আচল পুখুৰী বুলি অনুমান কৰিব পাৰি। কোডাল ধোৱা পুখুৰীটো পশ্চিমে। ৫ বিঘা মান মাটি হব। আচল পুখুৰীটো পূবে। কম পক্ষেও ৩ পুৱা মাটিৰ কম নহব। এইটো আধা খন্দা বোধ কৰোঁ। পানী নোহোৱা দেখি, নাইবা হয়গ্ৰীৱৰ মন্দিৰ তাত স্থাপন কৰা নোহোৱা সিদ্ধান্ত হোৱাত আধা খন্দাকৈ এৰিলে।

কোডাল ধোৱা পুখুৰীৰ সম্বন্ধে ইয়াতে একাষাৰ কথা কৈ থোৱা যাওক। কামৰূপত যিবোৰ আগৰ কালৰ ডাঙৰ পুখুৰী আছে তাৰ ওচৰতে এটি সৰু পুখুৰীও আছে এই সৰু পুখুৰীটকৈ কৰাল ধোৱা পুখুৰী বোলে! পুখুৰী খন্দা মানুহবিলাক কাম কৰাৰ সময়ত পানী খাবলৈ আৰু কোডাল ভিজাবলৈ ইয়াক আচল পুখুৰী আৱশ্য কৰাৰ আগেয়ে খান্দি লৈছিল। কোডাল ধোৱা পুখুৰীৰ ধাৰাই আৰু দুটা অতি প্ৰয়োজনীয় কাৰ্য্য সিদ্ধ হৈছিল। (১) আচল পুখুৰী কিমান দিনে খানিলে ভাল পানী পোৱা যাব (২) আচল পুখুৰী খান্দা হলে সেইটো মানুহৰ কাৰণে সুকীয়াকৈ বাধি কোডাল ধোৱাটো গৰু-মহিহৰ বাবে এৰি দিয়া হয়।

আগৰ কালত কেনেকৈ পুখুৰী খন্দা হৈছিল সেই সম্বন্ধে "পুখুৰী" বুলি আন এটি প্ৰবন্ধৰ আলোচনা কৰিম,]

গতিকে ইয়াত বহুলাই কোৱাৰ কোনো প্ৰয়োজন নাই।

হয়গ্ৰীৱ মাধৱত তন্ত্ৰত লিখা মূৰ্ত্তি বিলাক এতিয়াও আছে। (১) কচ্ছি অৱতাৰ (২) বজ্ৰ যোগিনী (৩) অনন্ত নাগ (৪) ৰতি মদন (৫) যুগল মূৰ্ত্তি (স্ত্ৰীপুৰুষ)

ইয়াতে কোৱা আৱশ্যক যে, আমি ৰাতিহোৱা গতিকে সকলো মূৰ্ত্তি তন্ত্ৰত তন্ত্ৰকৈ চাব নোৱাৰিলোঁ গতিকে আৰু আন বহু মূৰ্ত্তি থাকিব পাৰে। আৰু আমি নিজেও মূৰ্ত্তি পৰিচয় সম্পৰ্কে বিশেষজ্ঞ নহয় গতিকে অনন্ত নাগ, যুগল মূৰ্ত্তি প্ৰভৃতি বোৱ বৌদ্ধ মূৰ্ত্তিও হব পাৰে। সিহেতু হয়গ্ৰীৱ মাধৱৰ লগত বৌদ্ধ ধৰ্ম্মৰ নিকট সম্পৰ্কে এতিয়াও আছে। হাজোৰ হয়গ্ৰীৱ মাধৱটৈ ভূটান আৰু তিব্বতৰ বৌদ্ধ বিলাক তীৰ্থ কৰিবলৈ আছে। তেওঁলোকে কয় যে, আমাৰ মহা মুনি আহি ইয়াত আছে। আৰু এটা কথা মন কৰিব লগা আছে। হাজোৰ মাধৱত ধাতু বস্তু বুলি সোণাৰ কৌটাৰ ভিতৰত কিবা এটা সাধাৰণৰে অজানা বস্তু থকা বুলি কোনো কোনো মানুহে কয়। হাজোৰ মাধৱ দেৱালয়ত বিশ্বাসৰ কাৰ্য্য বুলি এটা কাৰ্য্য আছে। সেই কাৰ্য্যটো নোকি তাক দুই চাৰিজন বুঢ়া মানুহ অভিজ্ঞ দলৰ বাহিৰে কোনেও নাজানে। যেনি বিশ্বাসৰ কাৰ্য্য কৰা হয় তেতিয়া গধিল মানিলে মন্দিৰ দৈ থাকে। মোৱা যেলি সেই দৰে হাজোৰ বিশ্বাসৰ কৰা হৈছে। এই বিশ্বাসৰ কাৰ্য্য জগন্নাথৰ কলেৱৰ নতুন মূৰ্ত্তিত ধাতু বস্তু প্ৰৱেশ কৰোৱাৰ নিচিনা। গধি সোণাৰ কৌটাৰ ভিতৰত থকা ধাতু বস্তু বুদ্ধদেৱৰ দন্ত কেশ বা অস্থি হোৱাত অসম্ভৱ নহব পাৰে।

হৰি শিংহা মৌজাৰ মৌজাদাৰ শ্ৰীমান নবীন মেদিয়ে এই ঠাই ডোখৰলৈ মোৱাৰ বাবে হাতী সকলো বন্দবস্ত তেওঁৰ নিজ খৰচতে কৰিছিল আৰু নলঙীবাম চৌধুৰীৰ লগত লৈ তেওঁ নিজেও আমাৰ হৈছিল। তেওঁৰ পৰা সহায় নাপালে এই ডোখৰ চোৱা সম্ভৱ পৰ নহল হয় কিজানি। সেই বাবে তেওঁক আশীৰ্ব্বাদ কৰিলোঁ যেন আগলৈ শ্ৰীমানৰ প্ৰাচীন কীৰ্ত্তি সকল উদ্ধাৰৰ অৰ্থে যত্ন লৱৰ শক্তি দান কৰে।

ভাৰতীয় পৰ্ব্বতৰ জন্মকথা

—শ্ৰীযুত নন্দী প্ৰসাদ কটকী এম-এচ-চি

পৰ্ব্বত পাহাৰৰ জন্মকথা আমি পৰ্ব্বত পাহাৰৰ পৰাই জানিব পাৰো। এই পৰ্ব্বতত থকা পাথৰবিলাকেই তাহাতৰ জন্ম কাহিনী বিবৃতি কৰে। মানুহৰ জন্ম পত্ৰিকাৰ নিচিনাকৈ পৰ্ব্বতৰ জন্ম পত্ৰিকা হাতে লিখা নহয় আৰু সেই কাৰণেই পাথৰত লিখি থোৱা পৰ্ব্বতৰ জন্ম পত্ৰিকা বিলাক চাবলৈ বেলেগ শ্ৰেণীৰ পণ্ডিতৰ দৰ্কাৰ। পৰ্ব্বতত থকা পাথৰ আৰু তাত পোৱা জীৱাশ্ম (fossil) পৰীক্ষা কৰিলেই পৰ্ব্বতৰ জন্মলীলা আৰু জন্মৰ সময় নিৰ্দ্ধাৰিত কৰিব পাৰি। পৰ্ব্বত পাহাৰ সাধাৰণতে কণাস্তৰিক পাথৰ (metamorphic rock), গলিত পাথৰ (Igneous rock) আৰু পলসুৱা পাথৰ (Sedimentary rock) এই তিনি ধৰণৰ পাথৰেৰে গঠিত হয়। এই তিনি বিধৰ মধ্যে পাছৰ বিধতহে জীৱাশ্ম পোৱা যায়। পলসুৱা পাথৰ স্তৰ নিৰ্ম্মিত। হিমালয়ৰ বেছি ভাগ অংশ, গাৰোপাহাৰ নগা পাহাৰ আদি পাহাৰত বেলেগ বেলেগ বৰকম পাথৰ স্তৰ দেখা যায়। আৰু এই স্তৰ বা তৰুপ বিভিন্ন শ্ৰেণীৰ অতীতৰ জন্তুৰ চিহ্ন পোৱা যায়। পাথৰ shale) বালিপাথৰ (sandstone) আৰু চ

ছ পাতৰ চাপ বা হাতী, গৰু, মহৰ হাড় বা জকা পালে ই স্তৰ বিলাক কোনো ডাঙৰ নদী বা হ্ৰদত উৎপন্ন হোৱা লি কৰ পাৰি, নহলে (Limestone) চুণশিল বা মুদ্ৰিক জন্তুৰ চিন পালে এই স্তৰ বিলাক সাগৰৰ গৰ্ভত পোৱা বুলি কব পাৰি।

গলিত পাথৰ বা কণাস্তৰিক পাথৰৰ উৎপত্তি বৰ্ত্তমান কোৱা ধৰণৰ সাগৰ বা নদীৰ গৰ্ভত নোহোৱাত তাত কোনো জীৱৰ চিনকে দেখা নাযায়। এটা কথা এই খিনিতে ন কৰিব লগীয়া যে যদিও বিজ্ঞানিচ পৰ্ব্বতত পাথৰ মুহূৰ্ত্তৰত আৰু স্তৰ নিৰ্ম্মিত তথাপি তাত কোনো জীৱৰেই চিন দেখা নাযায়। ইয়াৰ কাৰণ ইয়াকে দিব পাৰি যে এই পাথৰ হওঁতে সমুদ্ৰত কোনো জন্তুৰেই আবিৰ্ভাব হোৱা নাছিল। গতিকে এই শ্ৰেণীৰ পাথৰ অতি পুৰণি নহয়। মুঠতে কবলৈ হলে এই পাথৰ বিলাকে পৰ্ব্বতৰ এক কাহিনী কোৱাৰ বাহিৰে প্ৰাণীৰ জন্ম আৰু তাহাতৰ বিকাশৰ কথা বিবৃত কৰে।

এতিয়া চোৱা যাওক ভাৰতৰ কোন পৰ্ব্বতত কেনে ধৰণৰ পাথৰ পোৱা যায় আৰু এই পৰ্ব্বত বিলাক কেনেকৈ উৎপত্তি হবলৈ পালে। প্ৰথমতে সৰ্ব্বশ্ৰেষ্ঠ হিমালয় পৰ্ব্বতকে ধৰা যাওক। হিমালয় পৰ্ব্বত ভাৰতৰ উত্তৰ পৰা সিন্ধুবেলেকে গোটেই উত্তৰ ভাগ জুৰি আছে। এই পৰ্ব্বত শাৰীৰ স্তৰ সমূহৰ ভাঁজৰ মধ্যবেখা পূৱা-পশ্চিমকৈ আছে। হিমালয়ৰ গাতে গা লগা পুৱৰ ফালৰ পৰাই আবাকান দোমা আৰু পশ্চিমৰ চুলেমান পৰ্ব্বত আৰু হিমালয়ৰ লগতে দৰিব নোৱাৰি। কাৰণ এই পৰ্ব্বত এই শ্ৰেণীৰ ভাঁজৰ মধ্যবেখা হিমালয়ৰ নিচিনাই পূৱা-পশ্চিমকৈ নাথাকি উত্তৰা-দক্ষিণাকৈ আছে। হিমালয় প্ৰায় মোটামোটি ১০০—১৫০ মাইল বহল। ভূবিজ্ঞ লোক সকলে হিমালয় পৰ্ব্বতশ্ৰেণীক তিনি ভাগত ভগাইছে। আৰু তাৰ প্ৰত্যেক ভাগেই বিভিন্নশ্ৰেণীৰ পাথৰেৰে গঠিত।

তিব্বতৰ ফালৰ পৰা আহি প্ৰথমতে যি পৰ্ব্বত শ্ৰেণী পোৱা যায় তাত অকল সামুদ্ৰিক জীৱৰ চিহ্নই দেখা যায়। এই শ্ৰেণীৰ মেরুদণ্ডহীন শামুক জাতীয়' গতিকে আমি নিসন্দেহে এই পৰ্ব্বত শ্ৰেণীৰ পাথৰ সাগৰত জন্ম হোৱা বুলি কব পাৰো।

দ্বিতীয় ভাগৰ পৰ্ব্বত শ্ৰেণীত কোনো জীৱৰেই চিহ্ন দেখা নাযায়। এই পৰ্ব্বত শ্ৰেণী ক্ষণাস্তৰিত পাথৰেৰে গঠিত। হিমালয়ৰ উচ্চ পৰ্ব্বত শৃঙ্গ গৌৰীশঙ্কৰ, ধবলগিৰি, কাঞ্চন জঙ্ঘা, নঙ্গ পৰ্ব্বত, গোসাইথান, নন্দদেবী এনে ধৰণৰ পাথৰেৰে গঠিত।

তৃতীয় ভাগৰ পৰ্ব্বত শ্ৰেণী চিৱালিক হিল (siwalik hill) বুলি জনাজাত। ভাৰতৰ ফালৰ পৰা হিমালয়লৈ উঠোতে এই পাহাৰ শাৰী গছকি যাব লাগে। এই পাহাৰ শাৰীত চাবিঠেঁইশ্ৰীয়া জন্তু গৰু, মহ, হাতী, জিৰাফ আদিৰ হাড় জকা বিস্তৰভাবে পোৱা যায়। কলিকতাৰ যাদুঘৰত দেখা চাবিশিংহীয়া জিৰাফৰ মুৰ, ১৫, ২০ ফুটৰ হাতীৰ দাঁত এই পৰ্ব্বত শাৰীৰ পৰাই অনা হৈছিল। এই পৰ্ব্বত শাৰীৰ কোনো বৃহৎ নদীত জন্ম হোৱা বুলি কয়। আৰু এই নদীয়েই অতীতৰ ব্ৰহ্মপুত্ৰ আছিল।

ওপৰত উল্লেখ কৰা এই তিনি বিধৰ পাথৰ পৰ্ব্বত অহৰহ তুলিবলৈ বিভিন্ন সময়ত অন্তৰা-অন্তৰিকৈ তিনিটি ঢেঁকা উত্তৰ ফালৰ পৰা আহিছিল। প্ৰথম ঢেকা আহে প্ৰায় ৬০ নিযুত বছৰৰ আগেয়ে মিডইয়োচিনৰ (Middle Eocene) সময়ত। এই ঢেঁকাত দ্বিতীয় ভাগৰ পৰ্ব্বত শাৰী ওপৰলৈ উঠে। তাৰ পিছৰ ঢেকা প্ৰায় ৪৫ নিযুত বছৰ আগেয়ে বা মিড্ মায়চিন (mid miocene) সময়ত আহে। এই ঢেঁকাত তিব্বতৰ ফালে থকা প্ৰথম ভাগৰ পৰ্ব্বত শাৰী ওপৰলৈ উঠে। শেহৰ ঢেঁকা পিছিলা প্ৰায় ৩৫ নিযুত বছৰৰ আগেয়ে প্লায়চিন (Pliocene) যুগত। এই শেহৰ ঢেঁকাত প্ৰথম দ্বিতীয় দুয়ো শ্ৰেণীৰ পৰ্ব্বতশাৰী আৰু লগতে অতীতৰ ব্ৰহ্মপুত্ৰে পেলোৱা পলসুৱা তৃতীয় শ্ৰেণীৰ স্তৰ বিলাক তুলি আজিৰ হিমালয়ত পৰিণত কৰিলেগৈ।

হিমালয় পৰ্ব্বতক যে তুলিবলৈ উত্তৰ ফালৰ পৰা ঢেকা আহিছিল এই সত্য ছটা ঘটনাৰে লক্ষ্য কৰিলে ভালকৈ বুজিব পাৰি। প্ৰথম কথা হৈছে ভাৰতৰ ফালে হিমালয় খুব খিৰ কিন্তু সেই অনুপাতে তিব্বতৰ ফালে

হিমালয় বেছ হেলনীয়া। সেই কাৰণে গৌৰীশঙ্কৰ, দৰলগিৰি আদি পৰ্ব্বত শুদ্ধ বঙ্গদেশ আৰু যুক্তপ্ৰদেশৰ খুব ওচৰতে আৰু সেই ঠাইৰ বাসিন্দাৰ সকলে পৰ্ব্বতৰ দাঁতিত থিয় হলে এই পৰ্ব্বতশ্ৰেণী কেইটা দেখিবলৈ পায়। এই কথাৰ পৰা বুজা যায় যে সি হেঁচা উত্তৰৰ পৰা আহিছিল সেই হেঁচা দাক্ষিণাত্যৰ নিচিনা প্ৰাচীন প্ৰবল পাথৰ সমূহক ভেদ কৰি যাব নোৱাৰি ধাক্কা খাই ভাৰতৰ ফালে থকা হিমালয়ৰ এই পৰ্ব্বত শ্ৰেণী খুব থিয় অৱস্থাত পৰিণত কৰিলেগেঁ। দ্বিতীয় ঘটনা হৈছে যে এই পৰ্ব্বত শাৰী ধাক্কা খাই খুব থিয় হোৱাৰ লগে লগে ইয়াৰ স্তৰ বিলাক খুব কেকোৱা-কেঁকুৰি আৰু তাত বহুত ডাঙৰ ডাঙৰ গাঁত হোৱা দেখা যায়।

ইয়াৰ পিছত দাক্ষিণাত্যৰ আৰাবলি, বিন্ধ্যা, সাতপুৱা, পশ্চিম ঘাট, পূৰ্ব্বঘাট পৰ্ব্বতৰ জন্ম কাহিনী দেখা যাওক। এই পৰ্ব্বত বিলাকৰ ভিতৰত আৰাবলি আৰু সাতপুৱা পৰ্ব্বতৰ উৎপত্তি ঠিক হিমালয়ৰ নিচিনা। কাৰণ হিমালয়ৰ দৰে এই দুই পৰ্ব্বতৰ পাথৰ হেঁচাৰ কোবত ওপৰলৈ উঠিছে আৰু সেই গতিকে এই দুই পৰ্ব্বতৰ ভাঁজৰ মধ্যবেখা (axis of folding) থকা দেখা যায়। তাৰ বাহিৰে বাকী যি পৰ্ব্বতৰ নাম উল্লেখ কৰা হৈছে সেই আটাইবিলাক ক্ষয় গৈ হোৱা।

আৰাৱলি পৰ্ব্বত অতিজৰ এক প্ৰকাণ্ড ডাঙৰ পৰ্ব্বত আছিল। এই পৰ্ব্বত ভাৰতৰ অতি পুৱণি কলীয়া পৰ্ব্বত আৰু ই এসময়ত ভাৰতবৰ্ষৰ দক্ষিণৰ কুমাৰিকাৰ পৰা উত্তৰৰ হিমালয়ৰ ওচৰলৈকে ব্যাপি আছিল। এই পৰ্ব্বতৰ ওখ টিঙত অতীতত বৰ্ত্তমান হিমালয়ৰ নিচিনাকৈ বৰফ জমাৰ কথাবো গম পোৱা যায়। কিন্তু আমি আজি যি আৰাবলি পৰ্ব্বত দেখিবলৈ পাইছোঁ। সি আগৰ অনুপাতে তেনেই সামান্য। আজিৰ আৰাৱলি পৰ্ব্বতে ৰাজপুতনাৰ অলপ ঠাই মাত্ৰ অধিকাৰ কৰিছে। বাকী সকলো খিনি কালৰ গতিত ক্ষয় গলগেঁ। এই পৰ্ব্বতত জগদ্বিখ্যাত আগ্ৰাৰ তাজমহল তৈয়াৰ হোৱা মাৰ্ব্বেল পাথৰ আৰু অন্য ৰূপান্তৰিত পাথৰ (metamorphic rock) পোৱা যায়।

ভাৰতক দুভাগ কৰা বিন্ধ্যাচল পৰ্ব্বত ওখই প্ৰ ২০০০-৪০০০ হেজাৰ ফুট হব। এই পৰ্ব্বত শাৰী অতি প্ৰাণীবিহীন বালিপাথৰ, চুণশিল, মৃৎপাথৰ আদিৰে গঠি এই বিভিন্ন পাথৰৰ স্তৰ বিলাক যেনে ভাৰে হৈ ঠিক তেনেভাবেই আছে তাত কোনো হেচাৰ চি দেখা নাযায়। ওচৰৰ ঠাঁই বিলাক বতাহ বৰষুণ আ দ্বাৰা বহু বছৰ ধৰি ক্ষয় যোৱাত এই পৰ্ব্বতৰ বিলাক ওখ হৈ আছে আৰু সেয়ে আজিৰ বিন্ধ্য হৈছেগেঁ।

বিন্ধ্যাৰ সমান্তৰাল হৈ দক্ষিণ ফালে থকা সাত পৰ্ব্বত সাতোটা হেচাৰ কোবত হৈছে। এই পৰ্ব্ব ৭৪ নিযুত বছৰৰ আগেয়ে ক্ৰেটচচ যুগত (cretaceous period) হোৱা আগ্নেয় পাথৰ আৰু তাৰ সমসাম সমুদ্ৰোদ্ভূত অন্য পাথৰ পোৱা যায়. এই পৰ্ব্বত কোৱা আৰাবলি আৰু হিমালয়ৰ দৰে হেচাৰ ওপৰলৈ উঠিছে। বৰ্ত্তমান এই পৰ্ব্বত আৰাবলিৰ নিচি বতৰে ক্ষতিগ্ৰস্ত কৰা পুৱণি পৰ্ব্বতৰ স্মৃতি-চিহ্ন মাত্ৰ।

পশ্চিম ঘাট পৰ্ব্বতশাৰী সাতপুৱা পৰ্ব্বতত পোৱা আ পাথৰেৰে গঠিত। এই পৰ্ব্বত আৰৱ উপসাগৰৰ সমান্ত ভাবে দক্ষিণৰ মালাবাৰ উপকূললৈকে গৈছে। এই শাৰী ওখই প্ৰায় ৩০০০ হেজাৰ ফুট। ক্ৰেটচচ যু (Cretaceous Period) ভাৰততে যি আগ্নেয় ওলাইছিল তাৰ বৃহত্ত ইমান কাল ধৰি ক্ষয় যো আজি সেই পাথৰে প্ৰায় দুহেজাৰ ৫ হেজাৰ মাইল বৰ আছে। আজিৰ এই পশ্চিম ঘাট পৰ্ব্বত শাৰীও এই আগ্নেয়-পাথৰৰ স্মৃতিচিহ্ন মাত্ৰ। বতৰৰ দোষত ই ইয়াৰ পাথৰ বিলাক ঘাটৰ চিৰিব নিচিনা হৈছেগৈ সেই কাৰণেই এই নাম খোৱা হৈছে।

মালাবাৰ উপকূলৰ দক্ষিণে থকা নীলগিৰি পশ্চিম ঘাট পৰ্ব্বতৰ দৰে আগ্নেয় পাথৰেৰে গঢ়া এই পৰ্ব্বতত অতি অতীজৰ কণাস্তৰিত পাথৰ পোৱা ইয়াৰ উৎপত্তি ঠিক বিন্ধ্যাচলৰ দৰে। ওচৰৰ ঠাঁই ক্ষয় যোৱাত ই পৰ্ব্বত নাম পালে।

বঙ্গ-অখাতৰ মুখামুখী কৈ থকা পূৰ্ব্বঘাট পৰ্ব্বত

অকল কোনো এক সময়ৰ পাথৰেৰে গঠিত নহয়। এই পৰ্ব্বত শাৰীৰ কিছুমান টিং পুৱণি কলীয়া। পূৰ্ব্বঘাট পৰ্ব্বত শ্ৰেণী আৰাবলি পৰ্ব্বতৰ সমসাময়িক কোনো ডাঙৰ পৰ্ব্বত শ্ৰেণীৰ অস্তিত্ব বুলি কব পাৰি।

অসমৰ মণিপুৰ গাহাৰ, আৰাকান, ছোমা, চুলেমান পৰ্ব্বত যদিও ঠিক হিমালয়ৰ লগত ধৰা হোৱা নাই তথাপি এই পৰ্ব্বত কেই শাৰী হিমালয়ৰ দৰে একেভাবে হৈছে আৰু ইহঁতৰ উৎপাদন হিমালয়ৰ লগত প্ৰায় সমসাময়িক।

খাচিয়া গাহাৰৰ কিছু অংশত গ্ৰেনাইট (granite) পাথৰ পোৱা যায়। এই অংশ অতীজৰ পৰা বুলি কব পাৰি। তাৰ বাহিৰে অসমত যি পৰ্ব্বত আছে সেইবিলাক নিচেই অলপ দিনীয়া। অন্য বিলাক পৰ্ব্বতৰ তুলনাত গাৰো, মিকিৰ আদি পাহাৰ অলপ দিনীয়া বোলা হৈছে। কাৰণ এই পাহাৰ বিলাকত মাত্ৰ ৭৫ নিযুত বছৰৰ আগৰ পাথৰহে পোৱা যায়। এই পৰ্ব্বত শ্ৰেণীৰ পাথৰ এক উপসাগৰত উৎপত্তি হৈছিল। অসমত যি খনিৰ তেল পোৱা যায় সিও অতীজৰ এই উপসাগৰত থকা জন্তুৰ চৰ্ব্বিৰ পৰা হোৱা বুলি কিছুমান পণ্ডিতে কয়।

সনাতনীৰ বিপত্তি

গল্প— —শ্ৰীযুত প্ৰসন্নলাল চৌধুৰী বি-এ

সময় মেল। ইস্কুলীয়া দলটো অৰ্থাৎ ইংৰাজী শিকাৰোৱ প্ৰায় সকলোৱে দল বান্ধিছে, কীৰ্ত্তন ঘৰত নদীয়াল, বনিয়া, নমঃশূদ্ৰ আদি সকলো জাতিকে ভিতৰ বাহিৰ নৰণা কৰি সোমাব দিব ; গান্ধী ৰজাৰ হুকুম। আজি অত কালি ত'ত এনেকৈ বহু ঠাইত মিটিং হল, কীৰ্ত্তন ঘৰ হলে কাম চাৰিব পৰা নাছিল। তাতে নতুন হৰ খোজা উকীল ডেকাহতে বক্তৃতা দিয়ে, কদাচিৎ দুই এজন বুঢ়া উকীলেও উপায় নাপাই সভাপতিৰ বাৰ লৈ বহে। বায়ুণ সজ্জনৰ লৰা দুই এজনো যায়—কায়থৰ ছলিয়েও কেত্তিয়াবা দুমুহি মাৰে। এনেকৈ দল থুপাৰি কৰি, এই জাতি কুল নষ্ট কৰাইতে এদিন সাঁচাসাঁচিকৈ সভ্যত নিবেদন ঘমালে, যে কীৰ্ত্তন ঘৰৰ ইফালেদি সোমাই নিফালেদি ওলাবৰ অধিকাৰ সকলো জাতিকে দিব লাগে। কিন্তু আজি জানিবা সোমাবই দিলে—পাছে কালি ? আজি এই খিনি পালে কালি কব "আমাৰ হাতে ভাত খোৱা, পৰহি কব আমাৰ আপী বিয়া কৰোৱা"। হ'ল সকলো একাকাৰ। বুঢ়া ভক্তীয়া সকলে দা'তমুখ নিকটাই উঠিল, বেঞ্চি ভাগ মেলুৱৈৰ ভিতৰত নানা তৰহৰ ফুচফুচীয়া আলোচনা পৰামর্শ আদি হব ধৰিলে। উচ্চ জাতিৰ মাতব্বৰ সকলে একবাক্যে গৰ্জ্জি উঠিল। কেউলীয়া ভকত সম্প্ৰদায়ে এনে কাম হলে শ্ৰীকৃষ্ণ প্ৰভুই সত্ৰ এবি বৈকুণ্ঠলৈ যাব বুলি কোনো ধৰ্ম্মাত্মাক স্বপ্নাদেশ দিছে, সেই সম্পৰ্কে নানা গল্প প্ৰচাৰ কৰাত লাগি পৰিল। আৰু বুঢ়ী ভক্তানী আই সকলে কড়ি অন্তৰীয় হোৱাৰ হবতেক পবতেক প্ৰমাণ দেখি নিজৰ পো-নাতি বেৰী-বোৱাৰীৰ কুশলৰ অৰ্থে নাম বস্তু স্মৰণ কৰিব ধৰিলে।

রবিবার কীর্ত্তন ঘরর হদর ভিতরত বহিল মহা মেল। একালে দেশী মিলর বা জাপানী খদ্দর পিন্ধা ইঙ্গুলীয়া দলর মুখ্য পুরুষ সকল শাৰী পাতি রহিছে। তেওঁলোকর পৰা অলপ আঁতরত স্থূলৰ ছাত্র এদলে মেলত নো কি ঘটনা হয় তাকে চাবলৈ ক্রম পাতি বৈ আছে, আৰু আনে শুভনাকৈ কোনজন মানুহ কি ভাবত আছে, তাৰ বিষয়ে বহুতখিনি ব্যাখ্যা আৰম্ভ কৰিছে, আৰু তেওঁলোকৰ ভাব গতি দেখি, দুই এজন বুঢ়ালোকে কেৰাকেৰিকৈ তীব্র দৃষ্টি নিক্ষেপ নকৰাকৈ থকা নাই। ইঙ্গুলীয়া দলৰ সমুখৰ ফালে সভাধিকাৰ আৰু প্রবীণ মেলুৰৈ সকলক আগ কৰি, সৰু ডাঙৰ মজলীয়া প্রভৃতি কেইবা শ্রেণীৰ ভক্ত সুদ্ধই ভুম পাতি রহিছে। তেওঁলোকৰ পাছফালে নানা তৰহৰ ডেকা বুঢ়া মানুহে গাজ মাৰি ধৰিছে। কেউলীয়া ভকত সকলৰ সংখ্যাও আজি বৰ কম নহয়, কাৰণ, আদালত আদি বন্ধ। এই সম্প্রদায়ৰ প্রায় ৫০জন মান ডেকা বুঢ়া আৰু কমবয়সীয়া লৰা গিৰোবাসী সকলৰ পৰা আঁতৰত সাজি পাৰি কঠ পাৰি রহিছে। ওচৰৰ গছ বিধিৰৰ ডাল বিলাকত বহু লৰা উঠি কাউৰৰ দৰে কলৰব কৰিব লাগিছে। কাষিত আই সকলৰ দলে মুকত ওৰণী লৈ বহি মেলৰে কথা কাও চাই আছে, আৰু যিবিলাকৰ বিৰয় লৈ এই মেল বহিছে সেই ডৰণীয়া জাতি বিলাকে বেলেগ বেলেগ থুপ হৈ বহি নিনিমেষ নয়নে এই বিৰাট লোক সমাজলৈ চাই আছে।

মেলৰ প্রধান উদ্যোগ কৰোতা ৰবিধৰ ডেকাই ঘুৰি ঘুৰি গল মেলি চাই দেখিলে নিমন্ত্রিত প্রায় সকলোরে আছিছে; কিন্তু অহা নাই উকীল দশৰথ বৈষ্ণৱ শিৰোমণি বি-এল। তেওঁ নব্য শিক্ষিত হলেও শাস্ত্রীয় সদাচাৰ আৰু নিষ্ঠাৰ বাবে প্রাচীন পন্থী সকলৰ বিশ্বাস-ভাজন। তাৰ উপৰিও তেওঁৰ সুখ্যাতি বাঢ়িছে নলবাৰীৰ "বিশুদ্ধ বর্ণাশ্রম হিন্দুধর্ম্ম সংৰক্ষিণী সভা"ৰ পৰা বৈষ্ণৱ শিৰোমণি উপাধি পোৱাৰ পৰা। সেই দিন ধৰি তেওঁ শিৰোমণি উকীল নামেই জনাজাত। কংগ্রেছ, স্বৰাজ পার্টি আদিতো তেওঁ এজন মুখ্য লোক। মানুহে তেওঁৰ কথা সহজে পেলাব নোখোজে। সেই দেখি ৰবিধৰে ভাবিছিল যে যদি শিৰোমণি উকীল ওৰফে দশৰথ তেওঁলোকৰ সপক্ষে মাতে তেন্তে কিছু নহয় কিছু সুবিধা হব পাৰে। কিন্তু এতিয়াও তো তেওঁ আহি পোৱা নাই। অগত্যা মেলৰ কার্য্য আৰম্ভ হল। সকলো প্রায় আহি দিয়াৰ দৰে আছিলেই; প্রাণী পক্ষৰ পৰা এজনে সভা কর্ত্তৃপক্ষৰ আগতে প্রার্থনা জনালে। দুজন মানে উঠি সপক্ষে মত আৰু যুক্তি দিব ধৰিলে। ঠিক এনে সময়ত শিৰোমণি উকীল উপস্থিত হল। তেওঁৰ আহিৰ দেখা এটা বিশিষ্টতা আছিল। ককালত পাটৰ ধুতি, গাত পাটৰ চেলেং, চকুত সোণৰ চচমা, আৰু কপালত বগা চন্দনৰ ফোট। ৰবিধৰে আগে বেগে উঠি তেওঁৰোৱা মাজত ঠাই এডোখৰ উলিয়াই তেওঁক ইঙ্গিতেৰে মাত দিলে। কিন্তু শিৰোমণি উকীলে লাহেকৈ তহঁতক হাঁহি মাৰি ইঙ্গিতেৰে বুজালে তেওঁ সভাধিকাৰ প্রভৃতি ওচৰতে আসন গ্রহণ কৰিব। তেতিয়া অপৰ পক্ষ পৰা কৰৰ পাল আহিল। প্রথমে উঠিল নির্ম্মল ভট্টি পছৰ জানবৃদ্ধ বয়োবৃদ্ধ বিশ্বাস কীর্ত্তি ৰাম আতৈ কু ভকত। তেওঁ বিশ্বাস এই ছিচাবে যে তেওঁৰ ধর্ম্মৰ মহিমা একাধিক বাৰ চেচনৰ মোকৰ্দ্দমাত সমঝাবে থাকাত তহঁত পাছত দৈবক্রমে এবাৰ এখন কচাৰী গাওঁৰ ওচৰ বাহৰ পাতি গোপনে কচাৰী মদৰ ব্যবসায় কৰা অপৰাধ ৬ মাহ জেল আৰু কিছু টকা অর্থদণ্ড ভবিছে। অৱশ্য পাছত দুই দেশুমান পৰাচিত হে ৪৲টকা আদায় কৰি সত্তৰ পূর্ব্ব পদত পুনৰায় ৰহিছে। সনাতন হিন্দুধর্ম্ম অনাচাৰৰ পৰা ৰক্ষা কৰিবলৈ থিয় হোৱা এইজন পুকমহ দেখা মাত্রে ধর্ম্মপ্রাণ হিন্দু সকলৰ মাজত বিপু হৰিধ্বনি উঠিল আৰু কাঁপিত এচুকত বহি থকা ভকতী সকলৰ মাজতো "হৰিবোলা ও হৰি!" আৰু মৃদু সূচক জোকাৰৰ ধ্বনি উঠি নির্ম্মল বৈষ্ণৱ ধর্ম্ম সঙ্গীরতাৰ চিনাকি দিলে। বুঢ়া ভকতে চুমোহাত মোছাৰি কাহ এটা মাৰি বিশাল বদন ব্যাদন কৰি তামোল তামাকু বহন লগা সুদীর্ঘ দন্তপাঙ্তিৰ প্রদর্শনী খন উলিয়াই ক ধৰিলে—"কলিৰ কাল যে দেখা দিছে ই কথা ধ্রুব আমাৰ সত্যযুগৰ অন্ত হল, সকলো আমাৰ কুরু প্রভু

ইচ্ছা। কলিকালত কলিৰ ধর্ম্ম প্রবর্ত্তিত লাগে। তাক কোনেবাৰ কৰিব নোৱাৰে। কিন্তু এইটো গুৰুবাক্য যে ন'ত টৈয় প্রাণঙ্গ, ভকতৰ সঙ্গ আছে ত'ত কলিৰ অধিকাৰ নাই। কাৰণ পুথিত আছে—

"মোৰ নাম কীর্ত্তন কৰিব সর্ব্বক্ষণে।
হৃদয়ত মোৰ নাম চিন্তিব যতনে॥
মোৰ যশ গায়া নিটো কৰে নৃত্য গীত।
নাহি তাৰ ভয় সিটো ভৈল 'কিবিত কিবিত'॥

গুতিকে এই ঠাইত কলিৰ ধর্ম্ম সোমাবৰ ভয় নাই। আৰু ওকৰাকা নামানি যদি কোনোবাই এই নীচ জাতি বিলাকৰ ইয়াত সোমাব দিয়েও, তেনেহলে ধর্ম্মৰ ওপত হৈ মহাপাপী বিলাক অধঃপাতে যাব। এনে অৱস্থাত আমি পুৰুষ গুৰুজনে বাছি থোৱা নিয়মৰ 'বিতিকৰম' হব দিবৰ সাধ্য নাই। তাতকৈ আমাৰ স্বৰাজৰ এতিয়াই নহলেই যদি নহলা হৈছে, তেন্তে উকীল বাপু সকলক কণ্ড, তেওঁলোকে কাছাৰীত ওকালতি কৰি পইচা নোলোৱা নিয়ম বান্ধক বা অন্ততঃপক্ষে 'ডেলি ফিড'টো নোলোৱা হক। স্বৰাজখন এনেয়ে হব।" বুঢ়া ভকত বহিল। পুনৰ হৰিধ্বনি উঠিল।

আতৈৰ মুখৰ বাক্যস্রোতা পান কৰি ৰবিধৰ হঁতৰ মুখ শুকাই যাবৰ উপক্রম হল, গতিকে মেলৰ গতি দুৰাবৰ কাৰণে দশৰথৰ ফালে চাই বক্তৃতা দিবলৈ ইঙ্গিত কৰিবলৈ ধৰিলে, আশা আছিল দশৰথে উদাৰ মত সমর্থন কৰিব। ধীৰে সুস্থিৰে দশৰথ ধর্ম্ম শিৰোমণি উঠি অধিকাৰ প্রমুখো সমুহ বাইজক ভক্তিপূর্ণ নমস্কাৰ কৰি গম্ভীৰ ভাবে আৰম্ভ কৰিলে। সভা নিস্তব্ধ হল। তেওঁ কলে, "এই অশুদ্ধতা বর্জ্জন কথাটো আজিকালিহাটে-বাটে, লৰা-ডেকা সকলোৱে মুখে মুখে ৰবকৈ শুনা যায়। কিন্তু ইয়াৰ প্রকৃত অর্থ কি তাক কোনোরে কোৱা বা ভবাও শুনা নাযায়। তেওঁলোকৰ অশুদ্ধতা বর্জ্জনৰ অর্থ যদি সকলো ডাঙৰ সৰু ভাল বেয়া মাৰি একাকাৰ কৰাই হয় কব নোৱাৰো। কিন্তু অশুদ্ধ অর্থে আমি যি বুজো সেই অশুদ্ধতা আমাৰ ইয়াত নাই। সি আছে মাদ্রাজ প্রদেশৰ ভিতৰত অর্থাৎ ভাটীৰ ফালে জগন্নাথ ক্ষেত্রৰো সিফালে সাগৰৰ পাৰত। অসমত এই অশুশ্রুতা বোলা কথাটো নায়েই বুলিব লাগে। কিয়নো যিবিলাক অশুশ্রু বুলি আমাৰ নব্য সকলে শুশ্রু কৰিব খুজিছে, তেওঁলোক বাস্তবিকে উন্নত শ্রেণীৰ হিন্দুহঁতকৈ কোনো গুণে হীন নহয়। একে আচাৰ একে নীতি একে কথা একে বার্ত্তা। অৱশ্যে ছুৱা মেলা সম্পর্কে তেওঁলোকৰ লগত চলকৰ নাই, কিন্তু একে ঘৰৰ মানুহৰ ভিতৰতো সকলোৱে সমান অধিকাৰ দেখা নাযায়। ৰাজনীত বাজে ঘৰৰ গৃহস্থয়ে দেখোন পাগতো ছুৱ নোৱাৰে, বা কেতিয়াবা ভিতৰ সোমাব নোৱাৰে। মই কণ্ড আমাৰ সক জাতি বিলাকৰ অৱস্থা দিনক দিনে ভালৰ ফালে আহিব লাগিছে, আৰু সময়ত এতিয়াতকৈ আৰু ভাল হব। এই বিষয়ে তেওঁলোকে নিশ্চিন্ত হৈ থাকিব পাৰে। আৰু এটা কথা পাহৰিলে হব কেনেকৈ?—সৌৱা আমাৰ বন্ধু পুলিচ চব ইনস্পেক্টৰ ডেকা বৰুৱাও আছিছে, আমাৰ মাজত শান্তি ৰক্ষাৰ প্রয়োজন হব পাৰে বুলি। আৰু হিন্দু হিচাবে তেৱোঁ আজি আমাৰ সভাৰ এজনসভ্য। তেৱোঁ বোধ হয় এই কথা সমর্থন কৰিব যে, মাক বাপেকে ভালৰ কাৰণে কেনেকৈ নানা উসাহ দি নানা বুদ্ধি উলিয়াই অবোধ বালকক ঔষধ খুৱাই উপকাৰ কৰে, সেই দৰে আমাবো দয়ালু চৰ্কাৰৰ ঘৰে পুশ্রু-অশুশ্রু এইবিলাক কথাৰ অবতাৰণা কৰি এই তেত্রিশ কোটী মানুহক শান্তিত ৰাখিবৰ অর্থে এইবিলাক কৌশল অৱলম্বন কৰিছে।" ইতিমধ্যে পুলিচ চব ইনস্পেক্টৰ শ্রীযুত পদ্ম সিং ডেকা বৰুৱাই মুখেবে একো নকৈ থোক্কৰ তলতে মিচিকিয়া হাঁহি এটি মাৰি মুবটো দুপিয়াই ললে। দশৰথে এই সুযোগে বক্তৃতাৰ বাগিণী টানি অলপ পিছতে বহিল। তেওঁৰ উত্তৰ দিবলৈ ৰবিধৰ উঠিব খুজিছে মাত্র, এনেতে উমেশ, গোলমাল হৈ সভা ভাঙি গল। দশৰথে কিন্তু পুলিচ কর্ম্মচাৰী জনৰ লগ নেৰি—ধীৰে ধীৰে ৰাহিৰৰ ফালে খোজ ললে।

* * * *

ৰবিধৰ বিমর্ষ হৈ বহি আছে। এনেতে উমেশ,

বিনোদ, নবীন আদি আছি তেওঁৰ গা অমুখ বুলি শঙ্কিত হৈ তেনেকৈ থকাৰ কাৰণ সুধিলোঁ। ৰবিধৰে কলে "মনেই ভাল নহয় সেই মেলৰ পৰা। কি আক ৰবিবাহে এইখন সমাজত! মই আক এৰিলোঁ বুলিয়েই ধৰা?" বিনোদে কলে "ক্লৈব্য মাস্ম গমঃ পার্থ, তুমি যদি অমুন্নত শ্রেণীৰ মঙ্গলেই বিচাৰিছা তেন্তে এটা উপায় ব্যর্থ হল হল! আন কত ফালৰ পৰা সিইতৰ উন্নতি কৰিব পাৰা। সিইতৰ মাজত সঙ্ঘ শিক্ষাৰ প্রচলন কৰা, সামাজিক কুপ্রথা দূৰ কৰা, স্বাস্থ্য সম্পর্কে জ্ঞান দিয়া, নতুন আদর্শেৰে অনুপ্রাণিত কৰা। আমাৰ দেশ বুলি তো নহয়, উন্নত দেশ বিলাকতো নোচোৱা কিয়, পুৰণি প্রথা গুচোৱাত কিমান যত্ন লাগে।" উমেশে কলে, "মোৰ মতে হলে এই বিফলতাৰ কাৰণ আমিয়েই। যদি ইংৰাজী শিক্ষা পাই আমি এই বিলাক প্রতিষ্ঠানৰ লগত যোগ ৰাখি জন সাধাৰণৰ লগত থাকিলো হয়, তেন্তে আজি আমাৰ উদ্দেশ্য সিদ্ধ হোৱাত একো বাধা নাছিল। নেদেখিছা দশৰথৰ প্রতিপত্তি! মুখত সমাজৰ লগত মিলি থকা দেখুৱায় ওপে মাহুহে তেওঁৰ কথা কেনেকৈ শুনে! কিন্তু আমি ইংৰাজী শিকি যেন ফিৰিঙ্গী হোৱাৰ ফালেহে ঢাল লৈছোঁ।"

ৰবিধৰে গজগজাই উঠিল, "সেই ভণ্ডটোতকৈ ফিৰিঙ্গী হোৱাও ভাল। ভণ্ডামিটো মোৰ সহ্য নহয়—লাগে স্বৰাজেই নহল।" উমেশে কলে "ধৈর্য্য ধৰা, সেই ভণ্ডামিটো যাতে প্রচাৰ হয় তাকে কৰা। আহা তোমাৰ লগত সেই বিষয়ে পৰামর্শ হওঁ। উজোগ পর্ব্বটো অতি গোপনে হব লাগিব"। সকলো কেইজন চাপি আহিল আক বহুবেলি আলোচনাৰ পিছত ঘৰাঘৰি গুচি গল।

* * * *

কি এটা কাৰণত জানো কাছাৰী বন্ধ। আগপৰতে ৰবিধৰ উমেশ বিনোদ আদি ডেকা উকীল বিলাক আহি দশৰথৰ চৰাত উপস্থিত। তালৰ শব্দ আক ঘোষাতে বুজা গল শিবোমণিয়ে প্রসঙ্গ কৰিছে। এনেই বহি থকাতেই নবীনে মেজৰ পৰা কীর্ত্তনখন আনি পাত লুটিয়াবলৈ ধৰিলে। বিনোদে কলে "দশৰথৰ চৰা আক বলিৰ বাজাই সমান। গতিকে ইয়াত বলিছলন খণ্ডকে পাঠ কৰ হওক"। এই বুলি কীর্ত্তনখন আনি পঢ়িব ধৰিলে—

কোনে হৰি কথা কৰে, কোনে কত নাম লয়ে,
নিতে কৰে ওৱাচিল বাঞ্ছী।
যাহাৰ নোপজে ভাৰ, তাহাৰ জীৱন নাই—
চেঙি দিয়া মাৰে প্রাণ টাঙ্গি॥
কীর্ত্তনত চিত্ত নেদি গ্রাম্য কথা কৰে যদি
তাহাৰ কাণত সুচী ভাঙে।
হৰি ভকতিক এৰি, হাসে উপহাস্য কৰি—
চৰবতে তাৰ গাল ফাঙে॥

আক শুনা;—অবসৰ নাই ৰাতি, প্রতি ঘৰে ঘৰে মাতি, ফুৰে কোটোৱাল হাটে বাটে।
ফাটকে বজাৰে ভেৰী জাগ জাগ নিদা এৰি
ৰবিবোল ৰবিবোল ৰাখেঁ॥

উঃ! কি ভয়ানক। চোৱা হৰিভক্তিৰ প্রভাগৰ ৰাতিও টোপনি মাৰিবৰ উপায় নাই। ধন্য ইংৰাজৰ ৰাজ্য! ধন্য ইংৰাজৰ "non-interference in religion"! আজি কালি যদি এই কলিৰ ভক্তপ্রবৰ সকলক তাকে এবাৰ পঠাবৰ ব্যৱস্থা কৰিব পৰা গল হয়!" ৰবিধৰে কলে "পাতাল অর্থাৎ বনাতলৈ! তোমাবতো সাহ বন নহয়! খাৰ!" সকলোৱে হাহিব ধৰিলে। এনেতে দশৰথ আহিল, কাহ মাৰি কলে "ইঃ! নাপায় শাস্ত্ৰৰ কথা কৈ ঠাট্টা কৰিব।" নবীনে কলে "ঠাট্টা নহয়; হৈছিল আলোচনা, কিন্তু হাঁহি মুঠে কেনেকৈ! সেই খনো মুখৰ বাজানে? বলিৰ উপাখ্যানটো আচলতে এই যে ভেৰীৰ ধর্ম্মৰ অতিমাত্রিকতাত বাজ্য বনাতলে গল, নিজেও বনাতলে গল।" "সেই বিলাক তত্ত্বকথা তোমালোকে উপলুঙা কবাই।" বুলি দশৰথ বহিল। তামোল ধপাত আনিব কলে, চাহ কৰিব দিবনে সুধিলে আক সেই তেওঁলোক অহাৰ কাৰণ সুধিলে। ৰবিধৰে মিচিকিয়াই হাঁহি কলে "তোমাৰ লগত সন্ধি কৰিবনৈ"। দশৰথে কলে "কিহ সন্ধি কিহৰ? আমি নো কি যুদ্ধ কৰিছিলো বন্ধুৰেই মাজত?" বিনোদে কলে "নাই সঁচা, কিন্তু আমাৰ বিষাৰ আক আশা আছিল, সিদিনা তুমি আমাৰ পক্ষে মতা হলে,

সমাৰ উদ্দেশ্য সিদ্ধি কি জানি হল হয় কিন্তু তাকে নকৰা বুলি, আমাৰ প্রতি অজ্ঞায় কৰিছা বুলি, এটা ভাবে আমাৰ মন ঠাই লৈছিল।" শিবোমণিয়ে পৰম বিশ্বস্তভাবে কব ধৰিলে, "থাক তুমিয়ে ভাবি চোৱাচোন কথাটো ঠিক হৈছেনে?" বিনোদে কলে "হোৱা নাই সিদা।" শিবোমণিয়ে কব ধৰিলে "তোমালোকেই তো নানা ব্যক্তিগতভাবে মই কিমান উদাৰ। কিন্তু সমাজত সকলৰ মতত নিজ মতো পৰিবর্ত্তন কৰিব লাগে। সমাজ ধর্ম্ম। যি মতে চলিলে দহজনৰ পক্ষে সুবিধা হয় সেই মতেহে প্রকাশ কৰিছিলোঁ। আক সেই কথা অধিকাংশতো মানুহ মাত্রবে আছে।" ৰবিধৰে কলে "এইটা সেইটো বুজিছোঁ। তেতিয়া মেলৰ গৰমত মস্তিষ্ক সময় নাছিল। যি হক আজি গধুলি আমাৰ তাত নিমন্ত্রণ থাকিল। যাব লাগিব ঠিক নৰবাৰ পাওঁতে। কোৱা যাবানে নোযোৱা?" "নিমন্ত্রণ—বুলি দশৰথে গহীন হৈ ভাবি হোকা টানিব ধৰিলে। উমেশে কলে "কিয় গম্ভীৰ হৈ ৰ'লা কেনে! জাতি যাবৰ ভয় কৰিছা নেকি?" ৰবিধৰে "জাতি যাবৰ ভয় কৰা হলে দেওঘোচ কেৰিনত পাওঁতে। কোৱা যাবানে নোযোৱা?" "নিমন্ত্রণ"

খেলিছে আৰু ডাকলৈ অপেক্ষা কৰিছে। এনেতে ডাক আহিল। ইংৰাজী কাকত বিলাক আনবিলাকক পঢ়িব দি, ৰবিধৰ, উমেশহতে তিনিদিনীয়া অসমীয়াখন মেলি ললে। ৰবিধৰে ডাঙৰ ডাঙৰকৈ পঢ়িব ধৰিলে। সম্পাদকে লেখিছে—"দেশৰ শক্তি সকলো ফালৰ পৰা সঙ্ঘবদ্ধ কৰি সৰ্ব্বসাধাৰণৰ উন্নতিত নিয়োজিত কৰিবলৈ সহায় কৰাই আমাৰ লক্ষ্য। এই কাৰ্য্যত পৰমেশ্বৰৰ কৃপাত সফলতাৰ চিন দেখা পাই আমাৰ আনন্দৰ অংশ বাঢ়িকো জনোৱাত লোভ সামৰিব নোৱাৰিলোঁ। কিমান ফালৰ পৰা যে কিমান সভা সমিতি আদি গঠিত হৈ এই জীবন্ত দেশৰ চেতনাৰ সঞ্চাৰ কৰিছে ভাবিলে বিস্ময় হব লাগে। খাঁজ বস্তুলৈ হিন্দুবিলাকৰ অনৰ্থক বাহ-বিচাৰ ঘৃণা আদি গুচাই হিন্দু মনক প্রাচীনপন্থীয়া কুসংস্কাৰ কিছুমানৰ পৰা মুক্ত কৰি সকলো প্রকাৰে নব্য জগতৰ উপযোগী কৰাৰ মহান উদ্দেশ্য আগত লৈ সম্প্রতি All India Fowl eaters congress (নিখিল ভাৰত কুক্কুটসেৱী মহাসভা) নামে নতুন জাতীয় দল এটাৰ সৃষ্টি হৈছে। যথাস্থানত কার্য্য বিবৰণী প্রকাশ কৰা হৈছে। ঠাইৰ অভাবত সম্পূর্ণ বিবৰণী এই সংখ্যাত প্রকাশ কৰিব নোৱাৰি দুখিত হৈছোঁ। কিন্তু সভাৰ সভ্য সকলৰ প্রতিভা আৰু জনসমাজত প্রতিপত্তিলৈ চাই কব পাৰি ভবিষ্যতে জনহিতকৰ প্রতিষ্ঠান বিলাকৰ মাজত ইও এটা হৈ উঠিব। বহু সভা সমিতিতকৈ এই মহাসভাৰ স্থায়িত্ব আজি কেবা বছৰো Secret Society (গোপন সভা) হিচাবে প্রমাণিত হৈ আহিছে, আৰু এতিয়া যথেষ্ট শক্তি সঞ্চয় হোৱাত কংগ্রেছ ৰূপে আত্মপ্রকাশ কৰিছে। এটা কথা কোৱা উচিত। Secret Society বোলাৰ পৰা যেন আমাৰ অশেষ কার্য্যতৎপৰ, পুলিছৰ কর্ত্তা সকলে চক নাথায়। বঙ্গাদেশৰ গুপ্ত সমিতিৰ দৰে ইয়াত বোমা পিস্তল আদি অস্ত্ৰৰ ব্যৱহাৰ নাই। কিন্তু এই সভাই বোমা পিস্তলৰ সমকক্ষ পিয়াজ, নহক, গৰম মছলা আদি মহা বিস্ফোৰকৰ সাহায্যেৰে খুটি পুতা মতৰ অক্ষয় বটৰ গুৰিত আৰু তাৰ বক্ষক বন্ধক non-violently অর্থাৎ অহিংসভাবে আক্রমণ কৰে মাত্ৰ।"

All India Fowl eaters Congress অৰ ন
শুনি সকলোৱে অসমীয়া খননৈ ঢাল ললে। দ
সন্দিগ্ধভাবে মাত বোল এবি চাই বল। ৰবিধৰে লিখি
পিঠিত প্রকাশ হোৱা কার্য্য বিবৰণী খন পঢ়িব ধৰি
"মোৱা ১লা এপ্রিলৰ দিনা ৰাতি ৯ বজাত ৰংপু
নগৰত মহা সমাৰোহে All India fowl eater
congress অৰ ভোজ সভাৰ এক অধিবেশন হৈ গ
এই সভাৰ প্রধান বিশেষত্ব আছিল অসৰ ৰিয়া
নিষ্ঠাবান সনাতনী, শিৰোমণি ডাঙৰীয়াৰ যোগদান আ
সভাপতিৰ আসন গ্রহণ। তেওঁৰ বক্তৃতা প্রাণ
অপচ সাৰগর্ভ আছিল। তাক সোনকালে কাগজ
খৰচত ছপাই বিনামূল্যে প্রচাৰ কৰা হব। সে
তেথেতে এদিনৰ ভোজ সভাত সম্পূর্ণ খৰচ বহন কৰি
ইচ্ছা প্রকাশ কৰাত সভাত তেওঁৰ নামে তিনবাৰ জয়
দিয়া হয়। সর্ব্বসম্মতিক্রমে তলত লিখা প্রস্তাব বি
গৃহীত হয়।

১। প্রস্তাৱক শ্রীযুত ভকত ৰাম চৌধুৰী মহ
B. A. LL.B. সমর্থক শ্রীযুত প্রাণকৃষ্ণ দাস (মাৰ্চে
এই সভাৰ নাম All Indla Fowl eaters associ
tion ওচাই All India fowl eaters congress
হওক। নিয়ম প্রণালী পূর্ব্বৰ দৰে থাওক।

২। প্রস্তাৱক শ্রীযুত নৰেশ্বৰ তালুকদাৰ M.Sc. B
সমর্থক শ্রীযুত নিৰঞ্জন শর্ম্মা মুক্তিয়াৰ। ৪র্থ য
৮ম সংখ্যা 'আৱাহন'ত এজন বিজ্ঞ অসমীয়া লেখকে
মেধ যজ্ঞ নামে গল্প লিখি, অতি অজায় আৰু হিংসাপু
ভাৱে গল্পৰ সামৰণি মাৰি এই মহাসভাৰ প্রত্যেক
অর্দ্ধসভ্য আৰু 'অসভ্য' সকলোৰে মনত আঘাত দি
এই বাবে উক্ত লিখকক, 'আৱাহনৰ' সম্পাদক, মুদ্রাকৰ
প্রকাশকৰ ওপৰত মোকর্দ্দমা চলাবলৈ উকীল সভা
এখন পৰামর্শ সভা গঠিত হক। আৰু মোকর্দ্দমাৰ খ
আদিৰ বাবে মার্চ্চেণ্ট সভ্যোৱে এখন ধনতোলা ক
গঠিত হক।

৩। প্রস্তাৱক শ্রীযুত চন্দ্রকুমাৰ ভূঞা M. A. B.
সমর্থক শ্রীযুত ৰবিনাথ ৰবৰুৱা।

এই মহা সভাৰ প্রত্যেক মেম্বাৰকে, এই সভাৰ
নামেৰে M. A. I. F. E. C. অর্থাৎ Member of the
All India Fowl Eaters Congress উপাধি লিখিবলৈ
অধিকাৰ দিয়া হওক, আৰু তাক চকাৰৰ ফালৰ পৰাও
এখন ৰবিবলৈ ভাৰত গভর্ণমেণ্টক টানি ধৰিবলৈ
Congress পক্ষৰ পৰা Assembly লৈ পঠোৱা সভাক
ভাৰ দিয়া হওক।

৪। প্রস্তাৱক স্বয়ং সভাপতি শিৰোমণি ডাঙৰীয়া

সমর্থক—শ্রীযুত ৰামচন্দ্র মেধি B. L. ex. M. L. C.
"হিন্দু মাত্রৰ পৰম তীর্থ শ্রীশ্রী কামাখ্যাধামত কুকুৰা
বলি ঘাট আৰু পি, এম বাগচীৰ ডাইৰেক্টৰী পঞ্জিকাৰ
কুক্কুটী তত্ত্ব অস্তিত্বই প্রমাণ কৰে যে পূর্ব্বে কুকুৰা সাধাৰণ
খাদ্য বাহিৰেও হিন্দু দেৱদেৱীৰ আগত বলিৰূপে নিবেদিত
হৈছিল, এই সভাৰ পক্ষৰ পৰা ইয়াৰ প্রকৃত তথ্য
অনুসন্ধান আৰু আবিষ্কাৰ কৰি উক্ত পক্ষীৰ ব্যৱহাৰৰ
নিষিদ্ধতা ওচোৰাত সহায় কৰিবলৈ, ওৱাহাটীৰ A. I. F.
E. A শাখা সভাৰ সভাপতি বৈজ্ঞানিক আৰু পুৰাতত্ত্ববিদ
শ্রীযুত ৰবণ চন্দ্র দাস M. Sc ডাঙৰীয়াক অনুৰোধ কৰা
হওক।

৫। প্রস্তাৱক শ্রীযুত নন্দৰাম তহবিলদাৰ ইঞ্জিনীয়াৰ
সমর্থক শ্রীযুত গোপাল চন্দ্র সুত্রধাৰ।

A. I. F. E. C. মহাসভাৰ কোনো সভাৰ congress
সম্পর্কীয় কার্য্যত জ্ঞানকৃত অপৰাধৰ বাবে, গুৰুত্ব অনুসৰি
দুহুৰ সংখ্যাৰ পৰিবর্ত্তে কুকুৰাৰ সংখ্যাৰ দ্বাৰা প্রায়শ্চিত্ত
ৰূপত কৰাৰ ব্যৱস্থা হওক। আৰু এই পদ্ধতিৰে Congress
বিধান কৰাৰ ব্যৱস্থা হওক।

৬। প্রস্তাৱক শ্রীযুত মণিকান্ত দাস
সমর্থক শ্রীযুত ইন্দুমাধৱ নাথ।

যুৱক সমিতিৰ তত্ত্বাবধানত হোৱা শ্রীশ্রীশঙ্কৰ দেৱৰ স্মৃতি সভাত A. I. F. E. C জেনেৰেল চেক্রেটৰী শ্রীযুত গৌৰীকান্ত চৌধুৰী B.L. ডাঙৰীয়াক সভাপতি নির্ব্বাচন কৰি এই কংগ্রেছৰ প্রতি সহানুভূতি আৰু অস্তিত্ব প্রকাশ কৰা বাবে আজিৰ সভাই উক্ত যুৱক সমিতিৰ সভ্য সকলক অভিনন্দিত কৰে।

পঢ়াৰ লগে লগে চাইব্রেৰীৰ আন সকলো সভ্যই বহুত অসুভব কৰি ৰবিধৰক আগুৰি ধৰিলে। দশৰথ আৰু বহা ঠাইৰ পৰা নৰিব নোৱাৰিলে—এনে কৌশলেৰে তেওঁক আগুৰি ধৰা ছৈছিল। নাম নলওওঁ এই শিৰোমণি ডাঙৰীয়া যে কোন আৰু তেওঁক অপ্রস্তুত কৰিবলৈ যে ৰবিধৰহঁতে কাকতৰ লগত বড়ফন্দ কৰি, এইবোৰ লেখা উলিয়াইছে তাক বুজিবলৈ কাৰো বাকী নাথাকিল। সিদিনাৰ নিমন্ত্রণৰ ভিতৰত যে এই বিলাক অভিসন্ধি আছিল কোনে জানে! খোৱাৰ পৰতো ধেমালিৰ ছলতে প্রস্তাবত লিখা বাজে কথাবোৰ ওলাইছিল হয় কিন্তু সেয়ে যে এনেকৈ সাজি কাচি ওলাব তাক তো তেওঁ ভাবাই নাছিল। খঙে লাজে অপমানে তেওঁ বৰণ সলাব ধৰিলে, অথচ উঠি গলেও জানোবা ধৰাত পৰে! সকলো বিলাক টাকা টিপ্পনী সহ কৰি তেওঁ মাচিয়া খনত বহি এখন আইনৰ কিতাপ মেলি চাই ৰ'ল।

* * * *

ৰবিধৰহঁতৰ যত্নত সেই সংখ্যা কাকতৰ বিপুল প্রচাৰ হল। বুঢ়া বিলাকে কব ধৰিলে—"ৰাম! ৰাম! ইংৰাজী পঢ়াহতত বিশ্বাস নাই!" শেষত এই প্রচাৰ কার্য্যৰ ফলতেই, নে বহুদিনীয়া সঞ্চিতত পিস্তৰ বিকাৰৰ বাবেই, কুজা পৰা কলিমন বুঢ়া মেনুৰীয়ে কেতিয়াবা মুৰ ডাঙি চাই কাণেদি শিৰোমণি উকীল যোৰা দেখিলে ৰামকৃষ্ণ বাণী উচ্চাৰণ কৰি গুঃ! গুঃ! কৰা হল।

জার্ম্মেণী আৰু সীমা সমস্যা

—শ্রীযুত গণেশ ফুকন বি-এ

মহা সমৰত জার্ম্মেণীৰ পৰাজয় হল, মিত্ৰ শক্তিয়ে সন্ধিৰ সৰ্ত্ত প্ৰস্তুত কৰিলে, জার্ম্মেণীৰ ইচ্ছাৰ বিৰুদ্ধেও ভাৰ্ছাইল সন্ধিত চহী কৰিবলৈ জার্ম্মেণীক বাধ্য কৰিলে। সেই সন্ধিয়ে জার্ম্মেণীক সকলো বিষয়তে ধ্বংস কৰিলে।

হছ ব্ৰাহেন ফিল্ডত বিতোপন পাহাৰৰ মাজত চেলেভাৰ হিটলাৰৰ থকা ঘৰ। ঘৰটি তেনেই আকৰ্ষণহীন।

যোৱা সংখ্যা 'আৱাহন' ত প্ৰকাশিত "জার্ম্মেণীৰ পুৰ্ণজন্ম" নামেৰে প্ৰৱন্ধত এই বিষয়ে কিছু আভাস দিয়া হৈছে। এই সন্ধিয়ে জার্ম্মেণ ৰাজ্যৰ সীমা কেনেকৈ পৰিবৰ্ত্তন কৰিলে এই সংখ্যাত মাত্ৰ সেই বিষয়েহে আলোচনা কৰা হব।

ৰাজনৈতিক ইতিহাসৰ প্ৰত্যেক পৃষ্ঠা তেজেৰে লিখা। ইতিহাসৰ অবিৰাম সোঁতত এটি ঢউ উঠিছে আৰু নামিছে সি হৈছে যুদ্ধ। ঐতিহাসিক সকলৰ মতে মানুহ জাতিৰ বাল্য কালত সীমা সমস্যা নাছিল। অতীতৰ বৰ্ব্বৰ জাতি বা খেল বিলাক এঠাইতে থিতাপি দি খেতি-বাতি থাই থকা বিধৰ মানুহ নাছিল। বনৰ জন্তু আৰু ফল মূল থাই চিৰকাল অনাই বনাই ঘুৰিছিল। সভ্যতাৰ সোঁতত ভাঁহি আহি যি দিনাই মানুহে এঠাইত থিতাপি দি বহিলহি, সেই দিনাৰ পৰাই সীমা সমস্যা আৰম্ভ হল। প্ৰচুৰ খাদ্য জন্তু থকা হাবি আৰু সৰু পথাৰৰ কাৰণে বিভিন্ন দলৰ অসভ্য জাতি বিভিন্ন

ভূতপূৰ্ব্ব কেইজাৰ আৰু তেখেতৰ পত্নী। ৭৫ তম বছৰত জন্মদিন উৎসৰব দিনা লোৱা এটি ছবি

কাজিয়া কৰিছিল। মধ্য যুগত বৃহত্তৰ ৰাজ্যৰ আশাত ৰজা সকলে কাজিয়া কৰিছিল মাত্ৰ সাম্ৰাজ্য বিস্তাৰৰ

কাৰণে। আজি কালি জাতি সমূহে কাজিয়া কৰে বন্দৰ-বেলাৰৰ ঠাই আৰু সাময়িক সুবিধা থকা ঠাই

জার্মানীৰ লৰা ছোৱালী ৰাবেও জাকে জাকে গৈ হিটলাৰ চেলেভাৰ হোৱা উপলক্ষে সম্বৰ্ধনা জনাইছে।

অধিকাৰ কৰিবলৈ। এই বিষয়ত বৰ্ব্বৰতা আৰু বৰ্ত্তমান সভ্যতাৰ মাজত পাৰ্থক্য ইমানেই।

ভিটি প্ৰেৰণাৰৰ মূৰি তম্ভ নিৰ্ম্মাণৰ ভাউণ্ডেশ্যন ষ্টোন স্থাপন কৰিবৰ সময়ত হিটলাৰ তন পেণেন আৰু আন আন নেতা সকল।

সীমা সমস্যাৰ ক্ৰমবিকাশ যুৰোপৰ ভৌগোলিক ইতিহাসতে সুন্দৰ ৰূপে দেখা যায়। ১৮ শ শতিকাৰ অন্তলৈকে যুৰোপৰ ৰাজনৈতিক মূল মন্ত্ৰ আছিল 'আক মাৰি তাক থাঁও' বা 'যাৰে বল তাৰে চল'। যি ৰজাৰ যিমান বল সি সিমানেই সাম্ৰাজ্য বিস্তাৰ কৰিছিল। সেই সময়ত

আগৰ চেলেভাৰ তনপেণেন আৰু ডাঃ ষ্ট্ৰিচাৰ আৰি কেণৰাকী মান নেতাই ষ্টেনহেলম পেলেছত চিভিলিয়ান সাজত অহা দৃশ্য।

জাতীয়তা বাদৰ পুৰ্ণ বিকাশ হোৱা নাছিল। নেপলিয়নে যুৰোপ ওলট পালট কৰাৰ লগে লগে জাতীয়তা ভাবৰ পুলিটি সবল হৈ উঠে। কিন্তু নেপলিয়নৰ পৰাজয়ৰ পাছত যুৰোপ খন পুনৰ ভাগ বাটোতে যুক্ত শক্তি সমূহে এই ভাবলৈ সমুলি পিঠি দিলে, আৰু বংশগত দাবীকে মূলনীতি কৰি যুৰোপ ভগালে। কিন্তু এই জাগ্ৰত শক্তিক কোনেও দমাই ৰাখিব নোৱাৰিলে। বিলনীয়াৰ এই দোষ মহা সমৰৰ এটা প্ৰধান কাৰণ। অষ্ট্ৰীয়া হঙ্গেৰীৰ নিচিনা ৫।৬টা জাতি একে লগে বান্ধি থকা ৰাজ্য এই শক্তিৰ আগত তিকিব নোৱাৰিলে।

মহা সমৰৰ পিছত যুৰোপ খন পুনৰ ভাগ বাটিব লগা হল। বিজয়ী বিলনীয়া সকলে মুখেৰে প্ৰচাৰ কৰিলে জাতীয় ৰাজ্য স্থাপন কৰাই এই বাৰ মূলনীতি হব। যদি নিৰপেক্ষ আৰু অকপট ভাবে তাকে কৰা হলহেঁতেন

তেন্তে জগতত আজি সীমা সমস্যা ইমান কঠিন নহল হেঁতেন। কিন্তু প্রচাবিত নীতি কার্য্যত পবিণত কবিব



ফ্রুহিয়াব প্রধান মন্ত্রী জেনাবেল বোৱেবিডে ফ্রুহিয়ান ষ্টেট কাউন্সিলব প্রথম অধিবেশন উদ্বোধন কবিবলৈ পোষ্টডামব নিউ পেলেচ সোমাবলৈ মার্চ্চ কবি যেছে। নাজী মতব এইটোবেই প্রথম ষ্টেট কাউন্সিল।

পবা নহল চটা কাৰণে, প্রথমতঃ অনেক সময়ত ই অসম্ভব।

যদি এককোটী 'ক' জাতীয় মানুহব মাজত ২৫ হেজাব 'খ' জাতীয় মানুহ থাকে আৰু যদি বাকী ১কোটী 'খ' জাতীয় মানুহ বহুত দুবত থাকে তেনে প্রথম 'খ' বিলাকক কি কবা হব? দুয়ো ভাগ 'খ' ক লগ লগোৱা অসম্ভব। গতিকে কার্য্য ক্ষেত্রত প্রথম 'খ' বিলাক 'ক' বিলাকব তলতীয়া হৈ থাকিবলৈ বাধ্য হব লগাত পবে। য়ুবোপব অনেক ঠাইতে এয়ে হল। দ্বিতীয়তঃ বিজয়ী জাতি সমূহে অকল জাতীয় বাজ্য স্থাপন কবিয়েই সন্তুষ্ট থাকিব খুযুজিলে। জার্ম্মেণীক চিব কাললৈ দুর্ব্বল কবি বখা তেওঁলোকব উদ্দেশ্য আছিল, তেওঁলোকে শপঠ কবিলে ভাগ কবা হব যে জার্ম্মেণীব ভাগব পবা যিমান বে পবা যায় সিমান নিব লাগিব, সিমান কম পবা যা জার্ম্মেণীক সিমান কম দিব লাগিব আৰু জার্ম্মেণী চিব কাল চাবিউ ফালব পবা বেড়ি থাকিবলৈ শত্রু বাজ্য স্থাপন কবিব লাগিব। ঠিক সেই দবেই কাম হ জার্ম্মেণীয়ে নিজব সকলো উপনিবেশ হেকৰালে। বুহ জার্ম্মেণ সাম্রাজ্যব অস্তিত্ব মাত্র বল—সিও শত্রু পবিবেষ্টিত, কিজানি ভবিষ্যতে জার্ম্মেণীয়ে সন্ধিব চুক্তি ভঙ্গ কবে আৰু পবাক্রমেবে লুপ্ত বাজ্য উদ্ধাব কবে তা দিহা কবা হল। বিশ্বজাতি সঙ্ঘই (League of nations) ঠিক কবিলে—ভবিষ্যতে কোনো শক্তিয়ে পবাক্রম্যা বিবাদ মীমাংসা কবিব নোৱাবিব, সকলো বিবাদ মিয়া লাগিব বন্ধু ভাবে আলোচনা কবি, সন্ধিব সর্ত্ত পবিবর্ত্ত কবিব পাবিব মাত্র বন্ধু ভাবেছে—যদি কোনোৱে বল প্রয়োগ কবে সকলো জাতি সম্মিলীত হৈ সেই বল ধ্বংস কবিব।

সন্ধিব ফলত য়ুবোপব মান চিত্রব কিমান দূব পবিবর্ত্ত হল তাক সবিশেষ আলোচনা কবা আমাব উদ্দেশ্য নহ আমাব আলোচ্য বিষয় জার্ম্মেণীয়ে কিমান হেকৰালে, আ কিমান ঘুবাই পাবলৈ ইচ্ছা কবে। সন্ধিব ফলত য়ুবো জার্ম্মেণীয়ে এই অংশ কেইটা হেকৰালেঃ—

বালিন নগবত ইলহেলমাবত সকলব পেবেড কবা এটি দৃশ্য। প্রায় ১৪০,০০০ সৈন্য ইলহেলম পেবেডত গোট খাইছিল।

(১) আল্‌ছাছ লবেইন ফ্রান্সে ললে, (২) চিব কালল নহলেও কিছু দিনলৈ ছা'আব হেকৰালে, (৩) বহেমিয়া

জার্ম্মাণ বিলাকক পবৰাস্ত্রীণীন কবিলে,(৪)"পলিছ কবিডব" গুৱেও ললে আৰু ডান্‌জিগ্‌ব বাজত্ব হেকৰালে (৫) মেছ

ইংলেণ্ড ডেলনষ্টেশনত এয়ব-ক্রাউন প্রিন্স, প্রিন্স ফ্রিডাবিক, প্রিন্সেচ ফ্রডাব আৰু প্রিন্স ওচকাব (বাওঁ ফালবপবা সো ফাললৈ)

ডিছব দক্ষিণ ভাগ ডেনমার্কব লগলৈ যাবলৈ ইচ্ছা কবিলে। জার্ম্মেণীয়ে ইয়াত কোনো আপত্তি নকবে। (৬) য়ুলেণ আৰু মাল্‌মেডিব প্রজা সকলে ইচ্ছা কবি বেলজিয়মব লগলৈ গলত জার্ম্মেণীব আপত্তি কবিবব কাবণ নাথাকিল। (৭) টাইবল ইটালীয়ে ললে। টাইবলত ৩॥ লাখবো বেছি লোক আছে। যদিও যুদ্ধব আগতে টাইবল অষ্ট্রীয়াব

ইংলেণ্ড পেবেডত এডমাইটম প্রিন্স উইলহেলম আৰু আন নেনাপতি কেজনমান। সকলোবে নাজী বেজ পিন্ধিছে।

অধীনত আছিল, তথাপি এই জার্ম্মাণ বিলাকে আপত্তি কবিছিল, কাবণ অষ্ট্রীয়াব মানুহবোবো জার্ম্মাণ। কিন্তু ইটালীব অধীন হোৱাত ইহঁতব বব আপত্তি। তথাপি

জার্ম্মেণীয়ে আপত্তি কবা নাই, ইটালীব লগত মিত্রতা বখাই ইয়াব মূল কাবণ।

বিবষুবা সমস্যা সমাধান কবিবলৈ চেকোশ্লোভ হিটলাবে গবৰ্ণমেণ্টব থবতৰ এটি সীমলীয়া আলি বাস্তিবব প্রস্তাব কবি তাব বাবে কোবাল গোটাই বাখিছে।

আলছাছ-লবেইন্‌—আগেয়ে আলছাছ লবেইন্‌ ফ্রান্সব অধীনত আছিল যদিও তাব অধিবাসী বিলাক জার্ম্মাণ। বিছমার্কে এই ঠাই ডোখব জয় কবিছিল আৰু

নিবষুবা সমস্যা সমাধান সহায় কাববলৈ সকলো জার্ম্মানক বৰিবাবে থবচব আধা বচাবলৈ উপবেশ দিয়া অনুসাবে হিটলাবে নিজেও তেওব দুপাবব খোৱাত আধা কমাই লৈছে।

১৮৬৯ চনব পবা জার্ম্মেণীব অধীনত আছিল, ভাছ্‌ইল সন্ধি মতে ইয়াক ফ্রান্সে ললে। লকার্ণ পেক্ট'ত যদিও

জার্ম্মেণীয়ে এই ঠাইব দাবী প্রত্যাহাব কবিছিল, তথাপি তেনে কবাব ছটা কাবণ আছিল। প্রথম তাকে নকবি উপায় নাছিল। দ্বিতীয়, ইয়াব ফলত ফ্রান্সে জার্ম্মেণীক অলপ সহানুভূতি দেখাব বুলি ভবা হৈছিল। কিন্তু ফলত



ইংলণ্ড সকলব বিৰুদ্ধে আন্দোলন চলাবলৈ—সেই আন্দোলনব নেতা ডাঃ গোৱেবেলে এটি সভাত বক্তৃতা দিয়া দৃশ্য

বিপবীত হল। জার্ম্মেণী আশাত নিবাশা হল আৰু বুকব সন্তানক ত্যাগ কবিব লগা হল। জার্ম্মেণীয়ে এই শেল পাহবিব নোৱাবে।

বহেমিয়ান জার্ম্মাণ সমস্যা—সৰ্ত্তিব কীৰ্ত্তি

কলাপব ভিতবত ইও এটা। ৩০ লাখ জার্ম্মাণক জেকশ্লো-

জার্ম্মেণীব খেতিয়কব ত্রিবোতা সকলে মিলি পতা এটি শত্রু তুলিবব সমস্ত পতা উৎসব।

ভাকীয়া বাজ্যব অন্তর্ভুক্ত কবা হল। সিহঁতব প্রবল জাতীয় ভাবলৈ বৰ্ণণাত কবা নহল। অতি সহজে এই জার্ম্মাণ বিলাকব জার্ম্মেণীব অন্তর্ভুক্ত কবিব পবা হৈছেতেন। জার্ম্মেণীক লুত কবাই এনে কার্য্যব উদ্দেশ্য জার্ম্মেণীয়ে ইয়াব প্রতিকাব বিচাবে

ছা' আৰ সমস্যা—যুদ্ধত হোৱা ক্ষতি

কবিবলৈ ফ্রান্সক কয়লা আৰু লো লগা হল তাবোপবি ফ্রান্সে ভিতবি ২ চাব লগা হল জার্ম্মেণীয়ে সহজে লো আৰু কয়লা নাপায়। এই ফৰ্ম্মুটিতে ছটা চবাই মাবিবব উপায় ওলাল। ছা' থন আছিল জার্ম্মেণীব, তাত প্রচুব পবিমাণে লো আ কয়লাব খনি আছে। যদি ফ্রান্সে ছা আৰ খন লয় যেয়ে ফ্রান্সে লো আৰু কয়লা সহজে পাব আৰু জার্ম্মেণী নাপায়, তাকে কবা হল। ১৫ বছবলৈ ১৯১৯ ব



এখন জার্ম্মাণ যুদ্ধজাহাজত নাজী আদর্শ সূচক 'স্বস্তিকা' চিন।

১৯৩৪লৈকে এই খনিবিলাক ফ্রান্সে ললে, যাতে তি কাললৈকে লব পাবি তাব চেষ্টা কবিবলৈকো সুবি কবি ললে। ফ্রান্সে জাতি সজাক বুজাই দিলে যেন ছা আৰ খন জার্ম্মেণীব হাতত থাকে তেনে ফ্রান্সে বি বিলাক নির্ব্বিঘ্নে ব্যৱহাব কবিব নোৱাবে। এছি ১৫ বছবলৈকে অন্তর্জাতিক সজাই ছাআৰ শাসন ক লাগে। সেয়ে বন্ধবস্ত হল। ১৯৩৫ চনব জানুয়া মাহত ছা আৰ বাসী সকলক সোধা হব তেওঁলোকে বিচাবে—জার্ম্মেণীব লগত মিলন হবলৈ নে, ফ্রা লগত মিলন নে, জাতি সজাব শাসন। ভোট দি

লোকে মত প্রকাশ কবিব লাগিব। যাতে বেছি ভাগেই ফ্রান্সব লগত মিলন হবলৈ ভোট দিয়ে তাব অর্থে ফ্রান্সে যংবোনান্তি চেষ্টা কবিছে। অধিবাসী বিলাক জার্ম্মাণ থাকে যদিহে জার্ম্মেণীব পক্ষে ভোট দিব, সিহঁতক খেদি

এটি জার্ম্মাণীব বেয়োখাত ববিবাবে 'হাঙ্ক-মার্ক ডিচ' পুবা দামত বেচি হাজব আৰ নিঃস্বা সমস্যা সমাধান কাণ্ডত দান কবিবলৈ যৈছে।

বি আথতে সবহ ভাগ অধিবাসী ফ্রেন্স কবা মাব তেনে, এই ১৫ বছব ছা' আৰ খন ফ্রেন্স মানুহেবে ভবাবলৈ ফ্রান্সে চেষ্টাব অলপো ত্রুটী কবা নাই। জাকে জাকে ইণ্ডাণী আনি অসম উপত্যকাত বহুৱাও এই শ্রেণীবে ৰ্য্য।

"পলিছ্ কবি ডব" আৰু ডেন্‌জিগ্ঃ—বৰ্ত্তমান ুবোপব সীমা সমস্যাব ভিতবত ই আটাইতকৈ কঠিন আৰু বিপদপূর্ণ। "পলিছ্ কবিডব" মানে কি? ১৭৭২ খৃঃ ব আগলৈকে গ্রুছিয়া বাজ্যখন দু ভোখবীয়া আছিল, পশ্চিম ভাগব ভোখব জার্ম্মেণীব অন্তর্গত আৰু পুব ফালব আগব ভাগ আৰু এডিয়াব ভিচুনীয়া আৰু পলেণ্ড বাজ্যব উত্তব পুবসীমাত আছিল, দুয়ো ভোখবব মাজতে দুয়ো ভোখব বিচ্ছিন্ন কবি আছিল পলেণ্ডব এক অংশ। ১৭৭২ খৃঃত গ্রুছীয়াব বজা ফ্রেডাবিক গ্রেটে পলেণ্ডব এই অংশ ভোখব অধিকাব কবি গ্রুছীয়া বাজ্যব চুয়ো খণ্ড একে লগ কবে। ইতিয়াব পবা এই অংশ গ্রুছীয়াব অন্তর্গত হল আৰু ইতিয়া গ্রুছীয়া ক্রমে জার্ম্মেণ সাম্রাজ্যত পবিণত হল, গ্রুছীয়াও এই অংশ জার্ম্মেণীব ভিতবতে বল, ভাছিইল দ্বিতীয়ত এই অংশ পলেণ্ডে খুবাই পালে। ফলত জার্ম্মেণ

সাম্রাজ্য পুনব দু খণ্ডীয়া হল, পশ্চিম হাতে জার্ম্মেণী বল আৰু পুব হাতে পুব প্রুছীয়া বল, মাজব ভোখব হল পলেণ্ড বাজ্যব এক অংশ। দুয়ো খণ্ডব ভিতবত বাট হল এই অংশব মাজ, গতিকে এই অংশ ভোখবক সাধাবণতে 'কবিডব' বোলে। এই অংশকে জার্ম্মেণীয়েও দাবী কবে, পলেণ্ডেও নেনে, অলোচনা কবি দেখা যাওক কাব দাবী কিমান দূব ন্যায় সঙ্গত।

পলেণ্ড কয়ঃ—১৪৬৬ খৃঃ ব পবা ১৭৭২ খৃঃ লৈকে এই অংশ পলেণ্ডব আছিল, ১৭৭১ খৃঃ ত জার্ম্মেণীয়ে বলেবে এই অংশ দখল কবিছিল আৰু ইয়াত জার্ম্মেণ মানুহেবে ভবাবলৈ চেষ্টা কবিছিল, পলেণ্ড নিজব ন্যায্য দাবী এবি দিয়া নাছিল, এতিয়া এই অংশ খুবাই পাই পলেণ্ডে এবি নিদিয়ে। এই অংশত অনেক অর্থ ব্যয় আৰু কষ্ট কবি পলেণ্ডে গিড্‌নিয়া এটা বন্দব কবি তুলিছে, পলেণ্ডব বেহা বেপাবব শত কবা ৭০ ভাগ সাগবেদি হয়, সাগবলৈ বাট মাত্র গিড্‌নিয়া বাধি বাকী ভোখব এবি দিয়া অসম্ভব। তেনে কবিলে জার্ম্মেণীয়ে ডেন জিগব ওচবত ভিচুলেল নদীব ওপবেদি বাট বন্ধ কবি দি পলেণ্ডব সাগবলৈ বাট নোহোৱা কবিব পাবে।

হাবভেষ্টে ফেষ্টভেলব আন এটি দৃশ্য

জার্ম্মেণীয়ে কয়ঃ—এই অংশ ১৭৭১ খৃঃব পবা ১৯১৯ চনলৈকে জার্ম্মেণীব আছিল, জার্ম্মেণীয়ে এই কালত অনেক অর্থ ব্যয় কবি ইয়াব উন্নতি কবিলে। এই অংশ পলেণ্ডে লোৱাত জার্ম্মেণী পুনব দখলীয়া হল, এই অংশব ওপবেদি

যদিও এটা বাট আছে, তথাপি নানা বাধা বিঘিনির কারণে পুব প্রাচীয়ার বহুত ক্ষতি হৈছে। ভিচ্চুলেল নদীৰ পুব পাৰে দীঘলীয়াকৈ বহুত ঠাই পলেণ্ডে ললে। গতিকে পুব প্রাচীয়াৰ মানুহে নৈলে মাত্র এটা বাট পায়— সিও বহুত বাধা বিঘিনিৰ মুবতহে, এই অংশত যদি পলিচ অধিবাসী বেছি, সি পলেণ্ডৰ ইচ্ছাকৃতহে, আজি অ'ত দিনে এই অংশ পলিচ্ মানুহেবে ভবাবলৈ পলেণ্ডে খুব চেষ্টা কবিছে, ডেন্‌জিগ্ থাকোতে গিড্‌নিয়া বন্দৰৰ কোনো আৱশ্যক নাছিল। এই অংশ বাধিবলৈ এটা চেলু উলিয়াবলৈ আৰু ডেনজিগৰ পৰা বেহা-বেপাৰ আঁতবাবলৈ হে মাথো গিড্‌নিয়াৰ সৃষ্টি। পলেণ্ডক এই অংশ দিবৰ কাৰণেই ডেন্‌জিগ নগৰ জার্ম্মেণীৰ পৰা কাঢ়ি নি জাতি সঙ্ঘই মনোনীত কৰা এজন বিষয়াৰ শাসনাধীনত ৰখা হৈছে। সি নগৰত শতকৰা ৯৫ জন মানুহ জার্ম্মাণ সেই নগৰ জার্ম্মেণীৰ পৰা কাঢ়ি নিয়া অতি অন্যায়।

ওপৰত দিয়া বিবৰণৰ পৰা দেখা যায় যে ভার্ছাইল সন্ধিয়ে জার্ম্মেণীক খুব অন্যায় কৰিলে আৰু এই সন্ধিৰ সর্ত্ত বোৰ পৰিবর্ত্তন কৰা উচিত। সন্ধিৰ আৱশুৰ পৰাই

হাবজেষ্ট ফেষ্ট ডেলত বং-বেবঙৰ সাজত আন দেশবাসীমান মহিলা।

জার্ম্মেণীয়ে এই অন্যায় অনুভব কবি আছিছে। কিন্তু নিৰুপায়, সন্ধি অমান্য কবিবলৈ জার্ম্মেণীৰ নাই বল, নাই অর্থ, নাই অস্ত্র, নাই সৈন্য, গতিকে জার্ম্মেণীৰ একমাত্র আশা আছিল আন্তর্জাতিক সঙ্ঘৰ ওপৰত। এই আশাৰে সঙ্ঘৰ সভ্য হবলৈ ১৯২২ চনত জার্ম্মেণীয়ে দৰখাস্ত কবিছিল।

গৱৰ্ণমেণ্টে দিয়া কোলাল লৈ নিবন্ধুৱা ৰোৱে আলি বান্ধিবলৈ ওলাইছে।

সি না মঞ্জুৰ হল, পুণৰ ১৯২৬ চনত দথাস্ত গবিল, এইবা জার্ম্মেণীক সঙ্ঘ ভুক্ত কৰা হল, কিন্তু সঙ্ঘই কোনো সহায় কৰাৰ ইচ্ছা নেদেখুৱালে, জার্ম্মেণী আৰু অন্য ভুক্তভোগী দেশ বিলাকৰ পুনঃ পুনঃ প্রতিবাদৰ ফলত এ সঙ্ঘই সন্ধি পৰিবর্ত্তন কৰিবলৈ, একো চেষ্টা নকৰিলে। কৰিবও নোৱাৰে, সঙ্ঘৰ নিয়ম মতে ফ্রান্সকে আদি কৰি এটা মহা শক্তিৰ কোনো এটাই যদি কোৱে প্রস্তাৱৰ বিপক্ষী হয়, তেন্তে সেই প্রস্তাৱ গৃহীত নহয়, সন্ধিৰ পৰিবর্ত্তনৰ প্রস্তাবত ফ্রান্স অমত হোৱাটো ঠিকেই। সন্ধিয়ে ফ্রান্সক পশ্চিম যুৱোপৰ প্রাধান্য প্রদান কৰিলে। ফ্রান্সে তাক এবি দিবিলে। তাৰ পৰি অনেক বিষয়ত জাতি সঙ্ঘই জার্ম্মেণীৰ হিত চিন্তা নকৰে, ছা' আৰক্ত ফ্রেঞ্চৰ আৰু 'কবিডৰত' পৰিষদৰ সংখ্যা বঢ়াবলৈ চেষ্টা কৰাত সঙ্ঘই কাকো বাধা দিবলৈ সঙ্ঘৰ চুক্তি মতে সকলো জাতিয়ে যিমান দুখ পাবে আৰু পৰিহাৰ কৰিব লাগে, কিন্তু জার্ম্মেণীক নিৰস্ত্র কৰাৰ বাদে এই উদ্দেশ্য পাহৰণিত পৰিল, জেনেভাত যেয়ে আছে যিহকে কওক, প্রত্যেক জাতি নিৰস্ত্র হওক ছাৰি দিয়ক

দুখ পাবে সশস্ত্রহে হৈছে, জার্ম্মাণী ভাবিবলৈ বাধ্য হল এই জাতিসঙ্ঘ জাতি সঙ্ঘ নহয়, বৃটীশ আৰু ফ্রান্সৰ স্বার্থগাধ বা যৌথ বাজনৈতিক ব্যবসায় মাত্র। তেনেতে আহিল নিৰস্ত্রীকৰণ সম্মিলন। যদি সকলো জাতি সশস্ত্র হৈ থাকে তেন্তে শত্রুৰ মাজত জার্ম্মেণী অকলৈ নিৰস্ত্র হৈ থাকিব কিয়? জার্ম্মেণীয়ে সমতা দাবী কৰিলে। সেই দাবী নামঞ্জুৰ হল আৰু জার্ম্মেণীয়ে এই সঙ্ঘৰ সভ্য বাৰ ইস্তফা দিলে। এই ইস্তফাৰ পিছত যে জাতি সঙ্ঘই সন্ধিৰ পৰিবর্ত্তন কৰিবলৈ চেষ্টা কৰিব বা কৰিব পাৰিব তাৰ আশা সমূলি নাই, কিন্তু ভার্ছাইল সন্ধি আৰু ভার্ছাইল অন্যায় চিৰস্থায়ী হবনে? বিশেষকৈ ফিউনাৰৰ হাততে? লগে লগে নিৰস্ত্রীকৰণ সম্মিলনৰ বিফলতা দিনে দিনে ঠিবাং হৈ আছিছে, তেন্তে ইতিহাসৰ সৌতত যুদ্ধৰ ঢৌ পুনৰ উঠিবনে কি?

তৃপ্তি

—শ্রীযুত নলিনী নাথ ফুকন

গল্প—

সেইদিনা "নেইল ডে"-অফিচৰ সকলো ব্যস্ত মই চুকটো লগাই লৈ চকীখনত হেলান দি বিহিছো। মোন এনেতে চুপাৰিণ্টেন্‌ডেণ্টে এলোপা কাগজ টাই দিলে—কৈ গৈলে আজিৰ ডাকত যেনে তেনে লাগে। ভাল আপদ! চাবে তিনি বাজিবৰ হল টাইপিষ্ট বা টাইপ কবে কেতিয়া আৰু মইনো পঠিয়াওঁ কিয়া। টাইপিষ্টক মতাই আনি কাগজ সোপা দি হৈ হুকুম দিলো—আজিৰ ডাকত যাব লাগে। টাইপিষ্টেৰ মিনতিভৰা চকুজুবিবে মোৰ পিনে চাই ক—"সময় হল জানো, বহুত কাগজ যে, আৰু বিশেষকৈ ৰ ধৰত"...মই কলো "মই সেইবোৰ কথা শুনিব োখোজোঁ, চাহাবৰ হুকুম মই কি কৰিম?" তেওঁ কেৱল কৰুণ দৃষ্টিবে মোৰ পিনে চাই ওচৰ গ'ল।

চাৰে পাঁচ বাজিল, অফিচৰ সকলো বিলাকেই ো ওচি গ'ল আমাৰ বিভাগত মই, টাইপিষ্ট ক চাপৰাণীটোৰ বাহিবে কোনো নাই। কি আপদ! ইমান পৰেও যে টাইপিষ্ট নাহিল! আজি চিঠিবোৰ ডাকত পঠিয়াবলৈ হলে "নেইট ফি" দিব লগাত পৰিব। চাপৰাণীটোক মাতি আনি টাইপিষ্টৰ ওচৰলৈ পঠিয়াম বুলি ভাবোঁতেই তেওঁ আহি পালেহি—কাগজবোৰ সমজি লবৰ সময়ত এখন কাগজত চকু পৰোতে এটা সৰু ভুল দেখি খং উঠিল। কাগজখন ঘুবাই দি কলো "আকৌ নতুনকৈ টাইপ কবি আনাগৈ, এনেকৈ ভুল কবিলে মই চুপাৰিণ্টেণ্ডেণ্টলৈ বিপৰ্ট কবিবলৈ বাধ্য হম। টাইপিষ্টে কাগজখন হাতত তুলি লৈ গম্ভীৰ ভাবে ওচি গল।

দীঘলীয়া নিখাস যেন তাইৰ হাতৰ কাগজখন কঁপি উঠিছিল।

অফিচৰ মোৰ তলতীয়া কেৰাণীবোৰে, বিশেষকৈ টাইপিষ্ট ছোৱালীবোৰে মোৰ গম্ভীৰ মুখ বৰ ভয় কবিছিল। অইনকি মোৰ কোঠাৰ আগেদি ছোৱালীবোৰে সিহঁতৰ ওখ খুবাদিয়া জোতা পিন্ধি জোৰেবে খোজ কাঢ়ি যাবলৈকো ভয় কবিছিল। অইনবোৰ অফিচাৰৰ দৰে হাঁহি খিকিন্দালি

মাৰি কথা কবলৈকো সাহ নকৰিছিল। সিহঁতে হেনো মোৰ নিচিনা গম্ভীৰ অফিচাৰ আগেয়ে পোৱা নাছিল।

কিয় ক'ব নোৱাৰো ছোৱালীজনীৰ চকুজুৰিয়ে মোৰ অন্তৰত মাজে মাজে কিছুমান অতীতৰ কাহিনী সৌৱৰাই মোক অস্থিৰ কৰি তুলে। কোন তলকত কব নোৱাৰোঁ মই উঠি তাইৰ ওচৰ পালোঁগৈ। দেখি অবাক হলো ছোৱালীজনীয়ে একাত্মনে টাইপ কৰিছে; কিন্তু তাইৰ সুন্দৰ গাল দুখনেদি চকুলো বৈ মেজৰ ওপৰত টপ্ টপকৈ পৰিছে। ভাবিলোঁ মোৰ কথাত তাই বেজাৰ পাইছে—নাইবা কোনো প্ৰেমিকৰ লগ হেকৰাৰ দুখত তাই কাঁন্দিছে। মনটো মোৰ বৰ বেয়া লাগিল। লাহেকৈ তাইৰ ওচৰ চাপি তাইৰ কান্ধত হাতখন থওঁতেই তাই উচপখাই উঠিল; মোৰ পিনে মুৰ ডাঙিছেই হুক্ হুক কৰে কাঁন্দি গেলালে। মই অবাক্ হৈ সুধিলোঁ "তুমি কাঁন্দিছা কেলৈ—মইতো এনে কোনো টান কথা কোৱা নাই যে কান্দিব লাগে।" "মোৰ যে আইৰ আজি বহুত দিনৰে পৰা বেমাৰ, তেওঁক চাওঁতা ধৰত কোনো নাই, বিশেষকৈ আমি বৰ দুখীয়া"—তাইৰ কথা শুনি বৰ দুখ লাগি কলোঁ "মোক তুমি তেনে বুলি কোৱাহঁতেনেই মই তোমাক ইমানদৰ আতকৈকে নাৰাখিলোহেঁতেন কাগজখিনি মই নিজেই টাইপ কৰি ললোহেঁতেন। তাই আকৌ কলে "আইৰ দৰৱ নাই, আজি এজন মানুহে অলপ টকা ধাৰলৈ দিম বুলি ওবজাত সময় দিছিল তেওঁক আৰু লগ নাপামগৈ"—কৈয়েই আকৌ কাঁন্দি গেলালে। মই কি বুলি যে তাইক শান্ত্বনা দিম ভাবি নাপালোঁ, ওয়েষ্টকোটৰ জেপৰ পৰা উলিয়াই ১০টকাৰ নোট দুখন তাইৰ হাতত গুজি দিলোঁ। তাই মোৰ পিনে ফেল্ ফেল্কৈ চাই ৰ'ল। মই কলো "এই নোট দুখন তুমি লোৱা, যেতিয়াই তোমাৰ সুবিধা হয় দিবা" তাই কলে "আপোনাক দয়া অসীম, মই এই উপকাৰ পাহৰিব নোৱাৰিম। মোৰ অন্তৰৰ ধন্যবাদ জনাইছোঁ। মই মোৰ দৰ্ম্মহাৰ পৰা—" মই তাইৰ কথাটি কাণ নিদি কলো "মোৱা বেলি নকৰিবা, মই কাগজ খন নিজেই ঠিক কৰি ল'ম।"

তাই গুচি গ'ল, কিন্তু আকৌ সেই কৰুণ চকুজুৰিয়ে মোক দিনেই চাই গ'ল।

অফিচৰ পৰা আহি ঘৰ পাই মই অস্থিৰ হৈ পৰিলোঁ —তাইৰ কাতৰ চকুজুৰিয়ে মোৰ হিয়াত তোলপাৰ লগাই দিলে—কত চেষ্টা কৰি মই মোৰ অতীত জীৱনৰ কথাবোৰ পাহৰি যাবলৈ চেষ্টা কৰিছোঁ, আজি আকৌ এই ছোৱালীজনীয়ে মোক কত কথাই মনত পেলাই দি অন্তৰৰ কোন এক নজনা প্ৰদেশত কৰুণ বিননিৰ সৃষ্টি কৰি দিলেহি— আপোনা আপুনি চকুলো বৈ আহিল।

দিনৰ কাম দিনে কৰি গৈ আছোঁ। অফিচৰে মানুহ আহোঁ। ছোৱালীজনীয়ে যে কি মোক মৰম লগাই কব নোৱাৰো—তাইক যেন ওচৰলৈ মাতি আনি আগৰ মান কথা পাতিম। কেৱল মাত্ৰ দুই তিনি চেকেণ্ড বাবে কথা হওঁ—সৌদো মাক কেনে আছে উত্তৰ পাওঁ "অলপ ভাল" বা কেতিয়াবা কয় "আজি ভাল নহয়" ইয়াৰ বাহিৰে আৰু কথা নহওঁ। গাৰ্ডীয়ে বঞ্জায় ৰাখিবই লাগিব।

এইদৰে প্ৰায় এমাহমান গ'ল। হঠাৎ এদিন দেখিলোঁ তাই অহা নাই—বুকুখন চিৰিংকৰে উঠিল, জানো মাকৰ আজি টান বা তাইৰ নিজৰে কিবা অসুখ। দিনাও তাইক অহা নেদেখিলোঁ। মোৰ মন বিষণ্ণ হৈ পৰিল। হেডক্লাৰ্কৰ ওচৰলৈ গৈ সুধিলোঁ কাৰ্ডৰ ঠিকনাটো তেওঁ জানে নে নাজানে। তেওঁ অৱাক্ মোৰ পিনে ক্ষন্তেক চাই মিচিক কৰে হাঁহি কয় জানে—ভাবটো এই, যেন মই এই বুঢ়াবয়সতো প্ৰেম পৰিলোঁ নেকি।

গধূলি ঘৰলৈ আহি ভাবিলোঁ যামনে নাযাম। কিন্তু সেই কুমলীয়া মুখখনিয়ে আৰু কৰুণ চকু কেইটাই মোক জয় কৰিলে। অফিচৰ সাজেৱেই.....বিদায় ষ্ট্ৰীটলৈ ওলালোঁ। ঘৰৰ অৱস্থা দেখিছেই বুজিব তেওঁলোক কিমান দুখীয়া। দুৱাৰত টুকুৰিয়াই দিলোঁ— দুৱাৰ খুলি ছোৱালীজনীয়ে মোক দেখি বিচুৰ্ণি হাঁহ, মোক এনে ঘটনা তাই সঁপোনতো ভাবিব নোহোৱে। আহি হৈ কলে "অ—আ-পুনি আপুনি"—মই সুধিলো, "তোৰ

মাৰা আজি কেনে আছে?"—চকু কেইটা চুল চুলীয়াই তাই ক'লে "মাই বোধ হয় আৰু কেইদিন নে বাচে—" কৈয়ে তাই হাতদুখনেৰে মুখখন ঢাকি উচুপি কান্দিবলৈ ধৰিলে। এনেতে ভিতৰৰ পৰা কোনোবাই লাহেকৈ মাতিলে "মৰী"—মই তাইক শান্ত্বনা দি কলো "ভয়কি, ভাল হৈ যাব, মোৱা তোমাক মাৰাই মাতিছে"—তাই কলে "ডাক্তৰ আপুনিও, মোৰ বৰ ভয় লাগিছে—পৰ্দ্দাখন ডাঙি আনি চুটো ভিতৰ সোমালোঁ—কিন্তু ই—ইকি! মই কাক দেখোঁ—মোৰ সেই"—লী-না, ! 'লীনা!' বুলি চিঞৰি উঠিলোঁ। মোৰ মাত শুনি তেওঁ মুৰ ডাঙি— মোক দেখিয়েই বিহনাত অজ্ঞান হৈ পৰিল—

* * * *

২

দুই বজাত বাতি।—কি গভীৰ নীৰৱতা—মাজে মাজে কেৱল বিল্লৱালাৰ জুন জুননি আৰু বেৰত থকা ঘড়ীটোৰ টক টক শব্দ। লীনাৰ জ্ঞান হোৱাৰ পিছত অলপ টোপনি আহিছে। মেৰীয়ে মাকক মোৰ হাতত নিশ্চিন্ত মনে দি গৈ ওচৰতে বিছনা এখনত শুই আছে। মই লীনাৰ মুখ-শিয়ৰত বহি বাতাৰ গোচলেপ্পটোৰ ফালে একেথৰে চাই মোৰ জীৱনৰ অতীত কাহিনী বোৰৰ কথা ভাবি আছোঁ—ই আজি বহুত দিনৰ কথা—ক্ষুদ্ৰ ঘটনা, তথু এনে ক্ষুদ্ৰ ঘটনাই যে মানুহৰ জীৱনত কিমান পৰিবৰ্ত্তন আনে তাক মানুহে ভাবিব নোৱাৰে।···মই সেইদিনা সাৰ পৰা উভতিছোঁ।—ভাবিলোঁ বাইদেউৰ লেখাখতে মুগেৰিব নমুনাক কিতাপ এখন বাটেদি যাওঁতে কিনি লৈ যাওঁ। ইউনাগার্ডেন পাৰ হৈছোঁ। মাংোন—হৰ ৰঙৰ বৰষুণ আনিলে। ছাতিটো মেলিয়েই দেখিলোঁ মোৰ পাছে পাছে এজনী ছোৱালী বেগেৰে আহি আছে। মই মাৰেকৈ মোৰ ছাতিটো আগবঢ়াই দি কলো "অনুগ্ৰহ কৰি এইটো ল'বনে?" তেওঁ আপত্তি কৰি কলে "আপুনি যে মোৰ নিমিত্তে তিতিব" মই কলো "মই হ'ম মানুহ, আপুনি তিতিলে মানুহৰ আগত লাজ পাবলৈ হব, আৰু বিশেষকৈ মোৰ মুখত টুপী আছে, আপত্তি নকৰিব—লওক—" তেওঁ ছাতিটো লৈ এনে এটা দৃষ্টিৰে চালে যে সেই দৃষ্টি আজিও মই পাহৰিব পৰা নাই। এই দৃষ্টিৰ লগত মেৰীৰ দৃষ্টিৰ কিমান সাদৃশ্য!

আমি দুয়ো বেগাবেগিকৈ আহি চৌৰঙ্গীৰ দোকান এখনৰ দুৱাৰ মুখত আশ্ৰয় ললোঁহি। ববষুণ বতাহৰ যেনেকুৱা আগস্তুক দেখিলো—ই যে বেগতে এটিব আশা নাই—তথু অলপ শাম কাটিলেতেই আমি লৰালৈকৈ ট্ৰামত উঠিলোঁহি। মই ওৱেলিংটন ষ্ট্ৰীটৰ মুবত নামি পবিলোঁ, তেওঁ ওয়েলেচ্লীৰ ফালে ট্ৰামত গুচি গ'ল। তেওঁৰ ঠিকনাটো জানি ছাতিটো "কাইলৈ লৈ আহিম গৈ" বুলি লগতে দি পঠালোঁ। তেওঁ ধন্যবাদ দি গুচি গল।

বিধাতাই বোধকবো বতাহ ববষুণ জাক আমাৰ জীৱনৰ গতি ঘুৰাবৰ বাবেই সৃষ্টি কৰিছিল। এই ছাতিটো লৈয়ে আমাৰ যি পৰিচয়—সি দিনে দিনে গভীৰ হৈ উঠিল।

* * * *

মই তেতিয়া বি-এ পাছ কৰি বাৰ্ষ এণ্ড কোম্পানীত কাম শিকিছিলোঁ। শিয়ালদহৰ ওচৰত মেচ এটাত থাকো। বন্ধু বমেন আছিল তেতিয়া হাৰ্ডিঞ্জ হোষ্টেলত—এম-এ, আৰ্ক'ল' পঢ়িছিল। তেওঁ ডাঙৰ মানুহৰ লৰা আছিল যদিও, মই দুঃখীয়া বুলি মোৰ লগত চলাফুবা কৰিবলৈ বেয়া নাপাইছিল। তেওঁৰে মোৰে বহুত কথাতেই মতৰ অমিল হৈছিল,তথু তেওঁৰে মোৰে বৰ নিলো আছিল—কবলৈ গলে তেওঁ মোৰ অন্তৰঙ্গ বন্ধু আছিল। এদিন তেওঁক কলো লীনাৰ কথা—কওঁতেই তেওঁ ঢেক্ ঢেক্কৈ হাঁহি দিলো। কলে "হায় বন্ধু! শেষত গৈ ফিবিঙ্গি ছোৱালীৰ প্ৰেমত পবিলা!" বন্ধুৰ উপলুঙাৰ সুৰ ভাল নালাগিল। কলো "সিহঁত কি মানুহ নহয়?" "ইচ্ সিহঁতনো মানুহনে? বাক বেছ, বেছ, এদিন তোমাৰ প্ৰেমৰীৰ লগত মোৰ দেখা সাক্ষাৎ কবাই দিবাগৈ বাক—ব'লা এতিয়া আজি ভাল বায়স্কোপ্ আছে চাওঁ গৈ।

লীনাক মই সচাঁকৈয়ে মোৰ প্ৰাণতকৈও ভাল পাইছিলোঁ। মানুহে কাক কেতিয়া ভাল পায় মুবুজে, ই বাটে

ঘাটে বুটলি ফুরা বস্তু নহয়। ভগবানে কাৰ ওপৰত কাৰ কেতিয়া আকর্ষণ জন্মায় মানুহে গম নেপায়। মই লীনাক কোনোদিনো ফুটাই কোৱা নাছিলোঁ, যে মই তেওঁক ভাল পাইছিলো। তেওঁ কিন্তু বেছকৈ বুজিছিল মই তেওঁক ভাল পাওঁ। তেওঁ কিন্তু মোক ভাল পায়নে নেপায় মই বুজা নাছিলোঁ, কেৱল দুই এটা ক্ষুদ্ৰ কথাত ভাবি লৈছিলোঁ তেওঁ মোক ভাল পাইছিল।

বৰমেক এদিন মই তেওঁৰ ওচৰলৈ গৈ গলোঁ। লীনাৰ মাকৰ লগতো পৰিচয় কৰাই দিলোঁ—মাকে মোক বৰ ভাল পাইছিল। আমি দুয়ো যুৰি আঁহোতে বাটত মই বন্ধুৰ হাতখন হাতৰ মুঠিত চেপি ধৰি সুধিলো "কেনে দেখিলা ?" উত্তৰ দিলে "তুমি বেচ ভাগ্যবান্" কিন্তু মুখখন বৰ গম্ভীৰ দেখিলোঁ, মুখুজিলো হঠাৎ বন্ধু কিয় ইমান গম্ভীৰ হল।

আমি দুয়ো প্ৰায়েই লীনাৰ তাঁলৈ অহা যোৱা কৰোঁ। হঠাৎ এদিন এখন টেলিগ্ৰাম পালোঁ, বাইদেউৰ বেমাৰ, মোৰ সংগৰত আপোন বুলিবলৈ বাইদেউৰ বাহিৰে কোনো নাই। তেওঁেই মোক সৰুৱে পৰা ডাঙৰ দীঘল কৰি মানুহ কৰিছে। ঘৰলৈ গ'লো, কিন্তু বিধাতাৰ নিষ্ঠুৰ বিধান, বাইদেউক কোনো মতেই বচাব নোৱাৰিলোঁ। কলিকাতালৈ যুৰি আহিলোঁ।

সেই দিনা গধূলি লীনাৰ তাঁলৈ গলো। ঘৰ সোমাহতেই দি দেখিলোঁ,—মোৰ হিয়া ভাগি-ছিগি গল, এখন চোফাত লীনা আৰু বমেণ বহি কিবা কিতাপ এখনৰ পাত লুটিয়াই আছে। লীনাৰ মুখটো বমেনৰ কান্ধত। মোক দেখিয়েই দুয়ো চকু খাই উঠিল। তাত ৰবলৈ ঈশ্বৰে মোক শক্তি নিদিলে—বেগা বেগিকৈ ওলাই আহিলোঁ।

এই খিনিতেই জীৱনৰ পৰিবৰ্তন। মুক্তি, মুক্তি, কোনো বন্ধন নাই! যুবোপত তেতিয়া হলস্থুল, মহাসমৰে গোটেই পৃথিবী তোলপাৰ লগাইছে। ব্যৰ্থ জীৱন, তুচ্ছ জীৱন কোনো কামতেই নালাগিল। আৰম্ভণিৰ ক্ষুদ্ৰ জীৱন যুদ্ধত যায় যদি যাওক। যুদ্ধলৈ চিপাহীহে ৰওনা হলোঁ। যোৱাৰ আগতে এখন চিঠি লেখিলো—"লীনা! ঈশ্বৰে তোমাৰ মঙ্গল কৰক, তোমালোক সুজনৰ জীৱন সুখময় হওঁক। এৰে তেওঁৰ ওচৰত মোৰ অন্তৰৰ প্ৰাৰ্থনা।

—তোমাৰ দুৰ্ভাগীয়া ককণা।"

মৃত্যুৰ কোঁলাত জাঁপদি দি পৰিও, মোৰ মৃত্যু নহল। শান্তি স্থাপনৰ লগে লগে মইও দেশলৈ উভতি আহিলোঁ। "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰিয়সী" এই কথা কেইদিনো পাহৰা নাছিলোঁ। যুদ্ধৰ মাজতো মোৰ বেন কাণে কাণে কৈছিল "ককণা দেশলৈ যুৰি আহা, তোমাৰ উপযুক্ত স্থান মোৰ ওচৰতেই।" কলিকতা পালো মোৰ অন্তৰৰ কোন এক সুপ্ত তন্ত্ৰীত কিহে যেন ঘাবে আঘাত কৰিলেহি তাক মই বুজাব নোৱাৰোঁ। এই ব্যৰ্থ, উদ্দেশ্যহীন দেহটোক টানি লৈ কলিকতা নিচিনা বৃহৎ নগৰীৰ বাস্তাত এদিন সন্ধ্যাবেলিকা অ বনাই ঘুৰি আছোঁ, এনেতে এগিন বোডৰ ওচৰত ইং ফুটপাথৰ পৰা সিটো ফুটপাথলৈ যাব পোৱোঁতেই প ফালৰপৰা এখন মটবে আহি খুন্দামাৰি মোক বাং পেলাই দিলে। জ্ঞান পাই দেখিলো মই মেডিক কলেজত। ওচৰতে এজন ডাক্তৰ আৰু এগৰাকী না মোক শুশ্ৰূষা কৰিছে। মই সুধিলোঁ "মোক ইয়া কোনে আনিলে, মোৰ কি হৈছে" ডাক্তৰ জনে ক "আপুনি বেছি কথা নকঁৱ, অলপ সুবত জখম হৈছে, ভ কোনো কাৰণ নাই, দুই এদিনতে ভাল হৈ যাব। এ অলপ ওচৰলৈ চাই কৰক।" অলপ পিছতেই নাৰ্ছ নার্ছক কি, কি, দৰব কেতিয়া দিব লাগিব উগলে গুচি গল। মোৰ টোপনি নাহিল, চকু কেইটা মু কেৱল ভাবিছোঁ মবণৰ কাল মন্ত্ৰনিকাই কেইদা অতীতৰ স্মৃতি ঢাকি পেলাব, মোৰ মবণ কেতিয়া। নবলিলো, মটবে ছেপি নামাবিলে, প্ৰভু মোৰ কি নাই! লীনাৰে মনত পৰি—হঠাৎ গাগল হৈ গৰিলোঁ নার্ছৰ হাতখন চেপি দি কলোঁ "নার্ছ এনে এটা দিব নোৱাৰানে যাতে এই মুহূৰ্ত্ততে মোৰ মৃত্যু হয়, যে বৰ কষ্ট পাইছোঁ।" তেওঁ বোধ হয় ভাবিছিল জখমৰ বাবেহে কষ্ট পাইছোঁ। কলে "আপুনি ভ ভিব হৈ শুবলৈ চেষ্টা ক'ৰক। ভাল হৈ যাব" ঘটনাৰ বাবে পুনিচে মোৰ ওচৰলৈ আহি বহুত সুধিছিলেহি। মই কলোঁ যে এই ঘটনাৰ বাবে মই দাৰী—মটৰ চালক নহয়, তেওঁক অনৰ্থক জুলুম নকৰি

ৰোৱ দুদিনমান পিছত এদিন সন্ধ্যা বেলিকা "ভিজিটিং অৱাৰ্ডৰ্ত" এজন চাহাব আৰু এগৰাকী মেমে মোক ৰখা কৰিবলৈ আহিল। নাৰ্ছে চাহাবৰ চিনাকী কৰি দিলে। এইেই হেনো মোক মটৰেৰে চেপিছিল। নাম হিৰাৰ "জনৎ" আৰু মহিলাগৰাকী তেওঁৰ সহধৰ্ম্মিণী। ৰটনৰ বয়স অনুমান ৫০ মান হব। তেওঁ এই ঘটনাৰ বাবেৰ দুঃখ কৰিলে, কলে ইয়াৰ বাবে তেওঁহে দাৰী, কাৰণ মটৰৰ ব্ৰেক ভাল নাছিল। লগতে তেওঁ কলে তেওঁ ক্তিপুৰণ দিবলৈ অলপো বেয়াও নাপাব। মই কলোঁ যে এই ঘটনাৰ বাবে মইহে দাৰী তেওঁ নহয়, কাৰণ মোৰ সাৱধানতাৰ বাবেহে এই ঘটনা ঘটিল। বুঢ়াই কিন্তু সেই কথা নামানিলে কলে যে তেওঁহে দাৰী। তেওঁ মোকে পকেটৰ পৰা এখন চেক্ উলিয়াই মোক দি লে যে এইখিনি আপোনাক ক্ষতিপূৰণৰ বাবে দিছোঁ, ই লাগিব। মই চেক্খন লাহেকৈ ঘুৰাই দি কলো"মিষ্টাৰ ৰটন মই আপোনাৰ দান গ্ৰহণ কৰিবলৈ অক্ষম, মোক ক কৰিব, কাৰণ এই ঘটনাৰ বাবে আপুনি দাষী নহয় হেঁ দাষী, এয়েই মোৰ বিবেকে কয়—মোক ক্ষমা কৰক—" মোৰ কথা শুনি বুঢ়া বুঢ়ীয়ে মোৰ পিনে কণকেইটৰ বহুত পৰ চাই থাকিলে। বুঢ়ীয়ে মাত লগাই লে যে মোৰ নিচিনা মানুহ হেনো সংসাৰত বিৰল।

ই হাস্পাতালত থকা কেইদিন আৰেলি বুঢ়াবুঢ়ীয়ে া মোক দেখা কৰিবলৈ আহে। বুঢ়ীৰ মোলৈ বৰ ন যায়িল। সদায় মোলৈ আহোঁতে কিবা এটা নিই, হয় ফুলৰ তোড়া নাইবা কিবা এটা খোৱা বস্তু। ও দিনে দিনে আৰোগ্যৰ পথলৈ আহিছোঁ, কেৱল ণ দুৰ্ব্বলতে আছোঁ। বুঢ়া বুঢ়ীয়ে এদিন কথাই কথাই ক দুখিলে মই ক'ত থাকো, কি কৰো ইত্যাদি। মই ক্তিয়া বি-এ, পাছ আৰু যুদ্ধলৈ গৈছিলো বুলি শুনিলে ৰাজাক বৰ আচৰিত হল। বুঢ়ায় কলে যে তেওঁৰ পাৰ" এটা কাম খালি আছে, মই ললে তেওঁ দিব ৰে। মই আপত্তি নকৰিলোঁ। মিষ্টাৰ 'জনৎ' যে াত "হিনমেন" কোম্পানীৰ 'জেনেৰেল মেনেজাৰ' িল আগেয়ে জনা নাছিলোঁ।

ভাল হৈয়েই কামত সোমালোগৈ। কোম্পানীৰ হেড অফিচ বম্বেত, এওঁলোকৰ ব্ৰাঞ্চ বহুত বহুত ঠাইত আছে। মোক জনৎদ চাহাবে বৰ বিশ্বাস কৰিছিল। 'হোমবৰ্ডে' মোৰ কামত বেছ শুখলা আছে বুলি লেখিছে। বম্বেত কেবা বছৰো কাম কৰাৰ পিছত কলিকতাৰ ব্ৰাঞ্চ অফিচলৈ বদলি কৰি পঠালে।

* * * *

এইখিনিতেই মেৰীৰ লগত মোৰ সাক্ষাৎ।

* * * *

এইবোৰ ক'ত কথাই যে মোৰ মনত পৰিছেহি! হঠাৎ মোৰ চকুৰপৰা টপ্ টপকৈ দুটোপা চকুৰ পানী পৰিল। মই চকুযাই মুখ ঘুৰাই দেখো, লীনাই চকু দুটা মেলি মোৰ পিনে একে থিৰে চাই আছে। মোৰ দৰে তেওঁৰো দুখাপি চকুলোৱে গাৰুত টপ্ টপকৈ পৰিছে। তেওঁ তেওঁৰ দুৰ্ব্বল হাত এখন মোৰ কাকত থৈ কলে "মই আপোনাক এনেদেৰে ল'গ পাম বুলি আশা কৰা নাছিলোঁ, মই যে আপোনাৰ ওচৰত কিমান দোষী! আপুনি মোক ক্ষমা কৰক, মই আপুনি ক্ষমা নকৰিলে আজি শান্তিৰে মৰিব নোৱাৰিম"—মই তেওঁৰ হাতখন মোৰ হাতদুখনত চেপি ধৰি বুকৰ ওচৰলৈ টানি আনিলোঁ, মোৰ মুখৰপৰা কোনো কথা নোলাল, মই ভাষাহীন, কোনোবাই যেন মোৰ শক্তি তেনেই লুপ্ত কৰি দিলে, কেৱল একে থিৰে তেওঁৰফালে চাই থাকিলোঁ। লীনাই আকো ক'বলৈ ধৰিলে "ভগবানৰ দয়া অসীম, মই আজি নিশ্চিন্ত হৈ মৰিব পাৰিম। মেৰীৰে যে সংসাৰত কোনো নাই; আজিৰ পৰা তাইৰ তেওঁ এটা আশ্ৰয় হল। আপোনাক হাতত তাইক গটাই দি মই নিশ্চিন্ত হৈ মৰিব পাৰিম।" হঠাৎ মই চিৎকাঁৰি উঠিলো "লীনা, ৰমেণ ক'ত?" তেওঁ ধীৰ ভাবে কলে "তেওঁ মোক পৰিত্যাগ কৰিলে" মই দাঁত কামুৰি উঠি কলো "কি পাষণ্ড" "পাষণ্ড সুবুলিব, ই মোৰ নিজৰ কপালৰ লিখন; আপোনাৰ বন্ধু আজি সুখী মানুহ, শুনিছো বিয়া বাক কৰালে, লৰা ছোৱালীও হৈছে। মোক যে তেওঁ ইমান নিষ্ঠুৰভাবে

ত্যাগ করি শুচি যার পারিব, সপোনতো ভবা নাছিলো তেওঁ ভাঙ্গর মানুহর লবা, সমাজর ভয়ত মোক এদিন এরি শুচি ক'ল, যেতিয়া যায় মেরী মোর গা'ত। দুখুনীমেরীয়ে বাপেকক আজিলৈকে নিচিনিলেও নেদেখিলেও তথাপি মই নারী, আমাক ভগবানে সংসারলৈ কষ্ট পাবলৈকেই পঠিয়াইছে, সহ্য করিব কেনেকৈ লাগে আমি জানো। পুরুষে নবুজে নারীর অন্তরর কোন খিনিত দুঃখ, তেওঁলোকে কেবল নিজর নিজর স্বার্থলৈয়ে ব্যস্ত। আপোনার বন্ধুর লগত যদিও মোর সামাজিক ছিচাপে বিয়া হোৱা নাছিল তথাপি তেওঁ মোর স্বামী, আজিও মই তেওঁক ভাল পাওঁ। কথাখিনি কৈয়ে তেওঁ ভাগরি পরিলে, মই এগামুচ পানী খুৱাই দিলোঁ, কলো, "বেছি কথা নকবা, তুমি ভাগরি পরিছাঁ অলপ শুবলৈ চেষ্টা করা"— তেওঁ কেবল হাঁহিলে, কলে "মই আক বেছিদিন নেবাচোঁ, বাচিবলৈ আক মোর স্পৃহাও নাই। আজি মোর আপোনার লগত কথা কৈ বর ভাল লাগিছে। আর সংসারর সকলো মানুহেই যদি আপোনার দরে হলহেঁতেন! বাক আপুনি আজি মোক বর ঘিণ করে নহয়নে? ময়েই আপোনার জীৱনর ব্যর্থতার বাবে দায়ী" "ভুল লীনা ভুল, ভুল, তোমাক কেতিয়াও ঘিণ নকরো, তুমি নাজানা—" "জানো, জানো বারেই আজি মেরীক আপোনার হাতত তাইর ভার দি যাব খুজিছোঁ, চ'কছোন তাই কিমান নিশ্চিন্ত মনে আজি কিমান দিনর মুরত টোপনিয়াইছে! আজি ইমান দিন যে জীয়াই আছোঁ, কেবল তাইর শুশ্রূষার বলত! ভাবি চাওকচোন তাইর নিচিনা দুখী নী সংসারত কোন আছে! তাইক যে কোনো সমাজেই স্থান নিদিব। তাইকেই বুকত বান্ধি লৈ ইমান দিন জীয়াই আছোঁ— তাই মোর প্রিয়র শেষ দান।" কৈয়েই তেওঁ বর ভাগরি পরিল। মই তেওঁক ওচরলৈ চপাই আনি আঙুলী কেইটাবে মুখর চুলি কেইডালিত হাত ফুরাই দি কলো "লীনা! মেরীর সকলো ভার আজির পরা মই লম, মোর নিজর বুলিবলৈ এই জগতত কোনো নাই 'মেরী' আজির পরা মোর ছোৱালী।" উঃ বুলি তেওঁ কাতি হৈ পরিল।

৩

লীনাক কোনো মতেই বচাব নোৱাৰিলোঁ, মোক অ মেৰীক কঁদুৱাই কোন এক নজনা নচুনা দেশলৈ গ গল'। বিধাতাৰ কেনে নিষ্ঠুৰ বিধান!

লীনাৰ মৃত্যুৰ প্ৰায় চাৰি মাহ মান হল। মেৰী কামৰ পৰা একৰাহে দি "চিনিয়ৰ কেম্ব্ৰীজ" পঢ়িব স্কুলত নাম লগাই দিলো। তাই স্কুললৈ যায়, আ অফিচলৈ যাওঁ, গোধূলি ঘুৰো হয় বায়স্কোপ, না ঘুৰিবলৈ যাওঁ। এই দৰে আমাৰ দিনবোৰ গৈছিল। কেতিয়াবা আমাৰ ঘৰোৱা বহুত তৰ্ক হা- ৰাজনৈতিক আলোচনাৰ পৰা সমাজত উন্নতি পৰোণ বেছ লাগে কিন্তু!

সেই দিনা বায়স্কোপত বৰ ভিৰ, আমি ঘুৰো বায়স্ক চাই ওলাই আছিলোঁ, এনেতে মটৰত উঠি মনত পৰি টুপীটো "হ'লত" এৰি আহিলো। মেৰীক মটৰত উভতি গলো, টুপীলৈ ঘুৰি আছিছোঁ এনেতে গাছ ফা গৰা পিঠিত কোনোবাই চপবিয়াই দিলে "Hallo উভতি চাই অবাক্ হলো, বন্ধু ৰমেণ—লণ্ডতে এগৰা ভদ্ৰমহিলা আক সৰু সৰু লৰা ছোৱালী এহা আমি ঘুৰো ঘুৰোকে বহুত পৰ 'ৰ' লাগি চাই ব তেওঁ মাত লগালে "কি ভাই চিনিব পাৰিহাঁতো, আ কালি কি কৰিছা, ক'ত আছা, নাই কেবল "ৰোম কৰিয়েই ফুৰিছোঁ। বিয়া-বাক কৰাগতো? মটৰত সেই কোন?" "বি-য়া নাইকৰা" ইয়াৰ বাহিৰে মোৰ মুখৰ পা কোনো কথা নোলাল। তেওঁ কলে "উঃ এসময়ৰ জীৱনৰ কথা মনত পৰিলে বাস্তবিকতে বৰ হাঁহি উ কি যে কাণ্ডই আমি কৰি ফুৰিছিলোঁ!" কৈ হা হা হাঁহি উঠিলে, মই কলো "নাঁ—না"—মোৰ মুখৰ কথা কাঢ়ি নি তেওঁ কলে "থক থক সেইবোৰ কথা, বন্ধু আজি বহুত ৰাতি হল লৰাছোৱালীকেইটাৰ লাগিব, এতিয়া যাওঁ, পাছে পৰেও দেখা কৰিম— ক'ত থাকা? মই ইয়াৰে বুলি সপবিৰাবে আছিছোঁ—অ, ভাল কথা ফুৰি এ বোধ কৰো চিনি নোপোৱা, এওঁ মোৰ—বুজিছা—

মাতৃস্নেহ

ছ' ইঞ্চি অৰ ইঁহাত জোঙ্ক ফুলিকা

শ্রীবিভূতি ভট্টাচার্য

"বুজিছো" বুলি কৈ তেওঁৰ ফালে এনে ভাবে চালোঁ যে তেওঁ আৰু কোনো কথা কবলৈ সাহ নকবিলে। "বাইগুণ" বুলি কৈ বেগাবেগিকৈ মটৰত উঠিলোঁহি।

দেবীয়ে মটৰৰ পৰা মুখ উলিয়াই আমাৰ ফালে চাই আছিলে। তাই আমাৰ কথাবার্ত্তা বুজিছিল বে নাই কব নোৱাৰোঁ। ঘুৰি আহিল, মোক সুধিলে "তেওঁ কোন?" কলো যে মোৰ ছাত্ৰ জীৱনৰ এজন বন্ধু। তাই কলে "লৰাছোৱালী হাল এনে ধুনীয়া! মোৰ যদি এনে এহাল ভাই ভনী থাকিলেহেঁতেন।" মোৰ মুখৰ পৰা কোনো উত্তৰ নাপালে। মোৰ গম্ভীৰ মুখ দেখি তাই আৰু একো কথা কবলৈ সাহ নকবিলে। মোৰো যেন বাক্‌শক্তি তেনেই লুপ্ত হ'ল!

৪

আৰ কালি! বাতিপুৱা অফিচৰ কিছুমান কাগজ পত্ৰ চাই আছোঁ, মেৰীয়ে ওচৰতে 'চোফা' এখনতে বহি কিবা এখন উলিবে ওঠঁ আছে, এনেতে চাকৰটোৱে বাহিৰত কোনোবা আহিছে বুলি খবৰ দিলে। "ইয়াকেকে মাতি আন" বুলি কলো। তিনটা চৰা সোমাই আহিল। অনুমানত বুজিলো কলেজত পঢ়ে। বহিবলৈ কৈ সুধিলো 'কিলাগে'। তাৰে এজনে মাত লগালে "আমি অসমীয়া লৰা, আপোনাৰ নাম শুনি দেখা কবিবলৈ আহিছোঁ, আৰু বিশেষকৈ আমাৰ ৺, চ, এল ৰোৱৰ বছবেকীয়া বিহু অধিবেশণ হব, তাতেকৈ আপোনাৰ পৰা অলপ বৰঙনি পাম বুলি আশা কৰি আহিছোঁ।" খুব আনন্দ প্ৰকাশ কবিলো, আৰু প্ৰত্যেকজনৰ নাম ধাম ঘৰ ক'ত ইত্যাদি প্ৰশ্ন কবিবলৈ ধবিলোঁ। যি জনে মুখীয়াল হৈ কথাবোৰ কৈছিল তেওঁৰ নাম ইন্দ্ৰনাথ, ঘৰ শিৱসাগৰত, প্ৰেচিডেন্‌চি কলেজত এফ-এ পঢ়ে, বাকী দুজনৰ, এজনৰ নাম কৃষ্ণ, বিপনত বি-এ পঢ়ে, ঘৰ ওৱাটাচ, আৰু জনৰ নাম লীননাথ, ডেছিকল কলেজৰ লৰা, ঘৰ গোৱালপাড়াত। আমি বাস্তবিকতে এওঁলোকক দেখি বৰ বং লাগিল, বিশেষকৈ ইন্দ্ৰনাথক, কাৰণ তেওঁ মোৰ জন্মভূমিৰ মানুহ, সুবিদ্যো "অমুকক চিনি পায়নে, অমুক ক'ত আছে, এতিয়া কি কবিছে ইত্যাদি।" তেওঁলোকক এবিবৰ মনেই নলগল, তবু চান্দা দি কলো "মাজে মাজে আহিলে বৰ সন্তোষ পাম।" তেওঁলোকে আনন্দ প্ৰকাশ কবি গুচি গ'ল।

মেৰীয়ে কোন তলকত আমি কথা পাতি থাকোঁতে ভিতৰলৈ গল কব নোৱাৰোঁ, লৰা কেইটা যোৱাৰ পিছত তাই সোমাই আহি মোৰ কান্ধত পাছ ফালৰ পৰা তাইৰ কুমলীয়া হাত দুখন থৈ কলে যে তাই অসমীয়া ভাষা শিকিব খোজে। কলো "পাগলী কি কবিবি অসমীয়া শিকি?" "নাই মই শিকিমেই" তাইক কোলাৰ ওচৰলৈ টানি আনিলোঁ।

মেৰীয়ে অসমীয়া শিকিছে, মই নিজেই তাইক শিকাইছোঁ।

দহদিন মানৰ পিছত ইন্দ্ৰনাথ আকৌ আহিল, এইবাৰ কিন্তু লগত কাকো নানিলে। হাতত এখাপ চিঠিৰ টোপোলা। ইন্দ্ৰনাথ লৰাটো বেয়া নহয়। সাজ-পাৰত বৰ বেছি ধুন পেচ্ নাই, খদ্দৰ পিন্ধে, ভৰিত চেণ্ডেল চুকুত চছমা। দেখিবলৈ ধুনীয়া বুলিব নোৱাৰি, কিন্তু সেই বুলি বেয়াও বুলিব নোৱাৰি, মুখ খনত এটা মৰম লগোৱা ৰূপ আছে। আহিয়েই মোৰ হাতত এখন চিঠি দি কলে "এইখন আপোনাৰ বিহুৰ নিমন্ত্ৰণী চিঠি, আপুনি সেই দিন বোটানিকেল গাৰ্ডেনলৈ যাবই লাগিব, আৰু লগতে তেখেতকো লৈ যাব লাগিব—অ' তেখেত আপোনাৰ"—"তাই মোৰ ছোৱালী মিচ্ মেৰী" "তেন্তে তেখেতকো এখন চিঠি দিব লাগিব" বুলি এখন চিঠিত নামটো লেখি দি মেৰীৰ হাতত দি যাবলৈ ববকৈ অনুৰোধ কবিলে।

মেৰীয়ে নিমন্ত্ৰণীৰ দিনটোৰ বাবে বৰ আগ্ৰহেৰে বাট চাই আছে। তাই মোক সদায় সোধে, কোনখন জাহাজত গলে ঠিক সময়ত পাবগৈ, কি পিন্ধি গলে ভাল, বিহা নে 'গাউন'। তাইৰ হেনো বিহা পিন্ধি যাবৰ ইচ্ছা। এজোৰা বিহা মেখেলা কিনি আনিলোঁ।

বিহুৰ দিন—আগেয়ে মেৰীয়ে কেতিয়াও বিহা পিন্ধা নাছিল। বাতিপুৱা গৈ কোনো এক স্কুলীয়া বান্ধবীৰ

ৰৱৰপৰা বিহা পিন্ধিবলৈ শিকি আহিলোঁ গৈ। বিহা পিন্ধিলত বহু দেখি,যেন এখনি প্ৰতিমাহে। "বোটানিকেল গার্ডেন" পাই দেখিলো বহুত অনমীয়া লৰা একে লগে আজি গোট খাইছেহি। দেখি বৰ ৰং লাগিল। মোৰ ছাত্ৰ জীৱনৰ কথা মনত পৰিল, আমি কলেজত পঢ়োতে ইমানবোৰ অনমীয়া লৰা কলিকতালৈ পঢ়িবলৈ নাহিছিল। ইমানখিনি লৰাক দেখি বৰ বং লাগিল। মনে মনে তেওঁলোকক মোৰ সন্ধ্যাঃকৰণে আশীৰ্ব্বাদ কৰিলোঁ— ঈশ্বৰে যেন তেওঁলোকক স্বদেশৰ নাম উজ্জ্বল কৰিবলৈ শক্তি দিয়ে।

গধূলি ফিৰি আহোঁতে, ইন্দ্ৰনাথক মেৰীয়ে 'আউটৰাম ঘাটৰ' পৰা লগতে লৈ আহিলে, ৰাতি আমাৰ লগতে ভাত খাবলৈ বখালে। তেওঁ আপত্তি নকৰিলে।

মেৰীৰ কিছুমান কথাবাৰ্ত্তাৰপৰা অনুমান হল যেন তাই ইন্দ্ৰনাথক ভাল পায়, বুকু কঁপি উঠে, জানোছা ৰমেণৰ দৰে...ভাবো তাইক সাৱধান কৰি দিওঁ, কিন্তু সাহ নহয়, তাই বেজাৰ পাব পাৰে। হায় আঁজলী ছোৱালী।

ইন্দ্ৰনাথে আমাৰ ঘৰলৈ বৰকৈ অহা যোৱা নকৰিছিল। যি দিনা আহে মেৰীৰ বৰ আনন্দ, কত বুজাবঁ, কি ধুৱাব তাবেই চিন্তা। লৰাটিৰ বহু লেখাপঢ়াৰ চৰ্চ্চা আছিল, বহুত কিতাপ পঢ়িছে। তেওঁ আহিলেই কিবা এটালৈ মেৰীৰ লগত তৰ্ক হবই,—বেছিকৈ আমাৰ ভিতৰত আলোচনা হয় ৰাজনৈতিক বিষয় লৈ। এদিন হঠাৎ মেৰী আৰু ইন্দ্ৰনাথৰ হিন্দু সমাজলৈ ঘোৰ তৰ্ক হল। মেৰীয়ে কয় হিন্দুবিলাকে নাৰীৰ মৰ্য্যাদা বুজেছ, স্বামীয়ে ভাৰ্য্যাৰ ওপৰত অত্যাচাৰ কৰিবলৈ কুণ্ঠিত নহয়। তেওঁবিলাকে ভাবে এই জাতিটো ভগবানে সৃষ্টি কৰিছে কেৱল তেওঁলোকৰ আলপৈচান ধৰিবলৈ। গিৰিয়েকক তুষ্ট কৰাই ভাৰ্য্যাৰ ধৰ্ম্ম, কাৰণ স্বামী হেনো দেৱতা। ইন্দ্ৰনাথে ইয়াৰ ঘোৰ প্ৰতিবাদ কৰে, কয় মেৰীয়ে ভুল বুজিছে, কাৰণ ভাৰতত নাৰী জাতিটোক বহুত পুৰণি কালৰ পৰাই পুৰুষে সম্মান দেখুৱাই আহিছে, মেৰীয়ে যেন ছটা এটা উদাহৰণ লৈ বিচাৰ নকৰে। হিন্দু ধৰ্ম্মত যিটো বিধাৰৰ প্ৰথা, তেনেকুৱা প্ৰথা পৃথিবীৰ অইন ঠাইত কতো নাই। হিন্দুধৰ্ম্মত "ডাইভৰ্চ" নাই, কাৰণ এবাৰ বিয়া হলে সেই বিয়া এই জীৱনতো ছিন্ন নহয়েই সি লক্ষ জন্মান্তৰৰ সম্বন্ধ। ই ইমান সুন্দৰ, পবিত্ৰ আৰু ভাঙ্গৰ নোৱাৰে যে ইয়াতকৈ ওখ সম্বন্ধ আৰু হব নোৱাৰে। পত্নী গতি অৰ্দ্ধাঙ্গিনী, কাজেই এডোখৰ গলে বাকী ডোখৰৰ অসহায় থাকি লাভ নাই। সেই গুণে আগৰ দিনত 'সতী' শৈলি শেষত মেৰীক কয় "আপুনি যি আলপৈচানৰ কথা কৈছে সি আলপৈচান নহয়, ই নাৰীজাতিটোৰ এটা মনৰ ৰোগ, কাৰণ এই আলপৈচানৰ ভিতৰত তেওঁলোকে এনে এটা সুখ পায় যে তাক বুজাবলৈ টান। চাকৰক পহৰা দিয়ে কাম কৰে। ডাৰী ধমকি দি কাম কৰাব লাগে। নিজৰ তিৰোতাক ডাৰীধমকি দিব নালাগে, জোৰ কৰি কাম আদায় কৰিব নালাগে, ইয়াৰ সুন্দৰ পৰিপাটি ভাল নিজৰ গৃহস্থালি চলাব, যে আপুনি ভাবিব নোৱাৰে গিৰিয়েকৰ যত্ন লয়, আলপৈচান ধৰে, ইয়াত গিৰিয়েকে মিমান সুখ পায়, বৈধীয়েকে তেনে কৰি সংসৰ্গ গুণে বেছি সুখ পায়। চমুকৈ কবলৈ গলে আমাৰ ঘৰৰ মাইকী মানুহবোৰ একো একোজনী 'গৃহলক্ষ্মী'।"

ইহঁতৰ দুয়োহো কথাবাৰ্ত্তা শুনি ভাল লাগে। মই কেৱল সিহঁতৰ কথা শুনি যাওঁ। অৱশেষত দেখা গল যে মেৰীৰ পৰাজয় হয়, ইন্দ্ৰনাথৰ জয় হয়। এই ৰঙ্গ আমাৰ দিনবোৰ পাৰ হৈছিল।

এদিন মেৰীয়ে হঠাৎ মোক সুধিলে "ৰাক আপুনি নিশ্চয় মোৰ দেউতাক দেখিছিল, তেখেত হিন্দু আছিল নে নাই ক্ৰিশ্চিয়ান' আছিল—আপুনি যেতিয়া মোৰ আইক চিনিছিল, তেওঁকো চিনি পাইছিল? কওঁচোন তেখেত কোন আছিল?" মই চাঁক খাই উঠিলোঁ। হায় প্ৰভু কি সমস্যাতেই মোক পেলালা। মই তাইৰ এই কথা নকওঁ বুলিয়েই ভাবিছিলোঁ, তাই যেতিয়া জানিব যে তাইৰ কোনো সমাজতেই আজি স্থান নাই, তাইৰ পক্ষে বোধ হয় সেই আঘাত সহ্য কৰা টান হব। বহুত পৰ ভাবি দেখিলোঁ তাইক কোৱা উচিত, কাৰণ তাই এতিয়া ডাঙ্গৰ ছোৱালী, নিজৰ ভাল বেয়া বুজিব

পাৰে। তাইক বুকৰ ওভৰলৈ চপাই আনিলোঁ। লাহে লাহে এটি এটিকৈ সকলো কথা কেনেকৈ ৰমেণৰ লগত মোৰ দেখা সাক্ষাৎ হল, কেনেকৈ মাকক সমাজৰ ভয়ত ত্যাগ কৰি গুচি গল, কবলৈ আৰম্ভণ কৰিলোঁ। কেবল ৰাধা দিলো মোৰ নিজৰ কথাখিনি। তাই একাগ্ৰমনে মোৰ মুখলৈ চাই কথাবোৰ শুনি গৈ আছিল, মই যেতিয়া ৰ'লো তাই মোৰ বুকত মুখটো সুমাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। মুখৰ চুলি কেইডালত হাতফুৰাই দি কলো "যি জনক তুমি সেইদিনা বায়স্কোপত দেখিছিলা, তেৱেঁই তোমাৰ দেউতাৰা।"

"উঃ কি নিৰ্দ্দয় তেওঁ, মোৰ আইৰ নিচিনা মানুহক—"

পুনিকৈ দুই হাতে মুখ ঢাকি তাই আকৌ কান্দিবলৈ ধৰিলে।

* * * *

দিনে দিনে মেৰী বৰ গম্ভীৰ হবলৈ ধৰিলে। তাইৰ মুখৰে চালে বেজাৰ লগা হ'ল। মই কি বুলি যে তাইক শান্ত্বনা দিম ভাবি নাপালোঁ। তাইৰ এই কুমলীয়া বয়ত মাক মৰিল, তাৰ পিছত তাইৰ জীৱনৰ এই কৰুণ কাহিনী। তাইৰ সুন্দৰ মুখবনিত এটা বিষাদৰ চিন্ৰ আজি আছিল—হঠাৎ যেন তাঁৰ ছিগি যোৱা সুললীত ধ্বনিত হোৱা ধৰা বীণাবনিৰ মাত বন্ধ হ'ল।

তাই কলে, "ৰণক আমি হুদিনমান কৰবাৰপৰা ঘুঁৰি আহোঁগে, মোৰ আক কলিকতাথন ভাল লগা নাই। বুজিলো কিমান বেজাৰত তাই এই কথা কৈছে। হয়তো তাই আজি ইন্দ্ৰনাথৰপৰা আঁতৰি থাকিব খোঁজে। ৰাখিলো লেহেই হওঁক, তাই যদি অলপ মনত শান্তি পাব পাৰঁক। সুধিলো "কৈলে যাবি," "ৰণক অসমলৈ যাওঁ," বুলি তাই কলে।

ইন্দ্ৰনাথে হঠাৎ আমি কলিকতা এৰি যাবলৈ ওলোৱাত আচৰিত হল। মেৰীৰ ইন্দ্ৰনাথক দেখিলে যেন আনন্দ নাই। ইন্দ্ৰনাথেও বুজিলে যেন কৰবাত কিবা এটা বাধা পৰিছে। নৈৰ সৌত বৈ আছিছে কিন্তু কোনোবাখিনিত কোনোবাই যেন ভেটা দি তাক আনদিশে বোৱাই নিছে। আমাক তেওঁ কোনো কথা সুধিবলৈ বোধকৰো সাহ নকৰিলে। তেওঁ ষ্টেশ্বনলৈ আগবঢ়াবলৈ আহিছিল। ট্ৰেণ এবিলে, তেওঁ বহুত পৰ 'গ্ৰেটফৰ্ণ্ডৰ' ওপৰত ট্ৰেণ চকুৰ আঁতৰ নোহোৱালৈকে থিয় হৈ চাই আছিল। মেৰীয়ে আহিবৰ সময়ত "ভাল যাও এতিয়া' ইয়াৰ বাহিৰে আৰু একো নকলে; যি বহিলে বহিলেই। মঞ্চেই ইন্দ্ৰনাথক শেষ মুহূৰ্ত্তলৈ বিদায় সম্ভাষণ জনাইছিলোঁ। কোনে জানে কাৰ নিমিত্তে তেওঁৰ শেষ দৃষ্টি ট্ৰেণলৈ দিছিল!

মই যেতিয়া তাইৰ ওভৰ চাপি বহিলোঁহি, দেখিলো তাই চকু দুটা হাতেৰে মোহাৰিছে, কলে "চকুত কয়লা সোমাল"। চুকৰ পৰা পানী ওলাই টপ্ টপ্ কৈ মাটিত পৰিছে। তাই মোক ফাঁকি দিব খোজে, ইন্দ্ৰনাথৰ বাবে যে এই চুকৰ পানী, মই বেছকৈ বুজিলোঁ।

আমি নগাঁৱৰ জাহাজত যেতিয়া উঠিলোঁহি তেতিয়া ডোখৰী ডোখৰী ডাঁৱৰ মাজেদি সূর্য্যৰ বাঙ্গলি কিৰণ আহি ব্ৰহ্মপুত্ৰত পৰিছেঁহি। আমি দুয়ো জাহাজত উঠিলোঁহি। জাহাজ যেতিয়া নৈৰ মাজত, সুদূৰত থকা উমানন্দ আৰু উৰ্ব্বশীয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰিলে। এপিনে দেখিলোঁ কামাখ্যা মন্দিৰৰ চিক্‌মিককৈ অলিথকা সোণালী ৰঙৰণ কলচীটো—যেন এখনি হিন্দুধৰ্ম্মৰ বিজয় পতাকাহে। আপোনা আপুনি মোৰ হাত দুখন কপালত লাগিলেহি। মোক প্ৰণাম কৰা দেখি মেৰীয়ে সুধিলে "সেইয়া কি?" কলো "কামাখ্যা মন্দিৰ, মাজত সোঁত উৰ্ব্বশী আৰু উমানন্দ —ই হিন্দুৰ তীর্থ স্থান—যাক চাবলৈ বহুবি ভাবতৰ প্ৰায় সকলো ঠাইৰ পৰাই মানুহ আহে।" "ৰাক মোবো কি প্ৰণাম কৰিবৰ একো অধিকাৰ নাই।" "অধিকাৰ অনধিকাৰৰ একো কথাই নুঠে মেৰী—আমি সকলোৱেই এক ঈশ্বৰৰ সন্তান। কোনোৱায় বৈ গিৰ্জ্জাত তেওঁলে প্ৰাৰ্থনা জনাইছে, কোনোৱে গৈ মছজিদত জনাইছে বা কোনোৱে গৈ মন্দিৰত ফুল চন্দন লৈ তেওঁক

পূজা দিচ্ছেগে, কিন্তু ইয়ার মূল উদ্দেশ্য একে। কেহল প্রার্থনার নিয়মহে বেলেগ ধরণর। মন্দির বোলা, গির্জ্জা বোলা, মছজিদ্ বোলা এটাইবোবেই একোটা একোটা ধর্ম্মর অহঙ্কার প্রত্যেকর ওচরলৈ গলেই মনত এটা পবিত্র ভাব আহে, ভগবান যেন সকলোতেই আছে। প্রত্যেক জাতির বেলেগ ঈশ্বর নাই—সকলোবেই একেজন ঈশ্বর। মন্দির, গির্জ্জা, বা মছজিদ্‌ক আশ্রয় লৈয়েই মানুহে তেওঁক ভাবিবলৈ বা পাবলৈ চেষ্টা করে। ওবিয়াল নহলে নাও নচলে, ধর্ম্মর অনুষ্ঠান বিলাকেই একোডাল ওবি। যি ডাল ওবিয়েই তুমি ধরা, ভগবানক পাব পারা, কেহল লাগে একাগ্রতা। নিজর নিজর ধর্ম্মলৈ গৌৰব করা বেয়া নহয়। কিন্তু সেই বুলিয়েই যে চোলকোবাই "তোমাৰ ধর্ম্মবেয়া, মোৰ ধর্ম্মহে ভাল" তেনে কথা উচিত নহয়। এটাইতকৈ আচৰিত কথা ইয়াকে লৈয়েই মানুহ জাতিটোরে কটা কটি মৰামৰি করে। সকলো মানুহবেই ভগবানক প্রার্থনা করিবলৈ সমান অধিকার আছে। মানুহৰ তেজ মজ্জাৰ প্রভেদ নাই, আছে কেৱল আকৃতি আৰু প্রকৃতি লৈহে। আৰু আচৰিত কথা মেৰী, যে নিজৰ ধর্ম্মৰ ভিতৰতো মানুহে শ্রেণী বিভাগ করে। ক্রীষ্টিয়ান বিলাকৰ ভিতৰত দুই শ্রেণী "বোমান কাঠলীক" আৰু "প্রটেষ্টেণ্ট"। প্রটেষ্টেণ্ট বিলাকে বোমান কাঠলীকৰ বা বোমাণ কাঠলীক বিলাকে প্রটেষ্টেণ্টৰ গির্জ্জাত উপাসনা করিবলৈ অধিকাৰ নাই। মুছলমান বিলাকৰ ভিতৰতো তেনে শ্রেণী বিভাগ আছে—"চিয়া" আৰু চুনী" হিন্দুবিলাকৰতো কথাই নাই। যদি নিম্ন শ্রেণীৰ হিন্দু এটাই মন্দিৰৰ ভিতৰ সোমাই পূজা দিবলৈ আগ বাঢ়ে সি দিব নোৱারে, তাৰ নিমিত্তে মন্দিৰৰ দুৱাৰ বন্ধ, তাৰ অন্তৰত যিমানেই ভাল পোছা, ভক্তি আগ্রহ থাওক,—কাৰণ সি নিম্ন শ্রেণীৰ। পুৰোহিত উচ্চ শ্রেণীৰ মানুহ তেওঁৰ অতীত বা বর্ত্তমান জীৱনৰ ইতিহাস যিমানেই জঘন্য হওঁক তাক মানুহে আওকাণ করে। ইপিনে সেই নিম্ন শ্রেণীৰ মানুহটোরে যিমানেই পবিত্র জীৱন যাপন নকৰ'ক যিমানেই অন্তৰত ভক্তি লৈ পূজা দিবলৈ আহক তাৰ নিমিত্তে মন্দিৰৰ দুৱাৰ কন্ধ। এইবোৰ কিহৰ বাবে জানা মেৰী? কোন অজ্ঞানতাৰ বাবে; জানেই ছৈছে আচল ধর্ম্ম। অজ্ঞানতাৰ বাবে মানুহৰ মনলৈ ঠেকতাৰ আনে, আৰু সিয়েই ছৈছে বহু জাতিৰ অনিষ্টৰ মূল।" আমাৰ কথাবার্ত্তাত বাধা পৰি ঢং ঢং কৈ ঘণ্টাৰ কোবত বুজিলো জাহাজ আহি গাঁও লাগিছেহি। জাহাজৰ পৰা নামি ঠিক কৰিলোঁ—বিন্ধ্যেশ্বৰী যাম।

ৰিণ্ডৰ বাটত। মটৰত আহোঁতে মেৰীয়ে প্রশ্নৰ ওপৰত প্রশ্ন কৰিবলৈ ধৰিলে—"সোঁৱা হি এইখন নৈৰ নাম কি? সেইটো কি পর্ব্বত ইত্যাদি। লাগিল, মই প্রশ্নৰ উত্তৰ দি আমনি পোৱা নাছিলোঁ। এঠাইতে কিছুমান মাইকী মানুহ আৰু ছোৱালীয়ে মাছ ধৰিছিল। মটৰ বৰাই তাহি মাছ ধৰা চাই নামি পৰিল। আমাক নমা দেখি ছোঁৱালী কেইজনী অলপ লাজ পালে, কিন্তু সিইঁতৰ মাছ ধৰাৰ উৎসাহ নকমিল। কেৱল ইজনীয়ে সিজনীয়ে ফিচিকা ফিচিকি মাজে মাজে খিল্ খিল্ কৈ হাঁহি উঠিছিল। সেই আকাৰে ইঙ্গিতিবে, আধা ভঙ্গা অসমীয়া হিন্দিবে তাইহঁতে কথা পতা দেখি বৰ বৰ লাগিছিল। অলপ ওচৰ কিছুমান মানুহে কঠিয়া পাৰিছিল। মেৰীয়ে সুধিলে "সেয়া মানুহবোৰে কি কৰিছে?" কলো "বানৰ দেখি কৰিছে"। তাই আগেয়ে কেতিয়াও কলিকতাৰ বাহিৰ কৰোঁ। বাহিৰ হোৱা নাছিল। এইবোৰ দেখি অবাক হল। মটৰত উঠি তাই কলে "অ' মইও মাছ ধৰিবলৈ পালোহেঁতেন। ইইঁতেই বোধকৰো সকলোতকৈ সুখী মানুহ, আমাৰ নিচিনা ইইঁতৰ কোনো কষ্ট নাই" কলো "কেনেকৈ জানিব? 'নহলে এইবেৰে হাঁহি থিকিন্দালি মাৰি মাছ ধৰিবলৈ আহেনে? আৰু আচৰিত ইহঁতৰ স্বাস্থ্য দেখিলে লোভ লাগে, ইহঁতৰ বাস্তবিকতে গাঁৱলীয়া মানুহবোৰ বৰ সুখী! আঃ যদি সদায় গাওঁত থাকিবলৈ পালোঁহেতেন!"—ই উত্তৰ দিম! তাইৰ ইহঁতক দেখি বৰ লাগিছে, মোৰ

বৰাৰ লাগিছে। কি দুৰবস্থা এই গাঁৱলীয়া মানুহবোৰৰ! ইতি দেখিলো এজনী মাইকী মানুহে এটা পুখুৰীৰ পৰা গৰুত ভৰাই পানী নিছে—সেই পানী ব্যৱহাৰৰ অনুপযুক্ত হে এই পানীতেই সিইঁতেকৈ খাবলৈ। বাট পদুলিৰ ফালে বেয়া লাগে, বোকা আৰু হাবিবে দুই দাঁতি ভৰা। বাহৰ বাহিবে বোধকৰো পৃথিবীৰ অন্যন কোনো দেশত গাঁৱলীয়া মানুহৰ এনে দুৰবস্থা নাই। আজি ইহঁতকে মোৰ দুঃখ লাগিল এই মানুহবিলাকৰ লৰা-ছোৱালীৰ শিক্ষাৰ ব্যৱস্থা দেখি। হায়! কি শিক্ষাই ইইঁতক দিছে। বাটত যি দুটা এটা স্কুলঘৰ দেখিলোঁ, দেখিলে দুঃখ লাগে, বেজাৰ লাগে, চকুৰ পানী ওলায়। ঘৰ নাই বহিবলৈ ভাল ব্যবস্থা, নাই ঘৰটোত বেৰ চাল। ঘৰে ভাত পঢ়াইছে ভাগবানেহে জানিছে! কোনো সভ্য দেশত বোধকৰো লৰাছোৱালীৰ শিক্ষাৰ এনে অৱহেলা নকৰে। অথচ এই লৰাছোৱালীৰ ওপৰতেই দেশৰ ভবিষ্যত নির্ভৰ কৰিছে। দুখীয়া গুণে ইইঁতৰ বাবে একোও নেভাবে। মুবৰ ঘাম ভৰিত পেলাই ইইঁতে মাজে মাজে খিল্ খিল্ কৈ হাঁহি উঠিছিল। মেৰী প্রিয় কৰি, আৰু সেই পবিত্রময় ফলৰ বেছি অংশ আকাৰে ইঙ্গিতিবে, আধা ভঙ্গা অসমীয়া হিন্দিবে তাইহঁতৰ কবি ধনীবিলাকে, অথচ এই ধনীবিলাকে এই কথা পতা দেখি বৰ বৰ লাগিছিল। অলপ ওচৰ দুখিলাকৰ বাবে অলপো নেভাবে। কিন্তু এই কিছুমান মানুহে কঠিয়া পাৰিছিল। মেৰীয়ে সুধিলে দুখিলাকে যদি কয় আমি আমাৰ পবিত্রময় ভাগ তহঁতক "সেয়া মানুহবোৰে কি কৰিছে?" কলো "বানৰ দেখি দিব, বোধহয় ধনীবিলাক পেপুৱা লাগি মৰিব! ভাবো কৰিছে"। তাই আগেয়ে কেতিয়াও কলিকতাৰ পথত এই দুৰবস্থাৰ বাবে দায়ী কোন? মেৰীয়ে অনমত বোধ কৰোঁ। বাহিৰ হোৱা নাছিল। এইবোৰ দেখি মোৰ এটা ভাল ধাৰণা হৈছে, তাই গাঁৱলীয়া জীৱনৰ অবাক হল। মটৰত উঠি তাই কলে "অ' মইও বিষয়টো দেখি বৰ পাইছে কিন্তু ভিতৰটো তাই নেদেখিলে। এনেকৈ মাছ ধৰিবলৈ পালোহেঁতেন। ইইঁতেই বোধকৰো সেইটো জনাইও তাইৰ ধাৰণা বদলাবলৈ ইচ্ছা সকলোতকৈ সুখী মানুহ, আমাৰ নিচিনা ইইঁতৰ মন- কৰিলোঁ, হয়তো তাই দুঃখ পাব পাৰে।

৬

ৰিণ্ড পাহাৰৰ প্রাকৃতিক সৌন্দর্য্যত মেৰী ভোল গল। ই ৰিণ্ড এনে ঘুনীয়া ঠাঁই হব বুলি আগেয়ে হেনো শোনেতা ভবা নাছিল। তাইৰ ইয়ালৈ অহাৰ পৰা মনৰ এটা পৰিবর্ত্তন দেখিলোঁ, অইন নহলেও বাহিৰে যেমানি কবি ফুঁবিছিল, বাস্তাৰ পৰা মাতি

আনি সৰু সৰু খাচীয়া লৰা ছোৱালীবোৰৰ লগত বেছ ধেমালি কৰি ফুবিছিল—নিইতক "নজেন্স" ঘুৰাই খাচীয়া মাত দুটা এটা শিকি লৈছিল। ওচৰৰ ঘৰত থকা এগৰাকী অসমীয়া ভদ্র মহিলাৰ লগত তাই মিতিৰালি কৰিও পেলালে।

সেই দিনা 'ৰব' বজাৰ। গধূলি বেলিকা আমি দুয়ো বজাৰ চাবলৈ ওলালোঁ। বজাৰটৈ উঠিছোঁ, এনেতে দেখি আচৰিত হলোঁ—এহাতে এখন ফটাকানিত বন্ধা 'বিল হি বেঞ্জেনা, আৰু 'কোৱাচৰ' টোপোলা এটা আৰু আনহাতে এটা মাছৰ মুৰ আৰু এটুকুৰা মাছ হাতত ওলোমাই ইঞ্জনাথ নামি আহিছে। লগতে সৰু চাকৰৰ লৰা এটাই বৈলা এটাত কিবা ভবাই লৈ পাছে পাছে আহিছে। আমাক দেখি তেওঁ অবাক হৈ বৈ গ'ল। মই আচৰিত হৈ সুধিলোঁ "তুমি ইয়ালৈ কেতিয়া আহিলা?" কলে "পৰহি আহিলোঁ, কলেৰ বন্ধ—গৰমৰ বন্ধ, কিন্তু আপোনালোকে যে ইয়ালৈ আহিব ভবা নাছিলোঁ। আপোনালোকৰ খিলঞ কেনে লাগিছে, ? মোৰ হলে খিলঞ বৰ ভাল লাগে।" অলপ বৈ মেৰীৰ পিনে চাই কলে, "আচ্ছা আপুনি মোক দেখি ইমান গম্ভীৰ হ'ল কিয়—আহিবৰ সময়তো মোৰ লগত ভালকৈ কথা এটাও নকলে যেন মই কিবা এটা জগৰহে লগালো।—ক'তা মইতো তেনে কৰা মনত নপৰে"—কৈয়ে মিচিক কৰে হাঁহি এটা মাৰিলে। মেৰী বজাচ্ছা পৰি কলে "নাই—নাই একো জগৰ লগোৱা নাই।" মই কথা ঘুৰাবৰ বাবে সুধিলোঁ "মাছ কিমান দি কিনিলা?" "গোটেই খিনিত এটকা, ইয়াত মাছৰ বৰ দাম। আপোনালোক বজাৰ চাবলৈ আহিলেনে নাই কিবা কিনিবলৈ আহিলে? বলক কিবা কিনে যদি কিনি দিওঁগে।" কলো "নহয় আমি বজাৰ চাবলৈহে আহিলোঁ" মেৰীয়ে মাত লগাই কলে "আপুনি কেনে মিছাকৈ কষ্ট কৰি আমাৰ লগত ফুবিব লাগিছে—মাছৰ বোজাটৈ দুঃখ পাব।" "ই—ইস্! এইটোনো কিমান গধুৰ হব; ইয়াতকৈ কিমান গধুৰ গধুৰ বস্তু টৈ ফুবোঁ।" বুলি কৈ মাছ খিনি ডাঙ্গি দেখুৱালে। "হবৌ বাপুৰাম! সৌ বৰকাৰৰ দোকানত বস্তুটো বৈ

আছেগৈ, আৰু মোৰ হাতৰ পৰা বস্তুখিনি লৈ যাহি,—মাছ আৰু পাছলিখিনি ঘৰত দি আহি তাৰ পিছত বস্তুটো লৈ যাবিহি, ঘৰত কবি মোৰ অলপ দেবি হব, বুজিছ"—"বুজিছো দেউতা" বুলি সি বস্তুটো বৈ আহি মাছখিনি আৰু টোপোলাটো লৈ গলহি। আমি তিনিও বস্তাৰ ভিতৰত সোমালো।

ঘুবি আহোতে ইন্দ্রনাথে কলে, "মই আপোনালোক ইয়াতৈ আহিব বুলি ভবা নাছিলোঁ, আপোনাৰ অফিচলৈ গৈ খবৰ কৰিলো, তাত কোনেও কব নোৱাৰিলে আপুনি ক'ত আছে, কেৱল কলে আপুনি তিনি মাহৰ ছুটী লৈছে—ভাল হ'ল মোৰো এইবাৰ বন্ধুটো ভাল ভাবে কাটিব। মই ইয়াত মামাৰ লগতে আছোঁ—মোৰো মামাৰ বাহিৰে সংসাৰত আপোনাৰ বুলিবলৈ আৰু কোনো নাই। বৰ বিপদ ঘুমুহাৰ ওপৰলৈ মানুহ হৈছোঁ। সকতেই আই-বোপাই ঢুকালে—আজি আৰ ওচৰত হাত পাতোঁ কালি তাৰ ওচৰত হাত পাতোঁ এই দৰে জানিবা, বি-এ টো পাছ কৰিলোঁ, এম-এ টো বোধ হয় আৰু হৈ ওঠিবগৈ। মামাকো দিগদাৰ দিবলৈ ভাগ নেপাওঁ নিজৰো বহুত লৰাছোৱালী—এই কেইদিন, ইয়াত থকা বাবে বোধকৰো বহুত জুলুম দিব হব"—বুলি কৈ হাহা কৈ হাঁহিবলৈ ধৰিলে—কিন্তু বুজিলোঁ ই হাঁহি নহয় ই অন্তৰৰ কৰুণ বিননি! নিমাত বৈ খোজ কাঢ়ি তিনিও আহি আছোঁ, এনেতে আকৌ তেওঁ কলে "সকবে পৰা মৰম স্নেহ কাক বোলে নেজানো, থোৱা বুলি কোৱা বোলোঁতাও কোনো নাই, কেৱল তেখেতেহে কেতিয়াবা কয়"—বুলি মেৰীলৈ মুৰ ডাঙ্গি চাই আকৌ সেই হাঁহি! কি কৰুণ হাঁহি। মেৰী গোটেই বাস্তা নিমাত। আমাক আগবঢ়াই দৈ ইন্দ্রনাথে বিদায় লব খুজিলে, মেৰীয়ে মুৰ ডাঙ্গি তেওঁক বিদায় সম্ভাষণ জনালে—বাস্তাৰ চাকিৰ উজ্জ্বল পোহৰ আহি তাইৰ মুখত পৰিলহি—চকুকেইটা যেন দুদুলুমীয়া হৈ উঠিছিল।

আজি এই লৰাটিয়ে মোক মুগ্ধ কৰিলে। তাৰ খোলা অন্তৰ,নিজৰ দৰিদ্রতা ঢাকিবলৈ চেষ্টা নকৰিলে। মাছ হাতত লৈ আমাৰ আগত ওলাবলৈ অলপো যেন লাজ নকৰিলে।

পিছদিনা বাতিপুৱা উঠি দেখো মেৰী তেতিয়াও উঠা নাই। আচৰিত হলো, কাৰণ তাই সদায় মোৰ আগে উঠে। ওচৰলৈ গৈ দেখো তাই বিছনাত চটঙ্গীয়া আছে—কপালত হাত দি দেখো—ইস্! জ্বই যেন গা বুকুখন কঁপি উঠিল, ওচৰৰ চকী এখনত বিষ্ণু হৈ বহি পৰিলোঁ। এই বিদেশত অকলশৰীয়া মানুহ, কি হব এতিয়া। তাইক উঠা আহি কেবাবাৰো মাতিলোঁ, হাঁ নাই। বহি ভাবি আছোঁ, এনেতে ইন্দ্রনাথ আহি পালেহি। মই যেন এওঁকেই আশা কৰি আছিলোঁ, অকূল কূল পালোঁ।

ইন্দ্রনাথে তৎক্ষণাৎ ডাক্তৰ মাতি আনিলেগৈ, ডাক্তৰে চাই কলে—"ভয় নাই, কিন্তু সাৱধানে থাকিব, ইয়াত একেকুৰা জৰ প্রায়বোৰ মানুহৰ ঘৰে ঘৰে হৈছে—এৰ অৱশ্য দৰবতকৈ শুশ্রূষাহে বেছি দৰকাৰ—" লাহেকৈ কলে "মাইল্ড, টাইফয়েড্"।

ইন্দ্রনাথৰ শুশ্রূষা—এনে শুশ্রূষা মানুহে মানুহক কৰিব পাৰে বুলি মোৰ ধাৰণা নাছিল। এই ছটঙ্কীয়া হাঁহি মুখৰ লৰাটোৱে যে ইমান গম্ভীৰ আৰু ধীৰ হৈ একাস্তমনে ৰোগী প্রতিপাল কৰিব পাৰিব তাকো নাছিলোঁ। মেৰীৰ লগত তাৰ যেন তেজ মজ্জাৰহে সম্বন্ধ। মই যি কেতিয়াবা কওঁ "ইস্, তুমি শোৱাটৈ" উত্তৰ দিয়ে "আপুনি বুঢ়া মানুহ কাইটে থাকিব, মই আজি থাকো কাৰণ ডাক্তৰে—আজি—" মই নেমাতি ওচি আহো কিন্তু এই 'কাইটে' যে কিমান দিন গল তাৰ যেন নাই। বুজোঁ তেওঁ মোৰ তালাপিত বিশ্বাস নকৰে। কেতিয়াবা যদি অলপ শোৱেগৈ আকৌ অলপ পিছত উঠি আহি কয়, আপুনি শোৱকগৈ"—তাৰ চকুকেইটালৈ চাই মই ধৰিব পাৰো যেন তাৰ নিজৰ প্রাণতকৈও মেৰীক সি ভাল পায়, মানুহৰ অলক্ষিতে এনে এটা শক্তিয়ে মানুহৰ মনৰ ভিতৰত আহি কেতিয়াবা কাম কৰে তাক মানুহে বুজিব নোৱাৰে। কোনে তাক পৰিচালনা কৰে তাকো নুবুজে। ইন্দ্রনাথৰ লৰালি মূর্ত্তি আৰু আজিৰ এই দৃঢ় ধীৰ স্থিৰ মূর্ত্তিৰ ভিতৰত যেন আকাশ পাতাল প্রভেদ! ডাক্তৰে কয় এনেই শুশ্রূষা কৰা মানুহ কম।"

৭

মেৰী দিনে দিনে আৰোগ্যৰ পথলৈ আহিছে। মই সেই দিনা নিশ্চিন্তহে খাইবৈ শুবলৈ গলোঁ। ইন্দ্রনাথে ৰাইৰ ওচৰতে বহি আছে। মোৰ অলপ চকা-মকাকৈ তোলনি আহিছে হঠাৎ মেৰীৰ মাততে সাৰ পালোঁ, তাই কৈছে "আপুনি মোৰ ওচৰৰ পৰা ওচি যাক—কি লাভ আপোনাৰ মোৰ ওচৰত দিনে ৰাতিয়ে এইদৰে বহি থাকি। কিয় আপুনি মোৰ পাছে পাছে এই দৰে ঘুৰি মোক বলিয়া কৰিছে"। ম'ক আপুনি, নেলাগে আপোনাৰ শুশ্রূষা কোনে বিচাৰিছে—যাক যাক—উঃ কি হিংহ ইয়াতকৈ যদি মোক ডিঙ্গিত চেপি মাৰি থলেহেঁতেন" বুদিকৈ তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। ইন্দ্রনাথে বোধকৰো তাইৰ কথা শুনি আচৰিত হৈছিল—ক্ষত পৰ নিমাত হৈ থাকি কলে 'আপুনি কান্দিছে কেনে হে মোৰ জ্ঞান বিশ্বাস মতে আপোনাক কেতিয়াও বেজাৰ দিয়া নাই, আপুনি যদি ভাবে মই কিবা দোষ কৰিছোঁ মোক ক্ষমা কৰক, আপুনি যদি মোক আপদ বুলি ভাবিছে মই নিশ্চয় আপোনাৰ ওচৰৰ পৰা আঁতৰি যাম, কিন্তু মই কি অপৰাধ কৰিছো? উঃ কি নিষ্ঠুৰ আপুনি।" বহুত পৰ পিছত, আকৌ কলে "মই দুখীয়া, অকল ধন লোভেই নহয় ঈশ্বৰে মোক চাৰিওপিনে দুখীয়া কৰি থৈছে। আই বোপাই ভাই ভনী কোনো নাই, মৰম মাত এষাৰ দিবঁতাও কোনো নাই। শেষত আপুনিও আজি মোক—ইইতো আপোনাৰ পৰা একো নিবিচাৰো কেৱল আপোনাৰ অলপ মৰম স্নেহ দিব, সেইয়েই যথেষ্ট, মই মৰহে কঙ্গাল, ধনসোণৰ নহয়।

"তাত আপোনাৰ লাভ, ?"

"লাভ !!—লাভ একোৱেই নাই, কেৱল সি অন্তৰৰ দুখী, যাক মুখেৰে কবলৈ টান, অন্তৰখনেই কবিব পাৰি—মেৰী! তুমি মানানা মোৰ অন্তৰৰ কিমান খিনি ঠাই ধৰিৰ কবি আছা, মোৰ এই দুইতাৰ বাবে ক্ষমা কৰিবা, মোৰ কোনো গুণ নাই যে মই তোমাক পাবলৈ আশা কৰিব পাৰোঁ।"

"আপোনালোকৰ ডাঙৰ কথাহে, কাম নহয়। পাবিবনে আপুনি মোক বিয়া কৰাব? আপুনি জানে মোৰ আইৰ জীৱনৰ ইতিহাস কেনেকুৱা আছিল! যাক আপুনি আজি মোৰ বোপাই বুলি জানিছে, তেওঁৰ মই তোলনীয়া কন্যাহে। মোৰ আই-বোপাইৰ কোনোদিনও সামাজিক ছিটাৰে বিয়া হোৱা নাছিল। পাৰিব—পাৰিব এতিয়া মোক বিয়া কৰাব পা"—একে উশাহে ইমান বোৰ কথা কৈ মেৰী ভাঁগৰীয়া পৰিছিল। ইন্দ্রনাথে বোধকৰো তাইৰ ওচৰ চাপি গল, লাহে লাহে কলে, 'মেৰী, তোমাৰ আইবোপাইৰ কোনো কথা মই নেজানোঁ, জানিবলৈ কোনো দিন ইচ্ছাও নকৰোঁ—তেখেত সকলৰ জীৱনৰ ইতিহাস যিমানেই বেয়া হওক তাত মোৰ লাভ লোকচান নাই। তোমাৰ ভাল বেয়াৰ লগতহে মোৰ সম্বন্ধ—তুমি নিষ্পাপ, সুন্দৰ, পবিত্র এইহে মই জানো। মোৰ যদি ভাৰ তুমি লোৱা, তুমি দেখিবা মই দুখীয়াৰ পৰা একো নেপাওঁ জীৱনৰ শেষ মুহূর্তলৈকে মৰম স্নেহৰ পৰা তুমি বঞ্চিত নোহোৱা—এই দুখীয়াকো ঈশ্বৰে এখন অন্তৰ দি সৃজিছে তুমি যি ভাবেই মোক গ্রহণ কৰা, হিন্দুমতেই বা খৃষ্টান মতেই মোৰ আপত্তি নাই, কাৰণ মই কোনো সমাজকেই ভয় নকৰোঁ, সংসাৰত সমাজবোৰ কেৱল টকা পয়সা লৈছে, মই দুখীয়া মোৰ কোনো সমাজ নাই।"

"মোক ক্ষমা কৰক, মইও ইমানদিনে ভুল বুজি অকল নিজেই কষ্ট পোৱা নাই। আপোনাকো দিছোঁ। মইও আপোনাৰ অনুগতুক, মোৰো যে দুৰাশা—আপোনাক পোৱা—"

ইইতৰ এই মিলনত যে ঠিক ওচৰৰ কোঠাটোত মোৰো যে সিহঁতৰ অলক্ষিতে চকুলো বৈ আহিছিল। সিহঁতে নেজানিলেও, নেদেখিলেও, কাৰ নিমিত্তে কিহৰ বাবে।

* * * * *

পিছদিনা বাতিপুৱা উঠি দেখিলো সিহঁতৰ দুয়োৰো টোপনি—সূর্য্যৰ বাঙলি বৰ্ণিয়ে খিৰিকীৰে ভেৰ কৰি আছি মেৰীৰ চকুলো বৈ শুকাই থকা গাল দুখনত পৰিছেহি, যেন কোনোবাই মুহূর্তাকে পেলাই তাইৰ গালত পিঞ্চাই দিছেহি। ওচৰতে ইন্দ্রনাথে পালেন্ধখনত মুৰ দি হাত

এখন মেৰীৰ কপালত থৈ নিশ্চিন্তমনে টোপনিত অচেতন মুখত যেন গভীৰ তৃপ্তিৰ ৰেখা বিৰিড়ি পৰিছে। সিঁহতৰ এই মধুৰ সুন্দৰ পৱিত্ৰ মিলনত ব্যাঘাত দিবৰ মন নগল, উলটি আহিলো।

কলীয়া ডাঁৰৰৰ বলীয়া ধুমুহাৰ পাছত নীৰৱতা।

* * * * *

* * * * ষ

মেৰী ইঞ্জনাথৰ বিয়া হিন্দুমতে পাতিছোঁ, কাৰণ মেৰীয়ে হিন্দুমতে হব লাগে বুলি ইচ্ছা কৰে। কলিকতাতেই পাতিছোঁ। বমেণলৈ বিয়াৰ দিনা আমি বলৈ লেখিলোঁ—"জনালোঁ যে তোমাৰ কন্যা মেৰীৰ বিয়া তুমি আহি বিয়া দিব লাগে। যি জনী ছোৱালী বায়স্কোপলৈ আহোঁতে মটৰত দেখিছিলে সেইজনী মেৰী।"

বিয়াৰ দিনা বমেণ নাহিল, অইনকি চিঠিখো উত্তৰ নিদিলে। কোনে জানে কেতিয়া তাৰ উত্তৰ আহিব।

———

সোঁৱৰণী

কবিতা— —এম, ইক্ৰাম আলি হাজৰিকা

দেহি ঐ! নাৱৰীয়া মাতিছো তোমাক
নচপাবা নাও ইথাটত,
অতীতৰ সোঁৱৰণী পৰিলে মনত
শক্তি শেল বাজিব হিয়াত।
ইয়াতেই বহি মই কতনা সন্ধিয়া,
কটালোহে কতনা সুখত,
বিপুল আবেগ ভৰা প্ৰণয়ৰ সুৰ
শুনি শুনি প্ৰিয়াৰ মুখত।
মুদিছিলোঁ দুটিচকু প্ৰিয়াৰ কোলাত,
মাৰ গলে ৰঙচোৱা বেলি
ৰচি লই সেউজীয়া বনৰ মাজত,
মিলনৰ শেৱালী শেতেলি।
টোপনিত সাৰ পালে চকামকা কই
মেলি দিওঁ হাত দুটি নই,
কাষত চপাই লওঁ জীৱনৰ তৰা
সপোনত কিজানি হেৰাই।
দুৰণিত শুনা পালে চাকৈ চকোৱাৰ
বিৰহৰ কৰুণ আৰাও,
বিচ্ছেদ আশঙ্কা কৰি, সাদৰীক মোৰ
টানি আনি কাষত চপাও।

ইদৰেই কত কবি ৰাখিছিলোঁ মই,
মোৰ সেই জীৱনৰ জ্যোতি,
থাপিছিলোঁ অন্তৰৰ প্ৰেম মন্দিৰত,
তেওঁৰেই লাৱনী মুৰতি।
কিন্তু হায়! এনে দৰে থাকোতে এদিন,
ভাগি গল সুখৰ সপোন।
আঁতৰিল সোণ মোৰ কাষৰ পৰা,
ছিণ্ডি গই মায়াৰ বান্ধোন।
এই ঘাট চাপি আজি পৰিছে মনত
অতীতৰ কতনা ঘটনা,
দুনাই মনত উদি হেকৰা ছবিটি
বিষাদৰ কৰিছে বচনা।
ইদৰে সুমবি যদি অতীতৰ স্মৃতি,
ইয়াতেই ৰও কেতে পৰ,
বেদনাৰ বাণে মোৰ বিদ্ধিব শৰীৰ
প্ৰাণ হব অধিৰ অধিৰ
সেই দেখি নাৱৰীয়া মাতিছো তোমাক
এবিচোন দিয়া নাওখন
অতীত সমাধি সাধি সলিল গৰ্ভত
পাতলাও মনৰ যাতনা

নঙ্গ পৰ্ব্বত অভিযান

— শ্ৰীযুত বঘুনাথ দেৱ চৌধুৰী বি-এ

হিমালয়ৰ ওখ টিং গোৰীশঙ্কৰ, কাঞ্চন জঙ্ঘা আৰু নঙ্গপৰ্ব্বত জয় কৰিবলৈ পৰ্ব্বতাৰোহণকাৰী সকলৰ প্ৰবল বাহা কিয়? পৃথিবীত কত ঠাই আছে কত পৰ্ব্বত আছে তথাপি সিহঁতে এবিও হিমালয়ত মৃত্যু অন্বেষণকাৰী দুজিও কিহৰ আশাত বাৰে বাৰে আমাৰ হিমালয় পৰ্ব্বত আক্ৰমণ কৰি যোৱাৰ পৰ্ব্বতাৰোহণ কাৰী সকলে জীৱন উৎসৰ্গা দিয়ে। অজেয় জয় কৰিবৰ নিচাতে পৃথিবীৰ উচ্চতম পৰ্ব্বতৰ উচ্চতম সুমেৰুৰ উঠি বিজয় নিচান উৰুৱাই তেওঁলোকৰ বাঞ্ছা।

এই পৃথিবীৰ উচ্চতম স্থানলৈ তাৰ সীমা সংখ্যা নাই। মনোবাঞ্ছা কেতিয়া পূৰ্ণ হব? পৰ্ব্বতাৰোহনকাৰী সকলৰ কিন্তু তেওঁলোকৰ বিশ্বাস যে, এদিন নহয় এদিন পৃথিবীৰ সৰ্ব্বোচ্চ শিখৰত আৰোহণ কৰি প্ৰকৃতিৰ শান্তিময় কোলাত বিজয় শঙ্খ বজাব। মোৱা দহ বছৰৰ ভিতৰত ইংৰাজ অভিযাত্ৰী সকলে গোৰীশঙ্কৰ টিঙত উঠিবলৈ চাৰিবাৰ চেষ্টা কৰিছে। দুটা জাৰ্ম্মাণ দল আৰু এটা অন্তৰ্জাতিক দলে কাঞ্চন জঙ্ঘা অভিযান কৰিছিল; কিন্তু সকলোৰে চেষ্টা বিফল হ'ল।

হাৰ উইলি মাৰ্কল—জাৰ্ম্মাণ অভিযানৰ নেতা। এই যাত্ৰাত তেওঁৰ জীৱনৰে সাংঘাতিক পৰিছল

হাৰ আৰ্ণাল্ড ৰাইনেল্ড—অভিযানৰ অন্যতম নেতাৰ। তেওঁৰো মৃত্যু হৈছে।

ডাঁ ৰেলফনৰাক—আন এজন অভিযানৰ উদ্যোগী নেতৃৰ। তেৱো মৃত্যুমুখত পৰিছে।

বা নাই। অথচ কত লোকৰ এই কামতে জীৱন ৰক্ষন দিছে আৰু কত আৰোহীৰ পৰিশ্ৰম ব্যৰ্থ হৈছে

শ্ৰীনগৰৰ উত্তৰতে নঙ্গপৰ্ব্বত টিং (২৬, ৬২৯ ফুট)। এই নঙ্গ পৰ্ব্বত অভিযাত্ৰী দল অলপতে ব্যৰ্থ হৈ ফিৰি আহি

কলিকতাৰ হিমালয়ান ক্লাবৰ উদ্যোগত পতা সভা এখনত নঙ্গপর্ব্বত অভিজ্ঞতা সম্পর্কে তেওঁলোকৰ এজনে বক্তৃতা দিয়ে।

৩ নং বাহৰ খুলিৰ দৰে বৰফৰ মাজত ১৯,০০০ ফুট ওপৰত এই বাহৰ সজা হৈছিল।

১৯৩২ চনত বিখ্যাত জার্ম্মাণ অভিযাত্রী উইলি মার্কলে নঙ্গপর্ব্বত জয় কৰিবলৈ চেষ্টা কৰে। এওঁৰ আগতে ১৮৯৫ চনত মামবিয়ে প্রথমতে ইয়াত উঠিবলৈ চেষ্টা কৰে। সেই কালত তেওঁৰ সমকক্ষ পর্ব্বতাৰোহণ কাৰী নাছিল বুলিলেই হয়। তেওঁ দুজন গুৰ্খা অনুচৰ লগত লৈ দিয়া মিৰাই গিৰিসঙ্কট বা "পাচ" ৰ পথ অবলম্বন কৰি ওপৰৰ ফালে উঠিবলৈ অগ্রসৰ হয়। প্রায় ২০ হাজাৰ ফুট ওপৰলৈ উঠাৰ পিছতেই ঠেৰেঙা লাগি নামি আহিবৰ বাধ্য হয়। দিয়ামা 'পাচ' পাৰ হব ধৰোঁতে মৃত্যু মুখত পৰে। গতিকে প্রথম চেষ্টা ফলহীন নহল।

১৯৩২ চনত উইলি মার্কলে এই পাচৰ উত্তৰ ফালেদি অর্থাৎ বাখিৰং নদীৰ 'পাচে' ৰে নঙ্গপর্ব্বত আৰোহণৰ চেষ্টা কৰে। অবর্ণনীয় দুখ কষ্টৰ মাজেদি ২৩,০০০ ফুট ওপৰলৈ উঠিবলৈ সমর্থ হৈছিল। কিন্তু বৰফৰ ধুমুহা সহ্য কৰিব নোৱাৰি আৰোহণ ত্যাগ কৰি নামি আহিল। তেওঁ মনত আশা বাখিলে যে এই পর্থেৰেই নঙ্গপর্ব্বতত উঠিব নিশ্চয় পাৰিব। ১৯৩৪ চনত আকৌ আহি ঠিক কৰি নিজ দেশলৈ ফিৰিল। এইবাৰ মুনস্থ কৰি অভিযান আৰম্ভ কৰিলে, উঠি গৈ ২৬, ফুটৰ ২৬০০০ ফুট ওপৰলৈ উঠিল। কিন্তু কি দুর্ হিমালয়ে বাকী মুঠে ৬২৯ ফুটো উঠিব নিদিলে। বাৰো হিমালয়ৰ ওচৰত পৰাভূত।

দলপতি আছিল উইলি মার্কেলেই। তেওঁ বৰফ বৰকমৰ আয়োজন আৰু উৎসাহৰ ত্রুটি কৰা নাছি তেওঁৰ আগৰ অভিযানৰ পৰা বুজিছিল যে চূড়ীয়া স্পর্শা অনুচৰেহে তেওঁলোকৰ লগত উঠিব পাৰি গতিকে ৩৫ জন এই দুই জাতীয় অনুচৰ সংগ্রহ কৰি উইলি মার্কলৰ সঙ্গী সকলৰ নাম দিলে বুজাত বৰফ সুবিধা হব। তেওঁলোকৰ নাম ক্রমে অধেনব্রে বেকটণ্ড (দলৰ ফটোগ্রাফাৰ), ড্রেয়ল, মুৰেলব্রিৰাৰ, ট্রে ব্লেল্‌জেন্‌বাক, উইলি ব্রাইলাণ্ড; ডাক্তৰ আছিল ট বার্গার্ড আৰু কার্য্য পৰিচালক আছিল হিয়াবোমি

২ নং বাহৰ ১৬,৭০০ ফুট ওপৰত নঙ্গ পর্ব্বতৰ টিংৰা ২০,০০০ ফু এই বাহৰ অৱস্থিত।

আংস্তাৰিং, আক হাৰ আৰউইন্ ষ্ট্রেইদাৰ (অভিযান হিমালয়ান ক্লাবৰ বক্তা) ভূতত্ত্ব বিদ ফিলিয়াম্‌

ভূগোলবিদ মিঃ, ভূসংস্থানবিদ বাচেল্; ইংৰাজ অফিচাৰ কনো আছিল—এজন কেপ্তেইন ক্রিয়াৰ (১৯৩২ চনৰ বৰফ গৰ্য্যবেক্ষণকাৰী)। আৰু কে: চেংপ্টাৰ; আৰু ইউনেৱাৰী কুহন (এওঁ এমাহ পিছত বাৰাণপিণ্ডিত মৰে)। ৩৫ জন কুলীয়ে এওঁলোকৰ সকলোবকমৰ ক-বস্তু, সাজ-সৰঞ্জাম, আহাৰ পানী অক্সিজেন আদি যোগাওঁতা। কি বিৰাট আয়োজন! সেই মাহৰ ১ মাৰ্চত শ্রীনগৰৰ পৰা নঙ্গপর্ব্বত অভিযান আৰম্ভ হয়।

বাখিৰং পর্ব্বতৰ ওপৰত সাজিব লগা প্রধান বাহৰৰ বেই ষ্টাগৰল আৰু বাজ্জিল 'পাচ'ৰ মাজেৰে যাব লগা ছিল। সেই ঠাই পাই দেখে যে তেতিয়াও শিত কালৰ ৰ গৰি থকাৰ বাবে অগম্য হৈয়ে আছিল। বিচাৰি ২ ৰূপ সুগম বাট আবিষ্কাৰ কৰি ললে, ১৯৩২ চনত ল পথ বৈ বিপৰত গৰি নামিব লগা হৈছিল, সেই নলৈ সুগম ভাল পথ এটাই ললে। আন্তৰ গিৰি

ং মাহৰ—১২,৮০০ ফুট ওপৰত গঙীৰ বৰফৰ মাজত গাঁত খানি উদ্ভূতিৰ লগা হৈছিল।

ৈ বাখিৰং উপত্যকা অভিমুখে তেওঁলোকে খোজ ; কিন্তু গৈ সিন্ধু নৈৰ উপত্যকাত নামি পৰিল। বাখিৰং সেতু পাৰ হৈ কিছুমানৰ পঙ্কে অন্ততঃ

শেষ বাৰলৈ জুলীয়া পানীত গা ধুই লৈ বৰ থিয় টাটো পর্ব্বতত উঠি দুদিন খোজ কাঢ়ি তেওঁলোকৰ প্রধান

লগত নিয়া কুলী বোৰে অতি কষ্টেৰে 'যুজি' যুজি বখিৰৎ মেচিয়াৰত অৱস্থিত ৩ নং বাহৰ লৈ বস্তু বাহানি লৈ উঠিব ধৰিছে।

বাহৰৰ ঠাই বাছি ললে। শ্রীনগৰৰ পৰা যাত্রাৰ ১৭ দিনৰ পিছত এই প্রধান বাহৰ নির্ম্মাণ হল। এই ঠাইৰ পৰাই অভিযানৰ সকলো কার্য্য চলাব।

এই ঠাইৰ পৰাই টান গোটমৰা বৰফৰ বাজ্য আৰম্ভ হল। প্রধান বাহৰৰ বাবে টঙ্গ সাজিব আৰু সাজ সৰঞ্জাম বাখিব পৰাকৈ বৰফৰ ওপৰতে আহল বহল গাতৰ নিচিনা ঠাই এখন বাছি ললে, আৰু বৰফ খান্দি ঠাই খিনি আৰু বেছি আহল বহল কৰি তাতে টঙ্গ সাজি বাহৰ পাতিলে।

বেকটণ্ড আৰু মুৰেব্রিটাৰে ব্রাইলাণ্ড আৰু কেজন মান সঙ্গী লগত লৈ ১ম বাহৰলৈ উঠিলে। বেকটণ্ডে ১২০০০ ফুট ওখ থিয় নঙ্গপর্ব্বত বেৰৰ পৰা বিপুল বেগে পৰা বৰফৰ চলচিত্র তুলি ললে। তেওঁলোকে ফিৰি আহি বতৰৰ অৱস্থা অনুকুল বুলি খবৰ দিয়াত অধেনব্রেনাৰ, ড্রেয়ল বেল্‌জেনবাৰ্ক আৰু মার্কলে ১৬জন অনুচৰ লগত লৈ প্রধান বাহৰলৈ যাত্রা কৰিলে। এইটো ২য় দল। ২য় দল যাত্রা কৰাৰ সময়ত বতৰ বৰ পৰিবর্ত্তন শীল

আছিল। আচলতে বেছিভাগ সময় বৰ ভয়লগাই আছিল। ২ জুনত ১ম বাহৰ ত্যাগ কৰি বৰ থিৰ বাটেৰে ভঙ্গা ভঙ্গা বৰফৰ মাজেৰে ২য় বাহৰলৈ অগ্ৰসৰ হল। কষ্টকৰ বাটৰ কাৰণে মধ্যৱৰ্ত্তী বাহৰ এটা নিৰ্ম্মাণ কৰিবৰ বাধা হ'ল। এই ঠাইতেই ১৯৩২ চনৰ অভিযাত্ৰী দলে ২য় বাহৰ সাজিছিল।



পৃথিবীৰ সবাতোকৈ দুৰ্গম নঙ্গপর্ব্বতৰ বৰফেৰে ঢকা টিং। আৰ্ণান অভিযানৰ মেথাৰ সকলে এখনি অতি সঙ্কটজনক সন্ধীৰ্ণ ঠাই অতিক্ৰম কৰিবলে পৰম্পৰে ককালত জৰী লগাই উঠিব ধৰিছে।

এই ঠাইৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম—সৌহাতে সুবিশাল বৰফৰ পথাৰ আৰু পশ্চিমে সুবিস্তীৰ্ণ হিন্দুকুশ পৰ্ব্বত শ্ৰেণীৰ সেই বিৰাট অপূৰ্ব্ব দৃশ্য। দৃশ্য ভাল হলেও ঠাই বৰ বিপদজনক। কাৰণ এই অঞ্চলৰ গলা বৰফৰ নৈ বোৱে কোনফালে কেতিয়া গতি লয় তাৰ ইয়ত্তা নাই। তদুপৰি তলতেই বৃহৎ ২ ফাট দেখা গল আৰু ৰাতি সেই ফাটেদি বৰফৰ সোঁতৰ আৰু ধুমু ধাম কৈ বৰফ ভঙ্গা শব্দই তৎক্ষণাৎ সেই ঠাই এৰিব বাধ্য কৰিলে।

৩য় বাহৰলৈ উঠাতে বৰফ নৈৰ গতিয়ে ১৯৩২ চনা গোৱা বাট অনুসৰণ কৰাৰ পৰা বিমুখ কৰিলে। গতিয় অগ্ৰসৰত বাধা পাই তেওঁলোকে এটা মধ্যৱৰ্ত্তী বাহ নিৰ্ম্মাণ কৰিলে। এ বেলা ধৰি চেষ্টা কৰিও বহ

ৰি খৰৰ দিয়াদিৰ ব্যৱস্থা কৰিলে। কিন্তু এই যন্ত্ৰ ক। মুঠ ১৫ মাইল দূৰলৈহে খৰৰ পঠিয়া সম্ভৱ আছিল। াগি ভিন ভিন বাহৰৰ পৰা খৰৰ পঠিয়াত সুযোগ ছিল।

এ বাহৰলৈ উঠাৰ সময়ত বতৰ বৰ ভাল আছিল; কিন্তু বাহৰ সাজি থকা কালত ভয়ানক বৰফ-ধুমুহা হব লিল। ড্ৰেক্সলে সাধাৰণতে তাৰহীন যন্ত্ৰ পৰিচালনা কৰে। অত্যাচ্চ বাখিৰতে চুক্কা। ইফালে ড্ৰেক্সলৰ অৱস্থা বেয়া হোৱা বাতৰি পাই প্ৰধান বাহৰৰ পৰা ডাক্তৰ বাৰ্ণাডক মাতি পঠিয়া হ'ল। কিন্তু দুৰ্ভাগ্য বশতঃ ডাক্তৰ আহি পোৱাৰ আগতে ড্ৰেক্সলে ঠেৰেঙ্গা লাগি নিমনিয়া ৰোগত ইহ লীলা সম্বৰণ কৰে।

সকলোৱে প্ৰধান বাহৰলৈ নামি গ'ল আৰু মৃতকৰ উত্তৰ ফালে থকা নঙ্গপর্ব্বত সমূহৰ বাখি সমাধি দিয়া



আৰ্ণান অভিযানত নঙ্গ পর্ব্বতত উঠিবলে সজা বাহৰ বোৰৰ দৃশ্য।

ৰ্গম ঠেঙা লাগি পানী লগাৰ বাবে তেওঁৰ মাত ইমান ি হৈছিল যে, প্ৰধান বাহৰলৈ তেওঁৰ মাত স্পষ্টকৈ নিবলৈ পোৱা নহৈছিল। তেওঁক নামনিৰ বাহৰলৈ ি যাৰ উপদেশ দিয়াত তেওঁ তেওঁলোকৰ কথা শুনুনি ৰ বাহৰলৈ উঠিব ধৰিলে তাৰ পিছদিনা অৱশ্যে তেওঁ ুৱা বেয়া হব ভাবি ২য় বাহৰলৈ নামি যোৱাত সমত হ'। বাকী বোৰে অতিৰিক্ত বেয়া বতৰৰ মাজেদি গৈ *** ফুট ওপৰত ৪র্থ বাহৰ তৈয়াৰ কৰিলে। এই ৰৈ ঠাললে প্ৰবাহমান বৰফ নৈ আৰু আন ফালে হল। এয়ে অভিযাত্ৰী সকলৰ প্ৰথম ক্ষতি আৰু ইয়াৰ পাছৰ তেওঁলোকৰ চখা আৰম্ভ হল।

কাপ্তান ফ্ৰিজাৰৰ পৰিচালনাত তেওঁলোকৰ খাদ্যাদি ৪র্থ বাহৰলৈ পঠিয়া হল আৰু সকলোৱে আকৌ ৪র্থ বাহৰলৈ যাত্ৰা কৰিলে। ৪র্থ বাহৰলৈ উঠাত চুটা দলত ভাগ হৈ উঠিছিল। ৪র্থ বাহৰত এবাতি কটাই তেওঁলোকে ৫ম বাহৰৰ ঠাইলৈ বওনা হ'ল। বাটটো বৰ কষ্টকৰ আৰু একেবাৰে থিয় পৰ্ব্বত বগাই উঠিব লগা হৈছিল। এই ঠাইত উঠাতে এটা ভুল খোজৰ ফল শশ ফুট তললৈ বাগৰি

গৈ চূর্ণ বিচূর্ণ হৈ মৃত্যুক আলিঙ্গন করা। এই বাট ডোখৰ আটাইত কৈ কষ্ট কৰ হৈছিল। অতিপাত থিয় পৰ্ব্বত থন উঠি ২৩০০০ ফুট ওপৰত বাৰিৱৰ পৰ্ব্বতৰ শৃঙ্গত সংলগ্ন ওখ পৰ্ব্বত এখনক নামনিত, সমতল ৰবফৰ ওপৰত ৫ম বাহৰ সজা হ'ল।

৫ম বাহৰৰ পৰা ৪ জুলাই তাৰিখে সকলোৱে বাৰিৱৰ টিঙত উঠিবলৈ ৰওনা হ'ল। দলত ৬জন পৰ্ব্বতাৰোহী আৰু ১৮ জন অনুচৰ। এতিয়াহে নঙ্গপৰ্ব্বতৰ আচল ভয়াবহ অভিযান আৰম্ভ হ'ল। ৬ষ্ঠ বাহৰৰ ঠাইলৈ উঠাতে পুৰা দুদিন লাগিছিল। আৰু অশেষ কষ্ট কৰি যাব লগা হৈছিল। পৰ্ব্বত ইমান থিয় আৰু বৰফ ইমান টান যে প্ৰতি খোজেই পিছলি পিছলি দুহকি যায়। এডাল শকত জৰিলে আটাই কেইজনে সংলগ্ন হ'ল আৰু বৰফৰ ওপৰত ভৰিৰ বুণ দিবলৈ প্ৰত্যেক খোজতে গাত খানি যাব লগা হৈছিল! এই দৰে ৪০০ ফুট ওপৰত উঠিল। এতিয়া ৫ম বাহৰত থাপ সন্তাৰ কথা হ'ল।

তেওঁলোকে বাৰিৱতৰ এচলীয়া ডোখৰ অতিক্ৰম কৰিলে। ইয়াৰ পৰা, অলপ গৈয়ে 'চিলভাৰ চেৰে'ল লৈ যাত্ৰা আৰম্ভ হ'ল। এই পৰ্ব্বতৰ উপৰিভাগ মাজে মাজে বেছ বহল আৰু মাজে মাজে বৰ সঙ্কীৰ্ণ। ইয়াৰ সৌ হাতে প্ৰধান শৃঙ্গত থকা সমতল পাৰৰ আশা কৰিছিল।

আচল বাৰিৱৰ টিঙৰ ৩০০ ফুট নামনিত ৬ষ্ঠ বাহৰ সজা হ'ল। এই বাহৰটো ১৯২২ চনৰ অভিযানত এই ঠাইতে নহলেও এই ঠাইৰ ওচৰা ওচৰিতে ৭ম বাহৰ সজা হৈছিল। আৰু সেইবাৰৰ অভিযানৰ এয়ে শেষ উচ্চতা লক্ষ্যন কৰা ঠাই। ইয়াৰ ওপৰলৈ আৰু আগৰ বাৰত উঠিব নোৱাৰিলে। ইতিমধ্যে বতৰ বেয়া হ'ল—প্ৰবল বৰফৰ (হিমৰ) ধুমুহা বতাহ আৰম্ভ হ'ল। তেতিয়া অভিযাত্ৰী দলে ভাৰিছিল যে, তেওঁলোকে এথন অসীম সাগৰৰ মাজত আছিহে আৰু নঙ্গ পৰ্ব্বতৰ চূড়াই কেৱল দ্বীপ। মাজে মাজে সুদুৰত কাৰাকৰম পৰ্ব্বতৰ টিং দেখিছিল, আৰু দেখিছিল তেওঁলোকৰ ১৩,০০০ ফুট তলত সুদুৰৰ বগা বৰফৰ বাজ্য আৰু সুদুৰত বহুত তলত বিণি বিণি সেউজীয়া হাবি এই ঠাইৰ পৰা কিন্তুত কিমাকাৰ অভিনব জগতলৈ জুমি চোৱা যেন লাগিছিল। এ ঠাইৰ পৰা বৰফৰ ওপৰেদি গৈ সদুখত থকা উচ্চ পৰ্ব্বত এচলীয়া ঠাইৰ তলতে ৭ম বাহৰ সজা হ'ল।

এই ঠাইত অতিপাত হিম পৰিব ধৰিলে। ৰেচ্চে বাকী বোৰক ৭ম বাহৰত এৰি অসুস্থ কুলী ইতৰ চিকিৎ বাবে ৪র্থ বাহৰলৈ নামি গ'ল। ইতিমধ্যে ৬ষ্ঠ আ বাহৰত যথেষ্ট বৰকম খাদ্য দ্ৰব্য ৰখা হ'ল। এচ 'চিলভাৰ চেৰেল' আৰু ৮ম বাহৰলৈ যাবলৈ মুঠ ১১ কুলী ৰ'ল।

এচলীয়া পৰ্ব্বতৰ গাৰে 'চিলভাৰ চেৰেলৰ' ওপৰত দেখিলে যে, ঠাই খনি সমতল আৰু বেছ আহল যে কিন্তু প্ৰধান টিঙলৈ যাবলৈ বেছি কষ্টকৰ নহয়। এই নঙ্গ পৰ্ব্বতৰ ২৬,০০০ ফুট ওখ; আৰু নঙ্গপৰ্ব্বতৰ টিঙ মুঠে ৬২৯ ফুট বাকী। কিন্তু মুঠে দুজন আৰোহণকা সেই ঠাই পাইছিল গৈ। বাকী বোৰ আৰু অনুচৰ ৭ম বাহৰত ৰ'ল তেওঁলোকে বৰ ক্লান্ত হৈ জিৰালে আৰু পিছ দিনা ৮ম বাহৰলৈ যাত্ৰা কৰিব ভাবিলে। যি দুজন আগ ধৰি গৈছে তেওঁলোকে সেই দিনাই নঙ্গপৰ্ব্বতৰ উচ্চতম শৃঙ্গত উঠিব পাৰি হেঁতেন; কিন্তু পিছ দিনা আটাই কেইজন বহুত লগে শেষ আৰোহণ কৰিব বুলি আকৌ বাহৰলৈ আহিল। পিছদিনা ৭ম বাহৰৰ পৰা কিছুমান কুলী আৰোহী কেইজন মানক দুৰতে 'চিলভাৰ চেৰেলত অহা দেখা পাই তেওঁলোকে টিঙৰ ফালে লাহে লাহে লগলে আৰু টিঙৰ গুৰিলৈ বিশাল সমতল থন অ কৰিলে। এতিয়া মুঠে টিঙত উঠিবলৈ বাকী। ইতি কুলীবোৰক নেদেখি তেওঁলোকে ফিৰিবৰ বাধ্য হ'ল। 'চিলভাৰ চেৰেল'ৰ ওচৰতে ২৫,০০০ ফুট ওখ ৰ সাজিলে। ৰাতি ভয়ানক ধুমুহা আৰম্ভ হ'ল আৰু বিপদৰ সূচনা হ'ল।

পুৱা টিঙত গৈ উঠিবৰ মনস্থ কৰোতে ধুমুহা ধৰিলে আৰু তাৰ ফলত আনকি বাহিবত উশাহ টান হৈ উঠিল। হিমৰ গুৰিবোৰ মথা মথি বৰ পৰিব ধৰিলে। এটা তপ্ত ভাঙ্গি গ'ল। গোটেই

দুবাৰ প্ৰকোপত অনাহাৰে তথৰ ভিতৰত দোমাই ছিল। তাৰ পিছ দিনাও (অৰ্থাৎ ৮ জুলাই তাৰিখে) দুৰ্যিৰ অৱস্থাৰ মুঠেই পৰিবৰ্ত্তন নহল। গতিকে সেয়াতে ৪র্থ বাহৰলৈ ফিৰিবৰ বাধ্য হ'ল। সকলোবে ভাগ্য ভাল; কিন্তু ৮ মৰ পৰা ৪র্থ লৈ নামি অহা দুকহ হলেও উপায়হীন হৈ আৰু কুলীবোৰৰো বোজা বাবলৈ ৮ম বাহৰতে বয় বস্তু গৈ বতৰ ভাল হলে আকৌ উঠি আহিব আশা কৰি নামি যাব ধৰিলে।



নঙ্গপৰ্ব্বতৰ টিঙ। জাৰ্ম্মান অভিযানত ৰোৱা গথ আৰু বাহৰ বোৰৰ আন এটি দৃশ্য।

নামি অহাতে কেজনমান কুলী ধুমুহাৰ প্ৰকোপত কষ্ট পালে। ৪র্থ বাহৰলৈ মুঠতে কেজন মান অনুচৰেৰে সৈতে ৫জনমান আৰোহী নামি আহিল। ইফালে ৭জন মানে নামি আহোতে পাছ পৰিল। ৮ জুলাইত যি ধুমুহা বলৈছিল আৰু তুষাৰ মুকলি ঠাইতে বাটতে ভাগৰ হৈ শুই আৰু টোপনি আহিল; কিন্তু সেই টোপনিয়ে তেওঁলোক উটৰৰ আৰু ভাগ্য নহল। তাতেই হিমে ধৰি পেলালে। অলপ দূৰ গৈয়ে ৭ম বাহৰতো শুব পাৰিলে হেঁতেন! বিপদ জানিও কিয় বাটতে তেওঁলোকে শুলে? উত্তৰত কব লাগিব,—তেওঁলোকৰ বৰ ভাগৰ লাগি অসহ্য হৈছিল। ৪ জন অনুচৰ গৈ ৪র্থ বাহৰত ভাগ্যক্ৰমে নামিল। বাকী ৩ জন মৰিল। ৰেলজেনবাক্ আৰু এজন অনুচৰ ৭ম বাহৰত মৰিল। ৰাইলাণ্ডে ৬ষ্ঠ বাহৰৰ দুৱাৰ মুখতে ভোকতে থাব নাপাই মৰিল। মাৰ্কলৰ কোনো আগগুৰু দেখা নগৈ ঠিকাং কৰিলে যে তেৱোঁ মৰিছে। বিখ্যাত পৰ্ব্বতাৰোহণকাৰী নিৰ্ভীক বীৰ দুইবাৰৰ অভিযানলে নেতা ইষ্টলি মাৰ্কল জানো কোনোবা দিনা ফিৰি আহি এয় বাৰ নঙ্গপৰ্ব্বত অভিযান ১৯৩৩ চনত আকৌ আয়োজন কৰিব? যি বোৰ ৪র্থ বাহৰত আহি নামিল তেওঁলোকে মাৰ্কলক বিচাৰি ওপৰলৈ যাবৰ মন কৰিছিল। কিন্তু ধুমুহাৰ অবসান নোহোৱা দেখি ওপৰলৈ গৈ মিছাতে জীৱন হেৰোৱা লাভ নাই বুলি ভাবি এইবাৰ নিমিত্তে হতাশ হৈ ফিৰি আহিবৰ বাধ্য হ'ল।

মুঠতে ৬জন অনুচৰ আৰু ৪ জন আৰোহণকাৰী জগতক উচ্চ আদৰ্শ দেখুৱাই মৰণ বৰণ কৰিলে। যি সকল

ফিরিল, তেওঁলোকে পুনৰ নস্ত পৰ্ব্বত অভিযান চেষ্টা অদূৰ ভবিষ্যতে সার্থক হবৰ আশা বান্ধি নিজ দেশ জার্ম্মানীলৈ ফিরিল।

এনে প্রশ্ন হব পাৰে,—কিয় তেওঁলোকে আগেয়ে অহা বোৰৰ লগত নাহি এবাতি ৭ম বাহবত ব'ল - একে লগে সিদিনাই আহিলে নিশ্চয় বাচিলেহেঁতেন। এই প্রশ্নৰ উত্তৰ নহব।

কেৱল প্রতীতি জন্মোৱা ব্যাথা হব যে মাদ্রাজ ২৪,০০০ ফুট ওপৰলৈ বলনক্তি ক্ষয় নোহোৱাকৈ পাৰে কিন্তু তাৰ ওপৰলৈ উঠিব লাগিলে সোনকালে হবই হব। তেওঁলোক মনাৰ ব্যাথা এয়ে হব পাৰে।

পুণৰ চেষ্টা সফল হবও পাৰে! কিন্তু বিয়াৰ অজেয়ক জয় কৰিব যৈ জীৱন আহুতি দিলে তেওঁৰ জীৱন আৰু আদর্শ ধন্য।

অতীত-মাধুৰী

যোৱা ৰাউণ্ডটেৰল কনফাৰেন্সত মৌলনা মহম্মদ আলিয়ে দিয়া বক্তৃতা।

সভাপতি মহোদয়, মোৰ বন্ধু ডাক্তৰ মুঞ্জে দেশৰাসীৰে কেনেকৈ দেশদ্রোহী বুলি কৈছিল সেই কথা তেওঁ আপোনাসকলক ভালকৈ কৈছে। মোৰ মনেৰে আমি দুয়ো এই কথাত আকৌ বন্ধমীৰ ভিতৰত সোমালোঁ। কাৰণ তেওঁ ভালকৈ জানে যে, সিদিনা আমি দুয়ো ভাৰত এবি আহিবলৈ ওলাওঁতে বাইজসকলে আমাক কলা পতাকাবে আশীর্ব্বাদ জনাইছিল; আৰু আমি ইমানদিন যাবে সৈতে একেলগে কাম কবি আহিছিলো, সেই সকলে অভিযোগ কৰিছিল যেন, "ভাইজবৰ অব্ ইণ্ডিয়া" ডাঙৰকৈ সাগৰৰ প্রবল ঢৌৰ সন্মুখীন হব নোৱাবে। এনেকি হেঁতেয়া মই আহি এই দেশ পালোঁগৈ, মোৰ পৰা আর্থিক সাহায্য লৈ খিতাপি লগা বিলাতত এখন বাতৰি কাকতেও—মই বৰ আনন্দিত হলোঁ যে, আজি দি কাকতৰ লাখ লাখ বিক্রী সেই "ডেলীমেহুল" মোৰ ছবি প্রকাশ কৰি ধর্ম্মান্তৰকাৰী বুলি বটি ফুৰিছে। মোৰ অনুমানেৰে মই "দেশ-হিতৈষী"ৰ পৰা "দেশদ্রোহীলৈ" ধর্ম্মান্তৰ হলোঁ।

যোৱাকালি এই সভাত যি বক্ষণশীল লর্ডে সবল আৰু অকপটভাবে তেওঁৰ মনোভাব ব্যক্ত কৰিলে, তেওঁৰ পার্লামেণ্ট মহাসভাত আৰু এজন অতি বক্ষণশীল ভদ্রলোক আছে, যাৰ নাম আছি আপোনাসকলৰ আগত উন্মেষ নকবি নোৱাবিলো। তেওঁ মোৰ ওক অক্সফোর্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ডাৰ চার্লছওমান। তেওঁৰ সুবক্তাৰ পৰা মই মাত্র এটি উন্মেষ কৰো। এই কথাটো তেওঁলো আমাৰ ভিতৰ ছাত্রি পঢ়া প্রশ্ন কাকতত স্থান পাইছিল। মই এই চিভিল ছাত্রি পঢ়া উপস্থিত হৈছিঁ। কিন্তু কুতকাৰ্য্য হব নোৱাৰিলোঁ। তেওঁ সুবলীৰ কথাটো এই—"একমাত্র 'ডাবাছিন'ৰ বা আবৰিলাকৰেই পা কৰা অসম্ভব।" ইয়াত থকা সমুদায় শ্বেতবন্ধু আৰু ডাং মুঞ্জে আ খাত আছে তেওঁ আজে বুলি মই ধাৰী নকবো। আমাৰ লর্ড (যি মোক ফাটকৰত দিছিল) শিখাত যি তেজ হৈছে, মো উপস্থিতাবো সেই তেজেই বব লাগিছে। মই এজন তেওঁৰ লর্ড বিডিং যদি হিতৈষী ধর্ম্মৰ পৰা চ্যুত (ছাঁহি) নোহোৱাকৈ তেজে মইও হব লাম বা মোৰ অবলম্বিত নীতিচ্যুত হোৱা নাই। পন্থা অবলম্বনকাৰীবিলাকৰ ভিতৰৰ পৰা একমাত্র মোৰে বৈঠকলৈ নিমন্ত্রণ কৰিছে। কব নোৱাবো—ভাৰতবর্ষীয়ৰে বৃটিছবর্ষ মণ্টে, নে কোনে, এই অদ্ভুত প্রতিনিধিবর্গক নির্ব্বাচন আমি কাৰ প্রতিনিধি সেইটো আমিহঁতে নেজানো (ছাঁহি)। মাহুহৰ প্রতিনিধিত্ব কবিবলৈ ভাগ্যেছোৱা প্রবৃত্তি মোৰ নাই। মা মোৰ নিজৰ কথাক কবলৈ আহিবোঁ। কাৰো মুখপাত্রৰে নি কি, মই মোৰ সম্বন্ধ আপোনাসকলৰ মনত ভ্রান্ত ধাৰণা জন্মাবল নাই। ৰাজনৈতিক ক্ষেত্রত অনেক সময়ত ভণ্ডামি অবি

বুদ্ধিয়েই মই এই কথা কলোঁ। আনৰ কথা শুকীয়া, কোনো কোনোৱে নিজৰ জনতে নিজে ভণ্ডামী কবি থাকে। (হাঁহি)

মোৰোকালি কেণ্টাৰবাৰীমান মহিয়া বন্ধুৰ লগত ফুবাতে সেইসকলে অভিযোগ কৰিছে, বোলে মই যোদ্ধা আৰু এই কথাৰ উত্তৰ মই হেনো লর্ড পীলকে দিব লাগে। মই কলো "লর্ড পীলকৈনো অতি বক্ষণশীল হোৱালোকে ইয়াৰ উত্তৰ দিয়া উচিত" (হাঁহি)। সভা-সবৰ বাহিৰা ষ্টেচাগীলৈ যাওঁতে মই লর্ড পীলক কোঠাৰ ৰবে এজন ইংৰাজ কবিৰ কবিতাৰ পদ্য মাত্র এটা কথা উল্লেখ কবিম। মই লর্ড পীলক কলোঁ - "মই আশা কৰো আপুনি এজন বক্ষণশীল আৰু ভবিষ্যতেও এজন বক্ষণশীল হৈয়ে থাকিব, কাৰণ ট্যানিচনৰ কবিতাত বক্ষণশীলৰ সূত্রে এই ধৰণে আছে :—"তেওঁই খাটি বক্ষণশীল, যি মোৰ শুকাবলৈ ধৰা ঠাল ঠেঙুনি কাটি নির্ম্মুল কবে।" মোৰ মতেবে তেওঁ অতি সবল আৰু অকপটভাবে প্রকাশ কৰা অভিবোধ সচাকৈয়ে কাটি নির্ম্মুল কবিবলীয়া ঠেঙুনিৰ কথাত আছে। লর্ড পীলৰ প্রতি মোৰ এয়ে সমিধান।

আন আন বক্ষণশীল সকলৰ ভিতৰত ভাৰতৰ বাহজগর্ভত; কিন্তু মোৰ মহামান্য মহাবাজা ছাহাবৰ বক্ষণশীলতা সম্বন্ধে বিশেষ মই একো নেজানো। যদি তেখেতে মিঃ বাৰ্ক বক্ষণশীল বুলি ধৰে আৰু তেখেতৰ ফুৰাত তেওঁৰ কথা উল্লেখ কৰে, তেন্তে মই কওঁ—"বক্ষণশীল হবা আৰু সেই গল্পাকে অগ্রহণৰ কবি থাকিবা, ঠেক মন আৰু বহলবাজা কেতিয়াও একেলগে নেথায়।" যদি বৃটিছ সাম্রাজ্য—সাম্রাজ্যই হওক বা সাধাৰণতন্ত্র হওক বা আন কোনো নামেই হওক তাত কোনো কথা নাই—যদি বৃটিছ সাম্রাজ্য বহল হৈয়েই থাকিবৰ অভিলাষ কৰে, তেন্তে ঠেক মনৰ লোকসকল অচিবে অদৃশ্য হৈ যোৱাই মঙ্গল (হাঁহি)। আপোনাসকলে বাৰ্ক কথা শুনা হলে, কেইবাও আমেবকা নেহেৰোহেঁতেন আৰু আজি আপোনাসকলে সমত্রাৰ কথা নকলে-হেঁতেন। যদ্যপিও বৰাঙ্গতা দেখুৱা হলে আপোনাসকলৰ ইমান ধাৰ নেথাকিহেঁতেন, ইমান চিন্তা নহলহেঁতেন আৰু আপোনাসকলে অন্ত ইন সদিনেনো যোগদান কবিবলৈ হেনেকৈনে যাব লগা নহলহেঁতেন। এই উচ্চাধ্য চ'ম কিমান দিন চলিব তাক একমাত্র বিধতাইহে জানে। ৰাৰ্ক মিচিয়া এজন বিচক্ষণ বাজনীতিজ্ঞ আৰু শাসন-বিজ্ঞানবিবৰ কথা দুখনাৰ বাবেই এই দু ন সমস্যাবোৰ উপস্থিত হলহি। এনে এজন দুৰন্ত আপোনাসকলে হাউচ অব কমন্সৰ সভাত বক্তৃতা দিবলৈ উঠিলে "উমাৰ বেল" বুলি আখ্যা দি, ৰাবলৈ বহিছিলহেঁতেন।

বাৰাৰ্ক নিচিনা পুৰুষৰ কথা আপোনাসকলে এতিয়াও শুনা উচিত। সেই কাৰণে, মই তেওঁৰ কথা এফাকি পুনৰ উন্মেষ নকবি নোৱাৰিলো। কথাফাকি এই :—"আচল পুৰুষ ওপৰতহে সকলো—শাসনপ্রণালীত নহয়।" আপোনালোকৰ শাসন প্রণালী যেনেকৈয়ে হওক কোনো কথা নাই, কিন্তু যদি বিণাতত এজন খাঁটি মানুহ হয়—"হে আল্লাহ! ঈশ্বীয় সাধু পুৰুষসকলৰ দৰে যেন জানী আৰু সবল।" যেচ্ছাচাৰবাদী, প্রজাতন্ত্রবাদী কুলীনতন্ত্রবাদী আপোনাসকলে যি বোলে কোনো কথা নাই—যিজনে শাসন কবিব পাবে আৰু যি কেতিয়াও নীতিচ্যুত নহয়। মই আশা কবো,মোৰ পুবণি বন্ধু মিঃ ম্যাকডোনাল্ডে অন্ততঃ প্রমাণ কবে যেন, তেঁৱেই শাসন কবিব পাবে; আৰু তেওঁৰ নীতি অবলম্বনকাৰী সকলৰ, তেওঁৰ বিবেকৰ, তেওঁৰ মৃত স্তীৰ আৰু তেওঁৰ জীবিত মাতৃ-ভূমিৰ ওচৰত যেন তেওঁ কেতিয়াও অবিশ্বাসী নহয়। আৰু আপোনা-লোকৰ সকলো পন্থাৰ লোকসকলে যদি তেওঁক এই কার্য্যত সাহায্য কবে তেন্তে সুখ পবিবর্ত্তন হবই। কিন্তু তাতোকৈ মই বেছি বিশ্বাস কবো, মোৰ পুবণি বন্ধু মিঃ বামজে ম্যাকডোনাল্ডক। গণতন্ত্রবাদী হিচাপে মই এই কথা স্বীকাৰ কৰোঁ যে, মোৰ বিশ্বাস এজন মানুহৰ ওপৰত—মই তেওঁক মানুহ বুলিছো, কাৰণ এই কাৰ্য্যত তেও এজন লেখত লবলগীয়া মানুহ যি হাউচ অব্ লর্ডচৰ 'প্যালেবিয়ৰ' এই সভা প্রতিষ্ঠা কবিলে আৰু যাব নাম জর্জ্জ। আপোনাসকলে তেওঁক মহাবাজেই কওক বা যিহকে কওক, তেও এজন মানুহ (কবতাবি)। অতীত আৰু বর্ত্তমানৰ এই সেই মহাজনেই তেওঁ ভাবতবর্ষক ভালকৈ চিবি পাছা। ৩২ কোটী অর্থাৎ সমস্ত মানবজাতিৰ এক পঞ্চমাংশ মানুহৰ প্রতি তেও এটা শ্রদ্ধেয়াৰ কবিব বুলি মই আশা কবি থাকিলো আৰু সেই বিশ্বাসতে মহাভাৰত বক্ষণশীল বাজগর্ভৰ্ব বিশ্বৰুৰ দেশ ইতৈতীতত উৎসাহী হৈছো। এই কথা নিশ্চয় আমাৰ লর্ড পীল আৰু লর্ড বিডিৰ মনত নতুন লেন লাগিব পাবে, মোৰ নেলাগে।

আৰু আছে।

---

* আলীনহাৰ জন্ম আয়িমুৰি, মোচ্লেম গৌৰব মওলানা মহম্মদ আলীয়ে বিলাতত থোৱা ১৯০৩ চনৰ ৯ নবেম্বৰত ভাৰতীয় মুছলীম মেজ মেলৰ প্রথম অধিবেশনত যি বক্তৃতা দিছিল, সেই চিবস্মবণীয় বক্তৃতাৰ পূর্ণ অনুবাদ।—অনুবাদক।

(১) নহ আলাহ হাদ চালামৰ (Nooh's) দ্বিতীয় পুত্র যাম বংশোদ্ভব আবব, ছিন্ধী প্রভৃতি জাতি।

কামৰূপৰ তীর্থ-বিবৰণ।

—বায়বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা

৬

কামৰূপৰ পশ্চিম সীমাত দক্ষিণ সমুদ্ৰগামিনী পুণ্যা তোয়া শুদ্ধা সদাশিৱা কৰতোয়া নামে সত্যগঙ্গা আছে। কৰতোয়াৰ পূৰ্বে কামৰূপ ৰাজ্যৰ বায়ুকোণত জল্পীশ নামে শিৱলিঙ্গ আছে। 'শিৱপুৰাণ' আৰু শিৱ পুৰাণে এই জল্পীশ লিঙ্গকে জল্পেশ্বৰ বুলিছে। মহাদেৱৰ প্ৰধান শিষ্য নন্দীয়ে ইয়াতে তপস্যা কৰি গাণপত্য লাভ কৰিছিল। এই দেৱালয় এতিয়াৰ বঙ্গদেশৰ জল্পাইগুড়ি জিলাত তিস্তা নৈৰ পশ্চিমে আছে। তিস্তা বা ত্ৰিস্ৰোতা নৈ কৰতোয়াৰ এটা সুঁতী।

জল্পীশ, জল্পেৱ বা জল্পেৱৰ।

'জল্পইগুড়ি' নামটো সম্ভৱতঃ জল্পীশ দেৱালয়ৰ নামৰ পৰাই উদ্ভৱ হৈছে। "কালিকা পুৰাণৰ" ৭৭ আধ্যাত, "শিৱপুৰাণৰ" ৪র্থ খণ্ড ৪৭ আধ্যাত এই তীর্থৰ বিবৰণ আছে। "কূর্ম্মপুৰাণৰ" উত্তৰ খণ্ডৰ ৪২ আধ্যাত এই তীর্থ সাগৰৰ ওচৰত থকা বুলি উল্লেখ আছে। বোধ কৰোঁ, এসময়ত এই তীর্থৰ ওচৰলৈকে লৌহিত্য সাগৰ আছিল। জলপাইগুড়ি নগৰৰ পৰা ৮ মাইল দূৰে এই দেৱালয়ৰ পুৱনি মন্দিৰৰ ভগ্নাৱশেষ এক জনা যায়। কামৰূপৰ পৃথু নামে এজন ৰজাই হেনো এই মন্দিৰ নির্ম্মাণ কৰাইছিল।

"নদীকুণ্ডং মহাকুণ্ডং যত্ৰ নন্দী পুৰাকৱোৎ।
অভিষেকং লক্ষৱৰং পীতং তোয়মনুত্তমম্॥
তত্ৰ স্নাত্বা চ পীত্বা চ ৰুদ্ৰকুত্যা নৱোত্তমঃ।
হৰস্য সদনং যাতি নন্দীনোহপি মহাপ্ৰিয়ঃ॥

জল্পীশ দেৱালয়ৰ পৰা কিছু দূৰ গলে নন্দীকুণ্ড নামে সৰোৱৰ পোৱা যায়। ইয়াৰ পাৱত নন্দীয়ে তপস্যা কৰি শিৱৰ পৰা ৱৰ পাইছিল।

নন্দীকুণ্ডৰ পৰা অলপ আঁতৰত যোনিৰূপা মহামায়া জগন্মযী সিদ্ধেশ্বৰী মহাদেৱীৰ দেৱালয় আছে। মহামায়া এই তীর্থ মহত্ত্বা ভৈৱৰক দেখুৱাইছিল। নন্দীয়ে মহাদেৱৰ আজ্ঞামতে ইয়াতে মহামায়াক আৱাধনা কৰি পূৰ্ণ আধিপত্য লাভ কৰিছিল। ইয়াতে সুশ্ৰী সিদ্ধেশ্বৰী মাননস নামে মনোহৰ নদ আছে। পূৰ্ব্বকালত মহাদেৱৰ আজ্ঞামতে এই নৈথন মানস সৰোৱৰৰ পৰা নদীৰ ওপৰত অনুগ্ৰহ কৰিবৰ কাৰণে দক্ষিণ মুখে ৰৈ আছে। তাতে হিমালয়ৰ পৰা ওলোৱা শুভা জটাহৰা নদী আছে। সেই নদীত স্নান কৰি মানুহে গঙ্গাস্নানৰ ফল পায়। পূৰ্ব্বে গৌৰীৰ বিৱাহত সমুদায় মাতৃগণক মহাদেৱৰ জটাৰ মুখত জলাভিষেক কৰিছিল। সেই ৰহ লগ লাগি বৈ আহি নদীত পৰিণত হোৱাত নদীৰ নাম জটোদা হল। যি চ'ত মাহৰ শুক্ল পক্ষৰ অষ্টমী তিথি সেই নদীত স্নান কৰে তেওঁ দীর্ঘায়ু হয়। ত্ৰিস্ৰোতা নামে যি সৰিৎ শ্ৰেষ্ঠা গঙ্গা চন্দ্ৰশিখৰৰ পৰা উদ্ভৱ হৈ হিমালয়ৰ পৰা ওলাইছে, সেই নদীত মহামাঘীৰ দিনা স্নান কৰিলে মানুহৰ পুনৰ্ব্বাৰ আকৌ মাতৃগৰ্ভত জন্ম নহয় আৰু চন্দ্ৰ ও সূৰ্য্য গ্ৰহণৰ দিনত তাত স্নান কৰিলে মানুহে কৈবল্য প্ৰাপ্তি হয়। ত্ৰিস্ৰোতাৰ পূৰ্বে সিতপ্ৰভা নাম বিষন্ন নদী আছে, মহাদেৱে তাক ভৈয়ামলৈ নহয় আনিছিল; তাৰ পানী বগা আৰু গতি দক্ষিণ মুখে পৰ্য্যন্ত। শুক্ল পক্ষৰ দশহৰা নামে দশমী তিথিত সেই নদীত স্নান কৰিলে মানুহে মুক্তপাতক হৈ বিষ্ণুলোকলৈ যাব পাৱে। সিতপ্ৰভাৰ কিঞ্চিত পূৰ্বে নৱতোয়া নাম নদী আছে। সেই নদীয়ে প্ৰতিক্ষণতে মানুহক নতুন নতুনকৈ পৱিত্ৰ কৰে। সেই নিমিত্তে উক্ত নদী নৱতোয়া বোলা হয়। মহামাঘীত যি মানুহে তাত স্নান কৰে, তেওঁ দেৱত্ব লাভ কৰে

সম্পূর্ণ মাঘ মাহটোত দিনো তাত স্নান কৰিব পাৱিলে অন্তিমত বিষ্ণুলোকলৈ যাব পাৱে, এই বিশাল নদীৰ পতি অগদ নামে এক পৱিত্ৰ নদ পূৰ্ব্বপীঠত আছে; সেই নদ ব্ৰহ্মপদৰ পৰা উৎপন্ন। তাত স্নান কৰিলে আৰু অন্ন পানী খালে মানুহ ব্ৰহ্মলোকলৈ যাব পাৱে। যি মানুহে গোটেই কাতিমাহত দিনো সেই নদত স্নান কৰে, তেওঁ ইতলোকত নীৰোগে থাকি সুখ ভোগ কৰি পৰকালত বৈকুণ্ঠলৈ গৈ মুক্তি পায়। মানুহে নদীকুণ্ডত স্নান কৰি ৰাতি নক্তব্ৰত কৰিব; তাৰ পিছৰ দিনা জল্পীশদেৱৰ দৰ্শনলৈ যাব; তাত মহানদীত স্নান কৰি জল্পীশক সেৱা কৰি হৰিষ্যাশী হৈ সেই ৰাতি তাত থাকিব; পিছ দিনা ৰাতি পুৱাতে সিদ্ধেশ্বৰী দেৱীৰ মন্দিৰলৈ যাব; অষ্টমী তেৰঁ পূজা আৰু উপবাস কৰিব। সেই দেবী চতুৰ্ভুজা পীনোন্নতপয়োধৰা, সেন্দুৰৰ নিচিনা ৰাঙ্গলী; তেওঁৰ মূৰত জটা আছে। কামাখ্যা-তন্ত্ৰমতে এওঁৰ পূজা হয়। যথাৰিধি এওঁক পূজা কৰিলে মানুহে পুনৰ্ব্বাৰ আকৌ মাতৃগৰ্ভত জন্ম লব নালাগে। পূৰ্ব্বে জামদগ্ন্য পৰশুৰামৰ দ্বাৰত ভয়াতুৰ কেতবিলাক ক্ষত্ৰিয়ই ম্লেচ্ছত্ব গ্ৰহণ কৰি সিদ্ধেশ্বৰ শৰণাগত হৈছিল। তেওঁলোকে জল্পীশদেৱৰ সেৱা পূজা কৰি সদায় ম্লেচ্ছভাষাত কথাবার্ত্তা কৈ আৰু আৰ্য্যাচাৰ পৱিত্যাগ কৰি জল্পীশদেৱক গুপ্ত কৰি ৰাখিছিল। এই জল্পীশ দ্বিভুজ কুন্দ ফুলৰ নিচিনা বগা। এওঁৰ তৎপৰুষৰ মন্ত্ৰেৰে পূজা কৰিব লাগে। এওঁৰ পীঠ অতি পুণ্যকৰ।—(কাঃ পুঃ ৭৭ আধ্যা)

কোচবিহাৰ ৰাজ্যৰ পুৱনি ৰাজধানী কামতা পুৰত সিদ্ধেশ্বৰী দেৱীৰ দেৱালয় আছে। আজি কালি সেই ঠাইক গোসানী মাৰি বোলে।

যোগীঘোপা (তৃণবিন্দুৰ আশ্ৰম)

ধুবুৰীৰ ওচৰত ব্ৰহ্মপুত্ৰত পৱিছে। সৰু সোণকোষ টিপ্‌কাই নৈৰ লগত মিলি বগৰিবাৰীৰ ওচৰত ব্ৰহ্মপুত্ৰত পৱিছে। গোৱালপাৰা জিলাৰ পশ্চিম সীমাইদি ৰৱ সোণকোষ বৈছে। গোসাঁনীমাৰীৰ ওচৰেদি ধৰলা বৈছে। তিস্তা নৈকে "কালিকা পুৰাণে" ত্ৰিস্ৰোতা বুলিছে। নৱতোয়াৰ ৰৱমান নাম চম্পামতী হৰ পায়।

অগদ নদৰ উৰ্দ্ধত ভদ্রা নামে মহানদী আছে।

ভদ্রা বা আই নদী

ভাদমাহত কৃষ্ণচতুৰ্দ্দশীত সেই নদীত স্নান কৰিলে মানুহে দিব্যলোকলৈ যাব পাৱে।

ভদ্রাৰ পূৰ্বে পুণ্যতোয়া সুভদ্রা নদী আছে। বহাগ মাহৰ তৃতীয়া তিথিত সেই নৈত স্নান কৰিলে স্বর্গ প্ৰাপ্তি হয়।

ধুতৰা বা গাৰুৰ আই নদী

সুভদ্রাৰ পূৰ্বে পুণ্যতমা মানসা নদী।

মানসা বা মানাহ নদী

তৃণবিন্দু ঋষিয়ে মানস সৰোৱৰৰ পৰা সেই নৈথন ভৈয়ামলৈ নমাই আনিছিল। গোটেই বহাগ মাহত সেই নদীত স্নান কৰিলে মানুহে অন্তিমত স্বর্গলৈ গতি কৰে।

—(কাঃ পুঃ ৭৮ আধ্যা।)

গোৱালপাৰা জিলাৰ "আই" নদীৰ নাম সুভদ্রা আছিল। মানসা নৈকে আমি মানাহা বোলোঁ; কোনো কোনোৱে মানাহ বুলিও কয়।

তৃণবিন্দু এজন বেদব্যাস। মানাহাৰ মুখত যোগীঘোপা নামে পাহাড়ত তেওঁৰ আশ্ৰম আছিল। উক্ত পাহাড়ত শিলত কটা কেইবাটাও ঘোপা বা গুহা আছে। "ঘোপা" শব্দটো তিব্বতীয় "গোম্পা" শব্দৰ অপভ্রংশ হ'ব পাৱ। এই ঘোপা বা গুহা বিলাকত আগেয়ে যোগী ঋষি বাস কৰিছিল।

গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৱে ভৈৱৰ বা ভৈৱৰ-চূড়া নামে পৰ্ব্বত। তাত শিৱ আৰু দেবীৰ দেৱালয় আছে।

ভৈৱৰ চূড়া

ধুৱা-যাদৱ বা গোসেকোষৰ

এই কেইখন নৈৰ ভিতৰত বৰ্ত্তমান লাহত গদাধৰ নদেই প্ৰবল। গোলকগঞ্জৰ পশ্চিমে গদাধৰ বৈছে। গঙ্গাধৰ গৌৰীপুৰৰ কাষেদি বৈ গৈ

ভৈরব-চূড়ার ঠিক বিপরীত ফালে ব্রহ্মপুত্রর দক্ষিণ তীরত পগলা টেক্ পাহাড়। এই পাহাড়ত এটি অতি পুরণি শিব-মন্দিরর ভগ্নাবশেষ আরু এক প্রকাণ্ড শিবলিঙ্গ আছে। গোৱালপাৰা নগৰৰ পৰা এই দেৱালয় ৮ মাইল মান দূৰ হব।

পগলাটেক্

পঞ্চৰত্ন এটি সুন্দৰ পৰ্ব্বত। গোৱালপাৰা নগৰৰ পৰা ৫মাইল পশ্চিমে ব্রহ্মপুত্রৰ দক্ষিণ তীৰত এই পৰ্ব্বতটো আছে, 'পঞ্চৰত্ন' বুলিলে সাধাৰণতে সোণ, ৰূপ তাম, পোৱালি আৰু মুকুতা বুজায়। আকৌ, স্বৰ্গলোকৰ এণাকৌ অপ্সৰাৰ নামো পঞ্চৰত্ন আছিল। গুৱাহাটীৰ উৰ্ব্বশীৰ দৰে এই গৰাকী অপ্সৰা বোধ কৰোঁ এই পৰ্ব্বতত আছিল। ইয়াত কিছুমান শিলত কটা মূৰ্ত্তি আদি ভগ্নাৱস্থাত আছে। কিছুমান মূৰ্ত্তি বৌদ্ধগুৰ হ'ব পাৰ।

পঞ্চৰত্ন

"নাতিদূৰে ভাস্কৰস্য দক্ষিণভ্যাং শুভাহ্বয়ঃ॥
তস্যোদ্ধ্বমানো বসতি লিঙ্গ শাৰবমুত্তমম্॥
পৰিবাৰ্য্য সদা যাস্তি মহাকাণ্ডস্থ বানবা।
পৰিবাৰ্য্যাবতিষ্ঠন্তে সেৱমানশ্চ শঙ্কৰম্॥
—কাঃ পুঃ ৭৮ অধ্যা।

ভাস্কৰ অৰ্থাৎ শ্রীসূর্য্য পৰ্ব্বতৰ পৰা কিছুদূৰত দক্ষিণ ফালে শুভাচল মানে পৰ্ব্বত আছে, তাৰ উৰ্দ্ধ শান্তত এটি উত্তম শিবলিঙ্গ আছে। মহাকায় বান্দৰ বিলাকে সেই শিবলিঙ্গটি বেঢ়ি লৈ শিৰক সেৱা পূজা কৰি থাকে।

শুভাচল বা টুক্টেশ্বৰী

এই শুভা পৰ্ব্বতৰ বৰ্ত্তমান নাম টুক্টেশ্বৰী। গোৱালপাড়া নগৰৰ পৰা ১৩ মাইল আঁতৰত দক্ষিণ ট্রাঙ্ক ৰ'ডৰ ৯৫-৯৬ নং মাইলৰ খুটিৰ ওচৰত এই দেৱালয় আছে। পৰ্ব্বতৰ ওপৰত অতি পুৰণি শিলৰ মন্দিৰৰ ভগ্নাৱশেষ আছে। পৰ্ব্বতৰ নামনিত নতুনকৈ সজা টিনৰ দি মন্দিৰ আছে তাত দিনেই পূজাৰীয়ে পূজা কৰে। এই পৰ্ব্বতত অসংখ্য ডাঙৰ ডাঙৰ বান্দৰ থাকে। জাকৰ ঘাই বান্দৰটোক বান্দৰ ৰজা বোলে। ৰজা আৰু বাণীক ৰূপৰ কাহীত প্ৰসাদ খাবলৈ দিয়া হয়; এই দেৱালয় হিন্দুবিলাকৰ এখন তীৰ্থ ঠাই। যাত্ৰীবিলাকে পূজালৈ নিয়া নৈবেদ্য এই বান্দৰ বিলাকক খাবলৈ দিয়ে।

কালিকা পুৰাণৰ ৭৮ অধ্যাত লিখা আছে যে বি মাহাত্ম্য এই তীৰ্থলৈ গৈ দেৱালয়ৰ কাষৰ নৈত স্নান কৰিকুণ্ডালত থকা শঙ্কৰৰ দৰ্শন কৰে তেওঁৰ মনৰ কামনা পূৰ্ণ হয়।

সীতা নৈৰ পূৰ্বে সুমদনা নৈ। সুমদনা নৈৰ পূৰ আৰু ব্রহ্মকেত্ৰৰ পশ্চিমে মহাক্ষেত্ৰ নামে যি ক্ষেত্ৰ আছে তাত আদিত্য দেৱ সদায় বাস কৰে।

"ভৈৰবস্তু হিতার্থায় যত্ৰ সর্ব্বেশ্বৰঃ স্থিতঃ
কামৰূপে মহাপীঠে ব্রহ্মেন্দ্ৰ বৰুণাদয়ঃ।
ত্রিস্রোতা নাম যস্তাস্তি নদী পূর্ব্বদিশি স্থিতা।
কপোত কৰুণং পশ্চাদস্য কুণ্ডদ্বয়ং স্থিতম্॥

যি পৰ্ব্বতত ব্রহ্মা, ইন্দ্ৰ, বৰুণ আদি সকলো দেৱতাগণ লগি ভৈৰবৰ হিতৰ নিমিত্তে শ্রীসূর্য্যদেৱক ধ্যান কৰিছিল সেই পৰ্ব্বতৰ নাম শ্রীসূর্য্য বৰণা হয়। শ্রীসূর্য্য পৰ্ব্বত শ্রীসূর্য্য পুবে ত্রিস্রোতা নৈ আৰু পশ্চিমে কপোত আৰু কৰুণ নামে কুণ্ড দুটা আছে। কপোত আৰু কৰুণ কুণ্ডত স্নান কৰি সেই পৰ্ব্বতত উঠি দিবাকৰ সূর্য্যক যথাবিধি পূজা কৰিলে মানুহৰ সূর্য্যলোকলৈ গতি হয়। পূজাৰ মন্ত্ৰ আৰু বিধি কালিকা পুৰাণৰ ৭৮ অধ্যাত লিখা আছে।

গোৱালপাৰা নগৰৰ পৰা ডোবাপাৰাৰ বাটেৰে গুৱাহাটীৰ মুখে ৭ মাইল বাট গলে শ্রীসূর্য্য পৰ্ব্বত পোৱা যায়। ডাঙৰ এহেজাৰ মান শিলত কটা শিবলিঙ্গ আৰু অনেক দেৱ-দেৱীৰ মূর্ত্তি আছে। এইবিলাকৰ মাজত শিলৰ এখন ছপী প্রতিমাও আছে। এই প্রতিমাৰ হাত বাৰটা। এখন দুখীয়া ধৰণৰ চাৰিও কাষে নৱগ্রহ আৰু মাজতে সূর্য্যদেৱৰ আঁকা আছে; দেখিলে বোধ হয় এয়ে যেন প্রাচীন কালৰ সৌৰ জগতৰ প্রতিকৃতি। সম্ভৱতঃ এইবোৰেই ইয়াৰ প্রাচীন মান-মন্দিৰ আছিল। পৰ্ব্বতৰ ওপৰত এটা শিলত কটা গুহা বা ঘোপা আছে। এই গুহাৰ ভিতৰত দুটা শিলৰ মূর্ত্তি আছে। মূর্ত্তি দুটাৰ তলত ব্রাহ্মী আখৰেৰে লিখা শিলালিপি আছে। এই শিলালিপিত কি লিখা আছে আজিলৈকে কোনেও নির্ণয় কৰিব পৰা নাই।

গুৱাহাটীৰ কামাখ্যা পাহাড়ৰ পুবৰ বিটো পৰ্ব্বতক

দুমদমবীৰ দেৱালয় আছে তাক ব্রহ্মগিৰি বোলে, ব্রহ্মক্ষেত্ৰ বুলিও কয়। এই ব্রহ্মক্ষেত্ৰৰ পশ্চিমে থকা শ্রীসূর্য্য পৰ্ব্বতক মহাক্ষেত্ৰ বোলে। যি সূর্য্যদেৱে সাৰথেৰ মন্ত্ৰবিলাক সঙ্কলন কৰিছিল তেওঁক দেৱতাসকলে এই ক্ষেত্ৰত স্থাপন কৰিছিল। শৈব, শাক্ত, বৈষ্ণ, সৌৰ্য্য আৰু গাণপত্য, এই সকলো সম্প্রদায়ৰে এই ক্ষেত্ৰ অতি পুৰণি আৰু পবিত্ৰ তীৰ্থ। ইয়াৰ পূৰ্বে দুমদমী নৈকে বোধকৰোঁ "কালিকা পুৰাণে "ত্রিস্রোতা" বুলিছে। দেৱগুৰু বৃহস্পতিয়ে এই ক্ষেত্ৰত আশ্রম পাতি দেৱতাসকলেৰে সৈতে কিছুদিন বাস কৰিছিল।

মহাক্ষেত্ৰ

গুৱাহাটৰ বা টুক্টেশ্বৰীৰ পুবে কুসুমমালিনী, কৌবোদা আৰু নীলা নামে নদী আছে। নীলাৰ পুবে মণোৰ আৰু শিবাচণ্ডী বা চণ্ডিকা নামে নদী আছে। তাৰ পৰা অলপ দূৰ গলে চাৰি শিবলিঙ্গ পোৱা যায়; এটিৰ নাম গোলোক আৰু আনটিৰ নাম শৃঙ্গী; এই দুটাৰ ভিতৰত এক ক্রোশ মাত্ৰ ব্যৱধান। মানুহে ভক্তিভাৱেৰে স্নান কৰি ধৱলেশ্বৰ পৰ্ব্বতৰ ওপৰত উঠি ধৱলেশ্বৰ নাথৰ আৰু গোলোক নামে শিবলিঙ্গ দৰ্শন কৰিব; তাৰ পিছত পৰ্ব্বতৰ পৰা নামি ভৈৰৱনাথ থকা শৃঙ্গী নামে থকা শিবলিঙ্গৰ বিধিমতে পূজা কৰিব; তাকে কৰিলে অশ্বমেধ যজ্ঞৰ ফল আৰু সকলো প্রকাৰ অভীষ্ট সিদ্ধ হয় বুলি "কালিকা পুৰাণত" লিখা আছে।

এই পুৰী দেৱালয় কামৰূপ জিলাৰ বকো থানাৰ অন্তৰ্গত শিংৰা নৈৰপাৰত থকা বুলি বোধ হয়। সম্ভৱতঃ 'পুৰী' শব্দৰ পৰাই শিবাচণ্ডী নদীৰ নাম শিংৰা হৈছে।

পুৰী দেৱালয়

হাজাগাঁ থানাৰ এণাকাত চণ্ডিকাৰ এখন দেৱালয় আছে।

কামৰূপ জিলাৰ ববপেটা মহকুমাৰ ভিতৰত পাঠশালা ষ্টেচনৰ পৰা অলপ দূৰ দক্ষিণে ডুবি নামে প্রসিদ্ধ গাঙ আছে। ইয়াত পবিহৰেশ্বৰ শিবৰ প্রাচীন দেৱালয় আছে। পূর্ব্বৰ প্রথা মতে এই দেৱালয়ত দেৱদাসী বা নটীয়ে নাচ গান কৰে।

ডুবি দেউল দেৱালয়

কামৰূপ জিলাৰ নলবাৰী থানাৰ পৰা ৭ মাইল পশ্চিমে বেলৰৰ গাৱঁত বিষেৰৰ দেৱালয় আছে। এই দেৱালয়ৰ আগৰ পকী মন্দিৰ ভাগি যোৱাত ১৬৬৭ শকত ৺লক্ষ্মী সিংহ স্বর্গদেউৰ আদেশ মতে গুৱাহাটীৰ ৺তকণ দুৱৰা বৰ ফুকনে নতুনকৈ মন্দিৰ নির্ম্মাণ কৰিছিল। ১৮৯৭ খৃষ্টাব্দৰ ভূমিকম্পত সেই মন্দিৰো ভগ্ন হয়। এতিয়া আগৰ ভেটিতে আকৌ মন্দিৰ সজা হৈছে। শ্রীশ্রীবিষেৰৰ মহাকদ্র মহেশ্বৰৰ সেৱা-পূজা যথাবিধি ইয়াত হৈ থাকে। ইয়াত দুর্গা পূজাও হয়। এই দেৱালয়ৰ নামে ভালেমান নিষ্কৰধেৰাজ মাটি আছে। এনে প্রবাদ আছে যে নাগাক, নাগাঙ্গ বা নাগশঙ্কৰ নামে এজন শিবভক্ত লৌহিত্য বংশী ব্রাহ্মণ ৰজাই এই দেৱালয় স্থাপন কৰিছিল।

বিষেৰৰ দেৱালয়।

হাতীমুৰা পৰ্ব্বতত ধাৰেশ্বৰ আৰু পিঙ্গলেশ্বৰ নামে দুখন শিবৰ দেৱালয় আছে। হাতীমুৰাৰ উত্তৰে কামদেহু পৰ্ব্বত, তাৰ উত্তৰে গণেশ আৰু ভৰদ্বাজ পৰ্ব্বত।

গজ শৈল বা হাতীমুৰা পৰ্ব্বত

ভৰদ্বাজ পৰ্ব্বতত ভৰদ্বাজ ঋষিৰ আশ্রম আছিল বুলি সেই পৰ্ব্বতক পুণ্যতীর্থ বুলি ধৰা হয়।

ভৰদ্বাজ আশ্রম

ভৰদ্বাজ পৰ্ব্বতৰ উত্তৰে গন্ধমাদন পৰ্ব্বত। ইয়াৰ অগ্নিকোণত ভূঙ্গেশ্বৰ নামে শিবলিঙ্গ আছে।

গন্ধমাদন।

কালিকা পুৰাণৰ ৭৮ অধ্যাত লিখা আছে,—গন্ধমাদন পৰ্ব্বতত ভূঙ্গেশ নামে শিবৰ এটি মহৎ লিঙ্গ আছে; সেই পৰ্ব্বতৰ অন্তত ভূঙ্গেশৰ দুটি পদ আছে; সেই পদৰ পৰা সদায় গঙ্গাজল বৈ থাকে; তাতে অন্তৰালৰ নামে এটি কুণ্ড আছে; সেই কুণ্ডত স্নান আৰু তাৰ জলপান কৰি ভূঙ্গেশৰ পদযুগল দর্শন কৰি মহাভূঙ্গক পূজা কৰিলে গণাধিপত্য লাভ হয়। মণিকূট আৰু গন্ধমাদনৰ মাজেদি লৌহিত্য-ব্রহ্মপুত্র নদ বৈ আছে। বর্ণাশা, বল্লভা বা ববশিয়া নৈৰ দক্ষিণে লৌহিত্য সাগৰ। তাৰ পুবে মণিকূট পৰ্ব্বতত হয়গ্রীৱ বিষ্ণুৰ দেৱালয় আছে।

ভূঙ্গেশ বা ভূঙ্গেশ্বৰ

(ক্রমশঃ)

পথ্য

—ডাঃ শ্রীযুত ললিত কুমার বক্সী

আমার মানুহে কথায় কথায় কয় যি বোগত যি পথ্য সেয়ে হলেহে বেমার যাব—আৰু অনেকে কয় যে ঔষধ এবি দিও পথ্যকে নিয়মমতে খালে আৰু নিয়ম মতে থাকিলে বেমাৰৰ পৰা আঁতৰি থাকিব পাৰি। কিন্তু পথ্য এবি দিলে কেৱল ঔষধে বেমাৰৰ পৰা বক্ষা কৰিব নোৱাৰে। আমাৰ মানুহে বেমাৰত দৰব খোৱাত যিমান যত্ন লয় পথ্যত দবাঁলতে সিমান নলয়—পথ্যক যদি নিয়ম মতে পৰিপাক যোৱাকৈ নাযায় তেন্তে হেজাৰ ঔষধেও কিবা প্রতিকাৰ কৰিব বুলি আশা নহয়। এনেকি বহুত সময় দেখিবলৈ পোৱা যায় পথ্যৰ দোষতে বেমাৰে লগ এবিব নোখোজে। এতেকে কোন বেমাৰত কি পথ্য খাব লাগে আৰু কি পথ্য খালে অপকাৰ কৰে সেইটো জনা উচিত। মিটো পথ্য খালে বেমাৰ বৃদ্ধি হয় তাক কেতিয়াও খাব নালাগে। বোগীৰ জীৰ্ণ নিওৱা শক্তিলৈ লক্ষ্য কৰি বোগীৰ পথ্য আৰু পৰিমাণ নির্ণয় কৰিব লাগে। কিয়নো সুপথ্যয়ো বেছি পৰিমাণে খালে অপকাৰ কৰিব পাৰে।

সাধাৰণ জৰ :—জৰৰ প্রথম অৱস্থাত লঘোন দিয়াই ভাল। আখৈ, বার্লি, চাগু ইত্যাদি দিব পাৰে। আখৈৰ লগত মিছিৰি, গাখীৰ দিব পাৰে—বার্লি, চাগু আদিৰ লগত গাখীৰ আৰু মিছিৰিও দিব পাৰে অথবা নিমখ আৰু নেমুটেণ্ডাৰ বসো মিহলাই দিব পাৰে। বহুতে এনেকৈ খাবলৈ ভাল পায় কিন্তু আখৈ দিবৰ সময়ত ভালকৈ চাব লাগে যাতে আখৈত বালি বা ধানৰ কণা মাত্রও নাথাকে আৰু আখৈ সদায় নতুনকৈ ফুটাই দিব লাগে। চিবা খচা পানীও দিব পাৰে।

মণ্ড আৰু মচুৰ মাহ সিজাই তাৰ জোলো দিব পাৰে। বোগীৰ ইচ্ছা হ'লে মিঠা ডালিম, বেদানা, কিছুমিছ, সুমখিবা টেঙা, দিব পাৰে।

জৰ এবিলে জুইত সেকা পাউকটী, অথবা কটী, চাহ খচা পানী সিজাই গাখীৰেৰে দিব পাৰে।

সম্পূর্ণৰূপে জৰ এবিলে পুৰণা চাউলৰ ভাত আৰু মাছৰ আঞ্জা দিব পাৰে। কুইনাইন খাই থাকোতে খোৱাৰ পাছত সৰহ পৰিমাণে গাখীৰ খাব লাগে। দুর্ব্বল হলে মাংসৰ জোল দিব লাগে।

শুকপাক বস্তু, শাক, টেঙা এই সময়ত খোৱা উচিত নহয়।

বোগীৰ পথ্য কৰিবৰ সময়ত পথ্য যাতে উপাদেয় হয় কচিকৰ হয় তালৈ সদায় চকু দিব লাগে। গৰম বস্তু খুব কম পৰিমাণে হে ব্যৱহাৰ কৰিব লাগে। বৰ্ষাৰ দেৰীতে লঘুপাক বস্তুৱেই শুকপাক হৈ পৰে। পথ্য সদায় নিকা হয় আৰু তাৰ লগে লগে মিটো পাত্রত হয় সিও যেন চাক চিকণ হয় তালৈ বিশেষ ভাবে বাখিব লাগে। আমাৰ মানুহে শতকৰা ৯০ জনেই বার্লি কর্ণফ্লাৰ, আখৈ, মণ্ডৰ জোল ইত্যাদি বোগীৰ পথ্য হিচাবে দিছে আৰু দিয়ে কিন্তু তাৰ ভিতৰত কিদৰে ইয়াৰ তৈয়াৰ কৰা প্রণালী জানে সেইটো বিচো তথাপি কেনেকৈ কৰিব লাগে আমি তাৰ অলপ আভা দিলোঁ—

(ক) চাগু—এতোলামান চাগু লৈ ভালকৈ প্রায় দুই ঘণ্টামান সময় তিয়াই বাখিব। তাৰ পিছ আঢ়ৈ পোৱা মান পানীত সেই চাগুখিনি পিচ আৰু বেতিয়া উতল আহিব তেতিয়া লবাই দি এনেকৈ ১৫ মিনিট মান উতলালে ই খাঞোপযো হ'ব।

(খ) বার্লি :—এতোলামান উত্তম বার্লি,—খন্দি বার্লিকে ব্যৱহাৰ কৰা উচিত—এক ছটাক ঠাণ্ডা গ

নিমখাব। তাৰ পাছত আগাসৰ মান উতলা পানীত অলপ অলপ কৈ চালিব আৰু ঘণাই লবাই দিব। যেতিয়া বুজিব যে সেইখিনি আটাই নিছিনা হৈছে তেতিয়া জুইৰ পৰা নমাই বাখিব। চেঁচি ডাঠ হবলৈ নিদিব—পাতল হৈ থাকোতেই নমাব।

(গ) এবাৰ্কট—ঠিক বার্লিৰ নিচিনা কৈ তৈয়াৰ কৰিব লাগে। পেটৰ অসুখ থাকিলে চাগু, বার্লি নিদি এবাৰ্কটেই দিয়া ভাল।

(ঘ) কৰনফ্লাৰ :- (Corflour) ই দেখিবলৈ এৰাৰ্কটৰ দৰে—তৈয়াৰ প্রণালীও বার্লিৰ নিচিনা।

(ঙ) পার্ল্ বার্লি (pearl barley) নির্দ্দল পানীত একছটাক মান পার্ল বার্লি ভালকৈ ধুই দিব। তাৰ পিছত এটা চচুপেনত বা কেৰাহিত ১॥ সেৰ মান পানী ল'ব। তাত এক ছটাক পার্ল বার্লি দি জুইত তুলি দিব। আৰু আধা সেৰ মান পানী থাকোতে জুইৰ পৰা নমাব।

বিশেষ চাবলগীয়া :—প্রত্যেক বাৰৰ পথ্য নুতনকৈ তৈয়াৰ কৰি দিব লাগে—বাহী বা এবাৰ কৰি এটা তাকে দিয়া বৰ অন্যায়।

চিড়াৰ মণ্ড—সৰু সৰু গোটৰ লাহি ধানৰ পাতল চিড়া এছটাক পানীত ৫।৬ বাৰ ভালকৈ ধুই গৰম পানীত দুবণ্টামান ভিজাই থব লাগে। তাৰ পিছত ইয়াক মোহবি নিকা কৰিলে খচি দিলেই মণ্ড হব। ইয়াত লোণ বা অলপ চিনি বা ২।৪ টোপা নেমু টেঙাৰ বসব লগত মিহলাই দিলে বৰ কচিকৰ হয়

(চ) আখৈৰ মণ্ড—ঠিক চিবাৰ মণ্ডৰ দৰে তৈয়াৰ কৰি লাগে।

(ছ) ভাতৰ মণ্ড—ভাল পুৰণা চাউল ভালকৈ ধুই মাৰ নকচুকৈ অন্যান্য মণ্ডৰ নিচিনাকৈ খচি লিলেই হয়।

(ঝ)—এটা পৰিষ্কাৰ বটলত দুভাগ দৈ আৰু এভাগ পানী ভৰাই ভালকৈ বটলৰ মুখখন বন্ধ কৰিব লাগে। তাৰ পিছত অলপ সময় বটল টো জোকাৰিলেই মাখনৰ টো আঁতৰ হৈ ওপজিব। তেতিয়া নিকা কানিবে চাকি পেলালেই তলত ঘোল পৰিব। তৈয়াৰ কৰাৰ আগতে আৰু পিছতে বটলটো ভালকৈ পৰিষ্কাৰ কৰিব লাগে।

(ঞ) ছানুৰ পানী—গাখীৰ তপতাই যেতিয়া ফুট উঠিব তেতিয়া এটা শিলৰ নাইবা এনামেলৰ বাটিত বাকি তৎক্ষণাৎ এটা নেমুটেঙাৰ বস দিলে ছানা ফাটি যাব। আধা সেৰ গাখীৰৰ ছানা তুলিবলৈ হ'লে এটা নেমুটেঙাৰ আৱশ্যক।

(ট) ওটমিল (oatmeal) ইয়াক য' ধানৰ চিড়া বুলিব পাৰি। ই এটা বিশাতি পুষ্টিকৰ খাদ্য। আধা ছটাক পৰিমাণ ঠাণ্ডা পানীত এক কাচ্চা (৪ ড্রাম) ওটমিল ভালকৈ মিহণাই ৷৷০ পোৱা গৰম পানীত লাহে লাহে মিহণাব—লাগে। গৰম পানীত দিবৰ সময়ত ঘনাই লবাব লাগে, তাৰ পিছত ১০ মিনিট মান সময় জুইত দি তাৰ পিছত নমাব লাগে। কিন্তু যেতিয়াটৈকে জুইৰ ওপৰত থাকিব—তেতিয়াটৈকে ঘণাই ৰখাই থাকিব লাগিব। খাবৰ সময়ত লোণ বা চেনি দি খাব পাৰে।

(ঠ) ইচ্ছা কৰিলে পানী নিদি গাখীৰো দিব পাৰি আৰু মুখত লাগিবলৈ ২।৪ টা কিছুমিছ ও দিব পাৰে।

(ঠ) সুজিৰ কটী—আৱশ্যক মতে সুজি এফণ্টামান সময় পানীত তিয়াই বাখিব—তাৰ পিছত ভালকৈ মাৰি এটা লাক্ষ কৰিব। অলপ পানী গৰম কৰিব, যেতিয়া ফুটিব—তেতিয়া ফুটা পানীত সুজিৰ লাক্ষটো গোলাই দিব—আৰু ১০ ১৫ মিনিট মানৰ পিছত তাৰ পৰা নমাব। ইয়াৰ পিছত ভালকৈ মাৰি লৈ কটী তৈয়াৰ কৰিব। সেকিবৰ সময়ত যেতিয়া ফুলি উঠিব তেতিয়া খোলাৰ পৰা নমাই পানীত ডুবাই তৎক্ষণাৎ অন্য ঠাইত থব—তেতিয়া ছলে কটী কোমল হ'ব

(ড) মেলিন্‌ ফুড—(Mellin's food) একতোলা পৰিমাণ মেলিন্স ফুড এক পোৱা গৰম পানীবে দৈতে জাল দিব লাগে আৰু যেতিয়া পানীৰ লগত ভালকৈ মিহলিব তেতিয়া ৷৷ সেৰ গৰুৰ গাখীৰ মিহলাই খাব দিব লাগে।

(চ) মল্টেড মিল্ক (Horlick's malted milk) ই লঘুপাক আৰু পুষ্টিকৰ খাদ্য।

তিনি মাহৰ তলৰ কেচুৱাক চাহ চামুচৰ এক বা দুই চামুচ এক ছটাকৰ পৰা আধা পোৱা গৰম পানীৰ (ফুটা পানী) মিহলাব লাগে। কেতিয়াও ঠাণ্ডা পানীৰ লগত মিহলাব নালাগে। তিনিমাহৰ পৰা ছমাহৰ কেচুৱাক—চাহ চামোছৰ ৩৪ চামোছ আধা পোৱাৰ পৰা পাঁচ ছটাক মান উতলা পানীত মিহলাব।

ছমাহৰ পৰা বছৰেকীয়া :—চাহ চামুচৰ ৪৬ চামুচ পাঁচ ছটাক মান পানীৰ লগত মিহলাব। পূৰ্ণ বয়সৰ কাৰণে :—প্ৰয়োজন মতে এক পাইণ্ট পানীত ৪ ড্ৰাম পৰ্য্যন্ত মিহলাব।

(ন) মাহৰ জোল—সাধাৰণতে কেছা মণ্ড আৰু মচুৰ মাহৰেই জোল তৈয়াৰ কৰা হয়। কেৱাহি বা চকত এসেৰ পানী জুইত দিব লাগে। তাত আধা ছটাক মান—মণ্ড বা মচুৰ মাহৰ নিকা কানিৰে টোপোলা কৰি তাত দিব—যেতিয়া পানী আহি এপোৱা মানত বৰহি তেতিয়া সেই পানীত সেই মাহৰ টোপোলাটো ভালকৈ থছিয়—তাৰ পিছত জুইৰ পৰা নমাই থব—ইয়াৰ লগত, অলপ আদাৰ ৰস আৰু লোণ দি খাবলৈ দিব নহলে অলপ লেমুটেঙাৰ ৰসো দিব পাৰে।

(৩) মাংসৰ ব্ৰথ (Broth) এ পোৱা মাংস খুব ভালকৈ ধুই কাটি তাৰ পৰা চৰ্ব্বি খিনি গুছাই ছ সেৰ মান পানীত ছ ঘণ্টা মান তিতাই ৰাখিব। তাৰ পিছত পাত্ৰটোৰে সৈতে জুইত তুলি দিব। আৰু কেটামান জালুক, ধনীয়া, কিঞ্চিত হালধি আৰু আন্দাজ মতে নিমখৰ এটি টোপোলা কৰি সেই পানীতে পেলাই দিব—কেইটুকুৰা মান আৰাওঁ কাটি দিলে বেয়া নহয়। পাত্ৰটোৰ মুখ খন ঢাকি দিব আৰু বৰ বেছিকৈ জুই নিদিব। আৰু যেতিয়া গোটেই পানী সুহি মাত্ৰ /॥ সেৰ মান পানী থাকিব তেতিয়া পাত্ৰটো জুইৰ পৰা নমাব। সিদ্ধ মাংসৰ পৰা হাড় বিলাক বাছি উলিয়াই পেলাব, আৰু মাংস খিনি এটুকুৰা নিকা কাপোৰেৰে চেপি বস যিনি উলিয়াই তেতিয়াই "ব্ৰথ" হ'ব।

(থ) জাগ সুপ (Jug Soup) ব্ৰথৰ মাংসৰ চিকি চুপৰ মাংসও ভালকৈ থুই চৰ্ব্বি বিলাক গুচাব লা তাৰ পিছত কিঞ্চিত আদা ধনীয়া, নিমখ ২।১ টা মেৰ দি এটা জাগ চুপ কৰা পাত্ৰত ভৰাই ভালকৈ ঢাকা থন বন্ধ কৰি দিব যাতে ভিতৰৰ বতাহ বাহিৰ নোৱাৰে। কোনো কোনো বিশেষজ্ঞই কয় যে চুপৰ পানীত ধুৱ নালাগে। মাংস কুটিবৰ সময়তে নলগাকৈ ভালকৈ কুটিব লাগে। এটা কেৱাচিনে টিনত পানী দি তাতে এই পাত্ৰ টো বহুৱাই দিব আৰু পাত্ৰটো পানীৰ মাজত বহুৱাই দিওতে চাব যাতে টিনৰ পানী সেই পাত্ৰ টোত নোসোমায়। অন্যথাঃ তিনি ঘণ্টা মান জুইৰ ওপৰত থব লাগিব। পানী কমি যোৱাৰ লগে লগে আকৌ তাত নুফুটকৈ দিব লাগে। যেতিয়া তিনি ঘণ্টা মান হৈ যাব, পাত্ৰটো তাৰ পৰা নমাই—তাৰ ভিতৰত থিকা তাকে নিকা কানিৰে চাকিলেই চুপ প্ৰস্তুত হয়। ই পুষ্টি আৰু লঘুপাক।

(দ) পেপ্টেনাইজড্ গাখীৰ—এটা পৰিষ্কাৰ আঠৈ পোৱা মান কেতা গাখীৰ আৰু এক চামুচ পানী মিহলাই তাত এটা পেপ্টেনাইজিং পাউডাৰ টিউবত (Lymine peptonising powder) দিব খিনি ঔষধ থাকে সেইটো তাতে দিব লাগে। ইয়াৰ পি হাতত সহ হোৱা গৰমৰ এটি গৰম পানীৰ পাত্ৰটো মিনিট মান ৰাখিব লাগে আৰু মাজে মাজে নৰবাব ইয়াৰ পিছত লৰালৰিকৈ সিজাব লাগে নহলে ব ওপৰত থব লাগে। যদি ২০ মিনিটত কৈ বেছি গৰম পানীত থোৱা হয় তেন্তে ই তিতা হ'ব। পেপ্টেনাইজ কৰিবৰ পিছতে তাক ব্যৱহাৰ নকৰি ২৩ মিনিট জাল নিদি ৰবফৰ ওপৰত থো প্ৰেম।

বৈজ্ঞানিক জগত

ৰেলৰ ইঞ্জিনৰ নতুন কাম

চাউথ হেম্পটনৰ 'চাউথ ৰেষ্টোৰ্ণ' হোটেল এটাৰ ঘটি গৰম বথা ভাপ যন্ত্ৰ হঠাৎ নষ্ট হৈ যোৱাত এটি ৰেলৰ ইঞ্জিনেৰে সেই কাম সাময়িক ভাবে চলোৱা হৈছিল। ছবিত এজন মানুহে ইঞ্জিনৰ লগত ঘৰৰ এটি পাইপ লগাই দিয়া দেখিবলৈ পোৱা যৈছে।

এটি ইঞ্জিনৰ ভাগেৰে এটি চাইথ ৰেষ্টোৰ্ণ হোটেল ঘৰ (চাউথ হেমটন) গৰম বথা হৈছে।

অতি ডাঙৰ কাঁচৰ ডোখৰ কঢ়িবা যন্ত্ৰ

১৫ ফুট বা ২০ ফুট দীঘল আৰু ১০।১২ ফুট বহল কাঁচৰ প্লেট বোৰ এঠাইৰ পৰা আন ঠাইলৈ হাতেৰে নিবলৈ হলে নভঙা নিস্তিঙাকৈ নিয়া কেতিয়াও সম্ভৱ নহয়। অতি সুদক্ষ আৰু অভ্যস্ত মানুহেহে সেই কাম যথাবণতে কবিব পাবে। এই অসুবিধা দূৰ কবিবলৈ বৈজ্ঞানিক সকলে এবিধ যন্ত্ৰ উলিয়াইছে। এই যন্ত্ৰবে

এটি ডাঙৰ ডাঙৰ কাঁচৰ টুকুৰা নভঙাকৈ অনায়াসে কবিব পৰা যন্ত্ৰ (crane)।

অনায়াসে এঠাইৰ পৰা আন ঠাইলৈ কাঁচ নভঙা-নিস্তিঙাকৈ অনা নিয়া কবিব পাবি।

'বেডিও চাইকো মিটাৰ'

'বেডিও চাইকো মিটাৰ' নামে ছবিত দেখা ক'লা



বেডিও চাইকো মিটাৰেৰে মেঘৰ ভিতিপৰে চুখন বিজুলী শক্তিবে চালিত গাৰী একেলগে নিৰূপন কৰিছে।

সক বাকচটিৰ দ্বাৰা চুখন বিজুলী শক্তিবে চলোৱা গাৰী থমাবলৈ পৰা যায়। সেই যন্ত্ৰবে চালিত আন বস্তু

আৰু নীলা চিন দেখুৱাই গামীৰোৱৰ গতি নিয়ন্ত্ৰণো কৰা যায়। বিখ্যাত ইঞ্জিয়াৰ মেজৰ ফিলিপচে এই যন্ত্ৰৰ কৃতকাৰ্য্যতা 'ৱয়েল ইষ্টিকালচাৰ হলত' পতা মডেল ইঞ্জিনিয়াৰিং প্ৰদৰ্শনীত দেখুৱাইছিল।

পানীৰ তলত থাকি কাম কৰিব পৰা উপায় উদ্ভাৱন

নদীত দলং আদি সাজিবৰ বাবে ইঞ্জিনিয়াৰ সকলে কেতিয়াবা পানীৰ তলত বহুত কাম কৰিব লাগীয়া হয়। কিন্তু ই সহজ সাধ্য কাম নহয়। এতিয়া এবিধ যন্ত্ৰ ওলাইছে আৰু তাৰ সহায়ত পানীৰ তলত নিৰাপদে কাম কৰিব পাৰি। এই যন্ত্ৰ আন একো নহয়—লোৰ এটি ডাঙৰ চুঙা (Cylinder). তাত ঘণিভূত (Compressed) বতাহ সোমাই ওপৰৰ ফালেদি পানী উঠিবলৈ নিদিয়া হয় আৰু চুঙাৰ ওপৰ ভাগত মানুহ গৈ পানীৰ তলত কাম কৰিব পৰা যায়।



লোৰ এটি চিলিণ্ডাৰ—ইয়াৰ ভিতৰত সোমাই পানীৰ তলত কাম কৰিব পৰা যায়।

ফিঙুৱা কোঁৱৰ।

—শ্ৰীযুত ধনেশ্বৰ শৰ্ম্মা।

মোৰা নৱম সংখ্যাৰ 'আবাহন'ত পূজ্যপাদ শ্ৰীযুত প্ৰতাপ চন্দ্ৰ গোস্বামী বিদ্যাবিশাৰদ মহাশয়ে "কামৰূপৰ বুৰঞ্জীৰ আহিলা" প্ৰবন্ধত ফিঙুৱা কোঁৱৰক বিখ্যাত আবিমন্ত বঙ্গাৰ বংশৰ লোক বুলিছে। কিন্তু সেইটো তেখেতৰ নিজাস্ত নহয় বুলিও তেখেতে তাত এইদৰে উল্লেখ কৰিছে। "গুয়েজন জিতাৰি বংশৰ বঙ্গা বুলি শ্ৰীযান হৰিনাৰায়ণ দত্ত বৰুৱাই কয়। তেওঁ এখন বংশ তালিকাও সংগ্ৰহ কৰা বুলি কৈছে, মই সেই বংশ তালিকা দেখা নাই। গতিকে কি প্ৰমাণ আছে তাকো কব নোৱাৰোঁ। " দত্ত বৰুৱা ডাঙৰীয়াই কি প্ৰমাণ পাই ফিঙুৱা কোঁৱৰক আবিমন্তৰ বংশৰ লোক বুলিছে আমিও তাক বুজিবলৈ টান পাইছোঁ। দুই এখন বুৰঞ্জীৰ পৰা আমি যি বুজিছোঁ তাৰ দ্বাৰা ফিঙুৱা কোঁৱৰক আবিমন্ত বংশৰ লোক বুলিব নোৱাৰি। অৱশ্যে বুৰঞ্জীৰ এই ছোৱ কিম্বদন্তীমূলক যে তাত সন্দেহ নাই। কিম্বদন্তীবিলাক পৰা আঁচল সত্য উদ্ধাৰ কৰা অতি কঠিন। তথাপি আমি দুই এখন বুৰঞ্জীত যি পাইছোঁ তাক তলত উলিয়াই কবিলোঁ।

প্ৰথমতে আবিমন্ত কোন বংশীয় লোক আছিল তাৰ অলপ বিচাৰ কৰা যাওক। বুৰঞ্জীবিদ প্ৰত্নতাত্ত্বিক ডাঃ সূর্য্যকুমাৰ ভূঞা ডাঙৰীয়াৰ সংগৃহীত কামৰূপৰ বুৰঞ্জী মতে এই বংশৰ আদি বঙ্গা জিতাৰি নামে এজন ক্ষত্ৰিয় সন্ন্যাসী। সেই বুৰঞ্জীৰ ৪ পিঠিত এইদৰে লিখা আছে—"তাৰ পাচে দ্রাবিড়ী দেশৰ জিতাৰি নামে ক্ষেত্ৰি আহি ৰাজ্য স্থাপন কৰিছিল বুলি কথিত আছে। যি হক ধৰ্ম্মপাল যে জিতাৰি বংশৰ বঙ্গা তাত কোনো সন্দেহ নাই। কিন্তু এই বংশৰ নাম অনুসৰি ধৰ্ম্মপাল ইয়াৰ আদি বঙ্গা নহৈ জিতাৰি হে আদি বঙ্গা হোৱা বেছি সম্ভৱপৰ। এই বংশৰ ধৰ্ম্মপালৰ পৰা ৰামচন্দ্ৰলৈ ন জন বঙ্গাই যথাক্ৰমে কামৰূপত ৰাজত্ব কৰাৰ প্ৰমাণ পোৱা যায়। শ্ৰীযুত গোঁহাই বৰুৱাৰ বুৰঞ্জীত এইদৰে আছে—"ধৰ্ম্মপালৰ পাচত সেই বংশৰে সুবলী, পদ্মনাৰায়ণ, চন্দ্ৰ নাৰায়ণ, মহেন্দ্ৰ নাৰায়ণ, প্ৰাণ নাৰায়ণ, জয় নাৰায়ণ, ক্ষোভ নাৰায়ণ, প্ৰতাপচন্দ্ৰ আৰু ৰামচন্দ্ৰ নামে ন জন ৰজাই কামৰূপত ৰাজত্ব কৰে। ৰামচন্দ্ৰৰ ঔৰসত মহিষী মালী বাৰিষ গৰ্ভত ১০০৯খ্ৰীষ্টাব্দত বিখ্যাত আবিমন্ত ৰজাৰ জন্ম হয়।" এই কথা গেইট চাহাবৰ বুৰঞ্জীও সমৰ্থন কৰে। তাৰ ১৮ পিঠিত এনেদৰে লিখা আছে—" He (Dharmapal) was succeeded in turn by Padama Narayan, Chandra Narayan and others, ending with Ram Chandra whose capital was at Ratnapur in the Majuli" অৰ্থাৎ তেওঁৰ (ধৰ্ম্মপালৰ) পাছত যথাক্ৰমে পদ্মনাৰায়ণ, চন্দ্ৰনাৰায়ণকে আদি কৰি ৰামচন্দ্ৰক শেষ কৰি আন বঙ্গা কেজন ৰাজত্ব কৰিছিল। মাজুলিত ৰত্নপুৰত ৰামচন্দ্ৰৰ ৰাজধানী আছিল। বুৰঞ্জীত এই ৰামচন্দ্ৰকে প্ৰতাপসিংহ বা মাণামত্ত নামে জনা যায়। মাণামত্তৰ বাণীৰ নাম গোঁহাই বৰুৱাৰ বুৰঞ্জীত মহিষী নামে উল্লেখ কৰিছে। কিন্তু আন বুৰঞ্জী মতে এওঁৰ নাম হৰিমতী বা চন্দ্ৰপ্ৰভা বুলি জনা যায়। যিহক এই জনা বাণীক যে তেওঁৰ স্বামী মাণামত্তই ইহজীৱনলৈ পৰিত্যাগ কৰি তেওঁৰ একো সন্ধেদ বখা নাছিল আৰু সেই সময়ৰ ভিতৰত যে তেওঁৰ গৰ্ভত বিখ্যাত আবিমন্তৰ জন্ম হয় এই আখ্যান সকলৰে জনাজাত। কিয়নো এই কথা আন বুৰঞ্জীয়ে স্বীকাৰ কৰিছে। আবিমন্তে বৈষ্ণগড়ত বঙ্গা হৈ নানা দেশ জয় কৰি কমতাপুৰৰ বঙ্গা দুৰ্জ্জেয়ক যুদ্ধত বধ কৰে আৰু দুৰ্জ্জেয়ৰ ভতিজা ফিঙুৱাক কমতাপুৰৰ বঙ্গা পাতে। ফিঙুৱা বীৰ আছিল। তেওঁ নানা দেশ জয় কৰি কামৰূপৰ সোণকুবিহা গাঁৱত গড় সাজে। এই গড়ৰ চিন এতিয়াও দেখিবলৈ পোৱা যায়। ইয়াৰ পাচত বৈষ্ণগড়ৰ দহ মাইল পশ্চিমে ফিঙুৱাই আন এটা বৰ ডাঙৰ গড় সাজিছিল। সেই গড়ৰ চিনো এতিয়ালৈকে আছে। ফিঙুৱাই এইদৰে কামৰূপত থিতাপি হৈ আবিমন্তৰ লগত যুদ্ধ কৰে। কিন্তু প্ৰথম যুদ্ধত ফিঙুৱা হাৰে। তেতিয়া ফিঙুৱাই উপায়ান্তৰ নেদেখি মালিনীৰ সহায়ত আবিমন্তৰ ভাৰ্য্যা বকুমালাৰ লগত অবৈধ প্ৰণয় স্থাপন কৰে। এই সূত্ৰে বকুমালাই ধনুৰ গুণবিলাকত অতি গোপনে কলাই খাৱ ঘহি থোৱাত দ্বিতীয় বাৰৰ যুদ্ধত আবিমন্ত পৰাজয় হয়। কিন্তু অৱশেষত আবিমন্তৰ পুত্তেক ৰত্নসিংহৰ দ্বাৰা ফিঙুৱা নিহত হয়। এই খিনিয়ে আবিমন্ত আৰু ফিঙুৱাৰ ভিতৰত হোৱা ঘটনাৰ অতি চমু বিবৰণ। ইয়াৰ ভিতৰত ফিঙুৱা জিতাৰি বংশৰ লোক হোৱাৰ কোনো সন্ধেদ পোৱা নাযায়। দ্বথমনান বুৰঞ্জীত ফিঙুৱাক কমতাপুৰৰ ৰাজবংশৰ লোক বুলিহে লিখিছে।

কামৰূপৰ বুৰঞ্জীৰ ৩ পিঠিত এইদৰে লিখা আছে—"পাচে কমতেশ্বৰৰ বংশ ফিঙুৱা নাম বাজা বিহাৰৰ পৰা সিদিগিৰি বাজ্য বশ কৰি ঠাই ঠাই দক্ষিণ কুলত গড় দি বৈষ্ণগড়ত

আবিমত্ত বজার লগত ঘোৰ যুদ্ধ হল। যুদ্ধ জিনিব নোৱাৰি আবিমত্তৰ ভার্য্যা ৰত্নমালাৰ লগত কথা-বার্ত্তা হল। তাই কৈ পঠালে বোলে—"ধনুৰ ঝোৰত থাৰ ঘহিম, তবে বার্ত্তা দিম, যুদ্ধ কৰিবোক এতেকে বণ জয় হব। পাচে সেই প্রকাৰ কৰিলত যুদ্ধ হল। কলাথৰ পায়াবি-চাৰা—থাৰ হিলাই কাঢ় নচলে। ফিঙ্গুৱা বণ জয় হল।" শ্রীযুত কুমুদেশ্বৰ বৰঠাকুৰ বি.এ, বি-টি ডাঙ্গৰীয়াৰ সংগৃহীত পুথিত এইদৰে আছে—"আবিমত্ত বজা দিগিজয়লৈ ওলোৱাৰ শুনতে কোচবেহাৰৰ বজা ফেঙ্গুৱাই তেওঁৰ নগৰ আক্রমণ কৰেহি। সেই ছেগতে নগৰৰখীয়া ৰত্নসিংহ কোঁৱৰক ৰণত হৰাই ফেঙ্গুৱাই আবিমত্ত বজাৰ লগাই আক তাবা নামে দুগৰাকী জীয়েকক হৰণ কৰি নিয়ে। পাচত লখাই আক তাবাই কোচবেহাৰৰ পৰা পলাই আহি বাটতে কামৰূপৰ এখন বিলত পৰি আত্মবিসর্জ্জন দিয়ে। সেই আক্রোশতে ৰত্নসিংহ বজা হৈয়েই ফেঙ্গুৱাৰ লগত এই যুদ্ধ পাতে। কামৰূপৰ ৰজিয়া মৌজাত সেই বিল অদ্যাপি এখন পোতা বিল হৈ আছে" ৰঙ্গিয়াৰ ওচৰত 'লখাই তাবা' বুলি পোতা বিলৰ কথা আমি কৰ নোৱাৰোঁ। কিন্তু তাৰ কিছু দূৰৈয়েদি বৈ যোৱা পুটমাৰী নৈৰ এক ছোৱাক লখাই তৰা বোলে। সম্ভবতঃ এইটোও হব পাৰে যে সেই পুটমাৰী নৈ খন লখাই তাবা পোতাবিলৰ ওপৰেদি বৈ যোৱাৰ কাৰণে নৈৰ এই ছোৱাক লখাই তাবা বোলে। যিহক এই বিলাক কথাৰ পৰা এইটো বুজা যায় যে ফিঙ্গুৱাই আবিমত্তৰ বাণী নাইবা তেওঁক কন্যাৰ লগত অবৈধ প্রণয় স্থাপন কৰিবলৈ চেষ্টা কৰিছিল। আবিমত্ত আক ফিঙ্গুৱা একে বংশৰ হোৱা হেঁতেন এনেকুৱা অবৈধ প্রণয়ৰ চেষ্টা তেনে সম্ভৱপৰ নহল হেঁতেন।

গেইট চাহাবৰ (History of Assam) অসমৰ বুৰঞ্জীৰ ১৮ পিঠিত এইদৰে আছে—"He was attacked by a king named Phengua, of the house of Kamatapur, who advanced with an army of Meches and Koches armed with bows and arrows and threw up an embankment ten miles west of the Baidargarh ; this embankment is in the Dhumdhuma Mauza and is still known as Phenguargha : Phengua was at first defeated. He then engaged in an intrigue with Arimatta's wife Ratnamala and with her aid spoilt the bow strings of his soldiers and slew him and took possession of his capital' অর্থাৎ কমতাপুৰৰ ৰাজা ফিঙ্গুৱা নামে বজাই তাৰ ধনু ধাৰী কোঁচ আৰু মেচ সৈন্যবিলাকৰে সৈতে আগুৱাই আহিছিল ; আৰু সেই (আবিমত্ত) আক্রমণ কৰিছিল। বৈদ্যগড়ৰ পৰা ১০ মাইল পশ্চিমে এটা গড় সাজিছিল। এই গড় প্রথমে ধমধমা মৌজাত আছে আৰু ইয়াক এতিয়াও ফিঙ্গুৱা গড় বুলি জনা যায়। ফিঙ্গুৱা প্রথমতে যুদ্ধত পৰাজয় হৈ পিছত তেওঁ আবিমত্তৰ পত্নী ৰত্নমালাৰ (ৰত্নমাণ্ডাৰ) লগ গোপনে অবৈধ প্রণয় কৰি তেওঁৰ সহায়তাৰে তেওঁ সৈন্যবিলাকৰ ধনুৰ গুণ নষ্ট কৰি তেওঁক মাৰে আ ৰাজধানী অধিকাৰ কৰে।" যুদ্ধত আবিমত্তৰ হৈছিল নে নহৈছিল আমি ডাঠি কব নোৱাৰোঁ। কি এইটো সহজে কব পৰা যায় যে আবিমত্তৰ পত্নী ৰত্নমা লগত ফিঙ্গুৱাৰ অবৈধ প্রণয় সংস্থাপিত হৈছিল। কিং কামৰূপৰ বুৰঞ্জীতো এনে কথাকে পোৱা যায়। ত ৫ পিঠিত লিখা আছে—"পাচে দুৰ্ল্লভেন্দ্ৰৰ ভগিনী ফিঙ্গুৱা নামে কোঁৱৰ চপনিত কোঠ কৰি আছি খাটনিয়াৰ হৈ সেই কোঁৱৰে মালিনীৰ দ্বাৰা ৰজাৰ ভার্য্যা সহিতে কথা কৰিলা ! গড়ৰ উত্তৰ ফালে থানাই ফিঙ্গুৱা কোঁৱৰ ৰাজাৰ ভার্য্যাৰ ঠাইলৈ গল কথা ৰাজা পাত্র মন্ত্রী সকলোরে জানিলে। পাচে দুই কোঁৱৰক ধৰি আনি তলে ওপৰে কাঁইট দি গছিত কাটিলে।"

এই বিলাকৰ পৰা ফিঙ্গুৱা কোঁৱৰক কমতাপু ৰাজবংশৰ লোক বোলাত একো ভুল নহয়; দুৰ্ল্লভ নাৰায়ণৰ ভতিজা আছিল। এতিয়া কথা হৈ এই দুৰ্ল্লভ নাৰায়ণ কোন বংশীয় লোক আছিল? গৌহাঁই বকৰাৰ বুৰঞ্জী মতে জনা যায় যে দুৰ্ল্লভ নাৰা

১৩০ খৃষ্টাব্দৰ পৰা ১৩৩০ খ্রীষ্টাব্দলৈ কামৰূপত ৰাজত্ব কৰিছিল। এওঁৰ পাছত ফিঙ্গুৱা ৰজা হয়। কিন্তু খেন বংশীয় ৰজা সকলে ১২১০ খৃষ্টাব্দৰ পৰা ১৫১০ খৃষ্টাব্দলৈকে কামৰূপত ৰাজত্ব কৰাৰ প্রমাণ পোৱা যায়। গতিকে ফিঙ্গুৱা যে খেন বংশৰ লোক আছিল তাত কোনো সন্দেহ নাই। কিন্তু এই খেন বংশৰ আদি ৰজা নীলধ্বজ সকতে এই বামুণৰ গৰখীয়া লৰা কান্তনাথ আছিল তাক কোনে জানে। কান্তনাথৰ মাক বাপেকে মেচ জাতীয় আছিল। চতুর্দ্দশ শতাব্দীত ফিঙ্গুৱাই কমতাপুৰত ৰাজ্য কৰে আৰু সেই সময়তে বৈদ্যগড়ত আবিমত্তেও ৰাজত্ব কৰিছিল। গতিকে ফিঙ্গুৱা কোঁৱৰ খেন বংশৰ নহয় বুলি এই কোনো বংশৰ হোৱা অসম্ভৱ। খেন বংশীয় ৰজাসকলৰ ভিতৰত নীলধ্বজ আদি কেবাজনো প্রকৃত প্রস্তাবে আৰু ধার্ম্মিক ৰজা আছিল। এওঁ সময় দিনতে পশ্চিমৰ পৰা ভাল ভাল ব্রাহ্মণ আৰু অন্য বংশীয় কেবাজনো লোক অনাই কামৰূপত বসতি কৰিবলৈ দিয়া হৈছিল ; আৰু তেওঁলোকৰ বংশধৰ সকলৰ দ্বাৰেই কেবাজনো সাহিত্য লিখকৰ জন্ম হৈছিল।

দুর্ল্লভ নাৰায়ণৰ ৰাজত্বৰ সময়ত মহাপুৰুষ শ্রীশঙ্কৰ দেৱৰ আবির্ভাব হয়। খেন বংশীয় লোক সকলৰ আদি পুৰুষ যদি মেচ জাতীয় নহৈ ক্ষত্রিয় নাইবা আন কোনো উচ্চ জাতীয় মানুহ হলহেঁতেন তেন্তে সেই সাহিত্যিক সকলৰ লিখাৰ কোনো ঠাইত সেই সম্বন্ধে উল্লেখ পোৱা গল হেঁতেন। এই নিমিত্তে ফিঙ্গুৱা কোঁৱৰক আবিমত্ত বজাৰ বংশীয় লোক বোলাত আমি টান পাইছোঁ। আন পক্ষে খেন আৰু জিতাৰি এই দুয়োটা বংশই বৰ বিখ্যাত আছিল। এই বিখ্যাত বংশ দুটাৰ ভিতৰত যদি কিবা সম্বন্ধ থাকিলহেঁতেন তেন্তে বুৰঞ্জী লিখক সকলে সেই সম্বন্ধে অলপ উল্লেখ নকৰি নেথাকিলহেঁতেন। কিন্তু সেই কথাৰ উল্লেখ আমি কতো পোৱা নাই আৰু কাৰো মুখত শুনাও নাই। এই নিমিত্তে আমি ফিঙ্গুৱা কোঁৱৰক আবিমত্ত বজাৰ বংশৰ লোক বুলিব নোৱাৰোঁ। তথাপি দত্ত বৰুৱা ডাঙ্গৰীয়াই নাইবা আন কোনো বুৰঞ্জীবিদ লোকে যদি ফিঙ্গুৱা কোঁৱৰক আবিৰত্তৰ বংশৰ লোক বুলি প্রমাণ কৰিব পাৰে তেন্তে সেইটো আমাৰ পক্ষে মঙ্গলৰ কথা হব।

শ্রীশ্রীদুর্গা

—শ্রীযুত হৰিচন্দ্র ভট্টাচার্য্য বি-এ

দুর্ (=কষ্টেৰে), গম্ (=যোৱা) অর্থাৎ যাঁলৈ যি অতি কষ্টেৰেহে যাব পাৰো বা যাক আমি ৰক্তনবেহে আয়ত্ত কৰিব পাৰোঁ সেয়ে দুর্গা। আমাৰ বিলাকো (Fort) বোলা যায়। কাৰণ, আমাৰক প্রবেশ কৰা বা সৈন্যাগাৰ জয় কৰা কষ্ট যা। 'দুর্গা' এই শব্দটোৰ এনে ধৰণৰ অর্থমূলক কৰিব যি দেৱী বা দিব্য শক্তি লাভ কৰা দুঃসাধ্য দুর্গাদেৱী বা দিব্যশক্তি। কিন্তু পৌৰাণিক

দেৱীমাহাত্ম্যৰ আখ্যানমতে দুর্গা নামে এক মহাসুৰক ("দুর্গমাখ্যং মহাসুৰম্") বধ কৰাৰ বাবেহে এই দেৱীৰ নাম দুর্গা দেৱী হবলৈ পাইছে।

ইয়াতে স্বাভাৱিকতে আমাৰ মনত এটি প্রশ্ন উঠে 'দেৱদেৱী কি ? দেৱদেৱী প্রকৃততে কৰবাত কোনোবা আছেনে ?' ইয়াৰ উত্তৰত আমি কওঁ দেৱদেৱীৰ পৃথক্ অস্তিত্ব নাই, অথচ দেৱদেৱীৰ পূজা অর্চ্চনা, সেই উদ্দেশ্যে চিন্তা ধ্যান অনুষ্ঠক হবও নোৱাৰে। কথা হৈছে কুলমণি

অতীত ভাবতবাসী মনীষী সকলব স্বভাবসুলভ বিবিধ কল্পনাই অনুভূয় প্রবল শক্তিবোধক একোটাকে দৃশ্যাকাবত পবিণত কবি থৈ গৈছে। দৃশ্যগোচব স্পর্শাতীত বায়ু শক্তিয়ে বরুণদেব নাম পালে, তাপশক্তিয়ে অগ্নিদেব নামে জনাজাত হল, আৰু প্রাতঃ সূর্য্যব কিবণ বিকিবণ মৃদু মহাশক্তিয়ে উষাদেবী আখ্যান পালে। সেইদবে অহন বিলাকো। এইদবে এক জগৎব্যাপিনী সর্ব্বকালীন মহাশক্তিয়ে দুর্গাদেবী নাম পালে। এনে ধৰণব কল্পনা প্রসূত দেবদেবীব মূর্ত্তি গ্রীচ্ আৰু বোম্ নগবীতো অসংখ্য আছিল, আৰু একোটা মহামহিয়সী শক্তিয়ে ভিন ঠাইত তিন তিন ভাবে পবিকল্পিত হৈ ভিন ভিন নাম পাইছিল। যেনে, ভাবতবর্ষব হিন্দুব উপাস্য অগ্নিদেৱতাব নাম গ্রীচ্ দেশত হলগৈ হেফাচটাচ (Hephaestus) বোমত তাব নাম হল ভালকান্ (Vulcan)। যতে কি নহওক যেনেকৈ দেবদেবী সকল সবহ ভাগেই কল্পনামূলক, তেওঁলোকব বিবিধ কার্য্যকলাপ আৰু পবস্পবে পুত্রপৌত্র, ভার্য্যা-দুহিতা, বজামন্ত্রী আদি অলেখ সম্বন্ধ আৰু বিষয়াবোবো মানুহব কেৱল অনুবস্ত কল্পনাব সৃষ্টি বুলিয়েই বিশ্বাস হয়।

পুবাণ মতে দুর্গা শিব (মহাদেব) ব ভার্য্যা। এতেকে দুর্গাব আন নাম শিৱানী। এৱেঁই প্রবল পবাক্রমী মহিষাসুবক বধ কবি মানুহক অভয় দিলে। সেইদেখি দুর্গাব আন নাম মহিষাসুবমর্দ্দিনী, চণ্ডিকা ইত্যাদি। দুর্গা দেৱীব কার্য্য আৰু উৎপত্তিব বিষয়ে পুবাণত চমু বিবৰণ আছে। "কোণাবিৰদন্তী" (গাহবী খোৱা) বঙ্গাবিলাকে হীনবল হৈও সুবথ বঙ্গাক যেতিয়া পবাজয় কবিলে, তেওঁ ঘব-বাবী, পুত্রভার্য্যা সৱাকো পবিহবি বনলৈ গৈ এদিন হঠাতে মেধস্ মুনিব আশ্রমত উপস্থিত হলগৈ। হাবিব মাজত মুবিও তেওঁব মনপ্রাণ বন্ধুবান্ধবব প্রতি সদায় আকৃষ্ট। এই আকর্ষণব কাবণ কি বঙ্গাই মেধস্ মুনিক সোধাত তেওঁ উত্তব দি কলে যে মায়াবন্ধন সংসাবত স্বাভাৱিক বীতি। জগৎপতি স্বয়ং হৰিও মহামায়াব বশীভূত। সেই মহামায়াই জ্ঞানী অজ্ঞানী সকলো নৱনাবী, আনকি পশুপক্ষী সৱাকো সংসাববন্ধনত আবদ্ধ কবি বাখে। (জ্ঞানিনামপি চেতাংসি দেৱী ভগৱতী হি সা। বালাদাকৃষ্য মোহায় মহা প্রযচ্ছতি॥") আৰু, মহামায়া প্রসন্না হলেই জীৱে মু লাভ কবে। এই মহামায়াই আমাব আলোচ্য দুর্গাদে

এওঁব উৎপত্তি কেনেকৈ হল সোধাত মেধস্ মু সুবথ বঙ্গাক কলে যে প্রকৃততে মহামায়াব উৎপত্তি নাই। তেওঁ নিত্য। কিন্তু দেৱতাসি সিদ্ধিব কাবণে যেতিয়া তেওঁব আবির্ভাব হয় সেতি মানুহে তেওঁক 'উৎপন্ন' হোৱা বুলি অভিহিত (দেৱানাং কার্য্যসিদ্ধ্যর্থমাবির্ভবতি সা সদা। উৎপ তদা লোকে সা নিত্যাপ্যভিধীয়তে॥")। আৰ দেবদেবীবো উৎপত্তিব পৌবাণিক বিবৰণ এইদবে ভিনে পোৱা যায়।

অজ্ঞান বহুত আখ্যানব দবে পুবাণত দুর্গা দেৱী চমৎকাব আখ্যান পোৱা যায় তাক হবত বিশ্বাস কবি টান। পুবাণব মুখ্য উদ্দেশ্যও বোধ হয় তেনে নয় যেনে ঘটনা তাক তেনে ভাবে বিশ্বাস কবিবই লগ অথবা যি বর্ণনা পোৱা যায় সি সঁচাসচিকে তেনে ঘটছিল। একো একোটা গূঢ় সত্যক পুবাণকাব জটিস ঘটনা পূর্ণ গল্পা কাবত পবিণত কবিছে মাত্র এয়ে পুবাণব বিশেষত্ব।

পুবাণত দিয়া দেবী মাহাত্ম্যব কথা আখবে বিশ্বাস কবি দুর্গাব ইতিবৃত্ত পঢ়ি যদি আমি দুর্গা কেৱল দুর্গামূর্ত্তি বুলিয়েই ধবি লওঁ, তেন্তে ই হিন্দু—হিন্দুবেই—এটা আপুকুণীয়া কথা কৈ নপবিবনে? যে ধর্ম্ম প্রতিদন্দী অহিন্দু সকলে কৈ উঠিব পাবে ই পৌত্তলিকতা। তেওঁলোকে তেতিয়া ধবি লব পাবে দেবদেবীব সীমাসংখ্যা নাই আৰু ধর্ম্ম মতে সেই সামঞ্জস্য নাই; তদুপবি কব পাবে দেবদেবী সকল এখনি অপূর্ণ সুকীয়া বাঞ্ছা নির্ম্মিত আছে যত দেৱী গঢ়েপিতে, কথাই বতবাই, আকৃতি প্রকৃতিয়ে স্বাধীন। নটবাজ মহাদেবব আবাসভূমি কৈলাস, ইন্দ্রদেবব লীলাভূমি নন্দনকানন ইন্দ্রপুবী, বিষ্ণুদেবব ভূ,ঃ—এনেবোব কাল্পনিক দেৱভূমি বিশ্ব আংশিক ভাবে এই বিশ্বাস ভিত্তিলৈকে আঙুলিয়া

প্রাসঙ্গিক হিচাপে হিন্দুব পৌত্তলিকতাক সমর্থন কবি দিছে যেন অনুমান হয়।

ধৰাচলতে হিন্দুব মূর্ত্তিমান দেৱতা সকল কেতিয়াও বীশবাবী (physical) হব নোৱাবে। বেদোক্ত সোমব অগ্নি চিন্ময় আখেব দেৱতা বা ভাজন্য শক্তিব ক্ষিক প্রতীক মাথোন। বৈদিক উপাসক সকল যদি ঢোপাসক হলহঁতেন তেন্তে তেখেত সকলে কেতিয়াও দিগবা আবোগ্যলাভ কবিবলৈ বাহ্যা নকবিলে হেঁতেন "আবোগ্যং ভাস্কবাদিচ্ছেৎ")। অগ্নিব কল্পনা সাধাবণ যি হোৱাহেঁতেও তেওঁ লোকে পাগলব দবে ইয়াব পব। নি নিখিচাবিলেহেঁতেন ("বনমিচ্ছেৎ হুতাশনাৎ"), ৰিক বস্ত্রাকব ("বস্ত্রাত্মম্") বুলি নামকবণ নকবিলে তেন। ভুবনব্যাপী যি ব্রহ্মশক্তি আছে তাক পুৰুষ ত এশমুবীয়া পুৰুষ ("সহস্র শীর্ষাঃ পুরুষঃ") ই এটা অনন্তাবনীয় কিম্ভূত কিমাকাব কপ দিয়া হল। ত "বিশ্বেদেবাঃ" শব্দও এই একে অর্থবেই প্রতিধ্বনি য়। দুর্গা দেৱীব মূর্ত্তিও বিশ্বব্যাপিনী এক মহাশক্তিব কৃতি মাথোন।

জগতত শক্তি সাধনা নকবে কোনে? অথবা শক্তি না কবিবলৈ ইচ্ছাই বা নাই কাব? কেৱল জল স্থল সে, মতি গতি অনুসৰি ভিন ঠাইত শক্তি সাধনাব ন ভিন প্রণালী অবলম্বন কবা দেখে। কোনোবে যশাক্তি দেৱী ভগৱতী মহামায়া নাম দি কপতী বি সৈ ধূপ ধূনা আদি সুগন্ধ দ্রব্য, ফুল বেলপাত তুলসী , দীপাবলি, বলি-বিধান আদি অৰ্পণ কবি ঢোপাসনাবে পূজা অর্চ্চনা কবি সমস্ত প্রণাটোকে র্ণ আধ্যাত্মিক ভাবলৈ টানি নিছে, কোনোবে তাকে ৰি অন্যান্য বিবিধ উপায়ে সেই অনুপমেয় মহাশক্তিক য় কবিবলৈ মন মেলিছে। হিন্দুব মানসিকতা ৰিকিতে সাবিহী। এতেকে এই মহাশক্তি আহত কালক্রমত সম্পূর্ণ আধ্যাত্মিক ভাবাপন্ন হৈ দি। যি কেল বিশ্বজিৎ সিংহপুৰুষব নাম ইতিহাস াতে পাতে জিলিকি আছে তেওঁ বিলাকে এনে বৈধিক দুর্গাবতীয়া শক্তি নোপোৱা হেঁতেন বোধহয় কেতিয়াও এনেবোব অসাধ্য সাধন কবি পৃথিবীত অমবত্ব লাভ কবি যাব নোৱাবিলেহেঁতেন। ইণিনে তেনে লোকসকলে যথাবিহিত বিধি বিধান আৰু অনুষ্ঠান অনুসৰি দুর্গা পূজা কবক বা নকবকেই, অইন নালাগে হিন্দুয়েই হওক বা অহিন্দুয়েই হওক। মুঠ কথা "একং সদ্ বিপ্রা বহুধা বদন্তি"। একেজন দেৱতাবেই অপাব নাম, অপাব মহিমা। দেৱদেবীব ধাবণা কল্পনাও অশেষ অনন্ত, দেৱতাক আয়ত্ত আৰু সন্তুষ্ট কবা প্রণালীও সংখ্যাতীত।

ৱেতা যুগত অযোধ্যাব শ্রীবামচন্দ্রে দুর্গা প্রতিমাব যোগেদিয়ে এই পূর্ণ মহাশক্তি লাভ কবি মদগর্ব্বী বাক্ষসবাজ বাবণক বধ কবিবলৈ সক্ষম হৈছিল। শ্রীবাম চন্দ্র বিষ্ণুব এক অৱতাব, আৰু তেওঁব নিমিত্তে বৈষ্ণবী শক্তিব পূর্ণ বিকাশ হব লগা হোৱাত দুর্গাদেৱীব এক নাম হল বিষ্ণুমায়া। আহা! কেনে উত্তম ধাবণা। এই মহাশক্তিতেই তিনি শক্তিব সমাবেশ—বিষ্ণুব পালন শক্তি, ব্রহ্মাব সৃষ্টি শক্তিব আৰু কদ্রব সংহাব শক্তি ইয়াতেই সম্মিলিত। দ্বাপব যুগত দুর্দ্ধর্ষ কংসবাজব বধব নিমিত্তে শ্রীকৃষ্ণব দেতিয়া আবির্ভাব হয়, তেতিয়াও দুর্গা দেৱী কন্যাৰূপে এবাব দেখা দি বিষ্ণুব পূর্ণাৱতাব শ্রীকৃষ্ণব আগমন সূচনা কবিছিল। কন্যাৰূপব কথা বাদ দিলেই আমি অনায়াসে বুজিব পাবোঁ যে শ্রীকৃষ্ণব জন্মব লগে লগে সঁচাকৈয়ে প্রপীড়িতা বসুন্ধবাব বুকত এটি অভূতপূর্ব্ব অভাবনীয় মহাশক্তিব জাগবণ হৈছিল। যমুনা উজানে বধ কবিছিল, ওপবত বাবিষা মেঘব ঘণঘোব বিভিষিকা মূর্ত্তি জাগি উঠিছিল, ইত্যাদি। এই প্রবল শক্তিক বাধা দিয়ে এনে সাধ্য কাব!

'দুর্গা' এই শব্দটোব লগত বহুত হিন্দুব এটা অজান সম্বন্ধ সততে লাগি আহিছে যেন দেখা যায়। বিপদ আপদ আৰু সঙ্কটব সময়ত সবহ ভাগ হিন্দুবে প্রতি 'দুর্গে দুর্গতি নাশিনি' আদি শব্দ অজাত ভাবে উচ্চাবিত হয়। কাবণ, 'দুর্গা' এই শব্দ ব্রহ্ম হিন্দুব প্রতি শিবে ২ বিয়পি পবিছে। শুক্ল বেদব দশম মণ্ডলত দুর্গা শব্দ পোৱা যায়! অৱশ্যে ই বর্ত্তমান পূজিতা দুর্গা দেৱী হয় নে নহয়

অনিশ্চিত। যজুর্ব্বেদে রাজসনেয় সংহিতাতে অম্বিকার নাম উল্লেখ আছে। এই অম্বিকা তাত শিবর ভগিনীহে বোলা হৈছে, ভার্য্যা নহয়। এতেকে যদিও দুর্গা পূজা বেদবিহিত পূজা বুলি সম্পূর্ণ ভাবে দেখা নাযায় তথাপি আংশিক স্বরূপে ইয়াক বৈদিক পূজাও বুলিব পারি।

দুর্গাদেবী সিংহ আরু অসুর বাহিনী। লগত তেওঁর লক্ষ্মী সরস্বতী কার্ত্তিক আরু গণেশ। ইয়াতে স্বাভাবিকতে এটি প্রশ্ন আহে—দুর্গাদেবীর বস্তু জন্তু সিংহর সৈতে সমাগমনর মূর্ত্তি কল্পনা করা হৈছে কিয়? ইয়ার উত্তর দুই বকমে দিব পারি। (১) বছরর প্রতিমাহ একোটে বাদি সংস্থিত। যেনে বহাগ মাহত মেষ বাশির সংক্রমণ হয়, জেঠ মাহত বৃষ। এইদরে আহি আহি ভাদ মাহত সিংহ বাশির সংক্রমণ হয় আরু আহিন মাহত কন্যা বাশির। সিংহবাশির পাছত (পিঠিত) কন্যা বাশি। সেইদেখিও হব পারে দুর্গা (কন্যা) সিংহর পৃষ্ঠাবোহিণী। অবশ্য দুর্গাক কন্যা অর্থাৎ ন বছরীয়া ছোৱালীর নৈতে আকৃতি কল্পনা করা পৌরাণিক ইতিবৃত্তর লগত অমিল, কিন্তু দুর্গাদেবীর অহন এটি নাম কন্যা পুরাণর দুর্গা বিবাহিতা দেবী শিৱানী আরু গণেশ জননী—। সি যি কি নহওক দুর্গা দেবী আরু হিন্দুর আন আন দেবদেবীসকল যে কল্পনা প্রসূত তাত সন্দেহ নাই। (২) জ্যোতিষীয়া সিংহ বাশির কথা এবি সিংহক যদি আমি অবণ্যর হিংস্র জন্তু বুলিয়েই ধরি লওঁ, তেতিয়া আমি সহজে বুজিব পাবো যে দুর্গা শক্তি এনে এটি প্রবল শক্তি যে ই সাঁচাকৈয়ে দুর্গা বা দুর্গাবাহীয়া। এই মহাশক্তিৰ প্রভাৱত অহন কি পশুরাজ সিংহর দবে দুর্দ্দান্ত জন্তুবো পৰাভব অসম্ভৱ নহয়।—

মহিষাসুৰ এক দুৰাচাৰী দুর্দ্দম্য মহাপৰাক্রমী অসুৰৰ মূর্ত্তিকল্পনা। সমালোচনা মূলক ভাবেৰে চালে এই অসুৰৰ মূর্ত্তি মানুহৰ অন্তৰৰ অহং ভাৱৰ বাহ্যিক মূর্ত্তিত বাজে আন আরু একো নহয়। অন্তৰৰ এই প্রবল কুপ্রবৃত্তিক দমন কৰিবলৈ হলে কিবা এটা অতিমানবী বা দৈবী শক্তিৰ নিতান্ত আৱশ্যক। 'অহং' বা 'মই বৰ' ভাৱ যেতিয়া দমন হৈ যায়, তেতিয়া অহংবর্জ্জিত আত্মা বা অধম পৰমানন্দ ব্রহ্মৰ ধাৰণা স্বয়ং উপস্থিত হয়, ত মানুহে অসাধ্য সাধন কৰি দুর্লভ মানৱজীৱন স কৰিবলৈ সুযোগ পায়। এতেকে অনুমান কৰিব যে দুর্গা দেবী আমাৰ প্রত্যেকৰ নিজ নিজ বাজে অইন নতুন আরু একো নহয়। এতেকে এই রূপী মাতৃবক্ষত ডুব দৈ মাতৃৰ অযাচিত সুধাপান কৰ বৈষ্ণৱ, গাণপত্য, গৌৰ বা বিষ্ণুমী সকলৰ আপত্তি কিয়? তেওঁলোকে এনে মাতৃপুজকক মূর্ত্তিপূ বুলিলেই বা দোষাৰোপ বা ঠাট্টা উপহাসৰ বোগ কিয়?

হিন্দুৰে শত সহস্র দেৱদেৱীক কাহানিও কল্পনা নাই আরু বোধহয় কেতিয়াও নকৰেও। দুর্গা পূজা কৰাও তেওঁলোকৰ উদ্দেশ্য কোনোমেতেই নোৱাৱে। মাথোন মূর্ত্তিৰ যোগে দি তেওঁলোকে পৰ ব্রহ্ম এক ভগবানৰ আৱাধনা কৰে।—দেখাও যায় যাৰ যেগেদি নিৰাকাৰৰ উপাসনা জ্ঞানিজন সম্মত। কা কেৱল গুণ (Abstract)ৰ ধাৰণা কৰা সৰ্ব্বসাধা চহজাষ্য। শ্রীকৃষ্ণয়ো অর্জ্জুনৰ প্রতি উপাসনা স উপদেশ দি কৈছিল "হে নিষ্পাপ অর্জ্জুন, যেতিয়ালৈ তুমি আমাজ্ঞা নোহোৱা, যেতিয়ালৈকে তোমাৰ অ সমুলফে ধ্বংস নহয়, তেতিয়া পর্য্যন্ত তুমি মোৰ এই পদ সম্বলিত শঙ্খ-চক্র-গদা-পদ্মধাৰী রূপকেই আৱা কৰিবা। এই সাকাৰ মূর্ত্তিপূজাত তোমাৰ লাভ কৰিলেই তোমাৰ পৰম জ্ঞান লাভ হয়, তা সেয়ে হলে তুমি মোৰ নিৰাকাৰ পৰম রূপ অনা উপলব্ধি কৰি মুক্তি লাভ কৰিবলৈ সক্ষম হ জ্ঞানিকুল তিলক কার্লহাইল (Carlyle)ৰ মতেও "স পূজা প্রতীক, চিহ্ন, বা প্রতিমাকে অৱলম্বন কৰি প্রচলিত হয় ("All worship whatsoever proceed by symbols, by idols")। বাস্তবি পক্ষে কি হিন্দু কি মুছলমান কি খৃষ্টিয়ান—সকলো যেতিয়া ধ্যান কৰে তেওঁবিলাকৰ ধ্যান চকুৰ মহাশক্তিময় এটি আদর্শ ধ্যানমূর্ত্তি উপস্থিত নহয়নি বঙ্গদেশৰ স্বাধীন চিন্তাশীল বঙ্কীমচন্দ্রৰ মতেও প্রতি

পূজা আৱশ্যকীয়। সেই বুলি আগেয়ে কৈ অহা দবে প্রতিমাপূজা নকৰা জনকো আমি নিন্দা নকৰোঁ আমি নকওঁ যে তেওঁলোকৰ ভগৱৎ অর্জনা প্রণালী হোৱা বাই আরু তেওঁবিবাকে দেৱতাক পূজা কৰিব পৰা নাই। যদও প্রতিমাপূজক সকলকো কেৱে অশ্রদ্ধা কৰা নিতান্ত অনুচিত। একাগাৰতে কৱলৈ গলে "যাদৃশী ভাবনা যস্য সিদ্ধির্ভবতি তাদৃশী।" মাৰ যেনে ভাব তেওঁ সেইদৰেই সিদ্ধিলাভ কৰে। আচল কথা—মনৰ একনিষ্ঠতা আরু অন্তৰৰ একান্ত ভকতিহে উপাসনাৰ চৰম সম্বল।

দুর্গাদেবীৰ মূর্ত্তিৰ লগত লক্ষ্মী আরু সৰস্বতীৰ মূর্ত্তি সংযোগ কৰাৰ বহস্য কি? একপক্ষে দেখা যায় হিন্দুধর্ম্ম ত্রিত্বতা পূর্ণ। উদাহৰণ স্বরূপে—প্রাচীন ত্রিমূর্ত্তি যেনে, অগ্নি, বায়ু, সূর্য্য; আধুনিক ত্রিমূর্ত্তি যেনে, ব্রহ্মা, বিষ্ণু, মহেশ্বৰ; বস্তুবান ত্রিগুণ যেনে, সত্ত্ব, বজ, তম। সেই দবে দুর্গা, লক্ষ্মী আরু সৰস্বতীবো ত্রিমূর্ত্তি কল্পনা হব পাৰে। ইয়াত বাজেও সংসাৰ ক্ষেত্রত দেবাচনতে আমি প্রধানকৈ তিনটা শক্তিৰ প্রভাৱ দেখো যেনে—বল, ঐশ্বর্য্য আরু বিদ্যা। এয়ে ক্রমাধয়ে দুর্গা, লক্ষ্মী আরু সৰস্বতী। দুর্গা শক্তিৰ দ্বাৰা দৈহিক বল বা অসাধাৰণ ক্ষমতা পালেও সংসাৰত মানুহৰ আকাঙ্ক্ষা পূর্ণ নহয়। ইয়াৰ লগতে লাগে জ্ঞান। এয়ে সৰস্বতীৰ আৱাধনা বা জ্ঞান গৰিমাৰ অভিলাষ হেতু। জ্ঞান আরু ক্ষমতা পালেও সাধাৰণ মানুহ চিৰসুখী হোৱাৰ সম্ভৱ নাথাকে। বিশেষকৈ আজিকালিৰ দিনত ইয়াৰ জাজ্বল্য প্রমাণ প্রত্যেকেই নিজৰ ঘাতে হাতে হাতে পাইছোহকৈ। সকলোরে কয় যেনেই ধর্ম্ম ধনেই কর্ম্ম "সর্ব্বশুভ্র দরিদ্রতা।" সেই দেখি দুর্গা আরু সৰস্বতীৰ সৈতে লক্ষ্মীবো আৱাহনা। এনেধৰা হেতুৰ পৰা একবকমে বুজা যায় যে দুর্গা পূজাৰ যথেষ্ট উদ্দেশ্য পূজকৰ দৈনন্দিন জীৱন প্রৰাহ সুখময়, কৰিলোৱা। এতেকে এই পূজাৰ প্রতি মানুহৰ আগ্রহ আরু ভক্তি হোৱাৰ ই'ও এক আংশিক কাৰণ হব পাৰে। বেদেৱীক এই দবে বাস্তৱজগতৰ লগত জড়িত কৰি তাৰ আধ্যাত্মিক ভাৱাৰ্থ বাদ দিয়াটো আমাৰ কেতিয়াও উচিত নহয়, আমি মাথোন ইয়াৰ দ্বাৰা ইয়াকে বুজাব খুজিছো যে দেৱদেৱী কল্পনা প্রসূত, আরু "মুক্তির নিষ্পৃহা'ৰ কথা দূৰে থাওক সর্ব্বসাধাৰণ মানুহৰ অইন ধর্ম্মানুষ্ঠানতো থকাৰ দৰে এই পূজাতো অলপ অনেক স্বার্থসিদ্ধিৰ আভাস থকা যেন অনুমান হয়। পূজকে গায় "বিদ্যাবন্তঞ্চ যশস্বন্তং লক্ষ্মীবন্তঞ্চ মাংকুরু, রূপং দেহি জয়ং দেহি যশো দেহি দ্বিষো জহি॥"

মানুহৰ দবে দেৱদেৱীৰ উৎপত্তির বিষয়ে বেলেগ আখ্যান শুনা যায়। মহামায়া দুর্গাৰ উৎপত্তি কেনেকৈ হল সুধব বজাই সোধাত মেধস্ মুনিয়ে উত্তবত কৈছিল যে দেৱদেৱীৰ অন্য জন্তৰ দবে উৎপত্তি নহয়। তেওঁলোক নিত্য। কিন্তু কোনো কোনো সময়ত প্রয়োজনৰ প্রেৰণাত তেওঁলোকৰ আবির্ভাৱ হয়। ইয়াকে মানুহে দেৱদেৱীৰ উৎপত্তি হোৱা বোলে। দুর্গাদেবীৰ আবির্ভাৱৰ কথা শ্রীশ্রী চণ্ডীত এই দবে দিয়া আছে,—প্রলয় কালত জগৎ যেতিয়া জলময় হল আরু বিষ্ণুরে অনন্ত শয্যাত শয়ন কৰিলে তেতিয়া দৈত্যবীৰ মধু আরু কৈটভৰ আক্রমণৰ ভয়ত ব্রহ্মাই বিষ্ণুৰ নেত্রত আশ্রয় কৰি থকা যোগনিদ্রা-কপিনী ভগৱতী মহামায়াৰ স্তৱ কৰিব ধৰিলে। ভগৱতীত অশেষ গুণানুকীর্ত্তন কৰি মধু আরু কৈটভৰ বধৰ কাৰণে তেওঁ স্তুতি প্রার্থনা কৰিব ধৰিলে। ব্রহ্মাৰ কাতৰ প্রার্থনাত বিষ্ণুৰ চকু মেলধালে, আরু দেৱী তেওঁৰ দৃষ্টিবিষয়িনী হৈ পৰিল। মধুকৈটভে মহামায়াক দেখি বিমুগ্ধ হৈ বিষ্ণুক বৰ দিব খুজিলে। বিষ্ণুরে চাৰাকী কৰি বব ললে যে সিহঁত বধ হব লাগে। সেইমতে সমস্তত মধু আরু কৈটভ বিনষ্ট হল।

মহিষাসুৰে স্বর্গৰ পৰা দেৱতাগণক মর্ত্ত্যলোকলৈ বিতাড়িত কৰি নিজে স্বর্গাধিপত্য লাভ কৰিব ধৰিছিল। সেই মহিষাসুৰো দুর্গা দেৱীৰ বশীভূত হবলৈ বাধ্য হৈছিল। দুর্গাদেবীৰ শুদ্ধ, পবিত্র আরু আধ্যাত্মিক দেৱীকল্পনা আরু পৌৰাণিক আখ্যান আমি একেবাৰে বাদ দিব খোজা নাই। কিন্তু দুর্গাদেবীৰ দেৱীকল্পনা ভাগ বাদ দি তেওঁক এগৰাকী স্ত্রী স্বরূপে ধৰিলে ইয়াৰপৰা আমি আরু এটা আশুমানিক সিদ্ধান্ত কৰিব পাৰোঁ। যে স্ত্রী জাতিৰ অসাধ্য একো নাই। বৰঞ্চ কোনো বিষয়ত স্ত্রী জাতিৰ

ক্ষমতা পুরুষতকৈও শতগুণে অধিক। শৰীৰত তেওঁ লোকৰ বল কম হব পাৰে সঁচা, কিন্তু স্ত্রীৰ দুৰন্তজনৰো পৰাজয় সুনিশ্চিত। যি মধুকৈটভৰ ভয়ত জগৎপালক স্বয়ং ব্রহ্মাও ভয়ত কপিব লগা হৈছিল, মহামায়াৰ মোহিনী শক্তিত বিমোহিত হৈ সিংহতেও নিজৰ মৃত্যু নিজেই চপাই নললেনে? যি দৈত্যাধিপতি ধূম্রলোচন অসুচৰ ভয়ত ইয়াদি দেৱগণো তিষ্ঠিব নোৱাৰিছিল তাক দেৱীয়ে একে

কামৰূপ অনুসন্ধান সমিতি গৃহত ৰক্ষিত দুর্গামূর্ত্তি

[এই দুর্গামূর্ত্তিখন অঠৰ সেৰ গধুৰ। ইয়াৰ দুটা ভাগ। ওপৰৰ ভাগ চিৰগুড় পোৱা হৈছিল। তলৰ ভাগ তিনিচুকীয়ৰ পুৰণি নাদ এটা থালোতে পোৱা হৈছিল। পিছত দুয়োটা ভাগ থাপ্ খাই শালোক লক্ষণযুক্ত দুর্গামূর্ত্তিৰ নিদর্শন হৈ পৰিল। এই মূর্ত্তিৰ সাক-পাৰ অসমীয়া আৰু অন্যৰ শিৱৰ দুহণ বিশেষকৈ লক্ষ্য কৰিব লগীয়া। সিংহৰ আকৃতি অসম দেশৰ ভাস্কর্য্যত থকা সিংহাকৃতিৰ দৰে। অসমদেশৰ সিংহাকৃতি ভাৰতীয় অন্যান্য সিংহাকৃতিৰ লগত মিল দেখা নাযায়। এই মূর্ত্তিটি অন্ততঃ ৩০০ তিনশ বছৰ আগৰ অসমীয়া শিল্পৰ উৎকৃষ্ট নিদর্শন।]

(শ্রীযুত সর্ব্বেশ্বৰ কটকীয় সৌজন্যত)

হুঙ্কাৰতে ভস্মীভূত কৰিলে। এই ধূম্রলোচন বধত অসুৰ সৈন্য মহামায়াৰ বিৰুদ্ধে জাগি উঠিল। মহাযুদ্ধ আৰম্ভ বল। এনে হেন ভয়াৰহ যুদ্ধক্ষেত্রতো দুর্গাদেৱীয়ে পৰাক্রমী দৈত্যদলক কাটি মাৰি পৰাস্ত কৰি জয়যাত্রাৰে

স্ত্রী জাতিৰ প্রবল পৰাক্রমৰ নিদর্শন দাঙি ধৰিছে তেতিয়া দুর্গাদেৱী বগৰুণ্ডিকা। চণ্ড, মুণ্ড, বক্তবীজ আদিকো বধ কৰি দুর্গাদেৱীয়ে মানব জাতিৰ বশ্য সাধিলে, অশান্তিৰ মাজত শান্তি বিলালে। চণ্ড মুণ্ড মুৰ কাটি অনাবাৰে দুর্গাৰ আন নাম চামুণ্ডা। স্ত্রীজাতি আৰু মাতৃশক্তিৰ কেনে প্রভাব তাকে দেখুৱাবলৈকো নাপায় পৌৰাণিক লিখক সকলে দেৱীয়ে স্বয়ং যুদ্ধত যোগ দিয়া উদাহৰণ দেখুৱাইছে। বোধৰ 'বেণিণাচ'ৰ যুদ্ধত দেৱী আবিভূর্তা হৈ যুদ্ধত যোগ দিছিল বুলি বোৱাদাঁৰি বিশ্বাস।

যি পক্ষত দেৱীৰ পূজা হয় তাক দেৱী পক্ষ বোলে। ইয়াৰ আগতে প্রেতপক্ষ হৈ যায়। প্রেতপক্ষত মৃত পিতৃপুৰুষ আৰু মাতৃদেৱী সকলৰে পুৰুষ পুৰুষানুক্রমে তিলোদক অর্পণ কৰি ভক্তসকলে দেৱীপক্ষত মহাশক্তি কামনা কৰে। তিলোদক তর্পণ মন্ত্র।

"আব্রহ্মস্তম্ব পর্য্যন্তং দেবর্ষি পিতৃমানবাঃ।
তৃপ্যন্তু পিতৰঃ সর্ব্বে মাতৃমাতামহোদয়াঃ।
অতীতকুল কোটিনাং সপ্তদ্বীপ নিবাসিনাম্
আব্রহ্ম ভুবনাল্লোকাদিমন্ত্র তিলোদকম্॥"

উক্ত "অতীতকুলকোটি" সকল কোন? এওঁলোক ভীষ্ম, কর্ণ, ভোজা, বিক্রমাদিত্য আদি শত সহস্র বীৰৰ আৰ্য্য মহাত্মাগণ, বাল্মিকি, বেদব্যাস, কালিদাস, ভৱভূতি আদি কবিগণ; জ্যোতিৰ্ব্বিদ বৰাহমিহিৰ, বৈয়াকৰণিক পাণিনি, হিন্দুনেতা শঙ্করাচার্য্য আদি আদি সুধীগণ পুরুষগণ। তিলোদক তর্পণৰ সহায়েৰে প্রেতপক্ষৰ ৰাজ পৰা তুমকি মাৰি ওলাই আহিবৰ মনেৰে দেৱী পক্ষ শৰীৰত নতুন বল, মনত উৎসাহ সঞ্চাৰ কৰি নৰৰে অখিল আৰ্য্যজাতিক বলীয়ান্ কৰি তুলিছে। কিয় সেই শক্তিৰূপিনী দেৱীৰ আৰাধনাৰ নিমিত্তেই নহয়নে? হেৰ আহক, সকলোরে মিলি এবাৰ সমস্বৰে উচ্চাৰণ কৰ, উচ্চৈস্বৰে গাওক—

"যা দেৱী সর্ব্বভূতেষু শক্তিরূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ॥"

ভট্টাচার্য্যৰ "কঃ পন্থাঃ"

—শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা

৭ঃ পিঠিৰ এই কিতাপখনি অকল কিতাপ নহয়, ডাঙৰীয়া কমলাকান্ত ভট্টাচার্য্য স্বয়ং। চিৰকাল তেখেতে স্বদেশৰ মঙ্গলৰ হকে চিন্তা কৰি আহিছে, আৰু স্বদেশৰ দুখ দুর্গতিৰ বিষয়ে "চিন্তাৰ অনলে" তেখেতৰ অন্তঃকৰণ দহিছে। আমাৰ দৰে স্বদেশৰ অর্থে চেলেংপেতেকৈ ভৰা শাৰীৰ মানুহ তেখেত নহয়। ইংৰাজীত যাক sincere বোলে, ভট্টাচার্য্য সেই শাৰীৰ। একালত তেখেতে ধন-বিত ভালকৈয়ে হেঁটিয়াইছিল, আৰু ৰখিছিলো, কিন্তু কাণৰ কুটীলা গতিত সেই বিত হাতবপৰা পুৰকি গল। তাৰ পিছত চঞ্চলা লক্ষ্মীয়েই তেওঁক এবৰ যাতেই লক্ষ্মীৰ মন্দিৰত পূজা দিবলৈ এৰি সৰস্বতীৰ মন্দিৰত সোমাবলৈ ধৰক, চঞ্চলা দেৱীবে সৈতে তেওঁৰ বিচ্ছেদ ঘটিল। চঞ্চলাই কোনোবা কাচিং মুঠিত ধন দৈ যাচিদি তেওঁক ছলিবলৈ আহিলেও, ৰবীন্দ্রনাথ ঠাকুৰৰ "বাঙ্গীকি-প্রতিভা" নাটৰ বাল্মীকিয়ে লক্ষ্মীক আগত দেখি, তলত দিয়া দৰে প্রত্যাখ্যান কৰাদি তেখেতেও ছলতীক কোৱা যেন শুনো; আৰু ছলতীও যেন পলাই ফাট মৰা দেখো।

"কোথায় সে উষামযী প্রতিমা?
তুমি তো নহ সে দেবী কমলাসনা,
কবোনা মোরে ছলনা।
কি এনেছ ধন মান! তাহা যে চাহেনা প্রাণ;
চাহিনা, চাহিনা, মণিময় ধূলিরাশি চাহিনা;
তাহা লয়ে সুখী যাৰা হয় হোক,—হয় হোক,
আমি, দেবি সে সুখ চাহিনা।"

ভট্টাচার্য্য ডাঙৰীয়াৰ আশীবছৰৰ ইপাৰেই বা সিপাৰেই, চমা-উটৰি বয়স হব পাৰে। এই শেখকেও তেওঁক ৰহিবলৈ ষাঠী বছৰৰ "efficiency bar" নামৰ ডেওনা পাৰ হৈ লৈছে; কিন্তু ৰহিব পৰাৰ আশা নাই। সেই দেখি তেওঁ দুবৰ পৰাই তেওঁৰে সৈতে "হৰিভকত" পতাই থৈছে। আমাৰ সাহিত্যিক কবি শ্রীযুত চন্দ্রকুমাৰ আগৰৱালা ডাঙৰীয়াৰ "জোনাকীৰ" দিনৰে পৰা এই দুই হৰিভকতৰ এনে সম্বন্ধ চলিব লাগিছে। আমাৰ মধ্যবর্ত্তী factor "মাজিউ" আৰু আইন-কলেজৰ কর্ণধাৰ হৃদয়াভিৰাম বৰুৱা। এই অসংলগ্ন কথা কেই আষাৰেই মোৰ পৰা ভট্টাচার্য্যৰ "কঃ পন্থা"ৰ বিষয়ে কব খোজা কথাৰ পাতনি। নিশ্চয় এই সমালোচকৰ সমালোচকে কব, "কঃ পন্থাৰ" সমালোচনা কোনটো চৌকাৰ তলৰে গল তাৰ ঠিক-ঠিকনা নাই, সমালোচকে গ্রন্থকর্ত্তাৰ সমালোচনাতে তিনি চাকি তেল পুৰিলে! উত্তৰত কব লাগিব যে "হৰিভকতৰ" ভিতৰত এনে ৰাওঁ ঘটে। তুমি তাক অপ্রাসঙ্গিক বুলি খোজা বোলা, আন কি আৰু এখোজ আগবাঢ়ি গৈ অত্যাচাৰো বুলিব পাৰা; কিন্তু জানি থবা, এইখন হৰিভকতৰ মেল।

থাওঁতে, শোওঁতে, উঠোঁতে, বহোঁতে, হৰিভকতৰ মেলত স্বদেশৰ দুখ-দুর্গতি দূৰ কৰিবৰ চিন্তা আৰু আলচ হয়, আৰু ভট্টাচার্য্যৰ এই ভাটাবো ভাটা বয়সত। মই সোধো, তোমাৰ আৰু মোৰ চকুত বাতি দিবলৈকে আৰু এনে এজন লোক অসমত উলিয়াই দিয়াচোন যদি পাৰা? ভট্টাচার্য্যৰ চিন্তাত জ্ঞানৰ অনল আছে, বিদ্যাত বিপুলতা আছে, হিয়াত শোকৰ উর্ম্মি আছে, অন্তৰত স্বদেশৰ দুৰাবোগ্য বোগৰ নিমিত্তে হাহাকাৰ আছে, চকুত পাপৰ প্রতি তুই-আঙ্গনি আছে আৰু আমাৰ দেশখন এনে হল তেনে হল,—তেনে নহল—এনে হল" জাতৰ পোৱনি—দেৱনি আৰু বুৰব হমুহুমনি আছে। বোলো, তোমাৰ আমাৰ কি আছে? আছে গতানুগতিক ভাৱে পৰৰ

ওপৰত থাই ভটীয়া পানীত উটি যোৱা স্বভাৱ ; আৰু কান্দোতাৰ চকুত পানী দেখি গেলাই কৰা পংকিতি।

'কঃ পন্থাঃ' প্ৰত্যেকবাৰ কথা গ্ৰন্থকাৰৰ অন্তৰৰ অগণিৰ শিখা। অসম যদি নিৰ্ব্বাণ নাযব জুইত জাহ যৈ মৰিব নোযোৱেজে, তেন্তে আজি অসমে গ্ৰন্থকাৰৰ অনেক কথা ভালকৈ টং কৰি চাই আত্মৰক্ষাৰ অৰ্থে পুৰুষাৰ্থ কৰা উচিত। পৰৰ অসাৰ্থক অনুকৰণ, আৰু বঙ্গৰ, আগৰ পৰা ওৰিলেকে "হনুকৰণ" অসমে এবি দি, নিজৰ দেশৰ জুৰুৱা সভ্যতা পুৰুষানুক্ৰমে অৰ্জ্জা জ্ঞান, আচাৰ ব্যৱহাৰ আৰু কৃষ্টিৰ সাৰ-সম্বৰোৰ আকৌ ভালকৈ জুকিয়াই লৈ, ৰাজনৈতিক হিচাপে নোৱাবিলেও, সমাজনৈতিক আৰু জাতীয়তা হিচাপে নিজক গঢ়ি মুৰ দাড়ি উঠিবলৈ সষ্টম হোৱা উচিত। বঙ্গালী ৰঘুনন্দন, বঙ্গালী ভট্টাচাৰ্য্য ওকৰে সৈতে অসমত সোমাল। কলিকাতাৰ হাইকোৰ্টৰ বঙ্গালী জজৰ বায় আৰু উকিল বাৰিষ্টৰৰ চৰ্ত্তাল-জৰাবোৰে সৈতে মিতাক্ষৰাক ঠেলি অসমত দায় ভাগ সোমাল। অসমত এইবোৰ থাপ নোখোৱা বস্তু। বলেৰে থাপ খুৱাবৰ চেষ্টাত অসম আজি মানসিক, সামাজিক আৰু ব্যৱহাৰিক হিচাপে অস্তৰীৰ অন্তস্থাত। বঙ্গলা প্ৰবচনত কবৰ দৰে "অথতবী গৰ্ত দৰে মৰিবাৰ তৰে।" অসমত চিৰকাল চলি অহা প্ৰাচীন স্মৃতিৰ বাস্তুহা অসমৰ হাড়ে—মগজুৰে সোমাই আছে। আৰম্ভণিমতে তাৰে পৰা এৰা-ধৰা কৰি আজি কালিৰ দিনৰ পক্ষে লাগতিয়ালখিনি বাছি ললেই অসম তৰিব। মুঠতে অসম, অসমছে ; অসম বঙ্গ নহয়। অসমীয়াহে, বঙ্গালী নহয়। অসমৰ ভাষা, সাহিত্য, সামাজিক ৰীতি-নীতিক, অতি আদি কালৰ কথাকে নকওঁ, ভাস্কৰবৰ্ম্মাৰ কালৰে পৰা ধাৰ-নিছিগা ভাৱে বৈ থকা অসমত, বঙ্গৰ স্মাৰ্ত্ত ভট্ট, ৰঘুনন্দনে, বাৰ-অনা সহজীয়া বৈষ্ণৱ চৈতন্যদেৱে, আৰু আজিৰ কলিকতীয়া বঙ্গালী ধলে উটাই নিবলৈ যোৱাটো গাজত লাগি যোৱা কথা। চকুমুদা কুলিয়ে চকুমুদি থাকি কটালেও ডেকা তৰপে (দিনকলে আজি কালি বঙ্গৰ আহিত নিৰ্ব্বক তৰুণ তৰুণ বুলি দেও পাৰিব লাগিছে) যেন তেওঁলোকৰ চোকা চকু এই কথাৰ ফালে বাখে। এই "অতৰুণ" বুঢ়াৰ তেওঁলোকৰ ওচৰত এই মিনতি। আগৰ অসমীয়া সমাজত অহা বুজি খাপে-খাপে থাকে-থাকে মানুহক সুমাই লৈ মানুহ অপব্যয় আৰু অপচয় নকৰি অসমীয়া জাতিক সবল কৰি বাখিবৰ যি সুন্দৰ ব্যৱস্থা আছিল সেইবোৰ ব্যৱস্থা আকৌ কটুকটীয়া কৰি লোৱা উচিত। ইটালিয়ে মুচলেনিয়ে কি কৰিলে, আয়ৰ্লেণ্ডত ডি-ভেলেৰাই কেনে ভেলেকী-বাজি খেলিলে, জৰ্ম্মানিত হিটলাবে কি চিজ চিত্ কবে, পিতলে, পিত্ কবে আৰু কি বৰালি বাহুছে বৌ মাবিলে" সেই বোৰবৈলে অসমীয়াই সপ্তাহে মনৰ অলপ ভালকৈ দি, সম্পূর্ণৰূপে নিজৰ জুপৰি-পৰা ৰেতী ওচৰবে থেব বাহ আনি ছাই লৈ, তাব বেব কেইদ গোবব মাটিবে লেপি তাত মুব কেইটা সুমাই থাকিব লা কবি লওক। যেতিয়া তেওঁলোকৰ কপালত জুনি নিবাসব অন্ত পৰিব, তেতিয়া মেক্সিকোৰ প্ৰজায়, আৰু জুগশ্লেভেকিয়াত চলা সমাজ-সংস্কাৰ কথা ভাবে যে স্বাধীন জৰ্ম্মানি, স্বাধীন ইটালি, অতি হৃষিত পৰাধীন ভাবত আৰু দুখীবো দুখী অসম নহয়। ইয়াত আইন-ষ্টাইনৰ "লৰ্ড-ভিগাৰ-টনিক পিল," ডি-ভেলেৰা "কম্-মিক্সৰ," হিটলৰৰ "কৰ্ণটেইল ড্রিঙ্ক" ইংলেণ্ডৰ "চেন্ চেন্" জৰ্জ বার্ণার্ডশ্বৰ "ফুজেন চণ্ট"ৰ ঠাই আজিলৈকে ওলোৱা নাই ; কেতিয়াবা পাছে—সৰ ওলালে তেতিয়া লবালৰিকৈ সেইবোৰ আনিও লব পাৰ যাব ; কাৰণ আজিকালি বেল জাহাজ আৰু আকাশ বিমানৰ দিন। অসমত সম্প্ৰতি নাগাল্যেণ্ডৰ বৰি আৰু মহা শঙ্খবটিকা যাতে তাত ভাঁজ নোলোমায়, তাৰেই লু বাখি, চলিবলৈ দিয়া যাওক। কাৰণ অসম নাগাৰ্জুন দেশ। অৱশ্যে তকণে আমাক ভুল বুজিলে বিষয় নাই। আমি তেওঁলোকক একেবাবেই বিদেশৰ ফালে হাত-সাৰটি বহি নিবাসহীয়া খাই থাকিবলৈ কোৱা নাই। আমাৰ কথাৰ মৰ্ম্ম এই যে,—বিদেশী "কাৰি-কটুকৈ" ফালে ববকৈ চকু দি আচল ধৰ্ত্তা মাছব আঞ্জা আৰু মাছ মাহৰ আজাৰ ফালে যেন সিটি দিয়া নহয়। কাৰণ ধৰ্ত্ত সেইবোৰৰ তেজেবেহে অসমীয়া উঠিছে। এইবাবে যি অসমীয়াক কোনোৱাই সঙ্কীর্ণ মনৰ বোলে বোলক। আ

চলে বিচিত্ৰাই কণ্ড,—"হেবা অসমীয়া ! তুমি "বসুধৈব কুটুম্বকং" কিছু কাললৈ তোমাৰ বৰ-পেৰাব খোলনিত ভুমাই দৈ সক হাতনি-পেৰাটো আগত লৈ সঙ্কীর্ণ হৈ বহাঁ চকুবা তুমি গাঁলা, জানি পবা। "প্ৰথমতে চাউল কঠা, তাব পিচতহে হবি কণা" বুলি আমাৰ কথাতে কয়। তুমি ভাকৈ লক্ষ্য কবিলেই দেখিবা যে যিবোৰ বিদেশীক— আৰু জগতত নাম-জলা বিদেশীক—তুমি আৰি লৈ বসুধৈব কুটুম্বকং" হবলৈ গৈছা, সেই এটাইবোৰে প্ৰথমতে চাউল কঠাৰ" মানুহ হে। তেওঁলোকে পিন্ধা খুৱা খুনি যেতিয়া তেওঁলোকৰ মাৰলঘৰৰ বুলনীত বহে, তেতিয়া তেওঁলোকৰ মুখ কেইখন ভালকৈ চাই লবা।

শেহত কণ্ড, আমাৰ "হবিভকত"ৰ কিতাপখনত দিয়া সবহখিনি মত আৰু কথা আমাৰ মত কথাবে মিলে, নিমিলাৰ ভাগো আছে কিন্তু তাকৰ কিতাপখনে আমাৰ দেশৰ সকলোকে ভালকৈ জগাই দিব পাৰিলেই "হবিভকতৰ" পৰিশ্ৰম সাৰ্থক হব, আৰু দুই হবিভকতে দুইবো মুখলৈ চাই সন্তোষৰ হাঁহি মাৰিব পাৰিব।

এহেই ভট্ট চার্য্য ডাঙৰীয়াৰ "কঃ পন্থা" আৰু আমাৰ "কাচ বার্ত্তা"।

শেষ-শয্যাত

কবিতা— —শ্ৰীযুত গণেশচন্দ্ৰ গগৈ।

(১)

হেমন্তৰ হিমে ধোৱা লাজুকী ওৰণি-টানি
আহিলা আজিনো তুমি কাক চাবলৈ,
জীৱন-প্ৰদীপ মোৰ এই মাৰ যায় যায়,
নাই আৰু বেছি পৰ শেষ হবলৈ !

দিন বাৰ্থ-জীৱনত বিবহৰ-অভিমান
লাগিছিল মধুময় মিলন আশাত,
শেষ শয্যাত আজি দুৰ্ল্লভ মাধুৰি পাহো
কান্দিব খুজিছে প্ৰাণ কিহৰ ব্যথাত !

বহুদিন কতবাতি অভিশপ্ত জনমৰ
মৰণ-মঙ্গল বুলি আছিলো আহ্বানি,
১৫২+১০

ভাবিছিলো মৰজন্ম এটা মহা অভিশাপ
জীৱন বিহেৰে ভৰা, মাথো ক্লেশ, গ্লানি।

আজি জন্ম-মৰণৰ সন্ধিয়া বেলিকা আহি
অলকাৰ দেৱবালা ভাঙিলাহি ভুল,
বুজিলো জগত খনি মনোৰম পুষ্পোদ্যান
মানৱ জনম এটি স্বৰ্গ-পদ্ম ফুল !

এই ভুল আগেয়েনো নেভাঙিলা কিয় দেবি,
আজিতো সময় নাই,—সব বেলি হ'ল
আছে বাকী মুখ-অগ্নি, আছে বাকী পিণ্ডদান
আছে মাথো শতুকৰে হাঁহিবৰ থল !

(২)

মনত পৰেহি কিয় আজি বিদায়ৰ বেলা
শেৱালিৰ মালা গঁথা শাৱনী পুৱাত,
বিৰহ বেদনা সহি একেবাহে তৰালেথা
বিনিদ্ৰ তমসা বাতি দুৰ নীলিমাত ?

সেইদিনা অমানিশা নিদিলেতো জোনে দেখা
নেদেখিলো প্ৰকৃতিৰো সেউজীয়া বোল,
অসাৰ জগত জুৰি নদনদী গিৰি, ভেদি
উঠিছিলে বিষাদৰ সকৰুণ বোল !

সপোন-পাৰত বহি ভাবিছিলো সেইদিনা,
ভাবিছিলো অতীতৰ পাহৰণি কথা,
পাহ পাহ কৰি মোৰ শুকান শেৱালি ফুল
স্মৃতিৰ মাধুৰী সতে, আলহুলে গথা !

মঘোঁতো দিছিলো পূজা মোৰ দেবী মন্দিৰত
জ্বলিছিলে ধূপ, ধুনা প্ৰদীপৰ শাৰী
তথাপিতো অতৰ্কিতে আহিছিলে দুমুনিয়া
ব্যৰ্থতাৰ শুষ্কতাৰ সহিব নোৱাৰি !

যদিওবা অৰ্ঘ্য মোৰ নললে দেউীয়ে তুলি
ভবি দিলো আহি যেৱে মৰণ-পাৰত,
মনত পৰেহি কিয় পুহু বিদায়ৰ বেলা
সেই কথা, নিয়ে আজি স্মৃতিবো আঁৰত !

(৩)

প্ৰাণৰ প্ৰতিমা মোৰ, কান্দিছা,—কান্দিলে যাৰ
পাৰিবানে প্ৰিয়ে মোক আনিব ঘুৰাই,
নিয়তিৰ নিয়মত পাৰে কোনে বাধা দিব,
জনমৰ লগে লগে মৃত্যু আছে যায় !

বিধিৰ বিধান মানি ভবি দিলো জগতত,
নহল যদিও কাৰো একো উপকাৰ,
বিফল সাধনা মোৰ নহল, নহল মেলি,
মৃত্যুৰ কাষত পালো অমৃত ভাণ্ডাৰ !

তযু পুণ্য পৰশত স্নান কৰি প্ৰাণ মোৰ,
শুচি হৈ শুচি যাব পৰপাৰৈলৈ,
থাকি যাব ইপাৰত মিলন-মধুৰ স্মৃতি
লেয়ে মোৰ শেষ দান, প্ৰিয়ে তোমাৰৈ !

যাবৰ সময় হ'ল, সুলুকি পৰিছে ভোৰ
দুদিনীয়া সংসাৰৰ মায়া মমতাৰ,
আহোঁ প্ৰিয়ে কাষ চাপি, চাইনওঁ পেৰাব
তোমাৰ বিমল ছবি, প্ৰেম-প্ৰতিভাৰ।

জীৱনৰ ধৰ্ম্ম, কৰ্ম্ম হ'ল আজি অৱসান
অৱসান অন্তৰৰো মান-অভিমান
অৱসান আজি মোৰ বুৰব নীৰৱ বীণ,
অৱসান প্ৰণয়ৰ দান, প্ৰতিদান !

দত্তা

গল্প—

—শ্ৰীযুত কালিনাথ ভূঞা

ঘননিৰ মাজতেই সৰু আশ্ৰমখনি। আশ্ৰমৰ মাজতেই জীৰ্ণ, মন্দিৰটি। মন্দিৰৰ আগতে ছুটি সৰু গছঘৰ। আশ্ৰমৰ ওচৰতে কুল কুল কৰি বৈ যোৱা সৰু নিজৰাটি। বাতিপুৱা মন্দিৰৰ ভিতৰত উচ্চাৰিত হোৱা মন্ত্ৰধ্বনিয়ে আশ্ৰম মুখৰিত কৰি তুলিছে। সেই সময়ত হাতত এটি পানীৰ সাজ লৈ নিজৰাৰ পাৰত এজনী তিৰোতা—গাভৰু। বাৰিধাৰ ভৰাবকৈ ঢেলৈ বৈ প্ৰকাশ হোৱা পূৰ্ণিমাৰ পূৰ্ণচন্দ্ৰৰ নিচিনাকৈ তেওঁৰ সামান্য সাজসজ্জাৰ ওপৰেদি তেওঁৰ ৰূপ লাৱণ্য ফুটি ওলাইছে। সৰল সুন্দৰ মুখ—নাই দুখ, নাই কামনা, নাই বাসনা সুগঠন শৰীৰ।

নিজৰাৰ কাষতে হাতৰ পাজটি থৈ নিজৰাৰ কাষে কাষে ফুলি থকা সৰু সৰু ফুলৰ গছৰ পৰা একোঁচ ফুলি থকা বননীয়া ফুল তুলি লৈ বঙা, বগা সেউজীয়া নানা বৰণৰ পৰিধাবিলাকৰ লগত মেমালি কৰি থোৱা খেদি কৰিবলৈ ধৰিলে। হঠাতে চকুত পৰিল নিজৰাৰ পাৰৰ ফুলি থকা গছৰ তলত পৰিথকা শিল এটাৰ ওপৰত এজন তেজ মুকলিমনে তেওঁক লক্ষ্য কৰি বহুত পৰ বৈ আছে। তেওঁ যমকি বৈ লাহে লাহে উলটিল। মানুহজনে তেওঁক বিয়া কণ্ঠ কণ্ঠ বুলি কৰ নোৱাৰিলে। চকুৰে দেখাটোকে চাই চাই ডেকা জনে ভাবিবলৈ ধৰিলে—

এই ঘোৰ অৰণ্যত এওঁ কোন ? বনদেৱী নে মানৱী ? এইবাক উন্মাউন কৰিবই লাগিব !

আবেলি পৰ। গাভৰু গধাকী আশ্ৰমৰ ফুলনিত সোমাই দুহাত ভৰি পানী চালিবলৈ লাগিল। ফুলত পৰিথকা পৰিত্ৰাত চকু পৰোতেই চাই কৰে মনত পৰিলহি বাতিপুৱা নিজৰাৰ পাৰৰ শিলৰ ওপৰত বহিথকা মানুহজনৰ কথা। মনত ভাইৰ বৰ দুখ লাগিল। ভাবিলে—জন-প্ৰাণী হীন ঠাইত এই মানুহ জন কেনে সহাসুভূতি দেখুৱাওক ছাবি আজ্ঞাহে দেখুৱাইছে। কেনে অন্যায় কথা ! কি জানি কি অসুখাত সেই মানুহ জন আছে ! মানুহজনে চকৈ অসুখত কিমান দুখ পাইছে। যিমানেই ভাবিবলৈ ধৰিলে মিমানেই অসুখত বেদনা অনুভৱ কৰিবলৈ ধৰিলে। তেওঁৰ মন বেয়া লাগিল। হাতৰ সাজ মাটিত থলাই ফুলনিৰ মাজতে বহি কুলিৰ গীতত প্ৰাণ এৰি দিলে ! এই অৱস্থাতে কিছু সময় পাৰ হৈ গ'ল। তাৰ পিছত দেখাবলৈ পালে। অবেলিৰ বাঙনী কিৰণে গছ, লতা, বননিত এটি ৰহণ পেলাইছে। পশ্চাকাশত থকা চপৰাজপৰ মেঘ বোৰ বঙচুৱা বঙত ৰঞ্জিত হৈ একো একোটি ৰবফৰ স্তূপ, যেন হৈ পৰিছে। জাকে জাকে চৰাই উৰি নিজ নিজ বাঁহৰৈ গৈছে, সৰু সৰু চৰাইবোৰে কলৰৱ তুলিছে। গছৰ আঁৰে আঁৰে সেউজীয়া ঘাইনিত সৰু সৰু হৰিণাবোৰে এবাৰ বৈ এবাৰ জপিয়াই সুবৈছে। লাহে লাহে স্যাঁদেৱে বাঙনী কিৰণ সামৰি আস্তাচলত ডুবা গ'ল। লাহে লাহে আন্ধাৰে পৃথিবী আবৰি আহিবলৈ ধৰিলে। আশ্ৰম গহীন হৈ উঠিল। গাভৰুৱে লবালৰিকৈ পানীৰ সাজ তুলি লৈ ফুলনিৰ বাহিৰ হৈ আগতে দেখিবলৈ পালে বাতিপুৱা দেখা সেই মানুহজন। এবাৰ মানুহজনৰ মুখলৈ চাই লাজতে তলমুখ হৈ মন্দিৰৰ ফালে খোজ লালে। আগন্তুকে এইবাৰ সুবিধা নেবিব বুলি আগৰে পৰাই দৃঢ় হৈ আছিল। তেওঁৰ মুখলৈ চাই "এই আশ্ৰমখন কাৰ সুবিধ পাৰোঁনে" বুলি আৰম্ভ কৰিলে, বালিকাই অতি মৃদু কণ্ঠেৰে কলে, "এজন সন্ন্যাসীৰ।" আগন্তুকে আকৌ অসম্পূৰ্ণভাবে সুধিলে—"আপুনি ..।" তেওঁ নিৰুত্তৰ। আগন্তুকে আকৌ সুধিলে—"থকা হয় বোৰ কৰো

আশ্রমত ?" লাহে লাহে এখুজি দুখুজি কবি গৈ থাকি ছোৱালীজনীয়ে কলে, মই ইয়াত সন্ন্যাসীৰ আলপৈছান বৰোঁ। মধুৰ কণ্ঠ, মন্থৰ গতি, ৰূপ-লাৱণ্যৰ লগত মিলি যি সৌন্দৰ্য্য বিৰিঙি পৰিছিল, সেই সৌন্দৰ্য্যই আগন্তুকৰ শাৰীৰিক ক্লেশৰ বহুত উপশম কৰালে। তেওঁৰ অনুৰোধত আগন্তুকে আশ্রমৰ অতিথি হবলৈ তেওঁৰ পাছে পাছে গৈ পৰ্ণকুটীৰৰ ভিতৰ সোমাল আৰু নিজৰ কাতৰ দেহা এডোখৰ হৰিণাৰ চালৰ ওপৰত থৈ তেওঁৰ কাৰ্য্য কলাপ লক্ষ্য কৰিবলৈ ধৰিলে। গাভকৰে পঙ্খাঁৰ ভিতৰতে তেওঁক এবি মন্দিৰ সোমাই চাকি জ্বলালে। সন্ধ্যা আৰতিৰ সকলো বন্দোবস্ত ঠিক কৰি ওলাই আহি বাহিৰত পানী আৰু পাহুকা ৰাখি মন্দিৰৰ দুৱাৰ মুখত বহি গাবলৈ ধৰিলে, "কিবাহে ভকতি কৰিবো তোমাক হৰি এ মই মুকুতি নজনো ভাব উপায় ৰাম ৰাম।" ইত্যাদি। আগন্তুকে ঘৰৰ ভিতৰৰ এন্ধাৰ কোঠাৰ পৰা দেখিলে বস্তিগড়ে মন্দিৰ পোহৰ কৰি দুৱাৰ মুখত বহি প্রার্থনা কৰা ছোৱালীটৰ ৰূপ উজলাই তুলিছে। দৰ্শনত বালিকাৰ অপৰূপ সৌন্দৰ্য্য। শ্রৱণত ঘোৱাৰ মধুৰ প্রাণ মন হৰা কোমল কণ্ঠৰ গীতৰ সুৰত আগন্তুকৰ দুখ ভাগৰ ভোক পিয়াহ সকলো নিমিহতে আঁতৰ হল।

প্রার্থনা শেষ হল। সন্ন্যাসীৰ কাৰণে ঘৰাযুক্ত নিগমত থাবৰ ব্যৱস্থা কৰি গাভকৰে সন্ন্যাসীৰ প্রত্যাগমন অপেক্ষা কৰি বল। কিছু পৰৰ পিছতেই আশ্রমৰ বাহিৰত সন্ন্যাসীয়ে মাত লগালে, তেওঁ উদ্বিগ্ন চিত্তে সন্ন্যাসীৰ ওচৰ পালেগৈ। উদ্বিগ্ন হৰৰ কথাই; কিয়নো কোনো দিন সন্ন্যাসীয়ে আশ্রমৰ বাহিৰৰ পৰাই চিঞৰি নামাতিছিল। সন্ন্যাসীয়ে কলে, "আই। বৰ দুখৰ কথা।"

"বাবা! আৰতিৰ সময় পাৰ হৈ গৈছে। সন্ধ্যা আৰতিৰ পিছত—।"

"ঠিক কথা আই।"

"আপোনাৰ কিবা হৈছেনে কি বাবা!"

"নাই, মোৰ একো হোৱা নাই আই!"

বালিকাই পাতি থোৱা আসনত বহি হাতমুখ ধুই, সন্ন্যাসী মন্দিৰৰ ভিতৰ সোমাল, ছোৱালীজনী গুচি এখন কুশাসনত বহি বল।

আগন্তুক সেই সৰু ঘৰটিৰ ভিতৰত অকলশৰীয়া বহি আছে। আগন্তুকৰ মনত কত ভাৱ আহিছে, কত ভাৱ গৈছে, তাৰ আদি অন্ত নাই। কোনে বুজিব সেই মনৰ অৱস্থা, কোনে জানিব তেওঁৰ দুর্দ্দশাৰ কথা, শাৰীৰিক যি ক্লেশেই হওক, মানসিক যি পীড়াই পীড়ন কৰা সকলোবিলাকতেই পিঠি দি আশ্রমৰ শান্তিময় নির্জ্জনতা প্রাণ ঢালি অলপ আশ্বস্তি বোধ কৰিছে।

আৰতি শেষ হল। আৰতিৰ পিছত সামান্য আহাৰ কৰি সন্ন্যাসী আহি বাহিৰত পাতিপোৱা কুশাসনত বহি ওচৰতে ছোৱালীজনী, বসন্তকাল আগমনী বায়ুৰ পূর্ণচন্দ্র পূর্ণকুসুম বিকশিত হৈ লাহে লাহে আগুৱাই উঠিছে। ওপৰত নির্ম্মল নীল বৰণীয়া আকাশ তলত অনন্ত নিস্তব্ধতা—নীৰৱতা।

নীৰৱতা ভঙ্গ কৰি ছোৱালীজনীয়ে সুধিল, "বাবা! অগনিৰ কথাটো কি ?" সন্ন্যাসীয়ে এটি দীঘল নিশ্বাস টানি আকাশৰ পৰা চকু নমাই আনি গাভকৰ মুখলৈ চাই কলে, "আই! কিয় আগেয়ে মনত পেলাই দিলা কথন ক হিনীৰ কথা। যি কাহিনীৰ কথা মনত পৰি এই বৃদ্ধাৰ কঠিন হিয়াও গলি যাব খোজে, সেই বিৰাট কথাই যে তোমাৰ সৰল আৰু কোমল প্রাণত আঘাত দিব।" কথাটো তল পেলাবৰ ইচ্ছা কৰা সন্ন্যাসীয়ে কলে, "আই! আজি ৰামায়ণ পঢ়িছিলোঁ কালিলৈকে প্রভু শ্রীৰামচন্দ্রৰ বনবাস শেষ হৈ যাব আজি তাৰ পিচৰ পৰা কোৱাহোন। তোমাৰ ভাল লাগে। অগৰ খণ্ডতেঁহুলা শেষৰ খণ্ড বৰ কৰুণ বৰ শোকৰ কথা।"

"বাবা! বাৰু মই ৰামায়ণৰ কথা কম। আজি আপুনি কওকচোন আজি আপুনি ইমান উৎকণ্ঠিত পৰিছিল কিয় ?"

"আই! অসমৰ পুৰণিকালে থকা মানদেশৰ পৰা আহি অসমত সোমাই প্রজাৰ ওপৰত অত্যাচাৰ কৰিব

ৰাজপাট বজা নাই, দেশ ৰাখিবলৈ যুঁজাক নাই। যি পিতৃগ এই নীৰিহ সৰল অসমীয়া প্রজাৰ ওপৰত মনে কৰিব লাগিছে, শুনিলে হিয়া ফাটি যাব খোজে। মাকৰ দুহুৰ সন্তানক আজুৰি কাঢ়ি নি আচুৰি মাৰিছে। দুখী ভাৰ্য্যাক স্বামীৰ সম্মুখত লাঞ্ছনা দিছে, স্বামীক হত্যা কৰিছে, আৰু কত কি ? উপায়হীন প্রজাই ধন সোণ ঘৰবস্তু, ঘৰ-বাৰী সকলোবিলাককে দুর্দ্দান্ত মানহঁতৰ হাতত সমি দি হাহাকাৰ কৰি অৰণ্যত আশ্রয় লৈছেহি। ৰখিলোঁ—কতনো বুঢ়ী পথশ্রমত কাতৰ দেহা পেলাই জনমুখ অন্তৰ্ধান। সন্তানহাৰা মাক-বাপেকৰ শোকত হিয়াত কান্দিৰ লাগিছে। সৰু সৰু লৰা ছোৱালীয়ে চকুপানী টুকিছে। আজি কেবাদিনো বহুতৰ পেটত অন্ন নাই। যিবা যাৰ গাত কাপোৰ দেখিলোঁ, সিও অতি সামান্য। হাঁয়! এই অৰণ্যাৰ মাজত প্রাণৰ আতুৰত ঢুকৈ মোৰা অল্প বয়স্কীন মানুহ বিলাকৰ কি দুর্গতি।" তেওঁৰ চকুৰ পৰা দুধাৰি চকুলো গালৰ ওপৰেদি বাগৰি পৰিল। কিছুপৰ উনকামাৰি থকাৰ পিছত এটি দীঘল দুখুনিয়াহ পেলাই ছোৱালীজনীয়ে কলে" বাবা! মানবিলাক সৰহ এইবৰে ইয়াতে থাকিবনে ?"

"আই! কোনোবাই বণ্ড মানবিলাকক পৰাজয় কৰি অসমৰ পৰা নেখেদিলে, সিহঁত নিজে আতঁৰাব আশা কৰি কম। এইহেন সোণৰ অসমত ভবিদি 'গকমাৰি হেঁহেঁদিয়া' বাঘৰ দৰে উমুক মান কিয় আঁতৰিব ? বাজ বুঢ়ুক দুৰ্বি বজা বিষয়া সকলোৱে নিজৰ সন্তান স্বৰূপ প্রজাক মৃত্যুৰ আগত এবি দি কৰবাত নিশ্চিন্তমনে থাকেগৈ।"

"বাবা! সেই আশ্রয়হীন নৰ নাৰীক আমাৰ আশ্রমলৈ আনি নোৱাহিবে ?

"আশ্রয়হীনক আশ্রয় দিয়া, ক্ষুধাতুৰক এমুঠি খাৰলৈ দিয়া, বস্ত্রহীনক এখনি বস্ত্র দি সাহায্য কৰা মানুহৰ ধর্ম্ম। কিন্তু ইমান নৰ নাৰীৰ কাৰণে আমাৰ আশ্রম যে একেবাৰেই সৰু।" দুমো ফুস্কেক নিমাত। সন্ন্যাসী আৰু ছোৱালীৰ কথোপকথনত আগন্তুকৰ হিয়াত কি বেদনা উঠিছিল। সেই বেদনা প্রকাশ কৰা টান।

সন্ন্যাসীয়ে আকৌ কলে, "আই নীৰিহ নৰ নাৰীৰ অৱস্থা দেখি বৰ দুখ লাগে। উদুৰ লগত বগৰি পুৰি মৰিলে এই প্রজাবিলাক। দুর্ব্বলমতি বজাক নিজৰ হাতৰ মুঠিত ৰাখি, স্বার্থৰ বশীভূত হৈ দায়িত্বপূর্ণ প্রধান ৰাজকর্ম্মচাৰীয়ে যি হিংসাৰ অগনিৰ সৃষ্টি কৰিলে, সেই অগনিয়ে অসম পুৰি ছাৰখাৰ কৰিব।"

"বাবা! আজি আবেলি পৰত এজন মানুহ আহি আমাৰ আশ্রমতে উপস্থিত হৈছিলহি। সম্ভৱ, আশ্রয়হীন অৱস্থাত তেনেই।"

"ক'ত ? ক'ত আছে ?" সন্ন্যাসীয়ে উদ্বিগ্নচিত্তে সুধিলে।

নিৰ্জ্জীৱ কাঠৰ পুতলিৰ দৰে বহি থকা ডেকাজন নীৰৱ ভাবে ওলাই মুৰ কৰি সন্ন্যাসীৰ ওচৰ পালেহি। সন্ন্যাসীক এটি প্রণাম জনাই ওচৰতে বহিলহি। সন্ন্যাসীয়ে সুধিলে, "বোপা! তুমি কোন ? তুমি কবপৰা কেনেকৈ আহি ইয়াত উপস্থিত হলাহি ?" কথাষাৰ শুনি ডেকা নীৰৱ। সন্ন্যাসীয়ে তেওঁৰ মুখৰ ফালে দৃষ্টি কৰি দেখে যে, যদিও দুখৰ কাতৰ দেহা ক্ষীণ, শোকত মুখ মলিন, তথাপি শৰীৰৰ আকৃতি আৰু মুখৰ চেহেৰাই তেওঁক উচ্চবংশীয় বুলি পৰিচয় দিয়ে। সন্ন্যাসীয়ে আকৌ সুধিলে, "বোপা! কোৱা, কোনো সন্দেহ নকৰিবা" ডেকাজনে কলে, "প্রভু! নই অত্যাচাৰত উৎপীড়ত এজন আশ্রয়হীন মানুহ। আপোনাৰ আশ্রমত সৌভাগ্যক্রমে উপস্থিত হৈছোঁহি।" সন্ন্যাসীয়ে অনেক যত্ন কৰিও তেওঁৰ প্রকৃত পৰিচয় উলিয়াব নোৱাৰিলে।

সন্ন্যাসীয়ে ডেকাজনক কলে, "বাক, আশ্রমত তুমি সম্পূর্ণ নিৰাপদে থাকিব পাৰিবা।" ছোৱালীজনীক ডাকি চাই কলে, "আজিৰ পৰা তুমি এওঁক ডাঙৰ ভাইৰ দৰে বিবেচনা কৰি যত্ন আৰু আদৰ কৰিবা।"

২

দুপৰীয়া সূৰুযৰ প্রখৰ বৰত পৃথিবী উত্তপ্ত হৈ উঠিছে। চৰাই চিৰিকতিয়ে গছৰ ডালত বহি গহীন সুৰত বাগিচী টানিছে। থাই উঠি ডেকা জনে আশ্রমৰ

ভিতরর সক ঘরটিত বিছানা এখনর ওপরত দীঘল দিছে। ছোৱালীজনীয়ে আশ্রমর আম গছজুপির তলত কুশাসন পাতি বহি আগত কিছুমান ফুল সজাই লৈ লাহে লাহে ফুলর মালা সাজিবলৈ ধরিছে। মালা গাঁথিছে, বেৰ ৰূপ চাইছে, ভাঙিছে সজাপৰা কবিছে—মাজে সময়ে ফুলর লগতে কথা পাতিছে। থঙো কবিছে; এৰ-কৈয়ে সঙ্গহীন সবল জীবন অকলশৰে কটাইছে। আলহুনকৈ দুটি এটি ফুল মালাত সুমুৱাই মধুর কণ্ঠত গাইছে—

কুলি ঐ কিনো ৰাগিণী তোৰ।
দিঠক'ত পাহৰা সপোনৰ কথাটি
কিয় সোঁৱাৰি মোৰ॥
বসন্ত নামিলে আমো মেলিলে
ফুলিলে কতনা ফুল।
দেহা লাটি খাটি প্রাণ ঢালি সৃষ্টি
হিয়া যে কঁপিলে মোৰ॥
কিনো তোৰ অমিয়া পঞ্চম ৰাগিণী
কিনো তোৰ সুৰলা সুৰ।
কিয়নো হৰিলি মনৰে কথাটি
আশ্বাৰো পেলালি ওৰ।

সেই সুৰলা কণ্ঠধ্বনি আহি ডেকাৰ কাণত পৰিলহি। বিছানাৰ পৰা উঠি বেৰৰ জলঙাবে চাই বুজিলে—দত্তা। প্রখৰ সূর্য্যৰ কিৰণত তাইৰ মুখখন ৰঙা হৈ পৰিছে, তপ্ তপ্ কৰে মুখৰ পৰা ঘাম ওলাইছে, ঘামত ভিজি কাপোৰখনি গাত লাগিবলৈ দেহাৰ কান্তি উজ্জ্বল কবি তুলিছে, পৰিপাটিহীন মুখৰ দীঘল চুলিটাৰি গাতত পৰি এটি অপূর্ব্ব সৌন্দর্য্যৰ সৃষ্টি কবিছে। কিছুপৰ দত্তাৰ সৌন্দর্য্য চাই থাকি অজিতে ভিতৰৰ পৰা মাত লগালে "দত্তা"। অজিতৰ কণ্ঠস্বৰ শুনি দত্তাৰ মধুময় কণ্ঠ শূন্যত মিলি গল, হাতৰ মালা খহি কোঁচত পৰিল। মুখ তললৈ দেখা খালে। অজিতে দত্তাৰ কণ লাবণ্য সঙ্গহীন সবল প্রাণৰ কথাকে ভাবিভাবি আকৌ বিছনাত পৰিল। কিছুপৰৰ পিছত দত্তায়ে ফুলৰমালা আৰু কুশাসন আমৰ তলতে এবি লাহে লাহে আশ্রমৰ কাষৰ আলিটিত বিয় দি বননি-ফুলনিৰ সৌন্দর্য্যত চকু ফুৰাবলৈ ধৰিলে। ফাস্ক'ৰ পৰতে পাছফালে শব্দ হল, "দত্তা"। দত্তাই উভতি ঠাৰ দেখে তাইৰ ওচৰতে ধ্রুব শোক, অনুৰাগৰ চিন মুখত লৈ এজন হৃষ্টপুষ্ট বলীষ্ঠ যুৱা দত্তাই মাতিলে "কি ?"

"এই আশ্রম কাৰ ?"

"এজন সন্ন্যাসীৰ "

"ইয়াত কোন কোন থাকে ?"

"মই আৰু সন্ন্যাসী।"

"আৰু কোনোবা আছেনে ?

দত্তা বিস্ময়ত পৰিল। অলপ পৰ দোধোৰমোৰ খাকি উত্তৰ দিলে, "হয়, আৰু এজন মানুহ আছে।"

"মোক তেওঁৰ ওচৰলৈ লৈ যাব পাৰিবানে ?"

"হয়, পাৰিম।" বুলি কৈ দত্তাই মানুহ জনৰ অজিতৰ ঘৰত সুমুৱাই দিবৰ কাষতে বহি ছাত্র কণোপকথন শুনিবলৈ ধৰিলে। ভিতৰ কোঠাৰ মানুহজনে কবলৈ ধৰিলে—"অজিত! বেচু ৰায় ভাবত বিভোৰ অজিত উচপ খাই উঠিল। "এয়ে মোৰ এতিয়া কৰ্ত্তব্যনে ? নিজৰ এক আশ্রমত নিশ্চয় তুমি তোমাৰ দিন অতিবাহিত কবিছাহি। হায়! বুজিব পৰা নাই তোমাৰ নীবৰ সবল দেশবাসীৰ এয়া এযুগত পবিণত হৈছে! আজি দেশৰ চাবিওফালে ভয়াতুৰ ক্ষুণাতুৰ নৰ নাৰীৰ হাহাকাৰ, সন্ন্যাসী জনক-জননীৰ চিৎকাৰ, বিচ্ছেদ ব্যথাত ব্যথিত পতিগত ক্রন্দনৰ ধ্বনি, পাশ্বৰ্ক অত্যাচাৰৰ কৰুণালী। তুমি, তুমি নিশ্চয়নে এই আশ্রমত! ছিঃ! ছিঃ! লাজ, ঘৃণা পৰিত্যাগ কৰা! এয়ে তোমাৰ এতিয়াৰ কর্ত্তব্যনে ? এয়ে তোমাৰ শাৰীৰিক শক্তিৰ প্রকৃত ব্যৱহাৰনে ?"

"ধনাই! ক্ষান্ত হোৱা। ইমান উতলা হৈছা কিয়?

"ক্ষান্ত! এই সময়ত ক্ষান্ত! উতলা কৰা হৈছা উতলা নহম কিয়? আজি এই এমাহ ধৰি কত কত বাতি, কত অবণাত, কত ক্ষুদ্র ক্ষুদ্র গাঁওঁ, ঘোৰ অন্ধকাৰত মোৰ জীবন ক্ষুধা-তৃষ্ণা বিহীন হৈ ক্লেশত অতিবাহিত হৈছে, তুমি বুজিবা কেনেকৈ?"

"সকলো বুজিছোঁ ধনাই!"

"মিছা, তুমি বুজা নাই, যদি বুজিলাহেঁতেন তেনেহলে তুমি তোমাৰ কঠোৰ প্রতিজ্ঞা 'কর্ত্তব্য পালন বিষয়ে নূতন' পাহৰি এনেদৰে এটি মাহ কটাব নোৱাৰিলা হেঁতেন।"

"কিন্তু কি কবিম ধনাই!"

"কি কবিম! বাহ বেচ কথা! বীৰৰ উপযুক্ত কথাই কৈছা। কবৰ কথাই—কি মোহিনী শক্তিত পবি নিজৰ কর্ত্তব্যলৈ পিঠি দিছা, কিয় তোমাৰ দেশবাসীক পাহৰিছা, কিয় তোমাৰ দেশবাসীৰ হাহাকাৰ ক্রন্দনৰ ঘূর্ণায়মানক বৃথাতো তোমাৰ হিয়া বীৰ স্থিৰ, তাৰ কাৰণ বুজিবলৈতো মোৰ বাকী নাই।"

"ইতিকি কবা কিয় ভাই!"

"ইতিকি বন্ধু! সঁচা কথা।"

"বাক ধনাই! কেনে ব্যৱস্থানো কবিছা ?"

"এতিয়া অতিসোনকালে আশ্রম পৰিত্যাগ কবা। বিশ্ব চকুৰে সকলো দেখিবলৈ পাবা।"

"তথাপি ?"

"এতিয়া কবৰ সময় নাই, কোৱা উচিতো নহয়।"

"এতিয়াই আশ্রম এবি যোৱা ভাল নহব। কাৰণ বিহন সন্ন্যাসীৰ আশ্রয়ত এমাহ কটালো, তেওঁক একেবাৰ কৈ যোৱাহে ভাল হব।"

সন্ন্যাসী কত ?"

"সন্ন্যাসী এতিয়া আশ্রমত নাই। গধূলি উলটিব। তেওঁ সদায় বাতিপুৱা আশ্রম এবি যায় আৰু গধূলি সময়ত ঘূৰণ সকলো খবৰ বাতৰি লৈ আহি আশ্রম সোমায়হি। তেওঁৰ পৰাই দেশৰ সকলো অৱস্থাৰ খবৰ পাই আছোঁ। আমাৰে ইন্দ্রিতে তোমাৰ সন্তোষ পাবৰ কত যত্ন কৰিছিলো, কিন্তু পোৱা নাছিলো। ইয়াত মহা অতদিনে ভেশঘন, ঘনিয়েই আছো। গতিকেই, বন্ধু, ৰাতি সন্ন্যাসীক সকলো কথাকে বাতিপুৱাই ছুয়ে ইয়াৰ পৰা প্রস্থান কবিম।"

অজিত আৰু ধনাইৰ কথোপকথন শুনি দত্তাৰ হিয়া দুৰু দুৰু উঠিল। অজিতে আশ্রম এবি যোৱা কথা শুনি মনত যেন কি এটা ভাৰৰ তোলপাৰ লাগিল। দত্তা লাহেকৈ অাঁতৰি গল।

সন্ধ্যাসময়ত সন্ন্যাসী উলটিল। সান্ধ্য আবতিৰ সমাপন হল। অজিত আৰু ধনাই ছুয়ো ওলাই আহি সন্ন্যাসীক প্রণাম জনাই সকলো কথা ব্যক্ত কবি যাবৰ অনুমতি খুজিলে। সন্ন্যাসীয়ে ছুয়োকো জনমভূমিৰ কল্যাণাৰ্থে জীবন উৎসর্গ কবিবলৈ জনমভূমিৰ সন্মান বাখিবলৈ, দণ্ডায়মে শৰীৰত শক্তি প্রদান কৰক বুলি আশীৰ্ব্বাদ দি, যাবৰ অনুমতি দিলে।

ৰাতি আহাৰাদি কার্য্য সমাপনৰ পিছত দত্তাই সন্ন্যাসীক সুধিলে, "বাবা! অজিত কালিলৈ যাব ?"

"হয় আই!"

"কিয় ?"

"অজিতৰ আগত বৰ ডাঙৰ কর্ত্তব্য—জন্মভূমিৰ কল্যাণ, দেশবাসীৰ প্রাণ।"

"আপুনি কৈছিল বোলে ৰাজধানী উদং গাণ্ডবিলাক শূন্য, বিদেশত ৰজা, অৰণ্যত প্রজা। অজিতে অকলে কি কবিবঁহি ?"

"আই! বহুতদিন বহুত ৰাতি মই তোমাক কোৱা কথাবোৰ মনত নাইনে? ভাৰতৰ পুবে অলি থকা স্বাধীন অসম সূর্য্য এতিয়া অস্তাচলত। যি অসমীয়াই প্রবল পৰাক্রমী দিগ্বিজয়ী মোগল সেনাক পৰাজিত কবি অতুল পৰাক্রমে নিজৰ স্বাধীনতা ৰক্ষা কবি জিলিকি আছিল, ভাৰতৰ ভিতৰত জলে, স্থলে, পাৰ্কৈত, কর্ম্মদক্ষ, বীৰ যুগাৰ জাতি বুলি ঘোষিত হৈছিল, সেই বীৰ অসমীয়াই আজি কালৰ কুটিল চক্রত পবি আত্মকলহৰ সৃষ্টি কবি, নিজৰ ঘৰত নিজে অগ্নি জ্বলাইছে। হায়! বিধিৰ বিধান! আজি সেই পৰাক্রমী যুঁজাক জাতি দুর্দ্দান্ত দস্যু মানৰ ভয়ত পলাই বৈছে অৰণ্যত। আজি অসমত বীৰ শ্রেষ্ঠ লাচিত নাই, বীৰাঙ্গনা মুলা নাই, সতী জয়মতী নাই। যদি কোনোবা তেনে থাকিলহেঁতেন, তেনেহলে অসমৰ এই অৱস্থা হবলৈ নাপালেহেঁতেন, আহ! এতিয়া অজিতৰ নিচিনা শক্তিশালী ডেকাই যদি লাচিতৰ উদাহৰণ চকুৰ আগত লৈ ছেদেলি ভেদেলি হৈ পলোৱা অসমীয়াক

একতাসূত্রত বন্ধন কবি আগবাঢ়িব পাবে, মুগাগাভক্ব নিচিনা বীবাঙ্গনাই সঘুখ বগত নৃত্য কবিব পাবে তেনেহলে কিজানি আকৌ অসমব সুদিন আহিব পাবে ; নহলে অসমব এই পতনেই চিবকালব নিমিত্তে ।"

"তেনেহলে বাবা ! জনমভূমিব হকে মযো প্রাণ উছর্গা কবিবলৈ সাজু হওঁ ।"

"ধন্য দত্তা ! মই তোমাক প্রতিপালন কবা যত্ন সার্থক ! কিন্তু, দত্তা ! সময় তোমাব এতিয়াও হোৱা নাই। যদি তোমাব ভাগ্যত দেশ-সেৱা কবি জীৱন সার্থক কবা ঈশ্বৰব ইচ্ছা হয় তেনেহলে তোমাব সেই ইচ্ছা অচিবে পূৰণ হব ।"

৩

বেলিয়ে জিবণি লবলৈ পশ্চিম শিখবত আবোহণ কবিলে। পুব আকাশত ক্ষাণী জোনাই জক্‌মক্‌ কবি উঠি আহিল। চন্দ্রৰ কিবণত বিশাল ব্রহ্মপুত্রৰ পানীব ঢৌব তিববিবণি উঠিল। বিশাল নদীব পাবৰ বিশাল বালিত ৰূপালী জোনৰ পোহৰ পবি পাতিবোৱা। ঢকডকীয়া বগা কাপোৰ খনি যেন হল। পাবত ঘুটি ক্ষুদ্র শ্যামবৰণীয়া পাহাৰ। নদীব পাবত পবিধকা শিল এটাৰ ওপবত উপবিষ্ট অজিত আৰু ধনাই। সূর্য্যোদয়ৰ আগবে পবা সূর্য্যাস্তলৈকে হাবি বননিম মাজেদি ৰথ অতিক্রম কবি ক্লান্ত হৈ পবা দেহাৰ পবা ক্লান্তি আৰু অৱসাদ আঁতবাই অজিতে মাত মাতিলে "ধনাই। যি পথাৰত নীলৱৰণীয়া শস্য সাগৰ সদৃশ হৈ শোভা বৰ্দ্ধন কবিছিল, সেই পথাৰ বাকবিত পবিণত হৈছে। তামোল পাণৰ নৈতে শুন্তনী বাৰী-ঘৰ আছে, কিন্তু মানুহ নাই। যি অসম হাঁহি-নাচি উবলি আছিল, সেই অসম আজি মৰিশালি। ধনাই ! এই নগবীয়া অৰণ্যবাসী মানুহক লগ কবিব পবা হবনে ?"

"হব পাবে। মানুহৰ সাহ-বল ধৈর্য্যৰ লগত উদ্দেশ্যৰ সদাগ্রহ থাকিলে নিশ্চয় ।"

"ইয়াৰ পিছত ?"

"বৰা, দুখেত কাবোবাৰ মাত শুনা গৈছে। কাণ দিয়াছোন কাৰ ?"

ভটিয়াই কেইখন মান নাও আহিব লাগিছে। নাওৰ সৌতত এটি দি উঠত বহি নাৱৰীয়াই গাইছে—

কলৈনো গলি ঐ লাচিত ফুকন ঐ
কলৈ গলি জয়মতী আই।
বঙ্গাও ভাগিলে প্রজাও ভাগিল ঐ,
মানে যে অসমদেশ খাঁ ॥

"কোনোবা দুর্ভগাগ্রস্ত পলমীয়া মানুহ। বাতি বিন্দ্ৰ ব্রহ্মপুত্রৰ বুহত নাও এবিদি নিজক নিজে বিপন্ন শুনা আবেগৰ গীত টানিছে। হায় ! সৰল অসমীয়া প্রজা আজি এই দুর্দ্দশা ! এই কাতৰ ধ্বনি !"

লাহে লাহে নাও আহি পাবত লাগিল। নাও বাহি নাৱৰীয়া পাৰলৈ উঠিল।

অজিতে সুধিলে, "তোমালোক কব মানুহ ? কলৈ যাবা ?" নির্জ্জন ঠাইত বাতি মানুহব মাত শুনি নাৱৰীয়া হতভম্ব হ'ল !

"ভয় নকৰিবা। আমিও অসমীয়া ।"

"আমি উজনিৰ মানুহ। ভাগি ভটিয়াই আহিছোঁ।"

নাৱৰীয়াই পাবতে বন্ধাবঢ়াব দিহা কবিবলৈ ব্যস্ত হৈ গল।

অজিতে ধনাইক কলে, "ভাই ! তুমি এ নাৱৰীয়াহ'ক লগতে ভটিয়াই গৈ বঙ্গাব লগ ধৰাই মই এই দাঁতি কামবীয়া মানুহবিলাকক পাৰোঁ। যদি ন কবি এটা ফৌজ সংগঠনব দিহা কবোঁ।

"ভাল কথা !"

নাৱৰীয়াই নাও মেলিলে। অজিতক এবি ন নাওতে ভটিয়াই গল।

৪

এদিন আবেলি পবত অতি দ্রুতবেগে সন্ন্যাসী আশ্রম পালেহি। অসমত সন্ন্যাসীব পুনবাগমন দেখি উৎকণ্ঠিত হৈ সুধিলে।

"বাবা ! কি হল ?"

"আই ! আজি ৰব বেয়া খবব ।"

'কি বাবা !"

"অজিত মানব হাতত বন্দী হৈছে।"

"কি বাবা ! কেনেকৈ ?" বুলি কৈ দত্তাৰ মুখ ফিবাই দিব নোৱাবিলে। চকু চলচলীয়া হল। সন্ন্যাসীয়ে আশ্বস্ত কবিলে "শুনিলোঁ—ফৌজ সংগ্রহ কামত ব্যস্ত থাকি অল্পসংখ্যক মানুহ লগ কবিছিল মাত্র, হঠাতে মান সৈন্যই অতিকৰ আগুবি ধবিলে। মানুহবোৰ পলাল। অজিত বন্দী হল।"

অতি উদিগ্নস্বৰে দত্তাই কলে, "বাবা ! অজিতক উদ্ধাৰ কবিবলৈ নুযোগেহনে—"দত্তাৰ আৰু কথা নোলাল।

"আই ! শোক নকবিবা। অজিতৰ উদ্ধাৰ বব টান কথা। বাক দত্তা ! তুমি সাহ কবি ওলাব পাবিবা ? নহলে পাবা কিজানি—"

"নিশ্চয় পাবিম বাবা ! অজিতৰ নিমিত্তে, দেশৰ হকে মই মোৰ প্রাণক অতি তুচ্ছ বিবেচনা কবোঁ।"

"থাক বেছ কথা।"

সামান্য আহাৰৰ পিছত সন্ন্যাসী জিৰণি লবলৈ গল। দত্তাই সৰু ঘৰৰ পিৰালিত বহি মলিন মুখ আৰু চকুত টোপাল চকুলোৱে আকাশ পাতাল ভাবিবলৈ ধবিলে।

গড়গাঁও ৰাজধানীৰ অনতিদূৰতে বন্দী অজিত, মানৰ হাতত। তিল তিল পল পল কৈ জীৱনৰ শেষ সময়ৰ অপেক্ষা কবি অজিত অস্থিৰ। বাহিবত মানসৈন্যৰ আনন উল্লাস কোলাহল গগণ বিদৰি উঠা বিকট আবাৱ। বন্দিশালৰ অগণ আগতেই মুকত জটা, গাত গৈৰিক বসনৰে শোভিত দুজন সন্ন্যাসী গৈ সেই ঠাইত উপস্থিত। জোণা গছৰ তলতে জুই জ্বলাই ছুয়া থাকিব দিয়া কবি বলে। সেই ঠাইতে সন্ন্যাসী দুজনৰ তিনি দিনৰ বাবে যোৱাৰ পিছত এদিন বন্দীশালৰ এজন প্রহৰী উপস্থিত হলগৈ। ধুৱা সন্ন্যাসীয়ে আদৰ সাদৰ কবি প্রহৰীক আপ্যায়িত কবাৰ শেষত প্রহৰীয়ে সুধিল, 'বাবা ! আপোনালোকৰ ঘৰ কত ? এতিয়া ঘৰ পৰা আছিছে ?" "বোপা ! আমাৰ ঘৰ-দুৱাৰ, লবা ছিৱাত্তা নাই। যতে পবি থাকোঁ সেয়েই ঘৰ। এতিয়া পৰ্যটনত পবা আহিছোঁ।"

"বাবা ! কিবা মোহনী জানেনে ?"

"সন্ন্যাসী মানুহ, সেইবিলাক আমাৰ বৃত্তি নহয় ।"

"মোক এটা—পবাহলে আপুনি বব—।"

"বুজিলো, বোপা, মই জগন্মাতা কালীক পূজা কবো, দেৱীক সন্তুষ্ট কবাৰ পাবিলে তোমাৰ মনোভিলাষ অতি সোনকালে পূর্ণ হব। আজি শনিবাৰ, অমাবস্যা। আজি দেৱীৰ পূজাৰ ভাগ দিন। নব বক্তেবে আইক পূজাদি সন্তুষ্ট কবিব পাবিলে বাজপাটো তোমাৰ সন্তৰ হব পাবে ।"

"প্রভু ! পূজাব আয়োজন কবক। সকলো সামগ্রী মই যোগাব কবি দিওঁ। মোৰ পৰম শত্রু মোৰ হাততেই বন্দী হৈ আছে। তাৰ তেজেবে দেৱীৰ পূজাব নিমিত্তে যথেষ্ট হব ।"

"কোন তোমাৰ শত্রু, কাৰ কথা কৈছা ?"

"প্রভু ! মই অধম বজাৰ বাজধানীৰ কোষাধ্যক্ষ আছিলোঁ। মানৰ আক্রমণত বাজধানীৰ পৰা সকলো আঁতৰ হোৱাত বাজকোষ মানসেনাপতিক হাতত সমর্পণ কবি মই মানৰ ফলীয়া হৈ মানসেনাপতিক নানা বুদ্ধি পৰামর্শ দিয়াত মই মান বিলাকৰ বৰ প্রিয়পাত্র। এতিয়া বন্দীশালৰ বক্ষক স্বৰূপে মই আক মোৰ ভগত বহুত প্রহৰী আছে। এতিয়া যাৰ কথা মই আপোনাক কৈছো সিয়েই মোক এদিন দেশদ্রোহী বিশ্বাস ঘাতক বুলি কৈ অনেক কৰ্কৰ্শনা কবিছিল। আনকি মোৰ প্রাণবধৰ কাবণে অনেক অভিসন্ধিও কবিছিল। কিন্তু, এতিয়া সি মোৰ হাততে—তাৰ নাম অজিত। হা-হা-হা কবি প্রহৰীশ্রেষ্ঠই হাঁহিবলৈ ধবিলে। "দেৱীৰ পূজা তাৰ বক্তেবেই হব ।"

"বেছ ! সুন্দৰ কথা। মাজনিশা বন্দীলৈ দেৱীৰ পূজাত উপস্থিত হবাহি ।"

"প্রভু ! নিশ্চয় ! সন্ন্যাসীক প্রণাম জনাই প্রহৰী-শ্রেষ্ঠ আঁতবিল। সন্ন্যাসীয়ে শিষ্যক ওচবলৈ নি যথাযুক্ত সময়ৰ কামৰ নির্দ্ধাবণ কবি দিলে।

মাজবাতি পূজা। প্রহৰীশ্রেষ্ঠ চাবিজন প্রহৰী আৰু বন্দী অজিতৰে সৈতে পূজাস্থলত। ঘোৰ অমাবস্যা বাতি। কতো কাবো সাৰশব্দ নাই। জগত নিস্তব্ধ। কেৱল মাথোঁ নিশাচৰ শিয়ালৰ বিকট আবাৰ আক মাজে

মাজে দূৰৈত কুকুৰৰ ভেউ ভেউ শব্দ। সন্ন্যাসীৰ আগত একুৰা জুই, ওচৰতে ঘোৰ কৃষ্ণবৰ্ণা কালীমূৰ্ত্তি। মূৰ্ত্তিৰ আগতে ক্ষীণ আলোকেৰে এটি চাকি। চাকিৰ পোহৰ বঙা জিভাবে দৈতে কালীমূৰ্ত্তিৰ ওপৰত পৰি গহীন বাতি এনে এটা দৃশ্যৰ সৃষ্টি কৰিছে যেন স্বয়ং সংহাৰ মূৰ্ত্তিৰে দেৱী উপস্থিত। ওচৰতে পৰিষকা থান্ধাখন ক্ষীণ আলোকত তিৰবিৰ কৰিছে। শেষসময় উপস্থিত বুলি জানি অজিতৰ চকুৰেদি দুধাৰি পানী ওলাল। এটি তপত নিশ্বাস নাকেদি ওলাই গল।

সন্ন্যাসী পূজামন্ত্ৰ পাঠত ব্যস্ত। প্ৰশ্নী আৰু বন্দীৰ উপস্থিতিৰ গম পাই মন্ত্ৰৰ সামবণি মাৰিলে। তৈয়াৰ কৰি থোৱা বলি-শালত বন্দীক পেলাবলৈ আদেশ কৰিলে। বলি-শালত বন্দী পৰাৰ পাছতেই সেন্দুৰ আদিবে দৈতে বলিক বজিত কৰি দেৱীৰ আগত উৎসৰ্গা কৰি প্ৰহৰীশ্ৰেষ্ঠ সহিত সকলোকে দেৱীৰ ওচৰত সাষ্টাঙ্গে প্ৰণাম কৰিবলৈ নিৰ্দ্দেশ কৰিলে। সন্ন্যাসীয়ে 'মা' 'মা' বুলি দুটা তীৰৰ চিৰ মাৰিলে। চিঞৰৰ লগে লগেই তৰুণ শিশুই হাত থান্দা তুলি লৈ অজিতৰ বাহিৰে সকলোটিকে নিমিষ দ্বিখণ্ডিত কৰিলে। সন্ন্যাসীয়ে অজিতক বলিশালৰ পৰা উঠাই হাতৰ বান্ধ খুলি দিলে। অজিতে বিস্ময়ত সন্ন্যাসীৰ ফালে চাই ৰ' লাগি ৰল। সন্ন্যাসীয়ে অজিতৰ গাত হাত দি কলে, 'অজিত! তুমি মুক্ত। যি আশ্ৰমত তুমি এমাহ বাস কৰিছিলা, সেই আশ্ৰমৰ বৃদ্ধ সন্ন্যাসী মইহে। তোমাৰ ওচৰত সন্ন্যাসীবেশে থিয় দি থকা জন দত্তা। তোমাৰ জীৱন দানৰ কাৰণে আজিৰ পৰা দুটি দত্তাৰ ওচৰত ঋণী। আই দত্তা! অজিতক প্ৰণাম কৰা।

দত্তাই অজিতক প্ৰণাম কৰিলে। অজিতেও দুহাত মিশ্ৰিত এটি দীৰ্ঘ নিশ্বাস পেলাই দত্তাক বুৰুত সুমুৱাই আলিঙ্গন কৰিলে। তাৰ পিছতেই তিনিও সেই ঠাই এৰি পৰা সেই ৰাতিয়েই আঁতৰিল।

শক্তি-সেৱা

—শ্ৰীযুত ক্ষেত্ৰধৰ ৰবগোহাই বি-এ

শক্তি শব্দই সাধাৰণতে ক্ষমতা বুজায়। যাৰ প্ৰেৰণাত কায়িক, মানসিক আৰু বাচিক সকলো কৰ্ম্ম সম্পাদন হয় তাকে শক্তি বোলা যায়। কালডাৰউড্ (H. Calder Wood LL. D) নামক এজন দাৰ্শনিক পণ্ডিতে এঠাইত কৈছে—There are certain forces belonging to human nature which so operate as to impel us to act—"মানৱ প্ৰকৃতিত এনে কিছুমান শক্তি আছে যি মানুহক কৰ্ম্মত প্ৰেৰণ কৰায়।" এই শক্তিয়েই হৈছে আমাৰ সকলো কাৰ্য্যৰ মূল কাৰণ। বিজ্ঞানৰ মতেৰেও শক্তিৰ ৰূপান্তৰ বা স্থান পৰিবৰ্ত্তনক কৰ্ম্ম বোলে। অন্তৰ্জ্জগত আৰু বহিৰ্জ্জগত উভয় ক্ষেত্ৰত আকৰ্ষণ (Attraction) আৰু বিপ্ৰকৰ্ষণ (Repulsion) ক্ৰিয়াৰ মাজেদি উৎপাদন বা পৰিবৰ্ত্তন ৰূপে শক্তি অবিৰাম চলিব লাগিছে। এই শক্তি আমাৰ প্ৰত্যক্ষ

* Work is any process of transference or transformation of energy—S. W. Holman.

বিষয় নহয় যদিও, কৰ্ম্মৰ লগত আমাৰ যি সাক্ষাৎ পৰিচয় আছে তাৰ পৰাই আমি শক্তিৰ অস্তিত্ব উপলব্ধি কৰিব পাৰোঁ। অগ্নিৰ দাহিকা শক্তি, জলৰ শীতল কৰা শক্তি, ঔষধৰ ক্ষুধা নিবাৰণ শক্তি, বায়ুৰ উৰাই নিয়া শক্তি ইত্যাদি বহিৰ্জ্জগতৰ কোনো শক্তিকে আমি চকুৰে দেখোঁ নহয়, কিন্তু ক্ৰিয়াৰ পৰা সেই শক্তিৰ অস্তিত্ব অনুভৱ কৰোঁ।

বিশ্ব-জগতত বিচাৰি সহজে ধৰিব নোৱাৰা শক্তিয়ে আমাৰ অন্তৰত প্ৰত্যক্ষ ভাবে সততে দেখা দিয়ে। কাৰ-বাকা মনেৰে আমি যেতিয়া যি কাৰ্য্য কৰোঁ, তাতে আমাৰ নিজৰ কৰ্ত্তৃত্ব বিকাশ পায় আৰু আমাৰ অন্তৰত এটা শক্তি অনুভূতি উদয় হয়। মই কোনো এটা কাম "কৰিম" বা 'কৰিব পৰিম" বুলি ভবা মাত্ৰেই মোৰ ভিতৰত সেই কাৰ্য্য কৰিব পৰা শক্তি আছে বুলি বিশ্বাস কৰোঁ। কিয়নো শক্তিৰ অবিহনে কোনো কাৰ্য্য নিষ্পন্ন হব নোৱাৰে। আমি আন কোনো শক্তিৰ বিৰুদ্ধে যুজিবলৈ ওলাওঁতে নাইবা কোনো বাধা বিঘিনি পাব হবঁৰে ধৰোঁতে আমাৰ নিজৰ অভ্যন্তৰীণ শক্তিৰ পৰিচয় পাওঁ আৰু সেই শক্তিৰ ওপৰত নিৰ্ভৰ কৰি আমি কাৰ্য্য সাধনৰ বাটত আগ-বাঢ়োঁ।

আমাৰ অন্তৰ্জ্জগতৰ মানসিক ভাবৰাশিৰ ওপৰত যি শক্তিৰে সদায় কৰ্ত্তৃত্ব কৰিব লাগিছে, তাৰ প্ৰভাবতেই আমি প্ৰতি মুহূৰ্ত্ততে একোটা সুখৰ অট্টালিকা সাজি আছোঁ তাক ভাঙি পেলাইছোঁ, দয়া প্ৰেম, হিংসা ক্ৰোধ, ঘৃণা হেৰা, সুন্দৰ কুৎসিৎ আদি বৃত্তি অনুভৱ কৰিছোঁ। যি শক্তিয়ে আমাৰ আন্তৰিক ভাব, বাসনা আৰু জ্ঞানৰ বিকাশ বা পৰিবৰ্ত্তন ঘটাইছে, সেয়ে আমাৰ আত্মাৰ ধৰ্ম্ম বা গুণ। এই গুণ, কণ-বস-গন্ধ-স্পৰ্শ-শব্দৰ অতীত। এতেকে ই কোনো সূক্ষ্ম বা স্থূল পদাৰ্থ নহয়। হাত ইন্দ্ৰিয়ৰ সহায়েৰে ধৰিব নোৱাৰি—কেৱল জ্ঞানৰ দ্বাৰাই উপলব্ধি কৰিব পাৰি।

সেই ধৰে বহিৰ্জ্জগতত সংঘটিত ঘটনাৰাশি আৰু কাৰ্য্য কৰণৰ মাজেদি বিশ্বব্যাপিনী শক্তিৰ প্ৰভাব দেখিবলৈ পোৱা যায়। কাৰণ বিশ্বজগত চৈতন্যময়ী ক্ৰিয়াশক্তিকা বা প্ৰকৃতিৰ পৰিণাম মাত্ৰ। "প্ৰকৰোতীতি প্ৰকৃতি:—প্ৰধানং সত্ত্বৰজস্তমসাং সাম্যাবস্থা।" যি প্ৰকৃষ্ট প্ৰকাৰে কাৰ্য্য সম্পাদন কৰে তাকে প্ৰকৃতি বোলে। প্ৰকৃতি বা কাৰণে যাৰদ্বাৰা কাৰ্য্য কৰিবলৈ সক্ষম হয়, সেয়ে শক্তি (The power is that by which the cause is able to act, it is its activity and causality—I. Bayma). প্ৰকৃতি আৰু শক্তি দুটা বিভিন্ন পদাৰ্থ নহয়। স্পন্দন (Vibration) আৰু পৰন (air) যেনে প্ৰভেদ, প্ৰকৃতি আৰু শক্তিও তেনে অভিন্ন বস্তু। শাস্ত্ৰত সৰ্ব্ব কাৰক সৰ্ব্ব কাৰণ পৰমাত্মাৰ আত্মভূতা শক্তিকে প্ৰকৃতি বোলা হৈছে। শক্তি আৰু শক্তিমানৰ মাজত কোনো প্ৰভেদ নাই। কোনো এক পদাৰ্থৰ সত্ত্বাই শক্তি। শক্তিয়েই দ্ৰব্য আৰু গুণৰ ভিন ভিন ৰূপ ধৰি দেশ, কাল, মন, বুদ্ধি, কৰ্ম্ম, ইন্দ্ৰিয় আদি সকলোতে প্ৰকাশিত হৈছে। বেদে এই অখণ্ডনীয়া অপৰিজ্ঞেয় শক্তিকে অদিতি আখ্যা দিছে আৰু জগতত জাত হোৱা বা জন্মিব লগা সকলো বোৰেই অদিতিকে কাৰণ বুলিছে।

যি গুণৰ সহায়েৰে আমি অন্তৰ্জ্জগতৰ শক্তিক জানিব পাৰোঁ তাৰ নাম জ্ঞান। শক্তিৰ দৰে এই জ্ঞানো আত্মাৰে এটা গুণ। জ্ঞান, ভাব, বাসনা আৰু কৰ্ত্তৃত্ব বা শক্তি-বিশিষ্ট পদাৰ্থই আত্মা। অন্তৰৰ দৰে জড় জগততো শক্তিৰ কাৰ্য্য যেতিয়া দেখিবলৈ পাইছোঁ, তাতো আত্মা আৰু জ্ঞানৰ অস্তিত্ব আমি স্বীকাৰ কৰিব লাগিব। এক জ্ঞানময়ী শক্তিয়েই অনন্ত ভুৱন পৰিচালিত কৰিছে। জড় নিষ্ক্ৰিয় যন্ত্ৰ স্বৰূপ।* জড় পদাৰ্থত শক্তিৰ সঞ্চাৰ নহলে সি কোনো কাৰ্য্য কৰিব নোৱাৰে। গতিকে বিজ্ঞানে জড় আৰু শক্তি দুয়োটাকে স্বীকাৰ কৰে। শক্তিয়েই বিশ্বব্ৰহ্মাণ্ডৰ সকলো পদাৰ্থৰে সৃষ্টি, স্থিতি আৰু বিনাশ সাধন কৰিব লাগিছে। অন্তৰ্জ্জগতৰ ত্যাগ, গ্ৰহণ আৰু সঞ্চালন ক্ৰিয়াশক্তিকা আত্মশক্তিৰ সহায়েৰে জড়

* The force by which we ourselves produce changes and which serves to symbolise the cause of changes in general is the final disclosure of analysis —H. spencer.

জগতৰ সৰ্ব্বব্যাপিনী জ্ঞান ময়ী শক্তিৰ অস্তিত্ব বুজিব পাৰি।

বিজ্ঞানে বিকাৰ প্ৰাপ্ত জড় বস্তুৰ মধ্যাবস্থাৰ কিবা সন্ধেদ পাব পাৰে ; কিন্তু তাৰ আদি অন্তৰ কোনো সমাচাৰ দিব নোৱাৰে। কোন কৰ্ত্তাই বা কি শক্তিয়ে আকাশত চন্দ্ৰ, সূৰ্য্য, গ্ৰহ, উপগ্ৰহ আদি সাজি সিবোৰৰ নিজ নিজ কৰ্ম্ম আৰু গতি বিধান কৰি দিছে, কি শক্তিয়ে পৰমাণু সমূহক বিভিন্নৰূপে সন্নিবদ্ধ আৰু সংযুক্ত কৰি বিশ্বত অন্তুত পৰিবৰ্ত্তন ঘটাইছে বিজ্ঞানে তাৰ বহুত ভেদ কৰিব পৰা নাই। সেই শক্তিয়েই আমাৰ ভবিৰ তলত পৰি থকা ক্ষুদ্রাতিক্ষুদ্র ধূলিকণা বোৱৰ পৰা কোটি কোটি যোজন দূৰবৰ্ত্তী নক্ষত্ৰ পুঞ্জকৈকে সকলোতে বিৰাজ কৰিছে। যি জ্ঞানময়ী শক্তিৰ ওপত আমাৰ শাৰীৰিক ইন্দ্ৰিয়াদি পৰিচালিত আৰু মানসিক সুখ-দুখ মোহাদি বিকাৰ সমূহ উৎপন্ন হৈছে, সেই বিশ্ব-প্ৰাণৰূপা মহাশক্তিৰ প্ৰভাবতে জগতৰ পশু-পক্ষী কীট-পতঙ্গ, সকলোবে সৃষ্টি, স্থিতি আৰু বিনাশ ঘটিছে ; সূৰ্য্যই প্ৰখৰ কিবণ ঢালিব লাগিছে ; নদ-নদী অবিৰত প্ৰবাহিত হৈছে ; সমুদ্ৰৰ উত্তাল তৰঙ্গ উঠিছে। অচেতন পাষাণময় পৰ্ব্বত-শ্ৰেণীত, ঔষধি বনস্পতিত, শুকান বালিময় মৰুভূমিত, শৰতৰ শ্যামল শস্য ক্ষেত্ৰত, পৃথিবীৰ সৰ্ব্বত্ৰতে বিশ্ব ব্যাপিনী শক্তি অৱস্থিতা হৈ আছে।

জগতৰ ভিন ভিন স্থলত আৰু প্ৰতিভাপূর্ণ পদাৰ্থত শক্তিৰ যি বিভিন্নৰূপ প্ৰতিভাত হৈছে, সেই সকলোবে মূল একমাত্ৰ অদ্বিতীয়া মহেশ্বৰী শক্তি। তেহেঁ গতা, অনন্তা, গুণাতীতা, অতিনিৰ্ম্মলা, আদ্য ভগৱতী শিবা। ত্ৰিভুবনৰ সকলো শক্তি আৰু শক্তি শিব-শক্তিৰ পৰাই উদ্ভৱ হৈছে ; শিব-শক্তিয়েই শক্তিৰ প্ৰসূতা। তেওঁ নানা উপাধিৰে বিভূষিতা প্ৰকৃতি পুৰুষ অভেদৰূপে শিৱৰ হৃদয়ত আসন ব্ৰহ্মাণ্ডত সততে ক্ৰীড়া কৰিছে

"একাশক্তি শিৱৈকোঽপি শক্তিমান উচ্যতে শিব
শক্তয়ঃ শক্তিমন্তোঽন্যো সৰ্ব্ব শক্তি সমুদ্ভবাঃ।

তেওঁ ভূত, ভবিষ্যত, বৰ্ত্তমান সমভাবে বেলি তেওঁ ত্ৰিনেত্ৰা ; দশদিক ৰক্ষা কবিছে—তেওঁ দশভু চিবদিন অখণ্ড প্ৰতাপেৰে জগতৰ কল্যাণ সাধিছে—ত সিংহবাহিনী ; জীৱৰ অপাৱ অমঙ্গল বাশি বিন কবিছে—তেওঁ অসুৰ দলনী, মানৱক ঐশ্বৰ্য্য-বিদ্যা জ্ঞান আৰু সিদ্ধি দান কবিছে—তেওঁ লক্ষ্মী, সৰ আৰু কাৰ্ত্তিক গণপতি। সেই জয়দাত্ৰী, সিদ্ধিদা নিখিল ভুবন ব্যাপিনী অসীম অনন্তৰূপিনী সৰ্ব্ব প্ৰকাশিনী, জগত-জননী মহামায়াৰ অলঙ্ক-বজ্জিত চৰ আৰ্ত্তৰ কোটি কোটি নমস্কাৰ—

নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোনমঃ।
যা দেবী সৰ্ব্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ, নমস্তস্যৈ নমোনমঃ।
যা দেবী সৰ্ব্বভূতেষু জ্ঞানৰূপেণ সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমোনমঃ।
যা দেবী সৰ্ব্বভূতেষু মাতৃৰূপেণ সংস্থিতা॥

ভুল

গল্প—

—শ্ৰীযুতা পদ্মকুমাৰী বৰগোহাঁই

গধূলি আদালতৰ পৰা আহি বিমল বৰকাই কাপোৰ খনি সলাই শোৱনী ঘৰত সোমাই মুগ্ধভাবে চাইৰ'ল। মৃণালে তেতিয়া সাজ পাৰ পিন্ধি প্ৰকাণ্ড ডাঙৰ ড্ৰেচিং আইনাৰ সম্মুখত থিয় হৈ কপালত ফোট লৈছিল। পশ্চিম ৰাজ্যৰ বিবিকিযেদি বাঙ্গলী বেলিৰ সোণোৱালী আভা আহি মৃণালে পিন্ধা কাপোৰৰ ওপৰত জকমকাই ছিল। গভীৰ সুখ সৰল সুন্দৰ মনোমোহা ৰূপৰ চমকত বিমল বৰকাই কৰ্ম্ম ক্লান্ত মনত আনন্দৰ সফুৰা মেলিলে, একে থিৰে পলকহীন দৃষ্টিবে পত্নীৰ মুখৰ ফালে চাই ৰ'ল।

মৃণালে দুনীয়া চকু জোৰ বিমলৰ ফালে তুলি ধৰি কলে—"আপোনাৰ চাহ জলপান বাপুটিৰ ওচৰত সজাই থৈছো, মুখ হাত দুই খাবগৈ। মই নিৰ্ম্মলাহঁতৰ ঘৰলৈ যাওঁ, মহিলা সভাৰ বিশেষ অধিবেশন আছে, আহোতে অলপ বাতি হব" বুলি মৃণাল লাহে লাহে ওলাই গ'ল।

এনে নিতৌ ঘটে, বিমলৰ বিবাহিত জীৱনৰ দুবছৰ মানৰ পিছৰ পৰাই এনেকৈ সদায় মৃণাল এটা কামত ব্যস্তি পাৰিছে।

অলপ পৰ একে থৰে থাকি নীৰে বিমল অফিচ ঘৰত বহিলগৈ, চাকৰে চাহ আনি দিলে। চাহ খাই তেওঁ সেই নিৰাৱ বাতৰি কাকত খন পঢ়িবলৈ ললে। বিমলৰ এই ঘৰেই আজি কেইবামাহো গৈছে। লাহে লাহে আন্ধাৰ হৈ আহিল। বিমলে চুবট এটা জ্বলাই বাহিৰলৈ ওলাই আহিল। চাকৰ বাকৰ বিলাক ঘৰোৱা কামত ব্যস্ত।

বিমলে কাবো ফালে নাচাই মৃণালি বাৰীত সোমাল‌হি মৃণালি খনি সৰ ডাঙৰ নহয় ; তথাপি দুজনৰ কাৰণে বেছ ভাগৰেই, মৃণালি খনি বিয়াৰ পিছতে নৱদম্পতীয়ে সৰ কোঠাবে সজোৱা আৰু দুবছৰ আগৰে পৰা সুদক্ষ মালিৰ হাতত পৰি মৃণালিৰ শোভা বাঢ়িছে। সন্ধিয়াৰ বতাহত ফুল বিলাক হালিছে জালিছে।

আন্ধাৰত বিমল বৰকাই আপোন মনে ফুৰিব ধৰিছে, তেওঁৰ এইটো দৈনিক কামৰ ভিতৰত এটা কাম কিন্তু দুবছৰৰ আগেয়ে বিমলৰ খোজত খোজ মিলাই তেওঁৰ প্ৰিয়তমা মৃণালেও ফুৰিছিল ! অতীত স্মৃতি জাগি উঠিল তেওঁ এটা দুমুনিয়াহ কাঢ়িলে।

লাহে লাহে মৃণালি এৰি ওচৰেদি যোৱা দীঘল বাট টোৱেদি খোজ ললে। আৰু এটি প্ৰকাণ্ড দুমহলীয়া ঘৰৰ সম্মুখত উপস্থিত হ'ল। ঘৰৰ আগত থকা মৃণালি খন পাৰ হৈ সম্মুখৰ দৰজা খন মেলি এটা ডাঙৰ বেছ আহল বহল কোঠাত সোমাল। ইয়াতেই অহা বিমলৰ দৈনিক কাৰ্য্যৰ ভিতৰতে পৰে। ভিতৰ সোমাই তেওঁ এজন বুঢ়াৰ ওচৰত বহিলগৈ, বুঢ়াজন তেওঁৰ শহুৰেক। মনোমোহন দুৱৰা, দুৱৰা এজন নামজলা উকীল। বৰ্ত্তমান জোঁৱাইকেই তেওঁৰ পুৰণি মক্কেল বৈ ওকালতি কবিছে। সদায় সন্ধিয়া ইয়াতে নানা সজ পৰামর্শ দিয়ে। যাতে তেওঁৰ দৰেই বিমলও প্ৰতিভাশালী হয়। তেওঁৰ পুৰণা মক্কেল বিলাকক ভাল ব্যৱহাৰ কবি পেটত সোমোৱাই লব পাৰে।

মনো মোহন দুৱৰাই হাঁহি মুখে কলে "মইনা আজিও কতো ফুৰিব যোৱা নাই নেকি ?" বিমলে কলে" "নাই যোৱা গোটেই জীৱনটো ফুৰি মেলিছেই কটালো, এতিয়া আৰু ভাল নালাগে।" ইতি মধ্যে শাহুৰেক ধৰ্ম্মেশ্বৰী দুৱৰাণীও আহি বহিলহি। দুৱৰাণীয়ে জোঁৱাইকেক ফালে চাই কলে "আইদেউকী হবলা ঘৰতে আছে ? তাইকো নানিলা কিয় ?" বিমলে কলে—"নাই নহয়, নিৰ্ম্মলা-হঁতৰ তালৈ গৈছে। কিবা হেনো মহিলা সভা আছে।" জোঁৱাইকেক মুখৰ ফালে লক্ষ্য কবি দুৱৰাণীয়ে কলে"-এবা

তায়ো ভাল সভা সমিতি পাতি বলিয়া হৈ ফুৰিছে। তাইনো এতিয়াও এনেকৈ ফুৰিলে হয়নে? তোমালোকোতো বেছ কম নোহোৱা। তাইক মানা কৰিব নোৱাৰা।" দুৰবাই হাঁহি কলে "ভয় নকৰিবা, জীয়েৰ সভা সমিতি লৈ পগলা নহয়। বেছি বয়স হলেই সকলো পাহৰি যাব। ফুৰক তাতনো কি দোস আছে।" দুৰবানীয়ে অলপ খং কৰি কলে "আপুনিয়ে তাইক সৰুৰে পৰা লাই দিদি সকলো নিজৰ খুছিলে কৰিবলৈ শিকালে।" বিমলৰ ফালে চাই কলে "মইনা তুমিয়ে তাইক বাধা দিবাচোন, এনেকৈ ঘৰ এৰি ফুৰা তিৰোতাৰ ভাল নহয়।" বিমলে একো উত্তৰ নিদি অপৰ হাঁহিলে।

বুঢ়াবুঢ়ী হলহি, এই দম্পতীৰ মাজত সদায় মিল। কোনো দিন মনৰ অমিল হোৱা নাই। সেই কাৰণেই বুঢ়া বয়সতো দুৰবাৰ সংসাৰত অশান্তি নাই। হাঁহি আনন্দৰেই দুৰবাৰ সংসাৰ ভৰপুৰ। মাত্ৰ জীয়েকক লাই দিয়াৰ পৰাহে দুৰবাণীৰ দুৰবাৰ লগত মত নিমিলে। দুৰবাৰ বাজ ঐশ্বৰ্য্যৰ বিভূতিৰ অধিকাৰিণী মৃণাল। তাই তাইৰ ইচ্ছাত বাধা দিবলৈ দুৰবাৰ ইচ্ছা নাযায়, সকলে পৰাই মৃণালৰ ইচ্ছাত কোণেও বাধা দিয়া নাই। বিমলেও বুজিছিল দুৰবাণীয়ে সুশিক্ষিতা অকুল ঐশ্বৰ্য্যশালী দেউতাকৰ একমাত্ৰ সন্তান আক সৰুৰে পৰা দেউতাক আইতাকৰ আদৰুৱা আক স্বাধীন ভাবত উঠা, তেওঁৰ মনৰ ইচ্ছাত বাধাদিবলৈ বিমলৰ মন নাযায়। বৰ্ত্তমান শিক্ষিত সমাজত প্ৰচলিত হোৱা কথা এটা বাধা দিয়াও অন্যায়।

দুৰবাণী কিবা কামত ভিতৰলৈ গল। মহুৰ্ত্তেক, জোঁন্ধাইকে পুৰণা নথিপত্ৰ উলিয়াই আন দিনাৰ দৰে তেওঁ বিলাকৰ কামত লাগি গল। দুঘণ্টা মান বহি বিমল ঘৰলৈ গুচি গ'ল।

(২)

মৃণাল তেতিয়াও ওভতা নাই, এয়োদশীৰ জোনে নিৰ্ম্মল নীল আকাশত কপালী বৰণৰে জগতক এটি নতুন ভাব আনি দিছে। বান্ধনি ঘৰত বাসুলে বন্ধাবঢ়া কৰিছে। বিমলে শোৱনি ঘৰৰ বাৰান্দাত চাকিৰ পোহৰ কমাই দি, বাৰন্দাতে আৰামি চোফাত দীলদি গছি বাৰান্দাত 'টৰচ' থকা জুতি, জাই, মালতী আদি হাছনাহেনা আক নানা ফুলৰ গোন্ধে দশোদিশ আমোল কৰি তুলিছে। বিমলে ফুলৰ সুগন্ধ আক যেন প্ৰাণহাৰা কপালী জোনাকত খন্তেকৰ কাৰণে সৰহ পাহৰি হাঁহিমুখে আকাশৰ ফালে চাই ওণ ওণাই এ গাবলৈ ধৰিলে "ধামি যামি আহিলা প্ৰিয়া, কাশী প্ৰিয়ে মোৰ কুমলীয়া।"

লাহে লাহে বিমলৰ নিজৰ জীৱনৰ কথা মনত পৰি ধৰিলে, সংসাৰত বিমল দবিজৰ লৰা, সকতে মাক মোমাইকৰ আশ্ৰয়ত থাকি পঢ়া শুনা কৰিছিল। দুয়ো ঘৰ চোকা আছিল। কোনোবাবেই পঢ়াত ছিতীয় হোৱা নাছিল। সদায় প্ৰথম ছেয়ে হৈছিল। কেনেকৈ নানা ঝঞ্ঝা মাজতে বিমলে মেট্ৰিক পাছকৰি কুঁড়ি টকীয়া বৃত্তি পে কণ্ডেলে গল আক কেনেকৈ বি-এ তো প্ৰথম হৈছিল। তেতিয়াহা তেওঁক জমিদাৰ তুলা দুৰবাই জোঁৱাই কৰি থুজিলে। দুৰবাই নিজৰ একমাত্ৰ সন্তানৰ কাৰণে এনেকুৱা সুন্দৰ বলিষ্ঠ প্ৰতিভাবান যুবাযা লৰা এ বিচাৰিছিল। বিমলক পাই তেওঁ হাঁহিমুখে শিৰত সুন্দৰী একমাত্ৰ সন্তানক দান কৰিলে। বিয়াৰ পিছ জোঁৱায়েকক ঘৰতে বাখিব খুজিছিল। কিন্তু বিমল মনত বেয়া পোৱা যেন ভাবি দুৰবাই এই সুন্দৰ ঘৰ সাজি জীয়েক জোঁৱায়েকক থেলেগ কৰি দিলে। এই বৃদ্ধ সংসাৰ খনি বিমল আক মৃণালৰ নিজ হাতে গঢ়া; তিয়া ভবছৰ লৈকে দুয়ো এই নতুন ঘৰত আনন্দৰে দি কটাইছিল।

বিমলৰ বিবাহিত জীৱনৰ সুখ আক শান্তিৰ অবি মধুৰ লগা দিন বিলাকৰ দৃশ্য বিলাক ভাহি উঠিল। মৃণাল সুন্দৰী মৃণালে বিয়াৰ পিছৰ দিন বিলাক কেনেকৈ ওচৰে ওচৰে ফুৰিছিল। আদাগতৰ পৰা এদিন বেছি কবি আহিলেই চকুৰ পানী ওলাইছিল। যি মৃণাল এপেজ কৰিকো নাযায়, বিমলৰ কাম কাজত দুগুণ কিমান উদ্যমি আজি এই আকাশ ভৰা জোনাক ৰাতি এই বিলাক কথা বিমলৰ মনত পৰিব ধৰিলে। নি

আছুয়াহা হল। তাৰ পিছত দেশত কি নতুন বতাহ বলিল—মহিলা সভাৰ জন্ম হল, সেই সভাৰ আহ্বানত দুহুহুৱৰ বোৱাৰী জীয়াৰী আদি সকলো কে টানি আনিলে।

আধুনিক শিক্ষাত শিক্ষিতা মৃণালৰ মন আক আকৃষ্ট হে নহিল। মৃণালে লাহে লাহে সভাসমিতিত আত্ম সমৰ্পণ কৰিবলৈ ধৰিলে। ঘৰৰ বাহিৰেও যে তিৰোতাৰ বহুত আলোচনা কৰিবলৈ এখন প্ৰকাণ্ড ঠাই আছে তাক বিমলে বেচ বুজে, সেই কাৰণে নিজৰ সুখ খোৱা হোৱা ইত্যাদি কাৰণে মৃণালৰ স্বাধীন মনক বাধা দিবলৈ মন নকৰে। বিমলে কাৰো আগত নিজৰ মনৰ কথাকে সহানুভূতি নিবিচাৰে। অন্তৰৰ দুঃখ কাকো কবনায়। ভাবে, অন্তৰৰ পৰা যদি কাৰবাৰ অনুভূতিয়ে স্পৰ্শ নকৰে তেনে হলে লোকৰ অনুৰোধ বা আদেশত মনৰ প্ৰেৰণাক বাধা দিব পাৰিনে?

"আপুনি মনে মনে খুছি আছে"—কোমল মাতত মৃণাল চক খাই উঠিল। কেতিয়া যে মৃণালৰ মটৰ থামিল, মটৰৰ হৰ্ণনো বিমলে কৰ নোৱাৰে। মৃণাল ৰাতি কাপোৰ কানি সলাই ঘৰলা সাজ পাৰ পিন্ধি আগত থাকহি। কপালী জোনৰ পোহৰত সুন্দৰী মৃণালৰ মুখনি বিমলৰ চকুত বৰ ভাল লাগিল। মৃণাল অহাৰ বাবে বুধিৰ খুজিছিল কিন্তু মৃণালৰ হাঁহি ভৰা মুখ নিচেই চাই একো মুখুদিলে। "বহত ৰাতি হল—বলক আপোনাক থাবলৈ দিওঁগৈ" সঁচাকৈয়ে মোৰ আজি বহু ৰাতি হ'ল। প্ৰায় ৫০,৬০ জনীমান তিৰোতা গোট খাইছিল আক নানা আলোচনা হ'ল। উঠক" বুলি বিমল হাতত ধৰি তুলি দিলে। মৃণালৰ স্পৰ্শত বিমল গাত এটা অনিবচনীয় আনন্দৰ সোঁত বৱলৈ ধৰিল। মৃণাল যে বিমলৰ হৃদয়ৰ বাণী—সকলো কথা জানবাৰ অধিকাৰিণী মানস মন্দিৰৰ দেৱী। মৃণালকে তেওঁ কিমান ভাল পায় তাক মুখেৰে প্ৰকাশ কৰিব নোৱাৰে। শিৰীয়েকৰ মুখত যদিও প্ৰকাশ পায় বিখ-ফুটে প্ৰকাশ বুলিব। আনন্দত চকুৰ পানী ওলোৱাৰ বিমলে মৃণালৰ মুখৰ ফালে চাই হুমুনিয়াহ এটি

মৃণালৰ অজ্ঞাতে এৰিলে। মৃণালে বিমলৰ হাত ধৰি দুয়ো খোৱা ঘৰৰ ফালে খোজ ললে। বিমলৰ সৰল ব্যায়মপুষ্ট দীঘল গাৰ কাষত মৃণালক এটি অকণমানী যেন দেখে। জোনৰ সুন্দৰ পোহৰত মৃণালেও বিমলৰ সুন্দৰ শান্ত গম্ভীৰ মুখ খন অন্তৰেকৈ আপোন পাইছা হৈ চাই বল। মৃণালৰ এই মুখ খনি চাই থাকিলেও হেপাহ নপলায়।

(৩)

বাৰ লাইব্ৰেৰীত ভীষণ তৰ্ক সভা বহিছে। উকীল বিলাকৰ আজি যেন কাম নাহেই।

এজন অবিবাহিত ডেকা উকীলে কলে "আপোনা-লোকেনো এই সামাজ কথাখনকেনো কিয় ইমান ডাঙৰ কৰিছে কব নোৱাৰো? আমাৰ ওচৰৰ বঙালী শিক্ষিতা তিৰোতাবিলাকে চাণ্ডক চোন কলিকতা হেন ঠাইত প্ৰকাশ্য অভিনয় কৰিছে। ৰবি বাবুয়েন ভাঙ্গৰ পৰিয়ালৰ মানুহে মত যোগ দিয়ে, তাত লাজ নাই আমাৰ অসমতহে মত দোষ" এজন বয়োবৃদ্ধ উকীলে হাঁহি কলে—"সেই দৰেই বঙালীক চাই আমাৰ অসমীয়াকণ তললৈ গৈছে। লোকৰ অনুকৰণ কৰা আমাৰ দৰকাৰ কি! মাইকীয়ে মাইকীৰ কাম কৰিব।" বাধা দি মিষ্টাৰ দত্তই কলে "সভা সমিতি যে অকল মতামানুহৰ তাক কেনেকৈ জানিলে? আজি ভাবত আগৰ নহয়। আজিৰ ভাবতৰ তিৰোতা ওৰণিৰ তলত নাথাকে, নিজৰ অধিকাৰ বিচাৰিছে পুৰুষৰ সহায় নিবিচাৰে" বাধাদি সকলো উকিল হাঁহি উঠিল। মিষ্টাৰ দুৰবাই কলে "আপুনি চাগৈ বৰ ভাল পাইছে নহয়?"

মিঃ দত্তৰ মুখ বন্ধা পৰি গ'ল। কাৰণ তেওঁৰ গৃহিণী শিক্ষিতা বালিকা তৰপৰ তিৰোতা আছিল। প্ৰকাশ্য নাট্য মন্দিৰত কেবাবাৰো অভিনয় কৰিছে। আক সকলেবে পৰিচিতা। প্ৰথম দলৰ পৰা নানা ৰূপে অভিনন্দন লাভ কৰিছিল। বৰ্ত্তমান দুষ্ট লোকৰ ঠাইৰ খলছৈ নানা বেয়া কথাৰ প্ৰকাশ পাইছে। এইবিলাক কথা চুচ ফুচকৈ বাৰ লাইব্ৰেৰীত প্ৰকাশ পায়। তাক মিঃ দত্তই বেচ জানে। তিৰোতাৰ প্ৰকাশ্যভাবে অভিনয় কৰা

উচিত নে অনুচিত ইয়াকে লৈ বাৰ লাইব্রেৰীত উকিল বিণাকৰ ভালকৈয়ে মাজে মাজে তর্ক আৰম্ভ হয়

এজনে কলে "অভিনয় কৰক, তাত দোষ কি ?" দুজন মানে তাৰ দোষ, অতি বেয়া আৰু নীচ ভাবে দেখুৱাব ধৰিলে। এই দৰেই কথাত কথা বাঢ়ি তর্ক বৰ ডাঙৰ হৈ উঠিল। বিমল এজনাতক আছিল, তেওঁ তর্কৰ কাৰণ একো নাজানে। বিমল আহি পোৱা মাত্ৰকে মিঃ দুৱৰাই হাঁহি কলে—"বাঃ বকৰা! আপোনাক আজি ধন্যবাদ নিদি নোৱাৰিলো।" সকলো দুৱৰাৰ লগতে সুৰ মিলাই হাঁহিৰ জাউৰি তুলিলে। বিমলে ইয়াৰ কোনো অর্থকে বুজ নাপালে। অৱাক হৈ সুধিলে—"ইয়াৰ মানে কি?" "বুজা নাই? ৰাজহংসৰ খোজ লৰলৈ গৈ ঘনচিৰিকাৰ খোজকে নহল তেনেহলে তুমি তেখেতৰ দৰে ঘনচিৰিকা হৈ ৰাজ হংসৰ দৰে খোজ মিলাব ওলাইছা। সেই কাৰণে মিঃ দত্তই আনন্দ প্ৰকাশ কৰি ভাবিছে তুমিও তেখেতৰ দৰে দৰে হবা।" সকলোৱে একেলগে হাঁহি দিলে, লগতে দুজন মানে চাপৰিওঁ বাই দিলে। বিমল আচৰিত হল, কাৰণ তেওঁ একো বুজি নাপালে। এজন উকীলে কলে—"যদি ই কথা আপুনি বুজা নাই, বুজাই কওঁ শুনক! আজি মহিলাসভাৰ পৰাই দুজনীমান তিকতাই বঙ্গমঞ্চত গীত অভিনয় কৰিলে। আৰু সেই মহিলা কেগৰাকীৰ মাজত আপোনাৰ পৰিবাৰৰ নামো পোৱা গৈছে! আৰু মিচে চ্ দত্তইতো ঘাই পার্টি লৈছেই। সেই কাৰণেই আপোনাক ধন্যবাদেৰেই বৰণ কৰিছো" কেইজনে হাঁহিৰ জাউৰি উঠিল।

বিমলৰ মুখখনি লাজত বঙ্গা চঙা পৰি গল। ঘৰৰ দৈনীয়েকে আজি অভিনয় কৰিব, চহৰৰ গোটেই মানুহে জানে কিন্তু তেওঁ এতিয়াও নাজানে! এই বিষয় লৈ উকিল বন্ধুবিলাকে কটুভাবেই হাঁহি হাঁহি সমালোচনা কৰিছে। মনৰ দুখত অৰু লাজতে তেওঁ ৰৰ অধীৰ হৈ পৰিল। খন্তত কি কৰো নকৰো ভাবিলে। মনৰ ধং মনতে মাৰনিয়াই কাঠ হাঁহি মাৰি কলে—'ম এই কথা টোৱেই" বুলি নিজৰ আসনত বহি কামত মন দিয়াৰ ভাও জুৰিলে। তাৰ পিছত ঘৰৰ মটৰ আহিবলৈ ৰ নাচাই, টেক্সী এখনকে ভাৰাকৰি ঘৰলৈ আহিছ ওলাল। বহু সকলৰ বিজ্ঞপ আৰু হাঁহিবে ভৰা ৰ লাইব্রেৰী তেওঁৰ অসহ্য হল। বিমল নাৰী পিন্ধা পক্ষপাতী—সেই বুলি তেওঁৰ পত্নী প্ৰকাশ্য বঙ্গমঞ্চ শ শ মানুহৰ চকুৰ আগত নাচৰ ভাওঁ দিব ৰ বিমলে কল্পনাকে কৰিব পৰা নাছিল। নাৰীয়ে স সমিতি পাতি দহৰ হিত চিন্তক তাত হানি নাহি। নি এই দৰে অভিনয় কৰি—নাচ-গান কৰি দেশৰ বা কিযে উপকাৰ কৰিব তাক তেওঁ ভাবি নাপালে। শ শ মানুহৰ আগত নাচিলে নাৰীৰ নাৰীত্বৰ কি চে হব ?

ঘৰ পাহে চাকৰাণীক সুধিলে—মৃণাল আছেনে নাই তাই জনালে "আছে"। বিমলে শোভনী ৰূ সোমাই দেখিলে মৃণালে নিজেই নিজৰ কণক ৰূ কৰি সাজ পাৰ পিন্ধি অতি যত্নৰে সজাইছে। আনি হলে পত্নীৰ শুভনী মুখ আৰু ধূনীয়া সাজ পাৰ প্ৰ তৃপ্তিকে পাইছিল, কিন্তু আজি একো ভাল নালাগি আজিৰ বাতৰিয়ে বিমলৰ মন বৰ অস্থিৰ কৰি তুলিছি বিমলক তেনে ভাবে চাই থকা দেখি মৃণাল আচৰিত সুধিলে "আপোনাক আজি ইমান নীৰস যেন দেখিছো কিয়? গা ভাল লগা নাই নেকি?" বিমলে নি পৰিষ্কাৰ কৰি কলে—॥ "নাই গা ভালেই"! তেনি মৃণালে অলপ হাঁহি কলে "তেনেহলে ইমান ক্ষীণ দেখিছো কিয়।" বিমলে মৃণালৰ কথাৰ উত্তৰ নিদি সুধিলে "ই কলৈ যাবলৈ ওলাইছা" ইমান দিন হল বিমলে এদি মৃণাল কলৈ যায়, কি কৰে নোসোধে, কিন্তু আজি অসম্ভব প্ৰশ্ন কি কাৰণে সুধিলে মৃণালে একো বুজিব মৃণালে কলে—"মহিলা সভাৰ আজি ৰজতেই উৎসব। তাতেকৈ ধাওঁ, আহোঁতে কিমান বাতি হ নোৱাৰোঁ, মটৰ পথাৰ নালাগে, ককনাহঁতৰ মো আহিম। আপুনি কাপোৰ সলাওকগৈ ধক, চাৰ হৈ আছে"

বিমলৰ মনৰ গতি ঠিক নাছিল, সুৰ দুখাই আ

লে ঠিক কৰি কলে—"তুমি আজি যাব নালাগে।" নে ওৰণিত লেছপিন মাৰিছিল, ঘুৰিহাই কলে— কৈ নাযাম, কাৰণ কি?" বিমলে কলে "মই এই ক ভাল নাপাওঁ। আৰু মোৰ ইচ্ছা নহয় যে তুমি ত অভিনয় কৰিবা।"

মৃণাল চকু খণ্ড আৰু লাজত বঙ্গা হৈ গল। কিবা ৰ ধুৱাছিল, নহঁকে মনে মনে অলপ থৰ হৈ কলে ন কৰিলে নো কি মহাভাৰত অশুদ্ধ হব? লোকে পাগেই তাক বেয়া ভাবি লব নেকি? আমাবো এটা মত আছে। মই কাৰো চাকৰনী নহয়।" মৃণালে যে ইমান কঠুৰাকৈ কথা াৰিব বিমলে ভবাই নাছিল। তেওঁৰ মুখ মলিন ল। মৌখিক নম্ৰতা আনি পুনৰ কলে—"মৃণাল! এটো ভুকুম নহয়, অনুৰোধ হে তুমি আজি নাযাবা" ধা দি কলে "হৈছে, মোৰ বক্তৃতা শুনিবলৈ নাই। মতা মানহ বিলাকৰ মন বিলাক বৰ সৰু। নাৰ ভাল নালাগিলে বুলি যে মই মোৰ মত ব এইটো আপোনাৰ ভবাই ভুল।" বিমল মৰা ৰ কৰে গৰে থিৰ হৈ ব'ল। মৃণালে ড্ৰেচকৰি বিমলক এবাৰ চাই অন্যত্ৰ দেখি আকৌ কলে "মই আপুনি কাপোৰ কানি সলাই চাহ খাওকগৈ।"

বিমল সেই দণ্ডেই বস—অলপ পিছত মদঘোৱা মানুহৰ দেৰেও দেৱেও কৈ অফিচ ঘৰত সোমালে—চাকৰে চাহ আনি দিলে কিন্তু তাৰে চাহ তাতে থাকিল সোমাই মেজৰ ওচৰত বহি কাগজ এখনত কিবা ণে—অলপ পিছত কাপোৰ কানি সলাই ওছিপ'ণ।

৪

ত বাতি হ'ল—প্ৰায় আঠোটা বাজেই, জোঁন্ধাই এতিয়াও নাহিল কিয়?" দুৱৰাই কলে। "জানো, ৰ ওঠা পথাই দিথকচোন।" বুলি দুৱৰণীয়ে মাত দিলে। ই কলে—"দুৰুক পঠাইছিলো—কাছাৰীৰ পৰা ঘাই যেনো দুখৰ পৈছে, অইদেউকণী থিয়েটৰ হলত

আছেগৈ, তাহাতঁৰ আজি বজেৰকীয়া উৎসব।" এনেতে বাহিৰত কাৰবাৰ মাত শুনি দুৱৰাই ওলাই আছিল। এটি স্থানীয়া লৰাই নমস্কাৰ কৰি কলে "আপোনাৰ জোঁন্ধায়েক বিমল বকৰা চাৰি আলিত পাছ কৰোতে মটৰ আকলবিৰ মাজত পৰে, কতো তেজ গলোৱা নাই কিন্তু দুখ পাইছে, আমি মেডিকেল স্কুলৰ লৰা, বিমলক হাস্পতালনৈকে নিব খুজোঁ। আপোনাৰ ঘৰকা ডাক্তৰ বমণী বাবুৱে ইয়াকেঁচে আনিবলৈ সুধি পঠাইছে" দুৱৰাই কথা শুনি থক থক কৰে কঁপিবলৈ ধৰিলে আৰু কঁপি কঁপি কলে "মোৰো মইনা, ইয়ালৈকে লৈ আনাগৈ, মোৰ মটৰ ৰ'ক আৰু তোমালোকৰ ডাক্তৰ বকৰা আৰু ডাক্তৰ বৰা দুয়ো জনকে লৈ আহিবা।" লৰাটিয়ে "ভয় নকৰিব মই যাওঁ" বুলি ওলাই গল। বুঢ়াৰ মুখ শুকাই গল। কপালৰ ঘাম ওলাই মাটিত পৰিল। চাকৰ মাতি তেতিয়াই জীয়েকক মাতিবলৈ থিয়েটৰ হললৈ পঠিয়াই দিলে আৰু এটা ঘৰত চাকৰৰ হতুৱাই বিচনা পতালে। কেউপিনে চাকৰ লৰালৰি কৰি অস্থিৰ হোৱা দেখি দুৱৰাণীয়ে গোঁসাই ঘৰৰ দুৱাৰ মেলি বকৰাৰ মুখ দেখি আচৰিত হ'ল। এটা নতুন আশঙ্কাত বুক কঁপি উঠিল। আৰু কঁপি কঁপি সুধিলে "কি হল আপোনাৰ, মুখ দেখি মোৰ বুক কপিব ধৰিছে" বুলি কান্দিব ধৰিলে। দুৱৰাই ধং কৰি কলে—"কান্দিবলৈ সময় পাবা, এতিয়াৰ পৰাই অমঙ্গল নিচিন্তিবা। কিহৰ। বিমলৰ ওপৰত মটৰ উঠিল" দুৱৰাই কথাষাৰ কৈ বাহিৰলৈ ওলাই আহিল।

দুৱৰাণী তাতে বহি ঈশ্বৰক মঙ্গল কামনা কৰি কান্দি কান্দি বহি পৰিল। এনেতে ঘন ঘন হর্ণ দি মটৰ আহি দুৱৰাৰ মুখত বলহি, দুৱৰাই বনিয়াৰ দৰে মটৰৰ ওচৰ চাপিল। চেতনাহীন বিমলৰ দেহটি ডাক্তৰ বমণী বকৰাৰ সৈতে ধৰি ঘৰ সুমুৱালে। সকলোৱে ধৰি-মেলি বিমলক বিছনাত শুৱাই দিলে। কতো অকনো ঘা বা, তেজৰ চিন নাই? বমণী বকৰাই দুৱৰাক মাতি নি মনে মনে কলে—"অৱস্থা ভাল নহয়, মটৰৰ তলত পৰা নহয়। মটৰৰে মুৰত খুন্দা খাই মুৰত বৰ দুখ পাইছে। এতিয়া জ্ঞান অহাৰ উপায় কৰিব লাগিব।"

ডাক্তার বকরা আর ডাক্তার বরাই জান আছিবর কারণে নানা উপায়েরে পরীক্ষা করিবলৈ ধরিলে। দুরৱাণীয়ে বিমলর চেতনাহীন দেহটোলৈ চাই চকুর পানী টুকিব ধরিলে।

নানা দরর জাতি দিব ধরিছে, এনেতে পরদা ডাঙ্গি মৃণাল অতি গহীন ভাবে আহি সোমালহি। আৰু বিমলৰ কাষত বহিলহি—একে খৰে বিমলৰ চেতনাহীন দেহটিৰ পিনে চাই ধৰিলে, মাকে মুনালক দেখি চিঞৰি চিঞৰি কান্দিব ধৰিলে। মৃণালৰ চকুত কিন্তু চকুৰ পানী নাই! চকুৱে মুখে এটা অস্থিৰভাৱ ফুটি ওলাইছে।

ডাক্তৰ কেজনৰ উপদেশ লৈ বমণী বকরাই এটা ইনজেক্শন দিলে; আধাঘণ্টাৰ পিছতো যেতিয়া জ্ঞান অহাৰ লক্ষণ দেখা নগল, তেতিয়া ডাঙ্গৰ ডাঙ্গৰ ডাক্তৰ কেজনে ধকরা ডাক্তৰ জনকে নানা পৰামর্শ দি বিদায় ললে। বমণী বকরাই কলে "নমাইদেউ আৰু মাইদেউ আপোনালোকে উঠক—আৰু মৃণাল তুমিও যোৱা কাপোৰ কানি সলোৱাগৈ।" দুৱৰাণী উঠিল আৰু জীয়েকৰ হাতত ধৰি কলে "আই বলা" মৃণালে কলে—"আইতা তোমালোকেই যোৱা! মোৰ এতিয়া যাবৰ সময় নহয়।" মুনালৰ কথাত কোনেরে একো নকলে। দুৱৰাণীয়ে এটা দীর্ঘনিশ্বাস কাঢ়ি ওঠি গ'লা।

তাৰ পিছত মৃণালে ডাক্তৰৰ ফালে চাই কলে "ডাক্তৰ ককাইদেউ!" "কৈলৈ আইদেউ"। মুনালে কলে "দেউতাৰ যি সম্পত্তি আছে সকলো মোৰ। এই বিপুল সম্পত্তিৰ বিনিময়ে মোৰ স্বামীক জীয়াই দিবলৈ ডাক্তৰ বৰাক কওক" বমণী বকরাই ক্ষীণ স্বৰে কলে "ঈশ্বৰে অনুগ্রহ নকৰিলে মানুহে কি কৰিব পাৰে আই"। মৃণালৰ কাতৰ মুখ খনি দেখি বকরাৰ চকুৰ পানী ওলাল। বকরাই কলে "ইমান শকত আবত বন্ধি দেহটিৰ যে ইমান দুর্ব্বল হৃদ যন্ত্র, আচৰিত হৈছো। আগেয়ে তো এনে নাছিল! এতিয়া কেনেকৈ হল? মৃণালে ডাক্তৰৰ কথা শুনি দুই হাতে বিমলৰ ভৰিছটা সাবট মাৰি ধৰি কবলৈ ধৰিলে। "হে ঈশ্বৰ? ভাল কৰি দিয়া, মোৰ পাপৰ প্রায়শ্চিত্ত গোটেই জীৱন কৰিম; এই বাৰলৈ দয়াকৰা।" মৃণালৰ আকুল কান্দোন বমণী বকরাই ধিবৈলে থাকিব নোৱাৰি কমালেৰে পানী মছিলে।

৫

এইদৰে তিনিদিন অশান্তিৰে গল। বিমল আৰু নহল। চিকিৎসক সকলে প্রাণ পণে চেষ্টা একো কৰিব পৰা নাই। মানুহৰ ধন গৌৰব, বিদ্যা সকলো ব্যর্থ হৈ যায়। আজি তিনি বাতি দি চকু দুটি কান্দি বন্ধা ফুল পাহিব দৰে কৰি মৃণাল মৰণ যাত্রী স্বামীৰ ওচৰতে বহি আছে! কোনে তুলিব নোৱাৰে। কাৰো যুক্তি তর্ক বা শুনলে।

মৃত্যু যে হব তাক সকলোরে বুজিলে, কিন্তু শাস্ত্রই পৰাস্ত মানিলে। সকলোরে কলে "সময়ত এবাৰ জ্ঞান হবও পাৰে নহবও পাৰে, এয়া নোৱাৰি! ঈশ্বৰে যাক যেতিয়া আহান তেতিয়া মানুহে কি সাধিবে তাৰ গতিয়ো পাৰে।"

ঈশ্বৰত কৰুণ প্রার্থনা জনাই মৃণালে একে খৰে মুখৰ ফালে চাই বহি আছে। এতিয়াই যেন চাব, এতিয়াই যেন মাতিব। ঘৰ নিস্তব্ধ নিস্তব্ধতা ভঙ্গ কৰি ওচৰৰ কোঠাটোৰ ঘড়ীয়ে সময়ৰ জাননি দিছিল। এনেতে বিমলে মাতিলে "মৃণাল তুমি নাযাবা!" মৃণালে কান্দি কান্দি ধৰিলে—"ডাক্তৰ ককাইদেউ আহক, মাহিলে! আহি নাড়ী চাব ধৰিলে। মৃনালে কব ধৰিলে—নাযাওঁ, জীবনত আৰু আপোনাৰ অবাধ্য আপোনাৰ চৰণৰ দাসী আপোনাক চৰণতে আশ্রয় দিম। এবাৰ চাওক, চকু মেলি চাওক।"

ডাক্তৰে নাড়ী চাই মুখখনি আন্ধাৰ কৰিলে। মৃণালে মাত্ত শুনিছিলনে নাই মৃণালৰ মনৰ দুখ নবুজিলে। চিকিৎসা বিজ্ঞানৰ সহায় লৈও এজন নোৱাৰিলে। সময় ওচৰ চাপি আহিছে—ডাক্তৰে নাড়ী চাব ধৰিলে। এটা মুখত নিৰাশাৰ ভাব ফুটি উঠিল। ইমান যত্ন কৰিও বিধিৰ বিধানক খণ্ডন কৰিব নোৱাৰিলে। দুখ আৰু বেজাৰত চকুৰ পানী ওলাল। চকুৰ পানী ওলোৱা দেখি মৃণালে বিমলৰ পিনে চাই চিঞৰি চিঞৰি কান্দি উঠিল। দুঘণ্টা মানৰ ভিতৰে মাত্র দুৱৰা দুৱৰাণী ভিৰলৈ লবলৈ গৈছিল। সেই কৰুণ কান্দোনত হুয়ো আছিল। অন্তিম সময় যে পাষাণৰ দৰে আঁতৰ হ'ল। মৃণালৰ মুচ্ছিত দেহ ঘৰ ভৰি তলত পৰিল। দুৱৰাণীয়ে মৃণালৰ মুখৰ পানীয়ে মাৰ যোৱা দেখি নানাকপে বিননি তুলিলে। দুটি কাঠৰ পুতুলৰ দৰে একে খৰে কোঁৱাৰেকৰ ফালে বঁলে। অভিমানী বিমলে অভিমান কৰি চিৰদিনলৈ যুদিলে।

বন্ধাৰ পাছত এদিন বাতিপুৱা মৃণাল বাহিৰলৈ ওলাই গল। এই কেইদিন মৃণাল মাটিৰ পৰা উঠাই নাই। ভাত দৰি কবোৱাই তাকেছে মাত্র কৰে। কাকো নাই, বন্ধু বান্ধৱ কোনোৱাই শাৰুনা দিব আহিলে ভাকি যায়। কাৰো কথাত কাণ নিদিয়ে। এই কেই মৃণাল কেনেকুৱা পগলা হৈছে। যি জাকু জমক ঘৰ কানি কোনো মমূহুর্ত্ততে এৰা নাছিল। ভৰিব ধুলা সদাৱৰ খোজ শিকিবৰ পৰা পিন্ধা, আজি আৰু প্রকৃতিৰ কি অজান লীলা মৃণালৰ আজি এনে কৰিব। ইমান লেখা পঢ়া শিকি চাহাবি ধৰণ ধৰিও ঘৰে সেন্দুৰৰ ফোটটি এদিনৰ কাৰণেও এৰিব পৰা নাই। কিন্তু আজি নিয়তিৰ কি কঠোৰ বিধান। মৃণালৰ কপাল সুদা, কাণত একো নাই, ডিঙ্গিত সোণ নাই।

পৰে বাৰে মৃণাল ওলাই আহিল। মৃণালক দেখি বাসী সকলোরে বাট এবি দিলে। মৃণালে লাহে লাহে নিজৰ ঘৰৰ ফালে খোজ ললে। ঘৰ পাই দেখিলে ঘৰৰ ঘৰৰ সুচা চাকৰৰ মহতে থিয় হৈ আছে। মহতক সুধিলে "ঘৰৰ ছাবি, মহত?" মহতে ঘৰৰ ছাবি কোছা দি দিলে।

মৃণালে শোৱনি ঘৰৰ চকাৰ খুলি ভিতৰলৈ সোমাই

খিলিকি বিলাক মেলিদি বিছনাত দীঘল দি পৰিল। এই বিছনাতে কত সুখৰ মিলন বাতি কটাই ছিল। ঘৰৰ সকলো বস্তু আজিও একেদৰে আছে।

সকলো শূন্য, মৃণালৰ জীবন শূন্যবে পৰিপূর্ণ। মেজৰ ওপৰত বিমলৰ ফাউণ্টেন পেনটো পৰি আছে। ঘৰিটোও বন্ধ হৈ পৰি আছে। মেজৰ ওচৰ চাপি মৃণাল বিমল বহা চকী খনতে বহি পৰিল। আজি সকলো শূন্য। কিবা ভাবি ভাবি দেৱাজ খোলতে বিমলৰ ডায়েৰি বহিখন চকুত পৰিল। পাত লুতিয়াওঁতেই চকুত পৰিল "তাপিত পৰাণ"—তাৰ পাছত লিখা আছে "দুখীয়া হৈ ধনী মানুহৰ ছোৱালী বিয়া কৰোৱা মহা ভুল। তাৰ সমান দুর্ভগীয়া সংসাৰত নাই। ধনীৰ ছোৱালীয়ে সদায় ধন আৰু বংশৰ গৌৰৱ কৰে! দৰিদ্র হৈ ধনীৰ ছোৱালীৰ লগত বিয়া হোৱা এটা বিধাতাৰ অভিশাপ। দৰিদ্র হৃদয়ৰ অফুৰন্ত প্রেম প্রণয়ক শিকিতা ধনীৰ বিদুষী ছোৱালীয়ে উপেক্ষা কৰি আঁতৰি যায়। নিজৰ সুখৰ পিনে বেছি ধাউতি, হিত কামৰ কাৰণে যেতিয়া বলিয়াৰ দৰে শান্তিৰ আশাত পত্নীৰ কাষ চাপে তেতিয়াও দৰিদ্র স্বামীৰ পিনে মুখ তুলি নাচায়, কেনেকৈ প্রকাশ্য বন্ধমঞ্চত হিন্দুৰ অসমীয়া তিৰোতা হৈ অভিনয় কৰিবনৈ গৈছে। মানা কৰোতে কেনেকৈ শুনিলে?" কেনেকৈ বিমলে সকলো সুখৰ আদি বুলি ভাবিছিল তাক কৰুণ ভাষাত বর্ণনা কৰিছে। পঢ়ি আতাই মৃণালে কান্দি কান্দি কবলৈ ধৰিলে—"দেৱতা মোৰ! আপুনি ভুল ভাবি গৈছে! আপোনাৰ তিৰোতা হৈ মই প্রকাশ্য ভাবে গীতাভিনয় কৰিবলৈ গোৱা নাই! মই আপোনাৰ চৰণৰ দাসী মই ধনীৰ ছোৱালী হৈ ধনৰ গৌৰৱ কৰা নাই। হিন্দুৰ ছোৱালী হৈ, হিন্দুৰ বোৱাৰী হৈ কলা বিদ্যাৰ পৰিচয় দিবলৈ গোৱা নাছিলো!" সঁচাকৈয়ে মৃণাল অভিনয় কৰিবলৈ গোৱা নাছিল! সভাৰ দর্শক ছিচাবেহে গৈছিল। যদিও সঙ্গিনী সকলৰ কেউফালৰ পৰা অনুৰোধ আছিল তথাপি তেওঁ অভিনয় কৰাৰ উদ্দেশ্যে গোৱা নাছিল। আজি কান্দি কান্দি শূন্য দৃষ্টিৰে শূন্যৰ পিনে চাই বলিয়াৰ দৰে কবলৈ ধৰিলে। "দেৱ! আপোনাৰ চৰণৰ দাসীক আপুনি ভুল বুজি বৰ ধং কৰি

গুছি গল'। এদিন আপোনাৰ অবাধ্যতাৰ কাৰণে মোক এৰি ইমান দূৰ দেশলৈ গলগৈ। আপুনি ইমান কোমল হৈ এদিন আপোনাৰ মৃণালৰ দোষ ক্ষমা নকৰি ইমান কঠোৰ হল'। ইমান বুকৰ ব্যথা, ইমান অভিমান লৈ আপুনি গ'ল গৈ, আজি আপোনাৰ দাসী আপোনাৰ অবিহনে কি সুখত থাকিব! কাৰ মুখ চাই সংসাৰত জীয়াই থাকিব ?"

দুহৰবাণীয়ে জীয়েকক ঘৰত নেদেখি চাকৰৰ মুখত সকলো শুনি তেতিয়াই তাইলৈকে ৰৰি আহি দুৱাৰৰ মুখত ধিয় হৈ মাটিৰ পুতলাটিৰ দৰে চাই আছিল। ধী শান্ত্বনা দিবৰ তেওঁৰ ভাষা নাই। মাকৰ আগত হাতৰ আৰু দিঙিৰ অলঙ্কাৰ পাতি দলিয়াই পেলা কলে "কাৰ কাৰণে আৰু অলঙ্কাৰ, কাৰ সাজ পাৰ!" মাকে একো বাধা নিদিলে বাধা তেওঁৰ তেতিয়া শক্তি নাছিল। বিমলৰ বুকুত লৈ উচুপি উচুপি কান্দিব ধৰিলে! দুহৰাণীয়ে ভাঙ্গিল আৰু জীয়েকক আঁকোৱালি ধৰি কান্দি কলে" "অভিমানিনী আই মোৰ!" মৃণালে মাকৰ মুখলৈ আকৌ কান্দিব ধৰিলে!

নাৰী-বন্দনা

কবিতা— —শ্রীযুত দেৱকান্ত বৰুৱা

মিৰান্দা

মূর্চ্ছা-মগ্না ৰাজকন্যা নিজান দ্বীপত,
নিজেই বিভোৰা দেহি নিজৰ কপত !
ধুমুহাৰ হেন্দোলনি, বাউলী প্রকৃতি,
তথাপি নীৰৰ কিয় যৌবনৰ গীতি ?
কিনো সি সোণৰ কাঠি যাৰ স্পর্শ লাগি'
কৈশোৰৰ ইন্দ্রজাল, তন্দ্রা যায় ভাগি ?
কোন সি তৰুণ-বীৰ ? কোন মনোহৰ ?
চুমাত জাগিল যাৰ যৌবন সুন্দৰ !
অতীত কবিৰ প্রিয়া মিৰান্দা-সুন্দৰী !
উতলা আজিৰ কবি তোমাকে স্মৰিবি !

বামী

লালসাৰ ভস্মঢকা সেই হৃদয়ত,
সুপ্ত সি প্রণয় দীপ্তি, তাৰে চেনেহত
বন্দী কবি চণ্ডীদাস। অমৃতৰ গীত
জীৱনৰ উৎসৰত হ'ল উচ্ছসিত।
পূজাৰ ফুলেৰে হ'ল সিদিনা সুন্দৰী !
তোমাৰ কামনা-হাৰ, উঠিল গুঞ্জৰী'
কবিৰ বিপুল প্রাণ - মৃত্যুহীন গান
'মানুহ সবাতো সত্য, মানুহ মহান !'
আজিৰ কবিৰ গীত ছন্দে ছন্দে তাৰ,
তোমাৰ বন্দনা-বাণী বাজে সিদিনাৰ।

শকুন্তলা

ছিন্নকৰি কৈশোৰৰ স্নিগ্ধ যবনিকা,
বিদিনা উঠিলা অলি হেৰা কণ্বশিখা !
বসন্তৰ পৰশত। উঠিল মুঞ্জৰি
শিৰীষ-তমাল বন, মাধৱী লহৰী
পুলকিতা হ'ল দেহি ! প্রতি কাঁইটত,
শিহৰি উঠিল ফুল তীব্র হৰষত !
অতিত্ব উতলা কৰি বজা দুষ্মন্তৰ,
সিদিনা জাগিল বার্ত্তা কোন আনন্দৰ।
তোমাৰ স্বৰণ-ৰাগ, তাৰে অনুৰাগে,
কবিৰ প্রাণত আজি দুষ্মন্ত যে জাগে!

বিশ্ব-প্রবাহ

লেডী হাউষ্টন

কিছুদিন আগতে এডাবেষ্টত উঠিবলৈ উৰা জাহাজেৰে অভিযান কৰি যি সকলে কৃতকার্য্যতাৰে খ্যাতি লাভ কৰিলে তাৰ মূৰতে লেডী হাউষ্টন নামক এগৰাকী মহিলা। তেওঁৰ উৎসাহ আৰু বিপুল ধনৰ গুণতেই এনে এটি কাম সম্ভৱ হৈছিল। এই অভিযানৰ সকলো খৰচ যোগাইছিল লেডী হাউষ্টনেই।

লেডী হাউষ্টন

নতুন উৰাজাহাজ

লণ্ডন আৰু প্রাই মাউথৰ মাজত যাত্রী অনা নিয়া কৰিবলৈ এক বকম নতুন উৰাজাহাজ ব্যৱহাৰ কৰা হৈছে। ই অতি বেগী, সুখপ্রদ আৰু নিৰাপদ জনক। এই উৰাজাহাজৰ বহল ব্যৱহাৰ চলিব বুলি আশা কৰা হৈছে।



লণ্ডন আৰু প্রাইমাউথৰ মাজত চলোৱা এখনি নতুন ধৰণৰ যাত্রী অনা নিয়া কৰা উৰাজাহাজ ; যাত্রীবোৰে উঠিবলৈ ধৰিছে।

শিৰাজীৰ তৰোৱাল



শিৰাজীয়ে ব্যৱহাৰ কৰা কিছুমান সাজ-পাৰ আৰু অস্ত্র-শস্ত্র

মহাৰাষ্ট্ৰা বীৰ শিৱাজীৰ নিজৰ এখনি তৰোৱাল আছিল। এই তৰোৱাল খনিৰ নাম আছিল 'ভৱানী'। শিৱাজীৰ এই 'ভৱানীৰ' নামত সকলো সন্তুষ্ট আছিল। শিৱাজীৰ তিৰোধানৰ লগে লগে 'ভৱানী'ও ক'ত বল তাক মানুহে কব নোৱাৰিছিল। কিন্তু সেই তৰোৱাল খনি বোধেৰ খাঁ বাহাদুৰ বোমান জী ডি পদুমজীৰ চেষ্টাত আকৌ পোৱা গৈছে। তাত শিৱাজীৰ নাম 'ছত্ৰপতি মহাৰাজা শিৱাজী' বুলি দেৱ নাগৰী সোণালী

শিৱাজীৰ তৰোৱাল 'ভৱানী'

আখৰত লিখা বৈছে। তৰোৱাল খন ২½—৩ ইঞ্চি বহল। দীঘল, ২ফুট ৪½ ইঞ্চি। ইয়াৰ লগতে শিৱাজীৰ আন কিছুমান সাজ সৰঞ্জামো পোৱা গৈছে।

প্ৰিন্স ফেৰোক

ইজিপ্টৰ সিংহাসনৰ ভবিষ্যত উত্তৰাধিকাৰী প্ৰিন্স ফেৰোকৰ শাৰীৰিক চৰ্চ্চালৈ বিশেষ ধাউতি। দেশৰ ডেকা সকলকো শাৰীৰিক চৰ্চ্চালৈ তেওঁ সদায় উৎসাহ দিয়ে। এওঁৰ চেষ্টাতেই ইজিপ্টত শাৰীৰিক চৰ্চ্চাৰ বিশেষ আন্দোলন চলিছে।

প্ৰিন্স ফেৰোকে কেইবাতো হোৱা 'বয়জ ৱাউট এণ্ডলেটিক' সভাৰ মাইলোফলত বক্তৃতা দি সকলোকে শাৰীৰিক চৰ্চ্চাৰ উপকাৰিতা বুজাব ধৰিছে।

কেপ্টেইন কুকৰ কটেজ

কুকৰ কটেজ

সুবিখ্যাত আবিষ্কাৰক কেপ্টেইন কুকৰ নাম সকলোৱে পৰিচিত, কিন্তু ঠিক কোন খিনি ঠাইত তেওঁ বাস কৰিছিল তাক এতিয়াৰৈকে কব পৰা নগৈছিল। ঐতিহাসিক আৰু প্ৰত্নতাত্ত্বিক সকলে এতিয়া নানা প্ৰমাণৰ যাবা থিৰ কৰিছে যে মিডলচ্ৰো নামক ঠাইতহে তেওঁৰ ঘৰ আছিল। তেওঁ থকা ঘৰটিৰ ভগ্নাৱশেষ এতিয়াও তাত কিছু পৰি বৈছে। এই ভগ্নাৱশেষ খিনি ভিক্টোৰীয়া আৰু এল্বেৰীয়াৰ গৱৰ্ণমেণ্টে কিনি লৈছে আৰু তাক মেল বোৰ্ণত কুকৰ স্মৃতি ৰক্ষাৰ বাবে নতুনকৈ সাজিবলৈ যোজা কৰিছে।

কৃতী চিকাৰী

অলপতে মোৰহাট গৱৰ্ণমেণ্ট হাইস্কুলৰ ষ্টাউট মাষ্টৰ শ্ৰীযুত কন্দৰ্পকান্ত বৰুৱাই এটা প্ৰকাণ্ড ঢেকীয়া পতীয়া বাঘ গুলীয়াই মাৰে। বাঘটোৱে বৰভেটা অঞ্চলত গৰু মাৰি বৰ উৎপাত কৰিছিল। শ্ৰীযুত বৰুৱাই ইতিপূৰ্ব্বে ছটা বাঘ মাৰিছে। এই বাঘটো মবা বাবে মোৰহাটৰ ডিপুটী কমিছনাৰে তেওঁক কেইটকামান ৰূপ পুৰস্কাৰ দিয়ে, কিন্তু সেই টকা তেওঁ নিজে নলৈ বাঘটো মৰাত তেওঁক সহায় কৰা কেইজনমান গাৰলীয়া মানুহক ভগাই দিয়ে।

কৃতি চিকাৰী - শ্ৰীযুত কন্দৰ্পকান্ত বৰুৱা

বিবিধ

বিস্তৃত বেখা

বিশেষজ্ঞ সকলে কহ—পৃথিবীৰ শতকৰা ২৫ জন অধিবাসী বিস্তৃত বেখাৰ উত্তৰফালে বাস কৰে।

পাৰ-দৌৰ

ঘোৰ-দৌৰ, ঘট-পৰী ফোঁৰ আদি নানা দৌৰৰ প্ৰচলন আফ্ৰিকালি য়ুবোপ-আমেৰিকাত দেখিবলৈ পোৱা যায়। বিলাতত বৰ্ত্তমান পাৰদৌৰ প্ৰচলন ইমান বাঢ়িছে যে এই বছৰ দৌৰত কাবণে বেজিষ্ট্ৰী কৰা পাৰৰ সংখ্যা এ লাখ, আৰু ৪০ লাখ পাৰই দৌৰ শিক্ষা কৰিছে।

টিপচহী

টিপচহীৰে মানুহ চিনি উলিয়া প্ৰথা বহুদিনৰে পৰা পৃথিবীৰ সকলো ঠাইতে চলি আহিছে। আন নানা উপায় উলিয়াবৰ চেষ্টা চলিলেও টিপচহীৰ কাৰ্য্যকাৰিতা সম্বন্ধে যে সন্দেহ নাই তাক ঘোৱা ৩০ বছৰ ঘটনাৰ সংখ্যাই প্ৰমাণ কৰে। এই ৩০ বছৰৰ ভিতৰত প্ৰায় চাবি লাখ ঘটনাত টিপচহীৰ সহায়ত অপৰাধীক ধৰা হৈছিল।

অন্ধ বিশ্বাস

এবি জোনাৰ নেভাডছ ইণ্ডিয়ানবোৰৰ বিশ্বাস যে আধা নঙ্গা তিবোতা দেখিলে চকুৰ দৃষ্টিশক্তি নষ্ট হয়। সেইবাবে এওঁলোকৰ মাজত কোনো আধুনিক সাজ-পাৰ পিন্ধা পাশ্চাত্য মহিলা যাবলৈ নিদিয়ে।

মকৰাৰ জালৰ সুতা

মকৰাৰ জালৰ সুতাবোৰ তেনেই সুক্ষ্ম হলেও ই ইমান টান আৰু দৃঢ় যে মানুহৰ হাতৰ চৈধ্যাবি সেই পৰিমাণৰ কোনো বস্তুই আন কি তিমান ডাঙৰ ৰোৱ সুতাও তেনে সুদৃঢ় আৰু মজবুত হব নোৱাবে। সেই একে পৰিমাণৰ আন কোনো পদাৰ্থৰ সুতাই বহাৰত কোবত ছিণ্ডিব নোৱাবে। কিন্তু প্ৰবল ধুমুহাত মাজতো মকৰাৰ জালৰ সুতাৰ একো নহয়।

নতুন পানী

হাইড্ৰোজেন আৰু অক্সিজেন মিলি পানী হয়। বৰ্ত্তমান গাধী পকা হাইড্ৰোজেনৰ পৰিবাণ দুগুণ কৰি আৰু অক্সিজেনৰ পৰিমাণ কমাই বাণায়িক ক্ৰিয়াবে যি নতুন পানী আবিষ্কাৰ কৰা হৈছে তাৰ নাম Heavy Water. এই ভেৰি ৰাটাৰ অতি সাংঘাতিক বিষ। ইয়াৰ দ্বাৰা নানা দুৰাৰোগ্য বেমাৰ চিকিৎসাত কৃতকাৰ্য্য হোৱা দেখা। ইয়াৰ দামো অতি বেছি– এপোৱাৰ দাম প্ৰায় ৩০ হাজাৰ পাউণ্ড।

সাগৰৰ ঢৌ

আটলাণ্টিক সাগৰৰ ঢৌবোৰ সাধাৰণতে ৩০ ফুটমান দীঘল, কিন্তু বেছা বতৰত ৩০ ফুটৰপৰা ৪০ ফুটলৈ হয়। মুমুহাৰ সময়ত কেঁচিয়া ৫০।৬০০ ফুটো হয় আৰু কেবা ঢেকেওো ধৰি থাকে। সাগৰ আটাইতকৈ দীঘল ঢৌ, জনাৰ ভিতৰত, আধা মাইলৰ বেছি নহি।

৫০,০০০ পাউণ্ডৰ ঘোৰা

এটি ঘোৰাৰ নাম ৫০,০০০ পাউণ্ড হব পাৰে বুলি সাধাৰণতে নিব নহয়। তথাপি নিঃ এব্ বেনডন নামে এজন ইংলণ্ডৰ মানুহে 'ঔষধ লেড' নামে এটি ঘোৰা ৫০,০০০ পাউণ্ড অৰ্থাৎ ৭৫০,০০০, টকাত কিনি লৈছে।

সৌভাগ্য

অষ্ট্ৰেলীয়াৰ দুজন খেতিয়ক ভাই-ককাযে দিনযাতি খাটি আহুমি খেতি কৰি পেটৰ ভাত উলিয়াইছিল। এদিন বাতিপুৱা তিনি এজনে দেখিলে আলুগুটি শতৰ ভালেমিনি বৰগুণে দুই বৈ যেন সেই ঠাইত লগে লগে এটি শব্দ উঠিছে। তাৰ পিছতে মাটি ফাটি ওপৰলৈ সোণ ওলাই আহিল, সেই ঠাই বিজী কৰি তাৰ পিছত তিনি বছৰি ৫০,০০০ পাউণ্ডকৈ পায়।

মুস্তাফাৰ মতিভ্ৰম

গল্প— —আমজাদ আলি বি-এ,

শ্ৰীযুত কামিনীমোহন গোস্বামীয়ে "মুস্তাফা" নাম দেনেকৈ, কিয় আৰু ক'ত পালে আমি খুব ভালকৈ জোনো কিন্তু আমি কলেজত পঢ়া কেইবছৰ সৰ্ব্বসাধাৰণে তেওঁক "মুস্তাফা" বুলিলেই চিনি পাইছিল।

দেইবাৰ কলেজত ছোৱালীৰ সংখ্যা সৰহ। কাজে কাজেই লৰাইতবো কাম আগতকৈ বাঢ়িল। ইংৰাজী চেমিনাৰ ক্লাচটোও লেডীজ কমনৰুমৰ লগত যোগ দিয়াত দেমেনা জনচেকেৰ কিছু অসুবিধা হ'ল কাৰণ, সেইটো ৰুমৰ পৰা অহা যোৱা কৰা সকলো বাটতে চকু যাবিব পাৰি। সেইটো ৰুমৰ সলনি এতিয়া লাইব্ৰেৰীৰ ওচৰ আগেয়ে এম-এ, ক্লাচ বহা কমটোকে পাই সন্তুষ্ট থাকিব লগীয়া হ'ল। অথচ এই ক্ষুদ্ৰাদপি ক্ষুদ্ৰ কোঠাটোৰ পৰাই হবলৈ পালে মুস্তাফাৰ "ষ্টেজেণ্ট" ইংৰাজী বাক্য প্ৰায়ে শুদ্ধকৈ লিখিব নোৱাৰে যদিও মুস্তাফাই আই, এ, চি, পাছ কৰি উৎসাহেৰে ইংৰাজীত অনার্চ ললেহি। আৰু বন্ধ খোলাৰ পিছ দিনাই কাণ্ডটো কৰিলে, পৰ্দ্দা দিয়া আছে দেখিও নো সি বাক্স তাত সোমাবলৈ পায়নে? ইংৰাজী সাহিত্যত H. G. Wells অৰ দান সম্বন্ধে প্ৰকাণ্ড এখন বচনা লিখি সি চেমিনাবত পঢ়িবলৈ আনিছে। বেলি হোৱা দেখি সি উধাতু খাই লবাজাবিকৈ আগৰ চেমিনাৰ কম বৰ্ত্তমানে লেডীজ কমন্স কমত সোমালগৈ। আৰু তাৰ পিছতে অঘটন ঘটিল। এইদৰে মতা মানুহ লেডীজ 'কমন্স কমত' সোমোৱা এয়ে প্ৰথম—অন্ততঃ মুনুমন চাপাচাৰীৰ বাহিবে। আৰু সেই কাৰণেই ঠেৰাগীৰ্হতে অলপ চক্ষু খালে। কিন্তু লেডীজ কমন ৰুমৰ চেক্ৰেটেৰী মিচ গিবিঙ্গা বকৰাই এই অনধিকাৰ প্ৰবেশ নীৰবে বৰদাস্ত নকবিলে। তেখেতে ইংৰাজীবে কামিনীক ভালকৈয়ে ধমক দিলে। কামিনীয়ে কোৱা মতে সিও যে উত্তৰ নিদিয়াকৈ আছিল এনে নহয়, কিন্তু তাৰ ইংৰাজী কবলৈ এটা দুৰ্ব্বলতা সদায়েই আছিল বুলি আমি ভালকৈয়ে জানো এতিয়া আকৌ এনেয়ে ছোৱালী, তাতে মুখত ইংৰাজী। কাজেই মুস্তাফাৰ বীৰত্বত সন্দেহ কৰিব লগীয়া যথেষ্ট আছিল। মিচ বকৰাৰ মুখত আখৈ ফুটাদি ফুটা ইংৰাজী বকনিৰ কোবত বেচেবাই লাজ আৰু অপমান পাই ওঠ চেলেকি ওচি আহিল, মিচ বকৰাই প্ৰিন্সপাললৈ বিপোৰ্ট কৰিম বুলি ভয় দেখুৱাবলৈকো নেবিলে।

কামিনীৰ আৰু সেই দিনা ক্লাচ কৰা নহল। বচনা-খন গোলোক বকৰাৰ হাতত দি সি বৰঠাকুৰৰ কমত বহিগহি। হোষ্টেলত নখকা লবাৰ পক্ষে বৰঠাকুৰৰ কম 'জেনেৰেল ওৱাটাৰিং ষ্টেচন'। হোষ্টেললৈ আহিলে সকলোৱেই বৰঠাকুৰৰ তাত এবাৰ নিজিবোৱাকৈ নেযায়। মুস্তাফাযো অশৰণ-শৰণ বৰঠাকুৰৰ আশ্ৰয়কে ললেহি। তাত আমি আটাই কেইটা ফোৰ্থ ইয়াৰৰ লবা অনার্চ ক্লাচ নকৰি গল্প কৰি বহি আছোঁ। মুখৰন লাটুমটো যেন কৰি মুস্তাফা সুমাই যোৱা দেখি চাবলৈ ছোমড় বৰ ঠাকুৰৰ ভিটেক্টিভি বুদ্ধি সজাগ হৈ উঠিল, আৰু খুচৰি খুচৰি সকলো কথাবে ওৰ ললে। কামিনীৰ দুৰ্ভাগ্যত মবা বৰঠাকুৰৰ সেই বিবাট হাঁহি হেনো বোটানী লেবৰেটবীলৈকে শুনা গৈছিল। অৱশ্যে আমি ঠাট্টা কবিলেও কামিনীযে সিমান বেয়া নাপাইছিল' কাৰণ বয়সত আমাতকৈ যথেষ্ট ডাঙৰ হলেও সি আমাক অলপ সমীহ কৰি চলিছিল। কিন্তু অনার্চ পিবিয়ড হৈ যোৱাৰ পিছত যেতিয়া মাখন চুৰবা আহি কথাটো শুনিলে ঘটনাৰ সোঁত একেবাবে সলনি হৈ গ'ল। এই খিনিতে কৈ থোৱা ভাল হব যে মাখন চুৰবা আৰু মিচ গিবিঙ্গা

বক্তরা ছুয়ো শিরসাগরবে আক সেই বাবেই পবিচিত। অলপ আচহরা মানুহ পালে ছুবাই গিবিজা বক্তরাব লগত তেওঁব 'লাভ' আছে বুলি কয় বুলি শুনো। আমি কিন্তু ভালকৈয়ে জানো যে মিচ বক্তরাব বিয়া ডিব্রুগড়ব শ্রীযুত ভৈবচন্দ্র কাকতী বি-এচ-চি, বি-ই, ইঞ্জি-নিয়াবব লগত ঠিক হৈ আছে, আক মিচ্ বক্তরাই আই, এ পাছ কবিলেই শুভকার্য্য সমাধা হব। আমি কবলৈ বাধ্য যে মাখনব কথাত সত্যতকৈ সজোৱা কথাব পবিমাণহে সবহ। যি হওক, মাখন ছুবলা আক মিচ গিবিজা বক্তরা ছুয়ো ছুয়োবে চিনাকী। মাখনে কথাটো শুনি মুস্তাফাক অভয় দি কলে। "কুচ পবোৱা নাই। মই বাক মিচ বক্তরাব তালৈ আপোনাক লৈ যাম, কণ্ট্রাম্বাইজ হৈ যাব।" মুস্তাফাই প্রথমতে অলপ থেবোগেবা কবিছিল, কিন্তু মাখনব কথাতে আমিও হুহ দিয়া দেখি সি যাবলৈ মাস্তি হ'ল। মাখনব দুষ্ট বুদ্ধিব কথা আটায়ে জানে। সি কামিনীক গিবিজাব তালৈ নিবলৈ জোব কবা দেখিয়েই আমি বুজিলো তাব কিবা গূঢ়ার্থ আছে। মাখনব কথাত মতলবব গোন্ধ পাবলৈ সবহ পব নেলাগে।—অন্ততঃ আমাব।

সেই দিনা আবেলি ভালকৈ দাড়ি-গোফ খুবাই, স্নো ঘঁহি নিমজটি হৈ ৰোবাব ঘবব পাটব কামিজ পিন্ধি মুস্তাফা মাখন ছুবলাব লগত গিৰিজাইতব হোষ্টেল ওলালগৈ। মাখনে তাক কমনকমত বহুতাই বৈ গিবিজাব কমলৈ গ'ল। ছোৱালীব হোষ্টেলত ছুবলাই নিজক গিবিজাব মোমাইদেক বুলি চিনাকী দিছিল। মিচ বক্তরাই এই কথাত আপত্তি নকবাব কাবণ আমি নেজানো। ছুবলাই মিচ্বক্তরাব কমলে যাবলৈ চুপাবিণ্টেণ্ডেণ্টব পবা বিশেষ অনুমতি লৈ থৈছিল। কমলৈ গৈ সি গিবিজাক কথাটো বুজাই দিলে আক সিনো কি মতলবত মুস্তাফাক ইয়ালৈ লৈ আহিছে ভাঙ্গি কলে। গিবিজাই অৱশ্যে প্রথমতে মুস্তাফাক "বোকা বনাবলৈ" বাজী হোৱা নাছিল, কিন্তু মাখনে বৰকৈ জোব কবাত শেষত মাস্তি হ'ল।

সেই দিনা গিবিজাইতব হোষ্টেলত হোৱা ঘটনাব আমি দুই বকমব কথা শুনো। মাখনে কয় যে মিচ্ বক্তরাব একেবাবে দস্তব মতে "love at first sight." হেনো মুস্তাফাব প্রেমত মচ্‌গুল। মাখনব কথাত মনে ধব বং পালেও মুস্তাফাই কিন্তু সিমান বঙীন দিয়া নাই। তেওঁ কয় যে, বেচ্, ভদ্রভাবে মিচ্ বক্তরাব তেওঁক "বিচিভ" কবিছিল, আক অথনি কমন কমচ্ অপ্রিয় ঘটনাটো Forget and forgive কবিছিল। কিন্তু মাখনে আক কয় যে, মিচ্ বক্তরাব মুস্তাফাক সুন্দবকৈ জলযোগ কবাই পঠিয়াইছে, আকৌ আহিবলৈ দঢ়াই দঢ়াই কৈ পঠিয়াইছে। হাত বাখিব লগীয়া যে মুস্তাফাই এই কথাব প্রতিবাদ কবা নাই।

মুস্তাফাই যে ইমান সোনকালে মাখনব কথাত ভোল যাব আমি ভবা নাছিলো। প্রথমতে তাক খুব ইয়া কবিছিলো। কিন্তু পিছত দেখিলো কথাব গড় কেনে তেতিয়া তালৈ বহা লাগিছিল।

মিচ্ বক্তরাব শাবীবিক সৌন্দর্য্য সচ্চাহাবণ প্রশংসনীয় হলেও, তেখেতব বিষয়ে বহুতো কথা অনিছা পোৱা যায়। আক বর্ত্তমান দুই এটা ঘটনাই মিচ্ বক্তরাব চবিত্রত নৈতিক অবনতিব ছেকা পেলায়, কিন্তু মুস্তাফা প্রেমৰ প্রবল চোঁৱ আগত সি তৃণব দবে উটি গ'ল। একেবাবে "পপাত !"

কেবা দিনো মন কবিছিলো, সি গধুলি গড়ি দয়ালব তালৈ আহিছিল। হঠাৎ মুস্তাফাব দয়ালব প্রতি অনুবাগ দেখি আচবিত হৈছিলোঁ। পিছতহে গম পালো সি আছে দয়ালব পবা ইংবাজী প্রেমব কবিতা বুজিবলৈ। দয়াল যদিও ইকনমিকচব ছাত্র, সাহিত্যত, আক বিশেষকৈ ইংবাজী সাহিত্যত বাপ আক ব্যুৎপত্তি তেওঁব আছিল। কামিনীব মানসিক অবস্থানুযায়ী কবিতা বাছি তাক বুজাই দিলেহে বক্ষা, নহলে সি নেবে। দয়াল ফোর্থ ইয়াবৰ লবা। এইদবে কাব্যচর্চ্চাত তেওঁব পঢ়াশুনাব যথেষ্ট ক্ষতি হৈছিল, কিন্তু লোকক বিমুখ কবিবলৈ তেওঁ বব ভাল পায়, কাজেই বাধ্য হৈ কামিনীব মাষ্টাবী কবিব লগীয়া পৰে। ওচবব কমব দক্ষিণা বক্তরাই এই বাব্যাদ্যমত আমনি পাই বেবত খট্‌খটাই দিয়ে, কিন্তু মুস্তাফা

দিছিয়া আক অপমান হজম কবিব পবা ক্ষমতাব আগত হাব মানিবলৈ বাধ্য হয়।

মাখনব মুখে শুনিছোঁ, মুস্তাফাই হেনো কবিতা লিখিবই আন্ত থকা নাই ; কবিতাবোবব দুই এফাকি দুটি সি বঙীন কাগজত গিবিজালৈ খনে খনে চিঠিও লিখিছিল। মাখনব উপদেশ মতে মিচ বক্তরাই ঠিক নাটকব নায়িকাব আহিত কামিনীক কেতিয়াবা আশাব আক কেতিয়াবা নিবাশাব চাকনৈয়াত ভালকৈয়ে পাক খুবাই ঘুবালে। গিবিজাব নিচিনা এজনী ছোৱালীয়ে যে তাব ভালগাব নোৱাবে এই পোনপটীয়া কথাটোকে মুস্তাকাব অতি স্থূল বুদ্ধিয়ে বুজিব পবা নাছিল। যি হওক, এই আশা নিবাশাব হেন্দোলনিত কামিনীব যথেষ্ট পবমাণ ক্ষীণ। গিবিজাব বাবেই সি বাপেকব লগতো কাজিয়া কবিলে। পবোপকাবী মাখন ছুবলাই সত্যাকিবাবব পুত্র কামিনী গোঁসাইব অত্রাক্ষণ জী গিবিজাব প্রতি আসক্তিব কথা কামিনীব বাপেকক নজনোৱাকৈ থাকিব নোৱাবিলে। এই খবব পাই বাপেকে প্রথমতে থং আক শেষত ধোবাবে বহু অনুনয় কবিও কামিনীব দৃঢ় সঙ্কল্প টলাব নোৱাবিলে, বাপেকব লগত সি কাজিয়া কবিলে।

তাব মানসিক বিপ্লবো যথেষ্ট শকতকৈয়ে হৈছিল। তাব দেহব সকলো কাগজতে সি লিখিছিল, "I should be a man ; I shall be a man ; I will be a man" (মই পুৰুষ হব লাগিব ; মই পুৰুষ হম ; মই পুৰুষ হমেই।) তাক ইয়াব অর্থ সুধিলত কয় যে গিবিজাই তাব গভীব প্রণয়ক অপমান কবিছে, আক সেইবোবে সি শপত খাইছে গিবিজাক আক ভাল নাপাম। কিন্তু হতো তাব পিছ দিনাই মাখনে এখন চিঠি দেখুৱাব, মুস্তাফাব পবা গিবিজালৈ।

আকনো কিমান কম !

প্রেমে যে মানুহক কবি কবে তাব প্রমাণ মুস্তাফা। তাব মনব গভীৰ বেবসিক মানুহ খুব কমেই আছিল কিন্তু প্রেমত পবি সি কবি হ'ল ! সেইবাব সবস্বতী পূজাব কণ্ঠপ্রতিযোগীতাব মই চেক্রেটেবী আছিলোঁ। বহুতো বীয় কবিব কবিতা প্রতিযোগীতাব বাবে হাতত পবিছেহি। বব আচবিত হলো এটা কবিতাব তলত কামিনীব নাম দেখি, আক তাতোকৈ আচবিত হলো কবিতাটো পঢ়ি। লোকব চুব কবি যদি লিখা নাই কবিতাটো সচাকৈয়ে ভাল হৈছিল। নমুনা স্বৰূপে তুশাবী মান তুলি দিলোঁ।

"মই মাথো বুজো বুকব কপনি
জানো মাথো ভাল পাও।
মই বুজো ব্যথা শেঁতা দুগাবব
দুমুনিয়া এবা শুকান গ্রাণব
তপত পানীবে বুবোৱা চকুবে
ধুৱলী কুৱলী চাও।
গম পাও—পোৱা কলিজাব জুই
আক মাথো ভাল পাও।"

মোব নিজব কচি মতে পোৱা সকলো কবিতাব ভিতবতে এইটোৱেই ভাল আছিল। কিন্তু দুর্ভাগ্যবশতঃ সেইবাব পবীক্ষক সকলে এটা কবিতাও পুবস্কাবব যোগ্য বিবেচনা নকবিলে। কাজেই মুস্তাফাব কষ্ট বিফলে গ'ল প্রতিযোগী সকলো তাতোকৈ লাজ আক অপমান পালে নোব সহকাবী সুবেশ চৌধুবীব এটা ভুলব পবা। তেওঁ অসমীয়া প্রতিযোগীব সংখ্যা আনবহুতকৈ সবহ হোৱাত সুখপ্রকাশ কবি কবিতা প্রতিযোগী সকলব নাম বাইজব আগত মাতি শুনালে। আক শেষত কৈ থলে যে পবীক্ষক সকলব বাছনিত এটি কবিতাও হুঠাত তেওঁ গুঃখিত। সেই দিনাব পবা মুস্তাফাক ঠাট্টা কবাব মাত্রা আক চবিল। আনকি ফার্ষ্ট ইয়াবব সক সক লবাবোবেও আঙুলিয়াই দেখুৱায় "সেষ্টটো মুস্তাফা গৈছে, বাজকবি কবিবাজ।" মুস্তাফাই অৱশ্যে তালৈ কেবেণ নকবিছিল।

এই দবেই তালে দিনো গ'ল। শেষত গিবিজাই কামিনীব লগত চুপতি কবি আমনি পাবলৈ ধবিলে। মাখনে যিদিনা মুস্তাফাব প্রেমত চেঁচা পানী ছটিয়ালে সেই দিনটো সঁচাকৈয়ে মনত বাখিব লগীয়া। যদিও সি খুব ভালকৈয়ে বুজিছিল যে গিবিজাক ভাঁৎপোৱা তাব পক্ষে ভুল, সি ভালপাবলৈ এবিব নোৱাবিলে। গোটেই কলেজব হাস্যাস্পদ হৈয়ো সি গিবিজাক ভাগ পাইছিল।

সেই ভালপোস্তোৱ অপমান সহিব নোৱাৰি সি কলিকতালৈ ট্রান্সফাৰ লৈ গুচি গল। তাৰ পৰা সি গিৰিজাৰ ফটো এখন বিচাৰি আৰু দ্বিতীয়খন গিৰিজাৰ উপেক্ষাত যেজাৰ কৰি। দ্বিতীয় চিঠিখন সচাকৈয়ে বৰ শোকপূৰ্ণ কৰুণ। তলত হুবহু তুলি দিলোঁ—

"মৰমৰ গিনি ('গিনি' গিৰিজাৰ ঘৰত মতা নাম)

কব নোৱাৰো আজি আৰু তোমালৈ চিঠি লিখাৰ অধিকাৰ আৰু আৱশ্যক আছে নে নাই। কব নোৱাৰো মোৰ চিঠিয়ে তোমাৰ অবজ্ঞা বা ঘৃণাৰ বাহিৰে আন কিবা পায় নে নেপায়।—তথাপি ভালপোস্তৰ অভিশাপ মূৰত লৈয়েই জীৱন আৰম্ভ কৰিছিলো, আৰু সেই অভিশাপেই আজি জীৱনক কৰি তুলিছে অৰ্থহীন।—যাওক। মোৰ জীৱনৰ কথা শুনি হয়তো হাঁহিবা, হয়তো উপেক্ষা কৰিবা।

ভাবিছিলো অভাগাক দয়া কৰিবা। ভুল হৈছিল। ক্ষমা কৰিবা। মই পাহৰি গৈছিলো বঙ্গীণ তোমাৰ জগত, নতুনৰ নবহণেৰে বোলোৱা;—পাহৰি গৈছিলো, তাত মোৰ শেতা কলিজাৰ কঁপনি, আৰু চূর্ণ জীৱনৰ বিননিৰ ঠাই নাই। পাহৰি গৈছিলো, তোমাৰ ক্ষুদ্র জীৱনৰ উচ্ছলতাৰ আগত মোৰ পুৰণি দুখুনিয়া ৰাতি জ্যোতিহীন চকুৰ পানী অৰ্থহীন। ভুল, ঘিনি ভুল। ক্ষমা কৰিবা, দুনিয়াত সদায় দুজনকে কৰি আছে ভুলৰ সমষ্টিয়েই মোৰ জীৱন—

তুমি দুবুজা আৰু বুজিবও নোৱাৰা কিমান যন্ত্ৰণা বুকুত বান্ধি, কিমান হেপাহেৰে তোমালৈ ইয়াৰ প্রত্যেক চিঠি খন লিখিছিলো।—অৰ্থহীন মোৰ জগত, উদ্দেশ্য হীন হৈ মই অকলে অকলে ঘুৰি ফুৰোঁ। সুতীক্ষ্ণ পতিয়ন দিবলৈ তোমাৰ ছবি এখন খুজিলোঁ, বুকুত নিদিলা—মোৰে দুৰ্ভাগ্য।

হয়তো এইখনেই তোমালৈ শেষ চিঠি। আৰু আখৰ নকৰোঁ। বিদায়। তোমাৰ জীৱন মধুময় হওক।

তোমাৰ অভাগী

স্বাতী।

কোৱা বাহুল্য গিৰিজাই চিঠিখনৰ উত্তৰ দিয়া নাছিল। আৱশ্যকো বোধ নকৰিলে। মুক্তাফাৰ মধুৰ স্বপ্নত গিৰিৰাজ ছদ্মময়া-ৰূপে তেতিয়াও খেলিবলৈ এৰা নাই।



জীৱনৰ ৰূপ

উপন্যাস— —শ্রীযুত চিত্রভানু চৌধুৰী

গ্লান মৃত্যু

১৮৬১ চনৰ এখন দলিল

—৯—

নিৰুদ্দেশ হৈ থোৱা লেফ্‌টেনাণ্ট টমাছ্‌ গ্লানৰ বাবে গ্লান-পৰিয়ালে বাতৰি-কাকতত বিমান ইচ্ছা জাননী দিয়ক, কিন্তু তেওঁ আৰু কেতিয়াও ঘুৰি নাহে। তেওঁৰ মৃত্যু হৈছে, আৰু তেওঁৰ কেনেকৈ মৃত্যু হ'ল মই জানো।

চাঁচাকৈ কবলৈ হলে, তেওঁৰ আত্মীয়-পৰিজনে আজিও তেওঁৰ খা-বৰৰ পাবলৈ আগ্রহান্বিত হৈ থাকা বাবে মই কথাখিনি আচবিত নহওঁ, কাৰণ টমাছ গ্লান বহুত বিষয়ত এজন অসাধাৰণ ব্যক্তিৰ প্রিয়ভাষী মানুহ আছিল। তেওঁৰ প্রতি মোৰ অন্তৰ শ্রদ্ধাভাৱাপন্ন হব পাবে, তেওঁৰ মৃত্যুয়ে মোৰ মনত ঘৃণা ওপজাব পাবে, কিন্তু স্বাৰ্থৰ খাতিৰত মই এইটো কথা স্বীকাৰ কৰিবই লাগিব। তেওঁক চেবিবলৈ বৰ ধুনীয়া আছিল, অন্তৰখন আছিল যৌবনমদত মত্ত আৰু তদুপৰি তেওঁৰ আছিল মানুহক আকৰ্ষণ কৰিব পৰা সম্মোহিনী শক্তি। যেতিয়া তোমালৈ তেওঁ সেই উদ্ভগ্ন পাশবিক চকু দুটিবে চাই পঠিয়ায়, তেতিয়া নুহিব পাৰিবা তেওঁৰ শক্তি কিমান। আনকি ময়ো সেই শক্তি অনুভব কৰিবলৈ পাবিছিলোঁ। চিবোতা এগবাকীয়ে কৈছিল, "তেওঁ যেতিয়া মোৰ পিনে চায় তেতিয়া মই নিজকে হেৰুৱাই পেলাওঁ, তেওঁৰ দৃষ্টিয়ে যেন মোৰ সর্ব্বাঙ্গ স্পর্শ কৰিছে এনে অনুভৱ হয়।"

কিন্তু টমাছ গ্লানৰো দোষ আছিল। মই তেওঁক ঘিণ কৰো যেতিয়া মই সেইবোৰ লুকুৱায়েই বা থম খেলেই? তেওঁৰ অন্তৰখন বৰ কৰুণাপূর্ণ আছিল; মাজে মাজে সক লবাৰ দৰে আতিশুবি নোহোৱাকৈ যিহকে পায় তাকে কৰে; বোধকৰোঁ এই কাৰণেই চিবোতা-বোৰ তেওঁৰ প্রতি আকর্ষিত হৈছিল। তেওঁ তেওঁলোকৰ লগত কথা পাতিব পাৰে, তেওঁলোকৰ অৰ্থহীন কথা-বতৰা শুনি হাঁহিব পাৰে আৰু এনেকৈয়ে তেওঁলোকৰ মনত চাব এটা বছৰাই খয়।

তেওঁৰ বহুতালিৰ কথা বহুতো মই জানো। সেইবোৰ যেতিয়াই মোৰ মনত পৰে তেতিয়াই লেখি যাম, এটা কথাও বাদ নিদিওঁ, কাৰণ আজিকোপতি তেওঁ মোৰ শত্রু। মই ইমান উদাৰচিত্তীয়া হবলৈ যাম কিয়? মই এইটো অন্তৰে স্বীকাৰ কৰোঁ যে তেওঁ যেতিয়া মদ খায় তেতিয়াহে লাগ-বান্ধ নথকা কথাবোৰ কয়। কিন্তু মদ খাই বলিয়ালি কবাটোৱেই এটা বৰ ডাঙৰ ভুল নহয় নে?

মই তেওঁক পোন প্রথমে লগ পাইছিলোঁ ১৮৫৯ চনৰ হেমন্তকালত,—তেওঁৰ তেতিয়া ৩২ বছৰ বয়স। আমি দুজো সমবয়সীয়া আছিলোঁ। তেওঁ কামিজৰ ডিঙিৰ বোতামটো সদায় খুলি বাখিছিল,সেই কাৰণে তেওঁৰ ধুনীয়া ডিঙিটো সদায় চকুত পৰিছিল। লাহে লাহে মোৰ লগত তেওঁৰ শত্রুতা বাঢ়িবলৈ ধৰিলে আৰু তেওঁৰ ডিঙিতো মই আগৰ দৰে সৌন্দর্য্য নেদেখা হলোঁ। তেওঁৰ লগত মোৰ প্রথম দেখা হয় নৈৰ ওপৰত নাও এখনত। চিকাৰৰ সন্ধানত আমি দুজো নাওখনত উঠি একে ঠাইতেঁকে যাবলৈ ওলাইছিলোঁ। কলৈ যাবলৈ ধৰিছিলোঁ সেই ঠাইটোখৰৰ নাম মই ইচ্ছা কৰিয়েই নকওঁ, কলে আনেও সেই ঠাইলৈ যাবলৈ সুচল পাব। গ্লান-পৰিয়ালে তেওঁ-লোকৰ আত্মীয়ৰ বাবে জাননী দিয়া বন্ধ কৰাটোহে ভাল, কাৰণ আমি যি ঠাইলৈ গৈছিলোঁ—নাম নকওঁ—তাতেই তেওঁৰ মৃত্যু হৈছিল।

টমাছ গ্লান নামটো মোৰ অচিনাকী নহয়, তেওঁক

লগ পোৱাৰ আগেয়েই মই তেওঁৰ নামটো শুনিছিলোঁ। নৰ্ডলেণ্ডৰ ডাঙৰ পৰিয়াল এযৰৰ গাভৰু এগৰাকীৰ লগত ছোৱা তেওঁৰ কথা-বতৰাবোৰৰ বিষয়েও মই গম পাওঁ। ইয়াকে শুনিছিলোঁ যে প্লানে তেওঁক সৈমান কৰি আনিছিলেই পিছে গাভৰু গৰাকীয়েই হেনো মৰমৰ এনা সুতাডাল ছিণ্ডি পেলালে। প্লান বৰ 'গোঁয়াৰ' আছিল, প্ৰত্যাখ্যাত হৈ তেওঁ নিজেই নিজৰ ওপৰত প্ৰতিশোধ লবলৈ প্ৰতিজ্ঞা কৰিলে আৰু গাভৰু গৰাকীয়েও তেওঁৰ বিহকে ইজ্জা তাকে কৰিবলৈ তেওঁক এৰি দিলে। সেই সময়ৰ পৰা টমাছ প্লানৰ নাম সকলোৰে জনাজাত হৈ পৰিল। তেওঁৰ স্বভাৱ হ'ল বৰ হিংস্ৰ আৰু উত্তেজনাপূৰ্ণ; তেওঁ বৰকৈ মদ খাবলৈ ধৰিলে আৰু নানা কেলেঙ্কাৰী কৰি শেষত সৈন্যবিভাগৰ কামটোও ইস্তফা দিলে। ছোৱালী এজনীৰ প্ৰত্যাখ্যানৰ বাবে প্ৰতিশোধ লোৱাৰ কেনে অভিনৱ উপায়!

সেই গাভৰু গৰাকীৰ লগত তেওঁৰ সম্বন্ধৰ বিষয়ে আন ধৰণৰ কথা এটাও শুনিবলৈ পোৱা যায় যে তেওঁলোকৰ ভিতৰত কোনো মিলাপ্ৰীতি নাছিল, গাভৰু গৰাকীৰ ঘৰৰ মানুহে তেওঁক, তেওঁলোকৰ ঘৰৰ পৰা উলিয়াই দিছিল আৰু গাভৰু গৰাকীয়েও সেই কামত সহায়তা কৰিছিল। চুইডেন দেশৰ 'কাউণ্ট' এজনৰ লগত—নাম মই নকওঁ—বিয়াৰ কথাবাৰ্তা হোৱাৰ পিছত গাভৰু গৰাকীয়ে ধৰিলে তেওঁৰ প্ৰতি তেনে ব্যৱহাৰ কৰিছিল। কিন্তু মই তেওঁৰ বিষয়ে আগৰ কথাটোহে সঁচা বুলি ভাবোঁ, কাৰণ তেওঁক মই ঘিণ কৰোঁ আৰু তেওঁ কৰিব নোৱাবা কাম একো নাই বুলি ভাৱোঁ। যিয়েই নহওক, গাভৰু গৰাকীৰ লগত ছোৱা এইবোৰ কথাৰ বিষয়ে তেওঁ নিজে কাহানিও নকৈছিল আৰু মই তেওঁক এই বিষয়ে সোধা নাছিলোঁ। ময়েই বা সুধিবলৈ যাম কিয়?

মোৰ বড়িয়াকৈ মনত আছে, আমি নাওত উঠি যাওঁতে আমি যাবলৈ খোজা কিন্তু আগেয়ে নেদেখা গাওঁ খনৰ বিষয়ে কথা পাতি গৈছিলোঁ। মেণ্ডখনলৈ চাই প্লানে কৈছিল,—"বোধকৰো তাত হোটেল এটা আছে আৰু হোটেলৰ গৰাকী হৈছে এজনী অস্ত্যজা তিবোতা। ওচৰৰ গাওঁখনতে গাওঁবুঢ়াজন থাকে আৰু তা কেবাজনীও যৌগীয়েক আছে আৰু সিহঁত কেজনীমান মাজোঁ দহ বছৰহে বয়স।"

গাওঁবুঢ়াই বা কোন, তাৰ যৌগীয়েক কেইজনী, তা হোটেল আছে নে নাই ইত্যাদি বিষয়ে মই একো নাজানো সেইদেখি মই একো নামাতিলোঁ। প্লানে হাঁহিল,—তেওঁৰ হাঁহিটো বৰ সুন্দৰ।

অ' এটা কথা পাহৰিছিলোঁহেঁতেই। দেখিবলৈ দুৰ্বল হলেও তেওঁক সৰ্ব্বতোভাবে সম্পূৰ্ণ মানুহ বুলিব নোৱাৰি। তেওঁ মোক কৈছিল যে তেওঁৰ বাওঁ ভৰিখনত দুদ্দুগুলী লাগি খুন হৈছিল আৰু যেতিয়াই বতৰ সলনি হয় তেতিয়াই ভৰিখনৰ বাতবিষত তৎ নোপোৱা হয়।

—২—

এসপ্তাহ পিছত হোটেল বুলি কোৱা ডাঙৰ পুৰণা এটাত থাকিবলৈ ললোঁ তাত। বুঢ়ী মস্ত্যজা তিবোতা এজনীও আছিল। ওঁস, হোটেলটোনো কি ঠাই! বেবৰোৰ মাটিবে লেপি পোতা, মাজে মাজে দুই এডাল কাঠো দেখিলোঁ, কাঠবোৰ আকৌ উইয়ে খাই খাই নোহোৱা কৰি থৈছে। উইবোৰ কেউপিনে ঘুৰি ঘুৰিহে ধৰিছে। প্লান আৰু মই দুয়ো দুটা কোঠালি থাকিলো। প্লানকৈ মোৰ কোঠালিটো ভাল। চাৰ ওপৰত চাং এখনত সজা কোঠালিটোত থাকিবলৈ ধৰিল সেই কোঠালিতো দিনে বাতিয়ে অসহ্য গৰম হৈ থাকে মই কি কৰিব পাৰোঁ? মই তেওঁক কৈছিলোঁ, "ইয়াত দুটা কোঠালি আছে; এটা ওপৰত আৰু তলত। নিজৰ ইচ্ছামতে যেই সেই এটা বাছি লোৱা।"

প্লানে দুয়োটো কোঠালি চালে আৰু ওপৰৰটো ভাল বোধ কৰোঁ মোক ভালটো দিবলৈকে তাকে কৈছিল কিন্তু তাৰ বাবে মই কৃতজ্ঞ হৈ থকা নাছিলোঁ নে?

ববকৈ গৰম পৰা দেখি চিকাৰ কৰিবলৈ নো পঁজাটোতে সেই কেদিন থাকিলোঁ। বাতি আঠুৱা হ'ল হুদুলে উপায় নাই, কিন্তু তাতো শান্তি নাই, বাতি বৰকৈ পৰা কণা-বাদুলিবোৰ আহি আঠুৱা ফালি ছিৰি পেলা

প্লান প্ৰায়েই এনেকুৱা দুৰ্ভোগত দুখীয় লগীয়া হৈছিল। কাৰণ গৰৰৰ কাৰণে তেওঁ অকণমান খিৰিকিএখন খুলি থুৱলৈ বাধা হৈছিল। মোক হলে বাহুফিয়ে এনেদেৰে উৎগাত কৰা নাছিল। দিনত হলে পঞ্জাটোৰ বাহিৰত ছাঁ পাৰি লৈ চিগাৰেট হুপি হুপি বাগৰি থাকোঁ আৰু এফত থকা আন আন পঞ্জাৰ মানুহবোৰৰ জীৱনযাত্ৰা প্ৰণালী চাওঁ। দেশীয় মানুহবোৰ তামৰবণীয়া, ওঠবোৰ ডাঙৰ, কাণত আঙঠি পিন্ধা আৰু পিতল-চকুৱা। সিহঁত প্ৰায় বাঠঠ, কঁকালত সৰু কাপোৰ এডোখৰ মাৰোঁ ওসমি থকে আৰু তিবোতাবোৰে কপাহী সুতাৰ ঘাগ্‌ৰা এটা পিন্ধি থাকে। সবাছোৱালীবোৰ দিনে বাতিয়ে সদায় সম্পূৰ্ণ উলঙ্গ হৈ থকা; সিহঁতৰ পেটবোৰ মাটিকলহ একোটাহে জানিবা, তেল ঘহা বাবে বেলিৰ পোহৰত চিকমিকাই থাকে।

প্লানে কলে,—"তিবোতাবোৰ বৰ শকত।"

তিবোতাবোৰ যে বৰ শকত সেই কথাটো মই আগেয়েই লক্ষ্য কৰিছিলোঁ। আচলতে, এই তিবোতাবোৰৰ হাত দুখ বৰ শকত আৰত হলেও সিহঁতৰ আটাইবোৰেই দেখিবলৈ অশুভনী নহয়। মই গাওঁত তামিল ছোৱালী এজনী লগ পাইছিলোঁ, তাইৰ চুলিতাৰ আছিল দীঘল আৰু হাত দুখাৰি আছিল বৰফৰ দৰে বগা। সেই অঞ্চলত প্ৰায়ে আটাইতকৈ ধুনীয়া ছোৱালী আছিল। এদিন আবেলি মই তাইক ধানৰ পথাৰ এখনৰ হাঁতিত লগ পাইছিলোঁ; তাই যাহনিডবাৰ ওপৰতে উবুৰি হৈ শুই থকা দেখি তাইৰ ওপৰলৈ ডাঙি বতাহ লাহিয়ে আছিল। মাজি হুয়া হেপাহ পলুহাই কথা পে তি আছিলোঁ, পিছদিনা বাতিপুৱালৈতহে আমি দুয়ো বিধায় ললোঁ। তাই তেতিয়া গোন্ধাটিয়েই ঘৰলৈ নগ'ল, অলপ ঘুৰি পকি পলমকৈ ঘৰ ওলালগে আৰু আগদিনা বাতি ওচৰৰ গাওঁ-খনতে বগা বুলি মিছা মাতিলে। সিদিনা গধুলি প্লানে গাওঁৰ মাজৰে গৈ এটা সক পঞ্জাৰ আগত আন দুজনী ছোৱালীৰ লগত কথা-বতৰা পাতি কটালে। ছোৱালী দুজনীৰ বয়স বোধকৰোঁ দহ বছৰ মানহে হব। প্লানে তাতে বহি থকা বাহ নথকাকৈ যিহকে পায় তাকে কৈ কৈ লাওপানী (Rice beer) পিবলৈ ধৰিছিল। তেওঁ তেনেকৈ সময় কটাবলৈ বৰ ভাল পায়।

দুদিন পিছত আমি চিকাৰলৈ গলো। চাহ-বাগিছা খানৰ পথাৰ, মুকলি ঘাঁহনি আদিৰ মাজেৰে আমি নদী খনৰ পিনে যাবলৈ ধৰিলোঁ। গৈ গৈ বাঁহ, আমগছ, তেতেলিগছ, ছেণ্ডন গছ আদি নানা প্ৰকাৰৰ গছ-গছনি থকা হাবি এখন পালোঁগৈ। নৈখনত পানী বৰ কম আছিল, বাৰিষা নোহোৱালৈকে পানী আৰু বঢ়া নাছিল। আমি বনৰীয়া পাৰ, শৰালি আদি মাৰিলোঁ। এদিন গধুলি নাহৰফুটুকী বাঘ এহাল দেখিলোঁ। প্লানৰ হাত বৰ ঠিক আছিল, তেওঁ গুলিয়াওঁতে কোনোদিনা ভুল কৰা নাছিল। অৱশ্যে তেওঁৰ বন্দুকটো মোৰটোতকৈ বহুত ভাল আছিল, আৰু মঙ্গো পে ঠিককৈ বন্দুক মাৰিবলৈ নোৱাৰিছিলো এনে নহয়। মই তাৰ বাবে কেতিয়াও অহঙ্কাৰ কৰা নাছিলোঁ, কিন্তু প্লানে প্ৰায়েই কৈছিল,—"মই ইয়াক নেজত গুলিয়াম," "বা সৌ তাক মুবটোতে গুলিয়াম।"

নাহৰফুটুকী বাঘ দুটা লগ পাওঁতে প্লানে তেওঁৰ খাজি মৰা বন্দুকটো লৈছেই সেই দুটা মাৰিবলৈ যাব খোজে; মই হে তেওঁক আৰ্দ্ধাৰ হৈ অহা দেখি বুজাই-বঢ়াই বাখিলো। খাজি-মৰা বন্দুক এটা লৈয়েই বাঘ দুটা মাৰিবলৈ তেওঁৰ সাহ আছে বুলি অহঙ্কাৰে কৰিলে।

"সেই দুটাক মুগুলিয়া বাবে মোৰ এতিয়া দুখহে লাগিছে। তুমি ইমান সাৱধান হব খোজা কিয়? তুমি বাঁচি থাকিবলৈ খোজা নেকি?"

"তোমাতকৈ মোক বেছি জ্ঞানী বুলি ভবা বাবে মই আনন্দিত হৈছো।"

"এঃ, সাধাৰণ কথা এটা লৈ নো কি কাজিয়া কৰা হে?"

এইবোৰ তেওঁৰ নিজৰ কথা, মোৰ নহয়। যদি তেওঁ কাজিয়া কৰিব খোজে তেন্তে মই তেওঁক বাধা নিদিওঁ। তেওঁ অসাৱধান হৈ দুৰা বাবে আৰু তিবোতা মানুহৰ লগত কৰা তেওঁৰ ব্যৱহাৰ দেখি তেওঁক অলপ অশ্ৰিয় চকুৰে চাবলৈ আৰম্ভ কৰিছিলোঁ। তামিল ছোৱালী এজনীৰ লগত মোৰ বন্ধুত্ব হৈছিল। তাইৰ নাম আছিল

মেগি। যোৱা কালি মই আৰু মেগি দুয়ো মনৰ আনন্দত একেলগে ফুৰি আছিলোঁ। স্নান পজাটোৰ বাহিৰত বহি আছিল আৰু আমি দুয়ো আগেদি যাওঁতে তেওঁ মুৰ দুপিয়াইছিল আৰু হাঁহিছিল। মেগিয়ে তেওঁৰ বিষয়ে নানান কথা বৰ আগ্ৰহেৰে সুধিবলৈ ধৰিলে। তেওঁক দেখি তাই ইমান আকৃষ্ট হ'ল যে তাই মোক এৰি দৌ অকলে ঘৰ পালেগৈ, মোৰ লগত ঘৰলৈ নগ'ল।

এই কথাটো স্নানৰ আগত মই কলে তেওঁ ই এটা বৰ সাধাৰণ কথা বুলি ভাবি দিব, কিন্তু কথাটো মই পাহৰিব পৰা নাছিলোঁ। পজাটোৰ আগেৰে যাওঁতে তেওঁ মোলৈ চাই মুৰ দুপিয়াই হাঁহা নাছিল, মেগিলৈ চাইহে তেনেকুৱা কৰিছিল।

তেওঁ মোক সুধিলে—"তাই সেইবোৰ কি চোবাই থাকে ?"

মই কলোঁ,—"মই কব নোৱাৰোঁ। তাই চোবায় আৰু সেই কাৰণেই তাইৰ দাঁতবোৰ আছে—নহয় জানো।"

মেগিয়ে যে সদায় কিবা চোবাই থাকে, সেইটো যেন একো নতুন খবৰ নহয়, মই সেইটো কাহানিয়াই ক'ব কবিছোঁ। কিন্তু তাই তামোল নোচোবায়, কাৰণ তাই দাঁতবোৰ বৰ বগা। তাইৰ এটা অভ্যাস আছে যে যিয়ে পায় তাকে মুখৰ ভিতৰত ভৰাই দিয়ে আৰু চোবাই ধৰে যেন কিবা ভাল বস্তু এটাহে খাইছে। সেই সেই কি এটা হলেই হ'ল ; এটা পইচা, কাগজ এডোখৰ, নাইবা এ পাখি,—তাকেই তাই চোবাই থাকিব। হওক বাৰু, য়ে বাবে তাইক হকা-বকা কৰিব লগীয়া কোনো কথা নাই, তাছেই গাওঁখনৰ ভিতৰত আটাইতকৈ ছোৱালী। কিন্তু আচল কথাটো হৈছে, স্নান মোৰ ঐৰ্ষাণিত হৈ পৰিছে।

পিছদিনা গধুলি আকৌ মেগিক লগ পালোঁ আৰু তাইৰ লগত ফুৰিলোঁ। সিদিনা স্নানৰ লগত যোৱা নহ'ল।

—(অহা সংখ্যাত শেষ)

কাচাৰত এভুমুকি

—শ্ৰীযুত ভুবন চন্দ্ৰ সন্দিকৈ

চিলচৰ

(২)

তেতিয়া প্ৰায় দিনৰ দহমান বাজিছিল—মায়ক এৰি গাড়িখন যাবলৈ ধৰিলে। চাওতে চাওতে দাওটুহাজা ষ্টেছন পাৰ হলো। তাৰ পাছতে ইটোৰ পাছত সিটোকৈ ২৭,২৬,২৫,২৪,২৩ আৰু ২২ নম্বৰ সুৰঙ্গকিটা পাৰ হলো। এটাই কেউটা সুৰঙ্গৰ ভিতৰত ২২নম্বৰ সুৰঙ্গটোৱেই ডাঙৰ। ইয়াৰ নাম মাহৰ। সুৰঙ্গটো পাৰ হলেই মাহৰ ষ্টেছন পায়গৈ। ষ্টেছনৰ ওচৰতে গাড়ি যাবৰ সময়ত এখনি ফল-মূল শাক-পাচলিৰ সক বজাৰ বহে। ইয়াত মিকিৰ, কচাৰী, কুকি আদিয়ে খুব কম দামতে এই বস্তুবিলাক বেচে। পাহাৰত হইতে আলু কচু কল বেঙ্গেনা মূলা ষ্টেছন আৰু কপাহ আদি বস্তুৰ সক-সুৰা খেতি কৰে। তাৰ পাৰ হৈ ১৯, ২০, ২১ (ক, খ, গ) সুৰঙ্গ বিলাক হলো। তাৰ পাছত নামনি হাফলং Lower Haflong ষ্টেছন পালোহি। এই ষ্টেছনত আধা ঘণ্টা সময় বহি বৰদপুৰৰ পৰা অহা খনো গাড়ি একে সময়তে এই ষ্টে পায়হি। ইয়াতে এখন হাট বহে। ইয়াৰ পৰা গা প্ৰদেশৰ সৌন্দৰ্য্য অতি চমৎকাৰ দেখা পৈছিল। ষ্টেছন এৰি ১৮, ১৭ নম্বৰ সুৰঙ্গ দুটা পাৰ হলো। বেল

তাতে পাচটা পাহাৰীয়া মানুহ থিয় হৈ থকা দেখা পালো। মানুহকিটাৰ পোছাক পৰিচ্ছদ এক ৰকমৰ। মুৰত পাখী, কপালত ঠেক দাঁত বন্ধা কাপোৰ, হাতত যাঠি আৰু দা। অলপ চেৰেই "হাফলং হিলচ" ষ্টেছন পালোহি। উত্তৰ কাছাৰৰ হাফলং সদৰ ঠাই। প্ৰথমতে উত্তৰ কাছাৰৰ সদৰ ঠাই ডাঙৰ আছিল। ১৮৯৬ চনত বেলৰ আলি কৰাৰ লগে লগে ডাঙৰত পৰা সদৰ ঠাই উঠাই আনি হাফলঙতে পাতিলে। হাফলং সমথলতকৈ ২৫০০ ফুট ওখত আছে। হাৱা স্বাস্থ্য সুন্দৰ, ঠাইখন চিলঙৰ দৰে লাগে। এই ষ্টেছনত কিছুমান খাচিয়া খাচিয়ানীয়ে বয় বস্তুৰ ভাৰ বে পাহাৰলৈ উঠা দেখিছিলো। ওখ পাহাৰৰ ওপৰত ডেপুটী অফিচ আদি আছে। তাৰ পাছত ১৬ নম্বৰ সুৰঙ্গটো পাৰ হৈ জাতিঙ্গা ষ্টেছন পালোহি। তাতো এখন ডাঙৰ হাট দেখা পালো। সৰ্ব্বসাধাৰণতে আমাৰ সেইফালে হাট-বজাৰবিলাক পুৱাতেই বহে। ইয়াত কিন্তু আবেলি পৰত বহাহে দেখা পালো। ষ্টেছনৰ কাষেদি জাতিঙ্গা নৈ বেঁকাবেঁকিভাবে বৈ গৈছে। ৰবাৰক নৈৰে ওপৰ ছোৱাৰ নাম বোলে জেড্ জাতিঙ্গা। ইয়াৰ পানী বৰ ফটফটীয়া।

তাৰ পাছত ১৫, ১৪, ১৩, ১২, ১১, ১০, ৯ (ক) (খ) (গ) সুৰঙ্গবিলাক পাৰ হৈ জাতিঙ্গা নৈৰ পাৰে পাৰে বেল যায়গৈ ধৰিলে। নৈৰ কাষে কাষে চুণশিলৰ কাৰবাৰ দেখিবলৈ পাইছিলো। এই নৈৰ ওপৰ ভাগত চুণশিলৰ পাহাৰ আছে। ইয়াৰ পৰা বছৰি অনেক টকাৰ চুণ আমাৰ দেশৰ বিলাকলৈ আহে, ভালেমান বিদেশীলৈও বপ্তানী হয় কিন্তু ইয়াৰ কাৰবাৰ কৰা আটাইবিলাক মানুহেই চিলটীয়া বঙ্গালী। আমাৰ অসমীয়া মানুহৰ এনে এটা সম্পত্তিৰ কাৰবাৰ কৰিবলৈ, তাৰ পৰা টকা উপাৰ্জ্জন কৰিবলৈ চেষ্টা যত্ন নাই। বিদেশীয়ে মুখৰ গৰাহ উদাসীনতাৰ নিমিত্তে নিবলৈ চেলু পাইছে।

যাইলং চিচা ষ্টেছন পাৰ হৈ ৮, ৭ নম্বৰ সুৰঙ্গ দুটা পাৰ হলো। লাহে লাহে আমাৰ বাটৰ পাহাৰৰ অংশ কমি আহিল। সাবাঙ্গখাঁও, দাউডু কাছাৰী ষ্টেছন পাৰ হলো। ক্ৰমে ক্ৰমে গাড়িখন তললৈ নমা গম পালো, লগে লগে বেগো বেগাল হল। চাওঁতে চাওঁতে ৬, ৫ নম্বৰ সুৰঙ্গ পাৰ হৈ বান্দৰ খাল ষ্টেছন পালোহি। তাৰ পাছত ৪, ৩, ২ নম্বৰ সুৰঙ্গ পাৰ হৈ দুবত জিলাৰ ওচৰত চাহৰ গছ দেখিবলৈ পালো। কাছাৰ-বুৰঞ্জীত চাহ খেতিও এটা উল্লেখযোগ্য ঘটনা।

১৮৫৫ চনত ইয়াত পোন প্ৰথমতে চাহৰ গছ দেখা পাই কেজনমান চাহাবে এই ঠাইখন চাহ খেতিক কাৰণে উপযোগী বুলি স্থিৰ কৰে। লাহে লাহে তেওঁলোকে হাবিবন কাটি চাহৰ খেতিত লাগিবলৈ ধৰিলে। এফালে নতুন, ঠাই লাভ, আনফালে চাহৰ কাৰবাৰ—"আইৰো বাৰ্ত্তা গঙ্গাৰো যাত্ৰা"—এইদৰে বুদ্ধিত পাৰ্গত ইংৰাজ কিজনে ষ্টচিৰ অধিকাৰত নথকা ঠাইবিলাক লাভ কৰিলে ; আনফালে চাহৰ বৃহৎ কাৰবাৰো খুলি পেলালে। কিন্তু কাছাৰত চাহ বাগিছা খুলাৰ আগত প্ৰায় ১৮৩০ চনতে উত্তৰ লক্ষীমপুৰত চাহ বাগিছা খোলে। কাছাৰৰ পৰা ডিগলৈ জিলাত চাহৰ খেতি কৰে।

লাহে লাহে ভাগকৰা বেলিয়ে পশ্চিম ফালৰ পাহাৰৰ আৰ ললে। আমিও দামচাৰা ষ্টেছন আৰু ১নং সুৰঙ্গ পাৰ হৈ লাহে লাহে পাহাৰৰ তললৈ নামিলো। পাহাৰৰ নামনি পাই মনত বৰ লাগিল।

চন্দ্ৰনাথ পুৰ ষ্টেছন পালোহি। এই ঠাইখন মুকলি আহল বহল একেবাৰে পাহাৰৰ নামত। দূৰৈত কল তামুল বাঁহ আদি গছবিলাক দেখিলো। কেবাখনো গাওঁ ষ্টেছনৰ দুবে দুবে অৱস্থিত। এই বিলাক বোলে আমাৰ আগৰ অসমীয়া মানুহৰে গাওঁ। মানৰ আক্ৰমণত প্ৰাণ ৰক্ষা কৰিবলৈ আমাৰ অসমীয়া মানুহ তাহানি দেশাদিশে পলাই এই বিলাক ঠাইত আশ্ৰয় লৈছিলহি। তেওঁলোকৰ আচাৰ ব্যৱহাৰ অসমীয়াই ; কিন্তু বহুত কাল বঙ্গালীৰ মাজত থকাৰ কাৰণে নিজৰ মাতৃভাষাত ভাঁজ লাগিছে। শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাসে এইবিলাক স্থান ভ্ৰমণ কৰি তাহানিয়েই কাকতত প্ৰকাশ কৰা প্ৰবন্ধত আমি এই অসমীয়া গাওঁ বিলাকৰ বিষয়ে উল্লেখ কৰা পাইছিলো। চন্দ্ৰনাথ পুৰ পাৰ হলো ; বিহাৰা নামে ষ্টেছনটো পালোহি। তাৰ ওচৰতে এটি আগৰ দিনীয়া পুখুৰি আৰু কেইটিমান কোনোবা কছাৰী বজাৰ পকীঘৰৰ ভগ্নাবশেষ দেখা পালো। কাছাৰত

থকাৰ কাৰণে এই পুৰণি ঘৰ আৰু পুথুৰি কোনোবা কছাৰী বঙ্গাৰ বুলি অনুমান হয়। সম্ভৱ এই ঠাই ধনেই পুৰণি খাতপুৰ বাজ্য হব পায়। বুৰঞ্জীবিদ পণ্ডিত সকলে ইয়াৰ আচল তথ্য বাহিৰ কৰিব বুলি আশা কৰিলো।

হিলৰা ষ্টেছন পাৰ হৈ বদৰপুৰ ষ্টেছন পালোহি। তেতিয়া সন্ধ্যা লাগি ভাগিল, বদৰ পুৰ এটা ডাঙৰ বেলৰ জংচন। ইয়াৰ পৰা কেখাথনো গাড়ি যায়। চিলচৰলৈ সুকীয়া গাড়ি আছে। বদৰপুৰতো কছাৰী বঙ্গাৰ অনেক কীৰ্ত্তিচিন আছে। ইয়াত এখন বঙ্গাদিনীয়া ভগা দেৱাল আছে বুলি শুনিবলৈ পাইছিলো কিন্তু চাবলৈ সুবিধা নহল। ষ্টেছনৰ পৰা অলপ দুৰতে এখন মান-ভগনীয়া গাওঁ আছে। এইখন গাৱঁৰ প্ৰায় আচাৰ-ব্যৱহাৰ বঙ্গালীৰ ধৰণৰ, আসাম সাহিত্য সভাই আৰু অসমীয়া জাতিৰ উন্নতি কামনা কৰা উদাৰ লোকে ইমানতে এওঁলোক বঙ্গালীৰ গধাৰৰ পৰা উদ্ধাৰ নকৰিলে তেওঁলোকে শেষত বঙ্গালী জাতিত লীন হোৱাৰ আশঙ্কা।

ইয়াত সিদ্ধেশ্বৰ নামে শিৱৰ এক মন্দিৰ এটি আছে।

একেবাৰে দহ বজাৰ পৰা উঠি অহা আমনি লগা গাড়িখন সলালো। ইফালে আন্ধাৰো হল। বদৰপুৰ ঘাট, পঞ্চগ্ৰাম, খাতা খাল, চামচাপুৰ আৰু মাটিমপুৰ ষ্টেছন পাৰ হলো। এই অংশত গাড়িত যাত্ৰীৰ বৰ ভীৰ।

পঞ্চগ্ৰাম আৰু মাটিমপুৰত তেলৰ কাৰখানা দেখা পালো। পঞ্চগ্ৰাম ষ্টেছনৰ দুৰে দুৰে বৰ্ম্মা তেল কোম্পানীয়ে তেলৰ পুং আবিষ্কাৰ কৰি তাত কাৰবাৰ চলাইছে। খাতাখালৰ পৰা এই ৰেলৰ আৰু এক শাখা লালঘাটলৈকে গৈছে।—বাতি চকি ৯ বজাৰ সময়ত মই আহি চিলচৰ ষ্টেছন পালো। পুলিচ ইনস্পেক্টৰৰ ঘৰত আশ্ৰয় ললোহি। তেখেত চকুৱাখানাৰ নামজলা মৌজাদাৰ ৺কণনাথ ফুকনৰ পুত্ৰ শ্ৰীযুত গোপালচন্দ্ৰ ফুকন। তেখেত কেবা বছৰো চিলচৰত পুলিচৰ উচ্চ কৰ্ম্মচাৰী হিচাবে আছে।

চিলচৰত মই এক সপ্তাহৰ অধিক কাল আছিলো। সেই কাল ডোখৰত মই চিলচৰ নগৰৰ প্ৰায় বিলাক আশে পাশে থকা ঠাই ফুৰি চাইছিলো। চিলচৰ নগৰ ঘন বৰাক নৈৰ বাওঁ পাৰে। আছল বহল বৰাক নৈখন পুৱৰ পৰা বেঁকাবেঁকিভাবে পশ্চিমলৈ বৈ গৈছে। এই নৈ ওলোৱা ঠাইৰ পৰা পৰা ঠাই পৰ্য্যন্ত বেঁকাবেঁকি কাৰণে এই নৈখনৰ নাম ববৰক্ত বা বৰাক। নৈ ধাঁতিতে বাহ তামুল আৰু অন্যান্য গছ-বিলাক খনৰ শোভা চবাইছে। ইয়াত সৰু সৰু জাহাজো চ শ্ৰীহট্টলৈ ইয়াৰ পৰা জাহাজেৰে যাবলৈ সুবিধা। বেপাৰৰ কাৰণে নৈখন উপযোগী। নৈখনক দুৰে দুৰে পৰ্ব্বতবাশিয়ে ঘেৰি থকাৰ দৰে দেখা যায়। নগৰখনক প্ৰায় কেউফালে এই নৈয়ে ঘেৰি আছে লাগে।

নগৰৰ স্বাস্থ্য মঙ্গলীয়া। ইয়াৰ কেউফালে হাবি আৰু পিতনি, নগৰৰ কেউফালে সৰু সৰু পৰ্ব্বতীয়া নৈ আছে। বাৰিষা ইয়াৰ বানপানীয়ে নগৰখন বুবাই পেলায়। প্ৰায় পাচ বছৰ মানৰ এই নগৰখনৰ বানপানীৰ অত্যাচাৰত অনেক হাবি ছৈছিল, বানপানীয়ে নগৰখনৰ প্ৰায় অংশক বুবাই ছিল। তেতিয়া প্ৰায় বিলাক মানুহেই গৈ ওখ ঠাইত জেইলত আশ্ৰয় গ্ৰহণ কৰিছিল

খোৱা বস্তু যথেষ্ট পোৱা যায়, কিন্তু দেখো ডিক্ৰুগৰৰ দৰে ইয়াতো বঙ্গাৰ বস্তুবিলাক ৰ বঙ্গাৰ কিনা বেচা কৰা প্ৰায় মানুহেই চাকৰি মণিপুৰীয়া আৰু চিলেটীয়া। এই নগৰত প্ৰায় মানুহ বাস কৰে, তাৰ তিতৰত অসমীয়া মানুহ নাইকেই বুলিব লাগে। কেইজনমান চকীবী কৰ্ম্মচা অসমীয়াৰ লেখত পৰে।

সুবমা উপত্যকাৰ কমিশ্নাৰ চাহাৰ ইয়াতে থা ইয়াত বধুৱা চিপাহী থকা এখন ডাঙৰ "বিৰাৰ্ড" আ ই অনেক দিনীয়া পুৰণি। পৰ্ব্বতীয়া জাতিবিলাকৰ থাকিবলৈ আৰু ইফালে মণিপুৰীয়া, বৰ্ম্মিজ বিলাক দেশ ৰক্ষা কৰিবৰ অভিপ্ৰায়ে গভৰ্ণমেণ্টে কাছাৰ কৰাৰ পাছতে ইয়াত বধুৱা চিপাহী বাখে। ইয়াত মণিপুৰলৈ যোৱা এটা বাস্তা আছে, আৰু সেই বা ব্ৰহ্মদেশলৈও যাব পাৰি। এসময়ত এই বাটেদিয়েই কাছাৰলৈ অহাৰ প্ৰমাণ পোৱা যায়। ১৮৫৩ চনত

লা চিপাহী বিলাকে আন আন ঠাইত চিপাহী বিদ্ৰোহৰ ি জগাৰ সন্ধান পাই, জলি উঠিছিল, কিন্তু অতি নকালেই এই বিদ্ৰোহ দমন কৰা হয়। ১৮৭২ চনত ি বিলাকেও একে লেঠাবিজেই কেবাবাৰো কাছাৰত া ইবাজ সেনাবিলাকক আক্ৰমণ কৰিছিল, পাছে বাজৰ বলস্ত্ৰ ফৌজে ইহঁতক দমন কৰে।

মণিপুৰত বণ হোৱাৰ সময়ত তাৰ পৰা ভালেমান ৰ পলাই শ্ৰীহট্ট কাছাৰ শিৱসাগৰ কামৰূপ আদি ঠাইলৈ াছিল। পাছত সেই মণিপুৰীয়া বিলাক নিগাজিকৈ সেই ই ঠাই বিলাকত থাকিবলৈ ধৰে।

অসম বেঙ্গল ৰেলৰ চিলেটলৈ যোৱা বাটত পাহাৰ কাটি সজা এখন ৰলং

মণিপুৰৰ উচ্চ বংশৰ এজন ডেকাক মই লগ পাইছিলো। ৰাধা মুখেই তেওঁলোকৰ সকলো কথা গম পাইছিলো। ৰ্ব্বত পিতাকেও হেনো ১৮৯১ খ্ৰীষ্টাব্দত হোৱা বিদ্ৰোহত গ দিছিল, পাছে প্ৰাণ লৈ পলাই অনেক কাল লুচাই াহাৰত লুকাই আছিল। তাৰ পাছত বিদ্ৰোহে শান্ত াইছত বৰ্ত্তমান চিলচৰৰ ওচৰতে বাস কৰিবলৈ ললে। ইয়া তাত এখন মণিপুৰীয়া গাওঁ আছে।

নগৰৰ পৰা প্ৰায় তিনি মাইল মান দুৰত ঘগৰা নৈত ী সৰু ঘুনীয়া জলপ্ৰপাত আছে। এই জলপ্ৰপাত ণগৰই বৰতোপৰ গুলীৰে ভাঙ্গিবলৈ যত্ন কৰিছিল।

নগৰৰ পৰা ৮ কি ৯ মাইল দুৰৈত ভুবন নামে এটি পৰ্ব্বত আছে। তাতে এটি শিৱমন্দিৰ জীৰ্ণ অৱস্থাত পৰি আছে। বাটপথ বৰ দুৰ্গম যেন জানি সেই মন্দিৰলৈ বগাৰ পৰা নহল, কিন্তু মাজে মাজে পাহাৰৰ বাটত শিৱলিঙ্গ দেখা পাইছিলো। এই মন্দিৰটৰ বিষয়ে সবিশেষ বৰ্ণাৰ নোৱাৰি দুখীত হলো। সম্ভৱ কোনোবা এজন কছাৰী বঙ্গাই এই মন্দিৰ কৰাইছিল কিন্তু এইটোও সম্ভৱ হব পাৰে যে সেই সময়ত খ্ৰীঃ৮ম বঙ্গা পৰাক্ৰমী আছিল, বিশেষতঃ তেওঁলোক শিৱভক্ত আছিল।

মই চিলচৰত থকাৰ পঞ্চম দিনা এখন লড়িত উঠি তাবাপুৰলৈ গৈছিলো। তাবাপুৰ এখন মান-ভগনীয়া অসমীয়া গাওঁ। নগৰৰ পৰা প্ৰায় ডেৰমাইল মান দুৰত এই গাওঁখন আছে। গাওঁখন ডাঙৰেই। ইয়াত ৮০ ঘৰমান মানুহ আছে। শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাস ডাঙৰীয়াই এই তাবাপুৰলৈ অহাৰ কথা এই গাৱঁৰ মানুহৰ মুখে শুনিবলৈ পাইছিলো। তেখেতৰ বহুমূলীয়া প্ৰবন্ধ এটিত এই বিষয়ে আগেয়ে পঢ়িবলৈও পাইছিলো। তেখেত নিজে আহি ইয়াত থাকি দেখি শুনি লিখা বিস্তৃত বিৱৰণ আহাৰনত সকলোৱে পঢ়িবলৈ পাইছে। মই গাৱঁৰ কেবাজনো মুখিয়াল মানুহৰ লগত কথা বতৰা হৈছিলো। তেওঁলোক আমাৰ পৰা সদিও বহুত আতৰত অনেক কাল আছেহি তথাপি তেওঁলোকে অসমীয়াৰ ৰীতিনীতি একেবাৰে পাহৰি যোৱা নাই তেওঁলোকৰ পিচন, উৰণ, চলন ফুৰণ, কথাবাৰ্ত্তা সকলো অসমীয়া। তেওঁলোকৰ ঘৰ বাৰী, ভৰাল, নামঘৰ, বাটঘৰা, আদি দেখি মোৰ মনত আমাৰ এই ফালে থকা কোনোবা এখন অসমীয়া গাওঁখেন লাগিছিল। তেওঁলোকে মোক পাই বৰ আনন্দ পাইছিল। মোক তেওঁলোকৰ গাৱঁলৈ মাতি নি যথেষ্ট আদৰ সম্মানো কৰিছিল।

তাবে মুখিয়াল মানুহ এজনৰ পৰা জানিবলৈ পালো,

তেওঁলোক বোলে নগাঁৱৰ হিন্দু চুতীয়া মানুহ। মানৱ অমানুষিক অত্যাচাৰত তেওঁলোকৰ উপৰি পুৰুষ সকল পলাই আহি ইয়াত বসতি স্থাপন কৰিছে। এই দৰে ভাগি অহা ভালেমান অসমীয়া মানুহ চন্দ্রনাথপুৰ, বদৰপুৰ, বিহাৰা আদি ঠাইত আছে। এওঁলোকো অনেকদিন কালৰ নির্য্যাতন ভুগি ইয়াতেই বাস কৰিছে।

এই মানুহ বিলাকৰ অৱস্থা অতি শোচনীয়। এওঁলোকৰ শিক্ষাৰ কোনো সুবিধা নাই। গোটেই গাওঁখনৰ ভিতৰত মই মাত্ৰ এজনহে লৰাক কাছাৰ হাই স্কুলত পঢ়া পাইছিলো। গাৱঁৰ প্রায় বিলাক মানুহেই শিক্ষা নোপোৱা। তাত এখনি সৰ সুবা অসমীয়া পাঠশালা অবাধে চলিব পাৰে। কিন্তু টকা কড়ি হিচাবেও মানুহ বিলাক বৰ দুখীয়া। চকাঁৰী কাম কাজতো এওঁলোকৰ মানুহ নাই বুলিবেই হয়। তিনি কি চাৰি জনমান মানুহ চকাঁৰী অফিচত চাপৰাচি আৰু পুলিচ বিভাগত চিপাহী হোৱাৰ কথা গম পালো।

খেতি বাতিৰ ফালেৰা একে দশা। গাওঁখন দ ঠাইত, পানীয়ে কোনো খেতিকে সুবিধা বৰকৈ কৰিবলৈ নিদিয়ে। গতিকে তেওঁলোকৰ বাৰোটি মাহ খাবলৈ নাটে। এই সকলো বিলাক কাৰণতকৈও তেওঁলোকৰ অসুবিধা হৈছে কেউফালে বিদেশীৰ হেচ। এজাক কাউৰীৰ দৰে দুটামান বগলি থকাৰ দৰে এওঁলোকো অতি শোচ অৱস্থাত বাস কৰিছে। আমাৰ অসমীয়া মানুহ তেওঁলোকৰ প্রতি সহানুভূতি নাই বুলিলেই হয়। অ জানিবা অলপ দিনৰ পৰা অসম সাহিত্য সভাই চহু চাইছে। ভগৱানে কৰিলে তেওঁলোকৰ এসময় নহৰে নাথাকে, কিন্তু সিও নির্ভৰ কৰে আমাৰ ওপৰত ইমানটো আমি উদাসীন হলে আমাৰ আগতে আমাৰ অসমীয়াৰ তেজেৰে গঠিত হোৱা এই অসমীয়া মুটি কৰাণ গ্রাসত পৰিব। কোচবিহাৰ, বংপুৰত যেনে অসমীয়া ভাই ককাই বিলাকৰ দৰে আমাৰ এই মাজত থকা ভাইককাইবোৰো হেৰাব, ই ধ্রুৱ। দেখিলো তাত প্রধানকৈ লাগে অসমীয়া ভাষা তেওঁলো মাজ তপুনৰ প্রচাৰ হোৱাটো। আশা কৰো অসমীয়া সমাজে এই দুৰত থকা সকলৰ প্রতি যেন সহানুভূতি দেখুৱায়। তেওঁলোকৰ কথা আথাতকৈও বঙ্গলুৱা হলেই।

তাৰাপুৰতে সন্ধ্যা লাগিল আৰু ভাগিলো। মই ঠাইলৈ উভতিলো। চিলচৰত আৰু চুলি থাকি ফালে যাত্রা কৰিলো।

কামৰূপীয় খণ্ডগীত কেইটিমান

—শ্রীযুত শ্রীৰামচন্দ্র দাস

নামনি অসমত, বিশেষকৈ কামৰূপৰ কোনো কোনো ঠাইৰ মানুহৰ মুখে মুখে কিছুমান গীত-পদ বহুত দিন ধাৰে পৰা চলি আহিছে। এই বিলাকৰ ৰচক আৰু ৰচনা কাল নির্ণয় কৰিব পৰা টান। আমি লৰা কালত এনে ধৰণৰ গীত পদ লগৰীয়া সকলৰ লগত গাই বৰ বৰ পাইছিলোঁ। মোৰ সৌভাগ্যবশতঃ পৰা কেইটামান "খণ্ডগীত" ইয়াত প্রকাশ কৰা হল। ইয়াৰ কোনো টোৱেই আন কোনোটোৰ লগত সম্পর্ক নাই যদিও "খণ্ডগীত" আখ্যা দিয়া হল। ইয়াৰ কেইটামান মোৰ সহপাঠী বন্ধু শ্রীযুত গুণীন চন্দ্র দাস আৰু মোৰ চেনেহৰ ভতিজা কন্যা শ্রীমতী নৰ্ম্মদা দাসৰ পৰা শুনি লিখা। সেই বাবে এই খিনিতে তেওঁ লোকৰ শলাগ ললোঁ। এনে ধৰণৰ "খণ্ডগীত" বিষয়ক সংগ্রহ কৰি ব্যাখ্যাৰে ছপাই উলিয়ালে এখন প্রথম শ্রেণীৰ গ্রন্থ হব পাৰে যেন লাগে। এনে বোৰ গীত ব্যাখ্যা কৰিলে অন্ততঃ তলৰ কথা কেইটালৈ মন কৰা উচিত হব :—

(১) গীতটোৰ শব্দৰ পাততি আৰু ভাৱৰ গাঁথনিলৈ মন কৰিব লাগিব। যি ঠাইৰ মানুহে যি দৰে গায়, সেই দৰেই প্রকাশ কৰিব লাগিব।

(২) কিমান বয়সৰ মানুহে কোন সময়ত কি উদ্দেশ্যে গায়, মন কৰিব লাগিব।

(৩) গীতটো গাওঁতে কি বাদ্য বজালে শুনিবলৈ ভাল হয়, তাৰ উল্লেখ থাকিব লাগিব।

(৪) এনেবোৰ গীত সাধাৰণতে গাওঁতহে প্রচলিত দেখা যায়। সেই কাৰণে এনেবোৰ গীত ব্যাখ্যা কৰোঁতা গাৱঁলীয়া মানুহৰ মনৰ ভাৱ, অভাৱ অনাটন আৰু আহুকাল আদি ভালকৈ বুজা বিষয় হব লাগিব। চমু কথাত কবলৈ হলে, যি মানুহৰ মন-প্রাণ গাৱঁলীয়া পঁজাত থাকে, তেৱেঁহে এইবোৰ গীত ব্যাখ্যা কৰিবলৈ যোগ্যতম পাত্র হব। ইয়াত প্রকাশ কৰা "খণ্ডগীত" কেইটা ব্যাখ্যা কৰাত ভুল কৰিম বুলিয়েই মই তাত হাত দিলোঁ।

এই ধৰণৰ দুই চাৰিটা নতুন ধৰণৰ গীত পদ ৰচনা কৰি গাৱেঁ গাৱেঁ দল বন্ধ হৈ গাই ফুৰিলে গাৱঁৰ উন্নতিসাধন কৰিব পাৰি। গীত বিলাকত গাৱঁলীয়া স্বাস্থ্য, ভালকৈ খেতি কৰিবৰ নিয়ম, কর্ম্মস্টুতা, ধকৰা শিল্প কলা, নিজ দেশৰ বুৰঞ্জী মূলক কথাবোৰ সৰল ভাষাত বর্ণনা কৰা থাকিব লাগে। য়ুৰোপৰ ডেন্‌মার্ক ৰাজ্যৰ গ্রনডিক্ নামৰ এজনা মহা পুৰুষে নগৰ এৰি গৈ গাৱঁলীয়া মানুহৰ উপযুক্ত কিছুমান অতি সুন্দৰ গীত ৰচনা কৰি ডেন্‌মার্কৰ জন-সমাজৰ অশেষ হিত সাধন কৰিছিল। আমাৰ শ্রদ্ধাস্পদ শ্রীযুত বেজৰবৰুৱা ডাঙৰীয়াৰ ৰচিত "ৰঙফুকনৰ গীতটিও" অসমীয়া ৰাইজৰ অতি প্রিয়। আমাৰ ছাত্র সকলেও এই গীতটো গাই বৰ ভাল পায়।

এতিয়া আমি আন আন কথা এৰি দি নিজৰ আলোচ্য বিষয়লৈ আহোঁহক।—

১। জহ কালি খেতিয়া জহৰ প্রকোপত মানুহ ধৰ-ফৰাই থাকে, তেতিয়া আকাশলৈ চাই লৰা ডেকা বিলাকে গায়—

"বাতাহৰ মাকৰ দুখেন কাণ
হল্‌ফল্ কে বাতাহ আন।"

ইয়াত 'বাতাহৰ মাক' আৰু তেওঁৰ 'দুখেন কাণৰ' কথা মন কৰিব লগীয়া।

২। ছোৱালী বিলাকে নৈত গা ধুওঁতে চুলি দীঘল

হবৰ আশা কৰি ওপৰ মুৱা হৈ চুলি কোচা পানীত বুবাই দি গায়—

"সন্ সন্ সন্ সন্,
শালকাৰ চুলি পুৰি যা
মোৰ চুলি কেই ভাল বাঢ়ি যা।"

৩। আঘোন মহিয়া পূৰ্ণিমাৰ সময়ত লৰা বিলাকে মাহুহৰ ঘৰে ঘৰে "মোহোহো" দিয়াৰ সময়ত এজন লৰাক কলৰ চুচুনি আদিবে মেৰাই ভালুক যেন কৰি লৈ যায়। আন লৰা বিলাকে চাপৰি বাই বাই লগাই দিয়ে—

"কলৰ চুচুনি বাঁহৰ দৈ,
ভাল ভালুকী নাচন দেই।
কলৰ চুচুনি মহা দেউ,
ভাল ভালুকী নাচন দেই।"

চাপৰিৰ ছেকে চেৰে ভালুকে নাকি থাকে। যি জাক লৰাৰ মাজত ভালুক থাকে, আনতকৈ তেওঁলোকে পইছা আৰু চাউল আদি বেছি পায়। এই দৰে পোৱা পইছাৰে নৈৰ পাৰত সকলো বাইজে মিলি "লগ-ভাত" খোৱা দৃশ্যটো চাব লগীয়া। সময়ৰ লগে লগে এই বিলাক উৎসৱ উন্নত ধৰণেৰে পালন কৰিলেও একেবাৰে এৰি দিয়া উচিত নহয়।

৪। জাৰ কালি লৰা-ছোৱালীবিলাকে বদ-কাচলিত ৰঙীন পুৱাই বহি থাকোতে কাৰবাৰ গাত যদি আন এজনৰ ছাঁ পৰে, যি জনৰ গাত ছাঁ পৰে, সি আন জনক লক্ষ্য কৰি

"ছাঁ কৰা কৰি মায়েক মৰা মৰি,
এটি দুটি চুলি আছে মায়েক মৰি
ধৰক যায়।"

ইয়াত চুলি শব্দটো উভয় লিঙ্গত ব্যৱহৃত হৈছে।

৫। গাই 'হেন' দিলে গাইৰ গিৰীহঁতে সিহিনা গাই জনীৰ ফেঁহ গীৰাই ভালকৈ পগাই তাক সন্দেশৰ নিচিনাকৈ কাটি কাটি চুবুৰিৰ সক সক ঘৰবীয়া লৰা ছোৱালী বোৰক ভগাই দিয়ে। এনে কৰিলে ৰাখাল প্ৰভুৱে গৰু-গাই ভালে ৰাখে বুলি মানুহৰ বিশ্বাস। ফেঁহ ভগাই দিয়াৰ আগতে কিছুমান লৰাই কেই টুকুৰামান ফেঁহ নি ৰাখাল প্ৰভুৰ উদ্দেশ্যে বিৰিণা বনত দি থাগৰিবে কোৱাই কোৱা গায়—

"গাই হাৰালি এই কোৱ,
দামুৰি হাৰালি এই কোৱ।"

"ভেঁহ খোৱা-গীত" আৰু কিছুমান আছে। যে মনত নাই। এনে বোৰ গীত-পদ আৰু বেছি যোগাময় লৰাকাল আৰু বেছি সোগাময় হ'ব তোলে।

৬। ভনীয়েকক নৈ পাৰ কৰি দুবত বিয়া দিয়া তাই যেন অতীতৰ সকলো কথাকে মনত কৰি গী তলৰ কাল্পনিক গীতটো গাইছে—

"সকৰে সোৰ কাকা আখা বুই দিছিলা
আখাতে ধৰিলা ঘুণে নালো।
নদীৰ সিপাৰ কৰি বিয়া দি আহিলা
পুৱল মাছ মাৰিৰ জুনে নালো।"

৭। কিবা এটা বস্তু ছেবালে সেই বস্তুটো যদি মাহ জনৰ ওচৰত থাকে, অথচ মানুহ জনৰ তাৰ ওপৰত নপৰে তেন্তে বস্তুটো মানুহে দেখিলে দেখালিৰ স্পৃহা গা—

"আগতে পাছতে দো ভৰিৰ মাজতে।"

৮। সৰু সৰু লৰাবিলাকে পানীত বা দেখাদেখি বামত নাও খেলিলে গায়—

"ও মোৰ মোলুৱাহে, ও মোৰে মোলুৱা, কুনে মাৰিল হায় মোৰ হায় মোৰ মোলুৱাহে।"

অকল কনাকাটাই (নাম খেলোঁতে দিয়া লগা দিওঁতা জনে বা পাঠকে) লগাই দিব—

"এ নেঠা নেঠা কৰে কৰে তাই"

বৈচাবিলাকে বঠা মাৰি সমান সুবত গাব—"হায় মো মোলুৱা হে।"

কনাকাটা—"এ নেঠা আনি দিলুম হ'।" বৈ (বাওঁতা) বিলাকে গাব—"হায় মোৰ মোলুৱাহে" সকলো মিলি ধৰকৈ গাব—"ও নেঠাতে ধৰি ধৰি কানে মো মোলুৱাহে, ও মোৰে মোলুৱা কুনে মাৰিলা হায় মোৰ মোৰ মোলুৱাহে।"

এই দৰেই যতৰ, তাঁত শাল, সুতা মাকো

ৰোজনীৰ সকলো সজুলিকেই বৰ্ণনা কৰি গাই যায়। নাৰ খেলোঁতে গোৱা গীত আৰু অনেক আছে। কথা বেছি হৰ ভয়ত সেইবোৰ এৰিলোঁ।

৯। ৰাতি অসীম নীল আকাশত যদি অসংখ্য তৰাই মাচি-ৰাগি থাকে, তাৰ সৌন্দৰ্য্যত মুগ্ধ হৈ সৰু সৰু লৰা-ছোৱালীবিলাকে গায়—

এক তাৰা, দুই তাৰা স্বৰ্গত বহি কি কৰা।
আম জাম লেতুকৰ কোহ
পৈণা তাৰা লৰ দিছে, আমাৰ গাত নাই দোষ।"

জোনৰ ওচৰত পিঠা খুজি আৰু গায়—

"জন কাকা (বা গঁহে) এ এখেনি পিঠা দি খাওঁ।

(জোনৰ উক্তি)—"নাজ নাই পাত নাই কিহতকে দিওঁ।" লৰাবিলাকে গাব—"জেঠিনাৰ পুতেকে নাৰ' দেলা দিছে,

নাৰ কৰে তুলং ঘুঙুং বৈঠা কৰে হেলা,
বাটেদি বুলি যায় ফটিকৰ মেলা।"

১০। লৰাবিলাকে পথাৰত ছেউ খেলোঁতে গায়—

"ঔৰ তলক নাযাবি ঔ সবিব,
গৰু ছলিক নজকাবি জেঙা লাগিব,
—জেঙা লাগিব।"

ছেউ খেলোতে পোৱা এনে গীত আৰু অনেক আছে।

১১। সমনীয়া লৰা-ছোৱালীৰ মুবত তৃণ কুটা আদি থকা দেখা পালে বং কৰি গায়—

"এটা ছলিক মুবতে কপটীয়াৰ বাহা,
মাটি মাৰি ফেলে দিলু জুন্ জুনীয়াৰ বাহা।"

১২। গা ধুওঁতে কেতিয়াবা গায়—

"ধচুকে আহা বাজাৰ বাণী
বৈহাগে নিব টানি।
নিছনা (মিছা) মাছে লাগাল পাই
থৰ থচুকে ফেলুৰ খাই।"

১৩। যেতি বাতি ভাল হবৰ আশাতে মানুহে গায়—

"পশ্চিমৰ পচোৱা, পুৱৰ কুকৱা
দক্ষিণৰ শাঁখ বা, শঅৰে শপত দান নষ্ট নকৰবি
ওপৰে উৰি উৰি যা।"

শঙ্খ বজাৰ বিষয়ে ১৮৫৩ শকৰ ছেউৰ বাহীত মোৰ এটি প্ৰবন্ধ ছপা হৈ গৈছে। ইচ্ছা কৰিলে সেইটো পঢ়ি চাব পাৰে।

১৪। ৰঁদ থকা অন্তঃস্থাত বৰমূণ দিলে গায়—

"ৰদ দি দি বহেন আনে
শিয়ালৰ বিয়া,
কান কুইলাই জকৰ দেই
নিংনি ভাতত দিয়া।"

১৫। পুহ মাঘ মহীয়া লৰা-ছোৱালীবিলাকে মাহ-কৰাই খাই খাই গায়—

"মাহ কাৰে খাওঁ, টুন্ টুনিবা খাওঁ,
আমাৰ লগৰ মুনি আছে
তাকে এক গেণ দিওঁ,
—আহিল হাইবা বৰল।"

এই দৰেই বৰ্ণনা কৰি যায়। এই গীতটোৰ লগত বুঢ়া বুঢ়ী আৰু বেঙৰ সাধুটোৰ সম্পৰ্ক আছে।

১৬। তলত দিয়া গীতটোত সংস্কৃত প্ৰবেশিকাৰ সাধু কথা এটা সোমাই আছে। সুবুজি পেলাই বান্দববিলাকে ঘন্‌চিকা চবাইবোৰৰ বাঁহবিলাক ভাঙি পেলোৱাত চবাই বিলাকে বিলাপ কৰি গাইছে—

"ওহে, বান্দৰ ভায়া, মনিহৰ হাত ভৰি মনিহৰ
কায়া—বান্দৰ ভায়া।
ওহে বহেনত ভিজি মৰা ছপৰ দিনটো ভায়া,
—বান্দৰ ভায়া।
ওহে অধম জ্ঞান দিলি মনে পাৰে কষ্ট,
—বান্দৰ ভায়া,
বাহাই-ডিমাই ভাঙি মোৰ কৰি গেলি নষ্ট
—বান্দৰ ভায়া।"

১৭। ৰাতি জোনাকত বহি সৰু তক লৰাবিলাকে গাই গাই খেলে—

"সোৱ ঘৰৰ মেকুৰী বৰ ঘৰক যায়।
কণীয়াৰ মেকুৰী ভাজা খায়॥"

জন কাকা=জোন, গঁহে=গোঁসাই, ঈশ্বৰ। জেঙা=জগৰ, জকৰ=উকলি,

১৮। তলৰ গীত দুটা আইৰ মুখৰ পৰা শুনা। এনে বোৰ গীত "নিচুকনি" গীতৰ শ্রেণীত পৰিব।

"আমাৰ মাই কান্দে কিয় এ,
আম চহীয়া লাগে,
দিম দিম আম চহীয়া
বিচান মতীক লাগে।
বিচান মতী বণেৰে আই কহে গেল,
সণাৰ ঘুগুবা লই আথে থাবা গেল।
আগে থাৰন্তে আথে থাৰন্তে
গণত লাগিল ধান।
কুন থাইতী আথে ভাজছে
চুলিত ধৰি আন।
নাল্‌গে নাল্‌গে চুলিত ধৰবা আপুনি যাম।
লা লগৰী বাঙাণ জহবি,
এটি বাৰনা ভাতত দিলু গেল ভহবি।"

এই গীতৰ ভিতৰত বিচান মতী নামৰ এজনী ছোৱালীৰ নাম আছে। কোনো এজনা ৰজাৰ বিচানমতী নামৰ কন্যাৰ বিষয়ে এটি সাধুকথা চলিত আছে বুলি শুনিছো।

১৯। বনবীয়া ধন-চিবিকা চবাই জাকে জাকে কোনো কোনো পকা ধানৰ পথাৰত পৰি ধান খাই অন্ত কৰা দেখা যায়। তাকে বৰ্ণাই এই গীত গায়—

"বুন চকৰি, ধান নাথাবি,
ধান পকলি চিবা দিম ডালত পৰি থাবি।
ডাল-ডুল ভাঙি দিম তেলীৰ ঘৰক যাবি।
তেলী দিব তেল গামছা মালি দিব ফুল।
হাউদাথেৰ বুঢ়ী আহি তাই কুবাব চুল।
চুলৰ ওম্ ওমি শুনি মাদাৰৰ চো।
আলিত বহিয়া কান্দে বুঢ়া বাসুদেউ।
লাই লটুৱা সুবণ খটুৱা।
হাল বাৱন্তে হাগি দিলা গৰে পেটুৱা।"

২০। তলৰ খণ্ড গীতটো ৰবপেটীয় ওচৰৰ যু
সঞ্চৰ শ্রীমান মোহিত চন্দ্র ভকতৰ মুখ
শুনা—

"কলা অ' কলী অ' ইচিপিৰ বনে,
চাউৰা কৰি ভিঠা বানু খুজি থাবাৰ মনে,
খুজি থাৰন্তে খুজি থাৰন্তে গাত বানুলা বল,
ই চিপি জাম মই অর্জুনৰ তল,
অর্জুনৰ তলতে চামতীয়া লাক,
দুয়ো সখি ভাগে লম সুবর্ণৰ থাক,
সুবর্ণৰ থাকৰে জানাক-জুমুক কৰে,
নাম গাৱা ভকতে হৰি-বিৰিহ কৰে।
বাহৰ আগ তল যায় কাউৰৰ বং চাউ,
কাণ কুইল্লাৰ পিঠিত উঠে বাঘ মাৰবা ঘাউ।
বাঘ মাৰলু জাটা জাট
শোল (শৰ পছ) মাৰলু শোলে,
এক আঠু পানীতে দৈহাল ডুব মাৰে।
দৈহাল কাকা দৈহাল কাকা তই
হৰি সাখী" ইত্যাদি।

মোৰ লিখা ইমানতে অন্ত পৰিল। কিন্তু এনে "খণ্ডগীত" বা "পূর্ণ গীত" অসংখ্য আছে। তাৰ মিথন অসমীয়া গাৰ্ত্তেই সন্ধান কৰা হয়, তাতেই এ গীত বহুত পোৱা যায়। তাৰ সকলো বিষয়কে স কৰি অন্ত কৰিবৰ ক্ষমতা মোৰ নিচিনা মানুহৰ তথাপিতো অসমৰ সকলো ঠাইতে চলি থকা এনে পুৰণি গীত দুই চাৰিটা আজৰি সময়ত সংগ্রহ ক বুলি মানস কৰিছো। ডেকা ছাত্র বন্ধু সকলে যেন এই কামত সহায় কৰে।

বকুলীৰ কথা

কবিতা— —শ্রীযুত অতুলচন্দ্র হাজৰিকা বি-এ

বিজন বাটত নিশা জোনাকত
ফুবোতে নীবলে মই
মৰমা এছাটি আহি কই গল
বকুলী যে আছে বই!
দেৱতা জীয়ৰী আকাশত ঘৰ
আকাশত জন্ম যাৰ
সেই সুন্দৰীয়ে ধূলিত বাগৰি
বিচাৰে পৰশ কাৰ!
ধৰণৰ তৰা তল সৰি পৰা
নিজন কানন ভৰি
ইপাহি সিপাহি আছে হাঁহি হাঁহি
চবৰি বনত পৰি।
গৰ বিৰিখৰ অতি মৰমৰ
ফুলাম বুকৰ পৰা
এটি এটি কৰি সৰি সৰি পৰি
শুৱনি কৰিছে ধৰা।
ধূলি লগী নই আলফুল কই
আঁজলি ভৰাই ফুল
ভাবিলোঁ মননতে দেৱতাৰ বস্ত
নাই যে অলপো ভুল।
কোন ৰূপহীৰ ছিণ্ডি সাতেসৰী
ডিণ্ডি শুদা কৰি হায়
সৰল মুকুতা পৰি আছে সউ
বুতলি লওতা নাই!
'ৰচোন লাহৰি, অ' মোৰ বকুলি,
মনৰ সকলো কথা
তোৰে মোৰে যেন কোনোবা জনম
এডালি সুতাৰে গঁথা!

ডাঙৰ দীঘল কৰি যি গছে
তুলিলে তালিলে তোক
সেই গছ এৰি মাটিত বাগৰি
জনাৰ কিহৰ শোক?
সন্ধিয়া বায়ুক কৰিছ বিভোল
গোন্ধত আমোলমোল
কিয় বাক তই বুঢ়া বিৰিখেৰে
ছিণ্ডিলি মায়াৰ দোল?"
অতি আধেবেথে কলে বকুলীয়ে
"আকাশ নেলাগে ভাল
ৰম সৰু হই বৰ হবলই
নিবিচাৰোঁ কোনো কাল।
এৰি থই কোলা আলাসৰ দোলা
মনত বেজাৰ নাই
পিতৃ বনস্পতি জনাওঁ প্রণতি
চৰণত লৰোঁ ঠাই।
পবনে গোপনে হৰিছে সযনে
সুবাসিত গন্ধ বেণু,
ৰচিছোঁ যতনে দেৱতাৰ বেদী
উলাহে নাচিছে তনু।
প্রকৃতি দেৱীৰ মিলন-কুঞ্জত
মধুৰ মাধৱী ৰাতি
ফুল-শয্যা ৰচি দিছোঁ উপযাচি
ফুলেৰে আসন পাতি।
বাসৰ ঘৰৰ সুবভি-নির্য্যাস
চৌদিশে বিলাই দিওঁ;—
প্রকৃতি কইনা বসন্ত দৰাৰ
মিলন মাধুৰী পিওঁ।

দিগঙ্গনা সবে ফুলচাকি ওথি
থোপাত পিন্ধিব তুলি,
প্রণয়ী জনক প্রেয়সীয়ে দিব
ফুল্ল উপহাৰ বুলি।
বুকু উদি কবি দিছোঁ সকলোকে
গন্ধভৰা অৱদান ;—
লাগে মাথোঁ মোক প্রতিদান তাৰ
পদৰেণু ছটিমান।
বাটকৰা জনে মোৰ মুবতেই
দিয়ক চৰণ ধূলি—
পৰম পিতাৰ পুণ্য পদ-বজ
লম যে শিৰত তুলি।

মাটিত হাঁহিম মাটিতে নাচিম
মাটিতে ফুলিম বই
মাটিতে মিলিছে সাতোখনি স্বৰ্গ
মাটিতে মিলিম মই।"
এখানি হিয়াৰ এয়ে মৰ্ম্মবাণী
বকুলীয়ে কলে মোক
ফস্তেক সময় বলোঁ থিৰ হই
পাহৰি পিয়াহ ভোক।
আকুল হিয়াৰ বিপুল আবেগে
জগত উপছি যায়
স্বৰগৰ শোভা জলে পুষ্পপ্ৰভা
দশোদিশ উজ্জলাই।

স্বৰলিপি

কথা ও সুৰ—শ্রীযুত ইন্দ্রেশ্বৰ বৰঠাকুৰ স্বৰলিপি—শ্রীযুত ধনেশ্বৰ গোস্বামী, বি, এছ, ডি

মিশ্র বেহাগ—দাদ'ৰা।

ফুলে কিয় অভিমানে চায়
ভোমোৰা আহি ভালবি বোলায়
উলটি নাচায়।
মতলীয়া ক'লা অলি
পৰে বুলি ঢলি ঢলি
লাজে মানে ফুলবাণী
ওৰণী ওছায়।
হেঁপাহেৰে ফুলে ফুলে
অলি আহি নপৰিলে
এনেয়ে লেৰেলি যাব
আদৰ নাপাই।

অস্থায়ী

+				o				+				o				+				o			
নি	সা	সা		গা	গা	মা		পা	পা	পা		নি	নি	নি		সা	সা	সা		সা	সা	সা	
ফু	লে	০		কি	য়	০		অ	ভি	০		মা	০	নে		চা	০	০		০	০	য়	

+				o				+				o				+			
নি	সা	নি		সা	নিসা	রে		নি	সা	নি		পা	পা	মা		গা	গা	মা	
ভো	মো	বা		আ	হি০	০		ভা	ল	বি		বো	লা	য়		উ	ল	০	

o				+				o			
গামা	পা	মা		গা	গা	সা		সা	সা	সা	
টি০	০	নে		চা	০	০		০	০	য়	

অন্তৰা

+				o				+				o				+			
সা	সা	সা		সা	সা	সা		নি	সা	সা		গা	গা	গা		সা	সা	নি	
ম	ত	০		লী	য়া	০		ক'	লা	০		অ	লি	০		প	বে	০	
হে	পা	০		হে	বে	০		ফু	লে	০		ফু	লে	০		অ	লি	০	

o				+				o			
সা	নিসা	রে		নি	সা	নি		পা	পা	পা	
বু	লি০	০		চ	লি	০		ঢ	লি	০	
আ	হি০	০		ন	প	০		বি	লে	০	

+				o				+				o				+			
সা	সা	নি		সা	নিসা	রে		নি	সা	নি		পা	পা	মা		গা	গা	মা	
লা	জে	০		মা	নে০	০		ফু	ল	০		বা	ধী	০		ও	ৰ	০	
এ	নে	০		য়ে	লে০	০		বে	লি	০		যা	ব	০		আ	দ	০	

o				+				o			
গামা	পা	মা		গা	গা	সা		সা	সা	সা	
লী০	০	ও		ছা	০	০		০	০	য়	
ৰ০	০	নে		পা	০	০		০	০	য়	

লাওখোলা

কথা— —শ্রীযুত ফটিক চলিহা

সি এটা হজুৱা ডেকা ; হাল কোৰ বাই খায়, কোনো উচ্চ আদর্শ তাৰ আগত নাই "আকাল নাই, ভৰাল নাই" এয়ে তাৰ মূলমন্ত্ৰ। নিৰক্ষৰ সি, তাৰ কি উন্নত সমাজত স্থান হ'ব পাৰে? তাত তাৰ লেশ মাত্ৰ অনুমান নাই সদায় সুখত মধুৰ মিচিকিয়া হাঁহি। জগতৰ ৰাজনীতি অৰ্থনীতি একো নীতিয়েই তাক পৰিশিৰ পৰা নাই। তাত তাৰ হানি নাই, সি দুবেলা দুমুঠি জোৰা মাৰি খাব পাৰিছে। এনে সুখী সি, নিতৌ বিমল আনন্দ তাৰ বিৰাজমান। কেতিয়াবা সন্ধিয়া পৰত পেঁপাটো লৈ একো একোটা সুৰ বজাই তাৰ ভৰপুৰ যৌৱনৰ বাতৰি ভাঙি কয়। নেজানো কোন ৰূপহীক সঙ্কেতে সঙ্কেতে তাৰ হিয়া ভৰা চেনেহৰ বুজনি দিয়ে।

সেই দিনা টান ৰ'দ, তাতে জেঠৰ বাৰথৰৰ এদিন। সূর্য্যদেৱৰ এনে ভীষণ মূর্ত্তি দেখি কতৰ প্ৰাণত কত বিভীষিকাই দেখা দিছিল। সকলোৰে উৎসাহ উদ্যম যেন লয় পাবৰ উপক্ৰম হৈছিল।—তটাটিড়া, দায়িত্বহীন লবাইহ সেইদিনা আমতলত নাই। বচকী আইদেউইহঁত তিয়হ খোৱাবপৰা বঞ্চিত। ওৰণীৰ হেঁচাত বাজ হাড় ৰেঁকা বোৱাৰীইতৰও বিয়নিমেলথন বন্ধ। বপুৱা মাছচোৰ বোন্দামেকুৰীটোৰ অৱস্থা দেখিহে পুতৌ হৈছিল ; তাৰ চকুৰ কোণত লাগি থকা মলিয়োৰ ধাৰলৈ চকুচৰহা মাখিহঁতে তলওপৰ লগাইছিল—তাকো খেদাবলৈ তাৰ এলাহ।

এনে টান ৰ'দ, এনে গৰম, তাতো সেই হজুৱা ডেকাটোৰ বাঘ তেল লাগিছে। দেখি অবাক নহ'ব লাগে ; সি কোৰ মাৰিছে সিহঁতৰ এবা বাৰীদা সুকঘৰ চোকা শৰে তাৰ শৰীৰ ভেদ কৰিব পৰা নাই সি বৰ কষ্ট সহিষ্ণু, তাৰ স্বাস্থ্য অটুট। তিকাকী পিছত দবাপিতা বৰমুণ আহিব ; সি লোকতকৈ আগে এমুঠি কঠিয়া পেলাব পাৰিব ; তাকে আনটি নি মাৰিছে। সি কোৰ মাৰি আছে, তাৰ নাই ঢোলোৱা পিন্ধা চুৰিয়া খনেদি ঘামৰ জোলঙ্গ বৈ গৈছে ; তাৰ কেৰেপকে কৰা নাই। সি কোৰ মাৰি আছে ; সেয়া একো একোটা বনগীত গায় ; অকলে অকলে হাঁ জানো সি নিজে নিজে কি অর্থ পায়? তাৰ শৰীৰত ঘামৰ টোপালবিলাকে যেন মুকুতাৰ মালাহে দিছে।

এবাৰ সি কপালত হাত দি ঘপবাই বহি গ তাৰ হিয়া ফুটি দুখুনিয়া উঠিল। এটা পড়া লাওখো তাৰ আগত ; মস্তিষ্কৰ চিনচাৰ নাই, মাটিত থিণি লাওখোলাৰ মস্তিষ্ক, উই পকৰাৰ ভোজ হ'ল ; আংশিক ৰূপে তাৰ বাৰীখনও অলপ উৰ্ব্বৰা হ'ল ; তাৰ ক্ষতি কি? তাৰ কাৰণে সি কিয় এনে কিয় ককণ, কিয় চকুল, কিয় এনে তাৰ বুকুৰ কঁপনি।

অলপ পিছতেই তাৰ দুখুনিয়া শেষ হ'ল। চকু লোতকৰ ধাৰ আহিল ; মনত পৰিল তাৰ বুঢ়ীমাকে সাধুবোৰ ; মনত পৰিল তাৰ হৃদয়ৰ স্তৰে স্তৰে দিয়া ছবিবোৰ ; সেই ফুলপানী ছিগা বণৰ ককণ কাহি

সিহঁতৰ গাৰ্ত্তেই এদিন হেজাৰে বিজাৰে দুৰ্ভগীয়া ডেকাই অকাতৰে প্ৰাণাহুতি দিও, চিবচেনেহী জন্মভূমিক থাই পাকহলা মানহঁতবপৰা ৰক্ষা কৰিব নোৱাৰিলে। গৃহ বনলত জুই নিৰ্ব্বাপিত কৰিব নোৱাৰিলে। কত যুৱতীয়ে হাতত হেণ্ডডাং লৈ নিজৰ সতীত্ব ৰক্ষা কৰিছিল ; তথামাত্ৰ সমৰত আগবাঢ়ি হেলাবণ্ডে প্ৰাণ বিসৰ্জ্জন দিছিল। সিহঁতৰ গাওঁথন তেজেৰে ৰাঙলী হৈ পৰিছিল ; নৈয়ে বানে তেজৰ বান উঠিছিল। তাৰ বাৰীখনৰ প্ৰত্যেক ধুলিকণাতেই অতীতৰ সেই স্বদেশপ্ৰেমিক বীৰ ডেকাসকলৰ তেজ মিহলি হৈ আছে। সি তাকে দেখি উচুপিছে, ফুলো টুকিছে।

নিৰ্দ্দয় মানহঁতে নিৰপৰাধিনী গৰ্ভিনীৰ ভ্ৰূণ হত্যা কৰিছিল। নিৰাশ্ৰয়া অবলাক আত্মীয় স্বজনৰ আগত অমানুষিক অত্যাচাৰ কৰিবলৈ কুণ্ঠিত নহৈছিল। দেৱো পশু, অজ্ঞান শিশুহঁতক গছত এচাৰি মাৰিছিল ; অসমীয়াৰ বীৰ্য্য বীজ ফুলতেই নষ্ট কৰিছিল।—অত্যাচাৰ! এনে অমানুষিক অত্যাচাৰ দেখি পানীত হাঁহ নচবা হৈছিল।—তাৰেই আজো ককাকে হেনো ছলে বলে কৌশলে এই অত্যাচাৰৰ প্ৰতিশোধ লম বুলি ঘৰৰ পৰা ওলাই গৈছিল। কতকাল পাহাৰে প্ৰান্তৰে ঘুৰি ফুৰিছিল, কত নিৰ্য্যাতন সহ্য কৰিছিল, কতবাৰ বনবীয়া হিংস্ৰ জন্তুৰ আক্ৰমণৰ পৰা কোনো ৰকমে ৰক্ষা পৰিছিল, তাৰ লেখ জোখ নাই। আজি কত কাল হ'ল তেওঁ উভতি নেপালেহি। তাৰ বুঢ়ীমাকে মৰণ কাললৈকে উদ্বিগ্ন হৈ স্বদেশ প্ৰেমিক স্বামীক চকুৰ পানীৰে অপেক্ষা কৰি আছিল।

বহুত পৰ হ'ল। তেতিয়াও তাৰ বেজাৰ যুগুছিল—; তাৰ চিন্তাৰ অন্তসান নহ'ল! সি চিঞৰি উঠিল "প্ৰতিশোধ "প্ৰতিশোধ" তাৰ চিঞৰ কোনে শুনিব? তাৰ সাধুবোৰ কাৰ আগত বৰ্ণনা কৰিব? তাৰ প্ৰাণৰ অত উদ্দীপনা অত প্ৰেৰণা কাৰ আগত বখানিব। তাক একেখাৰ আশ্বাসৰ বাণী, একেবি সান্ত্বনা, এজোলোকা আশীৰ্ব্বাদ দিওঁতা কেও নাই। সি পুনৰ চিঞৰি উঠিল "বণ, বণ, বণ।" কোনে তাক বণলৈ উদগাব—কোনে তাক খোলা তৰোৱাল লৈ ফুল পানী ছিগা বণলৈ আহবান কৰিব?—সি এতিয়াও বুজা নাই তাৰ জন্মভূমি পৰাধীনা। আজি স্বৰ্গদেউ চন্দ্ৰকান্ত নাই—; তাহানিৰ দৰে ঘৰে ঘৰে হিলে নাই। হেণ্ডডাং নাই—!

মহিলা জগত

অলিম্পিক সাঁতোৰ প্ৰতিযোগিতা, কৰ্ণওৱালিছ ষ্ট্ৰোৱাৰত চাৰিগৰাকী মহিলা সাঁতোৰ প্ৰতিযোগী (২৮) কুমাৰী গীতাঞ্জলী পাল, (২৯) কুমাৰী নিৰুপমা নীল, (১০) কুমাৰী লীলা ভড়, (২৩) কুমাৰী বাণী ঘোষ।

পুনাৰ ভাৰতীয় মহিলা বিশ্ববিদ্যালয়ৰ কনভোকেচ্যন উৎসব

বাওঁফালৰপৰা চকীত বহি অধ্যাপক ডিঃ কে, কার্ভে ৰোৱাৰী আৰু বিশ্ববিদ্যালয়ৰ বেজিষ্টাৰ শ্ৰীমতী ইৰাবতী কার্ভে, বিশ্ববিদ্যালয়ৰ চান্সেলৰ শ্ৰীযুত পাটকৰ, শ্ৰীমতী সংঘমিত্ৰা নাইডু, বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাতা অধ্যাপক ডি, কে, কার্ভে। মহিলা-বিশ্ববিদ্যালয়ৰ পৰা এইবাৰ ডিগ্ৰী (গ্ৰাজুয়েট অব্ আৰ্টছ্) উপাধি পোৱা ছাত্ৰী কেগৰাকীমান পাহফালে থিয় হৈ আৰু আগত বহি আছে।

সম্পাদকীয়

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ তিথি

মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিথি অনুষ্ঠান অকল অসমৰ ভিতৰতে নহয় অসমৰ সীমাৰ বাহিৰতো য'ত এমুঠি অসমীয়া হিন্দু আছে তাতে পতাটো যেনেকৈ সকলোৱে কৰ্ত্তব্য বুলি বিবেচনা কৰে তেনেকৈ এতিয়া শঙ্কৰ দেৱ আৰু মহাপুৰুষীয়া ধৰ্ম্মৰ বৈশিষ্ট্য কেৱল ভাৰততে নহয় গোটেই জগততে জনাজাত কৰিবৰ আৱশ্যক হৈ পৰিছে। শঙ্কৰ দেৱৰ মাহাত্ম্য যিমানে প্ৰচাৰ হব, অসমীয়াৰ গৌৰৱ তিমানে বাঢ়িব। এতিয়া আৱশ্যক হৈছে মহাপুৰুষীয়া ধৰ্ম্ম আৰু শঙ্কৰ দেৱৰ সমাজ সংস্কাৰৰ সুন্দৰ সুগঠিত প্ৰণালীবিধাক আৰু শঙ্কৰী সাহিত্য বাজিৰ তুলনামূলক বহল আলোচনাৰ কিতাপ নানা ভাষাত সত্বৰ নহলে অন্ততঃ ইংৰাজীতে প্ৰকাশ আৰু প্ৰচাৰ কৰা।

এনে গুৰু কাম কোনো ব্যক্তি বিশেষৰ দ্বাৰা সত্বৰ নহব পাৰে; উদ্যোগীয়া চেষ্টাত নহৱৰ কোনো কাৰণ নাই। মোৰা বছৰৰ শঙ্কৰ দেৱৰ তিথি বিষয়ৰ সম্পাদকীয় আলোচনাত আমি অসমৰ সত্ৰ বিলাকৰ এই বিষয়ৰ কৰ্ত্তব্যৰ কথা উল্লেখ কৰিছিলোঁ। কিন্তু এই বছৰৰ ভিতৰত কোনো সত্ৰৰ পৰাই এই বিশেষ আগ্ৰহ বা উৎসাহৰ চিন দেখা নাই। আমাৰ মনেৰে অসমৰ সত্ৰ বিলাকৰ সহযোগিতাত এই মহৎ কাৰ্য্য বাবে অনায়াসে ধন যোগাৰ হব পাৰে। অৱশ্যে ধনেও প্ৰধান কথা নহয়। ধনৰ আৱশ্যকৰ বাহিৰেও শঙ্কৰ দেৱৰ বিষয়ে যোগ্যভাবে আলোচনা কৰিব পৰা উপযুক্ত লিখক আগবাঢ়ি আহিব লাগিব। এনে উপযুক্ত লোকৰ অভাৰ নহব বুলি আমাৰ বিশ্বাস আছে। কোনো ইচ্ছুক কৰ্ম্মী আগবাঢ়ি ওলাই সত্ৰ বিলাকৰ অধিকাৰী সকলৰ লগত আলোচনা কৰিলেই ধনৰ উপায় পাব পাৰে যেন লাগে।

কলিকতা বিশ্ববিদ্যালয়ৰ ভাইচ্ চেন্সেলৰৰ সম্বৰ্দ্ধনা

মোৰা ১২ চেপ্টেম্বৰ শনিবাৰ ছাদুৱাৰ সভাপতিত্বত কলিকতা বিশ্ববিদ্যালয়ৰ আশুতোষ হলত কলিকতা প্ৰবাসী অসমীয়া সকলে ভাইচ চেন্সেলৰ শ্ৰীযুত শ্যামাপ্ৰসাদ মুখার্জ্জী এম-এ বি-এল, বাৰ-এট-ল, এম-এল-চি ডাঙৰীয়াক সম্বৰ্দ্ধনা জনাবলৈ যি মানপত্ৰ দিছিল তাৰ উত্তৰত শ্ৰীযুত মুখার্জ্জী দেৱে অসমীয়া ছাত্ৰৰ প্ৰতি বিশেষ সহানুভূতি দেখুৱাব বাহিৰেও অসম গৱৰ্ণমেণ্ট আৰু অসমীয়া বাইজলৈ কেইটি মান অতি আৱশ্যকীয় কথা দাঙি ধৰিছিল। কলিকতা বিশ্ববিদ্যালয়ৰ অসমৰ প্ৰতি যে বিশেষ কৰ্ত্তব্য আছে তাক তেখেতে মুক্তকণ্ঠে স্বীকাৰ কৰি কৈছিল যে বঙালী সকলৰ দৰেই অসমীয়া ছাত্ৰ সকলৰ কাৰণে কলিকতা বিশ্ববিদ্যালয়ে যোগান দিব।

ভাইচ্ চেন্সেলৰ শ্ৰীযুত শ্যামা প্ৰসাদ মুখার্জ্জী

এই বিষয়ত অসমৰ কৰ্ত্তব্যৰ কথাও তেখেতে ভাল দৰে দেখুৱাই দিছিল,—বিশেষকৈ অদূৰ ভবিষ্যতে বিশ্ববিদ্যালয়ত মাতৃ ভাষাৰ জৰিয়তে শিক্ষাৰ যি ব্যৱস্থা কৰিবৰ দিহা চলিছে সেই বিষয়ে অসমীয়া লেখক সকলৰ এতিয়াৰ পৰাই মনোযোগ দিব লগীয়া হৈছে। অসমীয়া ভাষা আৰু সাহিত্য চহকী কৰি তুলিব লাগিব। অঙ্ক, সাহিত্য, বিজ্ঞান আদি বিষয়ৰ কিতাপ অসমীয়াত উপযুক্ত ভাবে ওলালে বিশ্ব-বিদ্যালয়ে যেতিয়া ভাৰতীয় ভাষাত শিক্ষা দিবলৈ আৰম্ভ

কৰিব তেতিয়া একো অসুবিধা নঘটিব। এই বিষয়ে গৱৰ্ণমেণ্ট আৰু ৱাইজৰ যুটীয়া চেষ্টা এতিয়াৰ পৰা হব লাগে।

অৱশেষত কটন কলেজৰ পোষ্ট গ্ৰেজুয়েট ক্লাছ তুলি দিয়া সম্বন্ধে তেখেতে কয় যে যি দেশৰ গৱৰ্ণমেণ্টে নিজ দেশৰ প্ৰয়োজনীয় বিষয়ৰ যোগান ধৰিব নোৱাৰে সেই গৱৰ্ণমেণ্ট গৱৰ্ণমেণ্ট নামৰ যোগ্য নহয়।

বিশ্ববিদ্যালয়ৰ ভাইচ চেন্সেলৰৰ এনে চোকা উক্তিৰ পিছতো অসম গৱৰ্ণমেণ্টে এই বিষয়ে আৰু মনে মনে বহি নাথাকিব বুলি আমি আশা কৰোঁ—বিশেষকৈ যেতিয়া এই বিষয়ে কাৰ্য্যকৰী পদ্ধতি এটি হাতত লোৱাত কলিকতা বিশ্ববিদ্যালয়ে অসম গৱৰ্ণমেণ্টেক সহায় কৰিব বুলি তেখেতে গাত গৈছে।

গৱৰ্ণৰৰ উক্তিত চাঞ্চল্য

অসম কাউন্সিলৰ যোৱা চেপ্টেম্বৰ অধিবেশন মুকলি কৰোতে গৱৰ্ণৰ স্যাৰ মাইকেল কীনে শ্ৰীহট্ট অসমৰ লগত ৰখাৰ বিষয়ে যি যুক্তি আগ বঢ়াইছিল যুক্তিৰ, ফালৰ পৰা অসমীয়া মানুহে তাৰ ভিতৰত একো বিচাৰি নাপাই স্যাৰ মাইকেল কীনে শ্ৰীহট্ট সমস্যা সম্বন্ধে অসমীয়া জাতিৰ অন্তৰৰ ভাৱ বুজিব পৰা নাই বুলি সন্দেহ কৰিবৰ যথেষ্ট কাৰণ দেখা দিছে আৰু এই কাৰণে আজি গোটেই জাতিটোকে চঞ্চল হৈ উঠা যেন লাগিছ।

ইয়াৰ ভিতৰতে বহু ঠাইত গৱৰ্ণৰ চাহাবৰ উক্তিৰ প্ৰতিবাদ কৰা হৈছে আৰু গোটেই অসমতে যাতে শ্ৰীহট্ট বিচ্ছেদৰ বিষয়ে তুমুল আন্দোলন চলে যোৱহাটৰ জনদিয়েক বিশিষ্ট লোকৰ চহীৰে এখন আবেদন জনোৱা হৈছে। আবেদন খন এই—

শ্ৰীহট্ট বিচ্ছেদ সম্পৰ্কে অসমীয়া ৱাইজলৈ গোহাৰি

সবিনয় নিবেদন,

যোৱা ৩০।৯।৩৪ তাৰিখে যোৱহাটত বহা এখন ৱাজহুৱা সভাই এই মৰ্ম্মে এটি প্ৰস্তাৱ গ্ৰহণ কৰে যে অসমত থকা সকলোবিলাক সভা-সমিতিৰ প্ৰতিনিধি লৈ শ্ৰীহট্ট বিচ্ছেদ সম্পৰ্কে এখন কনফেৰেন্স পতা হওক।

এই কনফেৰেন্স অহা পূজাৰ বন্ধত অক্টোবৰ মাহৰ ... তাৰিখ বুধবাৰে যোৱহাটত পাতিবলৈ স্থিৰ কৰা হৈছে। সময় কম। সেই কাৰণে আমি আশা কৰিলো অসম স্থায়ী সভা-সমিতি এচোচিয়েশ্যন বিলাকে এতিয়াৰ পৰা প্ৰত্যেক অনুষ্ঠানৰ পৰা দুজনকৈ প্ৰতিনিধি পঠিয়াবলৈ যেন স্থিৰ কৰে। সভাৰ বিতং খবৰ প্ৰত্যেক সভা-সমিতিলৈ পঠোৱা হব। বিষয়ৰ গুৰুত্ব চাই সকলো ঠাইৰ সকলো সভা-সমিতিৰ পৰা যেন প্ৰতিনিধি আহি যোগদান দিয়ে।

বিনীত—

শ্ৰীনীলমণি ফুকন বি-এ
শ্ৰীঠানুচন্দ্ৰ বৰুৱা
শ্ৰীগুঞ্জানন বৰুৱা বি-এল
শ্ৰীকীৰ্ত্তিনাথ শৰ্ম্মা ৰবদলৈ
শ্ৰীহেৰম্বপ্ৰসাদ বৰুৱা এম-এ বি-এল
শ্ৰীদেবানন্দ ভড়ালী
শ্ৰীলক্ষ্মীনাথ ফুকন, সাংবাদিক
শ্ৰীআনন্দচন্দ্ৰ বৰুৱা (চেক্ৰেটৰী)

আমি আশা কৰোঁ শ্ৰীহট্ট সমস্যা সম্বন্ধে অসমীয়া জাতিৰ প্ৰকৃত মনৰ ভাৱ প্ৰকাশ পাবৰ এয়ে উপযুক্ত সময়। এই সময়তে অসমীয়া জাতিৰ দাবী দৃঢ়ভাবে জনাই দিব নোৱাৰিলে পিছলৈ সময় অতীত হব পাৰে।

এই সূত্ৰতে অসমীয়া সংৰক্ষিণী সভাই অসমীয়াৰ এই দাবী সাব্যস্ত কৰিবলৈ বিলাতলৈ প্ৰতিনিধি পঠাবলৈ যি চেষ্টা চলাই আহিছে সকলো অসমীয়া মানুহে তাৰলৈকে সহানুভূতি দেখুৱাই সেই চেষ্টাকো সফল কৰি তুলিবলৈ সুবিধা দিয়া উচিত।

ভুল-শুধৰণি

যোৱা শাওণ-সংখ্যা 'আৱাহনৰ' সূচীত 'সনাতনী' কবিতাৰ লিখক 'চিত্ৰদাস'ৰ সলনি 'শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা বি-এ' বুলি ভুলতে ছপা হৈছে।

১৪, জগন্নাথদত্ত লেন, লক্ষ্মীবিলাস প্ৰেছ লিঃত শ্ৰীদীননাথ শৰ্ম্মাৰ দ্বাৰা মুদ্ৰিত আৰু প্ৰকাশিত।